গোস্বামী তুলসীদাসৰ

শ্ৰীৰামচৰিত মানস

অনুবাদক

শ্ৰীবাপচন্দ্ৰ মহন্ত

শ্ৰীকেশদা মহন্ত

ASSAM

অসম সাহিত্য সভা

SHRIRAMCHARIT MANAS, Assamese translation of the Shri Ramcharit Manas of Goswami Tulsidas, translated by Sri Bapchandra Mahanta, Sri Keshada Mahanta and published by Sri Nagen Saikia, General Secretary, Asam Sahitya Sabha, Chandrakanta Handique Bhavan, Jorhat, January, 1981.

শ্ৰীৰামচৰিত মানস

অনুবাদক : শ্ৰীবাপচন্দ্ৰ মহন্ত
শ্ৰীকেশদা মহন্ত

প্ৰকাশক :
শ্ৰীনগেন শইকীয়া
প্ৰধান সম্পাদক
অসম সাহিত্য সভা
চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট

প্ৰথম প্ৰকাশ : জানুৱাৰী, ১৯৮১

মূল্য : পঁচিশ টকা

ছপাশাল :
পূৰ্বদেশ মুদ্ৰণ
ৰেহাবাৰী, গুৱাহাটী ৮

অসম চৰকাৰৰ দ্বাৰা অনুমোদিত সুলভ মূল্যৰ কাগজত আংশিকভাৱে ছপা কৰা হ'ল।

প্ৰধান সম্পাদকৰ একাষাৰ

গোস্বামী তুলসীদাসৰ 'ৰামচৰিত মানস' ভাৰতীয় ৰামায়ণী সাহিত্যৰ ভিতৰত অন্যতম জনপ্ৰিয় গ্ৰন্থ। ৰামচৰিত মানস বাল্মীকি-ৰামায়ণৰ অনুবাদ নহয়; বৰং ভক্ত কবিৰ হৃদয়ৰ মাজেদি সৰকি অহা ৰামকথাৰ এটি নতুন মৌলিক ৰূপ। ছন্দোবদ্ধ ৰূপত গোস্বামী তুলসীদাসে ৰচনা কৰা ৰামচৰিত মানস হিন্দীভাষীসকলৰ বাবে, বিশেষকৈ সৰ্বসাধাৰণ লোকৰ বাবে পৰম পবিত্ৰ সম্পদ স্বৰূপে গৃহীত হৈ আহিছে।

অসমীয়া ভাষাত 'ৰামচৰিত মানস'ৰ পূৰ্ণাংগ ৰূপ দূৰতে থাকক, সংক্ষিপ্ত ৰূপ এটিও নাছিল। তুলসীদাস জয়ন্তীৰ সময়ৰ সুযোগ লৈ অসম সাহিত্য সভাই 'ৰামচৰিত মানস'ৰ এটি পূৰ্ণাংগ ৰূপ অসমীয়া ভাষাত প্ৰকাশ কৰিবলৈ সিদ্ধান্ত কৰে। এই উদ্দেশ্যে কেন্দ্ৰীয় চৰকাৰৰ শিক্ষা মন্ত্ৰালয়ৰ ওচৰত দাখিল কৰা আঁচনিত চৰকাৰে অনুমোদন জনায় আৰু আঠ হেজাৰ টকাৰ এটি অনুদান আগবঢ়ায়।

সভাই ৰামচৰিত মানস অনুবাদ কৰিবৰ বাবে অনুৰোধ জনায় এগৰাকী প্ৰতিষ্ঠিত লেখিকা শ্ৰীযুতা কেশদা মহন্ত আৰু হিন্দী ভাষাত ব্যুৎপত্তি থকা এগৰাকী প্ৰতিষ্ঠিত লেখক শ্ৰীযুত ৰাপচন্দ্ৰ মহন্ত দেৱক। দুয়ো গৰাকীয়ে সভাৰ অনুৰোধ ৰক্ষা কৰি এই বিশাল গ্ৰন্থখনি অসমীয়া ভাষালৈ অনুবাদ কৰি সভাৰ বাবেই কেৱল নহয় অসমীয়া ভাষাৰ বাবেও এটি ডাঙৰ কাম সম্পন্ন কৰি দিলে। আমি এই কৰ্মৰ বাবে দুয়ো গৰাকীক সভাৰ পক্ষৰপৰা আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ আৰু অসমীয়া ভাষা-সাহিত্যক সমৃদ্ধ কৰাত অবিৰাম বৰঙণি যোগাই থাওক—এই আশাৰে শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

আমাৰ অনুৰোধ ৰক্ষা কৰি গ্ৰন্থখনিৰ আহিঁ-কাকত চাই দিছে, অসম সাহিত্য সভাৰ প্ৰাক্তন প্ৰধান সম্পাদক ড° হেমন্তকুমাৰ শৰ্মাদেৱে। ড° শৰ্মাকো আমাৰ ধন্যবাদ জনালোঁ। পূৰ্বদেশ মুদ্ৰণে গ্ৰন্থখনি ছপাই দিয়াৰ

বাবে ছপাশালটিৰ স্বত্বাধিকাৰী প্ৰমুখ্যে সংশ্লিষ্ট কৰ্মী-কৰ্মচাৰীসকলকো সজাগ ল'লোঁ। শেষত, অসম সাহিত্য সভাৰ সহকাৰী সম্পাদকদ্বয় শ্ৰীপ্ৰকাশ গোস্বামী আৰু শ্ৰীসতীশচন্দ্ৰ চৌধুৰীকো, তেওঁলোকে গ্ৰন্থখনি প্ৰকাশৰ বাবে কৰা যত্নৰ নিমিত্তে ধন্যবাদ জনালোঁ।

ইতি—

যোগেশ শইকীয়া
প্ৰধান সম্পাদক,
অসম সাহিত্য সভা

২৬ জানুৱাৰী, ১৯৮১
চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট

ভূমিকা

গোস্বামী তুলসীদাস আৰু শ্ৰীৰামচৰিত মানসৰ চমু পৰিচয়

সামাজিক পৰিৱেশ আৰু ঐতিহাসিক পটভূমি : খৃঃ ১৬শ শতিকাত তুলসীদাসে ৰামচৰিত মানস ৰচনা কৰিছিল। তুলসীদাসৰ জন্মস্থান আৰু কৰ্মস্থান দুয়োটাই মোগলৰ শাসনকাল আৰু শাসিত ভূ-খণ্ডৰ অন্তৰ্গত আছিল। ভাৰতলৈ নতুনকৈ আহি শাসন কৰিবলৈ লোৱা মোগলসকলক সেই সময়ৰ উত্তৰ ভাৰতীয় লোকেও বিদেশী বুলিয়েই ভাবিছিল; কিন্তু মোগলৰ আগতে প্ৰায় ৩০০ বছৰে ভাৰতত শাসন কৰি অহা মুছলমান শাসকসকলৰ প্ৰভাৱত ইছলাম ধৰ্ম ভাৰতীয় ধৰ্মৰ এটা প্ৰধান প্ৰতিদ্বন্দ্বী ধৰ্মৰূপে থিয় দি উঠিছিল। এইবিলাক কাৰণত দেশী আৰু বিদেশী, হিন্দু আৰু ইছলাম—এই দুয়োটা শ্ৰেণীৰে লোকৰ মাজত সামাজিক, সাংস্কৃতিক আৰু ৰাজনৈতিক চিন্তাৰ দিশৰে বহু পৰিমাণে সংঘৰ্ষ হৈছিল, সেইদৰে সমন্বয় সাধনো হৈছিল। ভাৰতৰ অবিকশিত শ্ৰেণীৰ বহু সংখ্যক লোক ইছলাম ধৰ্মত দীক্ষিত হৈছিল। আনহাতে, নাথপন্থী সাধকসকলৰ সংগঠনে চমৎকাৰপূৰ্ণ যোগবিদ্যাৰ প্ৰভাৱেৰে ইছলাম ধৰ্মৰ বিস্তাৰত প্ৰবল বাধাৰ সৃষ্টি কৰিছিল। কবীৰ প্ৰভৃতি নিৰ্গুণ জ্ঞানমাৰ্গী সাধকসকলৰ বাণীত সেইবাবে যোগমাৰ্গৰ প্ৰভাৱ বহু পৰিমাণে দেখা যায়। এই যোগমাৰ্গীসকলে পৌৰাণিক ধৰ্মৰ শৈৱ আৰু শাক্ত মতৰ লগতো নিজ মতৰ সম্পৰ্ক স্থাপন কৰিছিল। মহাৰাষ্ট্ৰত এই যোগমাৰ্গীসকলৰ পৰম্পৰাতে নামদেৱ, জ্ঞানেশ্বৰ প্ৰভৃতি সন্তসকলৰ বৈষ্ণৱ সম্প্ৰদায়ো গঢ় লৈ উঠিছিল।

দক্ষিণ ভাৰতৰপৰা অহা বৈষ্ণৱ ভক্তি-আন্দোলনেও খৃঃ ১৩শ।১৪শ শতিকা-মানৰপৰা উত্তৰ ভাৰতত এটা নতুন ধৰ্মীয় আদৰ্শ প্ৰচাৰ কৰিছিল। আনহাতে ভাৰতীয় পৌৰাণিক, যোগ আৰু ইছলাম ধৰ্মৰ সমন্বয়ত চুফীসকলে প্ৰেমপ্ৰধান ভক্তিধৰ্ম প্ৰচাৰৰ লগতে চুফী সাহিত্যও ৰচনা কৰিছিল। এইদৰে সেই সময়ৰ উত্তৰ আৰু পশ্চিম ভাৰত সাংস্কৃতিক সংঘৰ্ষ আৰু সমন্বয়ৰ লীলাভূমি হৈ

পৰিছিল। এনে সময়তে দক্ষিণ ভাৰতৰপৰা অহা বল্লভাচাৰ্যই বৃন্দাবনত কৃষ্ণ-ভক্তি-প্ৰধান বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰ কৰিছিল আৰু তাৰ ফলস্বৰূপে কৃষ্ণভক্তিৰ লগতে চুফীসকলৰ দৰে ধৰ্মত প্ৰেমভাৱৰ স্থানো বহুত ওপৰলৈ উঠিছিল। এই সামাজিক পৰিৱেশতেই মল্লিক মহম্মদ জায়সী নামৰ চুফী সন্তই উত্তৰ ভাৰতৰ এটা লোককাহিনী অৱলম্বিত 'পদ্মাৱত' নামৰ মহাকাব্য ৰচনা কৰি নিৰ্গুণ প্ৰেম-মাৰ্গৰ আদৰ্শেৰে হিন্দী সাহিত্যৰ ইতিহাসত এটা বিশেষ ধাৰাৰ সৃষ্টি কৰিছিল। বল্লভাচাৰ্যৰ কৃষ্ণভক্তিৰ আদৰ্শই সুৰদাসকে আদি কৰি বহুজন লব্ধপ্ৰতিষ্ঠ কৱিৰ পৃষ্ঠপোষকতা কৰিছিল। ৰসময় কৃষ্ণভক্তিৰ সুন্দৰ কৱিতা ৰচনা কৰা বাবে দিল্লীৰ পাঠান চৰদাৰ চৈয়দ ইব্ৰাহীম 'ৰসখান' নামে প্ৰসিদ্ধ হৈছিল। তুলসীদাসৰ জীৱনৰ ওপৰতো এনেকুৱা বিবিধ শ্ৰেণীৰ সামাজিক প্ৰভাৱ পৰিছিল আৰু সেই প্ৰভাৱ তেওঁৰ সাহিত্যতো প্ৰতিফলিত হৈছিল। শৈৱ আৰু বৈষ্ণৱ সম্প্ৰদায়ৰ মাজত সম্প্ৰীতিভাৱ বৃদ্ধি, যোগমাৰ্গ আৰু জ্ঞানমাৰ্গতকৈ ভক্তিমাৰ্গৰ শ্ৰেষ্ঠত্বৰ প্ৰদৰ্শন প্ৰভৃতি কিছুমান সামাজিক আদৰ্শৰ মূলতো এনে সামাজিক প্ৰভাৱেই কাম কৰি আহিছিল।

জীৱন-চৰিত : প্ৰসিদ্ধ ৰামায়ণী পণ্ডিত ৰামগুলাম দ্বিবেদী আৰু ভাষা-তত্ত্ববিদ গ্ৰীয়াৰ্চন চাহাবে খ্ৰীঃ ১৫৩১ চন তুলসীদাসৰ জন্মকাল বুলি নিৰ্ণয় কৰিছে। আধুনিক গৱেষকসকলৰ ভিতৰতো কেইবাজনেও তুলসীদাসৰ জন্ম কাল সম্বন্ধে সুকীয়া সুকীয়া আধাৰত নিজ নিজ মত দাঙি ধৰিছে। এই মতামত সম্বন্ধে বহল বিচাৰ কৰিবলৈ গ'লেও স্থিৰ সিদ্ধান্ত গ্ৰহণ কৰাটো সহজ কথা নহয়। সেইবাবে খ্ৰীঃ ১৬ শতিকাৰ প্ৰথম ভাগকেই আমি সাধাৰণভাৱে তুলসীদাসৰ জন্মকাল বুলি ধৰি লৈছো।

তুলসীদাসৰ জন্মস্থান সম্বন্ধেও মতানৈক্য আছে। এটা মত অনুসৰি উত্তৰ প্ৰদেশৰ 'এটা' জিলাৰ সোৰোঁ (মথুৰাৰপৰা বেৰিলীলৈ যোৱাৰ বাটত, গংগাৰ কাষত) তুলসীদাসৰ জন্মস্থান বুলি ধৰা হয়। আনটো মত অনুসৰি বান্দা জিলাৰ ৰাজাপুৰ (কানপুৰৰ দক্ষিণে এলাহাবাদৰ পশ্চিমে যমুনা নদীৰ ওচৰত) তুলসীদাসৰ জন্মস্থান বুলি নিৰ্ণয় কৰা হৈছে। দ্বিতীয়টো মতৰেই সমৰ্থকৰ সংখ্যা বেছি।

তুলসীদাসৰ পিতৃৰ নাম আছিল আত্মাৰাম দুবে। তেওঁ সৰযূপাৰীণ ব্ৰাহ্মণ বংশৰ লোক আছিল। তুলসীদাসৰ মাতৃৰ নাম আছিল হুলসী। জন্মৰ পাছতে কিছুমান অস্বাভাৱিক লক্ষণ দেখা পাই বিপদৰ আশংকা কৰি মাকে

পাছদিনাই চুনিয়া নামে দাসীৰ হাতত তুলসীদাসক গতাই দিলে। তাৰ পাছদিনা অৰ্থাৎ তুলসীদাসৰ জন্মৰ তৃতীয় দিনা মাকে এই সংসাৰৰ পৰাই বিদায় ল'লে। চুনিয়াও সেই ঘৰ এৰি আন ঠাইলৈ গুচি গ'ল। পিতৃ-মাতৃৰ স্নেহৰপৰা বঞ্চিত আৰু দাসীৰ হাতত সমৰ্পিত তুলসীদাসৰ বিজাই-বিপত্তিৰ সিমানতে অন্ত নপৰিল। তুলসীদাসক ডাঙৰ-দীঘল কৰিবলৈ লোৱা চুনিয়াও তুলসীদাসৰ ৫।৬ বছৰমান বয়স হওঁতেই মৃত্যুৰ মুখত পৰিল। সেই অৱস্থাত তেওঁ ঘৰে-ঘৰে মাগি-খুজি খাইহে জীৱন ধাৰণ কৰিব লগা হৈছিল।

এইদৰে কিছুদিন যোৱাৰ পাছত নৰহৰি আনন্দ নামৰ এজন পণ্ডিত সাধুৱে তুলসীদাসৰ ভৰণ-পোষণৰ দায়িত্ব ল'লে। তেওঁ তুলসীদাসৰ নাম ৰাখিলে 'ৰামবোলা' আৰু যথাসময়ত অযোধ্যালৈ নি তাত উপনয়ন-সংস্কাৰ কৰাই তুলসীদাসক ৰামনামৰ দীক্ষা দিলে; তদুপৰি যথাবিধি বিদ্যাশিক্ষাৰ ব্যৱস্থাও কৰিলে। তীক্ষ্ণ বুদ্ধিৰ তুলসীদাসে গুৰুৰপৰা পোৱা বিদ্যা সহজে আয়ত্ত কৰি ল'লে। তাৰ পাছত তেওঁ গুৰুৰ লগত শূকৰ ক্ষেত্ৰ (সোৰোঁ)লৈ গ'ল। তাতে নৰহৰিদাসে তুলসীদাসক ৰামচৰিত শুনালে।

শূকৰ ক্ষেত্ৰৰপৰা তুলসীদাস কাশীলৈ আহিল। কাশীত তেওঁ শেষ-সনাতন নামৰ পণ্ডিতৰ ওচৰত কেইবাবছৰো থাকি বেদ-বেদাংগ আদি নানা শাস্ত্ৰৰ অধ্যয়ন কৰিলে। ইয়াৰ পাছত তুলসীদাস নিজৰ জন্মস্থানলৈ গ'ল; কিন্তু তাত নিজৰ বুলিবলৈ কাকো বিচাৰি নাপালে। ইতিমধ্যে কালৰ বুকুত সকলোটি লাহ গৈছিল। সামাজিক প্ৰথা ৰাখি বিধিমতে পিতৃ-মাতৃৰ শ্ৰাদ্ধ-পিণ্ড আদি কাৰ্যসমূহহে তেওঁ কৰিবলৈ পালে। তথাপি তেওঁ তাত কিছুদিন থাকি স্থানীয় লোকক ৰামকথা শুনাবলৈ ধৰিলে আৰু ৰত্নাৱলী নামে এটি অৱস্থাপন্ন লোকৰ কন্যাৰ পাণি গ্ৰহণ কৰি গাৰ্হস্থ্য-জীৱনো আৰম্ভ কৰিলে।

এদিন ৰত্নাৱলী নিজৰ ভায়েকৰ লগত মাকৰ ঘৰলৈ গ'ল। তাৰ পাছতে তুলসীদাসো শহুৰেকৰ ঘৰ ওলালেগৈ। তেতিয়া ৰত্নাৱলীয়ে স্বামীৰ এই কাৰ্যত লাজ পাই এই বুলি নিন্দা কৰিলে—

লাজ ন লাগত আপকো দৌৰে আয়হু সাথ।
ধিক্ ধিক্ ঐসে প্ৰেমকো কহা কহোঁ মৈঁ নাথ॥
অস্থি-চৰ্মময় দেহ মম তাসে জৈসী প্ৰীতি।
তৈসী জৌ শ্ৰীৰাম মহঁ হোতীন তৌ ভৱ ভীতি॥

[লগতে লাগি আহিবলৈ আপোনাৰ লাজ নেলাগিলনে? ধিক্ ধিক্ হে নাথ!

এনেকুৱা প্ৰেমৰ বিষয়েনো আৰু কি ক'ম ! অস্থি-চৰ্মময় মোৰ এই দেহটোত আপোনাৰ যি প্ৰীতি সেই প্ৰীতি শ্ৰীৰামৰ প্ৰতি হোৱা হ'লে সংসাৰ-অৰ্ণৱৰপৰাই নিস্তাৰ পালেহেঁতেন ।]

তিৰোতাৰ এই কথা তেওঁৰ অন্তৰত বৰকৈ লাগিল । তাত অলপ সময়ো নৰৈ তুলসীদাসে প্ৰয়াগলৈ বুলি খোজ ল'লে । প্ৰয়াগ পোৱাৰ পাছত তেওঁ সন্ন্যাস গ্ৰহণ কৰি তীৰ্থ পৰ্যটন কৰিবলৈ ধৰিলে । তীৰ্থ ভ্ৰমণৰ সময়ত তুলসীদাসে মানস-সৰোবৰৰ ওচৰত কাকভুশুণ্ডীক লগ পোৱা বুলিও লোক প্ৰবাদ আছে । এই কাকভুশুণ্ডী কোন, সেই বিষয়ে উত্তৰ-কাণ্ডত বহলাই কোৱা হৈছে ।

তীৰ্থ ভ্ৰমণৰ পাছত তুলসীদাস যথাক্ৰমে কাশী, চিত্ৰকুট আৰু প্ৰয়াগত কিছুদিন আছিল । চিত্ৰকুট এলাহাবাদৰপৰা প্ৰায় ৮০ মাইল পশ্চিমে বান্দা জিলাত অৱস্থিত বিন্ধ্য পৰ্বতৰ এটা ঠাই । ৰামায়ণত ৰামচন্দ্ৰ আৰু ভৰতৰ দেখা-সাক্ষাত এই চিত্ৰকুটতে হোৱা বুলিছে । প্ৰচলিত কথা আৰু তুলসীদাসৰ ৰচনাত থকা সংকেত মতেও এই তিনি ঠাইতে ক্ৰমে হনুমান, ৰাম-লক্ষ্মণ আৰু ভৰদ্বাজ যাজ্ঞবল্ক্য মুনিকো তুলসীদাসে দৰ্শন কৰাৰ সৌভাগ্য লাভ কৰিছিল । প্ৰয়াগৰ পাছত তেওঁ আকৌ কাশীলৈ গ'ল আৰু তাতে ভগবান শিৱৰপৰা স্বপ্নত আদেশ পাই অযোধ্যালৈ গৈ লোকভাষাত ৰামচৰিত মানস ৰচনা কৰিলে । দুবছৰ সাত মাহ একৈছ দিনত এই গ্ৰন্থৰ ৰচনা কাৰ্য সম্পূৰ্ণ হৈছিল বুলি কোৱা হয় । সেইমতে সম্বৎ ১৬৩৩ অৰ্থাৎ ১৫৭৫ চনত ৰামচৰিত মানসৰ ৰচনা সমাপ্ত হৈছিল । কোনো কোনো পণ্ডিতৰ মতে ৰামচৰিত মানসৰ কিছু অংশ কাশীতো ৰচনা কৰা হৈছিল ।

অযোধ্যাৰপৰা আহি তুলসীদাসে কাশীত নিজৰ গ্ৰন্থ প্ৰচাৰ কৰিবলৈ ধৰিলে ; কিন্তু এই ক্ষেত্ৰত তেওঁ পণ্ডিত সমাজৰপৰা পদে পদে বাধা পাবলৈ ধৰিলে । তথাপি অৱশেষত তুলসীদাসৰেই জয় হ'ল । ৰামচৰিত মানসৰ প্ৰভাৱ দিনে দিনে বাঢ়িবলৈ ধৰিলে ।

তুলসীদাসৰ ৰচিত 'কবিতাৱলী' নামৰ এখন পুথিত উল্লেখ থকা মতে জীৱনৰ শেষ কালছোৱা কাশীত কটাওঁতে দুৰ্ভিক্ষ আৰু মহামাৰীয়ে তেওঁক কষ্ট দিছিল । বাতৰোগত দুবছৰমান কষ্ট ভোগ কৰি সম্বৎ ১৬৮০ (খৃঃ ১৬২৩)ত তেওঁ এই সংসাৰৰপৰা বিদায় ল'লে । এই সম্পৰ্কে তলত দিয়া পদফাকি প্ৰসিদ্ধ ।

সংবৎ সোলহ সৌ অসী, অসী গংগাকে তীৰ।
শ্ৰাৱণ শ্যামা তীজ শনি; তুলসী তজ্যো শৰীৰ॥

অৰ্থাৎ ১৬৮০ সম্বতৰ শাওণ মাহৰ কৃষ্ণা তৃতীয়া তিথি শনিবাৰে গংগা আৰু অসী নদীৰ সংগম স্থলত তুলসীদাসে দেহত্যাগ কৰিলে।

তুলসীদাসৰ জীৱনৰ দুই-চাৰিটা ঘটনা সম্বন্ধে মতভেদো আছে। কোনো কোনো লোকৰ মতে তুলসীদাসে তিনিগৰাকী নাৰীৰ পাণি গ্ৰহণ কৰিছিল; কিন্তু লোকপ্ৰবাদ মতে তুলসীদাসে এবাৰহে বিয়া কৰিছিল। তুলসীদাসৰ তাৰক নামে এটি পুত্ৰ সন্তানো হৈছিল; কিন্তু কম বয়সতে সিও কালৰ কবাল গ্ৰাসত পৰিল। তেওঁৰ পত্নী ৰত্নাৱলীয়ে ৰচনা কৰা দোহাও প্ৰকাশ হৈছে বুলি জনা গৈছে।

ধৰ্মীয় পৰম্পৰা আৰু বন্ধু-বান্ধৱ : তুলসীদাসৰ ভক্তিমাৰ্গৰ মূল ৰামানুজাচাৰ্যৰ শ্ৰীসম্প্ৰদায়। দক্ষিণ ভাৰতৰপৰা অহা ৰামানন্দই এই মত প্ৰথমতে খৃঃ ১৩শ/১৪শ শতিকামানত কাশীত প্ৰচাৰ কৰিছিল। ৰামানুজাচাৰ্যৰ উপাস্য লক্ষ্মী-নাৰায়ণৰ ঠাইত ৰাম-সীতাক উপাস্যৰূপে গ্ৰহণ কৰাটো ৰামানন্দৰ এটা বিশেষত্ব আছিল। দাস্যভাৱ এই ভক্তিৰ প্ৰধান সম্বল। এসময়ত তুলসীদাস শৈৱ মঠৰো অধিকাৰী আছিল। তেতিয়াৰেপৰা তুলসীদাসক গোস্বামী বা গোসাঁই বোলা হৈছিল। উত্তৰ ভাৰতত গৃহস্থী শৈৱ-সন্তসকলৰ এটা সম্প্ৰদায়ক গোস্বামী বোলা হয়। বল্লভাচাৰ্য, নিম্বাৰ্কাচাৰ্য আৰু মাধৱাচাৰ্যৰ পৰম্পৰাৰ গুৰুসকলকো গোস্বামী বোলাৰ প্ৰথা আছে। সম্ভৱতঃ জিতেন্দ্ৰিয় অৰ্থত ধৰ্মাচাৰ্য সকলক গোস্বামী বোলা হৈছিল। তদুপৰি এই প্ৰথাৰ মূলতে যোগমাৰ্গী নাথ সম্প্ৰদায়ৰ প্ৰভাৱো থাকিব পাৰে।

সাহিত্য আৰু সমাজ সংগঠনৰ যোগেদি তুলসীদাসে ৰামভক্তিৰ প্ৰচাৰ কৰিছিল যদিও তেওঁ মহাপুৰুষ শংকৰদেৱৰ দৰে শিষ্য ভজোৱা কাৰ্যত লিপ্ত থকা বুলি জনা নেযায়। ৰামু দ্বিবেদী নামে তেওঁৰ মাত্ৰ এজন শিষ্যৰ কথাহে এই পৰ্যন্ত জনা গৈছে। ৰামু দ্বিবেদীয়ে তুলসীদাসৰ জীৱনকালতেই প্ৰেম-নাৰায়ণ নামেৰে ৰামচৰিত মানসৰ সংস্কৃত ভাষাত এটা টীকা লিখিছিল। বৰ্তমান অযোধ্যা, কিষ্কিন্ধা আৰু সুন্দৰ—এই তিনিটা কাণ্ডৰহে প্ৰেমনাৰায়ণ টীকা পোৱা গৈছে। সেই টীকাত তুলসীদাসৰ ৰূপ আৰু স্বভাৱ সম্বন্ধেও কিছু বৰ্ণনা পোৱা যায়। টীকাকাৰে তুলসীদাসক বাৰে বাৰে 'ৰামকিংকৰ' বুলি উল্লেখ কৰিছে।

তুলসীদাসৰ গুণগ্ৰাহী অন্যান্য পণ্ডিত বন্ধু-বান্ধৱসকলৰ ভিতৰত কাশীৰ আনন্দকানন ব্ৰহ্মচাৰী আৰু মধুসূদন সৰস্বতীৰ নাম বিশেষভাৱে উল্লেখযোগ্য। সুৰদাস আৰু মীৰাবাইৰ লগতো তেওঁৰ দেখা-সাক্ষাৎ আৰু পত্ৰ-ব্যৱহাৰ হৈছিল বুলি জানিবলৈ পোৱা যায়। আকবৰ বাদচাহৰ সেনাপতি বৈৰামখাঁৰ পুত্ৰ আব্দুৰ ৰহীম খানখানা, মহাৰাজ মানসিংহ আৰু টোডৰমলৰ লগতো তুলসীদাসৰ বন্ধুত্ব আছিল। বিৰোধী লোকসকলে ৰামচৰিত মানস পুথিখন নষ্ট কৰিবলৈ যত্ন কৰাৰ সময়ত তুলসীদাসে সেই পুথি টোডৰমলৰ ঘৰত লুকুৱাই থৈছিল বুলিও জানিবলৈ পোৱা যায়।

ব্যক্তিত্ব আৰু সংগঠন : তুলসীদাস কবি, গায়ক আৰু গীতিকাৰ হোৱাৰ উপৰিও এজন সমাজ-সংগঠকো আছিল। তেওঁ নিজৰ ইষ্টদেৱ ৰামৰ লগতে ৰামভক্ত মহাবীৰ হনুমানৰ পূজাও প্ৰচলন কৰে। গাঁৱে গাঁৱে আখাড়া, বজ্ৰাংগ বা হনুমানৰ মূৰ্তি আৰু ৰামৰ ধনুৰ্ধৰ মূৰ্তি তেওঁ স্থাপন কৰোৱায়। উত্তৰ দিশত হনুমান আৰু দক্ষিণ দিশত ৰামৰ মূৰ্তি স্থাপন কৰা হয়। মাজৰ মুকলি ঠাই খিনিক অখাড়া বোলা হয়। এই অখাড়াত ব্যায়াম-চৰ্চা কৰা হয়। গান-বাজনা, সভা সন্মিলন, সন্ত-সাধুসকল আহিলে থকা-মেলাৰ ব্যৱস্থাও এই অখাড়া ভাগতে কৰা হয়। অসমৰ নামঘৰ সমূহ আৰু আজিকালিৰ পুৰণি ভঁৰাল বা ক্লাবৰ কামো এই অখাড়াই কৰিছিল। ৰামানন্দই স্থাপন কৰা মঠ-বিলাকত সম্ভৱতঃ এই অখাড়াত থকা ব্যায়ামৰ ব্যৱস্থা আৰু হনুমানৰ পূজাই ঠাই পোৱা নাছিল। সেই সময়ৰ উত্তৰ ভাৰতত সঘনে যুদ্ধ-বিগ্ৰহ হৈ থকা বাবে আৰু বিদেশী শাসকৰ সাংস্কৃতিক আক্ৰমণৰ পৰা আত্মৰক্ষাৰ কাৰণে সমাজক মানসিকভাৱে সচেতন আৰু শাৰীৰিকভাৱে বলৱান কৰি তোলাটো আৱশ্যক হৈ পৰিছিল। সেই নিমিত্তে তুলসীদাসে ধনুৰ্ধাৰী বীৰ তথা মৰ্যাদা—পুৰুষোত্তম ৰাম আৰু তেওঁৰ ভক্ত মহাবীৰ হনুমানৰ আদৰ্শ সমাজৰ চকুৰ আগত সদায় জিলিকাই ৰাখিবলৈ চেষ্টা কৰিছিল। কেৱল কাশী নগৰতে বাৰখন ঠাইত তেওঁ এই উদ্দেশ্যে হনুমানৰ মন্দিৰ স্থাপন কৰাইছিল। প্ৰতি বছৰে 'হনুমান জয়ন্তী' পালনৰ ব্যৱস্থাও তেওঁৰ দিনতেই আৰম্ভ কৰা হৈছিল। আজিও হিন্দী-ভাষী ক্ষেত্ৰত তুলসীদাসৰ প্ৰেৰণাতে প্ৰচলন হোৱা 'হনুমান-জয়ন্তী' উৎসাহেৰে পালন কৰা দেখা যায়। ইয়াকে 'অখাড়া-উঠা' বুলিও কোৱা যায়।

ৰামদল বা মহাবীৰ দল গঠন কৰা কাৰ্যও ইয়াৰ লগৰে এটা কথা। ব্যায়াম বা কোটি খেলৰ লগতে দুটা পক্ষ হৈ যুঁজো কৰা হয়। একপক্ষ ৰামদল বা

মহাবীৰ দল আৰু আনটো পক্ষ ৰাৱণ দল বা অহিৰাৱণ দল বুলি কোৱা হয়। আজি-কালিও গাঁওবোৰত এনে ধৰণৰ দল গঠন কৰি ব্যায়াম কৰোৱা ব্যৱস্থা দেখিবলৈ পোৱা যায়। এই আদৰ্শতে মহাৰাষ্ট্ৰৰ গুৰু সমৰ্থ ৰামদাসেও মহাৰাষ্ট্ৰ আৰু দক্ষিণ ভাৰতৰ অন্যান্য ৰাজ্যত হনুমান পূজা প্ৰচলন কৰিছিল বুলি জানিবলৈ পোৱা হয়।

অখাড়াত প্ৰতি মংগলবাৰে ৰাম-কীৰ্তনৰ ব্যৱস্থা কৰা হয়। বাল্মীকীৰ ৰামায়ণৰ পৰিবৰ্তে ৰামচৰিত মানস পাঠ কৰা আৰু তাৰ প্ৰৱচনৰ ন-দিনীয়া বা মাহেকীয়া ব্যৱস্থাৰ প্ৰচলন আজি পৰ্যন্ত তুলসীদাসৰ সময়ৰপৰা চলি আহিছে। 'মেধাভগত' নামে তুলসীদাসৰ এজন বন্ধু আছিল। তেওঁৰ সহায়েৰে ৰামলীলাৰ প্ৰচলন সেই সময়তে কৰোৱা হয়। এই লীলাৰ এটা বৈশিষ্ট্য এয়ে যে ভাওনাৰ দৰে একে ঠাইতে এই লীলা প্ৰদৰ্শন কৰা নহৈছিল। এঠাইত অযোধ্যা, এঠাইত লংকা, আন এঠাইত চিত্ৰকূট আদি নানা ঠাইত ৰামায়ণৰ সুকীয়া সুকীয়া প্ৰসিদ্ধ ঠাইবোৰ পাতি লৈ এটা ব্যাপক ৰূপত আৰু বহল পৰিসৰত ৰামলীলা কৰা হৈছিল। কাশীৰ ওচৰৰ ৰাম নগৰত এতিয়াও ৰামলীলাৰ এই ব্যাপক ৰূপটো দেখিবলৈ পোৱা যায়।

কৃষ্ণ জন্মাষ্টমীৰ দিনা 'নাগ-নথৈয়া' বা কালিয়দমন লীলা কৰা নিয়ম চলোৱা হৈছিল। কৃষ্ণই কালিয়সৰ্পক যমুনাৰ হ্ৰদৰপৰা খেদোৱাৰ দৰে সমাজৰপৰাও সমাজ বিৰোধী লক্ষণবোৰ বা স্বভাৱবোৰ বাহিৰ কৰি পঠোৱাটোৱেই এই লীলাৰ তাৎপৰ্য বুলি ধৰা হৈছিল। কাশীৰ এঠাইত তেতিয়াৰপৰা এতিয়ালৈকে এই লীলা প্ৰদৰ্শনৰ পৰম্পৰা চলি আহিছে।*

এইদৰে বিভিন্ন দিশত নানাপ্ৰকাৰে কৰা সংগঠনৰ দ্বাৰা তুলসীদাসৰ সামাজিক চেতনাৰ পৰিচয় স্পষ্ট হৈ উঠা দেখা যায়। ওপৰে ওপৰে দেখাত ভক্তি আৰু বীৰত্ব, দুয়োটা পৰস্পৰ বিৰোধী বস্তু যেন লাগে; কিন্তু তুলসীদাসে হনুমানৰ চৰিত্ৰৰ সহায়েৰে এই দুয়োটা বস্তুকে মিলাই সমাজৰ কাৰণে এটা বিশিষ্ট আদৰ্শ দাঙি ধৰিলে। হৃদয়ৰ বিকাশৰ কাৰণে যিদৰে ভক্তিৰ প্ৰয়োজন আছে, সেইদৰে স্বকীয় সংস্কৃতি আৰু সমাজ ৰক্ষাৰ কাৰণে বহুসময়ত বাহু-বলৰো প্ৰয়োজন হয়। তুলসীদাসৰ সময়তো এনে বাহুবলৰ প্ৰয়োজন হৈছিল।

* ব্যক্তিত্ব আৰু সংগঠন সম্বন্ধীয় কথাখিনি গুৱাহাটী বিশ্ববিদ্যালয়ৰ হিন্দী অধ্যাপক ড: কৃষ্ণনাৰায়ণ প্ৰসাদ 'মাগধ' ডাঙৰীয়াৰ সহায়ত লিখা হৈছে।

ঐতিহ্য আৰু শৃংখলাবোধৰ ক্ষেত্ৰ বহুপৰিমাণে নৈতিক বন্ধনবো প্ৰয়োজন অস্বীকাৰ কৰিব নোৱাৰি ; কিন্তু এই নৈতিক বন্ধনবোৰৰ স্থান, কাল আৰু ব্যক্তিভেদে পৰিবৰ্তন হ'ব পাৰে। সেইবাবে বৰ্তমানৰ সামাজিক স্থিতিত পাঠকসকলে তুলসীদাসৰ সময়ৰ নৈতিক বন্ধনসমূহক সম্পূৰ্ণ একেৰূপতে গ্ৰহণ কৰিব নোৱাৰিবও পাৰে। এনে স্থলত কোনো কোনো ঠাইত তুলসীদাসৰ উক্তিৰ লগত বৰ্তমান যুগৰ পাঠকসকল একমত হ'ব নোৱৰাটো অস্বাভাৱিক নহয়। তেওঁৰ সেই উক্তিবোৰৰ সাৰ্থকতা উপলব্ধিৰ কাৰণে পাঠকসকলৰ মানসিক স্থিতিটোও সেই সময়ৰ পৰিৱেশলৈ লৈ যোৱাৰ প্ৰয়োজন হয় ; কিন্তু সকলো পাঠকৰ কাৰণে সেইটো সম্ভৱ হৈ নুঠে।

তুলসীদাসৰ সময়লৈকে মোগলসকলৰ শাসন আৰু সংস্কৃতি সম্পূৰ্ণৰূপে ভাৰতীয় বুলি স্বীকৃত হোৱা নাছিল। ভাৰতীয় জনসাধাৰণে মোগলসকলক তেতিয়াও বিদেশী বুলিয়েই ভাবিছিল। সেইবাবে বহুত আলোচকৰ মতে তুলসীদাসৰ উক্তিত কলিকালে মোগল শাসনৰ আৰু ৰাৱণে দৰিদ্ৰতাৰ প্ৰতিনিধিত্ব কৰিছে। ৰাম লোকনায়ক, বীৰ আৰু উদ্ধাৰকৰ্তাৰ প্ৰতীক। ভক্তি আৰু বীৰত্বৰ সাধক হনুমানক এই ক্ষেত্ৰত ভাৰতীয় জনসাধাৰণৰ প্ৰতীক বুলি ধৰা হৈছে। এই দৃষ্টিত তুলসীদাসৰ ৰামচৰিত মানসৰ সম্পূৰ্ণ কথাবস্তু প্ৰতীকাত্মক বুলি ধৰাৰ অনেক যুক্তি প্ৰদৰ্শন কৰা হয়। এনে দৃষ্টিকোণেৰে ৰচনা কৰা বহুত আলোচনা এতিয়া হিন্দী সাহিত্যত দেখিবলৈ পোৱা যায়।

ৰামচৰিত মানস : ৰামচৰিত মানসক সাধাৰণভাৱে তুলসীদাসী ৰামায়ণ বুলিও কোৱা হয়। এই ৰামায়ণখন বাল্মীকি ৰচিত সংস্কৃত ৰামায়ণৰ অনুবাদ বুলি ধৰিব নোৱাৰি। গ্ৰন্থৰ আৰম্ভণিতে তেওঁ এই সম্বন্ধে নিজেই এইবুলি কৈছে—

নানা পুৰাণ নিগমাগম সম্মতং
যদ্ ৰামায়ণে নিগদিতং কচিদন্যতোঽপি।
স্বান্তঃ সুখায় তুলসী ৰঘুনাথ গাথা
ভাষানিবন্ধমতি মঞ্জুলমাতনোতি॥

ভাগৱত মহাপুৰাণৰ শ্ৰীকৃষ্ণচৰিতৰ লগত সাদৃশ্য থকা কিছু অলৌকিক লীলা আৰু অধ্যাত্ম ৰামায়ণৰ (সংস্কৃত) প্ৰভাৱ এই ৰামায়ণত দেখা যায়। ৰামচৰিত মানসৰ বিষয়বস্তুৰ কালৰপৰা চালে এই শ্ৰেণীৰ বহুত কথা আলোচনাৰ ভিতৰলৈ আহে ; কিন্তু সেই সকলো কথাৰ বিশদ আলোচনা কৰাটো এই প্ৰসংগত

আমাৰ উদ্দেশ্য নহয়। অনূদিত পাঠৰ সহায়েৰে মূলখনটোৰ সম্বন্ধে হ'ব লগীয়া ধাৰণাৰ বিশদ ৰচনা-ৰীতি আৰু অনুবাদৰ ধৰণ সম্বন্ধে দুই-এটা কথাহে আমি এইখিনিতে পাঠকসকলৰ জ্ঞাতাৰ্থে জনাব খুজিছোঁ।

ৰচনা-ৰীতি: অসমীয়া সাহিত্যত কীৰ্তন পুথিখনক যেনেকৈ কেৱল কাব্য বা কেৱল গীত বুলি ক'ব নোৱাৰি, সেইদৰে তুলসীদাসৰ এই ৰামায়ণখনো সম্পূৰ্ণৰূপে গীত বা কাব্য—কোনো এটা শ্ৰেণীৰে অন্তৰ্ভুক্ত বুলি ধৰিব নোৱাৰি। তুলসীদাসৰ ৰামায়ণ সম্পূৰ্ণ মহাকাব্য হ'লেও ই একপ্ৰকাৰৰ ধৰ্মীয় গেয়-সাহিত্য। ইয়াক বাদ্যসহ সুৰ লগাই গোৱা হয় যদিও বাদ্য নোহোৱাকৈ সাধাৰণ লয়তহে বেছিকৈ গোৱা দেখা যায়। সেইবাবে তুলসীদাসৰ ৰামচৰিত মানসক কাব্য, গীত আৰু ধৰ্মশাস্ত্ৰৰ এটা সমন্বয়াত্মক ৰূপ বুলি ক'ব পাৰি।

পুথিখনৰ প্ৰতিটো কাণ্ডৰ আৰম্ভণিতে সংস্কৃত ভাষাত কেইটামান বন্দনা-শ্লোক দিয়া আছে। অৱধী ভাষাত ৰচিত কাব্যৰ মূল পাঠত দোহা, চৌপাঈ, সোৰঠা আৰু হৰিগীতিকা ছন্দ* এই চাৰিটা ছন্দ পোৱা যায়। চৌপাঈৰ সংখ্যা সকলোতকৈ বেছি। সাধাৰণতে চাৰি-পাঁচটামান চৌপাঈৰ পাছত এটা আৰু কেতিয়াবা কেতিয়াবা ততোধিক সংখ্যক দোহা দেখা যায়। কেতিয়াবা কেতিয়াবা দোহাৰ পৰিবৰ্তে সোৰঠাও দিয়া দেখা গৈছে। কোনোবা এটা পদৰ স্থান নিৰ্ণয় কৰিব লগীয়া হ'লে দোহা বা সোৰঠাৰ সংখ্যা আৰু চৌপাঈৰ সংখ্যা লোৱাটোৱেই একমাত্ৰ উপায়। 'ছন্দ' নামে পৰিচিত পদসমূহত দোহা বা সোৰঠাৰ নিচিনাকৈ কোনো সংখ্যা দিয়া হোৱা নাই। 'ছন্দ'ৰ বৰ্ণনীয় বিষয়-বস্তুবোৰতো সাধাৰণতে পূৰ্বৰ চৌপাঈত থকা বিষয়-বস্তুৰে পুনৰাবৃত্তি কৰা যেন লাগে।

* এই ছন্দবোৰৰ একোটা উদাহৰণ তলত দিয়া হৈছে। বৰ্ণনা বেছি হয় বাবে ছন্দৰ লক্ষণবোৰ দিয়া নহ'ল।

দোহা:—শ্ৰীগুৰু চৰণ সৰোজ ৰজ নিজ মন মুকুৰ সুধাৰি।
ৰৰণউঁ ৰঘুবৰ বিমল যশ জো দায়কু ফলচাৰি ॥ ১ ॥

চৌপাঈ:—জব তেঁ ৰাম বিয়াহি ঘৰ আএ।
নিত নৱ মংগল মোদ বধাএ। (পূৰ্বোক্ত দোহাৰ পাছতে)

সোৰঠা:—বাৰ বাৰ কহ ৰাউ সুমুখি সুলোচনি পিক বচনি।
কাৰণ মোহি সুনাউ গজগামিনি নিজ কোপ কৰ ॥ ২৫

(২৫ সংখ্যক দোহাৰ পাছত)

কেতিয়াবা কেতিয়াবা সম্পূৰ্ণ ভাবপ্ৰকাশ কৰিব পৰা পূৰ্ণাংগ বাক্য কোনো একোটা দোহা বা চৌপাইত থকা দেখা নাযায়। অৰ্থগ্ৰহণৰ কাৰণে তেনে সময়ত দুই-তিনিটা চোপাই বা দোহাৰ অৰ্থ সামৰি ল'ব লগীয়া হয়। কোনো কোনো ক্ষেত্ৰত কাব্যৰ চৰিত্ৰবোৰৰ কথোপকথন বা বিবৰণৰ মাজতে কবিৰ ভণিতা বা প্ৰাসংগিকভাৱে ৰামকথাৰ বক্তা [শিৱ, কাকভুশুণ্ডী প্ৰভৃতি] সকলৰ উক্তিও সোমাই পৰিছে। কেতিয়াবা সেই বক্তাসকলৰ নামটো উল্লেখ কৰা হৈছে আৰু কেতিয়াবা কৰা হোৱা নাই। সেইদৰে কিছুমান উক্তি নাটকীয় পদ্ধতিৰে দিয়া হৈছে। এনে কিছুমান কাৰণত উক্তিৰ বক্তা আৰু শ্ৰোতা কোন বুজিবলৈ কিছু অসুবিধাও হয়। উত্তৰ ভাৰতত চলি অহা ৰামায়ণ পাঠ আৰু প্ৰবচনৰ ব্যৱস্থা মতে প্ৰবচন কৰ্তা আৰু পাঠকসকলে এইবোৰ আউল ভাঙি বুজাবলৈ বুজাই যায়। সেই কাৰণে তেওঁলোকৰ বাবে ৰচনা-ৰীতিৰ এই জটিলতাই একো সমস্যাৰ সৃষ্টি কৰিব নোৱাৰে। কিন্তু অন্য ভাষালৈ অনুবাদ কৰোঁতে এইবোৰ কথা মূলত নাথাকিলেও স্পষ্ট হ'বৰ কাৰণে বন্ধনীৰ ভিতৰত লিখ যাব লগীয়া হয়।

কেইটামান শব্দৰ বিশেষ প্ৰয়োগ: বিষয়বস্তুৰ বৰ্ণনা আৰু তাৰ অৰ্থগ্ৰহণৰ ক্ষেত্ৰতো তুলসীদাসৰ ৰামায়ণৰ কিছুমান উক্তি আৰু শব্দৰ প্ৰয়োগ বৰ্তমান সময়ৰ পাঠকৰ বিচাৰৰ লগত খাপ-খোৱা যেন নালাগে। এই শ্ৰেণীৰ দুটামান উদাহৰণ তলত দিয়া হ'ল।

ছন্দ:—কোউ হেতু বান্দি বিসাল পবসক দশ ন পাওহি নিবাবঈ।
মানহু সবোৰ ভুজংগভামিনি বসন ভাংতি নিহাবঈ॥
সোউ বাসনা বসন দমন বৰ মৰম পাহৰ পৰঈ।
তুলসী ভুপা ভজ্জাৰ হৰা ভাংবস কাম কৌতুক লৰঈ॥

(পূৰ্বোক্ত সোৰঠাৰ ওপৰত)

চতুৰ্থৈক 'ছন্দ' বুলি কোৱা হয় যদিও ইয়াৰ সম্পূৰ্ণ নাম হৰিগীতিকা ছন্দ। এই প্ৰসংগত হিন্দীভাষী অঞ্চলৰ উচ্চাৰণ সম্বন্ধেও এটা কথা মন কৰিব লগীয়া। স্থানীয় উচ্চাৰণ-পদ্ধতি অনুসৰণ নকৰিলে ছন্দৰ সৌন্দৰ্য ৰক্ষা নপৰে। ব্ৰজভাষা, খড়ীবোলী, অৱধী প্ৰভৃতি হিন্দীক্ষেত্ৰৰ সকলো ভাষাতে সংস্কৃত ভাষাৰ দৰে দীৰ্ঘস্বৰৰ উচ্চাৰণ দীৰ্ঘ আৰু হ্ৰস্ব স্বৰৰ উচ্চাৰণ হ্ৰস্ব হয়। তদুপৰি তালব্য আৰু মূৰ্ধন্য বৰ্ণৰ উচ্চাৰণো বহু সময়ত দন্ত্য হয়। সেইবাবে উচ্চাৰণৰ কালে চকু ৰাখি লিখা ৰামচৰিত মানসৰ মূল পাঠত সংস্কৃত-আখৰ জোঁটনিৰ ব্যতিক্ৰম দেখিবলৈ পোৱা যায়। ওপৰৰ কেইটা ছন্দৰ উদাহৰণ অযোধ্যা কাণ্ডৰ পৰা দিয়া হৈছে।

বস্তুত বুজাবৰ কাৰণে কোটি শব্দটোৰ প্ৰয়োগ ৰামচৰিত মানসৰ বহু ঠাইত কৰা হৈছে। সাধাৰণতে কোটি শব্দৰ প্ৰয়োগ আন প্ৰসংগত এইদৰে কৰা নহয়। 'এশ লাখ' অৰ্থত কোটি শব্দৰ প্ৰয়োগ কৰা হয়। ৰামচৰিত মানসৰ কিছুমান উক্তিত সাম্প্ৰদায়িকতা আৰু সংৰক্ষণশীলতাৰো আভাস পোৱা যায়। আনহাতে তাৰ বিপৰীতধৰ্মী উদাৰ সামাজিকতা আৰু প্ৰগতিশীলতাৰ লক্ষণো স্পষ্টভাৱে দেখা যায়। এনে স্থলত তেওঁৰ প্ৰকৃত উদ্দেশ্যটো কেনে ধৰণৰ আজি আমি বুজিবলৈ টান পোৱাটো স্বাভাৱিক। সাময়িক প্ৰয়োজনৰ ওপৰত গুৰুত্ব আৰোপ কৰা প্ৰাসংগিক উক্তিতকৈ কথাবস্তুৰ সহায়েৰে দাঙি ধৰা আদৰ্শটোহে কবিৰ উদ্দেশ্যৰ অনুকূল বুলি এই ক্ষেত্ৰত ধৰা উচিত বুলি আমি ভাবোঁ।

তুলসীদাসৰ বিচাৰধাৰা আৰু ব্যৱস্থাৱলী সংকীৰ্ণ, সাম্প্ৰদায়িক আৰু সংৰক্ষণশীল হোৱা হ'লে সকলো সম্প্ৰদায়ৰ লোকে ৰামচৰিত মানসক বেদ-পুৰাণ আৰু গীতা-ভাগৱতৰ দৰে সমাদৰ কৰি আপোন বুলি গ্ৰহণ নকৰিলে-হেঁতেন। সভিকে কোনে কাক কি প্ৰসংগত কৈছিল আৰু সেই উক্তিৰ পৰিণামটো কি ৰূপত প্ৰকাশ পাইছে, তালৈ চকু নৰখাকৈ কেৱল পদ একোটাৰ সাধাৰণ অৰ্থটো গ্ৰহণ কৰিলেই তুলসীদাসৰ উদ্দেশ্য স্পষ্টভাৱে বুজা বুলি ধৰিব নোৱাৰি। বস্তুত সময়ত লেখকৰ যুগৰ সামাজিক ৰুচি আৰু বিচাৰ-ব্যৱস্থাৰ ভিত্তিত নিৰ্ভৰ কৰি আৰু কেতিয়াবা বৰ্ণনীয় কথাবস্তুৰ সময় তথা ব্যৱস্থাৰ কাল্পনিক চিত্ৰৰ ওপৰত নিৰ্ভৰ কৰিও অনেক কথা লিখা হয়। ৰামচৰিত মানসৰ ক্ষেত্ৰত তুলসীদাসৰ সমাজৰ আৰু ৰামৰ সময়ৰ অৰ্থাৎ পৌৰাণিক দৃষ্টিত ত্ৰেতা যুগৰ সমাজৰ ব্যৱস্থাৱলীৰ ওপৰত নিৰ্ভৰ কৰিহে তুলসীদাসৰ উক্তিৰ উদ্দেশ্য নিৰ্ণয় কৰিব লাগিব। উদাহৰণস্বৰূপে 'বেদ' শব্দটোৰ প্ৰয়োগ সম্বন্ধে এটা কথা মন কৰিব লগীয়া। ঋক্, যজুঃ প্ৰভৃতি সংহিতা আৰু ব্ৰাহ্মণ গ্ৰন্থৰ ভাব মনলৈ আনিবৰ কাৰণে তুলসীদাসে 'বেদ' শব্দটোৰ প্ৰয়োগ কৰা নাই। তেওঁ পুৰাণ, তন্ত্ৰ প্ৰভৃতি বৈদিক পৰম্পৰাৰ ধৰ্ম মানি অহা সকলো ধৰ্মীয় সাহিত্য বুজাবৰ কাৰণে এই 'বেদ' শব্দটো ৰামচৰিত মানসত বহুবাৰ প্ৰয়োগ কৰিছে। এই প্ৰয়োগটো তেওঁ নিজৰ অজ্ঞতাৰ কাৰণে কৰিবলৈ যোৱা নাই। তেওঁ যিখন সমাজৰ মানুহৰ কাৰণে ৰামচৰিত মানস ৰচনা কৰিছিল, সেইখন সমাজৰ সাধাৰণ মানুহে বেদ শব্দৰ অৰ্থ সেইদৰেই গ্ৰহণ কৰিছিল। উত্তৰ ভাৰতত মুছলমানসকলৰ প্ৰভাৱ বাঢ়ি অহাৰ পাছত ভাৰতীয় জনসমূহক বেদ মনা আৰু

বেদ সমস্যা—এই দুটা ভাগতেই সাধাৰণতে বিভক্ত কৰা হৈছিল। গতিকে মুছলমান ধৰ্ম গ্ৰহণ নকৰা সকলো ভাৰতীয় লোকৰ ধৰ্মশাস্ত্ৰকে বেদ বুলি জনসাধাৰণে ভাবিছিল। এনে ভাব বৰ্তমান অসমৰ জনসাধাৰণৰ মাজতো কিছু পৰিমাণে আছে যেন লাগে। লোকাচাৰ আৰু শাস্ত্ৰীয় বিধানকো বেদৰ বিধান বুলি বহুতে আজিও বিশ্বাস কৰা দেখা যায়।

লোকাচাৰ আৰু শাস্ত্ৰীয় বিধানৰ ওপৰত গুৰুত্ব আৰোপ কৰালৈ চাই এনে ধাৰণা হয় যে সেই যুগৰ সমাজত হোৱা সংস্কৃতিৰ সন্ধিক্ষণত ভাৰতীয় ঐতিহ্য ৰক্ষা কৰিবৰ কাৰণে কিছুমান ক্ষেত্ৰত তেওঁ বেছি উগ্ৰতা অৱলম্বন কৰিবলৈ বাধ্য হৈছিল। একালে যিদৰে সংস্কৃত সাহিত্যৰ পৰিবৰ্তে তেওঁ লোকভাষাত ৰচিত সাহিত্যৰ প্ৰয়োজন উপলব্ধি কৰিছিল, আনকালে সেইদৰেই তেওঁ সমাজত এটা বুদ্ধিজীৱী শ্ৰেণীৰো আৱশ্যকতা উপলব্ধি কৰিছিল যেন ধাৰণা হয়। কিন্তু এই বুদ্ধিজীৱী শ্ৰেণীটো দৰিদ্ৰ আৰু অশিক্ষিত লোকক আওকাণ কৰি নিজৰ সুবিধা আদায় কৰি থাই থাকিবৰ কাৰণে নহয়, সাধাৰণ শ্ৰেণীৰ লোকক বাট দেখুৱাবৰ কাৰণেহে আৱশ্যক বুলি ধৰা হৈছিল।

ভাষা: ৰামচৰিত মানসত ব্যৱহাৰ কৰা স্থানীয় লোকভাষাৰ নাম অৱধী। এই ভাষা উত্তৰ প্ৰদেশৰ এটা বিস্তৃত অঞ্চলত প্ৰচলিত কথিত ভাষাৰ মাৰ্জিত ৰূপ। ১৯৩১ চনৰ লোকগণনা মতেই এই ভাষা ক্ষেত্ৰৰ লোকসংখ্যা প্ৰায় ১ কোটি ৪২ লাখ। ভাষাতত্ত্বৰ দৃষ্টিত অৱধী ভাষা অৰ্ধমাগধী অপভ্ৰংশৰ উত্তৰাধিকাৰী। সেইবাবে সৌৰসেনী আৰু মাগধী—এই দুয়োটা প্ৰাকৃত ভাষাৰে লক্ষণ অৱধী ভাষাত কিছু পৰিমাণে দেখিবলৈ পোৱা যায়। অসমীয়া ভাষাৰ বকৰা প্ৰয়োগৰ লগতো এই ভাষাৰ কিছুমান শব্দৰ সাদৃশ্য চকুত পৰে। অনুবাদৰ লগত মূল পাঠ থকা হ'লে সেইবিলাক উদাহৰণ পাঠকসকলৰ দৃষ্টিগোচৰ আপোনা-আপুনি হ'লহেঁতেন। 'শ'ৰ পৰিবৰ্তে 'হ' যেনে—কেশৰী>কেহৰি, 'হ'ৰ ঠাইত 'ঘ' যেনে—সিংহ>সিংঘ; অসমাপিকা ক্ৰিয়াত 'লৈ' যেনে—মাতলিলৈ আৱা (মাতলিয়ে লৈ আহিল); ভবিষ্যৎ কালত 'ব' ক্ৰিয়াবিভক্তি ৰামচৰিত মানসত পোৱা যায়। ভাষাতত্ত্বৰ অধ্যয়ন কৰোঁতাসকলৰ কাৰণে এনে ধৰণৰ আৰু বহুতো উদাহৰণ ৰামচৰিত মানসত আছে। এই বিষয়ে বিস্তৃত বিশ্লেষণ আমি এই প্ৰসংগত কৰিব খোজা নাই।

ৰামচৰিত মানসৰ বাহিৰে তুলসীদাসে আন কিছুমান ৰচনাত ব্ৰজভাষাও ব্যৱহাৰ কৰিছে। কোনো কোনো ক্ষেত্ৰত অৱধী ভাষাৰ ওপৰত ব্ৰজভাষাৰ

প্ৰভাৱ আৰু ব্ৰজভাষাৰ ওপৰতো অৱধী বা অন্যান্য স্থানীয় লোকভাষাৰ প্ৰভাৱ দৃষ্টিগোচৰ হয়। চমুকৈ ক'বলৈ হ'লে ভাষাৰ দৃষ্টিত তেওঁৰ ৰচনাৱলীক তলত দিয়া ধৰণে দুটা শ্ৰেণীত বিভক্ত কৰিব পাৰি: (ক) বৰবৈ ৰামায়ণ, ৰামললা নহছু, পাৰ্বতীমংগল, জানকীমংগল, হনুমানবাহুক আৰু ৰামচৰিত মানসৰ ভাষা প্ৰধানভাৱে অৱধী। (খ) গীতাৱলী, কবিতাৱলী, দোহাৱলী, বৈৰাগ্য-সন্দীপনী, কৃষ্ণগীতাৱলী আৰু বিনয় পত্ৰিকাৰ ভাষা প্ৰধানভাৱে ব্ৰজবোলী।

বিভিন্ন ভাষাত অনুবাদ: সাহিত্য মাত্ৰেই স্থান আৰু কালৰ প্ৰভাৱেৰে প্ৰভাৱিত হোৱাটো স্বাভাৱিক; কিন্তু এনে ধৰণৰ প্ৰভাৱেৰে প্ৰভাৱিত হৈয়ো সাৰ্বজনীনতা ৰক্ষা কৰিব পৰা তথা কালজয়ী কিছুমান গুণেৰে গুণী হ'ব পৰাটোহে শ্ৰেষ্ঠ সাহিত্যৰ বৈশিষ্ট্য। ৰামচৰিত মানসৰ এনে বৈশিষ্ট্য সম্বন্ধে আমি এই প্ৰসংগত আলোচনা কৰিব খোজা নাই। পাঠকসকলে নিজৰ ৰুচি আৰু যোগ্যতাৰ ভিত্তিত ৰামচৰিত মানসৰ বৈশিষ্ট্য সম্বন্ধে বিচাৰ কৰি চাব আৰু সেই মতে তাৰ মূল্যাংকনো কৰিব পাৰিব। সামাজিক-ঐতিহাসিক পটভূমিত ধৰ্ম আৰু কাব্যৰ দৃষ্টিৰে বিচাৰ কৰি চাব জনা লোকেহে এই গ্ৰন্থৰ মূল্য নিৰ্ণয় কৰিব পাৰিব, এই কথা অৱশ্যে স্বীকাৰ কৰিব লাগিব। এই তিনিও বিধ বস্তুৰ সমন্বয় সাধনৰ ওপৰতেই তুলসীদাসৰ সাহিত্যৰ জনপ্ৰিয়তা নিৰ্ভৰ কৰিছে। আনহাতে তেওঁৰ ৰামচৰিত মানসৰ জনপ্ৰিয়তাৰ প্ৰমাণ, বিভিন্ন ভাষালৈ হোৱা এই গ্ৰন্থৰ অনুবাদসমূহৰ পৰাই পোৱা যায়। ১৯৬২ চনলৈকে জানিবলৈ পোৱা মতে প্ৰকাশিত আৰু অপ্ৰকাশিত অনুবাদসমূহৰ এটা চমু বিৱৰণ তলত দিয়া হ'ল।

ভাষা	অনুবাদক	সময়	প্ৰাপ্তি স্থান
সংস্কৃত	ৰামুদ্বিবেদ (সম্পূৰ্ণ গ্ৰন্থ পোৱা নাই)	১৬০৪ চনৰ আগতে	(ক) সৰস্বতী ভণ্ডাৰ ৰামনগৰ দুৰ্গ, কাশী (খ) ৰয়েল এচিয়াটিক চচাইটি, কলিকতা (গ) ইণ্ডিয়া অফিচ লাইব্ৰেৰী, লণ্ডন (অপ্ৰকাশিত)
পাৰ্চী	দেবীদাস কায়স্থ	হস্তলিপি ১৮০৪ খৃঃ	বৃটিছ মিউজিয়াম, লণ্ডন
„	মন্নালাল কায়স্থ	„ ১৮৪৪ খৃঃ	মুন্সী শিৱনাথ প্ৰসাদ হনুমান ফাটক, বাৰাণসী

ভাষা	অনুবাদক	সময়	প্ৰাপ্তিস্থান
পাৰ্চী	ৰামসৰন সিংহ হস্তলিপি	১৮৮৯ খৃঃ	মুন্নালাল পুস্তকালয়, গয়া; ১৯০২ চনত কানপুৰৰপৰা প্ৰকাশিত
”	হৰলাল কসৰা		১৮৮৫ খৃঃত লখনউৰ পৰা প্ৰকাশিত।
উৰ্দু	সুকীয়া সুকীয়া অনুবাদকৰ পাঁচোটা অনুবাদ পোৱা হৈছে।		তিনিটা অনুবাদ প্ৰকাশ হৈছে।
ইংৰাজী	সুকীয়া অনুবাদকৰ চাৰিটা অনুবাদ পোৱা হৈছে।		এলাহাবাদ, দিল্লী আৰু লণ্ডনৰপৰা এটাকৈ মুঠ তিনিটা অনুবাদ প্ৰকাশ হৈছে, আনটো পশ্চিম জাৰ্মেনিৰ গ্ৰন্থাগাৰত সংৰক্ষিত অৱস্থাত আছে।
ফৰাচী			পেৰিচ বিশ্ববিদ্যালয়ৰপৰা প্ৰকাশ হৈছে।
জাৰ্মান			এটা ১৯২৫ আৰু আনটো ১৯৫৪ খৃঃত প্ৰকাশিত
ৰুচ	বাৰান্নিকোৱ		১৯৪৮ খৃঃত প্ৰকাশিত
নেপালী	কুলচন্দ্ৰ গৌতম		১৯৩৮ খৃঃত প্ৰকাশিত
গুজৰাতী	গিৰিজাশংকৰ ময়াশংকৰ		১৯৫১ খৃঃত প্ৰকাশিত
মাৰাঠী	(দুটা অনুবাদ)		কোলহাপুৰ আৰু পুণেৰপৰা প্ৰকাশিত
বাংলা	সতীশচন্দ্ৰ দাশগুপ্ত		খাদী প্ৰতিষ্ঠান, কলেজ স্কোয়াৰ, কলিকতা
	ৰাধিকাপ্ৰসাদ বন্দোপাধ্যায়		ভাৰতবৰ্ষ মহামণ্ডল, কাশী
তামিল	(বিৱৰণ জনা নগ'ল)		প্ৰকাশ হৈছিল
তেলুগু	(এটা অনুবাদ)		মাদ্ৰাজৰপৰা প্ৰকাশ হৈছিল
কন্নড়	(দুটা অনুবাদ)		ধাৰৱাৰ আৰু বেংগলোৰৰপৰা প্ৰকাশ হৈছিল।
মালয়ালম	(দুটা অনুবাদ)		দুয়োটা প্ৰকাশ হৈছিল।

ৰামচৰিত মানসৰ অসমীয়া পদ্যানুবাদ খৃঃ ১৯ শতিকাৰ প্ৰথম দশকতে স্বৰ্গদেৱ কমলেশ্বৰ সিংহ আৰু পূৰ্ণানন্দ বুঢ়াগোহাঁইৰ পৃষ্ঠপোষকতাত শ্ৰীকান্ত সূৰ্য বিপ্ৰই কৰিছিল। তেওঁৰ এই অনুবাদ গ্ৰন্থ সম্পূৰ্ণ আছিল নে নাছিল, এতিয়ালৈকে সেই সম্পৰ্কে নিশ্চিতভাৱে ক'ব পৰা হোৱা নাই। কবি ৺হিতেশ্বৰ বৰবৰুৱাই নিজহাতে কৰা প্ৰতিলিপি এটা (লংকাকাণ্ডৰ) তেওঁৰ ভতিজাক শ্ৰীশশীচন্দ্ৰ বৰবৰুৱাৰপৰা পোৱা হৈছিল। পাছত ১৯৭৫ চনত ড° মহেশ্বৰ নেওগৰ সম্পাদনাত অসম সাহিত্য সভাই তাক প্ৰকাশ কৰে। অলপতে যোৰহাটৰ ন আলি ঢেকীয়াজুলি অঞ্চলত পৰা উত্তৰাকাণ্ড ড° নবীনচন্দ্ৰ বৰদলৈৰ যোগেদি পোৱা হৈছে। পুথিৰ লিপিকাৰৰ মতে সমাপ্তিকাল 'ভুবঙ্গিমুন্দ্ৰেন্দু' শক। এই মতে ১৭৩৩ শকাব্দত তুলসীদাসৰ ৰামচৰিত মানসৰ অসমীয়া পদ ৰচনা সম্পূৰ্ণ হোৱা বুলি জনা যায়।*

ৰামচৰিত মানসৰ প্ৰামাণিক মূলপাঠত নথকা বহুত প্ৰক্ষিপ্ত কাহিনী শ্ৰীকান্তৰ পদ্যানুবাদত পোৱা যায়। উত্তৰ ভাৰতত প্ৰচলিত ৰামচৰিত মানসৰ বহুত পাঠতেই এই কাহিনীসমূহ কম-বেছি পৰিমাণে পোৱা যায়; কিন্তু সেই প্ৰক্ষিপ্ত কাহিনীসমূহৰ পাঠ-প্ৰবচন আদি কাৰ্য-সম্পাদন ধৰ্মীয় অনুষ্ঠানত কৰা নহয়। লৱ কুশ যুদ্ধৰ কাহিনী থকা এটা অষ্টমকাণ্ড এনে প্ৰক্ষিপ্ত পাঠৰ ভিতৰত দেখিবলৈ পোৱা যায়। শ্ৰীকান্ত সূৰ্য-বিপ্ৰৰ অনুবাদত এই অষ্টমকাণ্ডটো নাই। ইয়াৰপৰা বুজা যায় যে—শ্ৰীকান্তৰ অনুবাদৰ বহুত দিনৰ আগৰেপৰাই ৰামচৰিত মানসত প্ৰক্ষিপ্ত অংশ কিছুমানে ঠাই পাইছিল আৰু শ্ৰীকান্তৰ পাছৰ যুগতো ঠাই বিশেষে নতুন কাহিনী ৰামচৰিত মানসত সোমাই পৰিছিল।

ৰামচৰিত মানসৰ বিভিন্ন পাঠসমূহৰ ভিতৰত শ্ৰীবিশ্বনাথ প্ৰসাদ মিশ্ৰ-সম্পাদিত কাশিৰাজ সংস্কৰণৰ পাঠকেই সৰ্বাধিক প্ৰামাণিক পাঠ বুলি ধৰা হয়। বহুলভাৱে প্ৰচাৰিত গীতাপ্ৰেছ-গোৰখপুৰৰ পাঠো এই পাঠৰ লগত প্ৰায় মিলে। বৰ্ণবিন্যাসৰ সামান্য পাৰ্থক্যৰ বাহিৰে এই দুয়োটা পাঠৰ মাজত পদাৱলীৰ বিশেষ পাৰ্থক্য নাই। আমি কাশিৰাজ সংস্কৰণৰ পাঠ পোৱাৰ আগতেই গীতাপ্ৰেছৰ পাঠৰ আধাৰত আমাৰ অনুবাদৰ কাম শেষ হৈছিল। পাছত কাশিৰাজ সংস্কৰণৰ পাঠৰ লগত মিলাই চোৱা হ'ল; কিন্তু বিশেষ পাৰ্থক্য দৃষ্টিগোচৰ নোহোৱা

* অসমৰ সূৰ্য-বিপ্ৰসকলৰ বংশাৱলীৰ সংকলন 'দন্দীপিকা' আৰু হৰকান্ত বৰুৱা সদৰামিনৰ 'অসম বুৰঞ্জী'ৰ পৰিশিষ্ট অংশৰ সহায়ত জানিবলৈ পোৱা গৈছে যে—শ্ৰীকান্ত সূৰ্যবিপ্ৰ সদৰামিন হাণ্ডীকাৰ বুঢ়াক আছিল।

বাবে অনুবাদৰ ক্ষেত্ৰতো বিশেষ পৰিবৰ্তন সাধনৰ প্ৰয়োজন নহ'ল। দেশপ্ৰাণ ৺কৃষ্ণনাথ শৰ্মাদেৱে' ৪২ চনৰ আন্দোলনত কাৰাবাস খাটি থাকোঁতেই ৰামচৰিত মানসৰ অসমীয়া অনুবাদ এটি কৰিছিল; কিন্তু অনুবাদটিৰ পাঠ সম্পূৰ্ণ নাছিল— মাজে মাজে কিছুমান পদ বাদ পৰি গৈছিল। তদুপৰি পাণ্ডুলিপিটোৰ বহু ঠাইত আগৰ পিছৰ পৰা অৱস্থাত পোৱা নগৈছিল। ৺শৰ্মাদেৱৰ এই প্ৰচেষ্টাই আমাকো প্ৰেৰণা যোগাইছে। সেইবাবে এই ক্ষেত্ৰত তেখেতক শ্ৰদ্ধাৰে সুঁৱৰিছোঁ।

প্ৰস্তুত অনুবাদ সম্পৰ্কে একাষাৰ: খৃঃ ১৫শ।১৬শ শতিকাৰ মূল অৱধী ভাষাৰ পদ্যৰপৰা অনুবাদ কৰাটো অলপ টান কথা। সেইবাবে আমি অনুবাদ কৰোঁতে গোৰক্ষপুৰৰ গীতাপ্ৰেচ আৰু আন আন প্ৰকাশকসকলে প্ৰকাশ কৰা খড়ী বোলী আধুনিক হিন্দী অনুবাদৰ সহায় বহু পৰিমাণে ল'বলগীয়া হৈছে। লগতে যথাসম্ভৱ সহজ অসমীয়া ভাষাত মূলৰ ভাব প্ৰকাশ কৰাৰ চেষ্টা কৰা হৈছে, কিন্তু এইটো কথা নিশ্চিত যে—অনুবাদত মূলগ্ৰন্থৰ সৌন্দৰ্য সম্পূৰ্ণৰূপে ৰক্ষা কৰাটো কোনোপ্ৰকাৰেই সম্ভৱ নহয়। মূলপাঠৰ শব্দাৱলীৰ ওপৰত বেছি নিৰ্ভৰ কৰিলে অনুবাদৰ ভাষাৰ স্বাভাৱিক গতিত বাধা সৃষ্টি হয় বা অনুবাদ সুখপাঠ্য নহৈ উঠে। আনহাতে অনুবাদ অধিক সুখপাঠ্য কৰিবলৈ যাওঁতে বহু ক্ষেত্ৰত মূলপাঠৰ কলাত্মক সৌন্দৰ্য ৰক্ষা কৰাটো সম্ভৱ নহৈ উঠে। পুনৰীক্ষণৰ সময়ত সুখপাঠ্য হোৱাৰ ফালেহে বেছি চকু দিয়া সম্ভৱ হয়। তদুপৰি এই পুথিৰ পুনৰীক্ষণৰ কাম খৰ খেদাখেদিকৈ কৰিব লগীয়া হোৱাত অনেক ত্ৰুটী থাকি যোৱাটো স্বাভাৱিক। সেইবাবে পাঠকসকলৰ ওচৰত আগতেই ক্ষমা প্ৰাৰ্থনা কৰিছোঁ।

প্ৰস্তুত অনুবাদত মূলগ্ৰন্থৰ ছন্দসমূহৰ সংখ্যাও যথাস্থানত দি যোৱাৰ চেষ্টা কৰা হৈছে। আৱশ্যক হ'লে পাঠকে মূলৰ লগত অনুবাদ মিলাই চোৱাৰ সুবিধা হ'ব। তাকে কৰিলে মূলগ্ৰন্থৰ কলাত্মক সৌন্দৰ্য উপলব্ধি কৰাতো সহায় হ'ব। অৱশেষত পাঠকসকলে এই বিশ্ববিখ্যাত গ্ৰন্থখনৰ বিষয়ে আমাৰ অনুবাদৰ সহায়েৰে সামান্য আভাস পালেও আমি নিজৰ পৰিশ্ৰম সাৰ্থক হোৱা বুলি ভাবিম। এই কামত আমাক সহায় কৰি অহা সদাশয় লোকসকলৰ প্ৰতিও এইখিনিতে কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। সেইসকলৰ ভিতৰত গুৱাহাটী বিশ্ববিদ্যালয়ৰ হিন্দী বিভাগৰ অধ্যাপক ড° কৃষ্ণনাৰায়ণ প্ৰসাদ 'মাগধ'জীৰ নাম বিশেষ উল্লেখযোগ্য। অৱশেষত অসম সাহিত্য সভাই এনে এটা পবিত্ৰ কৰ্তব্য

পালনৰ সুযোগ দিয়া বাবে আমিও সাহিত্য সভাৰ কাৰ্যকৰ্তাসকললৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। ইতি

যোৰহাট
১৩।১২।৮০

শ্ৰীবাপচন্দ্ৰ মহন্ত
শ্ৰীকেশদা মহন্ত
অনুবাদকদ্বয়

প্ৰথমতে অনুবাদৰ কাম আগ্ৰহেৰে লওঁতা—শ্ৰীমতী কেশদা মহন্ত।

অনুবাদৰ কাম কৰা হৈছে—

বালকাণ্ড অযোধ্যাকাণ্ড উত্তৰকাণ্ড	কেশদা মহন্ত
অৰণ্যকাণ্ড কিষ্কিন্ধাকাণ্ড সুন্দৰকাণ্ড লংকাকাণ্ড	বাপচন্দ্ৰ মহন্ত
পুনৰীক্ষণ আৰু কবি তথা গ্ৰন্থ পৰিচয়	বাপচন্দ্ৰ মহন্ত

আহিকাকত—ড° হেমন্তকুমাৰ শৰ্মা

সূচীপত্র

অনুবাদৰ সময়ত যথাসম্ভৱ মূলৰ অনুসৰণ কৰা বাবে বিষয় অনুসৰি শীৰ্ষক বিভাজন কৰা নহ'ল; কিন্তু পাঠকৰ সুবিধাৰ বাবে শীৰ্ষক থাকিব লাগে। সেইবাবে সূচীপত্রত শীৰ্ষক দিয়া হৈছে আৰু সেই শীৰ্ষকৰ পদ বিচাৰি ল'বৰ সুবিধাৰ কাৰণে দোহা বা সোৰঠাৰ সংখ্যা লগত দিয়া হৈছে। এই সংখ্যাৰ পাছত থকা সংখ্যা চৌপাঈৰ সংখ্যা বুলি বুজিব।

বিষয়		পদসংখ্যা
বালকাণ্ড		
মংগলাচৰণ	....	১—৭ (শ্লোক)
		১—৪ সোৰঠা
গুৰু-বন্দনা	....	৫
ব্ৰাহ্মণ-সন্ত বন্দনা	...	দোঃ ১।২
খল বন্দনা	...	৩।১
সন্ত-অসন্ত বন্দনা	..	৪।২
ৰামৰূপত জীৱমাত্ৰৰে বন্দনা	...	৭।গ
লেখকৰ দীনতা আৰু ৰামভক্তিযুক্ত কৱিতাৰ মহিমা বৰ্ণনা	..	৭।২
কৱি বন্দনা	...	১৩।২
বাল্মীকি, বেদ, ব্ৰহ্মা আদি দেৱতাৰ বন্দনা	...	১৪।ঘ
সীতা-ৰামৰ স্থান, পৰিকৰ আদিৰ বন্দনা	..	১৫।১
ৰাম বন্দনা আৰু নাম মহিমা	...	১৭।৫
শ্ৰীৰামৰ গুণ আৰু চৰিত্ৰৰ মহিমা	...	২৭।১
ৰামচৰিত মানস ৰচনাৰ সময়	...	৩৩।২
ৰামচৰিত মানসৰ ৰূপক আৰু মাহাত্ম্য	...	৩৪।৬
যাজ্ঞবল্ক্য-ভৰদ্বাজ-সংবাদ আৰু প্ৰয়াগ মাহাত্ম্য	...	৪৩।খ

বিষয়		পত্ৰসংখ্যা
সতীৰ ভ্ৰম, ৰামৰ ঐশ্বৰ্য আৰু সতীৰ খেদ	...	৪৭।১
মহাশিৱৰ সতীত্যাগ	...	৫৫।১
সতীৰ দক্ষযজ্ঞ গমন	...	৫৯।৩
সতীৰ দেহত্যাগ আৰু দক্ষযজ্ঞ নাশ	...	৬২।১
পাৰ্বতীৰ জন্ম আৰু তপস্যা	....	৬৪।৩
শিৱক বিবাহৰ কাৰণে ৰামৰ অনুৰোধ	...	৭৫।৩
সপ্তৰ্ষিৰ পৰীক্ষাত পাৰ্বতীৰ মহত্ত্ব প্ৰকাশ	...	৭৭।০
কামদেৱ-ভস্ম	...	৮২।৪
ৰতিৰ বৰ লাভ	...	৮৭।০
বিবাহৰ কাৰণে শিৱৰ ওচৰত দেৱতাসকলৰ নিবেদন	...	৮৭।৩
বিবাহৰ আয়োজন	...	৮৮।৪
শিৱ-পাৰ্বতীৰ বিবাহ	...	৯০।০
শিৱ-পাৰ্বতী সংবাদ	....	১০৫।২
ভগৱানৰ অৱতাৰ ধাৰণৰ কাৰণ	....	১২০।০
নাৰদৰ অভিমান আৰু মায়াৰ প্ৰভাৱ	...	১২৪।১
বিশ্বমোহিনীৰ স্বয়ম্বৰ আৰু নাৰদৰ মোহভংগ	...	১৩৯।২
মনু-শতৰূপাৰ তপস্যা আৰু বৰ লাভ	..	১৪১।১
ৰজা ভানুপ্ৰতাপৰ কাহিনী	.	১৫২।১
ৰাৱণ প্ৰভৃতিৰ জন্ম, তপস্যা আৰু অত্যাচাৰ	.	১৭৫।১
পৃথিৱী আৰু দেৱতাসকলৰ প্ৰাৰ্থনা	...	১৮৩।২
ভগৱানৰ বৰদান	....	১৮৬।০
ৰজা দশৰথৰ পুত্ৰেষ্টি যজ্ঞ	.	১৮৭।৩
শ্ৰীৰামৰ জন্ম আৰু বাললীলা	..	১৯০।০
বিশ্বামিত্ৰ মুনিৰ লগত ৰাম-লক্ষ্মণ	..	২০৫।১
বিশ্বামিত্ৰৰ যজ্ঞ-ৰক্ষা	...	২০৮।৩
অহল্যা উদ্ধাৰ	....	২১০।০
জনকপুৰ যাত্ৰা	...	২১১।২
জনকপুৰত ৰাম-লক্ষ্মণ	...	২১৪।০
পুষ্প-বাটিকাত ৰাম-সীতাৰ পৰস্পৰ দৰ্শন	...	২২৬।০

বিষয়		পদসংখ্যা
সীতাৰ পাৰ্বতীপূজা, বৰ লাভ আৰু ৰাম-লক্ষ্মণ সংবাদ	...	২৩৪।২
ৰাম-লক্ষ্মণৰ যজ্ঞশালা প্ৰৱেশ	...	২৪০।১
সীতাৰ যজ্ঞশালা প্ৰৱেশ	...	২৪৬।০
জনকৰ প্ৰতিজ্ঞা ঘোষণা	...	২৪৮।৪
ৰজাসকলৰ ব্যৰ্থ চেষ্টা	...	২৪৯।৩
লক্ষ্মণৰ ক্ৰোধ	...	২৫১।৪
ধনুভংগ	...	২৬০।৩
স্বামী বৰণ	...	২৬২।৩
পৰশুৰামৰ পৰাভৱ	...	২৭১।১
দশৰথৰ ওচৰলৈ জনকৰ দূত প্ৰেৰণ	...	২৮৬।০
দশৰথ আদিৰ জনকপুৰ আগমন	...	৩০৪।০
ৰাম-সীতাৰ বিবাহ	...	৩১২।০
ৰামচৰিত শ্ৰৱণ-কীৰ্তনৰ মাহাত্ম্য	...	৩৬০।৪

অযোধ্যাকাণ্ড

মংগলাচৰণ	..	শ্লোক-দোহা
শ্ৰীৰামচন্দ্ৰৰ অভিষেকৰ প্ৰস্তুতি	....	দোহা ১।০
কৈকেয়ী-মন্থৰা-সংবাদ	....	১২।০
কৈকেয়ীৰ ৰোষ আৰু দশৰথৰ শোক	...	২২।০
শ্ৰীৰাম-কৈকেয়ী-সংবাদ	...	৩৯।২
শ্ৰীৰাম-দশৰথ-সংবাদ	....	৪৪।২
শ্ৰীৰাম-কৌশল্যা-সংবাদ	...	৫১।১
শ্ৰীৰাম-সীতা-সংবাদ	....	৬০।০
শ্ৰীৰাম-কৌশল্যা আৰু সীতা-সংবাদ	...	৬৭।৩
শ্ৰীৰাম-লক্ষ্মণ-সংবাদ	....	৬৯।১
লক্ষ্মণ-সুমিত্ৰা সংবাদ	...	৭৩।১
দশৰথৰ ওচৰত ৰাম, লক্ষ্মণ আৰু সীতাৰ বিদায়-গ্ৰহণ	...	৭৫।১

বিষয়	পদসংখ্যা
ৰাম, সীতা আৰু লক্ষ্মণৰ বনগমন …	৭৮।৪
শৃংগবেৰ পুৰত প্ৰৱেশ …	৮৬।১
লক্ষ্মণ-নিষাদ-সংবাদ আৰু ৰাম-সীতা সুমন্ত্ৰ-সংবাদ ….	৯১।১
কৈবৰ্তৰ প্ৰেমভাব …	৯৯।১
প্ৰয়াগত …	১০৪।০
তপস্বীৰ প্ৰেম …	১০৯।৪
যমুনাক প্ৰণাম আৰু বনবাসীসকলৰ প্ৰেম …	১১১।০
শ্ৰীৰাম-বাল্মীকি-সংবাদ	১২৩।৩
চিত্ৰকূট নিবাস …	১৩৯।৪
সুমন্ত্ৰৰ অযোধ্যা প্ৰৱেশ …	১৪:।২
দশৰথৰ দেহত্যাগ …	১৪৬।২
বশিষ্ঠৰ ভৰতৰ ওচৰলৈ দূত-প্ৰেৰণ …	১৫৫।১
ভৰত-শত্ৰুঘ্নৰ আগমন ….	১৫৬।৩
ভৰত-কৌশল্যা-সংবাদ আৰু দশৰথৰ অন্ত্যেষ্টিক্ৰিয়া ….	১৬৩।০
ভৰত-বশিষ্ঠ-সংবাদ আৰু চিত্ৰকূট যাত্ৰাৰ প্ৰস্তুতি …	১৭১।০
চিত্ৰকূট অভিমুখে যাত্ৰাৰম্ভ ….	১৮৬।১
নিষাদৰ শংকা …	১৮৮।১
ভৰত-নিষাদ-মিলন …	১৯২।৪
ভৰত-ভৰদ্বাজ-সংবাদ ..	২০৫।২
ভৰদ্বাজৰ অতিথি-সৎকাৰ …	২১২।০
ইন্দ্ৰ-বৃহস্পতি-সংবাদ …	২১৬।৪
চিত্ৰকূটৰ সমীপত …	২১৯।৩
সীতাৰ স্বপ্ন, ৰামৰ শোক আৰু লক্ষ্মণৰ ক্ৰোধ …	২২৫।২
লক্ষ্মণৰ প্ৰতি ৰামৰ বুজনি …	২৩০।২
ভৰতৰ চিত্ৰকূটত প্ৰৱেশ আৰু পৰস্পৰ মিলন …	২৩২।৩
বনবাসীসকলৰ আতিথ্য আৰু কৈকেয়ীৰ অনুশোচনা …	২৪৯।১
বশিষ্ঠ মুনিৰ বক্তব্য ….	২৫৩।০

বিষয়		পদ্যসংখ্যা
শ্ৰীৰাম-ভৰত-সংবাদ	...	২৫৮।১
জনকৰজাৰ আগমন	...	২৭৭।০
কৌশল্যা-সুনয়না-সংবাদ আৰু সীতাৰ চৰিত্ৰ	...	২৮০।৪
জনক-সুনয়না-সংবাদ আৰু ভৰতৰ মহত্ব	..	২৮৭।০
জনক-বশিষ্ঠ-সংবাদ আৰু ইন্দ্ৰৰ চিন্তা	...	২৯০।৩
শ্ৰীৰাম-ভৰত-সংবাদ	...	২৯৫।২
ভৰতৰ চিত্ৰকূট ভ্ৰমণ	...	৩০৯।০
ভৰতৰ পাদুকা লাভ আৰু বিদায়	....	৩১২।১
নন্দীগ্ৰামত ভৰত আৰু ভৰতৰ চৰিত্ৰ শ্ৰৱণৰ মাহাত্ম্য	....	৩২১।১

অৰণ্যকাণ্ড

মংগলাচৰণ	...	শ্লোক/সোৰঠা
জয়ন্তৰ কুটিলতা	...	সোঃ ১।১
অত্ৰি মুনিৰ মিলন আৰু স্তুতি	....	দোঃ ২।২
সীতা-অনসূয়া মিলন	...	৪।১
বিৰাধ-বধ আৰু শৰভংগ মুনি-প্ৰসংগ	..	দোঃ ৬।১
শ্ৰীৰামচন্দ্ৰৰ ৰাক্ষসবধ প্ৰতিজ্ঞা আৰু সুতীক্ষ্ণ মুনিৰ প্ৰেম	...	দোঃ ৮।৩
অগস্ত্য মুনিৰ আশ্ৰমত	...	১১।১
পঞ্চবটী-নিৱাস আৰু শ্ৰীৰাম-লক্ষ্মণ-সংবাদ	....	১৩।৩
শূৰ্পনখাৰ অপমান আৰু খৰ-দূষণ-বধ	...	১৬।২
মায়া-সীতা	...	২০।৩
মাৰীচ-বধ	...	২২।০
সীতা-হৰণ	...	২৭।১
জটায়ু-ৰাৱণ-যুদ্ধ	...	২৮।৪
জটায়ুৰ দেহত্যাগ	..	৩২।০
কবন্ধ-উদ্ধাৰ	...	৩২।৩
শবৰী প্ৰসংগ আৰু নৱধা ভক্তিৰ উপদেশ	...	৩৩।৩

বিষয়		পদসংখ্যা
নাৰদ-ৰাম-সংবাদ	....	৪০|৩
সত্ত্ব-লক্ষণ আৰু সৎসংগ ভজনৰ কাৰণে প্ৰেৰণা	...	৪৬|

কিষ্কিন্ধাকাণ্ড

মংগলাচৰণ	..	শ্লোক/সোৰঠা
শ্ৰীৰামচন্দ্ৰ-হনুমানৰ সাক্ষাৎ আৰু সুগ্ৰীৱৰ লগত মিত্ৰতা	...	০|১
সুগ্ৰীৱৰ দুঃখ-নিবেদন আৰু বালীবধৰ প্ৰতিজ্ঞা	...	৪|০
সুগ্ৰীৱৰ বৈৰাগ্য	..	৬|৬
বালী-সুগ্ৰীৱৰ যুদ্ধ আৰু বালী-বধ	..	৯|১৩
তাৰাৰ বিলাপ, সুগ্ৰীৱৰ ৰাজ্যাভিষেক	....	১০|১
বৰ্ষা-বৰ্ণন	....	১১|৫
শৰৎ-বৰ্ণন		১৫|১
সুগ্ৰীৱৰ প্ৰতি ৰাম আৰু লক্ষ্মণৰ ক্ৰোধ	.	১৭|০
সুগ্ৰীৱ আৰু ৰামচন্দ্ৰৰ আলোচনা তথা সীতাৰ অন্বেষণ আৰম্ভ	.	২০|০
তপস্বিনীৰ লগত সাক্ষাৎ	..	২৩|৩
সম্পাতীৰ লগত সাক্ষাৎ		২৬|১
হনুমানৰ সমুদ্ৰ-লংঘনৰ বাবে প্ৰস্তুতি	...	২৮|৩
শ্ৰীৰামচন্দ্ৰৰ গুণাৱলীৰ মাহাত্ম্য	.	৩০|০

সুন্দৰকাণ্ড

মংগলাচৰণ	..	শ্লোক
হনুমানৰ সুৰসাৰ লগত সাক্ষাৎ আৰু ছায়া-ৰাক্ষসী বধ	...	০|১
লংকাত হনুমানৰ প্ৰবেশ	..	২|৩
হনুমান-বিভীষণ-সংবাদ	.	৫|১
অশোক বাটিকাত হনুমানৰ সীতা-দৰ্শন আৰু সীতাক ৰাৱণৰ ভয়-প্ৰদৰ্শন	...	৭|৩

বিষয়		পদসংখ্যা
সীতা-ত্ৰিজটা-সংবাদ	...	১০।১
সীতা-হনুমান-সংবাদ	...	.২।০
হনুমানৰ অশোক বন বিনাশ, মেঘনাদৰদ্বাৰা হনুমান বন্দী আৰু ৰাজসভাত	...	১৭।০
হনুমান-ৰাৱণ-সংবাদ	...	২০।০
লংকাদহন	...	২৩।৫
সীতাৰ ওচৰত হনুমানৰ বিদায়-গ্ৰহণ	...	২৬।০
লংকাৰপৰা আহি ৰামৰ লগত সাক্ষাৎ	...	২৭।০
বানৰ সেনা সহিত শ্ৰীৰামচন্দ্ৰৰ সমুদ্ৰ তীৰত উপস্থিতি	...	৩৩।১
মন্দোদৰী-ৰাৱণ-সংবাদ	...	৩৫।২
ৰাৱণৰ প্ৰতি বিভীষণৰ বুজনি আৰু ৰাৱণৰ দ্বাৰা বিভীষণৰ অপমান	...	৩৭।১
বিভীষণৰদ্বাৰা ৰাৱণৰ ওচৰত আশ্ৰয় গ্ৰহণ	...	৪০।৪
সমুদ্ৰ পাৰ হোৱা সম্বন্ধে বিচাৰ আৰু ৰাৱণৰ দূত শুকৰ আগমন	...	৪৯।২
ৰাৱণৰ ওচৰত শুকৰদ্বাৰা লক্ষ্মণৰ পত্ৰদান	...	৫২।১
সমুদ্ৰৰ প্ৰতি শ্ৰীৰামচন্দ্ৰৰ ক্ৰোধ আৰু সমুদ্ৰৰ প্ৰাৰ্থনা	...	৫৭।০
শ্ৰীৰামচন্দ্ৰৰ গুণ-গানৰ মাহাত্ম্য	...	ছন্দ ।৬০

লংকাকাণ্ড

মংগলাচৰণ	...	শ্লোক/দোহা
সেতুবন্ধন আৰু ৰামেশ্বৰ শিৱ-লিংগ স্থাপন	...	সোৰঠা
সেনাসহিত শ্ৰীৰামচন্দ্ৰৰ সমুদ্ৰ পাৰ হোৱা আৰু ৰাৱণৰ ব্যাকুলতা	...	দোঃ ২।৪
মন্দোদৰীৰ উপদেশ আৰু ৰাৱণ-প্ৰহস্ত-সংবাদ	...	৫।১
সুবেল পৰ্বতত সেনাসহিত শ্ৰীৰাম	...	১০।১
শ্ৰীৰামৰ শৰত ৰাৱণৰ মুকুট আৰু ৰাজছত্ৰ-পতন	...	১২।১

বিষয়		পত্ৰসংখ্যা
মন্দোদৰীৰ গুজনি	...	১৩।৩
অংগদৰ লংকা-প্ৰৱেশ আৰু ৰাৱণ-অংগদ-সংবাদ	...	সো: ১৭।০
ৰাৱণৰ প্ৰতি মন্দোদৰীৰ পুনৰ উপদেশ	...	৩৫।০
অংগদ-ৰাম-সংবাদ	...	৩৭।২
যুদ্ধৰ আৰম্ভণি	...	৩৮।১
ৰাৱণৰ প্ৰতি মাল্যবানৰ গুজনি	..	৪৭।২
লক্ষ্মণ-মেঘনাদৰ যুদ্ধ আৰু লক্ষ্মণৰ প্ৰতি শক্তি-প্ৰয়োগ	.	৪৮।৩
সংজীৱনী আনিবৰ কাৰণে লক্ষ্মণৰ যাত্ৰা আৰু কালনেমি বধ		৫৪।১
ভৰত-হনুমান-সংবাদ	...	৫৭।৪
শ্ৰীৰামৰ খেদ আৰু লক্ষ্মণৰ পূৰ্বাৱস্থা লাভ	....	৬০।১
কুম্ভকৰ্ণৰ জাগৰণ	.	৬১।৩
কুম্ভকৰ্ণ বধ	....	৬৩।০
মেঘনাদ-ৰামৰ যুদ্ধ আৰু নাগপাশত ৰামবন্দী	...	৭১।০
মেঘনাদৰ যজ্ঞ আৰু মেঘনাদ-বধ	...	৭৩।০
ৰাৱণৰ যুদ্ধযাত্ৰা	...	৭৭।২
লক্ষ্মণ-ৰাৱণৰ যুদ্ধ	...	৮২।০
ৰাৱণৰ যজ্ঞ ধ্বংস আৰু ৰাম-ৰাৱণৰ যুদ্ধ	.	৮৪।০
ৰামৰ কাৰণে ইন্দ্ৰৰ ৰথ-প্ৰেৰণ আৰু ৰাৱণৰ লগত ৰামৰ যুদ্ধ	..	৮৯।১
ৰাৱণ-বিভীষণৰ যুদ্ধ	..	৯৩।০
ৰাৱণ-হনুমানৰ যুদ্ধ	...	৯৬।১
ৰাৱণৰ মূৰ্চ্ছা	...	৯৭।৬
ত্ৰিজটা-সীতা-সংবাদ	...	৯৮।১
ৰাম-ৰাৱণৰ যুদ্ধ আৰু ৰাৱণ-বধ	....	৯৯।৪
মন্দোদৰীৰ বিলাপ	....	১০৩।১
বিভীষণৰ ৰাজ্যাভিষেক	...	১০৫।১
সীতাৰ অগ্নিপৰীক্ষা	...	১০৬।১

বিষয়		পদসংখ্যা
দেৱতাসকলৰ স্তুতি আৰু ইন্দ্ৰৰ অমৃত-বৰ্ষণ	...	১০৯।১
শ্ৰীৰাম-বিভীষণৰ আলোচনা	...	১১৫।১
বিভীষণৰ বস্ত্ৰাভূষণ দান আৰু বানৰ সেনাৰ বিদায়-গ্ৰহণ	...	১১৬।১
অযোধ্যা অভিমুখে যাত্ৰা	...	১১৮।১
শ্ৰীৰামচন্দ্ৰৰ চৰিত্ৰৰ মাহাত্ম্য	...	ছন্দ ২।০

উত্তৰকাণ্ড

মংগলাচৰণ	...	শ্লোক
ভৰত-হনুমানৰ মিলন আৰু অযোধ্যাত আনন্দ	...	দোঃ ১।০
শ্ৰীৰাম-ভৰতৰ মিলন	....	৪ ক
শ্ৰীৰামৰ ৰাজ্য-অভিষেক, বেদ-স্তুতি আৰু শিৱ-স্তুতি	...	৯।২
বানৰ আৰু নিষাদৰ বিদায়	...	১৫।০
ৰাম-ৰাজ্যৰ বৰ্ণনা	..	১৯।৪
পুত্ৰ-জন্ম, অযোধ্যাৰ ৰমণীয়তা আৰু সনকাদি মুনিসকলৰ সংবাদ	...	২৪।৩
ভৰতৰ প্ৰশ্ন আৰু ৰামৰ উপদেশ	...	৩৫।১
শ্ৰীৰাম-গীতা (অযোধ্যাবাসীৰ প্ৰতি ৰামৰ উপদেশ)	...	৪২।১
শ্ৰীৰাম-বশিষ্ঠ-সংবাদ	...	৪৭।১
নাৰদৰ আগমন আৰু স্তুতি	...	৫০।০
শিৱ-পাৰ্বতী-সংবাদ—গৰুড়পক্ষীৰ কাক-ভুশুণ্ডিৰ পৰা ৰাম-কথা শ্ৰৱণ	....	৫১।১
কাক-ভুশুণ্ডিৰ পূৰ্বজন্মৰ কথা	...	৯৪।১
কাক-ভুশুণ্ডিৰ গুৰুৰ প্ৰতি অৱহেলা	...	১০৪।০
ৰুদ্ৰাষ্টক	...	ছন্দ ১—৮
কাক-ভুশুণ্ডিৰ কাহিনী	...	দোঃ ১০৯।০
লোমশ মুনিৰ অভিশাপ	...	১১০।০

বিষয়		পদসংখ্যা
জ্ঞান-ভক্তি-নিৰূপণ আৰু ভক্তি-মহিমা	...	১১৪।০
গৰুড় পক্ষীৰ প্ৰশ্ন আৰু কাক-ভুশুণ্ডিৰ উত্তৰ	...	১২০।১
ভজন-মহিমা	...	১২১।৪
তুলসীদাসৰ প্ৰাৰ্থনা	...	১৩০।০

শ্ৰীৰামচৰিত মানস

বালকাণ্ড

শ্লোক—বৰ্ণমালা, অৰ্থ, ৰস আৰু ছন্দৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতী আৰু মংগলকাৰক দেৱতা গণেশক বন্দনা কৰিছোঁ। ১।

যি শ্ৰদ্ধা আৰু বিশ্বাস নহ'লে সিদ্ধ মুনিসকলেও নিজৰ হৃদয়তে থকা ঈশ্বৰক দেখা নাপায়, সেই শ্ৰদ্ধা আৰু বিশ্বাসস্বৰূপ পাৰ্বতী আৰু শংকৰক বন্দনা কৰিছোঁ। ২।

যাৰ আশ্ৰয় পাই বক্ৰভাৱে স্থিত চন্দ্ৰও সকলোতে বন্দিত হৈছে, সেই জ্ঞানময়, নিত্য আৰু শংকৰৰূপী গুৰুক মই বন্দনা কৰিছোঁ। ৩॥

সীতা-ৰামৰ গুণাৱলীৰ পুণ্যাৰণ্যত বিহাৰ কৰোঁতা বিশুদ্ধ জ্ঞানসম্পন্ন কবি-শ্ৰেষ্ঠ আৰু কপিশ্ৰেষ্ঠক (বাল্মীকি আৰু হনুমন্তক) বন্দনা কৰিছোঁ। ৪।

উৎপত্তি স্থিতি-সংহাৰকাৰিণী, ক্লেশহাৰিণী আৰু সকলো প্ৰকাৰে কল্যাণকাৰিণী ৰামবল্লভা সীতাদেৱীক নমস্কাৰ কৰোঁ। ৫।

ব্ৰহ্মা আদি দেৱতা আৰু অসুৰ সমন্বিত অখিল বিশ্ব যাৰ মায়াৰ বশৱৰ্তী, যি সত্ত্বই এই সকলোকে (বিকাৰযুক্ত সমস্ত বিশ্বকে) ৰজ্জুত সৰ্পভ্ৰম সদৃশ সত্য যেন বিশ্বাস জন্মাইছে, ভৱসাগৰৰপৰা উদ্ধাৰ পাবলৈ যাৰ চৰণেই একমাত্ৰ নৌকা স্বৰূপ, সমস্ত কাৰণৰো কাৰণ সৰ্বশ্ৰেষ্ঠ আৰু 'ৰাম' আখ্যা পোৱা সেই হৰিক মই বন্দনা কৰিছোঁ। ৬॥

নানা পুৰাণ, নিগম আৰু আগমসম্মত যাৰ কথা ৰামায়ণত বৰ্ণোৱা হৈছে, কিছু কিছু অন্যান্য ঠাইতো বৰ্ণোৱা হৈছে, সেই ৰঘুনাথ ৰামৰ গুণাৱলী নিজৰ সুখৰ কাৰণে সুন্দৰ লোক-ভাষাৰ নিবন্ধত তুলসী দাসে বিস্তৃতভাৱে বৰ্ণনা কৰিছে। ৭।

সোৰঠা ছন্দ—যাক স্মৰণ কৰিলে কাৰ্যসিদ্ধি হয়, যি বুদ্ধি আৰু সদগুণৰ ভাণ্ডাৰ, সেই গজানন গণপতিয়ে মোক দয়া কৰক। ১॥

সৎসংগৰ ফল বুলি জানিব লাগে। এনে ফল-লাভৰ কাৰণে ইয়াৰ বাহিৰে লোক-সমাজত আৰু বেদতো (শাস্ত্ৰতো) আন উপায় নাই। ২।৩॥

যি সৎসংগৰ অবিহনে বিবেক লাভ নহয়, সেই সৎসংগও ভগৱানৰ কৃপা নহ'লে সুলভ নহয়। সৎসংগই আনন্দ আৰু সম্পত্তিৰ মূল। অন্য সকলো উপায় সৎসংগ লাভস্বৰূপ ফলৰ ফুলহে মাত্ৰ। ৪॥

পৰশমণিৰ সংস্পৰ্শই লোহাকো সোণত পৰিণত কৰাৰ দৰে সৎসংগই দুষ্টৰ স্বভাৱো শুদ্ধ কৰে। সাপৰ মূৰত থকা মণিয়ে নিজৰ গুণ ত্যাগ নকৰাৰ দৰেই, দৈৱযোগত কুসংগত পৰিলেও সাধুজনে নিজৰ সদগুণ প্ৰকাশ নকৰাকৈ নাথাকে। ৫॥

কবি, পণ্ডিত আৰু ব্ৰহ্মা-হৰি-হৰ প্ৰভৃতি দেৱতাসকলেও সাধুসকলৰ মহিমা প্ৰকাশ কৰিবৰ কাৰণে মনতে সংকোচ কৰে। শাক-পাচলিৰ বেপাৰীয়ে মণি-মাণিক্য আদি বস্তুৰ গুণ যি দৰে প্ৰকাশ কৰিব নোৱাৰে সেইদৰে ময়ো সেই সাধু-সন্তসকলৰ গুণ প্ৰকাশ কৰিবলৈ সক্ষম নহওঁ। ৬॥

দোঃ—ফুল ছিঙা হাত আৰু ফুলক অঞ্জলিত ঠাই দিয়া হাত উভয়কে ফুলে সমানভাৱেই সুগন্ধ দান কৰাৰ নিচিনাকৈ অহিতকাৰী শত্ৰু আৰু হিতকাৰী মিত্ৰ উভয়ৰে প্ৰতি চিত্তত সমভাৱ ৰাখোঁতা সন্তসকলক বন্দনা কৰোঁ। ৩।

সন্তসকলৰ সৰল চিত্ত আৰু জগতৰ উপকাৰী স্নেহপূৰ্ণ স্বভাৱৰ কথা জানি শিশুৰ দৰে ময়ো প্ৰাৰ্থনা জনাইছোঁ, তেওঁলোকে যেন মোৰ মনতো কৃপা কৰি ৰামৰ প্ৰতি প্ৰীতিভাৱ ওপজায়। ৪॥

চৌপাই—যিসকলে বিনা কাৰণতে উপকাৰীসকলৰো অপকাৰ কৰে, আনৰ অনিষ্ট সাধনেই যাৰ দৃষ্টিত লাভ, আনৰ দুৰৱস্থা দেখি আনন্দ পোৱা আৰু সুদিন দেখি দুখ পোৱা সেই দুষ্ট সকলকো মই বন্দনা কৰোঁ। ১॥

পূৰ্ণিমাৰ চন্দ্ৰৰ প্ৰতি ৰাহুৰ শত্ৰুতাৰ নিচিনাকৈ হৰি-হৰৰ গুণ-কীৰ্তনৰ শত্ৰুতা কৰা, অন্যৰ অহিত সাধনত হাজাৰখন হাতেৰে তৎপৰতা দেখুওৱা বীৰ, হাজাৰ চকুৰে পৰৰ দোষ দেখা, ঘিউত মাখি পৰাৰ দৰে পৰহিতৰ ক্ষেত্ৰত অহিত চিন্তা কৰা, ক্ৰোধত যমসদৃশ, অন্যক কষ্ট দিয়াত অগ্নিসদৃশ, পাপ আৰু দোষৰ (বদগুণৰ) ধনেৰে কুবেৰসদৃশ ধনী, যাৰ উত্থান অন্যজনৰ হিতৰ কাৰণে ধূমকেতু যেন অমংগলসূচক, কুম্ভকৰ্ণৰ দৰে যাৰ সুপ্তাৱস্থাই আনৰ কাৰণে হিতকৰ, বৰষুণত পৰা শিল যেতি নষ্ট কৰি পমি যোৱাৰ দৰে যি পৰৰ অহিত সাধন কৰি নিজকো নাশ কৰিব পাৰে আৰু অনন্ত সৰ্পৰ

যবে হাজাৰখন মুখেৰে অসন্তোষ প্ৰকাশ কৰি পৰৰ দোষ বৰ্ণনা কৰিব পাৰে, সেই দুষ্টবুদ্ধিৰ লোকসকলক বন্দনা কৰোঁ। ২'৩|৪ ॥

ভগৱানৰ গুণ-যশৰাশি শুনিবৰ কাৰণে দহ হাজাৰ কাণ বিচৰা পৃথুৰজাৰ নিচিনাকৈ যিজনে দহ হাজাৰখন কাণেৰে পৰৰ দোষ শুনিবলৈ বিচৰা আৰু ইন্দ্ৰৰ কাৰণে সুৰাণীক (দেৱসেনা) প্ৰয়োজনীয় বা হিতকৰ হোৱাৰ নিচিনাকৈ সুৰাকে যিজনে প্ৰয়োজনীয় (হিতকৰ) বুলি ভাবে, ইন্দ্ৰৰ ওচৰত মিনতি কৰাৰ দৰেই সেই দুষ্টজনৰ ওচৰতো মই মিনতি জনাইছোঁ। ৫ ॥

বজ্ৰসদৃশ কঠোৰ বচন যাৰ প্ৰিয়বস্তু আৰু যিজনে সহস্ৰনেত্ৰেৰে লোকৰ দোষ দেখি থাকে, [দোহা] শত্ৰু, মিত্ৰ আৰু নিৰপেক্ষ সকলোৰে হিতৰ কথা শুনিলে যাৰ গাত পোৰণি উঠে, তেওঁলোকৰ সেই স্বভাৱৰ কথা জানিও মই হাতযোৰ কৰি সস্নেহেৰেই মিনতি জনাইছোঁ। ৬ ॥

চৌঃ—মই নিজৰ ফালৰ পৰাহে এইদৰে মিনতি জনাইছোঁ। তেওঁলোকে হলে আপোন স্বভাৱ এৰিব নোৱাৰে। যৰ যতন কৰি পায়স খুৱাই পুহিলেও কাউৰী কেতিয়াও নিৰামিষভোজী হ'ব নোৱাৰে। ১ ॥

সজ্জন আৰু অসজ্জন উভয়কে চৰণত প্ৰণাম জনাইছোঁ। এইসকলৰ উভয়েই দুখদায়ক যদিও তাতে কিছু প্ৰভেদ আছে। সজ্জনসকলৰ বিয়োগত মৰ্মান্তিক কষ্ট পোৱা যায় আৰু দুষ্টসকলৰ মিলনেই দাৰুণ কষ্টৰ কাৰণ হয়। ২ ॥

একে ঠাইতে জন্ম হ'লেও পদুম ফুল আৰু জোক যিদৰে গুণত একে নহয়, সেইদৰে একে জগততে জন্ম পালেও সাধু আৰু দুষ্টৰ মাজত গুণৰ প্ৰভেদ আছে। একে সাগৰতে জন্ম পোৱা (সমুদ্ৰ মন্থনৰ সময়ত) সুধা আৰু সুৰাৰ নিচিনাকৈ সাধুসকল আৰু দুষ্টসকলো স্বকীয় স্বকীয় গুণেৰে গুণী। ৩ ॥

ভাল আৰু বেয়া নিজ নিজ কৰ্মৰ ফল অনুসৰি সুখ্যাতি আৰু কুখ্যাতি লাভ কৰে। এফালে সুধা, সুধাকৰ, গংগা আৰু সাধু; আনফালে বিহ, অগ্নি, কলিকালৰ পাপসমূহৰ নদীৰ নিচিনা অখণ্ড প্ৰবাহ আৰু হিংসুক ব্যাধ, —এই সকলোৰে গুণ-দোষ জানি-বুজিও নিজ নিজ ৰুচি অনুসৰি পছন্দ কৰি বাছি লয়। ৪ ॥

দোঃ—ভালে ভালটোহে বাছি লয় আৰু বেয়াই বেয়াটোহে বাছি লয়। অমৃতে অমৰত্বৰ গুণ লয় আৰু বিহে মাৰণ ধৰ্মহে গ্ৰহণ কৰে। ৫ ॥

চৌঃ—দুষ্টসকলে পাপ আৰু বেয়া গুণৰ প্ৰশংসা কৰে; সাধুসকলে সদ্গুণৰ প্ৰশংসা কৰে। দুষ্ট আৰু সাধু উভয়েই দোষ-গুণৰ অগাধ সমুদ্ৰত

অৱগাহন কৰি চাইছে। সেই বাবেহে তেওঁলোকৰ কোনোৱে দোষৰ আৰু কোনোৱে গুণৰ কথা ক'ব পাৰিছে। কিন্তু বিচাৰ কৰি নোচোৱাকৈ বা নজনাকৈ কোনো বস্তুকে ত্যাগ বা গ্ৰহণ কৰা নহয়। ১ ॥

ভাল-বেয়া সকলোকে বিধাতাই জন্ম দিছে। বেদে (শাস্ত্ৰই) সেইবোৰৰ দোষ-গুণ বিচাৰি বেলেগ কৰি দেখুৱাইছে। বেদ, পুৰাণ আৰু ইতিহাসে ব্ৰহ্মাই সৃষ্টি কৰা এই সমস্ত জগতকে দোষ-গুণৰ মিশ্ৰণ বুলি কৈছে। ২ ॥

দুখ সুখ, পাপ-পুণ্য, দিন-ৰাতি, সাধু-অসাধু, সুজাতি-কুজাতি, দেৱতা-দানৱ, উচ্চ নীচ, অমৃত-বিষ, সংজীৱন-মৃত্যু, মায়া-ব্ৰহ্ম, জীৱ-পৰমাত্মা, লক্ষ্মী-অলক্ষ্মী, দৰিদ্ৰ-ৰাজপুৰুষ, কাশী-মগধ, গংগা-কৰ্মনাশা (পুণ্যনদী-পাপনদী), মৰুপ্ৰদেশ-মালৱা, ব্ৰাহ্মণ-কচাই, স্বৰ্গ-নৰক, অনুৰাগ-বিৰাগ, ব্ৰহ্মাৰ সৃষ্টি এই সকলোকে বেদ-শাস্ত্ৰই তাৰ দোষ-গুণ অনুসৰি ভাগ ভাগ কৰিছে। ৩।৪।৫ ॥

দোঃ—সৃষ্টিকৰ্তাই এই বিশ্বগনকে জড়-চেতনময় আৰু দোষ-গুণেৰে পূৰ্ণ কৰি সৃজিছে। ৰাজহংসই পানী বাদ দি গাখীৰ বাছি লোৱাৰ নিচিনাকৈ সন্ত সাধুসকলেও ইয়াৰপৰা (এইবিশ্বৰ পৰা) দোষ এৰি গুণ গ্ৰহণ কৰে। ৬ ॥

চৌঃ—এনেকুৱা (দোষ গুণ বাছিবপৰা) বিবেক যেতিয়া বিধাতাই মানুহক দিছে, তেতিয়া দোষ এৰি গুণ গ্ৰহণ কৰাটোৱেই স্বাভাৱিক. কিন্তু কালৰ স্বভাৱ আৰু কৰ্মৰ প্ৰবলতাৰ কাৰণে সৎলোকেও কেতিয়াবা মায়াৰ বশ হৈ দূষিত কাৰ্য কৰে। ১ ॥

হৰিভক্তজনে এই দোষবোৰ গুচৱাই লৈ দুখ দূৰ কৰি যিদৰে নিৰ্মল যশ লাভ কৰে, সেইদৰে দুষ্টজনেও সৎসংগ পালে সৎকাৰ্য কৰে; কিন্তু মনৰ অখণ্ড মলিন স্বভাৱ সম্পূৰ্ণৰূপে দূৰ নহয়। ২ ॥

যি প্ৰৱঞ্চকে সাধুৰ বেশ ধৰে, সিও সেই বেশটোৰ বাবে জগতত পূজা পায়; কিন্তু তাৰ দিন সদায় সেইদৰেই নাযায়। এদিন তাৰ প্ৰকৃত ৰূপটো কালনেমি, ৰাহু আৰু ৰাৱণৰ ছদ্মৰূপৰ নিচিনাকৈ ধৰা পৰিব। ৩ ॥

জগতত জাম্বৱন্ত আৰু হনুমন্তই সন্মান পোৱাৰ দৰেই কুৰূপ হলেও সাধুলোকে সন্মান পায়। অসৎ সংগৰপৰা হানি আৰু সৎসংগৰপৰা লাভ হয় বোলা লোক-প্ৰচলিত আৰু বেদত কোৱা কথা সকলোৱে জানে। ৪ ॥

বতাহৰ লগত উৰি যোৱা ধূলি আকাশ পায়গৈ। সেই ধূলিয়েই তলত পানীৰ লগত মিহলি হৈ বোকাত পৰিণত হয়। সাধুৰ ঘৰত থকা ভাটো আৰু

মইনা চৰায়ে ৰাম নাম লয়, অসাধুৰ ঘৰত থকা ভাটৌ আৰু মইনা চৰায়ে গালিহে পাৰে। ৫ ॥

কুসংগত পৰিলে কলা বৰণৰ চেকাত পৰিণত হোৱা ধোঁৱাও সৎসংগত পৰি সুন্দৰ চিয়াহী হৈ পুৰাণ ৰচনাৰ কামত লাগে। সেই ধোঁৱাই অগ্নি, জল আৰু বায়ুৰ সংগত পৰি জগতক জীৱন দান কৰা মেঘতো পৰিণত হয়। ৬ ॥

দোঃ—গ্ৰহ, ঔষধ, জল, বায়ু আৰু কাপোৰ—এইবিলাক বস্তু সৎসংগ পালে ভাল আৰু অসৎসংগ পালে বেয়া হৈ পৰে। বিচাৰশীল লোকে জগতৰ এই কথালৈ চকু ৰাখে। ৭ (ক)

মাহটোৰ দুয়োটা পক্ষতে পোহৰ আৰু আন্ধাৰ সমানে থাকে; কিন্তু বিধাতাই ইহঁতক নামত (শুক্লপক্ষ-কৃষ্ণপক্ষ বুলি) পৃথক্ কৰিলে। এটাক চন্দ্ৰৰ বৃদ্ধি-কাৰক আনটোক ক্ষয়কাৰক বুলি জানি জগতে এটাক সুযশ আৰু আনটোক অপযশৰ ভাগী কৰিলে। ৭ (খ)

এই জগতত যিমানবোৰ চেতন জীৱ আৰু অচেতন জড় বস্তু আছে, সেই সকলোকে ৰামময় বুলি ভাবি, তেওঁলোকৰ চৰণ-কমলত হাতযোৰ কৰি প্ৰণাম জনাইছোঁ। ৭ (গ)

দেৱতা, দৈত্য, মনুষ্য, নাগ, পক্ষী, প্ৰেত, পিতৃগণ, গন্ধৰ্ব, কিন্নৰ আৰু নিশাচৰ সকলোকে মই প্ৰণাম কৰিছোঁ। এতিয়া সকলোৱেই মোক কৃপা কৰক। ৭ (ঘ)

চৌঃ—জল, স্থল আৰু আকাশবাসী চাৰিও প্ৰকাৰৰ (স্বেদজ, অণ্ডজ, জৰায়ুজ আৰু উদ্ভিদ) চৌৰাশী লাখ জাতিৰে পৰিপূৰ্ণ এই সম্পূৰ্ণ জগৎকে সীতা-ৰামময় জ্ঞান কৰি হাতযোৰ কৈ প্ৰণাম জনাইছোঁ। ১ ॥

কৃপাময় আপোনালোক সকলোৱেই কপট ভাব নাৰাখি মোক নিজৰ দাস বুলি ধৰি কৃপা কৰক। মোৰ নিজৰ বুদ্ধিবলৰ ওপৰত ভৰসা নাই। সেইবাবে মই সকলোৰে চৰণত বিনীত প্ৰাৰ্থনা জনাইছোঁ। ২ ॥

মই ৰঘুপতিৰ গুণ গাবলৈ ইচ্ছা কৰিছোঁ। মোৰ বুদ্ধি সামান্য; কিন্তু ৰামচৰিত অগাধ বস্তু। এনে স্থলত মই এই কামৰ কাৰণে লেশমানো উপায় পোৱা নাই। মই বুদ্ধিৰে দৰিদ্ৰ, আকাংক্ষাতহে ৰজাৰ দৰে। ৩ ॥

মোৰ বুদ্ধি অতি নিম্ন, কামনা অতি উচ্চ। মই বিচাৰোঁ অমৃত; কিন্তু জগতত অমৃতহে নালাগে খোলো পাবলৈ নাই। সজ্জনসকলে মোৰ ধৃষ্টতা ক্ষমা কৰিব। লগতে শিশুৰ মুখৰ কথা মন দি শুনাৰ দৰে মোৰ কথাও মন দি শুনিব। ৪ ॥

সকলো ল'ৰাই থুনুক-থানাক মাতেৰে কোৱা কথাও পিতৃ-মাতৃসকলে আনন্দ মনেৰে শুনে ; কিন্তু পৰৰ দোষবোৰকে ভূষণ স্বৰূপে গ্ৰহণ কৰা ক্ৰুৰ, কুটিল আৰু অসৎ বিচাৰৰ লোকে সেই কথা (শিশুৰ কথা) শুনি তাক ইতিকিংহে কৰিব। ৫ ॥

সৰসেই হওক বা নীৰসেই হওক নিজৰ কৱিতানো কাৰ বেয়া লাগে ? কিন্তু যিসকলে লোকৰ ৰচনা শুনি আনন্দিত হয়, তেনেকুৱা উত্তম লোক জগতত বেছি নাই। ৬ ॥

হে ভাইসকল, নিজৰ সমৃদ্ধি হ'লে ওফন্দি উঠা সৰোবৰ আৰু নদীৰ নিচিনা স্বভাৱৰ লোক বহুতেই আছে। চন্দ্ৰই পূৰ্ণতা লাভ কৰা দেখি (পৰৰ সমৃদ্ধি দেখি) নাচি উঠা সমুদ্ৰৰ নিচিনা সজ্জন লোক জগতত বৰ বিৰল। ৭ ॥

দোঃ—মোৰ ভাগ্যখন সৰু। অভিলাষ ডাঙৰ। তথাপি মোৰ এইটো বিশ্বাস যে, মোৰ (মই বৰ্ণনা কৰা ৰামকথা) কথা শুনি সজ্জনসকল সুখী হ'ব। দুষ্টলোকহে উপহাস কৰি উকৰাই দিব। ৮ ॥

চৌঃ—দুষ্টসকলৰ উপহাস মোৰ কাৰণে হিতকৰেই হ'ব। কলকণ্ঠ কোকিলকো কাউৰীয়ে কঠোৰ বুলিহে কয়। বগলীয়ে ৰাজহংসক আৰু ভেকুলীয়ে চাতক পক্ষীক উপহাস কৰাৰ নিচিনাকৈ মলিন চিত্তৰ লোকেও পবিত্ৰ কথা-সমূহ উপহাস কৰি উকৰাই দিব খোজে। ১ ॥

যিজন কৱিতাৰ ৰসজ্ঞ নহয় আৰু ৰামৰ চৰণপ্ৰেমীও নহয়, তেনে লোকৰ কাৰণে এই কৱিতাই আনন্দদায়ক হাস্যৰসৰ কাম কৰিব। প্ৰথম কথা হ'ল সাধাৰণ মানুহৰ ভাষাত লিখা, দ্বিতীয়তে মোৰ বুদ্ধিও অতি সামান্য। গতিকে ই উপহাসৰ যোগ্য হ'বও। এনে স্থলত ইয়াক উপহাস কৰাত দোষ নাই। ২ ॥

প্ৰভুৰ চৰণত যাৰ ভক্তি নাই আৰু ভাল বোধশক্তিও যাৰ নাই ; তেওঁলোকৰ কাৰণে এই কথাবোৰ (ৰামচৰিত) শুনিবলৈ অসাৰ যেন লাগিব। হৰি-হৰৰ চৰণত যাৰ ভক্তি আছে, যি কুতৰ্কী নহয়, তেওঁহে ৰঘুশ্ৰেষ্ঠ ৰামৰ কথা শুনি আনন্দ পাব। ৩ ॥

যদিও মই কবি আৰু বাকপটু নহওঁ, কোনো প্ৰকাৰে কলা-বিদ্যাতো মই পাৰ্গত নহওঁ, তথাপি সজ্জনসকলে এই কথা (ৰামকথা) ৰাম-ভক্তিৰে ভূষিত বুলি অন্তৰতে বুজিব পাৰি প্ৰশংসা কৰি শুনিব। ৪ ॥

বৰ্ণ, অৰ্থ আৰু অলংকাৰ নানা বিধৰ আছে। ছন্দ আৰু ৰচনা-ৰীতিও বহুত বিধৰ। কাব্যত ভাৱ, ৰস, দোষ, গুণ আদিৰো অপাৰ শ্ৰেণী বিভাগ কৰা হৈছে। ৫ ॥

কাব্যতত্ত্ব সম্বন্ধীয় এনেধৰণৰ একো বিচাৰ-বুদ্ধি মোৰ নাই বুলি মই সত্য কথাটো পৰিষ্কাৰকৈ কাগজত লিখি স্বীকাৰ কৰিছোঁ। ৮॥

দোঃ—মোৰ ৰচনাত কাব্যৰ সকলো গুণৰেই অভাৱ হ'লেও এটা জগৎ-প্ৰসিদ্ধ গুণ আছে। সুমতি আৰু নির্মল বুদ্ধি থকা লোকে সেই গুণৰ বিচাৰ কৰি মোৰ এই ৰচনা শুনিব। ৯॥

চৌঃ—ইয়াৰ মাজত সকলোকে সামৰি ল'বপৰা (পাৰমাৰ্থিক দৃষ্টিৰ সর্বব্যাপক) উদাৰ ৰাম নাম আছে, যি নাম ভগৱান শিৱই পাৰ্বতীৰে সৈতে সদায় জপ কৰি থকা মংগলময়, অমংগলনাশক বেদ আৰু পুৰাণৰ সাৰস্বৰূপ —অতি পৱিত্ৰ। ১॥

সুকৱিসকলে ৰচনা কৰা বিচিত্ৰ কাব্যও ৰাম নামৰ অবিহনে শোভা নাপায়। সকলো প্ৰকাৰৰ অলংকাৰেৰে সু-সজ্জিত আৰু চন্দ্ৰবদনী নাৰীও বস্ত্ৰহীন হ'লে অশোভনীয় হৈ পৰে। ২॥

আনহাতে, অপৈণত কৱিয়ে ৰচনা কৰা সকলো গুণৰহিত কাব্যও ৰাম নামৰ গুণ বৰ্ণনা কৰা থাকিলে মধুকৰৰ নিচিনা গুণগ্ৰাহী সন্তসকলে শ্ৰদ্ধাৰে পাঠ কৰে আৰু শুনে। ৩॥

যদিও মোৰ কাব্যত (সাহিত্যৰ নৱৰসৰ ভিতৰৰ) একো ৰসেই নাই তথাপি ইয়াত ৰামৰ গুণাৱলী প্ৰকাশ পাইছে—ইয়ে মোৰ কাৰণে একমাত্ৰ ভৰসাৰ স্থল। সৎসংগৰ সুফল কোনেনো নাপায়? ৪॥

অগৰু চন্দনৰ লগত সম্পৰ্ক ঘটা কাৰণে ধোঁৱাৰো (ধূপকাঠীৰ) বিৰক্তিকৰ স্বভাৱ দূৰ হয় আৰু সুগন্ধদায়ক অৱস্থা লাভ হয়। মোৰ কাব্য নিকৃষ্ট যদিও ইয়াত জগতৰ হিতকাৰক ভাল বস্তু ৰামৰ কথা বৰ্ণনা কৰা হৈছে। ৫॥

ছন্দ—ৰঘুনাথ শ্ৰীৰামৰ কথা মংগলময় আৰু কলিপাপ নাশক। তুলসীদাসৰ কৱিতা পূতসলিলা গংগাৰ গতিৰ দৰেই বক্ৰগতিসম্পন্ন হ'লেও, প্ৰভু ৰামৰ এনে গুণ-যশ থকা কথাৰ সংযোগত সজ্জনসকলৰ মনোগ্ৰাহী সুকাব্য হৈ পৰিব। শ্মশানৰ ছাইবোৰো শিৱৰ অংগৰ সংস্পৰ্শত আহি স্মৰণ মাত্ৰেই পাপহৰণকাৰী সুন্দৰ বস্তুত পৰিণত হয়।

দোঃ—শ্ৰীৰামৰ গুণ-যশ-গৌৰৱৰ কথা থকা মোৰ ৰচনাও সকলোৰে প্ৰিয় হৈ পৰিব। মলয় পৰ্বতত থকা সকলো কাঠকে চন্দন বুলি প্ৰশংসা কৰা হয়। চন্দনত থকা কাঠৰ তুচ্ছতা তেতিয়া বিচাৰ কৰা নহয়। ১০ (ক)

গাই গৰুৰ বৰণ ক'লা হ'লেও গাখীৰ সৰহ আৰু উৎকৃষ্ট কাৰণে সকলোৱে

ক'লী গাইৰ গাখীৰ পায়। সেইদৰে গ্ৰাম্যভাষাত ৰচিত হ'লেও ৰাম-সীতাৰ গুণ-যশ জ্ঞানীসকলে গায় আৰু শুনে। ১০ (খ)

চৌ :—মণি, মাণিক আৰু মুকুতা সুন্দৰ হ'লেও, তাৰ সৌন্দৰ্য পৰ্বত, হাতী আৰু সাপৰ মুৰত থাকিলে প্ৰকাশ নাপায়, ৰাজমুকুট আৰু তৰুণীৰ দেহতহে শোভা পায়। ১॥

সেইদৰে সুকবিসকলৰ কাব্যও এঠাইত জন্ম হয় আৰু তাৰ সৌন্দৰ্য উপলব্ধি হয় আন এঠাইতহে (কাব্যৰ প্ৰচাৰ, বিচাৰ আৰু আদৰ্শ অনুসৰণ কৰা নহ'লে তাৰ সৌন্দৰ্য প্ৰকৃততে উপলব্ধি নহয়)। কাব্য-ৰসজ্ঞসকলে ভক্তিৰে স্মৰণ কৰিলেহে সৰস্বতী ব্ৰহ্মলোকৰ পৰা ততাতৈয়াকৈ নামি আহে। ২॥

এইদৰে কাব্যৰসত অৱতীৰ্ণ হোৱা সৰস্বতীৰ ক্লান্তি-ভাব কোটি উপায় কৰিলেও দূৰ নহয় (এই প্ৰসংগত সৰস্বতীৰ ক্লান্তি কাব্যৰসৰ পূৰ্ণাংগ সৌন্দৰ্যৰ অভাৱসূচক)। এই ক্লান্তি ৰামচৰিতৰ সৰোবৰত স্নান নকৰে মানে দূৰ নহয়। এই কথা উপলব্ধি কৰি কৰি আৰু পণ্ডিতসকলে কলিকালৰ পাপনাশক হৰি-গুণ কীৰ্তন কৰে। ৩॥

কাব্যত প্ৰাকৃতজনৰ গুণ-গান কৰিলে সৰস্বতীয়ে (সেই কবিৰ আহ্বানত কিয় আহিলোঁ বুলি) মূৰ খুন্দিয়াই দুখ কৰে। জ্ঞানীসকলে কয়—হৃদয় সমুদ্ৰত বুদ্ধিয়েই শামুক আৰু সৰস্বতী স্বাতি নক্ষত্ৰ। ৪॥

এই নক্ষত্ৰত শ্ৰেষ্ঠ বিচাৰৰ জলবৰ্ষণ হ'লেহে কবিতা মুকুতা মণি হ'ব পাৰে। ৫॥

দোঃ—যুক্তিৰে বিন্ধা উলিয়াই ৰাম-কথাৰ সূতাৰে কবিতাৰ মাণিক গাঁথি সেই মালা সজ্জনসকলে নিজৰ নিৰ্মল হৃদয়ত ধাৰণ কৰে। গভীৰ ভক্তিভাবেই এই মুকুতা-মালাৰ প্ৰকৃত শোভা। ১১॥

চৌঃ—যিসকলে ভয়ানক কলিযুগত জন্ম লোৱা কাৰণে কাউৰীৰ নিচিনা কাম কৰিও হংসৰ নিচিনা বেশ ধাৰণ কৰিছে, যিসকলে বেদ-মাৰ্গ ত্যাগ কৰি কুমাৰ্গ গ্ৰহণ কৰিছে; যিসকল মূৰ্তিমান কপটস্বৰূপ আৰু কলিযুগৰ সমস্ত পাতকৰ বোজাস্বৰূপ; যি নিজক ৰাম-ভক্ত বুলি চিনাকি দি পৰক প্ৰবঞ্চনা কৰে; যিসকল অৰ্থ, ক্ৰোধ আৰু কামনাৰ দাস; তেনেধৰণৰ দুষ্ট, ধৰ্মধ্বজী (ধৰ্মৰ নাম লৈ অধৰ্ম আচৰণ কৰোঁতা), ঘোৰ অনিষ্টকাৰী লোকসকলৰ ভিতৰত মোৰ ঠাই আগশাৰীত। ১। ২॥

যদি মই নিজৰ দোষৰ কথা ক'বলৈ যাওঁ, তেনেহ'লে কথা বহুত বাঢ়ি যাব,

ক'লেও অন্ত নহ'ব। সেইবাবে বেদ্না গুণবোৰৰ সামান্যমাত্র বৰ্ণনা কৰিলোঁ। বুদ্ধিমান লোকে অলপতে সকলো বুজি পায়। ৩ ॥

মই নানাপ্ৰকাৰে বিনীতভাৱে প্ৰাৰ্থনা জনাইছোঁ। এই প্ৰাৰ্থনাৰ অৰ্থ বুজি পোৱা সকলৰ ভিতৰত কোনেও মোৰ ৰচনা শুনি মোক দোষ নিদিয়ে। ইমানতো যাৰ মনৰপৰা শংকা দূৰ নহয়, তেওঁ মোতকৈয়ো জ্ঞানত দৰিদ্ৰ আৰু অধিক জড় বুদ্ধিৰ। ৪ ॥

মই কবিও নহওঁ, চতুৰ বা বুদ্ধিমানো নহওঁ। নিজৰ বুদ্ধি অনুসৰি যি পাৰোঁ ৰামৰ গুণ-গান কৰিছোঁ ; কিন্তু ক'ত ৰঘুপতি ৰামৰ অপাৰ চৰিত আৰু ক'ত মোৰ সংসাৰত লিপ্ত ক্ষুদ্ৰ বুদ্ধি ! ৫ ॥

যি বায়ুৱে মেৰু পৰ্বতকে উৰুৱাই নিব পাৰে, তাৰ মানত তুলানো কি বস্তু ? ৰামচন্দ্ৰৰ অসীম প্ৰভাৱৰ কথা ভাবিলে (বায়ুৰ মানত তুলাৰ দৰে তুচ্ছ মোৰ বুদ্ধিৰ কাৰণে) মনতে সংকোচ ভাব ওপজে। ৬ ॥

দোঃ—সৰস্বতী দেৱী, অনন্তনাগ, মহাদেৱ শিৱ, ব্ৰহ্মা, আগম, নিগম আৰু পুৰাণ—এই সকলোৱেই 'নেতি নেতি' বুলি (ইমানেই যথেষ্ট নহয় আৰু আছে, এনেভাৱ প্ৰকাশ কৰি) সদায় যাৰ গুণ কীৰ্তন কৰে—১। ২ ॥

চৌঃ—সেই প্ৰভুৰ বৰ্ণনাতীত প্ৰভুত্ব সকলোৱে বুজি পায়। তথাপি তেওঁৰ গুণ-যশৰ বৰ্ণনা কোনেও নকৰাকৈ থকা নাই ; কিয়নো ভগৱানক নানা প্ৰকাৰে কৰা ভক্তিৰ সুফলৰ কথা বেদে (শাস্ত্ৰই) বৰ্ণনা কৰিছে। ১ ॥

একমাত্ৰ, ইচ্ছাৰহিত, নাম আৰু ৰূপৰ অতীত, জন্মৰহিত, সচ্চিদানন্দ, পৰমধামস্বৰূপ, সৰ্বব্যাপী আৰু বিশ্বৰূপ ভগৱানেই কৃত্ৰিম ৰূপ ধাৰণ কৰি নানা লীলাময় চৰিত প্ৰকাশ কৰিছে। ২ ॥

সেই লীলা তেওঁ কেৱল ভক্তসকলৰ হিতৰ কাৰণেহে কৰে। তেওঁ বৰ কৃপালু আৰু শৰণাগতবৎসল। ভক্তৰ প্ৰতি তেওঁৰ মমতা আৰু কৃপা অসীম। সেই বাবে এবাৰ যাৰ প্ৰতি তেওঁৰ স্নেহ উপজিল, তাৰ প্ৰতি তেওঁ কেতিয়াও ক্ৰুদ্ধ নহয়। ৩ ॥

হেৰোৱা বস্তু ঘূৰাই দিয়া ৰঘুনাথ দীনজনৰ বন্ধু, অতি সৰল, সৰ্বশক্তিমান আৰু সকলোৰে স্বামী। এই কথা জানি জ্ঞানীসকলে শ্ৰীহৰিৰ যশ-গুণ বৰ্ণনা কৰি নিজৰ বাণী সফল আৰু পবিত্ৰ কৰে। ৪ ॥

এই আদৰ্শৰ বলতেই মই ৰামৰ চৰণত শিৰ দোৱাই তেওঁৰ গুণ-যশ বৰ্ণনা কৰিব খুজিছোঁ। এই আদৰ্শতে মুনিসকলে ভগৱানৰ গুণ কীৰ্তন কৰিছিল। ভাই ! সেই পথেদি বাট লোৱাটোৱেই মোৰ বাবেও সুগম হ'ব। ৫ ॥

দোহা—অতি বহলডাঙৰ নদী এখনতো ৰজাই সেতু নিৰ্মাণ কৰি দিলে তাত উঠি অতি ক্ষুদ্ৰ পকৰাও বিনা কষ্টে পাৰ হৈ যাব পাৰে। ১৩॥

চৌঃ—এইদৰে মনতে বল বান্ধি মই মনোৰম ৰাম কথা ৰচনা কৰিছোঁ। ব্যাস আদি অনেক শ্ৰেষ্ঠ কবিয়েও শ্ৰদ্ধাৰে হৰিকথা বৰ্ণাই গৈছে। ১॥

কলিযুগতো যিসকলে ৰঘুপতিৰ গুণসমূহ বৰ্ণনা কৰিছে, মই সেইসকলৰ চৰণ-কমলত বন্দনা কৰোঁ। তেওঁলোকে মোৰ সকলো মনোৰথ পূৰ্ণ কৰক। ২॥

যিসকল পৰম বুদ্ধিমান প্ৰাকৃত কবিয়ে লোকভাষাত হৰিৰ লীলা বৰ্ণনা কৰে, যিসকল তেনে কবি আগতে আছিল আৰু ভবিষ্যতলৈকো হ'ব, সেই সকলোকে মই সৰ্বপ্ৰকাৰে কপট ত্যাগ কৰি প্ৰণাম জনাইছোঁ। ৩॥

আপোনালোকে প্ৰসন্ন হৈ মোক এই বৰদান দিয়ক, যাতে সাধু-সমাজত মোৰ ৰচনাই সমাদৰ লাভ কৰে। যি ৰচনা জ্ঞানীসকলৰ বাবে আদৰণীয় নহয়, সেই ৰচনাৰ বাবে বৃথা শ্ৰম অপৰিপক্ক কবিয়েহে কৰে। ৪॥

গংগাৰদৰে সকলোৰে হিতসাধন কৰিব পৰা কীৰ্তি, কবিতা আৰু সম্পত্তিহে প্ৰকৃততে সাৰ্থক বা ভাল বস্তু। ৰামৰ কীৰ্তি শ্ৰেষ্ঠ বস্তু, কিন্তু মোৰ কবিতা অতি নিকৃষ্ট বস্তু। এই দুয়োটাৰ মাজত সামঞ্জস্যৰ অভাৱ দেখাহে মই চিন্তিত হৈছোঁ। ৫॥

তথাপি হে কবিসকল! আপোনাসকলৰ কৃপাত মোৰ বাবে ইও সহজ হৈ পৰিব। ৰেচমী সূতাৰে সিয়নি মাৰিলে টেলাবো শোভা বাঢ়ে। ৬॥

দোঃ—যি কবিতা সৰল, যি বিমল কীৰ্তিবিষয়ক, যাক শুনিলে শত্ৰুৱেও স্বাভাৱিক শত্ৰুতা পাহৰি প্ৰশংসা কৰিবলৈ ধৰে, বিজ্ঞসকলে সেই কবিতাকেহে আদৰ কৰে। ১৪ (ক)

মন শুদ্ধ নহ'লে এনে কবিতা হ'ব নোৱাৰে। মোৰ বুদ্ধিৰ বল অতি কম, সেইবাবে মই বাৰে বাৰে আপোনালোকৰ ওচৰত বিনীত প্ৰাৰ্থনা জনাইছোঁ— মোক কৃপা কৰক। মই শ্ৰীহৰিৰ যশ কীৰ্তন কৰোঁ। ১৪ (খ)

হে কবি আৰু পণ্ডিতসকল, আপোনালোক ৰামচৰিতৰূপী মানস সৰোবৰত থকা সুন্দৰ ৰাজহংস। বালকৰ নিচিনা অবোধ মোৰ প্ৰাৰ্থনা শুনি আৰু সুৰুচিৰে লক্ষ্য কৰি আপোনালোকে মোক কৃপা কৰিব। ১৪ (গ)

সোৰঠা—মই সেই মুনিৰ (বাল্মীকিৰ) চৰণ-কমল বন্দনা কৰিছোঁ, যি জনে খৰ ৰাক্ষসৰ কথা থকা সত্ত্বেও সুকোমল (খৰৰ বিপৰীত ধৰ্মী), সুন্দৰ আৰু দূষণ নামৰ ৰাক্ষসৰ কথা থকা সত্ত্বেও দোষমুক্ত ৰামায়ণ ৰচনা কৰিলে। ১৪ (ঘ)

ভৱ-সাগৰ তৰিবৰ কাৰণে নৌকাসদৃশ চাবিও বেদক মই বন্দনা কৰিছোঁ, যি চাবিও বেদে সপ্নতো ৰঘুশ্ৰেষ্ঠ ৰামৰ যশৰাশি বৰ্ণনা কৰি আমনি নাপায় (খেদ নকৰে)। ১৪ (ঙ)

মই ব্ৰহ্মাৰ চৰণৰেণুকো বন্দনা কৰিছোঁ, যি ব্ৰহ্মাই এই সংসাৰ-সাগৰ সৃষ্টি কৰিছে, য'ত এফালে সন্ত, সুধা, চন্দ্ৰ আৰু কামধেনু, আনফালে দুষ্ট, বিহ আৰু সুৰা প্ৰকাশ পাইছে। ১৪ (চ)

দেৱতা, ব্ৰাহ্মণ, জ্ঞানী আৰু গ্ৰহসমূহ—এই সকলোৰে চৰণ বন্দনা কৰি মই কৰযোৰে প্ৰাৰ্থনা জনাইছোঁ—আপোনালোক প্ৰসন্ন হৈ মোৰ সকলো সুন্দৰ মনোৰথ পূৰ্ণ কৰক। ১৪ (ছ)

চৌপাঈ—সৰস্বতী আৰু দেৱনদী গংগাকো বন্দনা কৰোঁ। এওঁলোক উভয়ৰে চৰিত্ৰ পবিত্ৰ আৰু সুন্দৰ। গংগাজলত স্নান কৰিলে আৰু গংগাজল পান কৰিলে পাপ দূৰ হয়; সৰস্বতীৰ গুণ-যশ গান কৰিলে আৰু শুনিলে অজ্ঞতা দূৰ হয়। ১ ॥

সীতাপতি শ্ৰীৰামচন্দ্ৰৰ সেৱক, সখা আৰু স্বামী, দীনবন্ধু আৰু দানী মহেশ আৰু ভৱানীক মই প্ৰণাম জনাইছোঁ। তেওঁলোক প্ৰয়োজনেই মোৰ গুৰু, পিতৃ-মাতৃ আৰু সকলোপ্ৰকাৰে প্ৰকৃত হিত সাধনকাৰী। ২ ॥

কলিযুগ আৰম্ভ হোৱা দেখি জগতৰ হিতৰ কাৰণে শিৱ পাৰ্বতীয়ে শাবৰ মন্ত্ৰ-সমূহ ৰচনা কৰিলে [কোল, ভীল প্ৰভৃতি শবৰ জাতীয় লোকৰ মাজত প্ৰচলিত উপাসনা-মন্ত্ৰসমূহকে শাবৰমন্ত্ৰ বোলাটো সম্ভৱ]। সেই মন্ত্ৰসমূহত আখৰৰ মিল বা ছন্দ প্ৰভৃতি শৃংখলা, অৰ্থৰ সংগতি আৰু জপৰ বিধান নাই। তথাপি যি মহেশৰ গুণৰ প্ৰভাৱত এই মন্ত্ৰসমূহ প্ৰত্যক্ষ ফলদায়ক হ'ব পাৰিছে, সেই শিৱ মোৰ প্ৰতি প্ৰসন্ন হৈ এই ৰাম-কথাকো আনন্দৰ উৎস তথা মংগলময় কৰি তোলক। এই-দৰে শিৱ আৰু শিৱানী উভয়কে স্মৰণ কৰি, তেওঁলোকৰ প্ৰসাদতেই অতি শ্ৰদ্ধাভাৱেৰে ৰামচৰিত বৰ্ণনা কৰিবলৈ লৈছোঁ। ৩। ৪ ॥

তাৰকাৱলী আৰু চন্দ্ৰক লৈ ৰাতি যিদৰে সুন্দৰ হৈ পৰে, সেইদৰেই মোৰ কৱিতাও মহাদেৱ শিৱৰ কৃপাত আনন্দদায়ক হ'ব। যিসকলে এই ৰাম-কথা শ্ৰদ্ধাৰে মন দি শুনিব, গাব আৰু উপলব্ধি কৰিব, তেওঁলোক কলিযুগৰ পাপৰ-পৰা মুক্ত হৈ সুখৰ ভাগী হ'ব আৰু শ্ৰীৰামৰ চৰণত তেওঁলোকৰ ভক্তিভাব উপজিব। ৫। ৬ ॥

দো :—যদি সপ্নতো শিৱ-পাৰ্বতী মোৰ প্ৰতি প্ৰসন্ন হয়, তেনেহ'লে এই

সাধাৰণ মানুহৰ ৰচনা কৰা কাব্যৰ যিখিনি গুণৰ কথা মই কৈছোঁ, সেইখিনি প্ৰকৃততে সত্যত পৰিণত হ'ব। ১৫ ॥

চৌঃ—মই অতি পবিত্ৰভূমি অযোধ্যাপুৰী আৰু কলিকালৰ পাপহাৰিণী সৰযূ নদীকো বন্দনা কৰিছোঁ। তদুপৰি যি অযোধ্যাবাসী প্ৰভু শ্ৰীৰামৰ অতি মৰমৰ আছিল, সেই অযোধ্যাবাসী সকলকো প্ৰণাম জনাইছোঁ। ১ ॥

প্ৰভু শ্ৰীৰামে সীতাৰ অপযশ ৰটা [অযোধ্যাবাসী ধোবা আৰু তাৰ সমৰ্থক সকল] লোকসকলকো শোকতাপ ৰহিত কৰি নিজ ধামত ঠাই দিলে [তুলনীয়— লগে স্বৰ্গে নিলা সবে অযোধ্যানগৰ]। যাৰ যশস্যা কেউদিশে জগতত বিয়পি পৰিছে, সেই কৌশল্যাৰূপী পূৰ্বদিশকো মই বন্দনা কৰিছোঁ। ২ ॥

এই কৌশল্যাৰূপী পূৰ্বদিশতে বিশ্বৰ সুখদাতা আৰু দুষ্টৰূপী কমলসমূহৰ কাৰণে তুষাৰ স্বৰূপ শ্ৰীৰামচন্দ্ৰৰূপী চন্দ্ৰমাৰ উদয় হৈছিল। যাক সৃষ্টি কৰি ব্ৰহ্মায়ো নিজৰ সৃষ্টিকাৰ্যৰ শ্ৰেষ্ঠত্ব দেখুৱাব পাৰিলে আৰু যিসকলে এই শ্ৰীৰামচন্দ্ৰৰ পিতৃ-মাতৃ হ'বলৈ পাই মহিমাৰ চৰম সীমাত উপনীত হ'ল, ৰাণীসকলেৰে সৈতে সেই মহাৰাজ দশৰথক পুণ্য আৰু সুমঙ্গলৰ মূৰ্তি বুলি জ্ঞান কৰি মই মন, বচন আৰু কৰ্মেৰে প্ৰণাম জনাইছোঁ। তেওঁলোকৰ পুত্ৰৰ সেৱক বুলি জানি সেই সকলেও মোক কৃপা কৰক। ৩। ৪ ॥

সোৰঠা :—ৰামৰ চৰণত যাৰ প্ৰকৃত প্ৰেমভাৱ আছিল আৰু যিজনে দয়ালু প্ৰভু শ্ৰীৰাম আঁতৰ হোৱা মাত্ৰেই নিজৰ দেহকো তৃণবৎ তুচ্ছ জ্ঞান কৰি ত্যাগ কৰিলে, সেই অযোধ্যাৰ ৰজা দশৰথক মই বন্দনা কৰোঁ। ১৬ ॥

শ্ৰীৰামৰ চৰণত যাৰ গূঢ় ভক্তি আছিল যাৰ ভক্তি প্ৰথমতে যোগ আৰু ভোগৰ আঁৰত লুকাই আছিল, পাছত শ্ৰীৰামক দেখা পাই প্ৰকট হৈ পৰিছিল, সেই ভক্তিমান বিদেহৰাজ জনকক তেওঁৰ পৰিজনসকলেৰে সৈতে প্ৰণাম কৰিছোঁ। ১ ॥

যাৰ নিয়ম-সংযম আৰু ব্ৰত পালনৰ বিষয়ে বৰ্ণনা কৰিব নোৱাৰি আৰু মধুলোভী ভোমোৰাই পদ্মফুলৰ মৌ এৰি আঁতৰ হৈ নোযোৱাৰ দৰেই যাৰ মনেও শ্ৰীৰামচন্দ্ৰৰ চৰণ-পংকজ এৰি আঁতৰি নাযায়, [শ্ৰীৰামচন্দ্ৰৰ ভাতৃসকলৰ ভিতৰত] প্ৰথমতে সেই ভৰতৰ চৰণতো মই প্ৰণাম কৰিছোঁ। ২ ॥

যি লক্ষ্মণৰ যশস্যা ৰঘুপতি শ্ৰীৰামৰ বিমল কীৰ্তিৰূপী পতাকা আকাশত তুলি ধৰা দণ্ডৰ নিচিনা আছিল, সেই লক্ষ্মণৰ শীতল, সুন্দৰ আৰু ভক্তসকলৰ বাবে সুখদায়ক চৰণকমলত মই বন্দনা কৰোঁ। ৩ ॥

সহস্ৰশীৰ্ষ আৰু জগতৰ কাৰণ অনন্ত নাগে পৃথিৱীৰ ভয় দূৰ কৰিবৰ কাৰণে

গোৰা অৱতাৰ, কৃপাৰ সাগৰ আৰু গুণৰ আকৰ স্বৰূপ সুমিত্ৰানন্দন লক্ষ্মণ মোৰ প্ৰতি সদায় অনুকূল হৈ থাকক। ৪ ॥

মই মহাবীৰ, সংযমভাৰী আৰু ভৰতৰ অনুগামী, শত্ৰুহন্তা শত্ৰুঘ্নৰ পদকমলত প্ৰণাম কৰোঁ। যাৰ যশস্যাৰ কথা স্বয়ং শ্ৰীৰামচন্দ্ৰই বখানিছিল, সেই মহাবীৰ হনুমানৰ ওচৰত মই মিনতি কৰিছোঁ। ৫ ॥

সোঃ—দুষ্টৰূপী বনৰ কাৰণে অগ্নিস্বৰূপ আৰু জ্ঞানৰ মূৰ্তৰূপ পৱনকুমাৰ হনুমানক মই প্ৰণাম কৰোঁ। তেওঁৰ হৃদয়ৰূপী ভৱনত ধনুৰ্বাণ লৈ প্ৰভু শ্ৰীৰামে বাস কৰে। ১৭ ॥

চৌঃ—কপিৰাজ সুগ্ৰীৱ, ঋক্ষৰাজ জাম্বৱান, ৰাক্ষসৰাজ বিভীষণ আৰু অংগদ আদি সমস্ত বানৰগণৰ সুন্দৰ চৰণসমূহ মই বন্দনা কৰোঁ। এওঁলোকে পশু আৰু ৰাক্ষসৰ অধম শৰীৰেৰেও শ্ৰীৰামচন্দ্ৰক লাভ কৰিলে। ১ ॥

পশু, পক্ষী, দেৱতা, মনুষ্য, অসুৰ পৰ্যন্ত যিসকল ৰঘুপতি শ্ৰীৰামৰ উপাসক, তথা নিষ্কাম সেৱক, সেই সকলোৰে চৰণকমল বন্দনা কৰোঁ। ২ ॥

শুক, সনকাদি, নাৰদ মুনি প্ৰভৃতি যিমানবিলাক ভক্ত আৰু পৰম জ্ঞানী মুনিশ্ৰেষ্ঠ, মই মাটিত মূৰ লগাই সেই সকলোকে প্ৰণাম কৰোঁ। হে মুনীশ্বৰসকল! আপোনালোকে মোক নিজৰ দাস বুলি কৃপা কৰক। ৩ ॥

জনককন্যা, জগৎ জননী আৰু পৰম কৰুণাময় শ্ৰীৰামৰ প্ৰিয়তমা জানকী দেৱীৰ চৰণকমলযুগলক মই প্ৰণাম কৰিছোঁ, তেওঁৰ কৃপাত যেন মই নিৰ্মল মতি লাভ কৰোঁ। ৪ ॥

মই পুনৰায় মন, বচন আৰু কৰ্মেৰে সৈতে কমলনয়ন, ধনুৰ্বাণধাৰী, ভকতৰ বিঘ্ননিনাশক আৰু সুখদায়ক ৰঘুপতি শ্ৰীৰামৰ সমৰ্থক্ষমান চৰণকমল বন্দনা কৰিছোঁ। ৫ ॥

দোঃ—বাক্য আৰু অৰ্থ তথা পানী আৰু ঢৌক ভিন্ন বুলি কোৱা হয় যদিও প্ৰকৃততে সিহঁত ভিন্ন বস্তু নহয়। সেইদৰে ৰাম-সীতাৰ চৰণো, কওঁতে ভিন্ন বুলি কোৱা হয় যদিও, প্ৰকৃততে দুয়োটা অভিন্ন। মই ৰাম-সীতাৰ এই অভিন্ন চৰণ বন্দন কৰিছোঁ, ই দীনদুখী সকলৰ বাবে অত্যন্ত প্ৰিয় বস্তু। ১৮ ॥

চৌঃ—মই ৰঘুপতিৰ 'ৰাম' নামৰ বন্দনা কৰোঁ। এই 'ৰাম' নাম অগ্নি, সূৰ্য আৰু চন্দ্ৰৰ হেতু (অৰ্থাৎ ৰ, আ, ম ৰূপত বীজস্বৰূপ), তথা ব্ৰহ্মা, বিষ্ণু, শিৱৰূপ; বেদৰ প্ৰাণস্বৰূপ নিৰ্গুণ, উপমাৰহিত আৰু গুণৰ আধাৰ। ১ ॥

ৰামনাম মহামন্ত্ৰ মহেশ্বৰ শিৱই জপ কৰে। এওঁ দিয়া ৰামনামৰ উপদেশৰ

কাৰণেই কাশীধাম মুক্তিৰ হেতু স্বৰূপ হ'ল। এই ৰামনামৰ মহিমা গণেশে জানে আৰু এই নামৰ প্ৰভাৱতে গণেশ প্ৰথম পূজাৰ অধিকাৰী হৈছে। ২ ॥

আদিকবিয়ে (বাল্মীকিয়ে) ৰামনামৰ প্ৰভাৱৰ কথা জানিছিল। তেওঁ ওলোটাকৈ (মৰা মৰা বুলি) ৰামনাম জপিও শুদ্ধ হৈছিল। এক ৰামনামেই সহস্ৰ নামৰ সমান বুলি শিৱই কোৱা শুনি পাৰ্বতীয়ে তেওঁৰ প্ৰিয়তম পতিৰ লৈতে সদায় ৰামনাম জপ কৰে। ৩ ॥

নামৰ প্ৰতি পাৰ্বতীৰ এই প্ৰীতি দেখি শিৱ আনন্দিত হ'ল আৰু তেওঁ স্ত্ৰীসকলৰ ভূষণ স্বৰূপ (নাৰী শিৰোমণি) পাৰ্বতীক নিজৰ (অৰ্ধাংগিনী কৰি) ভূষণ কৰি ললে। শিৱই নামৰ প্ৰভাৱ অতি ভালধৰণে জানে। সেই কাৰণেই কালকূট বিষেও তেওঁক অমৃতৰ ফল দিলে। ৪ ॥

দোঃ—ৰাম-ভক্তি হৈছে বৰ্ষা ঋতু; তুলসীদাসে কয়—উত্তম সেৱক সকল হৈছে শালিধান আৰু ৰামনামৰ দুটি শ্ৰেষ্ঠ বৰ্ণ হৈছে শাওণ আৰু ভাদ মাহ। ১৯ ॥

চৌঃ—ৰামনামৰ দুয়োটি বৰ্ণই মধুৰ আৰু মনোহৰ। এই দুয়োটিয়েই বৰ্ণমালাৰূপী শৰীৰৰ নয়নস্বৰূপ, ভক্তজনৰ জীৱন, স্মৰণ কৰিবলৈ সহজ, সুখদায়ক জীৱনৰ কাৰণে প্ৰকৃত লাভৰ বস্তু আৰু পৰলোকৰ বাবেও নিৰ্বাহৰ সামগ্ৰী। ১ ॥

এই ৰামনাম উচ্চাৰণ, শ্ৰৱণ আৰু স্মৰণ কৰিবলৈ অতি সুন্দৰ। এই নাম তুলসীদাসৰ কাৰণে ৰাম লক্ষ্মণৰ দৰেই প্ৰিয়। ইয়াক ভিন্ন ভিন্ন ৰূপে বৰ্ণনা কৰোঁতে (ৰ আৰু ম বুলি) বেলেগ ধৰণৰ আনন্দ অনুভৱ হয় (অৰ্থাৎ বীজ-মন্ত্ৰৰ দৃষ্টিৰে ইয়াৰ উচ্চাৰণ, অৰ্থ আৰু ফলৰ ভিন্নতা দেখা যায়) তথাপি এই দুয়োটি বৰ্ণ জীৱ আৰু ব্ৰহ্মৰ দৰে স্বভাৱতে অভিন্ন বস্তু। ২ ॥

এই দুয়োটি বৰ্ণ নৰ-নাৰায়ণৰ দৰে সুন্দৰ ভ্ৰাতৃ, জগতৰ পালক আৰু বিশেষকৈ ভক্তজনৰ ৰক্ষক। এই দুই বৰ্ণ ভক্তিৰূপিণী সুন্দৰীৰ কাণৰ সুন্দৰ ভূষণ আৰু জগতৰ হিতসাধনৰ ক্ষেত্ৰত চন্দ্ৰ আৰু সূৰ্যস্বৰূপ। ৩ ॥

এই দুটি বৰ্ণ সদ্গতি (মোক্ষ) ৰূপী অমৃতৰ স্বাদ আৰু তৃপ্তিৰ সমান, কূৰ্ম আৰু শেষনাগৰ দৰে পৃথিৱীৰ ধাৰক, ভক্তৰ মনৰূপী সুন্দৰ পদুম ফুলত বিহাৰ কৰা ভোমোৰাৰ তুল্য আৰু জিভাৰূপী যশোদাৰ বাবেও কৃষ্ণ-বলোভদ্ৰৰ দৰেই (আনন্দদায়ক)। ৪ ॥

দোঃ—তুলসীদাসে কৈছে—ৰঘুপতি ৰামৰ দুয়োটা বৰ্ণই অতি শুৱনি। তাৰে এটাই ৰেফৰূপী ছত্ৰ হৈ আৰু আনটোৱে চন্দ্ৰবিন্দুৰূপী (ম, ँ) মুকুট মণি হৈ সকলো বৰ্ণৰ ওপৰত থাকে। ২০ ॥

চৌ:—ভাবি চাবলৈ গ'লে নাম আৰু নামী দুয়ো একে তত্ত্ব নিচিনা ; কিন্তু দুয়োটাৰে ভিতৰত প্ৰভু আৰু অনুগামীৰ সম্পৰ্ক আছে। নাম আৰু ৰূপ দুয়োটা ঈশ্বৰৰ উপাধি, দুয়োটাই অনিৰ্বচনীয় অনাদি, শুদ্ধবুদ্ধিৰ ভক্তিযুক্ত বুদ্ধিৰ দ্বাৰাহে ভগৱানৰ নাম আৰু ৰূপ সম্বন্ধে ধাৰণা হ'ব পাৰে। ১ ॥

নাম আৰু ৰূপৰ ভিতৰত কোনটো ডাঙৰ আৰু কোনটো সৰু তেনে বিচাৰ কৰিবলৈ যোৱাটোৱেই অপৰাধৰ কথা। এই দুয়োটা বস্তুৰ ভিতৰত থকা গুণৰ তাৰতম্য অনুসৰি সাধুসকলে ইয়াৰ পাৰ্থক্য নিজে বুজি লয়। দেখাত ৰূপ নামৰ অধীন যেন লাগে, কিয়নো নামৰ সহায় নোহোৱাকৈ ৰূপ সম্বন্ধেও প্ৰকৃত জ্ঞান হ'ব নোৱাৰে। ২ ॥

কোনো এটা বিশেষ ৰূপবিশিষ্ট বস্তু হাতত থাকিলেও, তাৰ নাম নজনালৈকে সেই বিষয়ে স্বৰূপ জ্ঞান হ'ব নোৱাৰে। আনহাতে, ৰূপ দৃষ্টিগোচৰ নোহোৱাকৈও যদি আন্তৰিকতাৰে সেই এটা বস্তুৰ নাম স্মৰণ কৰি থকা যায়, তেতিয়াহ'লে সেই বস্তুটোৰ এটা ৰূপ হৃদয়ত আপোনা আপুনি ফুটি উঠে। ৩ ॥

নাম আৰু ৰূপৰপৰা সৃষ্টি হোৱা মানসিক গতি বা অৱস্থাৰ কথা বৰ্ণনা কৰাটো সম্ভৱ নহয়। ইয়াৰ উপলব্ধিত আনন্দ আছে ; কিন্তু সেই আনন্দৰ বাখ্যা ভাষাৰে কৰিব পৰা নাযায়। এই নাম নিৰ্গুণ আৰু সগুণৰ মধ্যস্থতা কৰা ভাল সাক্ষীস্বৰূপ আৰু দুয়োটা তত্ত্বৰ প্ৰকৃত জ্ঞান দিব পৰা চতুৰ দোভাষী সদৃশ। ৪ ॥

দোঃ— তুলসীদাসে কৈছে—তুমি যদি বাহিৰে ভিতৰে উভয়ৰে পোহৰ বিচাৰা, তেনেহলে ৰামনামৰূপী মণিদীপ (শীতল পোহৰ দিবপৰা উজ্জ্বল বস্তু) শৰীৰৰ দুৱাৰ মুখ জিভাত ধাৰণ কৰা। (সদায় ৰামনাম উচ্চাৰণ কৰা) ৫ ॥

চৌঃ—ব্ৰহ্মাই সৃষ্টি কৰা এই দৃশ্যমান জগৎপ্ৰপঞ্চৰ প্ৰতি বিৰাগী মুক্তপুৰুষ যোগীসকলেও জিভাৰে নামজপৰ দ্বাৰা নাম ৰূপ ৰহিত, অনিৰ্বচনীয়, নিৰাময়, অনুপম ব্ৰহ্মসুখ অনুভৱ কৰি থাকে। ১ ॥

যিসকলে গূঢ় ৰহস্য জ্ঞান লাভ কৰিবলৈ বিচাৰে, সেইসকলেও জিভাৰ সহায়েৰে নাম জপ কৰিয়েই সেই জ্ঞান লাভ কৰিব পাৰে। সকাম সাধক-সকলেও লৌকিক সিদ্ধি লাভৰ উদ্দেশ্যে নাম জপ কৰি অণিমা আদি অষ্ট সিদ্ধি লাভ কৰে। ২ ॥

অতি আতুৰ হৈ নাম লোৱা জনো ভয়ংকৰ সংকটৰপৰা মুক্ত হৈ সুখী হ'ব পাৰে। জগতত চাৰিশ্ৰেণীৰ ৰামভক্ত আছে (আৰ্ত, জিজ্ঞাসু, অৰ্থকামী

আৰু জ্ঞানী) আৰু এই চাৰিও শ্ৰেণীৰ ভক্তই পুণ্যৱান, নিষ্পাপ আৰু উদাৰ স্বভাৱৰ। ৩॥

এই চাৰিও বিধ চতুৰ ভক্তৰ কাৰণে ভক্তিৰ ঘাই বস্তু বা আধাৰ হৈছে নাম। জ্ঞানী ভক্ত প্ৰভুৰ বিশেষ প্ৰিয়পাত্ৰ। সাধাৰণভাৱে চাৰিও যুগতে আৰু চাৰিও বেদতে নামৰ প্ৰভাৱ আছে যদিও কলিযুগত এই প্ৰভাৱ বিশেষভাৱে দেখা যায়। কিয়নো কলিত নামৰ বাহিৰে অন্য উপায়েই নাই। ৪॥

দোঃ—যিজন সকলো প্ৰকাৰে কামনাৰহিত, অথচ ৰাম ভক্তিৰ ৰসত তন্ময় হৈ থাকে, তেওঁ নিজৰ মনটো নামৰ প্ৰেমস্বৰূপ ৰমণীয় অমৃত সৰোবৰত থকা মাছত পৰিণত কৰিলে। ২২॥

চৌঃ—নিৰ্গুণ আৰু সগুণ এই দুয়োটাই ব্ৰহ্মৰ স্বৰূপ। ব্ৰহ্মৰ এই দুয়োটা ৰূপেই অনিৰ্বচনীয়, অতি গভীৰ, অনাদি আৰু উপমাৰ অতীত। তথাপি মোৰ মনেৰে ব্ৰহ্মৰ এই দুয়োটা ৰূপতকৈ নাম ডাঙৰ বস্তু। কিয়নো নামে এই দুয়োটা দুয়োকে নিজৰ শক্তিৰে বশত ৰাখিব পাৰে। ১।

সজ্জনসকলে মোৰ এই কথাবোৰ পাণ্ডিত্যৰ বৰাই বুলি নাভাবিব। মই নিজৰ মনৰ বিশ্বাস, প্ৰেম আৰু ৰুচিৰ কথাহে কৈছোঁ। দুয়োবিধ ব্ৰহ্মৰ (নিৰ্গুণ আৰু সগুণ) জ্ঞানেই অগ্নিৰ নিচিনা। নিৰ্গুণ ব্ৰহ্ম কাঠত নিহিত থকা জুইৰ নিচিনা (বাহিৰৰপৰা দেখা নাযায়, অৰ্থাৎ ইন্দ্ৰিয়গ্ৰাহ্য নহয়) আৰু সগুণ ব্ৰহ্ম চকুৰে দেখা প্ৰকট জুইৰ নিচিনা। এই দুয়োবিধ ব্ৰহ্মকে বুজিবলৈ টান, কিন্তু নামৰ সহায়েৰে এই উভয়কে বুজাব পৰা হয়। সেই বাবেই মই নামক ব্ৰহ্ম আৰু ৰামতকৈ অৰ্থাৎ নিৰ্গুণ আৰু সগুণতকৈ ডাঙৰ বস্তু বুলি কৈছোঁ। ব্ৰহ্ম ব্যাপক একমাত্ৰ, অবিনাশী, সৎ, চিৎ আৰু আনন্দঘন স্বৰূপ। ২।৩।

এই হেন বিকাৰৰহিত প্ৰভু (ব্ৰহ্ম) হৃদয়ত থাকোঁতেও জগতৰ জীৱসমূহ অসহায় আৰু দুখী। যিনামৰ স্বৰূপ উপলব্ধি কৰি তাৰ মূল্য বুজি নামৰ সাধনাত ৰত হয় (যত্নশীল হয়), তেওঁৰ কাৰণে প্ৰভু (অবিকাৰী ব্ৰহ্ম) এনেদৰেই বোধগম্য হৈ পৰে, যেনেদৰে বস্তুৰ বিষয়ে স্বৰূপজ্ঞান হোৱাৰ পাছত তাৰ মূল্য নিৰূপণটো সহজ কথা হৈ পৰে। ৪।

এইদৰে নিৰ্গুণ ব্ৰহ্মতকৈ নামৰ প্ৰভাৱ অতি ব্যাপক। এতিয়া নিজৰ বিচাৰ অনুসাৰে (সগুণ) ৰামতকৈও নাম ডাঙৰ বুলি কব খুজিছোঁ। ২৩॥

চৌঃ—শ্ৰীৰামচন্দ্ৰই ভক্তৰ হিতৰ কাৰণে নৰতনু ধৰি নিজে কষ্ট সহ

কৰি সাধুসকলক সুখী কৰিলে; কিন্তু ভক্তসকল শ্ৰদ্ধাৰে সৈতে নাম লৈ অনায়াসে নিজেই আনন্দ আৰু কল্যাণৰ নিলয় স্বৰূপ হয়। ১ ॥

ৰামচন্দ্ৰই এক তপস্বী স্ত্ৰীকহে (অহল্যা) তাৰণ কৰিলে; কিন্তু নামে কোটি কোটি দুষ্টৰ অসৎ বুদ্ধিক সৎপথলৈ আনিলে। ৰামচন্দ্ৰই ঋষিসকলৰ হিতৰ কাৰণে সুকেতু কন্যা তাড়কাক সসৈন্যে আৰু সপুত্ৰে নিঃশেষ কৰিলে, কিন্তু নামে ৰবিয়ে ৰাতিৰ অন্ধকাৰ নাশ কৰাৰ দৰে ভক্তজনৰ দোষ, দুখ আৰু দুৰাশা নাশ কৰিব পাৰে। ৰামচন্দ্ৰই নিজে হৰধনু ভংগ কৰিলে, কিন্তু তেওঁৰ নামৰ প্ৰতাপে সমস্ত ভৱভয়কে ভঞ্জন কৰে। ২।৩ ॥

প্ৰভু শ্ৰীৰামে (ভয়ানক) দণ্ডকাৰণ্যক ৰম্য স্থান কৰিলে; কিন্তু নামে অসংখ্য মানৱৰ মন পবিত্ৰ কৰিলে। ৰঘুনন্দনে ৰাক্ষসসমূহক দলন কৰিলে, কিন্তু নামে কলিকালৰ সমস্ত পাপ নাশ কৰিব পাৰে। ৪ ॥

দোঃ—ৰঘুনাথে শবৰী, জটায়ু প্ৰভৃতি উত্তম সেৱকসকলকহে সদ্গতি দিলে, কিন্তু নামে অসংখ্য দুষ্ট লোককে উদ্ধাৰ কৰিলে। নামৰ গুণ-গাথাৰ কথা বেদতো কোৱা হৈছে। ২৪ ॥

চৌঃ—ৰামে সুগ্ৰীৱ আৰু বিভীষণ এই দুজনকহে আশ্ৰয় দিলে বুলি সকলোৱে জানে; কিন্তু নামে অনেক দুখিতক কৃপা কৰিলে। নামৰ এই কীৰ্তি সাধাৰণ মানুহৰ মাজত আৰু বেদত বিশেষভাৱে প্ৰচলিত হৈ আছে। ১ ॥

ৰামে বান্দৰ আৰু ভালুক-সৈন্য সংগ্ৰহ কৰিব লগীয়া হৈছিল। সেতুবন্ধনৰ বাবে ৰামৰ অলপ কষ্ট হোৱা নাছিল, কিন্তু ৰামৰ নাম লোৱা মাত্ৰেই ভৱসাগৰ শুকাই পাৰ হ'ব পৰা হয়। গতিকে হে সজ্জনসকল! আপোনালোকে নিজেই ভাবি চাওকচোন—(ৰাম আৰু তেওঁৰ নামৰ ভিতৰত কোন প্ৰকৃততে বেছি মহৎ বস্তু?)

ৰামে সবংশে ৰাৱণক যুদ্ধত বধ কৰিলে। তাৰ পাছত সীতাৰে সৈতে নিজৰ নগৰত প্ৰৱেশ কৰিলে। ৰাম ৰজা হ'ল, অযোধ্যা তেওঁৰ ৰাজধানী হ'ল। দেৱতা আৰু মুনিসকলে মনোৰম বাণীৰ দ্বাৰা এই অযোধ্যাৰ গুণ গায়। সেৱকসকলে ভক্তি সহকাৰে নামৰ স্মৰণ কৰা মাত্ৰকেই বিনা পৰিশ্ৰমে মোহৰূপ প্ৰবল সৈন্যক জয় কৰি প্ৰেমত মগ্ন হৈ নিজ সুখেৰে বিচৰণ কৰে। নামৰ প্ৰসাদত সেই ভক্তসকলৰ সপোনতো কোনো দুশ্চিন্তা নোপজে। ৩।৪ ॥

দোঃ—এইদৰে নাম (নিৰ্গুণ) ব্ৰহ্ম আৰু (সগুণ) ৰাম দুয়োতকৈয়ে ডাঙৰ। নামে বৰদাতাসকলকো বৰদান কৰে। এই কথা জানিহে মহেশ্বৰ শিৱই শতকোটি ৰামচৰিতৰ পৰা (সাৰৰূপে) নামকে গ্ৰহণ কৰিলে। ২৫ ॥

চৌঃ—নামৰ প্ৰসাদতেই ভগৱান শিৱ অবিনাশী হৈছে, আৰু অমংগল বেশধাৰী যদিও মংগলৰ আলয় হৈছে। শুক, সনকাদি সিদ্ধ, মুনি আৰু যোগীগণে নামৰ প্ৰসাদতে ব্ৰহ্মানন্দ অনুভৱ কৰে। ১ ॥

নাৰদে নামৰ মহত্ত্বৰ কথা জানে। হৰি সমস্ত জগতৰ প্ৰিয়, (হৰ হৰিৰ প্ৰিয়) আৰু নাৰদ হৰি হৰ উভয়ৰে প্ৰিয়। নাম জপ কৰা কাৰণে প্ৰভুৱে কৃপা কৰিলত প্ৰহ্লাদ ভক্ত-শিৰোমণি হ'ল। ২ ॥

ধ্ৰুৱে গ্লানি হোৱাৰ কাৰণে হৰিনাম ল'লে আৰু তাৰ প্ৰভাৱত অবিচল অনুপম স্থান লাভ কৰিলে। হনুমানে পবিত্ৰ ৰামনাম স্মৰণ কৰি ৰামক বশ কৰি ৰাখে। ৩ ॥

অধম অজামিল, গজেন্দ্ৰ আৰু গণিকায়ো হৰিনামৰ প্ৰভাৱত মুক্তি লাভ কৰিলে। মই আৰু এইহেন নামৰ মহিমা কি কম? স্বয় ৰামেও নিজৰে নামৰ গুণ গাই শেষ কৰিব নোৱাৰে। ৪ ॥

দোঃ—কলিযুগত ৰামনাম কল্পতৰু আৰু কল্যাণৰ নিলয় স্বৰূপ। এই ৰামনাম স্মৰণ কৰিয়ে ভাঙৰ নিচিনা (নিন্দনীয়) তুলসীদাস তুলসীৰ দৰে (আদৰণীয়) হৈ পৰিল। ২৬ ॥

চৌঃ—(কেৱল কলিযুগতেই নহয়) চাৰিও যুগ, তিনিও কাল আৰু তিনিও লোকতে নাম জপি জীৱ শোকৰহিত হয়। সকলো পুণ্যৰ ফল ৰামভক্তি বুলি বেদ, পুৰাণ আৰু সন্তসকলে মত প্ৰকাশ কৰে। ১ ॥

প্ৰথমটো যুগত (সত্যযুগত) ধ্যান, দ্বিতীয় যুগত (ত্ৰেতাযুগত) যজ্ঞ আৰু দ্বাপৰযুগত পূজাৰ দ্বাৰা হৰি প্ৰসন্ন হয়। কিন্তু কলিযুগ পাপৰ উৎস ৰূপ আৰু অতি মলযুক্ত। এই কলিযুগত মানুহৰ মন পাপৰূপী সমুদ্ৰত মাছৰ দৰে মগ্ন হৈ থাকে। ২ ॥

এই ভয়ানক কলিকালত নাম কল্পতৰুস্বৰূপ। নাম স্মৰণ কৰা মাত্ৰকে জগতৰ সকলো জ্বালা-যন্ত্ৰণা শান্ত হয়। ৰামনামে কলিকালত বাঞ্ছিত বস্তু দান কৰে। নাম পৰলোকত হিতসাধক আৰু ইহলোকতো পিতা-মাতাৰ দৰে (হিত চিন্তক)। ৩ ॥

কলিকালত কৰ্মও নহয়, ভক্তিও নহয় আৰু জ্ঞানো নহয়; কেৱল ৰাম-

নামহে একমাত্র অৱলম্বন। কপটৰ ভঁড়াল এই কলিযুগৰূপী কালনেমিৰ লগত বুদ্ধিমান হনুমানৰ দৰে যুঁজিবলৈ সমৰ্থ একমাত্র ৰামনামহে।

দোঃ—ৰামনাম ভগৱান নৰসিংহ, কলিযুগ হিৰণ্যকশিপু আৰু জপ কৰোঁতা জন প্ৰহ্লাদৰ তুল্য। এই ৰামনামে দেৱশত্ৰু (কলিযুগৰূপী দৈত্য) নিধন কৰি নাম জপ কৰোঁতাসকলক ৰক্ষা কৰিব। ২৭॥

চৌঃ—সদ্ভাৱেৰে, অসদ্ভাৱেৰে, ক্ৰোধেৰে বা আলস্যৰে যিদৰেই হওক, যদি নাম জপ কৰা হয়, তেতিয়া দশোদিশে কল্যাণময় হয়। এই ৰামনাম স্মৰণ কৰি আৰু ৰঘুনাথ শ্ৰীৰামক মূৰ দোঁৱাই মই ৰাম-নামৰ গুণ গান কৰিব খুজিছোঁ। ১॥

মোৰ দোষবিলাক সকলো প্ৰকাৰে এই ভগৱান ৰামচন্দ্ৰই শুধৰাই ল'ব। কৃপালু গুণে কৃপা কৰি কৰি তেওঁৰ তৃপ্তি নপলায়। ৰাম শ্ৰেষ্ঠস্বামী আৰু মই অধম সেৱক; তথাপি সেই দয়ানিধিয়ে মোক তেওঁৰ প্ৰতি আগ্ৰহশীল দেখি মোক পালন-পোষণ কৰিছে। ২॥

লোক-সমাজ আৰু বেদতো প্ৰসিদ্ধ যে সু-স্বামীসকলে বিনয় বচন শুনিয়েই দাসৰ প্ৰীতিভাৱ উপলব্ধি কৰিব পাৰে। ধনী দুখীয়া, গাঁৱলীয়া-নগৰীয়া, পণ্ডিত-মূৰ্খ, যশস্বী-কুখ্যাতি তথা সুকবি কুকবি প্ৰভৃতি সকলো নৰনাৰীয়ে নিজৰ বুদ্ধি অনুসাৰে নৃপতিক প্ৰশংসা কৰে। সাধু, জ্ঞানী, সৎচৰিত্ৰবান্ তথা ঈশ্বৰৰ অংশৰূপে অৱতীৰ্ণ (ভাৰতীয় পৰম্পৰাই ৰজাক ভগৱানৰ অৱতাৰ বুলি মানে) কৃপালু নৃপতিয়ে এই সকলো প্ৰশংসা শুনি সেই প্ৰজাসমূহৰ বচনা, ভক্তি, বিনয় আৰু চালচলন বুজি লৈ সুন্দৰ আলাপেৰে সকলোকে সন্মান কৰে। এয়া হ'ল সাধাৰণ ৰজাৰ স্বভাৱ। কোশলৰাজ ৰামচন্দ্ৰ কিন্তু জ্ঞানীসকলৰো শিৰোমণি (অসাধাৰণ ৰজা)। ৩।৪।৫॥

শ্ৰীৰামচন্দ্ৰ ভক্তিতেই সন্তুষ্ট হয়, কিন্তু জগতত মোতকৈ মূৰ্খ আৰু মলিনমতি কোন আছে? ৬॥

দোঃ—তথাপি কৃপালু ৰামে দুষ্ট সেৱকৰ হ'লেও মোৰ প্ৰীতি আৰু আগ্ৰহক 'মোৰ' বুলিব। কিয়নো তেওঁ শিলগুটিকে জাহাজ কৰিছিল আৰু বান্দৰ-ভালুককে বুদ্ধিমান মন্ত্ৰী কৰি লৈছিল। ২৮ (ক)

সকলোৱে মোক ৰামৰ সেৱক বুলি কয় আৰু মই নিজেও কওঁ; ৰামচন্দ্ৰই সীতানাথৰ নিচিনা স্বামী আৰু মোৰ নিচিনা সেৱকৰ এই বিসঙ্গতিপূৰ্ণ কথাৰ উপহাসো সহ্য কৰে। ২৮ (খ)

চৌঃ—এইটো মোৰ ডাঙৰ ধৃষ্টতা আৰু দোষ। মোৰ পাপৰ কথা শুনি নৰকেও নাক কোঁচায়। এই কথা বুজিব পাৰি মই নিজৰ কল্পিত ভয়তে কোঁচ খাই গৈছোঁ, কিন্তু সেই সুবিবেকী ৰামে সপোনতো এই কথালৈ মন নিদিলে। ২॥

বৰঞ্চ প্ৰভু শ্ৰীৰামে এই কথা শুনি, দেখি আৰু সৎচিৎৰূপী চক্ষুৰদ্বাৰা নিৰীক্ষণ কৰি মোৰ ভক্তি আৰু বুদ্ধিক শলাগিলেহে। (মই নিজকে ৰামৰ সেৱক বুলি) কোৱা কথা লাগিলেই ভুলেই হওক, কিন্তু হৃদয়খন নিৰ্মল হ'ব লাগে। ভক্তৰ অন্তৰৰ শুদ্ধতাৰ কথা জানিলেই ৰাম প্ৰসন্ন হয়। ২॥

প্ৰভু শ্ৰীৰামৰ অন্তৰত ভক্তই কৰা দোষবোৰৰ স্মৃতি বৈ নাথাকে। কিন্তু তেওঁলোকৰ হৃদয়ৰ সততাৰ কথা শ শ বাৰ মনত ৰাখে। যি পাপৰ কাৰণে তেওঁ (ৰামে) ব্যাধৰ দৰে বালীক বধ কৰিলে, সেই অসৎ কাম আকৌ সুগ্ৰীৱেও কৰিলে। ৩॥

বিভীষণেও সেই কামকে কৰিলে, কিন্তু ৰামে সেইবোৰ কথা সপোনতো চিন্তা নকৰিলে। আনহাতে, ভৰতক লগ পোৱাৰ সময়ত ৰঘুবীৰ ৰামে তেওঁলোকক সম্মানহে কৰিলে আৰু ৰাজসভাতো তেওঁলোকৰ গুণহে বখানিলে। ৪॥

দোঃ—প্ৰভু শ্ৰীৰাম আছিল গছৰ তলত আৰু বান্দৰ আছিল গছৰ ডালত। কিন্তু এনেকুৱা বান্দৰবোৰকো তেওঁ নিজৰ সমান কৰি পেলালে। তুলসীদাসে কৈছে—ৰামৰ সমান সৎচৰিত্ৰৰ প্ৰভু আৰু ক'তো নাই। ২৯ (ক)

হে শ্ৰীৰাম! আপোনাৰ সততাই সকলোৰে কল্যাণ সাধন কৰে। যদি এই কথা সচা হয়, তেনেহ'লে তুলসীদাসৰো কল্যাণেই হ'ব। ২৯ (খ)

এইদৰে মই নিজৰ গুণ-দোষৰ কথা কৈ আৰু পুনৰায় সকলোকে মূৰ দোঁৱাই ৰঘুশ্ৰেষ্ঠ শ্ৰীৰামৰ বিস্তৃত যশস্যাৰ কথা বৰ্ণনা কৰোঁ। যি কথা শুনিলে কলিযুগৰ পাপ নষ্ট হৈ যায়। ২৯ (গ)

চৌঃ—যাজ্ঞবল্ক্য মুনিয়ে যি মনোৰম কথা মুনিশ্ৰেষ্ঠ ভৰদ্বাজক শুনাইছিল, সেই কথোপকথনকে মই এতিয়া আপোনাসকলক শুনাম। সকলো সজ্জনে আনন্দ মনেৰে এই কথা শুনক। ১।

শিৱই এই মনোৰম ৰাম-কথা সৰ্বপ্ৰথম ৰচনা কৰিছিল। তাৰ পাছত তেওঁ কৃপা কৰি উমাক এই কাহিনী কৈছিল। তাৰ পাছত কাকভুশুণ্ডিক ৰামৰ ভক্ত আৰু উপযুক্ত পাত্ৰ বুলি জানি এই ৰাম-কথা তেওঁক দিয়ে। ২॥

কাকভুশুণ্ডিৰপৰা আকৌ যাজ্ঞবল্ক্যই পালে; তেওঁ আকৌ এই কথা ভৰদ্বাজক গাই শুনালে। এই দুই বক্তা আৰু শ্ৰোতা একে স্বভাৱৰ আৰু সমদৰ্শী ব্যক্তি। তেওঁলোকে শ্ৰীহৰিৰ লীলাৰ বিষয় জানে। ৩॥

এগুলোকে তিনিও কালৰ কথা হাতত থকা আমলখীৰ দৰে (প্ৰত্যক্ষভাৱে) জানে। যিসকল হৰিভক্ত লোক, তেওঁলোকে এই কথা নানা প্ৰকাৰে কয়, শুনে আৰু উপলব্ধি কৰে। ৪ ॥

দোঃ—মই এই কথা বৰাহক্ষেত্ৰত মোৰ গুৰুৰ মুখত শুনিবলৈ পাওঁ, কিন্তু মই সেই সময়ত সৰু ল'ৰা আছিলোঁ কাৰণে অতি অবোধ আছিলোঁ আৰু তাকে ভালকৈ বুজা নাছিলোঁ। ৩০ (ক)

শ্ৰীৰামৰ গূঢ় কথাৰ বক্তা আৰু শ্ৰোতা উভয়েই জ্ঞান নিধি স্বৰূপ। কলি-কালৰ পাপে গ্ৰাস কৰা মই মহামূঢ় আৰু জড় জীৱ হৈ কথা কেনেকৈ সম্যক্ উপলব্ধি কৰিব পাৰোঁ? ৩০ (খ)

চৌঃ—তথাপি গুৰুৱে যেতিয়া বাৰে বাৰে সেই ৰামকথা ক'লে, তেতিয়া মোৰ বুদ্ধি অনুসাৰে মই কিছু কথা বুজিলোঁ। সেইখিনিকেই মই এতিয়া সাধাৰণ মানুহৰ ভাষাত ৰচনা কৰিব খুজিছোঁ। তাৰপৰা মই নিজেও মনতে সন্তোষ পাম। ১ ॥

মোৰ বুদ্ধি আৰু বিবেকৰ বল অনুসাৰে আৰু হৃদিস্থিত হৰিৰ অনুপ্ৰেৰণা মতে মই এই ৰামকথা ক'ম। নিজৰ সন্দেহ, মোহ আৰু ভ্ৰম দূৰ কৰিব পৰা এই কথা সংসাৰৰূপী নদী পাৰ হ'বলৈ নৌকাস্বৰূপ। ২ ॥

ৰামকথাই পণ্ডিতসকলক বিশ্ৰাম দিয়ে, সকলোকে আনন্দ দিয়ে, আৰু কলিকালৰ পাপ নাশ কৰে। এই ৰামকথা কলিৰূপী সাপৰ বাবে এজনী ম'ৰা চৰাই (সৰ্পভক্ষক) আৰু বিবেকৰূপী অগ্নি জ্বলাবৰ বাবে অৰণি (পৰস্পৰে ঘঁহাই জুই জ্বলোৱা কাঠ) স্বৰূপ ৩ ॥

কলিযুগত ৰামকথা কামধেনু স্বৰূপা। ই সজ্জনৰ কাৰণে শ্ৰেষ্ঠ সঞ্জীৱনী ঔষধি, পৃথিৱীত বৈ থকা অমৃতৰ নদী, ভয় বিনাশিনী আৰু ভ্ৰমৰূপী ভেকুলীৰ বাবে সৰ্পিণীস্বৰূপা। ৪ ॥

অসুৰ সেনাৰ নিচিনা কষ্টদায়ক নৰকৰপৰা এই ৰামকথাই ৰক্ষা কৰিব পাৰে। দেৱতাসকলৰ কাৰণে অসুৰনাশিনী দুৰ্গাদেৱী যেনেদৰে হিতকৰ, সাধুসকলৰ কাৰণেও ৰামকথা তেনেদৰেই হিতকৰ। ক্ষীৰ সমুদ্ৰৰ মন্থনত উৎপন্ন লক্ষ্মী যেনেকুৱা আদৰৰ বস্তু, সাধুসন্তৰ সমাজত ৰামকথাও তেনেকুৱা আদৰৰ বস্তু। এইদৰে সম্পূৰ্ণ বিশ্বৰ কাৰণে কল্যাণ সাধনৰ ভাৰ বহন কৰা কাৰ্যত এই ৰামকথা পৃথিৱীৰ দৰেই সুস্থিৰ। ৫ ॥

যমদূতক মুখত ছাই সানি খেদি পঠিয়াব পৰা যমুনাৰ দৰেই ৰামকথাও পাপ

নাশক। এই ৰামকথা জীৱক মুক্তিদান কৰাৰ ক্ষেত্ৰতো কাশীধামৰ নিচিনা। তদুপৰি ই প্ৰভু শ্ৰীৰামৰ কাৰণে পবিত্ৰ তুলসীৰ দৰে প্ৰিয় আৰু তুলসীদাসৰ কাৰণে হুলসীৰ দৰে (তুলসীদাসৰ মাকৰ নাম হুলসী, গতিকে প্ৰকৃত অৰ্থ হৈছে নিজৰ মাতৃৰ দৰে) অন্তৰেৰে হিতকামী বা নিষ্কপট হিতকৰ। ৬॥

সিদ্ধপুৰুষ শিৱই মেখলপৰ্বতৰপৰা বৈ অহা সিদ্ধিদাত্ৰী নৰ্মদা নদীৰ নিচিনা-কৈয়ে ৰামকথাও ভাল পায়। এই ৰামকথা সকলো প্ৰকাৰৰ সিদ্ধি আৰু সুখ-সমৃদ্ধিৰ ৰাশি-স্বৰূপ। দেৱতাসকলৰ মাতৃ অদিতিৰ দৰে ই সদ্‌গুণসমূহৰো উৎস আৰু এই ৰামকথাই ৰঘুশ্ৰেষ্ঠ ৰামৰ ভক্তি আৰু প্ৰেমৰো চৰম সীমা সদৃশ। ৭॥

দোঃ—তুলসীদাসে কৈছে—চিত্ৰকূটৰেই মনোৰম চিত্ৰকূট পৰ্বত আৰু ৰাম-কথা সেই পৰ্বতৰ কাষেদি বৈ যোৱা মন্দাকিনী নদী। সুন্দৰ প্ৰেমভাব তাৰ কাষৰ বন-উপবনৰ নিচিনা। ৰাম সীতাই সেই বনতেই আনন্দ মনেৰে বিহাৰ কৰে। ৩১॥

চৌঃ—ৰামৰ চৰিতসমূহ এটা সুন্দৰ চিন্তামণিৰ নিচিনা। (বিভিন্ন জনৰ কাৰণে বিভিন্নৰূপে কামত আহে।) ই সন্ত-সাধুসকলৰ সুবুদ্ধি, সুন্দৰী নাৰীৰ কাৰণে শৃংগাৰ অৰ্থাৎ সে সৰ্বাঙ্গ শোভিত বস্ত্ৰ বা অলংকাৰ। শ্ৰীৰামচন্দ্ৰৰ গুণাৱলীয়ে জগতৰ কল্যাণ সাধন কৰে। তাৰপৰা ধন, ধৰ্ম, মুক্তি আৰু পৰমধামো লাভ হয়। ১॥

চিন্তামণি সদৃশ শ্ৰীৰামৰ এই গুণসমূহ জ্ঞান, বৈৰাগ্য আৰু যোগ সাধনাৰ ক্ষেত্ৰত সদ্‌গুৰু তুল্য। ক্লেশপূৰ্ণ সংসাৰৰূপী ৰোগৰপৰা উদ্ধাৰ পাবৰ কাৰণে এই ৰামচৰিত দেৱতাসকলৰ অতি বুদ্ধিমান বৈদ্য (অশ্বিনীকুমাৰ) সদৃশ। আকৌ ৰাম সীতাৰ প্ৰতি উপজিব লগীয়া ভক্তিভাবৰ কাৰণে জন্মদাতা পিতৃ-মাতৃ স্বৰূপ, আৰু ব্ৰত, ধৰ্ম, নিয়মাদি সকলো কামৰো মূল বীজ স্বৰূপ। ২॥

ৰামৰ এই গুণাৱলীয়ে মনৰ পাপ, সন্তাপ আৰু শোক দূৰ কৰে। ই ইহলোক আৰু পৰলোক উভয়তে পালন কৰিব পৰা হিতকৰ বাবে প্ৰিয়বন্ধু। ৰজাক সকলো প্ৰকাৰে সহায় কৰিব পৰা বীৰ আৰু মন্ত্ৰীৰ দৰে ৰামৰ গুণসমূহ বিচাৰ বা জ্ঞানৰূপী ৰজাৰ মন্ত্ৰী আৰু সাগৰ সদৃশ অপাৰ লোভ নাশ কৰি নিৰ্লোভ হোৱাৰ ক্ষেত্ৰত সমুদ্ৰ শোষণ কৰা অগস্ত্য মুনি সদৃশ। ৩॥

ভক্তসকলৰ মনৰ অৰণ্যত বাস কৰা কাম, ক্ৰোধ প্ৰভৃতি হাতীৰ দৰে বলৱান কলিযুগৰ পাপসমূহ দূৰ কৰিবৰ কাৰণে ৰামচৰিত সিংহপোৱালিৰ দৰে সমৰ্থ। এই ৰামচৰিত মহাদেৱ শিৱৰ কাৰণেও অতিথিৰ দৰে পূজ্য আৰু অতি প্ৰিয়।

তদুপৰি এই ৰামৰ গুণসমূহ দৰিদ্ৰতাৰ দাবানল নিৰ্বাপিত কৰিবৰ কাৰণেও কামাবস্থ বৰ্ষণ কৰিব পৰা মেঘতুল্য। ৪ ॥

বিষয় ভোগৰূপী সৰ্পৰ বিষ দূৰ কৰিবৰ কাৰণে এই ৰামৰ গুণসমূহেই মন্ত্ৰ আৰু সঞ্জীৱনী-মণি সদৃশ কাম কৰে। সহজে দূৰ কৰিব নোৱাৰা বিধাতাই কপালত লিখি থোৱা দুখ-কষ্টৰ বিধান এই ৰামৰ গুণাৱলীয়ে খণ্ডন কৰিব পাৰে। অজ্ঞানতাজনিত মোহৰ অন্ধকাৰ দূৰ কৰিবৰ কাৰণেও এই ৰামকথা সূৰ্যৰ কিৰণসমূহৰ নিচিনা আৰু সেৱকক পালন কৰাৰ ক্ষেত্ৰতো ই শালিধানৰ কাৰণে বাৰিষাৰ মেঘৰ নিচিনা। ৫ ॥

ৰামৰ গুণাৱলী দেৱবৃক্ষ কল্পতৰুৰ দৰে বাঞ্ছিত ফলদায়ক। সেৱাৰ ক্ষেত্ৰত হৰি-হৰৰ সেৱাৰ দৰেই সহজলভ্য তথা সুখদায়ক। শৰৎকালৰ আকাশৰ শোভাবৰ্ধক তাৰকাৱলীৰ দৰেই সুকবিসকলৰ হৃদয়ৰো শোভাবৰ্ধক। শ্ৰীৰামৰ ভক্তসকলৰ কাৰণে এই গুণাৱলী জীৱনৰ যথাসৰ্বস্ব। তদুপৰি এই ৰামকথা সমস্ত পুণ্যৰ ফলস্বৰূপে লাভ হোৱা মহান ভোগৰ তুল্য। ই জগতৰ অকপট হিত সাধনৰ ক্ষেত্ৰত সাধু-সন্তসকলৰ নিচিনা। সেৱকৰ মনৰূপী মানস সৰোবৰৰ কাৰণে ৰাজহংস স্বৰূপ আৰু পবিত্ৰতাত গংগাৰ তৰংগমালা স্বৰূপ। ৩১ ॥

দোঃ—শুকান কাঠ পুৰিবৰ কাৰণে প্ৰচণ্ড অগ্নি যেনেকুৱা বস্তু; কুপথ, কুতৰ্ক, অসৎ আচৰণ তথা কলিযুগৰ কপট, দম্ভ আৰু পাষণ্ড বৃত্তি নাশ কৰিবৰ কাৰণে ৰামকথাও তেনেকুৱা বস্তু। ৩২ (ক)

ৰামৰ চৰিতাৱলী চন্দ্ৰৰ কিৰণসমূহৰ দৰেই সকলোৰে বাবে আনন্দদায়ক। কুমুদিনী আৰু চক্ৰবাক পক্ষীৰ চিত্তৰ নিচিনা সজ্জনসকলৰ চিত্তৰ বাবেও এই ৰামকথা বিশেষ হিতকৰ আৰু মহৎ ফলদায়ক। ৩২ (খ)

চৌঃ—পাৰ্বতীয়ে শিৱক কেনেকৈ ৰামকথা সম্বন্ধে প্ৰশ্ন কৰিলে আৰু শিৱই কেনেকৈ বিস্তৃতভাৱে তাৰ উত্তৰ দিলে, সেই সকলো বিচিত্ৰ কাহিনী মই কাৰণ দৰ্শাই ৰচনা কৰি গাম। ১ ॥

যি এই কথা আগতে শুনা নাই, তেওঁ যেন এই কথা শুনি আচৰিত নহয়। যিসকল জ্ঞানীলোকে এই অলৌকিক কথা আগতেই শুনিছে, তেওঁলোকেও জগতত ৰামকথাৰ সীমা-সংখ্যা নাই বুলি জানে। সেইবাবে তেওঁলোক এই কথা শুনি আচৰিত নহয়। তেওঁলোকৰ মনত এই বিশ্বাস দৃঢ়ভাৱে আছে যে ৰামে অনেক প্ৰকাৰৰ অৱতাৰ ধৰি আহিছে। গতিকে ৰামায়ণৰো সীমা-সংখ্যা নাই। ৰামকথা অপাৰ। ২।৩ ॥

বিভিন্ন কল্পত বিভিন্ন ৰূপত প্ৰকাশ হোৱা ভগৱানৰ সুন্দৰ চৰিতসমূহৰ কথা শ্ৰেষ্ঠ মুনিসকলেও পৃথক্ পৃথক্ ধৰণে গাই আহিছে। গতিকে ৰামকথাৰ ভিন্নতা দেখি মনত কোনো প্ৰকাৰৰ সন্দেহ ভাব নল'ব আৰু প্ৰীতিভাব ৰাখি এই ৰামকথা শুনিব। ৪ ॥

দোঃ—ভগৱান (ৰাম) অনন্ত, তেওঁৰ গুণো অনন্ত, তেওঁৰ বিষয়ে প্ৰচলিত বিস্তৃত কথাৰো সীমা-সংখ্যা নাই। যাৰ অন্তৰ শুদ্ধ তেওঁ এই কথা শুনি আচৰিত নহয়। ৩৩ ॥

চৌঃ—এইদৰে (আপোনালোকৰ) সকলো সন্দেহ দূৰ কৰি, শিৰত গুৰুৰ চৰণ-কমলৰ ৰেণু লৈ পুনৰ হাত যোৰ কৰি সকলোকে মিনতি জনাইছোঁ যাতে মোৰ ৰচিত ৰামকথাক একো দোষেই স্পৰ্শ কৰিব নোৱাৰে। ১ ॥

এতিয়া মই মহাদেৱৰ চৰণত মূৰ দোঁৱাই ৰামৰ বিশদ গুণগাথা বৰ্ণনা কৰিম। হৰিৰ চৰণত শিৰ লৈ ১৬৩১ সংবতত এই কথা আৰম্ভ কৰিছোঁ। (১৬৩১ সংবৎ = খৃঃ ১৫৭৩ চন)

চ'ত মাহৰ (শুক্লা) নৱমী তিথি আৰু মংগলবাৰে অযোধ্যাত এই ৰাম-চৰিত প্ৰকাশিত হয় (জনসমাজলৈ ওলায়)। ৰামৰ জন্মদিনৰ দিনা অযোধ্যালৈ সকলো তীৰ্থ যায় (অৰ্থাৎ সেইদিনা সকলো তীৰ্থৰ ফল অযোধ্যাতে পোৱা যায়) বুলি বেদে কয়। ৩ ॥

সেইদিনা অসুৰ, নাগ, পক্ষী, মনুষ্য, মুনি আৰু দেৱতা—এই সকলো আহি ইয়াত ৰঘুনাথৰ সেৱা কৰে। জ্ঞানীসকলে ৰামৰ জন্মোৎসৱ পালন কৰে আৰু ৰামৰ সুকীৰ্তিৰ গীত গায়। ৪ ॥

দোঃ—সৰযূ নদীৰ পবিত্ৰ জলত দলে দলে আহি অনেক সজ্জনে স্নান কৰে আৰু হৃদয়ত শ্ৰীৰামৰ চাৰু শ্যামতনু ধ্যান কৰি তেওঁৰ নাম জপ কৰে। ৩৪ ।

চৌঃ—বেদ আৰু পুৰাণে কয়—সৰযূ নদীৰ দৰ্শন, স্পৰ্শ, স্নান আৰু জল পানে সমস্ত পাপ হৰণ কৰে। এই নদী অতি পবিত্ৰ, ইয়াৰ অনন্ত মহিমা বিমল বুদ্ধি থকা সৰস্বতীয়েও কৈ শেষ কৰিব নোৱাৰে। ১ ॥

এই মনোৰম অযোধ্যাপুৰীয়ে (মানুহক) শ্ৰীৰামৰ পৰম ধাম (বৈকুণ্ঠ বা সাকেত ধাম) দান কৰে। সমস্ত জগতত প্ৰসিদ্ধ এই নগৰী অতি পবিত্ৰ। জগতত অন্তহীন চাৰি প্ৰকাৰৰ জীৱৰ ভিতৰত যেয়ে অযোধ্যাত দেহত্যাগ কৰে, সি আৰু (জন্ম-মৃত্যুৰ দুখ ভুগিবলৈ) এই সংসাৰলৈ ঘূৰি নাহে (অৰ্থাৎ মুক্তি লাভ কৰে)। ২ ॥

এই অযোধ্যাপুৰী সকলো কালবেপৰা মনোহৰ আৰু সকলো প্ৰকাৰৰ সিদ্ধিদাত্ৰী, মংগলৰ নিলয় স্বৰূপা বুলি জানি (ইয়াতে) মই এই বিমল ৰামকথা আৰম্ভ কৰিলোঁ। এই ৰামকথা শুনিলে কাম, মদ আৰু দম্ভ ভাব মনৰপৰা দূৰ হয়। ৩॥

এই ৰামকথাৰ নাম 'ৰামচৰিত মানস'। ইয়াক যি শুনে তেওঁ শান্তি লাভ কৰে। বিষয়ৰ দাবানলত দগ্ধ হ'ব ধৰা হাতীৰ নিচিনা মনটোৱে সৰোবৰৰ নিচিনা ৰামচৰিত মানসৰ আশ্ৰয় লৈ শান্তি লাভ কৰিব পাৰে ('ৰামচৰিত মানস' যেনিবা ৰামকথাৰূপী শীতল জলেৰে পূৰ্ণ মানস সৰোবৰহে)। ৪॥

মুনিসকলৰ প্ৰিয়, সুন্দৰ আৰু পবিত্ৰ এই ৰামচৰিত মানস মহাদেৱ শিৱই ৰচনা কৰিছিল। ই তিনিবিধৰ (আধ্যাত্মিক, আধিদৈৱিক আৰু আধিভৌতিক) দোষ বা তাপ, দুখ-দৰিদ্ৰতা তথা কলিকালজনিত দুৰ্গতি আৰু পাপ নাশ কৰিব পাৰে। ৫।

প্ৰথমে শিৱই এই ৰামচৰিত ৰচনা কৰি নিজৰ মনতে ৰাখি থৈছিল। পাছত সুযোগ পাই পাৰ্বতীৰ আগত কৈছিল আৰু নিজে মনতে বিচাৰ কৰি চাই আনন্দিত হৈ তাৰ নাম 'ৰামচৰিত মানস' ৰাখিলে। ৬॥

মই সেই সুন্দৰ সুখদায়ক ৰামকথা ক'ব খুজিছোঁ। হে সজ্জনসকল! সাদৰে মন দি আপোনাসকলে এই কথা শুনক। ৭॥

মই সেই সুখদায়ক, মনোৰম ৰামকথা কম। হে সজ্জনসকল, সাদৰে মনোযোগ দি আপোনালোকে শুনক। ৮॥

দোঃ—যি ধৰণে ৰামচৰিত মানসৰ সুযশস্যা লাভ হ'ল আৰু যি কাৰণে জগতত ইয়াৰ প্ৰচাৰ হ'বলৈ পালে, এতিয়া সেই সকলো কথা শিৱ-পাৰ্বতীক স্মৰণ কৰি ক'ব খুজিছোঁ।৩৫॥

চৌঃ—মহাদেৱৰ অনুগ্ৰহত হৃদয়ত সুবুদ্ধিৰ বিকাশ হোৱা কাৰণেহে ৰামচৰিত মানসৰ কবি তুলসীদাসে নিজৰ বুদ্ধি অনুসৰি ইয়াক মনোৰম কৰি তুলিব পাৰিছে। তথাপি হে সজ্জনসকল! আপোনাসকলে শুদ্ধচিত্তেৰে এই ৰামকথা শুনি তাৰ ভুলবোৰ নিজে শুধৰাই লওক। ১॥

সুবুদ্ধি সমান ভূমি স্বৰূপ, হৃদয়ৰ বোধ তাতকৈ গম্ভীৰ (দ) স্থান বা নিম্নভূমি স্বৰূপ; বেদ-পুৰাণ এইবোৰৰ তুলনাত সমুদ্ৰ সদৃশ। সাধুসকল মেঘস্বৰূপ আৰু এই মেঘে ৰামৰ সুকীৰ্তিৰূপ শ্ৰেষ্ঠ, মধুৰ, মনোগ্ৰাহী আৰু মংগলময় জলবৰ্ষণ কৰে। ২॥

সগুণ লীলাৰ বিস্তৃত বৰ্ণনাই ৰামৰ যশৰূপী পানীৰ স্বচ্ছতা, ই মনৰ মল নাশ কৰে। বৰ্ণনাৰ অতীত প্ৰেম ভক্তিয়েই এই পানীৰ মধুৰতা আৰু শীতলতা। ৩ ॥

এই জল সৎকৰ্মৰূপী ধানৰ কাৰণে হিতকৰ আৰু ৰামভক্ত সাধুসকলৰ বাবে জীৱন তুল্য। এই পবিত্ৰ জল বুদ্ধিৰ ভূমিত পৰি ঠেক লোৱেদি বৈ যোৱা পানীৰ নিচিনাকৈ সুন্দৰ কৰ্ণ পথেৰে সোমাই সংযমৰূপী শ্ৰেষ্ঠ আৰু গভীৰ স্থানত গোট খাই স্থিৰ হৈ পৰিল। পুৰণি হ'লত এই জলেই (মনত সংস্কাৰবদ্ধ হোৱা ৰাম নাম) সুখদায়ক, ৰুচিকৰ, শীতল আৰু সুন্দৰ হৈ পৰিল। ৪।৫ ॥

দোঃ—এই ৰামকথাত বুদ্ধিৰে বিচাৰ কৰি যি চাৰিটা অত্যন্ত সুন্দৰ আৰু উত্তম সংবাদ (ভুশুণ্ডি-গৰুড় সংবাদ, শিৱ-পাৰ্বতী সংবাদ, যাজ্ঞবল্ক্য-ভৰদ্বাজ সংবাদ আৰু তুলসীদাস-সন্ত সংবাদ) ৰচনা কৰা হ'ল, সেই কেইটি এই ৰামচৰিত ৰূপী পবিত্ৰ আৰু সুন্দৰ সৰোবৰৰ চাৰিটা মনোৰম ঘাট। ৩৬ ॥

চৌঃ—সাতোটি কাণ্ড এই সৰোবৰৰ সাতোটি সুন্দৰ সোপান। এই সোপান জ্ঞানৰূপী নেত্ৰৰে চায়েই মনত আনন্দ লাগে। ৰঘুপতিৰ যি গুণৰহিত (প্ৰাকৃত গুণৰ অতীত) আৰু বাধাৰহিত মহিমাৰ বৰ্ণনা কৰা হ'ব, সেয়া হৈছে সুন্দৰ পানীৰ গভীৰতা। ১ ॥

ৰাম-সীতাৰ যশস্যা হ'ল অমৃত তুল্য জল। ইয়াত যিবিলাক উপমাৰ প্ৰয়োগ কৰা হৈছে, সি হ'ল মনোৰম তৰংগ-বিলাস। সুন্দৰ চৌপাইসমূহ ৰামচৰিত-ৰূপী সৰোবৰ ঢাক খাই থকা কমলিনী, যুক্তিসমূহ হ'ল সুন্দৰ মুক্তামণি উৎপন্ন কৰা ধুনীয়া শামুকবোৰ। ২ ॥

সুন্দৰ সুন্দৰ ছন্দ, সোৰঠা আৰু দোহাবিলাক সেই সৰোবৰৰ বহুৰঙী কমলসমূহৰ শোভা। অনুপম অৰ্থ, উচ্চ ভাব তথা সুন্দৰ ভাষাই হ'ল সেই কমলসমূহৰ পৰাগ, মধুৰস আৰু সুগন্ধ। ৩ ॥

সৎকৰ্মৰাশি (সেই পদ্মসমূহত) শাৰী শাৰী সুন্দৰ ভোমোৰা। (সেই সৰোবৰত) জ্ঞান, বৈৰাগ্য আৰু বিচাৰেই হ'ল ৰাজহংসসমূহ। কবিতাৰ ধ্বনি, বক্ৰোক্তি, গুণ (ওজঃ, প্ৰসাদ আদি) আৰু জাতি হ'ল বিবিধ ধৰণৰ মাছবোৰ। ৪ ॥

অৰ্থ, ধৰ্ম, কাম আৰু মোক্ষ—এই চাৰি পুৰুষাৰ্থ, জ্ঞান-বিজ্ঞানৰ বিচাৰ কৰি কোৱা কথা, কাব্যৰ নৱৰস, জপ, তপ, যোগ আৰু বৈৰাগ্য—এইবিলাক হ'ল এই সুন্দৰ জলাশয়ৰ জলজন্তুসমূহ। ৫ ॥

সৎকৰ্ম সাধন কৰোঁতা সাধুসকলৰ ৰাম-নামৰ গুণ হ'ল (এই সৰোবৰৰ) বিচিত্ৰ জলপক্ষীৰ নিচিনা, সন্তসমাগম হ'ল তাৰ চাৰিওফালে থকা আমৰ বাৰী আৰু শ্ৰদ্ধা হ'ল বসন্ত ঋতুৰ তুলা। ৬।

বিবিধ ভক্তিৰ নিৰূপণ তথা ক্ষমা, দয়া, দম (ইন্দ্ৰিয়নিগ্ৰহ) এইবিলাক হ'ল (সেই সৰোবৰৰ পাৰত থকা) লতাৰ মণ্ডপ, মন-নিগ্ৰহ, যম (অহিংসা, সত্য, অস্তেয়, ব্ৰহ্মচৰ্য আৰু অপৰিগ্ৰহ), নিয়ম (শৌচ অৰ্থাৎ শুচিভাব, সন্তোষ, তপ, স্বাধ্যায়, ঈশ্বৰ প্ৰণিধান)—এইবিলাক হ'ল তাৰ ফুল আৰু জ্ঞান হ'ল তাৰ ফলস্বৰূপ। হৰিৰ চৰণত থকা ভক্তিয়েই সেই জ্ঞানৰূপী ফলৰ ৰস। এইদৰেই বেদসমূহেও কয়। ৭॥

এই ৰামচৰিতত থকা অন্যান্য প্ৰাসংগিক কথাসমূহ তাত ভাটো, কুলি প্ৰভৃতি নানা বৰণীয়া চৰাইবোৰৰ নিচিনা। ৮॥

ৰামচৰিতৰ কাহিনীত থকা ৰোমাঞ্চসমূহ হ'ল বাৰী, উদ্যান আৰু বন। সেই ৰোমাঞ্চত অনুভূত হোৱা সুখ হ'ল মনোৰম পখীসমূহৰ বিহাৰ, নিৰ্মল মন হ'ল মালী, এই মালীয়ে সুদৃষ্টি কৰি প্ৰেমজল সিঞ্চন কৰে। ৩৭॥

যি এই ৰামচৰিত সন্তৰ্পণে গায়, তেওঁলোকেই এই সৰোবৰৰ চতুৰ ৰখীয়া আৰু যি নৰ-নাৰীয়ে ইয়াক সদায় শুনে, তেওঁলোকেই এই সুন্দৰ মানস সৰোবৰৰ অধিষ্ঠাত্ৰী দেৱতা। ১।

যিবিলাক অতি দুষ্ট আৰু বিষয় অনুৰাগী, সেইবিলাক কাউৰী আৰু বগলীৰ নিচিনা। গতিকে সেই অভাগাহঁতে এই সৰোবৰৰ ওচৰ চাপিব নোৱাৰে। কাৰণ এই মানসসৰোবৰত শামুক, ভেকুলী আৰু শেলাইৰ দৰে বিষয়-ৰস প্ৰধান এটা কথাই নাই। ২।

এই কাৰণেই কাউৰী আৰু বগলীৰ দৰে যি লোক কামনাসক্তভাৱে ইয়ালৈ আহিব খোজে তেওঁলোক বিষণ্ণ হ'ব লগাত পৰে; কাৰণ এই সৰোবৰলৈ অহাটো বৰ কঠিন কাম। শ্ৰীৰামৰ কৃপা নহ'লে ইয়ালৈ আহিব নোৱাৰি। ৩॥

এই কাৰ্যত ঘোৰ কুসংগই ভয়ানক পথ, সেই কুসংগীসকলৰ বচনেই হ'ল বাঘ, সিংহ আৰু সাপ। গৃহ কাৰ্য আৰু সাংসাৰিক জঞ্জালবোৰ দুৰ্গম আৰু বিশাল পৰ্বতৰ নিচিনা। ৪॥

মোহ, মাৎসৰ্য আৰু অভিমান হ'ল বিষম অৰণ্যসমূহ, অনেক প্ৰকাৰৰ কুতৰ্কবোৰ হ'ল পাৰ হ'ব নোৱাৰা নদী। ৫॥

দোঃ—যাৰ হাতত শ্ৰদ্ধাৰূপী বাটৰ সম্বল নাই আৰু যি সন্তলোকৰ সংগ ত্যাগ

নাই পোৱা, যাৰ কাৰণে ৰঘুনাথ প্ৰিয়পাত্ৰ নহয়, তেওঁলোকৰ কাৰণে এই মানস সৰোবৰ অত্যন্ত অগম্য স্থান। ৩৮ ॥

চৌঃ—যদি কোনোবা মানুহে কষ্ট কৰি এইখিনি পায়হিও, তেতিয়াও পোৱা মাত্ৰকে তাক নিদ্ৰাৰূপী জৰে জঠৰ কৰি পেলাব আৰু হৃদয়ত মূৰ্খতাৰূপী সাংঘাতিক জাৰ লাগিব। গতিকে সেই অভাগাই এই সৰোবৰলৈ গৈও স্নান কৰিব নোৱাৰিব। ১ ॥

তেতিয়া এই সৰোবৰত স্নান আৰু জল-পান কৰা নহ'ব আৰু তেওঁ অভিমানেৰে সৈতে উলটি আহিব। কোনোবাই যদি তেওঁক সুধিবলৈ আহে তেতিয়া তেওঁ সৰোবৰৰ নিন্দা কৰিহে তেওঁক বুজাব খুজিব (নিজৰ অযোগ্যতাৰ কথা কৈ নহয়)। ২ ॥

যাক ভগৱান শ্ৰীৰামচন্দ্ৰই কৃপাৰ দৃষ্টিৰে চায়, তেওঁক এনেকুৱা কোনো বিপদে বাধা দিব নোৱাৰে। সেইজনেই আদৰ সহকাৰে এই সৰোবৰত নিমগ্ন হ'ব পাৰে আৰু ভয়ংকৰ ত্ৰিতাপে (আধ্যাত্মিক, আধিদৈবিক আৰু আধিভৌতিক তাপ) তেওঁক দহিব নোৱাৰে। ৩ ॥

যাৰ মনত শ্ৰীৰামৰ চৰণলৈ সুন্দৰ ভক্তিভাৱ আছে, তেওঁ এইখন সৰোবৰ কেতিয়াও এৰি যাব নোৱাৰে। হে ভাইসকল! তোমালোকৰ যিসকলে এই সৰোবৰত স্নান কৰিবলৈ ইচ্ছা কৰিছ, সেই সকলোৱেই সৎলোকৰ সংগ গ্ৰহণ কৰা। ৪ ॥

এই মানস সৰোবৰখন অন্তৰৰ চকু দৃষ্টিৰে চাই আৰু তাতে মন মগ্ন কৰি (অৱগাহন কৰি) কবিৰ বুদ্ধি নিৰ্মল হৈ পৰিল। হৃদয়খন আনন্দ-উৎসাহেৰে চপচপীয়া হৈ পৰিল আৰু তাৰপৰা প্ৰেমৰ প্ৰমোদপ্ৰবাহ বৈ যাবলৈ ধৰিলে। ৫ ॥

এই সৰোবৰৰপৰাই মনোৰম কবিতাৰ নদী বৈ আহিল। এই নদী ৰামৰ বিমল যশস্যাৰ জলেৰে উপচি আছে। এই কবিতা নদীৰ নামেই সৰযূ, ই সুমংগলৰ কাৰণ বা মূল স্বৰূপ। লোকমত আৰু বেদমত এই নদীৰ দুটি মনোৰম পাৰ। ৬ ॥

সুন্দৰ মানস সৰোবৰৰ কন্যা পৱিত্ৰ এই নদী কলিযুগৰ পাপৰূপী তৃণ-তৰুৰ মূল উচ্ছেদকাৰিণী। ৭ ॥

দোঃ—তিনি প্ৰকাৰৰ শ্ৰোতাৰ সমাজেই এই নদীৰ পাৰত থকা নগৰ, গাওঁ আৰু মহানগৰী; সন্তসকলৰ সভাই হৈছে সমস্ত সুমংগলৰ মূল অনুপম অযোধ্যাধাম। ৩৯ ॥

চৌঃ—ৰামৰ সুকীৰ্তি মনোৰম নদী এই শৰযূখনিও ৰামভক্তিৰ গংগাতে মিলিছে। অনুজ লক্ষ্মণ সহ শ্ৰীৰামে যুদ্ধত লাভ কৰা যশস্যাৰূপী মনোৰম শোণ নদো আহি সেই গংগাতে মিলিছে। ১ ॥

দুয়োৰে (শোণ আৰু সৰযূৰ) মাজত ভক্তিৰূপী দেৱনদী গংগাৰ ধাৰা জ্ঞান আৰু বৈৰাগ্যৰদ্বাৰা সুশোভিত হৈছে। এইদৰে ত্ৰিবিধ তাপৰ ভীতি উৎপাদনকাৰী এই তিনিখন নদী এক হৈ শ্ৰীৰামৰ স্বৰূপ জ্ঞানৰ সমুদ্ৰৰ ফালে গৈ আছে। ২ ॥

এই (কীৰ্তিৰূপী সৰযূ) নদীৰ মূল হৈছে (ৰাম-চৰিত) মানস সৰোবৰ আৰু ই (ৰামভক্তিৰূপী) গংগাত মিলিত হৈছে। গতিকে ই শুনোতাজনৰ মন পৱিত্ৰ কৰে। ইয়াৰ মাজে মাজে থকা কথা আৰু বিধে বিধে থকা বিচিত্ৰ কথাবোৰ হ'ল এই নদীৰ পাৰে পাৰে থকা বন আৰু উদ্যানসমূহ। ৩ ॥

উমা-মহেশ্বৰৰ বিয়াৰ বৰযাত্ৰীসকল এই নদীত থকা জলচৰ জীৱবোৰ আৰু শ্ৰীৰামৰ জন্ম উপলক্ষে জনোৱা আনন্দৰ ওলগেই এই নদীৰ চাকনৈয়া আৰু তৰংগমালাৰ মনোহৰ শোভা। ৪ ॥

দোঃ—ৰামৰ চাৰিজন ভাইৰ বাল্যলীলা হ'ল ইয়াত নানা বৰণৰ পদুমফুল, আৰু ৰজা দশৰথ, তেওঁৰ ৰাণী আৰু পৰিজনসকলৰ সৎকৰ্মসমূহ হ'ল ভোমোৰা আৰু জলপক্ষীস্বৰূপ। ৪০ ॥

চৌঃ—সীতা স্বয়ম্বৰৰ মনোৰম কথা এই নদীত জিলিকি উঠা মনোমোহা ছবি, অনেক যুক্তিপূৰ্ণ প্ৰশ্নই এই নদীৰ নাও আৰু তাৰ সুচিন্তিত উত্তৰেই হ'ল চতুৰ নাৱৰীয়া। ১ ॥

এই কথা শুনাৰ পাছত যি আলোচনা-বিলোচনা হয়, সেয়ে হ'ল এই নদীৰ কাষে কাষে গৈ থকা যাত্ৰীসমূহৰ শোভা; পৰশুৰামৰ ক্ৰোধ হ'ল এই নদীৰ ভয়ানক ধাৰা আৰু ৰামৰ শ্ৰেষ্ঠ বচনসমূহ হ'ল সুন্দৰ পাৰঘাট। ২ ॥

লক্ষ্মণ প্ৰভৃতি ভাইসকলেৰে সৈতে ৰামচন্দ্ৰৰ বিবাহ উৎসৱৰ যি হৃদয় উপচি যোৱা অনন্দ-উৎসাহ, সিয়ে এই নদীৰ পাৰ উপচি বাগৰি যোৱা লোকহিতকৰ বানপানী। এই ৰামচৰিত কৈ আৰু শুনি যিজন আনন্দত পুলকিত হৈ পৰে, তেওঁৱেই এই নদীত প্ৰসন্নমনেৰে স্নান কৰা পুণ্যবান পুৰুষ। ৩ ॥

শ্ৰীৰামৰ ৰাজ তিলকৰ বাবে কৰা মাংগলিক সাজ-সজ্জাখিনি যেন উৎসৱৰ ক্ষণত একত্ৰ হোৱা এই নদীৰ ঘাটৰ যাত্ৰীসমূহহে। কৈকেয়ীৰ দুষ্ট বুদ্ধি এই নদীৰ কাৰত ওপজা দল ঘাঁহ। ইয়াৰ ফলস্বৰূপে সাংঘাতিক বিপদ উপস্থিত হৈছিল। ৪ ॥

দোঃ—সমুদায় সীমাহীন উৎপাত প্ৰশমিত কৰা ভৰতৰ চৰিত্ৰ হ'ল এই নদীৰ পাৰত কৰা জপ-যজ্ঞ। কলিযুগৰ পাপ আৰু দুষ্ট লোকৰ বদগুণৰ বৰ্ণনা-সমূহ হ'ল এই নদীৰ পানীত থকা বোকা আৰু বগলী-কাউৰী। ৪১ ॥

চৌঃ—এই কীৰ্তিৰূপী নদীখনি ছয়োটি ঋতুতে মনোৰম, সকলো সময়তে সুন্দৰ আৰু পবিত্ৰ। শিৱ পাৰ্বতীৰ বিয়া হ'ল হেমন্ত ঋতু আৰু ৰামৰ জন্মোৎসৱৰ আনন্দ হ'ল সুখদায়ক শীতকাল। ১ ॥

শ্ৰীৰামৰ বিবাহত গোট খোৱা সমাজ আনন্দ আৰু মংগলময় ঋতুৰাজ বসন্ত স্বৰূপ, শ্ৰীৰামৰ বনগমন দুঃসহ গ্ৰীষ্ম ঋতুৰ দৰে, পথ অতিক্ৰমৰ কাহিনীবোৰ হ'ল চোকা ৰ'দ আৰু গৰম বতাহ সদৃশ। ২ ॥

ৰাক্ষসৰ লগত হোৱা ঘোৰ যুদ্ধখন বৰ্ষা ঋতু তুল্য। এই বৰ্ষা দেৱকুলৰূপী ধানৰ বাবে হিতকৰ। শ্ৰীৰামৰ ৰাজ্যসুখ, নম্ৰতা তথা শ্ৰেষ্ঠতাই হ'ল নিৰ্মল সুখ দান কৰোঁতা মনোৰম শৰৎ কাল। ৩ ॥

সতী শিৰোমণি সীতাৰ গুণ গানেই (এই কীৰ্তি নদীৰ) পানীৰ নিৰ্মল আৰু অনুপম গুণ। ভৰতৰ সংস্বভাৱ এই নদীৰ সুন্দৰ শীতলতা, ই সদাই অপৰিবৰ্তনীয় আৰু বৰ্ণনাৰ অতীত। ৪ ॥

দোঃ—চাৰিজন ভাই-ককায়ে ইজনে সিজনৰ ফালে চোৱা, কথা পতা, একেলগে থকা, ইজনে সিজনক মৰম কৰা, হাঁহি মৰা আৰু তেওঁলোকৰ মাজত থকা সুন্দৰ ভাতৃত্বই হ'ল সেই জলৰ মাধুৰ্য আৰু সুগন্ধ। ৪২ ॥

চৌঃ—মোৰ আতুৰ ভাব, বিনয় আৰু দীনতাও এই সুন্দৰ আৰু নিৰ্মল পানীৰ অলপীয়া লঘুতা নহয়। এই পানী অতি অদ্ভুত বস্তু, ইয়াৰ কথা শুনা মাত্ৰকে গুণ পোৱা যায়। আশাৰূপে থকা তৃষ্ণা আৰু মনৰ মলিনতা হৰণ কৰে। ১ ॥

এই পানীয়ে ৰামৰ প্ৰতি থকা গভীৰ ভক্তিক পুষ্ট কৰে, কলিযুগৰ সমস্ত পাপ আৰু গ্লানি হৰণ কৰে, সংসাৰৰ জন্ম-মৃত্যুৰ শ্ৰম দূৰ কৰে; স্বগং সন্তোষকো সন্তুষ্ট কৰে আৰু পাপ, দুখ-দাৰিদ্ৰ্য আৰু দোষসমূহ বিনষ্ট কৰে। ২ ॥

এই পানীয়ে কাম, ক্ৰোধ, মাৎসৰ্য আৰু মোহ নষ্ট কৰে, নিৰ্মল জ্ঞান আৰু বৈৰাগ্যৰ বৃদ্ধি সাধন কৰে, শ্ৰদ্ধাৰে এই জলত স্নান কৰিলে আৰু ইয়াক পান কৰিলে হৃদয়ৰ সমস্ত পাপ-তাপ শেষ হৈ যায়। ৩ ॥

যি এই (ৰাম কীৰ্তিৰূপী) জলেৰে নিজৰ হৃদয় প্ৰক্ষালিত কৰা নাই, তেনে লোক কাপুৰুষ আৰু তেওঁলোক কলিকালৰ দ্বাৰা প্ৰবঞ্চিত হৈছে। তৃষ্ণাতুৰ মৃগই সূৰ্যৰ কিৰণে বালিত সৃষ্টি কৰা মৰীচিকাকে প্ৰকৃত পানী

বুজি জানি থাকনৈ সৈ শেষত দুখ পোৱাৰ হবেই এই বিচিত্ৰা জীৱবোৰেও (বিষয়ৰ পিছ লৈ) দুখ পাব লগীয়া হয়। ৪ ॥

দোঃ—নিজৰ বুদ্ধি অনুসাৰে এই সুন্দৰ পানীৰ গুণসমূহ বিচাৰ কৰি তাত নিজৰ মন নিমগ্ন কৰি ভগবান শংকৰ আৰু ভৱানীক স্মৰণ কৰি কৰি তুলসীদাসে মনোৰম কথা কৈছে। ৪৩ (ক)

এতিয়া মই ৰঘুপতিৰ পদপংকজ হৃদয়ত ধৰি তেওঁৰ প্ৰসাদ লভি দুজন শ্ৰেষ্ঠ মুনিৰ সুন্দৰ মিলন আৰু তেওঁলোকৰ সংবাদ বৰ্ণনা কৰোঁ। ৪৩ (খ)

চৌঃ—ভৰদ্বাজ মুনি প্ৰয়াগত বাস কৰে। ৰামৰ চৰণত তেওঁৰ অতিশয় ভক্তি। তেওঁ তপস্বী, চিত্তনিগ্ৰহকাৰী, জিতেন্দ্ৰিয়, দয়ানিধি আৰু পৰমাৰ্থ মাৰ্গৰ এজন বিচক্ষণ জ্ঞাতা। ১ ॥

মাঘ মাহত যেতিয়া সূৰ্য মকৰ ৰাশিলৈ যায়, তেতিয়া সকলো মানুহ তীৰ্থৰাজ প্ৰয়াগলৈ আহে। দেৱতা, দানৱ, কিন্নৰ আৰু মনুষ্যসমাজেও আহি শ্ৰদ্ধাৰে সৈতে ত্ৰিবেণীত স্নান কৰে। সেই সময়ত তেওঁলোকে বেণীমাধৱৰ চৰণ-কমলত পূজা কৰে, অক্ষয় বট স্পৰ্শ কৰি তেওঁলোক পুলকিত হয়। প্ৰয়াগত থকা ভৰদ্বাজৰ আশ্ৰমো অতি পবিত্ৰ, পৰম ৰমণীয়। এই আশ্ৰমে শ্ৰেষ্ঠ মুনিৰো মনত আনন্দৰ সঞ্চাৰ কৰে। ২।৩ ॥

তীৰ্থৰাজ প্ৰয়াগত স্নান কৰিবলৈ যোৱা ঋষি-মুনিসকল তাতে গোট খায়। প্ৰাতঃকালতে সকলোৱে উৎসাহেৰে সৈতে স্নান কৰে আৰু ইজনে সিজনে হৰিৰ গুণ-যশৰ কথা কয়। ৪ ॥

দোঃ—(তেওঁলোকে) ব্ৰহ্ম সম্বন্ধীয় তত্ত্বৰ নিৰূপণ, ধৰ্মৰ বিধান আৰু তত্ত্বজ্ঞানৰ বিবিধ বিভাগৰ বৰ্ণনা কৰে। সেইদৰে জ্ঞান আৰু বৈৰাগ্যসম্পন্ন ভগৱানৰ ভক্তিৰ আলোচনা কৰে। ৪৪ ॥

চৌঃ—এইদৰে মুনিসকলে গোটেই মাঘ মাহ জুৰি স্নান কৰে আৰু নিজ নিজ আশ্ৰমলৈ ঘূৰি যায়। প্ৰতি বছৰে ইয়াত এইদৰে মহা আনন্দ উপভোগ হয় আৰু মকৰ ৰাশিত স্নান কৰি পাছত মুনিসকল নিজ নিজ ঠাইলৈ উভতি যায়। ১ ॥

এবাৰ গোটেই মকৰ ৰাশিৰ সময়ত স্নান কৰি শ্ৰেষ্ঠ মুনিসকল নিজ নিজ আশ্ৰমলৈ ঘূৰি গ'ল; কিন্তু পৰম জ্ঞানী যাজ্ঞবল্ক্য মুনিক চৰণত ধৰি প্ৰাৰ্থনা জনাই ভৰদ্বাজে ৰাখি থ'লে। ২ ॥

ভক্তিভাৱেৰে তেওঁৰ চৰণ-কমল ধুৱাই দিলে আৰু অতি পবিত্ৰ

আগনত যাজ্ঞবল্ক্য মুনিক বহুৱালে। পূজা-সৎকাৰ কৰি যাজ্ঞবল্ক্য মুনিৰ উত্তম যশ তেওঁ বখানিলে। তাৰ পাছত পৰম পৱিত্ৰ আৰু কোমল বচনেৰে কলে—৩ ॥

হে নাথ! মোৰ মনত এটা ডাঙৰ সন্দেহ জন্মিছে। সমস্ত বেদতত্ত্ব আপোনাৰ হাতৰ মুঠিতে আছে। কিন্তু এই সন্দেহৰ কথা ক'বলৈ মোৰ ভয় আৰু লাজ লাগিছে। আনহাতে এই কথা নক'লেও নিজৰে অনিষ্ট কৰা হয়। ৪ ॥

দোঃ—হে প্ৰভু, গুৰুৰ আগত কথা লুকুৱালে প্ৰকৃত জ্ঞান হৃদয়ত নোপজে বুলি সন্তসকলে, নীতিজ্ঞ মুনিসকলে আৰু বেদ-পুৰাণ আদি শাস্ত্ৰসমূহে কয়। ৪৫ ॥

চৌঃ—তাকে ভাবি মই নিজৰ অজ্ঞতা প্ৰকাশ কৰি দিছোঁ। হে নাথ! সেৱকৰ প্ৰতি কৃপা দেখুৱাই মোৰ এই অজ্ঞানতা আপুনি নাশ কৰক। সন্ত-সকল, পুৰাণ আৰু উপনিষদসমূহে ৰাম নামৰ অসীম প্ৰভাৱৰ কথা গাইছে। ১ ॥

পৰম মংগলময়, জ্ঞান আৰু গুণৰ ৰাশিস্বৰূপ অবিনাশী ভগৱান শম্ভুৱে নিৰন্তৰ ৰামনাম জপ কৰে। সংসাৰৰ চাৰিবিধ জীৱয়েই কাশীলৈ আহি মৃত্যু বৰণ কৰিলে পৰমপদ লাভ কৰে। ২ ॥

হে মুনিৰাজ, ইও ৰামৰে মহিমা, কিয়নো ভগৱান শিৱই দয়া কৰি ৰাম-নামৰ উপদেশ দিয়ে। হে প্ৰভু, মই আপোনাক এই ৰামনো কি তত্ত্ব, তাকে সুধিব খুজিছোঁ। হে কৃপানিধি, মোক আপুনি বুজাই কওক। ৩ ॥

এজন ৰাম অযোধ্যাৰ ৰাজকুমাৰ, তেওঁৰ চৰিত্ৰ জগত-বিদিত। তেওঁ পত্নীৰ বিৰহত অপাৰ দুখ ভোগ কৰিলে আৰু ক্ৰোধবশতঃ যুদ্ধত ৰাৱণক মাৰি পেলালে। ৪ ॥

দোঃ—হে প্ৰভু, শিৱই জপ কৰা ৰাম এওঁৱেই নে অন্য কোনোবা? আপুনি সত্যধাম আৰু সৰ্বজ্ঞ, গতিকে বিচাৰ-বিবেচনা কৰি মোক এই কথা বুজাই কওক। ৪৬ ॥

চৌঃ—হে নাথ, যাতে মোৰ এই ভয়ানক ভ্ৰম দূৰ হয় তাৰ বাবে আপুনি বিস্তৃতভাৱে সেই কথা কওক। তেতিয়া যাজ্ঞবল্ক্যই হাঁহি মাৰি ক'লে—"তুমি ৰঘুপতি শ্ৰীৰামৰ প্ৰভাৱৰ কথা জানা।" ১ ॥

তুমি মন, বচন আৰু কৰ্মেৰে দৈহে শ্ৰীৰামৰ ভক্ত। তোমাৰ চতুৰালিৰ কথা মই জানো। তুমি শ্ৰীৰামৰ ৰহস্যময় গুণসমূহৰ বিষয়ে জানিবলৈ বিচাৰিছা। সেই বাবেহে তুমি যেন একেবাৰে মূৰ্খহে—তেনে ধৰণৰ প্ৰশ্ন কৰিছা। ২ ॥

হে বৎস! তুমি শ্ৰদ্ধাৰে সৈতে মনোযোগ দি শুনা। মই ৰামৰ সুন্দৰ কাহিনী কওঁ। এই মহামোহসমূহ হ'ল বিশাল মহিষাসুৰ আৰু ৰামকথা হ'ল তাক নাশ কৰিবপৰা ভয়ংকৰ মহাকালী। ৩ ॥

ৰামকথা সন্তৰূপী চকোৰে সদায় পান কৰা শশীকিৰণ-তুল্য। এই বিধৰ সন্দেহকে পাৰ্বতীয়ে প্ৰকাশ কৰাত মহাদেৱে বিস্তৃতভাৱে তাৰ উত্তৰ দিলে। ৪ ॥

দোঃ—মই এতিয়া নিজ বুদ্ধি অনুসাৰে শিৱ-পাৰ্বতী সংবাদৰ কথা কওঁ। কোন সময়ত, কি কাৰণত এই সংবাদ হৈছিল তুমি তাকো শুনা। হে মুনি, এই কথা শুনি তোমাৰ বিষাদৰ অন্ত পৰিব। ৪৭ ॥

চৌঃ—এবাৰ ত্ৰেতা যুগত সদাশিৱ অগস্ত্য মুনিৰ ওচৰলৈ গৈছিল। তেওঁৰ লগত জগজ্জননী সতী ভৱানীও গৈছিল। মুনিয়ে তেওঁলোকক আপোন জগতৰ ঈশ্বৰ বুলি পূজা কৰিলে। ১ ॥

মুনিশ্ৰেষ্ঠ অগস্ত্যই বিস্তাৰপূৰ্বক ৰামকথা ক'লে আৰু এই কথা শুনি সদাশিৱ অতি আনন্দিত হ'ল। মুনিয়ে সদাশিৱক ৰমণীয় হৰিভক্তিৰ কথা সুধিলে, শিৱয়ো উপযুক্ত পাত্ৰ পাই সেই তত্ত্ব প্ৰকাশ কৰিলে। ২ ॥

এইদৰে ৰঘুপতিৰ গুণগান কৰি আৰু শুনি সদাশিৱ কিছুদিন তাত থাকি পাছত মুনিৰপৰা বিদায় মাগি দক্ষকুমাৰীৰে সৈতে ঘৰলৈ গ'ল। ৩ ॥

সেই সময়ত পৃথিৱীৰ ভাৰ হৰণ কৰিবৰ কাৰণে শ্ৰীহৰিয়ে ৰঘুৰ বংশত অৱতাৰ লৈছিল। সেই অবিনাশী পৰমেশ্বৰে পিতৃবাক্য পালন কৰি ৰাজ্য-ভাৰ এৰি বৈৰাগ্য ভাৱেৰে দণ্ডক বনত বিচৰণ কৰিছিল। ৪ ॥

দোঃ—সদাশিৱই মনতে ভাবিলে—"কেনেকৈ প্ৰভুৰ দৰ্শন পোৱা যাব? প্ৰভুৱে গোপনভাৱেহে অৱতাৰ লৈছে, মই দেখাদেখিকৈ গ'লে সকলোৱে ৰহস্য ভেদ কৰিব।" ৪৮ (ক)

সোঃ—শংকৰৰ মনত অতি দুখ উৎপন্ন হ'ল; কিন্তু সতীয়ে এই বিষয়ে একো নাজানিলে। তুলসীদাসে কৈছে—(ৰহস্য ভাঙিবলৈ) শিৱৰ মনত ভয় জন্মিছিল, কিন্তু ৰামক দৰ্শন কৰিবলৈ চকুৱে লোভ সামৰিব পৰা নাছিল। ৪৮ (খ)

চৌঃ—"ৰাৱণে (ব্ৰহ্মাৰ ওচৰত) নিজৰ মৃত্যু মানুহৰ হাতত হ'ব লাগে বুলি প্ৰাৰ্থনা কৰিলে। প্ৰভু ৰামচন্দ্ৰই ব্ৰহ্মাৰ এই বচন সত্য কৰিব খুজিছে। মই যদি তেওঁৰ ওচৰলৈ নাযাওঁ তেন্তে অনুতাপ কৰিব লাগিব।" এইদৰে গুণি গাঁথি সদাশিৱ কোনো সিদ্ধান্তলৈ আহিব পৰা নাই। ১ ॥

এইদৰে মহাদেৱ মহা চিন্তাত পৰিল। সেই সময়তে দশস্কন্ধ নীচ ৰাৱণে মাৰীচক লগত ল'লে। মাৰীচে তৎক্ষণাৎ মায়ামৃগৰ ৰূপ ধৰিলে। ২ ॥

মূৰ্খ ৰাৱণে ছল কৰি বৈদেহীক হৰণ কৰিলে। ৰাৱণে প্ৰভুৰ প্ৰতাপৰ কথা গম পোৱা নাছিল। মায়ামৃগ বধ কৰি লক্ষ্মণৰ সৈতে শ্ৰীৰামে আশ্ৰমলৈ আহি সীতাক নেদেখিলত তেওঁৰ চকু পানীৰে উপচি পৰিল। ৩ ॥

ৰঘুপতি সাধাৰণ মানুহৰ দৰে বিৰহত আকুল হৈ পৰিল। দুয়োজন ভায়ে বনত সীতাক বিচাৰি ফুৰিবলৈ ধৰিলে। যাৰ কাৰণে কেতিয়াও সংযোগ অথবা বিয়োগ ঘটিব নোৱাৰে, তেওঁকেই প্ৰকাশ্যে বিৰহদুখত মগ্ন হোৱা দেখা গ'ল। ৪ ॥

দোঃ—শ্ৰীৰামৰ চৰিত্ৰ অতি বিচিত্ৰ; পৰম জ্ঞানীয়েহে জানে। মন্দ বুদ্ধিৰ লোকে বিশেষভাৱে মোহৰ বশ হৈ হৃদয়ংগম কৰিব নোৱাৰি ৰামৰ চৰিত্ৰৰ কথা অন্য ধৰণে বুজে। ৪৯ ॥

চৌঃ—মহাদেৱে সেই সময়তে শ্ৰীৰামক দেখা পালে আৰু তেওঁৰ অন্তৰত অত্যন্ত আনন্দ উপজিল। সেই সৌন্দৰ্যৰ সিন্ধুস্বৰূপ শ্ৰীৰামক শিৱৰ চকুৱে হেঁপাহ পলুৱাই চালে; কিন্তু সময়টো উপযুক্ত নহয় বাবে ৰামক নিজৰ পৰিচয় নিদিলে। ১ ॥

'জগতৰ পবিত্ৰকাৰী সচ্চিদানন্দৰ জয় হওক'—এইদৰে কৈ কামদহনকাৰী মহাদেৱ তাৰপৰা আঁতৰ হ'ল। কৃপানিধি শিৱ বাৰে বাৰে আনন্দত পুলকিত হৈ সতীৰ সৈতে এইদৰে ঘূৰি যাবলৈ ধৰিছে। ২ ॥

সেই সময়ত প্ৰভু শংকৰৰ এনে অৱস্থা দেখি সতীৰ মনত বৰ সন্দেহ উপস্থিত হ'ল। শংকৰক সমস্ত জগতে বন্দনা কৰে—তেওঁ জগতৰ ঈশ্বৰ; দেৱতা, মনুষ্য, মুনি—সকলোৱে তেওঁৰ ওচৰত মূৰ দোঁৱায়। ৩ ॥

সেই জগতৰে পূজ্য শিৱই এজন ৰাজকুমাৰক সচ্চিদানন্দ পৰমধাম বুলি কৈ প্ৰণাম কৰিলে; তেওঁৰ মনোহৰ মূৰ্তি দেখি প্ৰেমবিহ্বল হৈ পৰিল আৰু তেওঁ এতিয়াও হৃদয়ৰ প্ৰেমভাব কৰ্দ্ধ কৰিব পৰা নাই। ৪ ॥

দোঃ—যি ব্ৰহ্ম সৰ্বব্যাপক, মায়াৰহিত, অজ, অগোচৰ, ইচ্ছাৰহিত তথা ভেদৰহিত আৰু যাক বেদেও জানি শেষ কৰিব নোৱাৰে, সেই ব্ৰহ্মই কি মনুষ্য ৰূপ ধাৰণ কৰিব পাৰে? ৫০ ॥

চৌঃ—দেৱতাসকলৰ হিতাৰ্থে যি বিষ্ণুৱে নৰতনু ধাৰণ কৰে, তেওঁ শিৱৰ দৰেই সৰ্বজ্ঞ। সেই জ্ঞানৰ ধামস্বৰূপ, লক্ষ্মীপতি, অসুৰৰ শত্ৰু বিষ্ণুৱে অজ্ঞানীৰ দৰে কিয় হেৰোৱা তিৰোতা বিচাৰিব? ১ ॥

আনহাতে শিৱৰ বাক্যও মিছা হ'ব নোৱাৰে ; কাৰণ তেওঁ সৰ্বজ্ঞ, গতিকে সকলো কথাকে জানে। এইদৰে সতীৰ মনত ঘোৰ সংশয়ৰ উদয় হ'ল। কোনোমতেই তেওঁৰ সেই সংশয় দূৰ নহ'ল আৰু জ্ঞানৰ উদয় নহ'ল। ২॥

যদিও ভৱানীয়ে সেই সময়ত প্ৰকাশ্যে একো কথাকে নক'লে, অন্তৰ্যামী শিৱই কিন্তু সকলো জানিলে। তেওঁ ক'লে—"শুনা সতী। তোমাৰ স্ত্ৰী স্বভাৱৰ বাবে এনে সংশয় উপজিছে। মনত এনে সন্দেহ নাৰাখিবা।" ৩ ॥

যাৰ চৰিত্ৰ অগস্ত্য মুনিয়ে কীৰ্তন কৰিছিল, যিজনৰ ভক্তিৰ কথাকে মই মুনিক কৈছিলোঁ, এৱেঁই সেই মোৰ ইষ্টদেৱতা ৰঘুনাথ,—যাক সদায় জ্ঞানী-মুনিসকলে সেৱা কৰে। ৪ ॥

ছন্দ—জ্ঞানী, মুনি, যোগী আৰু সিদ্ধসকলে নিৰ্মল চিত্তেৰে যাক ধ্যান কৰে, বেদ, পুৰাণ তথা আগমসমূহে 'নেতি নেতি' বুলি কৈ যাৰ কীৰ্তিগীত গায়, সেই সৰ্বব্যাপক, ত্ৰিভুবনপতি, মায়াৰ ঈশ্বৰ, নিত্য, পৰম স্বতন্ত্ৰ ব্ৰহ্মৰূপ শ্ৰীৰামে ভক্তৰ হিতৰ কাৰণে স্ব-ইচ্ছাৰেই ৰঘুকুলৰ মণি হৈ এই অৱতাৰ ধাৰণ কৰিছে।

সোঃ—যদিও শিৱই এই কথা বহুবাৰ উপদেশ দিলে, সতীৰ সেই উপদেশ মনত নালাগিল। মহাদেৱে মনতে হৰিৰ মায়া বলৱান বুলি জানি হাঁহি মাৰি ক'লে— ৫১ ॥

চৌঃ—"যদি তোমাৰ মনত ইমানেই সন্দেহ, তেন্তে তুমি গৈ পৰীক্ষা লৈ চোৱা। তুমি ঘূৰি নহালৈকে মই এই বড়গছৰ ছাঁতে বহি থাকোঁ। ১ ॥

যি কৰিলে তোমাৰ অজ্ঞানজনিত বিৰাট ভ্ৰম দূৰ হ'ব, বিবেকৰদ্বাৰা বিচাৰ কৰি তুমি তাকে যত্ন কৰি চোৱা।" শিৱৰ আজ্ঞা পাই তেওঁ গ'ল আৰু মনে মনে ভাবিবলৈ ধৰিলে—"এতিয়া কি কৰা যায় ?" ২ ॥

ইফালে শিৱই মনে মনে ভাবিলে—দক্ষকন্যাৰ কল্যাণ নহ'ব। মোৰ কথাত যেতিয়া তেওঁৰ সংশয় দূৰ নহ'ল, তেনেহ'লে বুজা গ'ল—বিধি বিপৰীত। তেওঁৰ আৰু কুশল নহ'ব। ৩ ॥

ৰামে যি কৰিম বুলি ভাবিছে সি আৰু হ'বই। গতিকে তৰ্ক কৰি জঞ্জাল বঢ়োৱাৰ সকাম কি ? এইবুলি মহাদেৱে হৰিনাম জপিবলৈ ধৰিলে। সতীও সুখৰ ধাম শ্ৰীৰামচন্দ্ৰ য'ত আছিল, তালৈ গ'ল। ৪ ॥

দোঃ—সতীয়ে বাৰে বাৰে মনত চিন্তা কৰি সীতাৰ ৰূপ ধাৰণ কৰিলে আৰু [সতীৰ বিচাৰ মতে] মনুষ্যৰ ৰজা শ্ৰীৰাম অহা বাটৰ কাষে আগবাঢ়িলে ।৫২ ॥

চৌঃ—সতীৰ এই কপট বেশ দেখি লক্ষ্মণ চকিত হ'ল, তেওঁৰ হৃদয়ত ভ্ৰম উপজিল ; তথাপি প্ৰভু শ্ৰীৰামৰ প্ৰভাৱৰ কথা জানি ধীৰ বুদ্ধিৰ লক্ষ্মণে কোনো কথা ক'ব নোৱাৰিলে, তেওঁ মাত্ৰ গম্ভীৰ হৈ ৰ'ল। ১ ॥

দেৱতাৰ স্বামী, সৰ্বদ্ৰষ্টা আৰু অন্তৰ্যামী ভগৱান শ্ৰীৰামে সতীৰ কপটালি বুজিলে। কিয়নো যাক স্মৰণ কৰিলেই অজ্ঞতা দূৰ হয়, সেই সৰ্বজ্ঞ ভগৱানেইহে শ্ৰীৰামৰ ৰূপ ধৰি আছে। ২ ॥

স্ত্ৰী স্বভাৱৰ প্ৰভাৱ চোৱাঁ! সিমানতো সতীয়ে স্বৰূপ গোপন কৰি থাকিব খুজিলে। নিজৰ মায়াবলৰ কথা মনতে বখানি শ্ৰীৰামে হাঁহি মাৰি কোমলাই মাত লগালে। ৩ ॥

প্ৰভুৱে হাতযোৰ কৰি প্ৰণাম জনাই নিজৰ পিতাকৰ নাম ক'লে। তাৰ পাচত সুধিলে—"বৃষকেতু ক'ত আছে ? আপুনি অকলে কিয় বনত ঘূৰিছে ?" ৪ ॥

দোঃ—ৰামৰ মৃদু আৰু ৰহস্যপূৰ্ণ বচন শুনি সতীৰ মনত বৰ সংকোচ ভাব উপজিল আৰু ভয়ে ভয়ে শিৱৰ ওচৰলৈ উভতি গ'ল। তেওঁ মনতে এই বুলি চিন্তা কৰিবলৈ ধৰিলে— ৫৩ ॥

চৌঃ—"মই ভগৱান শংকৰৰ কথা নামানিলোঁ আৰু মোৰ অজ্ঞতাৰ প্ৰভাৱ শ্ৰীৰামৰ ওপৰত আৰোপ কৰিলোঁ। এতিয়া মই গৈ শিৱক কি উত্তৰ দিম ?" —এইদৰে ভাবি সতীৰ মনত ঘোৰ সন্তাপ উপজিল। ১ ॥

শ্ৰীৰামে সতীৰ মনৰ দুখ বুজিলে। তেতিয়া তেওঁ নিজৰ প্ৰভাৱ প্ৰকাশ্যে দেখুৱালে। সতীয়ে বাটত যাওঁতে ৰামক সীতা আৰু লক্ষ্মণেৰে সৈতে আগে আগে যোৱা দেখি কৌতুক অনুভৱ কৰিলে। ২ ॥

সতীয়ে পাছলৈ ঘূৰি চায়ো দেখিবলৈ পালে—ৰাম, লক্ষ্মণ আৰু সীতা সুন্দৰ বেশ ধৰি গৈ আছে। তেওঁ যি ফালেই চায়, সেই ফালেই প্ৰভু শ্ৰীৰামে বিৰাজ কৰি থকা আৰু সিদ্ধ তথা শ্ৰেষ্ঠ মুনিগণে সেই শ্ৰীৰামক সেৱা কৰি থকা দেখিবলৈ পালে। ৩ ॥

সতীয়ে অনেক শিৱ, ব্ৰহ্মা আৰু বিষ্ণু দেখিলে—তেওঁলোকৰ এজনতকৈ আনজনৰ প্ৰভাৱ বেছি। তদুপৰি বিবিধ ৰূপ ধাৰণ কৰি সকলো দেৱতাই আহি শ্ৰীৰামৰ চৰণ বন্দনা আৰু সেৱা কৰি থকা দেখা পালে। ৪ ॥

তেওঁ অসংখ্য অনুপম সতী, ব্ৰহ্মাণী আৰু লক্ষ্মী দেখিবলৈ পালে। যেনেকুৱা ৰূপত ব্ৰহ্মা আদি দেৱতা সকলক দেখা গৈছিল, তেওঁলোকৰ এই শক্তিসমূহকো তেনেকুৱা ৰূপতে দেখা গৈছিল। ৫৪ ॥

তেওঁ য'ত যিমান শ্ৰীৰামচন্দ্ৰ দেখিলে, শক্তি সমন্বিতে তাতেই সমস্ত দেৱতাকো দেখিবলৈ পালে। সংসাৰত নানা প্ৰকাৰৰ যিমানবিলাক চৰাচৰ জীৱ আছে, সেই সকলোকে দেখিবলৈ পালে। ১ ॥

অনেক ৰূপ ধাৰণ কৰি দেৱতাসকলে প্ৰভু শ্ৰীৰামৰ পূজা কৰি থকা সতীয়ে দেখিলে। সীতাৰ লগত (অনেক কালে) অনেক ৰঘুপতি দেখিলে যদিও শ্ৰীৰামৰ ভিন্ন ৰূপ দেখিবলৈ নাপালে। শ্ৰীৰামৰ ক'তো ৰূপ পৰিৱৰ্তন হোৱা নাই। ২ ॥

সকলো ঠাইতেই সেই একেই শ্ৰীৰামচন্দ্ৰ, একেই লক্ষ্মণ আৰু একেই সীতাকে দেখিবলৈ পাই সতীৰ ভয়তে বুকু কঁপি গ'ল, জ্ঞানচুতি হোৱাই গ'ল। তেওঁ চকু মুদি বাটতে বহি পৰিল। ৩ ॥

পাছত চকু মেলি চাই দক্ষকুমাৰীয়ে একো নেদেখা হ'ল। তেওঁ তেতিয়া বাৰে বাৰে শ্ৰীৰামৰ চৰণত মূৰ দোঁৱাই শিৱৰ ওচৰলৈ গ'ল। ৪ ॥

দোঃ—এইদৰে সতী গৈ ওচৰ পোৱাত মহাদেৱে হাঁহি মাৰি কুশল প্ৰশ্ন কৰিলে আৰু ক'লে—"হে সতী! তুমিনো কি প্ৰকাৰে শ্ৰীৰামক পৰীক্ষা কৰিলাঁ, মোক সকলো প্ৰকৃত কথা কোৱাঁচোন ? ৫৫ ॥

চৌঃ—সতীয়ে ৰঘুনাথৰ প্ৰভাৱ বুজি ভয়তে সদাশিৱৰ আগত গোপন কৰি ক'লে—"হে স্বামী, মই একো পৰীক্ষা নললোঁ, কেৱল তোমাৰ দৰেই শ্ৰীৰামক প্ৰণামহে কৰিলোঁ। ১ ॥

তুমি যি কৈছিলা সেয়া মিছা হ'ব নোৱাৰে যে তাত মোৰ পূৰা বিশ্বাস।" তেতিয়া শিৱই ধ্যান কৰি সতীয়ে কি কাম কৰিছিল তাক জানিলে। তাৰ পাছত শ্ৰীৰামৰ মায়াক প্ৰণাম জনালে। তেওঁ বুজি পালে যে—এই মায়াইহে সতীক মিছা কথা কোৱাইছে। জ্ঞানী সদাশিৱই সকলো জানি হৰিৰ ইচ্ছাতে হ'ব লগীয়াটো হ'বই বুলি মনতে স্থিৰ কৰিলে। ২।৩ ॥

সতীয়ে সীতাৰ বেশ ধাৰণ কৰিছিল বুলি জানি শিৱৰ মনত বৰ বেজাৰ লাগিল। তেওঁ ভাবিলে—"এতিয়া যদি মই এই সতীৰ লগত পতি-পত্নীৰূপে থাকোঁ, তেনেহলে ভক্তিমাৰ্গ লুপ্ত হ'ব আৰু অত্যন্ত অন্যায় কাম হ'ব।

দোঃ—"সতী পৰম পাৱনী, গতিকে তেওঁক ত্যাগ কৰিবও নোৱাৰি, আনহাতে তেওঁৰ প্ৰতি প্ৰেমভাৱ ৰাখিলেও পাপ হয়।" মহাদেৱে মুখ ফুটাই একো ক'ব নোৱাৰিলে; কিন্তু হৃদয়ত হ'লে অত্যন্ত সন্তাপ উপজিল। ৫৬ ॥

চৌঃ—তেতিয়া শিৱই শ্ৰীৰামৰ চৰণত মূৰ দোঁৱালে আৰু শ্ৰীৰামক স্মৰণ কৰোঁতেই তেওঁৰ মনত খেলালে—"সতীৰ এই শৰীৰৰ লগত (পতি-পত্নীৰূপে) মোৰ সাক্ষাত হ'ব নোৱাৰে।" শিৱই মনতে এই সংকল্প গ্ৰহণ কৰিলে। ১ ॥

ধীৰমনা শংকৰে এইদৰে ভাবি শ্ৰীৰামক স্মৰণ কৰি নিজ ভৱনলৈ উলটিলে। বাটতে বাটত মনোৰম আকাশবাণী শুনা গ'ল—"হে মহেশ, তোমাৰ জয় হওক, তুমি নিজৰ ভক্তি দৃঢ় কৰি লৈছা। ২ ॥

তুমি স্বয়ং ভগৱান, শক্তিমান আৰু শ্ৰীৰামৰ ভক্ত। তোমাৰ বাহিৰে কোনজনে এনে প্ৰতিজ্ঞা কৰিব পাৰে?"—এই বুলি কোৱা আকাশবাণী শুনি সতীৰ মনত আৰু বেছিকৈ চিন্তা হ'বলৈ ধৰিলে। তেতিয়া তেওঁ শিৱক এই বুলি ভয়ে ভয়ে সুধিলে। ৩ ॥

"হে সত্যৰ ধাম, দীনদয়াল, কৃপালু প্ৰভু! তুমিনো কি বুলি প্ৰতিজ্ঞা কৰিলা, অনুগ্ৰহ কৰি কোৱাচোন।" সতীয়ে যদিও নানা প্ৰকাৰে এই প্ৰতিজ্ঞাৰ কথা শিৱৰ পৰা জানিবলৈ বিচাৰি সুধিলে, শিৱই কিন্তু একো উত্তৰ নিদিলে। ৪ ॥

দোঃ—তেতিয়া সৰ্বজ্ঞ শিৱই সকলো জানিব পাৰিলে বুলি সতীয়ে মনতে অনুমান কৰিলে। "মই শিৱৰ এচৰত কপট ছলনা কৰিলোঁ। স্ত্ৰী স্বভাৱতে মূৰ্খ আৰু অজ্ঞ।" ৫৭ (ক)

সোঃ—চোৱাচোন প্ৰীতিৰ নিয়ম কি অপূব। গাখীৰৰ লগত প্ৰীতি থকা অৱস্থাত পানীও (গাখীৰত মিহলি হৈ থকা পানী) গাখীৰৰ দামতে বিক্ৰী হয়; কিন্তু তেওঁৰ নিচিনা কপট ভাব যুক্ত হ'লে, পানীমিহলি গাখীৰ ফাটি কাছি মৰাৰ দৰে হয়। তেতিয়া গাখীৰৰ প্ৰকৃত সোৱাদ নোহোৱা হৈ পৰাৰ নিচিনাকৈ প্ৰীতি ভাবো শিথিল হৈ পৰে। ৫৭ (খ) ॥

চৌঃ—এইদৰে নিজৰ কু-কাৰ্যৰ কথা সুঁৱৰি সতীৰ মনত ইমান চিন্তা-ভাৱনাৰ উদয় হ'ল যে তাক বৰ্ণাব নোৱাৰি। (তেওঁ বুজিলে) শিৱ অতল কৃপাসিন্ধু। সেই কাৰণেহে মোৰ দোষৰ কথা প্ৰকাশ্যে নকলে। ১ ॥

শিৱৰ মনৰ গতিলৈ লক্ষ্য কৰি সতীয়ে বুজিব পাৰিলে যে—প্ৰভুৱে তেওঁক ত্যাগ কৰিছে। তেতিয়া সতী ব্যাকুল হৈ পৰিল। তেওঁ নিজৰ পাপকাৰ্যৰ বিষয়ে জানিও মুখেৰে একোকে ক'ব নোৱাৰিলে; কিন্তু তেওঁৰ হৃদয়খনত কুমাৰৰ পাকশালিৰ জুইৰ দৰে অনুতাপৰ জুই ভিতৰি ভিতৰি দপ্‌দপ্‌কৈ জ্বলিবলৈ ধৰিলে। ২ ॥

বৃষকেতু শিৱই সতীক চিন্তিত হোৱা দেখি আনন্দ দিবৰ উদ্দেশ্যে বাটে

বাটে অনেক মনোৰম ইতিহাসৰ কথা শুনাবলৈ ধৰিলে। এইদৰেই বাট শেষ হোৱাৰ পাছত তেওঁলোক দুয়ো কৈলাসত উপস্থিত হ'লগৈ।

কৈলাস পোৱাৰ পাছত শিৱই নিজৰ প্ৰতিজ্ঞাৰ কথা সুঁৱৰি বট-বৃক্ষৰ তলত পদ্মাসন কৰি বহিলে আৰু নিজৰ স্বাভাৱিক ৰূপ সম্বৰণ কৰি অখণ্ড অপাৰ সমাধিত তেওঁ নিজকে মগ্ন কৰিলে।

দোঃ—সতী বৰ দুখেৰে সৈতে কৈলাসত থাকিব লগা হ'ল। এই ৰহস্যৰ মৰ্ম কোনেও নাজানিলে। সতীৰ এদিনেই এযুগ যেন লগা হ'ল। ৫৮ ॥

চৌঃ—সতীৰ মনত নিতৌ নতুন নতুন গধুৰ চিন্তা হবলৈ ধৰিলে—"মই কেতিয়া এই দুখৰ সাগৰ পাৰ হম? মই শ্ৰীৰামকো অপমান কৰিলোঁ আৰু পতিৰ বচন মিছা বুলি (ৰামক পৰীক্ষা কৰিবলৈকো) গ'লোঁ। ১ ॥

ইয়াৰ ফল বিধাতাই মোক দিলে। মোৰ বাবে যি উচিত (শাস্তি) তাকে দিয়া হ'ল, কিন্তু হে বিধাতা, শংকৰ মোৰ প্ৰতি বিমুখ হোৱা সত্ত্বেও যে তুমি মোক জীয়াই ৰাখিছা, সি উচিত হোৱা নাই"। ২ ॥

সতীৰ হৃদয়ৰ গ্লানিৰ কথা বৰ্ণাব নোৱাৰি। বুদ্ধিমতী সতীয়ে মনতে শ্ৰীৰামক স্মৰণ কৰি ক'লে—"হে প্ৰভু, যদি তোমাকেই দীন-দয়াল বুলি কয় আৰু বেদে তোমাৰেই যশ গায়, তেনেহলে তুমি মোৰ দুখ হৰণ কৰিবাহি। ৩ ॥

"গতিকে মই হাত যোৰ কৰি মিনতি কৰিছোঁ—মোৰ এই দেহা যেন তৎক্ষণাৎ অন্ত পৰে। যদি শিৱৰ চৰণত মোৰ ভক্তি আছে আৰু যদি মোৰ সেই ভক্তি শত, মন, বচন আৰু কৰ্মৰ আচৰণৰ দ্বাৰা সত্যত প্ৰতিষ্ঠিত — ৪।

দোঃ—তেনেহলে হে সৰ্বদৰ্শী প্ৰভু, শুনা, মোৰ যাতে অতি সোনকালেই এই জীৱন শেষ হয়, তাৰে এটা উপায় কৰা। তেতিয়াই বিনা শ্ৰমে মোৰ এই দুঃসহ বিপত্তিৰো অন্ত পৰিব।" ৫৯ ॥

এইদৰে প্ৰজাপতি দক্ষৰ কন্যাই বৰ্ণনাতীত দাৰুণ দুখত কাল কটাব লগীয়া হ'ল আৰু সাতাশী হাজাৰ বছৰ পাৰ হোৱাৰ পাছতহে অবিনাশী শিৱই সমাধি ভংগ কৰিলে। ১ ॥

তেতিয়া শিৱই ৰাম নাম ল'বলৈ ধৰিলে আৰু সতীয়ে জগতৰ স্বামী মহাদেৱৰ ধ্যান ভংগ হ'ল বুলি জানিলে। তেওঁ গৈ মহাদেৱৰ চৰণ বন্দনা কৰিলে আৰু শিৱয়ো তেওঁৰ সন্মুখতে সতীক বহিবলৈ আসন দিলে। ২ ॥

শিৱই (সতীৰ আগত ৰসময়ী হৰিকথা ক'বলৈ ধৰিলে। সেই সময়তে দক্ষ প্ৰজাপতি হ'ল আৰু ব্ৰহ্মাই তেওঁক সকলো প্ৰকাৰে যোগ্য যেন দেখি দক্ষক প্ৰজাপতিসকলৰ নায়কো পাতিলে। ৩ ॥

যেতিয়া দক্ষই ইমান ডাঙৰ পদবী পালে, তেতিয়া তেওঁৰ মনত বৰ অভিমান উপজিল। জগতত এনে কোনোলোক ওপজা নাই, যি প্ৰভুত্ব পালেও অহংকাৰ নকৰাকৈ থাকিব পাৰে। ৪ ॥

দোঃ—দক্ষই সকলো মুনিক নিমন্ত্ৰণ কৰি আনি ডাঙৰ যজ্ঞ আৰম্ভ কৰিলে। তেওঁ যজ্ঞৰ ভাগ পোৱা সকলো দেৱতাকে সাদৰ নিমন্ত্ৰণ জনালে। ৬০ ॥

চৌঃ—কিন্নৰ, নাগ, সিদ্ধ, গন্ধৰ্ব আৰু সমস্ত দেৱতা সস্ত্ৰীক দক্ষৰ এই যজ্ঞলৈ গ'ল। ব্ৰহ্মা, বিষ্ণু আৰু শিৱৰ বাহিৰে সকলো দেৱতাই নিজৰ নিজৰ বিমান সজাই সৰাই যাবলৈ ধৰিলে। ১ ॥

সতীয়েও অনেক প্ৰকাৰৰ সুন্দৰ সুন্দৰ বিমান আকাশেদি যোৱা দেখিবলৈ পালে। সেইবোৰত সুৰ-সুন্দৰীগণে মধুৰ গীত গাইছে আৰু এই গীত শুনি মুনিবো ধ্যান ভংগ হৈছে। ২ ॥

সতীয়ে তেতিয়া শিৱক (তাৰ কাৰণ) সোধাত শিৱই সকলো বিৱৰি ক'লে। পিতাকৰ যজ্ঞৰ কথা শুনি সতীৰ আনন্দ লাগিল আৰু তেওঁ ভাবিলে— "যদি মহাদেৱে মোক আজ্ঞা দিয়ে, মই এই ছলতে কেইদিনমান পিতাৰ ঘৰত গৈ থাকি আহোঁ।" ৩ ॥

সতীৰ হৃদয়ত তেওঁক পতিয়ে ত্যাগ কৰাৰ বাবে গভীৰ দুখ আছিল আৰু নিজৰ অপৰাধৰ কথা ভাবি তেওঁ একো কথা নকৈছিল। শেষত সতীয়ে ভয়, সংকোচ আৰু প্ৰীতিভৰা মনোমোহা বচনেৰে মহাদেৱ শিৱক এই বুলি ক'লে। ৪ ॥

দোঃ—"হে প্ৰভু, পিতাৰ গৃহত ডাঙৰ উৎসৱ হৈছে। যদি তোমাৰ আজ্ঞা হয়, তেনেহ'লে হে কৃপাধাম, মই সশ্ৰদ্ধভাৱে সেই যজ্ঞ চাবলৈ যাব খুজিছোঁ। ৬১ ॥

চৌঃ—সদাশিৱই ক'লে—"তুমিতো সঁচা কথাই কৈছা; মোৰো কথাটো মনত লাগিছে; কিন্তু তোমাক নিমন্ত্ৰণ নকৰাটো অনুচিত হৈছে। দক্ষই নিজৰ সকলো কন্যাকে মাতিছে; কিন্তু আমাৰ লগত থকা শত্ৰুতাৰ বাবে কেৱল তোমাকহে পাহৰিলে। ১ ॥

"এবাৰ ব্ৰহ্মাৰ সভাত তেওঁ মোৰ প্ৰতি অসন্তুষ্ট হৈছিল; সেইকাৰণে তেওঁ

আজিও মোক অপমান কৰে। হে ভৱানী যদি তুমি বিনা নিমন্ত্ৰণে যোৱা, তেনেহ'লে শীল তথা স্নেহো ৰক্ষা নপৰে আৰু মান-মৰ্যাদাও নৰব। ২ ॥

যদিও মিত্ৰ, স্বামী, পিতা আৰু গুৰুৰ ঘৰলৈ নিমন্ত্ৰণ নকৰাকৈয়ে যোৱা উচিত, তথাপি য'ত বিৰোধ অথবা অপমান হোৱাৰ সম্ভাৱনা থাকে, তালৈ [নিমন্ত্ৰণ নকৰাকৈ] গ'লে কল্যাণ নহয়।" ৩ ॥

সদাশিৱই বহুত বুজালে ; কিন্তু যিহেতুকে হৰ জগীয়াটো হবই, সেইবাবে সতীৰ হৃদয়ত জ্ঞানৰ উদয় নহ'ল। শিৱই আকৌ ক'লে—"বিনা নিমন্ত্ৰণে গ'লে মোৰ মনেৰে তোমাৰ ভাল নহ'ব।" ৪ ॥

দোঃ—সদাশিৱই বহুপ্ৰকাৰে বুজাই চালে ; কিন্তু সতীয়ে কোনো প্ৰকাৰে বাধা নামানিলে। সদাশিৱই মুখ্য গণসকলক লগত দি সতীক বিদায় দিলে। ৬২ ॥

চৌঃ—ভৱানী যেতিয়া পিতাকৰ ঘৰ পালেগৈ, দক্ষৰ ভয়ত তেওঁক কোনেও অভ্যৰ্থনা নকৰিলে। কেৱল মাকেহে সতীক আদৰ কৰিলে। ভাই-ভনী-বিলাকে সতীক ঠাট্টা-মস্কৰাহে কৰিলে। ১ ॥

দক্ষই সতীক একো কুশল-মঙ্গলৰ বাতৰি নুসুধিলে ; বৰঞ্চ সতীক দেখি তেওঁৰ গা জ্বলিহে উঠিলে। ইফালে সতীয়ে যজ্ঞৰ চাৰিওফালে চাই দেখিলে যে ক'তো সদাশিৱৰ ভাগ নাই। ২ ॥

তেতিয়া সদাশিৱই কোৱা কথা যে সঁচা, সেইটো সতীয়ে ভালদৰে হৃদয়ংগম কৰিব পাৰিলে আৰু নিজৰ স্বামীক কৰা অপমানৰ উপলব্ধিয়ে তেওঁৰ অন্তৰ দহিবলৈ ধৰিলে। এতিয়া পতিৰ অপমানত তেওঁ যিমান দুঃখী হৈ পৰিল সিমান দুখ তেওঁ ইয়াৰ আগতে পতিয়ে ত্যাগ কৰি থওঁতেও উপলব্ধি কৰা নাছিল। ৩ ॥

যদিও জগতত অনেক ধৰণৰ অপমান আছে, তথাপি জাতিৰ অপমান সহিবলৈ সকলোতকৈ টান। তাকে জানি সতীৰ খং উঠিল। মাকে তেওঁক অনেক প্ৰকাৰে বুজালে বৰালে ; ৪ ॥

(কিন্তু) সতীয়ে শিৱৰ অপমান সহিব নোৱাৰিলে। তেওঁৰ হৃদয়ে কোনো প্ৰকাৰেই প্ৰবোধ নামানিলে। তেতিয়া তেওঁ গোটেই সভাকে দৃঢ়ভাৱে গৈতে খঙত একো নাই হৈ ক'বলৈ ধৰিলে— ৬৩ ॥

চৌঃ—"হে সভাসদ আৰু শ্ৰেষ্ঠ মুনিসকল ! শুনক, যিসকলে শিৱনিন্দা কৰিছে বা শিৱনিন্দা কথা শুনিছে, সেই সকলোৱে তুৰন্তে তাৰ ফল পাব। মোৰ পিতা দক্ষয়ো ভালকৈয়ে অনুতাপ কৰিব লাগিব। ১ ॥

“য’ত সন্ত, শিৱ আৰু লক্ষ্মীপতি বিষ্ণুৰ নিন্দা শুনা যায়, তাত এনে ব্যৱস্থা হোৱা উচিত—সম্ভৱ হ’লে নিন্দা কৰোঁতাসকলৰ জিভা কাটিব লাগে, নহ’লে কাণত সোপা দি আঁতৰি যাব লাগে। ২ ॥

“ত্ৰিপুৰাৰি মহেশ্বৰ জগতৰ আত্মাস্বৰূপ। তেওঁ জগতৰ পিতা আৰু সকলোৰে হিতকাৰী। মোৰ মন্দমতি পিতাই সেই শিৱকে নিন্দা কৰিছে আৰু মোৰ এই শৰীৰ সেই শিৱনিন্দক দক্ষৰেই বীৰ্যসম্ভূত। ৩ ॥

“এই কাৰণেই ললাটত চন্দ্ৰকলা ধাৰণ কৰোঁতে বৃষকেতুক হৃদয়ত ধাৰণ কৰি মই এই দেহ এতিয়াই ত্যাগ কৰিম।” এইদৰে কৈ সতীয়ে যোগৰ অগ্নিত নিজৰ শৰীৰ ভস্ম কৰিলে। যজ্ঞস্থলীত হাহাকাৰ লাগি পৰিল। ৪ ॥

দোঃ—সতীৰ মৃত্যু হোৱা শুনি শিৱৰ কিংকৰসকলে যজ্ঞ ধ্বংস কৰিবলৈ ধৰিলে। যজ্ঞ বিধ্বংস হোৱা দেখি মুনি-শ্ৰেষ্ঠ ভৃগুৱেহে মাত্ৰ ৰক্ষা কৰিলে। ৬৪ ॥

চৌঃ—এই সকলো খবৰ শিৱই পালে আৰু তেওঁ খং কৰি বীৰভদ্ৰক পঠাই দিলে। বীৰভদ্ৰই আহি যজ্ঞ ধ্বংস কৰি সকলো দেৱতাকে যথোচিত দণ্ড দিলে। ১ ॥

শিৱদ্ৰোহীৰ যি গতি হ’ব লাগে, সেই জগৎ প্ৰসিদ্ধ গতি দক্ষৰো হ’ল। এই ইতিহাস জগতত সকলোৱে জানে। গতিকে তাক মই সংক্ষেপেহে বৰ্ণনা কৰিলোঁ। ২ ॥

সতীয়ে মৃত্যুৰ সময়ত হৰিক এই বৰ মাগিছিল, যাতে জন্মে জন্মে শিৱৰ চৰণত অনুৰাগ হয়। সেইকাৰণে তেওঁ হিমালয়ৰ ঘৰত গৈ পাৰ্বতীৰূপে জন্ম লৈছিল। ৩ ॥

যেতিয়া উমাই হিমালয়ৰ ঘৰত জন্ম ললে, তেতিয়া সকলো সিদ্ধি আৰু সম্পদেৰে হিমালয় ভৰপূৰ হ’ল। য’তে ত’তে মুনিসকলে সুন্দৰ আশ্ৰম কৰি ললে। হিমালয়েও তেওঁলোকক উচিত স্থান দান কৰিলে। ৪ ॥

দোঃ—সেই সুন্দৰ পৰ্বতত নানা জাতিৰ সকলো নতুন নতুন গছ সদায় ফলে-পুষ্পে সুশোভিত হৈ থাকিবলৈ ধৰিলে আৰু তাত নানা ধৰণৰ মণি-ৰত্নৰ খনি ওলাবলৈ ধৰিলে। ৬৫ ॥

চৌঃ—সকলো নদীতে পবিত্ৰ জল প্ৰবাহিত হবলৈ ধৰিলে। চৰাই, পহু, ভোমোৰা সকলোৱে সুখৰ দিন আহিল। সকলো জীৱই পৰস্পৰে শত্ৰুতা ত্যাগ কৰি সেই পৰ্বতত মিত্ৰপ্ৰীতিৰে জীৱন-যাপন কৰিবলৈ ধৰিলে। ১ ॥

ৰামভক্তি লাভ কৰি ভক্তজন যেনেকৈ শোভিত হয়, সেইদৰে নিজৰ ঘৰতে পাৰ্বতীক লাভ কৰি হিমালয়ো শোভিত হ'ল। তেওঁৰ ঘৰত নিতৌ নতুন নতুন মংগল-উৎসৱ হ'বলৈ ধৰিলে, সেই উৎসৱবিলাকৰ গুণ-যশ ব্ৰহ্মা আদিয়েও গাবলৈ ধৰিলে। ২ ॥

এই সকলো কথা নাৰদে শুনিবলৈ পালে আৰু তেওঁ কৌতুকেৰে সৈতে হিমালয়ৰ ঘৰলৈ গ'ল। গিৰিৰাজে তেওঁক বৰ আদৰ-সংকাৰ কৰিলে। পদ-প্ৰক্ষালন কৰাৰ পাছত তেওঁক উত্তম আসন যাচিলে। ৩ ॥

তাৰ পাছত পত্নীৰে সৈতে মুনিৰ চৰণত মূৰ দোৱালে আৰু মুনিৰ পদ-জল গোটেই ঘৰতে ছটিয়াই দিলে। হিমালয়ে নিজৰ সৌভাগ্যৰ বিষয়ে বহুত বিৱৰি ক'লে। জীয়েক পাৰ্বতীকো মাতি আনি মুনিৰ চৰণত অৰ্পণ কৰিলে। ৪ ॥

দোঃ—(হিমালয়ে ক'লে) "হে মুনিবৰ, আপুনি ত্ৰিকালজ্ঞ আৰু সৰ্বজ্ঞ, আপোনাৰ সৰ্বত্ৰ গতি। গতিকে আপুনি মনত ভাবি-চিন্তি কন্যাৰ দোষ-গুণৰ কথা কওক।" ৬৬ ॥

চৌঃ—নাৰদ মুনিয়ে মিচিকিয়া হাঁহি এটি মাৰি ৰহস্যময়ী কোমল বাণীৰে ক'লে—"তোমাৰ কন্যা সকলো গুণৰে আকৰ স্বৰূপা। এওঁ স্বভাৱ-সুন্দৰী, সুশীলা আৰু চতুৰা। এওঁৰ নাম উমা, অম্বিকা আৰু ভৱানী। ১ ॥

"এই কন্যা সৰ্বসুলক্ষণী, এওঁ পতিৰ সততে প্ৰিয়পাত্ৰী হ'ব। এওঁৰ সৌভাগ্য অচল-অটল হৈ থাকিব আৰু সেইবাবে পিতৃ-মাতৃৰে যশস্যা লাভ কৰিব। ২ ॥

"এওঁ সমস্ত জগতৰে পূজনীয়া হ'ব। এওঁক সেৱিলে কোনো বস্তুকে পাবলৈ টান নহ'ব। পৃথিৱীত এওঁৰ নামকে লৈ নাৰীয়ে পতিব্ৰতৰূপী তৰোৱালৰ ধাৰৰ ওপৰত খোজ দিব পাৰিব। ৩ ॥

হে গিৰিৰাজ, তোমাৰ কন্যা অতি সুলক্ষণী। এতিয়া এওঁৰ যি দুই চাৰিটা বেয়া গুণ আছে, তাৰ কথা কওঁ শুনা। এওঁ গুণহীন, মান-মৰ্যদাহীন, পিতৃমাতৃহীন, উদাসীন, সকলো প্ৰকাৰৰ সংশয়ৰহিত, যোগী, জটাধাৰী, নিষ্কাম মনৰ, উলংগ আৰু অমংগলবেশ-ধাৰী স্বামী পাব। এওঁৰ হাতত তেনেকুৱা ৰেখা আছে।" চৌঃ ৪। দোঃ ৬৭ ॥

চৌঃ—নাৰদৰ কথা শুনি অন্তৰেৰে তাক সত্য বুলি মানি হিমালয়-দম্পতী বৰ দুঃখিত হ'ল। পাৰ্বতী কিন্তু আনন্দিতাহে হ'ল। নাৰদেও

ইয়াৰ ৰহস্য ভেদ কৰিব নোৱাৰিলে ; কাৰণ সকলোৰে বাহিক অৱস্থা একে হলেও ভিতৰৰ উপলব্ধি একে ধৰণৰ নহয়। ১ ॥

সখীসকল, পাৰ্বতী, গিৰিৰাজ হিমালয় আৰু তেওঁৰ পত্নী মেনকা এই সকলোৰে শৰীৰ ৰোমাঞ্চিত হ'ল আৰু চকু চলচলীয়া হৈ পৰিল। দেৱৰ্ষিৰ বচন মিছা হ'ব নোৱাৰে। (ইয়াকে ভাবি) পাৰ্বতীয়ে সেই বচন হৃদয়ত বান্ধি ললে। ২ ॥

শিৱৰ চৰণ-কমলত তেওঁৰ অনুৰাগ জন্মিল, কিন্তু শিৱৰ লগত মিলন ঘটোৱাটো টান কাম বুলি তেওঁৰ সন্দেহ হ'ল আৰু উপযুক্ত সময় নাই হোৱা বুলি বুজি উমাই নিজৰ প্ৰেম-ভাৱ গোপন কৰি ৰাখিলে। তাৰ পাছত তেওঁ গৈ সখীয়েকৰ কোলাত বহিল। ৩ ॥

দেৱৰ্ষিৰ বচন মিছা হব নোৱাৰে বুলি ভাবি হিমালয়, মেনকা আৰু চতুৰ সখীসকল চিন্তাত পৰিল। গিৰিৰাজে হৃদয়ত ধৈৰ্য ধৰি ক'লে—"হে নাথ, এতিয়া কি উপায় কৰা উচিত, মোক কওক।" ৪ ॥

দোঃ—মুনিৰাজে ক'লে—"হে হিমৱান, শুনা, বিধাতাই কপালত যি লিখিলে, তাক দেৱতা, দৈত্য, মানৱ, নাগ আৰু মুনি, কোনেও খণ্ডাব নোৱাৰে। ৬৮ ॥

চৌঃ—তথাপি মই এটা উপায় দিছোঁ। যদি দৈৱই সহায় কৰে, তেনেহলে সি সিদ্ধি হ'ব। মই যেনেকুৱা দৰাৰ কথা কৈ গলোঁ, উমাই তেনেকুৱা দৰাহে যে পাব তাত সন্দেহ নাই। ১ ॥

"কিন্তু মই দৰাৰ যিবোৰ দোষৰ কথা ক'লো, শিৱৰ গাতে সেই সকলোবোৰ আছে বুলি মোৰ অনুমান হয়। যদি শিৱৰ লগতে পাৰ্বতীৰ বিয়া হয়, তেন্তে সেই দোষবোৰো সকলো মানুহে গুণ বুলিহে ক'ব। ২ ॥

বিষ্ণু শেষনাগৰ শয্যাত শোৱে যদিও পণ্ডিতসকলে তেওঁৰ সেই দোষ নধৰে ; সূৰ্য আৰু অগ্নিয়ে সকলো ৰস পান কৰে যদিও, কোনেও তেওঁলোকক মন্দ নোবোলে। ৩ ॥

"গংগাত ভাল আৰু বেয়া সকলো ধৰণৰ পানী বৈ আহিব পাৰে ; কিন্তু তাৰ বাবে গংগাক কোনেও অপবিত্ৰ নোবোলে। সূৰ্য, অগ্নি আৰু গংগাৰ সমৰ্থসকলক কোনো দোষে চুব নোৱাৰে। ৪ ॥

দোঃ—"যদি কোনো মূৰ্খ মানুহেও জ্ঞানৰ অভিমান লৈ এনেকুৱা স্পৰ্ধা কৰে, তেনেহলে তেওঁ এক কল্প জুৰি নৰকত পচিব লাগিব। সাধাৰণ জীৱ জানো ঈশ্বৰৰ সমান হ'ব পাৰে? ৬৯ ॥

চৌঃ—গংগা জলেৰে প্ৰস্তুত কৰা হলেও মন্তুই কেতিয়াও মদিৰা পান নকৰে। কিন্তু সেই মদিৰা যদি গংগাৰ লগত মিলি যায়, সি পবিত্ৰ হৈ পৰে : ঈশ্বৰ আৰু জীৱৰ মাজতো এনেকুৱাই পাৰ্থক্য। ১ ॥

"সদাশিৱ স্বাভাৱিকতে সমৰ্থ, তেওঁ স্বয়ং ভগৱান। গতিকে (তেওঁৰ লগত হোৱা উমাৰ) এই বিবাহ সকলো প্ৰকাৰে কল্যাণকৰ হ'ব। কিন্তু মহাদেৱৰ আৰাধনা বৰ কষ্ট সাধ্য, তথাপি ক্লেশ (তপ) কৰিলে তেওঁ অতি সহজেই সন্তুষ্ট হয়। ২ ॥

"যদি তোমাৰ কন্যাই তপস্যা কৰে, তেনেহলে মহাদেৱে হ'ব লগীয়া দুৰ্ভাগ্যৰ ওৰ পেলাব পাৰিব। যদিও সংসাৰত অনেক দৰা আছে, তথাপি এওঁৰ কাৰণে যোগ্য শিৱত বাদে আৰু অন্য বৰ নাই। ৩ ॥

"ভগৱান শিৱই বৰ দান কৰে, শৰণাগতজনৰ দুখ দূৰ কৰে। কৃপাৰ সাগৰ মহাদেৱে সেৱকৰ মনত আনন্দ দিয়ে। শিৱক আৰাধনা নকৰিলে কোটি কোটি যোগ আৰু জপ কৰিও বাঞ্ছিত বস্তু লাভ কৰিব নোৱাৰে।" ৪ ॥

দোঃ—এই বুলি কৈ নাৰদে হৰিক স্মৰণ কৰি পাৰ্বতীক আশীৰ্বাদ দিলে (আৰু ক'লে), "হে গিৰিৰাজ, তুমি সংশয় নকৰিবা, ইয়াৰদ্বাৰা কল্যাণহে হ'ব।" ৭০ ॥

এইদৰে কৈ নাৰদ মুনি ব্ৰহ্মলোকলৈ গ'ল। ইয়াৰ পাছৰ কাহিনী কওঁ শুনা। পতিক অকলশৰে পাই মেনকাই ক'লে—"হে নাথ, মই মুনিৰ কথা বুজিব নোৱাৰিলো। ১ ॥

"আমাৰ ছোৱালীৰ বাবে উপযুক্ত ঘৰ, বৰ আৰু উত্তম কুল চাই বিয়া পাতক। নহ'লে ছোৱালী ঘৰতে কুমাৰী হৈ থকাই ভাল। হে কান্ত, উমা মোৰ প্ৰাণ সম স্নেহৰ পাত্ৰী।" ২ ॥

"যদি পাৰ্বতীৰ বাবে যোগ্য বৰ পোৱা নাযায়, তেনেহলে সকলো মানুহে ক'ব যে পৰ্বত স্বভাৱতে জড় (মূৰ্খ) হয়। হে স্বামী, এই কথা ভাবি-চিন্তিহে যেন বিয়া পাতে যাতে পাছত মনত সন্তাপ পাব লগা নহয়।" ৩ ॥

এইবুলি কৈ মেনকা পতিৰ চৰণত শিৰ থৈ বাগৰি পৰিল। তেতিয়া হিমালয়ে মৰম কৰি ক'লে—"চন্দ্ৰৰপৰা অগ্নিৰ উদ্ভৱ হ'লেও নাৰদৰ বচন মিছা হ'ব নোৱাৰে। ৪ ॥

দোঃ—"হে প্ৰিয়ে, সকলো চিন্তা ত্যাগ কৰি ভগৱানক স্মৰণ কৰা। যিজনে পাৰ্বতীক সৃষ্টি কৰিলে তেৱেঁই পাৰ্বতীৰ কল্যাণো কৰিব।" ৭১ ॥

চৌঃ—"এতিয়া তোমাৰ যদি জীয়েৰাৰ্লৈ মৰম আছে, তেনেহ'লে তুমি তেওঁক এনে শিক্ষা দিয়া, যাতে তেওঁ শিৱক লাভ কৰিবলৈ তপস্যা কৰে। অন্য কোনো উপায়েৰেই এই কষ্ট দূৰ নহ'ব।" ১ ॥

"নাৰদৰ বচন ৰহস্যময় আৰু কাৰণ যুক্ত। ভগৱান বৃষকেতু সকলো সুন্দৰ গুণৰ আকৰ। এই কথা চাই-চিন্তি তুমি সংশয় এৰি দিয়া। শিৱ সকলো প্ৰকাৰেই কলংকৰহিত।" ২ ॥

মেনকাই পতিৰ বচন শুনি আনন্দ মনেৰে উঠি গৈ তৎক্ষণাৎ পাৰ্বতীৰ ওচৰ পালেগৈ। পাৰ্বতীক দেখি তেওঁৰ চকু লোতকেৰে ভৰি পৰিল। তেওঁ পাৰ্বতীক মৰমেৰে কোলাত বহুৱাই ল'লে। ৩ ॥

বাৰে বাৰে তেওঁ উমাক বুকুত সাৱটি ধৰিলে। মৰমৰে গদ্ গদ হৈ তেওঁ মুখেৰে একো কথা কব নোৱাৰিলে। জগতৰ মাতৃ ভৱানী যে সৰ্বজ্ঞ, গতিকে তেওঁ মাকক সুখ দিব পৰাকৈ কোমল মাতেৰে ক'লে—। ৪ ॥

দোঃ—"শুনা আই! মই এটা সপোন দেখিলোঁ—এজন গৌৰবৰ্ণ সুন্দৰ ব্ৰাহ্মণে মোক এইদৰে উপদেশ দিছে—। ৭২ ॥

চৌঃ—"হেৰা পাৰ্বতী, নাৰদে কোৱা কথাখিনি সঁচা বুলি মানি লৈ তুমি তপস্যা কৰাঁগৈ। পাছত তোমাৰ পিতৃ-মাতৃৰেও এই কথা ভাল পাব। তপস্যাই সুখদান কৰে আৰু দুখ বিনষ্ট কৰে। ১ ॥

"তপস্যাৰ বলতে ব্ৰহ্মাই জগত সৃষ্টি কৰে; তপস্যাৰ বলতে বিষ্ণুৱে সমস্ত জগৎ পালন কৰে; তপস্যাৰ বলতে শিৱই জগতৰ সংহাৰ-কাৰ্য সম্পাদন কৰে আৰু তপস্যাৰ বলতে শেষ নাগে পৃথিৱী ধাৰণ কৰি আছে। ২ ॥

"হে ভৱানী, সমস্ত সৃষ্টি তপস্যাৰ আধাৰতে ৰৈ আছে। এই কথা হৃদয়ংগম কৰি তুমি তপস্যা কৰাঁগৈ।" পাৰ্বতীৰ এই কথা শুনি মাক বৰ আচৰিত হ'ল আৰু তেওঁ হিমালয়ক মাতি এই স্বপ্নৰ কথা ক'লে। ৩ ॥

তাৰ পাছত পিতৃ-মাতৃক অনেক ধৰণেৰে বুজাই-বৰাই অতি আনন্দ মনে পাৰ্বতী তপস্যা কৰিবলৈ গ'ল। পৰিয়ালৰ লোকসকলে, স্নেহৰ পিতা-মাতা— এই সকলো ব্যাকুল হৈ পৰিল। সকলোৰে মুখৰ মাত হেৰাল। ৪ ॥

দোঃ—তেতিয়া বেদশিৰা মুনিয়ে আহি সকলোকে বুজাই কোৱাত, পাৰ্বতীৰ মহিমাৰ কথা শুনি সকলোৰে প্ৰবোধ মানিলে। ৭৩ ॥

চৌঃ—প্ৰাণপতি শিৱৰ চৰণ হৃদয়ত ধৰি পাৰ্বতীয়ে বনত তপস্যা কৰিবলৈ

ধৰিলে। তেওঁৰ অতি সুকুমাৰ শৰীৰ তপস্যাৰ যোগ্য নাছিল। তথাপি পতিৰ চৰণ চিন্তি তেওঁ সকলো ভোগ ত্যাগ কৰিলে। ১ ॥

পতিৰ চৰণত নিতৌ নতুন অনুৰাগ জন্মিবলৈ ধৰিলে। তপস্যাত এনে ধৰণে মন বহিল যে তেওঁ নিজৰ শৰীৰৰ কথাকে পাহৰি গ'ল। এহেজাৰ বছৰ জুৰি তেওঁ ফলমূল খাই আৰু তাৰ পাছত এশ বছৰ শাক-পাত খাই কটালে। ২ ॥

তেওঁ কিছুদিন পানী আৰু বায়ু ভক্ষণ কৰিলে। তাৰ পাছত কিছুদিন কঠোৰ উপবাস কৰিলে। মাটিত সৰা শুকান বেলপাত খাই তিনি হেজাৰ বছৰ কটালে। ৩ ॥

তাৰ পাছত শুকান পাতো খাবলৈ এৰিলে; তেতিয়াই উমাৰ নাম 'অপৰ্ণা' হ'ল। তপস্যাৰদ্বাৰা উমাৰ শৰীৰ ক্ষীণ হোৱা দেখি আকাশৰপৰা গম্ভীৰ ব্ৰহ্মবাণী হ'ল— ৪ ॥

দো:—"হে গিৰিৰাজকুমাৰী, শুনা, তোমাৰ মনোৰথ পূৰ্ণ হ'ল। তুমি এতিয়া সকলো দুঃসহ কষ্ট (তপস্যা) ত্যাগ কৰা। এতিয়া তুমি ভগৱান শিৱক লাভ কৰিবা। ৭৪ ॥

চৌ:—"হে ভৱানী! ধীৰ, মুনি আৰু জ্ঞানীলোক অনেক আছে; কিন্তু এনেকুৱা (কঠোৰ) তপস্যা কোনেও কৰা নাই। এতিয়া তুমি এই শ্ৰেষ্ঠ ব্ৰহ্মবাণী সদায় সত্য আৰু নিৰন্তৰ পবিত্ৰ জ্ঞান কৰি হৃদয়ত বান্ধি লোৱাঁ। ১ ॥

"যেতিয়া তোমাৰ পিতাৰাই তোমাক মাতি নিবলৈ আহিব, তুমি আঁকোৰ গোজালি এৰি ঘৰলৈ যাবা। আৰু যেতিয়া সপ্তৰ্ষিক লগ পাবা তেতিয়া এই বাণীৰ সত্যতাৰ প্ৰমাণ পাবা।" ২ ॥

আকাশৰপৰা ধ্বনিত হোৱা ব্ৰহ্মাৰ বাণী শুনি পাৰ্বতীৰ শৰীৰ আনন্দত ৰোমাঞ্চিত হ'ল। (যাজ্ঞবল্ক্যই ভৰদ্বাজক ক'লে) মই তোমাক উমাৰ সুন্দৰ চৰিত্ৰ শুনালোঁ। এতিয়া মহাদেৱৰ মনোমোহা চৰিত্ৰ শুনা। ৩।

সতীয়ে (পিতৃৰ গৃহত) তনুত্যাগ কৰাৰ পাছৰেপৰা শিৱৰ মনত বৈৰাগ্য উপজিল। তেওঁ সদায় ৰাম-নাম, জ'বলৈ ধৰিলে আৰু য'তে-ত'তে ৰামৰ গুণ-কীৰ্তন শ্ৰৱণ কৰিবলৈ লাগিল। ৪ ॥

দো:—চিদানন্দ, সুখৰ ধামস্বৰূপ, মোহ, মদ আৰু কামনা ৰহিত ভগৱান শিৱই সমস্ত লোকৰে আনন্দদাতা ভগৱান শ্ৰীহৰিক (ৰাম) হৃদয়ত ধাৰণ কৰি পৃথিৱীত ভ্ৰমি ফুৰিবলৈ ধৰিলে। ৭৫ ॥

চৌঃ—তেওঁ ক'ৰবাত গৈ হয়তো মুনিসকলক জ্ঞান-উপদেশ দিয়ে, ক'ৰবাত হয়তো ৰামৰ গুণগানকে গায়। যদিও জ্ঞানযোগী সদাশিব কামনাশূন্য, তথাপি সেই ভগৱান নিজৰ ভক্তৰ (সতীৰ) বিৰহ-দুখত দুখী হৈ পৰিল। ১ ॥

এইদৰে বহু কাল পাৰ হৈ গ'ল। শ্ৰীৰামচন্দ্ৰৰ চৰণত তেওঁৰ নিত্য নতুন অনুৰাগ হ'বলৈ ধৰিলে। ভগৱান শিৱৰ কঠোৰ নিয়ম, অনন্ত প্ৰেম আৰু তেওঁৰ হৃদয়ত থকা অটল ভক্তিৰ চিন যেতিয়া ভগৱান শ্ৰীৰামে দেখিবলৈ পালে— ২ ॥

তেতিয়া গুণগ্ৰাহী, কৃপালু আৰু সৌন্দৰ্য তথা সৎচৰিত্ৰৰ আকৰ স্বৰূপ, মহান্ তেজোৰাশিযুক্ত ভগৱান শ্ৰীৰামচন্দ্ৰ আৱিৰ্ভূত হ'ল। তেওঁ অনেক প্ৰকাৰে শংকৰক শলাগিলে আৰু ক'লে—"তোমাৰ বাহিৰে এনেকুৱা কঠোৰ ব্ৰত কোনে পালন কৰিব ?" ৩ ॥

শ্ৰীৰামচন্দ্ৰই বহুত প্ৰকাৰে শিৱক বুজালে আৰু পাৰ্বতীৰ জন্ম-কথা শুনালে। কৃপানিধি শ্ৰীৰামে বিস্তৃতভাৱে পাৰ্বতীৰ অতি পবিত্ৰ কাৰ্যাৱলীৰ বৰ্ণনা দিলে। ৪ ॥

দোঃ—[শ্ৰীৰামে শিৱক ক'লে]—"হে সদাশিৱ ! যদি মোৰ প্ৰতি তোমাৰ স্নেহ আছে তেনেহ'লে মোৰ মিনতি শুনা, মোক এই বৰ দিয়া যে তুমি যেন পাৰ্বতীক বিয়া কৰোৱাঁগৈ।" ৭৬ ॥

সদাশিৱই ক'লে—"যদিও ই উচিত কাৰ্য নহয়, তথাপি প্ৰভুৰ বচন লংঘন কৰিব নোৱাৰি। হে নাথ, তোমাৰ আজ্ঞা শিৰত লৈ পালন কৰাটো মোৰ বাবে পৰম ধৰ্ম। ১ ॥

"পিতৃ-মাতৃ, গুৰু আৰু স্বামীৰ বচন কল্যাণকৰ বুলি জানি বিনা বিচাৰেই পালন কৰা উচিত। তুমি মোৰ সকলো প্ৰকাৰে পৰম হিতাকাংক্ষী। হে স্বামী, তোমাৰ আজ্ঞা মই শিৰত তুলি লৈছোঁ।" ২ ॥

সদাশিৱৰ ভক্তি, জ্ঞান আৰু ধৰ্মমণ্ডিত বাক্য শুনি প্ৰভু শ্ৰীৰাম সন্তুষ্ট হ'ল। শ্ৰীৰামে ক'লে—"হে হৰ ! তোমাৰ প্ৰতিজ্ঞা পূৰণ হ'ল। এতিয়া মই যি ক'লোঁ সেয়া মনত ৰাখিবা।" ৩ ॥

এই বুলি কৈ শ্ৰীৰাম অন্তৰ্ধান হ'ল। সদাশিৱই শ্ৰীৰামৰ সেই ৰূপ হৃদয়ত ধাৰণ কৰিলে। তাৰ পাছতে সপ্তৰ্ষিগণ শিৱৰ ওচৰলৈ গ'ল। ভগৱান শিৱই তেওঁলোকক অতি প্ৰিয় বচনেৰে এই বুলি ক'লে—৪ ॥

দোঃ—"আপোনালোকে পাৰ্বতীৰ ওচৰলৈ গৈ তেওঁৰ প্ৰেমৰ পৰীক্ষা লওক আৰু হিমালয়ক কৈ পাৰ্বতীক ঘৰলৈ পঠাই দিয়ক। তেওঁলোকৰ মনৰ সন্দেহ দূৰ কৰক।" ৭৭ ॥

চৌঃ—ঋষিসকলে গৈ পাৰ্বতীক এনে ৰূপত দেখিবলৈ পালে—তেওঁ যেন মূৰ্তিমতী তপস্যাহে। ঋষিসকলে ক'লে—"হে শৈলকুমাৰী, শুনাচোন, তুমি কি কাৰণে এই তপস্যা কৰিছা? ১ ॥

"তুমি কাৰ আৰাধনা কৰিছা আৰু কি বিচাৰিছা? তুমি আমাক সত্য তথ্য জনাই দিয়া।" [পাৰ্বতীয়ে ক'লে]—"কথা ক'বলৈ মোৰ মনত সাহ হোৱা নাই। আপোনালোকে মোৰ মূৰ্খতাৰ কথা জানিলে হাঁহিবহে।" ২ ॥

"মনত এবাৰ দৃঢ়ভাব উপজিল; এই মনে একো শিকনি নামানে। ই পানীৰ ওপৰত প্ৰাচীৰ নিৰ্মাণ কৰিব খুজিছে। নাৰদে কোৱা কথাকে সত্য বুলি মানি লৈ মই পাখী নোহোৱাকৈয়ে উৰিব খুজিছোঁ। ৩ ॥

"হে মুনিসকল, মোৰ ধৃষ্টতা চাওক—মই সদায় সদাশিৱকহে পতিবৰণ কৰিবলৈ চেষ্টা কৰিছোঁ।" ৪ ॥

দোঃ—উমাৰ কথা শুনি ঋষিসকলে হাঁহিলে আৰু ক'লে—"পৰ্বত-নন্দিনী! বাৰু কোৱাচোন, নাৰদৰ উপদেশ শুনি আজিলৈকে কোনে সুখেৰে ঘৰত থাকিবলৈ পাইছে? ৭৮ ॥

চৌঃ—"তেওঁ দক্ষপুত্ৰসকলক গৈ উপদেশ দিছিল; তাৰ ফলত তেওঁলোকে ঘূৰি আৰু ঘৰ দেখিবলৈ নাপালে। চিত্ৰকেতুৰ ঘৰো নাৰদে নষ্ট কৰি দিলে। হিৰণ্যকশিপুৰ অৱস্থাও সেয়ে হ'ল। ১ ॥

"যি স্ত্ৰী বা পুৰুষে নাৰদৰ কথা শুনে, তেওঁ ঘৰ বাৰী এৰি ভিখাৰী হোৱাটো নিশ্চিত কথা। নাৰদৰ মন হ'ল কপটীয়া আৰু ইফালে শৰীৰত সজ্জনৰ চিন। তেওঁ সকলোকে নিজৰ নিচিনা কৰিব খোজে। ২ ॥

"তেওঁৰ কথাতেই হয়ভৰ দি তুমি উদাসীন স্বভাৱৰ, গুণহীন, লজ্জাহীন, কুৰূপ, নৰমুণ্ডমালী, অকুলীন, গৃহহীন, উলংগ আৰু সাপ লৈ ফুৰা শিৱক পতি কামনা কৰিছানে? ৩ ॥

"এনেকুৱা বৰ লাভ কৰি তোমাৰ কি সুখ হ'ব, কোৱাচোন? তুমি সেই প্ৰৱঞ্চকৰ (নাৰদৰ) কুচলনিত ভোল গৈছা। আগতে লোকৰ কথা শুনি শিৱই সতীক বিয়া কৰালে, পিছত সতীক ত্যাগ কৰি লোকৰ হতুৱাই মৰালে। ৪ ॥

দোঃ—"এতিয়া শিৱৰ কোনো চিন্তা নাই, খুজি-মাগি এমুঠি খাই সুখেৰে শুই থাকে। এইদৰে অকলে থাকি ভালপোৱা মানুহৰ ঘৰত তিৰোতা মানুহ তিষ্ঠিব পাৰে নেকি? ৭৯ ॥

চৌঃ—"এতিয়াও আমাৰ কথালৈ কাণ দিয়া, আমি তোমাৰ কাৰণে ভাল দৰা বিচাৰিছোঁ। তেওঁ বৰ ধুনীয়া, পবিত্ৰ, সুখদায়ক আৰু সৎস্বভাৱৰ—বেদেও যাৰ লীলা আৰু যশস্যা গান কৰে। ১ ॥

"তেওঁ দোষৰহিত, গুণৰ ৰাশিস্বৰূপ, লক্ষ্মীৰ স্বামী আৰু বৈকুণ্ঠনিবাসী। আমি এনেকুৱা দৰা তোমাক আনি দিম।"—এই কথা শুনি পাৰ্বতীয়ে হাঁহি মাৰি ক'বলৈ ধৰিলে—২ ॥

"আপোনালোকে সত্য কথা কৈছে—মোৰ এই শৰীৰ পৰ্বতৰপৰা উৎপন্ন হোৱা। সেইকাৰণে ই প্ৰাণ এৰিলেও দৃঢ়তা নেৰে। সোণো শিলৰপৰাহে উৎপন্ন হয়, তথাপি সোণ পুৰিলেও তাৰ নিজৰ স্বভাৱ ত্যাগ নকৰে। ৩ ॥

"গতিকে মই নাৰদৰ বচন ত্যাগ নকৰোঁ—লাগিলে ঘৰ পতাই হওক বা ঘৰ ভঙাই হওক, তাৰ বাবে মই ভয় নকৰোঁ। গুৰুৰ বচনত যাৰ বিশ্বাস নাই, তেওঁ সপোনতো সুখ আৰু সিদ্ধি সহজে লাভ কৰিব নোৱাৰে। ৪ ॥

দোঃ—"যাক, মহাদেৱ জানিবা বেয়া গুণৰ ভঁৰাল আৰু বিষ্ণু সকলো সৎগুণৰ আকৰ—এই কথা মানি ল'লোঁ; কিন্তু যাৰ কোনো এজন মানুহৰ প্ৰতি মন আকৃষ্ট হয়, তেওঁৰ বাবেই সেইজনেৰেই কাৰ্য সিদ্ধ হয়। ৮০ ॥

চৌঃ—"হে মুনি শ্ৰেষ্ঠ সকল, মই আপোনালোকক প্ৰথমতে লগ পোৱা হ'লে, আপোনালোকৰ উপদেশকে মূৰ পাতি গ্ৰহণ কৰিলোঁহেতেন; কিন্তু জীৱন শিৱত উছৰ্গা কৰিলোঁ। এতিয়ানো আকৌ কি গুণ-দোষৰ বিচাৰ কৰিবলৈ আছে? ১ ॥

"যদি আপোনালোকে বিয়াবাৰুৰ কথা-বতৰাত নলগাকৈ থাকিব নোৱাৰে, তেতিয়া হ'লেতো সংসাৰত বহুত দৰা-কন্যা আছে। এইদৰে খেলি ফুৰা সকলৰ এলাহ নায়েই যেতিয়া, সেইবোৰৰ ওচৰলৈকে যাওক। ২ ॥

"কোটি জন্মলৈকে মোৰ এই দৃঢ়তা থাকিব—হয় মই শিৱক বৰণ কৰিম, নহয় কুমাৰী হৈ থাকিম। স্বয়ং শিৱয়ো যদি কয়, তথাপি নাৰদৰ উপদেশ নেৰোঁ। ৩ ॥

জগতৰ জননী পাৰ্বতীয়ে আৰু এইবুলিও ক'লে—"মই আপোনালোকৰ ভৰিত পৰি কৈছোঁ—আপোনালোক ঘৰাঘৰি যাওক, সময় ভালেখিনি হ'ল।" [শিৱৰ প্ৰতি পাৰ্বতীৰ] এই অনুৰাগ দেখি জ্ঞানী মুনিসকলে ক'লে, "জগজ্জননী ভৱানীৰ জয় হওক। ৪ ॥

দোঃ—"(মায়াৰ ঈশ্বৰ) ভগৱান শিৱ আৰু তেওঁৰ মায়া তুমি উভয়েই

সমস্ত জগতৰ পিতৃ-মাতৃ।" এইবুলি উমাৰ চৰণত মুৰ দোৱাই মুনিসকল গ'লগৈ। তেওঁলোকৰ শৰীৰ বাৰে বাৰে পুলকিত হ'বলৈ ধৰিলে। ৮১ ॥

চৌঃ—সপ্তৰ্ষিগণে হিমালয়ক পাৰ্বতীৰ ওচৰলৈ পঠালেগৈ আৰু হিমালয়ে পাৰ্বতীক কাকুতি-মিনতি কৰি ঘৰলৈ নিলে। ঋষিসকলে শিৱৰ ওচৰলৈ গৈ উমাৰ সকলো কথা ক'লে। ১ ॥

উমাৰ প্ৰেমৰ কথা শুনি শিৱ আনন্দত মগ্ন হ'ল। সপ্তৰ্ষিসকলে আনন্দ মনেৰে ঘৰলৈ প্ৰত্যাবৰ্তন কৰিলে। জ্ঞানী মহাশিৱই মন স্থিৰ কৰি ৰঘুপতিৰ ধ্যান কৰিবলৈ ধৰিলে। ২ ॥

সেই সময়তে বাহুবলী, প্ৰতাপী আৰু মহাতেজস্বী তাৰকাসুৰৰ উদ্ভৱ হ'ল। সেই অসুৰে সমস্ত লোক আৰু লোকপালগণক পৰাস্ত কৰিলে। দেৱতাসকলৰ সুখ-সমৃদ্ধি নোহোৱা হ'ল। ৩ ॥

সেই অসুৰ অজৰ-অমৰ আৰু অজেয় আছিল। দেৱতাসকলে তেওঁৰ লগত অনেক প্ৰকাৰে যুঁজিও পৰাজয় মানিব লগা হৈছিল। তেতিয়া দেৱতাসকলে ব্ৰহ্মাৰ ওচৰলৈ গৈ প্ৰাৰ্থনা জনালে। ব্ৰহ্মাই দেখিলে—সমস্ত দেৱ-সমাজ দুখত আতুৰ। ৪ ॥

দোঃ—ব্ৰহ্মাই সকলোকে বুজাই ক'লে—"যেতিয়া শিৱৰ বীৰ্যজাত পুত্ৰৰ জন্ম হ'ব, সেই পুত্ৰইহে যুদ্ধত দানৱক পৰাস্ত কৰিব পাৰিব আৰু তেতিয়াহে এই দৈত্যৰ নিধন হ'ব। ৮২ ॥

চৌঃ—"এতিয়া মোৰ কথামতে তোমালোকে কাম কৰা। ঈশ্বৰে তাত সহায় কৰিব। দক্ষৰ যজ্ঞত দেহত্যাগ কৰা সতীয়ে এই সময়ত হিমালয়ৰ ঘৰত গৈ জন্ম গ্ৰহণ কৰিছে। ১ ॥

"সেই হিমালয়-কন্যাই শিৱক পতি পাবলৈ তপস্যা কৰিছে। ইফালে শিৱই সকলো ত্যাগ কৰি সমাধিত বহিছে। যদিও কথাটো বিসংগতিপূৰ্ণ যেন লাগে, তথাপি তোমালোকে মোৰ এটা কথা শুনা। ২ ॥

"তোমালোকে কামদেৱক শিৱৰ ওচৰলৈ পঠাই দিয়াগৈ। তেওঁ শিৱৰ মনলৈ চঞ্চলতা আনি দিয়ক। তেতিয়া আমি গৈ শিৱক সেৱা জনাই বুজাই-বৰাই বিয়া কৰাই দিমগৈ। ৩ ॥

"এনেকৈহে দেৱতাসকলৰ কল্যাণ সাধিত হ'ব।" সকলোৱে কৈ উঠিল —"এই ব্যৱস্থা অতি উত্তম হৈছে।" তাৰ পাছত দেৱতাসকলে সেই উদ্দেশ্যে স্তুতি কৰাত বিষমবাণ (পঞ্চশৰধাৰী), মকৰকেতু কামদেৱ আবিৰ্ভূত হ'ল। ৪ ॥

দোঃ—দেৱতাসকলে কামদেৱক নিজৰ সমস্ত বিপত্তিৰ কথা জনালে। সেই কথা শুনি কামদেৱে ভাবি-চিন্তি চাই হাঁহি মাৰি দেৱতাসকলক ক'লে—"শিৱৰ বিৰোধিতা কৰিলে মোৰ কুশল নহ'ব। ৮৩॥

চৌঃ—"তথাপি মই তোমালোকৰ কাৰ্য সিদ্ধি কৰিম; কাৰণ পৰোপকাৰ পৰম ধৰ্ম বুলি বেদে কয়। যি পৰৰ হিত সাধনৰ বাবে দেহা ত্যাগ কৰে, সন্তসকলে তেওঁৰ প্ৰশংসা কৰে॥" ১॥

এইবুলি কৈ সকলোকে মূৰ দোঁৱাই কামদেৱে হাতত পুষ্পধেনু ধৰি [বসন্ত আদি] সহায়কসকলক লৈ শিৱৰ ওচৰলৈ যাব ধৰিলে। যাওঁতে কামদেৱে ভাবি গ'ল—'শিৱৰ লগত বিৰোধ কৰা মানেই মোৰ মৰণ নিশ্চিত।' ২॥

তাৰ পাছত তেওঁ নিজৰ প্ৰভাৱ বিস্তাৰ কৰি গোটেই জগতখনক নিজৰ বশ্য কৰিলে। যেতিয়া মীনকেতু কামদেৱ কুপিত হ'ল, তেতিয়া ক্ষন্তেকতে বেদৰ সকলো মৰ্যাদা ক্ষুণ্ণ হ'ল। ৩॥

ব্ৰহ্মচৰ্য, নানা প্ৰকাৰৰ সংযম, ধৈৰ্য, ধৰ্ম, জ্ঞান, বিজ্ঞান, সদাচাৰ, জপ, যোগ, বৈৰাগ্য আৰু বিবেকৰ সমস্ত সেনা ভয়তে পলাই ফাট মাৰিলে। ৪॥

ছন্দ—বিবেক নিজৰ সহায়কবিলাকৰে সৈতে আঁতৰি গ'ল, তেওঁৰ যোদ্ধাসকলে ৰণত পৃষ্ঠভংগ দিলে। সেই সময়ত এই সকলোবিলাক (জ্ঞান, বৈৰাগ্য, সংযম প্ৰভৃতি) সদ্ গ্ৰন্থৰূপী পৰ্বতৰ কন্দৰত লুকাই পৰিল (গ্ৰন্থতহে এইবিলাকৰ কথা লিখা থাকিল, আচৰণত এইবিলাক নোহোৱা হৈ পৰিল)। গোটেই সংসাৰতে আতংকৰ সৃষ্টি হ'ল [আৰু সকলোৱে ক'বলৈ ধৰিলে]—'হে বিধাতা, এতিয়া কি ঘটিব, আমাক কোনে ৰক্ষা কৰিব? এনে কোন দুইমূৰীয়া (অদ্ভুত বস্তু) ওলাইছে, যাক উদ্দেশ্য কৰি ৰতিপতি মদনে কুপিত হৈ হাতত শৰধনু তুলি লৈছে?'

দোঃ—জগতত যিমানবিলাক স্ত্ৰী-পুৰুষ নামধাৰী চৰ আৰু অচৰ প্ৰাণী আছিল, সকলোৱে নিজৰ মৰ্যাদা ত্যাগ কৰি কামৰ বশ হ'ল। ৮৪॥

চৌঃ—সকলোৱে অন্তৰত কামনাই সাৰ পালে। লতাবিলাকক দেখি গছৰ ডালবোৰ দোঁ খাই গ'ল, নদীবোৰে নাচি-বাগি সমুদ্ৰৰ ফালে গতি কৰিলে, সৰু-ডাঙৰ জলাশয়বোৰো পৰস্পৰে মিলি এক হৈ পৰিল। ১॥

যি স্থলত জড়-জগতৰে এই দশা হ'ল, তেনে অৱস্থাত চেতন-জগতৰ ব্যৱহাৰৰ কথা কোনে বৰ্ণাব পাৰিব? আকাশ, জল আৰু স্থলত বিচৰণ কৰা সকলো পশু-পক্ষীয়েই সময়ৰ কথা পাহৰি কামনাৰ বশ হৈ পৰিল। ২॥

সকলো কামান্ধ আৰু ব্যাকুল হৈ পৰিল। চাকৈ-চকোৱা চৰায়ে দিন-ৰাতি নগণা হ'ল। দেৱতা, দানৱ, মনুষ্য, কিন্নৰ, সৰ্প, প্ৰেত, পিশাচ, ভূত, বেতাল—এইবোৰতো সদায়েই কামদেৱৰ দাস; গতিকে এইবিলাকৰ কামাতুৰ অৱস্থাৰ বৰ্ণনা নিদিওঁৱেই; সিদ্ধ, বিৰাগী, মহামুনি আৰু যোগী—এইবিলাকো কামৰ বশ হৈ যোগৰহিত অথবা নাৰীৰ বিয়োগী হৈ পৰিল। ৮৪ ॥

ছন্দঃ—শ্ৰেষ্ঠ যোগী আৰু তপস্বীসকলো যেতিয়া কামৰ বশ হ'ল, পামৰ মনুষ্যৰ কথা আৰু কোনে কয়? যি সমস্ত চৰাচৰ জগৎ ব্ৰহ্মময় দেখিছিল, তেওঁ এতিয়া নাৰীময় দেখিবলৈ ধৰিলে। নাৰীসকলে সমস্ত জগৎ পুৰুষময় আৰু পুৰুষসকলে নাৰীময় দেখিলে। দুঘন্টা সময় গোটেই ব্ৰহ্মাণ্ডত কামদেৱৰ এই কৌতুক চলিল।

সোঃ—কোনেও মনত ধৈৰ্য ধৰিব নোৱাৰিলে, কামদেৱে সকলোৰে মন হৰণ কৰিলে। ৰঘুনাথে যাক ৰক্ষা কৰিলে, কেৱল সেইজনহে এই সময়ত বাচি ৰ'ল। ৮৫ ॥

দুঘন্টা (ঘটিকা) ধৰি এই কৌতুক চলাৰ পাছত কামদেৱ গৈ শিৱৰ ওচৰত উপস্থিত হ'ল। শিৱক দেখি কামদেৱৰ সংশয় উপজিল। তেতিয়া সমস্ত জগৎ আগৰ স্বাভাৱিক অৱস্থালৈ ঘূৰি গ'ল। ১ ॥

(মদিৰা পান কৰি) মত্ত হোৱা লোক নিচা খোৱাৰ পাছত যেনেকৈ আকৌ শান্ত হয়, সেইদৰে তৎক্ষণাৎ সমস্ত জীৱ-জগৎ শান্ত হৈ পৰিল। দুৰ্ধৰ্ষ, দুৰ্গম আৰু ভগৱান (সম্পূৰ্ণ ঐশ্বৰ্য, বীৰ্য, যশ, শ্ৰী, জ্ঞান, বৈৰাগ্য—এই ছটি ঈশ্বৰীয় গুণযুক্ত) ৰুদ্ৰক দেখি কামদেৱৰ মনত ভয় উপজিল। ২ ॥

তেওঁৰ ঘূৰি যাবলৈকো লাজ লাগিল আৰু একো কৰিবও নোৱাৰা হ'ল। অৱশেষত মৰণত শৰণ দি এটা উপায় ঠিক কৰিলে। তৎক্ষণাৎ ঋতুৰাজ বসন্তক প্ৰকট কৰি দিলে। শাৰী শাৰী নতুন নতুন গছবোৰ কুসুমেৰে শোভিত হৈ পৰিল। ৩ ॥

বন-উপবন, বিল-পুখুৰী আৰু সকলোফালে সকলো ধৰণৰ বস্তু অতি মনোৰম হৈ পৰিল। সকলো ঠাইতে যেন অনুৰাগে সাৰ পাই উঠিল, সেইবোৰ দেখিলে মৰা মানুহৰ মনতো যেন কাম ভাৱ জাগি উঠিব। ৪ ॥

ছঃ—মৰাৰ মনতো কামভাৱ জাগিল। সেই সময়ৰ বনৰ সৌন্দৰ্য কৈ শেষ কৰিব নোৱাৰি। কামদেৱৰূপী অগ্নিৰ সখিয়েক শীতল, মন্দ আৰু সুগন্ধি বতাহ বলিবলৈ ধৰিলে। সৰোবৰত অনেক পদুম ফুলি উঠিল।

তাতে পৰি শাৰী শাৰী গুৱনি ভোমোৰাই গুণ্ গুণাবলৈ ধৰিলে। বাজহাঁহ, কুলি, ভাটৌ, আদি চৰায়ে ৰসাল গীত জুৰিলে। গান গাই গাই অপ্সৰাগণে নাচিবলৈ আৰম্ভ কৰিলে।

দো:—কামদেৱে তেওঁৰ সেনাসকলৰে সৈতে কোটি প্ৰকাৰৰ ক'লা-কৌশল প্ৰয়োগ কৰিও হাৰ মানিলে; শিৱৰ অচল-অটল সমাধি ভংগ নহ'ল। তেতিয়া কামদেৱ ক্ৰুদ্ধ হৈ পৰিল। ৮৬॥

চৌ:—আমৰ এটা সুন্দৰ ডাল দেখি কামদেৱে তাত উঠি ল'লে আৰু তেওঁৰ পুষ্পধনুত শৰ জুৰি লৈ অতি খঙেৰে ধনুৰ গুণ কাণৰ ওচৰলৈকে বল দি টানিলে। ১॥

সেই তীক্ষ্ণ বাণ এৰি দিলে আৰু সি গৈ শিৱৰ বুকুত লাগিল। শিৱৰ সমাধি ভংগ হ'ল, তেওঁ সাৰ পালে। ঈশ্বৰ হ'লেও মহাদেৱৰ মন অতি চঞ্চল হৈ পৰিল। তেওঁ চকু মেলি সকলোফালে চালে। ২॥

যেতিয়া শিৱই আমৰ পাতৰ মাজত কামদেৱক দেখিলে, তেওঁ খঙত জ্বলি উঠিল, ত্ৰিভুৱন কম্পমান হ'ল। তেতিয়া শিৱই তৃতীয় নেত্ৰ উন্মীলন কৰিলে। চাওঁতে চাওঁতেই কামদেৱ জ্বলি ভস্ম হৈ গ'ল। ৩॥

জগৎজুৰি বিৰাট হাহাকাৰ লাগি পৰিল। দেৱতাই ভয় পালে, অসুৰ আনন্দিত হ'ল। ভোগীবিলাকে কামসুখৰ কথা সুঁৱৰি চিন্তিত হৈ পৰিল, কিন্তু সাধক-যোগীসকল নিষ্কণ্টক হ'ল। ৪॥

যোগী নিষ্কণ্টক হ'ল। পতিৰ এই দশাৰ কথা শুনি ৰতি বিমূৰ্চ্ছিত হৈ পৰিল। চিঞৰি-বাখৰি, কান্দি-কাটি নানা প্ৰকাৰে করুণ ভাব প্ৰদৰ্শন কৰি তেওঁ শিৱৰ ওচৰলৈ গ'ল আৰু অতিশয় ভক্তিৰে সৈতে বিনয় ভাবেৰে তেওঁ কৰযোৰ কৰি শিৱৰ সন্মুখত উপস্থিত হ'ল। আশুতোষ আৰু কৃপালু শিৱই সেই অসহায় নাৰীক দেখি মৰমেৰে এই বুলি ক'লে—

দো:—"হে ৰতি! আজিৰ পৰা তোমাৰ পতিৰ নাম অনংগ হ'ল। এওঁ শৰীৰ নোহোৱাকৈয়ে সকলোতে ব্যাপ্ত হৈ থাকিব। এতিয়া তোমাৰ তেওঁৰ লগত কেনেকৈ মিলন হ'ব সেই কথা শুনা। ৮৭॥

চৌ:—"যেতিয়া পৃথিৱীৰ মহাভাৰ হৰণৰ কাৰণে যদুবংশত কৃষ্ণৰ অৱতাৰ হ'ব, তেতিয়া তোমাৰ পতিও কৃষ্ণৰ পুত্ৰ হৈ জন্মিব। মোৰ এই বচনৰ অন্যথা নহয়।" ১॥

শিৱৰ কথা শুনি ৰতি গ'লগৈ। এতিয়া আন এটা কথাৰ বিৱৰণ দিওঁ—ব্ৰহ্মা আদি দেৱতাসকলে সকলো খবৰ পাই বৈকুণ্ঠলৈ যাত্ৰা কৰিলে। ২॥

তাৰ পৰা ব্ৰহ্মা আৰু বিষ্ণুৰে সৈতে সকলো দেৱতা কৃপাৰ ধামস্বৰূপ শিৱ থকা ঠাইলৈ গ'ল। তেওঁলোক প্ৰত্যেকেই শিৱক পৃথক্ পৃথকভাৱে স্তুতি কৰিলে। তেতিয়া চন্দ্ৰশেখৰ শিৱ প্ৰসন্ন হ'ল। ৩॥

কৃপাৰ সাগৰ শিৱই কলে—"হে দেৱতাসকল, তোমালোক কি উদ্দেশ্য লৈ আহিছা, কোৱাঁ।" ব্ৰহ্মাই ক'লে—"হে প্ৰভু, তুমি অন্তৰ্যামী; তথাপি হে স্বামী, ভক্তিৰ বশ হৈ মই তোমাক কাকুতি কৰিছোঁ। ৪॥

দোঃ—"হে শংকৰ! হে নাথ! সকলো দেৱতাৰ মনতে নিজ চকুৰে তোমাৰ বিবাহ দেখিবলৈ পৰম উৎসাহ আৰু আকাংক্ষা জন্মিছে। ৮৮॥

চৌঃ—"হে কামদেৱৰ দৰ্পহাৰী, তুমি এনে এটা ব্যৱস্থা কৰাঁ—যাতে সকলোৱে এই উৎসৱ নয়ন ভৰি চাবলৈ পায়। হে কৃপাসিন্ধু, কামদেৱক ভস্ম কৰি তুমি ৰতিক যে বৰ দিলা—ই বৰ ভাল কাম হ'ল। ১॥

"হে নাথ, শ্ৰেষ্ঠ স্বামীসকলৰ সহজ স্বভাৱ হ'ল—প্ৰথমতে দণ্ড দি পাছত কৃপা কৰাটো। পাৰ্বতীয়ে অসীম তপস্যা সাধিলে, এতিয়া তেওঁক কৃপা কৰাঁ।" ২॥

ব্ৰহ্মাৰ বচন শুনি আৰু প্ৰভু শ্ৰীৰামৰ বাণী স্মৰণ কৰি শিৱই আনন্দ মনেৰে ক'লে—"সেয়ে হওক।" তেতিয়া দেৱতাসকলে দুন্দুভি বজালে আৰু পুষ্পবৃষ্টি কৰি 'দেৱতাসকলৰ স্বামীৰ (শিৱৰ)ৰ জয় হওক' বুলি ধ্বনি কৰিলে। ৩॥

এয়ে সুন্দৰ সুযোগ বুলি জানি সপ্তৰ্ষিগণ উপস্থিত হ'লহি। ব্ৰহ্মাই তুৰন্তে তেওঁলোকক হিমালয়ৰ ঘৰলৈ পঠাই দিলে। তেওঁলোক প্ৰথমতে উমা থকা ঠাইলৈ গ'ল আৰু তেওঁক মিঠা মিঠা কথাৰে ধেমালি কৰি ক'লে। ৪॥

দোঃ—নাৰদৰ উপদেশ শুনি তুমি আমাৰ কথালৈ কাণ নিদিছিলা নহয়, এতিয়া তোমাৰ প্ৰতিজ্ঞা মিছা হ'ল। মহাদেৱে কামদেৱক ভস্ম কৰিলে। ৮৯॥

চৌঃ—সেই কথা শুনি উমাই হাঁহি মাৰি কলে—"হে বিশিষ্ট জ্ঞান-সম্পন্ন মুনিসকল, আপোনালোকে উচিত কথাকে কৈছে। আপোনালোকৰ মতে শিৱই কামদেৱক এতিয়া ভস্ম কৰিলে; ইয়াৰ আগলৈকে তেওঁ বিকাৰ-যুক্ত হৈ আছিল। ১॥

"কিন্তু মই জনাত শিৱ সৰ্বতি কালেই যোগী, জন্মৰহিত, অনিন্দ্য, নিষ্কাম আৰু ভোগৰহিত। যদি মই শিৱক এইদৰেই উপলব্ধি কৰি মন, বচন, কৰ্মেৰে আৰু ভক্তি-সংকাৰে তেওঁৰ সেৱা কৰিছোঁ, তেনেহ'লে হে

মুনীশ্বৰগণ শুনক, সেই কৃপানিধি ভগৱানে মোৰ প্ৰতিজ্ঞা পূৰণ কৰিব। তদুপৰি আপোনালোকে যে শিৱই কামদেৱক ভস্ম কৰিলে বুলিছে, সেয়া আপোনালোকৰ পৰম অবিবেচনাৰ কথা। ২।৩॥

"হে পিতৃতুল্য ঋষিসকল, অগ্নিৰ স্বাভাৱিক গুণ হৈছে ইয়াৰ ওচৰলৈ বৰফ কেতিয়াও যাব নোৱাৰে, গ'লেই সি নষ্ট হৈ যোৱাটো সুনিশ্চিত। মহাদেৱ আৰু কামদেৱৰ সম্পৰ্কটোও তেনেকুৱাই।" ৪ ॥

উমাৰ কথা শুনি আৰু তেওঁৰ প্ৰীতি আৰু বিশ্বাস দেখি মুনিসকল আনন্দিত হ'ল। তেওঁলোকে উমাক মূৰ দোৱাই গুচি গ'ল আৰু হিমালয়ৰ ওচৰ পালেগৈ। ৯০ ॥

চৌঃ—তেওঁলোকে হিমালয়ক সকলো কথা ক'লে। কামদেৱ ভস্ম হোৱা শুনি হিমালয় বৰ দুঃখিত হ'ল। পাছত মুনিসকলে ৰতিয়ে বৰলাভ কৰাৰ কথা ক'লে। সেই কথা শুনি হিমালয় বৰ সুখী হ'ল। ১ ॥

শিৱৰ প্ৰভাৱৰ কথা ভাবি হিমালয়ে মুনিসকলক সাদৰে মাতি নিলে আৰু তেওঁলোকৰ দ্বাৰাই শুভ দিন, শুভ নক্ষত্ৰ আৰু শুভ মুহূৰ্ত স্থিৰ কৰাই বেদবিধি অনুসাৰে অতি সোনকালে বিবাহৰ লগ্ন নিৰূপণ কৰি লিখাই ল'লে। ২ ॥

হিমালয়ে এই লগ্ন-পত্ৰিকা সপ্তৰ্ষিসকলক দিলে আৰু চৰণত ধৰি তেওঁলোকক অনুনয় কৰিলে। তেওঁলোকে সেই পত্ৰিকা নি ব্ৰহ্মাক দিলে। সেই পত্ৰিকা পঢ়ি ব্ৰহ্মাৰ আনন্দৰ সীমা নোহোৱা হ'ল। ৩ ॥

ব্ৰহ্মাই লগ্ন পঢ়ি সকলোকে শুনালে; তাকে শুনি মুনিসকল আৰু সমস্ত দেৱসমাজ আনন্দিত হ'ল। আকাশৰপৰা পুষ্প বৃষ্টি হ'ল, বাদ্য বাজি উঠিল; দশোদিশে মংগল-কলস সজ্জিত হৈ উঠিল। ৪ ॥

সকলো দেৱতাই নিজৰ বাহন আৰু বিমানবোৰ বিধে বিধে সজাবলৈ ধৰিলে। কল্যাণসূচক মংগল চিহ্ন দেখা গ'ল, অপ্সৰাবোৰে গীত গাবলৈ ধৰিলে। ৯১ ॥

চৌঃ—শিৱৰ গণসকলেও শিৱক সজোৱা-পৰোৱা কাম কৰিবলৈ ধৰিলে; জটাবে মুকুট বান্ধি তাৰ ওপৰত সাপৰ চূড়ামণি পিন্ধাই দিলে। শিৱই সাপৰেই কুণ্ডল আৰু কংকণ পিন্ধিলে, গাত ভস্ম সানিলে আৰু কাপোৰৰ পৰিবৰ্তে বাঘ-ছাল পিন্ধিলে। ১ ॥

(শিৱৰ) সুন্দৰ কপালত চন্দ্ৰমা, শিৰত গংগা, তিনি নেত্ৰ, সৰ্পৰ উপবীত

(লশুণ), কণ্ঠত গৰল আৰু বুকুত নৰমুণ্ডমালাই তেওঁৰ বেশ অশিব অৰ্থাৎ অশুভ কৰি তুলিছিল। তথাপি তেওঁ কল্যাণৰ নিলয়স্বৰূপ আৰু কৃপালু। ২ ॥

এহাতে ত্ৰিশূল আৰু আনহাতে ডমৰু লৈ মহাদেৱে বৃষভত উঠি যাত্ৰা কৰিলে। বাজনা বাজিবলৈ ধৰিলে। শিৱৰ বেশভূষা দেখি দেৱাংগনাসকলৰ হাঁহি উঠিল (আৰু ক'লে)—'এই দৰাৰ বাবে কন্যা পৃথিৱীতে নোলাব।' ৩ ॥

বিষ্ণু, ব্ৰহ্মা আদি দেৱতাসকলো নিজ নিজ বাহনত উঠি বৰযাত্ৰী হ'ল। দেৱতাসকল সকলো কালৰ পৰাই অনুপম আছিল ; গতিকে বৰযাত্ৰীটো দৰাৰ লগত খাপ খোৱা নহৈছিল। ৪ ॥

দোঃ—তেতিয়া বিষ্ণুৱে দিক্‌পালসকলক মাতি এই বুদ্ধি ক'লে—"সকলোৱে নিজ নিজ দল লগত লৈ বেলেগে বেলেগে যোৱা।" ৯২ ॥

"হে সতীৰ্থসকল! আমাৰ এই বৰযাত্ৰাৰ আয়োজন বৰৰ অনুৰূপ হোৱা নাই। লোকৰ নগৰত গৈ আমি হাঁহিয়াতৰ পাত্ৰ হম।" বিষ্ণুৰ কথা শুনি দেৱতাসকলে হাঁহিলে আৰু নিজ নিজ সেনাৰে সৈতে বেলেগে বেলেগে যাবলৈ ধৰিলে। ১ ॥

মহাদেৱৰ মনে মনে হাঁহি উঠিল। ভাবিলে যে বিষ্ণুৰ ৰং-তামচাৰ কথাবোৰ নাযায় আৰু। প্ৰিয়জনৰ (বিষ্ণু) এই প্ৰিয়বচন শুনি শিৱয়ো ভৃংগীক পঠিয়াই নিজৰ সকলো গণকে মতাই আনিলে। ২ ॥

শিৱৰ আজ্ঞা শুনি সকলোৱে আহি প্ৰভুৰ পদপংকজত শিৰ নত কৰিলে। নিজৰ দলত বিধে বিধে যান-বাহন লৈ নানা বেশ ধৰি অহা লোকসকলক দেখি শিৱৰো হাঁহি উঠিল। ৩ ॥

কাৰোবাৰ মুখকে নাই, কাৰোবাৰ মুখখন ডাঙৰ, কাৰোবাৰ হাত-ভৰি নাই, কাৰোবাৰ আকৌ হাত-ভৰি হিচাপতকৈ বেছিকৈ, কাৰোবাৰ বহুত চকু, কাৰোবাৰ আকৌ এটিও চকু নাই, কোনোবাটো হৃষ্ট-পুষ্ট, কোনোবাটো আকৌ তেনেই ক্ষীণ। ৪ ॥

কোনোবাটি অতি লাহী, কোনোবাটি বেছি শকত, কাৰোবাৰ পৱিত্ৰ বেশ, কাৰোবাৰ আকৌ অপবিত্ৰ। সকলোৱে ভয়ংকৰ অলংকাৰ পৰিধান কৰিছে। হাতত নৰ-কংকাল আৰু সকলোৱে গাত নতুন তেজৰ প্ৰলেপ সনা। গাধ, কুকুৰ, গাহৰি আৰু শিয়ালৰ দৰেই তেওঁলোকৰ মুখবোৰ। এই গণসমূহৰ অগণন বেশ ; কোনে গণি শেষ কৰিব ? সেই সমদলত অনেক প্ৰকাৰৰ প্ৰেত, পিশাচ আৰু যোগিনীও সমবেত হৈছিল। তাৰ বৰ্ণনা দি শেষ কৰিব নোৱাৰি।

সো:—ভূত-প্ৰেতবোৰে নাচ-গান কৰি পৰম আনন্দ উপভোগ কৰিছে। দেখাত সিইত অতি বিপৰীত ধৰণৰ আৰু কথা কোৱাৰ ধৰণো বিচিত্ৰ। ৯৩॥

চৌ:—এতিয়া বৰ যেনেকুৱা বৰযাত্ৰীও তেনেকুৱা হ'ল। বাটত যাওঁতে তেওঁলোকে অনেক ধৰণৰ কৌতুক কৰি গৈছে। ইফালে হিমালয়ে এনে বিচিত্ৰ বভা সজালে যে তাৰ বৰ্ণনাই দিব নোৱাৰি। ১॥

পৃথিৱীত যিমানবোৰ সৰু-ডাঙৰ পৰ্বত আছে, যিবোৰৰ বৰ্ণনা দি শেষ কৰিব নোৱাৰি আৰু সেইদৰে যিমানবোৰ বন, সাগৰ, নদী আৰু জলাশয় আছে, হিমালয়ে সেই সকলোৰিলৈকে নিমন্ত্ৰণ জনালে। ২॥

ইচ্ছামতে ৰূপ ধাৰণ কৰিব পৰা সেই সকলোৱেই সুন্দৰ শৰীৰ ধাৰণ কৰি সুন্দৰী স্ত্ৰী আৰু নগৰীয়াৰে সৈতে হিমালয়ৰ ঘৰলৈ গ'ল আৰু আগ্ৰহেৰে সৈতে মংগল-গীত গাবলৈ ধৰিলে। ৩॥

গিৰিৰাজে আগৰেপৰা বহুত ঘৰ-দুৱাৰ সজাই থৈছিল। সকলোবিলাক যথাযোগ্য স্থানত উপস্থিত হ'ল। নগৰৰ শোভা দেখি ব্ৰহ্মাৰ নিপুণতাও তুচ্ছ যেন বোধ হ'ল। ৪॥

ছন্দ—নগৰৰ শোভাই সঁচাকৈয়ে ব্ৰহ্মাৰ নিপুণতাকো চেৰ পেলাইছিল। বন-উপবন, কুঁৱা, পুখুৰী, নদী—সকলো সুন্দৰ; তাৰ বৰ্ণনা (যথাযথভাৱে) কোনে দিব পাৰে? ঘৰে ঘৰে অনেক মংগল-তোৰণ আৰু ধ্বজা, পতাকা শোভিত হৈ আছে। তাত থকা চতুৰ আৰু সুন্দৰ পুৰুষ-নাৰীসকলক দেখিলে মুনিৰো মন মুগ্ধ হয়॥

যি নগৰত স্বয়ং জগতৰ মাতাই অৱতাৰ লৈছে, তাৰ কি বৰ্ণনা দিব পাৰি! তাত ঋদ্ধি, সিদ্ধি, সম্পত্তি আৰু সুখ নিত্য নতুনভাৱে বৃদ্ধি হয়। ৯৪॥

চৌ:—বৰযাত্ৰী নগৰ পালেহি বুলি শুনি নগৰত হৈ-চৈ লাগি পৰিল। এই হৈ-চৈয়ে নগৰৰ শোভা আৰু বৃদ্ধিহে কৰিলে। আদৰি আনিবলৈ যোৱা মানুহবিলাকে সাজ-সজ্জা কৰি নানা ধৰণৰ বাহন লৈ বৰযাত্ৰীক আগবঢ়াই আনিবলৈ গ'ল। ১॥

দেৱতাৰ সমদল দেখি সকলো আনন্দিত হ'ল আৰু ভগৱান হৰিক দেখি আৰু বেছি আনন্দিত হ'ল। কিন্তু যেতিয়া শিৱৰ সমদলটো দেখিবলৈ পালে, তেতিয়া আদৰিবলৈ যোৱা দলৰ হাতী, ঘোঁৰা প্ৰভৃতি বাহনবোৰে ভয়তে চাপলি মেলিলে। ২॥

কোনো কোনো প্ৰাপ্তবয়স্ক বুজন লোকহে ধৈৰ্য ধৰি তাত ৰৈ থাকিল;

ল'ৰাবিলাকো অমত প্ৰাণপণে পলালে। ঘৰত যেতিয়া মাক-বাপেকে সুধিলে, তেতিয়া সিহঁতে ভয়তে কঁপি কঁপি এই বুলি ক'লে—"কিনো কম, কথা ক'বই নোৱাৰি। এইবোৰ বৰযাত্ৰী নে যমৰ সৈন্য? দৰাটো পাগল নে কি—বলধ গৰুৰ ওপৰত উঠি আহিছে? সিহঁতে গাত অলংকাৰ পিন্ধিছে কি—সাপ, মানুহৰ লাওখোলা, ভস্ম—এইবোৰ। ৩। ৪॥

ছঃ—"দৰাৰ গাত ভস্ম সনা, সাপ আৰু নৰমুণ্ডৰ গহনা। মানুহটো হ'ল উলংগ, মূৰত জটাৰে সৈতে ভয়ংকৰ। লগত আহিছে বিকট মুখেৰে সৈতে ভূত, প্ৰেত, পিশাচ, যোগিনী আৰু নিশাচৰ (ৰাক্ষস)। যি এই বৰযাত্ৰী দেখি বাঁচি থাকিব পাৰিব, সঁচাকৈয়ে তেওঁৰ পুণ্য অলপীয়া নহ'ব আৰু তেনেকুৱা মানুহেহে উমাৰ বিয়াও চাব পাৰিব।" ঘৰে ঘৰে ল'ৰাবোৰে এই কথাকে ক'লেহি।

দোঃ—সেয়া শিৱৰ সমদল বুলি জানিব পাৰি মাক-বাপেকবোৰে মিচিকিয়াই হাঁহিলে। তেওঁলোকে ল'ৰাবিলাকক বহুত বুজাবলৈ ধৰিলে—"ভয় নকৰিবি। ভয়ৰ একো কাৰণ নাই।" ৯৫॥

আগবঢ়াই আনিবলৈ যোৱা মানুহে বৰযাত্ৰীসকলক নি সুন্দৰ ঠাইত বহিবলৈ-মেলিবলৈ দিলে। মেনকাই মংগল আৰতি সজালে আৰু তেওঁৰ লগত অন্য মাইকী মানুহে মাংগলিক গীত গাবলৈ ধৰিলে। ১॥

ধুনীয়া হাতত সোণৰ থাল লৈ মেনকাই হৰক আদৰিবলৈ গ'ল। যেতিয়া মহাদেৱক ভয়ংকৰ ৰূপত দেখিলে তেতিয়া নাৰীসকলৰ মনত বৰ ভয় লাগিল। ২॥

ভয়তে তেওঁলোক ঘৰলৈ ভাগিল। শিৱ বৰযাত্ৰীসকল থকা ঠাইলৈ গ'ল। মেনকাৰ মনত অতি দুখ লাগিল। তেওঁ উমাক ওচৰলৈ মাতি নিলে। ৩॥

তেওঁ উমাক মৰমেৰে কোলাত বহুৱাই লৈ নীলা পদুমৰ দৰে চকু দুটি চকুপানীৰে চলচলীয়া কৰি ক'লে—"যিজন বিধাতাই তোমাক এনেকুৱা ৰূপ দিলে, সেই মূৰ্খইনো তোমাৰ দৰাটোক এনেকুৱা পগলা কৰি সৃজিলে কিয়? ৪॥

ছন্দ—"যি বিধাতাই তোমাক সৌন্দৰ্য দান কৰিলে, সেই বিধাতাৱে তোমাৰ বাবে পগলা দৰাৰ সৃষ্টি কেনেকৈ কৰিলে? যি ফল কল্পবৃক্ষত লগা উচিত আছিল সেই ফল জোৰেৰে বকুল গছত লগোৱা হ'ল। মই তোমাৰে সৈতে পৰ্বতৰ পৰা জাপ দিম, জুইত পৰি জাহ যাম, অথবা সমুদ্ৰত জাপ দিম। লাগিলে ঘৰ ভাগি যাওক আৰু সংসাৰত কুকীৰ্তি থাকক, তথাপি জীয়াই থকাৰ কালত মই তোমাক এই পগলা দৰালৈ বিয়া নিদিওঁ।"

দোঃ—হিমালয়-পত্নীক দুখ কৰা দেখি গোটেই তিৰোতাবোৰ ব্যাকুল হৈ পৰিল। মেনকাই জীয়েকৰ মৰমতে বিনাবলৈ ধৰিলে। তেওঁ কান্দি কান্দি ক'লে—। ৯৬ ॥

"মই নাৰদক কি আমনি কৰিছিলোঁ, তেওঁ যে মোৰ হোৱা ঘৰখন ভাঙিলে আৰু উমাক এই উপদেশ দিলে। তাৰ বাবেহে উমাই পগলা দৰাৰ কাৰণে তপ কৰিলে। ১ ॥

"সঁচাকৈয়ে তেওঁৰ একো মায়া নাই, মমতা নাই, ধন নাই, ঘৰ-দুৱাৰ বুলিবলৈ নাই, তিৰোতা বুলিবলৈ নাই, তেওঁ সকলোৰে প্ৰতি উদাসীন। সেয়েহে তেওঁ লোকৰো ঘৰ ভাঙি ফুৰে। তেওঁৰ একো লাজো নাই, ভয়ো নাই। এৰা, কাঠবাজীয়ে প্ৰসব-বেদনাৰ কথা কি জানে?" ২ ॥

মাকক বিয়াকুল হোৱা দেখি উমাই কোমল মাতেৰে যুক্তিৰ কথা ক'বলৈ ধৰিলে—"মা, বিধাতাই যিটো হ'ব বুলি লিখিলে তাক আৰু গুচাব নোৱাৰি; তুমি এই কথা মনতে চিন্তা কৰি চোৱাঁ। ৩ ॥

"যদি মোৰ ভাগ্যত পগলা স্বামীহে লিখিছে, তেনেহ'লে লোকক দোষ দিলে কি হ'ব? কোৱা আই! বিধাতাৰ লিখা জানো তুমি মোহাৰি দিব পাৰিবা? গতিকে মিছাতে কলংকৰ ভাগী নহবা। ৪ ॥

"আই! কলংক সানি নলৈ কান্দিবলৈ এৰাঁ, এয়া বেজাৰ কৰাৰ সময় নহয়। মোৰ ভাগ্যত যি দুখ-সুখ লিখিলে তাৰে মই য'লৈকে যাব লাগে তলৈকে যাম।" উমাৰ এই বিনীত কোমল কথা শুনি গোটেই তিৰোতা-বোৰে ভাবিবলৈ ধৰিলে; বিধাতাক নানা দোষ দি চকুপানী টুকিবলৈ ধৰিলে।

দোঃ—এই বাতৰি পাই হিমালয়ে তৎক্ষণাৎ নাৰদ আৰু সপ্তৰ্ষিগণক লৈ নিজৰ ঘৰ পালেগৈ। ৯৭ ॥

চৌঃ—তেতিয়া নাৰদে পূৰ্বজন্মৰ কথা কৈ সকলোকে বুজনি দিলে। (বুজনিয়ে ক'লে)—"হে মেনকা, মই সঁচাকৈ কৈছোঁ, শুনা—তোমাৰ এই ছোৱালীটি স্বয়ং জগজ্জননী ভৱানী। ১ ॥

এওঁ জন্মৰহিত, অনাদি আৰু অবিনাশী শক্তি; যি সদায় ভগৱান শিৱৰ অৰ্দ্ধাংগত বাস কৰে। এওঁ জগতৰ সৃষ্টি, স্থিতি আৰু প্ৰলয়কাৰিণী। এওঁ নিজৰ ইচ্ছা অনুসাৰে লীলা-শৰীৰ ধাৰণ কৰে। ২ ॥

আগতে এওঁ দক্ষৰ ঘৰত জন্ম লৈছিল; তেতিয়া তেওঁ সতী নামেৰে

সুন্দৰ শৰীৰ লাভ কৰিছিল। তেতিয়া সতীক শংকৰে বিয়া কৰাইছিল। এই কথা গোটেই জগতত্তে প্ৰসিদ্ধ। ৩ ॥

এবাৰ তেওঁ শিৱৰ লগত গৈ থাকোঁতে ৰঘুকুল কমলৰ বাবে সূৰ্যস্বৰূপ শ্ৰীৰামক দেখিলে। তেতিয়া তেওঁৰ মনত মোহ উপজিল আৰু তেওঁ শিৱৰ কথা নেমানি মোহবশতঃ সীতাৰ বেশ ধৰিছিল। ৪ ॥

ছন্দঃ—সতীয়ে সীতাৰ বেশ ধৰাৰ অপৰাধৰ কাৰণে শংকৰে তেওঁক ত্যাগ কৰিলে। পাছত শিৱৰ বিৰহত এওঁ পিতাকৰ যজ্ঞলৈ গৈ তাতে যোগ-অগ্নিত ভস্মীভূত হ'ল। এতিয়া তেওঁ তোমাৰ ঘৰত জন্ম লৈ নিজৰ পতিক পাবলৈ বুলি কঠোৰ তপস্যা কৰিছে। তাকে জানি সংশয় ত্যাগ কৰা, পাৰ্বতী সদায়েই শংকৰৰ প্ৰিয়া।

দোঃ—তেতিয়া নাৰদৰ কথা শুনি সকলোৰে বিষাদ আঁতৰিল। ক্ষন্তেকতে এই সংবাদ নগৰত ঘৰে ঘৰে বিয়পি পৰিল। ৯৮ ॥

চৌঃ—তেতিয়া মেনকা আৰু হিমালয় আনন্দত মগ্ন হৈ পৰিল। তেওঁলোকে বাৰে বাৰে পাৰ্বতীৰ চৰণ বন্দনা কৰিবলৈ ধৰিলে। নাৰী, পুৰুষ, শিশু, যুৱা আৰু বৃদ্ধ—নগৰৰ সকলো লোক অতি আনন্দিত হ'ল। ১ ॥

নগৰ জুৰি মংগল-গীত গোৱা হ'ল, সকলোৱে বিধে বিধে সোণৰ কলসী সজালে। ৰন্ধন-শাস্ত্ৰত থকা মতে বিধে বিধে ৰন্ধা-বঢ়া কৰোৱা হ'ল। ২ ॥

যিখন ঘৰত আই ভৱানীয়ে বাস কৰিছে তাৰ ভোজন-সামগ্ৰীৰ বৰ্ণনা কেনেকৈ দিব পাৰি? হিমালয়ে আদৰ পূৰ্বক সকলো বৰযাত্ৰীকে—বিষ্ণু, ব্ৰহ্মা আৰু অন্যান্য সকলো দেৱতাকে মাতি নিলে। ৩ ॥

ভোজন (কৰোঁতাসকল)ৰ কেইবাটাও শাৰী বহুওৱা হ'ল। বুধিয়ক ৰান্ধনি-বোৰ পৰিবেশন কৰিবলৈ লাগিল। তিৰোতা মানুহবিলাকে দেৱতাসকলে ভোজন কৰিছে বুলি জানি মিঠা মিঠা কথাৰে যোৰা-নাম গাই গালি দিবলৈ ধৰিলে। ৪ ॥

সুন্দৰী তিৰোতাবোৰে মিঠা মাতেৰে ঠাট্টা মস্কৰা কৰা সেই আনন্দদায়ক কথাবোৰ শুনি দেৱতাসকলে বৰ স্ফূৰ্তি পালে আৰু সেইবাবে তেওঁলোকে পাওঁতে বহুত পৰ লাগিল। খোৱাৰ সময়ত আনন্দ বিৰহে বাঢ়ি গৈছিল তাক অসংখ্য মুখেৰেও কৈ শেষ কৰিব নোৱাৰি। [ভোজনৰ শেষত] সকলোকে হাত-মুখ ধোৱাৰ পাছত তাম্বোল দিয়া হ'ল আৰু আগতে আহি যি হ'ত আছিলেহি, সকলোটি বিদায়িহি ভাবৈ গ'ল।

তাৰ পাছত মুনিসকলে হিমালয়ক লগ্ন গাই শুনালে আৰু বিবাহৰ সময় উপস্থিত হোৱাত দেৱতাসকলক মাতি পঠোৱা হ'ল। ৯৯ ॥

চৌঃ—সকলো দেৱতাকে সাদৰে মাতি আনি যথাযোগ্য আসন দিয়া হ'ল। বৈদিক নিয়মেৰে বেদী নিৰ্মাণ কৰা হ'ল আৰু তিৰোতাসকলে মনোমোহা মংগল-গীত গাবলৈ ধৰিলে। ১ ॥

অতি সুন্দৰ দিব্য সিংহাসন এখন ব্ৰহ্মাই নিৰ্মাণ কৰিলে; তাৰ সৌন্দৰ্য বৰ্ণনাৰো অতীত। ব্ৰাহ্মণসকলক প্ৰণাম কৰি আৰু হৃদয়ত নিজৰ প্ৰভু ৰঘুনাথক স্মৰণ কৰি শিৱ সেই সিংহাসনত বহিলগৈ। ২ ॥

তাৰ পাছত মুনিসকলে উমাক মাতিলে। সখীয়েকহঁতে সজাই পৰাই তেওঁক উলিয়াই আনিলে। উমাৰ ৰূপ দেখি দেৱতাসকল মোহিত হ'ল। সেই ৰূপ বৰ্ণনা কৰিব পৰা কবি সংসাৰত কোন আছে? ৩ ॥

উমাক জগন্মাতা আৰু শিৱ-পত্নী বুলি জানি দেৱতাসকলে মনে মনে প্ৰণাম কৰিলে। ভৱানী সৌন্দৰ্যৰ সীমা স্বৰূপ। কোটিখন মুখেৰেও এই সৌন্দৰ্যৰ বৰ্ণনা দিব নোৱাৰি। ৪ ॥

যি জগজ্জননী উমাৰ অতুলনীয় শোভাৰ বৰ্ণনা কোটিখন মুখেৰেও দিব নোৱাৰি; বেদ, অনন্তনাগ আৰু সৰস্বতীও যাৰ কথা কবলৈ গৈ কোঁচ খায়, সেই উমাৰ বৰ্ণনা দিবলৈ মন্দমতি তুলসী আৰু কোন? সৌন্দৰ্যৰ আকৰস্বৰূপ মাতা ভৱানী মণ্ডপৰ মাজত শিৱ থকা ঠাইলৈ গ'ল। সংকোচৰ বাবে তেওঁ পতিৰ চৰণ-কমল দুটি চকুৰে চাব নোৱাৰিলে যদিও তেওঁৰ মন-ভোমোৰা সেই চৰণ-কমলতে ৰস পান কৰি আছিল।

দোঃ—মুনিসকলৰ আদেশমতে শিৱ-পাৰ্বতীয়ে গণপতিৰ পূজা কৰিলে। দেৱতাসকলক অনাদি বুলি বুজি কোনেও যেন এই কথা (শিৱ-পাৰ্বতীৰ সন্তান গণেশৰ পূজা) শুনি সংশয় নকৰে। ১০০ ॥

চৌঃ—বেদত বিবাহৰ বিষয়ে নিয়মৰ কথা আছে, মহামুনিসকলে সেই সকলোবোৰ কৰালে। গিৰিৰাজ হিমালয়ে হাতত কুশ লৈ কন্যাৰ হাত ধৰি তেওঁক ভৱপত্নী বুলি জানি শিৱক সমৰ্পণ কৰিলে। ১ ॥

যেতিয়া মহাদেৱে পাৰ্বতীৰ পাণি গ্ৰহণ কৰিলে, তেতিয়া দেৱতাসকলৰ মনত আনন্দ লাগিল। শ্ৰেষ্ঠ মুনিসকলে বেদ-মন্ত্ৰ উচ্চাৰণ কৰিবলৈ ধৰিলে আৰু দেৱতাসকলে 'শংকৰৰ জয় হওক' বুলি ধ্বনি কৰিলে। ২ ॥

নানা প্ৰকাৰৰ বাদ্য বাজি উঠিল। আকাশৰপৰা নানা জাতৰ পুষ্প-

বৃষ্টি হ'ল। শিৱ-পাৰ্বতীৰ বিবাহ সম্পন্ন হ'ল। সমস্ত ভুৱনতে আনন্দ উপচি পৰিল। ৩ ॥

দাস-দাসী, ৰথ, ঘোঁৰা, হাতী, গৰু, বস্ত্ৰ, অলংকাৰ আদি অনেক ধৰণৰ বস্তু, অন্ন আৰু সোণৰ বাচন-বৰ্তন গাড়ীত ভৰাই যৌতুক দিলে। সেইবিলাকৰ বৰ্ণনা দি শেষ কৰিব নোৱাৰি। ৪ ॥

ছন্দ—অনেক বিধৰ যৌতুক দি হিমালয়ে হাত যোৰ কৰি ক'লে—"হে শংকৰ, তুমি পূৰ্ণকাম, মই তোমাক কি দিম ?" হিমালয় শিৱৰ পদ-পংকজত ধৰি ৰৈ গ'ল। তেতিয়া কৃপাৰ সাগৰ মহাদেৱে শহুৰেকক সকলোপ্ৰকাৰে সন্তোষ দিলে আৰু প্ৰেম-ভক্তিৰে হৃদয় উপচি থকা মেনকাই শিৱৰ চৰণ-কমলত ধৰি ক'লে।

দোঃ—"হে (জগতৰ) স্বামী, উমা মোৰ প্ৰাণ স্বৰূপা। তুমি তেওঁক তোমাৰ ঘৰৰ দাসী কৰিবা আৰু তেওঁৰ সকলো অপৰাধ ক্ষমা কৰিবা। এতিয়া প্ৰসন্ন হৈ মোক এই বৰ দিয়া। ১০১ ॥

চৌঃ—সদাশিৱই শাহুৱেকক বহুত বুজনি দিলে। তেওঁ তেতিয়া শিৱৰ চৰণত প্ৰণাম কৰি ঘৰলৈ গ'ল আৰু উমাক মাতি আনি কোলাত লৈ এই সুন্দৰ শিক্ষা দিলে—১ ॥

"তুমি সদায় শংকৰৰ চৰণত পূজা কৰিবা, নাৰীৰ বাবে এয়ে ধৰ্ম। পতিয়েই নাৰীৰ দেৱতা আৰু দ্বিতীয় দেৱতা কোনো নাই।" এই বুলি কথা কৈ থাকোঁতেই তেওঁৰ চকু পানীৰে ভৰি পৰিল আৰু তেওঁ জীয়েকক বুকুত সাৱটি ল'লে। ২ ॥

"বিধাতাই সংসাৰত নাৰী জাতিটোক নো কিয় সৃষ্টি কৰিলে? পৰাধীন মানুহৰ সপোনতো সুখ নিমিলে"—এইদৰে কৈ মাক মৰমতে পমি গ'ল, কিন্তু এয়া (দুখ কৰাৰ) সময় নহয় বুলি তেওঁ ধৈৰ্য ধৰিলে। ৩ ॥

মেনকা বাৰে বাৰে উমাৰ ওচৰ চাপে আৰু ভৰিত সাৱটি ধৰি বাগৰি পৰে। এই পৰম স্নেহৰ বৰ্ণনা দি শেষ কৰিব নোৱাৰি। ভৱানীয়ে সকলো তিৰোতাৰে সৈতে দেখা-সাক্ষাৎ কৰি আকৌ মাকক সাৱটি ধৰিলেগৈ। ৪ ॥

উমা তুনাই মাকৰ ওচৰলৈ গৈ যাবলৈ ওলাল। সকলোৱে তেওঁক যোগ্য আশীৰ্বাদ দিলে। উমাই যাবৰ সময়তো মাকৰফালে বাৰে বাৰে উলটি উলটি চাই গ'ল। সখীয়েকহঁতে উমাক শিৱৰ ওচৰলৈ লৈ গ'ল। মহাদেৱে সকলো মগনীয়া-খোজনীয়াকে সন্তুষ্ট কৰি উমাক লগত লৈ কৈলাসলৈ উভতিলে। দেৱতাসকলে আনন্দতে পুষ্প-বৃষ্টি কৰিলে আৰু আকাশত দুন্দুভি বাজি উঠিল।

দোঃ—হিমালয়ে শিৱক অতি শ্ৰদ্ধাৰে সৈতে থৈ আহিবলৈ গ'ল। শিৱয়ো সকলো প্ৰকাৰে তেওঁক সন্তুষ্ট কৰি বিদায় দিলে। ১০২ ॥

চৌঃ—গিৰিৰাজ হিমালয় লৰালৰিকৈ ঘৰলৈ ঘূৰি গ'ল আৰু সকলো পৰ্বত-সৰোবৰকে মাতি, গোটাই লৈ বহুত মান-সৎকাৰ, আদৰ, দান-দক্ষিণা কৰি তেওঁলোকক বিদায় দিলে। ১ ॥

শিৱ গৈ কৈলাসত উপস্থিত হ'ল। আন আন দেৱতাসকলো নিজ নিজ লোকলৈ গমন কৰিলে। (তুলসীদাসে কৈছে) শিৱ পাৰ্বতী জগতৰে পিতৃ-মাতৃ, গতিকে মই সেইসকলৰ শৃংগাৰৰ বৰ্ণনা নকৰোঁ। ২ ॥

শিৱ-পাৰ্বতীয়ে অনেক ভোগ-বিলাস কৰি গণসমূহৰ সৈতে কৈলাসত বাস কৰিবলৈ ধৰিলে। তেওঁলোকে নিত্য-নতুন বিহাৰ কৰিবলৈ ধৰিলে। এইদৰে বহুকাল পাৰ হৈ গ'ল। ৩ ॥

তেতিয়া ছমুখীয়া কুমাৰ কাৰ্তিকৰ জন্ম হ'ল, এৱেঁই যুদ্ধত তাৰকাসুৰক বধ কৰিলে। বেদ, শাস্ত্ৰ আৰু পুৰাণত ষড়ানন কাৰ্তিকৰ জন্ম-কথা প্ৰসিদ্ধ আৰু এই কথা গোটেই জগতে জানে। ৪ ॥

ছন্দ—ষড়াননৰ জন্ম, কৰ্ম, প্ৰতাপ আৰু মহান পুৰুষাৰ্থৰ কথা জগতে জানে। গতিকে মই শিৱ-পুত্ৰৰ চৰিত্ৰ সংক্ষেপ কৰিহে ক'লোঁ। শিৱ-পাৰ্বতীৰ এই বিবাহৰ কথা যি নৰ-নাৰীয়ে কীৰ্তন কৰে আৰু শ্ৰৱণ কৰে, তেওঁলোকে মাংগলিক কাৰ্য, বিবাহাদিত সদায় সুখ লাভ কৰে।

উমাপতি শিৱৰ চৰিত্ৰ সমুদ্ৰৰ নিচিনা, বেদেও ইয়াৰ পাৰ নাপায়। তেনে স্থলত অত্যন্ত মন্দমতি আৰু গ্ৰাম্যস্বভাৱৰ তুলসীদাসে ইয়াৰ বৰ্ণনা কি সাধ্যে কৰিব? ১০৩ ॥

চৌঃ—শিৱৰ সৰস চৰিত্ৰৰ কথা (যাজ্ঞবল্ক্যৰ পৰা) শুনি ভৰদ্বাজে বৰ সন্তোষ পালে। কথা শুনিবৰ কাৰণে তেওঁৰ হেঁপাহ আৰু বাঢ়িল। চকু চল্-চলীয়া হ'ল, শৰীৰ পুলকিত হৈ উঠিল। ১ ॥

তেওঁ প্ৰেম-ভক্তিত গদ্‌গদ্ হৈ পৰিল। তেওঁৰ সেই অৱস্থা দেখি জ্ঞানী মুনি যাজ্ঞবল্ক্য আনন্দিত হ'ল। তেওঁ ক'লে—"হে মুনিবৰ,! তোমাৰ জন্ম ধন্য, গৌৰীপতি শিৱ তোমাৰ প্ৰাণৰ সমান প্ৰিয়। ২ ॥

"শিৱৰ চৰণ-কমলত যাৰ ৰতি নহয়, তেওঁ স্বপ্নতো ৰামৰ প্ৰতি অনুৰক্ত নহয়। বিশ্বনাথ শিৱৰ চৰণত কপটহীন ভক্তিয়েই ৰামভক্তৰ লক্ষণ। ৩ ॥

"সদাশিৱৰ নিচিনা ৰামৰ (ভক্তি) ব্ৰত ধাৰণ কৰোঁতা আৰু কোন আছে?

শিৱই সতীহেন নিষ্পাপ পত্নীকো ত্যাগ কৰিলে আৰু প্ৰতিজ্ঞা কৰি ৰামভক্তি প্ৰদৰ্শন কৰিলে। হে ভাই, শিৱৰ সমান শ্ৰীৰামৰ প্ৰিয়পাত্ৰ আৰু কোন আছে?" ৪ ॥

দোঃ—"মই প্ৰথমতে শিৱৰ চৰিত শুনাই তোমাৰ মনটো বুজি ললোঁ। তুমি শ্ৰীৰামৰ পৱিত্ৰ সেৱক আৰু সকলো প্ৰকাৰে নিৰ্দোষ ব্যক্তি।

চৌঃ—"মই তোমাৰ গুণ আৰু চৰিত্ৰ জানি ললোঁ। মই এতিয়া ৰামৰ লীলাৰ কথা কওঁ, শুনা। আৰু শুনা মুনি! আজি মই তোমাক লগ পাই যি আনন্দ পালোঁ, তাক বৰ্ণনা কৰিব নোৱাৰি। ১ ॥

"হে মুনিবৰ, ৰামৰ চৰিত্ৰ পাৰহীন, অন্তহীন। এশকোটি অনন্তনাগেও ইয়াক কৈ শেষ কৰিব নোৱাৰে। তথাপি মই যেনেকৈ শুনিবলৈ পাইছোঁ, সেইদৰে, সৰস্বতীৰ স্বামী ধনুৰ্ধৰ প্ৰভুক চিন্তি কব খুজিছোঁ। ২ ॥

সৰস্বতী দেৱী কাঠৰ পুতলাৰ নিচিনা; অন্তৰ্যামী প্ৰভু শ্ৰীৰাম এই পুতলা নচুৱাওঁতা সূত্ৰধাৰ। নিজৰ ভক্ত বুলি জানি তেওঁ যি কৱিকে কৃপা কৰিব, তেওঁৰেই হৃদয়ৰ চোতালত সৰস্বতীক তেওঁ (পুতলাৰ দৰে) নচুৱায়। ৩ ॥

সেই কৃপালু ৰঘুনাথক মই প্ৰমাণ কৰিছোঁ আৰু তেওঁৰ নিৰ্মল গুণ-ৰাশিৰ কীৰ্তন কৰিব খুজিছোঁ। কৈলাস পৰ্বতৰ ভিতৰত শ্ৰেষ্ঠ আৰু অতি ৰম্য। তাতে শিৱ-পাৰ্বতীয়ে বাস কৰে। ৪ ॥

দোঃ—সেই পৰ্বতত সিদ্ধ, তপস্বী, যোগী, দেৱতা, কিন্নৰ আৰু মুনিবৃন্দই বাস কৰে। এই সকলোৱেই অতি পুণ্যাত্মা আৰু তেওঁলোকে আনন্দৰ উৎসস্বৰূপ ভগৱান শিৱৰ সেৱা কৰে। ১০৫ ॥

চৌঃ—যি লোক ভগৱান বিষ্ণু আৰু শিৱৰ প্ৰতি বিমুখ আৰু যাৰ ধৰ্মত ৰতি নাই, তেনে মানুহে সপোনতো কৈলাসলৈ যাব নোৱাৰে। সেই পৰ্বতত এজোপা প্ৰকাণ্ড বৰ গছ আছে। সেই গছজোপা নিত্য নতুন আৰু সকলো সময়তে সুন্দৰ। ১ ॥

তাত [শীতল, মৃদু আৰু সুগন্ধি] তিনি প্ৰকাৰৰ বায়ু বৈ থাকে। সেই গছৰ ছাঁ অতি শীতল। সেই জোপা শিৱৰ বিশ্ৰাম লোৱা গছ বুলি বেদেও কৈছে। এবাৰ প্ৰভু সদাশিৱ সেই গছৰ তললৈ গ'ল আৰু তাক দেখি তেওঁৰ মনত বৰ আনন্দ লাগিল। ২ ॥

নিজ হাতেৰে বাঘছাল পাৰি কৃপাময় শিৱ কোনো প্ৰয়োজন নোহোৱাকৈয়ে তাত বহিলে। তেওঁৰ শৰীৰ কুন্দফুল, চন্দ্ৰমা আৰু শংখৰ দৰে বগা, বাহু দুটা দীঘলীয়া আৰু তেওঁ মুনিৰ দৰে বস্ত্ৰ পৰিধান কৰিছিল। ৩ ॥

তেওঁৰ চৰণযুগল নৱপদ্মসদৃশ, নখৰ জ্যোতিয়ে ভক্তৰ মনৰ অন্ধকাৰ দূৰ কৰে। সাপ আৰু ভস্মই তেওঁৰ শৰীৰৰ ভূষণ। মুখৰ শোভাই শৰৎ কালীন চন্দ্ৰৰ সৌন্দৰ্যকো চেৰ পেলায়। ৫ ॥

দোঃ—তেওঁৰ শিৰত জঁটাৰ মুকুট আৰু দেৱনদী গংগাই শোভা পাইছে। পদুমৰ দৰে বিশাল চকু আৰু নীলা কণ্ঠেৰে সৈতে তেওঁ সৌন্দৰ্যৰ ভঁৰাল-স্বৰূপ। তেওঁৰ কপালত দ্বিতীয়াৰ চন্দ্ৰই শোভা কৰিছে। ১০৬ ॥

চৌঃ—কামদেৱৰ শত্ৰু শিৱ তাত এনেদৰে বহি আছে যেন শৰীৰ-ধাৰী শান্ত ৰসহে। ভৱানী পাৰ্বতী এই সুবৰ্ণ সুযোগ পাই শিৱৰ ওচৰলৈ গ'ল। ১ ॥

প্ৰিয় পত্নী আহিছে বুলি জানি শিৱই বৰ আদৰ কৰিলে আৰু তেওঁৰ বাওঁকাষে আসন দিলে। পাৰ্বতীও আনন্দ মনেৰে শিৱৰ ওচৰত বহিল। তেওঁৰ পূৰ্ব জন্মৰ কথা মনত পৰিল। ২ ॥

স্বামীৰ হৃদয়ত অধিক স্নেহৰ আভাস পাই পাৰ্বতীয়ে হাঁহি মাৰি মিঠা কথা আৰম্ভ কৰিলে আৰু সৰ্বলোকৰ হিতকাৰী কথাকেই সুধিব খুজিলে। ৩ ॥

পাৰ্বতীয়ে ক'লে, "হে বিশ্বনাথ আৰু মোৰ স্বামী, হে ত্ৰিপুৰাৰি, তোমাৰ মহিমা তিনিও লোকতে প্ৰসিদ্ধ। চৰ, অচৰ, নাগ, মনুষ্য দেৱতা—সকলোৱে তোমাৰ চৰণকমলৰ সেৱা কৰে। ৪ ॥

দোঃ—"হে প্ৰভু, তুমি সমৰ্থ, সৰ্বজ্ঞ আৰু কল্যাণ স্বৰূপ, সকলো কলা আৰু গুণৰ নিধান, যোগ, জ্ঞান আৰু বৈৰাগ্যৰ ভাণ্ডাৰ। তোমাৰ নামেই শৰণাগতৰ কল্পতৰু স্বৰূপ। ১০৭ ॥

চৌঃ—"হে সুখৰ ৰাশিস্বৰূপ, যদি তুমি মোৰ প্ৰতি প্ৰসন্ন হৈছা আৰু মোক সঁচাকৈয়ে তোমাৰ দাসী বুলি ভাবিছা, তেনেহ'লে প্ৰভু, তুমি ৰঘুনাথৰ নানা প্ৰকাৰৰ লীলাৰ কথা কৈ মোৰ অজ্ঞানতা দূৰ কৰা। ১ ॥

"যাৰ ঘৰ কল্পবৃক্ষৰ তলত, তেওঁ আৰু দৰিদ্ৰতাজনিত দুখ কিয় সহ্য কৰিব? হে শশীভূষণ! হে নাথ, হৃদয়ত ইয়াকে বিচাৰ কৰি তুমি মোৰ বুদ্ধিৰ ভয়ানক ভ্ৰম দূৰ কৰা। ২ ॥

"হে প্ৰভু, যিসকল পৰম তত্ত্বজ্ঞ মুনি, তেওঁলোকে ৰামক অনাদি ব্ৰহ্ম বোলে। অনন্ত নাগ, সৰস্বতী, বেদ আৰু পুৰাণ—এই সকলোৱেই ৰঘুনাথৰ গুণগান কৰে। ৩ ॥

'হে কামদেৱৰ শত্ৰু, তুমিও দিনে-ৰাতিয়ে ৰাম-নামকে জপিছা। সেই

বাম এই অযোধ্যাৰ ৰজাৰে পুত্ৰ নেকি? নে জন্মৰহিত, নিৰ্গুণ, আৰু অগোচৰ কোনোবা অন্য ৰাম আছে? ৪ ॥

দোঃ—যদি তেওঁ ৰাজপুত্ৰ তেনেহলে ব্ৰহ্ম কেনেকৈ হ'ব আৰু যদি ব্ৰহ্মই হয়, তেনেহলে পত্নীৰ বিৰহত তেওঁৰ মন কেনেকৈ ব্যাকুল হৈছে। এফালে তেওঁৰ কাৰ্যাৱলী দেখি আৰু আনহাতে তেওঁৰ মহিমা শুনি মোৰ মতি ভ্ৰম হৈছে। ১০৮ ॥

চৌঃ—যদি ইচ্ছাৰহিত, ব্যাপক বিভু আৰু কোনোবা আছে, তেন্তে হ'লে হে নাথ, মোক সেই কথা বুজাই কোৱাঁ। মোক অজ্ঞ বুলি জানি মনত খং নকৰিবা, যাতে মোৰ মোহ দূৰ হয়, তাৰহে উপায় কৰা। ১ ॥

মই বনত (পূৰ্বজন্মত) শ্ৰীৰামৰ প্ৰভাৱ দেখিছিলোঁ; কিন্তু অত্যন্ত ভীতি-বিহ্বল হোৱাত মই সেই কথা তোমাক কোৱা নাছিলোঁ; তথাপি মোৰ মলিন মনত জ্ঞানৰ উদয় নহ'ল। তাৰ ফলো মই ভাল ধৰণে পালোঁ। ২ ॥

এতিয়াও মোৰ মনত কিছু সন্দেহ আছে। মই কৰযোৰে প্ৰাৰ্থনা কৰিছোঁ—তুমি মোক কৃপা কৰাঁ। হে প্ৰভু, তুমি সেই সময়তো মোক বহুত বুজাইছিলা, সেই কথা ভাবিও মোক খং নকৰিবা। ৩ ॥

মোৰ এতিয়া আগৰ নিচিনা মোহ নাই, এতিয়া মোৰ ৰামকথা শুনিবলৈ হেঁপাহ জন্মিছে। হে সৰ্পৰাজ বিভূষণ, দেৱপতি, তুমি মোক পবিত্ৰ ৰাম-কথা শুনোৱাঁ। ৪ ॥

দোঃ—মই মাটিত মূৰ লগাই তোমাৰ চৰণ বন্দিছোঁ, হাতযোৰ কৰি প্ৰাৰ্থনা কৰিছোঁ—তুমি বেদৰ সিদ্ধান্তসমূহৰ সাৰ তত্ত্ব গ্ৰহণ কৰি শ্ৰীৰামৰ নিৰ্মল যশস্যাৰ বৰ্ণনা কৰা। ১০৯ ॥

চৌঃ—যদিও স্ত্ৰী হোৱাৰ বাবে মোৰ সেই কথা শুনাৰ অধিকাৰ নাই; তথাপি মই মন, বচন আৰু কৰ্মেৰে তোমাৰ দাসী। সন্তসকলে আতুৰ অধিকাৰী য'ত পায়, তাত গূঢ় তত্ত্বও লুকুৱায়। ১ ॥

হে দেৱতাসকলৰো স্বামী! মই বৰ আতুৰভাৱেৰে সুধিছোঁ, তুমি দয়া কৰি ৰামকথা কোৱাঁ। প্ৰথমেতে নিৰ্গুণ ব্ৰহ্মই কি কাৰণেনো সগুণ শৰীৰ ধাৰণ কৰে, সেই কথা কোৱাঁ। ২ ॥

তাৰ পাছত ৰাম-অৱতাৰৰ কথা আৰু তেওঁৰ বিস্তৃত বাল্যলীলাৰ কথা কোৱাঁ। তাৰ পাছত তেওঁ কেনেকৈ জানকীক বিয়া কৰালে, সেই কথা ক'বা আৰু তেওঁ কি দোষত ৰাজ্য ত্যাগ কৰিলে তাকো ক'বা। ৩ ॥

হে নাথ! তাৰ পাছত তেওঁ বনত বাস কৰোঁতে যি অপাৰ কাম সম্পাদন কৰিলে আৰু যি ধৰণেৰে ৰাৱণক মাৰিলে, সেই কথা ক'বা। হে সুখস্বৰূপ শংকৰ! ৰামে ৰাজ্যত (সিংহাসনত) অধিষ্ঠিত হৈ তাৰ পাছত কৰা সমস্ত লীলাৰ কথাও তুমি মোক কোৱা। ৪ ॥

দোঃ—হে কৃপানিধি! শ্ৰীৰামে তাৰ পাছত কৰা সকলো অদ্ভুত কাৰ্যৰ কথা কোৱা। সেই ৰঘুকুলৰ শিৰোমণিয়ে প্ৰজাৰ সৈতে কেনেকৈ নিজৰ ধামলৈ গতি কৰিলে? ১১০ ॥

চৌঃ—হে প্ৰভু! যি তত্ত্ব উপলব্ধি কৰি জ্ঞানী মুনিসকল সদায় মগ্ন হৈ থাকে, তুমি সেই তত্ত্ব কথা কোৱা। ভক্তি, জ্ঞান, বিজ্ঞান, বৈৰাগ্য— এইবিলাকৰ বিভাগবোৰৰ সৈতে বৰ্ণনা দিয়া। ১ ॥

ইয়াত বাদেও শ্ৰীৰামৰ যিবিলাক গূঢ় তত্ত্ব আছে, সেইবোৰো কোৱা। হে নাথ! তোমাৰ বিবেক অতি নিৰ্মল। হে দয়ালু প্ৰভু! মই যি কথা সোধা নাই, তুমি তাকো গোপন নকৰিবা। ২ ॥

বেদে তোমাক ত্ৰিভুবনৰ গুৰু বুলিছে। অন্য পামৰ জীৱই এই ৰহস্য কি উপলব্ধি কৰিব?" উমাৰ এই সহজ, সুন্দৰ আৰু কপটৰহিত প্ৰশ্ন শুনি শিৱৰ মনত বৰ ভাল লাগিল। ৩ ॥

মহাদেৱৰ হৃদয়লৈ সমস্ত ৰাম চৰিত আহিবলৈ ধৰিলে। প্ৰেমবশতঃ তেওঁৰ শৰীৰ পুলকিত হ'ল, চকু চলচলীয়া হ'ল। তেওঁৰ হৃদয়ত শ্ৰীৰামৰ ৰূপ ভাঁহি উঠিল। স্বয়ং পৰমানন্দ শিৱ অপাৰ সুখত মগ্ন হ'ল। ৪ ॥

দোঃ—দুই দণ্ড ধৰি শিৱ ধ্যানত মগ্ন হৈ থাকিল। তাৰ পাছত তেওঁৰ মন বহিৰ্মুখী হ'ল। তেওঁ আনন্দ মনেৰে ৰঘুপতিৰ চৰিত্ৰ বৰ্ণনা কৰিবলৈ ধৰিলে। ১১১ ॥

চৌঃ—যাৰ জ্ঞান নহ'লে ৰজ্জুত সৰ্পভ্ৰম হোৱাৰ দৰে মিথ্যাও সত্য প্ৰতীতি হয় আৰু যাক জনাৰ পাছত সাৰ পালে স্বপ্নৰ ভ্ৰম দূৰ হোৱাৰ দৰেই জগদ্‌বোধো নোহোৱা হৈ পৰে, যাৰ নাম ল'লে সকলো সিদ্ধি অনায়াসে লাভ হয়, মই সেই শ্ৰীৰামৰ বালৰূপৰ বন্দনা কৰোঁ। মংগল-নিলয়, অমংগলহাৰী আৰু দশৰথৰ চোতালত উমলি ফুৰা শ্ৰীৰামে মোক কৃপা কৰক। ১।২ ॥

ত্ৰিপুৰাৰি শিৱই শ্ৰীৰামক প্ৰণাম কৰি আনন্দত উত্ৰাৱল হৈ অমৃততুল্য বাণী উচ্চাৰণ কৰিলে—"হে গিৰিৰাজ-নন্দিনী! তুমি ধন্য, তোমাৰ সমান মোৰ কোনো উপকাৰী নাই। ৩ ॥

"তুমি সমস্ত লোককে পবিত্র কৰিব পৰা গংগাৰ নিচিনা শ্ৰীৰামৰ কথা সুধিলা। তুমি শ্ৰীৰামৰ চৰণত অনুৰাগিণী আৰু জগতৰ হিতৰ কাৰণেই এই প্ৰশ্ন কৰিছা। ৪ ॥

দোঃ—"হে পাৰ্বতী, মোৰ মনেৰে শ্ৰীৰামৰ কৃপাত তোমাৰ মনত স্বপ্নতো শোক, মোহ, সন্দেহ, ভ্ৰম—একো নাইকিয়া হৈছে। ১১২ ॥

চৌঃ—তথাপি যে তুমি আশংকা কৰিছা (আগৰ জন্মৰ অপৰাধৰ বাবে), এই কথা ক'লে আৰু শুনিলে সকলোৰে হিত হ'ব। যি কাণেৰে হৰি-কথা নুশুনে তাৰ কাণৰ ফুটা সাপৰ গাঁতৰ নিচিনা। ১ ॥

যাৰ চকুৰে সন্তৰ দৰ্শন কৰা নাই, সেই চকু ম'ৰাৰ পাখিৰ ছবিৰ নিচিনা (নিৰ্জীৱ), যি শিৰেৰে হৰি আৰু গুৰুৰ চৰণত সেৱা জনোৱা নাই, সেই শিৰ লাওৰ খোলাৰে কৰা পাত্ৰৰ নিচিনা। ২ ॥

যি প্ৰাণীয়ে হৰি-ভক্তিক হৃদয়ত স্থান নিদিয়ে, সি জীৱিত হ'লেও শৱ-তুল্য ; যি জিভাই ৰামৰ গুণগাণ নকৰে, সি ভেকুলীৰ জিভাৰ নিচিনা। ৩ ॥

যি হৃদয়ে হৰিৰ চৰিত্ৰ শুনি আনন্দ নাপায়, সি বজ্ৰৰ দৰে কঠোৰ আৰু নিষ্ঠুৰ। হে পাৰ্বতী ! ৰামৰ লীলা শুনা। ই দেৱতাবো কল্যাণ কৰে আৰু দৈত্যকো বিমুগ্ধ কৰে। ৪ ॥

দোঃ—ৰাম-কথাই কামধেনুৰ দৰে সেৱা কৰোঁতাজনক সকলো সুখদান কৰে আৰু সৎ লোকৰ সমাজেই দেৱলোক—এই বুলি জানি এই ৰাম-কথা নো কোনে নুশুনিব ? ১১৩ ॥

চৌঃ—ৰাম-কথা হ'ল সুন্দৰ হাত-চাপৰি, ই সন্দেহৰূপী চৰাই উৰুৱাই পঠায়। কলিযুগৰূপী গছ কাটিবৰ কাৰণে ৰাম-কথা হৈছে এখন কুঠাৰ। হে পাৰ্বতী ! তুমি এই ৰাম-কথা শ্ৰদ্ধাৰে সৈতে শ্ৰৱণ কৰা। ১ ॥

বেদে শ্ৰীৰামৰ সুন্দৰ নাম, গুণ, চৰিত্ৰ, জন্ম আৰু কৰ্ম—এই সকলোৰে অনেক বৰ্ণনা দিছে। যিদৰে ভগৱান শ্ৰীৰাম অনন্ত, সেইদৰে তেওঁৰ কথা, কীৰ্তি আৰু গুণো অনন্ত। ২ ॥

তথাপি তোমাৰ অত্যন্ত অনুৰাগলৈ চাই মই যেনেদৰে শুনিছো আৰু মোৰ বুদ্ধিয়ে যেনেদৰে পাৰে, ঠিক তেনেদৰেই ক'ব খুজিছোঁ। হে উমা ! তোমাৰ এই প্ৰশ্ন প্ৰকৃততে সুন্দৰ, সুখদায়ক আৰু সন্তসকলৰ মনৰ লগত খাপ খোৱা কাৰণে মোৰ বৰ ভাল লাগিল। ৩ ॥

কিন্তু হে ভৱানী ! যদিও তুমি মোহবশতঃ এটা কথা ক'লা, সেইটোহে মোৰ

ভাল নালাগিল। তুমি যে কলা—ৰাম আৰু কোনোবা আছে নেকি—যাৰ কথা বেদে কয় আৰু মুনিসকলে যাক ধ্যান কৰে ? ৪ ॥

দোঃ—যাক মোহৰূপী পিশাচে গ্ৰাস কৰিলে, যি পাষণ্ড, যি হৰিপদৰ প্ৰতি বিমুখ, যি সত্যাসত্য নিৰ্ণয় কৰিব নোৱাৰে ; এনেকুৱা অধম মানুহেহে এনে কথা কয় বা শুনে। ১১৪ ॥

চৌঃ—যি অজ্ঞানী, মূৰ্খ, অন্ধ, দুৰ্ভগীয়া আৰু যাৰ মনৰ দাপোণত বিষয়ৰ মল জমিছে, যি ব্যভিচাৰী, কপটীয়া আৰু বৰ কুটিল, যি সপোনতো কেতিয়াও সন্ত-সমাজ দেখিবলৈ পোৱা নাই, যি নিজৰ লাভ-ক্ষতিৰ কথা নাভাৱে, তেনেকুৱা মানুহেহে এনেকুৱা বেদবিৰুদ্ধ কথা কয়। যাৰ হৃদয়-দাপোণ মলিয়ন, যাৰ চকু নাই, সেই বেচেৰাই শ্ৰীৰামৰ ৰূপ কেনেকৈ দেখিব ? ১। ২ ॥

যাৰ নিৰ্গুণ-সগুণ সম্পৰ্কে কোনো বিচাৰ-বিবেচনা নাই, যি অনেক মনে-সজা কথা কয়, যি হৰিৰ মায়াৰ অধীন হৈ সংসাৰ চক্ৰত অহা-যোৱা কৰে, তেনে মানুহৰ কাৰণে যি কোনো কথা কোৱাটো অসম্ভৱ নহয়। ৩ ॥

যি মানসিক বিকাৰগ্ৰস্ত, যি ভূত-প্ৰেত আদি অপদেৱতাৰ বশৱৰ্তী হৈছে আৰু যি মত্ত হৈ আছে, এনে মানুহে বিচাৰ কৰি চাই কথা নকয়। যি মহামোহৰূপী মদিৰা পান কৰিছে, তেনে মানুহে কোৱা কথালৈ কাণ দিব নালাগে। ৪ ॥

সোঃ—নিজৰ হৃদয়ত এনে বিচাৰ কৰি সংশয় ত্যাগ কৰা আৰু শ্ৰীৰামৰ চৰণত ভক্তি কৰা। হে গিৰিৰাজ-তনয়া, ভ্ৰমৰূপী অন্ধকাৰ দূৰ কৰিবলৈ সূৰ্যৰ কিৰণসদৃশ মোৰ এই কথা শুনা। ১১৫ ॥

চৌঃ—মুনি, পুৰাণ, পণ্ডিত আৰু বেদে কয় যে সগুণ আৰু নিৰ্গুণৰ মাজত একো ভেদ নাই। যি নিৰ্গুণ, নিৰাকাৰ, অব্যক্ত আৰু জন্মৰহিত, তেৱেঁই ভক্তৰ প্ৰতি প্ৰেমবশতঃ সগুণ হয়। ১ ॥

যি নিৰ্গুণ, তেওঁ আকৌ সগুণ কেনেকৈ হয় ? যেনেকৈ পানী, বৰফ আৰু [বৰষুণৰ] শিলৰ মাজত প্ৰভেদ নাই (সেইদৰে নিৰ্গুণ-সগুণৰো ভেদ নাই)। যাৰ নাম মোহৰূপী অন্ধকাৰ দূৰ কৰিবৰ কাৰণে সূৰ্যস্বৰূপ, তেওঁৰ বাবে মোহৰ প্ৰসংগই আহিব নোৱাৰে। ২ ॥

শ্ৰীৰাম সচ্চিদানন্দস্বৰূপ সূৰ্য। তেওঁত মোহৰূপী নিশাৰ লেশমাত্ৰও নাই। তেওঁ স্বভাৱতেই প্ৰকাশস্বৰূপ আৰু [ষড়ৈশ্বৰ্যযুক্ত] ভগৱান , গতিকে তেওঁত বিজ্ঞানৰূপী প্ৰাতঃকালো নাই। ৩ ॥

হৰ্ষ-বিষাদ, জ্ঞান-অজ্ঞান, অহংবোধ আৰু অভিমান—এইবোৰ সকলো জীৱৰে সাধাৰণ ধৰ্ম। শ্ৰীৰাম হৈছে ব্যাপক ব্ৰহ্ম, পৰমানন্দস্বৰূপ, পৰাৎপৰ, পুৰাণ পুৰুষ—এই কথা সংসাৰে জানে। ৪ ॥

দোঃ—যিজন প্ৰসিদ্ধ পুৰাণ পুৰুষ, সকলো জ্যোতিৰ আধাৰ, সকলো ৰূপতে যিজনেই প্ৰকাশ পাইছে, যিজন পৰা আৰু অপৰা উভয়বিধ প্ৰকৃতিৰে স্বামী, ৰঘুকুলমণি তেৱেঁই মোৰো স্বামী। এই বুলি কৈ শিৱই শ্ৰীৰামক নমস্কাৰ জনালে। ১১৬ ॥

অজ্ঞানী লোকে নিজৰ ভ্ৰম বুদ্ধিৰ নোৱাৰে, প্ৰভু শ্ৰীৰামৰ ওচৰত নিজৰ অজ্ঞতাটো সেইদৰে আৰোপ কৰে। যিদৰে আকাশত ডাৱৰৰ ঢাকনি দেখি অজ্ঞানী লোকে ডাৱৰে সূৰ্যটো ঢাকিলে বুলি কয়। ১ ॥

যি মানুহে চকুত আঙুলি লগাই চায়, সি দুটা চন্দ্ৰ দেখিবলৈ পায়। হে উমা, আকাশত অন্ধকাৰ, ধোঁৱা আৰু ধূলিলগা বোলাটো যেনেকুৱা শ্ৰীৰামৰ বিষয়ে এই নিচিনা মোহগ্ৰস্ত অৱস্থাৰ কল্পনা কৰাও তেনেকুৱা। ২ ॥

বিষয়, ইন্দ্ৰিয়, ইন্দ্ৰিয়ত অধিষ্ঠিত দেৱতা আৰু জীৱাত্মা—এই সকলোবোৰ এটাৰ সহায়ত আনটো চেতন হয়। এই সকলোৰে ওচৰত যিজন পৰম প্ৰকাশক, তেৱেঁই সেই অনাদি ব্ৰহ্ম আৰু তেৱেঁই অযোধ্যাপতি শ্ৰীৰাম। ৩ ॥

এই জগতখন প্ৰকাশ্য (প্ৰকাশ পাই আছে) আৰু শ্ৰীৰামেই ইয়াৰ প্ৰকাশক। তেওঁ মায়াৰ অধিপতি, জ্ঞান তথা গুণৰ নিধিস্বৰূপ একমাত্ৰ সত্য। যি সত্যৰ কাৰণে মোহৰ সহায়ত জড় মায়াও সত্য যেন লাগে। ৪

দোঃ—শামুক দেখাত ৰূপ যেন লাগে (ৰজত ভ্ৰম হয়), সূৰ্যৰ কিৰণে বালিত মৰীচিকাৰ সৃষ্টি কৰে (বালিকে পানী যেন দেখা)। এইবোৰ ভ্ৰম বুলি সদায় মানুহে জানে, তথাপি এই শ্ৰেণীৰ মিথ্যা জ্ঞানৰপৰা মানুহ মুক্ত হ'ব পৰা নাই।) ১১৭ ॥

চোঃ—সেইদৰে হৰিতে আশ্ৰয় কৰি থকা এই সংসাৰখনো স্বৰূপতে ভ্ৰম বা অসত্য, তথাপি ই দুখ দিয়ে। যেনেকৈ স্বপ্নত কোনোবাই যদি মূৰ কাটি লয়, তেতিয়াহ'লে সাৰ নোপোৱালৈকে এই দুখ দূৰ নহয় (সেইদৰে জগতখনো স্বপ্নৰ দৰে ভ্ৰম যদিও ই দুখ দিয়ে, এই ভ্ৰমৰ অতীত হ'লেহে দুখ দূৰ হয়।) ১ ॥

হে পাৰ্বতী! যাৰ কৃপাত এনেকুৱা ভ্ৰমৰ অন্ত পৰে, তেৱেঁই হৈছে কৃপালু ৰঘুনাথ শ্ৰীৰাম। তেওঁৰ আদি-অন্ত কোনেও নাপায়। বেদসমূহে নিজৰ বুদ্ধিৰে অনুমান কৰি তেওঁৰ কথা এইদৰে কয়—সেই ব্ৰহ্মাই ভৰি

নোহোৱাকৈয়ে চলে, কাণ নোহোৱাকৈ শুনে, হাত নোহোৱাকৈয়ে বিবিধ কাম কৰে, মুখ নোহোৱাকৈ সকলো ৰস আস্বাদ কৰে আৰু মাত নোহোৱাকৈয়ে সুযোগ্য বক্তা হয়। ২/৩ ॥

সেই ব্ৰহ্মই শৰীৰ নোহোৱাকৈয়ে স্পৰ্শ কৰে, চকু নোহোৱাকৈয়ে দেখে, নাক নোহোৱাকৈয়ে গোন্ধ পায়। এই ব্ৰহ্মৰ কাৰ্য সকলো প্ৰকাৰেই এনেকুৱা অলৌকিক যে তেওঁৰ মহিমা কৈ শেষ কৰিব নোৱাৰি। ৪ ॥

দোঃ—বেদে আৰু পণ্ডিতসকলে যাৰ কথা এইদৰে কয় আৰু মুনিয়ে যাৰ ধ্যান কৰে তেৱেঁই হৈছে দশৰথ পুত্ৰ, ভক্তৰ হিতসাধক, অযোধ্যাৰ ৰজা ভগৱান শ্ৰীৰামচন্দ্ৰ। ১১৮ ॥

চৌঃ—যাৰ নামৰ বলত মই কাশীত মৃত্যু হোৱা প্ৰাণীসমূহক দেখি তেওঁলোকক (ৰামনামৰ দ্বাৰা) শোকৰহিত (মুক্ত) কৰোঁ, সেইজনেই মোৰ প্ৰভু ৰঘুশ্ৰেষ্ঠ, চৰাচৰ জগতৰ স্বামী আৰু সকলোৰে অন্তৰ্যামী শ্ৰীৰাম। ১ ॥

হে ভৱানী! যাৰ নাম নিৰুপায় হৈ (অনিচ্ছাৰে) ললেও অনেক জন্মৰ কৃত পাপ দগ্ধ হৈ যায়, যাৰ নাম শ্ৰদ্ধাৰে স্মৰণ কৰোঁতাজনে গৰুৰ খোজ পাৰ হোৱাৰ দৰে ভৱ সাগৰো (অনায়াসে) পাৰ হৈ যায়, তেৱেঁই হৈছে পৰমাত্মা শ্ৰীৰাম। তেওঁৰ ওপৰত ভ্ৰম আৰোপ কৰি তুমি কোৱা কথা অতি অনুচিত হৈছে। এনে সন্দেহ মনলৈ অনা মাত্ৰকে মানুহৰ জ্ঞান, বৈৰাগ্য আদি সকলো গুণ বিনষ্ট হয়। ২/৩ ॥

শিৱৰ ভ্ৰমনাশক বচন শুনি পাৰ্বতীৰ সকলো কুতৰ্কজনিত সন্দেহ দূৰ হ'ল। ৰঘুপতিৰ চৰণত তেওঁৰ ভক্তি আৰু বিশ্বাস উপজিল; সন্দেহজনিত অসাৰ্থক ভাবধাৰা দূৰ হ'ল ॥ ৪ ।

দোঃ—তেতিয়া বাৰে বাৰে স্বামীৰ চৰণ-কমলত স্পৰ্শ কৰি পদুমৰ নিচিনা হাত দুখন যোৰ কৰি লৈ পাৰ্বতীয়ে যেন প্ৰেম ৰসত মগ্ন হৈহে ক'লে—১১৯ ॥

চৌঃ—"হে প্ৰভু! তোমাৰ চন্দ্ৰ-কিৰণৰ দৰে শীতল বাণী শুনিবলৈ পাই শৰৎকালৰ ৰ'দৰ তাপৰ নিচিনা মোৰ মনৰ মোহ আঁতৰিল। হে কৃপালু, তুমি মোৰ সকলো সন্দেহ হৰণ কৰিলা, ৰামৰ যথাৰ্থ স্বৰূপ এতিয়া মোৰ অৱগত হৈছে। ১ ॥

হে নাথ! তোমাৰ কৃপাত এতিয়া মোৰ বিষাদ দূৰ হ'ল; তোমাৰ চৰণৰ অনুগ্ৰহত মই সুখী হ'লোঁ। যদিও মই নাৰী বাবেই স্বভাৱতে মূৰ্খ আৰু জ্ঞানশূন্য, তথাপি মোক আপোনাৰ দাসী বুলি—২ ॥

যদি মোৰ প্ৰতি প্ৰসন্ন হৈছা, তেনেহ'লে যি কথা মই তোমাক প্ৰথমে সুধিছিলোঁ সেই কথাটো বুজাই কোৱাঁ। শ্ৰীৰাম চিন্ময় আৰু অবিনাশী ব্ৰহ্ম, সকলো প্ৰকাৰে বিকাৰৰহিত ; তেওঁ সকলোৰে হৃদয়ৰূপী নগৰীত বাস কৰে। ৩ "

সেই শ্ৰীৰামে কি কাৰণে নৰতনু ধৰে, হে নাথ, হে বৃষকেতু, এই কথা মোক বুজাই কোৱা।" পাৰ্বতীৰ এই পৰম বিনীত বচন শুনি আৰু ৰাম-কথাৰ প্ৰতি তেওঁৰ বিশুদ্ধ অনুৰাগ দেখি—৪ ॥

দোঃ—কামশত্ৰু, স্বাভাৱিকতে জ্ঞানী, কৃপানিধি শিৱৰ মন অতি আনন্দিত হ'ল আৰু তেওঁ বহু প্ৰকাৰে উমাক প্ৰশংসা কৰি ক'বলৈ ধৰিলে—১২০ (ক)

সোঃ—"হে ভৱানী, নিৰ্মল ৰামচৰিত মানসৰ এই শুভ কথা শুনা ; এই কথা আগেয়ে কাকভুশুণ্ডিয়ে বিবৰি কৈছিল আৰু পক্ষীৰাজ গৰুড়ে শুনিছিল। ১২০ (খ)

এই শ্ৰেষ্ঠ সংবাদ কি ধৰণে হৈছিল, সেই কথা পাছত কম। এতিয়া তুমি ৰাম-অৱতাৰৰ পৰম সুন্দৰ আৰু পাপনাশক চৰিত্ৰ শুনা। ১২০ (গ)

শ্ৰীহৰিৰ গুণ, নাম, কথা আৰু ৰূপ—এই সকলো অপাৰ, অগণন আৰু অসীম। তথাপি হে উমা। মই নিজৰ বুদ্ধি অনুসাৰে যি পাৰোঁ কওঁ, তুমি শ্ৰদ্ধাৰে সৈতে শুনা। ১২০ (ঘ)

চৌঃ—হে পাৰ্বতী ! আগমে-নিগমে শ্ৰীহৰিৰ মনোৰম, বিপুল আৰু নিৰ্মল চৰিত্ৰৰ কীৰ্তন কৰিছে। হৰিয়ে অৱতাৰ লোৱাৰ কাৰণ এইটোৱেই বুলি একে আষাৰতে ক'ব নোৱাৰি। ১ ॥

হে চতুৰা। মোৰ মতেৰে ৰাম বুদ্ধি, মন আৰু বাণীৰে তৰ্ক কৰি পোৱা বস্তু নহয়। তথাপি সন্ত, মুনি, বেদ আৰু পুৰাণে নিজ নিজ বুদ্ধি অনুসৰি যি অলপ কৈছে, আৰু যিখিনি বুজিছোঁ, হে সুমুখী ! তাকে মই তোমাক ক'ব খুজিছোঁ। যেতিয়াই ধৰ্মৰ হ্ৰাস হয় আৰু অভিমানী অধম অসুৰৰ বৃদ্ধি হয়—২।৩ ॥

আৰু সেই অসুৰবোৰে অবৰ্ণনীয় অন্যায় আচৰণ কৰে, যাৰ ফলত ব্ৰাহ্মণ, গুৰু, দেৱতা আৰু পৃথিৱীয়ে কষ্ট পায়, তেতিয়াই কৃপানিধি প্ৰভুৱে বিধে বিধে শৰীৰ ধাৰণ কৰি সজ্জনৰ পীড়া দূৰ কৰে। ৪ ॥

দোঃ—তেওঁ অসুৰ নিধন কৰি, দেৱতাসকলক স্থাপন কৰে আৰু বেদৰ মৰ্যাদা ৰক্ষা কৰি জগতত নিজৰ নিৰ্মল যশস্যা বিস্তাৰ কৰে। শ্ৰীৰামচন্দ্ৰই নৰদেহ ধৰি জন্ম গ্ৰহণ কৰাৰ কাৰণো এয়ে। ১২১ ॥

চৌঃ—সেই যশ-কীৰ্ত্তন কৰি ভক্তই ভৱসাগৰ পাৰ হয়। কৃপাৰ সাগৰ ভগৱানে ভক্তৰ কল্যাণৰ অৰ্থে শৰীৰ ধাৰণ কৰে। শ্ৰীৰামৰ জন্মৰ হেতু অনেক ; সেইবিলাক ইটোতকৈ সিটো অধিক বিচিত্ৰ।

হে সুমতিসম্পন্না ভৱানী! মই তেওঁৰ দুটিমান জন্মৰ কথা বিৱৰি কওঁ, তুমি সাৱধানে শুনা। জয় আৰু বিজয় নামেৰে হৰিৰ দুজন প্ৰিয় দুৱৰী থকাৰ কথা সকলোৱে জানে। ২ ॥

এওঁলোক দুয়োজন ভায়ে বিপ্ৰৰ শাপত অসুৰৰ তামসিক শৰীৰ পালে। এজনৰ নাম হিৰণ্যকশিপু আৰু আনজনৰ নাম হিৰণ্যাক্ষ হ'ল। এওঁলোকে দেৱৰাজ ইন্দ্ৰৰ গৰ্ব চূৰ কৰি জগতত প্ৰসিদ্ধি লাভ কৰিছিল। ৩ ॥

এওঁলোক সমৰ বিজয়ী বিখ্যাত বীৰ আছিল। তেওঁলোকৰ এজনক হৰিয়ে বৰাহ ৰূপ ধৰি বধিলে। আনজনক নৰসিংহ ৰূপ ধৰি নিপাত কৰিলে আৰু ভক্ত প্ৰহ্লাদৰ সুযশ বিস্তাৰ কৰিলে। ৪ ॥

দোঃ—তেওঁলোকেই গৈ দেৱ-বিজেতা, মহাযোদ্ধা ৰাৱণ আৰু কুম্ভকৰ্ণ নামেৰে দুজন বলশালী, মহাবীৰ ৰাক্ষস হ'ল। এওঁলোকৰ কথা সংসাৰে জানে। ১২২ ॥

চৌঃ—ভগৱানৰ হাতত নিহত হৈয়ো (হিৰণ্যকশিপু আৰু হিৰণ্যাক্ষ) এওঁলোকে মুক্তি নাপালে, কাৰণ ব্ৰাহ্মণৰ বচনৰ প্ৰমাণে তিনি জন্মৰ কাৰণে আছিল। গতিকে ভক্তপ্ৰেমী ভগৱানে তেওঁলোকৰ কল্যাণৰ অৰ্থে আকৌ এবাৰ অৱতাৰ ল'লে। ১ ॥

এই অৱতাৰত কশ্যপ আৰু অদিতি, দশৰথ আৰু কৌশল্যাৰূপে প্ৰসিদ্ধ হৈ ভগৱানৰ পিতৃ-মাতৃ হ'ল। এক কল্পত এইদৰে অৱতাৰ লৈ তেওঁ জগতত পবিত্ৰ লীলা কৰিলে। ২ ॥

পূৰ্বৰ এটা কল্পত সকলো দেৱতা জলন্ধৰৰ লগত যুদ্ধত হাৰি দুঃখিত হোৱা দেখি শিৱই সেই দৈত্যৰ লগত ঘোৰ যুদ্ধ কৰিলে, কিন্তু সেই মহাবলী দৈত্যক মাৰিব পৰা নগ'ল। ৩ ॥

সেই দৈত্যৰাজৰ পত্নী পৰম সতী আছিল। সেই পতিব্ৰতাৰ প্ৰভাৱতে ত্ৰিপুৰাসুৰ বিজয়ী শিৱয়ো সেই দৈত্যক জিনিব নোৱাৰিলে। ৪ ॥

দোঃ—প্ৰভুৱে ছল কৰি সেই নাৰীৰ ব্ৰত ভঙ্গ কৰি দেৱ-কাৰ্য সাধিলে। যেতিয়া সেই নাৰীয়ে এই কথা জানিলে, তেতিয়া তেওঁ খং কৰি ভগৱানক শাপ দিলে। ১২৩ ॥

চৌঃ—লীলাৰ নিলয় স্বৰূপ কৃপাময় ভগৱানে সেই শাপকো স্বীকৃতি দিলে। সেই জলন্ধৰে এই কল্পত ৰাৱণ হ'ল। ৰণত ৰামে তেওঁক বধ কৰি পৰম পদ দান কৰিলে। ১ ॥

এক জন্মত ৰামে মনুষ্য শৰীৰ ধাৰণ কৰাৰ কাৰণ এয়ে। হে ভৰদ্বাজ মুনি! শুনা, প্ৰভুৰ প্ৰত্যেক অৱতাৰৰ কথা মুনিসকলে নানা প্ৰকাৰে বৰ্ণনা কৰে। ২ ॥

এবাৰ নাৰদে শাপ দিলে। এক কল্পত সেই বাবেও অৱতাৰ ললে। এই কথা শুনি পাৰ্বতী চক খাই উঠিল (আৰু ক'লে—), নাৰদ বিষ্ণুভক্ত, পবিত্ৰ আৰু জ্ঞানী, গতিকে মুনিয়ে ভগৱানক কি কাৰণে শাপ দিলে? হে ত্ৰিপুৰাৰি, ৰমাপতি ভগৱানে কি অপৰাধ কৰিছিলে, এই কথা মোক বুজাই কোৱা। নাৰদ মুনিৰ মনত মোহ (ভ্ৰম) ওপজাটো অতি আচৰিত কথা। ৩/৪ ॥

দোঃ—তেতিয়া মহাদেৱে হাঁহি এটা মাৰি ক'লে—প্ৰকৃততে কোনো জনেই নিজে নিজে জ্ঞানীও নহয় আৰু মূৰ্খও নহয়। ৰঘুপতিয়ে যাক যেতিয়া যেনেকুৱা কৰে সি তেতিয়া তেনেকুৱাই হয়। ১২৪ (ক) ॥

সোঃ—(যাজ্ঞবল্ক্যই কৈছে) হে ভৰদ্বাজ! মই ৰামৰ গুণ-কীৰ্তন কৰিছোঁ, তুমি শ্ৰদ্ধাৰে সৈতে শুনা। তুলসী দাসে কৈছে—অভিমান আৰু গৰ্ব ত্যাগ কৰি ভৱ ভয়হাৰী ৰঘুনাথক ভজনা কৰা। ১২৪ (খ)

চৌঃ—হিমালয় পৰ্বতত এটা অতি পবিত্ৰ গুহা আছিল, তাৰ কাষেদিয়ে বৈ গৈছিল মনোৰমা গংগা নদী। এই পৰম পবিত্ৰ সুন্দৰ আশ্ৰম দেখি নাৰদে বৰ আনন্দ পালে। ১ ॥

পৰ্বত, নদী আৰু ভাগে ভাগে বনৰাজি দেখি নাৰদৰ মনত লক্ষ্মীপতি বিষ্ণুৰ প্ৰতি ভক্তি উপজিল। ভগৱানক স্মৰণ কৰা মাত্ৰকে নাৰদৰ ওপৰত থকা শাপৰ প্ৰভাৱ ব্যাহত হ'ল (এওঁক প্ৰজাপতি দক্ষই একে ঠাইত থাকিব নোৱাৰিবলৈ শাপ দিছিল)। স্বাভাৱিকতে নিৰ্মল হৈ পৰা মন সমাধিত মগ্ন হৈ পৰিল। ২ ॥

নাৰদ মুনিৰ গতি দেখি দেৱৰাজ ইন্দ্ৰই ভয় খালে। তেওঁ কামদেৱক মাতি আদৰ সৎকাৰ কৰিলে (আৰু ক'লে)—মোৰ কাৰণে তোমাৰ সহায়ক-সকলৰ সৈতে তুমি (নাৰদৰ সমাধি ভাঙিবলৈ) যোৱা। মীনধ্বজ কামদেৱে তাকে শুনি আনন্দ মনেৰে যাত্ৰা কৰিলে। ৩ ॥

ইন্দ্ৰৰ মনত ভয় উপজিল,—"কিজানি দেৱৰ্ষি নাৰদে মোৰ অমৰাৱতীত স্থান কামনা কৰিছে।" জগতত যিবোৰ মানুহ কামাতুৰ আৰু লুভীয়া, সিহঁতে কুটিল কাউৰীৰ দৰে সকলোলৈকে ভয় কৰে। ৪ ॥

দোঃ—যেনেকৈ মূৰ্খ কুকুৰে সিংহক দেখি শুকান হাড় লৈ পলাইছিল আৰু সেই মূৰ্খই যেনেকৈ সিংহই তাৰ হাড়ডাল কাঢ়ি ল'ব বুলি ভয় কৰিছিল সেইদৰে ইন্দ্ৰৰো নাৰদে স্বৰ্গৰাজ্য লব বুলি ভাবিবলৈ লাজ নালাগিছিল। ১২৫ ॥

চৌঃ—যেতিয়া কামদেৱ সেই আশ্ৰমতে উপস্থিত হ'ল, তেওঁ নিজৰ মায়াৰে বসন্ত ঋতুৰ সৃষ্টি কৰিলে। নানা তৰহৰ গছত ৰং-বিৰঙৰ ফুল ফুলিলে, তাত পৰি কুলিয়ে 'কুউ কুউ' কৰি সুন্দৰ মাত মাতিলে, ভোমোৰাই গুণগুণাবলৈ ধৰিলে। ১ ॥

কামানল জ্বলাই তোলা তিনিবিধ (শীতল, মন্দ আৰু সুগন্ধ) বায়ু বলিবলৈ ধৰিলে। ৰম্ভা প্ৰভৃতি দেৱাংগণাসকল নানাবিধ কাম-কলাত নিপুণা আছিল।

তেওঁলোকেও বহু প্ৰকাৰৰ সুৰৰ তৰংগ তুলি গান গাবলৈ লাগিল আৰু হাতত খেলাৰ সঁজুলি লৈ নানা প্ৰকাৰে খেলিবলৈ লাগিল। কামদেৱে এই সহায়কসকলক দেখি বৰ আনন্দ পালে আৰু তেওঁ নানা প্ৰকাৰৰ মায়াজাল ৰচিলে। ৩ ॥

কিন্তু কামদেৱৰ কোনো কথাই মুনিৰ ওপৰত প্ৰভাৱ পেলাব নোৱাৰিলে। তেতিয়া পাপী কামদেৱে নিজৰ অনিষ্ট হয় বুলি ভয় কৰিলে। লক্ষ্মীপতি ভগৱান যাৰ ৰক্ষক, কাৰ সাধ্য সেইজনৰ সীমা লংঘন কৰে? ৪ ॥

দোঃ—তেতিয়া কামদেৱে নিজৰ সহায়কসকলেৰে সৈতে অতি ভয়ে ভয়ে আৰু মনে মনে পৰাজয় স্বীকাৰ কৰি অতি আতুৰভাৱে প্ৰাৰ্থনা জনাই মুনিৰ চৰণত ধৰিলেগৈ। ১২৬ ॥

চৌঃ—নাৰদৰ মনলৈ অলপো খঙৰ ভাব নাহিল। তেওঁ প্ৰিয়বচনেৰে কামদেৱক সমিধান দিলে। তেতিয়া মুনিৰ চৰণত মূৰ দোৱাই কামদেৱে মুনিৰ আজ্ঞামতে সহায়ক সকলেৰে সৈতে উলটি গ'ল। ১ ॥

দেৱৰাজ ইন্দ্ৰৰ সভাত গৈ কামদেৱে মুনিৰ সৎ চৰিত্ৰ আৰু নিজে কৰি অহা কামৰ বৰ্ণনা দিয়াত সকলোৱে মনে মনে আচৰিত মানিলে আৰু তেওঁলোকে মুনিক প্ৰশংসা কৰি হৰিৰ প্ৰতি শিৰ নত কৰিলে। ২ ॥

ইতিমধ্যে নাৰদ শিৱৰ ওচৰলৈ গ'ল। তেওঁৰ মনত 'মই কামদেৱক জিনিছোঁ' বুলি অহংকাৰ হ'ল। তেওঁ কামদেৱৰ কথা শিৱক ক'লে। শিৱই নাৰদক অত্যন্ত প্ৰিয় বুলি ভাবি এটা উপদেশ দিলে। ৩ ॥

"হে মুনি! মই তোমাক বাৰে বাৰে কাকুতি কৰিছোঁ, মোক তুমি যিদৰে এই কথা ক'লা, সেইদৰে যেন কেতিয়াও হৰিক নোকোৱা। প্ৰসংগ ওলালেও সেই কথা তুমি গোপনহে কৰিবা।" ৪ ॥

দোঃ—যদিও শিৱই হিত চিন্তি এই উপদেশ দিলে, নাৰদে সেই কথা ভাল নাপালে। হে ভৰদ্বাজ, এতিয়া কৌতুকৰ কথা শুনা। হৰিৰ ইচ্ছাই বলৱান। ১২৭ ॥

চৌঃ—প্ৰভু শ্ৰীৰামৰ যি কাম কৰিবলৈ ইচ্ছা হ'ব, কোনে তাৰ অন্যথা কৰিব পাৰে? নাৰদে শিৱৰ বচন শুনি ভাল নাপাই তাৰপৰা ব্ৰহ্মলোকলৈ যাত্ৰা কৰিলে॥ ১ ॥

ইয়াৰ পাছত এবাৰ সংগীত-বিশাৰদ নাৰদে হাতত শ্ৰেষ্ঠ বীণাধনি লৈ হৰিগুণ গাই গাই ক্ষীৰ সমুদ্ৰ পালেগৈ। তাতে বেদৰ মস্তকস্বৰূপ লক্ষ্মীনিবাস ভগৱান বাস কৰে। ২ ॥

ৰমানিবাস ভগৱানে উঠি গৈ বৰ আনন্দ মনেৰে নাৰদক সৎকাৰ কৰিলে আৰু ঋষিৰ সৈতে পুনৰ আসন গ্ৰহণ কৰিলে। চৰাচৰ জগতৰ স্বামী ভগৱানে হাঁহি মাৰি ক'লে—"হে মুনি, বহুতদিনৰ মূৰত আজি আমাক কৃপা কৰিছা। ৩ ॥

যদিও শিৱই প্ৰথমেই মানা কৰিছিলে তথাপি নাৰদে কামদেৱ সম্পৰ্কে গোটেইখিনি কথা ভগৱানক ক'লে। ৰঘুপতিৰ মায়া অতি বলৱান। জগতত এনেকুৱা কোন উপজিছে, যাক ৰামৰ মায়াই মোহিত কৰা নাই। ৪ ॥

দোঃ—ভগৱানে মুখত অসন্তুষ্টি প্ৰকাশ কৰি কোমল মাতেৰে ক'লে—"হে মুনি! তোমাক স্মৰণ কৰা মাত্ৰকে অন্তৰ মোহ, কাম, মদগৰ আৰু অভিমান শেষ হৈ যায়। ১২৮ ॥

হে মুনি! শুনা যাৰ মনত জ্ঞান বৈৰাগ্য নাই; তেওঁৰ মনতেই মোহ ওপজে। তুমি ব্ৰহ্মচৰ্য ব্ৰতত ৰত আৰু ধীৰমতি পুৰুষ। তোমাক কাম-পীড়াই কি কৰিব। ১ ॥

নাৰদে গৰ্ব কৰি ক'লে—"হে ভগৱান, এই সকলো তোমাৰেই কৃপা।" করুণানিধি ভগৱানে মনতে ভাবি চিন্তি চাই দেখিলে—'এওঁৰ মনত অহঙ্কাৰৰূপে বৃহৎ বৃক্ষ অংকুৰিত হৈছে'। ২ ॥

মই সেই গছ বেগেতে উঘালি পেলাওঁ। সেৱকসকলৰ হিত সাধন কৰাটো মোৰ প্ৰতিজ্ঞা। মই এনে এটা উপায় কৰিম যাৰ দ্বাৰা মুনিৰো কল্যাণ হ'ব আৰু মোৰো এটা খেল হ'ব। ৩ ॥

তেতিয়া নাৰদে হৰিৰ চৰণত শিৰ দোঁৱাই প্ৰস্থান কৰিলে। তেওঁৰ হৃদয়ত অহংকাৰ আগতকৈ বাঢ়িলহে। তেতিয়া লক্ষ্মীপতি হৰিয়ে নিজৰ মায়াক প্ৰেৰণ কৰিলে। এতিয়া সেই মায়াৰ কঠিন কাৰ্যৰ কথা শুনা। ৪ ॥

দোঃ—হৰিৰ মায়াই বাটতে এশ যোজন জুৰি পকা এখন নগৰ নিৰ্মাণ কৰিলে। এই নগৰৰ নানা ধৰণৰ কাৰুকাৰ্য শ্ৰীনিৱাস হৰিৰ বৈকুণ্ঠপুৰীতকৈও অধিক সুন্দৰ আছিল। ১২৯ ॥

চৌঃ—এই নগৰত বাস কৰা নৰ-নাৰীবোৰ যেন অসংখ্য মূৰ্তিমান কামদেৱ আৰু ৰতিহে। তাত শীলনিধি নামেৰে এজন ৰজা আছিল। তেওঁৰ অগণন ঘোঁৰা, হাতী আৰু সৈন্যদল আছিল। ১ ॥

শীলনিধিৰ ঐশ্বৰ্য-বিভূতি আৰু বিলাসৰ সামগ্ৰীও ইন্দ্ৰৰ সমানেই আছিল। তেওঁ ৰূপ, শক্তি, বল আৰু নীতিৰ নিৱাসস্বৰূপ আছিল। তেওঁৰ বিশ্বমোহিনী নামেৰে, ৰূপেৰে লক্ষ্মীক বিমুগ্ধ কৰিব পৰা এক সুন্দৰী কন্যা আছিল। ২ ॥

সেই কন্যা আছিল সৰ্বগুণৰ আকৰস্বৰূপা হৰিৰ মায়া। তেওঁৰ সৌন্দৰ্যৰ বৰ্ণনা কেনেকৈ দিয়া যায়! সেই ৰাজকুমাৰীয়ে স্বয়ম্বৰ কৰিব খুজিলে। সেই কাৰণে সেই নগৰলৈ অগণন ৰজা আহিল। ৩ ॥

কৌতুকপ্ৰিয় নাৰদ মুনিয়ো সেই নগৰলৈ গ'ল আৰু পুৰবাসীসকলক সকলো বা-বতৰা সুধিলে। সকলো কথা শুনি তেওঁ ৰাজভৱনলৈ গ'ল। ৰজাই পূজা-সৎকাৰ কৰি তেওঁক বহিবলৈ দিলে। ৪ ॥

দোঃ—ৰজাই ৰাজকুমাৰীক আনি নাৰদক দেখুৱালে (আৰু ক'লে—) 'হে নাথ! আপুনি হৃদয়ত বিচাৰ কৰি এওঁৰ দোষগুণবোৰ কৈ যাওক।" ১৩০ ॥

সেই কন্যাৰ ৰূপ দেখি মুনিয়ে বৈৰাগ্যৰ কথা পাহৰি পেলালে। আৰু বহুপৰ তেওঁৰ মুখলৈ ব'লাগি চাই থাকিলে। তেওঁৰ লক্ষণসমূহ দেখি মুনি আপোন পাহৰা হ'ল, অন্তৰত আনন্দই নধৰা হ'ল; কিন্তু মুখ ফুটাই তেওঁ একোকে নক'লে। ১ ॥

(মুনিয়ে মনে মনে ভাবিলে) যিয়ে এওঁক বিয়া কৰাব, তেওঁ অমৰ হ'ব আৰু সমৰ ভূমিত তেওঁক কোনেও পৰাস্ত কৰিব নোৱাৰিব। শীলনিধিৰ এই কন্যাই যাক বৰণ কৰিব, চৰাচৰ সকলো প্ৰাণীয়ে তেওঁক সেৱিব। ২ ॥

সকলো লক্ষণ বিচাৰ কৰি মুনিয়ে মনত ৰাখি ললে আৰু ৰজাক কিছুমান মনে সজা কথাহে ক'লে। ৰজাক কন্যাৰ সুলক্ষণসমূহৰ কথা কৈ নাৰদ গ'লগৈ। যাওঁতে তেওঁৰ মনত চিন্তা হ'বলৈ ধৰিলে। ৩ ॥

'মই ভাবি চিন্তি এই কন্যা যাতে মোকে বৰণ কৰে তাৰ এটা উপায় উলিয়াব লগা হ'ল। এই সময়ত জপ-তপেৰে একো নহ'ব। হে বিধি! মই কেনেকৈ পাম? ৪ ॥

দোঃ—"এই সময়ত পৰম সৌন্দৰ্য আৰু সুন্দৰ ৰূপ থকা প্ৰয়োজন। তাকে দেখি ৰাজকুমাৰীয়ে মুগ্ধ হৈ মোক জয়মাল্য পিন্ধাব। ১৩১ ॥

"মই হৰিৰ ওচৰত সৌন্দৰ্য ভিক্ষা কৰোঁ, কিন্তু তেওঁৰ ওচৰলৈ যাবলৈ যে বহুত সময় লাগিব। আনহাতে হৰিৰ সমান মোৰ কোনো হিতাকাংক্ষী নাই; গতিকে এই সময়ত তেওঁহে মোৰ সহায় হ'ব।" ৩ ॥

সেই সময়ত নাৰদে অনেক প্ৰকাৰে ভগৱানক কাকুতি-মিনতি কৰিলে। তেতিয়া লীলাময় কৃপালু প্ৰভু [সেই ঠাইতে] আবিৰ্ভূত হ'ল। স্বামীক দেখি নাৰদৰ নয়ন জুৰালে। তেওঁ কাৰ্যসিদ্ধি হ'ব বুলি আনন্দিত হ'ল। ২ ॥

নাৰদে অতি আতুৰভাৱে সকলো কথা নিবেদন কৰিলে (আৰু প্ৰাৰ্থনা কৰিলে), "হে প্ৰভু, মোক কৃপা কৰা আৰু কৃপা কৰি মোক সহায় কৰা। তুমি যেন মোক তোমাৰ ৰূপদান কৰা। অন্য কোনো উপায়েৰেই মই সেই ৰাজকন্যাক নাপাওঁ। ৩ ॥

"হে নাথ, মোৰ যাতে হিতসাধন হয়—তেনে ব্যৱস্থাকে তুমি সোনকালে কৰা। মই তোমাৰ দাস।" নিজৰ মায়াৰ বিৰাট প্ৰভাৱ দেখি দীনদয়াল প্ৰভুৱে মনে মনে হাঁহি মাৰি ক'লে—৪ ॥

দোঃ—"হে নাৰদ শুনা, তোমাৰ যাতে পৰম হিত সাধন হয়, মই তাকেহে কৰিম; অন্য একো নকৰোঁ। মোৰ বচনৰ কেতিয়াও অন্যথা হ'ব নোৱাৰে। ১৩২ ॥

চৌঃ—হে যোগী, হে মুনি শুনা। ৰোগত আকুল হোৱা ৰোগীয়ে যদি কুপথ্য খাবলৈ বিচাৰে, বৈদ্যই কেতিয়াও নিদিয়ে। সেইদৰে ময়ো তোমাৰ হিত সাধন কৰিবলৈ দৃঢ় সংকল্প লৈছোঁ।" এইদৰে কৈ ভগৱান অন্তৰ্ধান হ'ল। ১ ॥

ইফালে মায়াৰ বশীভূত হৈ মুনি এনেকুৱা মূঢ় হৈ পৰিল যে তেওঁ ভগৱানৰ নিগূঢ় বচনৰ অৰ্থ নুবুজিলে। ঋষিৰাজ নাৰদে তৎক্ষণাতে স্বয়ম্বৰ-ভূমিলৈ যাত্ৰা কৰিলে। ২ ॥

ৰজালকলে অনেক সাজ-সজ্জা কৰি দলৰ মানুহৰ সৈতে নিজ নিজ আসন গ্ৰহণ কৰিলে। মুনিৰ মনত এই বুলি বৰ আনন্দ লাগিলে যে—"মোৰ

ৰূপেই অতি সুন্দৰ। গতিকে মোক এৰি কন্যাই ভুলতো অন্যক বৰণ নকৰে।" ৩॥

কৃপানিধি ভগৱানে মুনিৰ হিতৰ অৰ্থে তেওঁক এনে কুৰূপ দান কৰিলে যে তাৰ বৰ্ণনাই দিব নোৱাৰি। কিন্তু এই ঘটনাৰ কথা কোনেও নাজানিলে। সকলোৱে তেওঁক নাৰদ বুলিয়েই প্ৰণাম কৰিলে। ৪॥

দোঃ—তাত দুজন রুদ্ৰৰ গণ আছিল। তেওঁলোকে সকলো ৰহস্য জানিছিল আৰু ব্ৰাহ্মণৰ বেশ ধৰি গোটেই কৌতুক দৰ্শন কৰি ফুৰিছিল। তেওঁলোক অতি কৌতুকপ্ৰিয় আছিল। ১৩৩॥

চৌঃ—নাৰদে নিজৰ মনত ৰূপৰ গৰ্ব লৈ যি সমাজত বহি আছিল, তাতে সেই রুদ্ৰৰ গণ দুজনো বহিছিল। ব্ৰাহ্মণৰ বেশত থকা বাবে তেওঁলোকৰ কথা কোনেও নাজানিছিল। ১॥

তেওঁলোকে নাৰদক শুনাই শুনাই ঠাট্টা-মস্কৰা কৰিছিল—"হৰিয়ে এওঁক একেবাৰে বঢ়িয়া সৌন্দৰ্য দিলে। এওঁৰ শোভা দেখি ৰাজকুমাৰী মুগ্ধতো হ'বই, তদুপৰি 'হৰি' (বান্দৰ) বুলি জানি এওঁকহে বিশেষভাৱে বৰণ কৰিব"। ২॥

নাৰদ মুনিৰ মোহ জন্মিল, কাৰণ তেওঁৰ মন তেতিয়া পৰৰ (মায়াৰ) বশৱৰ্তী। শিৱৰ গণ দুজনে আমোদ পাই হাঁহিবলৈ ধৰিলে। যদিও মুনিয়ে তেওঁলোকৰ বক্ৰোক্তিসমূহ শুনিছিল তথাপিও তেওঁৰ বুদ্ধি ভ্ৰমত পৰি থকাৰ বাবে তেওঁ সেই কথাৰ অৰ্থ বুজিব পৰা নাছিল। ৩॥

এই বিশেষ ঘটনাটো অন্যই লক্ষ্য কৰা নাছিল, কেৱল ৰাজকন্যাইহে এই ৰূপ দেখিছিল। নাৰদৰ বান্দৰ যেন মুখ আৰু ভয়ংকৰ শৰীৰ দেখিয়েই ৰাজকন্যাৰ মনে মনে খং উঠিছিল। ৪॥

দোঃ—তেতিয়া ৰাজকুমাৰীয়ে সখীয়েকসকলক লগত লৈ ৰাজহংস গতিৰে যাবলৈ ধৰিলে। তেওঁ পদুমৰ পাহি যেন হাত দুখনিৰে বৰমাল্য লৈ ৰজাসকলক চাই চাই গৈ থাকিল। ১৩৪॥

যিপিনে নাৰদ গৰ্বত উৎফুল্ল হৈ বহি আছিল, সেইফালে ৰাজকুমাৰীয়ে ভুলতো নাচালে। নাৰদ মুনিয়ে বাৰে বাৰে উচ্ পিচাই থাকিবলৈ ধৰিলে। তেওঁৰ অৱস্থা দেখি শিৱৰ গণ দুজনে মিচিকিয়াই হাঁহিলে। ১॥

কৃপালু ভগৱানো ৰজাৰ বেশ ধৰি তাত উপস্থিত হ'ল। ৰাজকুমাৰীয়ে আনন্দ মনেৰে তেওঁৰ গলতে জয়মাল্য পিন্ধালে। লক্ষ্মীনিৱাস ভগৱানে কন্যা লৈ গ'ল। সমস্ত নৃপসমাজ নিৰাশ হ'ল। ২॥

মোহবশতঃ মুনিৰ বুদ্ধি ভ্ৰষ্ট হৈছিল; গতিকে তেওঁ অতি বিকল হৈ পৰিল। যেন গাঁঠিৰ পৰা মণিহে সুলকি পৰিল। তেতিয়া শিৱৰ গণ দুজনে হাঁহি মাৰি ক'লে—"আৰ্চীত মুখখন চোৱাঁ গৈচোন"। ৩॥

এই বুলি কৈয়ে তেওঁলোক দুজন ভয়তে ভাগিল। মুনিয়ে পানীত নিজৰ মুখ দেখা পালে। নিজৰ ৰূপ দেখি তেওঁৰ খং দুগুণে চৰিল। তেওঁ শিৱৰ গণ দুজনক অতি কঠোৰ শাপ দিলে। ৪॥

দোঃ—"তহঁত কপটীয়া আৰু পাপী। দুয়োটাই গৈ ৰাক্ষস-জন্ম ল'। তহঁতে মোক ইতিকিং কৰিলি, তাৰ ফল ভোগ কৰ। তাৰ পাছত কোনোৱা মুনিক আৰু ইতিকিং কৰিবি?" ১৩৫॥

চৌঃ—মুনিয়ে আকৌ পানীত মুখ চাই নিজৰ প্ৰকৃত ৰূপ লাভ কৰা দেখিবলৈ পালে। তথাপি তেওঁৰ মনটো সন্তুষ্ট নহ'ল। তেওঁৰ ওঁঠ কঁপি আছিল, মনৰ মাজত আছিল ভীষণ ক্ৰোধ। তেওঁ তৎক্ষণাৎ কমলা-পতিৰ ওচৰলৈ গ'ল। ১॥

[মনতে নাৰদে ভাবি গৈছিল যে] গৈ পোৱাই হয় অভিশাপ দিব, নহয় প্ৰাণ দিব। কিয়নো তেওঁক বিষ্ণুৱেই সংসাৰখনৰ আগত হাঁহিয়াতৰ পাত্ৰ কৰিলে। দৈত্যাৰি ভগৱান হৰিক তেওঁ বাটতে লগ পালে। হৰিৰ লগত লক্ষ্মী আৰু সেই ৰাজকুমাৰীও আছিল। ২॥

নাৰদক দেখি দেৱতাৰ স্বামী হৰিয়ে কোমল মাতেৰে সুধিলে—"হে মুনি, ইমান বিকল হৈ নো কোনফালে যোৱা?" এই কথা শুনিয়েই নাৰদৰ খঙে মূৰৰ চুলি পালেগৈ। মায়াৰ বশীভূত হোৱাৰ কাৰণে তেওঁ সেই সময়ত বিচাৰ-শক্তি হেৰুৱাই পেলাইছিল। ৩॥

মুনিয়ে ক'লে—"তুমি লোকৰ সম্পদ হোৱা দেখিব নোৱাৰা। তোমাৰ ঈৰ্ষা-কপটেই বিশেষ লক্ষণ। সমুদ্ৰ মন্থনৰ সময়ত তুমি ৰুদ্ৰক বলিয়া কৰিলা। দেৱতাসকলক পঠাই তেওঁক বিষপান কৰালা। ৪॥

দোঃ—"তুমি তেতিয়া অসুৰক মদিৰা আৰু শিৱক বিষপান কৰালা। আনহাতে নিজে লক্ষ্মীক আৰু সুন্দৰ কৌস্তুভ মণি ল'লা। তুমি বৰ স্বাৰ্থপৰ আৰু কুটিল। তুমি সদায় কপট ব্যৱহাৰহে কৰা। ১৩৬॥

চৌঃ—"তুমি পৰম স্বতন্ত্ৰ; তোমাৰ ওপৰত আৰু কোনো নাই কাৰণে তুমি যি মন যায় তাকে কৰা। ভালক বেয়া আৰু বেয়াক ভাল কৰা। মনত হৰ্ষ-বিষাদ একোকে অনুভৱ নকৰা। ১॥

"সকলোকে ঠগি ঠগি তুমি অভ্যস্ত হৈ পৰিছা আৰু একেবাৰে নিৰ্ভয় হৈ আছা। সেইবাবে (ঠগা কাৰ্যত) তোমাৰ মনত সদায় উৎসাহ বাঢ়িছেহে। শুভই হওক বা অশুভই হওক একো কামেই তোমাক বাধা নিদিয়ে। এতিয়ালৈকে তোমাক কোনেও গত লগোৱা নাই। ২ ॥

"তুমি মোৰ লৈতে ভাল তামচাথম কৰিলা। তোমাৰ কৃতকৰ্মৰ ফল ভুগিবলৈ পাবা। যি শৰীৰ (নৃপৰূপ) ধৰি তুমি মোক প্ৰবঞ্চনা কৰিলা, তুমি সেই শৰীৰকে ধাৰণ কৰা—এয়ে মোৰো অভিশাপ। ৩ ॥

"তুমি মোৰ আকৃতি বান্দৰৰ নিচিনা কৰিলা; গতিকে বান্দৰেহে তোমাক সহায় কৰিব। তুমি মোৰ ভয়ানক অপকাৰ সাধিলা; গতিকে তুমিও পত্নী-বিৰহৰ দুখত দুখী হ'ব লাগিব।" ৪ ॥

দোঃ—আনন্দ মনেৰে নাৰদৰ অভিশাপ মূৰ পাতি লৈ বাহিৰত প্ৰভুৱে অনুনয়-বিনয় কৰি দেখুৱালে। তাৰ পাছত কৃপালু ভগৱানে নিজৰ প্ৰবল মায়া-শক্তি আকৰ্ষণ কৰি সামৰি ল'লে। ১৩৭ ॥

চৌঃ—হৰিয়ে নিজৰ মায়াশক্তি সম্বৰণ কৰাৰ লগে লগে লক্ষ্মী আৰু ৰাজ-কুমাৰীও অদৃশ্য হৈ পৰিল। তেতিয়া সন্ত্ৰস্ত হৈ মুনিয়ে হৰিৰ চৰণত ধৰি এইদৰে ক'লে—"হে প্ৰণত জনৰ দুখ দূৰ কৰোঁতা, তুমি মোক ৰক্ষা কৰা। ১ ॥

"হে কৃপালু, মোৰ অভিশাপ যেন মিছা হৈ যায়।" তেতিয়া দীনদয়াল প্ৰভুৱে ক'লে—"এই সকলো মোৰেই ইচ্ছা"। মুনিয়ে ক'লে—"মই তোমাক অনেক অবচনীয় বচন বুলিলোঁ। মোৰ পাপৰ অন্ত কেনেকৈ হ'ব?" ২ ॥

(ভগৱানে ক'লে—) "তুমি গৈ শংকৰৰ শতনাম জপ কৰা; তেতিয়া তুমি অতি সোনকালে শান্তি পাবা। শিৱতকৈ যে মোৰ প্ৰিয়পাত্ৰ আৰু কোনো নাই, এই কথা ভুলতো নেপাহৰিবা। ৩ ॥

"হে মুনি! ত্ৰিপুৰাৰি শিৱই যাক কৃপা নকৰে, তেওঁ মোৰ ভক্তিলাভ কৰিব নোৱাৰে। তুমি অন্তৰত এই কথাকে নিশ্চিতভাৱে লৈ পৃথিৱীত ভ্ৰমণ কৰাগৈ। এতিয়া মোৰ মায়া তোমাৰ কাষকে নাচাপে।" ৪ ॥

এইদৰে অনেক প্ৰকাৰে মুনিক প্ৰবোধ দি প্ৰভু অন্তৰ্ধান হ'ল। নাৰদেও শ্ৰীৰামৰ গুণ কীৰ্তন কৰি সত্যলোকলৈ গতি কৰিলে। ১৩৮ ॥

চৌঃ—শিৱৰ গণ দুজনে যেতিয়া মুনিক মোহমুক্ত হৈ প্ৰসন্নচিত্তে বাটত যোৱা দেখিলে, তেতিয়া তেওঁলোক সন্ত্ৰস্ত হৈ নাৰদৰ ওচৰ পালেগৈ। তেওঁলোকে মুনিৰ চৰণত ধৰি আতুৰভাৱে ক'লে—১ ॥

"হে মুনিৰাজ, আমি ব্ৰাহ্মণ নহয়; শিৱৰ গণহে। আমি ডাঙৰ অপৰাধ আচৰিলোঁ আৰু তাৰ ফলো পালোঁ। হে কৃপালু, এতিয়া আমাক শাপমুক্ত হোৱাৰ উপায় দিয়ক।" দীনদয়াল নাৰদে ক'লে—২ ॥

"তোমালোক দুয়ো গৈ ৰাক্ষস হোৱা। তোমালোকে বিপুল ঐশ্বৰ্য, তেজ আৰু বল লাভ কৰিবা। তোমালোকে যেতিয়া বাহুবলেৰে সমস্ত জগত জিনিবা, তেতিয়া ভগৱান বিষ্ণুৱে মনুষ্যৰূপ ধাৰণ কৰিব। ৩ ॥

"যুদ্ধত শ্ৰীহৰিৰ হাতত তোমালোকৰ মৃত্যু ঘটিব। তেতিয়া তোমালোক মুক্ত হ'বা আৰু তুনাই সংসাৰত জন্ম নহ'ব।" দুয়োজনে মুনিৰ চৰণত মূৰ দোঁৱাই গুচি গ'ল আৰু যথা সময়ত তেওঁলোকে ৰাক্ষস জন্ম ল'লে। ৪॥

দোঃ—দেৱতাসকলৰ আনন্দ বিধায়ক, সজ্জনৰ সুখদায়ক আৰু ভূভাৰ হৰণ কৰোঁতা ভগৱানে এক কল্পত এই কাৰণেই জন্ম লৈছিল। ১৩৯ ॥

এইদৰে ভগৱানৰ সুন্দৰ, সুখদায়ক, বিচিত্ৰ জন্ম আৰু কৰ্ম অনেক। প্ৰত্যেক কল্পতে যেতিয়া ভগৱানে অৱতাৰ লয় আৰু নানাপ্ৰকাৰৰ সুন্দৰ লীলা কৰে— ১ ॥

তেতিয়াই মুনিসকলে পৰম পৱিত্ৰ কাব্য ৰচনা কৰি ভগৱানৰ কাহিনী বৰ্ণাই আহিছে। তেওঁলোকে বিবিধ অনুপম প্ৰসংগৰ বৰ্ণনা দিছে; সেইবিলাক শুনি চতুৰ লোকে আশ্চৰ্য প্ৰকাশ নকৰে। ২ ॥

হৰি অনন্ত আৰু তেওঁৰ গুণলীলাৰ কথাও অনন্ত। সেইবাবে সন্ত-সকলে হৰি-কথা নানাপ্ৰকাৰে কয় আৰু নানাধৰণে শুনেও। শ্ৰীৰামৰ মনোৰম চৰিত্ৰ কোটিকল্পত ক'লেও শেষ নহয়। ৩ ॥

শিৱই ক'লে—"হে পাৰ্বতী! জ্ঞানী-মুনিও যে ভগৱানৰ মায়াত মোহিত হয়, তাকে বুজাবৰ কাৰণেহে এই প্ৰসংগটোৰ অৱতাৰণা কৰিলোঁ। প্ৰভু লীলাময় আৰু শৰণাগতৰ হিতাকাংক্ষী। তেওঁক সেৱা কৰাটো অতি সহজ আৰু তেওঁ সকলো দুখ হৰণ কৰে। ৪ ॥

সোঃ—"দেৱতা, মনুষ্য, মুনিৰ ভিতৰত এনে কোনো নাই যাক ভগৱানৰ প্ৰবল মায়াই মুহিব নোৱাৰে। মনত ইয়াকে ভাবি মহামায়াৰ পতি ভগৱানক ভক্তি কৰিব লাগে। ১৪০

চৌঃ—"হে গিৰিনন্দিনী! এতিয়া ভগৱানৰ অন্য এক অৱতাৰৰ কাৰণ কওঁ, শুনা। যি কাৰণত জন্মৰহিত, নিৰ্গুণ, ৰূপৰহিত ব্ৰহ্ম অযোধ্যাপুৰীৰ ৰজা হ'ল, সেই বিচিত্ৰ কথা মই বিস্তৃতভাৱে কওঁ। ১ ॥

"যি প্ৰভু শ্ৰীৰামে লক্ষ্মণেৰে সৈতে মুনিৰ বেশ ধাৰণ কৰি বনে বনে ফুৰিছিল, তুমি তেওঁক দেখা পাইছিলা। হে ভৱানী! যাৰ কাৰ্যাৱলী দেখি সতীৰ শৰীৰ ধৰি থাকোঁতে তুমি এনেকুৱা বাউলী হৈছিলা যে আজিও তোমাৰ সেই ব্যাকুলতা শেষ হোৱা নাই; সেই শ্ৰীৰামৰ ভ্ৰমৰূপী ৰোগহৰণকাৰী চৰিত্ৰ শ্ৰৱণ কৰা। সেই অৱতাৰত ভগৱানে যি যি লীলা কৰিলে, সেই সকলোবোৰ মোৰ বুদ্ধি অনুসৰি মই কৈ যাম।" ২।৩ ॥

(যাজ্ঞবল্ক্যই ক'লে—) হে ভৰদ্বাজ! শংকৰৰ বাণী শুনি উমাই প্ৰেমবশতঃ লজ্জিত হৈ হাঁহি এটি মাৰিলে। বৃষকেতু মহাদেৱে যি কাৰণত ভগৱানৰ সেই অৱতাৰ হৈছিল তাক বৰ্ণাবলৈ ধৰিলে। ৪ ॥

দোঃ—হে মুনিশ্ৰেষ্ঠ ভৰদ্বাজ! মই সকলোখিনি তোমাক কম, তুমি মন দি শুনা। ৰামকথাই কলিযুগৰ পাপ হৰণ কৰে, মংগল দান কৰে আৰু ই অতি মনোহৰ। ১৪১ ॥

চৌঃ—স্বায়ম্ভুৱ মনু আৰু তেওঁৰ পত্নী শতৰূপাৰ পৰাই এই অনুপম মনুষ্যসৃষ্টি আৰম্ভ হৈছিল। এই দম্পতিৰ ধৰ্ম আচৰণ ওখ থাপৰ আছিল। আজিও বেদে তেওঁলোকৰ গুণ-গান কৰে। ১ ॥

ৰজা উত্তানপাদ তেওঁলোকৰে পুত্ৰ আছিল। প্ৰসিদ্ধ হৰিভক্ত ধ্ৰুৱ এই উত্তানপাদৰে পুত্ৰ। কণিষ্ঠ পুত্ৰৰ নাম আছিল প্ৰিয়ব্ৰত। বেদ আৰু পুৰাণেও এওঁৰ প্ৰশংসা কৰে। ২ ॥

দেৱহুতি এওঁৰ কন্যা আছিল। তেওঁ কৰ্দম মুনিৰ প্ৰিয়পত্নী আছিল। তেৱেঁই আদি দেৱ, দীনদয়াল আৰু কৃপালু প্ৰভু কপিল মুনিক গৰ্ভত ধাৰণ কৰিছিল। ৩ ॥

তত্ত্ববিচাৰত নিপুণ এই ভগৱান কপিলে সাংখ্য শাস্ত্ৰৰ বিস্তৃত বৰ্ণনা দিছিল। [যাৰ পৰা এনেধৰণ লোকৰ উৎপত্তি হৈছিল সেই] মনুৱে বহুকাল ৰাজত্ব কৰিছিল আৰু সকলো প্ৰকাৰে ভগৱানৰ আদেশ পালন কৰিছিল। ৪ ॥

সোঃ—এইদৰে গৃহবাস কৰি থাকোঁতেই [বানপ্ৰস্থ গ্ৰহণ নকৰা অৱস্থাতে] বাৰ্ধক্যই দেখা দিলে। বিষয়ৰ প্ৰতি বিৰাগ ভাৱ নহা বাবে হৰিভক্তিহীন জীৱন বিফলেই গৈছে বুলি ভাবি তেতিয়া মনুৱে মনতে বৰ দুখ কৰিবলৈ ধৰিলে। ১৪২ ॥

চৌঃ—তাৰ পাছত নিজৰ পুত্ৰক জোৰেৰে নিজৰ ৰাজ্য সমৰ্পণ কৰি পত্নীৰে সৈতে মনু বনলৈ গ'ল। সেইখন বন আছিল সাধকসকলৰ বাবে সিদ্ধিদায়ক, অতি পবিত্ৰ আৰু তীৰ্থসমূহৰ ভিতৰত শ্ৰেষ্ঠ প্ৰসিদ্ধ নৈমিষাৰণ্য।

নৈমিষাৰণ্যত মুনি আৰু সিদ্ধসকলে বাস কৰিছিল; আনন্দ মনেৰে মনুৱে

তালৈকে যাত্ৰা কৰিলে। সেই ধীৰমতি ৰজা-ৰাণীক বাটত গৈ থাকোঁতে এনেকুৱা সুন্দৰ লাগিছিল, তেওঁলোক যেন মূৰ্তিমান জ্ঞান আৰু ভক্তিহে। ২ ॥

তেওঁলোকে গোমতী নদীৰ তীৰত উপস্থিত হ'ল আৰু আনন্দ মনেৰে তাৰ নিৰ্মল পানীত স্নান কৰিলে। মনুক ধৰ্মৰ শুৱি ধৰোঁতা ৰাজৰ্ষি বুলি জানি সিদ্ধ আৰু জ্ঞানী মুনিসকলে তেওঁক সাক্ষাৎ কৰিবলৈ আহিলে। ৩ ॥

য'তে য'তে সুন্দৰ তীৰ্থ আছিল, মুনিসকলে তেওঁক সাদৰে সেই তীৰ্থলৈকে লৈ গ'ল। তেওঁৰ শৰীৰ দুৰ্বল হৈ পৰিল। তেওঁ মুনিৰ দিচিনা বস্ত্ৰ গ্ৰহণ কৰিলে আৰু সাধু-সমাজত নিতৌ পুৰাণ শ্ৰৱণ কৰিবলৈ ধৰিলে। ৪ ॥

দোঃ—তেওঁলোকে ভক্তিৰে সৈতে দ্বাদশাক্ষৰ মন্ত্ৰ (ওঁ নমো ভগৱতে বাসুদেৱায়) জপ কৰিবলৈ ধৰিলে। ৰজা-ৰাণী দুয়োৰে বাসুদেৱৰ চৰণকমলত মনোনিবেশ হ'ল। ১৪৩ ॥

চৌঃ—তেওঁলোকে শাক আৰু ফল-মূলৰ আহাৰ কৰিবলৈ ললে। তেওঁলোকে সচ্চিদানন্দ ব্ৰহ্মক স্মৰণ কৰিছিল। তাৰ পাছত শ্ৰীহৰিক পাবৰ বাবে তপস্যাৰত হ'ল আৰু তেতিয়া ফল-মূলো ত্যাগ কৰি কেৱল পানীৰ ওপৰতে জীৱন নিৰ্বাহ কৰিবলৈ ধৰিলে। ১ ॥

তেওঁলোকৰ মনত সদায় এই অভিলাষ আছিল—আমি যেন নিৰ্গুণ, অখণ্ড, অনাদি-অনন্ত সেই প্ৰভুক চকুৰে দেখিবলৈ পাওঁ। পৰমাৰ্থবাদী (তত্ত্বজ্ঞ) সকলে তেওঁকেই ধ্যান কৰে। ২ ॥

যাক বেদে 'নেতি নেতি' (এইটো নহয়, সেইটো নহয়) বুলিহে নিৰূপণ কৰে; যি আনন্দস্বৰূপ, উপাধিৰহিত, অনুপম আৰু যাৰ অংশৰপৰা অনেক শিৱ, ব্ৰহ্মা আৰু বিষ্ণুৰ উদ্ভৱ হয়, তেনেহেন প্ৰভুও সেৱকজনৰ বশ্য হয় আৰু ভক্তৰ কাৰণে লীলা-তনু ধাৰণ কৰে। যদি বেদে কোৱা এই কথা সত্য হয়, তেনেহ'লে আমাৰ অভিলাষ পূৰণ হ'ব। ৩।৪ ॥

দোঃ—এইদৰে পানীকে আহাৰ স্বৰূপে লৈ তপস্যা কৰোঁতে ছহেজাৰ বছৰ পাৰ হ'ল। তাৰ পাছত সাত হেজাৰ বছৰ বায়ুভক্ষণ কৰি জীৱন নিৰ্বাহ কৰিলে। ১৪৪ ॥

চৌঃ—তাৰ পাছত দহ হেজাৰ বছৰ ধৰি তেওঁলোকে বায়ুভক্ষণ কৰিবলৈও এৰি দিলে। দুয়ো এটা ভৰিত ভৰ দি ঠিয় হৈ ৰ'ল। তেওঁলোকৰ কঠোৰ তপস্যা দেখি ব্ৰহ্মা, বিষ্ণু আৰু শিৱ [ছদ্মবেশত] বাৰচেৰেক মনুৰ ওচৰলৈ আহিছিল। ১ ॥

তেওঁলোকে ৰজা-ৰাণীক অনেক প্ৰলোভন দেখুৱালে আৰু বৰ মাগিবলৈ

ক'লে। কিন্তু পৰম ধৈৰ্য্যশীল তেওঁলোকক কোনো প্ৰকাৰে বিচলিত কৰিব নোৱাৰিলে। যদিও তেওঁলোকৰ শৰীৰত অস্থিমাত্ৰ অৱশেষ ৰৈছিল, তথাপি তেওঁলোকৰ মনত লেশমাত্ৰও দুখ নহৈছিল। ২ ॥

সৰ্বজ্ঞ ভগৱানে অনন্য স্বভাৱৰ তপস্বী ৰজা-ৰাণীক নিজৰ দাস বুলি বুজিলে। তেতিয়া কৃপাৰূপ অমৃত মিশ্ৰিত, পৰম গভীৰ এক আকাশবাণী হ'ল—"বৰ ভিক্ষা কৰা"। ৩ ॥

মৃত শৰীৰতো জীৱন সঞ্চাৰ কৰিব পৰা এই শোভন বাণী যেতিয়া কৰ্ণপথেদি হৃদয়ত প্ৰৱেশ কৰিলেগৈ, ৰজা-ৰাণীৰ শৰীৰ হৃষ্ট-পুষ্ট হৈ পৰিল। এনেহে লাগিল—তেওঁলোকে যেন এতিয়াহে ঘৰৰ পৰা আহিছে। ৪ ॥

দোঃ—কাণেৰে অমৃততুল্য বচন শুনি তেওঁলোকৰ শৰীৰ পুলকিত আৰু আনন্দিত হৈ উঠিল। তেতিয়া মনুৱে হিয়া ওপচা ভক্তিৰে সৈতে দণ্ডৱৎ হৈ ক'বলৈ ধৰিলে— ১৪৫ ॥

চৌঃ—"হে সেৱকৰ কল্পতৰু আৰু কামধেনু! ব্ৰহ্মা, বিষ্ণু আৰু শিৱই তোমাৰ পদৰেণু বন্দনা কৰে। তুমি সেৱকৰ বাবে সুলভ আৰু সমস্ত সুখদায়ক। তুমি শৰণাগতজনৰ পালক আৰু চৰাচৰ জগতৰ স্বামী। ১ ॥

হে অনাথজনৰ হিতসাধক, শৰণাগত-বৎসল প্ৰভু! আমাৰ প্ৰতি যদি তোমাৰ স্নেহভাৱ আছে, তেনেহ'লে প্ৰসন্ন হৈ আমাক এই বৰ দিয়া, যাৰ বলত আমি তোমাৰ সেই স্বৰূপ উপলব্ধি কৰিব পাৰোঁ আৰু চকুৰেও হেঁপাহ পলুৱাই দেখিবলৈ পাওঁ, যিটো ৰূপ শিৱৰ মনত সদায় থাকে আৰু যাক পাবৰ কাৰণে মুনিসকলেও সাধনা কৰে; কাক-ভুশণ্ডীৰ মনৰ মানস-সৰোবৰত হংসৰ দৰে যিটো ৰূপ বিহাৰ কৰি থাকে, যাৰ কথা সগুণ আৰু নিৰ্গুণ উভয় প্ৰকাৰে বেদে প্ৰশংসা কৰি কয়।

সেই পতি-পত্নীযুগলৰ মৃদু, বিনীত আৰু প্ৰেমময়ী ভক্তি-ৰসত মজি থকা বচন শুনি অতি প্ৰীতি লাভ কৰি ভক্তবৎসল, কৃপানিধি, বিশ্বব্যাপক প্ৰভু ভগৱন্ত আবিৰ্ভূত হ'ল। ৪ ॥

দোঃ—সেই নীলপদ্ম, নীলমণি আৰু নীলা মেঘৰ দৰে ভগৱানৰ শ্যামতনুৰ শোভা দেখি কোটি কোটি কামদেৱ লজ্জিত হ'ল। ১৪৬ ॥

চৌঃ—তেওঁৰ মুখখনি শাৰদীয় (পূৰ্ণিমাৰ) চন্দ্ৰৰ দৰে সৌন্দৰ্যৰ সীমাস্বৰূপ। গাল আৰু থুঁতৰি দেখিবলৈ মনোমোহা; কণ্ঠ শংখৰ নিচিনা (ৰেখাযুক্ত), তেওঁৰ হাঁহিয়ে চন্দ্ৰৰ কিৰণকো যেন উপহাসহে কৰিছিল। ১ ॥

তেওঁৰ নয়নৰ শোভা নৱবিকশিত পদুম ফুলৰ দৰে; কটাক্ষই মন প্ৰাণ হৰে; ভ্ৰূযুগলে মদনৰ ধনুখনিৰো শোভা ম্লান কৰিছে; কপালত তিলক জিলিকিছে। ২ ॥

কাণত মকৰ কুণ্ডল, শিৰত কিৰীটি, আকুঞ্চিত কেশৰাজি যেন ভোমোৰাৰ শাৰীহে; বুকুত শ্ৰীবৎস, মনোৰম বনমালা, ৰত্নময় হাৰ আৰু মণিজালে শোভা কৰিছে। ৩ ॥

গলধন সিংহৰ নিচিনা, তাতে নৱগুণ শোভা কৰি আছে। বাহুত পৰিধান কৰা অলংকাৰসমূহ অতি ধুনীয়া। ভুজযুগল হাতীৰ শুঁৰৰ দৰে গুৱনি। কমৰত তূণ (ওলমি আছে) আৰু দুহাতত ধনু-শৰ। ৪ ॥

দোঃ—পীতবস্ত্ৰই বিজুলীৰ শোভাকো যেন নিন্দা কৰিছে। উদৰত ত্ৰিবলিত ৰেখাই শোভা বৃদ্ধি কৰিছে। নাভিগৰ্ত এনে মনোৰম, যেন ই যমুনা নদীৰ চাকনৈয়াৰ শোভাহে কাঢ়ি লৈছে। ১৪৭ ॥

চৌঃ—য'ত মুনিৰ মনৰূপী মধুকৰে বাস কৰে, ভগৱানৰ সেই চৰণকমলৰ বৰ্ণনা দিব নোৱাৰি। তেওঁৰ বাম ভাগত সদায় অনুকূলে হৈ থকা, সৌন্দৰ্যৰ নিধি-স্বৰূপা, জগতৰ মূল কাৰণ আদিশক্তিয়ে শোভা পাইছিল। ১ ॥

যাৰ অংশৰপৰা গুণৰ আকৰ স্বৰূপা অগণন লক্ষ্মী, উমা আৰু ব্ৰহ্মাণীৰ জন্ম হয়, যাৰ ভ্ৰূকুটি বিলাসতে জগতৰ সৃষ্টি হয়, সেই (ভগৱানৰ স্বৰূপা শক্তি) সীতাদেৱী শ্ৰীৰামৰ (পৰম-পুৰুষৰ) বাওঁফালে অৱস্থিতা দেখা গৈছিল। ২ ॥

শোভাৰ সমুদ্ৰ শ্ৰীহৰিৰ ৰূপ দেখি মনু আৰু শতৰূপাই অপলক নেত্ৰেৰে একেৰাহে চাই ৰ'ল। সেই অনুপম ৰূপ তেওঁলোকে ভক্তিভাৱেৰে একেথৰে চাই আছিল; চাই চাই যেন হেঁপাহ নপলাইছিল। ৩ ॥

আনন্দৰ আতিশয্যত তেওঁলোকে দৈহিক চেতনা যেন পাহৰি পেলালে; দুহাতেৰে ভগৱানৰ চৰণ আঁকোৱালি লৈ মাটিত দণ্ডৱৎ হৈ পৰি থাকিল। কৃপাময় প্ৰভুৱে কৰকমলেৰে তেওঁলোকৰ শিৰত স্পৰ্শ কৰি তেওঁলোকক ততালিকে তুলি ধৰিলে। ৪ ॥

দোঃ—তাৰ পাছত কৃপানিধি প্ৰভুৱে ক'লে—"মই প্ৰসন্ন হৈছোঁ আৰু মোক মহাদানী বুলি বুজিবা। গতিকে যি মন যায় সেই বৰকে ভিক্ষা কৰা।" ১৪৮ ॥

চৌঃ—প্ৰভুৰ বচন শুনি দুয়ো হাত যোৰ কৰিলে আৰু কোমল মাতেৰে ৰজাই ক'বলৈ ধৰিলে—"হে নাথ, তোমাৰ পদকমল দেখিলোঁ বেতিয়া আমাৰ সমস্ত কামনা পূৰণ হ'ল। ১ ॥

"কিন্তু আমাৰ মনত এটি ডাঙৰ অভিলাষ আছে। সেই অভিলাষ পূৰণ

কৰাটো অতি টানো হ'ব পাৰে ; অতি সহজো হ'ব পাৰে। গতিকে সেই কথা ক'ব নোৱাৰি। হে স্বামী ! তোমাৰ কাৰণে এই অভিলাষ পূৰণ কৰাটো অতি সহজ ; কিন্তু নিজৰ দীনতাৰ বাবে তাক অতি দুৰ্লভ বুলি ভাবিছোঁ। ২ ॥

"যেনেকৈ এজন দৰিদ্ৰই কল্পতৰু আগতে পায়ো বহুত বস্তু খুজিবলৈ সংকোচ কৰে ; কাৰণ তেওঁ কল্পতৰুৰ প্ৰভাৱৰ কথা নাজানে, সেইদৰেই মোৰ হৃদয়তো সংশয় উপস্থিত হৈছে। ৩ ॥

"হে স্বামী, তুমি অন্তৰ্যামী, গতিকে সকলো জানা। মোৰ এই মনোৰথ পূৰণ কৰা।" (ভগৱানে ক'লে—) "হে ৰাজন্, সংকোচ ত্যাগ কৰি মোৰ ওচৰত বৰ ভিক্ষা কৰা। তোমাক দিব নোৱাৰা একো বস্তু নাই।" ৪ ॥

দোঃ—(ৰজাই ক'লে—) "হে দানী, শিৰোমণি, কৃপানিধি নাথ ! মই তোমাক মনৰ সঁচা ভাব জনাইছোঁ—মই তোমাৰ নিচিনা পুত্ৰ কামনা কৰিছোঁ। তোমাৰ আগত আৰু লুকুৱাবলৈ কি আছে ?" ১৪৯ ॥

চৌঃ—ৰজাৰ ভক্তি দেখি আৰু সেই অমূল্য বচন শুনি করুণানিধি প্ৰভুৱে ক'লে—"সেয়ে হওক। মই মোৰ সমান পুত্ৰ ক'তে বা বিচাৰি পাম ? গতিকে মই নিজেই গৈ তোমাৰ পুত্ৰ হ'ম।" ১ ॥

শতৰূপাক হাতযোৰ কৰি থকা দেখি ভগৱানে ক'লে—"হে দেৱী ! তুমিও ইচ্ছামতে বৰ ভিক্ষা কৰা"। (শতৰূপাই কলে —) "হে নাথ, চতুৰ ৰজাই যি বৰ মাগিলে, হে কৃপালু ! মোৰো সিয়েই অতি প্ৰিয় যেন লাগিছে।"

"হে ভকতৰ হিতকাৰী প্ৰভু ! যদিও আমাৰ ধৃষ্টতা হৈছে তথাপি তুমি তাত বিৰক্তি নোপোৱা। তুমি ব্ৰহ্মা আদিৰো জনক, জগতৰ স্বামী আৰু সকলোৰে হৃদয়ৰ অন্তৰ্যামী ব্ৰহ্ম। ৩ ॥

"এই বুলি ভাবিলে মনত সন্দেহ হয়, তথাপি হে প্ৰভু, তুমি যি ক'লা সেয়া প্ৰামাণিক কথা। হে নাথ, তোমাৰ যিসকল নিজ ভক্ত আছে, তেওঁলোকে যি (পৰম) সুখ, যি গতি লাভ কৰে, (৪) হে প্ৰভু, সেই সুখ, সেই গতি, সেই ভক্তি, তোমাৰ চৰণত সেই অনুৰাগ, সেই জ্ঞান আৰু সেই চাল-চলনকে তুমি কৃপা কৰি আমাক দিয়া"। ১৫০ ॥

চৌঃ—(ৰাণীৰ) এনেকুৱা মৃদু, গূঢ় আৰু শ্ৰেষ্ঠ ৰুচিৰ বাক্য শুনি কৃপাৰ সাগৰ প্ৰভুৱে মৃদু বচনেৰে কলে—"তোমাৰ মনৰ সকলো ইচ্ছাকে মই পূৰণ কৰিম ; তুমি তাত একো সংশয় নকৰিবা। ১ ॥

"হে মাতৃ ! মোৰ কৃপাত তোমাৰ অলৌকিক জ্ঞান কেতিয়াও শেষ নহয়।"

তেতিয়া মনুৱে আকৌ প্ৰভুৰ চৰণত বন্দনা কৰি ক'লে—"হে প্ৰভু, মোৰ আৰু এটি প্ৰাৰ্থনা আছে—মোক লাগিলে আনে মহামূৰ্খই বোলক, (মই তোমাক প্ৰাৰ্থনা কৰিছোঁ) তোমাৰ চৰণত, পুত্ৰৰ প্ৰতি পিতাৰ যি প্ৰেম, মোৰো যেন সেই জাতীয় অনুৰাগ হয়। যেনেকৈ মণি নোহোৱাকৈ সাপ, পানী নোহোৱাকৈ মাছ থাকিব নোৱাৰে, তেনেকৈয়ে মোৰ জীৱনো তোমাৰ ভক্তিৰ অবিহনে থাকিব নোৱাৰে।" ২। ৩॥

এই বৰ ভিক্ষা কৰি ৰজাই ভগৱানৰ চৰণত ধৰি বৈ থাকিল। তেতিয়া করুণানিধি প্ৰভুৱে ক'লে—"সেয়ে হওক; এতিয়া তুমি মোৰ আজ্ঞা অনুসৰি দেৱৰাজ ইন্দ্ৰৰ ৰাজধানীলৈ গৈ বাস কৰা। ৪॥

সোঃ—"হে বৎস! তাত অনেক ভোগ কৰি কিছুকাল কটোৱাৰ পাছত তুমি অযোধ্যাৰ ৰজা হ'বা; তেতিয়াই মই তোমাৰ পুত্ৰ হ'ম। ১৫১॥

চৌঃ—"স্ব-ইচ্ছাৰে মনুষ্য বেশ ধাৰণ কৰি মই তোমাৰ ঘৰত ব্যক্ত হমগৈ। হে বৎস, মই নিজৰ অংশসমূহৰ সৈতে দেহ ধাৰণ কৰি ভক্তৰ কাৰণে সুখদায়ক লীলা কৰিম। ১॥

"মোৰ সেই লীলাসমূহৰ কথা বৰ ভাগ্যশালী মানুহে শ্ৰৱণ কৰি মমতা আৰু অহংকাৰ ত্যাগ কৰি ভৱসাগৰ পাৰ হৈ যাব। জগতৰ সৃষ্টিকাৰিণী, মোৰ মায়া। এই আদ্যা শক্তিয়েও অৱতাৰ ল'ব। ২॥

"এইদৰে মই তোমাৰ অভিলাষ পূৰণ কৰিম। মোৰ প্ৰতিজ্ঞাৰ স্খলন নাই।" কৃপানিধি ভগৱান বাৰে বাৰে এইদৰে কৈ অন্তৰ্ধান হ'ল। ৩॥

সেই পতি-পত্নী যুগলে ভক্তবৎসল ভগৱানক হৃদয়ত ধাৰণ কৰি কিছু কাল সেই আশ্ৰমতে বাস কৰিলে। তাৰ পাছত যথাসময়ত কোনো কষ্ট নোহোৱাকৈ তনুত্যাগ কৰি (ইন্দ্ৰপুৰী) অমৰাৱতীত বাস কৰিলেগৈ। ৪॥

দোঃ—[যাজ্ঞবল্ক্যই ক'লে—] "হে ভৰদ্বাজ, শিৱই পাৰ্বতীক এই অতি পবিত্ৰ কাহিনীটি কৈছিল। এতিয়া শ্ৰীৰাম-জন্মৰ অন্য এক কাৰণ শুনা। ১৫২॥

হে মুনি, শিৱই পাৰ্বতীক কোৱা এই প্ৰাচীন আৰু পবিত্ৰ কাহিনী শুনা। কেকয় নামেৰে এখন বিশ্ববিখ্যাত দেশ আছে। তাত সত্যকেতু নামেৰে এজন ৰজা আছিল। ১॥

তেওঁ ধৰ্মৰ ধৰণীস্বৰূপ, নীতিৰ ভঁৰালস্বৰূপ, তেজস্বী, প্ৰতাপী, সৎচৰিত্ৰবান আৰু বলশালী আছিল। তেওঁৰ দুজন গুণনিধি, ৰণত ধীৰস্থিৰ বীৰপুত্ৰৰ জন্ম হ'ল। ২॥

ৰাজ্যৰ উত্তৰাধিকাৰী জ্যেষ্ঠপুত্ৰজনৰ নাম আছিল প্ৰতাপভানু আৰু দ্বিতীয় জনৰ নাম আছিল অৰিমৰ্দন। অৰিমৰ্দন অতুল ভুজবলী আৰু যুদ্ধত পৰ্বতৰ দৰে অচল-অটল আছিল। ৩ ॥

দুয়োজন ককাই-ভাইৰ মাজত অতি মিলা-প্ৰীতি আছিল, তেওঁলোকৰ মৰম-চেনেহত কোনো প্ৰকাৰৰ কপট নাছিল। ৰজাই জ্যেষ্ঠপুত্ৰক ৰাজ্য দি নিজে ভগৱানক উদ্দেশ্য কৰি বনলৈ যাত্ৰা কৰিলে। ৪ ॥

দোঃ—যেতিয়া প্ৰতাপভানু ৰজা হ'ল সকলোৱে আগৰজন ৰজাকে ঘুৰাই পোৱা বুলি ভাবিলে। তেওঁ বেদবিহিত নিয়মেৰে প্ৰজা পালন কৰিবলৈ ধৰিলে। তেওঁৰ ৰাজ্যৰ ক'তো লেশমাত্ৰও পাপ আচৰণ কৰা নহৈছিল। ১৫৩ ॥

চৌঃ—তেওঁৰ ধৰ্মৰুচি নামেৰে এজন হিতসাধক, চতুৰ আৰু শুক্ৰাচাৰ্য সদৃশ মন্ত্ৰী আছিল। এইদৰে বুদ্ধিমান মন্ত্ৰী আৰু বলৱান ভ্ৰাতৃৰে সৈতে স্বয়ং ৰজাও বৰ প্ৰতাপী আৰু ৰণত ধীৰ-স্থিৰ আছিল। ১ ॥

যুদ্ধত মৃত্যু বৰণ কৰিবৰ বাবে প্ৰস্তুত অসংখ্য যোদ্ধাৰে গঠিত চতুৰঙ্গিনী সেনাও সেই ৰজাৰ অধীনত আছিলে। ৰজাই নিজৰ সৈন্যদল দেখি আনন্দিত হ'ল আৰু সেই সময়ত ঢাক-ঢোল বাজিবলৈ ধৰিলে। ২ ॥

এবাৰ দিগ্বিজয়ৰ কাৰণে শুভদিন স্থিৰ কৰি এই ৰজাই সৈন্যদল সজাই যাত্ৰা আৰম্ভ কৰিলে। বহুত ঠাইত অনেক যুদ্ধ হ'ল। এওঁ সকলো ৰজাকে বলেৰে পৰাস্ত কৰিলে। ৩ ॥

নিজ বাহুবলেৰে সপ্তদ্বীপা পৃথিৱী নিজৰ অধীন কৰিলে আৰু ৰজাবিলাকৰ পৰা দণ্ড (কৰ-কাটল) লোৱাৰ পাছত তেওঁলোকক এৰি দিলে। সমস্ত ভূমণ্ডলত তেতিয়া প্ৰতাপভানুৱেই একমাত্ৰ (ৰাজচক্ৰৱৰ্তী) ৰজা হ'ল। ৪ ॥

দোঃ—নিজ বাহুবলেৰে পৃথিৱী নিজৰ অধীন কৰি ৰজাই নিজ ৰাজধানীত প্ৰৱেশ কৰিলে। এইজন ৰজাই উপযুক্ত সময়ত ধৰ্ম, অৰ্থ আৰু কামসুখ ভোগ কৰিছিল। ১৫৪ ॥

চৌঃ—ৰজা প্ৰতাপভানুৰ বলত (প্ৰভাৱত) পৃথিৱী কামধেনু স্বৰূপা হৈ পৰিল (আৱশ্যকীয় বস্তু দান কৰি)। প্ৰজা সকলো দুখৰ পৰা মুক্ত আৰু সুখী হ'ল। তেওঁৰ ৰাজ্যৰ সকলো নৰ-নাৰী সুন্দৰ আৰু ধাৰ্মিক আছিল। ১ ॥

মন্ত্ৰী ধৰ্মৰুচিৰ হৰি-চৰণত অনুৰাগ আছিল। তেওঁ ৰজাৰ হিতৰ অৰ্থে নিতৌ তেওঁক নীতিশিক্ষা দিছিল। ৰজাই সদায় গুৰু, দেৱ, সন্ত, পিতৃগণ আৰু ব্ৰাহ্মণ—এই সকলোৰে সেৱা কৰিছিল। ২ ॥

বেদে যি ৰাজধৰ্মৰ বিধান দিছে, ৰজাই সদায় শ্ৰদ্ধাৰে সৈতে সেই সকলো পালন কৰি সুখ অনুভৱ কৰিছিল। তেওঁ প্ৰতিদিনে অনেক প্ৰকাৰৰ দান কৰিছিল আৰু উত্তম শাস্ত্ৰ বেদ আৰু পুৰাণ শ্ৰৱণ কৰিছিল। ৩॥

তেওঁ অনেক ডাঙৰ সৰু পুখুৰী, কুঁৱা, ফুলনি সুন্দৰ উদ্যান আৰু সকলো তীৰ্থতে ব্ৰাহ্মণ-সজ্জনৰ বাবে ঘৰ আৰু বিচিত্ৰ দেৱমন্দিৰ নিৰ্মাণ কৰাইছিল। ৪॥

দোঃ—বেদ আৰু পুৰাণত যিমান বিধাক যাগ-যজ্ঞৰ কথা কোৱা হৈছে, এইজন ৰজাই সেই প্ৰত্যেকবিধকে, শ্ৰদ্ধাপূৰ্বক হেজাৰ-বিজাৰ বাৰ সম্পাদন কৰিলে। ১৫৫॥

চৌঃ—ৰজাৰ হৃদয়ত কোনো কামৰে ফলাকাংক্ষা নাছিল। তেওঁ বৰ বিবেকী আৰু জ্ঞানী পুৰুষ আছিল। এই জ্ঞানী ৰজাই কৰ্ম, মন আৰু বাণীৰ দ্বাৰা ধৰ্ম-কাৰ্য যিহকেই কৰিছিল, সেই সকলো বাসুদেৱত অৰ্পণ কৰিছিল। ১॥

এবাৰ এই ৰজাই এটা উত্তম ঘোঁৰাত উঠি, মৃগয়াৰ সাজেৰে সজ্জিত হৈ বিন্ধ্যপৰ্বতৰ গভীৰ অৰণ্য পালেগৈ। তাত তেওঁ বহুত ভাল ভাল হৰিণা চিকাৰ কৰিলে। ২॥

ৰজাই বনত ভ্ৰমি ফুৰোঁতে এটা গাহৰি দেখিলে। তাক দেখিবলৈ এনেহে লাগিছিল যেন চন্দ্ৰক গ্ৰাস কৰি ৰাহু বনত লুকাইছে। চন্দ্ৰটো ডাঙৰ হোৱাৰ বাবে তাৰ মুখত নধৰা হ'ল; তথাপি যেন খঙত চন্দ্ৰটো উলিয়াই পেলোৱা নাই (বগা দাঁত দুটাৰ কাৰণে এনে দেখা গৈছিল)। ৩॥

এয়া হ'ল গাহৰিটোৰ ভয়ানক দাঁত দুটাৰ চেহেৰা, ইয়াৰ গাটোও বৰ বৃহৎ আৰু মঙহাল আছিল। ঘোঁৰাৰ খুৰাৰ শব্দ শুনি সি ভয় খাই মুখেৰে ঘোৰঘোৰাই কাণ ঠিয় কৰি চাই থাকিল। ৪॥

দোঃ—নীলা পৰ্বতৰ শৃংগসদৃশ বিৰাট আকাৰৰ সেই গাহৰিটো দেখি ৰজাই ঘোঁৰাক চাবুকেৰে কোবাই বেগেৰে যাবলৈ ধৰিলে আৰু তেওঁ গাহৰিটোক প্ৰত্যাহ্বান জনাই কলে—"তোৰ আজি নিস্তাৰ নাই।" ১৫৬॥

চৌঃ—বেছিকৈ শব্দ কৰি (তাৰ ফালে) অহা ঘোঁৰাটো দেখি গাহৰিটো বায়ুবেগে আঁতৰি পলাল। ৰজাই ততালিকে ধনুত শৰ জুৰিলে। গাহৰিটোৱে শৰপাত অহা দেখি মাটিতে চেপেটা লাগিল। ১॥

ৰজাই সাৱধানে চাই-চিতি শৰ মাৰে; কিন্তু গাহৰিটোৱে কৌশলেৰে সৈতে গা বচাই যায়। সেই জন্তুটোৱে কেতিয়াবা গা দেখা দি কেতিয়াবা লুকাই লুকাই আঁতৰি পলায়। ৰজা খঙত পাছে পাছে খেদি যায়। ২॥

গাহৰিটো গভীৰ অৰণ্যৰ মাজেদি বহুত দূৰ পালেগৈ। সেই ঠাইলৈ হাতী-ঘোঁৰাৰে যাব নোৱাৰি। ৰজা একেবাৰে অকলশৰীয়া আছিল; আনহাতে তেওঁৰ অতি কষ্টও হৈছিল। তথাপি ৰজাই জন্তুটোৰ পাছ নেৰিলে। ৩॥

ৰজাৰ ধৈৰ্য দেখি গাহৰিটো আঁতৰি গৈ পৰ্বতৰ এটা গভীৰ গুহাত সোমালেগৈ। তালৈ যোৱাটো টান কাম বুলি জানি ৰজাই বৰ অনুতাপ কৰিলে। তেওঁ ঘূৰি অহাত বাদে উপায় নাথাকিল। কিন্তু তেওঁ সেই দুৰ্ঘোৰ অৰণ্যত বাট বিচাৰি নোপোৱা হ'ল। ৪॥

দোঃ—ৰজা বহুত পৰিশ্ৰম কৰি ক্লান্ত হৈ পৰিল আৰু ঘোঁৰাৰে সৈতে ভোক-পিয়াহত আকুল হৈ নৈ-বিলত পানী বিচাৰি বিচাৰি অৱশেষত আতুৰ হৈ পৰিল। ১৫৭॥

চৌঃ—এইদৰে হাবিত ঘূৰি ফুৰোঁতে তেওঁ এখন আশ্ৰম দেখিলে। তাত মুনিৰ বেশ ধৰি এজন ৰজা থাকিবলৈ লৈছিল। প্ৰতাপভানুৱে সেই ৰজাজনৰ ৰাজ্য কাঢ়ি লৈছিল আৰু তেওঁ সৈন্য-সামন্ত এৰি যুদ্ধৰ পৰা পলাইছিল। ১॥

সেই ৰজাই প্ৰতাপভানুৰ সুদিন আৰু নিজৰ দুদিন মিলিছে বুলি বুজি মনত বৰ দুখ পালে। সেই কাৰণে তেওঁ ঘৰলৈও নগ'ল আৰু নিজৰ অভিমানী স্বভাৱৰ বাবে প্ৰতাপভানুৰ লগত সন্ধিও নকৰিলে। ২॥

মনত সন্তাপ লৈ দৰিদ্ৰৰ দৰে সেই ৰজাই তপস্বীৰ বেশত বনত বাস কৰিবলৈ ল'লে। প্ৰতাপভানু এতিয়া এই ৰজাৰ ওচৰ পালেগৈ আৰু তেওঁক ৰজাই 'প্ৰতাপভানু' বুলি চিনি পালে। ৩॥

প্ৰতাপভানু ভোক-পিয়াহত আতুৰ হৈ আছিল বাবে তেওঁ সেই ৰজাক চিনিব নোৱাৰিলে। সুন্দৰ চেহেৰা দেখি মহামুনি বুলি ভাবি ৰজাই ঘোঁৰাৰ পৰা নামি তেওঁক প্ৰণাম কৰিলে; কিন্তু চতুৰ প্ৰতাপভানুৱে নিজৰ নাম নক'লে। ৪॥

দোঃ—ৰজাক তৃষ্ণাতুৰ হোৱা দেখি (তপস্বী বেশী) ৰজাই সৰোবৰ দেখুৱাই দিলে। ৰজাই আনন্দ মনেৰে তাত ঘোঁৰাৰে সৈতে স্নান কৰিলে আৰু পানী খালে। ১৫৮॥

চৌঃ—ৰজাৰ সকলো ক্লান্তি দূৰ হ'ল। তেওঁ সুখী হ'ল। তপস্বীয়ে তেওঁক আশ্ৰমলৈ লৈ গ'ল আৰু সূৰ্য অস্ত যোৱাৰ সময় হ'ল বুলি জানি তেওঁক আসন দান কৰিলে। তপস্বীয়ে তাৰ পাছত কোমল মাতেৰে ক'বলৈ ধৰিলে— ১॥

"তুমি কোন? এনে এজন সুন্দৰ যুৱক, জীৱনলৈ আওকাণ কৰি অকলে

কিয় বনত ভ্ৰমি ফুৰিছা? তোমাৰ গাত ৰাজ চক্ৰৱৰ্তীৰ লক্ষণ দেখি মোৰ দয়া উপজিছে।" ২ ॥

(ৰজাই কলে—) "হে মুনিশ্ৰেষ্ঠ! শুনক প্ৰতাপভানু নামে এজন ৰজা আছে। মই তেওঁৰে মন্ত্ৰী। চিকাৰ বিচাৰি ফুৰোঁতে বাট হেৰুৱালোঁ। বৰ ভাগ্যৰ বলতহে মই আহি আপোনাৰ চৰণ দৰ্শন কৰিবলৈ পালোঁ। ৩ ॥

"আমাৰ বাবে আপোনাৰ দৰ্শন পোৱাটো দুৰ্লভ কথা; (গতিকে আপোনাক যে দৰ্শন পালোঁ) নিশ্চয় কিবা সুফল ফলিব।" মুনিয়ে ক'লে—"হে বৎস! আন্ধাৰ হ'ল; তোমাৰ নগৰলৈ ইয়াৰ পৰা সত্তৰ যোজন দূৰ। ৪ ॥

দোঃ—"হে জ্ঞানী, শুনা! ঘোৰ অন্ধকাৰ ৰাতি, গভীৰ অৰণ্য, বাটপথ নাই, গতিকে তুমি আজি ইয়াতে থাকা; ৰাতিপুৱালেই যাবাগৈ।" ১৫৯ (ক)

তুলসীদাসে কৈছে—য'ত যেনেকৈ ঘিটো হ'ব লগীয়া আছে, তাৰ বাবে সহায়ো তাতেই আছে। হয় সি নিজে তাৰ ওচৰলৈ যাব; নহয় তাকে নিজৰ ওচৰ চপাই আনিব। ১৫৯ (খ)

চৌঃ—"হে নাথ! বৰ ভাল কথা কৈছে"—এই বুলি কৈ তেওঁৰ আজ্ঞা শিৰোধাৰ্য কৰি ঘোঁৰাটো গছ এজোপাত বান্ধি পাছত ৰজাও বহি পৰিল। ৰজাই তপস্বীজনক বহুত প্ৰশংসা কৰিলে আৰু তেওঁৰ চৰণ বন্দনা কৰি নিজৰ ভাগ্যক ধন্য মানিলে। ১ ॥

তাৰ পাছত ৰজাই মিহি মাতেৰে ক'লে—"হে প্ৰভু, আপোনাক পিতৃজ্ঞান কৰি মই ধৃষ্টতা দেখুৱাইছোঁ। হে মুনিশ্ৰেষ্ঠ! মোক নিজ-পুত্ৰ জ্ঞান কৰি আৰু সেৱক বুলি আপোনাৰ নাম-ধাম বিৱৰি কওক"। ২ ॥

ৰজাই তেওঁক চিনি পোৱা নাছিল; কিন্তু তেওঁ ৰজাক চিনি পাইছিল। ৰজা আছিল শুদ্ধ হৃদয়ৰ; কিন্তু মুনিবেশী ৰজাজন আছিল কপট-চাতুৰীপূৰ্ণ স্বভাৱৰ। এনেয়ে শত্ৰু, তাতে ক্ষত্ৰিয় জাতি, তাতে আকৌ ৰজা; গতিকে কপটীয়া মুনিয়ে ছলে-বলে কাৰ্য সিদ্ধি কৰিব খুজিলে। ৩ ॥

সেই শত্ৰু ৰজাজন নিজৰ ৰাজসুখৰ কথা মনত পেলাই দুঃখিত হৈছিল; তেওঁৰ হৃদয়ত কুমাৰৰ পাকশালিৰ দৰে ভিতৰি দপ্‌দপীয়া জুই জ্বলি আছিল। এতিয়া ৰজাৰ সৰল বচন শুনি নিজৰ শত্ৰুতাৰ কথা মনত পেলাই বৰ আনন্দ পালে। ৪ ॥

দোঃ—তেওঁ কপটালিতে মগ্ন হৈ কোমল মাতেৰে যুক্তি দেখুৱাই ক'লে—"এতিয়া মোৰ নাম ভিক্ষাৰী; কিয়নো মোৰ এতিয়া ধন-সম্পদ, ঘৰ-দুৱাৰ একো নাই।" ১৬০ ॥

চৌঃ—ৰজাই ক'লে—"যিসকল আপোনাৰ দৰে বিশিষ্ট জ্ঞানৰ ভঁৰাল স্বৰূপ আৰু সদায় অহংকাৰশূন্য, সেইসকলে সদায় নিজৰ স্বৰূপ গোপন কৰে। কাৰণ বেয়া চেহেৰাপাতিৰে থাকিলেহে সকলো প্ৰকাৰৰ কল্যাণ লাভ কৰাত সফল হব পাৰি। ১ ॥

"সেই বাবেই সন্তসকলে আৰু বেদে চিঞৰি চিঞৰি ক'ব লাগিছে—পৰম অকিঞ্চনজনেই শ্ৰীহৰিৰ প্ৰিয়পাত্ৰ। আপোনাৰ নিচিনা গৃহহীন, ধনহীন ভিক্ষাৰী দেখিলে ব্ৰহ্মা আৰু শিৱৰ মনতো সন্দেহ উপজিব। ২ ॥

"আপুনি লাগিলে যেয়েই নহওক, মই আপোনাৰ চৰণত প্ৰণাম জনাইছোঁ। হে স্বামী! আপুনি মোৰ প্ৰতি কৃপা কৰক"। তপস্বীয়ে তেওঁৰ ওপৰত ৰজাৰ অকৃত্ৰিম ভক্তি আৰু অত্যধিক বিশ্বাস দেখি, সকলোপ্ৰকাৰে ৰজাক আপোন ভাব আৰু অতি স্নেহ দেখুৱাই ক'লে—"হে ৰাজন! শুনা, মই তোমাক সঁচা কথাকে কৈছোঁ। মই ইয়াত বহুকাল আছোঁ। ৩।৪ ॥

দোঃ—"আজিলৈকে মই কাকো লগো পোৱা নাই আৰু কাৰো আগতে মোৰ পৰিচয়ো দিয়া নাই; কিয়নো মানুহৰ মান-সন্মান এনেকুৱা একুৰা জুই যি তপস্যাৰূপী কানন ভস্ম কৰি দিয়ে।" ১৬১ (ক)

সোঃ—তুলসীদাসে কৈছে—"সুন্দৰ বেশ দেখিলে মূৰ্খহে নালাগে চতুৰ মানুহো ঠগ খায়। ধুনীয়া ম'ৰা চৰাইলৈ চোৱা। মাতত অমৃত বৰষে, ইপিনে তেওঁ আকৌ সাপহে আহাৰ কৰে"। ১৬১ (খ)

চৌঃ—[কপট তপস্বীয়ে ক'লে—] "সেই কাৰণে মই জগতৰ চকুৰ আঁতৰত আছোঁহি। শ্ৰীহৰিৰ বাহিৰে মোৰ একো প্ৰয়োজন নাই। প্ৰভুয়েতো নিবেদন নকৰাকৈয়ে সকলো জানে। তেনেস্থলত সাংসাৰিক বিষয়ত আসক্ত (মোহিত) হোৱাৰ পৰা কি লাভ? ১ ॥

"তুমি এজন পবিত্ৰ আৰু সজ মতি-বুদ্ধিৰ লোক; গতিকে তুমি মোৰ পৰম প্ৰিয়পাত্ৰ। আনহাতে তোমাৰো মোৰ ওপৰত বিশ্বাস আৰু অনুৰাগ দেখিছোঁ, তেনেস্থলত, হে বৎস! মই যদি কিবা কথা গোপন কৰোঁ, মোক দাৰুণ দোষে চুব।" ২ ॥

যিমানেই তপস্বীয়ে ভকতীয়া গতৰ কথা ক'বলৈ ধৰিলে, সিমানেই ৰজাৰো বিশ্বাস বাঢ়িবলৈ ধৰিলে। সেই বগলী-ভকতে ৰজাক কৰ্ম, মন আৰু বচনেৰে তেওঁৰ বশৱৰ্তী হোৱা যেন দেখি ক'বলৈ আৰম্ভ কৰিলে। ৩।

"হেৰা ভাই। মোৰ নাম একতনু"। সেইকথা শুনি ৰজাই পুনৰ মূৰ

মোৰহঁতে ক'লে—"লোক আগোৰাৰ পৰা সেৱক-বুদ্ধি ধৰি হৈ আগোৰাৰ খাটি ৰ, কাৰ্য সুন্দৰাই কৰক" । ৪ ॥

দোঃ—[তপস্বীয়ে ক'লে] "যেতিয়া প্ৰথম-সৃষ্টি আৰম্ভ হৈছিল, তেতিয়াই মোৰো উৎপত্তি হৈছিল । তেতিয়াৰেপৰা মই দ্বিতীয় দেহ ধাৰণ কৰা নাই ; সেইবাবেই মোৰ নাম একতনু । ১৬২ ॥

চৌঃ—"তুমি এই কথা শুনি মনত একো আচৰিত নামানিবা, তপস্যাৰ বাবে একো দুৰ্লভ বস্তু নাই । তপস্যাৰ বলতে ব্ৰহ্মাই জগত সৃষ্টি কৰে ; তপস্যাৰ বলতে বিষ্ণু বিশ্বপালক হৈছে । ১ ॥

"তপস্যাৰ বলতেই ৰুদ্ৰই সংহাৰ কৰে । তপস্যাৰ দ্বাৰা পাব নোৱাৰা একো বস্তুৱেই সংসাৰত নাই" । এই কথা শুনি ৰজাৰ আগ্ৰহ হ'ল । তপস্বীয়ে পুৰণি কথা ক'বলৈ আৰম্ভ কৰিলে । ২ ॥

কৰ্ম, ধৰ্ম আৰু অনেক প্ৰকাৰৰ ইতিহাস কৈ তেওঁ বৈৰাগ্য আৰু জ্ঞান নিৰ্ণয় কৰাত লাগিল । সৃষ্টি, স্থিতি, প্ৰলয়ৰ অন্তহীন আচৰিত কাহিনীবোৰ বিস্তৃতভাৱে ক'বলৈ ধৰিলে । ৩ ॥

সেই কথাবোৰ শুনি ৰজা তপস্বীৰ একান্ত বশ হৈ পৰিল আৰু তেওঁ তপস্বীক নিজৰ নাম কৈ দিলে । তপস্বীয়ে ক'লে—"হে মহাৰাজা, মই তোমাক চিনি পাইছো । তুমি কপটালি কৰিছা, তাকো মই ভালেই পাইছো ।" ৪ ॥

দোঃ—"হে মহাৰাজ ! শুনা । ৰজাসকলে য'তে ত'তে নিজৰ নাম নোকোৱাটোৱেই নীতি । তোমাৰ সেই চতুৰালি বুজিব পাৰি তোমাৰ প্ৰতি মোৰ বৰ মৰম উপজিছে । ১৬৩ ॥

চৌঃ—"তোমাৰ নাম প্ৰতাপভানু, ৰজা সত্যকেতু তোমাৰ পিতৃ আছিল । হে মহাৰাজ, গুৰুৰ অনুগ্ৰহত মই সকলো জানো ; কিন্তু অকাৰ্য হ'ব বুলি নিজে কোৱা নাই । ১ ॥

"হে বৎস ! তোমাৰ স্বাভাৱিক সৰলতা, প্ৰীতি, বিশ্বাস আৰু নীতি-নিপুণতা দেখি মোৰ মনত তোমাৰ প্ৰতি মমতা জন্মিছে ; সেইকে তুমি সোধা বাবে মই নিজৰ কথা কৈছো । ২ ॥

"এতিয়া প্ৰসন্ন হৈছো যে ইয়াত সন্দেহ নাই । হে মহাৰাজ, তোমাৰ যি ইচ্ছা, সেই বৰকে তুমি ভিক্ষা কৰা ।" এই মনোমোহা কথা শুনি ৰজা আনন্দিত হ'ল আৰু তেওঁ মুনিৰ চৰণত ধৰি অনেক কাকুতি-মিনতি কৰিলে । ৩ ॥

"হে কৃপাৰ সাগৰ মুনি! আপোনাৰ দৰ্শনতে মোৰ চাৰি পুৰুষাৰ্থ হস্তগত হ'ল। তথাপি প্ৰভুক প্ৰসন্ন দেখি মই এই দুৰ্লভ বৰ মাগিছোঁ—মই যেন শোকৰহিত হওঁ। ৪ ॥

দোঃ—"মোৰ শৰীৰ যেন বাৰ্ধক্য, মৃত্যু আৰু দুঃখৰ অতীত হয়; যুদ্ধত যেন মোক কোনেও জয় কৰিব নোৱাৰে আৰু পৃথিৱীত শত কল্প জুৰি যেন মোৰ নিষ্কণ্টক ৰাজ্য হয়।" ১৬৪ ॥

চৌঃ—তপস্বীয়ে ক'লে—"হে মহাৰাজ, সেয়ে হওক; কিন্তু এটা কথা হ'লে সহজ নহয়। তুমি সেই কথাও শুনি লোৱা। হে মহীপতি, ব্ৰাহ্মণ-কুলৰ বাহিৰে আনকি কালেও তোমাৰ চৰণত শিৰ নত কৰিব। ১ ॥

"ব্ৰাহ্মণসকল হ'লে সদায় তপোবলেৰে বলী; তেওঁলোকৰ ক্ৰোধৰপৰা ৰক্ষা কৰোঁতা কোনো নাই। হে নৰপতি! যদি তুমি ব্ৰাহ্মণসকলক হাতলৈ আনিব পাৰা, তেতিয়া ব্ৰহ্মা, বিষ্ণু, শিৱ ও তোমাৰ অধীন হৈ পৰিব। ২ ॥

"মই দুই বাহু তুলি সত্য খাই কৈছোঁ—ব্ৰাহ্মণৰ ক্ষেত্ৰত দৰ্প-অহংকাৰ নাখাটে। হে মহাৰাজ! শুনা। ব্ৰাহ্মণৰ অভিশাপ নহ'লে কোনো কালে তোমাৰ বিনাশ নঘটে"। ৩ ॥

ৰজাই তেওঁৰ কথা শুনি আনন্দ পালে আৰু ক'লে—"হে নাথ! মোৰ আৰু এতিয়া বিনাশ নঘটে। হে কৃপানিধি প্ৰভু! আপোনাৰ কৃপাত মোৰ সৰ্বতিকালে কল্যাণ হ'ব।" ৪ ॥

দোঃ—"সেয়ে হওক"—এই বুলি কৈ সেই কপটীয়া মুনিয়ে আকৌ ক'লে—"পিছে তুমি যদি আমাৰ এই সাক্ষাতৰ কথা আৰু তুমি বাট পাহৰাৰ কথা কাৰোবাৰ আগত কোৱাঁ, তেতিয়া আমাৰ দোষ নাই। ১৬৫ ॥

চৌঃ—"হে মহাৰাজ! মই তোমাক এই কাৰণেই মানা কৰিছোঁ—এই কথা ক'লে তোমাৰ ডাঙৰ ক্ষতি হ'ব। তৃতীয়জন মানুহৰ কাণত (তোমাৰ মোৰ বাহিৰে) এই কথা পৰা মাত্ৰকে তোমাৰ বিনাশ ঘটিব—এয়া মোৰ সত্যবাণী বুলি জানিবা। ১ ॥

"হে প্ৰতাপভানু! শুনা। এই কথা প্ৰকাশ কৰিলে আৰু ব্ৰাহ্মণে অভিশাপ দিলেহে তোমাৰ বিনাশ হ'ব; অন্য কোনো উপায়েৰে, আনহে নালাগে ব্ৰহ্মা আৰু শংকৰ কুপিত হ'লেও তোমাৰ মৃত্যু নঘটে"। ২ ॥

—ৰজাই মুনিৰ ভৰিত ধৰি ক'লে—"হে নাথ, সঁচা কথা—ব্ৰাহ্মণ আৰু গুৰুৰ কোপৰ পৰা বাৰু কোনে ৰক্ষা কৰিব পাৰে? যদি ব্ৰহ্মাও কুপিত হয়

শুকৰে ৰক্ষা কৰে ; কিন্তু শুকৰ লগত বিৰোধ কৰিলে, জগতত কোনো ৰক্ষা-কৰ্তা নাই। ৩ ॥

"যদি মই আপোনাৰ কথামতে নচলোঁ, তেন্তে মোৰ বিনাশ হোৱাটো নিশ্চিত। মই সেই কথাৰ বাবে চিন্তা কৰা নাই ; কিন্তু হে প্ৰভু ! মোৰ মনত এটা মাত্ৰ ভয় হৈছে—ব্ৰাহ্মণৰ শাপ অতি ভয়ানক। ৪ ॥

দোঃ—"ব্ৰাহ্মণসকলকনো কি উপায়েৰে হাতত ৰাখিব পাৰি, কৃপা কৰি সেই কথা মোক কওক। হে দীনদয়াল, আপোনাৰ বাহিৰে আৰু কোনো মোৰ হিতাকাংক্ষী দেখা নাই"। ১৬৬ ॥

চৌঃ—(তপস্বীয়ে ক'লে) "হে মহাৰাজ! শুনা, সংসাৰত উপায় বহুত আছে, কিন্তু সেইবিলাক বৰ কষ্টসাধ্য ; সিমানতো সিদ্ধি হয় নে নহয় ক'ব নোৱাৰি। এটা সুগম উপায় আছে যদিও তাতো এটা কঠিনতা আছে। ১ ॥

"হে মহাৰাজ! সেই উপায় মোৰ হাততে আছে ; কিন্তু মই তোমাৰ নগৰলৈ যাব নোৱাৰোঁ। মই উৎপত্তি কালৰপৰা আজিলৈকে কোনো গাঁও বা ঘৰলৈ যোৱা নাই। ২ ॥

"আনহাতে, নগ'লেও এতিয়া কাৰ্যনাশ হয়। আজি বৰ বিবুধিত পৰা হ'ল।" এই কথা শুনি ৰজাই কোমল মাতেৰে ক'লে—"বেদত এনেকুৱা নীতিৰ কথা কোৱা হৈছে—ডাঙৰ লোকে সৰুক মৰম কৰে ; পৰ্বতে ঘাঁহ-বন নিজৰ শিৰত তুলি লয়, অগাধ সমুদ্ৰই শিৰত ফেন বহন কৰে আৰু পৃথিৱীয়ে সদায় নিজৰ শিৰত ধূলিক ধাৰণ কৰে।" ৩।৪ ॥

দোঃ—এইবুলি কৈ ৰজাই মুনিৰ চৰণ আঁকোৱালি ধৰিলে (আৰু ক'লে—) "হে স্বামী! কৃপা কৰক। আপুনি এজন সজ্জন, আপুনি দীনদয়াল। হে প্ৰভু ! মোৰ বাবে অলপ কষ্ট স্বীকাৰ কৰক।" ১৬৭ ॥

"ৰজা নিজৰ হাতলৈ আহিল বুলি জানি কপটালিত নিপুণ তপস্বীয়ে কলে—"হে ৰাজন্, মই তোমাক সত্য কাৰি কৈছোঁ—পৃথিৱীত মোৰ বাবে কোনো দুৰ্লভ বস্তু নাই। ১ ॥

"মই তোমাৰ কাৰ্য সম্পাদন কৰিম। কিয়নো মন, বচন আৰু শৰীৰেৰে সৈতে তুমি মোৰ ভক্ত ; কিন্তু যোগ, যুক্তি, তপ আৰু মন্ত্ৰ মনে মনে সাধন কৰিলেহে তাৰ ফল ফলে। ২ ॥

"হে নৃপতি, মই যদি ৰন্ধা-বঢ়া কৰোঁ, তুমি তাক পৰিৱেশন কৰা আৰু

মোৰ কথা কোনেও নাজানে, তেতিয়া যেয়ে সেই অন্ন ভোজন কৰিব, সেয়ে তোমাৰ আজ্ঞাবহ হৈ পৰিব। ৩ ॥

"হে মহাৰাজ! ইমানেই নহয়। সেই ভোজন কৰোঁতাসকলৰ ঘৰত যিসকলে খাব তেওঁলোকো তোমাৰ অধীন হৈ যাব। হে মহাৰাজ, তুমি এই ব্যৱস্থা কৰাগৈ আৰু এবছৰলৈকে এই সংকল্প লৈবিবা। ৪ ॥

দোঃ—"নিতৌ একলাখ ব্ৰাহ্মণক সপৰিয়ালে নিমন্ত্ৰণ কৰিবা। মই তোমাৰ সংকল্প শেষ হোৱালৈকে প্ৰতিদিনে ৰন্ধা-বঢ়া কৰি দিম। ১৬৮ ॥

চৌঃ—"হে মহাৰাজ! এইদৰে অতি কম আয়াসতে সকলো বিপ্ৰ তোমাৰ বশৱৰ্তী হৈ পৰিব। বিপ্ৰসকলে হোম, যজ্ঞ, সেৱা আদি কৰিব; গতিকে সেই সম্পৰ্কৰ দ্বাৰা দেৱতাসকলো তোমাৰ বশ্য হ'ব। ১ ॥

"মই তোমাক আৰু এটা লক্ষণৰ কথা কৈ থওঁ, মই এই ৰূপত কেতিয়াও আহিব নোৱাৰোঁ। হে মহাৰাজ, মই নিজ মায়াৰে তোমাৰ পুৰোহিতক হৰি আনিম। ২ ॥

"তপস্যাৰ বলত তেওঁক মোৰ সমকক্ষ কৰিবলৈ এবছৰ ইয়াত ৰাখিম। হে মহাৰাজ, মই তেওঁৰ ৰূপ ধৰি সকলো প্ৰকাৰে তোমাৰ কাৰ্য সিদ্ধি কৰিম।

"হে মহাৰাজ, ৰাতি বহুত হ'ল, এতিয়া তুমি শোৱা। আজিৰপৰা তৃতীয় দিনা তোমাৰ লগত মোৰ সাক্ষাৎ হ'ব। তপস্যাৰ বলত মই তোমাক শুই থাকোঁতেই ঘোঁৰাৰে সৈতে ঘৰ পোৱাই দিম। ৪ ॥

"মই পুৰোহিতৰ বেশ ধৰিহে আহিম। তেতিয়া মই নিজানত তোমাক মাতি সকলো কথা কম। তুমি তেতিয়া মোক চিনিব পাৰিবা।" ১৬৯ ॥

চৌঃ—ৰজা মুনিৰ আদেশ অনুসৰি শয্যাত পৰিল আৰু ভাও ধৰা জ্ঞানীয়ে আসনত বহি ললে। শ্ৰান্ত ৰজাৰ বৰ টোপনি ধৰিলে; কিন্তু সেই কপটীয়া শোৱে কেনেকৈ? তাৰ যে বহুত চিন্তা! ১ ॥

[সেই সময়তে] তালৈ কালকেতু ৰাক্ষস আহিল। এই ৰাক্ষসেই গাহৰিৰ ৰূপ ধৰি ৰজাক ভুলাইছিল। সি তপস্বী ৰজাৰ বৰ মিত্ৰ আছিল আৰু অনেক ছল-চাতুৰী জানিছিল। ২ ॥

তাৰ এশটা পুতেক আৰু দহোটা ভায়েক আছিল। সিহঁতো বৰ দুষ্ট, অজেয় আৰু দেৱতাৰ কাৰণে দুখদায়ক আছিল। ব্ৰাহ্মণ, সন্ত আৰু দেৱতা-সকলৰ দুখ দেখি সিহঁতক ৰজাই আগতেই যুদ্ধত নিধন কৰিছিল। ৩ ॥

এই দুষ্টই আগৰ বৈৰিতা সুঁৱৰি তপস্বী ৰজাৰ এচৰলৈ গৈ পৰামৰ্শ

বিচাৰিলে। দুয়ো শত্ৰুক নাশ কৰাৰ উপায় চিন্তিবলৈ ধৰিলে। ভৱিষ্যতে হ'ব লগীয়াটো হ'বই ; গতিকে ৰজাই (প্ৰতাপভানুৱে) এই বিষয়ে একো নাজানিলে। ৪ ॥

দোঃ—অকলশৰীয়া হ'লেও তেজস্বী শত্ৰুক নগণ্য বুলি ভাবিব নালাগে। কেৱল মুৰটো বাকী থাকিল যদিও আজিলৈকে ৰাহুৱে চন্দ্ৰ-সূৰ্যক কষ্ট দি আছে। ১৭০ ॥

তপস্বী ৰজাই সখীয়েকক অহা দেখি বৰ আনন্দ পালে আৰু আগবঢ়াই আনিলেগৈ। তেওঁ বৰ সুখী হ'ল আৰু সখীয়েকক সকলো কথা ক'লে। তেতিয়া ৰাক্ষসে আনন্দ পাই ক'লে—"হে মহাৰাজ! তুমি মোৰ উপদেশ মতে কাম কৰিলা। মই এতিয়া শত্ৰুক হাতলৈ আনিলোঁ। তুমি এতিয়া চিন্তা-ভাৱনা এৰি শুই থাকা। বিধাতাই ঔষধ নোখোৱাকৈয়ে ৰোগ দূৰ কৰিলে। ১।২ ॥

"শত্ৰুক নিজ কুলৰ সৈতে পুলিয়ে-পোথাই উভালি আজিৰপৰা চতুৰ্থদিনা মই তোমাক লগ ধৰিমহি।" এইদৰে তপস্বী-ৰজাক সান্ত্বনা দি সেই মহামায়াৱী আৰু খঙাল ৰাক্ষস গুচি গ'ল। ৩ ॥

সি মুহূৰ্ত্ততে প্ৰতাপভানুক ঘোঁৰাটোৰে সৈতে ঘৰ পোৱাই দিলে। ৰজাক ৰাণীৰ ওচৰত থৈ ঘোঁৰাটো ঘোঁৰাশালত ভালকৈ বান্ধি থলেগৈ। ৪ ॥

তাৰ পাছত সি ৰজাৰ পুৰোহিতক হৰণ কৰি লৈ গ'ল আৰু মায়াৰ দ্বাৰা তেওঁৰ মতিভ্ৰম কৰি তেওঁক নি পৰ্বতৰ গুহাত ৰাখিলে। ১৭১ ॥

চৌঃ—সি নিজে পুৰোহিতৰ ৰূপ ধৰি তেওঁ অনুপম শয্যাত শুই থাকিলগৈ। ৰজাই ৰাতি নৌ পুৱাওঁতেই সাৰ পালে আৰু নিজৰ ঘৰ-দুৱাৰ দেখি আচৰিত মানিলে। ১ ॥

মনতে মুনিৰ মহিমাৰ কথা অনুমান কৰি ৰাণীয়ে গম নোপোৱাকৈ লাহেকৈ উঠি গ'ল। তেওঁ আকৌ ঘোঁৰাত উঠি বনলৈ গ'ল। নগৰৰ কোনো নৰ-নাৰীয়ে তাৰ সম্ভেদ নাপালে। ২ ॥

দুপৰ বেলিকা ৰজা ঘূৰি আহিল। ঘৰে ঘৰে উৎসৱৰ আনন্দ হ'বলৈ ধৰিলে আৰু মংগল বাদ্য বজোৱা হ'ল। ৰজাই যেতিয়া পুৰোহিতক দেখা পালে, তেওঁ সেই তপস্বীৰ কাৰ্যকে সুঁৱৰি আচৰিত হৈ চাই ৰ'ল। ৩ ॥

তিনিটা দিন কটাওঁতে ৰজাৰ এযুগ কটোৱা যেন লাগিল। ভণ্ড-তপস্বীৰ চৰণতে তেওঁৰ মন মগ্ন আছিল। নিৰ্দিষ্ট সময়ত পুৰোহিত ৰূপধাৰী ৰাক্ষস আহিল আৰু তেওঁ ৰজাক সকলো বুজাই ক'লে। ৪ ॥

দোঃ—আগেয়ে কোৱা মতে পুৰোহিতৰ ৰূপত গুৰুক চিনিব পাৰি ৰজাই বৰ আনন্দ পালে। ভুলক্ৰমে তেওঁ প্ৰকৃত কথা ধৰিব নোৱাৰিলে। তেওঁ তত্তালিকে এক লাখ উত্তম ব্ৰাহ্মণক সপৰিয়ালে নিমন্ত্ৰণ কৰিলে। ১৭২ ॥

চৌঃ—পুৰোহিতে বেদত বৰ্ণনা থকা ষড় ৰসযুক্ত চাৰি প্ৰকাৰৰ ভোজন প্ৰস্তুত কৰিলে। মায়াৰ বলতে তেওঁ কোনেও গণনা কৰিব নোৱাৰা বহুত ব্যঞ্জন প্ৰস্তুত কৰিলে। ১ ॥

অনেক প্ৰকাৰৰ জন্তুৰ মাংস ৰন্ধা হ'ল; তাৰ মাজতে সেই দুষ্টমতিয়ে ব্ৰাহ্মণৰ মাংসও মিহলাই দিলে। সকলো ব্ৰাহ্মণক খাবলৈ মতা হ'ল আৰু ভৰি ধুৱাই আদৰ-সাদৰ কৰি বহুওৱা হ'ল। ২ ॥

যেতিয়া ৰজাই খাদ্য বিতৰণ কৰিবলৈ লাগিল, সেই সময়ত আকাশবাণী হ'ল—"হে ব্ৰাহ্মণসকল তোমালোক উঠি উঠি নিজৰ ঘৰলৈ যোৱা। এই অন্ন নাখাবা।„ ইয়াৰ পৰা অতি অনিষ্ট হ'ব। ৩ ॥

"ভোজনত ব্ৰাহ্মণৰ মাংস ৰান্ধি দিয়া হৈছে।"—আকাশবাণীৰ এই কথা বিশ্বাস কৰি ব্ৰাহ্মণসকল থিয় হ'ল। ৰজা ব্যাকুল হৈ পৰিল; কিন্তু তেওঁৰ মোহবশতঃ বুদ্ধি ভ্ৰষ্ট হৈ পৰিছিল। যি হ'ব লগীয়া আছে হ'বই; গতিকে তেওঁৰ মুখৰপৰা এষাৰো মাত নোলাল। ৪ ॥

দোঃ—তেতিয়া ব্ৰাহ্মণসকলে খঙতে একো নাই হৈ ক'বলৈ ধৰিলে—"মূৰ্খ ৰজা! তই সপৰিয়ালে ৰাক্ষস হবি। ১৭৩ ॥

চৌ—"নীচ ক্ষত্ৰিয়, তই ব্ৰাহ্মণসকলক সপৰিয়ালে মাতি আনি নষ্ট কৰিব খুজিছিলি; ঈশ্বৰেহে আমাৰ ধৰ্ম ৰক্ষা কৰিলে। এতিয়া তই সপৰিয়ালে নষ্ট যা। ১ ॥

"এবছৰৰ ভিতৰতে তোৰ যে নাশ হ'বই, তোৰ বংশত পানী এটোপা দিবলৈকো কোনো নাথাকিব।" এই শাপ শুনি ৰজা ভয়ত অতি বিকল হৈ পৰিল। তেনে সময়তে আকৌ আকাশবাণী হ'ল—২ ॥

"হে ব্ৰাহ্মণসকল! তোমালোকে নভবা নিচিন্তাকৈয়ে শাপ দিছা। ৰজাই একো অপৰাধ কৰা নাই।" এই আকাশবাণী শুনি ব্ৰাহ্মণসকল স্তব্ধ হ'ল। তেতিয়া ৰজা ৰন্ধনশাললৈ গ'ল; তেওঁ তাত খোৱা বস্তুও নেদেখিলে, ৰান্ধনি বামুণকো নেদেখিলে। মনত অন্তহীন চিন্তা লৈ ৰজা ঘূৰি আহিল। তেওঁ ব্ৰাহ্মণসকলক সকলো বৃত্তান্ত জনালে। ভয়ত আকুল হৈ তেওঁ মাটিত বাগৰি পৰিল। ৩ ॥

দোঃ—"হে মহাৰাজ! যদিও তোমাৰ গাত দোষ নাই তথাপি হ'ব-লগীয়াটো কোনেও খণ্ডাব নোৱাৰে। ভয়ানক ব্ৰহ্মশাপৰ অন্যথা নাই।" ১৭৪ ॥

চৌঃ—এইদৰে কৈ ব্ৰাহ্মণসকল গুচি গ'ল। নগৰবাসীসকল এই বাতৰি পাই চিন্তিত হৈ পৰিল। যি বাজহংস সৃষ্টি কৰিবলৈ গৈ কাউৰীহে সৃষ্টি কৰিলে, সেই বিধাতাক তেওঁলোকে গৰিহণা দিবলৈ ধৰিলে। ১ ॥

পুৰোহিতক নিজৰ ঘৰত থৈ কালকেতু ৰাক্ষসে ভণ্ড তপস্বীলৈ বাতৰি দিলে। সেই দুষ্টমতিয়ে সকলো ঠাইলৈকে পত্ৰ পঠালে আৰু তেতিয়া শত্ৰু ৰজাবোৰে সৈন্য সজ্জিত কৰি ৰণ যাত্ৰা কৰিলে। ২ ॥

তেওঁলোকে ৰণডংকা বজাই নগৰ অৱৰোধ কৰিলে। নিতৌ নিতৌ নানা প্ৰকাৰৰ যুদ্ধ হ'বলৈ ধৰিলে। প্ৰতাপভানুৰ সকলো যোদ্ধাই নিজ কৰ্তব্য পালন কৰি যুদ্ধত মৃত্যু বৰণ কৰিলে। ভায়েকৰ সৈতে ৰজাও ৰণত মৰিল। ৩ ॥

সত্যকেতুৰ বংশত কোনো বাচি নাথাকিল। ব্ৰহ্মশাপ কেনেকৈ মিছা হ'ব পাৰে? শত্ৰুক জয় কৰাৰ পাছত নগৰখন পুনঃসংস্থাপন কৰি ৰজাবিলাকে বিজয় আৰু যশস্যা লাভ কৰি নিজ নিজ ৰাজধানীলৈ উলটিল। ৪ ॥

দোঃ—[যাজ্ঞবল্ক্যই কৈছে—] "হে ভৰদ্বাজ! শুনা। বিধি যাৰ বিপৰীত হয়, তাৰ বাবে ধূলিকণাটোৱেই মেৰু পৰ্বতৰ সমান (অলংঘনীয়), পিতাকেই যমৰ নিচিনা (কালৰূপ) আৰু জৰীয়েই সাপৰ দৰে (ভয়ানক) হৈ পৰে। ১৭৫ ॥

চৌঃ—"হে মুনি! শুনা। কালক্ৰমত এই ৰজাই কুটুম্বসকলৰে সৈতে ৰাৱণ নামেৰে ৰাক্ষস হ'লগৈ। তেওঁৰ দহোটা মুৰ আৰু কুৰিটা বাহু আছিল। তেওঁ বৰ প্ৰচণ্ড বীৰ আছিল। ১ ॥

অৰিমৰ্দন নামৰ ৰজাৰ ভায়েকজন মহাবলী কুম্ভকৰ্ণ আৰু ধৰ্মৰুচি নামৰ মন্ত্ৰীজন ৰাৱণৰ মাহীমাকৰ পুতেক বিভীষণ হ'ল। ২ ॥

তেৱেঁই বিভীষণ নামেৰে জগৎ বিদিত, বিষ্ণুভক্ত আৰু বিশিষ্ট জ্ঞানৰ ভঁৰাল স্বৰূপ আছিল। সেই ৰজাৰ যিসকল পুত্ৰ আৰু পৰিজন আছিল তেওঁলোকো ভয়ানক ভয়ানক ৰাক্ষস হ'ল। ৩ ॥

তেওঁলোক ইচ্ছামতে অনেক প্ৰকাৰৰ ৰূপ ধাৰণ কৰিব পৰা, কুটিল, ভয়ংকৰ, অবিবেচক, নিৰ্দয়, হিংসুক আৰু পাপী ৰাক্ষস হ'ল। জগতৰ মনত সন্তাপ জন্মোৱা সেই ৰাক্ষসবোৰৰ কথা কৈ শেষ কৰিব নোৱাৰি। ৪ ॥

যদিও তেওঁলোকে পবিত্ৰ, নিৰ্মল আৰু অনুপম পুলস্ত্য বংশত জন্ম লৈছিল, তথাপি ব্ৰাহ্মণৰ শাপত তেওঁলোকে পাপীৰূপ লাভ কৰিছিল। ১৭৬ ॥

তেওঁলোকৰ তিনিওজন ভাই-ককায়ে অনেক প্ৰকাৰৰ অতি উগ্ৰ তপস্যা কৰিলে। সেই তপস্যাৰ বৰ্ণনা দিয়া অসম্ভৱ। তেওঁলোকৰ তপস্যা দেখি ব্ৰহ্মাই গৈ ক'লে—"হে বৎস ! মই প্ৰসন্ন হৈছোঁ। বৰ ভিক্ষা কৰাঁ।" ১ ॥

দশানন ৰাৱণে ভৰিত ধৰি প্ৰাৰ্থনা কৰিলে—"হে জগতপতি, আমি বান্দৰ আৰু মনুষ্য—এই দুই জাতিৰ বাহিৰে কাৰো হাতত যেন নিহত নহওঁ।" ২ ॥

[শিৱই পাৰ্বতীক কৈছে—] মই আৰু ব্ৰহ্মাই মিলি তেওঁক 'সেয়ে হওক, তুমি বহুত তপ কৰিছা'—এইবুলি বৰ দিলোঁ। ব্ৰহ্মা কুম্ভকৰ্ণৰ ওচৰলৈ গ'ল। তেওঁক দেখি ব্ৰহ্মা আচৰিত হ'ল।

যদি এই দুষ্টই আহাৰ কৰিবলৈ লয়, তেনেহ'লে গোটেইখন সংসাৰ উচন যাব। [তাকে ভাবি] ব্ৰহ্মাই সৰস্বতীক পঠাই কুম্ভকৰ্ণৰ বুদ্ধিভ্ৰষ্ট কৰি দিলে। তেতিয়া তেওঁ ছমাহজোৰা টোপনি বৰস্বৰূপে ভিক্ষা কৰিলে। ৪ ॥

তাৰ পাছত ব্ৰহ্মাই বিভীষণৰ ওচৰলৈ গৈ ক'লে—"হে পুত্ৰ, বৰ ভিক্ষা কৰা।" তেওঁ ভগৱানৰ চৰণ-কমলত অমল ভক্তি ভিক্ষা কৰিলে। ১৭৭ ॥

চৌ—তেওঁলোকক বৰ দি ব্ৰহ্মা গুচি গ'ল আৰু তিনিও ভাই-ককাই আনন্দ মনেৰে ঘৰলৈ আহিল। ময়দানৱৰ মন্দোদৰী নামেৰে পৰম সুন্দৰী আৰু নাৰী সকলৰ শিৰোমণি স্বৰূপা এটি কন্যা আছিল। ১ ॥

তেওঁ সেই কন্যাটি ভৱিষ্যতে ৰাক্ষসৰ অধিপতি হ'ব বুলি জানি ৰাৱণক দান কৰিলে। শ্ৰেষ্ঠ কন্যা লাভ কৰি ৰাৱণ আনন্দিত হ'ল আৰু তেওঁ দুয়োজন ভায়েকক বিয়া কৰাই দিলে। ২ ॥

সাগৰৰ মাজত ত্ৰিকূট পৰ্বতত ব্ৰহ্মাৰ নিৰ্মিত এটা অতি বৃহৎ দুৰ্গ আছিল। ময়দানৱে তাক পুনৰ্নিৰ্মাণ কৰিলে। তাত মণিখচিত অনেক স্বৰ্ণ অট্টালিকা আছিল। ৩ ॥

নাগসকলে বাস কৰা ভোগৱতী যেনেকুৱা, ইন্দ্ৰই বাস কৰা অমৰাৱতী যেনেকুৱা, এই দুৰ্গ তাতকৈয়ো সুন্দৰ আৰু দুৰ্গম আছিল। জগতত ই লংকা নামে প্ৰসিদ্ধ। ৪ ॥

দো:—এই দুৰ্গটো চাৰিওফালে সমুদ্ৰৰ অত্যন্ত গভীৰ খাৱৈয়ে বেঢ়ি আছে, কেউফালে মণি-ৰত্ন খটোৱা সোণৰ সুদৃঢ় গড়। এই গড়ৰ কাৰুকাৰ্যৰ বৰ্ণনা দিব নোৱাৰি। হৰিৰ বিধান অনুসৰি যি কল্পত যিজন ৰাক্ষসৰ ৰজা হয়, সেই প্ৰতাপী, অতুল বলশালী বীৰেই সৈন্যসৈতে তাত বাস কৰে। ১৭৮ (ক-খ)

চৌঃ—তাত আগতে ডাঙৰ ডাঙৰ ৰাক্ষস যোদ্ধাই বাস কৰিছিল। দেৱতা-সকলে সেই সকলোকে যুদ্ধত বধ কৰিলে। এতিয়া ইন্দ্ৰৰ কথামতে তাত যক্ষপতি কুবেৰৰ একেকোটি ৰক্ষক যক্ষ বাস কৰে। ১ ॥

ৰাৱণে ক'ৰবাত এই সংবাদ পাই সৈন্য-সামন্ত লৈ সেই দুৰ্গ অৱৰোধ কৰিলেগৈ। সেই ভয়ানক যোদ্ধা আৰু বিশাল সৈন্যসমূহ দেখি যক্ষবোৰ প্ৰাণ লৈ পলালে। ২ ॥

ৰাৱণে ঘূৰি-পকি গোটেই নগৰখন চাই ললে। তেওঁৰ বাসস্থানৰ বিষয়ে হোৱা চিন্তাৰ অন্ত পৰিল। গতিকে তেওঁ বৰ সুখী হ'ল। সেই নগৰী স্বভাৱ-সুন্দৰ আৰু [বহিঃশত্ৰুৰ বাবে] দুৰ্গম বুলি জানি তাতে ৰাজধানী পাতিলে। ৩ ॥

যোগ্যতানুসাৰে ঘৰ-দুৱাৰ বঁটাই দি ৰাৱণে সকলো ৰাক্ষসকে সুখী কৰিলে। এবাৰ তেওঁ কুবেৰক আক্ৰমণ কৰি পুষ্পক বিমান কাঢ়ি লৈ আহিলে।

দোঃ—তাৰ পাছত এবাৰ তেওঁ কৌতুকবশতঃ কৈলাস পৰ্বতখন দাঙি ধৰিছিলেগৈ; তেওঁ যেন নিজ বাহুবল জুখি চাই তাৰপৰা গুচি আহিল। ১৭৯

চৌঃ—যিদৰে লাভ হয় মানে লোভ বাঢ়ি যায়, সেইদৰে ৰাৱণৰো সুখ-সম্পদ, পুত্ৰ, সৈন্যবল, জয়, প্ৰতাপ, বল, বুদ্ধি আৰু দম্ভ নিতৌ নিতৌ বাঢ়িহে গ'ল। ১ ॥

এওঁৰ কুম্ভকৰ্ণৰ দৰে অতি বলশালী ভাই আছিল, যাৰ প্ৰতিযোদ্ধা জগতত ওপজা নাছিল। কুম্ভকৰ্ণই মদ্যপান কৰি ছমাহ শুইছিল আৰু তেওঁ সাৰ পালেই ত্ৰিভুৱন ত্ৰস্যমান হৈছিল। ২ ॥

যদি তেওঁ নিতৌ আহাৰ কৰে তেনেহ'লে সমগ্ৰ বিশ্ব অতি শীঘ্ৰে শূন্য হৈ যাব। কুম্ভকৰ্ণ ৰণত এনে ধীৰ-স্থিৰ আছিল যে তাৰ বৰ্ণনা দিব নোৱাৰি। লংকাত তেওঁৰ দৰে আৰু অসংখ্য বলৱান বীৰ আছিল। ৩ ॥

মেঘনাদ ৰাৱণৰ বৰপুত্ৰ আছিল। তেওঁ জগতৰ যোদ্ধাসকলৰ ভিতৰত অগ্ৰগণ্য আছিল। ৰণত কোনো তেওঁৰ সন্মুখীন হ'ব পৰা নাছিল। স্বৰ্গত নিতৌ তেওঁৰ নামত সকলো ভয়ভীত হৈছিল। ৪ ॥

দোঃ—তাৰ বাহিৰেও দুৰ্মুখ, অকম্পন, বজ্ৰদন্ত, ধূমকেতু, অতিকায় আদি অনেক যোদ্ধা আছিল—যি অকলেই সমস্ত জগৎ জয় কৰিব পাৰিছিল। ১৮০

চৌঃ—সকলো ৰাক্ষসে ইচ্ছামতে ৰূপ ধাৰণ কৰিব পাৰিছিল আৰু সকলোৱে আসুৰী মায়া জানিছিল। সপ্নতো তেওঁলোকৰ দয়া, মায়া, ধৰ্ম থকা দেখা নগৈছিল। এবাৰ ৰাৱণে সভাত বহি তেওঁৰ বংশৰ অগণন লোকসমূহৰ কালে চাই দেখিলে। ১ ॥

পো-নাতি, কুটুম্ব-পৰিজনবেই সীমা-সংখ্যা নাই। সমস্ত ৰাক্ষস জাতি কোনে লেখ দি শেষ কৰিব পাৰিব ? নিজৰ সৈন্যবল দেখি স্বভাৱতে অভিমানী ৰাৱণে খং আৰু গৰ্ব মিহলি সুৰেৰে ক'লে—২ ॥

"হে ৰাক্ষসৰ দলসমূহ ! শুনাহঁক, দেৱতাবোৰ আমাৰ শত্ৰু। সিহঁতে সম্মুখ যুদ্ধ নকৰে। বলৱান শত্ৰু দেখিলে আঁতৰি পলায়। ৩ ॥

"মই বুজাই কওঁ, শুনা। এটা উপায় কৰিলে সিহঁতৰ মৰণ হ'ব। সিহঁতৰ বল বৃদ্ধি কৰা ব্ৰাহ্মণ-ভোজন, যজ্ঞ, হোম, শ্ৰাদ্ধ আদি সকলোতে গৈ তোমালোকে বাধাৰ সৃষ্টি কৰাঁ। ৪ ॥

দোঃ—[সেয়ে হ'লে] "ভোকত ক্ষীণ আৰু দুৰ্বল হৈ দেৱতাবিলাকে সহজে ধৰা দিব। তেতিয়া সিহঁতক মাৰি পেলাম অথবা ভালকৈ বশ্যতা স্বীকাৰ কৰাই এৰি দিম।" ১৮১ ॥

চৌঃ—তাৰ পাছত ৰাৱণে মেঘনাদক মাতি অনালে আৰু শিকাই বুজাই তেওঁৰ মনত (দেৱতাসকলৰ প্ৰতি থকা) বৈৰী ভাৱ বঢ়াই তুলিলে। তাৰ পাছত ক'লে—"দেৱতাবোৰৰ বহুতেই ৰণত ধীৰ, স্থিৰ আৰু বলী। সিহঁতৰ যুদ্ধ কৰাৰ অভিজ্ঞতা আছে, তেনেবোৰ দেৱতাক কেৱল পৰাস্ত কৰিলেই নহয়, সেইবোৰক বন্দী কৰি লৈ আহিবা।" পুতেকে পিতাকৰ আদেশ শিৰোধাৰ্য কৰি ল'লে। এইদৰে ৰাৱণে সকলোকে আদেশ দিলে আৰু নিজেও হাতত গদা লৈ বাহিৰ ওলাল। ১।২ ॥

ৰাৱণৰ গতিত পৃথিৱী কঁপিবলৈ ধৰিলে ; দেৱ-ৰমণীসকলৰ গৰ্ভপাত হ'বলৈ ধৰিলে ; ৰাৱণ ক্ৰোধযুক্ত হৈ আহিছে বুলি শুনি দেৱতাসকলে সুমেৰু পৰ্বতৰ গুহাত আশ্ৰয় বিচাৰিলে। ৩ ॥

ৰাৱণে দিক্‌পালসকলৰ সমস্ত সুন্দৰ লোকসমূহ শূন্য হৈ থকা দেখা পালে। তেওঁ বাৰে বাৰে সিংহনাদ কৰি দেৱতাসকলক প্ৰত্যাহ্বান জনাই গালি পাৰিবলৈ ধৰিলে। ৪ ॥

ৰণমদত মত্ত হৈ তেওঁ নিজৰ যোগ্য যোদ্ধা বিচাৰি গোটেই জগৎ চলাথ কৰিলে ; কিন্তু তেনে যোদ্ধা ক'তো নাপালে। সূৰ্য, চন্দ্ৰ, বায়ু, বৰুণ, কুবেৰ, অগ্নি, কাল, যম আদি নানা পদত অধিষ্ঠিত দেৱতা, কিন্নৰ, সিদ্ধ, মনুষ্য, আৰু নাগ এই সকলোকে দুৰাগ্ৰহী ৰাৱণে সুখে-শান্তিৰে থাকিবলৈ নিদিলে। ব্ৰহ্মাৰ সৃষ্টিত যিমানবিলাক শৰীৰধাৰী নৰ-নাৰী আছিল, সকলোৱে বাধ্য হৈ ৰাৱণৰ বশ্যতা স্বীকাৰ কৰিলে। ৫।৬ ॥

ভয়ত সকলোৱে ৰাৱণৰ আজ্ঞা পালন কৰিবলৈ ধৰিলে আৰু নিতৌ নম্র-ভাৱে তেওঁৰ চৰণত প্ৰণতি জনালে। ৭ ॥

দোঃ—ৰাৱণে বাহুবলেৰে গোটেই জগৎ নিজৰ বশ্য কৰিলে, কাকো স্বতন্ত্র-ভাৱে থাকিবলৈ নিদিলে। এইদৰে ৰাজমণ্ডলীৰ শিৰোমণি হৈ ৰাৱণে ৰাজত্ব কৰিবলৈ ধৰিলে। ১৮২ (ক)

তেওঁ দেৱতা, যক্ষ, গন্ধৰ্ব, মনুষ্য, কিন্নৰ আৰু নাগকন্যাসমূহ, আৰু অনেক সুন্দৰী শ্রেষ্ঠ নাৰী বাহুবলেৰে জয় কৰি বিয়া কৰালে। ১৮২ (খ)

চৌঃ—ৰাৱণে মেঘনাদক যি কাম কৰিবলৈ আদেশ দিছিল, সেই আদেশ পোৱাৰ আগতেই যেন মেঘনাদে তাক সমাধা কৰিলে। (অৰ্থাৎ আদেশমতে সকলো কাম তৎক্ষণাতে কৰা হ'ল) এতিয়া মেঘনাদক আগতে দিয়া আদেশ আৰু কাৰ্যাৱলীৰ কথা কৈছোঁ শুনা। ১ ॥

গোটেই ৰাক্ষসবোৰ অতি ভয়ানক আৰু দেৱতাৰ দুঃখদায়ক আছিল। এই অসুৰবোৰে মায়াৰ দ্বাৰা অনেক ৰূপ ধৰি উপদ্ৰৱ কৰিছিল। ২ ॥

যাতে ধৰ্ম একেবাৰে নিৰ্মূল হয় তাৰ বাবে সিহঁতে সকলো বেদবিৰুদ্ধ কাম কৰিছিল। য'তে গৰু আৰু ব্ৰাহ্মণ পাইছিল, সেই নগৰ আৰু গাঁৱত জুই লগাই দিছিল। ৩ ॥

সিহঁতৰ ভয়ত ক'তো শুভ-কাৰ্য সম্পন্ন নোহোৱা হ'ল; দেৱতা, গুৰু আৰু ব্ৰাহ্মণক কোনেও নমনা হ'ল। হৰিভক্তি, যজ্ঞ, জপ, জ্ঞান—একো নোহোৱা হ'ল। বেদ-পুৰাণ আদি সপোনতো শুনিবলৈ নোপোৱা হ'ল। ৪ ॥

ছন্দঃ—জপ, যোগ, বৈৰাগ্য, তপ, যজ্ঞ আদিত দেৱতাই ভাগ পাইছে বুলি শুনিলেই ৰাৱণে নিজে উঠি লৰ মাৰে। একো বাকী নথকাকৈ ৰাৱণে সকলো নষ্ট কৰে। এইদৰে জগত ভ্ৰষ্টাচাৰেৰে ভৰি পৰিল, ধৰ্মৰ কথা কাণেৰেও শুনুনা হ'ল। কোনোবাই যদি বেদ-পুৰাণৰ কথা কয়, তেওঁক নানা ভয় দেখুৱাই দেশৰ বাহিৰ কৰি দিয়া হয়।

সোঃ—ৰাক্ষসবিলাকে যি ভয়ানক অত্যাচাৰ, অনীতি কৰিছিল, তাৰ বৰ্ণনা দিব নোৱাৰি। যাৰ অনুৰাগ হিংসাৰ প্ৰতিহে, সিহঁতৰ পাপৰ জোখ কোনে ল'ব পাৰে? ১৮৩ ॥

চৌঃ—পৰৰ ধন আৰু পৰৰ তিৰোতাৰ প্ৰতি লোভ কৰা, দুষ্ট, চোৰ আৰু জুৱাৰীৰ সংখ্যা বাঢ়ি গ'ল। মানুহে পিতৃ-মাতৃ আৰু দেৱতাক সেৱা নকৰা হ'ল। সাধুসকলক সেৱা কৰক ছাবি নিজেহে সাধুসকলৰপৰা সেৱা লোৱা হ'ল। ১ ॥

[শিৱই কৈছে—] "হে ভৱানী ! যিবিলাক মানুহে এনে আচৰণ কৰে, সেই সকলোকে ৰাক্ষস বুলি ধৰিবা। এইদৰে ধৰ্মৰ অত্যন্ত গ্লানি দেখি বসুমতীয়ে ভয়ত অতি আকুল হৈ পৰিল।" ২ ॥

[বসুমতীয়ে ভাবিলে—] "পৰ্বত, নদী, সাগৰ আদিৰ ভাৰ মই সিমান গধুৰ পোৱা নাই, এই পৰৰ অনিষ্ট সাধকৰ ভাৰহে মই বেছি গধুৰ পাইছোঁ।" বসুমতীয়ে সকলো ধৰ্মৰ বিপৰ্যয় হোৱা দেখিলে যদিও ৰাৱণৰ ভয়ত সন্ত্ৰস্তা হৈ মুখেৰে একো ক'ব নোৱাৰিলে। ৩ ॥

শেষত মনতে অনেক ভাবি-চিন্তি চাই ধেনুৰূপ ধৰি তেওঁ দেৱতা আৰু মুনিসকল থকা ঠাইলৈ গৈ বসুমতীয়ে কান্দি-কাটি নিজৰ দুখৰ কথা ক'লে ; কিন্তু কাৰোপৰা একো কাৰ্য সিদ্ধি নহ'ল। ৪ ॥

তেতিয়া দেৱতা, মুনি, গন্ধৰ্ব সকলো মিলি ব্ৰহ্মাৰ সত্যলোকলৈ গ'ল। ভয় আৰু শোকত বিয়াকুল বসুমতীও ধেনুৰূপত তেওঁলোকৰ লগত গৈছিল। ব্ৰহ্মাই সকলো বুজিলে আৰু মনতে ভাবিলে—'মই একো কৰিব পৰাত নাই। [তেওঁ বসুমতীক ক'লে—] তুমি যাৰ দাসী, সেই অবিনাশী প্ৰভুৱেই তোমাৰ-আমাৰ সকলোৰে সহায়।'

ব্ৰহ্মাই কৈ গ'ল—"হে ধৰিত্ৰী, মনত ধৈৰ্য ধৰি শ্ৰীহৰিৰ চৰণ চিন্তা কৰাঁ। প্ৰভুৱে নিজ সেৱকৰ কষ্ট বুজে, তেওঁ তোমাৰ দাৰুণ বিপত্তি নাশ কৰিব।" ১৮৪ ॥

সকলো দেৱতাই বহি লৈ চিন্তা কৰিবলৈ ধৰিলে—"আমাৰ আকুল প্ৰাৰ্থনা জনাবলৈ প্ৰভু ক'ত আছে ?" কোনোবাই বৈকুণ্ঠলৈ যোৱাৰ কথা ক'লে। কোনোবাই ক'লে—"প্ৰভু এতিয়া ক্ষীৰ সমুদ্ৰতহে আছে।" ১ ॥

যাৰ হৃদয়ত যেনেকুৱা ভক্তি আৰু অনুৰাগ থাকে, প্ৰভু সদায় সেই অনুসাৰে তাতে ব্যক্ত হয়। হে পাৰ্বতী, ময়ো সেই সমাজতে থাকোঁ। সুবিধা পাইছোঁ যেতিয়া মই এটা কথা কওঁ— ২ ॥

ভগৱান সকলো ঠাইতে সমানভাৱে ব্যাপ্ত বুলি মই জানো। তেওঁ প্ৰেমৰ বশ হৈ ভক্তক দেখা দিয়ে। দেশ-কাল, দিশ-বিদিশ ক'ত ভগৱান নাই, কোৱাচোন ? ৩ ॥

চৰাচৰ জগতত ব্যাপ্ত হৈ আছে যদিও তেওঁ সকলোৰে বাবা ৰহিত আৰু সকলোতে অনাসক্ত। দুডাল কাঠ ঘঁহালে জুই ওলোৱাৰ দৰে হৰিও ভক্তিত ব্যক্ত হয়। মোৰ [শিৱৰ] এই কথা সকলোৱে শুনি ভাল পালে। ব্ৰহ্মাই 'সাধু, সাধু' বুলি প্ৰশংসা কৰিলে। ৪ ॥

দোঃ—মোৰ কথা শুনি ব্ৰহ্মাৰ মনত বৰ আনন্দ লাগিল ; তেওঁৰ শৰীৰ পুলকিত হ'ল, চকুৰপৰা অশ্ৰুধাৰা বৈ আহিল। সেই ধীৰমতি ব্ৰহ্মাই তেতিয়া সাৱধান হৈ হাত যোৰ কৰি স্তুতি কৰিবলৈ ধৰিলে। ১৮৫ ॥

ছন্দঃ—হে দেৱতাৰ স্বামী! ভক্তৰ সুখদাতা, প্ৰণত পালক ভগৱন্ত! তোমাৰ জয় হওক। হে গো-ব্ৰাহ্মণৰ হিত সাধক, অসুৰ-নিহন্তা, সমুদ্ৰ-কন্যা লক্ষ্মীৰ প্ৰিয় পতি! তোমাৰ জয় হওক। হে দেৱতা আৰু পৃথিৱীৰ পালনকৰ্তা! তোমাৰ অদ্ভুত লীলাৰ ৰহস্য কোনে জানে? সহজ কৃপালু, দীনদয়াল প্ৰভুৱে আমাৰ প্ৰতি কৃপা কৰক। ১ ॥

হে অবিনাশী, সমস্ত ভূতৰে অন্তৰ্যামী সৰ্বব্যাপী, পৰমানন্দ স্বৰূপ, অজ্ঞেয়, ইন্দ্ৰিয়াতীত, পবিত্ৰ চৰিত্ৰযুক্ত, মায়াৰহিত মুকুন্দ (মোক্ষদাতা), তোমাৰ জয় হওক। বৈৰাগ্যযুক্ত, মোহমুক্ত মুনিসকলেও অনুৰক্ত হৈ যাক দিনে-নিশাই ধ্যান কৰে আৰু যাৰ গুণ-গান কৰে, সেই সচ্চিদানন্দৰ জয় হওক। ২ ॥

যিজনে কোনো দ্বিতীয়জনৰ সহায় নোহোৱাকৈ তিনি প্ৰকাৰৰ সৃষ্টি-কাৰ্য অকলেই সমাধা কৰিলে, সেই পাপহাৰী ভগৱন্তই আমাক চকুমেলি চাওক। আমি ভক্তিও নাজানো, পূজাও নাজানো। যি ভৱভয় দূৰ কৰে, মুনিৰ মনত আনন্দ দান কৰে আৰু বিপত্তিসমূহ নাশ কৰে, আমি দেৱতাসকলে মন, বাণী আৰু কৰ্মৰ দ্বাৰা ছল-চাতুৰী এৰি তেওঁত শৰণ লৈছোঁ। ৩ ॥

সৰস্বতী দেৱী, অনন্ত নাগ আৰু অসংখ্য ঋষি-মুনিয়েও যাক নাজানে, যাক দীনসকলৰ প্ৰিয়পাত্ৰ বুলি বেদে উচ্চৰবে কৈছে, সেই শ্ৰীভগৱান আমাৰ প্ৰতি প্ৰসন্ন হওক। হে সংসাৰ-সমুদ্ৰ (মন্থন)ৰ বাবে মন্দৰ পৰ্বত, সকলো প্ৰকাৰে সুন্দৰ, গুণনিধি আৰু সুখৰ নিলয় স্বৰূপ নাথ, মুনি, সিদ্ধ আৰু সমস্ত দেৱতাই ভয়ত অতি আকুল হৈ তোমাৰ পদকমলত প্ৰণতি জনাইছে।

দোঃ—দেৱতাসকল আৰু পৃথিৱীক সন্ত্ৰস্ত দেখি, জগতে তেওঁলোকৰ ভক্তি-পূৰ্ণ বচন শুনি শোক আৰু সন্দেহ দূৰ কৰি গম্ভীৰভাৱে আকাশবাণী হ'ল।১৮৬ ॥

চৌঃ—'হে মুনি, সিদ্ধ আৰু দেৱতাসকল! ভয় নকৰিবা। তোমালোকৰ কাৰণে মই নৰদেহ ধাৰণ কৰিম আৰু উদাৰ সূৰ্য-বংশত মোৰ অংশসমূহেৰে সৈতে অৱতীৰ্ণ হ'ম। ১ ॥

'কশ্যপ আৰু অদিতিয়ে ঘোৰ তপস্যা কৰিছিল। মই পূৰ্বে তেওঁলোকক বৰ দি থৈছোঁ। এতিয়া তেওঁলোক অযোধ্যাত দশৰথ আৰু কৌশল্যাৰ ৰূপ ধৰি আছে। ২ ॥

'তেওঁলোকৰ ঘৰতে ৰঘুকুল শ্ৰেষ্ঠ চাৰি ভাই-ৰূপে অৱতাৰ হ'ম আৰু পৃথিৱীৰ সকলো ভাৰ হৰণ কৰিম। হে দেৱতাসমূহ, তোমালোক নিৰ্ভয় হোৱা। ৩ ॥

'নাৰদৰ সকলো কথা মই সত্যত পৰিণত কৰিম আৰু মোৰ পৰা শক্তিৰ সৈতে অৱতাৰ লম।' আকাশত এই ব্ৰহ্ম-বাণী শুনি দেৱতাসকলো শান্ত মনেৰে ঘূৰি গ'ল। ৪ ॥

তেতিয়া ব্ৰহ্মাই বসুমতীক সান্ত্বনা দিলে। বসুমতীও নিৰ্ভয় হ'ল আৰু তেওঁৰ মনত আশাৰ সঞ্চাৰ হ'ল। ৫ ॥

দোঃ—ব্ৰহ্মায়ো দেৱতাসকলক—'তোমালোকে বান্দৰৰ ৰূপ ধৰি পৃথিৱীত হৰিৰ চৰণত সেৱা কৰাগৈ' বুলি শিক্ষা দি নিজ ধামলৈ গতি কৰিলে। ১৮৭

চৌঃ—সকলো দেৱতা নিজ নিজ স্থানলৈ ঘূৰি গ'ল। বসুমতীকে ধৰি সকলোৱে মনত শান্তি পালে। ব্ৰহ্মাই যি আদেশ দিলে, তাত দেৱগণ সন্তুষ্ট হ'ল আৰু তাক পালন কৰোঁতে তেওঁলোক বিলম্ব নকৰিলে। ১ ॥

তেওঁলোকে পৃথিৱীত বানৰ-দেহ ধাৰণ কৰিলেগৈ। তেওঁলোকে অতুল বল আৰু প্ৰতাপ লাভ কৰিছিল। পৰ্বত, বৃক্ষ আৰু নখেই তেওঁলোকৰ অস্ত্ৰ শস্ত্ৰ আছিল। সেই ধীৰমতিসকলে ভগৱান অহালৈ বাট চাই থাকিবলৈ ধৰিলে ॥ ২ ॥

এই বান্দৰসমূহ পৰ্বত আৰু অৰণ্যৰ য'তে ত'তে নিজৰ সৈন্যদল গঠন কৰি বিয়পি পৰিল। মই এই সুন্দৰ সুন্দৰ কথাবোৰ ক'লোঁ। এতিয়া সেই কথালৈ যাওঁ, যাক মই মাজতে এৰি দিছিলোঁ। ৩ ॥

অযোধ্যা নগৰীত ৰঘুকুলৰ মণিস্বৰূপ দশৰথ নামেৰে এজন বেদবিখ্যাত ৰজা আছিল। তেওঁ ধৰ্মৰ ধুৰি ধৰোঁতা, গুণনিধি আৰু জ্ঞানী আছিল। তেওঁৰ হৃদয়ত শাৰংগপাণি ভগৱান বিষ্ণুৰ প্ৰতি ভক্তি আছিল আৰু তেওঁৰ মতিও ভগৱানত অৰ্পিত আছিল। ৪ ॥

দোঃ—তেওঁৰ কৌশল্যা আদি পত্নীসকলৰ আচৰণ পবিত্ৰ আছিল আৰু পতিৰ অনুকূলে তেওঁলোকৰো হৰিৰ পদকমলত বিনীত ভক্তি আছিল। ১৮৮ ॥

চৌঃ—এবাৰ ৰজাৰ মনত 'মোৰ পুত্ৰ নাই বাবে অখ্যাতি হৈছে' বুলি ভাব হ'ল। ৰজা তৎক্ষণাৎ গুৰুৰ গৃহলৈ গ'ল আৰু চৰণত ধৰি অনেক কাকূতি কৰিলে। ১ ॥

ৰজাই নিজৰ সকলো সুখ-দুখৰ কথা গুৰুক জনালে। গুৰু বশিষ্ঠই

তেওঁক বহুত প্ৰবোধ দি ক'লে—"হে মহাৰাজ, ধৈৰ্য্য ধৰা। তোমাৰ চাৰিজন পুত্ৰ হ'ব ; তেওঁলোক ত্ৰিভুবন-বিখ্যাত আৰু ভকতৰ ভয়হাৰী হ'ব।" ২ ॥

বশিষ্ঠই শৃংগী (ঋষ্যশৃংগ) ঋষিক মাতি আনি ৰজাৰ হতুৱাই পুত্ৰেষ্টি যজ্ঞ কৰালে। মুনিয়ে ভক্তিৰে সৈতে আহুতি দিয়াত অগ্নি দেৱতাই হাতত হৱিষ্যান্নৰ চৰু লৈ সাকাৰ ৰূপত দেখা দিলে॥ ৩ ॥

[অগ্নিয়ে দশৰথক ক'লে] "বশিষ্ঠই হৃদয়ত যি কামনা কৰিছিল সেই কামনা সিদ্ধি হ'ল। হে মহাৰাজ! তুমি এই পায়সখিনি (তোমাৰ ৰাণীসকলক) যথাযোগ্যভাৱে ভাগ কৰি দিয়াগৈ।" ৪ ॥

দোঃ—তেতিয়া সকলো সভাসদকে বুজাই কৈ অগ্নি অন্তৰ্ধান হ'ল। ৰজা পৰম আনন্দত মগ্ন হ'ল ; তেওঁৰ হৃদয়ত আনন্দৰ পাৰ নোহোৱা হ'ল। ১৮৯ ॥

চৌঃ—সেই সময়তে ৰজাই নিজৰ প্ৰিয় পত্নীসকলক মাতি আনিলে। কৌশল্যা আদি ৰাণীসকল তাত উপস্থিত হ'ল। ৰজাই আধাভাগ (পায়স) কৌশল্যাক দিলে আৰু বাকী আধাভাগ আৰু দুভাগ কৰিলে। ১ ॥

তাৰে এভাগ কৈকেয়ীক দিলে। বাকীখিনি আকৌ দুভাগ কৰি কৌশল্যা আৰু কৈকেয়ীৰ হাতত থৈ, তেওঁলোকৰ মনত সন্তোষ লগাই সুমিত্ৰাক দিলে। ২ ॥

ইয়াৰ পাছত ৰাণীসকল অন্তঃসত্বা হ'ল। তেওঁলোকৰ মনত আনন্দ লাগিল আৰু তেওঁলোক অতি সুখী হ'ল। যিদিনাই শ্ৰীহৰিয়ে গৰ্ভত স্থিতি ল'লেহি, সিদিনাৰ পৰা সমস্ত লোকতে সুখ-সম্পত্তিৰে ভৰি পৰিল। ৩ ॥

শোভা, শীল আৰু তেজস্বিতাৰ আকৰস্বৰূপ ৰাণীসকলে ৰাজভৱন শুৱাই থাকে। এইদৰে কিছুকাল পাৰ হ'ল ; তাৰ পাছত প্ৰভু আৱিৰ্ভাৱ হোৱাৰ সময় আহিল।

দোঃ—যোগ, লগ্ন, গ্ৰহ, বাৰ, তিথি সকলো অনুকূল হ'ল ; জড়, চেতন সকলো আনন্দত মগ্ন হ'ল ; কিয়নো শ্ৰীৰামৰ জন্ম সকলো সুখৰ মূলস্বৰূপ। ১৯০

চৌঃ—পবিত্ৰ চ'ত মাহৰ নৱমী তিথি, শুক্লপক্ষ, ভগৱান হৰি-প্ৰিয় অভিজিৎ নক্ষত্ৰ, সময় দুপৰীয়া, বেছি গৰমো নহয়, বেছি ঠাণ্ডাও নহয় ; এই পবিত্ৰক্ষণ সকলোৰে বাবে শান্তিদায়ক। ১ ॥

শীতল, মৃদু আৰু সুগন্ধি বায়ু বৰলৈ ধৰিলে ; দেৱতাৰ আনন্দ আৰু সন্তসকলৰ মনত ব্যগ্ৰতাৰ সৃষ্টি হ'ল, বনে বনে ফুল ফুলিলে ; পৰ্বত-পাহাৰত মণি-মাণিকে জকমক্ কৰিলে ; নদ-নদীবিলাকেদি অমৃত তুল্য জলধাৰা বৈ গ'ল। ২ ॥

ব্ৰহ্মাই যেতিয়া ৰাম-জন্মৰ শুভ-ক্ষণ আহিছে বুলি জানিলে তেতিয়া সকলো দেৱতাৰে সৈতে তেওঁ বিমানত সাজি-কাচি ওলাল। নিৰ্মল আকাশ দেৱতাৰে ভৰপূৰ হৈ পৰিল। গন্ধৰ্বসকলে হৰিৰ গুণ-গান গাবলৈ ধৰিলে। ৩ ॥

সুন্দৰ আঁজলি সজাই পুষ্পবৃষ্টি কৰিবলৈ ধৰিলে। আকাশত দুন্দুভি বাজি উঠিল। নাগ, মুনি তথা দেৱতাসকলে স্তুতি কৰিবলৈ ধৰিলে আৰু সকলোৱে নিজৰ নিজৰ সেৱা আগবঢ়ালে। ৪ ॥

দোঃ—দেৱতাসকল প্ৰাৰ্থনা কৰি নিজ নিজ ধামলৈ ঘূৰি গ'ল। সমস্ত লোকৰে শান্তিদায়ক, জগনিবাস প্ৰভুৰ আবিৰ্ভাৱ হ'ল। ১৯১ ॥

ছন্দঃ—কৃপালু, দীনদয়াল, কৌশল্যাৰ হিতকাৰী প্ৰভুৱে জন্ম গ্ৰহণ কৰিলে। মুনিৰো মন হৰণ কৰা অদ্ভুত ৰূপ দেখি মাতৃ আনন্দত মগ্ন হ'ল। নয়নাভিৰাম, ঘনশ্যাম শৰীৰ, শংখ, চক্ৰ প্ৰভৃতিৰে চতুৰ্ভুজযুক্ত, দিব্য আভৰণ আৰু বনমালা পিন্ধি, আয়তলোচন, শোভাৰ সমুদ্ৰ, ৰাক্ষস-নিহন্তা প্ৰভুৰ আবিৰ্ভাৱ হ'ল। ১ ॥

কৌশল্যাই দুয়ো হাত যোৰ কৰি স্তুতি কৰিবলৈ ধৰিলে—"হে অনন্ত, মই তোমাক কিদৰে স্তুতি কৰিম? বেদ আৰু পুৰাণে তোমাক মায়া, গুণ তথা জ্ঞানৰ অতীত আৰু পৰিমাণৰহিত বুলি বৰ্ণনা কৰিছে; শ্ৰুতি আৰু সাধুসকলে তোমাক করুণা আৰু সুখৰ সাগৰ, সৰ্বগুণাকৰ বুলি গুণ কীৰ্তন কৰিছে; সেই ভক্তৰ প্ৰতি অনুৰক্ত লক্ষ্মীপতি ভগৱানে মোৰ হিতসাধনৰ বাবে অৱতাৰ লৈছে। ২ ॥

"বেদে কয়—তোমাৰ প্ৰত্যেকডাল নোমতে মায়াৰ দ্বাৰা নিৰ্মিত অনেক ব্ৰহ্মাণ্ড সোমাই থাকে; তেনেকুৱা প্ৰভু আহি মোৰ গৰ্ভত আছিলা, এনে উপহাসৰ কথা শুনি ধীৰ পুৰুষৰো মতি বিচলিত নোহোৱাকৈ নাথাকে।" মাতৃৰ জ্ঞান উদয় হোৱাত প্ৰভুৱে মিচিকিয়া হাঁহি মাৰিলে। তেওঁ বহুত প্ৰকাৰৰ লীলা কৰিব খুজিছে; গতিকে তেওঁ (পূৰ্বজন্মৰ) সুন্দৰ কথাবোৰ কৈ মাতৃক বুজালে যাতে তেওঁ ভগৱানৰ প্ৰতি বাৎসল্য-প্ৰেম পোষণ কৰে। ৩ ॥

কৌশল্যাৰ এই মতিৰ সলনি হ'ল আৰু তেওঁ ক'লে—"হে বৎস, তুমি এই (চতুৰ্ভুজ) ৰূপ এৰি অতি প্ৰিয় শিশুলীলা কৰা। সেই লীলাই মোক পৰম অনুপম সুখ দান কৰিব। মাকৰ এই কথা শুনি দেৱতাৰ স্বামী, পৰম জ্ঞানী প্ৰভুৱে বালক ৰূপত কান্দিবলৈ ধৰিলে। [তুলসীদাসে কৈছে—] যি ভগৱানৰ এই লীলাসমূহ কীৰ্তন কৰে, তেওঁ বিষ্ণুপদ লাভ কৰে আৰু পুনৰাই সংসাৰৰূপী কূপত পতিত নহয়। ৪ ॥

দোঃ—ব্ৰাহ্মণ, গো, দেৱতা আৰু সন্তসকলৰ হিতৰ অৰ্থে ভগৱানে মনুষ্যৰ অৱতাৰ লয়। তেওঁ নিজ ইচ্ছাৰে শৰীৰ ধাৰণ কৰে। তেওঁ মায়া, ত্ৰিগুণ তথা ইন্দ্ৰিয়ৰ অতীত। ১৯২ ॥

চৌঃ—শিশুৰ মৰম লগা কান্দোনৰ ধ্বনি শুনি ৰাণীসকল উত্ৰাৱল হৈ ল'ৰি আহিল। দাসীবিলাকে আনন্দতে ইফালে-সিফালে লৰ-ঢপৰা লগালে। সমগ্ৰ পুৰবাসী আনন্দত মগ্ন হ'ল। ১ ॥

দশৰথ ৰজা পুত্ৰ-জন্মৰ কথা শুনি যেন ব্ৰহ্মানন্দতহে মগ্ন হ'ল। মনত বাৎসল্য-প্ৰেম জাগিল আৰু শৰীৰ পুলকিত হ'ল। মতি স্থিৰ কৰি তেওঁ উঠিব খুজিলে। ২ ॥

"যাৰ নাম শুনিলেই কল্যাণ হয়, সেই প্ৰভু মোৰ ঘৰলৈ আহিছে"—এইবুলি ভাবি ৰজাৰ মন পৰম আনন্দৰে পূৰ্ণ হ'ল। তেওঁ বাদকসকলক বাদ্য বজাবলৈ আদেশ দিলে। ৩ ॥

বশিষ্ঠক মাতি পঠোৱা হ'ল। তেওঁ ব্ৰাহ্মণসকলৰ সৈতে ৰাজদ্বাৰত উপস্থিত হ'ল। তেওঁলোকে অনুপম শিশুটিক দেখিবলৈ পালে—সেই শিশু ৰূপৰ ৰাশি-স্বৰূপ, তেওঁৰ গুণ কৈ শেষ কৰিব নোৱাৰি। ৪ ॥

তাৰ পাছত ৰজাই নান্দীমুখ-শ্ৰাদ্ধ কৰি জাতকৰ্ম আদি সংস্কাৰ সমাধা কৰিলে, ব্ৰাহ্মণক সোণ, গাই গৰু, বস্ত্ৰ, মণিমুক্তা আদি দান কৰিলে। ১৯৩ ॥

ধ্বজা, পতাকা আৰু তোৰণেৰে নগৰ ভৰি পৰিল। এইবিলাকৰ সাজ সজ্জাৰ বৰ্ণনাও দিব নোৱাৰি। আকাশৰপৰা পুষ্পবৃষ্টি হ'ল। সকলোৱেই যেন ব্ৰহ্মানন্দত মগ্ন হ'ল। ১ ॥

জাকে জাকে তিৰোতা মানুহে সাধাৰণ সাজ-পোচাকেৰেই উঠি ধাপলি মেলিবলৈ ধৰিলে। হাতত সোণৰ কলহ আৰু মাংগলিক দ্ৰব্যেৰে পূৰ্ণ থালী লৈ, গীত গাই গাই তেওঁলোকে ৰাজদ্বাৰত প্ৰৱেশ কৰিলে। ২ ॥

তেওঁলোকে আৰতি কৰি উছৰ্গা কৰিলে, বাৰে বাৰে শিশুটিৰ চৰণত প্ৰণতি জনালে। চাৰণ, সূত, বন্দনাকাৰী আৰু গায়কসকলে ৰঘুপতিৰ গুণ কীৰ্ত্তন কৰিবলৈ ধৰিলে। ৩ ॥

ৰজাই সকলোকে বহু ধৰণৰ বস্তু দান কৰিলে। যি দান পালে, তেওঁলোকেও বস্তু বান্ধি নথলে। নগৰৰ বাটে-পথে কস্তুৰী, চন্দন আৰু কুংকুম মিহলি হৈ বোকাৰ দৰে ভৰি পৰিল। ৪ ॥

দোঃ—ঘৰে ঘৰে মংগল-বাদ্য বাজিবলৈ ধৰিলে; কাৰণ সৌন্দৰ্যৰ মূলস্বৰূপ

ভগৱানৰ আবিৰ্ভাৱ হৈছে। জাকে জাকে নৰ-নাৰী সমগ্ৰ নগৰ জুৰি আনন্দত মতলীয়া হৈ পৰিল। ১৯৪ ॥

চৌঃ—কৈকেয়ী আৰু সুমিত্ৰা, এই দুই ৰাণীয়েও সুন্দৰ পুত্ৰ জন্ম দিলে। সেই সুখ, সমৃদ্ধি, সময় আৰু সমাজৰ বৰ্ণনা সৰস্বতী আৰু অনন্ত নাগেও দি শেষ কৰিব নোৱাৰে। ১ ॥

অযোধ্যা নগৰী এনেকুৱা শুৱনি হৈ পৰিল, যেন ৰাতিয়েহে প্ৰভুক সাক্ষাৎ কৰিবৰ বাবে আহি সূৰ্যক দেখা পাই মনতে সংকোচ কৰি ৰৈ গ'ল। কিন্তু পাছত মনতে ভাবি-চিন্তি সন্ধ্যা হৈ পৰিল। ২ ॥

অগুৰু ধূপৰ ধোঁৱাবোৰ যেন সন্ধ্যাৰ অন্ধকাৰ ; উৰুকৰা ফাকুগুড়িবোৰ যেন সন্ধ্যাৰ ৰক্তিম আভা, অট্টালিকাসমূহত খটোৱা মণি-মুক্তাবোৰ যেন থুপি থুপি তৰাহে ; ৰাজভৱনৰ ওপৰত থকা (ৰত্নময়) কলসীটো যেন পূৰ্ণচন্দ্ৰহে। ৩ ॥

ৰাজভৱনত অতি কোমল সুৰেৰে হোৱা বেদধ্বনিসমূহ যেন সন্ধ্যা সময়ৰ অনুকূল পক্ষীৰ মধুৰ কূজনহে। এই কৌতুক দেখি সূৰ্যই গতি পাহৰি গৈ এমাহ জুৰি ক'ব নোৱাৰাকৈ ৰৈ থাকিল। ৪ ॥

দোঃ—(গতিকে) এমাহ জুৰি কেৱল দিনেই হৈ থাকিল। এই ৰহস্যৰ কথা কোনেও নাজানিলে। সূৰ্যইতো ৰথেৰে সৈতে তাতেই ৰৈ আছে, দিন শুচি ৰাতি হ'ব ক'ৰপৰা ? ১৯৫ ॥

চৌঃ—এই ৰহস্য কোনেও নাজানিলে। সূৰ্যদেৱ (শ্ৰীৰামৰ) গুণ-কীৰ্তন কৰি কৰি গ'লগৈ। এই মহোৎসৱ চাই দেৱতা, মুনি আৰু নাগসকলো নিজৰ ভাগ্যক প্ৰশংসা কৰি ঘৰাঘৰি গ'ল। ১ ॥

হেৰা পাৰ্বতী ! তোমাৰ মতি অতি স্থিৰ, গতিকে মই আৰু এটা গোপন কথা কওঁ, শুনা। কাকভুশুণ্ডি আৰু মই, আমি দুয়ো তাত মনুষ্য ৰূপত একেলগে ফুৰিছিলোঁ, কিন্তু সেই কথা কোনেও কব নোৱাৰিলে। ২ ॥

পৰম আনন্দ আৰু প্ৰেম-ভক্তিত উৎফুল্ল হৈ আপোন পাহৰি বাটে-ঘাটে ঘূৰি ফুৰিছিলোঁ ; কিন্তু এই মংগলময় কথা, যিজনৰ প্ৰতি ৰামৰ কৃপা হৈছে, তেওঁহে জানিব পাৰে। ৩ ॥

সেই সময়ত যেয়ে যেনেকৈ আহি যি বস্তুকে বিচাৰিলে ৰজায়ো তাকে দান কৰিলে। হাতী, ৰথ, ঘোঁৰা, গাইগৰু, হীৰা আৰু বিবিধ বস্ত্ৰ ৰজাই দান কৰিলে। ৪ ॥

দোঃ—ৰজাই সকলোৰে মনত সন্তোষ লগালে। সকলো মানুহে ঘ'তে

ত'তে আশীৰ্বাদ কৰিবলৈ ধৰিলে—তুলসীদাসৰ স্বামী সকলো পুত্ৰ (চাৰি ৰাজকুমাৰ) চিৰজীৱী হওক। ১৯৬ ॥

চৌঃ—এইদৰে কিছুদিন পাৰ হ'ল; দিন-ৰাতি কেনেকৈ পাৰ হ'ল তকিবই পৰা নহ'ল। নামকৰণৰ সময় হ'ল বুলি জানি জ্ঞানী মুনি বশিষ্ঠক মাতি পঠোৱা হ'ল। ১ ॥

মুনিক পূজা-সৎকাৰ কৰি ৰজাই ক'লে—"হে মুনি, আপুনি মনত যি ভাবি থৈছে সেই নামকে দিয়ক।" (মুনিয়ে ক'লে—) "হে মহাৰাজ, এওঁলোকৰ বহুতো অনুপম নাম আছে। তাৰ ভিতৰত মোৰ বুদ্ধি অনুসাৰে কওঁ, শুনা। ২ ॥

এওঁ আনন্দৰ সাগৰ আৰু সুখৰ ৰাশি স্বৰূপ। এই আনন্দ সাগৰৰ এটি জলকণাৰেই ত্ৰিভুবন সুখী হয়। সম্পূৰ্ণ সুখৰ নিলয় স্বৰূপ আৰু অখিল লোকৰ শান্তিদাতা তোমাৰ এই পুত্ৰৰ নাম 'ৰাম' হ'ব। ৩ ॥

সংসাৰৰ ভৰণ পোষণ কৰোঁতা, তোমাৰ এই দ্বিতীয় পুত্ৰৰ নাম 'ভৰত'। যাক স্মৰণ কৰা মাত্ৰকে শত্ৰু নাশ হয়, তেওঁৰ নাম হ'ব বেদ-বিখ্যাত 'শত্ৰুঘ্ন'। ৪ ॥

দোঃ—শুভলক্ষণৰ ধাম স্বৰূপ, শ্ৰীৰামৰ প্ৰিয় আৰু সমস্ত জগতৰ আধাৰ স্বৰূপ (শেষনাগৰ অৱতাৰ) তৃতীয় পুত্ৰৰ নাম, গুৰু বশিষ্ঠই 'লক্ষ্মণ' থলে। ১৯৭ ॥

চৌঃ—গুৰু বশিষ্ঠই মনত ভাবি চিন্তি এই কেইটা নাম থলে আৰু ক'লে—"হে মহাৰাজ! তোমাৰ চাৰি পুত্ৰ বেদৰ তত্ত্ব (পৰম ব্ৰহ্ম), মুনিসকলৰ ধন, ভক্তজনৰ সৰ্বস্ব, ভগৱান শিৱৰ প্ৰাণ। তেওঁলোকে (এতিয়া) শিশুলীলাৰ ৰসতে সুখ অনুভৱ কৰিছে। ১ ॥

বাল্যকালতে শ্ৰীৰামক নিজৰ পৰম হিতৈষী প্ৰভু বুলি জানি লক্ষ্মণে তেওঁৰ চৰণত ভক্তিভাৱ স্থাপন কৰিলে। ভৰত, শত্ৰুঘ্ন—এই দুজন ভাই-ককাইৰ মাজত প্ৰভু আৰু সেৱকৰ মাজত থকা যি প্ৰশংসনীয় প্ৰীতিভাৱ, তেনেকুৱা প্ৰীতিভাৱেই গঢ় ল'লে। ২ ॥

শ্যাম আৰু গৌৰ বৰ্ণৰ চাৰি পুত্ৰৰ মূৰ্তি দেখি মাতৃসকলৰ মন আনন্দত ভৰপূৰ হ'ল। চাৰিওজন সৎ-স্বভাৱৰ, ৰূপ আৰু গুণৰ ধাম স্বৰূপ আছিল; তাৰ ভিতৰতো সুখৰ সাগৰ স্বৰূপ ৰাম অধিক চৰা। ৩ ॥

তেওঁৰ হৃদয়ত অনুগ্ৰহৰূপী চন্দ্ৰ প্ৰকাশ পাইছিল, তেওঁৰ মনোহৰ হাঁহিটিয়ে সেই চন্দ্ৰৰ কিৰণৰ সূচনা কৰে। তেওঁক কেতিয়াবা মাকে কোলাত লৈ, কেতিয়াবা পালেঙত শুৱাই লৈ "মোৰ সোণটো" বুলি মৰমতে পমিছিল। ৪ ॥

যি ব্ৰহ্ম সৰ্বব্যাপক, নিৰঞ্জন, নিৰ্গুণ, বিনোদৰহিত আৰু অজ, তেওঁ ভক্তিৰ বশ হৈ কৌশল্যাৰ কোলাত (খেলা কৰি) আছেহি। ১৯৮ ॥

চৌঃ—নীলকমল আৰু গম্ভীৰ (জলপূৰ্ণ) মেঘৰ দৰে শ্যামশৰীৰত কোটি কামদেৱৰ শোভা নিহিত হৈ আছে। প্ৰভুৰ ৰাতুল চৰণকমলৰ নখৰ জেউতি এনেদৰে শোভা পাইছিল, যেন এপাহি ৰঙা পদুমৰ পাহিবোৰত লাগি থকা মুকুতাহে।

চৰণ তলত ধ্বজ, বজ্ৰ আৰু অংকুশৰ চিহ্নই শোভা পাইছে। নূপুৰৰ ধ্বনি শুনি মুনিৰো মন মোহিত হয়; কঁকালত কিংকিনী আৰু উদৰত ত্ৰিবলী (তিনি) ৰেখা, নাভিৰ গভীৰতাৰ কথা দেখা মানুহহে ক'ব পাৰিব। ২ ॥

বিশাল বাহুকেইটি অনেক অলংকাৰেৰে শোভিত হৃদয়ত ; চিত্ৰ-বিচিত্ৰ বাঘ-নখৰ শোভা ; বুকুত মণি-ৰত্ন খচিত হাৰৰ শোভা, আৰু [ভৃগু] ব্ৰাহ্মণৰ চৰণ চিহ্ন দেখিলেই মনত লোভ ওপজে। ৩ ॥

কণ্ঠ শংখৰ সদৃশ, থুতৰি মনোৰম। মুখত অসংখ্য কামদেৱৰ শোভা গোট খাই আছে। ধুনীয়া ধুনীয়া দুপাৰি দাঁত, ৰঙা ৰঙা দুটি ওঁঠ, নাক আৰু তিলকৰ (সৌন্দৰ্যৰ) বৰ্ণনা কোনে দিব পাৰে ? ৪ ॥

কাণ ধুনীয়া, গাল ধুনীয়া। থুনুক থানাক মাতত মৌ বৰষে। জন্মৰেপৰা একোটাকৈ ৰখা চিক্‌চিকীয়া কেঁকোৰা চুলিটাৰি মাকে নানা ধৰণে আঁচুৰি দিয়ে। ৫ ॥

গাত হালধীয়া ৰঙৰ চোলা পিন্ধা। তেওঁলোকে আঁঠুৰে চুচৰি ফুৰা চাই মোৰ বৰ ভাল লাগে। তেওঁলোকৰ ৰূপৰ বৰ্ণনা অনন্ত নাগ আৰু বেদেও কৰি শেষ কৰিব নোৱাৰে। সেইৰূপ কেনে আছিল, তেওঁহে বুজিব, যি কেতিয়াবা সপোনত হ'লেও দেখিছে। ৬ ॥

দোঃ—যি সুখ পুঞ্জস্বৰূপ, মোহ, জ্ঞান, বাণী আৰু ইন্দ্ৰিয়ৰ অতীত, সেই ভগৱানে দশৰথ কৌশল্যাৰ ভক্তিৰ অধীন হৈ পৱিত্ৰ শিশুলীলা কৰিছে। ১৯৯ ॥

চৌঃ—এইদৰে জগতৰ পিতা-মাতা শ্ৰীৰামচন্দ্ৰই অযোধ্যাৰ নিবাসীসকলক সুখ দিছে। যি শ্ৰীৰামৰ চৰণত ভক্তি কৰে, হে ভৱানী, তেওঁৰ বাবে এয়া প্ৰত্যক্ষ গতি স্বৰূপ (অৰ্থাৎ ভগৱানে তেওঁৰ ভক্তিবশতঃ শিশুলীলা কৰে)। ১ ॥

ৰঘুপতিৰ বিমুখ হৈ কোনেও কোটি উপায় অবলম্বন কৰিও ভৱবন্ধনৰপৰা মুক্ত হ'ব নোৱাৰে। যি চৰাচৰ জীৱক নিজৰ বশ কৰি ৰাখিছে, সেই মায়ায়ো প্ৰভুলৈ ভয় কৰে। ২ ॥

ভগৱানে সেই মায়াক ভ্ৰূকুটিতে নচুৱাব পাৰে। এনেহেন প্ৰভু ভগৱন্তক এৰি কাক ভজিম, কোৱা? মন, বচন আৰু কৰ্মৰ দ্বাৰা ছল-চতুৰী এৰি ভজিলেই ৰঘুপতিয়ে কৃপা কৰে। ৩ ॥

এই প্ৰভুৱে শিশুলীলা কৰি সমস্ত অযোধ্যাবাসীক আনন্দ দান কৰিলে। কৌশল্যাই কেতিয়াবা তেওঁক কোলাত লৈ আৰু কেতিয়াবা খাটত শুৱাই লৈ দোলন খেলায়। ৪ ॥

দোঃ—পুত্ৰ-স্নেহত মগ্ন হৈ থকা কৌশল্যাই ৰাতি-দিন কেনেকৈ পাৰ হৈছে ক'বই নোৱাৰে। পুতেকৰ মৰমতে তেওঁ শ্ৰীৰামৰ শিশুলীলাক লৈ গীত গায়। ২০০ ॥

চৌঃ—এদিন মাতৃ কৌশল্যাই শ্ৰীৰামক গা ধুৱাই, কাপোৰ পিন্ধাই পালেঙত শুৱাই থৈ, তেওঁলোকৰ কুলৰ ইষ্টদেৱৰ (ভগৱান বিষ্ণুৰ) পূজা কৰিবলৈ বুলি নিজে স্নান কৰিলে। ১ ॥

পূজা-পাতল কৰি তেওঁ নৈবেদ্য আগবঢ়ালে। তাৰ পাছত তেওঁ ৰন্ধনশালালৈ গ'ল। আকৌ মাকে ঘূৰি আহি (পূজাস্থানত) দেখে যে পুতেকে (ইষ্টদেৱৰ) নৈবেদ্য ভোজন কৰি আছে। ২ ॥

মাকে মনত ভয় কৰি (শুই থকা ঠাইলৈ) পুতেকৰ ওচৰলৈ গৈ দেখে তাত ল'ৰাটি (আগৰ দৰেই) শুই আছে, আকৌ (পূজাস্থানলৈ গৈ) দেখে যে তাতো পুতেকে ভোজন কৰি আছে। তেতিয়া তেওঁৰ হৃদয় কঁপিবলৈ ধৰিলে আৰু তেওঁ ধৈৰ্য হেৰুৱাই পেলালে ॥ ৩ ॥

দুয়ো ঠাইতে দুটি শিশু দেখি তেওঁ ভাবিলে—"মোৰে মতিভ্ৰম হৈছে নে আনহে কিবা হৈছে।" প্ৰভুৱে মাতৃক বিহ্বল হোৱা দেখি ধুনীয়াকৈ মিচিকি হাঁহি মাৰিলে। ৪ ॥

দোঃ—প্ৰভুৱে মাতৃক তেওঁৰ অদ্ভুত অখণ্ড ৰূপ দেখুৱালে—যাৰ প্ৰত্যেক নোমতে কোটি কোটি ব্ৰহ্মাণ্ড সোমাই আছে। ২০১ ॥

চৌঃ—আৰু দেখিবলৈ পালে—অগণন সূৰ্য, চন্দ্ৰ, শিৱ, ব্ৰহ্মা আৰু অসংখ্য গিৰি, নদী, সাগৰ, পৃথিৱী, বন। কাল, কৰ্ম, গুণ, জ্ঞান আৰু স্বভাৱ আদিৰ উপৰিও কেতিয়াও নাম শুনা কিছুমান আন বস্তুও তেওঁ দেখিবলৈ পালে। ১ ॥

সকলো প্ৰকাৰে বলৱতী মায়াকো (প্ৰভুৰ সন্মুখত) হাত যোৰ কৰি ভয়-ভীত হৈ থিয় দি থকা দেখিলে। জীৱক যি নচুৱায়, সেই মায়াকো দেখিলে আৰু যি সেই মায়াৰপৰা নিস্তাৰ কৰে সেই ভক্তিকো দেখিলে। ২ ॥

কৌশল্যাৰ শৰীৰ পুলকিত হ'ল ; মুখৰপৰা মাত নোলোৱা হ'ল। তেতিয়া তেওঁ চকু মুদি শ্ৰীৰামক মুৰ দোঁৱালে। মাতৃক বিস্ময়ান্বিত হোৱা দেখি খৰ ৰাক্ষস নিহন্তা প্ৰভুৱে পুনৰ শিশুৰূপ ধৰিলে। ৩ ॥

মাকে পুত্ৰেকক স্তুতিও কৰিব নোৱাৰে। তেওঁৰ মনতে ভয় হ'ল—"মই জগৎপিতা শ্ৰীৰামক পুত্ৰ বুলিহে জানিছোঁ।" শ্ৰীহৰিয়ে মাতৃক বুজাবলৈ ধৰিলে—"শুনা আই ! তুমি এই কথা কাকো নক'বা।" ৪ ॥

দোঃ—কৌশল্যাই হাত যোৰ কৰি বাৰে বাৰে মিনতি কৰিলে—"হে প্ৰভু ! মোৰ ওপৰত আকৌ তোমাৰ মায়া বিস্তাৰ নকৰিবা।"

চৌঃ—ভগৱানে অনেক ধৰণৰ শিশুলীলা কৰিলে আৰু নিজৰ ভক্তসেৱকক অতিশয় আনন্দ দান কৰিলে। কিছুদিনৰ পাছত চাৰিও ভাই-ককাই ডাঙৰ-দীঘল হ'ল। তেওঁলোক আত্মীয়-কুটুম্বৰ বাবেও আনন্দদায়ক হৈ পৰিল। ১ ॥

তেতিয়া গুৰুৱে গৈ চূড়াকৰণ সমাধা কৰিলে। ব্ৰাহ্মণসকলে বহুত দক্ষিণা পালে। চাৰিওজন সুন্দৰ ৰাজকুমাৰে বহুতো পৰম মনোহৰ লীলা দেখুৱালে। ২ ॥

যিজন মন, কৰ্ম আৰু বাণীৰ অগোচৰ, সেই প্ৰভুৱে দশৰথৰ চোতালত বিচৰণ কৰিছেহি। খাবৰ সময়ত যেতিয়া ৰজাই শ্ৰীৰামক মাতে, তেওঁ লগৰীয়া ল'ৰাৰ লগ এৰি আহিবই নোখোজে। ৩ ॥

কৌশল্যাই যেতিয়া মাতিবলৈ যায়, প্ৰভুৱে ঠুপুক্-ঠাপাককৈ আঁতৰি পলায়। বেদে যাক 'নেতি, নেতি' বুলি কয়, শিৱয়ো যাৰ অন্ত নাপায়, সেই প্ৰভুক কৌশল্যাই খঙেৰে ধৰিবলৈ বুলি খেদি যায়। ৪ ॥

ধূলিৰে বগা হৈ প্ৰভু ওচৰলৈ আহে ; ৰজাই হাঁহি মাৰি কোলাত তুলি লয়। ৫ ॥

দোঃ—খোৱাৰ সময়ত মন চঞ্চল হৈ থাকে, অলপ সুবিধা পালেই মুখত দৈ-ভাত লৈয়ে ইফালে সিফালে কিৰিলি মাৰি লৰ মাৰে। ২০৩ ॥

চৌঃ—শ্ৰীৰামৰ অতি সৰল আৰু মনোৰম শিশুলীলাৰ কথাকে শ্ৰদ্ধাৰে সৈতে অনন্তনাগ, ভগৱান শিৱ আৰু বেদে গাইছে। যাৰ মন এই শিশু-লীলাত অনুৰক্ত নহয়, তেওঁলোকক বিধাতাই বঞ্চিত কৰিলে (তেওঁলোক ভাগ্যহীন)। ১ ॥

আটাইকেউটি ল'ৰাই যেতিয়া কৈশোৰত ভৰি দিলে, পিতৃ-মাতৃ আৰু গুৰুৱে তেওঁলোকৰ উপনয়ন কৰালে। ৰঘুনাথ শ্ৰীৰাম গুৰুৰ ঘৰত বিদ্যাশিক্ষা কৰিবলৈ গ'ল আৰু তেওঁ অতি কম সময়তে সকলো বিদ্যা আয়ত্ত কৰিলে। ২ ॥

চাৰি বেদ যাৰ স্বাভাৱিক নিশ্বাসতে বাজ হৈছিল, সেই হৰিয়ে পাঠ পঢ়ে—ই বৰ আমোদজনক কথা। বিদ্যা, বিনয়, গুণ আৰু চৰিত্ৰত শ্ৰেষ্ঠ হৈ তেওঁ সকলো প্ৰকাৰৰ নৃপসুলভ লীলা কৰিবলৈ ধৰিলে। ৩ ॥

হাতত ধনু-শৰে শোভা কৰে ; ৰূপ দেখি জড়-চেতন সকলো মোহিত হয়। শ্ৰীৰামৰ ভাই-ককাই চাৰিজনে যি পথেদি খেলিবলৈ যায়, তাৰ কাষত থকা সকলো মানুহে তেওঁলোকক দেখি চেনেহতে পমি স্তব্ধ হৈ বৈ যায়। ৪ ॥

দোঃ—অযোধ্যাবাসী স্ত্ৰী-পুৰুষ, ল'ৰা-বুঢ়া সকলোকে কৃপাময় শ্ৰীৰামৰ প্ৰাণতকৈও অধিক প্ৰিয় যেন লগা হ'ল। ২০৪ ॥

চৌঃ—শ্ৰীৰামে ভায়েক আৰু সখিয়েকহঁতক লগত লৈ নিতৌ বনত মৃগয়া কৰিবলৈ যায়। মনতে পবিত্ৰ বুলি জানি পহু মাৰি আনি নিতৌ ৰজাক দেখুৱায়হি। ১ ॥

যিবোৰ পহু ৰামৰ শৰত মৰে, সেইবোৰে তনু ত্যাগ কৰি দেৱলোকলৈ যায়। ৰামে ভায়েক আৰু সখিয়েকহঁতৰ লগত ভোজন কৰে। তেওঁ পিতৃ-মাতৃৰ আদেশ পালন কৰে। ২ ॥

যি কৰিলে পুৰবাসীসকল সুখী হয়, কৃপানিধি শ্ৰীৰামে সেই লীলাকে কৰে। তেওঁ মন দি বেদ-পুৰাণ শুনে আৰু ভায়েককেইজনক নিজে সেই কথাবোৰ বুজাই দিয়ে। ৩ ॥

শ্ৰীৰামে নিচেই পুৱাতে শুই উঠি পিতৃ মাতৃ আৰু গুৰুক প্ৰণাম জনায় আৰু তেওঁলোকৰ অনুমতি লৈ নগৰৰ কাম কৰেগৈ। তেওঁৰ কাৰ্যাৱলী দেখি দশৰথ ৰজাৰ মনত আনন্দ লাগে। ৪ ॥

দোঃ—যিজন ব্যাপক, বুদ্ধিৰ অগম্য ইচ্ছাৰহিত, অজ, নিৰ্গুণ আৰু নাম-ৰূপহীন, সেই ভগৱানেই ভক্তৰ (ইচ্ছাপূৰণৰ) কাৰণে নানা অনুপম লীলা কৰিছে। ২০৫ ॥

চৌঃ—মই এই সকলো লীলা কীৰ্তন কৰিলোঁ। এতিয়া পাছৰখিনি কথা মন দি শুনা। জ্ঞানী মহামুনি বিশ্বামিত্ৰই পবিত্ৰ স্থান বুলি জানি বনত আশ্ৰম কৰি আছিল। ১ ॥

তাত মুনিয়ে জপ, যজ্ঞ, যোগ আচৰণ কৰিছিল ; কিন্তু মাৰীচ আৰু সুবাহুৰ পৰা বৰ ভয় পাইছিল। যজ্ঞ কৰা দেখিলেই ৰাক্ষসবিলাকে তৎক্ষণাৎ আহি উপদ্ৰৱ কৰিবলৈ ধৰে। সেইবাবে মুনিয়ে মনত বৰ দুখ পাইছিল। ২ ॥

গাধিপুত্ৰ বিশ্বমিত্ৰই মনে মনে চিন্তা কৰিলে—হৰিৰ বাহিৰে পাপী ৰাক্ষসক

মাৰোঁতা নাই। তেতিয়া মুনিশ্ৰেষ্ঠ বিশ্বমিত্ৰই প্ৰভুৱে ভূমিভাৰ হৰণ কৰিবলৈ অৱতাৰ লৈছে বুলি বুজিলে। ৩॥

"এই ছলতে মই প্ৰভুৰ চৰণ দৰ্শন কৰোঁগৈ আৰু অনুনয়-বিনয় কৰি দুয়ো ভাই-ককাইক (ৰাম লক্ষ্মণক) লৈ আহোঁগৈ। যিজন জ্ঞান, বৈৰাগ্য আৰু সকলো গুণৰে ভঁৰালস্বৰূপ সেই প্ৰভুক মই নয়ন ভৰি চাম।" ৪॥

দোঃ—এইদৰে মনত বহুপ্ৰকাৰৰ কামনা কৰি তেওঁক যাবলৈ বেছি সময় নালাগিল। সৰযু নদীৰ পবিত্ৰ জলত স্নান কৰি তেওঁ ৰাজসভাত উপস্থিত হ'লগৈ।

চৌঃ—মুনিৰ আগমনৰ বাতৰি পাই ৰজাই বিপ্ৰসমাজৰে সৈতে আগবঢ়াই আনিবলৈ গ'ল আৰু দণ্ডৱৎ প্ৰণাম কৰি সন্মান দেখুৱাই মুনিক নি নিজৰ আসনত বহুৱালে। ১॥

তাৰ পাছত মুনিৰ চৰণ ধুৱাই বহুত পূজা কৰি ক'লে—"আজি মোৰ সমান ধন্য আৰু দ্বিতীয়জন নাই।" মুনিক বিবিধ প্ৰকাৰে ভোজনো কৰোৱা হ'ল। আৰু মুনিয়েও তাৰ বাবে বৰ আনন্দ পালে। ২॥

ৰজাই চাৰিওজন পুত্ৰকে আনি মুনিৰ চৰণত প্ৰণাম কৰোৱালে। শ্ৰীৰামক দেখি মুনি আত্মহাৰা হ'ল। শ্ৰীৰামৰ মুখৰ সৌন্দৰ্য দেখি মুনি তন্ময় হ'ল; যেন পূৰ্ণিমাৰ চন্দ্ৰ দেখি চাকৈ-চকোৱাহে মুগ্ধ হ'ল। ৩॥

তেতিয়া ৰজাই আনন্দমনেৰে ক'লে—"হে মুনি, এনে দয়াতো আপুনি আগতে কেতিয়াও কৰা নাছিল। আজি আপোনাৰ শুভ আগমনৰ কাৰণ কি কওক; আপোনাৰ কাৰ্য সিদ্ধি কৰিবলৈ মই অলপো পলম নকৰোঁ।" ৪॥

[মুনিয়ে ক'লে—] "হে মহাৰাজ, ৰাক্ষসবিলাকে মোক বৰ কষ্ট দিছে। সেইবাবে মই তোমাৰ ওচৰত ভিক্ষা বিচাৰি আহিছোঁ। ভায়েকৰ সৈতে ৰঘুনাথ শ্ৰীৰামক মোক দিয়া। ৰাক্ষসবিলাকক বধ কৰিলে মই নিৰাপদ হ'ম। ৫॥

দোঃ—"হে মহাৰাজ! আনন্দমনেৰে এওঁলোকক মোক দিয়া; মোহ আৰু অজ্ঞান এৰি কৰি থোৱা। ইয়াৰ দ্বাৰা তুমি ধৰ্ম আৰু সুকীৰ্তি লাভ কৰিবা আৰু এওঁলোকৰো পৰম কল্যাণ সাধন হ'ব।" ২০৭॥

চৌঃ—এই অত্যন্ত অপ্ৰিয় কথা শুনি ৰজাৰ বুকু কঁপি গ'ল; মুখৰ কান্তি নোহোৱা হৈ পৰিল। (তেওঁ ক'লে—) "হে ব্ৰাহ্মণ! মই বুঢ়া কালত চাৰিটি ল'ৰাৰ মুখ দেখিছোঁ; আপুনি বিবেচনা কৰি কথাষাৰ কোৱা নাই যেন পাইছোঁ। ১॥

"হে মুনি! আপুনি ভূমি, গৰু আৰু ৰাজভঁৰালৰ ধন খোজক; মই আজি

আনন্দেৰে সৈতে যথাসৰ্বস্ব দান কৰিম। দেহ আৰু প্ৰাণতকৈ অধিক প্ৰিয় বস্তু একো নাই। এক মুহূৰ্তৰ ভিতৰতে মই তাকো দি দিম। ২॥

"আটাইকেইটি ল'ৰাই মোৰ প্ৰাণৰ সমান প্ৰিয়। তাৰ ভিতৰতো ৰামক যে মই কোনো প্ৰকাৰে দিব নোৱাৰোঁ—হে প্ৰভু! ক'ত অতি ভয়ংকৰ ক্ৰুৰ ৰাক্ষস আৰু ক'ত মোৰ কোমল বয়সীয়া ল'ৰা।" ৩॥

ৰজাৰ এই মৰমসনা কথাখিনি শুনি জ্ঞানী মুনি বিশ্বমিত্ৰই মনত বৰ আনন্দ পালে। বশিষ্ঠ মুনিয়ে বহুত বুজাই কোৱাত ৰজাৰ সন্দেহ দূৰ হ'ল। ৩॥

ৰজাই বৰ আগ্ৰহেৰে ৰাম-লক্ষ্মণক মাতি আনি বুকুত সাৱটি লৈ অনেক কথা শিকালে। [তাৰ পাছত ক'লে—] "হে নাথ! এই দুই পুত্ৰ মোৰ প্ৰাণস্বৰূপ। তেওঁলোকৰ পিতৃ (পালনকৰ্তা) এতিয়া আপোনাৰ বাহিৰে অন্য কোনো হ'ব নোৱাৰে।" ৪॥

দোঃ—ৰজাই বহুত আশীৰ্বাদ দি দুই পুত্ৰক ঋষিৰ হাতত অৰ্পণ কৰিলে। তেতিয়া ৰাম মাতৃৰ অন্তেষপুৰলৈ গ'ল আৰু তেওঁৰ চৰণত প্ৰণাম জনালে। ২০৮ (ক)॥

সোঃ—পুৰুষসিংহ দুয়ো বীৰ-ভ্ৰাতৃ আনন্দমনেৰে মুনিৰ ভয় দূৰ কৰিবৰ কাৰণে যাবলৈ ধৰিলে। এওঁলোক কৃপাৰ সমুদ্ৰ, ধীৰমতি আৰু অখিল বিশ্বৰ কাৰণৰো কাৰণস্বৰূপ। ২০৮ (খ)॥

চৌঃ—ভগৱান শ্ৰীৰামৰ ৰাতুল নয়ন, বহল বুকু, বিশাল বাহু, নীল পদ্ম আৰু তমাল গছৰ দৰে শ্যাম বৰণীয়া শৰীৰ; তেওঁ কঁকালত পীতবসন পৰিধান কৰিছে, আৰু শৰ পোৱা তুণ বন্ধা আছে, দুহাতত সুন্দৰ ধনুৰ্বাণে শোভা কৰিছে। ১॥

শ্যাম আৰু গৌৰবৰ্ণৰ দুয়ো ভাই দেখিবলৈ অতি সুন্দৰ। বিশ্বমিত্ৰই মহানিধি হাততে পালে। [তেওঁ ভাবিলে—] প্ৰভু ব্ৰাহ্মণৰ প্ৰতি নিষ্ঠাসম্পন্ন; সেয়েহে পিতাককো এৰি (মোৰ লগত) আহিছে। ২॥

বাটত যাওঁতে মুনিয়ে ৰাক্ষসী তাড়কাক দেখুৱালে। শব্দ শুনা মাত্ৰে সেই ৰাক্ষসীয়ে খঙেৰে খেদা মাৰি আহিল। শ্ৰীহৰিয়ে একেপাট শৰেৰেই তাইৰ প্ৰাণ হৰণ কৰিলে আৰু পুতৌৰ পাত্ৰ বুলি জানি তেওঁ তাড়কাক বিষ্ণুপদ দান কৰিলে। ৩॥

তেতিয়া ঋষিয়ে নিজৰ প্ৰভুক চিনি পালে আৰু মনতে বিদ্যাৰ ভঁৰাল বুলি জানিও এনে বিদ্যাদান কৰিলে যাৰদ্বাৰা ভোক-পিয়াহ নোহোৱা হয় আৰু শৰীৰত অতুল তেজ-বল প্ৰকাশ পায়। ৪॥

দোঃ—এইদৰে ঋষিয়ে সকলো অস্ত্ৰ-শস্ত্ৰ সমৰ্পণ কৰি প্ৰভুক নিজৰ আশ্ৰমলৈ আনিলে। শ্ৰীৰামক পৰম হিতসাধক বুলি জানি ভক্তিৰে সৈতে ফল-মূল আদি ভোজন কৰালে। ২০৯॥

চৌঃ—ৰাতিপুৱা ৰঘুনাথে মুনিক ক'লে—"আপুনি নিৰ্ভয় মনেৰে যজ্ঞ কৰকগৈ।" এই কথা শুনি মুনিসকলে হোম কৰিবলৈ ধৰিলে। প্ৰভুৱে নিজে যজ্ঞ ৰক্ষাৰ ভাৰ ল'লে। ১॥

এই বাতৰি পাই মুনিদ্ৰোহী মাৰীচে লগত সৈন্যসামন্তৰে সৈতে খেদি আহিল। শ্ৰীৰামে কোঁচাফাল নথকা বাণ মাৰিয়েই সেই ৰাক্ষসক শত যোজন দূৰৈ পকা সমুদ্ৰৰ পাৰ পোৱালেগৈ। ২॥

তাৰ পাছত সুবাহুক অগ্নিবাণেৰে নিধন কৰিলে। ভায়েক লক্ষ্মণে সৈন্যদল সংহাৰ কৰিলে। এইদৰে শ্ৰীৰামে ৰাক্ষস বধ কৰি মুনিসকলক ভয়মুক্ত কৰিলে। তেতিয়া সমস্ত দেৱতা আৰু মুনিসকলে শ্ৰীৰামক স্তুতি কৰিবলৈ ধৰিলে। ৩॥

ৰঘুনাথে কিছুদিন আশ্ৰমত থাকি বিপ্ৰসকলক দয়া দেখুৱালে। যদিও প্ৰভুৱে সকলো কথা জানেই, তথাপি ভক্তিবশতঃ বিপ্ৰসকলে পুৰাণৰ অনেক কথা কৈ শুনালে। ৪॥

তেতিয়া মুনিয়ে আদৰ-সাদৰ কৰি বুজাই ক'লে—"হে প্ৰভু, এটি বস্তু চাই আহোঁ।" ৰঘুকুলৰ স্বামী শ্ৰীৰামেও মুনিৰপৰা চাব লগীয়া ধনুস্ যজ্ঞৰ কথা শুনি মুনিশ্ৰেষ্ঠ বিশ্বামিত্ৰৰ সৈতে আনন্দমনেৰে যাত্ৰা কৰিলে। ৫॥

তেওঁলোকে বাটতে এখন আশ্ৰম পালে। তাত পশু-পক্ষী, জীৱ-জন্তু একো নাছিল। এডোখৰ শিলা দেখি প্ৰভুৱে মুনিক সুধিলে। মুনিয়ে সকলো কথা বিৱৰি ক'লে। ৬॥

দোঃ—"গৌতম মুনিৰ পত্নী অহল্যাই শাপবশতঃ শিলাৰূপ ধাৰণ কৰি ধৈৰ্যৰে সৈতে তোমাৰ পাদপংকজৰ ৰেণু কামনা কৰি ইয়াত পৰি আছে। হে ৰঘুবীৰ, তুমি তেওঁক কৃপা কৰাঁ। ২১০॥

ছন্দঃ—শ্ৰীৰামৰ পবিত্ৰ আৰু শোকনাশক চৰণৰ স্পৰ্শ পোৱা মাত্ৰেই তপস্যাৰ মূৰ্তিস্বৰূপা অহল্যাৰ আবিৰ্ভাৱ হ'ল। ভক্তৰ সুখদাতা শ্ৰীৰামক দেখি তেওঁৰ সমুখত হাতযোৰ কৰি থিয় হ'ল। অতিশয় প্ৰেমত তেওঁ বিহ্বল হৈ পৰিল, শৰীৰ পুলকিত হ'ল, মুখৰ মাত নোলোৱা হ'ল; মহাভাগ্যৱতী অহল্যাই প্ৰভুৰ চৰণত ধৰি দুপাৰি ভক্তিৰ চকুলো বোৱালে। ১॥

মনত ধৈর্য ধৰি তেওঁ প্ৰভুৰ স্বৰূপ বুজিব পাৰিলে আৰু ৰঘুপতিৰ কৃপাত তেওঁ ভক্তিলাভ কৰিলে। তেতিয়া পৰম পবিত্ৰ বাণীৰে তেওঁ স্তুতি কৰিবলৈ ধৰিলে—"হে জ্ঞানৰ দ্বাৰা গম্য ৰঘুপতি, তোমাৰ জয় হওক। হে প্ৰভু, মই অপবিত্ৰ নাৰী আৰু তুমি জগতপাৱন, ৰাৱণ-নিহন্তা আৰু ভকতৰ সুখ-দাতা প্ৰভু। হে কমল নয়ন, হে সংসাৰৰ জন্ম-মৃত্যুৰ পৰা মুক্তিদাতা, মই তোমাৰ শৰণাৰ্থী হৈছোঁ, মোক ৰক্ষা কৰা। ২ ॥

"মুনিয়ে মোক শাপ দি ভালহে কৰিলে; মই তাকো অতি অনুগ্ৰহ বুলিহে ভাবিছোঁ, কাৰণ সেই শাপৰ কাৰণেহে মই সংসাৰৰ সকলো দুখ দূৰ কৰোঁতা শ্ৰীহৰিক চকুৰে হেঁপাহ পলুৱাই দেখিবলৈ পালোঁ। তোমাৰ এই দৰ্শন ভগৱান শংকৰে অতি লাভকাৰক বুলি ভাবে। হে প্ৰভু! মোৰ বুদ্ধি ভ্ৰান্ত হৈছে; গতিকে মোৰ এটি প্ৰাৰ্থনা আছে। হে নাথ! মই অন্য একো বৰ নোখোজোঁ; কেৱল ইয়াকে বাঞ্ছা কৰিছোঁ যেন মোৰ মনে ভোমোৰাৰ দৰে তোমাৰ চৰণ-কমলৰ ৰেণুৰ ভক্তি-ৰস পান কৰে। ৩ ॥

"যি চৰণ-কমলৰ পৰা পৰম পাৱনী গংগা নদীৰ আবিৰ্ভাৱ হৈছিল আৰু গংগাক শিৱই শিৰত ধাৰণ কৰিছিল, যিচৰণ কমলত ব্ৰহ্মাই পূজা কৰে, কৃপাময় হৰিয়ে সেই চৰণ-কমলকে মোৰ শিৰত থ'লে।" এইদৰে অনেক স্তুতি কৰি বাৰে বাৰে ভগৱানৰ চৰণত পৰি গোতম-পত্নীয়ে মনোবাঞ্ছিত বৰ লাভ কৰিলে আৰু আনন্দমনেৰে তেওঁ স্বামী থকা ঠাইলৈ গমন কৰিলে।

দোঃ—প্ৰভু শ্ৰীৰাম এনেকুৱা দীনবন্ধু যে তেওঁ দীনজনক কাৰণ নোহোৱাকৈয়ে (জীৱক) দয়া কৰে, তুলসীদাসে কৈছে—'হেৰ শঠ (মন)! তই কপট জঞ্জাল এৰি তেওঁক ভজনা কৰ।' ২১১ ॥

ৰাম-লক্ষ্মণে মুনিৰ লগত যাবলৈ ধৰিলে। তেওঁলোকে গৈ জগত-পাৱনী গংগা বৈ যোৱা ঠাই পালেগৈ। গাধিৰ পুত্ৰ বিশ্বামিত্ৰই গংগা পৃথিৱীলৈ কেনেকৈ নামি আহিল সেই সকলো কথা ক'লে। ১ ॥

তেতিয়া প্ৰভুৱে ঋষিসকলৰে সৈতে গংগাত স্নান কৰিলে। ব্ৰাহ্মণসকলে বিধে বিধে দান পালে। তাৰ পাছত আনন্দ মনেৰে মুনিসকলৰ লগত যাবলৈ ধৰিলে আৰু সোনকালেই তেওঁলোকে বিদেহ নগৰৰ ওচৰ পালেগৈ। ২ ॥

লক্ষ্মণৰে সৈতে জনকপুৰৰ শোভা দেখি শ্ৰীৰাম অতি আনন্দিত হ'ল। তাত সৰু-ডাঙৰ অনেক পুখুৰী, কুঁৱা, সৰোবৰ, নদী দেখিবলৈ পালে। সেইবোৰত অমৃত যেন পানী আৰু মণিমুকুতাৰ ঘটথটি আছে। ৩ ॥

মধুৰস পান কৰি মতলীয়া হৈ ভোমোৰাবোৰে মনোমোহা গুণ গুণ শব্দ কৰিছে। ৰং-বিৰঙৰ চৰাইবোৰে মৌ-মিঠা মাত মাতিছে। নানা ৰৰণীয়া পদুম ফুলিছে। সদায় গা জুৰ পেলোৱা শীতল, মৃদু আৰু সুগন্ধি বায়ু ব'ব লাগিছে। ৪ ॥

দোঃ—অনেক পক্ষীয়ে বাস কৰা, ফুলে ফলে কুঁহিপাতেৰে ভৰি থকা ফুলনি, কলৰ বাৰী আৰু বনসমূহে চৌপাশে নগৰৰ শোভা চৰাইছে। ২১২ ॥

চৌঃ—নগৰৰ সৌন্দৰ্য বৰ্ণনা কাৰ শেষ কৰিব নোৱাৰি। যিফালেই চকু দিয়া হয়, সেইফালেই মন মুগ্ধ হয়। ধুনীয়া ধুনীয়া বজাৰ, মণি-মুক্তাৰে সজোৱা ধুনীয়া ধুনীয়া চালি ;—যেন ব্ৰহ্মাইহে নিজহাতেৰে সেইবোৰ নিৰ্মাণ কৰিলে। ॥

কুবেৰৰ সমান ডাঙৰ ডাঙৰ ধনী বেপাৰীয়ে সকলো ধৰণৰ বস্তু আগত লৈ বহি আছে। সুন্দৰ চাৰি আলি আৰু সৰু সৰু আলিবোৰত সুগন্ধি দ্ৰব্য ছটিয়াই থোৱা হৈছে। ২ ॥

সকলোৰে ঘৰবোৰ মঙ্গলময়। সকলো ঘৰ ফুল গুলি কটা, যেন কামদেৱেহে সেইবোৰ চিত্ৰ আঁকি থৈছে। নগৰৰ নৰ-নাৰীসকল সৌভাগ্যশালী, পবিত্ৰ, সৎস্বভাৱৰ, ধৰ্মাত্মা, জ্ঞানী আৰু গুণী। ৩ ॥

য'ত মহাৰাজ জনকৰ অতি অনুপম ৰাজভৱন, তাৰ ঐশ্বৰ্য-বিলাস চাই চাই দেৱতাও যেন ভাগৰি যায়। ৰাজভৱনৰ চাৰিওফালে থকা দেৱালবোৰ দেখিলে মন স্তম্ভিত হয়। এনেকুৱা লাগে যেন সমস্ত পৃথিৱীৰ শোভা তাতে আৱদ্ধ হৈ আছে। ৪ ॥

দোঃ—ধৱল অট্টালিকাবোৰত অনেক প্ৰকাৰৰ সুন্দৰভাৱে লগোৱা মণি-মুক্তাখচিত পৰ্দা আঁৰা আছে। সীতাই বাস কৰা সুন্দৰ ভৱনৰ সৌন্দৰ্য কেনেকৈ বৰ্ণনা কৰিম? ২১৩ ॥

চৌঃ—ৰাজভৱনৰ সকলো দুৱাৰ ধুনীয়া, তাত বজ্ৰৰ নিচিনা টান কপাট লগোৱা। তাত [দৰ্শনাৰ্থী] তলতীয়া ৰজা, নট, চাৰণ আৰু ভাটবিলাকে ভিৰৰ সৃষ্টি কৰিছে। হাতী-ঘোঁৰাবোৰৰ বাবে বিৰাট বিৰাট হাতীশাল, ঘোঁৰাশাল সাজি থোৱা আছে আৰু সেইবোৰত অনবৰতে হাতী-ঘোঁৰা ভৰি থাকে। ১ ॥

তাত বহুত বীৰপুৰুষ, মন্ত্ৰী, সেনাপতি আদি আছে। তেওঁলোক থকা ঘৰবোৰো ৰাজভৱন তুল্য। নগৰৰ বাহিৰত নদী আৰু সৰোবৰৰ ওচৰত য'তে ত'তে বহুত ৰজা নামিছেহি (শিবিৰ পাতিছে)। ২ ॥

তাত এখন অনুপম আমৰ বাৰী দেখিলে। তাত সকলো ধৰণৰ সুবিধা আছে আৰু বাৰীখন সকলো কালৰ পৰাই ধুনীয়া। তেতিয়া বিশ্বামিত্রই ক'লে—"হে জ্ঞানী ৰঘুবীৰ। মোৰ মনে ইয়াতে ৰ'বলৈ কৈছে। ৩॥

কৃপানিধি শ্রীৰামেও 'সেয়ে হওক' বুলি সম্মতি প্রকাশ কৰি মুনিসকলৰে সৈতে তাতে ৰ'ল। মিথিলাৰ ৰজাই মহামুনি বিশ্বামিত্র আহিছে বুলি সংবাদ পালে। ৪॥

দোঃ—তেতিয়া তেওঁ শুদ্ধচেতা মন্ত্রী, অনেক যোদ্ধা, শ্রেষ্ঠ ব্রাহ্মণ, গুৰু শতানন্দ আৰু জ্ঞাতি-কুটুম্ব লৈ আনন্দেৰে সৈতে মুনিশ্রেষ্ঠ বিশ্বামিত্রক আগবঢ়াই আনিবলৈ গ'ল। ২১৪॥

চৌঃ—ৰজাই মুনিৰ চৰণত শিৰ থৈ প্রণাম কৰিলে। মুনিৰাজে আনন্দিত হৈ তেওঁক আশীৰ্বাদ দিলে। তাৰ পাছত ৰজাই সমগ্র ব্রাহ্মণমণ্ডলীক মান-সংকাৰ কৰিলে আৰু নিজৰ মহাভাগ্য বুলি মনত ভাবি লৈ তেওঁ বৰ আনন্দ পালে। ১॥

বাৰে বাৰে কুশল প্রশ্ন কৰি বিশ্বামিত্রই ৰজাক বহুৱালে। সেই সময়তে ফুলনিবাৰী চাবলৈ বুলি যোৱা ৰাম-লক্ষ্মণ দুয়োভাই উপস্থিত হ'লহি। ২॥

সুকুমাৰ কিশোৰ বয়সীয়া, শ্যাম আৰু গৌৰ বৰ্ণৰ ৰাজকুমাৰ দুজনক চালে চকু ৰৈ যায় আৰু মন-প্রাণ হৰি নিয়ে। ৰঘুনাথ অহাৰ সময়ত সকলো উঠি থিয় হ'ল। বিশ্বামিত্রই তেওঁলোকক নিজৰ ওচৰত বহুৱাই ল'লে। ৩॥

ৰাম-লক্ষ্মণ দুয়োকে দেখি উপস্থিত সকলোৱেই আনন্দ পালে। আনন্দাশ্রুৰে তেওঁলোকৰ চকু উপচি পৰিল আৰু শৰীৰ পুলকিত হ'ল। সেই মধুৰ মনোহৰ ৰূপ দেখি বিদেহৰাজ জনকো বিশিষ্ট অৰ্থত বিদেহ (দৈহিক জড়ভাৱমুক্ত চৈতন্য-বোধৰ আনন্দত আত্মহাৰা) হৈ পৰিল। ৪॥

দোঃ— [তাৰ পাছত] ৰজা জনকে তেওঁৰ মন ৰামৰ প্রতি স্নেহত মগ্ন হৈছে বুলি জানি বিবেক-বিচাৰৰ সহায়ত ধৈৰ্য ধৰিলে আৰু মুনিৰ চৰণত প্রণতি জনাই গদ্‌গদ আৰু গহীন মাতেৰে ক'লে—। ২১৫॥

চৌঃ—"হে নাথ! এই সুন্দৰ বালক দুটি মুনিকুলৰ তিলক নে কোনো ৰাজবংশৰ পালক, মোক সেই কথা কওক। অথবা বেদে যাক 'নেতি' বুলি কীৰ্তন কৰে, সেই ব্রহ্মই যুগল ৰূপ ধৰি আহিছে নে কি? ১॥

"স্বভাৱতে বৈৰাগ্য ভাবৰ মোৰ মন [এওঁলোকক দেখি], চন্দ্রক দেখি চাকৈ-চকোৱা মুগ্ধ হোৱাৰ দৰে মুগ্ধ হৈছে। হে প্রভু! মই সেইবাবে সদ্ভাৱেৰে সৈতে সুধিছোঁ। হে নাথ! বুজাই কওক। কথা গোপন নকৰিব। ২॥

"এওঁলোকক দেখিয়েই মোৰ মনে ব্ৰহ্মসুখ ত্যাগ কৰিবলৈ বাধ্য হ'ল।" মুনিয়ে হাঁহি মাৰি ক'লে—"হে মহাৰাজ, আপুনি যথাৰ্থ কথা কৈছে। আপোনাৰ বচন অসত্য হ'ব নোৱাৰে। ৩ ॥

"জগতত যিমানবোৰ প্ৰাণী আছে, সকলোৱে এওঁলোকক ভাল পায়।" মুনিৰ এই কথা শ্ৰীৰামে শুনি মিচিকিয়াই হাঁহিলে। (মুনিয়ে কৈ গ'ল—) "এওঁলোক ৰঘুকুলৰ মণিস্বৰূপ দশৰথৰ পুত্ৰ। মোৰ উপকাৰৰ বাবে ৰজাই মোৰ লগত পঠাইছে। ৪ ॥

দোঃ—"ৰাম আৰু লক্ষ্মণ—এই দুই ভাতৃ ৰূপ, শীল আৰু বল-বীৰ্যৰ ধামস্বৰূপ। এওঁলোকে যুদ্ধত ৰাক্ষসাবলাকক জয় কৰি মোৰ যজ্ঞ ৰক্ষা কৰাৰ কথা সমস্ত জগতে জানে।" ২১৬ ॥

চৌঃ—ৰজাই ক'লে—"হে মুনি, আপোনাৰ চৰণ দৰ্শন কৰিবলৈ পাই, মোৰ যে কি পুণ্যৰ প্ৰভাব, তাক মই কব নোৱাৰা হৈছোঁ। শ্যাম আৰু গৌৰ বৰ্ণৰ এই সুন্দৰ ভ্ৰাতৃযুগলে আনন্দকো আনন্দ দান কৰিব। ১ ॥

"এওঁলোকৰ পাৰস্পৰিক প্ৰীতি অতি পবিত্ৰ আৰু মনোৰম, এই প্ৰীতিয়ে মনত যি আনন্দ দিয়ে, তাৰ বৰ্ণনা দিব নোৱাৰি।" বিদেহ অধিপতিয়ে আনন্দিত হৈ মাত লগালে—"হে নাথ। শুনক, ব্ৰহ্ম আৰু জীৱৰ দৰে এওঁলোকৰ মাজত স্বাভাৱিক প্ৰীতি আছে।" ২ ॥

ৰজাই বাৰে বাৰে প্ৰভুৰ ফালে ৰ লাগি চাবলৈ ধৰিলে। তেওঁৰ শৰীৰ পুলকিত হ'ল, মন উৎসাহেৰে ভৰি পৰিল। (তাৰ পাছত) মুনিক প্ৰশংসা কৰি তেওঁৰ চৰণত মুৰ দোৱাই ৰজাই তেওঁলোকক নগৰলৈ লৈ গ'ল। ৩ ॥

সকলো সময়তে আৰামদায়ক এটা সুন্দৰ অট্টালিকাত ৰজাই নি তেওঁলোকক থাকিবলৈ দিলে। তাৰ পাচত সকলো প্ৰকাৰে পূজা আৰু সেৱা-শুশ্ৰূষা কৰি ৰজাই বিদায় লৈ ঘৰলৈ গ'ল।

দোঃ—ৰঘুকুলৰ শিৰোমণি প্ৰভু শ্ৰীৰামে ঋষিসকলৰ সৈতে ভোজন আৰু বিশ্ৰাম কৰিলে আৰু তাৰ পাছত লক্ষ্মণৰ সৈতে বহিলে। সেই সময়ত দিনৰ এক প্ৰহৰমান সময় বাকী আছিল (আবেলি হৈছিল)। ২১৭ ॥

চৌঃ—লক্ষ্মণৰ মনত এটি বিশেষ হেঁপাহ হৈছে—'জনকৰ নগৰখন চাই লওঁ গৈ।' কিন্তু প্ৰভু শ্ৰীৰামে ভয়ো কৰিছে, মুনিলৈ সংকোচো কৰিছে। মুখেৰে ফুটাই একো নকলে, তেওঁ মনতে হাঁহিছিলেহে। ১ ॥

শ্ৰীৰামে ভায়েকৰ মনৰ কথা বুজিব পাৰিলে আৰু তেওঁৰ মনত ভক্তবৎসলতা

জাগি উঠিল। তেওঁ গুৰুৰ আদেশ বিচাৰি বিনীতভাৱে ভয়ে ভয়ে হাঁহি মাৰি ক'লে—। ২ ॥

"হে নাথ, লক্ষ্মণে নগৰ চাবলৈ মন কৰিছে; কিন্তু প্ৰভুৰ ভয়ত আৰু সংকোচৰ কাৰণে মুখখুলি কোৱা নাই। আপোনাৰ আদেশ পালে মই তেওঁক নগৰ দেখুৱাই সোনকালে ঘূৰি আহিব পাৰোঁ। ৩ ॥

এই কথা শুনি মুনিৰাজ বিশ্বামিত্ৰই মৰমেৰে সৈতে মাত লগালে—"ৰাম, তুমি নীতি ৰক্ষা নকৰিবা কিয়? বৎস, তুমি ধৰ্মৰ মৰ্যাদা পালন কৰোঁতা, আৰু তুমি প্ৰেমৰ বশ হৈ ভক্তজনক সুখদান কৰোঁতা। ৪ ॥

দোঃ—"সুখৰ নিলয় স্বৰূপ দুয়ো ভায়ে নগৰ চাই আহাঁগৈ। তোমালোকৰ শুৱনি মুখ দুখনি দেখুৱাই নগৰবাসীৰো নয়ন সাৰ্থক কৰাঁগৈ।" ২১৮ ॥

চৌঃ—সকলোৰে চকু জুৰ পেলোৱা দুয়োজন ভাই-ককায়ে মুনিৰ চৰণ-কমলত বন্দনা কৰি যাত্ৰা কৰিলে। তেওঁলোকৰ সৌন্দৰ্য দেখি জাকে জাকে ল'ৰাবোৰে লগ ললেহি। তেওঁলোকৰ চকু আৰু মন ৰাম-লক্ষ্মণক দেখি আকৃষ্ট হৈছিল। ১ ॥

ৰাম-লক্ষ্মণৰ শৰীৰত পীত বসন, কঁকালৰ টঙালিত তূণ বান্ধি থোৱা আছে; হাতত ধনু-শৰে শোভা কৰিছে। গাৰ বৰণৰ লগত মিলাকৈ চন্দনৰ তিলক পিন্ধোৱা, শ্যাম আৰু গৌৰ বৰ্ণৰ দুয়োজনৰ ৰূপ মনোমুগ্ধকৰ। ২ ॥

সিংহৰ দৰে (পুষ্ট) তেওঁলোকৰ গলধন, বিশাল বাহু, বুকুত অতি সুন্দৰ গজমুক্তাৰ মালা, ৰক্তোৎপলৰ দৰে চকু, দেখিলেই তিনি তাপ হৰিব পৰা জোন যেন মুখ। ৩ ॥

সোণৰ কাণফুলিয়ে কাণদুখনৰ শোভা আৰু বঢ়াই তুলিছে। চকুত পৰিলেই তাৰ শোভাই মন হৰি নিয়ে। চকুৰ বেঁকা চেলাউৰিৰে সৈতে তেওঁলোকৰ চকুৰ চাৱনিও বৰ সুন্দৰ। সেই চকুৰ ওপৰত জিলিকি থকা ৰেখাই যেন শৰীৰৰ সকলো সৌন্দৰ্য একেলগ কৰি গাঁথি পেলাইছে।

দোঃ—মূৰত সুন্দৰ চাৰিচুকীয়া মুকুট, ক'লা আৰু কেঁকোৰা চুলি। দুয়ো ভাই ভৰিৰ নখৰপৰা শিখালৈকে এনেকুৱা সুন্দৰ যে য'ত যেনেকুৱা সৌন্দৰ্য থাকিব লাগে তাত তেনেদৰেই সকলো আছে। ২১৯ ॥

চৌঃ—দুয়োজন ৰাজকুমাৰ নগৰ চাবলৈ আহিছে বুলি যেতিয়া নগৰবাসী-সকলে শুনিবলৈ পালে, তেতিয়া তেওঁলোকে ঘৰ-দুৱাৰ আৰু কাম-কাজ এৰি এনেদৰে ঢাপলি মেলিলে যেন দুখীয়াই ধনৰ ভঁৰাল লুটি আনিবলৈ গৈছে। ১ ॥

স্বভাৱ সুন্দৰ সেই ভ্ৰাতৃযুগলক চাই পুৰবাসীসকলে নয়ন সাৰ্থক কৰি সুখ অনুভৱ কৰিলে। যুৱতীসকলে ঘৰৰ খিৰিকিয়েদি অনুৰাগেৰে সৈতে শ্ৰীৰামৰ ৰূপ দৰ্শন কৰিলে। ২।

তেওঁলোকে ইজনীয়ে-সিজনীয়ে কথা পাতিছে—"হেৰা সখী! এওঁলোকে কোটি কামদেৱৰ ৰূপ জয় কৰিছে। দেৱতা, মনুষ্য, অসুৰ, নাগ, মুনি—কাৰো মাজতে এনে সৌন্দৰ্য থকাৰ কথা শুনা নাই। ৩॥

"ভগৱান বিষ্ণুৰ চাৰিখন হাত, ব্ৰহ্মাৰো চাৰিখন, ত্ৰিপুৰাৰি শিৱৰ ভয়ানক বেশ আৰু পাঁচখন মুখ। হেৰা সখী আৰু অন্য কোনো দেৱতা নাই যাৰ লগত এই সৌন্দৰ্যৰ তুলনা কৰিব পাৰি। ৪॥

দোঃ—কিশোৰ বয়সৰ শ্যাম আৰু গৌৰবৰ্ণৰ এই দুয়োজন ভাই যেন সৌন্দৰ্য আৰু সুখৰ আধাৰ স্থল। এওঁলোকৰ প্ৰতিটো অংগৰ কাৰণে কোটি কোটি কামদেৱকো উৎসৰ্গা কৰিব (নেওচা দিব) পাৰি। ২২০॥

চৌঃ—"হেৰা সখী! কোৱাচোন, এনেকুৱা কোন শৰীৰধাৰী জীৱ আছে, যি এইৰূপ দেখি মুগ্ধ নহ'ব?" এগৰাকী অন্য সখীয়েকে মৰমসনা কোমল মাতেৰে ক'লে—"হেৰা সখী! মই কি শুনিবলৈ পাইছোঁ কওঁ শুনা— ১।

"এওঁলোক দুয়ো দশৰথৰ পুত্ৰ, এওঁলোক এনেকুৱা যেন সুন্দৰ বালৰাজহংসহে। এওঁলোকে কৌশিক মুনিৰ যজ্ঞ ৰক্ষা কৰিলে আৰু ৰণ প্ৰাঙ্গণত ৰাক্ষস নিধন কৰিলে। ২॥

"শ্যামল শৰীৰ, সুন্দৰ কমল সদৃশ নয়নেৰে সৈতে হাতত ধনুবাণ লৈ সেইজন কৌশল্যাৰ পুত্ৰ ৰাম; তেওঁ মাৰীচ-সুবাহুৰ দৰ্পহাৰী আৰু সুখৰ আকৰ। ৩॥

"গৌৰ বৰ্ণৰ শৰীৰেৰে যিজন কিশোৰে সুন্দৰ সাজ-পাৰ কৰি হাতত ধনুবাণ লৈ শ্ৰীৰামৰ পিছে পিছে গৈছে, তেওঁ লক্ষ্মণ নামেৰে শ্ৰীৰামৰ ভায়েক। শুনা সখী, তেওঁৰ মাকৰ নাম সুমিত্ৰা। ৪॥

দোঃ—"দুয়ো ভায়ে ব্ৰাহ্মণৰ কাৰ্যসিদ্ধি কৰি, বাটত গৌতম-পত্নীক উদ্ধাৰ কৰি ধনু-যজ্ঞ চাবলৈ আহিছে।" এই কথা শুনি সকলো নাৰী আনন্দিত হ'ল। ২২১॥

চৌঃ- শ্ৰীৰামৰ মোহন মূৰ্তি দেখি এগৰাকীয়ে ক'বলৈ ধৰিলে—"এওঁ জানকীৰ যোগ্য বৰ হ'ব। হেৰা সখী, ৰজাই এওঁক দেখা পালে প্ৰতিজ্ঞা ত্যাগ কৰিও জানকীক এওঁলৈকে বিয়া দিব।" ১॥

কোনোবাই মাত লগালে—"ৰজাই এওঁলোকক চিনি পালে আৰু মুনিৰে

লৈছে আদৰ-সৎকাৰ কৰিলে। কিন্তু যেন্ত্ৰা দশাই কাৰ্য্যই নিজৰ পদ বেচে। দৈৱৰ বশীভূত হৈ ব্ৰহ্মাই আকোঁৰগোজালি কৰি অবিবেচনাৰে আমাক লৈছে।" ২ ॥

অন্ত এগৰাকীয়ে ক'লে—"বিধাতাই উচিত কাম কৰে বুলি সকলোৱে কয়। যদি বিধাতা ভাল হয় তেনেহ'লে জানকীয়ে এওঁকেই যে বৰ পাব তাত সন্দেহ নাই। ৩ ॥

"যদি ভাগ্য-বশত এই বিয়া হয় তেনেহ'লে আমি সকলো কৃতাৰ্থ হ'ম। সখী, মই এই বিষয়ত বেছি চিন্তাৰিত এই কাৰণেই হৈছোঁ যে এই সম্পৰ্ক ঘটিলে তেওঁ (শ্ৰীৰাম) কেতিয়াবা ইয়ালৈ আহিব। ৪ ॥

দোঃ—"[এই বিবাহ] নহ'লে মানে, শুনা সখী, আমি আৰু এওঁলোকক দেখিবলৈ নাপাওঁ। আমাৰ যদি পূৰ্বজন্মৰ পুণ্য আছে তেন্তে এই বিবাহ হ'ব।" ২২২ ॥

চৌঃ—অন্ত এগৰাকীয়ে ক'লে—"সখী, তুমি সঁচা কথা কৈছা। এই বিয়া সকলোৰে বাবে হিত সাধক।" কোনোবাই মাত লগালে—"শংকৰৰ কঠিন ধনু আৰু এই শ্যাম বৰণীয়া কোমল কিশোৰ। হেৰা চতুৰা! ই সব খাপ নোখোৱা কথা।" তাকে শুনি অন্ত এগৰাকীয়ে কোমল মাতেৰে ক'লে—"হেৰা সখী। এওঁৰ বিষয়ে কোনো কোনোৱে এই বুলি কয় যে এওঁ দেখাতহে সৰু, প্ৰভাৱ হ'লে অলপ নহয়। ১২ ॥

"ঘোৰ পাপ আচৰণ কৰা অহল্যায়ো যাৰ চৰণকমলৰ ধূলিৰ স্পৰ্শতে মুক্তি পালে, সেই শ্ৰীৰামে কি শিৱধনু নভঙাকৈ এৰিব? ভুলতো এই কথা নাভাবিবা। ৩ ॥

"যি ব্ৰহ্মাই ধুনীয়াকৈ সীতাক স্ৰজিলে, তেওঁ ভাবি-চিন্তি সীতাৰ কাৰণে শ্যামবৰণীয়া দৰাও সৃষ্টি কৰি থৈছে।" এওঁৰ কথা শুনি সকলো আনন্দিত হ'ল আৰু কোমল মাতেৰে ক'লে—"সেয়ে হয় যেন।" ৪ ॥

দোঃ—সুমুখী আৰু সুলোচনী নাৰীসমূহে মনৰ আনন্দত পুষ্প-বৃষ্টি কৰিবলৈ ধৰিলে। সেই দুই ভাই য'লৈকে গ'ল, ত'তে পৰম আনন্দৰ সঞ্চাৰ হ'ল। ২২৩ ॥

চৌঃ—দুয়ো ভাই নগৰৰ পূবকালে গ'ল। তাতে ধনু-যজ্ঞৰ বাবে ৰংগভূমি নিৰ্মাণ কৰোৱা হৈছিল। আহল-বহল ধুনীয়া পকা চোতাল, তাৰ ওপৰত আকৌ নিৰ্মল বেদী সজোৱা হৈছে। ১ ॥

চাৰিওফালে সোণৰ দিঙাট মঞ্চ নিৰ্মাণ কৰা আছে; তাতে ৰজাসকল

থাকিব। তাৰ পিছফালে চাৰিওফালে ওচৰে ওচৰে আৰু এক মণ্ডলাকাৰ মঞ্চ সজ্জা কৰি আছে। ২ ॥

সেই মঞ্চখন কিছু ওখ, তাতে নগৰবাসীসকল বহিব। তাৰ কাষতে বহুতলী, বিশাল আৰু ধৱল অট্টালিকাসমূহ। তাত মহিলাসকলে নিজৰ কুল অনুসৰি যথাযোগ্যভাৱে বহি (ধনুৰ্ভংগ) দৰ্শন কৰিব। নগৰৰ শিশুবোৰে মিঠা মিঠা কথা কৈ আদৰ-সাদৰ কৰি প্ৰভু শ্ৰীৰামক যজ্ঞশালাৰ নিৰ্মাণ-কৌশল দেখুৱাইছে। ৩৪ ॥

দোঃ—সকলো শিশুৱে এই ছলতে মৰমতে শ্ৰীৰামৰ শৰীৰ স্পৰ্শ কৰি পুলকিত হৈছে। দুয়ো ভাইক দেখি তেওঁলোকে মনত বৰ আনন্দ পাইছে। ২২৪ ॥

চৌঃ—শ্ৰীৰামে ল'ৰাবিলাকৰ মৰম বুজিব পাৰি যজ্ঞভূমিৰ ঠাইখন শলাগিবলৈ ধৰিলে। আটাইবোৰ ল'ৰাই নিজৰ ৰুচি অনুসাৰে ৰাম-লক্ষ্মণক ওচৰলৈ মাতিবলৈ ধৰিলে আৰু তেওঁলোকেও আনন্দেৰে লগৰীয়াবোৰৰ কাষ চাপিল। ১ ॥

মিহি, মিঠা আৰু মৰম লগা কথাৰে ৰামেও ভায়েকক যজ্ঞশালাৰ নিৰ্মাণ-কৌশল দেখুৱাবলৈ ধৰিলে। যাৰ আদেশত মায়াই এক নিমিষতে ব্ৰহ্মাণ্ড-সমূহ নিৰ্মাণ কৰে, সেই দীনদয়াল শ্ৰীৰামে ভক্তিৰ বশ হৈ আচৰিত হোৱাৰ দৰে ধনুৰ্যজ্ঞৰ বাবে নিৰ্মিত শালাখন চাবলৈ লাগিছে। এইদৰে সকলো কৌতুক চাই তেওঁলোক গুৰুৰ ওচৰলৈ উভটিল। পলম হোৱাৰ বাবে তেওঁলোকৰ মনে মনে ভয়ো লাগিছিল। ২।৩ ॥

যাৰ ওচৰত স্বয়ং ভয়বো ভয় লাগে, সেই প্ৰভুৱে ভক্তিৰ প্ৰভাৱ দেখুৱাইছে। তেওঁলোকে কোমল, মিঠা আৰু মনোমোহা কথাৰে ল'ৰাবিলাকক অনিচ্ছাৰে সৈতে বিদায় দিলে। ৪ ॥

দোঃ—তাৰ পাছত দুয়ো ভায়ে ভয়, ভক্তি, বিনয় আৰু সংকোচেৰে সৈতে গৈ গুৰুৰ পাদপংকজত প্ৰণাম জনাই, তেওঁৰ আদেশমতে আসন গ্ৰহণ কৰিলে। ২২৫ ॥

ৰাতি হ'বলৈ ধৰোঁতেই মুনিয়ে আজ্ঞা দিয়াত সকলোৱে সন্ধ্যা-বন্দনা কৰিলে। তাৰ পাছত ইতিহাস আৰু পুৰাণৰ কথা কওঁতে কওঁতে ধুনীয়া ৰাতিটোৰ দুপৰ পাৰ হৈ গ'ল। ১ ॥

মুনিবৰে তেতিয়া শয়ন কৰিলেহি। দুয়ো ককাই-ভায়ে তেওঁৰ ভৰি পিটিকিবলৈ ধৰিলে। যাৰ চৰণ-কমলৰ কাৰণে বৈৰাগ্যবান লোকেও বিধে বিধে জপ আৰু যোগ কৰে—২ ॥

সেই প্ৰভু বুলিলে যেন অভিন্ন অনেক পদাত ঠৈ শ্ৰীগিৰিজাপতে তেওঁৰ চৰণ-কমল পিটিকি দিছে। মুনিয়ে বাৰে বাৰে আজ্ঞা দিয়াতহে ৰাম শুবলৈ গ'ল। ৩॥

শ্ৰীৰামৰ চৰণ দুটুত সাবটি ধৰি, ভয় আৰু ভক্তিৰে পৰম সুখ লাভ কৰি লক্ষ্মণে তৰি পিটিকি থাকিল। প্ৰভুৱে বাৰে বাৰে "ভাই, তুমি শুই থাকাচোন" বুলি কোৱাতহে লক্ষ্মণে শ্ৰীৰামৰ চৰণ-কমল দুটুত সাবটি শুই পৰিল। ৪।

দোঃ—ৰাতি পুৱাওত লক্ষ্মণে কুকুৰাৰ ডাক শুনি সাৰ পালে। জগতৰ স্বামী জ্ঞানী শ্ৰীৰামো গুৰুতকৈ আগতে উঠিল। ২২৬॥

চৌঃ—তাৰ পাছত শৌচাচাৰ আৰু স্নান কৰি নিত্য কৰ্ম সমাপন কৰি পাছত গুৰুক প্ৰণাম কৰিলে। পূজাৰ সময় বুলি জানি গুৰুৰ আজ্ঞা লৈ দুয়ো ভাই ফুল আনিবলৈ গ'ল। ১॥

তেওঁলোকে ৰজাৰ সুন্দৰ উদ্যানখন দেখিবলৈ পালে। তাত সদায় বসন্ত ঋতুৱে বিৰাজ কৰিছে। অনেক মনোহৰ বৃক্ষৰে সেই উদ্যান ভৰি আছে আৰু নানা ৰঙৰ ধুনীয়া ধুনীয়া লতাবোৰে মণ্ডপ সজাই থৈছে। ২॥

নতুন কুঁহিপাত আৰু ধুনীয়া ধুনীয়া ফুলেৰে ভৰি থকা গছবোৰৰ সমৃদ্ধিয়ে কল্পবৃক্ষকো লজ্জিত কৰিছে। পানীপিয়া, কুলি, ভাটৌ, চাকৈ-চকোৱা আদি চৰায়ে মিঠা মিঠা গীত জুৰিছে আৰু ম'ৰাবোৰে ধুনীয়াকৈ নাচিছে। ৩॥

উদ্যানৰ মাজ ভাগত এখন ধুনীয়া সৰোবৰে শোভা কৰিছে। তাত বিচিত্ৰ মণিৰে ঘাটবোৰ নিৰ্মাণ কৰি থোৱা আছে। নিৰ্মল পানীৰ দুকূলত অনেক বৰণৰ পদুম ফুলি আছে। জলচৰ পক্ষীয়ে কূজন কৰিছে। ভোমোৰাই গুণ্ গুণ্ কৰি গীত গাইছে। ৪॥

দোঃ—সেই উদ্যান আৰু সৰোবৰ দেখি প্ৰভু শ্ৰীৰাম ভায়েকৰে সৈতে আনন্দিত হ'ল। [জগতৰ আনন্দ দাতা] শ্ৰীৰামকো আনন্দ দান-কৰা এই উদ্যান সঁচাকৈ পৰম ৰমণীয়। ২২৭॥

চৌঃ—চাৰিওকালে চকু ফুৰাই শ্ৰীৰামে মালীসকলক সুধি-পুছি ফুল পাত তুলিবলৈ লওঁতেই তাত গৈ সীতা উপস্থিত হ'ল। তেওঁক মাকে জানো পাৰ্বতীক পূজা কৰিবৰ কাৰণে পঠাইছিল। ১

লগত সুন্দৰী আৰু যুৱতী সখীয়েকসকলে মনোমোহা মাতেৰে গীত গাই গৈছিল। পুখুৰীৰ পাৰতে অত্যন্ত সুন্দৰ পাৰ্বতীৰ মন্দিৰ। সেই মনোমোহা মন্দিৰৰ বৰ্ণনা দিয়াটো সহজ নহয়। ২॥

সখীয়েকসকলক লগত লৈ সৰোবৰত স্নান কৰি সীতা আনন্দ মনেৰে পাৰ্বতীৰ মন্দিৰলৈ গ'ল। অতি অনুৰাগেৰে সৈতে তেওঁ গৌৰীপূজা কৰি নিজৰ অনুৰূপ বৰ (দৰা) ভিক্ষা কৰিলে। ৩॥

এগৰাকী সখীয়েকে সীতাৰ সঙ্গ এৰি উদ্যান চাবলৈ গৈ শ্ৰীৰাম আৰু লক্ষ্মণক দেখিলে। তেওঁ প্ৰেম-বিহ্বল হৈ সীতাৰ ওচৰ পালেহি।

দোঃ—সখীয়েকসকলে তেওঁৰ আনন্দ-বিহ্বল অৱস্থা দেখিলে; তেওঁৰ শৰীৰ পুলকিত হৈছে আৰু চকুৰপৰা পানী বাগৰিছে। সকলোৱে কোমল মাতেৰে সুধিলে—"তোমাৰ ইমান আনন্দৰ কাৰণ কি? কোৱাচোন।"। ২২৮॥

চৌঃ—[উত্তৰত তেওঁ ক'লে-] "দুজন ৰাজকুমাৰ ফুলনি চাবলৈ আহিছে। তেওঁলোক বয়সত কোমল আৰু সকলো প্ৰকাৰে সুন্দৰ। শ্যাম আৰু গৌৰ বৰণৰ সেই ৰাজকুমাৰ দুজনৰ বৰ্ণনা মই ভাষাৰে কেনেকৈ দিওঁ? কাৰণ ভাষা কোৱা জিভাৰ চকু নাই [জিভাই নিজে নেদেখে বাবে সৌন্দৰ্যৰ উপলব্ধি কৰিব নোৱাৰে] আৰু দেখি অহা চকুৰ জিভা নাই।" [সৌন্দৰ্য দেখি অহা চকুৱে নিজে বৰ্ণনা দিব নোৱাৰে কাৰণে দেখি অহা সেই সৌন্দৰ্য বৰ্ণনাৰ অতীত] ১॥

এই কথা শুনি বুদ্ধিমতী সখীসকল আনন্দিত হ'ল। সীতাৰ মনত উৎকণ্ঠা জাগিছে বুলি জানি এগৰাকী সখীয়েকে ক'লে—"কালি বিশ্বামিত্ৰৰ লগত আহিছে বুলি শুনা ৰাজকুমাৰ দুজন এওঁলোকেই।" ২॥

যি দুজন ৰাজপুত্ৰই তেওঁলোকৰ মোহিনী ৰূপেৰে নগৰৰ সকলো নৰ-নাৰীকে নিজৰ বশ কৰিলে, য'তে ত'তে সকলো মানুহে তেওঁলোক দুজনৰে ৰূপ বৰ্ণনা কৰিছে; দৰ্শনৰ যোগ্য তেওঁলোকক গৈ নিতান্তই চাব লাগিব। ৩॥

তেওঁৰ কথা শুনি সীতাই মনে মনে বৰ ভাল পালে। লগতে ৰামক চাবৰ বাবে মনটো উৎকণ্ঠিত হৈ পৰিল। মৰমৰ সখীয়েকহঁতৰ লগত তেওঁ নিজৰ ঘৰলৈ এই উৎকণ্ঠা লৈ উভতি গ'ল; কিন্তু ৰামৰ প্ৰতি সীতাৰ মনত ঠাই লোৱা এই প্ৰীতি ভাবটোৰ কথা সখীয়েকহঁতৰ কোনেও লক্ষ্য কৰা নাছিল। ৪॥

দোঃ—নাৰদৰ কথা সুঁৱৰি সীতাৰ মনত পবিত্ৰ প্ৰেমৰ উদয় হ'ল। তেওঁ চাৰিওফালে মৃগ-শিশুৰ দৰে চকিতভাৱে চাবলৈ ধৰিলে। ২২৯॥

চৌঃ—(হাতৰ) খাৰু, (কঁকালৰ) কিংকিণী আৰু (ভৰিৰ) নূপুৰৰ ধ্বনি শুনি ৰামে মনতে ভাবি-চিন্তি চাই লক্ষ্মণক ক'লে—"যেন কামদেৱে যেন বিশ্ববিজয় কৰিবলৈ বুলি ডংকা মাৰি ৰণ-দুন্দুভিহে বজাইছে।" ১॥

এই বুলি টক শ্ৰীৰামে সীতাৰ ফালে চালে। চকোৰ পখীয়ে জিভালেৰে চন্দ্ৰলৈ চোৱাৰ দৰে সীতাৰ মুখ-চন্দ্ৰলৈ চাই ৰামৰ চকু দুটি স্থিৰ হৈ হৈ গ'ল। যেন জনক ৰজাৰ পূৰ্বপুৰুষ নিমিয়ে [নিমিৰ ৰাণিনী-স্বামীৰ আৰু শাস্তি-তোৰাইৰ প্ৰেমানুৰাগৰ দৃশ্য চাবলৈ] ৰাম পাই নিজে সীতাৰ নিজে ৮। অৰ্থাৎ নিমেষ মোহোৰাকৈ (চকু নপচৰাকৈ) ৰামে সীতাক স্থিৰ নেত্ৰে চালে। (পৌৰাণিক কাহিনী মতে নিমি ৰজাৰ থানহান চকুৰ পাত) ২ ॥

সীতাৰ সৌন্দৰ্য দেখি শ্ৰীৰাম আনন্দিত হ'ল। অন্তৰে তেওঁ (সেই ৰূপৰ) প্ৰশংসা কৰিলে; কিন্তু মুখৰ শব্দ ওলোৱা নাই। এনে লাগিল যেন ব্ৰহ্মাই সীতাৰ যোগেদিয়ে নিজৰ সমস্ত নিৰ্মাণ-কৌশল বিশ্বৰ আগত দাঙি ধৰিছে। ৩ ॥

সীতাৰ যি সৌন্দৰ্য সি যেন স্বয়ং সৌন্দৰ্যকো সুন্দৰ কৰি তুলিছে। এই সৌন্দৰ্যটো সৌন্দৰ্যৰ ঘৰত জ্বলোৱা চাকি এগছিৰ দৰে (আন্ধাৰত সৌন্দৰ্য থাকিলেও প্ৰকাশ নাপায়; চাকিৰ পোহৰতহে সৌন্দৰ্যও আত্মপ্ৰকাশ কৰিব পাৰে। সীতাৰ সৌন্দৰ্যক এই অৰ্থত চাকিৰ লগত তুলনা কৰা হৈছে)। বিদেহ-নন্দিনীৰ সৌন্দৰ্যৰ তুলনানো কাৰ লগত কৰিব পাৰি? সকলো উপমা প্ৰাচীন কবিসকলে ব্যৱহাৰ কৰি অহা কাৰণে এই সৌন্দৰ্যৰ বাবে এনেবোৰ বস্তুৰ দৰে অনুপযুক্ত হৈ পৰিল। ৪ ॥

দোঃ—এইদৰে শ্ৰীৰামে সীতাৰ সৌন্দৰ্য দেখি আৰু নিজৰ (মানসিক) অৱস্থাৰ বিচাৰ কৰি সময় বুজি পবিত্ৰ মনেৰে লক্ষ্মণক ক'লে—২৩০ ॥

চৌঃ—"ভাই, এৱেঁই সেই জনক কন্যা, যাৰ বাবে ধনুৰ্যজ্ঞৰ আয়োজন কৰা হৈছে। গৌৰীপূজাৰ উদ্দেশ্যে সখীয়েকসকলে তেওঁক লৈ আহিছে। তেওঁ ফুলনিত ঘূৰি তাৰ দেউতি চৰাইছে। ১ ॥

"এওঁৰ অলৌকিক সৌন্দৰ্য দেখি স্বাভাৱিকতে পবিত্ৰ মোৰ মন চঞ্চল হৈ পৰিছে। ইয়াৰ কাৰণ কি বিধাতাইহে জানে। শুনা ভাই, মোৰ সোঁ অংগ লৰি মংগলৰ সূচনা কৰিছে।" ২ ॥

ৰঘুবংশৰ কোনেও কেতিয়াও কু-পথত ভৰি নিদিয়ে—এয়া তেওঁলোকৰ সহজাত ধৰ্ম। মোৰ এইটো দৃঢ় বিশ্বাস যে তেওঁলোকে সপোনতো পৰনাৰীৰ প্ৰতি কুদৃষ্টি নিদিয়ে। ৩ ॥

যুদ্ধত শত্ৰুৱে যাৰ পিঠি দেখা নাই, পৰনাৰীয়ে যাৰ মন আৰু দৃষ্টি আকৰ্ষণ কৰিব নোৱাৰে, ভিক্ষাৰীয়ে যাৰ ওচৰত "নাই" শুনা কথাষাৰ শুনিবলৈ নাপায়, এনেকুৱা শ্ৰেষ্ঠ পুৰুষ জগতত অতি কম আছে। ৪ ॥

দোঃ—ৰামে ভায়েকৰ লৈতে কথা পাতি আছিল যদিও তেওঁৰ মন সীতাৰ ৰূপৰ প্ৰতি আকৃষ্ট হোৱাৰ বাবে সীতাৰ মুখকমলৰ শোভা-মকৰন্দ ভোমোৰাৰ দৰে পান কৰাত লাগিছিল। ২৩১ ॥

চৌঃ—সীতাই চকিত দৃষ্টিৰে চাৰিওফালে চাবলৈ ধৰিলে। তেওঁৰ মনত চিন্তা হ'ল ৰাজকুমাৰ ক'লৈ গ'ল। মৃগনয়না সীতাই যি ফালেই চালে সেই ফালেই যেন শাৰী শাৰী বগা পদুমহে ছটিওৱা হ'ল। ১ ॥

তেতিয়া সখীয়েকসকলে লতাৰ আঁৰত লুকাই থকা শ্যাম আৰু গৌৰ বৰ্ণৰ ৰাজকুমাৰ দুজনক দেখুৱাই দিয়াত তেওঁলোকৰ ৰূপ দেখি সীতাৰ নয়ন তৃপ্ত হ'ল। নিজৰ সঞ্চিত ধন পোৱাৰ দৰে তেওঁ আনন্দিত হ'ল। ২ ॥

ৰঘুপতিৰ শোভা দেখি সীতাৰ চকুৰ পঁচাৰো নোহোৱা হ'ল। অতিশয় প্ৰেমবশতঃ তেওঁৰ শৰীৰ বিহ্বল হৈ পৰিল; যেন শাৰদীয় চন্দ্ৰকহে চাকৈ-চকোৱাই চাব লাগিছে। ৩ ॥

সীতাই চকুৰ বাটেদি ৰামক হৃদয়লৈ লৈ গ'ল (চকুৰে দেখিয়েই অন্তৰত ঠাই দিলে)। তাৰ পাছত বুদ্ধিমতী সীতাই দুয়োটা চকুত থকা পলকৰ কপাট বন্ধ কৰি দিলে (চকুমুদি ৰামৰ কথা মনতে ভাবিবলৈ ধৰিলে। অৰ্থাৎ, প্ৰিয়জনক মাতি আনি আসনত বহুৱাই লৈ দুৱাৰ বন্ধ কৰি দিয়াৰ দৰে সীতাই ৰামক চকুৰে দেখি হৃদয়লৈ আহ্বান কৰি চকু মুদি ভাবিবলৈ ধৰিলে। কিয়নো চকুৰ পৰা আঁতৰ হ'লেও মনৰ পৰা আঁতৰ হ'ব নোৱাৰে)। সীতা এইদৰে ৰামৰ প্ৰতি অনুৰক্তা হৈছে বুলি যেতিয়া সখীয়েকহঁতে জানিলে তেতিয়াও তেওঁলোকে লাজ কৰি একো নকৈ মনে মনে থাকিল। ৪ ॥

দোঃ—এনে সময়তে ৰাম-লক্ষ্মণ দুয়ো লতাকুঞ্জৰ পৰা বাহিৰলৈ ওলাল; যেন দুটা নিৰ্মল চন্দ্ৰহে ডাৱৰৰ ঢাকনি ফালি ওলাই আহিল। ২৩২ ॥

চৌঃ—দুয়োজন ভাই-ককাই যেন সৌন্দৰ্যৰ অন্তিম সীমাহে; তেওঁলোকৰ শৰীৰৰ বৰণ নীলা আৰু হালধীয়া পদুমৰ নিচিনা; মূৰত ওলাই আছে দুনীয়া ম'ৰ'ৰ পাখি; তাৰ মাজে মাজে ফুলৰ থোপা গুজি লৈছে। ১ ॥

তিলক আৰু ঘৰ্মবিন্দুৱে কপাল শুৱাই আছে। কাণত দুটা ফুলৰ আভূষণৰ শোভা বৃদ্ধি পাইছে। চেলাউৰি বেঁকা আৰু চুলিবোৰ পাক খোৱা। চকু দুটি নতুন কমলপদুমৰ দৰে কিঞ্চিৎ ৰঙচুৱা। ২ ॥

থুঁতৰি, নাক আৰু গাল দেখিবলৈ বৰ ধুনীয়া। বিলাসপূৰ্ণ একোটি হাঁহিৰ শোভাই যেন মনটো কিনি লব পাৰে। বিধুৰ মুখৰ মুখলৈ চাই

মহাদেৱ কামদেৱেও লাজ পায়, সেইজন যুৱৰ সৌন্দৰ্য্য বিষয়ে মই কি ক'ম ? ৩ ॥

বুকুত মণিমালা, কণ্ঠ শংখৰ দৰে সুন্দৰ। কামদেৱৰ হাতী পোৱালিৰ শুঁড়ৰ দৰে তেওঁলোকৰ বাহুকেইটি বল-বীৰ্য্যৰ সীমাস্বৰূপ। হেৰা, সখী ! বাওঁহাতত ফুলৰ কৰণি লৈ থকা তাম বৰণীয়া ৰাজকুমাৰজন হেনো লাৱণ্যময় ! ৪ ॥

দোঃ—সিংহৰ নিচিনা (সৰু, আঁটিল) কঁকালটিত পীতাম্বৰ ধাৰণ কৰা, শীল আৰু সৌন্দৰ্য্যৰ নিধিস্বৰূপ, সূৰ্য্যবংশৰ ভূষণ শ্ৰীৰামক দেখি সখীসকলে আত্মপাহৰা হ'ল। ২৩৩ ॥

চৌঃ—এজনী চতুৰা সখীয়েকে সীতাৰ হাতখনত ধৰি লৈ মনটো চাই এই বুলি ক'লে—"তুমি চকু মুদি পাৰ্ব্বতী গোসাঁনীৰ ধ্যান পাছতো কৰিবা। এতিয়া ৰাজকুমাৰক চাই লোলোৱা কেলেই ?" ১ ॥

সীতাই তেতিয়া চকিত ভাবেৰে চকু মেলি দিলে আৰু ৰঘুশ্ৰেষ্ঠ দুজনক সম্মুখত দেখিবলৈ পালে। একালে শ্ৰীৰামৰ তবিৰ পৰা মূৰলৈকে নিখুঁত সৌন্দৰ্য্য দেখি আৰু আনহাতে পিতাকৰ প্ৰতিজ্ঞাৰ কথা সুঁৱৰি সীতাৰ মনটোত উথল-পুথল লাগিবলৈ ধৰিলে। ২ ॥

যেতিয়া সখীয়েকহঁতে সীতাক প্ৰেম-বিহ্বলা হোৱা দেখিলে, তেওঁলোকে ভয়ে ভয়ে ক'বলৈ ধৰিলে—"এতিয়া বহুত পলম হ'ল। কালিলৈ এই সময়তে আকৌ আহিম।" এইদৰে কৈ এজনী সখীয়ে মনে মনে হাঁহিলে। ৩ ॥

সখীয়েকৰ এই অৰ্থব্যঞ্জক বচন শুনি সীতা চক্ খাই উঠিল। পলম হৈছে বুলি জানি তেওঁৰ মাকলৈ [খং কৰিব বুলি] ভয় লাগিল। তাৰ পাছত অতি ধৈৰ্য্যেৰে সৈতে শ্ৰীৰামক হৃদয়ত ৰাখি, নিজে যে পিতাকৰ অধীন সেইকথা ভাবি পৰমুখী হ'ল। ৪ ॥

দোঃ—চৰাই, পছু আৰু গছ-লতা চোৱাৰ ছলেৰে সীতাই ঘনে ঘনে ঘূৰি চাবলৈ ধৰিলে। শ্ৰীৰামৰ ৰূপ-লাৱণ্য চাই চাই তেওঁৰ মনত কম অনুৰাগ বঢ়া নাছিল। ২৩৪ ॥

চৌঃ—হৰধনু-ভংগ কৰাটো অতি কঠিন কাম বুলি জানি সীতাৰ মনত ভয় লাগিল ; তথাপি অন্তৰত শ্ৰীৰামৰ শ্যাম-মূৰ্ত্তি ধ্যান কৰি কৰি তেওঁ ঘৰলৈ গ'ল। প্ৰভু শ্ৰীৰামে যেতিয়া সুখ, স্নেহ আৰু সৌন্দৰ্য্য আৰু গুণৰ খনি সীতাক গুচি যোৱা দেখিলে, তেতিয়া পৰম প্ৰেমময় মধুৰ ৰাগেৰে (মনেৰে) নিজৰ

অন্তৰ প্ৰেম কৌতূহলিত ৰং-বিৰঙৰ ছবি আঁকি ল'লে। সীতাই আকৌ ভৱানীৰ মন্দিৰলৈ গৈ দেৱীৰ চৰণ বন্দনা কৰি হাত যোৰ কৰি ক'বলৈ ধৰিলে—১।২ ॥

"হে পৰ্বতৰাজ হিমালয়ৰ ৰাজকুমাৰী, তোমাৰ জয় হওক। হে মহাদেৱৰ মুখচন্দ্ৰৰ চকোৰী, তোমাৰ জয় হওক। হে গণপতি আৰু কাৰ্তিক-জননী, তোমাৰ জয় হওক। হে জগৎ জননী বিদ্যুৎ কান্তি, তোমাৰ জয় হওক। ৩ ॥

"তোমাৰ আদি নাই, মধ্য নাই আৰু অন্তও নাই। তোমাৰ অসীম প্ৰভাৱৰ কথা বেদেও নাজানে। তুমি এই সংসাৰৰ সৃষ্টি, স্থিতি আৰু প্ৰলয়কাৰিণী; তুমি বিশ্ববিমোহিনী আৰু স্বতন্ত্ৰ-বিহাৰিণী। ৪ ॥

দোঃ—"হে মাতৃ! পতিক ইষ্টদেৱ-ৰূপে ভজা সতী নাৰীসকলৰ ভিতৰত তুমি অগ্ৰগণ্য। তোমাৰ অপাৰ মহিমাৰ কথা সহস্ৰ সহস্ৰ সৰস্বতী আৰু অনন্ত নাগেও কৈ অন্ত কৰিব নোৱাৰে। ২৩৫ ॥

চৌঃ—"হে বৰদায়িনী! হে ত্ৰিপুৰাৰিৰ প্ৰিয়তমা! তোমাক পূজিলেই চাৰিওবিধ ফল সুলভ হৈ পৰে। হে দেৱী! তোমাৰ চৰণ-কমলত পূজা কৰিলেই দেৱতা, মনুষ্য, মুনি—এই সকলোৱেই সুখ লাভ কৰে। ১ ॥

"মোৰ অভিলাষৰ কথা তুমি ভালকৈ জানা; কাৰণ তুমি সদায় সকলোৰে হৃদয়-নগৰীত বাস কৰা। সেইকাৰণেই মই মোৰ অভিলাষ তোমাক নিবেদন কৰা নাই"—এইবুলি কৈ জানকীয়ে দেৱীৰ চৰণ সাৱটি ধৰিলে। ২ ॥

ভৱানী সীতাৰ ভক্তি আৰু বিনয়ত বিমুগ্ধ হ'ল। তেওঁৰ (কণ্ঠৰ) মালা খহি পৰিল আৰু প্ৰতিমাই মিচিকিয়াই হাঁহি মাৰিলে। সীতাই শ্ৰদ্ধাৰে সৈতে সেই প্ৰসাদ (মালা) শিৰত তুলি ল'লে। গৌৰীৰ মন আনন্দেৰে উপচি পৰিল। তেওঁ ক'বলৈ ধৰিলে—"সীতা, মোৰ অব্যৰ্থ আশীৰ্বাণী শুনা। তোমাৰ মনোবাঞ্ছা পূৰণ হওক। নাৰদৰ বচন সদায় পবিত্ৰ আৰু সত্য। যাৰ প্ৰতি তোমাৰ মনত অনুৰাগ জন্মিছে, সেইজনকে তুমি বৰস্বৰূপে লাভ কৰিবা। ৩।৪ ॥

ছন্দঃ—"যাৰ প্ৰতি তোমাৰ মন অনুৰক্ত হৈছে, সেই স্বাভাৱিক শ্যাম বৰণৰ বৰ শ্ৰীৰামক তুমি লাভ কৰিবা। তেওঁ কৰুণানিধি আৰু সৰ্বজ্ঞ; গতিকে তেওঁ তোমাৰ শীল আৰু স্নেহৰ কথা জানিব পাৰিছে।" গৌৰীৰ এই আশীৰ্বাণী শুনি সীতাৰে সৈতে সখীয়েকহঁতে মনত বৰ আনন্দ পালে। তুলসী-দাসে কৈছে—ভৱানীক বাৰে বাৰে পূজা কৰি আনন্দ মনেৰে সীতা ৰাজ-ভৱনলৈ উভটিল।

শ্লোঃ—গৌতমীক (ত্রিভুবন অভিলাষৰ) অনুকূল বুলি জানি সীতাৰ মনত যি আনন্দৰ উদয় হ'ল, তাৰ বৰ্ণনা দিব নোৱাৰি। শুভলক্ষণ সূচকৰূপে তেওঁৰ বাম অংগ কঁপিবলৈ ধৰিলে। ২৩৬ ॥

চৌঃ—মনে মনে সীতাৰ ৰূপ-লাবণ্যৰ প্ৰশংসা কৰি ৰাম-লক্ষ্মণ গুৰুৰ ওচৰলৈ উভতিল। শ্রীৰামে বিশ্বামিত্ৰক সকলো কথা ক'লেহি; কাৰণ স্বভাৱতে সৰল শ্রীৰামক কপটালিয়ে স্পৰ্শই কৰা নাই। ১ ॥

ফুল পাই মুনিয়ে পূজা সমাধা কৰিলে। তাৰ পাছত ৰাম-লক্ষ্মণক "তোমা-লোকৰ মনোৰথ পূৰ্ণ হওক" বুলি আশীৰ্বাদ কৰিলে। তেতিয়া ৰাম-লক্ষ্মণ বৰ আনন্দিত হ'ল। ২ ॥

বিশিষ্টজ্ঞান সম্পন্ন মুনিয়ে ভোজন সমাধা কৰাৰ পাছত কিছুমান পুৰণি কাহিনী ক'বলৈ ধৰিলে। এইদৰে দিনটো শেষ হ'ল। গুৰুৰ আজ্ঞা লৈ দুয়ো ভাই সন্ধ্যা কৰিবৰ কাৰণে গ'ল। ৩ ॥

পূবকালে মনোমোহা চন্দ্ৰৰ উদয় হ'ল। ৰামে সেই (নব-উদিত) চন্দ্ৰক সীতাৰ মুখখনৰ নিচিনা দেখি বৰ আনন্দ পালে। তাৰ পাছত মনতে ভাবি চালে—এই চন্দ্ৰ সীতাৰ মুখখনিৰ সমান (ধুনীয়া) নহয়। ৪ ॥

শ্লোঃ—খাৰুৱা (লুণীয়া) সমুদ্ৰত জন্ম লোৱা চন্দ্ৰৰ ভায়েক হৈছে গৰল (সমুদ্ৰ মন্থনত ওলোৱা); দিনত এই চন্দ্ৰ মলিন হৈ থাকে। চন্দ্ৰৰ গাত কলংক আছে; সেই নিচিনা নিঃকিন চন্দ্ৰ সীতাৰ মুখখনৰ নিচিনা কেনেকৈ হ'ব পাৰে? ২৩৭ ॥

চৌঃ—তদুপৰি এই চন্দ্ৰৰ বঢ়া টুটা হয় আৰু ই বিৰহিণীক সন্তাপ দিয়ে; ৰাহুৱে ছল পাই এই চন্দ্ৰক গ্ৰাস কৰে। এই চন্দ্ৰই চক্ৰবাক চৰাইক বিৰহ যন্ত্ৰণা দিয়ে; পদুম ফুলৰ দ্ৰোহ আচৰে। হে চন্দ্ৰ, তোমাৰ বহুত দোষ আছে [কিন্তু সীতাৰ নাই]। ১ ॥

"গতিকে বিদেহ ৰাজকুমাৰীৰ মুখৰ লগত তোমাৰ উপমা দিলে বৰ অনুচিত কৰ্ম কৰা দোষ হ'ব।" এইদৰে চন্দ্ৰৰ ছলেৰে সীতাৰ মুখৰ সৌন্দৰ্য বৰ্ণনা কৰি কৰি ৰাতি বহুত হ'ল বুলি জানি তেওঁ গুৰুৰ ওচৰলৈ উভতি গ'ল। ২ ॥

মুনিৰ চৰণকমলত প্ৰণাম কৰি, তেওঁৰ আজ্ঞা পাই ৰামে বিশ্ৰাম কৰিলে। ৰাতি পুৱালত সাৰ পাই ৰঘুনাথে ভায়েকক এইদৰে ক'বলৈ ধৰিলে—৩ ॥

"চোৱাঁ ভাই! কমল, চক্ৰবাক আৰু সমস্তলোকৰ সুখদায়ক অৰুণ উদয় হৈছে।" তেতিয়া লক্ষ্মণে দুয়োহাত যোৰ কৰি প্ৰভুৰ প্ৰভাৱ সূচক মৃদু বচনেৰে ক'লে—৪ ॥

দোঃ—"অৰুণ উদয় হোৱাৰ লগে লগে কুমুদিনী কোঁচখাই গ'ল, তৰাবোৰৰ জ্যোতি ম্লান হ'ল। যেন তোমাৰ আগমনৰ কথা শুনি ৰজাবোৰহে তেজহীন হৈ পৰিল। ২৩৮॥

চৌঃ—"সকলো নক্ষত্ৰৰে টিমিক টামাক পোহৰ আছে; কিন্তু সেই পোহৰে ৰাতিটোৰ অন্ধকাৰ দূৰ কৰিব নোৱাৰে। সকলো ৰজাই এই তৰাবোৰৰ নিচিনা ক্ষীণ শক্তিৰে হৰধনু তুলি লৈ তাত গুণ লগোৱা কাৰ্যও কৰিব নোৱাৰে। (ইয়াত হৰধনুক আন্ধাৰৰ লগত তুলনা কৰিছে। হৰধনুক নিজৰ ইচ্ছামতে ব্যৱহাৰ কৰিব পৰা শক্তিটোকে আন্ধাৰ দূৰ কৰা পোহৰ বোলা হৈছে।) ৰাতিৰ আন্ধাৰ দূৰ হ'লে পদ্ম, চক্ৰবাক, ভোমোৰা আৰু বিবিধ জাতিৰ পক্ষীসমূহে আনন্দ পায়। ১॥

"হে প্ৰভু, সেইদৰে তোমাৰ সকলো ভক্ত ধনুৰ্ভংগ হ'লে আনন্দিত হ'ব। এতিয়া সূৰ্য উদয় হৈছে। বিনা পৰিশ্ৰমেই অন্ধকাৰ দূৰ হৈছে। নক্ষত্ৰবোৰ লুকাই পৰিছে। জগতত পোহৰ বিয়পি পৰিছে। ২॥

"হে ৰঘুনাথ, সূৰ্যই নিজৰ উদয়ৰ দ্বাৰা সকলো ৰজাকে প্ৰভুৰ প্ৰতাপ দেখুৱাই দিছে। তোমাৰ বাহুবলৰ মহিমা প্ৰকাশ কৰিবৰ বাবেই ধনুৰ্ভংগৰ এই ব্যৱস্থা কৰা হৈছে।" ৩॥

ভায়েকৰ কথা শুনি প্ৰভুৱে মিচিকিয়াই হাঁহিলে। তাৰ পাছত স্বাভাৱিকতে পবিত্ৰ শ্ৰীৰামচন্দ্ৰ স্নান কৰি শুচি হ'ল আৰু নিত্যকৰ্ম কৰি গুৰুৰ ওচৰলৈ গ'ল। তেওঁ গুৰুৰ চৰণকমলত প্ৰণতি জনালে। ৪॥

সেইসময়তে জনকে শতানন্দক মাতি আনি তেওঁক তৎক্ষণাত বিশ্বামিত্ৰৰ ওচৰলৈ পঠাই দিলে। তেওঁ গৈ জনকৰ প্ৰাৰ্থনা নিবেদন কৰিলে। বিশ্বামিত্ৰই আনন্দ মনেৰে ৰাম-লক্ষ্মণক মাতি পঠালে। ৫॥

দোঃ—শতানন্দৰ চৰণ-বন্দনা কৰি প্ৰভু শ্ৰীৰাম গৈ গুৰুৰ কাষত বহিল। তেতিয়া মুনিয়ে ক'লে—"বাছাহঁত, জনকে মাতি পঠাইছে, যাওঁ বলা। ২৩৯॥

চৌঃ—"সীতাৰ স্বয়ম্বৰ চাবলৈ যাব লাগে। ঈশ্বৰে কাক শ্ৰেষ্ঠতাৰ সন্মান দিয়ে দেখা যাওক।" লক্ষ্মণে উত্তৰ দিলে, "যাৰ ওপৰত তোমাৰ অনুগ্ৰহ হ'ব, তেৱেঁই শ্ৰেষ্ঠতাৰ সন্মান পাব।" ১॥

এনে সুন্দৰ কথা শুনি মুনিসকলে বৰ আনন্দ পালে। সকলোৱে আনন্দমনেৰে আশীৰ্বাদ দিলে। তাৰ পাছত মুনিসকলেৰে সৈতে কৃপালু শ্ৰীৰামে ধনুৰ্যজ্ঞস্থলী চাবলৈ যাত্ৰা কৰিলে। ২॥

ৰাম-লক্ষ্মণ দুয়ো ভাই ৰংগভূমিলৈ গৈছে বুলি সকলো জনকবাসীয়ে খবৰ পালে। তেতিয়া ল'ৰা, ডেকা, বুঢ়া সকলো নৰ-নাৰীয়ে ঘৰৰ কাম-কাজ এৰি তালৈ চাপলি মেলিলে। ৩ ॥

জনকে যেতিয়া মানুহৰ ভিৰ বেছি হোৱা দেখিলে, তেওঁ সকলো বিশ্বাস-ভাজন সেৱকক মাতি আনি ক'লে—"তোমালোকে সোনকালে মানুহবোৰৰ ওচৰলৈ গৈ যথাযোগ্যভাৱে আসন দিয়াঁগৈ।" ৪ ॥

দোঃ—সেই সেৱকসকলে মৃদু আৰু বিনীত বচনেৰে উত্তম, মধ্যম, নীচ আৰু লঘু—এই সকলো শ্ৰেণীৰ নৰ-নাৰীকে নিজ নিজ যোগ্যতা অনুসৰি বহিবলৈ দিলে। ২৪০ ॥

চৌঃ—তেনেসময়তে ৰাজকুমাৰ দুজন (ৰাম-লক্ষ্মণ) সেইখিনি পালেহি। স্বয়ং মনোহৰতাইহে যেন তেওঁলোকৰ শৰীৰত সুন্দৰ শোভা কৰি আছে। তেওঁলোকৰ শৰীৰ সুন্দৰ শ্যাম আৰু গৌৰবৰ্ণৰ। তেওঁলোক গুণৰ সাগৰ, চতুৰ আৰু শ্ৰেষ্ঠ বীৰ। ১ ॥

নক্ষত্ৰসমূহৰ মাজত দুটি পূৰ্ণ চন্দ্ৰৰ দৰে তেওঁলোকো ৰজাসকলৰ মাজত শোভা পাবলৈ ধৰিলে। যাৰ যেনে ভাৱনা আছিল, তেওঁ সেইৰূপেই প্ৰভু শ্ৰীৰামৰ মূৰ্তি দেখিবলৈ পালে। ২ ॥

মহৎ ৰণধীৰ ৰজাসকলে শ্ৰীৰামক মূৰ্তিমান বীৰৰস যেন দেখিলে। দুষ্ট ৰজাবোৰে শ্ৰীৰামক দেখি ভয়ভীত হ'ল—যেন ভয়ানক মূৰ্তি এটাহে দেখিবলৈ পালে। ৩ ॥

যিবিলাক ৰাক্ষসে ৰজাৰ বেশ ধৰি সোমাই আছিল, তেওঁলোকে প্ৰভুক কাল-মূৰ্তি যেন দেখা পালে। নগৰবাসীসকলে দুয়ো ভাইক মনুষ্যকুলৰ ভূষণ আৰু নয়নৰ আনন্দদায়ক ৰূপত দেখিলে। ৪ ॥

দোঃ—নাৰীগণে নিজৰ ৰুচি অনুসাৰে আনন্দমনেৰে শ্ৰীৰামক চাবলৈ ধৰিলে। যেন শৃংগাৰ ৰসেহে পৰম অনুপম মূৰ্তি ধৰি শোভা পাই আছে। ২৪১ ॥

চৌঃ—বিদ্বানসকলে প্ৰভুক বিৰাট পুৰুষৰ ৰূপত দেখিলে—সেই মূৰ্তিৰ মুখ, হাত, ভৰি, চকু আৰু শিৰ অনন্ত। জনকৰ সজাতীয়সকলে প্ৰভুক কেনে ৰূপত দেখিলে? তেওঁলোকে আত্মীয়-স্বজনৰ ৰূপত দেখিলে। ১ ॥

জনক ৰজাই আৰু তেওঁৰ ৰাণীয়ে শ্ৰীৰামক নিজ সন্তানৰ দৰে দেখিলে; তেওঁলোকৰ বাৎসল্য প্ৰেমৰ কথা বৰ্ণনা কৰিব নোৱাৰি। যোগীসকলে শ্ৰীৰামক শান্ত, শুদ্ধ, বিষমভাৱৰহিত, স্বপ্ৰকাশ পৰম তত্ত্বৰূপে দেখিবলৈ পালে। ২ ॥

হৰিভক্তসকলে ৰাম-লক্ষ্মণক সমস্ত সুখদায়ক ইষ্টদেৱতাৰ নিচিনা দেখিলে। সীতাই যি ভাৱেৰে ৰামক দেখিবলৈ পালে, সেই প্ৰেম আৰু আনন্দ বৰ্ণনাৰ অতীত। ৩॥

তেওঁৰ অন্তৰৰ অনুভৱৰ কথাও বৰ্ণনা কৰিব নোৱাৰি। কবিয়ে তাক কি ৰূপে প্ৰকাশ কৰিব? এইদৰে যাৰ যেনে ভাৱনা, তেওঁ সেইদৰেই অযোধ্যাপতি শ্ৰীৰামক দেখিবলৈ পালে। ৪॥

সোঃ—সুন্দৰ শ্যাম আৰু গৌৰ বৰ্ণৰ শৰীৰেৰে বিশ্বৰ নেত্ৰ হৰণ কৰা অযোধ্যাৰ ৰাজকুমাৰ দুজনে এইদৰে নৃপসমাজত শোভা পাবলৈ ধৰিলে। ২৪২॥

চৌঃ—স্বভাৱ সুন্দৰ সেই দুই মূৰ্তিৰ ওচৰত কোটি কামদেৱৰ উপমাও মূল্যহীন হৈ পৰে। যিসকল মুখ দুখনিয়ে শাৰদীয় পূৰ্ণচন্দ্ৰকো নিন্দা কৰিব পাৰে, কমল নয়ন কেইটিয়ে মন মুগ্ধ কৰে। ১॥

সুন্দৰ চাৱনিয়ে কামদেৱকো মন মুগ্ধ কৰে, দেখি হিয়া জুৰ পৰে; কিন্তু তাৰ বৰ্ণনা দিব নোৱাৰি। তেওঁলোকৰ গালদুখনি ধুনীয়া, কাণত কুণ্ডল ওলমি আছে। থুঁতৰি আৰু ওঁঠ দুটি ধুনীয়া; বচন মৃদু। ২॥

হাঁহিয়ে চন্দ্ৰৰ কিৰণকো তিৰস্কাৰ কৰে; ভ্ৰূকুটি কুটিল আৰু নাক মনোহৰ; বহল কপালত তিলক তিৰবিৰাই আছে, চুলি দেখি ভোমোৰা জাকেও লাজ পায়। ৩॥

মূৰত হালধীয়া চাৰিকোণীয়া শিৰোভূষণে শোভা পাইছে। তাৰ মাজে মাজে গুটি ফুল বন্ধা। শংখৰ দৰে গুৱনি ডিঙিত মনোৰম তিনিটি ৰেখা—যেন ত্ৰিভুৱনৰ সৌন্দৰ্যৰ সীমাহে। ৪॥

সোঃ—গজ-মুক্তাৰ হাৰ আৰু তুলসীৰ মালাৰে শোভিত বক্ষঃস্থল। কান্ধ দুখনি বৃষভৰ কান্ধ যেন (হৃষ্টপুষ্ট), থিয় হোৱাৰ ভংগী সিংহৰ নিচিনা; বাহু দুটি বিশাল আৰু বলৰ নিধি স্বৰূপ। ২৪৩॥

চৌঃ—কঁকালত তূণ আৰু পীতবস্ত্ৰ বন্ধা আছে; হাতত শৰ, বাওঁ কান্ধত ধনু আৰু হালধীয়া যজ্ঞোপবীতে শোভা পাইছে। ভৰিৰ নখৰপৰা শিখালৈকে সকলো অংগ-প্ৰত্যংগ মনোমোহা, তেওঁলোকৰ শৰীৰত মহান্ সৌন্দৰ্য প্ৰকাশ পাইছে। ১॥

তেওঁলোকক দেখি সকলোৱে আনন্দ পালে আৰু সকলোৱেই চকু থৰ হৈ ৰ'ল। জনকেও ৰাম-লক্ষ্মণক দেখি আনন্দ পালে আৰু তেতিয়াই তেওঁ মুনিৰ চৰণ-কমল সাৱটি ধৰিলেগৈ। ২॥

ধনু ধৰকে বিপৰীতভাৱে তেওঁৰ কৰবো কথা ক'লে আৰু মুনিৰ গোটেই ৰংগশালাখন নেপুৰালু। ৰাজকুমাৰ দুজন থিয়দেই পাছু লোকসকলেই সকলোৱে আচৰিত হৈ চাবলৈ ধৰিলে। ৩ ॥

সকলোৱেই ৰামক নিজৰ নিজৰ ভাৱে তেওঁক দেখ দেখিলে; কিন্তু কোনেও তাৰ বহুত ভেদ কৰিব নোৱাৰিলে। মুনিয়ে ৰজাক ক'লে—"ৰামচন্দ্ৰৰ নিৰ্মাণ-কৌশল বৰ সুন্দৰ হৈছে"। এই কথা শুনি ৰজা আৰু আনন্দিত আৰু সুখী হ'ল। ৪ ॥

মোঃ—সকলো ৰজতকৈ এটা বক দেখি পূৰ্ণিমা; চাওঁতে চকু বোজা আৰু কিমান আকৃতিৰ আছিল। ৰজাই মুনিৰ লগতে ৰাম-লক্ষণক তাতে বহুৱালে। ২৫৪ ॥

চৌঃ—পূৰ্ণচন্দ্ৰ উদয় হোৱা দেখি তৰাবোৰ নিষ্প্ৰভ হোৱাৰ দৰে প্ৰভু শ্ৰীৰামক দেখি ৰজাবোৰেও মনে মনে পৰাজয় স্বীকাৰ কৰিলে। 'ৰামে ধনুৰ্ভংগ কৰিবই, তাত সন্দেহ নাই'—সকলোৰে মনত এই বিশ্বাস দৃঢ় হ'ল। ১ ॥

"শিৱৰ সুবৃহৎ ধনুখন মতগ্ৰকৈয়ে সীতাই শ্ৰীৰামৰ ডিঙিত জয়মালা পিন্ধাব, হে ভাই বন্ধুসকল। এই কথা চিন্তা কৰি চাই যশস্যা, প্ৰতাপ আৰু তেজবল ক্ষয় কৰি নিজ নিজ ঘৰলৈ যাব লাগিব" [এই বুলি কোনো কোনোৱে ক'বলৈ ধৰিলে]। ২ ॥

"বিবেকহীনতাৰ বাবে অন্ধ অভিমানত মত্ত, হৈ থকা আন ৰজাবিলাকে এই কথা শুনি হাঁহিবলৈ ধৰিলে। (তেওঁলোকে ক'লে—)—"ধনু ভাঙিলেও বিয়া হোৱাটো টান; তেনেহলত ধনু নভঙাকৈ কোনে ৰাজকুমাৰীক বিয়া কৰাব পাৰে? ৩ ॥

"পৰমটৈ হ'লেও এদিন আমি তেওঁক সীতাৰ কাৰণে এবাৰ যুদ্ধত পৰাস্ত কৰিমেই"। এই কথা শুনি ধৰ্মাত্মা, হৰিভক্ত আৰু চতুৰ ৰজাসকলে মিচিকিয়া হাঁহি মাৰিলে। ৪ ॥

সোঃ—(তেওঁলোকে ক'লে—) "ৰজাবোৰৰ গৰ্ব খৰ্ব কৰি ৰামে সীতাক বিয়া কৰাব। মহাবাহু দশৰথৰ ৰণ-কুশল পুত্ৰক কোনে যুদ্ধত পৰাস্ত কৰিব পাৰে? ২৫৫ ॥

চৌঃ—"বৰ কথা কৈ মিছাতে মৰবিৰা। মনে মনা মিঠৈৰে ভোক গুচে জানো? আমাৰ অকপট কথা শুনি সীতাক জগতৰ মাতৃ বুলি মনতে জানা। ১ ॥

"জগৎপিতা শ্ৰীৰামক জগতৰ পিতা বুলি ভাবি নয়ন ভৰি তেওঁৰ সৌন্দৰ্য চাই লোৱা। সুখদ, সুন্দৰ আৰু সমস্ত গুণৰ ভঁৰাল এই দুই ভাইকে হিয়াত ৰাখি ধ্যান কৰা। ২ ॥

'ওচৰতে শোভা [ভগৱৎ দৰ্শনৰূপ] অমৃতসাগৰ এৰি [সীতাক পত্নীৰূপে পোৱাৰ অভিলাষৰূপ] মৃগতৃষ্ণাৰ পাছে পাছে খেদি কিয় মৰিছা? তোমালোকৰ যি ইচ্ছা তাকে কৰা। আমি আজি জন্ম লোৱাৰ ফল লাভ কৰিলোঁ।" ৩ ॥

এইদৰে কৈ সাধু ৰজাসকলে প্ৰেমমগ্ন হৈ ৰামৰ অনুপম ৰূপ-মাধুৰ্য পান কৰিবলৈ ধৰিলে। দেৱতাসকলেও বিমানত উঠি আকাশৰপৰা সেই ৰূপ দৰ্শন কৰি পুষ্প-বৃষ্টি কৰিবলৈ ধৰিলে। ৪ ॥

দোঃ—শুভক্ষণ বুজি জনকে সীতাক মাতি পঠালে। চতুৰ আৰু সুন্দৰী সখীয়েকহঁতে সীতাক আদৰ-সাদৰ কৰি লৈ আহিল। ২৪৬ ॥

চৌঃ—ৰূপ-গুণৰ আকৰ স্বৰূপা জগজ্জননী সীতাৰ লাৱণ্য বৰ্ণনাৰ অতীত। তেওঁৰ ক্ষেত্ৰত মই সকলো উপমা তুচ্ছ জ্ঞান কৰোঁ; কাৰণ সেই সকলো উপমাই সাধাৰণ নাৰীৰ অংগ-শোভাৰ প্ৰতিহে অনুৰাগ দেখুৱায়। ১ ॥

সীতাৰ ক্ষেত্ৰত সেই (সাধাৰণ স্তৰৰ) উপমাবোৰ ব্যৱহাৰ কৰি কোনে কু-কবিৰ পৰিচয় দি অপযশ ল'ব? যদি কোনোবা যুৱতীৰ লগত সীতাৰ তুলনা দিয়া হয়, তেনেহ'লে তেনেকুৱা কমনীয়া যুৱতীনো জগতত কোন আছে? ২ ॥

সৰস্বতী হ'ল বহুভাষিণী, পাৰ্বতী অৰ্দ্ধাংগিনী, কামদেৱৰ পত্নী ৰতি দেৱী পতিৰ শৰীৰহীনতাৰ বাবে অতি দুঃখিত, আৰু বিষ তথা বাৰুণী মদ যাৰ ভায়েক সেই লক্ষ্মীৰ সমান বুলি জানকীক কেনেকৈ কোৱা যায়? ৩ ॥

যদি সৌন্দৰ্য অমৃত-সাগৰ হয়, [এই সমুদ্ৰ মন্থনৰ বাবে] পৰম ৰূপবানজন কচ্ছপ হয় আৰু শোভাৰূপী ৰজ্জুৰে স্বয়ং কামদেৱে শৃংগাৰ-ৰসৰূপী মন্দৰ পৰ্বতটো নিজৰ কৰকমলেৰে মন্থন কৰে। ৪ ॥

দোঃ—তেনে ব্যৱস্থা কৰিলে সৌন্দৰ্যৰ আৰু সুখৰ মূলভূতা যি লক্ষ্মীৰ উদ্ভৱ হ'ব, তেতিয়াও কবিসকলে অতি সংকোচেৰে কৈছেহে সেই লক্ষ্মীক সীতাৰ সমতুল্য বুলি ক'ব। ২৪৭ ॥

চৌঃ—চতুৰ সখীসকলে সীতাক লগত লৈ ধুনীয়া মাতেৰে গীত গাই গাই আনিবলৈ ধৰিলে। সীতাৰ সুকোমল শৰীৰ মনোমোহা শাৰীৰে ঢকাই পিন্ধিছে। জগত জননীৰ এই শোভা অতুলনীয়। ১ ॥

অলংকাৰবোৰে যথাস্থানত শোভা কৰিছে; সখীসকলে অংগে অংগে ধুনীয়াকৈ সেইবোৰ পিন্ধাই দৈছে। যেতিয়া সীতাই ৰংগভূমিত ভৰি দিলেহি, তেওঁৰ ৰূপ-লাৱণ্য দেখি সকলো নৰ-নাৰী মোহিত হ'ল। ২ ॥

দেৱতাসকলে আকাশত দুন্দুভি বজালে। অপ্সৰাসকলে নৃত্য কৰি গীত গাবলৈ ধৰিলে। সীতাৰ পদুম যেন কোমল আৰু দুৰ্বলীয়া হাতত বৰ মালাৰ শোভা বৃদ্ধি পাইছিল। ৰজাসকলৰ দৃষ্টি হঠাৎ সেইফালে আকৃষ্ট হ'ল। ৩॥

বিস্মিত দৃষ্টিৰে সীতাই ৰামচন্দ্ৰলৈ চালে। সকলো ৰজা তেতিয়া মোহগ্ৰস্ত হৈ পৰিল। মুনিৰ ওচৰত যেতিয়া সীতাই ৰাম-লক্ষ্মণ দুয়ো ভাইক দেখিবলৈ পালে তেতিয়া তেওঁৰ দৃষ্টি দৰ্শনীয় বস্তু সংগৃহীত সম্পদত স্থিৰ হৈ পৰাৰ দৰেই ৰামৰ ওপৰত স্থিৰ হৈ পৰিল। ৪॥

দোঃ—কাষতে গুৰুস্থানীয় লোকসকল উপস্থিত থকা বাবে সীতাৰ মনত লাজ ভাবৰ উদয় হৈছিল [ইফালে সখীসকলো তাতে আছিল। গতিকে হৃদয়ত ৰামক থাপি লৈ সংকোচ মনেৰে সীতাই সখীয়েকহঁতৰ ফালে চাবলৈ ধৰিলে। ২৪৮

চৌঃ—ৰামৰ ৰূপ আৰু সীতাৰ সৌন্দৰ্য দেখি নৰ-নাৰীসকলে চকু পচাৰিবলৈকো পাহৰি গ'ল। সকলোৱে মনে মনে ভাবিলে; কিন্তু ক'বলৈ সংকোচ কৰিলে। মনে মনে তেওঁলোকে বিধাতাক প্ৰাৰ্থনা কৰিলে। ১॥

"হে বিধি! সোনকালে জনকৰ মূঢ়তা দূৰ কৰা আৰু আমাৰ মনত হোৱা এই সুবুদ্ধি যেন তেওঁক দিয়া, যাতে তেওঁ বেছি ভবা-চিন্তা নকৰি নিজৰ প্ৰতিজ্ঞা ত্যাগ কৰি ৰামৰ লগত সীতাৰ বিয়াৰ ব্যৱস্থা কৰে।

"এই কথা সংসাৰে ভাল বুলিব; কাৰণ এই কথা সকলোৱে ভাল হ'ব বুলি ভাবিছে। এতিয়া জেদ ধৰিলে পাছত বুকুত দুখ জ্বলিব"। এইদৰে সকলো মানুহ "জানকীৰ যোগ্য বৰ এই শ্যামসুন্দৰেই" বুলি ভাৱত মগ্ন হৈ থাকিল। ৩॥

তেতিয়া জনক ৰজাই ভাটসকলক মতাই আনিলে। ৰজাৰ স্তুতিগীত গাই গাই তেওঁলোক আহিবলৈ ধৰিলে। ৰজাই ক'লে—"মোৰ প্ৰতিজ্ঞাৰ কথা সকলোকে জনাই দিয়া।" ভাটবিলাক গ'ল, ৰজাৰ মনত আনন্দৰ সীমা নোহোৱা হ'ল। ৪॥

দোঃ—ভাটে সুন্দৰকৈ ক'বলৈ ধৰিলে—"হে মহীপালসকল! শুনক, আমি বিশাল বাহু দাঙি জনক ৰজাৰ প্ৰতিজ্ঞাৰ কথা কৈছোঁ। ২৪৯

চৌঃ—"ৰজাসকলৰ বাহুবল হৈছে চন্দ্ৰ আৰু এই হৰধনু হৈছে ৰাহু; ই বৰ গধুৰ আৰু কঠোৰ, এই কথা সকলোৱে জানে। ৰাৱণ আৰু বাণৰ নিচিনা মহাবীৰসকলে (হাতেৰে টান দিয়া দূৰৰে কথা) এই ধনু দেখিয়েই আঁতৰি গ'ল। ১॥

[illegible]। ই মূৰ্খ ধনুখন দাঙি ধৰিব পাৰে বুলি [illegible] [illegible] চিন্তেৰে সৈতে জানকীৰে প্ৰিয়া বিচাৰে আগ্ৰহেৰে [illegible] [illegible]।' ২ ॥

[illegible] প্ৰতিজ্ঞাৰ কথা শুনি সকলো ৰজাৰে মনত আশা জাগিল। [illegible] ৰজাবোৰে মনতে গৰ্ব কৰি [illegible] উঠাদি-বাৰি উন্মত্তভাৱে থিয় হ'ল আৰু ইষ্ট দেৱতাক প্ৰণতি জনাই আগবাঢ়িল। ৩ ॥

গৰ্বৰ দৃষ্টিৰে হৰ-ধনুটো চাই, তাৰ পাছত গৰি পিটিকি ধনুখনত হাত দিলে। কোটি চেষ্টা কৰিও বল দি ধনুখন দাঙিব নোৱাৰিলে। বিচাৰশীল মনৰ ৰজাসকল ধনুৰ কাষেই নাচাপিল। ৪ ॥

দোঃ—সেই মূৰ্খ ৰজাবোৰে গৰ্বিতভাৱে ধনুত হাত দিলে; কিন্তু যেতিয়া দাঙিবকে নোৱাৰে লাজ পাই গুচি আহে। বীৰসকলৰ বাহুবলৰ স্পৰ্শত ধনুখন ক্ৰমে ক্ৰমে বেছিকৈ গধুৰ হৈ পৰিল। ২৫০ ॥

চৌঃ—দহ হাজাৰ ৰজাই একেলগে গোটখাই ধনুখন দাঙিব খুজি লৰচৰকে কৰিব নোৱাৰিলে। কামাতুৰ পুৰুষৰ বচন শুনি সতী তিৰোতাৰ [illegible] বিচলিত নোহোৱাৰ দৰে হৰধনুও অবিচলিত হৈ ৰ'ল। ১ ॥

বৈৰাগ্য নোহোৱা সন্ন্যাসী যেনেকৈ উপহাসৰ পাত্ৰ হয়, সেইদৰে সকলো ৰজা হাঁহিয়াতৰ পাত্ৰ হ'ল। কীৰ্তি, বিজয় আৰু বীৰত্ব—এই সকলো ধনুৰ ওচৰত জলাঞ্জলি দি তেওঁলোক গুচি গ'ল। ২ ॥

হাৰ মানি ৰজাবিলাক মনে মনে শ্ৰীহীন হৈ পৰিল; তেওঁলোক গৈ নিজ নিজ সমাজত বহিল। ৰজাবিলাকৰ অৱস্থা দেখি জনক আকুল হৈ পৰিল আৰু তেওঁ খঙতোৰেৰে ক'বলৈ ধৰিলে— ৩ ॥

"মোৰ প্ৰতিজ্ঞা শুনি দীপ-দীপান্তৰৰপৰা অনেক ৰজা আহিল। দেৱতা আৰু দানৱো মনুষ্যৰ ৰূপ ধৰি উপস্থিত হ'ল আৰু অনেক ৰণধীৰ বীৰ আহিল। ৪ ॥

দোঃ—"কিন্তু এই ধনুখন ভঙাৰ পৰা যোগ্যতাৰে সৈতে মনোৰমা কন্যা, বিজয় আৰু ৰমণীয় কীৰ্তি লাভ কৰিবলৈ বিধাতাই কাকো সৃষ্টি নকৰিলে [illegible] পাওঁ। ২৫১ ॥

চৌঃ—"এই লাভ কাৰনো ভাল নালাগে কওকচোন? কিন্তু [illegible] [illegible] দাঙি ক'ব নোৱাৰিলে। ৰজা আৰু [illegible] [illegible] [illegible] [illegible] কৰিব নোৱাৰিলে। ১ ॥

"এতিয়া বীৰত্বৰ বাবে অভিমান কৰা কোনেও অসন্তোষ নকৰে যেন। মই বুজিলোঁ—পৃথিৱীত বীৰ নাইকিয়া হ'ল। এতিয়া সীতাৰ আশা এৰি ঘৰাঘৰি গুচি যাওক। বিধাতাই সীতাৰ কপালত বিয়া হ'বলৈ লিখাই নাই। ২ ॥

"প্ৰতিজ্ঞা ত্যাগ কৰিলে মোৰ পুণ্য নষ্ট হ'ব। আনহাতে, কন্যাও অবিবাহিতা হৈ ৰ'ল—মই, কি কৰোঁ? মই পৃথিৱী বীৰশূন্য বুলি জনা হ'লে এই প্ৰতিজ্ঞা কৰি হাঁহিয়াতৰ পাত্ৰ নহ'লোহেঁতেন।" ৩ ॥

জনকৰ কথা শুনি জানকীলৈ চাই সকলো নৰ-নাৰী দুঃখিত হ'ল; কিন্তু লক্ষ্মণ খঙত অধীৰ হৈ পৰিল। তেওঁৰ চেলাউৰি থুপ খালে, ওঁঠ কঁপিবলৈ ধৰিলে আৰু চকু ৰঙা পৰিল। ৪ ॥

দোঃ—(তেওঁ) শ্ৰীৰামৰ ভয়ত একো ক'ব নোৱাৰিলে; কিন্তু জনকৰ কথাবোৰে বাণে বিন্ধা দি বিন্ধিলে। [অৱশেষত ৰব নোৱাৰা হৈ] শ্ৰীৰামৰ চৰণকমলত মুৰ দোঁৱাই প্ৰকৃত কথা ক'বলৈ ধৰিলে— ২৫২ ॥

চৌঃ—"ৰঘুবংশীসকলৰ ভিতৰত কোনোবা এজন থকা সমাজত এনে কথা কোনেও নকয়। ৰঘুকুলৰ শিৰোমণি উপস্থিত আছে বুলি জানিও জনকেহে এই অনুচিত কথা কৈছে। ১ ॥

"হে সূৰ্যবংশী কমলৰ কাৰণে সূৰ্যস্বৰূপ শ্ৰীৰাম! মই প্ৰকৃত কথা কৈছোঁ, অভিমান কৰি কোৱা নাই—আপোনাৰ আজ্ঞা পালে মই ব্ৰহ্মাণ্ডখনকে ঢোপ (খেলাৰ সঁজুলি) দণ্ডাৰ দৰে দাঙিব পাৰোঁ। ২ ॥

"আৰু তাক কেঁচা মাটিৰ ঘটৰ দৰে ভাঙি পেলাব পাৰোঁ। মই সুমেৰু পৰ্বতকো মূলাৰ দৰে ভাঙি পেলাব পাৰোঁ; হে প্ৰভু, তোমাৰ মহিমাৰ বলত এই পুৰণি ধনুখন ভঙাটো কি কথা? ৩ ॥

"তাকে জানি, হে নাথ! তুমি আজ্ঞা দিলে মই ধেমালি দেখুৱাব পাৰোঁ। পদুম ফুলৰ ঠাৰিৰদৰে ধনুখন দাঙি লৈ এশ যোজনলৈকে নিব পাৰোঁ। ৪ ॥

দোঃ—"হে নাথ, আপোনাৰ প্ৰতাপৰ মহিমাৰে মই কাঠফুলাৰ নিচিনাকৈ ধনুখন যদি ভাঙি পেলাব নোৱাৰোঁ, তেনেহ'লে তোমাৰ ভৰিত ধৰি শপত খাই কৈছোঁ—মই আৰু ধনু-শৰ হাতেৰে নোচোঁৱেঁই।" ২৫৩ ॥

চৌঃ—লক্ষ্মণৰ এনে ক্ৰুদ্ধ বচন শুনি পৃথিৱী টলবলাই গ'ল; দিগ্‌গজবোৰো কঁপিবলৈ ধৰিলে। মানুহবোৰৰ আৰু ৰজাসকলৰ ভয় লাগিল। সীতাৰ মনত আনন্দ লাগিল; জনকৰ মনত সংকোচ উপজিল। ১ ॥

গুৰু বিশ্বামিত্ৰ, ৰঘুপতি আৰু মুনিসকলে মনত আনন্দ পালে। আৰু

তেওঁলোকৰ শৰীৰ বাৰে বাৰে পুলকিত হ'ল। ৰামে ইংগিতেৰে লক্ষ্মণক নিষেধ কৰিলে আৰু মৰমেৰে কাষত বহুৱাই ল'লে। ২ ॥

বিশ্বামিত্ৰই সেয়ে শুভক্ষণ বুলি জানি অতি মৰমেৰে ক'লে—"বাছা ৰাম, উঠা ? চৰধনু ভঙ্গ কৰি জনকৰ সন্তাপ দূৰ কৰা।" ৩ ॥

গুৰুৰ আদেশ পাই শ্ৰীৰামচন্দ্ৰই বিশ্বামিত্ৰৰ চৰণত প্ৰণতি জনালে। তেওঁক হৰ্ষ আৰু বিষাদ একোৱেই প্ৰভাৱিত কৰা নাছিল। সেই বাবে শ্ৰীৰামচন্দ্ৰ এনে গহীন গম্ভীৰভাৱে থিয় হল যে তেওঁৰ সেই গাম্ভীৰ্যই যৌৱনৰ বল থকা সিংহ এটাৰ থিয় দিয়া গাম্ভীৰ্যকো চেৰ পেলালে। ৪ ॥

দোঃ—উদয়াচলত সূৰ্যোদয় হ'লে পদুম ফুলবোৰ বিকশিত হৈ উঠে আৰু ভোমোৰাবোৰে তাকে দেখি আনন্দ পায়। ৰামচন্দ্ৰও মঞ্চত গৈ উঠাৰ লগে লগেই পদুম ফুলবোৰৰ নিচিনাকৈ সন্তসকলৰ হৃদয়ো বিকশিত হৈ উঠিল আৰু তেওঁলোকৰ চকুবোৰেও ভোমোৰাৰ দৰেই তৃপ্তি লাভ কৰিলে। ২৫৪ ॥

চৌঃ—সূৰ্যোদয়ৰ লগে লগে নিশা দূৰ হোৱাৰ দৰেই ৰাম উঠাৰ লগে লগে ৰজাসকলৰো আশা দূৰ হ'ল। পুৱা হ'লে তৰাবোৰ নিষ্প্ৰভ হোৱাৰ দৰেই তেওঁলোকৰ মুখৰ মাতো নোলোৱা হ'ল; ভেঁট ফুল কোঁচ খাই যোৱাৰ দৰেই তেওঁলোকৰ অভিমানো কোঁচ খাই গ'ল আৰু কপটীয়া ৰজাসকলৰ বহুতেই ফেঁচাৰ দৰে নিজৰ মুখ লুকুৱাব লগীয়া হ'ল। ১ ॥

পুৱা হ'লে চাকৈ-চকোৱাৰ দুঃখ দূৰ হোৱাৰ দৰেই মুনি আৰু দেৱতা-সকলৰো দুঃখ দূৰ হ'ল। তেওঁলোকে পুষ্পবৃষ্টি কৰি নিজৰ শ্ৰদ্ধা জ্ঞাপন কৰিলে। ভক্তিৰে সৈতে গুৰুৰ চৰণ বন্দনা কৰি ৰামে মুনিসকলৰ আজ্ঞা বিচাৰিলে। ২ ॥

সমস্ত জগতৰ স্বামী শ্ৰীৰাম সুন্দৰ মত্তগজৰ দৰে স্বাভাৱিক গতিৰে আগবাঢ়িল। ৰামক যোৱা দেখি গোটেই নগৰৰ স্ত্ৰী-পুৰুষে আনন্দ পালে; তেওঁলোকৰ শৰীৰ পুলকিত হ'ল। ৩ ॥

তেওঁলোকে পিতৃগণ আৰু দেৱতাক বন্দনা কৰি নিজ পুণ্য সুঁৱৰি ক'লে—"যদি আমাৰ পুণ্যসমূহৰ কিবা প্ৰভাৱ আছে, তেনেহ'লে হে গণপতিদেৱতা! ৰামে যেন পদুমৰ ঠাৰিৰ দৰে ধনুখন ভাঙি পেলাব পাৰে। ৪ ॥

দোঃ—শ্ৰীৰামৰ ফালে (বাৎসল্য) স্নেহেৰে সৈতে চাই সীতাৰ মাকে সখীয়েকসকলক ওচৰলৈ মাতি আনি মৰমতে পমি গৈ বেজাৰ কৰি ক'লে—২৫৫ ॥

চৌঃ—"চোৱাঁ সখী, যিসকলে আমাৰ হিতকাংক্ষী বুলি কয়, তেওঁলোক

সকলো বং চোৰা মানুহহে। গুৰুক তেওঁলোকে বুজাই নকৰগৈ যে—ৰাম সক ল'ৰা; তেওঁ এনে জেদ ধৰাটো ভাল হোৱা নাই। ১॥

"ৰাৱণ আৰু বাণাসুৰে যি ধনু স্পৰ্শকে নকৰিলে আৰু যি ধনুৰ ওচৰত অহংকাৰী ৰজাবোৰে হাৰ মানিলে সেই ধনুখনকে এই সুকুমাৰ ৰাজকুমাৰৰ হাতত দিছে। পোৱালী ৰাজহাঁহে ক'ৰবাত মন্দৰাচল দাঙিব পাৰে নে কি? ২॥

"ৰজাৰো সকলো বিচাৰ-বুদ্ধি লোপ পাইছে। হেৰা সখি! বিধাতাই কি কৰিব খুজিছে মই একো ধৰিব পৰা নাই।"

তেতিয়া চতুৰ সখীয়েক এগৰাকীয়ে ক'লে—"হে ৰাণী! তেজস্বীজনক লঘু জ্ঞান কৰা উচিত নহয়। কলহৰ পৰা জন্ম হোৱা অগস্ত্য মুনি ক'ত আৰু অপাৰ সাগৰেই বা ক'ত? কিন্তু সেই অগস্ত্যয়েই সাগৰ শুকাই পৃথিৱীত সুযশ অৰ্জন কৰিলে। দেখাত সূৰ্যমণ্ডল সৰু যেন লাগে; কিন্তু উদয় হোৱা মাত্ৰকে তিনিওলোকৰ অন্ধকাৰ দূৰ হয়। ৩।৪॥

দোঃ—"যি মন্ত্ৰৰ বলত ব্ৰহ্মা, বিষ্ণু, শিৱ আৰু দেৱতাসকল বশ হয়, সেই মন্ত্ৰ তেনেই সৰু বস্তু। মহা উন্মত্ত হাতীকো সৰু অংকুশেৰেই বশ কৰিব পাৰি। ২৫৬॥

চৌঃ—"কামদেৱে ফুলৰ ধনুশৰ লৈয়ে সমস্ত জগতক নিজৰ বশ্য কৰে। গতিকে হে দেৱী, আপুনি সন্দেহ ত্যাগ কৰক। হে ৰাণী, ৰামে নিশ্চয় ধনু ভংগ কৰিব।" ১॥

সখীয়েকৰ কথা শুনি ৰাণীৰ বিশ্বাস জন্মিল। বিষাদ দূৰ হ'ল আৰু শ্ৰীৰামৰ প্ৰতি তেওঁ স্নেহ আগতকৈয়ো বাঢ়িল। সেই সময়ত শ্ৰীৰামক দেখি সীতাই ভয়াতুৰ মনেৰে যি কোনো দেৱতাক প্ৰাৰ্থনা কৰিবলৈ ধৰিলে। ২॥

তেওঁ ব্যাকুল হৈ মনে মনে চিন্তা কৰিলে—"হে মহেশ আৰু ভৱানী! তোমালোক মোৰ প্ৰতি প্ৰসন্ন হোৱাঁ। মই তোমালোকক যি সেৱা কৰি আহিছোঁ, তাক সফল কৰাঁ। মোৰ প্ৰতি স্নেহ দেখুৱাই ধনুৰ ভাৰ কমাই দিয়া। ৩॥

"হে গণনায়ক, বৰ-দাতা দেৱতা গণেশ! মই আজি পৰ্যন্ত তোমাৰ সেৱা কৰি আহিছোঁ; বাৰে বাৰে কৰা মোৰ এই মিনতি শুনি তুমি ধনুৰ ভাৰ কম কৰি দিয়া।" ৪॥

দোঃ—ৰঘুবীৰ ৰামৰ ফালে চাই থাকিও সীতাই ধৈৰ্য ধৰি দেৱতাসকলৰ ওচৰত প্ৰাৰ্থনা জনাবলৈ ধৰিলে। তেওঁৰ দুয়োটা চকুত্তে প্ৰেমৰ অশ্ৰু চপচপীয়া হৈ ব'ল আৰু শৰীৰ ৰোমাঞ্চিত হৈ পৰিল। ২৫৭॥

চৌঃ—এইপাহ পদুৰাই দুয়োচকুৰে ৰামৰ শোভা দৰ্শন কৰিও পিতাকৰ প্ৰতিজ্ঞাৰ কথা সুঁৱৰি সীতাৰ মনটো অস্থিৰ হৈ উঠিল। তেওঁ ভাবিলে— "মোৰ পিতৃয়ে বৰ কঠোৰ প্ৰতিজ্ঞা কৰিলে ; তাৰ পৰিণতিৰূপে হ'ব পৰা লাভ-লোকচানৰ বিচাৰ একো নকৰিলে। ১ ॥

"মন্ত্ৰীসকলেও তেওঁক বুজাবলৈ সাহস নকৰে। সেইবাবে কোনেও মোৰ পিতৃক সৎ উপদেশ দিয়া নাই। হায় হায়! জ্ঞানীসকলৰ সভাত এইটো বৰ অন্যায় কাৰ্য হৈছে। ক'ত বজ্ৰতকৈয়ো কঠোৰ এই ধনু আৰু ক'ত এই কিশোৰৰ কোমল শ্যাম শৰীৰ! ২ ॥

"হে বিধি! মই এতিয়া কেনেকৈ ধৈৰ্য ধৰিব পাৰোঁ? শিৰীষ ফুলৰ পাহিৰ জোখা আগটোৰে ক'ৰবাত হীৰা ফুটুৱাব পাৰি জানো? এই গোটেই সভাসদ-সকলৰে মতিভ্ৰম হৈছে। গতিকে হে হৰধনু! এতিয়া মোৰ তোমাতহে মাত্ৰ ভৰসা। ৩ ॥

"তুমি তোমাৰ জড়তা (ওজন বা ভৰ) অন্যলোকৰ গাত দি ৰঘুনাথৰ কোমল মূৰ্তিলৈ চাই নিজে পাতল হৈ পৰা।" এইদৰে সীতাই মনে মনে অনেক দুখ কৰিবলৈ ধৰিলে। তেওঁৰ কাৰণে চকুৰ পচাৰটোৱেই এশ যুগমান দীঘল নেযায়-হুপুৰায় যেন লাগিল। ৪ ॥

দোঃ—[সেইদৰে ভাবি থাকোঁতে] এবাৰ ৰামলৈ আৰু এবাৰ পৃথিৱীলৈ চোৱা সীতাৰ চঞ্চল চকু দুটা জলপাত্ৰত নাচি থকা চন্দ্ৰমণ্ডলৰ লগত খেলা কৰা কামদেৱৰ মাছ দুটাৰ নিচিনা [সুন্দৰ] দেখা গৈছিল। ২৫৮ ॥

চৌঃ—ভোমোৰা পদুম ফুলত আবদ্ধ হৈ থকাৰ দৰে সীতাৰ মুখতো তেওঁৰ ক'বলগীয়া সকলো কথা আবদ্ধ হৈ আছে। নিশা পদুম মুকলি নোহোৱাৰ দৰে লাজত সীতাই মুখেৰে মাতিব পৰা নাই। আকৌ তেওঁৰ চকু দুটাৰ চুকতে চকুপানীও পৰোঁ পৰোঁ হৈয়ো নপৰাকৈ আছে; যেন কৃপণেহে সোণ দিওঁ দিওঁ কৰিও নিদিয়াকৈ ৰাখি আছে। ১ ॥

এইদৰে নিজৰ ব্যাকুলতা বাঢ়ি যোৱা দেখি সীতাই মনটো সামৰি লৈ ধৈৰ্য ধৰি হৃদয়ত বিশ্বাস ওপজাই ল'লে। তেওঁ ভাবিলে—যদি শৰীৰ, মন আৰু বচনেৰে সৈতে মই সত্যত আছোঁ আৰু যদি ৰঘুপতিৰ পদ-কমলত মোৰ মন প্ৰকৃততে অনুৰক্ত হয়, তেনেহ'লে সকলোৰে হৃদয়ত থকা অন্তৰ্যামী ভগৱানে মোক নিশ্চয় ৰঘুপতিৰ দাসী কৰিব। যাৰ প্ৰতি প্ৰকৃত প্ৰেম থাকে, তাক পোৱাটো নিশ্চিত কথা। তাত সন্দেহ নাই। ২।৩॥

প্ৰভুৰ ফালে চাই সীতাই প্ৰেমৰ দৃঢ়তাৰে শৰীৰো সুদৃঢ় কৰি ললে। কৃপানিধি শ্ৰীৰামে সকলো জানিলে। তেওঁ সীতাৰফালে চাই ধনুখনলৈ এনেকৈ চালে যেন গৰুড়ে এটা সৰু সাপলৈহে চাইছে। ৪ ॥

দোঃ—লক্ষ্মণে ৰঘুকুলৰ শিৰোমণি শ্ৰীৰামক ধনুৰফালে চোৱা দেখি পুলকিত হৈ উঠা শৰীৰেৰে ব্ৰহ্মাণ্ডখন ভৰিৰে হেঁচা মাৰি ধৰি ক'বলৈ ধৰিলে—২৫৯ ॥

চৌঃ—"হে দিগ্‌গজ! হে কচ্ছপ! হে বৰাহ! হে শেষ নাগ! তোমালোকে ধৈৰ্য ধৰি পৃথিৱীক স্থিৰভাৱে ধাৰণ কৰা। যাতে ই বিচলিত নহয়। ৰামে হৰধনু ভংগ কৰিব খুজিছে। মোৰ আদেশ মানি সকলো সাৱধান হোৱা।" ১ ॥

শ্ৰীৰাম ধনুৰ ওচৰ চপাত সকলো মানুহে দেৱতাক আৰু নিজ নিজ পুণ্যক স্মৰণ কৰিলে। সকলোৰে সন্দেহ, অজ্ঞান-দুষ্ট ৰজাবোৰৰ অভিমান আৰু পৰশুৰামৰ দৰ্পৰ ভাৰ, দেৱতা আৰু মুনিসকলৰ কাতৰতা, সীতাৰ দুশ্চিন্তা, জনকৰ অনুতাপ, ৰাণীৰ দাৰুণ দুঃখৰ দাবানল—এই সকলোবোৰে হৰধনুৰূপী নোকা পাই লগে ভাগে গৈ তাত উঠি ল'লে। এইবোৰে একেলগে শ্ৰীৰামৰ বাহুবলৰূপ অপাৰ সমুদ্ৰ পাৰ হ'ব খুজিলে; কিন্তু কোনো নাৱৰীয়া নাই। ২।৩।৪ ॥

দোঃ—ৰামে প্ৰথমতে মানুহবিলাকলৈ চাই তেওঁলোকক চিত্ৰত আঁকি থোৱাৰ দৰে নিশ্চল দেখিলে। তাৰ পাছত সীতালৈ চাই তেওঁক অতি ব্যাকুল হোৱা দেখিলে। ২৬০ ॥

চৌঃ—অতি বিকল হৈ পৰা জানকীৰ এটা মুহূৰ্তই এক কল্প যেন হোৱা ৰামে দেখিবলৈ পালে। পানী খাবলৈ নেপাই প্ৰাণত্যাগ কৰা তৃষ্ণাতুৰ মানুহৰ আগত অমৃতৰ পুখুৰী থাকিলে কিটো হ'ব? ১ ॥

গোটেইবোৰ খেতি শুকাই যোৱাৰ পাছত বৰষুণ দিলে কি হ'ব? সময় পাৰ হৈ যোৱাৰ পাছত অনুতাপ কৰিলে কি লাভ হ'ব? মনতে এইদৰে ভাবি শ্ৰীৰামে জানকীৰ ফালে চালে আৰু সীতাৰ তেওঁৰ প্ৰতি বিশেষ প্ৰেম দেখি তেওঁ পুলকিত হ'ল। ২ ॥

মনে মনে তেওঁ গুৰুক প্ৰণাম কৰিলে আৰু হেলাৰঙে হৰধনু দাঙি ল'লে। তেওঁ দাঙি ধৰিলত ধনুখন বিজুলীৰদৰে চিক্‌মিকাবলৈ ধৰিলে; তাৰ পাছত আকাশৰ ধনুখনৰ (ৰামধেনুৰ) নিচিনা মণ্ডলাকাৰ দেখা গ'ল। ৩ ॥

ধনু কেতিয়া ল'লে, কেতিয়া দাঙিলে আৰু কেতিয়া টানিলে কোনেও তৰ্কিবই নোৱাৰিলে; সকলোৱে ৰামক কেৱল থিয় হোৱাহে দেখিলে। ৰামে

তৎক্ষণাত ধনুখন মাজতে ভাঙি পেলালে ; লগে লগে পৃথিৱী জুৰি এটা ভংকৰ শব্দ হ'ল। ৪ ॥

ছন্দঃ—ভয়ংকৰ শব্দটোৱে পৃথিৱী ভেদি গ'ল। সূৰ্যৰ ঘোঁৰাকেইটা গতি পথ এৰি আঁতৰি গ'ল। দিগ্‌গজসমূহে চিঞৰিবলৈ ধৰিলে ; পৃথিৱী টলবলাই উঠিল ; অনন্ত নাগ, বৰাহ আৰু কূৰ্ম কঁপিবলৈ ধৰিলে। দেৱতা, ৰাক্ষস আৰু মুনিসকলে কাণত হাত দি ব্যাকুল হৈ চিন্তা কৰিবলৈ ধৰিলে। তুলসীদাসে কৈছে—যেতিয়া সকলোৱে জানিলে যে ৰামে ধনুভংগ কৰিলে, তেতিয়া সেই সকলোৱেই শ্ৰীৰামৰ জয়ধ্বনি কৰিবলৈ ধৰিলে।

সোঃ—হৰধনু হৈছে জাহাজ আৰু শ্ৰীৰামৰ বাহুবল হৈছে সমুদ্ৰ। যিবিলাকে আহি এই জাহাজত মোহবশতঃ আশ্ৰয় লৈছিল, সেই সকলো বুৰ গ'ল। ২৬১ ॥

চৌঃ—প্ৰভু শ্ৰীৰামচন্দ্ৰই ভগাধনুৰ টুকুৰা দুটা মাটিত পেলাই দিলে। সকলোটিয়ে ৰামক এই বীৰত্ব দেখি সন্তোষ পালে। সমুদ্ৰ সদায় সুন্দৰ আৰু গভীৰ জলেৰে পৰিপূৰ্ণ। ৰামৰ প্ৰতি বিশ্বামিত্ৰ ঋষিৰ প্ৰেম ভাৱো পৱিত্ৰ আৰু গভীৰ সমুদ্ৰসদৃশ আছিল।

পূৰ্ণচন্দ্ৰ দেখি সমুদ্ৰত ঢৌ উঠাৰ নিচিনাকৈ বিশ্বামিত্ৰ ঋষিৰো তেতিয়া আনন্দতে শৰীৰ পুলকিত হৈ পৰিল।

আকাশত তীব্ৰভাবে দুন্দুভি বাজি উঠিল আৰু দেৱাংগনা সকলো নৃত্য গীত কৰিবলৈ লাগি গ'ল। ২ ॥

ব্ৰহ্মা আদি দেৱতা আৰু সিদ্ধ মুনিগণে প্ৰভুক প্ৰশংসা কৰি আশীৰ্বাদ দিবলৈ ধৰিলে। তেওঁলোকে ৰং-বিৰঙৰ ফুল আৰু মালা বৰ্ষণ কৰাত লাগিল। কিন্নৰবিলাকে ৰসাল গীত জুৰিলে। ৩ ॥

গোটেই বিশ্বতে জয় জয় ধ্বনি হ'বলৈ ধৰিলে ; সেই ধ্বনিয়ে ধনুভংগ হোৱা ধ্বনি তল পেলাই দিলে। য'তে ত'তে পুৰুষ-তিৰোতাবোৰে আনন্দ মনেৰে ৰামে গধুৰ হৰধনু ভঙাৰ কথা ক'বলৈ ধৰিলে। ৪ ॥

দোঃ—ধীৰমতি ভাট, চাৰণ আৰু সূতসকলে কীৰ্তিগীত গাবলৈ ধৰিলে। সকলো মানুহে হাতী, ঘোঁৰা, ধন, মণি, মুক্তা আৰু বস্ত্ৰ দান কৰিলে। ২৬২ ॥

চৌঃ—তাল, মৃদংগ, শংখ, শহনাই, ভেৰী, ঢোল, মনোমোহা দুন্দুভি আদি নানা প্ৰকাৰৰ শ্ৰেষ্ঠ বাদ্য বাজি উঠিল। সকলো ঠাইতে যুৱতীসকলে মংগল গীত গাবলৈ ধৰিলে। ১ ॥

সখীয়েকসকলৰ সৈতে জনক ৰজাৰ ৰাণী অতি আনন্দিত হ'ল ; যেন

শুকাবলৈ ধৰা ধাননিতহে জল ৰৰষুণ কৰিলে। জনকৰ চিন্তা দূৰ হোৱাত তেওঁ আনন্দ লাভ কৰিলে—যেন সাঁতুৰি ভাগৰি পৰা মানুহেহে ঠাউনি পালে। ২॥

দিনত চাকি যেনেকৈ নিষ্প্ৰভ হৈ পৰে, সেইদৰে ধনুভংগ হোৱা দেখি ৰজাবিলাক শ্ৰীহীন হৈ পৰিল। সীতাৰ সুখৰ বৰ্ণনা কেনেকৈ দিওঁ? যেনিবা চাতক পক্ষীয়ে স্বাতি নক্ষত্ৰৰ জলহে পান কৰিবলৈ পালে। ৩॥

চকোৰ চৰাইৰ পোৱালিয়ে চন্দ্ৰলৈ চোৱাৰ দৰে লক্ষ্মণে ৰামৰ ফালে চাবলৈ ধৰিলে।

তেতিয়া শতানন্দই আদেশ দিয়াত সীতাই ৰামৰ কাষলৈ গমন কৰিলে। ৪॥

দোঃ—লগত চতুৰ আৰু সুন্দৰী সখীয়েকইঁতে মংগল গীত গাই গ'ল; ৰাজ-হংসিনীৰ গতিত সীতা আগবাঢ়িল। তেওঁৰ অংগত অপাৰ সুষমা। ২৬৩॥

চৌঃ—সখীসকলৰ মাজত সীতাই কেনে শোভা পাইছে, যেন অনেক ছবিৰ মাজত থকা ডাঙৰ ছবিখনহে। পদুম যেন হাত দুখনিত বৰণৰ মালা, তাত যেন আছে—বিশ্ববিজয়ীজনৰ জয়-লক্ষ্মীৰ শোভা।

সীতাৰ শৰীৰত সংকোচ দেখা গৈছে; কিন্তু তেওঁৰ মনত পৰম উৎসাহ। তেওঁৰ মনৰ মাজত লুকাই থকা প্ৰেমৰ কথা কোনেও জানিব পৰা নাই। ওচৰ চাপি গৈ ৰামৰ ৰূপ-লাৱণ্য দেখি ৰাজকুমাৰী চিত্ৰত অঁকা মানুহৰ দৰে থৰ হৈ ৰৈ গ'ল। ২॥

চতুৰ সখীয়েকইঁতে এই অৱস্থা দেখি বুজাই ক'লে—"ধুনীয়া জয়মালা-ধাৰ পিন্ধাই দিয়া"। সেই কথা শুনি সীতাই মালাধাৰ দুয়োহাতেৰে দাঙি ধৰিলে; কিন্তু প্ৰেমত অধীৰ হৈ পিন্ধাব নোৱাৰিলে। ৩॥

সেই সময়ত সীতাৰ হাত দুখন এনেকুৱা ধুনীয়া দেখা গৈছিল যেন ঠাৰিৰে সৈতে দুপাহ পদুমেহে ভয়ে ভয়ে চন্দ্ৰক জয়মালা পিন্ধাব খুজিছে। এই দৃশ্য দেখি সখীয়েকইঁতে গীত গাবলৈ ধৰিলে। তেতিয়া সীতাই ৰামৰ ডিঙিত জয়মালা পিন্ধাই দিলে। ৪॥

সোঃ—ৰঘুপতিৰ বুকুত জয়মালা দেখি দেৱতাসকলে পুষ্পবৃষ্টি কৰিলে। সূৰ্যক দেখি ভেঁটফুল কোঁচ খাই যোৱাৰ দৰে ৰজাবিলাকৰ মনো কোঁচ খাই গ'ল। ২৬৪॥

চৌঃ—গোটেই নগৰত আৰু আকাশত বাদ্য বাজি উঠিল। দুষ্টবিলাক ভয়তে ম্লান হৈ গ'ল, সাধুসকল প্ৰসন্ন হ'ল। দেৱতা, কিন্নৰ, মনুষ্য, নাগ আৰু মুনিসকলে 'জয় জয়' উচ্চাৰণ কৰি আশীৰ্বাদ দিলে। ১॥

দেৱাংগনাসকলে নৃত্য-গীত কৰিবলৈ ধৰিলে; বাৰে বাৰে পুষ্পাঞ্জলি দিয়া হ'ল। সকলো ঠাইতে বিপ্ৰসকলে বেদধ্বনি কৰিবলৈ ধৰিলে; ভাটসকলে কীৰ্তি গীত গোৱাত লাগিল। ২ ॥

ৰামে হৰ-ধনু ভংগ কৰিলে আৰু সীতাই ৰামক বৰণ কৰিলে বুলি স্বৰ্গ, মৰ্ত্য আৰু পাতালত যশস্যা বিয়পি পৰিল। নগৰৰ নৰ-নাৰীসকলে আৰতি কৰিবলৈ ধৰিলে। তেওঁলোকে নিজৰ সঞ্চয়ৰ কথা পাহৰি জোখতকৈ বেছি উছৰ্গা কৰি পেলালে। ৩ ॥

ৰাম-সীতা দুয়োটি এনেদৰে শুৱাই পৰিছিল, যেন সৌন্দৰ্য আৰু শৃংগাৰ ৰসৰহে মিলন ঘটিছে। সখীয়েকসকলে ক'লে—"সীতা! ৰামৰ চৰণ স্পৰ্শ কৰাঁ।" কিন্তু অতিশয় ভয় লগাৰ কাৰণে সীতাই ৰামৰ চৰণ স্পৰ্শ কৰিব নোৱাৰিলে। ৪ ॥

দোঃ—গৌতম-পত্নীৰ গতিৰ কথা মনত পৰাত সীতাই হাতেৰে ৰামৰ চৰণ স্পৰ্শ কৰিব নোৱাৰিলে। সীতাৰ অলৌকিক প্ৰেম-ভক্তিৰ কথা জানি ৰঘুকুলৰ শিৰোমণি ৰামে মনে মনে হাঁহিলে। ২৬৫ ॥

চৌঃ—সেই সময়ত সীতাক দেখি কিছুমান ৰজাৰ মনত কামনা জাগিল। সেই দুষ্ট, অশুচি মনৰ আৰু মূৰ্খ ৰজাবোৰে মনে মনে গৰ্ব কৰিবলৈ ধৰিলে। সেই অভাগাইঁতে উঠি কৱচ পিন্ধিলে, ইফালে সিফালে লম্ফ জম্ফ কৰিবলৈ ধৰিলে। ১ ॥

কোনোৱে ক'লে—"সীতাক কাঢ়ি আনা, ৰাজকুমাৰ দুজনক বান্ধি থোৱাঁ, ধনু ভাঙিলেই বাঞ্ছা সিদ্ধি নহ'ব। আমি জীয়াই থাকোঁতে ৰাজকুমাৰীক কোনে বিয়া কৰাব পাৰে? ২ ॥

"যদি জনকে সহায় কৰিবলৈ যায়, দুয়ো ভাইৰ লগতে তেওঁকো যুদ্ধত পৰাস্ত কৰাঁ।" এই কথা শুনি সাধু স্বভাৱৰ ৰজাসকলে ক'লে—"এই ৰাজ সমাজক দেখি স্বয়ং লাজেও লাজ পাইছে। ৩ ॥

"হেৰা। তোমালোকৰ বল, প্ৰতাপ, বীৰত্ব, অহংকাৰ আৰু প্ৰতিষ্ঠা এই সকলো ধনুৰ লগতেই গ'ল। তেতিয়াৰ বীৰত্ব আছিল সেই; এতিয়াৰ এই বীৰত্ব ক'ৰপৰা আহিল। এনে দুষ্ট স্বভাৱৰ কাৰণেহে তোমালোকৰ মুখত বিধাতাই ক'লা বং সানিলে। ৪ ॥

দোঃ—"ঈৰ্ষা, দম্ভ আৰু ক্ৰোধ ত্যাগ কৰি চকুৰে হেঁপাহ পলুৱাই শ্ৰীৰামক চাই লোৱাঁ। লক্ষ্মণৰ ক্ৰোধ একুৰা প্ৰবল অগ্নি বুলি জানি তাত পতংগৰ দৰে জাহ নাযাবা। ২৬৬ ॥

"হে ৰজাসকল! গৰুড়পক্ষীৰ ভাগ কাউৰীয়ে বিচৰাৰ দৰে, সিংহৰ ভাগ শহাপহুৱে বিচৰাৰ দৰে, অকাৰণতে ক্ৰোধ কৰাসকলে কল্যাণ বিচৰাৰ দৰে, সদাশিৱৰ লগত বিৰোধ কৰি সম্পত্তি বিচৰাৰ দৰে, লোলুপ মানুহে সুকীৰ্তি বিচৰাৰ দৰে, কামাতুৰ মানুহে কলংকমুক্ত হ'বলৈ বিচৰাৰ দৰে, শ্ৰীহৰিৰ চৰণৰ প্ৰতি বিমুখ হৈ পৰমগতি বিচৰাৰ দৰে, তোমালোকে সীতাক বিচৰা কাৰ্যও নিষ্ফল হ'ব।" ১।২ ॥

কোলাহল হোৱা শুনি সীতাৰ মনত শংকা উপজিল। তেতিয়া সখীয়েকহঁতে তেওঁক ৰাণী থকা ঠাইলৈ লৈ গ'ল। মনে মনে সীতাৰ প্ৰেমৰ কথা সুঁৱৰি ৰামো গুৰুৰ ওচৰলৈ গ'ল। ৩ ॥

ৰাণী আৰু সীতাৰ মনত চিন্তা হ'ল—"বিধাতাই এতিয়া বা কি কৰে; কোনে জানে?" ৰজাবিলাকৰ কথা শুনি লক্ষ্মণে ইফালে-সিফালে চালে; কিন্তু ৰামৰ ভয়ত একো ক'ব নোৱাৰিলে। ৪ ॥

দোঃ—তেওঁৰ চকু ৰঙা পৰিল, চেলাউৰি কোঁচ খালে; তেওঁ খঙেৰে ৰজাবিলাকৰ ফালে চাবলৈ ধৰিলে। মত্ত হাতীৰ জুম দেখি যেন সিংহ-শিশুহে উত্তেজিত হৈ উঠিল। ২৬৭ ॥

চৌঃ—হুলস্থুল হোৱা দেখি নগৰৰ তিৰোতাসকল ব্যাকুল হৈ পৰিল আৰু সকলোৱে মিলি ৰজাবিলাকক গালি দিবলৈ ধৰিলে। সেই সময়তে হৰধনু ভংগ হ'ল বুলি শুনি ভৃগুকুলৰূপী কমলৰ সূৰ্যস্বৰূপ পৰশুৰাম আহি উপস্থিত হ'ল। ১ ॥

তেওঁক দেখি ৰজাসকল কোঁচ খাই গ'ল, যেন শেনে চোঁচা মাৰি গ'লত মৌপিয়া চৰাইহে আঁতৰি পলাল। পৰশুৰামৰ গৌৰ বৰণৰ শৰীৰত বগা ভস্মই শোভা বঢাইছে; বহল কপালত ত্ৰিপুণ্ড্ৰ (ফোঁট) জিলিকিছে। ২ ॥

তেওঁৰ শিৰৰ জটা; সুন্দৰ মুখচন্দ্ৰ খঙত অলপ ৰঙা পৰি আহিছে। চেলাউৰি কুঁপ খাইছে আৰু চকু খঙত ৰঙা পৰি গৈছে। দেখাত স্বাভাৱিক যেন লাগিছে যদিও তেওঁৰ যে খং উঠিছে সেই কথা অনুমান কৰিব পাৰি। ৩ ॥

বৃষভৰ দৰে (উন্নত হৃষ্ট-পুষ্ট) স্কন্ধ, বহল বুকু, দীঘল বাহু। সুন্দৰ যজ্ঞসূত্ৰ পিন্ধিছে, মালা পিন্ধিছে আৰু মৃগচৰ্ম ধাৰণ কৰিছে। কঁকালত মুনিৰ (বাকলি) বসন আৰু দুটা তূণ বান্ধি থোৱা আছে। হাতত ধনু শৰ আৰু গুৰনি কান্ধত এখন কুঠাৰো লৈ আছে। ৪ ॥

দোঃ—বেশ শান্ত, কিন্তু কাৰ্য ভয়ংকৰ; গতিকে এওঁৰ স্বৰূপ বৰ্ণনা কৰিব নোৱাৰি। যেন সকলো ৰজা থকা ঠাইলৈ বীৰ-ৰসহে মূৰ্তি ধৰি আহিল। ২৬৮ ॥

চৌঃ—ভৃগুপতিৰ ভয়ানক বেশ দেখি সকলো ৰজাই ভয়ত আকুল হৈ থিয় হ'ল আৰু পিতাকৰ নাম আৰু নিজৰ নাম কৈ সকলোৱে দণ্ডৱৎ প্ৰণাম কৰিবলৈ ধৰিলে। ১ ॥

পৰশুৰামে কাৰোবাৰ ফালে সহজ আৰু হিতকৰ দৃষ্টিৰে চালেও যাৰ ফালে চায়, তেওঁ সেইখিনিতে নিজৰ আয়ুস শেষ হোৱা বুলি ভাবে। জনক ৰজাই পৰশুৰাম অহা দেখি প্ৰণাম কৰিলেহি আৰু সীতাকো মতাই আনি সেৱা কৰালে। ২ ॥

পৰশুৰামে সীতাক আশীৰ্বাদ দিয়া দেখি সখীয়েকহঁতে আনন্দ পালে আৰু সেই চতুৰ সখীয়েকহঁতে সীতাক নিজৰ সমাজলৈ লৈ গ'ল। তাৰ পাছত বিশ্বামিত্ৰই দেখা কৰিলেহি আৰু তেওঁ ৰাম-লক্ষ্মণক পৰশুৰামৰ চৰণকমলত প্ৰণাম কৰালে। ৩ ॥

(বিশ্বামিত্ৰই ক'লে—) "এওঁলোক দশৰথৰ পুত্ৰ ৰাম-লক্ষ্মণ।" এই সুন্দৰ ল'ৰা দুটিক দেখি পৰশুৰামে আশীৰ্বাদ দিলে। কামদেৱৰো অভিমান খৰ্ব কৰা শ্ৰীৰামৰ অনন্ত সৌন্দৰ্য দেখি তেওঁৰ চকু থৰ হ'ল। ৪ ॥

দোঃ—তাৰ পাছত জানিও নজনাৰ দৰে তেওঁ জনকক সুধিলে— "কোৱাচোন, ইমান মানুহ কিয় গোট খাইছে ?" তেওঁৰ শৰীৰত ক্ৰোধ বিয়পি পৰিছিল। ২৬৯ ॥

চৌঃ—কি কাৰণতনো ৰজাসকল গোট খাইছে, জনকে সেই সকলো কথা বিৱৰি ক'লে। জনকৰ কথা শুনি পৰশুৰামে সিফালে ঘূৰি চাই ধনুৰ টুকুৰা মাটিত পৰি থকা দেখিলে। ১ ॥

অতি খঙেৰে সৈতে তেওঁ ক'বলৈ ধৰিলে—"হেৰ মূৰ্খ জনক ! ধনু কোনে ভাঙিলে ক। তাক সোনকালে দেখুৱাই দে। মূৰ্খ, নহ'লে তোৰ ৰাজ্য য'লৈকে আছে, আজি মই তালৈকে পৃথিৱী ওলট-পালট কৰি দিম।" ২ ॥

—ৰজাৰ বৰ ভয় লাগিল ; গতিকে তেওঁ একো উত্তৰ নিদিলে। তাকে দেখি কুটিল ৰজাবোৰে মনত বৰ ৰং পালে। দেৱতা, মুনি, নাগ আৰু নগৰৰ নৰ-নাৰী—এই সকলো চিন্তিত হৈ পৰিল। সকলোৰে মনত বৰ ভয় হ'ল। ৩ ॥

সীতাৰে সৈতে মাকে এইবুলি অনুতাপ কৰিবলৈ ধৰিলে—"হায়, বিধাতাই হৈ যোৱা কথাতো বিধি-পথালি ঘটাইছে। পৰশুৰামৰ স্বভাৱৰ কথা শুনি সীতাৰ আধা মুহূৰ্তকে এক কল্প যোৱা যেন লাগিল। ৪ ॥

দোঃ—তেতিয়া ৰামে সকলোকে ভয়ত বিয়াকুল হোৱা দেখি আৰু সীতাই ভয় খোৱা দেখি ক'ৰলৈ ধৰিলে ; কিন্তু তেওঁৰ মনত হৰ্ষ-বিষাদ একো নহ'ল। ২৭০ ॥

চৌঃ—[ৰামে ক'লে—] "হে নাথ! হৰধনু ভংগকাৰীজন আপোনাৰে কোনো এজন দাস। কি আজ্ঞা, নকয় কিয় ?" সেই কথা শুনি খঙাল ঋষিয়ে খং কৰি ক'লে—১ ॥

"যি সেৱাৰ কাম কৰে তেওঁহে সেৱক ; শত্ৰুৰ কাম কৰা জনৰ লগত যুদ্ধহে কৰা উচিত। শুনা ৰাম! যি হৰধনু ভাঙিলে, তেওঁ সহস্ৰবাহুৰ দৰে মোৰ শত্ৰু। ২ ॥

"তেওঁ এই সমাজৰপৰা বেলেগ হৈ যাওক। নহ'লে গোটেইবোৰ ৰজা মৰা পৰিব।" মুনিৰ কথা শুনি লক্ষ্মণে মিচিকিয়াই হাঁহিলে আৰু পৰশুৰামক অপমান কৰি ক'লে—৩ ॥

"হে গোসাঁই, ল'ৰাকালত আমি বহুত ধনু ভাঙিলোঁ, কিন্তু আপুনি তেতিয়া এনেকৈ খং নকৰিলে। এই ধনুৰ ওপৰত আপোনাৰ মমতাৰ কাৰণ কি ?" এই কথা শুনি ভৃগুবংশৰ ধ্বজাস্বৰূপ পৰশুৰামে খঙেৰে ক'লে—৪ ॥

দোঃ—"হেৰ ৰাজকুমাৰ। কালৰ বশ হৈ তই নভবা নিচিন্তাকৈ কথা কৈছ। জগদ্‌বিখ্যাত শিৱৰ এই ধনু ল'ৰাই ধেমালি কৰা ধনুৰ লগৰ বস্তু নেকি ?" ২৭১ ॥

চৌঃ—লক্ষ্মণে হাঁহি মাৰি ক'লে—"আমি জনাত সকলো ধনু একেই। পুৰণি ধনু এখন ভাঙিলে কি লাভ-লোকচান হ'ব ? শ্ৰীৰামে এই ধনুখন পুৰণি বুলি জনা নাছিল। ১ ॥

"পিছে চোওঁতেই ভাগি থাকিল। তাত ৰামৰ কোনো দোষ নাই। হে মুনি, আপুনি অকাৰণতে কিয় খং কৰিছে ?" পৰশুৰামে নিজৰ কুঠাৰ-খনলৈ চাই ক'লে—"অৰে দুষ্ট! তই মোৰ স্বভাৱৰ কথা শুনা নাই ? ২ ॥

"মই তোক ল'ৰা বুলিহে বধ কৰা নাই, মূৰ্খ। তই মোক সাধাৰণ মুনি বুলি ভাবিছ ? মই বালব্ৰহ্মচাৰী আৰু অত্যন্ত খঙাল আৰু ক্ষত্ৰিয় কুলৰ শত্ৰু বুলি জগততে বিখ্যাত। ৩ ॥

"মই বাহুবলৰদ্বাৰা পৃথিৱী নিক্ষত্ৰিয় কৰিলোঁ আৰু কেইবাবাৰো পৃথিৱী ব্ৰাহ্মণৰ হাতত গটাইছিলোঁ। হেৰ ৰাজকুমাৰ! সহস্ৰবাহুৰ বাহু ছেদ কৰা মোৰ এই কুঠাৰ চাই ল। ৪ ॥

দোঃ—"ৰাজকুমাৰ, তই মাৰ-বাপেৰক চিন্তাত নেপেলাবি। মোৰ এই ভয়ংকৰ কুঠাৰে গৰ্ভস্থ সন্তানকো নাশ কৰে।" ২৭২ ॥

চৌঃ—লক্ষ্মণে হাঁহি মাৰি কোমল মাতেৰে ক'লে—"হে মুনিৰাজ! আপুনি নিজকে বৰ ডাঙৰ যোদ্ধা বুলি ভাবিছে। বাৰে বাৰে মোক কুঠাৰখন দেখুৱাইছে। ফু মাৰি পৰ্বত উৰাই দিব খুজিছে। ১ ॥

"ইয়াত এনে কোনো অলপ ধতুৰা মানুহ নাই, যি তৰ্জনী আঙুলি দেখিয়েই ভয়ত মৰি যাব। কুঠাৰ আৰু ধনু-শৰ দেখি মই দম্ভ কৰিয়েই কথা কৈছোঁ। ২ ॥

"আপোনাক ভৃগুবংশী বুলি আৰু আপোনাৰ যজ্ঞসূত্ৰ দেখি মই আপোনাৰ কথাবোৰ ক্ৰোধ সামৰি হ'লেও সহ্য কৰিছোঁ, দেৱতা, ব্ৰাহ্মণ, ভক্ত আৰু গোজাতিৰ ওপৰত আমাৰ বংশই বীৰত্ব নেদেখুৱায়। ৩ ॥

"কাৰণ এওঁলোকক মাৰিলেও পাপ হয়, তেওঁলোকৰ হাতত পৰাস্ত হ'লেও দুৰ্যশ হয়, গতিকে আপুনি লাগিলে মাৰকেই, তথাপি আমি আপোনাৰ ভৰিতহে পৰিব লাগিব। আপোনাৰ এবাৰ কথাই কোটি কোটি বজ্ৰৰ সমান। ধনু শৰ আৰু কুঠাৰ আপুনি মিছাতে লৈ ফুৰিছে। ৪ ॥

দোঃ—"এইকেইটা বস্তু দেখি মই যদি কিবা অনুচিত কথা কৈছোঁ, তেনেহ'লে হে বীৰ মহামুনি! ক্ষমা কৰিব।" এই কথা শুনি ভৃগুকুলৰ শিৰোমণি পৰশুৰামে ক্ৰোধ কৰি গম্ভীৰভাৱে ক'লে—২৭৩ ॥

চৌঃ—"হে বিশ্বামিত্ৰ! শুনা, এই বালক বৰ কুবুদ্ধি আৰু কুটিল। কাল-চক্ৰত পৰি ই স্ব-কুলৰ বিনাশকাৰী হৈছে। ই সূৰ্যবংশৰূপী চন্দ্ৰত কলংকস্বৰূপ। ই অতি উদণ্ড, মূৰ্খ আৰু ভয়-সংশয় নোহোৱা স্বভাৱৰ। ১ ॥

"এতিয়া ক্ষন্তেকতে ই কালৰ গৰাহত পৰিব। মই চিঞৰি চিঞৰি কৈ দিছোঁ—পাছত মোৰ গাত দোষ নাথাকিব। যদি তুমি তাক বঁচাব খুজিছা, তেতিয়াহ'লে মোৰ বল, প্ৰতাপ আৰু ক্ৰোধৰ কথা বুজাই দিয়া।" ২ ॥

লক্ষ্মণে ক'লে—"হে মুনি! আপুনি সাক্ষাৎ থাকোঁতে আপোনাৰ সুযশ কোনে বৰ্ণাব পাৰে? আপুনি নিজ মুখেৰেই নিজৰ কাৰ্যাৱলীৰ কথা অনেকবাৰ বখানিলে। ৩ ॥

"ইমানতো সন্তোষ নালাগিল যদি আৰু কি কয় কওক। ক্ৰোধক বাধা দি অসহ্য দুখ সহিব নালাগে। আপুনি বীৰব্ৰতী, ধীৰ আৰু ক্ষোভৰহিত। গতিকে গালি দিলে শোভা নাপায়। ৪ ॥

দোঃ—বীৰ পুৰুষে যুদ্ধক্ষেত্ৰতহে কৰ্তব্য পালন কৰে ; মুখৰ কথাৰে নিজৰ পৰিচয় নিদিয়ে। যুদ্ধত শত্ৰুৰ সন্মুখীন হৈ কাপুৰুষেহে নিজৰ প্ৰতাপ বখানে। ২৭৪ ॥

চৌঃ—"আপুনিচোন মোৰ কাৰণে কালকহে বাৰে বাৰে চিঞৰি চিঞৰি মাতিছে।" লক্ষ্মণৰ টান কথা শুনি পৰশুৰামে তেওঁৰ ভয়ংকৰ কুঠাৰখন ঠিক-ঠাক কৰি হাতত তুলি ল'লে। ১ ॥

[আৰু ক'লে—] "এতিয়া মানুহে মোক দোষ দিব নোৱাৰে। এই কটু কথা কোৱা ল'ৰাটো মাৰি পেলোৱা উচিত। ল'ৰা মানুহ বুলিহে মই অতখিনি কথা কলোঁ। এতিয়া দেখিলোঁ—ই সঁচাকৈয়ে মৰিবলৈহে আহিছে।" ২ ॥

বিশ্বামিত্ৰই ক'লে—"অপৰাধ ক্ষমা কৰক। ল'ৰাৰ দোষ-গুণৰ কথা সাধু-লোকে নধৰে।" [পৰশুৰামে উত্তৰ দিলে—] "তীক্ষ্ণধাৰ কুঠাৰ সহ এই নিৰ্দয় আৰু অতি ক্ৰুদ্ধ মই! সিমানতো এই গুৰুদ্ৰোহী অপৰাধীয়ে সমুখত উত্তৰ দিব লাগিছে। তথাপি যদি মই তাক নমৰাকৈ এৰিছোঁ, তেনেহ'লে হে বিশ্বামিত্ৰ! কেৱল তোমাৰ সৎচৰিত্ৰৰ কাৰণেহে। নহ'লে এই কঠোৰ কুঠাৰেৰে টুকুৰা টুকুৰ কৰি অলপ পৰিশ্ৰমতে গুৰুৰ ঋণ শুজিলোহেঁতেন। ৩। ৪ ॥

দোঃ—পৰশুৰামৰ কথাত বিশ্বামিত্ৰৰ মনে মনে হাঁহি উঠিল আৰু তেওঁ ভাবিবলৈ ধৰিলে—"মুনিয়ে (পৰশুৰামে) সকলো ক্ষত্ৰিয়কে সমান বুলি ভাবিছে। এয়া যে লোহাৰে নিৰ্মিত খড়্গহে, কুঁহিয়াৰৰ ৰসেৰে প্ৰস্তুত গুড়ৰ খণ্ড নহয়, —সেই কথা জানিবলৈ তেওঁৰ এতিয়াও বহু বাকী থকাবাবেহে এনেধৰণৰ অবুজন লোকৰ দৰে হৈছে।"

লক্ষ্মণে ক'লে—"হে মুনি, আপোনাৰ চৰিত্ৰৰ কথা কোনে নাজানে? ই জগৎপ্ৰসিদ্ধ কথা যেখোন। আপুনি ভালকৈয়ে পিতৃ-মাতৃৰ ঋণ শুজিলে ; এতিয়া গুৰু-ঋণ বাকী আছে, তাৰ বাবেহে আপোনাৰ মনত চিন্তা হৈছে। ১ ॥

"সেই ঋণটো যেন আমাৰ মূৰ ছিঙাটোহে। বহুত দিন হ'ল, সুদ বহুত বাঢ়িব পায়। এতিয়া হিচাব কৰা মানুহ মাতি আনক ; মই ততালিকে মোনাৰ মুখ মুকলি কৰি দিম।" ২ ॥

লক্ষ্মণৰ কটু কথা শুনি পৰশুৰামে কুঠাৰ ঠিক কৰি ল'লে। গোটেই সভাসদে 'হায় হায়' কৰি চিঞৰি উঠিল। [লক্ষ্মণে ক'লে—] "হে ভৃগুশ্ৰেষ্ঠ! আপুনি মোক কুঠাৰ দেখুৱাইছে ; কিন্তু হে ক্ষত্ৰিয়ৰ বৈৰী, মই ব্ৰাহ্মণ বুলিহে চাই আছোঁ। ৩ ॥

"আপুনি কেতিয়াও ৰণত বীৰ যোদ্ধা পোৱা নাই ; হে ব্ৰাহ্মণ দেৱতা, আপুনি ঘৰৰ ভিতৰতহে বৰ মানুহ। এই কথা শুনি 'অনুচিত, অনুচিত' এইবুলি মানুহে চিঞৰিবলৈ ধৰিলে। তেতিয়া ৰামে ইঙ্গিতেৰে লক্ষ্মণক বাধা দিলে। ৪ ॥

দোঃ—ঘিউ পৰা জুই জ্বলি উঠাৰ দৰে লক্ষ্মণৰ কথা শুনি পৰশুৰামৰ খঙৰ জুইকুৰাও দপ্‌দপ্‌ কৰি জ্বলি উঠিল। তেতিয়া ৰামে সেই জুইকুৰাত পানী ছটিয়াবলৈ লোৱাৰ দৰে কথা ক'বলৈ আৰম্ভ কৰিলে। ২৭৬ ॥

চৌঃ—"হে নাথ! ল'ৰাটিৰ প্ৰতি কৃপা কৰক। এই সৰল আৰু ফুকলীয়া ল'ৰাটিৰ ওপৰত খং নকৰিব। যদি তেওঁ প্ৰভুৰ (আপোনাৰ) প্ৰভাৱৰ কথা জানিলেহেঁতেন, তেনেহ'লে কেতিয়াও এইদৰে ফেৰ নাপাতিলেহেঁতেন। ১ ॥

"ল'ৰাই চপলতা দেখুৱালেও গুৰু আৰু পিতৃ-মাতৃৰ মন আনন্দত ভৰি পৰে। গতিকে এওঁক সৰু ল'ৰা আৰু সেৱক বুলি কৃপা কৰক। আপুনি সুশীল, সমদৰ্শী আৰু জ্ঞানী মুনি।" ২ ॥

ৰামৰ কথা শুনি তেওঁ কিছু শান্ত হ'ল। তেনেকুৰাতে লক্ষ্মণে আকৌ কিবা এটি কৈ হাঁহি মাৰিলে। তেওঁক ইহা দেখি পৰশুৰামৰ খঙে মূৰৰ চুলি পালেগৈ। (তেওঁ ক'লে,) "ৰাম—তোমাৰ ভায়েৰ বৰ পাপী। ৩ ॥

"ইয়াৰ গাটোহে বগা, অন্তৰখন তেনেই ক'লা। ইয়াৰ ওঁঠ চেপিলেও গাখীৰ নোলায়, কালকূট বিষহে ওলাব। স্বভাৱতে কুটিল। ই তোমাৰ দৰে নহয়। এই নীচে মোক কাল বুলি জনা নাই।" ৪ ॥

দোঃ—লক্ষ্মণে হাঁহি মাৰি ক'লে—"হে মুনি! শুনক। ক্ৰোধ পাপৰ মূল-স্বৰূপ। ইয়াৰ বশ হৈ মানুহে অনুচিত কাৰ্য কৰি পেলায় আৰু গোটেই বিশ্বৰে প্ৰতিকূল আচৰণ কৰে। ২৭৭ ॥

চৌঃ—"হে মুনিৰাজ! মই আপোনাৰ দাস। এতিয়া ক্ৰোধ ত্যাগ কৰি মোক দয়া কৰক। ভগা ধনুখন খং কৰিলে জোৰা নালাগে। থিয় হৈ হৈ আপোনাৰ ভৰি বিষাব পায় ; গতিকে আপুনি বহি থাকক। ১ ॥

"যদি ধনুখন আপোনাৰ বৰ মৰমৰ, তেনে কিবা এটা উপায় কৰা যাওক। কোনোবা জনা-বুজা মানুহ মাতি আনি জোৰা লগোৱা হওক।" লক্ষ্মণৰ কথা শুনি জনকৰ ভয় লগাত, তেওঁ ক'লে—"হ'ব, হ'ব, মনে মনে থাকা। অনুচিত কথা কোৱা ভাল নহয়।" ২ ॥

মিথিলাৰ নৰ-নাৰী ভয়তে কঁপিবলৈ ধৰিলে (আৰু মনে মনে ভাবিলে)

"ল'ৰাহে সক, বৰ দুষ্ট কিন্তু।" লক্ষ্মণৰ নির্ভয় কথা শুনি শুনি ভৃগুপতিৰ খঙতে গা জ্বলি গ'ল আৰু তেওঁৰ বল কমি যাবলৈ ধৰিলে। ৩॥

তেতিয়া পৰশুৰামে শ্ৰীৰামক কৃতজ্ঞতা জনাই ক'লে—"তোমাৰ ভায়েৰা বুলিহে মই চাই আছোঁ। ইয়াৰ চেহেৰাটোহে ধুনীয়া, মনটো কেনে মলিন! যেন বিহ ভৰাই থোৱা সোণৰ কলহহে।" ৪॥

দোঃ—এই কথা শুনি লক্ষ্মণৰ আকৌ হাঁহি উঠিল। তেতিয়া ৰামে তেওঁৰ ফালে বেঁকাকৈ চালে আৰু লক্ষ্মণে সংকোচ কৰি, ওলোটা কথা ক'বলৈ এৰি বিশ্বামিত্ৰৰ ওচৰ পালেগৈ। ২৭৮॥

ৰামে দুয়োহাত যোৰ কৰি অতি বিনীতভাৱেৰে কোমল মাতেৰে মন জুৰ পৰাকৈ ক'লে—"হে নাথ! শুনক। আপুনি নিজেই জ্ঞানী পুৰুষ। আপুনি ল'ৰাৰ কথালৈ কাণ নকৰিব। ১॥

"ধৰল আৰু ল'ৰাৰ স্বভাৱ একেই [গোঁ গোঁৱাই থাকে]। ভাল মানুহে তাত দোষ নধৰে। তাতে আকৌ লক্ষ্মণেতো একো হানিকাৰক কাম কৰা নাই; হে নাথ! আপোনাক মইহে দোষ লগালোঁ। ২॥

"হে স্বামী! আপুনি কৃপাই কৰক বা খঙেই কৰক, বধেই কৰক বা বন্ধনেই কৰক, দাসক কৰাৰ দৰে মোকহে কৰক। হে মুনিৰাজ! যাতে আপোনাৰ ক্ৰোধ সোনকালে উপশম হয় তেনে উপায় দিয়ক, মই তাকে কৰোঁ।" ৩॥

মুনিয়ে ক'লে—"ৰাম, মোৰ ক্ৰোধ কেনেকৈ শান্ত হ'ব? এতিয়াও তোমাৰ ভায়েৰাই মোলৈ কেৰাহিকৈ চাইছে। ইয়াৰ ডিঙিত কুঠাৰ থোৱাৰ বাহিৰে মোৰ খঙৰ আৰু কি কাম থাকিব পাৰে? ৪॥

দোঃ—"মোৰ যিথন কুঠাৰৰ ভয়ানক কাৰ্য শুনি ৰজাবিলাকৰ পত্নীসমূহৰ গৰ্ভপাত হয়, সেইখন কুঠাৰ থাকোঁতে মই এই ৰাজকুমাৰক জীয়াই অৱস্থাত চাই আছোঁ। ২৭৯॥

চৌঃ—"হাত নচলা হ'ল; ক্ৰোধত বুকু দাহিব লাগিছে। (হায়) নৃপঘাতী এই কুঠাৰো কুণ্ঠিত হৈ গ'ল; বিধি বিপৰীত হ'ল; মোৰ স্বভাৱৰ পৰিৱৰ্তন ঘটিছে, সেইকাৰণেহে। নহ'লে মোৰ হৃদয়ত কেতিয়া দয়া ওপজে? ১॥

"আজি দয়াই মোক এই দুঃসহ দুখ সহ্য কৰাইছে।" পৰশুৰামৰ এই কথা শুনি সুমিত্ৰানন্দনে হাঁহি মাৰি মুৰ দোঁৱালে (আৰু ক'লে—) "আপোনাৰ কৃপাৰূপী বায়ুও আপোনাৰ শৰীৰৰ অনুকূলে বৈছে। কথা কওঁতে যেন ফুলহে সৰিছে। ২॥

"হে মুনি! যদি কৃপা কৰাৰ বাবে আপোনাৰ গা জ্বলি গৈছে, তেনে খং

উঠিলে বিধাতাই আপোনাক ৰক্ষা কৰিব।” [পৰশুৰামে ক’লে—] “হেৰা জনক! চোৱাঁ। এই মূৰ্খ বালকে জেদ ধৰি যমপুৰত থাকিবলৈ বাসনা কৰিছে।

“ইয়াক সোনকালে চকুৰ আঁতৰ নকৰোঁ কিয়? ই ৰজাৰ পুতেক দেখাতহে সৰু, বৰ দুষ্ট।” লক্ষ্মণে হাঁহি মাৰি মনতে ভাবিলে “চকু মুদি ল’লেই কোনো ক’তো নোহোৱা হৈ পৰিব দেখোন।”

দোঃ—তেতিয়া পৰশুৰামে মনত ভয়ানক ক্ৰোধ লৈ ৰামক ক’লে—“হেৰ শঠ, তই শিৱৰ ধনু ভাঙি ঘূৰাই আমাকহে শিক্ষা দিব খুজিছ। ২৮০ ॥

চৌঃ—“ভায়েৰে তোৰ সাহতহে ইমান কটু কথা কৈছে আৰু তই হাতযোৰ কৰি বিনয় দেখুৱাইছ। হয় মোক যুদ্ধত সন্তুষ্ট কৰ, নহয় ৰাম নাম এৰি দে। ১ ॥

“শিৱদ্ৰোহী! ছলনা ত্যাগ কৰি যুদ্ধ দে। নহ’লে ভায়েৰৰ সৈতে তোক বধ কৰিম।” এইদৰে পৰশুৰামে কুঠাৰ দাঙি লৈ তৰ্জন-গৰ্জন কৰিবলৈ ধৰিলে আৰু ইফালে শ্ৰীৰামেও তল-মূৰ কৰি মনে মনে হাঁহিলে। ২ ॥

[তেওঁ মনতে ভাবিলে—] “দোষ কৰিলে লক্ষ্মণে আৰু খং কৰিছে মোৰ ওপৰত। কেতিয়াবা সৰলতাও ডাঙৰ দোষহে হয়। কুটিল যেন দেখিলেহে মানুহে বন্দনা কৰি থাকে; বেঁকা চন্দ্ৰক ৰাহুৱেও গ্ৰাস নকৰে। ৩ ॥

[তাৰ পাছত ফুটাই ক’লে] “হে মুনিবৰ! আপুনি ক্ৰোধ ত্যাগ কৰক। আপোনাৰ হাতত কুঠাৰ আছে আৰু মই এয়া নিজৰ মূৰ আগ বঢ়াই দিছোঁ। হে স্বামী! যিটো কৰিলে আপোনাৰ ক্ৰোধ শান্ত হয়, তেনে যি কাম ভাল দেখে তাকে কৰক আৰু মোক আপোনাৰ দাস বুলি ধৰক। ৪ ॥

দোঃ—“স্বামী আৰু সেৱকৰ মাজত কেনেকৈ যুদ্ধ হ’ব? হে বিপ্ৰবৰ! ক্ৰোধ ত্যাগ কৰক। আপোনাৰ (বীৰৰ) বেশ দেখিহে ল’ৰাটোৱে কিবা-কিবি কথা কৈ দিছে। প্ৰকৃততে তেওঁৰ কোনো দোষ হোৱা নাই। ২৮১ ॥

চৌঃ—“আপোনাক কুঠাৰ আৰু ধনুশৰ ধাৰণ কৰা দেখি বীৰ বুলি ভাবি ল’ৰাৰ খং উঠি গ’ল। তেওঁ আপোনাৰ নাম জানে; কিন্তু আপোনাক ভালকৈ চিনি নাপায়। নিজ বংশৰ (ৰঘুবংশ) স্বভাৱ অনুসৰি তেওঁ উত্তৰ দিয়াত লাগিল। ১ ॥

“আপুনি মুনিৰ বেশেৰে অহা হ’লে, ল’ৰাই আপোনাৰ পদধূলি শিৰত তুলি ল’লেহেঁতেন। হে গোসাঁই, অজ্ঞানীৰ ভুল ক্ষমা কৰক। ব্ৰাহ্মণসকলৰ হৃদয়ত বেছিকৈ দয়াগুণ থকা উচিত। ২ ॥

"হে নাথ! মই কেনেকৈ আপোনাৰ সমান হ'ব পাৰোঁ? কওক বাৰু, ক'ত চৰণৰ ঠাই আৰু ক'ত মুৰৰ ঠাই? মোৰ নামটোও সৰু—কেৱল ৰাম; আন হাতে পৰশু লগ্নৰে সৈতে আপোনাৰ 'ৰাম' নামটোও ডাঙৰ। ৩॥

"হে দেৱ! আমাৰ ধনুত এগুণহে আছে, আপোনাৰ পৰম পবিত্ৰ [শম, দম, তপ, শৌচ, ক্ষমা, সৰলতা, জ্ঞান, বিজ্ঞান আৰু আস্তিকতা—এই] নটি গুণ আছে। আমি সকলো প্ৰকাৰে আপোনাৰ ওচৰত পৰাস্ত হৈছোঁ। হে বিপ্ৰ! আমাৰ অপৰাধ ক্ষমা কৰক।" ৪॥

দোঃ—ৰামচন্দ্ৰই পৰশুৰামক বাৰে বাৰে মুনি, বিপ্ৰবৰ বুলি কোৱা দেখি ভৃগুপতিয়ে খঙেৰে হাঁহি মাৰি ক'লে—"তয়ো ভায়েৰৰ দৰেই কুটিল স্বভাৱৰ। ২৮২॥

চৌঃ—"তই মোক সাধাৰণ ব্ৰাহ্মণ বুলি ভাবিছ। মই কেনেকুৱা ব্ৰাহ্মণ কওঁ, শুন। ধনুখন ঘিউ ঢলা হেতা, শৰবিলাক আহুতি আৰু মোৰ ক্ৰোধ একুৱা ভয়ংকৰ অগ্নি বুলি জানিবি। ১॥

"চতুৰংগ সেনা হৈছে যজ্ঞৰ সমিধ, ডাঙৰ ডাঙৰ ৰজাবোৰ হ'ল যজ্ঞৰ পশু, সিইতক মই এই কুঠাৰেৰে কাটি বলি দিলোঁ। সেইদৰে মই কোটি কোটি ৰণ-যজ্ঞ সমাধা কৰিলোঁ। ২॥

"মোৰ প্ৰভাৱৰ কথা তই বুজা নাই; সেই কাৰণেহে মোক সাধাৰণ বামুণ বুলি তই অনাদৰ কৰি কথা কৈছ। ধনু ভাঙিলোঁ বুলিয়েই তোৰ দৰ্প বাঢ়ি গৈছে। এনেকুৱা অহংকাৰ হৈছে যেন পৃথিবীহে জিনিলে।" ৩॥

ৰামচন্দ্ৰই ক'লে—"হে মুনি! ভাবি-চিন্তি চাই কথা কওক। আপোনাৰ খং বৰ বেছি হৈছে, মোৰ দোষ অতি নগণ্য। ধনুখন পুৰণি বাবে চোঁওতেই ভাগি থাকিল। গতিকে মই অভিমান কৰাৰ হেতু কি থাকিল? ৪॥

দোঃ—"হে ভৃগুপতি! যদি আমি সঁচাকৈয়ে ব্ৰাহ্মণ বুলি অৱজ্ঞা কৰিছোঁ, তেন্তে সঁচা কথা কওঁ শুনক। জগতত এনে কোন যোদ্ধা আছে যাৰ ওচৰত আমিও ভয়ত মুৰ দোঁৱাওঁ? ২৮৩॥

চৌঃ—"দেৱতা, দৈত্য, ৰজা বা অন্য যেনেকুৱা যোদ্ধাই নহওক লাগিলে, আমাৰে সৈতে সমান বলী, বা অধিক বলী যেয়ে নহওক লাগিলে, তেওঁ যদি যুদ্ধলৈ আহ্বান জনায়, আমি তেওঁৰ লগত আনন্দেৰে যুদ্ধত নামিম; লাগিলে সেইজন স্বয়ং কালেই হওক। ১॥

"ক্ষত্ৰিয়ৰ শৰীৰ ধৰি যি যুদ্ধলৈ ভয় কৰিছে, সেই পামৰে নিজৰ কুলত কলংক

সানিছে। মই স্বভাৱ বুলিহে এইদৰে কৈছোঁ, বংশৰ প্ৰশংসা কৰি নহয়— ৰঘুবংশীসকলে ৰণত স্বয়ং কাললৈকো ভয় নকৰে। ২ ॥

"ব্ৰাহ্মণবংশৰ প্ৰভুত্ব (মহিমা) এনেকুৱা যে যি আপোনালৈ ভয় কৰে, তেওঁ সকলোৰেপৰা নিৰ্ভয় হয়।" ৰঘুপতি শ্ৰীৰামৰ মৃদু আৰু ৰহস্যপূৰ্ণ বচন শুনি পৰশুৰামৰ বুদ্ধিৰ আঁৰকাপোৰ দাং খাই গ'ল। ৩ ॥

[পৰশুৰামে ক'লে—] "ৰাম! তুমি লক্ষ্মীপতি বিষ্ণুৰ এই ধনুখন হাতত লোৱাঁ আৰু ইয়াক টানি দেখুওৱা। তেতিয়াহে মোৰ সন্দেহ দূৰ হ'ব।" পৰশুৰামে এইবুলি কৈ ধনুখন আগবঢ়াইহে দিছিল ; কিন্তু সেই ধনু তেতিয়া নিজে নিজেই ৰামৰ হাতলৈ গুচি গ'ল। ইয়াকে দেখি পৰশুৰামে আচৰিত মানিলে। ৪ ॥

দোঃ—পৰশুৰামে শ্ৰীৰামৰ মহিমা বুজিব পাৰিলে। তেওঁৰ শৰীৰ আনন্দত পুলকিত হৈ প'ৰল। তেওঁ হাত যোৰ কৰি ক'বলৈ ধৰিলে। সেই সময়ত হৃদয় ভক্তিৰে উপচি পৰিল। ২৮৪ ॥

চৌঃ—"হে ৰঘুকুলৰূপী কমলবনৰ সূৰ্য! হে ৰাক্ষস-কুলৰূপী গভীৰ অৰণ্যৰ বাবে দাহক অগ্নি! তোমাৰ জয় হওক। হে দেৱতা, ব্ৰাহ্মণ আৰু গোজাতিৰ হিত সাধক! তোমাৰ জয় হওক। হে মদ, মোহ, ক্ৰোধ আৰু ভ্ৰম হৰণকাৰী, তোমাৰ জয় হওক। ১ ॥

"হে বিনয়, সৎ চৰিত্ৰ, কৰুণা আদি গুণৰ সাগৰ আৰু বচন ৰচনাত অতি চতুৰ! তোমাৰ জয় হওক। হে সকলোৰে সুখদাতা, সকলো অংগৰে মনোৰম আৰু শৰীৰৰ সৌন্দৰ্যত কোটি কামদেৱক ধাৰণা কৰোঁতা, তোমাৰ জয় হওক। ২ ॥

"মই এখন মুখেৰে তোমাক কিমান প্ৰশংসা কৰিম? হে মহাদেৱৰ মনৰূপী মানস সৰোবৰৰ হংস, তোমাৰ জয় হওক। মই অজ্ঞতাৰ কাৰণে তোমাক বহুত অনুচিত কথা ক'লোঁ। হে ক্ষমাৰ মন্দিৰ ভ্ৰাতৃযুগল, মোক ক্ষমা কৰাঁ। ৩ ॥

"হে ৰঘুকুলৰ ধ্বজাস্বৰূপ শ্ৰীৰামচন্দ্ৰ! তোমাৰ জয় হওক, জয় হওক, জয় হওক"—এইদৰে কৈ পৰশুৰাম হাবিলৈ তপস্যা কৰিবৰ কাৰণে গুচি গ'ল। তাকে দেখি দুষ্ট ৰজাবোৰে অকাৰণতে ভয়ত পেঁপুৱা লাগিল আৰু কাপুৰুষবোৰ মনে মনে তাৰপৰা পলালেই। ৪ ॥

দোঃ—দেৱতাসকলে দুন্দুভি ধ্বনি কৰিলে আৰু প্ৰভুৰ ওপৰত পুষ্প বৃষ্টি কৰিবলৈ ধৰিলে। মিথিলাৰ সকলো নৰ-নাৰী আনন্দিত হ'ল। তেওঁলোকৰ মনত ওপজা মোহজনিত দুখৰ অন্ত পৰিল। (ৰামক তেওঁলোকে ভাল পাইছিল ;

কিন্তু ৰামৰ স্বৰূপ বুজা নাছিল। সেইবাবে ৰামৰ অনিষ্ট হ'ব বুলি ভয়ত কষ্ট পাইছিল) এতিয়া সেই ভয় দূৰ হ'ল। ২৮৫ ॥

চৌঃ—তীব্ৰভাৱে বাদ্য বাজি উঠিল। সকলোৱে মংগল ৰূপ ধাৰণ কৰিলে। সুন্দৰ মুখ আৰু ধুনীয়া চকুৰে সৈতে কোকিলকণ্ঠী নাৰীগণে জাক পাতি পাতি সুমধুৰ গীত গাবলৈ ধৰিলে। ১ ॥

জনকৰ আনন্দৰ বৰ্ণনা দিয়াটো অসম্ভৱ, যেন জনম-দুখীয়াই ধনৰ ভঁৰাল এটাহে পালে। ভয় দূৰ হোৱাত সীতা এনেকুৱা আনন্দিতা হ'ল যেন চন্দ্ৰৰ উদয় হোৱা দেখি চকোৰিণীহে আনন্দিত হৈছে। ২ ॥

জনক ৰজাই বিশ্বামিত্ৰক প্ৰণাম কৰি ক'লে—"হে প্ৰভু, আপোনাৰ কৃপাতে শ্ৰীৰামে ধনু ভাঙিলে। ৰাম-লক্ষ্মণ দুয়ো মোক কৃতাৰ্থ কৰিলে। হে স্বামী! এতিয়া কি কৰা উচিত উপদেশ দিয়ক।" ৩ ॥

মুনিয়ে ক'লে—'হে মহাৰাজ! শুনা, যিহেতুকে বিবাহ ধনুৰ অধীন আছিল, ধনু ভঙা মাত্ৰকে বিবাহ হৈ গ'ল। দেৱতা, মনুষ্য, নাগ সকলোৱে এই কথা জানে। ৪ ॥

দোঃ—"তথাপি তুমি কুলৰ ৰীতি অনুসাৰে আৰু ব্ৰাহ্মণ, বংশৰ বৃদ্ধ আৰু গুৰুক সুধি পুছি বেদবিহিত আচাৰ মতে কাম কৰা। ২৮৬ ॥

চৌঃ—"অযোধ্যালৈ দূত পঠাই দিয়া। দশৰথ ৰজাক মাতি আনকগৈ।" ৰজাই তেতিয়াই 'কৃপালু ঋষিয়ে সত্য উপদেশ দিছে'—এই বুলি কৈ অযোধ্যালৈ যাবৰ কাৰণে দূতক আদেশ দিলে। ১ ॥

নগৰৰ সকলো বিশিষ্ট লোককে মতা হ'ল। তেওঁলোকে ৰজাক সাদৰে প্ৰণাম জনালেহি। (ৰজাই আদেশ দিলে) "হাট, বাট, অট্টালিকা, দৌল-দেৱালয় গোটেই ৰাজধানী চাৰিওফালে সজাই তোলা।" ২ ॥

তেওঁলোক আনন্দ মনেৰে ঘৰাঘৰি গ'ল। ৰজাই পৰিচাৰকসকলক মতাই আনি ক'লে—"বিচিত্ৰ মণ্ডপ নিৰ্মাণ কৰি গুৰনিকৈ সজোৱা।" এই আদেশ শিৰোধাৰ্য কৰি আনন্দ মনেৰে [কামে-ভাবে লাগিবলৈ] গ'ল। ৩ ॥

তেওঁলোকে অনেক গুণী শিল্পীক মাতি আনিলে। সেই শিল্পীসকল মণ্ডপ নিৰ্মাণত বৰ কুশল আৰু চতুৰ আছিল। তেওঁলোকে ব্ৰহ্মাক বন্দনা কৰি কাম আৰম্ভ কৰিলে আৰু প্ৰথমতে সোণৰ কলগছৰ স্তম্ভ নিৰ্মাণ কৰিলে। ৪ ॥

দোঃ—সেউজীয়া ৰঙৰ মণিৰে পাত আৰু ফল আৰু পদ্মৰাগ মণিৰে ফুল

সজাই দিলে। মঞ্চৰ বিচিত্ৰ নিৰ্মাণ-কৌশল দেখি ব্ৰহ্মাৰ মনো ভোল গ'ল। ২৮৭ ॥

চৌঃ—সেউজীয়া ৰঙৰ মণি-ৰত্নেৰে বাঁহবোৰ পোন আৰু আঁথি থকাকৈ এনে ধুনীয়াকৈ নিৰ্মাণ কৰিলে যে তাক [সঁচা নে কৃত্ৰিম] চিনিবই নোৱাৰা হ'ল। সোণেৰে ধুনীয়াকৈ পাণৰ লতা প্ৰস্তুত কৰিলে ; পাতবোৰৰ সৈতে এনে ধুনীয়া হৈ পৰিল যে তাকো চিনিব নোৱাৰা হ'ল। ১ ॥

সেই লতাবোৰেৰেই মণ্ডপৰ বন্ধা-ছটা কামৰ বাবে ৰচী তৈয়াৰ কৰা হ'ল। মাজে মাজে মুকুতাৰ ধুনীয়া ধুনীয়া মালা দিয়া হ'ল। মাণিক, মৰকত হীৰা আৰু নীলমণি—এই ৰত্নসমূহ কাটি-কুটি, তাত খোদিত কৰি ইটোৰে সিটোৰে মিলাই ৰং-বিৰঙৰ পদুম ফুল নিৰ্মাণ কৰা হ'ল। ২ ॥

(সেইদৰে) ভোমোৰা আৰু নানা বৰণীয়া চৰায়ো সজা হ'ল। বতাহ লাগি সেইবোৰে গুণ্ গুণায় আৰু মিঠা মাত মাতে। স্তম্ভবিলাকত দেৱতাৰ মূৰ্তি, মংগল দ্ৰব্য হাতত লৈ থিয় হৈ থকা অৱস্থাত খোদিত কৰা হ'ল। ৩ ॥

চোতালবোৰ গজ-মুক্তাৰে শুৱনি কৰি সজোৱা হ'ল। ৪ ॥

দোঃ—নীলমণিত অতি ধুনীয়াকৈ আমপাত খোদিত কৰিলে, সোণেৰে নিৰ্মিত আম্ৰমঞ্জৰী, পাটৰ সূতাত মৰকতৰ ফল গাথি দি শুৱনি কৰা হ'ল। ২৮৮ ॥

এনে সুন্দৰ আৰু উত্তম মালা দুৱাৰমুখত আঁৰা হ'ল যেন সেইবোৰ কামদেৱে পাতি থোৱা ফান্দহে। অনেক মংগলঘট, সুন্দৰ ধ্বজা, পতাকা, আঁৰকাপোৰ আৰু চামৰ সজোৱা হ'ল। ১ ॥

যিঁহন মণ্ডপত অনেক মণিদীপ (জুইৰে জ্বলোৱা চাকি নহয়, স্বপ্ৰকাশিত ৰত্নহে) লগোৱা হৈছিল, তাৰ বৰ্ণনা দিয়াই অসম্ভৱ। যিথন মণ্ডপত সীতাক বন্ধা সজোৱা হ'ব তাক বৰ্ণনা কৰিবলৈ কোন কৱিৰ মতি উপজিব ? ২ ॥

যিথন মণ্ডপত ৰূপ-গুণৰ সাগৰ শ্ৰীৰামক দৰা সজোৱা হ'ব, সি ত্ৰিভুৱন বিখ্যাত হ'বই। জনক ৰজাৰ কাৰেঙৰ দৰে মিথিলাৰ প্ৰত্যেকটো ঘৰেই তেনেকুৱা সৌন্দৰ্যমণ্ডিত দেখা গ'ল। ৩ ॥

সেই সময়ত যি মিথিলা দেখিবলৈ পালে, তেঁও ভুৱন তেওঁৰ মানত তুচ্ছ যেন লাগিল। তাত অতি সাধাৰণ ঘৰবোৰো যেনেকুৱা সম্পদেৰে সজোৱা হ'ল, তাক দেখি ইন্দ্ৰও মুগ্ধ হ'ল। ৪ ॥

দোঃ—যি নগৰীত স্বয়ং লক্ষ্মীয়ে নাৰীৰ সুন্দৰ ৰূপ ধাৰণ কৰি বাস কৰিছে, তাৰ বৰ্ণনা দিবলৈ সৰস্বতী আৰু শেষ নাগেও সংকোচ কৰিব। ২৮৯॥

চৌঃ—জনকৰ দূত গৈ শ্ৰীৰামৰ পবিত্ৰ নগৰী অযোধ্যাত উপস্থিত হ'ল। সুন্দৰ নগৰীখন দেখি তেওঁ আনন্দিত হ'ল। ৰাজদুৱাৰত উপস্থিত হৈ তেওঁ সংবাদ জনোৱাত দশৰথ ৰজাই তেওঁক মতাই নিলে। ১॥

দূতে ৰজাক প্ৰণাম জনাই পত্ৰ দিলে; আনন্দ মনেৰে ৰজাই নিজে উঠি গৈ পত্ৰ ল'লে। পত্ৰপাঠ কৰাৰ সময়ত (আনন্দৰ) লোতকেৰে তেওঁৰ চকু ভৰি পৰিল, শৰীৰ পুলকিত হ'ল, হিয়া উপচি পৰিল। ২॥

হৃদয়ত ৰাম-লক্ষ্মণক আৰু হাতত পত্ৰখন লৈ আত্মহাৰা হৈ তেওঁ থিয় হৈয়ে ৰৈ গ'ল। তাৰ পাছত ধৈৰ্য ধৰি তেওঁ চিঠিখন পঢ়িলে! সভাত থকা মানুহবিলাকে প্ৰকৃত কথাটি শুনি আনন্দ পালে। ৩॥

ভৰতে তেওঁৰ সুহৃদ ভ্ৰাতৃ শত্ৰুঘ্নৰ লগত খেলা-ধূলা কৰি আছিল; তেওঁলোকো খবৰ পায়ে ল'ৰি আহিল। অতি মৰমেৰে সৈতে ভয়ে ভয়ে সুধিলে—"পিতা! চিঠি ক'ৰপৰা আহিছে? ৪॥

দোঃ—"আমাৰ প্ৰাণপ্ৰিয় ভাই দুজন কুশলে আছে নে, কওকচোন? তেওঁলোক কোন দেশত আছে?" মৰমসনা এই কথা কেইষাৰি শুনি ৰজাই আকৌ চিঠিখন পঢ়িলে। ২৯০॥

চৌঃ—চিঠি শুনি দুয়ো ভাই পুলকিত হৈ উঠিল। মৰমেৰে বুকু উপচি পৰিল। ভৰতৰ এনে পবিত্ৰ ভ্ৰাতৃ-স্নেহ দেখি গোটেই সভাসদে বিশেষ আনন্দ লাভ কৰিলে ১॥

তেতিয়া ৰজাই দূতক কাষত বহুৱাই লৈ মনোহৰ আৰু মিঠা মাতেৰে ক'লে—"কোৱাঁচোন বাৰু, দুয়োটা ল'ৰাৰে কুশল নে? তুমি নিজ চকুৰে তেওঁলোকক দেখি আহিছা নহয় নে? ২॥

"তেওঁলোকৰ শৰীৰ শ্যাম আৰু গৌৰ বৰ্ণৰ; তেওঁলোকে ধনু আৰু তূণ ধাৰণ কৰে। তেওঁলোক চেমনীয়া বয়সৰ ল'ৰা; বিশ্বামিত্ৰৰ লগত গৈছে। তুমি যদি তেওঁলোকক চিনি পাইছা, তেন্তে তেওঁলোকৰ স্বভাৱ কেনেকুৱা বাৰু, কোৱাঁ।" স্নেহবশতঃ ৰজাই বাৰে বাৰে এই একেখিনি কথাকে সুধিবলৈ ধৰিলে। ৩॥

"মুনিয়ে তেওঁলোকক লৈ যোৱা দিন ধৰি আজিলৈকে বুলি প্ৰকৃত খবৰ আজিহে পাইছোঁ। কোৱাঁচোন বাৰু, মহাৰাজ জনকে তেওঁলোকক কেনেকৈ

চিনিব পাৰে ?” এনে মৰম লাগি যোৱা কথা শুনি দূতে মিচিকিয়াই হাঁহিলে। ৪ ॥

দোঃ—[দূতে ক'লে—] “হে নৃপশিৰোমণি ! শুনক, আপোনাৰ সমান ধন্য কোনো নাই ; আপুনি বিশ্বৰ ভূষণ স্বৰূপ ৰাম-লক্ষ্মণৰ নিচিনা পুত্ৰৰ পিতৃ। ২৯১ ॥

চৌঃ—“আপোনাৰ ল'ৰা দুটি সোধাই উচিত নহয়। সেই পুৰুষসিংহ দুজনে ত্ৰিভুবন পোহৰ কৰিছে। তেওঁলোকৰ যশস্যৰ আগত চন্দ্ৰক মলিন দেখা গৈছে, প্ৰতাপৰ আগত সূৰ্যক নিস্তেজ যেন লাগিছে। ১ ॥

“হে নাথ ! আপুনি সুধিছে—‘তেওঁলোকক কেনেকৈ চিনি পালে।’ সূৰ্যক কোনোবাই হাতত চাকি লৈ চায় নেকি ? সীতাৰ স্বয়ম্বৰত অনেক ৰজা আৰু ইজনতকৈ সিজন চ'ৰা ডাঙৰ যোদ্ধা গোট খাইছিল। ২ ॥

“কিন্তু কোনেও হৰধনুখন লৰচৰকে কৰিব নোৱাৰিলে। সকলো বলৱান বীৰে পৰাস্ত মানিলে। ত্ৰিভুবনৰ ভিতৰতে যিসকল বীৰত্বত অভিমানী আছিল, হৰধনুৱে সেই সকলোকে শক্তিহীন বিকল কৰি পেলালে॥ ৩ ॥

“যি সুমেৰু পৰ্বতকে দাঙিব পাৰে, সেই বাণাসুৰেও মনতে পৰাজয় স্বীকাৰ কৰি, প্ৰদক্ষিণ কৰিয়েই গুচি গ'ল। যি হেমালিৰ ছলতে কৈলাস পৰ্বত দাঙি ধৰিছিলে সেই ৰাৱণেও এই সভাত পৰাজয় মানিলে। ৪ ॥

দোঃ—“হে মহাৰাজ শুনক, সেই সভাতেই হাতীয়ে পদুমৰ ঠাৰি ভঙাৰ দৰে ৰঘুবংশৰ শিৰোমণি শ্ৰীৰামে অনায়াসে হৰধনু ভংগ কৰিলে। ২৯২ ॥

চৌঃ—“ধনু ভঙাৰ কথা শুনি ভৃগু তি ৰাম ক্ৰুদ্ধ হৈ উপস্থিত হ'ল আৰু অনেক ধৰণেৰে ভয় দেখুৱালে। শেষত পৰশুৰামে শ্ৰীৰামৰ বল দেখি নিজৰ (বৈষ্ণৱ) ধনুখন দি দিলে আৰু তেওঁ অনেক অনুনয়-বিনয় কৰি বনলৈ গুচি গ'ল ১ ॥

“হে মহাৰাজ ! শ্ৰীৰাম যেনেকৈ অতুল বলশালী-তেজোনিধি, লক্ষ্মণো তেনে কুৱাই। সিংহ পোৱালীয়ে তাৰফালে চোৱা দেখিয়েই হাতী কঁপাৰ দৰে লক্ষ্মণে চোৱা মাত্ৰকে ৰজাবিলাকো ভয়ত কঁপিবলৈ ধৰিলে। ২ ॥

“হে দেৱ ! আপোনাৰ ল'ৰা দুটি দেখাৰ পাছত একো বস্তুৱেই আমাৰ চকুত নলগা হৈছে।” প্ৰেম, প্ৰতাপ আৰু বীৰ ৰসত মজি থকা দূতৰ এই কথাখিনি সকলোৱে শুনি অতিশয় আনন্দ লাভ কৰিলে। ৩ ॥

সভাসদসকলৰ সৈতে ৰজা দশৰথ প্ৰেমত মগ্ন হৈ পৰিল। তেওঁলোকে

দূতক বস্ত্র উপহাৰ দিবলৈ ধৰিলে। "ই নীতিবিৰুদ্ধ কথা"—এইবুলি দূতে কাণত আঙুলি দিলে। দূতৰ এনে ধৰ্মভাৱ দেখি সকলোৱে ভাল পালে। ৪ ॥

দোঃ—তেতিয়া ৰজাই বশিষ্ঠক পত্ৰখন নি দিলেগৈ আৰু আদৰ-সাদৰ কৰি দূতক মাতি আনি গুৰুক সকলো কথা জনালে। ২৯৩ ॥

সকলো সংবাদ পাই আনন্দিত হৈ গুৰুৱে ক'লে—"পুণ্যাত্মা পুৰুষৰ কাৰণে পৃথিৱী সুখেৰে ভৰা। সাগৰে কামনা নকৰে যদিও নদ-নদীবোৰে তালৈকে গতি কৰে। ১ ॥

"সেইদৰেই ধৰ্মাত্মা লোকসকলে নিবিচৰাকৈয়ে সুখ-সমৃদ্ধি তেওঁলোকৰ ওচৰ চাপে। তুমি যেনেকৈ গুৰু, ব্ৰাহ্মণ, দেৱতা আৰু গো-জাতিৰ সেৱক, পতিব্ৰতা কৌশল্যাও তেনেকুৱাই। ২ ॥

"তোমাৰ সমান জগতত কোনো পুণ্যভাগী হোৱা নাই আৰু নহ'বও। হে মহাৰাজ, তোমাতকৈ অধিক পুণ্য আৰু কাৰ হ'ব? কাৰণ তোমাৰ ৰামৰ নিচিনা পুত্ৰ আছে আৰু চাৰিওজন পুত্ৰই বীৰ, নম্ৰ, ধৰ্মব্ৰতী আৰু গুণৰ সাগৰ। তুমি সদায়েই কল্যাণ লাভ কৰিবা। এতিয়া ডংকা বজাই বৰযাত্ৰী সজোৱা। ৩।৪ ॥

দোঃ—"সোনকালে যাত্ৰা কৰা"—গুৰুৰ এই বচন শুনি "নাথ, ভাল বাৰু" বুলি কৈ প্ৰণতি জনাই ৰজাই দূতক থকা-মেলাৰ সুবিধা কৰি দিয়ালে আৰু তাৰ পাছত নিজ ঘৰলৈ গ'ল। ২৯৪ ॥

ৰজাই অন্তঃপুৰৰ সকলোকে মাতি আনি জনক ৰজাৰ চিঠি পঢ়ি শুনালে। সংবাদটো পাই সকলো ৰাণী আনন্দিত হ'ল। ৰজাই (দূতৰ মুখৰপৰা শুনা) অন্য কথাবোৰো বিৱৰি ক'লে। ১ ॥

প্ৰেমত গদগদ হৈ পৰা ৰাণীসকলক এনেহে লাগিল যেন মেঘৰ গৰ্জন শুনি উত্ৰাৱল হোৱা ময়ূৰীহে। বয়সীয়া তিৰোতাসকলে আনন্দ মনে আশীৰ্বাদ দিবলৈ ধৰিলে। মাতৃসকল অতিশয় আনন্দত মগ্ন হৈ পৰিল। ২ ॥

সেই অতি মৰমৰ চিঠিখন বুকুত বান্ধি লৈ সকলোৱে হিয়া শাঁত কৰিলে। নৃপশ্ৰেষ্ঠ দশৰথে বাৰে বাৰে ৰাম-লক্ষ্মণৰ কীৰ্তি কাহিনী বখানিবলৈ ধৰিলে। ৩ ॥

"এইবোৰ সকলো মুনিৰ অনুগ্ৰহতে"—এইবুলি কৈ তেওঁ বাহিৰলৈ ওলাই গ'ল। ব্ৰাহ্মণসকলক মাতি আনি ৰাণীসকলে আনন্দমনেৰে দান-দক্ষিণা কৰিলে। শ্ৰেষ্ঠ ব্ৰাহ্মণসকলেও আশীৰ্বাদ দি গ'ল। ৪ ॥

সোঃ—তাৰ পাছত ভিখাৰীবোৰক মতাই আনি কোটি প্ৰকাৰৰ দান দিলে। "চক্ৰৱৰ্তী মহাৰাজ দশৰথৰ চাৰিওজন পুত্ৰ চিৰজীৱী হওক" ॥ ২৯৫।

চৌঃ—এই বুলি কৈ তেওঁলোক [দানত পোৱা] ভাল ভাল কাপোৰ-কানি পিন্ধি গ'লগৈ। [ডবা বজাই সংবাদ শুনাওঁতা] বাদকসকলে জোৰেৰে বাদ্য বজাই সংবাদ ঘোষণা কৰিলে। সকলোৱেই এই সু-খবৰ পালে আৰু ঘৰে ঘৰে আনন্দ উৎসৱ হ'বলৈ ধৰিলে। ১ ॥

জনক-কন্যা আৰু ৰঘুশ্ৰেষ্ঠ ৰামৰ বিয়া হ'ব বুলি শুনি চৌধ্য ভুবন আনন্দেৰে ভৰি পৰিল। এই শুভ সংবাদ শুনি সকলো মানুহ প্ৰেম-মগ্ন হৈ পৰিল আৰু বাট পদূলি, ঘৰ-দুৱাৰ সজোৱা-পৰোৱাত লাগিল। ২ ॥

যদিও শ্ৰীৰামৰ মংগলময়ী পবিত্ৰ নগৰী অযোধ্যা সদায়েই মনোৰম, তথাপি অতিশয় প্ৰীতিবশতঃ ইয়াক সুন্দৰ মংগল-ৰচনাৰে আৰু সজাই তোলা হ'ল। ৩ ॥

ধ্বজা, পতাকা, আঁৰ-কাপোৰ আৰু ধুনীয়া চামৰেৰে গোটেই দোকান-পোহাৰ বিচিত্ৰ হৈ পৰিল—সোণৰ কলহ, তোৰণ, মণিমালা, হালধি, দুবৰি, দৈ, আৰৈ চাউল আৰু মালাৰে—৪ ॥

দোঃ—মানুহবিলাকে নিজৰ ঘৰবোৰ মংগলময় ৰূপত সজাই পেলালে। সকু বাটবিলাকত চতুৰসম (চন্দন, কেশৰ, কস্তুৰী আৰু কৰ্পূৰেৰে তৈয়াৰী সুগন্ধি দ্ৰব্য বিশেষ) ছাটিয়াই দিয়া হ'ল। চোতালবিলাক ধুনীয়া কৰিলে। ২৯৬ ॥

বিজুলীৰ নিচিনা উজ্জ্বল কান্তিৰে, চন্দ্ৰবদনী, মৃগনয়নী আৰু নিজৰ ৰূপ মাধুৰীৰে ৰতি দেৱীৰো অভিমান খৰ্ব কৰিব পৰা নাৰীবোৰে ষোড়শ শৃংগাৰেৰে সজ্জিতা হৈ, য'তে ত'তে জুম বান্ধি বান্ধি, সুমধুৰ স্বৰে মংগল গীত গাবলৈ ধৰিলে. সেই স্বৰ শুনি কলকণ্ঠী কুলিও লজ্জিত হ'ল। ৰাজভৱনৰ বৰ্ণনা কেনেকৈ দিয়া যায়? তাত এখন বিশ্ব বিমোহন মঞ্চ নিৰ্মাণ কৰা হ'ল।

সি অনেক ধৰণৰ মনোহৰ মংগল দ্ৰব্যেৰে শোভিত হৈ আছে; অনেক নাগাৰা বজোৱা হৈছে। কোনো ঠাইত ভাটসকলে স্তুতিগীত গাইছে; কোনো ঠাইত আকৌ ব্ৰাহ্মণসকলে বেদধ্বনি কৰিছে।

সুন্দৰী নাৰীগণে ৰাম-সীতাৰ নাম লৈ মংগল গীত গাইছে। উৎসাহ বেছি হৈছে; কিন্তু ৰাজভৱন তালৈ চাই সৰু হৈছে। সেই উৎসাহ যেন তাত নধৰা হৈ উপচি পৰিছে। ৪ ॥

দোঃ—য'ত দেৱতাৰ শিৰোমণি শ্ৰীৰামে অৱতাৰ লৈছে, দশৰথৰ সেই ৰাজ ভৱনৰ সৌন্দৰ্য বৰ্ণনা কোন কবিয়ে কৰিব পাৰিব?

বজাই ভৰতক মতাই আনি ক'লে—"হাতী, ঘোঁৰা আৰু ৰথ সজ্জিত

কৰা, শীঘ্ৰে শ্ৰীৰামৰ বিয়াৰ বৰযাত্ৰী লৈ ব'লা"। এইকথা শুনি ভৰত আৰু শত্ৰুঘ্ন আনন্দত পুলকিত হৈ উঠিল। ১ ॥

ভৰতে সকলো ঘোঁৰাশালৰ বিষয়াক মতাই আনি ঘোঁৰা সজাবলৈ আদেশ দিলে; তেওঁলোকে আনন্দ মনেৰে কামত লাগি গ'ল। তেওঁলোকে অতি সুৰুচিসম্পন্নভাৱে জ্বান বান্ধি ঘোঁৰাবোৰ সজালে। নানা বৰণীয়া ঘোঁৰাবোৰ বৰ শুৱনিকৈ সজোৱা হ'ল।

গোটেইবোৰ ঘোঁৰা ধুনীয়া আৰু চঞ্চল প্ৰকৃতিৰ। সিহঁতে এনে ধৰণে মাটিত ভৰি থয় যেন তপত লোহাৰ ওপৰতহে থয়। নানা জাতৰ ঘোঁৰা; সেইবোৰৰ বৰ্ণনা দিয়াই টান। সিহঁতে যেন বতাহকো চেৰ পেলাইহে উৰিব খুজিছে। ৩ ॥

সেই ঘোঁৰাবোৰত ভৰতৰ সৈতে একে বয়সীয়া ৰঙীয়াল ৰাজকুমাৰবিলাক উঠিল। তেওঁলোক আটাইবোৰ দেখিবলৈ ধুনীয়া আৰু অলংকাৰ পিন্ধা। তেওঁলোকৰ হাতত ধনু-শৰ আৰু কঁকালত তূণ বান্ধি থোৱা আছে। ৪ ॥

দোঃ—গোটেইবিলাক ৰঙিয়াল মনৰ, সাহসী আৰু চতুৰ নবযুৱক। প্ৰত্যেকজন এনে অশ্বাৰোহাৰ লগত দুজনকৈ তৰোৱাল চালনাত নিপুণ পদাতিক সৈন্য। ২৯৮ ॥

চৌঃ—বীৰবেশ ধাৰণ কৰি সকলো ৰণকুশল বীৰ ওলাই আহি নগৰৰ বাহিৰত সমবেত হ'ল। তেওঁলোকে নিজৰ চতুৰ ঘোঁৰাবোৰ নানা ধৰণেৰে চেকুৰাই চালে। ভেৰী আৰু ডবাৰ ধ্বনি শুনি শুনি আত্মবিভোৰ হৈ পৰিল। ১ ॥

সাৰথিসকলে ধ্বজা, পতাকা, মণি আৰু নানা আভৰণেৰে ৰথবোৰ বিচিত্ৰ কৰি তুলিলে। ধুনীয়াকৈ চামৰ লগোৱা হ'ল, জুনুকাবোৰে ৰুনুক্ জুনুক্ শব্দ কৰিবলৈ ধৰিলে। এই অপৰূপ ৰথবোৰে যেন সূৰ্যৰ ৰথৰ শোভাহে কাঢ়ি ল'লে। ২ ॥

অগণন শ্যামবৰ্ণ ঘোঁৰা সাৰথিসকলে ৰথত জুৰিলে। সেই ৰথবোৰ ধুনীয়া অলংকাৰেৰে শোভিত কৰা; সেইবোৰ দেখিলে মুনিৰো মন মোহিত হয়। ৩ ॥

সেই ৰথবোৰ পানীতো মাটিত চলাৰ দৰেই চলে। বেগ অতি বেছি বাবে সিহঁতৰ খুৰাবোৰ পানীত বুৰি নাযায়। অস্ত্ৰ-শস্ত্ৰ আৰু সকলো ধৰণৰ সাজ-সজ্জা কৰি সাৰথিসকলে ৰথীসকলক মাতি পঠিয়ালে। ৪ ॥

দোঃ—ৰথত উঠি বৰযাত্ৰী নগৰৰ বাহিৰত সমবেত হ'লগৈ। যেয়ে যি কাম কৰিলে তাতেই শুভ লক্ষণ দেখিবলৈ পালে। ২৯৯ ॥

চৌঃ—উত্তম হাতীৰ পিঠিত ধুনীয়া হোদা* লগোৱা হ'ল। তাক যি ধৰণে সজোৱা হ'ল কৈ শেষ কৰিব নোৱাৰি। ঘণ্টাৰে সুশোভিত মত্ত গজসমূহ যাবলৈ ধৰাত এনেহে লাগিল যেন শাওণমহীয়া মনোৰম ডাৱৰবোৰহে যাব লাগিছে। ১ ॥

সুন্দৰ পাল্কী, বগাৰ ভাল ব্যৱস্থা থকা মুকলি গাড়ী আদি অনেক প্ৰকাৰৰ যান বাহনতো' মানুহ উঠি গ'ল। সেইবিলাকত উত্তম ব্ৰাহ্মণসকল উঠি গৈছিল। তেওঁলোক যেন শৰীৰধাৰী বেদৰ ছন্দসমূহহে। ২ ॥

চাৰণ, সুত, ভাট আৰু গুণানুকীৰ্তন কৰা লোকসকল যথাযোগ্য বাহনত উঠি যাত্ৰা কৰিলে। অনেক ধৰণৰ বস্তুৰ বোজা লৈ গাধ, উট আৰু বলধ গৰুবোৰো যাবলৈ ধৰিলে। ৩ ॥

কোটি কোটি ভাৰ কাণত লৈ ভাৰীসকলো গ'ল। সেই ভাৰবোৰত ইমান বস্তু আছিল যে তাৰ বৰ্ণনা কোনে দিব পাৰে? সকলো সেৱকে নিজ নিজ দলত সাজ-পাৰ কৰি যাবলৈ ধৰিলে। ৪ ॥

দোঃ—সকলোৰে অন্তৰত অপাৰ আনন্দ আৰু শৰীৰ পুলকেৰে ভৰা। [তেওঁলোকৰ মনৰ হেঁপাহ হৈছে] কেতিয়া দুই ভাই ৰাম-লক্ষ্মণক নয়ন ভৰি চাবলৈ পায়। ৩০০ ॥

চৌঃ—হাতীয়ে চিঞৰ-বাখৰ কৰিছে, ঘণ্টাবোৰৰ ভীষণ শব্দ হৈছে। চাৰিওফালে ৰথৰ ঘৰঘৰণি, ঘোঁৰাৰ চিঁ চিঁয়নি। মেঘৰ গাজনিকো চেৰ পেলাই ডবা বাজিব লাগিছে। কাৰো মাত কোনেও কাণেৰে শুনিব নোৱাৰা হৈ পৰিছে। ১ ॥

ৰাজ দুৱাৰত ইমান ভিৰ হৈছে যে শিলগুটি দলিয়াই দিলেও সি গুড়িকৈ গুড়ি হৈ যাব। অট্টালিকাৰ ওপৰত উঠি লৈ তিৰোতাবোৰে মংগল-থালীত আৰতি লৈ চাই আছে। ২ ॥

[সেই তিৰোতাবোৰে] অনেক মনোহৰ গীত গাইছে। তেওঁলোকৰ আনন্দ বৰ্ণাই শেষ কৰিব নোৱাৰি। তেতিয়া সুমন্ত্ৰই দুখন ৰথ সজাই-পৰাই, সূৰ্যৰ ঘোঁৰা কেইটাকো চেৰ পেলাব পৰা ঘোঁৰা তাত জুৰিলে। ৩ ॥

সৰস্বতীয়েও যাৰ সৌন্দৰ্য বৰ্ণনা কৰি শেষ কৰিব নোৱাৰে, সেই ধুনীয়া ৰথ দুখন দশৰথ ৰজাৰ ওচৰলৈ অনা হ'ল। এখন ৰথত ৰাজযোগ্য সম্ভাৰ সজোৱা হ'ল। দ্বিতীয়খন অতি শুৱনি আৰু তেজঃপুঞ্জস্বৰূপ আছিল। ৪ ॥

* হোদা—হাতী, উট আদিৰ পিঠিত বাহবলৈ সজোৱা বাকচৰ দৰে বেৰা থকা আসন।

দোঃ—সেই ধুনীয়া ৰথখনত ৰজাই আনন্দেৰে সৈতে বশিষ্ঠক তুলিলে। তাৰ পাছত নিজে মহাদেৱ শিৱ, গুৰু, গৌৰী আৰু গণেশক স্মৰণ কৰি আনখন ৰথত উঠিল। ৩০১ ॥

চৌঃ—বশিষ্ঠৰ সৈতে দশৰথ এনেদৰে শোভা পাইছিল যেন দেৱগুৰু বৃহস্পতিৰ সৈতে ইন্দ্ৰহে। বেদৰ বিধি আৰু কুলৰ ৰীতি অনুসাৰে সকলো কাৰ্য কৰি, সকলোকে সকলো প্ৰকাৰে সজ্জিত হৈ থকা দেখি দশৰথে শ্ৰীৰামক স্মৰণ কৰি, গুৰুৰ আদেশমতে শংখ-ধ্বনি কৰি যাত্ৰা কৰিলে। বৰ যাত্ৰীসকলক দেখি দেৱতাসকল আনন্দিত হ'ল আৰু পুষ্প বৃষ্টি কৰাত লাগিল। ১'২ ॥

ঘোঁৰা আৰু হাতীৰ চিঞৰত কোলাহল লাগি গ'ল। আকাশত আৰু বৰযাত্ৰীসকলৰ মাজত বাজনা বাজিবলৈ ধৰিলে। দেৱাংগনা আৰু মনুষ্য-স্ত্ৰীসকলে সুন্দৰ মংগল গীত গাবলৈ ধৰিলে আৰু ৰসাল স্বৰেৰে চানাই [পেঁপাজাতীয় বাদ্য] বজাবলৈ ধৰিলে। ৩ ॥

ঘন্টা আদিৰ ধ্বনি বৰ্ণনা কৰাই টান। খোজ কাঢ়ি যোৱা অনুচৰসকলে চিঞৰ-বাখৰ কৰি উলাহতে নাচি বাগি গৈছিল। হাস্যনিপুণ আৰু সুমধুৰ গীত গোৱাত চতুৰ বিদূষকে নানা কৌতুক কৰিছিল। ৪ ॥

দো —মৃদংগ আৰু নাগাৰাৰ চেৱে চেৱে উত্তম ৰাজকুমাৰসকলে ঘোঁৰা বিলাকক এনে ধৰণে কদমত নিছিল যে সিহঁতে অলপো তাল ভংগ কৰা নাছিল। চতুৰ নটসকলে আশ্চৰ্যচকিত হৈ সেই দৃশ্য চাই আছিল। ৩০২ ॥

চৌঃ—বৰযাত্ৰীসকলক এনে ধুনীয়া দেখা গৈছিল যে তাৰ বৰ্ণনাই দিব নোৱাৰি। যাত্ৰাত মংগলসূচক সুন্দৰ শুভলক্ষণ দেখা গ'ল—নীলকণ্ঠ পক্ষীয়ে বাওঁফালে টোপ খাই যেন সমস্ত সুমংগলৰহে সূচনা কৰিছে। ১ ॥

সোঁফালে সুন্দৰ খেতি-পথাৰত কাউৰী পৰি আছে, সকলোৱে নেউল দেখিবলৈ পাইছে, (শীতল, মন্দ আৰু সুগন্ধি, এই) তিনিবিধ বায়ু অনুকূল দিশৰ ফালে ব'ব লাগিছে। সৌভাগ্যশালিনী তিৰোতাবোৰে ভৰা কলহ আৰু কোলাত কেঁচুৱা লৈ আহিব ধৰিছে। ২ ॥

শিয়ালে বাৰে বাৰে ঘূৰি চোৱা দেখা গৈছে। গাইবোৰে সন্মুখত পোৱালি পিয়াই আছে। হৰিণাৰ জাকবোৰ (বাওঁফালৰ পৰা ঘূৰি) সোঁ ফাললৈ আহিছে। এইদৰে যেন সকলো মংগল একত্ৰ দেখা গৈছে। ৩ ॥

ক্ষেমকৰী (বগা মূৰেৰে সৈতে এবিধ চিলনী) চৰায়ে বিশেষ কল্যাণৰ

সূচনা কৰিছে। বাওঁফালে ধুনীয়া ধুনীয়া গছত ক'লা শালিকা পৰি থকা দেখা গ'ল। দৈ, মাছ আৰু হাতত পুথি লোৱা দুজন বিদ্বান্ ব্ৰাহ্মণ সমুখত উপস্থিত হ'ল। ৪ ॥

দোঃ—সকলো মংগলময়, কল্যাণময় আৰু বাঞ্ছিত ফলদায়ক লক্ষণ যেন সত্যত পৰিণত হ'বৰ বাবেহে একেলগ হৈছেহি। ৩০১ ॥

চৌঃ—সাক্ষাৎ সগুণ ব্ৰহ্ম যাৰ সুন্দৰ পুত্ৰ, তেওঁৰ বাবে সকলো মংগল-লক্ষণ সহজলভ্য। য'ত শ্ৰীৰামৰ সদৃশ বৰ, সীতাৰ নিচিনা কন্যা, দশৰথ আৰু জনকৰ নিচিনা পুত চৰিত দুজনৰ মাজত হ'বলগীয়া সম্পৰ্ক—তেনে এখন বিয়াৰ কথা শুনি যেন সকলো শুভ লক্ষণে নাচিব ধৰিছে, [আৰু কৈছে] ব্ৰহ্মাই আমাক এতিয়া সত্যত পৰিণত কৰিছে। এইদৰে বৰযাত্ৰীসকলে যাত্ৰা কৰিলে। হাতী-ঘোঁৰাই কোলাহল কৰি উঠিল, ডবাত কোব পৰিল। ১।২ ॥

সূৰ্যবংশৰ পতাকাস্বৰূপ দশৰথ অহা শুনি জনকে নদ-নদীবোৰত দলং দিয়ালে। ইন্দ্ৰপুৰীৰ দৰে ঐশ্বৰ্যৰে ভৰি থকা বাসভৱন মাজে মাজে সজাই থ'লে। ৩ ॥

সেইবিলাকত বৰযাত্ৰীসকলে নিজৰ মনৰ ইচ্ছা অনুসাৰে সুন্দৰভাৱে শয্যা, ভোজন আৰু বস্ত্ৰ পালে। ইচ্ছামতে নিত্য নতুন সুখ পাই তেওঁলোকে নিজৰ ঘৰৰ কথা পাহৰি গ'ল। ৪ ॥

দোঃ—ডাঙৰ ডাঙৰকৈ বজা ডবাৰ মাত শুনি উত্তম বৰযাত্ৰী পালেহি বুলি ৰথ, পদাতিক, হাতী-ঘোঁৰা লৈ আগবঢ়াই আনিবলৈ যোৱা হ'ল। ৩০৩ ॥

চৌঃ—(দৈ, চৰ্ণত আদিৰে) ভৰি থকা কলহ, বৰ্ণনা দিব নোৱাৰা অমৃত তুল্য, সকলো প্ৰকাৰৰ খাদ্যৰে পৰিপূৰ্ণ অনেক সৰু-ডাঙৰ থাল আৰু অন্যান্য বাচন-বৰ্তন, উত্তম ফল আৰু অনেক সুন্দৰ বস্তু, ৰজাই আনন্দ মনেৰে উপহাৰস্বৰূপে পঠাই দিলে। অলংকাৰ-পাতি, কাপোৰ-কানি, নানা প্ৰকাৰৰ মূল্যবান ৰত্ন, পশু, পক্ষী, হাতী, ঘোঁৰা আৰু অনেক ধৰণৰ যান-বাহন, নানা ধৰণৰ সুগন্ধি আৰু মনোহৰ মংগল দ্ৰব্য আৰু শুভ-সূচক বস্তু ৰজাই পঠাই দিলে। ভাৰীবোৰে ভাৰে ভাৰে দৈ, চিৰা আৰু অগণন উপহাৰ দ্ৰব্য ভাৰে ভাৰে লৈ যাবলৈ ধৰিলে। ১।২।৩ ॥

আগবঢ়াই আনিবলৈ যোৱা লোকসকলক দেখি বৰযাত্ৰীসকলৰ হৃদয় আনন্দেৰে উপচি পৰিল আৰু শৰীৰ পুলকিত হ'ল। আগবঢ়াবলৈ অহা-সকলক সাজি পাৰি অহা দেখি বৰযাত্ৰীসকলে আনন্দতে নাগাৰা বজাবলৈ ধৰিলে। ৮ ॥

দোঃ—তেওঁলোকৰ উভয় পক্ষই পৰস্পৰে মিলিবৰ উদ্দেশ্যে সমানভাৱে কিছুদুৰ এনেকৈ আগবাঢ়ি গ'ল যেন দুখন আনন্দৰ সাগৰেহে নিজৰ সীমা অতিক্রম কৰি (পাৰ ভাঙি) একে হৈ যাবলৈ ধৰিছে ! ৩০৫ ॥

চৌঃ—দেৱ-সুন্দৰীগণে পুষ্পবৃষ্টি কৰি গীত গাবলৈ ধৰিলে ; দেৱতাসকলে আনন্দতে দুন্দুভি বজাবলৈ ধৰিলে। আগবঢ়াবলৈ যোৱা লোকসকলে সকলো বস্তু দশৰথৰ আগত থৈ অতি অনুৰাগেৰে সৈতে নিবেদন কৰিলে। ১ ॥

ৰজাই সমাদৰ কৰি সেই সকলো বস্তু গ্ৰহণ কৰিলে আৰু যাচকসকলক দানো দিলে। তাৰ পাছত পূজা, আদৰ আৰু মান-সৎকাৰ কৰি আগবঢ়াবলৈ যোৱা লোকসকলে বৰযাত্ৰীক থকা ঠাইলৈ লৈ গ'ল। ২ ॥

তেওঁলোকে ভৰি থ'বলৈ বুলি পাৰি দিয়া বিচিত্ৰ কাপোৰবোৰ দেখি কুবেৰেও ধনৰ অভিমান ত্যাগ কৰিব। সকলোৰে সকলো সুবিধা পাব পৰাকৈ অতি সুন্দৰ ঠাইত বৰযাত্ৰীসকলক ৰখা হ'ল। ৩ ॥

সীতাই বৰযাত্ৰীসকল মিথিলা পালেহি বুলি জানি নিজৰ অলপ মহিমা প্ৰকাশ কৰিলে। তেওঁ হৃদয়ত স্মৰণ কৰি সিদ্ধিসমূহক মাতি আনিলে আৰু তেওঁলোকক দশৰথ ৰজাৰ আতিথ্যৰ কাৰণে পঠাই দিলে। ৪ ॥

দোঃ—সীতাৰ আদেশ শুনি সমস্ত সিদ্ধিয়ে বৰযাত্ৰী থকা ঠাইত সম্পদ, সুখ আৰু দেৱপুৰীৰ ভোগ-বিলাসৰ সম্ভাৰ লৈ উপস্থিত হ'লগৈ। ৩০৬ ॥

চৌঃ—বৰযাত্ৰীসকলে নিজৰ নিজৰ থকা ঠাইত সকলো দেৱ-সুখ সহজলভ্য হোৱা দেখিবলৈ পালে। এই ঐশ্বৰ্যৰ ৰহস্যৰ কথা কোনেও নাজানিলে। সকলোৱে জনকৰ গুণ গাবলৈ ধৰিলে। ১ ॥

ৰঘুপতি শ্ৰীৰামে এই সকলো সীতাৰ মহিমা বুলি জানিলে আৰু তেওঁৰ অনুৰাগ বুজিব পাৰি অন্তৰত বৰ আনন্দ পালে। পিতাক আহিছে বুলি শুনি দুয়ো ভায়েকৰে মনত আনন্দই নধৰা হ'ল। ২ ॥

মনত সংকোচ হোৱাত তেওঁলোকে সেই কথা গুৰুক ক'ব পৰা নাছিল ; কিন্তু মনত পিতাকক দৰ্শন কৰিবলৈ প্ৰবল হেঁপাহ হৈছিল। বিশ্বামিত্ৰই তেওঁলোকৰ নম্ৰতা দেখি মনত বৰ সন্তোষ পালে। ৩ ॥

আনন্দতে তেওঁ ৰাম-লক্ষ্মণক বুকুত সাৱটি ধৰিলে। তেওঁৰ অংগ পুলকিত হ'ল আৰু (আনন্দৰ) চকুপানীৰে দুচকু উপচি পৰিল। তেওঁ দশৰথ আহি থকা ঠাইলৈ গ'ল। যেন তৃষ্ণাতুৰজনৰ ওচৰলৈ সৰোবৰ নিজেই আগবাঢ়ি গ'ল। ৪ ॥

দোঃ—ৰজাই যেতিয়া তেওঁৰ পুত্ৰসকলৰ সৈতে মুনিক অহা দেখিলে, তেতিয়া তেওঁ আনন্দিত হৈ উঠিল আৰু সুখ-সমুদ্ৰৰ মাজত গাউনি লৈ থোৰাৰ দৰে যাবলৈ ধৰিলে। ৩০৭ ॥

চৌঃ—মহীপতি দশৰথে বাৰে বাৰে মুনিৰ পদধূলা শিৰত লৈ তেওঁক দণ্ডৱৎ প্ৰণাম কৰিলে। বিশ্বামিত্ৰই ৰজাক বুকুত সাৱটি ধৰি আশীৰ্বাদ দিলে আৰু কুশল বাৰ্তা সুধিলে। ১ ॥

তাৰ পাছত ৰাম-লক্ষ্মণে ৰজাক প্ৰণাম কৰিলে। তেওঁলোকক দেখি ৰজাৰ মনত আনন্দৰ সীমা নোহোৱা হ'ল। পুত্ৰসকলক বুকুত সাৱটি ৰজাই দুঃসহ (পুত্ৰ বিৰহৰ) দুখ পাহৰি পেলালে। যেন মৃত শৰীৰতহে প্ৰাণৰ সঞ্চাৰ হ'ল। ২ ॥

তাৰ পাছত ৰাম লক্ষ্মণে বশিষ্ঠৰ চৰণত মূৰ দোঁৱালেগৈ। মুনিবৰে স্নেহ আৰু আনন্দত তেওঁলোকক বুকুত সাৱটি ধৰিলে। ৰাম-লক্ষ্মণে ব্ৰাহ্মণসকলক বন্দনা কৰিলে আৰু মনোবাঞ্ছিত আশীৰ্বাদ লাভ কৰিলে। ৩ ॥

ভৰতে শত্ৰুঘ্নৰ সৈতে শ্ৰীৰামক প্ৰণাম কৰিলে; শ্ৰীৰামে তেওঁলোকক তুলি ধৰি বুকুত সাৱটি ধৰিলে। লক্ষ্মণে দুয়ো ভাইক দেখি আনন্দ পালে আৰু মৰমেৰে তেওঁলোকক সাৱটি ধৰি স্বাগত জনালে। ৪ ॥

দোঃ—তাৰ পাছত পৰম কৃপালু আৰু বিনয়ী প্ৰভু শ্ৰীৰামে অযোধ্যাবাসী, পৰিজন, জ্ঞাতি, যাচক, মন্ত্ৰী আৰু মিত্ৰসকলক যথাযোগ্যভাৱে সাক্ষাৎ কৰিলেগৈ। ৩০৮ ॥

চৌঃ—শ্ৰীৰামক দেখি বৰযাত্ৰীসকলৰ মন-প্ৰাণ জুৰ পৰিল। তেওঁলোকৰ প্ৰীতিভাৱৰ বৰ্ণনা দিব নোৱাৰি। ৰজাৰ ওচৰত চাৰিজন পুত্ৰ এনেদৰে শোভা পাবলৈ ধৰিলে যেন ধৰ্ম, অৰ্থ, কাম, মোক্ষইহে শৰীৰ ধাৰণ কৰিছে। ১ ॥

দশৰথ ৰজাক পুত্ৰ সমন্বিতে দেখা পাই মিথিলাৰ নৰ-নাৰী অতি আনন্দিত হ'ল। দেৱতাসকলে পুষ্পবৃষ্টি কৰিলে আৰু দুন্দুভি বজালে; অপ্সৰাবোৰে গীত গাই নৃত্য কৰিবলৈ ধৰিলে। ২ ॥

আগবঢ়াই নিবলৈ অহা শতানন্দ, অন্য বিপ্ৰসকল, মন্ত্ৰীসকল, চাৰণ, সূত, বিদ্বান আৰু ভাটসকলে বৰযাত্ৰীসকলৰ সৈতে দশৰথ ৰজাক আদৰ-সৎকাৰ কৰিলে। তাৰ পাছত আজ্ঞা লৈ তেওঁলোক ঘূৰি গ'ল। ৩ ॥

বৰযাত্ৰী লগৰ আগদিনাই পালেহি কাৰণে মানুহে বৰ আনন্দ পালে। সকলোৱে ব্ৰহ্মানন্দ লাভ কৰিলে আৰু বিধাতাক প্ৰাৰ্থনা কৰিলে—যাতে দিনটো আৰু ৰাতিটো বাঢ়িহে যায়। ৪ ॥

দোঃ—"ৰাম-সীতা হৈছে সৌন্দৰ্যৰ সীমা স্বৰূপ আৰু ৰজা দুজন হৈছে পুণ্যৰ সীমা স্বৰূপ"—সকলো নগৰৰ নৰ-নাৰীয়ে জুম পাতি পাতি এই কথাকে ক'বলৈ ধৰিলে। ৩০৯ ॥

চৌঃ—"জনকৰ পুণ্যৰ মূৰ্তি হৈছে সীতা আৰু দশৰথৰ পুণ্যই শৰীৰ ধাৰণ কৰিছে শ্ৰীৰামচন্দ্ৰ ৰূপত। এওঁলোক (ৰজা) দুজনৰ সমান কোনেও শিৱৰ আৰাধনা কৰা নাই আৰু এওঁলোকৰ সমান ফলো কোনেও পোৱা নাই। ১ ॥

"জগতত এওঁলোকৰ সমতুল্য কোনো হোৱা নাছিল, এতিয়াও হোৱা নাই, ক'তো নহ'বও। আমি সমস্ত পুণ্যৰ ভঁৰাল স্বৰূপ; যিহেতুকে আমি পৃথিৱীত জন্ম ধৰি জনকপুৰৰ নিবাসী হ'বলৈ পাইছোঁ, শ্ৰীৰাম আৰু সীতাৰ সৌন্দৰ্য দেখিবলৈ পাইছোঁ, আমাৰ নিচিনা বিশেষ পুণ্যভাগী আৰু কোন আছে? আমি এতিয়া শ্ৰীৰামৰ বিবাহ দেখিম আৰু নয়ন সাৰ্থক কৰিম।" ২।৩ ॥

কোকিলকণ্ঠী নাৰীগণে পৰস্পৰে আলাপ কৰিবলৈ ধৰিলে—"হে সুনয়নী! এই বিয়াৰ বাবে আমাৰ বহুত লাভ হৈছে। ডাঙৰ ভাগ্যৰ বলতহে বিধাতাই এই বিয়াৰ জোৰা মাৰি দিছে। এই দুয়ো ভাই আমাৰ নয়নৰ অতিথি হ'ব। ৪ ॥

দোঃ—"জনক ৰজাই বাৰে বাৰে মৰমতে সীতাক মাতিব, কোটি কামদেৱৰ দৰে কমনীয় দুই ভাই আহিব—সীতাক গ্ৰহণ কৰিবলৈ। ৩১০ ॥

চৌঃ—"তেতিয়া তেওঁলোকক অনেক ধৰণেৰে সংকাৰ কৰা হ'ব। সখী, এনেকুৱা শহুৰৰ ঘৰনো কাৰ ভাল নালাগিব? তেতিয়া আমি পুৰবাসী-সকলে ৰাম-লক্ষ্মণক চাই সুখী হ'ম। ১ ॥

"সখী! ৰাম-লক্ষ্মণৰ নিচিনাকৈ ৰজাৰ লগত আৰু এহালি ল'ৰা আহিছে। তেওঁলোকৰো এজন শ্যাম বৰণীয়া আৰু আনজন গৌৰ বৰণৰ, তেওঁলোকৰো সকলো অংগ শুৱনি। যি মানুহে তেওঁলোকক দেখি আহিছে, সেইসকলেই আহি এইদৰে কৈছে— ২ ॥

এজনে ক'লে—"মই আজি তেওঁলোকক দেখি আহিছোঁ। ইমান যে ধুনীয়া, যেন ব্ৰহ্মাই নিজ হাতেৰেহে সৃষ্টি কৰিলে! ভৰত একেবাৰেই ৰামৰ নিচিনা, মানুহে সহজতে দেখি চিনিবই নোৱাৰিব।" ৩ ॥

লক্ষ্মণ আৰু শত্ৰুঘ্ন দেখিবলৈ একে। ভৰিৰপৰা মূৰলৈকে সকলো অংগই তেওঁলোকৰ অনুপম। তেওঁলোকৰ ৰূপ মনৰ কাৰণে অতি প্ৰিয়; কিন্তু মুখেৰে

তাৰ বৰ্ণনা কৰিব নোৱাৰি। ত্ৰিভুবনত তেওঁলোকৰ লগত তুলনা কৰিব পৰা আৰু কোনো নাই। ৪ ॥

ছন্দঃ—তুলসী দাসে কৈছে—"কবি আৰু বিদ্বানসকলে কয়, এওঁলোকৰ উপমা (দিব পৰা বস্তু) ক'তো একো নাই। বল, বিনয়, বিদ্যা, শীল আৰু শোভাৰ সাগৰ স্বৰূপ তেওঁলোকৰ উপমা তেওঁলোকেইহে।" মিথিলাৰ সকলো নাৰীয়ে আঁচল পাতি বিধাতাক প্ৰাৰ্থনা কৰিলে—এই নগৰতে যেন চাৰিওজন ভাই-ককাইৰে বিয়া হয় আৰু যেন আমি সুন্দৰ মংগল গীত গাবলৈ পাওঁ।"

সোঃ—আনন্দৰ লোতকেৰে চকু ওপচাই পুলকিত শৰীৰেৰে তিৰোতা-সকলে কোৰা-কুই কৰিবলৈ ধৰিলে—"হেৰা সখী, দুইজন ৰজাই পুণ্যৰ সাগৰ; ত্ৰিপুৰাৰি শিৱই তেওঁলোকৰ সকলো মনোৰথ পূৰণ কৰিব।" ৩১১ ॥

এইদৰে তেওঁলোকে আটাইবোৰ বাঞ্ছা কৰিলে। তেওঁলোকৰ হৃদয়ত আনন্দৰ খলকনি লাগিল। সীতাৰ স্বয়ম্বৰলৈ অন্য যিসকল ৰজা আহিছিল, তেওঁলোকেও এই চাৰি ভাইক দেখি আনন্দ পালে। ১ ॥

শ্ৰীৰামৰ নিৰ্মল আৰু বিস্তৃত যশস্যাৰ গুণ বখানি ৰজাসকল ঘৰাঘৰি গ'ল। এইদৰে কিছুদিন পাৰ হ'ল। নগৰবাসী আৰু বৰযাত্ৰীসকলৰ বৰ আনন্দ। ২ ॥

মংগলৰ মূল স্বৰূপ লগ্নৰ দিনটো পালেহি। হেমন্ত ঋতু আৰু মনোৰম আঘোণ মাহ; গ্ৰহ, তিথি, নক্ষত্ৰ, যোগ আৰু বাৰ উত্তম; লগ্নৰ বিচাৰ কৰি ব্ৰহ্মাই গণি-পঢ়ি চালে। ৩ ॥

নাৰদৰ হাতত লগ্ন-পত্ৰিকা পঠাই দিয়া হ'ল। জনকেও জ্যোতিষীসকলৰ হতুৱাই সেই ধৰণেই গণনা কৰাই থৈছিল। যেতিয়া তাৰ মানুহে এই কথা জানিলে, তেতিয়া তেওঁলোকে ক'বলৈ ধৰিলে—"ইয়াৰ জ্যোতিষীও ব্ৰহ্মাহে।" ৪ ॥

দোঃ—সকলো মংগলৰ মূল স্বৰূপ সেই নিৰ্মল গধূলি বেলা আহিল, আৰু অনুকূল শুভলক্ষণ প্ৰকাশ পালে। তেতিয়া ব্ৰাহ্মণকলে জনকক এই কথা ক'লে। ৩১২ ॥

চৌঃ—তেতিয়া ৰজাই পুৰোহিত শতানন্দক ক'লে—"এতিয়া আৰু পলম কৰাৰ সকাম কি?" তেতিয়া শতানন্দই মন্ত্ৰীসকলক মতালে; তেওঁলোক সকলো মাংগলিক দ্ৰব্য সজাই পৰাই লৈ আহিল। ১ ॥

শংখ, ডবা, ঢোল প্ৰভৃতি অনেক বাদ্য বাজি উঠিল; মংগল কলসী আৰু শুভসূচক বস্তুবোৰ সজোৱা হ'ল। সুন্দৰী আয়তীসকলে নাম গাবলৈ ধৰিলে, ব্ৰাহ্মণসকলে পবিত্ৰ বেদ-মন্ত্ৰ উচ্চাৰণ কৰিবলৈ ধৰিলে। ২ ॥

[বহুত মানুহ] এইদৰে অতি আদৰেৰে সৈতে বৰযাত্ৰীক আগবঢ়াই আনিবলৈ তেওঁলোকৰ থকা ঠাইলৈ গ'ল। অযোধ্যাপতি দশৰথৰ লগত অহা সমদল দেখি তেওঁলোকৰ মনত ইন্দ্ৰকো বহুত তুচ্ছ যেন লাগিল। ৩।।

তেওঁলোকে জনালেগৈ—"সময় হ'ল, এতিয়া ব'লক"। এই কথা শুনা মাত্ৰকে ডবাত কোব পৰিল। গুৰু বশিষ্ঠক সুধি-পুছি কুলবিধি অনুসাৰে দশৰথ ৰজাই মুনি আৰু সাধু-সমাজ লগত লৈ যাবলৈ ধৰিলে। ৪ ॥

দোঃ—অযোধ্যাপতি দশৰথৰ ভাগ্য আৰু বিভৱ দেখি ব্ৰহ্মা আদি দেৱতা-সকলে নিজৰ জন্ম বিফল মানি হেজাৰথন মুখেৰে তেওঁক প্ৰশংসা কৰিবলৈ ধৰিলে। ৩১৩ ॥

চৌঃ—দেৱতাসকলে শুভক্ষণ উপস্থিত হৈছে বুলি দুন্দুভি বজাই পুষ্পবৃষ্টি কৰিবলৈ ধৰিলে। শিৱ, ব্ৰহ্মা আদি দেৱতাসকলে দল বান্ধি বান্ধি বিমানত আৰোহণ কৰিলে। ১ ॥

তেওঁলোকে প্ৰেম-পুলকিত শৰীৰ আৰু উৎসাহভৰা হৃদয়েৰে সৈতে ৰামৰ বিয়া চাবলৈ গ'ল। জনকৰ নগৰী দেখি দেৱতাসকল ইমান অনুৰক্ত হ'ল যে তেওঁলোকে নিজ নিজ বাসস্থানকো তুচ্ছজ্ঞান কৰিবলৈ ধৰিলে। ২ ॥

তেওঁলোকে চকিতভাৱে বিচিত্ৰ মণ্ডপ আৰু নানা অলৌকিক কাৰুকাৰ্য চাবলৈ ধৰিলে। নগৰৰ নৰ-নাৰীসকল ৰূপৰ নিধানস্বৰূপ, নিপোটল চেহেৰাৰ আৰু ধৰ্মপ্ৰাণ, সুশীল তথা জ্ঞানী আছিল। ৩ ॥

তেওঁলোকক দেখি দেৱ-দেৱীসকল এনেকুৱা নিষ্প্ৰভ হৈ পৰিল যেন উজ্জ্বল চন্দ্ৰক দেখি নক্ষত্ৰবোৰহে প্ৰভাহীন হৈ গ'ল। ব্ৰহ্মাই বৰ আচৰিত মানিলে, কাৰণ তাত তেওঁ নিজৰ সৃষ্টি একো দেখিবলৈ নাপালে। ৪ ॥

দোঃ—তেতিয়া শিৱই দেৱতাসকলক বুজাবলৈ ধৰিলে—"তোমালোকে আচৰিত মানি ভুল নকৰিবা। হৃদয়ক ধৈৰ্য ধৰি বিচাৰ কৰি চোৱা—এয়া ৰাম-সীতাৰ (জগতৰ ঈশ্বৰ-ঈশ্বৰী) বিবাহ। ৩১৪ ॥

চৌঃ—"যাৰ নাম লোৱা মাত্ৰকে জগতত সকলো অমংগলৰ মূল বিনষ্ট হয় আৰু (ধৰ্ম, অৰ্থ আদি) চাৰি পুৰুষাৰ্থ হাতৰ মুঠিতে পোৱা যায়, এওঁলোক হৈছে সেই (জগতৰ পিতৃ-মাতৃ) ৰাম-সীতা।"—কামৰিপু শিৱই ক'লে। ১ ॥

এইদৰে শিৱই দেৱতাসকলক বুজালে আৰু তাৰ পাছত নিজৰ বৃষভ-শ্ৰেষ্ঠ নন্দীক আগবঢ়াই দিলে। দেৱতাসকলে দশৰথক আনন্দ মনেৰে আৰু পুলকিত শৰীৰেৰে যাবলৈ ধৰা দেখা পালে। ২ ॥

তেওঁৰ লগত যোৱা সাধু আৰু ব্ৰাহ্মণসকলকো এনেকুৱা লাগিলে যেন সমস্ত সুখেহে শৰীৰ ধাৰণ কৰি দশৰথৰ সেৱা কৰিছে। লগত চাৰিওটি পুত্ৰ এনেদৰে শোভা পাইছে যেন চাৰিবিধ মোক্ষ (সালোক্য, সামীপ্য, সাৰূপ্য, সাযুজ্য) ইহে শৰীৰ ধাৰণ কৰি আছে। ৩ ॥

মৰকত মণি আৰু সোণৰ নিচিনা ৰৰণেৰে সৈতে সেই যুগলমূৰ্তিদ্বয়ক (ৰাম-লক্ষ্মণ তথা ভৰত-শত্ৰুঘ্ন) দেখি দেৱতাসকলে কম আনন্দ পোৱা নাই ! ৰামক দেখি তেওঁলোকৰ হৃদয় আনন্দেৰে পৰিপূৰ্ণ হ'ল আৰু ৰজাক প্ৰশংসা কৰি তেওঁলোকে পুষ্পবৃষ্টি কৰিবলৈ ধৰিলে। ৪ ॥

দোঃ—ভৰিৰ নখৰ পৰা আৰম্ভ কৰি চুলিলৈকে শ্ৰীৰামৰ সুন্দৰ ৰূপ দেখি উমাৰে সৈতে মহাদেৱৰ শৰীৰ পুলকিত হ'ল আৰু চকু (আনন্দৰ) লোতকেৰে ভৰি পৰিল। ৩১৫ ॥

চৌঃ—ম'ৰা চৰাইৰ ডিঙিৰ দৰে শ্ৰীৰামৰ শৰীৰো শ্যাম বৰণীয়া, বিজুলীকো নিন্দা কৰিব পৰা তেওঁৰ সুন্দৰ ৰঙৰ (পীত) বস্ত্ৰ। নানা তৰহৰ সুন্দৰ সুন্দৰ বিয়াৰ আ-অলংকাৰেৰে শোভিত শ্ৰীৰামৰ সকলো ৰূপেই মংগলময়। ১ ॥

তেওঁৰ সুন্দৰ মুখখনি শাৰদীয় নিৰ্মল পূৰ্ণচন্দ্ৰৰ নিচিনা, চকু দুটিয়ে নৱ-বিকশিত পদুম ফুলকো লজ্জিত কৰিছে। সকলো সৌন্দৰ্যই অসাধাৰণ; তাক মুখেৰে বৰ্ণাব নোৱাৰি; মনতেহে আনন্দ লাভ কৰিব পাৰি। ২ ॥

চপল ঘোঁৰা নচুৱাই নচুৱাই গৈ থকা ভায়েক লক্ষ্মণো শ্ৰীৰামৰ লগত শোভা পাইছে। ৰাজকুমাৰে শ্ৰেষ্ঠ ঘোঁৰাৰ (বিভিন্ন) গাত প্ৰদৰ্শন কৰিছে আৰু বংশৰ প্ৰশংসা কৰা (ভাট) সকলে স্তুতিগীত শুনাই গৈছে। ৩ ॥

যিটো ঘোঁৰাৰ ওপৰত শ্ৰীৰামে শোভা কৰিছে, তাৰ গতি দেখিলে পক্ষীৰাজ গৰুড়েও লাজ পাব। তাৰ বৰ্ণনা দিব নোৱাৰি; সি সকলো প্ৰকাৰে সুন্দৰ— যেন কামদেৱেহে ঘোঁৰাৰ ৰূপ ধাৰণ কৰিছে। ৪ ॥

ছন্দঃ—শ্ৰীৰামৰ কাৰণে যেন কামদেৱেহে ঘোঁৰাৰ বেশ ধৰি অতিশয় শোভা পাই আছে। সি নিজৰ বয়স, বল, ৰূপ, গুণ আৰু গতিৰ দ্বাৰা সমস্ত জগতকে বিমুগ্ধ কৰিছে। সুন্দৰ মুকুতা, মণি আৰু মাণিক খচিত জীন জক্‌মকাই আছে। সোণৰ কিংকিণী লগোৱা ধুনীয়া লেকাম ভালি দেখি দেৱতা, মুনি, মনুষ্য—সকলো মুগ্ধ হৈছে।

দোঃ—প্ৰভুৰ ইচ্ছা পূৰণতে নিজৰ মন মগ্ন কৰি গৈ থকা এই ঘোঁৰাটো

দেখিবলৈ বৰ ধুনীয়া লাগিছিল ; যেন তৰা আৰু বিজুলীৰে শুৱনি মেঘে সুন্দৰ ম'ৰা চৰাইকহে নচুৱাইছে। ৩১৬ ॥

চৌঃ—যিটো উত্তম ঘোঁৰাত শ্ৰীৰাম উঠি গৈছে, সৰস্বতীয়েও তাৰ বৰ্ণনা দিব নোৱাৰে। শ্ৰীৰামৰ ৰূপ দেখি (পঞ্চানন) শিৱ এনে অনুৰক্ত হ'ল যে সেই সময়ত তেওঁৰ চকু পোন্ধৰটা (ৰামক দেখা কাৰ্য কৰা বাবে) অতি প্ৰিয় হৈ পৰিল। ১ ॥

হৰিয়ে যেতিয়া সপ্ৰেম দৃষ্টিৰে শ্ৰীৰামলৈ চালে, তেতিয়া সেই ৰমাপতি ৰমাৰে সৈতে মোহিত হ'ল। শ্ৰীৰামৰ সৌন্দৰ্য চাই ব্ৰহ্মাই আনন্দ পালে ; কিন্তু নিজৰ (মুঠেই) আঠোটা চকু বুলি দুখ কৰিবলৈ ধৰিলে। ২ ॥

দেৱসেনাপতি কাৰ্তিকে মনত বৰ উৎসাহ বোধ কৰিলে, কাৰণ তেওঁ ব্ৰহ্মাৰ ডেৰগুণ (বাৰটা) চকুৰে শ্ৰীৰাম দৰ্শনৰ ক্ষেত্ৰত লাভৱান হ'ল। চকুৰ ইন্দ্ৰই (এহেজাৰ চকুৰে) শ্ৰীৰামক চাবলৈ ধৰিলে আৰু গৌতম মুনিৰ অভিশাপ পৰম হিতকৰ বুলিহে ভাবিলে। ৩ ॥

"আজি ইন্দ্ৰৰ সমান ভাগ্যৱান আৰু কোনো নাই।"—এই বুলি দেৱতাসকলে দেৱৰাজ ইন্দ্ৰক ঈৰ্ষা কৰিবলৈ ধৰিলে। শ্ৰীৰামক দেখি দেৱতাসকল প্ৰসন্ন হ'ল আৰু দুয়োজন ৰজাৰে প্ৰজাসমূহৰ মাজত বিশেষ আনন্দ দেখা গ'ল। ৪ ॥

ছন্দঃ—দুয়ো পক্ষৰে ৰজাৰ সমাজত অপাৰ আনন্দ দেখা গ'ল। আৰু বাৰে বাৰে দুন্দুভি বাজিবলৈ ধৰিলে। দেৱতাসকলে আনন্দ মনে 'ৰঘুমণি শ্ৰীৰামৰ জয় হওক' বুলি পুষ্প বৃষ্টি কৰিলে। ৰাণীয়ে আয়তীসকলক মতাই আনি দৰা আদৰিবৰ কাৰণে মাংগলিক দ্ৰব্যসমূহ সজাবলৈ লাগিল।

দোঃ—অনেক ধৰণৰ আৰতি সজাই আৰু ধুনীয়াকৈ মংগল-দ্ৰব্য সজাই পৰাই গজগামিনী বৰ-নাৰীসকল দৰা আদৰিবলৈ ৰং তামচা কৰি যাবলৈ ধৰিলে। ৩১৭ ॥

চৌঃ—সকলো নাৰী চন্দ্ৰবদনী, মৃগলোচনী। সকলোৰেই নিজৰ শৰীৰৰ ৰূপ-মাধুৰীৰে ৰতিৰ গৰ্ব চূৰ কৰিব পাৰিব। তেওঁলোকে নানা ৰঙণীয়া কাপোৰ পিন্ধিছে আৰু সকলো বিভূষণেৰে শৰীৰ সজাইছে। ১ ॥

সমস্ত অংগ-প্ৰত্যংগ মাংগলিক বস্তুৰে সজাই পৰাই তেওঁলোকে কলকণ্ঠী কোকিলকো লজ্জিত কৰি (মধুৰ) গীত গাই গাই যাবলৈ ধৰিলে। খাৰু, কৰধনী আৰু নূপুৰ বাজি উঠিল ; তেওঁলোকৰ খোজ দেখি যেন কামদেৱৰ হাতীও লজ্জিত হ'ব। ২ ॥

নানা প্ৰকাৰৰ বাদ্য বাজিবলৈ ধৰিলে। আকাশ আৰু নগৰ, দুয়ো ঠাইতে সুন্দৰ মংগলাচৰণ হ'ল। শচী, সৰস্বতী, লক্ষ্মী, পাৰ্বতী আৰু স্বভাৱতে পবিত্ৰ আৰু চতুৰ দেৱাংগনাসকলে ছদ্ম কৰি সুন্দৰ নাৰীৰ বেশ ধৰি অন্তেষপুৰত সোমালেগৈ আৰু মংগলগীত গাবলৈ ধৰিলে। সকলোৱেই আনন্দত মতলীয়া হৈ থকাৰ কাৰণে এওঁলোকক কোনেও চিনিবকে নোৱাৰিলে। ৩১৪ ॥

ছন্দঃ—কোনে কাক চিনি পাব? সকলোৱে আনন্দত অধীৰ হৈ দৰাৰ বেশেৰে অহা ব্ৰহ্মক আদৰিবলৈ গৈছে। সুমধুৰ গীত গাইছে, দুন্দুভি ধ্বনি হৈছে, দেৱতাসকলে পুষ্প বৰিষণ কৰিছে—কি অপৰূপ সৌন্দৰ্য! আনন্দৰ মূল স্বৰূপ দৰাক দেখি সকলো তিৰোতাৰে আনন্দ লাগিল। তেওঁলোকৰ কমল নয়ন অশ্ৰুৰে উপচি পৰিল। সুন্দৰ শৰীৰ পুলকাৱলীৰে ভৰি গ'ল।

দোঃ—শ্ৰীৰামৰ বৰ-বেশ দেখি সীতাৰ মাকৰ মনত যি আনন্দ লাগিল, তাক হেজাৰ সৰস্বতী আৰু শেষনাগে এশ কল্পতো কৈ শেষ কৰিব নোৱাৰে। ৩১৮ ॥

চৌঃ—শুভক্ষণত চকুৰ পানীক বাধা দি ৰাণীয়ে আনন্দ মনেৰে দৰা আদৰিলে। বেদবিহিত আৰু কুলপ্ৰচলিত সকলো ধৰণৰ আচাৰ-ব্যৱহাৰ ৰাণীয়ে পালন কৰিলে। ১ ॥

[তন্ত্ৰী, তাল, ডবা, কাঁহ আৰু তুৰ্য] পঞ্চ শব্দ, [বেদধ্বনি, বন্দিধ্বনি, জয়ধ্বনি, শংখধ্বনি আৰু উৰুলি] পঞ্চধ্বনি আৰু মংগল গান হ'বলৈ ধৰিলে। নানা তৰহৰ কাপোৰ খোজ দিয়া বাটত পাৰি ৰখা হ'ল। (ৰাণীয়ে) আৰতি কৰি অৰ্ঘ্যদান কৰাৰ পাছত শ্ৰীৰামচন্দ্ৰ মণ্ডপৰ ফালে আগবাঢ়িল। ২ ॥

ৰজা দশৰথ নিজ সমাজত বিৰাজমান হ'ল। তেওঁৰ বিভৱ দেখি (ইন্দ্ৰাদি) লোকপালো লজ্জিত হ'ল। মাজে মাজে দেৱতাসকলে পুষ্পবৃষ্টি কৰিবলৈ ধৰিলে আৰু বিপ্ৰসকলো সময় অনুসৰি শান্তিপাঠ কৰাত লাগিল। ৩ ॥

নগৰ আৰু গগন ব্যাপি কোলাহল উঠিল। কোনেও কাৰো মাত শুনা হ'ল। এইদৰে ৰাম আহি মণ্ডপত উপস্থিত হ'ল আৰু অৰ্ঘ্য দি তেওঁক বহুউৱা হ'ল। ৪ ॥

ছঃ—আসনত বহুৱাই লৈ আৰতি কৰি, তিৰোতাবোৰে দৰাক চাই-চিতি বৰ আনন্দ পালে। তেওঁলোকে বহুত মণি, বস্ত্ৰ, অলংকাৰ আদি উপহাৰ দি মংগলগীত গাবলৈ ধৰিলে। ব্ৰহ্মা আদি শ্ৰেষ্ঠ দেৱতাসকলে বিপ্ৰ বেশ ধৰি ৰং চাবলৈ ধৰিলে। তেওঁলোকে ৰঘুকুলকমলৰ বাবে ৰবিস্বৰূপ শ্ৰীৰামৰ সৌন্দৰ্য চাই নিজৰ জীৱন সফল মানিলে।

দোঃ—নাপিত, গণিকা, ভাট, নট সকলোৱে বাৰবপৰা উপহাৰ পাই আনন্দিত হৈ মূৰ দোৱাঁই আশীৰ্বাদ দিয়াত লাগিল ; তেওঁলোকৰ মনত আনন্দই নধৰা হ'ল। ৩১৯ ॥

বৈদিক আৰু লৌকিক সকলো ৰীতি পালন কৰি অতি প্ৰীতিৰে দৈতে দশৰথ আৰু জনকে পৰস্পৰে সাক্ষাৎ হ'ল। এইদৰে একত্ৰ হোৱা ৰজা দুজনৰ উপমা বিচাৰি কৰি লাজতহে পৰিল। ১ ॥

যেতিয়া তেনে উপমা বিচাৰি ক'তো নাপালে, তেতিয়া মনে মনে হাৰ মানি মনতে ইয়াকে স্থিৰ কৰিলেগৈ যে এওঁলোক নিজেইহে নিজৰ উপমা। সম্পৰ্কীয় লোকসকলৰ পাৰম্পৰিক প্ৰীতিভাৱ দেখি দেৱতাসকলো অনুৰক্ত হ'ল। তেওঁলোকৰ যশস্যা গাই দেৱতাসকলে পুষ্পবৃষ্টি কৰিবলৈ ধৰিলে। ২ ॥

[দেৱতাসকলে ক'বলৈ ধৰিলে—] "ব্ৰহ্মাই জগত সৃষ্টি কৰাৰে পৰা আমি বহুত বিয়া দেখিলোঁ ; কিন্তু সকলো প্ৰকাৰে সমান সাজ-সজ্জা, সমাজ আৰু সমপৰ্যায়ৰ মিতিৰ আজিহে দেখিছোঁ।" ৩ ॥

দেৱতাসকলৰ মনোৰম সত্য বচন শুনি দুয়োপক্ষৰ মানুহে অলৌকিক আনন্দ লাভ কৰিলে। ভৰি থবলৈ বাটত সুন্দৰ কাপোৰ পাৰি দি আৰু অৰ্ঘ্য দান কৰি জনকে দশৰথক আগবঢ়াই নিলে। ৪ ॥

ছন্দঃ—মণ্ডপৰ বিচিত্ৰ কাৰুকাৰ্য আৰু সৌন্দৰ্য দেখি মুনিৰো মন দগ্ধ হ'ল। জ্ঞানী জনকে নিজহাতে সকলোৰে কাৰণে সিংহাসন আনি পাৰি দিলে। তেওঁ নিজৰ কুলৰ ইষ্টদেৱতাৰ দৰে বশিষ্ঠক সৎকাৰ কৰিলে আৰু বিনীত ভাব দেখুৱাই আশীৰ্বাদ লাভ কৰিলে। তেওঁ বিশ্বামিত্ৰক পূজা কৰাৰ সময়ত যি পৰম প্ৰীতিৰ ব্যৱহাৰ দেখুৱালে তাৰ বৰ্ণনা দিব নোৱাৰি। ৫ ॥

দোঃ—ৰজাই ৰামদেৱ আদি ঋষিসকলক আনন্দ মনেৰে পূজা কৰিলে। সকলোকে দিব্য আসন দান কৰিলে আৰু সকলোৱে আশীৰ্বাদ লাভ কৰিলে। ৩২০ ॥

চৌঃ—তাৰ পাছত তেওঁ কোশলৰাজ দশৰথক মহাদেৱৰে সমান জ্ঞান কৰি, কোনো ভেদ ভাব নৰখাকৈ পূজা কৰিলে আৰু নিজৰ ভাগ্য তথা বিভৱৰ প্ৰাচুৰ্যৰ শলাগ লৈ হাতযোৰ কৰি বিনয়ো দেখুৱালে, ৰবায়ো কৰিলে। ১ ॥

জনক ৰজাই মিতিৰ দশৰথৰ দৰেই সকলো বৰযাত্ৰীকে সকলো প্ৰকাৰে আদৰ-সৎকাৰ কৰিলে আৰু সকলোকে যথাযোগ্য আসন দিলে। মই এখন মুখেৰে সেই উৎসাহৰ বৰ্ণনা কিমান দিম ? ২ ॥

জনকে মান-দান, বিনয় আৰু ভাল মাত-কথাৰে সকলো বৰযাত্ৰীকে সন্মান কৰিলে। ব্ৰহ্মা, বিষ্ণু, শিব, দিক্‌পাল আৰু সূৰ্য, যি ৰঘুনাথৰ প্ৰভাৱৰ কথা জানিছিল সেইসকলে বামুণৰ বেশ ধৰি অতি আনন্দেৰে সকলো কৌতুক-লীলা চাবলৈ ধৰিলে। জনকে তেওঁলোকক দেৱতুল্য ভাবি পূজা-সৎকাৰ কৰিলে আৰু চিনি নোপোৱা সত্ত্বেও ভাল আসন যাচিলে। ৩১৪ ॥

ছন্দঃ—কোনে কাক চিনি পায়? সকলোৱে নিজৰ কথাকে পাহৰি পেলালে। আনন্দৰ মূল স্বৰূপ দৰাক দেখি দুয়ো পক্ষ আনন্দত মগ্ন হৈ পৰিল। সৰ্বজ্ঞ শ্ৰীৰামে দেৱতাসকলক চিনিব পাৰিলে আৰু তেওঁলোকক মনেৰে পূজা কৰি মনেৰেই আসন দান কৰিলে। প্ৰভু শ্ৰীৰামৰ স্বভাৱ-চৰিত্ৰ দেখি দেৱতাসকলে মনত বৰ ৰং পালে।

দোঃ—চন্দ্ৰলৈ হেঁপাহেৰে চাই চাকৈ-চকোৱাই যেনেদৰে তৃপ্তি লাভ কৰে, সেই সময়ত ৰামচন্দ্ৰৰ মুখখনিলৈ অতি আদৰ ভাবেৰে চোৱা লোকসকলৰ চকুৰেও তেনেদৰেই আনন্দ লাভ কৰিছিল। সেই প্ৰেম আৰু আনন্দ অল্প বস্তু নাছিল। ৩২১ ॥

চৌঃ—সময় হোৱা দেখি বশিষ্ঠই শতানন্দক মাতি পঠালে; তেওঁ সেই কথা শুনি আদৰেৰে সৈতে উপস্থিত হ'লহি। (বশিষ্ঠই ক'লে—) "এতিয়া ৰাজকুমাৰীক সোনকালে লৈ আহক।" মুনিৰ আদেশ পাই তেওঁ আনন্দ মনেৰে গ'ল। ১ ॥

বুদ্ধিমতী ৰাণীয়ে সখীয়েকসকলেৰে সৈতে পুৰোহিতৰ কথা শুনি অতি আনন্দ পালে। ব্ৰাহ্মণীসকলক আৰু বংশৰ বৃদ্ধাসকলক মাতি আনি কুলৰ ৰীতি অনুসৰি মংগলগীত গাবলৈ ধৰিলে। ২ ॥

সুন্দৰী নাৰীৰ বেশেৰে থকা শ্ৰেষ্ঠ দেৱাংগনাসকলৰ সকলোৱেই স্বভাৱ সুন্দৰী আৰু ষোড়শী যুৱতী আছিল। তেওঁলোকক দেখি অন্তঃপুৰৰ সকলো তিৰোতাই আনন্দ পালে আৰু চিনি নাই পোৱা যদিও তেওঁলোকক প্ৰাণ-প্ৰিয় যেন লাগিল। ৩ ॥

তেওঁলোকক উমা, লক্ষ্মী আৰু সৰস্বতীৰ তুল্য ভাবি ৰাণীয়ে বাৰে বাৰে সন্মান কৰিলে। সীতাক সজাই পৰাই (তিৰোতাবোৰে) বেৰি-কুৰি ৰংমনেৰে মণ্ডপলৈ লৈ গ'ল। ৪ ॥

ছন্দঃ—সুন্দৰ মাংগলিক সাজ-পাৰ পিন্ধি তিৰোতাসকলে আৰু সখীয়েকহঁতে সীতাক আদৰ-সাদৰ কৰি লৈ যাবলৈ ধৰিলে। ষোড়শ শৃংগাৰেৰে সজ্জিত

সকলো সুন্দৰীয়ে মত্ত হস্তীৰ দৰে গমন কৰিছিল। তেওঁলোকৰ মনোহৰ গীত শুনি মুনিয়েও ধ্যান ত্যাগ কৰিলে আৰু কামদেৱৰ কোকিলো লজ্জিত হ'ল। নূপুৰ, মঞ্জীৰা, সুন্দৰ কংকণ—এইবোৰ তাল ৰাখি ৰাখি বাজিবলৈ ধৰিলে।

দোঃ—স্বভাৱ-সুন্দৰী সীতা স্ত্ৰীসমূহৰ মাজত এনেদৰে শোভা পাইছিল, যেন ছবিৰূপী ৰমণীগণৰ মাজত পৰম সৌন্দৰ্যৰূপী নাৰীয়েহে শোভা পাইছিল। ৩২২ ॥

চৌঃ—সীতাৰ সৌন্দৰ্য বৰ্ণনা কৰিব নোৱাৰি, কাৰণ বুদ্ধি অতি কম আৰু [আনহাতে] সৌন্দৰ্য বহুত বেছি। ৰূপৰ ৰাশি স্বৰূপ আৰু সকলো প্ৰকাৰে পৱিত্ৰ সীতাক বৰযাত্ৰীসকলে অহা দেখিবলৈ পালে। ১ ॥

সকলোৱে মনে মনে তেওঁক প্ৰণাম কৰিলে। ৰামক দেখি সকলো পূৰ্ণকাম (কৃতাৰ্থ) হ'ল। পুত্ৰ সমন্বিতে দশৰথে আনন্দ পালে। তেওঁলোকৰ মনত যিমান আনন্দ হ'ল তাক বৰ্ণনা কৰিব নোৱাৰি। ২ ॥

দেৱতাসকলে প্ৰণাম কৰি পুষ্পবৃষ্টি কৰিলে। মংগলৰ মূল স্বৰূপ মুনিসকলৰ আশীৰ্বাদ ধ্বনি হ'বলৈ ধৰিলে। গীত আৰু ডবাৰ শব্দেৰে কোলাহল লাগি গ'ল। সকলো নৰ-নাৰী প্ৰেম আৰু আনন্দত মগ্ন হ'ল। ৩ ॥

এইদৰে সীতা ৰভাতল পালেহি। মুনিৰাজে আনন্দিত হৈ শান্তি পাঠ কৰাত লাগিল। সেই সময়ত উপযোজন কুল-পুৰোহিতে সকলো ধৰণৰ কৰিব-লগীয়া বিধি, ব্যৱহাৰ আৰু আচাৰ পালন কৰিলে।

ছন্দঃ—কুলাচাৰ সম্পাদন কৰি গুৰুৱে আনন্দ মনেৰে ব্ৰাহ্মণৰ হতুৱাই গৌৰী আৰু গণেশৰ পূজা কৰালে। দেৱতাই স্বয়ং আবিৰ্ভূত হৈ পূজা গ্ৰহণ কৰিলে, আশীৰ্বাদ দিলে আৰু সুখ অনুভৱ কৰিলে। মুনিয়ে মধুপৰ্ক আদি মাংগলিক দ্ৰব্যসমূহৰ ভিতৰত যিহকে মনে মনে অভিলাষ কৰে, তৎক্ষণাৎ তাকেই দিবৰ কাৰণে সেৱকসকলে সোণৰ থালীত আৰু কলহত ভৰাই লৈ সাজু হৈ থাকিল। ১ ॥

স্বয়ং সূৰ্যদেৱে প্ৰীতিসহকাৰে তেওঁৰ কুলত প্ৰচলিত সকলো ৰীতি-নীতিৰ বিধান দিলে আৰু এওঁলোকে সেইবিলাক আদৰেৰে সৈতে পালন কৰি গ'ল। এইদৰে দেৱতাসকলক পূজা কৰাই মুনিসকলে সীতাক এখন ধুনীয়া সিংহাসন দিলে। সীতা আৰু ৰামে ইজনে সিজনলৈ চোৱা-চুই কৰা আৰু অনুৰাগ প্ৰকাশ কৰাৰ কথা কাৰো চকুত নপৰিল। যি তত্ত্ব শ্ৰেষ্ঠ মন, বুদ্ধি আৰু বচনৰো অগোচৰ, কৱিয়ে সেই তত্ত্ব কেনেকৈ প্ৰকাশ কৰিব?

দোঃ—হোম দিয়াৰ সময়ত অগ্নিদেৱতাই মূৰ্তি ধৰি আনন্দ মনেৰে আহুতি গ্ৰহণ কৰিলে ; বেদসমূহে ব্ৰাহ্মণৰ বেশ ধাৰণ কৰি বিবাহৰ বিধিসমূহৰ বিধান দিবলৈ ধৰিলে। ৩২৩ ॥

চৌঃ—জনক ৰজাৰ জগৎ বিখ্যাত পাটমাদৈ আৰু সীতাৰ মাতৃগৰাকীৰ বৰ্ণনা নো কেনেকৈ দিয়া যায়! সুযশ, পুণ্য, সুখ আৰু সৌন্দৰ্য—এই সকলোকে একত্ৰ কৰি তাৰে সজাই-পৰাই বিধাতাই তেওঁক নিৰ্মাণ কৰিলে। ১ ॥

সময় বুজি শ্ৰেষ্ঠ মুনিসকলে তেওঁক মাতি পঠালে। সেই কথা শুনা মাত্ৰকে আয়তীসকলে আদৰ-সাদৰ কৰি ৰাণীক লৈ আহিলে। ৰাণী সুনয়না জনকৰ বাওঁ ফালে এনেদৰে শুৱাই আছিল, যেন হিমালয়ৰ লগত মেনকাহে বৈ আছে। ২ ॥

পবিত্ৰ, সুগন্ধি, মংগল জলেৰে ভৰি থকা সোণৰ কলসী আৰু মণি-ৰত্নৰে নিৰ্মিত সুন্দৰ থালী হাতত লৈ ৰজা-ৰাণীয়ে আনন্দ মনেৰে শ্ৰীৰামৰ সমুখত ৰাখিলে। ৩ ॥

মুনিসকলে মংগল বাণীৰে সৈতে বেদ-পাঠ কৰিছে। শুভক্ষণ হৈছে বুলি আকাশৰপৰা পুষ্পবৃষ্টি হ'বলৈ ধৰিলে। দৰা দেখি ৰজা-ৰাণী অনুৰক্ত হৈ পৰিল আৰু তেওঁলোকে ৰামৰ পবিত্ৰ চৰণ ধুৱাই দিলে। ৪ ॥

ছন্দঃ—তেওঁলোকে শ্ৰীৰামৰ পদ-পংকজ পখালিবলৈ ধৰিলে, প্ৰেমবশতঃ তেওঁলোকৰ শৰীৰ পুলকিত হ'ল। আকাশত আৰু নগৰত হোৱা গীত-মাত, ডবা আৰু জয়ধ্বনিৰে যেন চাৰি দিশ উপচি উঠিল। যি চৰণকমল কাম-শত্ৰু শিৱৰ মানস-সৰোবৰত সদায় বিৰাজমান, যাক এবাৰ স্মৰণ কৰিলেই মনলৈ নিৰ্মলতা আহে আৰু কলিকালৰ সকলো পাপ দূৰ হয়, যাৰ পৰশত পাপময়ী অহল্যাই (মুনি-পত্নী) গতি লাভ কৰিলে, যি চৰণকমলৰ মকৰন্দ (গংগানদী) শিৱৰ শিৰত বিৰাজমান, যাক দেৱতাসকলে পবিত্ৰতাৰ সীমা বুলি কয়, মুনি আৰু যোগীজনে নিজৰ মন-ভোমোৰাৰে যি চৰণকমলৰ সেৱন কৰি বাঞ্ছিত গতি লাভ কৰে, সেই দুটি চৰণকে ভাগ্যৱান জনকে ধুৱাব লাগিছে—তাকে দেখি সকলোৱে জয়ধ্বনি কৰিবলৈ ধৰিলে। ১।২ ॥

দুয়ো পক্ষৰ কুলগুৰুৱে বৰ-কন্যাৰ হাত মিলাই উভয়পক্ষৰ বংশ মৰ্যাদাৰ কীৰ্তন কৰিবলৈ ধৰিলে। পাণিগ্ৰহণ কাৰ্য দেখি ব্ৰহ্মা আদি দেৱতাসকল, মনুষ্য আৰু মুনি সকলো আনন্দিত হ'ল। সুখৰ মূল স্বৰূপ দৰাজনক দেখি ৰজা ৰাণীৰ শৰীৰ পুলকিত হ'ল, মন আনন্দেৰে উপচি পৰিল। নৃপতিসকলৰ

অলংকাৰ স্বৰূপ জনকে লৌকিক আৰু বৈদিক ৰীতি পালন কৰি কন্যাদান কৰিলে। ৩ ॥

যেনেকৈ হিমালয়ে শিৱলৈ পাৰ্বতীক, সাগৰে হৰিলৈ লক্ষ্মীক দান কৰিছিল, সেইদৰে জনকেও ৰামৰ হাতত সীতাক সমৰ্পণ কৰিলে। ইয়াৰ ফলত নতুন কীৰ্তি বিয়পি পৰিল। বিদেহৰাজে কি বুলিনো বিনয় দেখুৱাব; সেই শ্যাম মূৰ্তিয়ে তেওঁক যথাৰ্থতে বিদেহ (দেহৰ কথা পাহৰি যোৱা) কৰি পেলালে। বিধি-পূৰ্বক হোম দিয়াৰ পাছত লগুণ-গাঁঠি বন্ধা হ'ল আৰু বৰা-কন্যাই অগ্নি প্ৰদক্ষিণ কৰিলে। ৪ ॥

দোঃ—জয়ধ্বনি, বন্দিধ্বনি, বেদধ্বনি মংগলগীত আৰু ডবাৰ শব্দ শুনি চতুৰ দেৱতাসকলে হৰ্ষিত হৈ কল্পতৰুৰ ফুল বৰষিবলৈ ধৰিলে। ৩২৪ ॥

চৌঃ—ৰাজকুমাৰ আৰু ৰাজকুমাৰীয়ে ধুনীয়াকৈ অগ্নি প্ৰদক্ষিণ কৰিবলৈ ধৰিলে। সকলোৱে আগ্ৰহেৰে সৈতে চাই নয়ন পৰম সাৰ্থক মানিলে। এই মনোহৰ দম্পতিৰ বৰ্ণনা দিব নোৱাৰি। যি দুই-এটা উপমা দিব খোজোঁ, সিও অতি তুচ্ছ। ১ ॥

ৰাম-সীতাৰ সুন্দৰ প্ৰতিচ্ছবি মণি-ৰত্নৰ স্তম্ভবোৰত জিলিকি উঠিছে; যেন কামদেৱ আৰু ৰতিয়েহে বহু ৰূপ ধৰি ৰাম-সীতাৰ অনুপম বিবাহ চাব লাগিছে। ২ ॥

তেওঁলোকৰ (বিবাহ) দৰ্শনৰ হেঁপাহ আৰু সংকোচ, এটাও কম নহয়; সেই কাৰণেহে যেন তেওঁলোক (ৰতি-কামদেৱ) এবাৰ ওলাইছে, এবাৰ লুকাইছে। সকলো দৰ্শক আনন্দত মগ্ন হৈ পৰিল আৰু জনকৰ দৰে সকলো আপোন পাহৰা হৈ পৰিল। ৩ ॥

মুনিসকলে আনন্দ মনেৰে ৰাম-সীতাক প্ৰদক্ষিণ কৰিলে আৰু যথাবিধি সকলো নিয়ম পালন কৰিলে। ৰামে সীতাৰ শিৰত সেন্দুৰ পিন্ধালে; সেই সৌন্দৰ্যৰ বৰ্ণনা কোনো প্ৰকাৰে দিব নোৱাৰি। ৪ ॥

যেন ৰক্তিম পৰাগেৰে পদুমৰ পাহি ভৰাই দি অমৃতৰ লোভত সাপেহে চন্দ্ৰক ভূষিত কৰিছে। তাৰ পাছত বশিষ্ঠই আজ্ঞা কৰাত বৰকন্যা একেখন আসনত বহিল। (এই পদ ফাকিত শ্ৰীৰামৰ বাহুক সাপ, হাতৰ তলুৱা আৰু আঙুলি পদুম ফুলৰ পাহি, সেন্দুৰক পদুমৰ পৰাগ আৰু সীতাৰ মুখখনক চন্দ্ৰৰ লগত তুলনা কৰা হৈছে) ৫ ॥

ছন্দঃ—ৰাম-সীতা শ্ৰেষ্ঠ আসনত বহা দেখি দশৰথে মনতে বৰ আনন্দ লাভ

কৰিলে। নিজৰ পুণ্যস্বৰূপ কল্পতৰুত নতুন ফল ধৰা দেখি সেই সময়ত তেওঁৰ শৰীৰ বাৰে বাৰে পুলকিত হ'ল। চৌধ্য ভুবন উৎসাহেৰে ভৰি পৰিল। সকলোৰে মুখত কেৱল 'ৰামৰ বিয়া'ৰ কথাহে। জিভা হ'ল এগন আৰু এই মংগলৰ সীমা নাই; তেনেস্থলত তাৰ কথা কৈ কেনেকৈ শেষ কৰিব পাৰি? ১॥

তাৰ পচত বশিষ্ঠৰ আজ্ঞামতে জনকে বিয়াৰ সম্ভাৰ গোটাই মাণ্ডৱী, শ্ৰুত-কীৰ্তি আৰু উৰ্মিলা—এই ৰাজকুমাৰীসকলক মতাই অনালে। গুণ, চৰিত্ৰ, ৰূপ আৰু সৌন্দৰ্যৰ মূৰ্তি স্বৰূপিণী, কুশধ্বজৰ জ্যেষ্ঠা কন্যা মাণ্ডৱীক জনকে মৰম-সাদৰ কৰি সকলো প্ৰকাৰৰ নিয়ম পালন কৰি ভৰতলৈ বিয়া দিলে। ২॥

সীতাৰ ভনীয়েক উৰ্মিলাক সকলো সুন্দৰী নাৰীৰ শিৰোমণি বুলি জানি, সকলো প্ৰকাৰে সম্মান দেখুৱাই লক্ষ্মণলৈ বিয়া দিলে। সুনয়না, সুবদনী, গুণৰ সমস্ত আকৰ আৰু ৰূপ তথা চৰিত্ৰৰ প্ৰকাশ স্বৰূপা শ্ৰুতকীৰ্তি নামৰ কন্যাটি ৰজাই শত্ৰুঘ্নলৈ বিয়া দিলে।

দৰা-কন্যাসকলে নিজৰ নিজৰ অনুৰূপ সংগী দেখি সংকোচ হোৱা যেন দেখুৱায়ো মনে মনে আনন্দ পালে। সকলোৱে আনন্দ মনেৰে তেওঁলোকৰ সৌন্দৰ্য শলাগিবলৈ ধৰিলে। সুন্দৰী কন্যাকেইগৰাকী সুন্দৰ দৰাৰ লগত একেলগে একেখন ৰভাতে এনেভাবে শোভা পালে, যেন জীৱৰ হৃদয়তহে চাৰিওটা অৱস্থা (জাগ্ৰত, স্বপ্ন, সুষুপ্তি আৰু তুৰীয়) নিজ নিজ প্ৰভুৰ লগতে (বিশ্ব, তৈজস, প্ৰাজ্ঞ আৰু ব্ৰহ্ম) প্ৰকাশ পালে।

দোঃ—আটাইকেইটি পুতেকক বোৱাৰীয়েকহঁতৰে সৈতে দেখি অযোধ্যাপতি দশৰথে এনেকুৱা আনন্দ পালে, যেন তেওঁ ৰজাসকলৰ শিৰোমণিস্বৰূপ (যজ্ঞ-ক্ৰিয়া, শ্ৰদ্ধাক্ৰিয়া, যোগক্ৰিয়া আৰু জ্ঞানক্ৰিয়া) ক্ৰিয়াসমূহৰে সৈতে চতুৰ্বৰ্গৰ ফলহে (অৰ্থ, ধৰ্ম, কাম আৰু মোক্ষ) লাভ কৰিলে। ৩২৫॥

চৌঃ—ৰামৰ বিয়াৰ বিষয়ে যেনেকুৱা বৰ্ণনা দি অহা হ'ল, সেইদৰেই আটাইকেইজনৰ বিবাহো সমাধা হ'ল। যৌতুকৰ কথা বেছিকৈ ক'বই নোৱাৰি, গুঠতে ৰভা গোটেইখন সোণ আৰু মণি-ৰত্নৰে ভৰি পৰিল। ১॥

বহুমূলীয়া কম্বল, বস্ত্ৰ আৰু বিচিত্ৰ ৰেশমী কাপোৰ, হাতী, ঘোঁৰা দাস-দাসী কামধেনুৰ নিচিনা অলংকৃত গাই গৰু,—২॥

—এইদৰে অনেক বস্তু, তাৰ কিমান লেখ দিবা? সেইবোৰৰ বৰ্ণনাই দিব নোৱাৰি। দেখাবোৰেহে সেই কথা বুজিব। সেইবোৰ দেখি [ইন্দ্ৰ আদি]

লোকপাল সকলবো ঈর্ষা হ'ল। আনন্দ মনেৰে অযোধ্যাপতিয়ে সেই সকলো গ্ৰহণ কৰিলে। ৩॥

তেওঁ খোজনীয়াসকলক, যাৰ যিহকে ইচ্ছা হ'ল, তাকে দান কৰি বাকী থকা বস্তু লৈ তেওঁলোকৰ বৰযাত্ৰী থকা ঠাইলৈ আহিল। জনকে হাতযোৰ কৰি সকলো বৰযাত্ৰীকে সন্মান জনাই কোমল মাতেৰে ক'বলৈ ধৰিলে—৪॥

ছন্দঃ—আদৰ-সৎকাৰ, দান, বিনয় আৰু প্ৰশংসা বচনেৰে সকলো বৰযাত্ৰীকে সন্মান কৰি জনকে অতি আনন্দেৰে সৈতে আতোপুতো কৰি মুনিসকলক পূজা আৰু বন্দনা কৰিলে। মূৰ দোঁৱাই দেৱতাসকলক সন্মান জনাই তেওঁ সকলোকে ক'বলৈ ধৰিলে—"দেৱতা আৰু সাধুসকলে ভাৱহে বিচাৰে, সাগৰক একাঞ্জলি পানী দি কি সন্তুষ্ট কৰিম? ১॥

জনকে তাৰ পাছত ভায়েকৰ (কুশধ্বজ) সৈতে হাতযোৰ কৰি কোশলৰাজ দশৰথক স্নেহ, শীল আৰু গভীৰ প্ৰীতি সহকাৰে মনোহৰ বচনেৰে ক'বলৈ ধৰিলে—"হে মহাৰাজ, আপোনাৰ লগত সম্বন্ধ ঘটাৰ পাছত আমি সকলো প্ৰকাৰে শ্ৰেষ্ঠ হ'লো। এই ৰাজপাটৰ সৈতে আমাক দুয়োজনকে আপুনি বিনা-মূলীয়া সেৱক বুলি ভাবিব। ২॥

"এই ছোৱালীকেইটিক পৰিচাৰিকা বুলি ভাবি নতুন নতুন দয়া কৰি পালন কৰে যেন। মই আপোনাক ইয়ালৈ মাতি পঠাই ডাঙৰ ধৃষ্টতা দেখুৱালোঁ, সেই অপৰাধ ক্ষমা কৰে যেন।" তেতিয়া সূৰ্যকুলৰ ভূষণস্বৰূপ দশৰথে মিতিৰ জনক ৰজাক সমস্ত সন্মানৰ নিধিস্বৰূপ কৰি পেলালে (বহুত সন্মান কৰিলে)। তেওঁ-লোক দুজনৰ বিনয়ৰ কথা কৈ শেষ কৰিব নোৱাৰি, দুয়োৰে অন্তৰ প্ৰীতি-ভাৱেৰে পূৰ্ণ হৈ পৰিল। ৩॥

দেৱতাসকলে পুষ্পবৃষ্টি কৰিবলৈ ধৰিলে। দশৰথ ৰজা বৰযাত্ৰী আদি থকা ঠাইলৈ ঘূৰিল। দুন্দুভিধ্বনি, জয়ধ্বনি আৰু বেদধ্বনি হ'বলৈ ধৰিলে। আকাশ আৰু নগৰ জুৰি কৌতূহলৰ সীমা নোহোৱা হ'ল। তাৰ পাছত মুনিশ্ৰেষ্ঠসকলৰ আদেশমতে সুন্দৰী সখীয়েকইতে মংগল-গীত গাই গাই দৰা-কন্যাক বিয়াৰ সময়ত কুলদেৱতাক পূজা কৰা ঠাইলৈ লৈ গ'ল।

দোঃ—সীতাই বাৰে বাৰে ৰামলৈ চায় যদিও, লাজতে ভালকৈ নৌদেখোঁতেই চকু আঁতৰাই আনিবলগীয়া হয়; কিন্তু তেওঁৰ মনত হ'লে সংকোচ ভাব নাছিল। সীতাৰ প্ৰেমলিপ্সু সেই চকু যুৰিৰ সৌন্দৰ্যই ধুনীয়া ধুনীয়া মাছৰ সৌন্দৰ্যকো চেৰ পেলাইছিল। ৩২৬॥

চৌঃ—ৰামৰ শ্যামতনু স্বভাৱতে সুন্দৰ আছিল ; তাৰ শোভাই কোটি কামদেৱকো লজ্জিত কৰিছিল। আল্তা সনা পদুম যেন ভৰি দুটি বৰ ধুনীয়া দেখাইছিল। সেই চৰণকমলতে মুনিসকলৰ মনৰূপী ভোমোৰা সদায় পৰি থাকে। ১ ॥

পৱিত্ৰ আৰু মনোহৰ পীত-বসনে পুৱাৰ সূৰ্যৰ আৰু বিজুলীৰ পোহৰ হৰণ কৰি আনিছে। কঁকালৰ কিংকিণী আৰু কটিসূত্ৰ, বিশাল বাহুদুটিত সুন্দৰ অলংকাৰে শুৱাই আছে। ২ ॥

হালধীয়া লগুণডালিয়ে অতিকৈ শুৱাই আছে ; হাতৰ আঙঠিটোও বৰ আকৰ্ষণীয়। বিয়াৰ সকলো সাজপাৰেৰে তেওঁ শুৱনি হৈ আছে। বহল বুকুত ধুনীয়া ধুনীয়া বক্ষভূষণসমূহে শোভা কৰি আছে। ৩ ॥

[লগুণৰ দৰে বাওঁ কান্ধৰ ওপৰত সোঁফালে কাষলতি তলেদি লোৱা] হালধীয়া উত্তৰীয় বসনে শুৱাই তুলিছে। সেই বসনখনিৰ দুয়ো মুৰে মণি-মুকুতা খটোৱা। চকুদুটি পদুম যেন, কাণত ধুনীয়া কুণ্ডল, মুখখনিতে যেন সমস্ত সৌন্দৰ্য গোটি খাই আছেহি। ৪ ॥

ধুনীয়া চেলাউৰি, ধুনীয়া নাক, কপালৰ তিলকটি যেন সৌন্দৰ্যৰ নিবাস-স্থানহে ; মূৰত মংগলময় মণি-মুকুতা খচিত মনোহৰ মুকুটে শোভা কৰিছে। ৫ ॥

ছন্দঃ—সুন্দৰ মুকুটত বহুমূলীয়া মণি খটোৱা ; ৰামৰ সকলো অংগই মন-প্ৰাণ হৰি নিয়ে। সকলো পুৰনাৰী আৰু দেৱসুন্দৰীয়ে দৰা দেখি [দৰাৰ কুশলৰ অৰ্থে] মংগল কামনা কৰিবলৈ ধৰিলে আৰু মণি-ৰত্ন, অলংকাৰ, বস্ত্ৰ আদি উৎসৰ্গা কৰি, আৰতি কৰি লৈ মংগলগীত গালে। দেৱতাসকলে পুষ্পবৃষ্টি কৰিলে ; সূত, চাৰণ আৰু ভাটসকলে যশস্যা-কীৰ্তন শুনোৱাত লাগিল। ১ ॥

আয়তীসকলে ৰং মনেৰে সেই কোঁৱৰ-কুঁৱৰীক শোৱনি ঘৰলৈ (দৰা-কন্যা বথা ঘৰলৈ) লৈ গ'ল। তেওঁলোকে অতি আগ্ৰহেৰে মংগল-গীত গাই গাই লোকাচাৰ পালন কৰাত লাগিল। পাৰ্বতীয়ে এগৰাহ কন্যাক খুৱাই দিবলৈ ৰামচন্দ্ৰক আৰু সৰস্বতীয়ে দৰাক নিজহাতে খুৱাই দিবলৈ সীতাক শিকাই দিলে। গোটেই অন্তঃপুৰ হাঁহি-তামচাত মগ্ন হৈ পৰিল। তেওঁলোকে সমস্ত জন্মৰ সুফল লাভ কৰিলে। ২ ॥

নিজৰ হাতত পিন্ধা ৰত্নবোৰত শোভন ৰূপৰ নিধিস্বৰূপ শ্ৰীৰামৰ প্ৰতিচ্ছবি দেখা গ'ল। তাকে দেখি সীতাই ৰামচন্দ্ৰক দেখাত ব্যাঘাত জন্মাৰ ভয়ত নিজৰ হাত আৰু দৃষ্টি লৰচৰ নোহোৱাকৈ ৰাখিলে। সেই সময়ৰ হাঁহি-ধেমালি, বিনোদ-আনন্দ আৰু প্ৰেম-প্ৰীতিৰ কথা কৈ শেষ কৰিব নোৱাৰি ;

সেই কথা কেৱল সখীয়েকসকলেহে ক'ব পাৰিব। তাৰ পাছত সুন্দৰী সখীয়েক-সকলে দৰা-কন্যাক বৰযাত্ৰী থকা ঠাইলৈ লৈ গ'ল। ৩ ॥

সেই সময়ত নগৰত, আকাশত, ঘ'তে ত'তে আশীৰ্বাদৰ ধ্বনি শুনা গ'ল; গোটেইখন আনন্দত তোলপাৰ লাগিল। সকলোৱে প্ৰসন্ন মনেৰে ক'লে— "চাৰিওটি দম্পতি চিৰজীৱী হওক"। যোগীৰাজ, সিদ্ধ, মুনিশ্ৰেষ্ঠ আৰু দেৱতা-সকলে প্ৰভু শ্ৰীৰামক দেখি দুন্দুভি ধ্বনি কৰিলে, আনন্দিত হৈ পুষ্পবৃষ্টি কৰিলে আৰু "জয় জয়" উচ্চাৰণ কৰি নিজ নিজ লোকলৈ ঘূৰি গ'ল। ৪ ॥

দোঃ—তেতিয়া পত্নীৰে সৈতে ৰাজকুমাৰ কেইজন পিতাকৰ ওচৰলৈ গ'ল। [সেই সময়ত] এনেকুৱা লাগিছিল, যেন শোভা, মংগল আৰু আনন্দেৰে সেই ঠাই উথলি উঠিছিল। ৩২৭ ॥

চৌঃ—আকৌ অনেক প্ৰকাৰৰ ৰন্ধা-বঢ়া কৰা হ'ল। জনকে বৰাঘৰীয়া-সকলক মতাই নিলে। বাটত ভৰি দিবলৈ অনুপম বস্ত্ৰ পাৰি দিলে। পুত্ৰসকলৰ সৈতে ৰজা দশৰথো গ'ল। ১ ॥

আদৰ-সাদৰ কৰি সকলোৰে ভৰি ধুৱাই দিয়া হ'ল; সকলোকে যথাযোগ্য আসনত বহুৱালে। জনকে অযোধ্যাপতিৰ চৰণ ধুৱাই দিলে। তেওঁৰ শীল আৰু স্নেহৰ বৰ্ণনা দিব নোৱাৰি। ২ ॥

শিৱৰ হৃদয়-কমলত লুকাই থকা ৰামৰ চৰণ-কমল জনকে ধুৱাই দিলে। বাকী তিনিজন ভায়েককো ৰামৰ সমতুল্য বুলি জানি জনকে তেওঁলোকৰো চৰণ নিজহাতে ধুৱাই দিলে। ৩ ॥

জনক ৰজাই সকলোকে উচিত আসন দিলে আৰু সকলো ৰান্ধনীকে মতাই অনালে। ৰত্নৰে নিৰ্মিত আৰু সোণৰ খৰিকাৰে সীয়া (ভোজনৰ বাবে) পাতবোৰ পৰা হ'ল। ৪ ॥

দোঃ—চতুৰ আৰু বিনয়ী ৰান্ধনিয়ে সুন্দৰ, জুতি লগাই ৰন্ধা শুচি খাদ্য গৰুৰ ঘিঁউৰে সৈতে আনি খন্তেকৰ ভিতৰতে সকলোৰে আগত সজাই দিলেহি। ৩২৮

চৌঃ—সকলোৱে [প্ৰাণ, অপান, ব্যান উদান আৰু সমানৰ প্ৰতি স্বাহা উচ্চাৰণ কৰি] পাঁচ গৰাহ অন্ন খোৱাৰ পাছত, যোৱানাম গোৱা শুনি বৰ আনন্দ পালে। অনেক প্ৰকাৰৰ অমৃততুল্য খাদ্য দিয়া হ'ল; সেইবোৰৰ বৰ্ণনা দিব নোৱাৰি। ১ ॥

চতুৰ ৰান্ধনিয়ে নানাবিধ ব্যঞ্জন দিবলৈ ধৰিলে। সেইবোৰৰ নাম কোনে জানিব? চাৰি প্ৰকাৰৰ (চোবাই খোৱা, চুপি খোৱা, চেলেকি খোৱা আৰু

পি খোৱা) ভোজনৰ কথা কোৱা হয়, পিছে ইয়াৰ এবিধ এবিধতে ইমান বস্তু দিয়া হৈছিল যে সেইবোৰ বৰ্ণনাৰ অতীত। ২ ॥

ছয়োবিধ ৰসৰে অনেক প্ৰকাৰৰ সোৱাদ ব্যঞ্জন; এটা এটা ৰসৰে আকৌ অগণন প্ৰকাৰ। খোৱাৰ সময়ত তিৰোতাসকলে পুৰুষ আৰু তিৰোতাৰ নাম ধৰি ধৰি মিঠা মাতেৰে যোৰানাম গাবলৈ ধৰিলে। ৩ ॥

সময় বুজি (যোৰানামেৰে) দিয়া গালিবোৰ বৰ ভাল লাগিছিল। সেইবোৰ শুনি সমাজৰ লগত দশৰথেও হাঁহিছিল। এইদৰে সকলোৱে ভোজন কৰিলে আৰু মুখ-হাত ধুবলৈ পানী দিয়া হ'ল। ৪ ॥

দোঃ—তাৰ পাছত জনকে তামোল-পাণ দি সমাজৰে সৈতে দশৰথক সৎকাৰ কৰিলে। ৰজাসকলৰ শিৰোমণি দশৰথে আনন্দ মনেৰে বৰযাত্ৰী থকা ঠাইলৈ গমন কৰিলে। ৩২৯ ॥

চৌঃ—জনকৰ নগৰত নিত্য নতুন সুমংগল ঘটিবলৈ ধৰিলে। দিনটো আৰু ৰাতিটো এক নিমিষতে যেন শেষ হয়। নিচেই পুৱাতে নৃপতি-চূড়ামণি দশৰথে সাৰ পালে আৰু যাচকসকলে তেওঁৰ গুণ গান কৰিলে। ১ ॥

পুতেকসকলক বোৱাৰীৰ সৈতে দেখি তেওঁৰ মনত যি আনন্দ লাগিল তাক কেনেকৈ প্ৰকাশ কৰিম? তেওঁ প্ৰাতঃক্ৰিয়া কৰি গুৰু বশিষ্ঠৰ ওচৰলৈ গ'ল। তেওঁৰ মনত অপাৰ আনন্দ আৰু ভক্তিভাৱ। ২ ॥

ৰজাই পূজা আৰু প্ৰণাম কৰি হাত যোৰকৈ অমৃত সনা বচনেৰে ক'বলৈ ধৰিলে—"হে মুনিৰাজ! শুনক, আজি আপোনাৰ কৃপাত মই পূৰ্ণকাম হলোঁ। ৩ ॥

"হে গোসাঁই, এতিয়া সকলো ব্ৰাহ্মণকে মাতি আনি সকলো প্ৰকাৰে অলংকৃত কৰি গৰু-দান কৰক।" এই কথা শুনি গুৰুৱে ৰজাক প্ৰশংসা কৰি মুনিসকলক মাতি পঠালে। ৪ ॥

দোঃ—তেতিয়া বামদেৱ, দেৱৰ্ষি নাৰদ, বাল্মীকি, জাবালি, বিশ্বামিত্ৰ আদি তপস্বী-শ্ৰেষ্ঠ মুনিসকল আহিবলৈ ধৰিলে। ৩৩০ ॥

চৌঃ—ৰজাই সকলোকে দণ্ডৱৎ প্ৰণাম কৰিলে আৰু ভক্তি সহকাৰে পূজা কৰি উত্তম আসন দিলে। কামধেনুৰ দৰে সৎচৰিত্ৰৰ ধুনীয়া চাৰিলাখ গাই গৰু বিচৰাই আনিলে। ১ ॥

সেই গাইবোৰ সকলো প্ৰকাৰে অলংকৃত কৰি প্ৰসন্ন মনেৰে ৰজাই ব্ৰাহ্মণ সকলক দান কৰিলে। "জগতত আজিহে মই জন্ম ধৰাৰ সুফল লাভ কৰিলোঁ।"—এই বুলি ৰজাই অনেক অনুনয়-বিনয় কৰিলে। ২ ॥

[ব্ৰাহ্মণৰ] আশীৰ্বাদ পাই ৰজা বৰ আনন্দিত হ'ল। তাৰ পাছত য'চক সকলক মাতি আনি সকলোকে নিজৰ ৰুচি অনুসাৰে সোণ, বস্ত্ৰ, মণি ৰত্ন, ঘোঁৰা, হাতী, ৰথ, প্ৰভৃতি ৰঘুকুল নন্দন দশৰথে দান কৰিলে। ৩ ॥

তেওঁলোক সকলোৱেই ৰজাৰ গুণ-গান কৰি "সূৰ্যবংশৰ স্বামীৰ জয় হওক" বুলি গুচি গ'ল। এইদৰে ৰামৰ বিবাহ উৎসৱ সমাধা হ'ল। এহেজাৰখন মুখ থকা শেষ নাগেও ইয়াৰ বৰ্ণনা দিব নোৱাৰে। ৪ ॥

দোঃ—ৰজাই বাৰে বাৰে বিশ্বামিত্ৰৰ চৰণত মূৰ দোঁৱাই ক'বলৈ ধৰিলে— "হে মুনিৰাজ! এই সকলো সুখ আপোনাৰ কৃপা-দৃষ্টিৰ প্ৰসাদহে।" ৩৩১ ॥

চৌঃ—দশৰথ ৰজাই জনকৰ স্বভাৱ-চৰিত্ৰ, স্নেহভাৱ আৰু কাৰ্যাৱলীৰ শলাগ ল'লে। প্ৰতিদিনে শুই উঠিয়েই অযোধ্যাপতিয়ে বিদায় মাগে; কিন্তু জনকে মৰমতে তেওঁক যাবলৈ নিদিয়ে। ১ ॥

আদৰ-সাদৰ নিতৌ বাঢ়িহে যায়; প্ৰতিদিনে হেজাৰ ধৰণেৰে অতিথিক শোধ-পোছ কৰা হয়; নগৰত নিতৌ নতুন নতুন আনন্দ উৎসাহ হয়; দশৰথ গুচি যোৱাটো কোনেও ভাল নাপায়। ২ ॥

এইদৰে বহুত দিন গ'ল; দৰাঘৰীয়াসকলক চেনেহৰ জৰীয়েহে বান্ধি থৈছে। তেতিয়া বিশ্বামিত্ৰ আৰু শতানন্দই গৈ জনকক বুজাই ক'লে—"যদিও আপুনি স্নেহবশতঃ এওঁলোকক এৰি পঠাব পৰা নাই, তথাপি এতিয়া দশৰথক যাবলৈ অনুমতি দিয়ক।" "হে নাথ! ভাল কৈছে"—বুলি জনকে মন্ত্ৰীসকলক মাতি পঠালে। তেওঁলোক আহিল আৰু "জয় জীৱ" বুলি ৰজাক অভিবাদন জনাই মূৰ দোঁৱালে। ৩।৪ ॥

দোঃ—[জনকে ক'লে—] "অযোধ্যাপতি যাবগৈ খুজিছে। ভিতৰত (অন্তেষপুৰত) কথাটো জানিবলৈ দিয়া।" এই কথা শুনি মন্ত্ৰী, ব্ৰাহ্মণ, সভাসদ আৰু জনক ৰজা নিজেও প্ৰীতিভাৱত গদ্‌গদ হৈ পৰিল। ৩৩২ ॥

চৌ—পুৰবাসীসকলে দৰাঘৰীয়া মানুহ যায়গৈ বুলি শুনি বিয়াকুল হৈ ইজনে সিজনক এই কথা সুধিবলৈ ধৰিলে। যোৱা কথাটো সঁচা বুলি জানি মানুহ-বিলাক বিষণ্ণ হৈ পৰিল; যেন সন্ধ্যা সময়ত পদুম ফুলহে কোঁচ খাই গ'ল। ১ ॥

অহাৰ সময়ত য'তে বৰযাত্ৰীসকল ৰৈ আহিছিল, তালৈকে অনেক প্ৰকাৰৰ সিধা (ৰন্ধা-বঢ়াৰ কাৰণে বস্তু) পঠাই দিয়া হ'ল। অনেক ধৰণৰ মিঠা ফল, মিঠাই আৰু খোৱা বস্তু, (যিবোৰৰ বৰ্ণনা দিব নোৱাৰি) অগণন গৰুৰ ওপৰত

যোজাই দি আৰু ভাৰীৰ কান্ধত দি পঠোৱা হ'ল। জনকে তাৰ লগতে বহুত সুন্দৰ শয্যাও পঠাই দিলে। ২ ॥

একলাখ ঘোঁৰা আৰু পঁচিশ হাজাৰ ৰথ আদিৰ পৰা অন্তলৈকে সজাই পৰাই, দহ হাজাৰ সুসজ্জিত মত্ত হাতী, যাক দেখি দিগ্‌গজেও লাজ পায়, গাড়ীয়ে গাড়ীয়ে সোণ, বস্ত্ৰ, ৰত্ন আৰু ম'হ, গাই-গৰু আদি অনেক বস্তু দিলে। ৩।৪ ॥

দোঃ—[এইদৰে] জনকে অপৰিমিত যৌতুক দিলে, সেইবোৰৰ কথা কৈ শেষ কৰিব নোৱাৰি। সেইবিলাক দেখি লোকপালসকলৰ ঐশ্বৰ্য-বিভৱো কম যেন ধাৰণা হ'ল। ৩৩৩ ॥

চৌঃ—এইদৰে সকলো বস্তু সজাই জনকে অযোধ্যানগৰলৈ পঠাই দিলে। দৰাঘৰীয়াসকল যাবগৈ বুলি শুনি ৰাণীসকল, অলপ পানীৰ মাছৰ দৰে বিকল হৈ পৰিল। ১ ॥

তেওঁলোকে বাৰে বাৰে সীতাক কোলাত তুলি ল'লে আৰু আশীৰ্বাদ দি কথা শিকাবলৈ ধৰিলে—"তুমি সদায় পতিৰ প্ৰিয় হ'বা, তোমাৰ সৌভাগ্য যেন অচল হয়—এয়ে আমাৰ আশীৰ্বাদ। ২ ॥

শহুৰ. শাহু আৰু গুৰুজনৰ সেৱা কৰিবা। স্বামীৰ মনোভাৱ অনুসৰি তেওঁৰ আজ্ঞা পালন কৰিবা।" চতুৰ সখীয়েকহঁতে অতি মৰমৰ বাবে মৃদু বাক্যেৰে নাৰী-ধৰ্মৰ শিক্ষা দিছিল। ৩ ॥

ৰাণীসকলে আটাইকেইগৰাকী ৰাজকুমাৰীকে বুজাই-বৰাই বুকুত আঁকোৱালি ধৰিলে। মাতৃসকলে বাৰে বাৰে জীয়েকৰ ওচৰলৈ যায় আৰু কয়, "ব্ৰহ্মাইনো স্ত্ৰী-জাতিটো কিয় সৃজিলে ? "৪ ॥

দোঃ—সেই সময়তে সূৰ্যবংশৰ পতাকাস্বৰূপ ৰামো ভায়েক কেইজনেৰে সৈতে আনন্দমনেৰে বিদায় ল'বৰ কাৰণে জনকৰ ৰাজ ভৱনলৈ গ'ল। ৩৩৪ ॥

চৌঃ—স্বভাৱ সুন্দৰ সেই চাৰি ভাইক চাবলৈ বুলি নগৰৰ নৰ-নাৰীয়ে লৰ ধৰিলে। কোনোবাই ক'লে—"আজি এওঁলোক যাবগৈ খুজিছে। বিদেহৰাজ জনকে বিদায়ৰ সকলো আয়োজন কৰিছে। ১ ॥

"প্ৰিয় অতিথি এই চাৰিজন ৰাজকুমাৰৰ ৰূপ-ৰাশি নয়ন ভৰি চাই লোৱা। হে'ৰা চতুৰী! কোনে জানে, কি পুণ্যৰ বলত বিধাতাই তেওঁলোকক ইয়ালৈ আনি আমাৰ চকুৰ অতিথি কৰিছে। ২ ॥

"মৃত্যুমুখীয়ে অমৃত পোৱা যেনেকুৱা, জন্মৰে পৰা ভোকত থকাজনে কল্পতৰু

গোৱা যেনেকুৱা, নাৰকী লোকে হৰিৰ পৰম পদ পোৱা যেনেকুৱা, আমাৰ বাবে এওঁলোকৰ দৰ্শনো তেনেকুৱাই। ৩ ॥

"ৰামৰ শোভাৰাশি চাই হৃদয়ত ধাৰণ কৰি লোৱাঁ, নিজৰ মনৰূপী সৰ্পৰ ফণাত এওঁৰ মূৰ্তি মণি কৰি লোৱাঁ।" এইদৰে সকলোৱে নয়ন সাৰ্থক কৰি ৰাজকুমাৰ কেইজন ৰাজভৱনলৈ গ'ল। ৪ ॥

দোঃ—ৰূপৰ সাগৰস্বৰূপ কেউজন ভাইকে দেখি সমস্ত অন্তেঃপুৰ আনন্দিত হ'ল। শাহুৱেকসকলে অতি আনন্দ মনেৰে উপহাৰ আগবঢ়ালে আৰু আৰতি কৰিলে। ৩৩৫ ॥

চোঃ—শ্ৰীৰামৰ মূৰ্তি দেখি তেওঁলোক অতি অনুৰক্ত হৈ পৰিল আৰু প্ৰেম-বিৱশ হৈ বাৰে বাৰে চৰণত পৰিবলৈ ধৰিলে। তেওঁলোকৰ অন্তৰ প্ৰীতিভাৱে ওপচাই পেলালে, তাত লাজ থাকিব নোৱাৰা হ'ল। তেওঁলোকৰ এই "সহজ প্ৰীতি"ৰ বৰ্ণনা কেনেকৈ দিম? ১ ॥

তেওঁলোকে ভায়েক কেইজনেৰে সৈতে ৰামক তিল, সৰিয়হ আদিৰ লেপ সানি গা ধুৱালে; অতি মৰম-চেনেহ কৰি ছয় ৰস ভোজন কৰালে। উপযুক্ত সময় বুজি ৰামে সংকোচভাৱেৰে সৎচৰিত্ৰব্যঞ্জক, স্নেহভৰা কথাৰে ক'বলৈ ধৰিলে—"মহাৰাজে অযোধ্যালৈ ঘূৰি যাব খুজিছে আৰু আমাক বিদায় ল'বৰ কাৰণে ইয়ালৈ পঠাই দিছে। হে মাতৃসকল! প্ৰসন্ন চিত্তে আজ্ঞা কৰক, আমাক সক ল'বা বুলি যেন সদায়েই মৰম কৰে।" ২।৩ ॥

এই কথা শুনা মাত্ৰকে অন্তঃপুৰ বিষণ্ণ হৈ পৰিল। মৰমতে শাহুৱেক কেইগৰাকীয়ে একো মাতিব নোৱাৰিলে। তেওঁলোকে ৰাজকুমাৰী কেইগৰাকীক বুকুত সাৱটি ধৰি তাৰ পাছত পতিক সমৰ্পণ কৰি অনেক মিনতি কৰিলে। ৪ ॥

ছন্দঃ—বিনীতভাৱেৰে ৰামৰ হাতত সীতাক সমৰ্পণ কৰি হাত যোৰকৈ বাৰে বাৰে কবলৈ ধৰিলে—"বাছা! তুমি পৰম জ্ঞানী! আমি প্ৰাণ সঁপি দিছো। তুমি সকলো কথাকে জানা। সীতা পৰিয়াল, পুৰবাসী, মোৰ আৰু ৰজাৰ প্ৰাণৰ সমান মৰমৰ বুলিও জানিবা। [হে তুলসীপতি, !] তেওঁৰ চৰিত্ৰ আৰু স্নেহলৈ চাই তেওঁক যেন নিজৰ দাসী বুলি ভাবা।

সোঃ—"তুমি পূৰ্ণকাম, জ্ঞানীশিৰোমণি আৰু (ভক্তি) ভাৱপ্ৰিয়, হে ৰাম! তুমি ভকতৰ গুণগ্ৰাহী আৰু দোষ নাশকাৰী, কৰুণানিধি। ৩৩৬ ॥

চৌঃ—এই বুলি কৈ ৰাণীয়ে ভৱিত ধৰি ৰৈ গ'ল, যেন প্ৰেমৰূপী পংকত

তেওঁৰ বাণী শোমাই লাগিছে ধৰিলে। মৰম সনা সেই ধুনীয়া কথাবোৰ শুনি ৰামে শাহুৱেকক অনেক সন্মান কৰিলে। ১ ॥

ৰামে হাত যোৰ কৰি বিদায় মাগিলে আৰু বাৰে বাৰে প্ৰণাম জনালে। বাৰে বাৰে মূৰ দোঁৱাই আশীৰ্বাদ লৈ ভায়েকহঁতৰ সৈতে ৰাম যাবলৈ ধৰিলে। ২ ॥

শ্ৰীৰামৰ সুন্দৰ মধুৰ মূৰ্তি হৃদয়ত ধাৰণ কৰি সকলো ৰাণী বিয়াকুল হৈ পৰিল। তাৰ পাছত ধৈৰ্য ধৰি ৰাজকুমাৰীসকলক মাতি আনি বাৰে বাৰে ভিঙিত সাৱটিবলৈ ধৰিলে। ৩ ॥

ৰাণীসকলে জীয়েকহঁতক থৈ আহেগৈ, তাৰ পাছত আকৌ ঘূৰি ওচৰ পায়গৈ। তেওঁলোকৰ মৰম অলপকৈ বঢ়া নাই! বাৰে বাৰে ওচৰলৈ যোৱা মাকক সখীয়েকসকলে জীয়েকৰপৰা আঁতৰাই পঠায়। যেন কুমলীয়া পোৱালিৰ ওচৰৰ পৰাহে গাই গৰুক আঁতৰাই অনা হৈছে। ৪ ॥

দোঃ—সকলো নৰ-নাৰী আৰু সখীসকলেৰে সৈতে ৰাণীসকল স্নেহত বিহ্বল হৈ পৰিল। জনকৰ নগৰ যেন কৰুণা আৰু বিৰহৰহে নিবাস স্থান হ'ল। ৩৩৭ ॥

চৌঃ—সীতাই যিবোৰ ময়না-ভাটৌ সোণৰ সজাত ৰাখি পুহিছিল আৰু মাত শিকাইছিল, সেইবোৰে বিয়াকুল হৈ ক'বলৈ ধৰিলে—"সীতা ক'ত?" সিহঁতৰ সেই কৰুণ মাত শুনি কোনে ধৈৰ্য নেহেৰুৱাই থাকিব পাৰিব? ১ ॥

যি স্থলত পশু-পক্ষীৰে এই দশা, মানুহৰ অৱস্থাৰ কথা আৰু কি কম? সেই সময়তে ভায়েকৰ সৈতে জনক তালৈ আহিল। প্ৰেমত গদ্‌গদ্ হৈ তেওঁৰ চকুৰপৰাও আনন্দৰ লোতক বৈ গ'ল। ২ ॥

জনকক পৰম বৈৰাগ্যবান বুলি কোৱা হয়; কিন্তু সীতাক দেখা মাত্ৰকে তেওঁৰ ধৈৰ্য হেৰাই গ'ল। ৰজাই সীতাক বুকুত সাৱটি ললে। তেওঁৰ জ্ঞানৰ মহান মৰ্যাদা সেই সময়ত টুটি গ'ল। ৩ ॥

বুদ্ধিমান মন্ত্ৰীসকলে তেওঁক সান্ত্বনা দিবলৈ ধৰিলে। তেতিয়া ৰজাই সেয়া বিষাদৰ সময় নহয় বুলি বুজিব পাৰিলে। বাৰে বাৰে জীয়েকক বুকুত সাৱটি সুন্দৰ ঘোঁৰা-গাড়ী বিচৰাই পঠালে। ৪ ॥

দোঃ—গোটেই পৰিয়ালটো প্ৰেমবিহ্বল হৈ পৰিল। ৰজাই শুভক্ষণ বুজি সিদ্ধি সহিত গণেশক স্মৰণ কৰি জীয়েকহঁতক গাড়ীত তুলি দিলে। ৩৩৮ ॥

চৌঃ—ৰজাই জীয়েকহঁতক বহুত বুজনি দিলে। নাৰী-ধৰ্ম আৰু কুলৰীতিৰ শিক্ষা দিলে। সীতাৰ প্ৰিয়পাত্ৰ আৰু সৎচৰিত্ৰৰ অনেক দাস-দাসী দিলে ১ ॥

সীতা যোৱাৰ পৰত পুৰবাসীসকল ব্যাকুল হৈ পৰিল। মংগলৰ ৰাশি-স্বৰূপ শুভ লক্ষণ প্ৰকাশ পাবলৈ ধৰিলে। ব্ৰাহ্মণ, মন্ত্ৰীসকল আৰু নিজৰ সমাজৰ সৈতে ৰজাই তেওঁলোকক আগবঢ়াই থ'বলৈ গ'ল। ২ ॥

সমস্ত বুজি বাজনা বাজিবলৈ ধৰিলে। বৰাযাত্ৰীসকলে ৰথ, হাতী, ঘোঁৰা সজাবলৈ ধৰিলে। দশৰথে সকলো ব্ৰাহ্মণকে মতাই আনিলে আৰু মান-দান কৰি তেওঁলোকৰ মনোৰথ পূৰ্ণ কৰিলে। ৩ ॥

তেওঁলোকৰ চৰণকমলৰ ধূলি শিৰত তুলি ল'লে। তেওঁলোকৰ আশীৰ্বাদ পাই ৰজা আনন্দিত হ'ল আৰু গণেশক স্মৰণ কৰি তেওঁ যাত্ৰা আৰম্ভ কৰিলে। মংগল সূচক অনেক শুভলক্ষণ প্ৰকাশ পালে। ৪ ॥

দোঃ—দেৱতাসকলে আনন্দমনেৰে পুষ্পবৃষ্টি কৰিবলৈ ধৰিলে। অপ্সৰাই গান গাবলৈ ধৰিলে। অযোধ্যাপতিয়ে অযোধ্যাৰ অভিমুখে ঢোলে-ডগৰে আনন্দ মনেৰে যাত্ৰা কৰিলে। ৩৩৯ ॥

চৌঃ—দশৰথ ৰজাই বিনীতভাৱেৰে মানীলোকসকলক ঘূৰাই পঠালে। আদৰ-সাদৰ কৰি মগনীয়াবোৰক মাতি আনি বস্ত্ৰ-অলংকাৰ, হাতী-ঘোঁৰা দান কৰিলে। মৰমেৰে পুষ্ট কৰি সকলোকে সম্পদশালী কৰি পেলালে। ১ ॥

তেওঁলোক সকলোৱেই কুল-কীৰ্তি বখানি, হৃদয়ত ৰামক লৈ ঘূৰি আহিল। কোশলৰাজ দশৰথে বাৰে বাৰে ঘূৰি যাবলৈ কয়; তথাপি জনকে মৰমতে ঘূৰি আহিব নোখোজে। ২ ॥

দশৰথে আকৌ মিঠা সুৰত ক'লে—"হে মহাৰাজ! বহুত দূৰ আহিলে; এতিয়া ঘূৰি যাওক।" তাৰ পাছত দশৰথ ৰথৰপৰা নামি থিয় হ'ল। তেওঁৰ চকুত প্ৰেমাশ্ৰুৰ ঢল বাগৰিল। ৩ ॥

তেতিয়া জনকে হাত যোৰ কৰি স্নেহৰ অমৃতসনা বচনেৰে ক'বলৈ ধৰিলে—"মই কি ধৰণে মিনতি জনাম! হে মহাৰাজ! আপুনি মোক বহুত কৃতাৰ্থ কৰিলে"। ৪ ॥

দোঃ—কোশলৰাজ দশৰথে বিয়েৰেক আৰু স্বজনসকলক সকলো প্ৰকাৰে সম্মান কৰিলে। তেওঁলোকৰ পাৰস্পৰিক মিলা-প্ৰীতিত অতি বিনয় ভাৱ আছিল আৰু ইমান প্ৰীতি আছিল যে হৃদয়ত নধৰা হৈ গৈছিল। ৩৪০ ॥

চৌঃ—জনকে মুনিমণ্ডলীক মূৰ দোঁৱালে আৰু সকলোৱে আশীৰ্বাদ ল'লে। তাৰ পাছত আদৰেৰে সৈতে ৰূপ, শীল আৰু গুণৰ নিধিস্বৰূপ, তেওঁৰ জোঁৱায়েক চাৰিওজন ভায়েকক দেখা কৰিলে। ১ ॥

কমল সদৃশ সুন্দৰ হাত দুখন যোৰ কৰি এনেকুৱা কথা ক'বলৈ ধৰিলে, যেন সেই কথা প্ৰেমৰপবাহে জন্মিছে—"হে ৰাম! মই কেনেকৈ তোমাক প্ৰশংসা কৰিম? তুমি মুনি আৰু মহাদেৱৰ মন-মানস সৰোবৰৰ হংসস্বৰূপ। ২ ॥

যোগীজনে যাৰ কাৰণে ক্ৰোধ, মোহ, মমতা আৰু মদ ত্যাগ কৰি যোগ সাধনা কৰে; যিজন সৰ্বব্যাপী, ব্ৰহ্ম, অব্যক্ত, অবিনাশী, চিদানন্দ, নিৰ্গুণ অথচ গুণৰাশিও যাক মনেৰে সৈতে বাণীয়ে নাজানে; যাক সকলোৱে অনু-মানহে কৰে; কিন্তু তৰ্কৰ দ্বাৰা প্ৰমাণ কৰিব নোৱাৰে; বেদে যাৰ মহিমা 'নেতি' বুলিহে বৰ্ণনা কৰে, যি তিনিও কালতে একৰস হৈ থাকে; সেই সমস্ত সুখৰ মূলস্বৰূপ (তুমি) মোৰ নয়ন-গোচৰ হ'লা। ঈশ্বৰ যেতিয়া অনুকূল হয়, তেতিয়া জগতত জীৱৰ কেউফালে লাভেইহে লাভ হয়। ৩।৪ ॥ দোঃ ৩৪১ ॥

চৌঃ—"তুমি মোক সকলোপ্ৰকাৰে শ্ৰেষ্ঠত্ব দান কৰিলা আৰু নিজৰ মানুহৰ দৰে আপোন কৰি ল'লা। যদি দহ হাজাৰ অনন্তনাগ আৰু সৰস্বতী হয় আৰু কোটি কল্প ধৰি গণনা কৰে, তথাপি, হে ৰঘুনাথ! শুনা, মোৰ এই সৌভাগ্য আৰু তোমাৰ গুণৰ কথা কৈ শেষ কৰিব নোৱাৰিব। মই যি এষাৰ কথা কৈছোঁ, একমাত্ৰ এটা বলতে ক'ব পাৰিছোঁ—যে তুমি অতি অলপ মৰমতে তুষ্ট হোৱাঁ। ১।২ ॥

"মই বাৰে বাৰে হাত যোৰ কৰি প্ৰাৰ্থনা কৰিছোঁ—মোৰ মনে যেন ভুলতো তোমাৰ চৰণ নেৰে।" প্ৰেমেৰে পৰিপুষ্ট হৈ থকা জনকৰ সেই উত্তম বচন শুনি পূৰ্ণকাম ৰাম সন্তুষ্ট হ'ল। ৩ ॥

তেওঁ পিতৃ দশৰথ আৰু বশিষ্ঠ-বিশ্বামিত্ৰৰ দৰে জ্ঞান কৰি অতি বিনীত-ভাৱে শহুৰেকক সন্মান জনালে। তাৰ পাছত জনকে ভৰতক মিনতি কৰিলে আৰু মৰমেৰে তেওঁৰ লগত দেখা-শুনা কৰি তেওঁকো আশীৰ্বাদ জনালে। ৪ ॥

দোঃ—তাৰ পাছত জনক ৰজাই লক্ষ্মণ আৰু শত্ৰুঘ্নৰ লগত দেখা-শুনা কৰি তেওঁলোককো আশীৰ্বাদ দিলে। তেওঁলোকে পাৰস্পৰিক প্ৰেমৰশতঃ বাৰে বাৰে পৰস্পৰে মূৰ দোৱাঁবলৈ ধৰিলে। ৩৪২ ॥

চৌঃ—জনকক বাৰে বাৰে মিনতি জনাই ভায়েক কেইজনৰ সৈতে ৰাম যাবলৈ ধৰিলে। জনকে গৈ বিশ্বামিত্ৰৰ চৰণত ধৰিলে, পদধূলা শিৰত আৰু চকুত লগাই ল'লে। ১ ॥

[তেওঁ ক'লে]"হে মুনীশ্বৰ! শুনক। আপোনাৰ শ্ৰেষ্ঠ দৰ্শনতকৈ আৰু

একো দুৰ্লভ নাই—মোৰ মনত এয়ে বিশ্বাস হয়। যি সুখ আৰু সুযশ লোকপালসকলে কামনা কৰে ; কিন্তু পোৱাটো অসম্ভৱ বুলি ভাবে। ২ ॥

"হে স্বামী! সেই সুখ আৰু সুযশ মোৰ বাবে সুলভ হৈ পৰিল। সকলো সিদ্ধিয়েই আপোনাৰ দৰ্শনৰ অনুগামী।" এইদৰে বাৰে বাৰে বিনয় বচন বুলি মুৰ দোৱাঁই আশীৰ্বাদ লৈ জনক উভতিবলৈ ধৰিলে। ৩ ॥

ডংকা বজাই বজাই বৰযাত্ৰীসকল যাবলৈ ধৰিলে। সৰু-ডাঙৰ, সকলো সমাজ প্ৰসন্ন হ'ল। গাঁৱৰ মুনিহ-তিৰোতাই ৰামক দেখি নয়ন সাৰ্থক হোৱাত অতি আনন্দিত হ'ল। ৪ ॥

দোঃ—মাজে মাজে শিবিৰ পাতি আৰু বাটৰ মানুহক আনন্দ দি সেই বৰযাত্ৰীসকলে পবিত্ৰ দিনত অযোধ্যাৰ ওচৰ পালেগৈ। ৩৪৩ ॥

চৌঃ—ডবাত কোব পৰিল। সুন্দৰ ঢোল বাজিবলৈ ধৰিলে। ভেৰী আৰু শংখৰ ধ্বনি হ'ল। হাতী-ঘোঁৰা দুপ্ দুপাই উঠিল। বিশেষ শব্দ কৰা ৰৰ-তাল আৰু সুন্দৰ শব্দৰ খঞ্জৰীৰ লগতে সৰল বাগত চানাই (শহনাই) বাজিবলৈ ধৰিলে। ১ ॥

বৰযাত্ৰীসকল আহিছে বুলি শুনি নগৰবাসীৰ আনন্দৰ সীমা নোহোৱা হ'ল, তেওঁলোকৰ শৰীৰ পুলকিত হৈ উঠিল। সকলোৱে নিজৰ নিজৰ ঘৰ-দুৱাৰ, হাট-বাট, চাৰি আলি আৰু নগৰৰ সিংহদ্বাৰ সজাবলৈ ধৰিলে। ২ ॥

ঠেক, সৰু বাটবোৰত চন্দন, কস্তুৰী প্ৰভৃতি সুগন্ধি দ্ৰব্য সিঁচি দিয়া হ'ল। য'তে ত'তে ধুনীয়াকৈ নগৰৰ কেন্দ্ৰীয় ঠাইবোৰ সজোৱা হ'ল। তোৰণ, সৰু-ডাঙৰ পতাকা আৰু মণ্ডপেৰে বজাৰবোৰ যেনেদৰে সজোৱা হ'ল সি বৰ্ণনাতীত। ৩ ॥

গুটিৰে সৈতে তামোল, কল, আম, বকুল, কদম আৰু তমাল গছ ৰোৱা হ'ল। গুটি লাগি থকা এই গছবোৰে (ফলৰ ভৰত) মাটি চোওঁ চোওঁ হ'ল। গছবিলাকৰ চাৰিওফালে মণিময় থাল, অতি কৌশলেৰে সৈতে নিৰ্মাণ কৰোৱা হ'ল। ৪ ॥

দোঃ—ঘৰে ঘৰে অনেক প্ৰকাৰৰ মংগল-কলসী স্থাপন কৰা হ'ল। ৰঘুনাথ শ্ৰীৰামৰ নগৰী অযোধ্যাক দেখি ব্ৰহ্মাদি দেৱতাসকলো ঈৰ্ষান্বিত হ'ল। ৩৪৪ ॥

চৌঃ—সেই সময়ত ৰাজভৱনো ধুনীয়া হৈ আছিল। তাৰ কাৰুকাৰ্য দেখি কামদেৱৰো মন মোহিত হৈছিল। শুভলক্ষণ, মনোহৰ গুণ, ঋদ্ধি-সিদ্ধি,

সুখ, সুন্দৰ সম্পদ আৰু সকলো ধৰণৰ উৎসাহে যেন স্বভাৱসুন্দৰ শৰীৰ ধৰি দশৰথৰ ঘৰ ভৰাই দিছিলেহি। ৰাম-সীতাক চাবলৈ ৰাৰু কাৰ হেঁপাহ নালাগিব ? ১।২ ॥

ক্ৰমে ক্ৰমে আয়তী তিৰোতা গোট খাই বাবলৈ ধৰিলে। তেওঁলোকৰ সৌন্দৰ্যই যেন কামদেৱৰ পত্নী ৰতিকো তুচ্ছ কৰিছে। সকলো সুন্দৰ মংগল দ্ৰব্য সজাই তেওঁলোকে আৰতি কৰি গীত গাবলৈ ধৰিলে। সেইবোৰ দেখি এনেহে লাগিছিল যেন সৰস্বতীয়েহে বহুত বেশ ধৰি গীত গাইছে। ৩ ॥

ৰাজ ভৱনত কোলাহল লাগি গ'ল। সেই সময়টোৰ আনন্দৰ বৰ্ণনাই দিব নোৱাৰি। কৌশল্যা আদি ৰামৰ মাতৃসকলে আনন্দত মতলীয়া হৈ নিজৰ কথা পাহৰি পেলালে। ৪ ॥

দোঃ—গণেশ আৰু শিৱ পূজা কৰি তেওঁলোকে ব্ৰাহ্মণক বহুত দান কৰিলে। তেওঁলোক ইমান আনন্দিত হ'ল যে, পৰম দৰিদ্ৰইহে যেন চাৰি পদাৰ্থ লাভ কৰিলে। ৩৪৫ ॥

চৌঃ—আমোদ-প্ৰমোদত বিহ্বল হৈ পৰা মাতৃসকলৰ শৰীৰ শিথিল হৈ গ'ল ; তেওঁলোকৰ ভৰি নচলা হ'ল। তথাপি ৰামক দেখা পাবলৈ অতি অনুৰাগী হৈ আদৰি অনাৰ সম্ভাৰ সজাবলৈ ধৰিলে। ১ ॥

অনেক ধৰণৰ বাজনা বাজিল। সুমিত্ৰাই আনন্দ মনেৰে মংগল দ্ৰব্য সজাবলৈ ধৰিলে। হালধি, দুবৰি, দৈ, কুঁহিপাত, ফুল, পাণ-তামোল আদি মাংগলিক দ্ৰব্যসমূহ, চাউল, অংকুৰ, গোৰচনা, আথৈ, তুলসীৰ ধুনীয়া ধুনীয়া ঠালি সুশোভিত হ'ল। নানা ৰঙেৰে চিত্ৰিত কৰা স্বভাৱসুন্দৰ সোণৰ কলসীবোৰ এনেকুৱা লাগিছিল যেন কামদেৱৰ চৰাইবোৰহে বাহ সাজিছেহি। ২।৩ ॥

শুভলক্ষণসূচক সুগন্ধি দ্ৰব্যসমূহৰ বৰ্ণনা দিয়াই টান। সকলো ৰাণীয়েই মংগল সাজেৰে সাজি-কাচি ওলাল। বহু বিধ আৰতি সজাই আনন্দ মনেৰে তেওঁলোকে সুমধুৰ মংগল গীত গাবলৈ ধৰিলে। ৪ ॥

দোঃ—সোণৰ থালত মংগল দ্ৰব্যসমূহ ভৰাই পদুম যেন হাতত তুলি লৈ মাতৃসকলে ৰংমনেৰে আদৰি আনিবলৈ গ'ল। তেওঁলোকৰ শৰাৰ যেন পুলকৰাশিৰে পল্লৱিত হ'ল। ৩৪৬ ॥

চৌঃ—ধূপৰ ধোঁৱাই আকাশখন এনেদৰে ঢাকি ধৰিলে, যেন শাওণ-মহীয়া মেঘেহে কেউফালৰপৰা আহি তাত গোট খাইছেহি। দেৱতাসকলে

বৰ্ষণ কৰা কল্পতৰুৰ ফুলবোৰে ডাৱৰৰ মাজত উৰি যোৱা বগলীৰ দৰে মানুহৰ মন আকৰ্ষণ কৰিবলৈ ধৰিলে। ১ ॥

[তোৰণ আদিত] সুন্দৰ মণি ৰত্নেৰে সজোৱা ডাল-পাতবোৰ সজাই থোৱা ইন্দ্ৰ ধনু যেন লাগিছিল। অট্টালিকাবোৰত সুন্দৰী চপলা নাৰীসকলে ভুমুকা-ভুমুকি কৰিছিল; যেন সুন্দৰ আৰু চঞ্চল বিজুলীয়েহে চিক্‌মিকাইছিল। ২ ॥

দুন্দুভিৰ শব্দবোৰ মেঘৰ গাজনিৰ দৰে লাগিছিল। ভিক্ষাৰ্থীসকল সেই শব্দ শুনি আনন্দিত হোৱা পানীপিয়া চৰাই, ভেকুলি আৰু ম'ৰাচৰাই যেন হৈছিল। দেৱতাসকলে যি সুগন্ধ আৰু পৱিত্ৰ জলবৰ্ষণ কৰিছিল তাৰ ফলত অযোধ্যাপুৰীৰ লোকসকল বৰষুণ পোৱা খেতিৰ দৰে সুখী হৈছিল। ৩ ॥

যথাসময়ত গুৰু বশিষ্ঠই আদেশ দিলে। তেতিয়া ৰঘুকুল-মণি দশৰথে শিৱ-পাৰ্বতী আৰু গণেশক স্মৰণ কৰি সমাজৰ সৈতে আনন্দ মনেৰে নগৰত প্ৰৱেশ কৰিলে। ৪ ॥

দোঃ—শুভ-লক্ষণ প্ৰকাশ পালে, দেৱতাই দুন্দুভি বজাই পুষ্পবৃষ্টি কৰিলে; দেৱাংগনাসকলে আনন্দিত হৈ সুন্দৰ মংগলগীত গাই নাচিবলৈ ধৰিলে। ৩৪৭ ॥

চৌঃ—চাৰণ, সূত, ভাট আৰু চতুৰ নটবোৰে ত্ৰিভুৱনৰ প্ৰকাশক শ্ৰীৰামৰ যশ-গীত গাবলৈ ধৰিলে। এইদৰে সুমংগলেৰে সিক্ত হৈ থকা দশোদিশতেই জয়ধ্বনি আৰু পৱিত্ৰ বেদ-মন্ত্ৰ শুনা গ'ল। ১ ॥

বহু প্ৰকাৰৰ বাজনা বাজিল। আকাশত দেৱতা আৰু নগৰৰ প্ৰজা সকলো অনুৰাগ-বিহ্বল হ'ল। বৰযাত্ৰীসকল এনেকুৱা সাজ-সজ্জাৰে সজ্জিত হৈ আহিছে যে বৰ্ণনা কৰিব নোৱাৰি। তেওঁলোকৰ আনন্দৰ সীমা নাই, মনত সুখে নধৰা হৈ গৈছে ॥ ২ ॥

তেতিয়া নগৰবাসীসকলে ৰজাক বন্দনা কৰিলেহি। তেওঁলোক ৰামক দেখি সুখী হ'ল। সকলোৰে মণি-ৰত্ন আৰু বস্ত্ৰ উৎসৰ্গা কৰিলে। সেই সময়ত তেওঁলোকৰ চকুৰপৰা আনন্দৰ লোতক বৈছিল আৰু শৰীৰ পুলকিত হৈছিল। ৩ ॥

নগৰৰ নাৰীসকলে আনন্দ মনেৰে আৰতি কৰিবলৈ ধৰিলে। ধুনীয়া ৰাজকুমাৰ চাৰিজনক দেখি বৰ সন্তোষ পালে। গাড়ীৰ আঁৰকাপোৰ দাঙি ন-কইনা কেইগৰাকী দেখি সুখী হ'ল। ৪ ॥

দোঃ—এইদৰে সকলোকে আনন্দ দি ৰাজদ্বাৰ পালেহি; মাতৃসকলে আনন্দ মনেৰে বোৱাৰীয়েকসকলৰ সৈতে ৰাজকুমাৰ কেইজনক আৰবিলে। ৩৪৮ ॥

চৌঃ—তেওঁলোকে বাৰে বাৰে আৰতি কৰিবলৈ ধৰিলে। সেই স্নেহ আৰু আনন্দৰ কথা কোনে (মুখেৰে) ক'ব পাৰে? অনেক ধৰণৰ অলংকাৰ, বস্ত্ৰ, ৰত্ন আৰু অগণন অন্য ধৰণৰ উৎসৰ্গা কৰিলে। ১ ॥

বোৱাৰীৰে সৈতে চাৰিওজন পুত্ৰক দেখি মাতৃসকল পৰম আনন্দত মগ্ন হ'ল। ৰাম-সীতাৰ ৰূপ চাই চাই তেওঁলোকে জগতত নিজৰ জীৱন সফল মানিলে আৰু তেওঁলোক অতি সুখী হ'ল।২ ॥

(ৰাণীসকলৰ) সখীয়েকবোৰে বাৰে বাৰে সীতাৰ মুখখনি চাই চাই নিজ নিজ পুণ্যৰ শলাগ লৈ গান গাবলৈ ধৰিলে। দেৱতাসকলে প্ৰতি মুহূৰ্তে পুষ্পবৃষ্টি কৰিলে. নাচি-বাগি গীত গাই নিজৰ সেৱা আগবঢ়ালে। ৩ ॥

মনোহৰ চাৰিও দম্পতিক দেখি সৰস্বতীয়ে সকলো উপমা চলা-পাত কৰিলে; কিন্তু একো উপমা দিব নোৱাৰিলে। কাৰণ তেওঁ সকলো উপমাকে তুচ্ছ যেন পালে। তেতিয়া পৰাজয় মানি তেওঁলোকৰ ৰূপত ভোল গৈ একেৰাহে চাবলৈ ধৰিলে। ৪ ॥

দোঃ—বেদ-বিধি আৰু কুল-ৰীতি অনুসাৰে অৰ্ঘ্যদান কৰি আৰু ভৰি দিবলৈ কাপোৰ পাৰি দি বোৱাৰীৰ সৈতে পুত্ৰসকলক আদৰি মাতৃসকলে কাষেওলৈ লৈ আহিলে। ৩৪৯ ॥

চৌঃ—স্বভাৱতে সুন্দৰ চাৰিখন সিংহাসন আছিল, সেই কেইখন যেনিবা কামদেৱে নিজ হাতেৰে সাজি থৈছিল। তাতে মাতৃসকলে দৰা-কন্যাক নি বহুৱালে আৰু আদৰ-সাদৰ কৰি পৱিত্ৰ চৰণ ধুৱাই দিলে। ১ ॥

তাৰ পাছত বেদ-বিধি অনুসাৰে মংগলনিধান দৰা-কন্যাক ধূপ-দীপ নৈবেদ্যৰে পূজা কৰিলে। মাতৃসকলে বাৰে বাৰে আৰতি কৰিলে। দৰা-কন্যাৰ মূৰৰ ওপৰত সুন্দৰ চামৰ ঢুলোৱা হ'ল। ২ ॥

অনেক বস্তু উপহাৰ দিয়া হ'ল। আনন্দত উত্ৰাৱল হৈ শুৱাই থকা মাতৃ-সকলৰ মনত এনেকুৱা লাগিলে যেন যোগীয়েহে পৰম তত্ত্ব লাভ কৰিছে আৰু চিৰৰোগীয়েহে যেন অমৃত পাইছে। ৩ ॥

জনম-দুখীয়াই পৰশ-মণি পালে; অন্ধই সুন্দৰ চকু লাভ কৰিলে; বোবাৰ মুখত সৰস্বতীয়ে থিত ল'লেহি; বীৰপুৰুষে যুদ্ধত জয়লাভ কৰিলে—(যেনে সুখ হয়), ৪ ॥

দোঃ—সেই সুখতকৈও শতকোটি গুণে বেছি সুখ এই মাতৃসকলে লাভ কৰিলে; কাৰণ ৰঘুকুলৰ চন্দ্ৰ শ্ৰীৰাম ভায়েকহঁতৰ সৈতে বিয়া কৰাই ঘৰলৈ আহিছে। ৩৫০ (ক)

মাতৃসকলে লোক-ৰীতি পালন কৰিছে, ৰজা-কন্যাই লাজ কৰিছে—এই আমোদ আৰু বিনোদ দেখি ৰামে মনে মনে মিচিকিয়াই হাঁহিছে। ৩৫০ (খ)

চৌঃ—মনৰ সকলো কামনা পূৰণ হ'ল বুলি (মাতৃসকলে) বৰ সুন্দৰকৈ দেৱতা আৰু পিতৃগণৰ পূজা কৰিলে। সকলোকে বন্দনা কৰি তেওঁলোকে এই বৰ ভিক্ষা কৰিলে—ভায়েকহঁতৰ সৈতে যেন ৰামৰ কল্যাণ হয়। ১ ॥

দেৱতাই লুকাই লুকাই আশীৰ্বাদ দিলে। মাতৃসকলে আনন্দ মনেৰে আঁচল পাতি আশীৰ্বাদ ল'লে। তাৰ পাছত ৰজাই বৰযাত্ৰীসকলক মতাই আনিলে আৰু তেওঁলোকক যান-বাহন, বস্ত্ৰ, ৰত্ন, অলংকাৰ দান কৰিলে। ২ ॥

শ্ৰীৰামক হৃদয়ত ধাৰণ কৰি, ৰজাৰ আদেশ পাই তেওঁলোক আনন্দ মনেৰে ঘৰাঘৰি গ'ল। নগৰৰ সকলো নৰ-নাৰীকে ৰজাই বস্ত্ৰ, অলংকাৰ পিন্ধালে। ঘৰে ঘৰে মংগল-বাদ্য বাজি উঠিল। ৩ ॥

যোজনীয়াসকলে যেয়ে যিহকে বিচাৰিকে ৰজায়ো বৰ সন্তোষ মনেৰে তাকে দান কৰিলে। সেৱকসকলক আৰু বাদ্য বজাওঁতাসকলক ৰজাই নানা প্ৰকাৰৰ দান আৰু সন্মানেৰে সন্তুষ্ট কৰিলে। ৪ ॥

দোঃ—সকলোৱে বন্দনা কৰি আশীৰ্বাদ দিলে আৰু গুণ সমূহৰ কীৰ্তন কৰিলে। যেতিয়া গুৰু আৰু ব্ৰাহ্মণৰ সৈতে ৰজা বাসভৱনলৈ গ'ল। ৩৫১ ॥

চৌঃ—বশিষ্ঠই যি আজ্ঞা কৰিলে, লৌকিক আৰু বৈদিক বিধান অনুসৰি ৰজাই সেই সকলো কাম কৰিলে। ব্ৰাহ্মণসকলৰ ভিৰ দেখি নিজৰ বৰ ভাগ্য বুলি ৰাণীসকলো আগ্ৰহেৰে উঠি আহিল। ১ ॥

চৰণ ধুৱাই দি তেওঁলোকে সকলোকে স্নান কৰালে। ৰজাই সুন্দৰকৈ পূজা সৎকাৰ কৰি সকলোকে ভোজন কৰালে। আদৰ, দান আৰু অনুৰাগত সন্তুষ্ট হৈ তেওঁলোকো সন্তোষ মনেৰে আশীৰ্বাদ দি গ'লগৈ। ২ ॥

ৰজাই গাধিপুত্ৰ বিশ্বামিত্ৰক অনেক প্ৰকাৰে পূজা কৰি ক'লে—হে নাথ! মোৰ সমান ধন্য আৰু দ্বিতীয়জন নাই। ৰজাই তেওঁক বহুত প্ৰশংসা কৰিলে আৰু ৰাণীসকলৰ সৈতে তেওঁৰ পদধূলা ল'লে। ৩ ॥

তেওঁক ৰাজভৱনৰ উত্তম স্থানত থাকিবলৈ দিয়া হ'ল। ৰজা আৰু অন্তেষপুৰৰ সকলোৱেই তেওঁৰ মন যোগোৱাত লাগিল। তাৰ পাছত ৰজাই গুৰু বশিষ্ঠৰ চৰণ-কমলত পূজা কৰি মিনতি জনালে। তেওঁৰ হৃদয়ত অলপ প্ৰীতি হোৱা নাছিল। ৪ ॥

দোঃ—পত্নীৰে সৈতে ৰাজকুমাৰসকলে আৰু ৰাণীসকলৰ সৈতে ৰজাই বাৰে বাৰে গুৰুৰ চৰণ বন্দনা কৰিলে আৰু মুনিয়ে আশীৰ্বাদ দিলে। ৩৫২ ॥

চৌঃ—ৰজাই অতি ভক্তিপূৰ্ণ অন্তৰেৰে সৈতে পুত্ৰ আৰু সমস্ত সম্পদ আগত ৰাখি গুৰুক নিবেদন কৰিলে। কিন্তু মুনিৰাজে তেওঁ নীতি অনুসৰি পাব লগীয়া দক্ষিণাহে গ্ৰহণ কৰিলে আৰু বহুত আশীৰ্বাদ দিলে। ১ ॥

তাৰ পাছত সীতাৰ সৈতে ৰামক হৃদয়ত ধাৰণ কৰি আনন্দ মনেৰে বশিষ্ঠ স্বস্থানলৈ গমন কৰিলে। ৰজাই সকলো ব্ৰাহ্মণীকে মতাই আনিলে আৰু তেওঁলোককো সুন্দৰ বস্ত্ৰ-অলংকাৰ পিন্ধালে। ২ ॥

তাৰ পাছত আয়তী তিৰোতাবোৰক মতাই আনি তেওঁলোকৰ ৰুচি অনুসাৰে পিন্ধা বস্ত্ৰ দান কৰিলে। ৰীতিমতে দক্ষিণা পাবলগীয়াসকলে দান-দক্ষিণা ল'লে আৰু নৃপ-শিৰোমণি দশৰথেও তেওঁলোকৰ ইচ্ছা অনুসৰি দান কৰিলে। ৩ ॥

যিসকল অতিথিক প্ৰিয় আৰু পূজনীয় বুলি জানিলে ৰজাই তেওঁলোকক বৰ ভালকৈ সন্মান কৰিলে। ৰঘুশ্ৰেষ্ঠ ৰামৰ বিয়া চাই, উৎসৱৰ প্ৰশংসা কৰি, পুষ্পবৃষ্টি কৰি, কৰি দুন্দুভি বজাই নিজ নিজ লোকলৈ সন্তোষ মনেৰে গমন কৰিলে তেওঁলোকে ইজনে সিজনৰ আগত ৰামৰ যশস্যাৰ কথা কৈ গ'ল। তেওঁলোকৰ হৃদয়ত প্ৰীতিভাবে নধৰা হ'ল। ৪।৩৫৩ ॥

চৌঃ—সকলোকে সকলোপ্ৰকাৰে প্ৰীতি সহকাৰে আদৰ-সৎকাৰ কৰাৰ পাছত ৰজাৰ হৃদয় আনন্দ-উৎসাহেৰে ভৰি পৰিল। অন্তঃপুৰৰ ফালে ঠাইলৈ তেওঁ খোজ ল'লে আৰু পত্নীৰে সৈতে পুত্ৰসকলক দেখা কাৰলে।

ৰজাই আনন্দৰে সৈতে পুতেকইতক কোলাত তুলি ল'লে। সেই সময়ত ৰজাৰ যিমান সুখ হৈছিল, তাৰ কথা কোনে ক'ব পাৰিব? তাৰ পাছত বোৱাৰীয়েকইতকো মৰমেৰে কোলাত বহুৱাই, আনন্দপূৰ্ণ অন্তৰেৰে তেওঁলোকক মৰম কৰিবলৈ ধৰিলে। ২ ॥

এই সমাৰোহ দেখি অন্তঃপুৰৰ সকলো লোক সুখী হ'ল। সকলোৰে অন্তৰত আনন্দ লাগিল। ৰজাই যি ধৰণে বিয়া হৈ গ'ল সকলো ক'লে। সেই কথা শুনি সকলোৰে সন্তোষ পালে। ৩ ॥

জনক ৰজাৰ গুণ, চৰিত্ৰ, মহত্ত্ব, প্ৰীতিৰ ৰীতি আৰু সুন্দৰ সম্পদৰাশিৰ কথা ৰজাই ভাটৰ দৰে নানা প্ৰকাৰে ক'বলৈ ধৰিলে। জনকৰ কাৰ্যাৱলীৰ কথা শুনি ৰাণীসকল অতি আনন্দিত হ'ল। ৪ ॥

দোঃ—ৰজাই পুত্ৰেকসকলেৰে সৈতে স্নান কৰি ব্ৰাহ্মণ, গুৰু আৰু জ্ঞাতি-সকলেৰে সৈতে খোৱা-বোৱা কৰিলে। এইদৰে ৰাতি পাঁচ ঘণ্টা পাৰ হ'ল। ৩৫৪ ॥

চৌঃ—সুন্দৰী নাৰীবোৰে মংগল-গীত গালে। সেই ৰাতিটো সুখজনক আৰু মনোহৰ হৈ পৰিল। সকলোৱে মুখ-হাত ধুই তামোল খালে আৰু ফুলৰ মালা, সুগন্ধি দ্ৰব্য আদিৰে সকলো অলংকৃত ৰূপেৰে আছিল। ১ ॥

ৰামক চাই আৰু ৰজাৰ আদেশ পাই পুৰ দৌৱাই সকলো নিজ নিজ ঘৰলৈ উলটিল। সেই ঠাইৰ অনুৰাগ, আনন্দ, বিনোদ, মহত্ব, সময়, সমাজ আৰু মনোহৰতাৰ কথা এশ সৰস্বতী, শেষনাগ, বেদ, ব্ৰহ্মা, মহাদেৱ আৰু গণেশেও ক'ব নোৱাৰিব। তেনেস্থলত মই কেনেকৈ বিৱৰি ক'ম? ক'ৰবাতনো কেঁচুৱে শিৰত পৃথিৱীক ধাৰণ কৰিব পাৰে নে? ২। ৩॥

ৰজাই সকলোকে সকলো প্ৰকাৰে সন্মান কৰি কোমল মাতেৰে ৰাণীসকলক মাতি ক'লে—"বোৱাৰীহঁত ছোৱালী মানুহ, লোকৰ ঘৰলৈ আহিছে। গতিকে চকুৰ পতাই যেনেকৈ চকুক ৰক্ষা কৰে সেইদৰে সিহঁতকো ৰাখিবা। ৪ ॥

দোঃ—"ল'ৰাকেইটাৰো ভাগৰত টোপনিয়ে ধৰিছে। সিহঁতক নি শুৱাই থোৱাঁগৈ।" এই বুলি কৈ ৰজাই ৰামৰ চৰণ হৃদয়ত ধৰি বিশ্ৰাম-কক্ষলৈ গ'ল।

চৌঃ—ৰজাৰ স্বভাৱ-সুন্দৰ বচন শুনি (ৰাণীসকলে) মণি-ৰত্ন খচিত সোণৰ পালেং পৰালে। গৰুৰ গাখীৰৰ ফেনৰ দৰে কোমল আৰু সুন্দৰ তুলি পৰা হ'ল ১ ॥

সুন্দৰ গাৰুবোৰৰ বৰ্ণনা কৰিবই নোৱাৰি। মণি-ৰত্ন নিৰ্মিত ঘৰত ফুলৰ মালা আৰু সুগন্ধি দ্ৰব্য সজোৱা আছে। সুন্দৰ মণিদীপ আৰু চন্দ্ৰাতপৰ সৌন্দৰ্যৰ কথা কৈ বুজাব নোৱাৰি; যি দেখিছে, তেওঁহে বুজিব। ২ ॥

এইদৰে সুন্দৰ শয্যা পাৰি ৰামক তাত তুলিলে আৰু মৰমেৰে সৈতে পালেংত শুৱাই দিলে। ৰামে ৰাৰে ৰাৰে ভায়েক কেইজনক আজ্ঞা দিলে আৰু তেওঁলোকেও নিজ নিজ শয্যাত শয়ন কৰিলে। ৩ ॥

শ্ৰীৰামৰ শ্যামল, মৃদু আৰু সুন্দৰ শৰীৰ দেখি মাতৃসকলে মৰমসনা কথা ক'বলৈ ধৰিলে—"বাছা! বাটেদি যাওঁতে তুমি ভয়ানক তাড়কা ৰাক্ষসী কেনেকৈ মাৰিলা? ৪ ॥

দোঃ—"অতি ভয়ানক ৰাক্ষস, বিকট যোদ্ধা, যুদ্ধত কাকো নগণা দুষ্ট মাৰীচ আৰু সুবাহুক, লগৰীয়াবোৰৰে সৈতে কেনেকৈ মাৰিলা বাৰু? ৩৫৬ ॥

চৌঃ—"বাছা! মই তোমাৰ হৈ এই বুলিহে কৈছোঁ যে—মুনিৰ কৃপাতহে

ঈশ্বৰে তোমালোকৰ অনেক বিপত্তি দূৰ কৰিলে। দুয়ো ভায়ে যজ্ঞ ৰক্ষা কৰি গুৰুৰ অনুগ্ৰহত সকলো বিদ্যা লাভ কৰিলা ১॥

"পদধূলা পৰা মাত্ৰকে মুনিপত্নী উদ্ধাৰ হ'ল। জগৎ জুৰি এই কীৰ্তি বৈ বৈ গ'ল। কাছৰ পিঠি, বজ্ৰ আৰু পৰ্বততকৈও কঠোৰ শিৱৰ ধনুখন ৰজাৰ সমাজত তুমি ভংগ কৰিলা। ২॥

"তাৰ ফলত বিশ্ববিজয়ৰ যশস্যা আৰু জানকীকো লাভ কৰিলা; আটাই-কেইজন ভাই-ককায়ে বিয়া কৰাই ঘৰলৈ আহিলা। তোমাৰ এই সকলো অলৌকিক কাৰ্য কেৱল বিশ্বামিত্ৰৰ কৃপাতে সম্পন্ন হ'ল। ৩॥

"বাছা! তোমাৰ চন্দ্ৰ-মুখ দেখি আজি আমি জগতত জন্ম ধৰা সাৰ্থক হ'ল। তোমাক নেদেখাকৈ আমাৰ যিবোৰ দিন পাৰ হ'ল, সেই কেইদিন যেন ব্ৰহ্মাই (আমাৰ আয়ুসৰ লগত) গণনা নকৰে।" ৪॥

দোঃ—উত্তম আৰু বিনীত বচনেৰে ৰামে মাতৃসকলক সন্তুষ্ট কৰিলে। তাৰ পাছত শিৱ, গুৰু, ব্ৰাহ্মণৰ চৰণ স্মৰণ কৰি চকু দুটাকো টোপনিৰ বশ হ'বলৈ দিলে। ৩৫৭॥

চৌঃ—টোপনিতো তেওঁৰ লাৱণ্যময় মুখখনি এনে শোভা পাবলৈ ধৰিলে যেনিবা সন্ধিয়াৰ ৰঙা পদুম পাহিহে। তিৰোতাবোৰ ঘৰে ঘৰে উজাগৰে থাকিলে আৰু এজনীয়ে আনজনীক মৰমতে গালি পাৰিবলৈ লাগিলে। ১॥

ৰাণীসকলে ক'লে—"হে'ৰা সখী! চোৱাঁ, আজি ৰাতিটো কেনে সুন্দৰ; আজি অযোধ্যা নগৰখন বৰ ধুনীয়া লাগিছে।" (এই বুলি কৈ) শাহুৱেক-সকলে ধুনীয়া বোৱাৰীয়েকইঁতক লৈ শুই পৰিল, যেনিবা সাপেহে শিৰৰ মণি বুকুত সুমুৱাই ল'লে। ২॥

ৰাতিপুৱা পৱিত্ৰ (ব্ৰাহ্ম) মুহূৰ্ততে প্ৰভু ৰাম উঠিল। কুকুৰাই সুন্দৰকৈ ডাক দিবলৈ ধৰিলে। ভাট আৰু চাৰণসকলো গুণ-কীৰ্তন কৰাত লাগিল। নগৰবাসীয়ো ৰাজভৱনৰ প্ৰৱেশ-দ্বাৰত বন্দনা কৰিবলৈ আহিল। ৩॥

ব্ৰাহ্মণ, দেৱতা, গুৰু আৰু পিতৃ-মাতৃক বন্দনা কৰি আশীৰ্বাদ পাই আটাইকেইজন ককাই-ভাই আনন্দিত হ'ল। মাতৃসকলে আগ্ৰহেৰে সৈতে তেওঁলোকৰ মুখলৈ চালে। তাৰ পাছত তেওঁলোক ৰজাৰ সৈতে ৰাজদ্বাৰলৈ গ'ল। ৪॥

স্বভাৱতে শুচি চাৰিও ভায়ে শৌচাচাৰ কৰি পৱিত্ৰ সৰযূ নদীত স্নান কৰিলে আৰু প্ৰাতঃক্ৰিয়া কৰি পিতাকৰ ওচৰলৈ গ'ল। ৩৫৮॥

চৌঃ—ৰজাই দেখা মাত্ৰকে তেওঁলোকক বুকুত সাৱটি ধৰিলে। তাৰ পাছত (ৰজাৰ) আদেশ পাই আনন্দ মনেৰে তেওঁলোক বহিল। ৰামক দৰ্শন কৰি আৰু নয়নৰ সুফল সিমানেই বুলি অনুমান কৰি গোটেই সভা জুৰ পৰিল। ১ ॥

বশিষ্ঠ আৰু বিশ্বামিত্ৰ মুনি আকৌ আহিল। ৰজাই তেওঁলোকক সুন্দৰ আসনত বহুৱালে। পুত্ৰসকলৰ সৈতে তেওঁলোকক পূজা-সৎকাৰ কৰি চৰণত ধৰিলে। দুয়োজন গুৰুৱেই শ্ৰীৰামক দেখি অনুৰক্ত হৈ পৰিল। ২ ॥

বশিষ্ঠ ধৰ্মৰ ইতিহাস কোৱাত লাগিল আৰু ৰজাই ৰাণীসকলৰে সৈতে শুনিবলৈ ধৰিলে। মুনিসকলৰো মনৰ অগম্য (বুজিব নোৱাৰা) বিশ্বামিত্ৰৰ কাৰ্যাৱলী বশিষ্ঠই আনন্দ মনেৰে বিশদভাৱে বৰ্ণাবলৈ ধৰিলে। ৩ ॥

বামদেৱে ক'লে—"এই সকলো কথা সঁচা। বিশ্বামিত্ৰৰ সুকীৰ্তিয়ে ত্ৰিভুবন জুৰি আছে।" এই কথা শুনি সকলো আনন্দিত হ'ল। ৰাম-লক্ষ্মণে মনত অধিক আনন্দ পালে। ৪ ॥

দোঃ—নিতৌ মংগল, আনন্দ আৰু উৎসাহেৰে দিন যাবলৈ ধৰিলে। অযোধ্যা আনন্দেৰে উপচি পৰিল। আনন্দৰ মাত্ৰা ক্ৰমে বাঢ়িবলৈ ধৰিলে। ৩৫৯ ॥

চৌঃ—শুভ দিন চাই সুন্দৰ কংকণ খোলা হ'ল (বিবাহ-সূত্ৰ খোলা হ'ল)। (সেই উদ্দেশ্যে) মংগল, আনন্দ, বিনোদ অলপীয়াকৈ হোৱা নাছিল। এনেকৈ নিত্য নতুন সুখ হোৱা দেখি দেৱতাসকলৰো ঈৰ্ষা উপজিল আৰু অযোধ্যাত জন্ম লাভ কৰিবলৈ ব্ৰহ্মাক প্ৰাৰ্থনা কৰিছিল। ১ ॥

বিশ্বমিত্ৰই সদায় যাবলৈ বিচাৰে; কিন্তু ৰামৰ স্নেহ আৰু বিনয়ৰ কাৰণে ৰৈ যায়। দিনে দিনে ৰজাৰ এশগুণ (ভক্তি) ভাব দেখি মহামুনি বিশ্বমিত্ৰই তেওঁক প্ৰশংসা কৰিবলৈ ধৰিলে। ২ ॥

শেষত বেতিয়া বিশ্বমিত্ৰই বিদায় মাগিলে, ৰজা অনুৰাগবিহ্বল হৈ পৰিল আৰু পুত্ৰ সমন্বিতে আগত থিয় হ'ল (আৰু ক'লে—) "হে নাথ! এই সমস্ত সম্পদ আপোনাৰে; মই পত্নী-পুত্ৰ সমন্বিতে আপোনাৰ সেৱকহে। ৩ ॥

"হে মুনি! ল'ৰাকেইটিৰ প্ৰতি সদায় স্নেহভাৱ ৰাখে যেন আৰু মোকো যেন দৰ্শন দি থাকে।" এইবুলি কৈ ৰজা পুতেক আৰু ৰাণীসকলৰ সৈতে বিশ্বমিত্ৰৰ ভৰিত পৰিল; তেওঁৰ মুখত মাত নোহোৱা হ'ল। ৪ ॥

বিশ্বামিত্ৰ অনেক আশীৰ্বাদ দি গ'লগৈ। তেওঁৰ মৰমৰ ধৰণ বৰ্ণাব

নোৱাৰি। ভায়েক কেইজনৰ সৈতে ৰামে ভক্তি সহকাৰে তেওঁক আগবঢ়াই থলেগৈ আৰু ঋষিৰ আদেশ পালতহে উভতিল। ৫ ॥

দোঃ—গাধিকুলৰ চন্দ্ৰস্বৰূপ বিশ্বমিত্ৰও বৰ আনন্দেৰে সৈতে ৰামৰ ৰূপ, দশৰথ ৰজাৰ ভক্তি, বিবাহ-উৎসৱৰ আনন্দ-উৎসাহ—এইবিলাকৰ শলাগ লৈ যাবলৈ ধৰিলে ৩৬০। ॥

চৌঃ—ৰামদেৱ আৰু ৰঘুকুলৰ গুৰু জ্ঞানী বশিষ্ঠই আকৌ বিশ্বমিত্ৰৰ কথা বিৱৰি ক'লে। মুনিৰ সুযশৰ কথা শুনি ৰজাই মনে মনে নিজৰ পুণ্যৰ প্ৰভাৱ শলাগিবলৈ ধৰিলে। ১ ॥

আদেশ হোৱাত সকলো দিহাদিহ গ'ল। পুত্ৰ সমন্বিতে ৰজাও ৰাজভৱনলৈ গ'ল। ন'তে ত'তে ৰামৰ বিয়াৰ কথাকে সকলোৱে ক'বলৈ ধৰিলে। ৰামৰ পৱিত্ৰ সুযশ ত্ৰিভুৱনত বিয়পি পৰিল। ২ ॥

যেতিয়াই ৰামে বিয়া কৰাই ঘৰলৈ আহিল তেতিয়াৰেপৰা সকলো প্ৰকাৰৰ আনন্দই অযোধ্যাত যেন বাস ল'লেহি। প্ৰভুৰ বিয়াত যি আনন্দ-উৎসৱ হ'ল, তাক সৰস্বতী আৰু সৰ্পৰাজ অনন্তয়ো বৰ্ণাব নোৱাৰে। ৩ ॥

ৰাম-সীতাৰ যশস্যা কবিকুলৰ জীৱন পৱিত্ৰকাৰী আৰু মংগলৰ আকৰ বুলি জানি, মই মোৰ বাণী পৱিত্ৰ কৰিবলৈ বুলি কিছু বিৱৰি কলোঁ। ৪ ॥

ছন্দঃ—নিজৰ বাণী পৱিত্ৰ কৰিবলৈ তুলসীদাসে ৰাম-যশ কীৰ্তন কৰিছে; (নহ'লে) ৰঘুপতিৰ চৰিত্ৰ অপাৰ সমুদ্ৰ, কোন কবিয়ে তাৰ পাৰ পাব পাৰে? যিজনে যজ্ঞোপবীত (উপনয়ন) আৰু বিবাহৰ মংগলময় উৎসৱৰ বৰ্ণনা আগ্ৰহেৰে শুনি লৈ তাৰ গুণ-গান গায়, ৰাম-সীতাৰ প্ৰসাদত তেওঁলোকে সদায় সুখ লাভ কৰে।

সোঃ—ৰাম-সীতাৰ বিবাহৰ কথা যি ভক্তিৰে সৈতে গাব আৰু শুনিব, তেওঁ সদায় উৎসাহৰ উপৰি উৎসাহ লাভ কৰিব; কাৰণ ৰামৰ যশ মংগলৰ ধাম স্বৰূপ। ৩৬১ ॥

শ্ৰীৰামচৰিত মানস

অযোধ্যাকাণ্ড

যাৰ অংকত (কোলাত) হিমালয়ৰ কন্যা পাৰ্বতী, শিৰত দেৱনদী গংগা, কপালৰ ওপৰত দ্বিতীয়াৰ চন্দ্ৰ, কণ্ঠত বিষপানৰ চিন আৰু হৃদয়ত সৰ্পৰাজে শোভা পাইছে; ভস্মকে অলংকাৰৰ দৰে শৰীৰত ধাৰণ কৰা, শ্ৰেষ্ঠদেৱ, সকলোৰে স্বামী, মহেশ্বৰ, সৰ্বব্যাপক, মংগলময় আৰু চন্দ্ৰৰ দৰে প্ৰকাশমান, সেই শংকৰে মোক পালন কৰক। ১ ॥

ৰঘুনন্দন শ্ৰীৰামচন্দ্ৰৰ মুখকমলৰ যি শোভা বনবাসৰ দুখতো মলিন নহ'ল আৰু অভিষেকৰ আনন্দয়ো যাক বঢ়াব নোৱাৰিলে, সেই শোভা মোৰ কাৰণেও মংগলপ্ৰদ হওঁক। ২ ॥

নীলকমলৰ নিচিনা শ্যামল আৰু কোমল যাৰ অংগ, যাৰ বাঁওহাতে সীতা দেৱী বিদ্যমান, যাৰ হাতত সুন্দৰ ধনু আৰু শ্ৰেষ্ঠ বাণ থাকে, ৰঘুবংশৰ নায়ক সেই ৰামচন্দ্ৰক মই নমস্কাৰ কৰিছোঁ। ৩ ॥

দোঃ—গুৰুজনৰ চৰণ-কমলৰ ধূলিৰে নিজমনৰ দাপোণখন মাজি পৰিষ্কাৰ কৰি লৈ, চাৰিওবিধ ফল [ধৰ্ম, অৰ্থ, কাম, মোক্ষ] দিব পৰা শ্ৰীৰামচন্দ্ৰৰ বিমল যশৰাশিৰ বৰ্ণনা কৰোঁ।

চৌঃ—যেতিয়া ৰাম বিবাহ কৰি ঘৰলৈ আহিল, তেতিয়াৰেপৰা অযোধ্যাত নিতৌ নতুন নতুন মংগল কাৰ্য হ'বলৈ ধৰিলে আৰু অনেক আনন্দ উৎসৱ হ'ল। ডাঙৰ পৰ্বতত বৰষুণ হোৱাৰ দৰেই চৌধ্যভুবনত পুণ্যৰ ফল স্বৰূপ সুখৰাশিবো যেন বৰ্ষণ হ'বলৈ ধৰিলে। ১ ॥

[এনে সুখৰ বাৰিষা কালত] ঋদ্ধি, সিদ্ধি আৰু সম্পত্তিৰূপী নদীসমূহ অযোধ্যাৰূপী সাগৰলৈকে আগবাঢ়ি বৈ আহিবলৈ ধৰিলে। অযোধ্যাবাসী নৰ-নাৰীসকল যেন সেই সমুদ্ৰত থকা সৰ্বতো প্ৰকাৰে সুন্দৰ, অমূল্য আৰু পবিত্ৰ উচ্চ জাতিৰ মণি-মুক্তাহে। ২ ॥

অযোধ্যা নগৰৰ ঐশ্বৰ্য-বিভূতিৰ কথা বৰ্ণনাৰ অতীত। মাত্ৰ ইমানকে ক'ব পাৰি যে—সৃষ্টি-কৰ্তা ব্ৰহ্মাৰ সকলো কলাকৌশল যেন ইয়াতেই প্ৰকাশ

পালে। এইদৰে শ্ৰীৰামচন্দ্ৰৰ মুখচন্দ্ৰলৈ চাই সকলো অযোধ্যাবাসী সৰ্বতো ভাৱে সুখী হ'ল। ৩॥

সখীসকলেৰে সৈতে কৌশল্যা আদি মাতৃসকলো নিজৰ মনোৰথ সফল হোৱা দেখি আনন্দিত হ'ল। শ্ৰীৰামচন্দ্ৰৰ ৰূপ, গুণ স্বভাৱ-চৰিত্ৰ দেখি-শুনি ৰজা দশৰথো সুখী হ'ল। ৪॥

দোঃ—সকলোৰে মনত এই অভিলাষ হ'ল আৰু মহাদেৱৰ ওচৰত প্ৰাৰ্থনা জনালে যে দশৰথ ৰজা জীয়াই থাকোঁতেই যেন তেওঁ ৰামক যুৱৰাজ পাতি থৈ যায়। ১॥

চৌঃ—এসময়ত দশৰথ ৰজা সভাসদসকলৰে সৈতে ৰাজসভাত বহি আছে। মূৰ্তিমন্তপুণ্যস্বৰূপ ৰজাই শ্ৰীৰামৰ যশস্যা শুনি আনন্দ পাইছে। ।॥

সকলো ৰজাই যি দশৰথৰ অনুগ্ৰহ বিচাৰে; লোকপাল দেৱতাসকলৰ যি প্ৰিয়পাত্ৰ, তিনিও কাল আৰু তিনিও ভুৱনত সেই দশৰথৰ নিচিনা ভাগ্যৱান আৰু কোনো নাই। ২॥

সমস্ত মংগলৰ মূল শ্ৰীৰামচন্দ্ৰ যাৰ পুত্ৰ, তেওঁৰ বিষয়ে আৰু ক'বলৈ কি আছে? ভাষাৰে তেওঁৰ ভাগ্যৰ কথা বৰ্ণনা কৰিব নোৱাৰি। [এদিন সেই] ৰজাই যেতিয়া স্বভাৱতে হাতত দাপোণ লৈ মুখ চাই মুকুট পোনাই ল'লে,

তেতিয়া তেওঁ দেখিবলৈ পালে—কাণৰ ওচৰৰ চুলি বগা হৈছে। যেন বৃদ্ধত্বই তেওঁক এই বুলি উপদেশ দিছে—হে ৰাজন্! ৰামচন্দ্ৰক যুৱৰাজ পাতি নিজৰ জীৱন আৰু জন্মৰ সুফল লাভ কৰা। ৩-৪॥

দোঃ—মনতে এইদৰে বিচাৰ কৰি দশৰথ ৰজাই ভাল দিন-বাৰ চাই প্ৰেম-পুলকিত শৰীৰ আৰু হৰ্ষোৎফুল্ল মনেৰে গুৰু বশিষ্ঠক ক'লেগৈ। ২॥

ৰজাই ক'লে :—"হে মুনিৰাজ, এতিয়া ৰাম সকলো কাৰ্যৰ বাবে সকলো প্ৰকাৰে যোগ্য হ'ল। সেৱক, মন্ত্ৰী, নগৰবাসী অন্যান্য লোকসকল আৰু যি সকল আমাৰ শত্ৰু, মিত্ৰ বা নিৰপেক্ষ লোক, তেওঁলোকেও ৰামচন্দ্ৰক মোৰ দৰেই ভাল পায়। আপোনাৰ আশীৰ্বাদেই যেন শৰীৰ ধাৰণ কৰি [ৰামৰ ৰূপলৈ] শোভা পাইছে। হে প্ৰভু, নিজ নিজ পৰিয়াল সহ সকলো ব্ৰাহ্মণেই আপোনাৰ দৰে তেওঁক [ৰামক] স্নেহ কৰে। ১-২॥

"যিজনে গুৰুজনৰ চৰণ-ধূলি শিৰপাতি লয়, তেওঁ যেন সমস্ত ঐশ্বৰ্যকে নিজৰ বশ কৰি ৰাখে। এই অনুভৱ মোৰ দৰে দ্বিতীয় আন এজনে কৰা নাই। আপোনাৰ পবিত্ৰ চৰণ-ধূলিৰ পূজাৰ ফল স্বৰূপে মই সকলো পাইছো। ৩॥

"এতিয়া আৰু মোৰ মনত এটা ইচ্ছা আছে, সিও আপোনাৰ অনুগ্ৰহত পূৰ্ণ হ'ব।" মুনিক প্ৰসন্নচিত্ত আৰু স্নেহ ভাৱযুক্ত হোৱা যেন দেখি ৰজাই ক'লে—"হে প্ৰভু, আজ্ঞা কৰক।" ৪ ॥

দোঃ—"হে মহাৰাজ! তোমাৰ নাম আৰু যশস্যাই সকলো মনোবাঞ্ছা পূৰণ কৰিব পাৰে। গতিকে হে নৃপশ্ৰেষ্ঠ! তোমাৰ ইচ্ছাৰ অনুৰূপেই ফল লাভ নিশ্চয় হ'ব।" ৩ ॥

চৌঃ—"গুৰু বশিষ্ঠক সকলো প্ৰকাৰে প্ৰসন্ন বুলি জানি ৰজাই কোমল মাতেৰে ক'লে—"প্ৰভু, ৰামক যুৱৰাজ পাতিব লাগে ; অনুগ্ৰহ কৰি আদেশ দিলেই তাৰ বাবে আৱশ্যকীয় ব্যৱস্থা কৰিব পাৰি।" ১ ॥

"মই থাকোঁতেই এই উৎসৱ হ'লে, সকলো মানুহে দেখি ভাল পাব—চকুৰ তৃপ্তি হ'ব। আপোনাৰ অনুগ্ৰহত সকলো শুভকাৰ্য সমাধা হ'ল ; মাত্ৰ ইমানেই হে মনৰ ইচ্ছা বাকী আছে।" ২ ॥

"এইখিনি যদি হৈ যায়, তেতিয়া হ'লে দুদিন জীয়াই থাকোঁৱেই বা মৰোঁৱেই মনত একো অসন্তোষ নাথাকে। সেয়ে নহ'লে অসন্তোষ এটা পাছলৈ থাকি যায়।" দশৰথ ৰজাৰ এই কথা শুনি বশিষ্ঠ মুনিয়েও আনন্দ পালে। ৩ ॥

[তেওঁ ক'লে]—"হে ৰাজন্ শুনা। যাৰ [যি ভগৱানৰ] বিমুখ হ'লে মানুহে দুখ ভুগিবলগীয়া হয়, যাৰ ভক্তিৰ অবিহনে সংসাৰ তাপৰপৰা ৰক্ষা পাবলৈ অন্য উপায় নাই, পবিত্ৰ প্ৰেমৰ অনুগামী (ভক্তিৰ বশ) সেই পৰমেশ্বৰেই তোমাৰ পুত্ৰ-ৰূপত জন্ম গ্ৰহণ কৰিছে। ৪ ॥

দোঃ—"হে মহাৰাজ! বিলম্ব নকৰি শীঘ্ৰেই সকলো ব্যৱস্থা কৰা। দিন-বাৰ চাই বিলম্ব কৰাৰ প্ৰয়োজন নাই। যি দিনাই ৰাম যুৱৰাজ হ'ব সেইদিনাই মংগলময় শুভদিন।" ৪ ॥

চৌঃ—আনন্দ মনেৰে ৰজা ৰাজভৱনলৈ আহিল আৰু সেৱক-বিষয়া-সকলোৰে সৈতে মন্ত্ৰী সুমন্ত্ৰক মতালে। তেওঁলোকে 'জয় হওক' বুলি নমস্কাৰ জনালে আৰু ৰজাই তেওঁলোকক এই শুভ সংবাদ দিলে। ১ ॥

"আজি গুৰুদেৱে আনন্দ মনেৰে মোক কৈছে যে ৰামক যুৱৰাজ পতা হওক। যদি সভাসদসকলে ভাল দেখে, তেনেহ'লে আনন্দ মনেৰে ৰামক ৰাজতিলক দিব পাৰি।" ২ ॥

এই শুভ সংবাদ পাই মন্ত্ৰীৰ মনত এনে আনন্দ লাগিল যেন মনোৰথৰূপী গছৰ গুৰিতহে পানী ঢালিলে আৰু এনেকুৱা ভাল খবৰ দিয়া ৰজাক তেওঁ

হাতযোৰ কৰি 'মহাৰাজ কোটি বছৰ জীৱিত থাওক' বুলি ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাই ক'লে—৩ ॥

"আপুনি গোটেই জগতৰে হিতকৰ কাম কৰিবলৈ ওলাইছে। এনে কাম শীঘ্ৰেই কৰা ভাল; বেলি কৰাৰ প্ৰয়োজন নাই।" মন্ত্ৰীৰ এনে উৎসাহপূৰ্ণ কথা শুনি ৰজাৰ মনটোতো এনে ভাব হ'ল, যেন বাঢ়ি অহা লতা এডালে ভাল ডাল এটাৰহে আশ্ৰয় পালে। ৩—৪ ॥

দোঃ—ৰজাই ক'লে—"মুনিৰাজ বশিষ্ঠই ৰামৰ অভিষেকৰ বাবে যি যি কাম কৰিবলৈ কয়, সেই কাম তুৰন্তে কৰাঁ।" ৫ ॥

চৌঃ—মুনিশ্ৰেষ্ঠ বশিষ্ঠই আনন্দ মনেৰে কোমল মাতেৰে সকলো তীৰ্থৰ জল আনিবলৈ ক'লে। ঔষধি, ফল, ফুল, পত্ৰ, মূল আদি অনেক বস্তুৰ নামো ক'লে। ১ ॥

চামৰ, মৃগচৰ্ম, নানা বিধৰ কাপোৰ, নানা ধৰণৰ উনী আৰু ৰেশমীবস্ত্ৰ, নানা বিধৰ মণি প্ৰভৃতি যিবোৰ মাংগলিক বস্তুৰ প্ৰয়োজন ৰাজ অভিষেকৰ বাবে হয়। (সেই সকলোবোৰ আনিবলৈ ক'লে)। ২ ॥

মুনিয়ে বেদ-শাস্ত্ৰবিহিত সকলো বিধান দিলে আৰু নগৰত বহুত মণ্ডপ সজাবলৈ ক'লে। লগতে নগৰৰ চাৰিওফালে সক বাটবোৰতো (গলিবোৰত) ফলসহ আম, কল আৰু তামোল ৰবলৈ ক'লে। ৩ ॥

সুন্দৰ সুন্দৰ মণিৰে চাৰিওফালৰপৰা আহি পোৱা নগৰৰ কেন্দ্ৰীয় ঠাইবোৰ আৰু বজাৰবোৰ সজাবলৈ ক'লে। গণেশ, গুৰুজন আৰু কুলদেৱতাৰ পূজা তথা ব্ৰাহ্মণৰ সেৱাও সকলো প্ৰকাৰে কৰিবলৈ মুনিয়ে আদেশ দিলে। ৪ ॥

দোঃ—ধ্বজা, পতাকা সহ তোৰণ আৰু মংগল-ঘট সজাবলৈ কোৱা হ'ল। ৰথ, ঘোঁৰা আৰু হাতী সুসজ্জিত কৰিবলৈ কোৱা হ'ল। সকলোৱে বশিষ্ঠ মুনিৰ আদেশ অনুসৰি কামত লাগি গ'ল। ৬ ॥

চৌঃ—মুনিশ্ৰেষ্ঠ বশিষ্ঠই যাক যিবোৰ কামৰ বাবে আজ্ঞা দিলে, তেওঁলোকে সেই কামবোৰ ইমান সোনকালে সমাধা কৰিলে, যেন আগতেই কৰি থোৱাহে আছিল। ৰজায়ো শ্ৰীৰামচন্দ্ৰৰ বাবে ব্ৰাহ্মণ, সাধু আৰু দেৱতাৰ পূজা আদি সকলো মংগল-কাৰ্য কৰিবলৈ ধৰিলে। ১ ॥

ৰামৰ অভিষেক হ'ব বুলি আনন্দৰ খবৰ শুনিবলৈ পোৱাৰ লগে লগেই অযোধ্যা নগৰৰ ঘৰে ঘৰে উৎসৱৰ বাদ্য বাজিবলৈ ধৰিলে। ৰাম আৰু সীতাৰো [চকু নচা, বাহু নচা আদি] মংগলসূচক লক্ষণ শৰীৰত প্ৰকাশ পালে। ২ ॥

তেওঁলোকে (ৰাম আৰু সীতাই) পৰস্পৰে আনন্দিত হৈ আলোচনা কৰিবলৈ ধৰিলে—"এই শুভ লক্ষণবোৰ ভৰত ঘৰলৈ অহাৰ আগজাননী! ভৰত ঘৰত নথকা বহুত দিন হ'ল। এই লক্ষণবোৰে প্ৰিয়জনক লগ পোৱাৰেই সূচনা দিয়ে। ৩ ॥

"ভৰতৰ সমান মোৰ কোন প্ৰিয় আছে? এই শুভ লক্ষণবোৰৰ ফল এয়ে হ'ব পাৰে, আন নহয়।" ভৰতৰ বিষয়ে ৰামচন্দ্ৰই দিনে-ৰাতিয়ে চিন্তা কৰে। বালিত পাৰি থৈ অহা কণীবোৰত কাছৰ জীৱটো থকাৰ দৰেই শ্ৰীৰামচন্দ্ৰৰো ভৰতত জীৱটো। ৪ ॥

দোঃ—এনে সময়তে এই শুভ সংবাদে (ৰাম যুৱৰাজ হোৱাৰ) অন্তেষপুৰৰ ৰাণীসকলৰ মাজতো আনন্দৰ ঢৌ তুলিলে। চন্দ্ৰকলাৰ বৃদ্ধি হোৱা দেখিলে বিলাসযুক্ত ঢৌ সমূহেৰে পৰিপূৰ্ণ সমুদ্ৰৰ শোভাও বৃদ্ধি পায়। ৭ ॥

চৌঃ—সৰ্ব প্ৰথমে (অন্তেষপুৰত) গৈ যি এই (অভিষেকৰ) কথা ক'লেগৈ তেওঁলোকে বহুত কাপোৰ আৰু অলংকাৰ উপহাৰ পালে। ৰাণীসকলৰ শৰীৰ আনন্দত পুলকিত হ'ল। সকলোৱে মংগল-ঘট সজাবলৈ ধৰিলে। ১ ॥

সুমিত্ৰাই মণি-ৰত্নেৰে সৈতে নানা ধৰণৰ অতি সুন্দৰ আৰু মনোৰম চাৰিকুণীয়া আল্পনা সজালে। ৰামৰ মাকে আনন্দত মগ্ন হৈ ব্ৰাহ্মণসকলক মতাই আনি বহুত দান কৰিলে। ২ ॥

তেওঁ গ্ৰাম-দেৱী, দেৱতা আৰু নাগসকলক পূজা কৰি লৈ আকৌ নৈবেদ্য আগবঢ়াবলৈ সংকল্প কৰি থ'লে। তেওঁলোকক প্ৰাৰ্থনা কৰিলে—ৰামৰ যাতে কল্যাণ হয়, দয়া কৰি সেই বৰ দিয়ে যেন। ৩ ॥

কোকিলকণ্ঠী, চন্দ্ৰবদনী আৰু মৃগনয়নী পুৰনাৰীসকলে মংগলগীত গাবলৈ ধৰিলে। ৪ ॥

দোঃ—শ্ৰীৰামচন্দ্ৰৰ ৰাজ্য অভিষেকৰ কথা শুনি সকলো নৰ-নাৰী আনন্দত মগ্ন হ'ল; বিধাতা অনুকূল (প্ৰসন্ন) হৈছে বুলি তেওঁলোকে সকলো মাংগলিক সাজ-সজ্জা কৰিবলৈ ধৰিলে। ৮ ॥

চৌঃ—ৰজাই তেতিয়া বশিষ্ঠক মতাই আনিলে আৰু ৰামক (আৱশ্যকীয়) শিক্ষা দিবৰ কাৰণে বশিষ্ঠক ৰামৰ ভৱনলৈ পঠালে। গুৰু আহিছে বুলি শুনি ৰামে দুৱাৰ মুখলৈ আহি গুৰুৰ চৰণত মূৰ দোৱালে। ১ ॥

আদৰ পূৰ্বক অৰ্ঘ্য দি গুৰুক ভিতৰলৈ আনিলে আৰু ষোড়শোপচাৰ দি পূজা কৰি সন্মান জনালে। তাৰ পাছত সীতাৰে সৈতে চৰণ স্পৰ্শ কৰিলে আৰু ৰামে পদুম যেন হাত দুখন যোৰ কৰি ক'লে—২ ॥

"যদিও সেৱকৰ ঘৰলৈ স্বামী অহাটো মংগলজনক আৰু অমংগল নাশক কথা, তথাপি হে নাথ, মৰম কৰি সেৱকক মতাই নি কাম কৰোৱাটোহে উচিত আছিল। নীতিও সেইটোহে।" ৩ ॥

"কিন্তু প্ৰভু, আপুনি নিজৰ প্ৰভুত্ব ত্যাগ কৰি (নিজে ইয়ালৈ আহি) যি স্নেহ দেখুৱালে, তাৰ দ্বাৰা আজি এই ঘৰ পবিত্ৰ হ'ল। হে গোসাঁই, (এতিয়া) যি আজ্ঞা হয়, মই তাকে কৰিম; স্বামীৰ সেৱাতে সেৱকৰ লাভ।" ৪ ॥

দোঃ—শ্ৰীৰামৰ স্নেহসনা কথা শুনি মুনিয়ে তেওঁক প্ৰশংসা কৰি ক'লে—"তুমি নো কিয় এনে কথা নকবা? তুমি যে সূৰ্যৰ বংশৰ ভূষণ! ৯ ॥

চৌঃ—শ্ৰীৰামৰ গুণ, চৰিত্ৰ আৰু স্বভাৱৰ প্ৰশংসা কৰি মুনিৰাজে প্ৰেম-পুলকিত হৈ ক'বলৈ ধৰিলে—"ৰজাই ৰাজ্য অভিষেকৰ প্ৰস্তুতি চলাইছে আৰু তোমাক যুৱৰাজ পদ দিব খুজিছে।" ১ ॥

"গতিকে তুমি আজি (উপবাস আদি) নিয়ম পালন কৰা, যাতে বিধাতাই সকলো কাম কুশলে সমাধা কৰে।" (এইদৰে) উপদেশ দি গুৰু ৰজাৰ ওচৰলৈ গুচি গ'ল। শ্ৰীৰামৰ মনত এই বুলি বিস্ময় উপজিল—২ ॥

"আমি আটাইকেইজন ভাই একেলগে জন্ম ললোঁ, একেলগে শয়ন, ভোজন, লৰালিৰ খেলা-ধূলা কৰিলোঁ আৰু কৰ্ণবেধ, উপনয়ন, বিবাহৰ উৎসৱো লগে লগেই হ'ল। ৩ ॥

"কিন্তু এই নিৰ্মল বংশত ই এটা অনুচিত কাম হৈছে, ভাইহঁতক এৰি থৈ ডাঙৰ জনৰ অভিষেক কৰা হৈছে।" [তুলসীদসে কৈছে—] প্ৰভুৰ এই স্নেহযুক্ত পৰিতাপে ভক্তসকলৰ মনৰ কুটিলতা দূৰ কৰক। ৪ ॥

দোঃ—সেই সময়তে প্ৰেম আৰু আনন্দত মগ্ন হৈ লক্ষ্মণ উপস্থিত হ'লহি। ৰঘুকুলৰূপী ভেঁটফুলৰ কাৰণে চন্দ্ৰস্বৰূপ শ্ৰীৰামে প্ৰিয় বচনেৰে তেওঁক সন্মান জনালে। ১০ ॥

চৌঃ—নানা ধৰণৰ বাদ্য বাজি উঠিল; নগৰৰ মহান্ আনন্দৰ কথা বৰ্ণনাৰ অতীত; সকলোৱে ভৰতৰ আগমন কামনা কৰিলে আৰু ক'বলৈ ধৰিলে—তেওঁ সোনকালে আহক আৰু (অভিষেক চাই) নয়ন সাৰ্থক কৰক। ১ ॥

হাট, বাট, ঘৰ-দুৱাৰ, আলি-পদূলি য'তে ত'তে জুম পাতি পুৰুষ-তিৰোতা সকলোৱে কোৱা-মেলা কৰিলে—"কালিলৈ সেই শুভক্ষণটো কেতিয়া আহিব, যিটো ক্ষণত বিধাতাই আমাৰ অভিলাষ পূৰণ কৰিব। ২ ॥

"সোণৰ সিংহাসনত ৰাম সীতাৰ লৈতে বহিব আৰু আমাৰ মনৰ কামনা পূৰণ হ'ব, কালিলৈ দিনটো নো কেতিয়াকৈ হ'ব?" একালে সকলোৱে এইদৰে কোৱা-মেলা কৰিছে আৰু আনকালে দেৱতাসকলে বিঘিনি ঘটাবলৈ কূট চক্ৰান্ত কৰিছে। ৩ ॥

তেওঁলোকে অযোধ্যাত আনন্দ উৎসৱ হোৱাটো ভাল পোৱা নাই; চোৰে জোনাক নিশা ভাল নাপায়। দেৱতাসকলে সৰস্বতীক প্ৰাৰ্থনা কৰিলে আৰু বাৰে বাৰে তেওঁৰ চৰণত সেৱা জনালে। ৪ ॥

দোঃ—[তেওঁলোকে ক'লে—] "হে মাতৃ। আমাৰ অত্যন্ত বিপত্তিলৈ চাই আজি এনে এটি কাম কৰি দিয়া যাতে ৰামে ৰাজ্য এৰি বনলৈ যায় আৰু দেৱতাসকলৰ সকলো কাৰ্য সিদ্ধি হয়।" ১১ ॥

চৌঃ—দেৱতাসকলৰ প্ৰাৰ্থনা শুনি সৰস্বতীয়ে থিয় দিয়েই দুখ কৰিবলৈ ধৰিলে—"মই কমলবনৰ বাবে হেমন্ত কালৰ ৰাতি স্বৰূপ হলোঁ।" তেওঁ এই দৰে দুখ কৰা দেখি দেৱতাসকলে আকৌ বিনীতভাৱে ক'লে—"হে মাতৃ! তাৰ দোষে তোমাক অলপো নোচোৱে। ১ ॥

"ৰঘুপতি ৰাম হৰ্ষ-বিষাদৰহিত আৰু তুমি ৰামৰ সকলো প্ৰভাৱৰ কথা জানা। জীৱ নিজৰ কৰ্মবশ হৈহে সুখ-দুখৰ ভাগী হয়। গতিকে তুমি দেৱতা-সকলৰ হিত-সাধনৰ বাবে অযোধ্যালৈ যোৱাঁ।"

[এইদৰে] বাৰে বাৰে চৰণত ধৰি দেৱতাসকলে সৰস্বতীক বিমোৰত পেলালে। দেৱতাসকলৰ বুদ্ধি অতি সংকীৰ্ণ। তেওঁলোকৰ বাসস্থান ওখ; কিন্তু কামবোৰ অতি তল খাপৰ। তেওঁলোকে পৰশ্ৰী সহ্য কৰিব নোৱাৰে—এই বুলি ভাবি সৰস্বতী গুচি গ'ল। ৩ ॥

কিন্তু হ'ব লগীয়া কাৰ্যাৱলীৰ (ৰাক্ষস-নিধনৰ দ্বাৰা জগতৰ কল্যাণ সাধন) কথা ভাবি আৰু চতুৰ কবিসকলে (ৰাম-বনবাস বৰ্ণনৰ বাবে) মোৰ সহায় বিচাৰিব—এইবুলি চিন্তা কৰি সৰস্বতী আনন্দ মনেৰে দশৰথৰ নগৰলৈ গ'ল, যেন অসহ্য দুঃখজনক গ্ৰহদশাইহে অযোধ্যাত প্ৰৱেশ কৰিলে। ৪ ॥

চৌঃ—মন্থৰা নামেৰে কৈকেয়ীৰ এজনী মন্দমতি দাসী আছিল। তাইকে অপযশৰ ভাৰ দি সৰস্বতীয়ে তাইৰ মতিভ্ৰম কৰি গুচি গ'ল। ১২ ॥

মন্থৰাই নগৰত সাজ-সজ্জা কৰা দেখিলে আৰু সুন্দৰ মংগল বাদ্য বজোৱা শুনি মানুহক সুধিলে—"কিহৰ উৎসৱ হৈছে?" ৰামক ৰাজতিলক পিন্ধোৱা হ'ব বুলি শুনি তাইৰ হিয়া দহিবলৈ ধৰিলে। ১ ॥

যেনেকৈ কুটিল স্বভাৱৰ কিৰাত তিৰোতা এজনীয়ে মৌ বাহ সজা দেখি তাক কেনেকৈ ভাঙিব পাৰে তাৰ সুযোগ বিচাৰিবলৈ ধৰে, তেনেকৈ সেই কুবুদ্ধি নীচ জাতিৰ দাসী মন্থৰায়ো সেই কাম কেনেকৈ ৰাতিৰ ভিতৰতে নষ্ট কৰিব পাৰে তাকে চিন্তা কৰিবলৈ ধৰিলে। ১—২ ॥

তাই উদাস মনেৰে ভৰতৰ মাক কৈকেয়ীৰ ওচৰলৈ গ'ল। ৰাণীয়ে হাঁহি মাৰি সুধিলে—"বেজাৰ কৰিছ কিয়?" মন্থৰাই একো উত্তৰ নিদি হুমুনিয়াহ কাঢ়িলে আৰু নাৰীৰ স্বভাৱ অনুসৰি চকু-পানী টুকিবলৈ ধৰিলে। ৩ ॥

ৰাণীয়ে হাঁহি মাৰি ক'লে—"তোৰ মুখখন বৰ চোকা। মোৰ মনেৰে লক্ষ্মণে তোক এশিকনি দিছে।" সেই মহাপাপিনী দাসীয়ে তেতিয়াও একো নেমাতিলে; কেৱল কাল-সৰ্পিণীৰ দৰে ফোঁচ ফোঁচাবলৈ ধৰিলে। ৪ ॥

দোঃ—তেতিয়া ৰাণীয়ে ভয়ে ভয়ে সুধিলে—"একো নেমাত কিয়? ৰাম, মহাৰাজ দশৰথ, লক্ষ্মণ, ভৰত আৰু শত্ৰুঘ্ন ভালে আছেতো?" এই কথাশুনি কুঁজী মন্থৰাই মনত বৰ দুখ পালে। ১৩ ॥

চৌঃ—[মন্থৰাই ক'লে—] "হে মাতৃ! মোক কোনে এশকনি দিব আৰু মইনো কিহৰ বলত ডাঙৰ কথা ক'ম? যাক ৰজাই যুৱৰাজ পাতিছে সেই ৰামৰ বাহিৰে আজি কোন কুশলে আছে? ১ ॥

"আজি কৌশল্যাৰ বাবে বিধাতা অতি প্ৰসন্ন (অনুকূল) হৈছে; সেইদেখি তেওঁৰ মন গৰ্বত ওফন্দি পৰিছে। তুমি নিজে এবাৰ সকলো সাজ-সজ্জা চাই নাহাগৈ কিয়, যিবোৰ দেখি মোৰ মনত কষ্ট হৈছে? ২ ॥

"তোমাৰ পুতেৰা আছেগৈ বিদেশত, তোমাৰ একো চিন্তা নাই। তুমি ভাবিছা—'স্বামী মোৰ বশ হৈ আছে।' তুমি পালেঙত শুই আৰাম কৰিছা, ৰজাৰ কপট চতুৰালিৰ কথা তুমি ভুৰেই পোৱা নাই।" ৩ ॥

মন্থৰাৰ ভাল লগা কথা শুনি, কিন্তু তাইৰ মন মলিয়ন দেখি ৰাণীয়ে থঙেৰে ক'লে—"ক'ৰবাৰ ঘৰ ভাঙতী, আকৌ এনেকুৱা কথা ক'লে তোৰ জিভা কাটিম। ৪ ॥

দোঃ—"কণা, খোৰা আৰু কুঁজাক কুটিল আৰু কুট্‌কুটীয়া বুলি জনা উচিত, তাতে আকৌ তিৰোতা, তাৰ উপৰিও দাসী।" এই বুলি ভৰতৰ মাকে মিচিকিয়াই হাঁহিলে। ১৪ ॥

চৌঃ—[ৰাণীয়ে আকৌ ক'লে—] "প্ৰিয়বাদিনী মন্থৰা! মই তোক শিক্ষা দিবৰ বাবেই এইখিনি কথা কলোঁ। সপোনতো তোৰ প্ৰতি মোৰ ক্ৰোধ নাই।

তোৰ কথা যিদিনা সত্য হ'ব (ৰামৰ অভিষেক হ'ব), সেই দিনটোৱে সুন্দৰ আৰু সুমংগলময় হ'ব। ১ ॥

"ককায়েক স্বামী আৰু ভায়েক সেৱক হোৱাটো সূৰ্যবংশৰ অতি সুন্দৰ নিয়ম। যদি সঁচাকৈয়ে কালিলৈকে ৰামক ৰাজতিলক পিন্ধোৱা হয়, তেনেহ'লে শুন বাই, তোৰ যিহকে ভাল লাগে তাকে খোজ, মই দিম। ২ ॥

"ৰামে স্বাভাৱিকতে সকলো মাতৃকে কৌশল্যাৰ দৰেই ভাল পায়; মোকতো বিশেষভাৱেই ভাল পায়। মই তেওঁৰ মৰমৰ পৰীক্ষা লৈ পোৱা আছে। ৩ ॥

"যদি বিধাতাই কৃপা কৰি আকৌ জন্ম দিয়ে, তেনেহ'লে ৰাম যেন মোৰ পো আৰু সীতা যেন বোৱাৰী হয়। ৰাম মোৰ প্ৰাণতকৈয়ো প্ৰিয়। তেওঁৰ অভিষেকৰ কথা শুনি তোৰ বেজাৰ হৈছে কিয়?" ৪ ॥

দোঃ—"মই ভৰতৰ শপত দিছোঁ, তই ছল-চাতুৰী এৰি সঁচা কথা ক'—তই হৰ্ষৰ সময়তো কিয় বিষাদ কৰিছ, তাৰ কাৰণ মোক জানিবলৈ দে।" ১৫ ॥

চৌঃ—[মন্থৰাই ক'লে—] "এবাৰ কৈয়ে মোৰ সকলো আশা পূৰণ হ'ল; এতিয়া আকৌ সুকীয়া জিভা এখন লগাই ক'লেহে হ'ব। মোৰ দুৰ্ভগীয়া কপালখন ফুটুৱাইহে দিব লাগে। ভাল কথা ক'লেতো আকৌ তোমাৰ দুখহে লাগিল। ১ ॥

"যি সঁচাই মিছাই সাজি সাজি কথা ক'ব, তুমি তাকহে ভাল পাবা আই; মোক তিতা যেন পাবাই। আজিৰপৰা ময়ো মুখ চাই (ভাল লগা) কথা ক'ম, নহ'লে দিনে ৰাতিয়ে মনে মনেই থাকিম। ২ ॥

"বিধাতাই মোক কুৰূপ কৰি প্ৰজি লোকৰ তলতীয়া কৰিলে। যি ফল অৰ্জিলোঁ, তাক ভুগিবই লাগিব; যিটো দি আহিছোঁ, তাক ঘুৰাই পামেই (কৰ্মফল)। যেয়েই ৰজা হওঁক লাগিলে, আমাৰ কি হানি হ'ল? তেতিয়া কিবা মই দাসী গুচি ৰাণী হ'ম নে? ৩ ॥

"মোৰ স্বভাৱটো জুই লগোৱাৰহে যোগ্য; কাৰণ মই তোমাৰ অপকাৰ হোৱাটো দেখিব নোৱাৰোঁ। সেই কাৰণেহে এবাৰ মাতিলোঁ। দেৱী, মোৰ বৰ ডাঙৰ ভুল হ'ল, তুমি ক্ষমা কৰিবা।" ৪ ॥

দোঃ—গুপ্ত উদ্দেশ্য লৈ কোৱা কপটীয়া মানুহৰ মিঠা কথা শুনি আৰু দেৱতা-সকলৰ মায়াৰ বশ হৈ, বুদ্ধিৰ খোপনি নথকা ৰাণী কৈকেয়ীয়ে শত্ৰুৰ দৰে কাম কৰা মন্থৰাৰ কথাকে হিতাকাংক্ষী আপোন জনৰ কথা বুলি বিশ্বাস কৰিলে। ১৬ ॥

চৌঃ—ৰাণীয়ে বাৰে বাৰে আদৰ-সাদৰ কৰি তাইক সুধিবলৈ ধৰিলে,

যেনিবা শবৰী তিৰোতাৰ গান শুনি হৰিণীহে মুগ্ধ হ'ল। যিটো ঘটিব লগীয়া আছে, সেইটোৰ অনুকূলেই কৈকেয়ীৰো মতিভ্ৰম হ'ল। তাইৰ কাৰ্য সিদ্ধি হ'ল বুলি দাসী আনন্দিত হ'ল। ১ ॥

[মন্থৰাই ক'লে—] "তুমি সুধিছা হয়, মোৰ ক'বলৈকে ভয় লাগিছে। তুমিতো মোক ঘৰভাঙতী নাম দিছাই।" এই বুলি অনেক ধৰণেৰে ভাঙি-পাতি আৰু বিশ্বাস জন্মাই অযোধ্যাৰ বাবে চাৰে সাত বছৰীয়া শনি দশা স্বৰূপ মন্থৰাই ক'লে— ২ ॥

"ৰাণী, তুমি যে ক'লা ৰাম-সীতা মোৰ মৰমৰ আৰু ৰামেও মোক ভাল পায়— সেই কথা সঁচা; কিন্তু সেইটো আগেয়ে আছিল, এতিয়া আৰু সেই দিন নাই। সময় সলনি হোৱাৰ লগে লগে মিত্ৰও শত্ৰু হৈ পৰে। ৩ ॥

"সূৰ্যই পদুম ফুলবোৰক পালন কৰে; কিন্তু পানী নহ'লে সেই সূৰ্যই পদুম ফুল জলাই ভস্ম কৰে। সতিনীয়েৰা কৌশল্যাই তোমাক সমূলে নষ্ট কৰিব খুজিছে; গতিকে তুমি বুদ্ধিৰে জেওৰা দি সুৰক্ষিত হোৱাঁ। ৪ ॥

"তুমি (মিছা) সৌভাগ্যৰ বলত একো চিন্তা-ভাবনা কৰা নাই, ৰজাক তোমাৰ বশ বুলি ভাবি আছা। কিন্তু ৰজাৰ মনটো মলিয়ন, মুখখনিহে মিঠা; ইফালে তুমি তেনেই সৰল স্বভাৱৰ। ১৭ ॥

"ৰামৰ মাক বৰ চতুৰ আৰু গম্ভীৰ। তেওঁ সুবিধা চাই নিজৰ কাম কৰি লয়। ভৰতক যে ৰজাই মোমায়েকৰ ঘৰলৈ পঠালে, সেয়া কৌশল্যাৰ পৰামৰ্শ মতেই বুলি জানিবা।" ১ ॥

[কৌশল্যাই ভাবে] "সকলো সতিনীয়ে মোক ভাল ধৰণে সেৱা-শুশ্ৰূষা কৰে; কেৱল ভৰতৰ মাকহে পতিৰ বলত মদগৰ্বী। তুমি কৌশল্যাৰ কাৰণে শালৰ নিচিনা হৈ আছা, আই। কিন্তু তেওঁ ছল-কপট কৰাত বৰ-পটু। গতিকে তেওঁৰ মনৰ ভাৱ ধৰিব নোৱাৰি।" ২ ॥

"তোমালৈ ৰজাৰ বৰ মৰম; সতিনী স্বভাৱৰ কাৰণে কৌশল্যাই তাকে দেখিব নোৱাৰে। সেই কাৰণে তেওঁ জাল পেলাই ৰজাক হাত কৰি লৈ ৰামক ৰাজ-তিলক পিন্ধোৱাৰ লগ্ন ঠিক কৰাই ল'লে।" ৩ ॥

"ৰামকে ৰাজতিলক পিন্ধোৱা হওক; এইটো বংশৰ কাৰণেও উচিত কামেই হৈছে। এই কথা সকলোৰেই ভাল পাইছে; মইতো অতিকে ভাল পাইছোঁ। কিন্তু পাছৰ কথা ভাবিহে মোৰ ভয় লাগিছে; ভাগ্যই ইয়াৰ সুফল তেওঁকহে [কৌশল্যাক] দিব।" ৪ ॥

[এইদৰে মন্থৰাই] কোটি প্ৰকাৰৰ কূট-কথা সাজি সাজি কৈ কৈকেয়ীক মিছাকৈ ভালৰি বোলালে আৰু এশটামান সতিনীৰ কথা এনেদৰে ক'বলৈ ধৰিলে যাতে বিৰোধভাৱ বাঢ়ি যায়। ১৮ ॥

হ'ব লগীয়াটো যেতিয়া হ'বই ; সেই কাৰণে কৈকেয়ীৰ মনত বিশ্বাস জন্মিল। ৰাণীয়ে আকৌ শপত দি কথা সুধিবলৈ ধৰিলে। [মন্থৰাই ক'লে—] "কিনো সুধিছা? তুমি এতিয়াও বুজা নাই? নিজৰ ভাল-বেয়াটো পশুৱেও ধৰিব পাৰে।১ ॥

"সাজ-সৰঞ্জাম গোটাওঁতে পষেক দিন গ'ল ; তুমি তেও আজিহে মোৰপৰা খবৰটো পাইছা। মই তোমাৰ ৰাজত্বৰ কাৰণেহে খাবলৈ-পিন্ধিবলৈ পাইছোঁ ; গতিকে সঁচাটো ক'লে মোৰ একো দোষ নহয়। ২ ॥

"মই যদি কিবা কথা সাজি মিছাকৈ কৈছোঁ, বিধাতাই মোক দণ্ড দিব। যদি কাইলৈ ৰামৰ অভিষেক হয়, তেন্তে বুজিবা বিধাতাই তোমাৰ দুখৰ কঠিয়া সিঁচিলে।" ৩ ॥

"মই আঁচ টানি জোৰ দি কৈছোঁ—হে ভামিনী, তুমি গাখীৰত পৰা মাখি হলা (গাখীৰত পৰা মাখি মানুহে তুলি আনি পেলাই দিয়াৰ দৰে তোমাকো ঘৰৰ পৰা খেদি দিব)। যদি তুমি পুতেৰাৰ সৈতে চাকৰৰ কাম কৰা, তেতিয়া ঘৰত থাকিব পাৰিবা, নহ'লে অন্য উপায় নাই। ৪ ॥

দোঃ—"কদ্ৰুৱে বিনতাক দুখ দিছিল, তোমাক কৌশল্যাই দিব। ভৰত বন্দীশালত পচিব আৰু লক্ষ্মণ ৰামৰ সহায়কাৰী হ'ব।" ১৯ ॥

চৌঃ—(মন্থৰাৰ) কটু কথা শুনি কৈকেয়ী ভয় পৰি গ'ল আৰু তেওঁ একো কথা কব নোৱাৰিলে। গা ঘামি গ'ল, কলগছৰ দৰে কঁপিবলৈ ধৰিলে। তেতিয়া কুঁজীয়ে (মন্থৰাই) ভয়ত দাতেৰে জিভা কামুৰিলে। ১ ॥

তাৰ পিছত তাই কোটি কোটি কপটীয়া কাহিনী কৈ ৰাণীক "ধৈৰ্য ধৰা" বুলি প্ৰবোধ দিবলৈ ধৰিলে। কৈকেয়ীৰ ভাগ্য ঘূৰিল। কূট-চক্ৰান্ত তেওঁ ভাল পালে। মাইকী বগলী চৰাইকে তেওঁ হংসিনী বুলি (শত্ৰুকে মিত্ৰ বুলি ভাবি) শলাগিবলৈ ধৰিলে। ২ ॥

(কৈকেয়ীয়ে ক'লে—) "শুন মন্থৰা! তোৰ কথা সঁচা। মোৰ সোঁচকুটো সদায় লৰি থাকে। মই সদায় ৰাতি বেয়া সপোন দেখোঁ ; কিন্তু অজ্ঞানতাৰ কাৰণে মই (সেই কথাবোৰ) তোক নকওঁ। ৩ ॥

"বাই, মই কি কৰোঁ? মোৰ স্বভাৱ শুদ্ধ (সৰল)। মই বাঁও-সোঁ একো নাজানো।" ৪ ॥

দোহাঃ—"মই জানি-শুনি আজিলৈকে কাৰো অপকাৰ কৰা নাই। (তেনেস্থলত) কি পাপৰ ফলত দৈৱই মোক একে বাৰতে এই অসহ্য দুখ দিলে।" ২০ ॥

চৌঃ—"মই লাগে আইৰ ঘৰলৈ গৈয়ে জীৱন কটাম; (কিন্তু) জীয়াই থকাৰ কালত সতিনীৰ সেৱা নকৰোঁ। দৈৱই যাক শত্ৰুৰ তলতীয়া কৰি জীয়াই ৰাখে, তাৰ বাবে জীয়াই থকাতকৈ মৰাই ভাল।" ১ ॥

এইদৰে ৰাণীয়ে নানা প্ৰকাৰৰ আতুৰ বচন বুলিবলৈ ধৰিলে। তাকে দেখি কুঁজীয়ে তিৰোতা মানুহৰ স্বভাৱ কামত লগালে। (তাই ক'লে—) "তুমি মনলৈ দুৰ্বলতাৰ ভাৱ আনি কিয় এনেকুৱাবোৰ কথা কৈছা? তোমাৰ সুখ-সৌভাগ্য দিনে দিনে দুগুণ হৈহে যাব।" ২ ॥

"যি তোমাৰ অপকাৰ কৰিবলৈ বিচাৰিছে, মুৰকত গৈ সিহে তাৰ ফল পাব। হে'ৰা আইদেউ (স্বামিনী) মই যেতিয়াই এই কুমন্ত্ৰণাৰ কথা শুনিলোঁ, তেতিয়াৰ পৰা মোৰ দিনৰ্ত ভোক নোহোৱা হ'ল আৰু ৰাতি টোপনি নহা হ'ল। ৩ ॥

"মই জ্যোতিষীক সুধিলোঁগৈ, তেতিয়া তেখেতে আঁচ টানি (গণনা কৰি অথবা নিশ্চয় কৰি) ক'লে, ভৰত যে ৰজা হ'ব, ই একেবাৰে সত্য। হে ভামিনী, তুমি যদি (মোৰ কথামতে কাম) কৰাঁ, তেন্তে মই উপায় কওঁ, শুনা। ৰজা তোমাৰ সেৱা-শুশ্ৰূষাত বশ হৈ আছেই।" ৪ ॥

দোঃ—(কৈকেয়ীয়ে ক'লে—) "মই তোৰ কথামতে কুঁৱাত পৰিব পাৰোঁ, পতিপুত্ৰক ত্যাগ কৰিব পাৰোঁ। তই যদি মোৰ দুখ দেখি কিবা এটা কৰ, তেতিয়া মইনো নিজৰ ভালৰ বাবে সেইটো কিয় নকৰিম?" ২১ ॥

চৌঃ—কুঁজীয়ে কৈকেয়ীক বশলৈ আনি, কপটতাৰ ছুৰীখন নিজৰ বুদ্ধিৰ শিলত ধৰাবলৈ ধৰিলে। বলিৰ পশুৱে নিজৰ আসন্ন বিপদৰ কথা ক'ব নোৱাৰি সেউজীয়া ঘাঁহ খোৱাৰ দৰে ৰাণীয়েও নিজৰ ওচৰ চাপি অহা বিপদৰ কথা ক'ব নোৱাৰিলে। ১ ॥

(মন্থৰাৰ) কথাবোৰ শুনাত কোমল; কিন্তু পৰিণামত কঠোৰ, যেনে মৌৰ লগত বিহহে মিহলাই দিয়া হৈছে। দাসীয়ে সুধিলে, "হে'ৰা আইদেউ, তুমি মোক এটা কথা কৈছিলা, সেই কথা তোমাৰ মনত আছে নে নাই? ২ ॥

"ৰজাৰ ওচৰত তুমি দুটা বৰ পাব লগীয়া হৈ আছে। আজি সেই বৰ ৰজাৰ-পৰা খুজি লৈ বুকু জুৰ পেলোৱা। পুত্ৰক ৰাজ্য দিয়াঁ, ৰামক বনবাস দিয়াঁ আৰু সতিনীৰ সকলো আনন্দ তুমি লোৱাঁ।" ৩ ॥

"ৰজাই যেতিয়া ৰামৰ শপত খাব, তুমি তেতিয়াই বৰ মাগিবা, যাতে কথা লৰ-চৰ হ'ব নোৱাৰে। আজিৰ ৰাতিটো পুৱালেই সকলো কাম পণ্ড হ'ব। তুমি মোৰ কথা নিজৰ হৃদয়তকৈয়ো (প্ৰাণতকৈয়ো) মৰমৰ বুলি মানিবা।" ৪ ॥'

দোঃ—পাতকিনী মন্থৰাই বৰ যেয়াকৈ আঘাত কৰি ক'লে—"কোহঘৰলৈ যোৱা ; সকলো কাম সাৱধানে কৰিবা। সহজতে (ৰজাৰ) কথাত পতিয়ন নাযাবা।" ২২ ॥

চৌঃ—ৰাণীৰ কুঁজীক প্ৰাণৰ সমান আপোন যেন লাগিল। বাৰে বাৰে তেওঁ তাইৰ ডাঙৰ বুদ্ধিৰ শলাগ লৈ ক'বলৈ ধৰিলে। "সংসাৰত মোৰ কাৰণে তোৰ সমান হিতাকাংক্ষী আৰু কোনো নাই। উটি যোৱা মোৰ বাবে তয়েই আশ্ৰয় হ'লি। ১ ॥

"কালিলৈ যদি মোৰ মনোৰথ পূৰণ কৰে, তেনেহ'লে হেৰ' সখী। মই তোক চকুৰমণি কৰি ৰাখিম।" এইদৰে দাসীক নানা প্ৰকাৰৰ আদৰ কৰি কৈকেয়ী কোহ ঘৰলৈ গ'ল। ২ ॥

কুঁজী দাসী বৰ্ষা ঋতু, কৈকেয়ীৰ কুবুদ্ধি মাটি। এই মাটিত কপট বৰষাৰ জল পৰিলত বিপত্তিৰ বীজ অংকুৰিত হৈ উঠিল। দুটা বৰেই হ'ল ইয়াৰ দুখিলা পাত আৰু অৱশেষত ইয়াৰ পৰাই দুখৰূপী ফল ফলিলগৈ। ৩ ॥

(কৈকেয়ীয়ে) খং উঠাৰ সকলো বেশ ধাৰণ কৰি (কোহঘৰত) শুই থাকিলেগৈ। ৰাজভোগ কৰি থাকি তেওঁ নিজৰ দুষ্টবুদ্ধিৰ কাৰণে নষ্ট পালে। ৰাজভৱন আৰু নগৰত ঢোল-পাৰ লাগি থাকিল ; কিন্তু এই কু-চক্ৰান্তৰ কথা কোনেও অলপো গম নাপালে। ৪ ॥

দোঃ—নগৰৰ নৰ-নাৰী সকলোৱে আনন্দিত হৈ সকলো ধৰণৰ মাংগলিক সাজ-সজ্জা কৰিলে। কোনোবা ৰাজসভাত সোমাইছেহি, কোনোবা ওলাই গৈছে। ৰাজদ্বাৰত বৰ ভিৰ হ'ল। ২৩ ॥

চৌঃ—(ৰামচন্দ্ৰৰ) ল'ৰাকালৰ লগৰীয়াবোৰে (অভিষেকৰ কথা) শুনি মনত বৰ আনন্দ পালে। তেওঁলোক দহজন-পাঁচজনকৈ লগলাগি ৰামৰ ওচৰলৈ গ'ল। তেওঁলোকৰ মৰম বুজিব পাৰি ৰামচন্দ্ৰই সেইসকলক বৰ আদৰ-সাদৰ কৰিলে আৰু মিঠা মাতেৰে কুশল-বাতৰি সুধিলে। তাৰ পাছত ৰামৰ অনুমতি পাই পৰস্পৰে তেওঁলোকে 'ৰামৰ সমান সুচৰিত্ৰ আৰু মৰম-স্নেহ এই সংসাৰত কাৰো নাই' বুলি গৌৰৱ কৰি ঘৰলৈ উভতিল। ৩ ॥

সেই লগৰীয়াসকলে এই বুলি আশা কৰিলে—"কৰ্মফল অনুসৰি আমাৰ

জন্ম ল'তে হয় হ'ব, কিন্তু তেতিয়াও যেন ভগৱানে আমাক সীতাপতি ৰামৰ সেৱক কৰি থয় আৰু সেই সম্বন্ধ (ৰাম স্বামী আৰু আমি সেৱক) শেষলৈকে অটুট হৈ থাকে।" ৩ ॥

নগৰবাসী সকলোৱে মনত এনে অভিলাষেই হৈছিল; কিন্তু কৈকেয়ীৰ হৃদয় সেই সময়ত দপদপকৈ জ্বলি আছিল। কুসংগই কাকনো নাশ নকৰাকৈ থাকে ? নীচ লোকৰ কথামতে চলিলে নিজৰ বিচাৰ-বুদ্ধি ৰক্ষা নপৰে। ৪ ॥

দোঃ—সাঁজ লগাৰ সময়ত ৰজা আনন্দ মনেৰে কৈকেয়ীৰ বাসভৱনলৈ গ'ল। যেন সাক্ষাৎ স্নেহভাৱেহে শৰীৰ ধাৰণ কৰি নিষ্ঠুৰতাৰ ওচৰলৈ গৈছে। ২৪ ॥

চৌঃ—কোহঘৰৰ নাম শুনি ৰজাৰ মন কোঁচ খাই গ'ল। ভয়ত তেওঁৰ ভৰি আগ নবঢ়া হ'ল। যাৰ বাহুবলত দেৱৰাজ ইন্দ্ৰই বাস কৰে (ইন্দ্ৰৰ দৰে বাহুবলী), সমস্ত ৰজাগণে যাৰ মুখৰ ভাব লক্ষ্য কৰি থাকে, সেই ৰজা দশৰথো তিৰোতাৰ খঙৰ কথা শুনি শুকাই গ'ল। কামদেৱৰ মহিমা আৰু প্ৰতাপ কেনে চোৱা। যি নিজৰ অংগত শূল, বজ্ৰ, তৰোৱাল আদিৰ আঘাত সহ্য কৰিব পাৰে, সেইজনেই ৰতিপতি কামদেৱৰ পুষ্পবাণত মৰিব লগা হ'ল। ১/২ ॥

ৰজা ভয়ে ভয়ে কৈকেয়ীৰ ওচৰ চাপিল। তেওঁৰ অৱস্থা দেখি ৰজাৰ বৰ দুখ লাগিল। কৈকেয়ী মাটিত বাগৰি আছে, কাপোৰ-কানি জধলা আৰু পুৰণি। শৰীৰৰ সকলো আ-অলংকাৰ দলিয়াই পেলাই থৈছে। ৩ ॥

দুষ্ট বুদ্ধিৰ কৈকেয়ীৰ ভাৱী বৈধব্যস্বৰূপ এই অমংগলীয়া বেশনো কেনেকৈ ভাল লাগিল ? ৰজাই লাহে লাহে তেওঁৰ ওচৰ চাপি গৈ কোমল মাতেৰে ক'লে—"প্ৰাণপ্ৰিয়া, তুমি কি কাৰণে খং কৰিছা ? ৪ ॥

ছঃ—"ৰাণী, কিয় খং কৰিছা ?"—এই বুলি ৰজাই তেওঁক হাতেৰে স্পৰ্শ কৰিলে। ৰাণীয়ে (ৰজাৰ) হাতখন এছাৰ মাৰি আঁতৰাই দিলে আৰু ক্ৰুদ্ধ সৰ্পিণীৰ দৰে ভয়ংকৰ দৃষ্টিৰে চাবলৈ ধৰিলে। দুটা কামনা এই সৰ্পিণীৰ দুখন জিভা, দুটা বৰেই হ'ল দুটা দাঁত ; তাই দংশন কৰিবলৈ মৰ্মস্থল বিচাৰিবলৈ ধৰিলে। তুলসীদাসে কৈছে—ৰজাই অদৃষ্টৰ বশ হৈ সৰ্পিণীৰ এনে কাৰ্যকো কাম-কৌতুক বুলিহে ভাবিলে।

সোঃ—সেই অৱস্থাত ৰজাই বাৰে বাৰে ক'বলৈ ধৰিলে—"হে সুমুখী, সুলোচনী, কোঁকিল কণ্ঠী, গজেন্দ্ৰ গামিনী, তোমাৰ খং উঠাৰ কাৰণ কি মোক কোৱাঁচোন ? ২৫ ॥

চৌঃ—"প্ৰিয়া, কোনে তোমাৰ অহিত সাধন কৰিছে ? কাৰবাবে অমংগলৰ চিন দেখা দিছে ? যম ৰজাই কাক নিবলৈ বিচাৰিছে ? কোঁৱা, কোন কঙালক ৰজা পাতি দিম ? অথবা কোন ৰজাক দেশৰপৰা বাহিৰ কৰিম ? ১ ॥

"তোমাৰ শত্ৰু যদি দেৱতাও হয়, তথাপি মই তাক বধ কৰিব পাৰোঁ। কীট-পতংগৰ নিচিনা নৰ-নাৰীৰ আৰু কি কথা ? হে সুন্দৰী, তুমি মোৰ স্বভাৱৰ কথা জানাই। মোৰ মন তোমাৰ মুখৰূপী চন্দ্ৰৰ কাৰণে চকোৰপক্ষী স্বৰূপ। ২ ॥

"হে প্ৰিয়া, মোৰ প্ৰজা-পৰিজন, যথা-সৰ্বস্ব, পুত্ৰ (আনহে নালাগে) মোৰ প্ৰাণো—এই সকলোবোৰ তোমাৰ অধীন। মই যদি তোমাক কপট কৰি এই কথা কৈছোঁ, তেনে হে ভামিনী, এশবাৰ ৰামৰে শপত খাইছোঁ। ৩ ॥

"তুমি হাঁহি হাঁহি মনোমত বস্তু খুজি লোৱাঁ আৰু তোমাৰ মনোৰম শৰীৰটি অলংকাৰেৰে সজোৱাঁ। সুবিধা-অসুবিধাৰ কথা মনত বিচাৰ কৰি চোৱাঁ। প্ৰিয়া, সোনকালে তুমি এই অমংগলীয়া বেশ ত্যাগ কৰাঁ।" ৪ ॥

দোঃ—ৰজাৰ এই কথা শুনি আৰু ৰামৰ নামত শপত খোৱা কথাটো ভাবি মন্দমতি কৈকেয়ীয়ে মনে মনে হাঁহিলে আৰু উঠি আ-অলংকাৰ পিন্ধিলে। পহু দেখি যেন ব্যাধজাতিৰ তিৰোতাই ফান্দ পাতিবলৈহে ধৰিলে। ২৬ ॥

চৌঃ—কৈকেয়ীক মনতে সুহৃদ্ বুলি ভাবি ৰজাই প্ৰেমত পুলকিত হৈ কোমল আৰু মনোমোহা কথাৰে কবলৈ ধৰিলে—"হে ভামিনী, তোমাৰ মনৰ কামনা পূৰণ হৈছে। ৰাজধানীত ঘৰে ঘৰে আনন্দৰ বোল উঠিছে। ১ ॥

"মই কালিলৈকে ৰামক যুৱৰাজৰ পদ দিম। হে সুনয়নী, তুমি মংগল-সাজেৰে সাজি-কাচি ওলোৱা।" এই কথা শুনামাত্ৰকে কৈকেয়ীৰ কঠোৰ হৃদয় বিদীৰ্ণ হৈ গ'ল। যেন পকি থকা খহু এটাহে চুই দিলে। ২ ॥

চুৰুণী তিৰোতাই দেখুৱাই নকন্দাৰ দৰে এনেকুৱা বেদনাও তেওঁ হাঁহি মাৰি ঢাকি ৰাখিলে। ৰজাই তেওঁৰ কপট বুদ্ধি তলকিবই নোৱাৰিলে। কাৰণ সেই বুদ্ধি কোটি কোটি দুষ্টবুদ্ধিৰ শিৰোমণি গুৰু মন্থৰাই শিকোৱা। ৩ ॥

যদিও ৰজা নীতিত নিপুণ আছিল, তথাপি নাৰী চৰিত্ৰ অগাধ সাগৰ। কৈকেয়ীয়ে কপটতাৰে ভৰা প্ৰেমভাব বঢ়াই দেখুৱাই চকু-যুগ ঘুৰাই ৰজাৰফালে চাই মিচিকাই হাঁহি এটা মাৰি ক'লে—৪ ॥

দোঃ—"হে প্ৰিয়তম ! আপুনি খোজা খোজা বুলি কয়হে; কিন্তু লোৱা-দিয়া একো নকৰে। এতিয়া সেই আগতে দিওঁ বোলা বৰ দুটাও পামনে নেপাম তাৰো সন্দেহহে হৈছে।" ২৭ ॥

চৌঃ—ৰজাই হাঁহি মাৰি ক'লে—"মই তোমাৰ কথাৰ মৰ্ম বুজিছোঁ। তুমি অভিমান কৰি ভাল পোৱাঁ। তুমি সেই বৰ দুটা পাছত ল'বলৈ থৈ আকৌ কোনোদিনে খুজি নাই। মোৰ পাহৰা স্বভাৱৰ কাৰণে সেই কথা পাহৰি গ'লোঁ। ১ ॥"

"মোক এনেয়ে দোষ নিদিবা, লাগিলে দুটাৰ ঠাইত চাৰিটাকে খোজাঁ। ৰঘুবংশত এই ৰীতি সদায় চলি আহিছে—প্ৰাণ এৰিলেও কথা নেৰে।" ২ ॥

"অসত্যৰ সমান পাতক নাই। কোটি কোটি লাতুমণি গোট খালেও জানো পৰ্বতৰ সমান হ'ব পাৰে? সকলো উত্তম পুণ্যৰে মূল হৈছে সত্য—এই কথা বেদ পুৰাণতো প্ৰসিদ্ধ আৰু মনুৱেও কৈ গৈছে। তদুপৰি ৰামৰ শপত খাই কৈছোঁ। ৰামেই মোৰ পুণ্য আৰু স্নেহৰ সীমা।" অসৎ বুদ্ধিৰ কৈকেয়ীয়ে এইদৰে কথাটো আৰু দৃঢ় কৰি লৈ হাঁহি এটা মাৰি ক'লে। যেন চিকাৰৰ বাবে উদ্যত হোৱা শেন চৰাইয়েহে দুষ্ট বুদ্ধিৰ চকু ঢাকি থোৱা ঢাকন আঁতৰাই চকু মেলিলে। ৪ ॥

দোঃ—ৰজাৰ মনোবাঞ্ছা যেন এখন মনোৰম বন, সুখেই হ'ল (সেই বনত থকা) সুন্দৰ পক্ষীৰ জাক; তাতে ভীল তিৰোতাৰ দৰে কৈকেয়ীয়ে নিজৰ বচনৰূপী ভয়ংকৰ শেন চৰাইজনী মেলি দিব খুজিলে। ২৮ ॥

চৌঃ—[কৈকেয়ীয়ে ক'লে—] "হে প্ৰাণপ্ৰিয়, মোক এটা মনোমত বৰ দিয়ক—ভৰতক ৰাজতিলক আৰু হাতযোৰ কৰি দ্বিতীয়টো বৰ মাগছো, মোৰ মনোৰথ পূৰণ কৰক। হে নাথ, বিশেষ বৈৰাগ্যৰ সৈতে তপস্বীবেশেৰে ৰাম চৈধ্য বছৰ বনবাসী হওক।" কৈকেয়ীৰ এই মৃদু বচন শুনি চন্দ্ৰ-কিৰণৰ স্পৰ্শত চকোৱা চৰাই বিকল হোৱাৰ দৰে ৰজাৰ হৃদয়ত শোক উঠলি উঠিল। ১।২ ॥

তেওঁৰ মনটো কোঁচ খাই গ'ল আৰু মুখৰপৰা মাত নোলোৱা হ'ল। ৰজাৰ অৱস্থা শেনে ধৰা বটা চৰাইৰ নিচিনা হৈ পৰিল। শৰীৰ বিবৰ্ণ হ'ল আৰু বজ্ৰপাত পৰা তালগছৰ দৰে থ'ৰ হৈ ৰ'ল। ৩ ॥

তেওঁ মূৰে-কপালে হাত দি বহি চকু দুটা মুদি এনেদৰে ভাবিবলৈ ধৰিলে যেন স্বয়ং চিন্তাইহে শৰীৰ ধাৰণ কৰি চিন্তা কৰিবলৈ বহিছে। [তেওঁ ভাবিলে—] "মোৰ মনোৰথৰ কল্পবৃক্ষত ফুল ধৰিছিল; কিন্তু কৈকেয়ীয়ে হস্তিনীৰ দৰে আহি তাক আলুৰে সৈতে উভালি নষ্ট কৰি পেলালে। ৪ ॥

"এই কৈকেয়ীৰ বাবে অযোধ্যা নগৰ উছন্ গ'ল আৰু এই কৈকেয়ীয়ে বিপদৰ ভেঁটি সুদৃঢ় কৰি ল'লে। ৫ ॥

দোঃ—"কি সময়ত কি হ'ল! সিদ্ধিলাভ কৰিবৰ সময়ত অৱিদ্যাই যোগীক যেনেকৈ নাশ কৰে, মোয়ো তিৰোতাৰ কথাত বিশ্বাস কৰি ঠিক তেনেকৈয়ে নষ্ট গলোঁ।" ২৯ ॥

চৌঃ—এইদৰে ৰজাই মনে মনে গুণা-গঁথা কৰিবলৈ ধৰিলে। ৰজাৰ এই দুৰৱস্থা দেখি দুষ্টবুদ্ধিৰ কৈকেয়ীৰ মনে মনে ৰং উঠিল। [তেওঁ ক'লে—] "ভৰত আপোনাৰ পুত্ৰ নহয় নে কি? আপুনি মোক মূল্য দি কিনি আনিছিল নে কি (অৰ্থাৎ ক্ৰীতদাসী নেকি)? ১ ॥

"মোৰ কথাষাৰ শুনিলতেই যে আপোনাৰ গাত শৰে বিন্ধা যেন লাগিল, আগতেইনো ভাবি-চিন্তি কথা নক'লে কিয়? উত্তৰ দিয়ক—আপুনি মই কোৱামতে কৰিব নে নকৰে? ৰঘুৰংশৰ ভিতৰতে আপুনি সত্যসন্ধ বুলি প্ৰখ্যাত। ২ ॥

"আপুনিয়েই বৰ দিয়াৰ কথা কৈছিল, এতিয়া তেনে নালাগে দিব। সত্য ত্যাগ কৰক আৰু জগতত অপযশ লাভ কৰক। সত্যৰ গুণ গাই বৰ দিয়াৰ কথা কৈছিল। আপুনি ভাবিছিলে যে এই চোৰাই খোৱা বস্তু বিচাৰিব। ৩ ॥

"শিবি, দধীচি আৰু বলিয়ে যি কথা কৈছিল, শৰীৰ আৰু ধন বিসৰ্জন দিও তেওঁলোকে সেই কথা ৰাখিছিল।" কৈকেয়ীয়ে এইদৰে বহুত কটু কথা ক'লে, যেন পোৰা ঠাইত লোণহে ছটিয়ালে। ৪ ॥

দোঃ—ধৰ্মৰ ধৰণী ধৰা ৰজা দশৰথে ধৈৰ্য ধৰি চকু মেলিলে আৰু মূৰত ভুকুৱাই হুমুনীয়াহ কাঢ়ি ক'লে—"এই মোক বৰ বেয়াকৈ আঘাত কৰিলে।" ৩০ ॥

চৌঃ—খঙত জ্বলিপকি সমুখত থিয় দি থকা কৈকেয়ী তেতিয়া দশৰথৰ কাৰণে এনেহে লাগিছিল—সেয়া যেন ক্ৰোধেই খোলা তৰোৱাল হৈ সমুখত উপস্থিত হৈছে। কুবুদ্ধি সেই তৰোৱালৰ নাল, নিষ্ঠুৰতা তাৰ ধাৰ আৰু তাক তীক্ষ্ণ কৰিবলৈ দিয়া শান স্বৰূপ আছিল কুঁজীমন্থৰা। ১ ॥

ৰজাই দেখিলে এই কৈকেয়ী অতি ভয়ানক আৰু কঠোৰ। এই সঁচাকৈয়ে প্ৰাণ ল'ম বুলি ভাবিছে নেকি?—এইবুলি ভাবি বুকু ডাঠ কৰি, বৰ নম্ৰ সুৰেৰে আৰু মিঠা মাতেৰে ৰজাই কৈকেয়ীক ক'লে। ২ ॥

"হেৰা সংকোচশীলা প্ৰিয়া! বিশ্বাস আৰু প্ৰেম নষ্ট কৰা এনে বেয়া ধৰণৰ কথা কিয় কৈছা? মোৰ কাৰণে দুটা চকুৰ দৰে ভৰত আৰু ৰাম দুয়ো সমান মৰমৰ। এই কথা মই মহাদেৱ শংকৰক সাক্ষী ৰাখি কৈছোঁ। ৩ ॥

মই ৰাতিপুৱাই দূত নিশ্চয় পঠিয়াই দিম। খবৰ পালেই তুৰন্তে ভৰত আৰু শত্ৰুঘ্ন আহিব। তেতিয়া ভাল দিন-বাৰ চাই সকলো যা-যোগাৰ কৰি বাজনা বজাই (ঘোষণা) ভৰতকে ৰাজ্য দিম। ৪ ॥

দোঃ—"ৰামৰ ৰাজ্যলৈ লোভ নাই আৰু তাৰ ভৰতৰ প্ৰতিও বৰ মৰম। মইহে মনতে ডাঙৰ-সৰুৰ বিচাৰ কৰি ৰজাৰ নীতি পালন কৰিছিলোঁ।" ৩১ ॥

চৌঃ—"মই এশবাৰ ৰামৰ শপত খাই সহজভাৱে কৈছোঁ—ৰামৰ মাকে মোক (এই বিষয়ত) কেতিয়াও একো কোৱা নাই। অৱশ্যে মই তোমাক নোসোধাকৈ এই সকলোখিনি কৰি পেলালোঁ। সেই কাৰণেই মোৰ মনোৰথ শূন্য হ'ল।" ১ ॥

"এতিয়া ক্ৰোধ ত্যাগ কৰঁা। মাংগলিক সাজ-পাৰ পিন্ধা। কিছুদিনৰ পাছতে ভৰত যুৱৰাজ হ'ব। মোৰ এটা কথাতহে অতি দুখ লাগিল, তুমি দ্বিতীয়টো বৰ অতি অসংগতভাৱে খুজিলা। ২ ॥

"তাৰ জুয়ে এতিয়াও মোৰ হৃদয় দহি আছে। এই কথা ধেমালিত, নে খঙত, নে সঁচাকৈয়ে কৈছা ? ক্ৰোধ ত্যাগ কৰি তুমি ৰামৰ অপৰাধ কি কোৱাঁ ? সকলোৱে ৰাম অতি সাধু বুলি কয়। ৩।

"তুমিও ৰামৰ গুণ গোৱাঁ আৰু ৰামক মৰম-স্নেহ কৰাঁ। এতিয়া তোমাৰ কথা শুনি মোৰ মনত সন্দেহ হৈছে যে যাৰ স্বভাৱ শত্ৰুৰ বাবেও অনিষ্টকৰ নহয়, সি মাকৰ প্ৰতিকূল আচৰণ কেনেকৈ কৰিব ?" ৪ ॥

দোঃ—"হেৰা প্ৰিয়া ! এই পৰিহাস আৰু ক্ৰোধ পৰিত্যাগ কৰঁা। বিবেকেৰে বিচাৰ কৰি তুমি বৰ ভিক্ষা কৰঁা ; মই যাতে নয়ন ভৰি ভৰতৰ ৰাজ-অভিষেক চাবলৈ পাওঁ।" ৩২ ॥

চৌঃ—"পানী নোহোৱাকৈ মাছ জীয়াই থাকিব পাৰে, মণি নোহোৱাকৈ সাপ দীন-হীনভাৱে জীয়াই থাকিব পাৰে ; কিন্তু মই কৃত্ৰিমতা নকৰাকৈ কৈছোঁ, মনত কোনো ছল-চাতুৰী ৰাখি কোৱা নাই। ৰামৰ অবিহনে মই জীয়াই থাকিব নোৱাৰোঁ।" ১ ॥

"হে মোৰ নিপুণা প্ৰিয়তমা, মনত ভাবি-চিন্তি বুজি লোৱা, মোৰ জীৱন ৰামক দেখি থকাৰ ওপৰত নিৰ্ভৰ কৰিছে।" ৰজাৰ এই মৃদু বচন শুনি দুৰ্মতি কৈকেয়ী একেবাৰে জ্বলি-পকি উঠিল, যেন জ্বলা জুইতহে ঘিঁউ পৰিল। ২ ॥

(কৈকেয়ীয়ে ক'লে—) "আপুনি কোটি-কোটি চেষ্টা কৰিলেও ইয়াত আপোনাৰ চক্ৰান্ত নাখাটিব। হয় মই যি খুজিছোঁ তাক দিয়ক, নহয়

'নিদিও' বুলি অপযশ লাভ কৰক। মই বেছি টনা আজোৰা কৰা কথা ভাল নাপাওঁ। ৩ ॥

"ৰাম সাধু, আপুনি চতুৰ সাধু আৰু ৰামৰ মাকো ভাল—মই সকলোকে চিনি লৈছোঁ। কৌশল্যাই মোৰ যেনেকুৱা ভাল হোৱাটো বিচাৰিছে, ময়ো মনত থাকি যোৱাকৈ তেওঁক তেনেকুৱা ফলকে দিম। ৪ ॥

দোঃ—"ৰাতিপুৱাৰ লগে লগে যদি মুনিবেশ ধাৰণ কৰি ৰাম বনলৈ নাযায়, তেনেহ'লে হে মহাৰাজ, নিশ্চয় জানিব, মোৰ মৰণ ঘটিব আৰু আপোনাৰ অপযশ হ'ব।" ৩৩ ॥

চৌঃ—এইবুলি কৈ কুটিল স্বভাৱৰ কৈকেয়ী উঠি থিয় হ'ল, যেন ক্ৰোধৰ নৈ এখনহে বাঢ়ি আহিল। এই নৈখন পাপৰ পৰ্বতৰ পৰা ওলাইছে আৰু চাৰলৈকে ভয় লগা ক্ৰোধৰ জলেৰে পৰিপূৰ্ণ। ১ ॥

কৈকেয়ীয়ে বিচৰা বৰ দুটাই এই নদীৰ পাৰ; কৈকেয়ীৰ দৃঢ় জিদটোৱেই ইয়াৰ কোবাল সোঁত আৰু কুঁজীৰ কথাই দিয়া প্ৰেৰণাই তাত চাকনৈয়া। এই নৈখনে শুৰিয়ে সৈতে গছ উঘালি নিয়াৰ দৰে দশৰথ ৰজাকো মহটিয়াই বিপদৰ সাগৰলৈ উটুৱাই লৈ যাবলৈ ধৰিছে। ২ ॥

ৰজাই দেখিলে, কথাটো একেবাৰে সঁচা (ধেমালি নহয়)। তিৰোতাৰ ভাওধৰি মৃত্যুৱেহে মোৰ মূৰৰ ওপৰত নৃত্য কৰিব লাগিছে। [ৰজাই কৈকেয়ীৰ] ভৰিত ধৰি বহুৱাই লৈ অনুনয়-বিনয় কৰি ক'লে—"তুমি সূৰ্যবংশৰ কাৰণে কুঠাৰ স্বৰূপ নহ'বা। তুমি মোৰ শিৰ ভিক্ষা কৰা, এতিয়াই মই তোমাক দি দিম; কিন্তু ৰামৰ বিৰহত মোক নৰখিবা। যি কোনো প্ৰকাৰে তুমি ৰামক ৰাখা; নহ'লে গোটেই জীৱন লৈ তোমাৰ বুকু ডেই-পুৰি থাকিব।" ৩৪ ॥

দোঃ—ৰজাই যেতিয়া দেখিলে যে এই ৰোগ অসাধ্য বিধৰ। তেতিয়া তেওঁ অতি আতুৰ হৈ 'হা ৰাম, হা ৰাম, হা ৰঘুনাথ' বুলি মূৰত থপৰিয়াই মাটিত বাগৰি পৰিল। ৩৪ ॥

চৌঃ—ৰজা ব্যাকুল হৈ পৰিল আৰু তেওঁৰ গোটেই শৰীৰ শিথিল হৈ গ'ল। তেওঁৰ অৱস্থা এজনী হাতীয়ে উঘালি পেলোৱা কল্পতৰুৰ নিচিনা হ'ল। ডিঙি শুকাই গ'ল, মুখত মাত নোলোৱা হ'ল। যেন পানীৰপৰা তুলি থোৱা পাঠীন মাছ* এটাহে অসহায়হৈ ছটফটাবলৈ ধৰিছে।

* পাঠীন মাছ অসমীয়া ভাষাত কোন শ্ৰেণীৰ মাছক বোলে নিশ্চিতভাৱে জানিব পৰা নহ'ল। গীতা প্ৰেছৰ অনুবাদ মতে হিন্দীত 'পহিনা' মাছ বোলা হয়। পাঠীন/পাঠীনু অৱবীত দিয়া হৈছে।

কৈকেয়ীয়ে পুনৰ কটু আৰু কঠোৰ বচন বুলিবলৈ ধৰিলে, যেন ঘা লগা ঠাইত বিহহে ঢালিলে। (তেওঁ ক'লে—) "যদি শেষত গৈ এনেকুৱাই কৰিব লগা হ'ল, তেনেহ'লে 'খোজা, খোজা' বুলিনো কিহৰ বলত কৈ আছিল। ২ ॥

"হে মহাৰাজ, ধেক্ ধেকাই হঁহা আৰু মুখ ওকোন্দাই থকা—এই দুয়োটা কথা একে সময়তে হ'ব পাৰে নে কি? দানীও হোৱাব আৰু কৃপণালিও কৰিব। বীৰত্ব প্ৰদৰ্শন কৰা আৰু শৰীৰতো আঘাত নোপোৱাকৈ থকা, দুয়োটা হ'ব পাৰে নেকি?

"হয় বোলা বচন এৰি দিয়ক, নহয় ধৈৰ্য ধৰক। অবলা তিৰোতাৰ দৰে কন্দা-কটা নকৰিব। সত্যব্ৰতী লোকৰ কাৰণে নিজৰ শৰীৰ, স্ত্ৰী-পুত্ৰ, ঘৰ, ধন-বিত্ত আৰু পৃথিৱীখনো পেৰ কুটাৰ নিচিনা।" ৪ ॥

দোঃ—এই মৰ্মভেদী বচন শুনি ৰজাই ক'লে—"যি ইচ্ছা হয়, কৈ থাক। তোৰ গাত একো দোষ নাই। মোৰ কালেই (মৃত্যুৱে) পিশাচ হৈ তোৰ গাত লম্ভিছে আৰু তোৰ হতুৱাই এই সকলো কথা কোৱাইছে। ৩৫ ॥

চৌঃ—"ভৰতে ভুলতো ৰাজপদ নিবিচাৰে। বিধিৰ বিপাকত তোৰ মনত কুবুদ্ধিয়ে বাহ লৈছে। এই গোটেইবোৰ মোৰ পাপৰ ফল, সেই কাৰণেহে এই কুসময়ত মোলৈ বিধি বাম হৈছে। ১ ॥

"[তই উছন্ কৰা] এই সুন্দৰ অযোধ্যা আকৌ ভালকৈ স্থাপিত হ'ব, আৰু সমস্ত গুণৰ আৱাসস্থল ৰামচন্দ্ৰৰে ইয়াত প্ৰভুত্ব হ'ব। আটাইকেইটা ভায়েকে ৰামৰে সেৱা কৰিব আৰু তিনিও লোকতে ৰামৰ শ্ৰেষ্ঠত্ব প্ৰচাৰ হ'ব। কেৱল তোৰ কলংক আৰু মোৰ অনুতাপহে মৰিলেও শেষ নহ'ব, কোনো প্ৰকাৰেই ই নাযাব আৰু। এতিয়া তোৰ যি ভাল লাগে তাকে কৰ। মুখ লুকুৱাই মোৰ চকুৰ আগৰপৰা আঁতৰি বহগৈ। ২-৩ ॥

"মই তোক হাত যোৰ-কৰি কৈছো—মই যেতিয়ালৈকে জীয়াই থাকিম, তেতিয়ালৈকে তই আৰু মোক একো কথা নক'বি (নামাতিবি)। অভাগিনী, তই ছালেৰে তৈয়াৰ কৰা বচীৰ বাবে গাইজনীকে মাৰি পেলাইছ, পাছত কিন্তু অনুতাপ কৰিবলৈ লাগিব। ৪ ॥

দোঃ—"তই কি সৰ্বনাশ কৰিব খুজিছ?"—এইদৰে বহবাৰ বুজাই কৈ ৰজা অৱশেষত মাটিত ঢলি পৰিল। কপট কাৰ্যত চতুৰা কৈকেয়ীয়ে কিন্তু তেতিয়াও মুখেৰে নামাতিলে। [মৌন হৈ থাকি] তেওঁ যেন শ্মশানৰ প্ৰেত জগাই তুলিবলৈহে মন্ত্ৰ জপিবলৈ ধৰিলে।

চৌঃ—ৰজা 'হা ৰাম ! হা ৰাম !' বুলি ব্যাকুল হৈ পৰিল। জেউকা ভঙা চৰাই এটাৰ নিচিনা অৱস্থাই তেওঁৰ হ'ল। সেই অৱস্থাত তেওঁ মনে মনে ভাবিবলৈ ধৰিলে—যেন ৰাতি নুপুৱাওক আৰু কোনেও গৈ ৰামক এই কথা নকওক। ১ ॥

হে ৰঘুকুলৰ গুৰু সূৰ্যদেৱ, তুমি যেন উদয় নোহোৱাঁ; অযোধ্যাৰ অৱস্থা দেখিলে তোমাৰ বুকুত শূলে বিন্ধিব। ৰজাৰ পৰম-স্নেহ আৰু কৈকেয়ীৰ নিষ্ঠুৰতা—এই দুয়োটা বস্তু যেন বিধাতাই শেষ সীমাত ৰাখিহে সৃষ্টি কৰিলে। ২ ॥

ৰজাই বিলাপ কৰি থাকোঁতেই ৰাতি পুৱাল। ৰাজদ্বাৰত বীণা, বেণু আৰু শংখ বাজিবলৈ ধৰিলে। ভাটগণে স্তুতিগীত গাবলৈ ধৰিলে, গায়কসকলে গুণ-কীৰ্তন কৰিলে। সেইবোৰ শুনি ৰজাৰ বুকুত শৰ লগা যেন লাগিল। সহগামিনী হ'বলৈ ওলোৱা পত্নীৰ যেনেকৈ আভৰণ ভাল নালাগে, সেইদৰে ৰজাৰ মনতো সেই মঙ্গলাচৰণবোৰো ভাল নালাগিল। (ইফালে) ৰামচন্দ্ৰক দৰ্শন কৰিবলৈ পোৱাৰ হেঁপাহত সেই ৰাতি অন্ত কাৰো টোপনি নাহিল।৩—৪ ॥

দোঃ—ৰাজদ্বাৰত মন্ত্ৰী আৰু সেৱকসকলৰ ভিৰ হ'বলৈ ধৰিলে। তেওঁলোকে সূৰ্য উদয় হোৱা দেখি কোৱা-কুই কৰিবলৈ ধৰিলে—কি বিশেষ কাৰণতনো এতিয়ালৈকে অযোধ্যাপতি দশৰথে সাৰ পোৱা নাই। ৩৭ ॥

চৌঃ—ৰজাই সদায় ৰাতিৰ শেষ প্ৰহৰত সাৰ পায়। আজি কিন্তু আমাৰ বৰ আচৰিত লাগিছে। হে সুমন্ত্ৰ, আপুনি যাওক, ৰজাক জগাই দিয়কগৈ। তেখেতৰ আদেশ পালেই আমি সকলো কাম কৰিম। ১ ॥

তেতিয়া সুমন্ত্ৰ ৰজাৰ বাসভৱনলৈ গ'ল; কিন্তু তাত ভয়ানক অৱস্থা দেখি তেওঁ ভয়ভীত হৈ পৰিল। যেন খেদা মাৰি কাটিহে খাব; সেইফালে চাবই নোৱাৰি। সি যেন বিপদ আৰু বিষাদৰহে বাসস্থান হৈ পৰিছে। ২ ॥

সুধিলে কোনেও উত্তৰ নিদিয়ে। তেওঁ ৰজা আৰু কৈকেয়ী থকা ভৱনলৈ গ'ল। 'জয় হওক, চিৰজীৱী হওক' বুলি মূৰ দোঁৱাই বহি পৰিল আৰু ৰজাৰ অৱস্থা দেখি তেওঁ শুকাই গ'ল। ৩ ॥

চিন্তাত আকুল আৰু বিবৰ্ণ হৈ ৰজা মাটিত বাগৰি পৰি আছে; যেন শিপা ছিগা পদুমফুল এপাহহে পৰি আছে। মন্ত্ৰীয়ে ভয়তে একো সুধিব নোৱাৰিলে। তেতিয়া অমংগলীয়া আৰু শুভলক্ষণহীন কৈকেয়ীয়ে ক'বলৈ ধৰিলে—৪ ॥

দোঃ—"গোটেই ৰাতি ৰজাৰ টোপনি অহা নাই; কাৰণ কি ঈশ্বৰেহে জানে। তেখেতে 'ৰাম ৰাম' বুলি চিঞৰি চিঞৰিয়েই ৰাতি পুৱাই দিলে; কিন্তু তাৰ উদ্দেশ্য কি, ৰজাই একো নক'লে। ৩৮ ॥

চৌঃ—"আপুনি শীঘ্ৰে ৰামক মাতি আনকগৈ। তাৰ পাছত আহি খবৰ লওকহি।" ৰজাৰ অসন্তোষ হৈছে বুলি জানি সুমন্ত্ৰ গুচি গ'ল। তেওঁ বুজিলে—ৰাণীয়ে কিবা কূট-চক্ৰান্ত কৰিছে। ১ ॥

সুমন্ত্ৰ চিন্তাত বিয়াকুল হ'ল, বাটত খোজ নপৰা হ'ল (ভৰি আগ নবঢ়া হ'ল)। [তেওঁ মনতে ভাবিলে—] ৰামচন্দ্ৰক মাতি নি ৰজাই কি ক'ব? কোনোমতে মনত ধৈৰ্য ধৰি ৰাজদ্বাৰলৈ গ'ল। তেওঁক মন মাৰি অহা দেখি সকলোৱে [তাৰ কাৰণ] সুধিবলৈ ধৰিলে। ২ ॥

সকলোকে এটা সমিধান দি তেওঁ ৰঘুকুলৰ তিলক ৰামচন্দ্ৰ থকা ঠাইলৈ গ'ল। ৰামে সুমন্ত্ৰক অহা দেখি পিতাকৰ তুল্য বুলি ভাবি তেওঁক আদৰ-সৎকাৰ কৰিলে। ৩ ॥

[সুমন্ত্ৰই ৰামৰ] মুখলৈ চাই ৰজাৰ আদেশ শুনালে আৰু ৰঘুকুলৰ প্ৰদীপ ৰামক [তেওঁৰ লগত] লৈ আহিলে। ৰাম বেয়া ধৰণে [কোনো ৰাজকীয় নিয়ম পালন নকৰাকৈ] মন্ত্ৰীৰ লগত যাবলৈ ধৰিলে। তাকে দেখি ঘ'তে ত'তে মানুহে দুখ প্ৰকাশ কৰিলে। ৪ ॥

দোঃ—ৰঘুবংশৰ মণি ৰামে ৰজাক বেয়া অৱস্থাত পৰি থকা দেখিলেগৈ, যেন সিংহীক দেখিছে বুঢ়া গজৰাজ কোঁচ-মোচ খাই পৰি আছে। ৩৯ ॥

চৌঃ—ৰজাৰ ওঁঠ শুকাই আছে, সমস্ত শৰীৰ দগ্ধ হৈছে; যেন মণিহীন সৰ্পহে দীন-হীন অৱস্থাত পৰি আছে। কাষতে খং উঠি থকা কৈকেয়ীক দেখিবলৈ পালে, যেন সাক্ষাৎ মৃত্যুৱেহে (ৰজাৰ জীৱনৰ অন্তিম) ক্ষণ গণি আছে। ১ ॥

কৰুণাময় ৰামৰ স্বভাৱ মৃদু। তেওঁ (জীৱনত) প্ৰথমবাৰৰ কাৰণে দুখ দেখিলে, আগতে তেওঁৰ দুখৰ কথা শুনাও নাছিল। তথাপি সময়টোৰ কথা ভাবি ধৈৰ্য ধৰি তেওঁ মধুৰ বচনেৰে মাতৃ কৈকেয়ীক সুধিলে—"আই, মোক পিতাৰ দুখৰ কাৰণ কি, কওক? মই যাতে তাৰ নিবাৰণ কৰিব পাৰোঁ।" [কৈকেয়ীয়ে উত্তৰ দিলে—] "শুনা ৰাম, সমুদায় কাৰণ হ'ল এয়ে যে ৰজাৰ তোমালৈ বৰ মৰম। ৩ ॥

"তেখেতে মোক দুটা বৰ দ'বলৈ কৈছিল। মই যি ভাল পালোঁ, তাকে খুজিলোঁ। তাকে শুনি ৰজাৰ মনত বৰ চিন্তা লাগিল; কাৰণ তেখেতে তোমালৈ সংকোচৰ ভাব ত্যাগ কৰিব পৰা নাই। ৪ ॥

দোঃ—"এফালে পুত্ৰ-স্নেহ আৰু আনফালে দোৱা বচন; ৰজা সংকটত পৰিল। যদি তুমি পাৰা, তেনেহ'লে ৰজাৰ আদেশ শিৰোধাৰ্য কৰা, আৰু এই ভীষণ কষ্টৰ অন্ত পেলোৱা।" ৪০ ॥

চৌঃ—নিঃসংকোচ হৈ বহি থাকি কৈকেয়ীয়ে যি কটু কথা ক'লে, তাক শুনি স্বয়ং কঠোৰতাও ব্যাকুল হৈ পৰিল। জিভাখনেই হ'ল ধনু, কথাবোৰেই হ'ল নানা প্ৰকাৰৰ শৰ আৰু যেন ৰজা হ'ল কোনো এক সুকোমল চিকাৰৰ প্ৰাণী। ১ ॥

[এই তিনিওবিধ সঁজুলি লৈ] যেন স্বয়ং কঠোৰতাই শ্ৰেষ্ঠ বীৰৰ শৰীৰ ধাৰণ কৰি ধনুৰ্বিদ্যাহে শিকিছে। ৰঘুপতি ৰামচন্দ্ৰক সকলো কথা বিৱৰি কৈ শুনাই কৈকেয়ী এনেদৰে বহি আছে যেন স্বয়ং নিষ্ঠুৰতাইহে মূৰ্ত্তি ধৰি আছে। ২ ॥

সূৰ্যবংশৰ সূৰ্যস্বৰূপ আৰু স্বাভাৱিক আনন্দৰ নিধান ৰামচন্দ্ৰই মনে মনে মিচিকিয়া হাঁহি মাৰি, সকলো প্ৰকাৰৰ দোষশূন্য এনেকুৱা কোমল আৰু মনোৰম কথা ক'বলৈ ধৰিলে, যেন সেয়া সৰস্বতী দেৱীৰ ভূষণহে। ৩ ॥

"শুনক আই, যি পুত্ৰই পিতৃ-মাতৃৰ বচন পালন কৰে, তেওঁ অতি ভাগ্যবান। আই, পিতৃ-মাতৃক সন্তুষ্ট কৰিব পৰা পুত্ৰ এই জগতত বিৰল। ৪ ॥

দোঃ—"বনত বিশেষকৈ মুনিসকলৰ লগত দেখা-সাক্ষাৎ হ'ব আৰু তাৰ ফলত মোৰ সকলোপ্ৰকাৰে কল্যাণ হ'ব। তদুপৰি পিতাৰ আদেশ, তাতে আকৌ আপোনাৰ সম্মতি। ৪১ ॥

চৌঃ—"প্ৰাণতকৈও প্ৰিয় ভৰতে ৰাজ্য পাব। (এই সকলো আনন্দৰেই কথা) আজি বিধাতা সকলো প্ৰকাৰে মোৰ অনুকূল হৈছে। এনেকুৱা কামত যদি মই বনলৈ নাযাওঁ, তেন্তে মূৰ্খবিলাকৰ ভিতৰত মোকে প্ৰথম বুলি ধৰিব লাগিব। ১ ॥

"মনতে চিন্তা কৰি চাওকচোন আই, যি কল্পবৃক্ষক এৰি এৰাগছৰ সেৱা-শুশ্ৰূষা কৰে আৰু অমৃত এৰি বিহ বিচাৰে, তেনেকুৱা (মূৰ্খ) লোকেও এনে সুবিধা নেৰে। ২ ॥

"আই, মোৰ এটা কথাতহে বিশেষকৈ দুখ লাগিল, এই নৰপতিক যে এনে বিকল অৱস্থাত দেখিলোঁ। কথাটো তেনেই সৰু, অথচ পিতাৰ দুখ ইমান গুৰুতৰ। হে আই! কথাটোত মোৰ বৰ বিশ্বাস হোৱা নাই। ৩ ॥

"ৰজা অতি ধীৰ আৰু গুণৰ অতল সমুদ্ৰ। নিশ্চয় মোৰ কিবা ডাঙৰ অপৰাধ হ'ল, সেই কাৰণেহে ৰজাই মোক একোকে নক'লে। মোৰে শপত, আপুনি সকলো কথা সঁচাকৈ কওক।" ৪ ॥

দোঃ—ৰঘুশ্ৰেষ্ঠ ৰামৰ সহজ সৰল কথাবোৰ দুষ্টবুদ্ধিৰ কৈকেয়ীয়ে কুটিল ৰূপতহে বুজিলে। পানী (স্বভাৱতে) সমান যদিও তাক জোঁক বেঁকাবেঁকিহৈ যায়। ৪২ ॥

চৌঃ—ৰাণী কৈকেয়ী ৰামৰ মনৰ ভাৱ বুজি আনন্দিত হ'ল আৰু কপটপূৰ্ণ স্নেহ দেখুৱাই ক'লে—"তোমাৰে শপত আৰু ভৰতৰ শপত, মই আৰু অন্য একো কাৰণ নাজানো। ১॥"

"বোপাই, তুমিতো অপৰাধৰ যোগ্য নোহোৱা। তুমি পিতৃ-মাতৃ ভাই-বন্ধু সকলোৰে বাবে সুখদায়ক। তুমি যি কথা কৈছা, সিও সকলো প্ৰকাৰে সঁচা। পিতৃ-মাতৃৰ আদেশ পালনতো তুমি তৎপৰ। ২॥

"মই আৰু তোমাক ক'বলৈ কি আছে? তোমাৰ বাবে সকলো দিছোঁ। তুমি মাত্ৰ পিতাৰাক এই কথাটোকে বুজাই দিয়া যে—জীৱনৰ শেষ ভাগত তেওঁৰ অপযশ যেন হ'বলৈ নাপায়। যি পুণ্যৰ ফলত তেওঁ তোমাৰ নিচিনা পুত্ৰ লাভ কৰিলে সেই পুণ্যৰ প্ৰতি অনাদৰ কৰাটো উচিত নহয়।" ৩॥

মগধদেশত গয়া আদি তীৰ্থ যেনেকৈ থাপখোৱা যেন নালাগে, কৈকেয়ীৰ মুখতো এনে হিতোপদেশ থাপখোৱা বা শোভনীয় নহৈছিল। তথাপি গংগাত মিলি যোৱা ভাল-বেয়া সকলো পানীয়েই গংগাজল বুলি শোভা পোৱাৰ দৰে ৰামচন্দ্ৰৰ বাবেও মাতা কৈকেয়ীৰ সকলো কথাই ভাল যেন লাগিছিল। ৪॥

দোঃ—এনেতে ৰজাৰ মূৰ্চ্ছা ভংগ হ'ল। তেওঁ ৰামক স্মৰণ কৰি বাগৰ সলালে। মন্ত্ৰীয়ে ৰামৰ আগমনৰ কথা সময় বুজি নিবেদন কৰিলে। ৪৩॥

চৌঃ—যেতিয়াই ৰজাই ৰাম আহিছে বুলি শুনিলে, তেতিয়া তেওঁ ধৈৰ্য ধৰি চকু মেলিলে। মন্ত্ৰীয়ে ধৰি-মেলি ৰজাক বহুৱালে। ৰজাই ৰামক চৰণত প্ৰণাম কৰি থকা দেখা পালে। ১॥

স্নেহত বিকল হৈ ৰজাই ৰামক বুকুত সুমুৱাই ল'লে—সাপেহে যেন হেৰোৱা মণি ঘূৰাই পালে। ৰজাই একেথৰে ৰামলৈ চাবলৈ ধৰিলে; চকুৰপৰা ধাৰেৰে পানী ব'বলৈ ধৰিলে। ২॥

শোকত বিবশ হৈ ৰজাই একো ক'ব নোৱাৰিলে, কেৱল বাৰে বাৰে ৰামক বুকুত সাৱটি ধৰিলে আৰু ৰাম যাতে বনলৈ নাযায় মনে মনে ভাবে বিধাতাক খাটিবলৈ ধৰিলে। ৩॥

তাৰ পাছত মহাদেৱক স্মৰণ কৰি এইবুলি প্ৰাৰ্থনা কৰিলে—"হে সদাশিৱ, তুমি মোৰ মিনতি শুনা, তুমি আশুতোষ আৰু বিচৰা মতেই বৰ দান কৰাঁ। তুমি মোক দীন-হীন সেৱক বুলি জানি মোৰ দুখ দূৰ কৰাঁ। ৪॥

দোঃ—"তুমি সকলোৰে হৃদয়ত প্ৰেৰণাদায়ক ৰূপে আছা। তুমি যেন ৰামক

এনে মতি দিয়া, যাতে সি মোৰ বচন অৱজ্ঞা কৰি আৰু সুচৰিত্ৰ, স্নেহভাৱ ত্যাগ কৰি থৰতে থাকে। ৪ ॥

চৌঃ—"লাগিলে জগতত অপযশেই হওক, সুখ্যাতি নষ্ট হওক, লাগে মই নৰকতে পৰোঁ অথবা স্বৰ্গই আঁতৰি যাওক, আৰু লাগিলে মই সকলো অসহ দুখকে সহ্য কৰোঁ, তথাপি যেন ৰাম মোৰ চকুৰ আঁতৰ নহওক।" ১ ॥

ৰজাই মনে মনে এইদৰে চিন্তা কৰিবলৈ ধৰিলে ; মুখেৰে একো নক'লে। পিপল গছৰ পাতৰ দৰে তেওঁৰ মন অস্থিৰ হৈ পৰিল। পিতাক স্নেহকাতৰ হৈছে বুলি জানি আৰু মাকে (কৈকেয়ীয়ে) আকৌ কিবা ক'ব বুলি দেশ, কাল তথা প্ৰসংগৰ অনুকূলে বিচাৰ কৰি চাই ৰামে বিনীতভাৱে ক'লে—"পিতা! মই অলপ কথা কোৱাৰ ধৃষ্টতা কৰিব খুজিছোঁ। মোৰ এই দোষ ল'বাৰ দোষ বুলি ক্ষমা কৰিব। ২।৩ ॥

"আপুনি অতি সামন্য কথা এটাৰ কাৰণে কষ্ট পাইছে। এই বিষয়ে কোনেও মোক আগতে কোৱা নাছিল। আপোনাক এনে অৱস্থাত দেখি মই আইক সুধিহে কথাটো বুজিব পাৰিছোঁ আৰু জানিবলৈ পাইছে গাটো শাঁত পৰিছে। ৪ ॥

দোঃ—"পিতা, এই মংগল-ক্ষণত স্নেহত কাতৰ হৈ চিন্তা কৰিবলৈ এৰি দিয়ক আৰু মনে-চিতে প্ৰসন্ন হৈ মোক আদেশ দিয়ক।" এই কথা কৈ প্ৰভু শ্ৰীৰামৰ শৰীৰ পুলকিত হৈ উঠিল। ৪৫ ॥

চৌঃ—[ৰামে আৰু ক'লে—] "এই জগতত সেইসকলেই ধন্য, যাৰ চৰিত্ৰৰ কথা শুনিলে পিতাকে আনন্দ পায়। পিতৃ-মাতৃ যাৰ প্ৰাণৰ সমান প্ৰিয়, চাৰি পুৰুষাৰ্থ তেওঁৰ হাতৰ মুঠিত। আপোনাৰ আদেশ পালন কৰি আৰু জন্মৰ ফল লাভ কৰি মই অতি সোনকালে ঘূৰি আহিম ; গতিকে আপুনি মোক আজ্ঞা কৰক। মই আইৰ ওচৰত বিদায় লৈ আহোঁ, তাৰ পাছত আপোনাৰ চৰণত প্ৰণতি জনাই বনলৈ যাওঁ।" ১—২ ॥

এইবুলি কৈ ৰাম তাৰপৰা গুচি গ'ল। শোকত আতুৰ হৈ ৰজাই একো উত্তৰ নিদিলে। এই অতি কষ্টদায়ক কথাটো [অতি শীঘ্ৰে] নগৰত প্ৰচাৰ হ'ল, যেন দংশন কৰা মাত্ৰকে সমগ্ৰ শৰীৰতে বিছাৰ বিষহে বিয়পি পৰিল। ৩ ॥

বন-জুই দেখি গছ-লতা লেৰেলি যোৱাৰ দৰে, এই কথা শুনি সকলো নৰ-নাৰী বিকল হৈ পৰিল। যেয়ে য'তে শুনিলে তাতে মুৰত থপৰিয়াবলৈ ধৰিলে। অত্যন্ত দুখত সকলোৰেই অধৈৰ্য হৈ পৰিল। ৪ ॥

দোঃ—সকলোৰে মুখ শুকাই গ'ল; চকুৰপৰা পানী বৰলৈ ধৰিলে, অন্তৰত

শোকে নধৰা হ'ল। যেন কৰুণৰসৰ সৈন্য-বাহিনীয়ে ডংকা বজাই অযোধ্যাত অৱতীৰ্ণ হ'লহি। ৪৬ ॥

চৌঃ—সকলো কাম ঠিকমতেই হৈ আহিছিল; মাজতে বিধিয়ে পণালি দিলেহি। য'তে ত'তে মানুহে কৈকেয়ীক গালি পাৰিবলৈ ধৰিলে—এই পাপিষ্ঠীৰ মনতনো কি খেলালে—ছাঁ পৰি থকা (শীতল) ঘৰত জুই দিলে। ১ ॥

তেওঁ নিজহাতে নিজৰ চকু কাঢ়ি লৈ চাবলৈ বিচাৰিছে আৰু অমৃত দলিয়াই পেলাই বিহ চেলেকিব খুজিছে। এই কুটিল আৰু কঠোৰ স্বভাৱৰ, দুষ্টবুদ্ধিৰ অভাগিনীজনী ৰঘুবংশৰূপী বাঁহগছৰ কাৰণে বন-জুইৰ নিচিনা হ'ল। ২ ॥

তেওঁ পাতত বহি লৈ গছ কাটিছে আৰু সুখৰ মাজত শোকৰ দ'ম বান্ধি সজাইছে। ৰাম তেওঁৰ প্ৰাণৰ সমান প্ৰিয় আছিল। কিন্তু তেওঁ কি কাৰণে এনে কুটিল আচৰণ কৰিলে। ৩ ॥

কবিসকলে সঁচা কথাকে কয়, নাৰীৰ স্বভাৱ সকলো প্ৰকাৰেই দুৰ্বোধ্য, অগাধ আৰু ৰহস্যময়। নিজৰ ছাঁটোকে হয়তো ধৰিব পৰা যাব; কিন্তু ভাই, নাৰীৰ গতিবিধি জানিব নোৱাৰি। ৪ ॥

দোঃ—জুয়ে কি পুৰিব নোৱাৰে, সাগৰে কি বস্তু লয় কৰিব নোৱাৰে, অবলা বুলি কোৱা প্ৰবলা নাৰীয়ে কি কাম কৰিব নোৱাৰে আৰু জগতত কালে কাক গ্ৰাস কৰিব নোৱাৰে? ৪৭ ॥

চৌঃ—বিধাতাই কি হ'ব বুলি শুনাই লৈ এতিয়া আকৌ কি শুনালে মোক কি দেখুৱাই লৈ (এয়া) কি দেখুৱাব খুজিছে? একোজনে কৈছে—বজাই ভাল নকৰিলে; যেন ধৰিবলৈ গৈ নিজেই সকলো দুখৰ কাৰণ হোৱা দুৰ্মতি কৈকেয়ীক ভাবি-চিন্তি চাই তেখেতে বৰ দিদিলে। স্ত্ৰীৰ বশ হোৱাৰ কাৰণে তেখেতৰ গুণ-জ্ঞান সকলো লোপ পালে। অন্য চতুৰ লোক একোজনে আকৌ ধৰ্মৰ স্থিতি সম্পৰ্কে জানে কাৰণে বজাক দোষ নিদিলে। ১—২ ॥

তেওঁলোকে শিবি, দধীচি আৰু হৰিশ্চন্দ্ৰৰ কাহিনী ইজনে-সিজনৰ আগত প্ৰশংসা কৰি ক'বলৈ ধৰিলে। কোনোবাই আকৌ ইয়াত ভৰতৰ সম্মতি আছে বুলি মত প্ৰকাশ কৰিলে। কোনোবাই আকৌ উদাসীনভাৱে শুনি থাকিলে। ৩ ॥

কোনোবাই হাতেৰে কাণ ঢাকি, দাঁতেৰে জিভা কামুৰি ক'লে—"এই কথা মিছা; এনে কথা কোৱাৰ বাবে তোমাৰ পুণ্য নষ্ট হ'ব। ভৰত ৰামৰ প্ৰাণৰ সমান মৰমৰ (তাৰেক)। ৪ ॥

দোঃ—"চন্দ্রই জুইৰ কিৰিণতি বৰষিব পাৰে, অমৃত বিষতুল্য হ'ব পাৰে ; কিন্তু ভৰতে সপোনতো ৰামৰ বিৰুদ্ধে এৰো কথা ক'ব নোৱাৰে।" ৪৮ ॥

চৌঃ—কোনোৱাই অমৃত বেখুৱাই বিহ দিয়াৰ কাৰণে বিধাতাক দূষিলে। গোটেই নগৰতে হুলস্থুল লাগিল, সকলো মানুহ চিন্তাত পৰিল, সকলোৰে বুকুত এটা অসহ্য পোৰণি হ'বলৈ ধৰিলে, আনন্দ-উৎসাহৰ অন্ত পৰিল। ১ ॥

ব্ৰাহ্মণীসকলে, বংশৰ মাননীয় বুঢ়ীসকলে আৰু কৈকেয়ীৰ অতি প্ৰিয়-পাত্ৰীসকলে তেওঁৰ চৰিত্ৰৰ গুণ-গান গাই তেওঁক উপদেশ দি চালে ; কিন্তু কৈকেয়ীৰ মনত এইবিলাক কথা শৰ লগা যেনহে লাগিল। ২ ॥

[সেই তিৰোতাসকলে ক'লে—] "তুমি যেখোন সদায় কৈ থাকা, ভৰত মোৰ বাবে ৰামৰ সমান মৰমৰ নহয়। এই কথা গোটেই জগতখনে জানে। তুমি ৰামক অকৃত্ৰিমভাৱেই মৰম কৰা। তেনেস্থলত আজিনো কি অপৰাধত ৰামক বনবাস দিছা ? ৩ ॥

"তুমি কোনো দিনেই সতিনীক হিংসা কৰা নাই। গোটেইখন দেশেই তোমাৰ স্নেহ আৰু বিশ্বাসৰ কথা জানে। আজিনো কৌশল্যাই কি এনে অগৰ লগালে যে তুমি তাৰ কাৰণে নগৰ গোটেইখনতে বজ্ৰপাত পেলালা ? ৪ ॥

দোঃ—"সীতাই কি প্ৰিয়তম ৰামৰ লগ এৰিব ? নে লক্ষ্মণেই (ৰামৰ অনুপস্থিতিত) ঘৰত থাকিব ? অথবা ভৰতেই অযোধ্যাপুৰীত ৰাজ্যভোগ কৰিব ? নে ৰামৰ অবিহনে ৰজাই জীৱন-ধাৰণ কৰি থাকিব ? ৪৯ ॥

চৌঃ—"এই কথাবোৰ মনত ভালকৈ ভাবি-চিন্তি চাই ক্ৰোধ ত্যাগ কৰা ; শোক আৰু কলংকৰ আৱাসভূমি নহ'বা। ভৰতক ৰাজ যুৱৰাজৰ পদ দিয়া ; কিন্তু বনত ৰামৰ কি কাম ? ১ ॥

"ৰাজ্যৰ কাৰণে ৰামৰ-লোভ নাই। তেওঁ ধৰ্মৰ ধৰণী ধৰোঁতা আৰু বিষয়-সুখৰ প্ৰতি উদাসীন। তুমি ৰজাৰ পৰা দ্বিতীয় বৰটো এইবুলি লোৱা—ৰামে ৰাতে গৃহত্যাগ কৰি গুৰুগৃহত থাকেগৈ। ২ ॥

"যদি তুমি আমি কোৱামতে নচলা, তেনেহ'লে তোমাৰ হাতত এৰো নপৰিবগৈ। যদি তুমি ধেমালিহে কৰি চাইছা, তেনেহ'লে সেইকথা প্ৰকাশ কৰি কৈ দিয়া। ৩ ॥

"ৰামৰ নিচিনা পুত্ৰ কি বনবাসৰ যোগ্য ? মানুহে এই কথা শুনিলে তোমাক কি বুলিব ? তুমি সোনকালে উঠা আৰু যাতে এই শোক আৰু কলংক নাশ হয়, তাৰ উপায় কৰা। ৪ ॥

ছন্দঃ—"যাতে শোক আৰু কলংকৰ অৱসান হয়, সেই উপায় কৰি কুল ৰক্ষা কৰাঁ। বনলৈ যাবলৈ ওলোৱা ৰামক শপত-শাঁতি দি ঘূৰাই আনা, আৰু দ্বিতীয় কথা নাই।" তুলসীদাসে কৈছে—সূৰ্যৰ অবিহনে দিন যেনে হয়, প্ৰাণৰ অবিহনে শৰীৰ যেনে হয়, চন্দ্ৰৰ অবিহনে ৰাতি যেনে হয়, প্ৰভু শ্ৰীৰামৰ অবিহনে অযোধ্যাও তেনেই হ'ব। হে ভামিনী (কৈকেয়ী), তুমি এই কথা মনত ভালকৈ ভাবি চোৱাঁ।

সো—এইদৰে সখীয়েকসকলে শুনিবলৈ সোৱাদ লগা আৰু পৰিণামতো হিতসাধক উপদেশ দিলে; কিন্তু কুটিল স্বভাৱৰ কুঁজীয়ে শিকাই-বুজাই থোৱা কৈকেয়ীয়ে ইয়াৰলৈ অকণো কাণ নকৰিলে। ৫০ ॥

চৌঃ—কৈকেয়ীয়ে একো উত্তৰ নিদিলে। অসহ্য ক্ৰোধত তেওঁ কৰ্কশ হৈ পৰিল, যেন ভোকত থকা বাঘিনীয়েহে হৰিণালৈ চাই আছে। তেতিয়া সখীয়েক-হঁতে ৰোগ অসাধ্য বুলি জানি বিষয়টো এৰি দিলে। সকলোৱে কৈকেয়ীক মন্দমতি আৰু অভাগিনী বুলি কৈ গুচি গ'ল। ১ ॥

ৰাজপাট খাই থকাৰপৰা কৈকেয়ীক দৈৱই নাশ কৰি দিলে। তেওঁ যি কাম কৰিলে, সেই কাম কোনেও কৰিব নোৱাৰিব। নগৰৰ সকলো নৰ-নাৰীয়ে এইদৰে বিলাপ কৰিবলৈ ধৰিলে আৰু কূট-চক্ৰান্তকাৰী কৈকেয়ীক গালি পাৰিবলৈ ধৰিলে। ২ ॥

ভয়ানক জ্বৰ নিচিনা তাপত মানুহ দগ্ধ হ'ল। দীঘল দীঘল হুমুনিয়াহ কাঢ়ি তেওঁলোকে ক'বলৈ ধৰিলে—ৰামৰ অবিহনে আৰু জীয়াই থকাৰ কি আশা আছে? পানী শুকাই গ'লে জলচৰ প্ৰাণীবোৰ ব্যাকুল হোৱাৰ দৰেই ৰামৰ ভাবী বিয়োগৰ দুখত প্ৰজাও ব্যাকুল হৈ পৰিল। ৩ ॥

সকলো নৰ-নাৰী অতিশয় বিষণ্ণ হৈ পৰিল। ৰামচন্দ্ৰ গোসাঁই মাক কৌশল্যাৰ ওচৰলৈ গ'ল। তেওঁৰ মুখ প্ৰসন্ন আৰু মনত চাৰিগুণ উৎসাহ, ৰজাই কেনেকৈ বনলৈ নোযোৱাকৈ ৰাখি থোৱাৰ চিন্তা দূৰ হ'ল। ৪ ॥

দোঃ—ৰঘুশ্ৰেষ্ঠ ৰামৰ মন আছিল নতুনকৈ ধৰি অনা হাতীৰ নিচিনা আৰু ৰাজ্যভাৰ আছিল হাতী বন্ধা লোহাৰ শিকলিৰ নিচিনা। 'বনলৈ যাব লাগে'—এই কথা শুনা মাত্ৰকে বন্ধনৰপৰা মুক্ত হলোঁ বুলি ৰামৰ মনত অতি আনন্দহে লাগিল। ৫১ ॥

চৌঃ—ৰঘুকুলৰ তিলক ৰামে দুয়ো হাত যোৰ কৰি আনন্দ মনেৰে মাতৃৰ চৰণত মূৰ দোৱালেগৈ। মাকে আশীৰ্বাদ দিলে, বুকুত সাৱটি ধৰিলে আৰু তেওঁক বসন-ভূষণ উপহাৰ দিলে। ১ ॥

মাকে বাৰে বাৰে চুম্বন কৰিলে। তেওঁৰ চকুত স্নেহৰ চকুলো ওলাল; সমস্ত শৰীৰ পুলকিত হ'ল। তাৰ পাছত ৰামক কোলাত লৈ বুকুত সাৱটি ধৰিলে। বাৎসল্যৰ স্তন্যধাৰা বৈ গ'ল। ২ ॥

তেওঁৰ স্নেহ আৰু আনন্দৰ সীমা নোহোৱা হ'ল; যেন কঙাল লোকহে কুবেৰৰ পদৱী লাভ কৰিলে। আদৰ-সাদৰ কৰি ৰামৰ সুন্দৰ মুখখনিলৈ চাই মাকে মধুৰ বচনেৰে ক'বলৈ ধৰিলে—"বাছা, মই মাৰে মিজকে উছর্গা কৰি দিছোঁ, ক' বোপাই, সেই আনন্দপূৰ্ণ মাংগলিক লগ্ন কেতিয়া মিলিব, যি লগ্ন মোৰ পুণ্য, সুচৰিত্ৰ আৰু সুখৰ সুন্দৰ সীমা স্বৰূপ আৰু মই জন্ম লোৱাৰ পূৰ্ণতম ফলস্বৰূপ। ৪ ॥

দোঃ—"সেই লগ্নলৈ সকলো নৰ-নাৰীয়ে অতি উৎকণ্ঠাৰে বাট চাই আছে, যেন তৃষাতুৰ চাতক-চাতকীয়েহে শৰৎ কালত স্বাতি নক্ষত্ৰত হোৱা বৰষুণলৈ বাট চাইছে। ৫২ ॥

চৌঃ—"বাছা, মই তোৰ হৈ যি লাগে কষ্ট মূৰ পাতি লৈছোঁ, তই সোনকালে স্নান কৰি লৈ যি ফল পাৱ, অলপ সুস্বাদু ভোজন কৰি ল'। বোপাই, তাৰ পাছত পিতাৰৰ ওচৰলৈ যা। বহুত পৰ হ'ল। তোৰ হৈ মংগল কামনা কৰিছোঁ"। ১ ॥

ৰামে মাকৰ অতি অনুকূল বচন শুনিলে। এই বচন স্নেহৰূপী কল্পবৃক্ষৰ ফুলৰ নিচিনা আছিল, ই সুখৰ মকৰন্দেৰে পূৰ্ণ আৰু ৰাজলক্ষ্মীৰ মূলস্বৰূপ আছিল; কিন্তু সেই ফুল দেখিও ৰামৰ মন-ভোমোৰা ভোল নগ'ল। ২ ॥

ধৰ্মৰ ধৰণীস্বৰূপ ৰামে ধৰ্মৰ গতিৰ কথা বুজি মাকক অতি কোমল মাতেৰে ক'লে—"আই, পিতাই মোক বনত ৰাজত্ব কৰিবলৈ দিছে; তাত মোৰ সকলো প্ৰকাৰে বৰ ডাঙৰ কাম হ'ব। ৩ ॥

"হে মাতৃ! তুমি মোক আনন্দ মনেৰে আজ্ঞা কৰাঁ, যাতে মোৰ বনযাত্ৰা আনন্দময় আৰু মংগলজনক হয়। মোৰ কাৰণে থকা স্নেহৰ বশৱৰ্তী হৈ তুমি ভুলতো ভয় নকৰিবা। আই, তোমাৰ কৃপাত মোৰ আনন্দলাভহে হ'ব। ৪ ॥

দোঃ—"চৈধ্য বছৰ বনত বাস কৰি, পিতাৰ বচন সত্য প্ৰমাণিত কৰি, ঘূৰি আহি মই তোমাক আকৌ দেখিবলৈ পাম, তুমি মনত দুখ নকৰিবা।" ৫৩ ॥

চৌঃ—ৰঘুশ্ৰেষ্ঠ ৰামৰ বিনীত আৰু মধুৰ বচন শুনি মাকৰ হৃদয়ত বাণহে লগা যেন লাগিল। আৰু যেন হৃদয়খন চেৰেকৃকৈ ফাটি গ'ল। সেই শীতল বচন শুনি কৌশল্যা, বাৰিষাৰ বৰষুণ পৰি পুলিকাঁইট (জৱাসা) শুকাই যোৱাৰ দৰে শুকাই শুকাই গ'ল। ১ ॥

তেওঁৰ হৃদয়ৰ দুখৰ কথা বৰ্ণনা কৰিব নোৱাৰি। সিংহৰ গৰ্জন শুনা হৰিণীৰ দৰে তেওঁ বিকল হৈ পৰিল। চকুৰেদি পানী বৈ আহিল আৰু গাটো কঁপিবলৈ ধৰিলে—যেন, প্ৰথম বাৰিষাৰ থকবা পানীৰ ফেন খাই মাছহে বিকল হৈ পৰিল। ২ ॥

ধৈৰ্য ধৰি পুতেকৰ মুখলৈ চাই মাকে গদ্‌গদ্‌ বচনেৰে ক'লে—"বোপাই, তুমি পিতাৰাৰ প্ৰাণসম প্ৰিয় পুত্ৰ; তোমাৰ চৰিত্ৰ দেখি তেখেত সদায় সুখী। তোমাক ৰাজ্য দিবলৈ তেখেতেই শুভ দিন চোৱাইছিল। তেনেহ'লে এতিয়া কি অপৰাধত বনলৈ যাবলৈ ক'লে? বাছা, মোক তাৰ কাৰণটো কোৱাঁ! সূৰ্যবংশক দগ্ধ কৰিবলৈ তেওঁনো কোন অগ্নি হৈ ওলাল?" ৩-৪ ॥

দোঃ—তেতিয়া ৰাম উদাসীন হৈ বোৱা দেখি মন্ত্ৰীৰ পুতেকে সকলো কাৰণ বুজাই ক'লে। কথাবোৰ শুনি কৌশল্যা বোবাৰ দৰে হ'ল, তেওঁৰ অৱস্থা বৰ্ণনা কৰিব নোৱাৰি। ৫৪ ॥

চৌঃ—তেওঁ ৰাখিবও নোৱাৰিলে, (বনলৈ) যোৱাঁ বুলি ক'বও নোৱাৰিলে। দুয়োফালেই তেওঁৰ বুকুত দাৰুণ সন্তাপ হ'বলৈ ধৰিলে। [মনতে ভাবিলে—] "বিধাতাৰ গতি সদায় সকলোৰে কাৰণে বেঁকাই হয়, লিখিব খুজিছিল সুধাকৰ চন্দ্ৰ বুলি, লিখা হ'ল 'ৰাহু' বুলিহে।" ১ ॥

ধৰ্ম আৰু স্নেহ—দুয়োটাই কৌশল্যাৰ বিচাৰ-বুদ্ধি বন্ধ কৰি পেলালে। তেওঁ কি কৰোঁ, কি নকৰোঁ অৱস্থা হ'ল। [তেওঁ ভাবিলে] যদি অনুৰোধ কৰি পুত্ৰক ৰাখি দিওঁ, তেন্তে ধৰ্ম যাব আৰু ভাই-ভাইৰ মাজত বিৰোধ হ'ব। আৰু যদি বনলৈ যাবলৈ কওঁ তেতিয়া বৰ হানি হ'ব। এনে সংকট আৰু চিন্তাত পৰি ৰাণী নিৰুপায় হ'ল। তাৰ পাছত চতুৰ কৌশল্যাই নাৰীৰ [পতিব্ৰত] ধৰ্মৰ কথা বুজি আৰু ৰাম, ভৰত দুয়োকে নিজ পুত্ৰ বুলি ভাবি, সৰল স্বভাৱৰ সেই ৰামৰ মাতৃয়ে অতি ধৈৰ্য ধৰি ক'লে—"বাছা, মই তোমাৰ হৈ সৰস্ব উচ্ছৰ্গা কৰিছোঁ। তুমি অতি ভাল কাম কৰিছা। পিতৃৰ আদেশ পালন সকলো ধৰ্মৰ ভিতৰতে শ্ৰেষ্ঠ ধৰ্ম। ২—৪ ॥

দোঃ—"ৰাজ্য দিম বুলি কৈ বনবাস দিলে; তাত মোৰ লেশমাত্ৰও দুখ নাই। পিছে তোমাৰ অবিহনে ভৰত, ৰজা আৰু প্ৰজাবৃন্দৰ অতি ভয়ানক কষ্ট হ'ব। ৫৫ ॥

চৌঃ—"বাছা, যদি কেৱল পিতাৰাৰহে আদেশ, তেনেহ'লে মাতৃক পিতৃতকৈ ডাঙৰ বুলি জানি তুমি বনলৈ নাযাবা। যদি পিতৃ-মাতৃ দুয়ো বনলৈ যাবলৈ

থিছে, তেনেহ'লে বন তোমাৰ বাবে শত অযোধ্যাৰ তুল্য হ'ব। বনৰ দেৱতা তোমাৰ পিতৃ হ'ব, আৰু বনদেৱী মাতৃ হ'ব। তাৰ পশু-পক্ষীবোৰ তোমাৰ চৰণকমলৰ সেৱক হ'ব। (জীৱনৰ) অন্তিমত ৰজাই বনতেইতো বাস কৰিব লাগে; তোমাৰ বয়সটোলৈ চাইহে মোৰ মনত দুখ হৈছে। ১—২॥

"বন অতি ভাগ্যবান, আৰু ৰঘুবংশৰ তিলক তোমাক ত্যাগ কৰা এই অযোধ্যা নগৰী অভাগিনী। বোপাই, মই যদি কওঁ মোকো লগত লৈ যোৱা বুলি, তেতিয়া তোমাৰ মনত সন্দেহ হ'ব (এওঁ বুদ্ধি কৰি মোক বাধাহে দিব খুজিছে বুলি)। ৩॥

"বাছা, তুমি সকলোৰে পৰম প্ৰিয়, প্ৰাণৰো প্ৰাণ, হৃদয়ৰো জীৱনস্বৰূপ। সেইহেন পুত্ৰ হৈ তুমি কৈছা—আই মই, বনলৈ যাওঁ আৰু মই তোমাৰ এই কথা শুনি অনুতাপ কৰি বহি থাকোঁ? ৪॥

দোঃ—"এই কথা ভাবি মিছাকৈ স্নেহভাৱ বঢ়াই নি মই জেদ নধৰোঁ। মই সকলো কষ্ট মূৰ পাতি লৈছোঁ; মাবাৰ সম্পৰ্কৰ কথা মনত ৰাখি মোলৈ যেন পাহৰি নোযোৱা। ৫৬॥

"গোসাঁই, দেৱতাসকলে আৰু পিতৃগণে যেন চকুৰ পতাখনে চকুটো ৰক্ষা কৰি থকাৰ দৰে তোমাকো ৰক্ষা কৰে। তোমাৰ বনবাসৰ [অন্ত হোৱাৰ] সীমাই হ'ল পানী। প্ৰিয়জন আৰু আত্মীয়-কুটুম্বসকল হ'ল সেই পানীত থকা মাছৰ নিচিনা। তুমি কৰুণাকৰ আৰু ধৰ্মৰ ধৰণী ধৰোঁতা—এই সকলো কথা ভাবি-চিন্তি চাই তুমি এনে উপায় কৰিবা, যাতে সকলো জীয়াই থাকোঁতেই তুমি আহি লগ পোৱাঁহি। মই তোমাৰ কল্যাণৰ অৰ্থে যথা সৰ্বস্ব উৎসৰ্গা কৰিছোঁ—তুমি প্ৰজা-পৰিজনক অনাথ কৰি সুখেৰে বনলৈ যোৱাঁ। ১—২॥

"আজি সকলোৰে পুণ্যৰ ফল শেষ হ'ল। কৰাল কাল আজি [আমাৰ বাবে] বিপৰীত হ'ল।" এইদৰে বহুত বিলাপ কৰি নিজকে পৰম অভাগিনী বু'ল ভাবি কৌশল্যা ৰামৰ ভৰিতে বাগৰি পৰিল। ৩॥

তেওঁৰ হৃদয় দাৰুণ অসহ্য সন্তাপেৰে পূৰ্ণ হ'ল। সেই সময়ৰ বিলাপবোৰ বৰ্ণনা কৰিব নোৱাৰি। ৰামে মাকক দাঙি লৈ বুকুত সাৱটি ধৰিলে আৰু মৃদু বচনেৰে সান্ত্বনা দিবলৈ ধৰিলে। ৪॥

দোঃ—সেই সময়তে এই সংবাদ পাই সীতা আকুল হৈ পৰিল আৰু তেওঁ শাহুৱেকৰ ওচৰলৈ গৈ তেখেতৰ চৰণকমল যুগলত বন্দনা কৰি তল-মূৰকৈ বহি ৰ'ল। ৫৭॥

চৌঃ—শাহুৱেকে কোমল মাতেৰে আশীৰ্বাদ দিলে; অতি সুকুমাৰী সীতাক দেখি তেওঁ বিয়াকুল হৈ পৰিল। ৰূপৰাশিস্বৰূপা আৰু পবিত্ৰ পতি প্ৰেমসম্পন্না সীতাই তললৈ মূ' কৰি বহি লৈ চিন্তা কৰিবলৈ ধৰিলে। ১॥

জীৱনৰ পতি বনলৈ যাবলৈ ওলাইছে। কোন পুণ্যবান তেওঁৰ সংগী হ'ব? অথবা শৰীৰ আৰু প্ৰাণ দুয়ো লগত যাব, নে কেৱল প্ৰাণহে যাব? বিধাতাই কি কৰিব, একো জানিব নোৱাৰি। ২॥

সীতাই তেওঁৰ ধুনীয়া ভৰিৰ নখেৰে মাটি খুচৰি আছিল, (সেই সময়ত) নূপুৰৰ যি মধুৰ শব্দ হৈছিল, কৱিয়ে তাৰ বৰ্ণনা এইদৰে দিছে—যেন প্ৰেমাভাৱৰ বশৱৰ্তী হৈ নূপুৰে এই বুলিহে প্ৰাৰ্থনা কৰিছে, সীতাৰ চৰণে যেন আমাক পৰিহাৰ নকৰে। ৩॥

সীতাৰ সুন্দৰ চকু দুটাৰপৰা লোতক বৈছিল। তেওঁৰ সেই অৱস্থা দেখি ৰামক মাকে ক'লে—"বাছা, শুনা, সীতা অতি সুকুমাৰী আৰু শাহু-শহুৰ, পৰিজনসকলৰ স্নেহৰ পাত্ৰী। ৪॥

দোঃ—"তেওঁৰ পিতাক জনক ৰজা নৃপতি-শিৰোমণি, শহুৰেক সূৰ্যবংশৰ সূৰ্য স্বৰূপ। স্বামী এই সূৰ্যবংশৰূপী কুমুদবনৰ বাবে চন্দ্ৰ সদৃশ আৰু ৰূপ-গুণৰ নিধি তুল্য। ৫৮॥

চৌঃ—"তদুপৰি মই সুন্দৰ ৰূপ, গুণ আৰু সুচৰিত্ৰৱতী মৰমৰ পুত্ৰবধূ পাইছোঁ। [এই পুত্ৰবধূক] মই চকুৰ মণি কৰি ৰাখি মৰম সাদৰ বঢ়াই যেন এই জানকীক লৈহে জীয়াই আছোঁ। ১॥

"কল্পলতা যেনেকৈ পানী-তুনি দি নানা যত্ন কৰি তুলিব লাগে, তেনেকৈয়েময়ো চেনেহৰ পানী ঢালি এই জানকীক প্ৰতিপাল কৰিছোঁ। এতিয়া ফুল-ফল ধৰিবৰ সময়ত বিধাতা মোৰ বাবে বাম হ'ল। কি হ'ব লগীয়া আছে ক'ব নোৱাৰোঁ। ২॥

"সীতাই মাহুহৰ কোলা, পালেং আৰু ঝুলনাৰ বাহিৰে টান মাটিত ভৰি থৈ পোৱা নাই। সঞ্জীৱনী ঔষধৰ পুলিৰ দৰে যত্ন লৈ মই সীতাক ৰাখি আছোঁ। চাকিৰ শলিতাভালো ইফাল-সিফাল কৰিবলৈ (এগছ কুটা দুগছ কৰিবলৈ বা সামান্য কষ্টসাধ্য কামো কৰিবলৈ) মই দিয়া নাই। ৩॥

"সেই সীতাও আজি তোমাৰ লগত বনলৈ যাবলৈ ওলাইছে। হেৰা ৰঘুনাথ! তুমি তেওঁক কি কৰিবলৈ কোৱাঁ? চন্দ্ৰকিৰণৰ ৰসত ৰসিক চাকৈ-চকোৱা পক্ষীয়ে সূৰ্যৰ ৰশ্মিৰ তীক্ষ্ণতা কেনেকৈ সহ্য কৰিব পাৰে? ৪॥

দোঃ—"বনত হাতী, সিংহ, বাক্ষস আদি অনেক দুষ্ট প্ৰাণীয়ে বিচৰণ কৰে। বাছা, বিহগছৰ বাহীত সুন্দৰ সঞ্জীৱনী বনে শোভা পায় জানো? ৫৯ ॥

চৌঃ—"বনৰ কাৰণে ব্ৰহ্মাই শিলতো ফুটা উলিয়াবপৰা কীটৰ নিচিনা কঠিন স্বভাৱৰ আৰু বিষয়-সুখত অনভিজ্ঞ কোল-ভীলৰ ছোৱালীবোৰ সৃষ্টি কৰি থৈছে। বনত সিহঁতৰ কোনো প্ৰকাৰৰ কষ্ট নহয়। অথবা তপস্বী-স্ত্ৰীসকলহে বনৰ যোগ্য; তেওঁলোকে তপস্যাৰ কাৰণে সকলো ভোগ ত্যাগ কৰে। যোপাই, যি ছবিত থকা বাঘৰ দেখিলেও ভয় কৰে, তেওঁ বনত কেনেকৈ থাকিবগৈ? ১—২ ॥

"দেৱ-সৰোবৰৰ কমলবনত বিচৰণ কৰা হংসিনী সক জলাশয়ত থকাৰ যোগ্য নে? তাকে চাই তুমি যেন আদেশ দিয়া সেইমতেই মই জানকীক উপদেশ দিম।" ৩ ॥

[মাকে ক'লে—] "যদি সীতা ঘৰত থাকে, মোৰ বহুত সহায় হ'ব। সুচৰিত্ৰ আৰু স্নেহৰ অমৃতসনা মাকৰ এনেকুৱা কথাবোৰ ৰামে শুনিলে। ৪ ॥

দোঃ—[তেতিয়া ৰামে] বিবেকপূৰ্ণ প্ৰিয় বচনেৰে মাকক সন্তুষ্ট কৰিলে। তাৰ পাছত বনৰ গুণ-দোষ প্ৰকাশ কৰি জানকীক বুজাবলৈ ধৰিলে। ৬০ ॥

চৌঃ—(প্ৰথমতে ৰামে) মাকৰ ওচৰত কথাখিনি ক'বলৈ সংকোচ কৰিছিল। তাৰ পাছত সময়ৰ গুৰুত্ব বুজি ক'বলৈ ধৰিলে—"হে ৰাজকুমাৰী, মোৰ উপদেশ শুনা। মনত আনধৰণে একো নাভাবিবা। যদি নিজৰ আৰু মোৰ কল্যাণ কামনা কৰিছাঁ, তেন্তে মোৰ কথা মানি ঘৰতে থাকাঁ। হে'ৰা ভামিনী, তেতিয়া মোৰ আজ্ঞাও পালন কৰা হ'ব আৰু শাহুয়েৰাৰ সেৱা-শুশ্ৰূষাও কৰা হ'ব। ঘৰত থকাটো সকলো প্ৰকাৰে ভাল হ'ব। ১—২ ॥

"আদৰ-যত্নেৰে শাহু-শহুৰৰ পদ-সেৱা কৰাটোতকৈ ডাঙৰ ধৰ্ম একো নাই। যেতিয়াই আইৰ মোলৈ মনত পৰিব, আৰু স্নেহত আকুল হৈ তেওঁৰ মতিভ্ৰম হ'ব, হে সুন্দৰী, তেতিয়াই মৃদু বচনেৰে পুৰণি কাহিনী কৈ সান্ত্বনা দিবা। হে সুমুখী, এশবাৰ মোৰে শপত, মই কোনো কৃত্ৰিমতা ৰাখি কোৱা নাই, মই একমাত্ৰ আইৰ কাৰণেই তোমাক ঘৰত থ'ব খুজিছোঁ। ৩—৪ ॥

দোঃ—"[মোৰ কথামতে ঘৰত থাকিলে] গুৰু আৰু বেদৰ সন্মত ধৰ্মৰ ফল তুমি বিনা কষ্টেৰেই লাভ কৰিবা। জেদ ধৰিবলৈ গৈ গালৱ মুনি আৰু ৰজা নহুষেও সংকটত পৰি কষ্টহে সহিব লগা হ'ল। ৬১ ॥

চৌঃ—"হে সুমুখী, চতুৰা সীতা, শুনা। মই পিতাৰ বচন সত্যত পৰিণত

কৰি সোনকালেই ঘূৰি আহিম। দিন বাৰলৈ বহুত কাল নালাগে। সুন্দৰী তুমি মোৰ উপদেশ শুনা। ১ ॥

"হে বামা, তুমি যদি স্নেহৰ বশৱৰ্তী হৈ জেদ্ ধৰা তেন্তে পৰিণাম স্বৰূপে তুমি দুখহে পাবা। বন বৰ টান আৰু ভয়ানক বস্তু ॥ তাত ঘ'ৰ, জাৰ, বৰষুণ, বতাহ—সকলো ভয়ানক। ২ ॥

"বাটত কুশবন, কাঁইট আৰু বহুত শিলগুটি আছে; সেইবোৰৰ ওপৰেদি জোতা নোহোৱাকৈ খোজ কাঢ়ি ফুৰিব লাগিব। তোমাৰ ভৰি পদুম যেন কোমল আৰু সুন্দৰ; ইফালে বাটত ডাঙৰ-ডাঙৰ দুৰ্গম পৰ্বত-পাহাৰ। পৰ্বতৰ গুহা-কন্দৰবোৰ, নদ-নদী আৰু নলাবোৰ এনেকুৱা দুৰ্গম আৰু গভীৰ যে সেইবোৰলৈ চাবকে নোৱাৰি। বাঘ, ভালুক, কুকুৰনেচীয়া, সিংহ আৰু হাতীৰ ভয়ানক মাত শুনিলেই ধৈৰ্য হেৰায়। ৩—৪ ॥

দোঃ—"মাটিত শুব লাগিব; বকল-বসন পিন্ধিব লাগিব আৰু কন্দ, ফল-মূল খাব লাগিব। সেইবোৰো জানো সদায় পোৱা যাব? সময় অনুসৰিহে সেইবোৰ পোৱা যাব। ৬২ ॥

চৌঃ—"অৰণ্যত মনুষ্যভক্ষী নিশাচৰ ৰাক্ষসবোৰ ঘূৰি ফুৰে। সিহঁতে অনেক ধৰণৰ ছদ্মবেশ ধাৰণ কৰে। পৰ্বত অঞ্চলৰ জল-বায়ুও বৰ উগ্ৰ। [এই সকলো কথালৈ চাই] অৰণ্যৰ বিপদ-বিঘিনিৰ কথা বৰ্ণনাই কৰিব নোৱাৰি। ১ ॥

"বনত ভয়ানক সাপ, ভয়ংকৰ চৰাই আৰু নৰ-নাৰী অপহৰণ কৰা ৰাক্ষস দলে দলে থাকে। বনলৈ মনত পৰিলে ধীৰ পুৰুষেও ভয় খায়। তেনেস্থলত হে মৃগনয়না, তোমাৰ স্বভাৱ যে একেবাৰে ভয়াতুৰ। ২ ॥

"হে হংসগামিনী, তুমি বনৰ যোগ্য নোহোৱা। (তুমি বনলৈ যোৱা) শুনিলেও মানুহে মোক অপযশ দিব। মানস-সৰোবৰৰ অমৃততুল্য পানীত লালন-পালন কৰি ৰখা হংসিনী জানো লুণীয়া পানীৰ সাগৰত জীয়াই থাকিব পাৰে? ৩ ॥

"নবীন আম্ৰকাননত বিহাৰ কৰি ফুৰা কুলি চৰাই জানো দুৰ্ঘোৰ অৰণ্যত শোভা পায়? হে চন্দ্ৰমুখী, এইবোৰ কথা ভাবি-চিন্তি চাই তুমি ঘৰতে থাকা, বনত বহুত কষ্ট। ৪ ॥

দোঃ—"স্বাভাৱিকতে হিতাকাংক্ষী গুৰু তথা স্বামীৰ শিক্ষা যি শিৰোধাৰ্য কৰি নলয়, তেওঁ মনতে অতিশয় অনুতাপ কৰিব লগা হয় আৰু নিশ্চিতভাৱেই তেওঁৰ অনিষ্ট সাধন হয়।" ৬৩ ॥

চৌঃ—প্ৰিয়তম ৰামৰ মৃদু আৰু মনোৰম বচন শুনি সীতাৰ সুন্দৰ চকু-

বুৰি পানীৰে চলচলীয়া হ'ল। চাকৈ-চকোৱা চৰাইৰ কাৰণে শৰৎ কালৰ জোনাক ৰাতি শীতল হৈও সন্তাপদায়ক হোৱাৰ দৰে সেই মন-ভুবোৱা উপদেশো সীতাৰ কাৰণে সন্তাপদায়কহে হ'ল। ১॥

জানকীয়ে একো উত্তৰ দিব নোৱাৰিলে। 'মোৰ সংস্ক্ৰাত আৰু মৰমিয়াল স্বামীয়ে মোক এৰি যাব খুজিছে'—এই বুলি ভাবি তেওঁ বিয়াকুল হৈ পৰিল। জোৰকৈ চকুপানী বাধা দি ৰাখি সেই বসুমতীৰ কন্যা সীতাই মনত ধৈৰ্য ধৰিলে আৰু শাহুৱেকৰ ভৰিত ধৰি, হাত যোৰ কৰি ক'বলৈ ধৰিলে—"দেৱী, মোৰ এই ডাঙৰ ধৃষ্টতা ক্ষমা কৰে যেন। প্ৰাণপতিয়ে মোক যি উপদেশ দিছে, তাৰ-দ্বাৰা মোৰ পৰম হিত সাধন হ'ব; কিন্তু মই মনেৰে ভাবি পাইছোঁ যে পতি-বিয়োগৰ সমান আৰু জগতত কোনো দুখ নাই। ২—৪॥

দোঃ—হে প্ৰাণনাথ! করুণানিধি, হে সুন্দৰ, হে সুখদাতা, হে জ্ঞানী, হে ৰঘুকুলৰূপী কুমুদৰ কাৰণে চন্দ্ৰস্বৰূপ (প্ৰভু), আপোনাৰ অবিহনে মোৰ কাৰণে স্বৰ্গও নৰকৰ তুল্য। ৬৪॥

চৌঃ—পিতৃ মাতৃ, ভগিনী, প্ৰিয় ভ্ৰাতৃ, মৰমৰ পৰিয়াল-পৰিজন, সুহৃদমণ্ডলী, শাহু-শহুৰ, গুৰু, স্বজন-বান্ধৱ, সহায়ক লোক আৰু সুন্দৰ, সৎচৰিত্ৰসম্পন্ন সুখদায়ক পুত্ৰ, হে নাথ, যিমানলৈকে স্নেহ আৰু সম্পৰ্ক থাকিব পাৰে, পতিৰ অবিহনে সেই সকলোবোৰেই নাৰীৰ কাৰণে সূৰ্যতকৈও সন্তাপদায়ক হয়। শৰীৰ, ধন, ঘৰ, মাটি, নগৰ, ৰাজ্য—এই সকলোবোৰেই পতিৰ অবিহনে শোকৰ সমষ্টি হৈ পৰে। ১—২॥

ভোগ ৰোগতুল্য হয়। অলংকাৰ ভাৰস্বৰূপ হয় আৰু সংসাৰ যমৰ যাতনাৰ নিচিনা হয়। হে প্ৰাণনাথ, আপোনাৰ অবিহনে জগতৰ ক'তো মোৰ কাৰণে সুখ দিব পৰা বস্তু একো নাই। ৩॥

দেহবিহীন জীৱ যেনেকুৱা, পানী নোহোৱা নদী যেনেকুৱা, হে নাথ, পুৰুষবিহীন নাৰীও তেনেকুৱা। নাথ, আপোনাৰ লগত থাকি আপোনাৰ শৰৎকালৰ নিৰ্মল চন্দ্ৰৰ নিচিনা মুখ দৰ্শন কৰি মই সকলো সুখ লাভ কৰিব পাৰিম। ৪॥

দোঃ—হে নাথ, আপোনাৰ লগত থাকিলে পশু-পক্ষীয়েই মোৰ আত্মীয়-কুটুম্ব হ'ব, বনেই নগৰ হ'ব, বাকলি-বসনেই নিৰ্মল বস্ত্ৰ হ'ব আৰু পৰ্ণকুটীৰেই স্বৰ্গৰ নিচিনা সুখৰ উৎস হ'ব। ৬৫॥

চৌঃ—উদাৰ হৃদয়ৰ বনদেৱতা-বনদেৱীসকলেই শাহু-শহুৰৰ দৰে মোৰ

বস্ত্ৰ ল'ব। কুশবন আৰু গছপাতৰ সুন্দৰ শয্যাই প্ৰভু লগত থাকিলে কামদেৱৰ সুন্দৰ তুলিৰ নিচিনা হ'ব। ১ ॥

কন্দ আৰু ফল-মূলেই অমৃতৰ নিচিনা আহাৰ হৈ পৰিব আৰু পাহাৰ-বিলাকেই অযোধ্যাৰ শত শত ৰাজভৱন সদৃশ হ'ব। দিনৰ বেলাত চক্ৰৱাকী আনন্দিত হোৱাৰ দৰে প্ৰতি মুহূৰ্ততে প্ৰভুৰ চৰণকমল দৰ্শন কৰি থাকিবলৈ পাই ময়ো আনন্দিত হৈ থাকিম। ২ ॥

হে নাথ! আপুনি বনত নানা ধৰণৰ দুখ, ভয়, বিষাদ আৰু সন্তাপ হোৱাৰ কথা ক'লে ; কিন্তু হে কৃপানিধি, সেই সকলোখিনি মিলিও প্ৰভু-বিয়োগৰ এক ধনিষ্ঠামানো হ'ব নোৱাৰে। ৩ ॥

হে জ্ঞানী-শিৰোমণি, এইখিনি কথা মনত ভালকৈ ভাবি-চিন্তি চাই আপুনি মোক লগত লৈ যাওক, ইয়াত এৰি থৈ নাযাব। ৪ ॥

দোঃ—হে দীনবন্ধু, হে সুন্দৰ, হে সুখদাতা, হে সুচৰিত্ৰ আৰু প্ৰেমৰ নিধি! যদি বনবাস শেষ হোৱালৈকে মোক অযোধ্যাত এৰি থৈ যায়, তেনেহ'লে আপুনি জানি ল'ব মোৰ আৰু প্ৰাণ নৰ'ব। ৬৬ ॥

চৌঃ—প্ৰতি মুহূৰ্ততে আপোনাৰ চৰণকমল দেখি থকাৰ কাৰণে বাটত যাওঁতে মোৰ ভাগৰ নালাগিব। হে প্ৰিয়তম, মই সকলো প্ৰকাৰে আপোনাৰ সেৱা কৰিম আৰু এইদৰে পথৰ সকলো ক্লান্তি দূৰ কৰিম। ১ ॥

আপোনাৰ চৰণ পখালি দি গছৰ ছাঁত বহি লৈ মনৰ আনন্দেৰে আপোনাক বিচি দিম ; ঘামৰ কণিকাৰে সৈতে শ্যামবৰণৰ শৰীৰটি চাই চাই প্ৰাণপতিক দৰ্শন কৰি, দুখ কৰিবলৈ মোৰ সময়েইবা ক'ত থাকিব ? ২ ॥

সমান মাটিত বন আৰু গছ-পাত পাৰি লৈ এই দাসীয়ে ওৰে ৰাতি আপোনাৰ ভৰি পিটিকি দিম। বাৰে বাৰে আপোনাৰ কোমল মূৰ্তি দেখি থাকিলে মোৰ গাত গৰম বতাহো নালাগে। ৩ ॥

প্ৰভুৰ লগত থাকোঁতে কোনে মোৰ ফালে চকু তুলি চাব পাৰে? সিংহৰ পত্নীলৈ শহাপহু আৰু শিয়ালে চাব নোৱাৰে। মই সুকুমাৰী আৰু নাথো জানো বনবাসৰ যোগ্য? আপোনাৰ কাৰণে হ'লে যোগ্য হয় তপস্যা আৰু মোৰ কাৰণে হ'লে বিষয় ভোগ? ৪ ॥

দোঃ—হে প্ৰভু, এনেকুৱা নিষ্ঠুৰ বচন শুনিও যে মোৰ বুকু ফাটি যোৱা নাই, (তেনে বুজিছোঁ) মোৰ এই পামৰ প্ৰাণে (আপোনাৰ) ভীষণ বিয়োগ-দুখ সহ্য কৰিব।" ৬৭ ॥

চৌঃ—এই বুলি কৈ সীতা অতি আকুল হৈ পৰিল। তেওঁ (শৰীৰেৰে বিয়োগ-দুখ সহাটো দূৰৰ কথা) বচনৰ বিয়োগ-দুখকে সহিব নোৱাৰিলে। তেওঁৰ সেই অৱস্থা দেখি ৰামে মনত ভালকৈ উপলব্ধি কৰিব পাৰিলে যে জোৰ কৰি ইয়াত এৰি থৈ গলে সীতাৰ প্ৰাণ নৰ'ব। ১ ॥

সূৰ্যবংশৰ স্বামী কৃপালু ৰামে ক'লে—"চিন্তা ত্যাগ কৰি মোৰ লগত বনলৈ গুলোৱাঁ। আজি বেজাৰ কৰি থকাৰ সময় নহয়; সোনকালে বনলৈ যাবলৈ প্ৰস্তুত হোৱাঁ।" ২ ॥

ৰামে প্ৰিয় কথা কৈ প্ৰিয়তমা সীতাক বুজালে। তাৰ পাছত মাকৰ ভৰিত ধৰি আশীৰ্বাদ ল'লে। [মাকে ক'লে—) "বাছা, সোনকালে ঘূৰি আহি প্ৰজাৰ দুখ দূৰ কৰিবাহি। এই নিষ্ঠুৰ মাতৃয়ে তোমালৈ নাপাহৰে। ৩ ॥

হে বিধাতা, মোৰ দশাখন জানো আকৌ ঘূৰিব ? এই মনোৰম দম্পতীক মই আকৌ চকুৰে দেখিবলৈ পামনে ? বাছা, সেই শুভদিন আৰু শুভক্ষণ কেতিয়া মিলিব, যেতিয়া তোমাৰ জন্মদাত্ৰীয়ে জীৱিত কালতে তোমাৰ জোন যেন মুখখন আকৌ দেখিবলৈ পাম ?" ৪ ॥

দোঃ—অ' বোপাই, বাছা বুলি, সোণটো বুলি, ৰঘুপতি আৰু ৰঘুবৰ বুলি মই আকৌ কেতিয়া তোক বুকুত সাবটি লৈ চাবলৈ পাম ?" ৬৮ ॥

চৌঃ—মাকক স্নেহত অধীৰ হৈ পৰা দেখি আৰু ইমান বিয়াকুল হোৱাৰ কাৰণে মুখৰপৰা মাত নোলোৱা দেখি ৰামে নানা প্ৰকাৰে তেওঁক সান্ত্বনা দিবলৈ ধৰিলে। সেই সময়টোৰ আৰু সেই স্নেহৰ বৰ্ণনা দিব নোৱাৰি। ১ ॥

তেতিয়া জানকীয়ে শাহুৱেকৰ চৰণত ধৰি ক'লে—"আই, শুনক, মই বৰ অভাগিনী। আপোনাক সেৱা-শুশ্ৰূষা কৰাৰ সময়তে দৈৱই মোক বনবাস দিলে; মোৰ মনোৰথ সফল নকৰিলে। আপুনি অসন্তোষ ভাৱ ত্যাগ কৰক; কিন্তু কৃপা ত্যাগ নকৰিব। কৰ্মৰ গতি অতি কঠিন; মোৰো একো দোষ নাই। সীতাৰ কথা শুনি শাহুৱেক আকুল হৈ পৰিল। তেওঁৰ সেই অৱস্থাৰ কথা মই কেনেকৈ বৰ্ণনা কৰিম। ?" ২—৩ ॥

তেওঁ সীতাক বাৰে বাৰে বুকুত সাবটি ল'লে আৰু ধৈৰ্য ধৰি উপদেশ দিলে। তাৰ পাছত আশীৰ্বাদ দি ক'লে—"যেতিয়ালৈকে গঙ্গা-যমুনাত সোঁত বৈ থাকিব, তেতিয়ালৈকে তোমাৰ ৰাবে নধৰাই পাব লগীয়া সৌভাগ্য অচল হৈ থাকিব।" ৪ ॥

দোঃ—সীতাক শাহুৱেকে অনেক প্ৰকাৰৰ আশীৰ্বাদ আৰু উপদেশ দিলে।

বাৰে বাৰে তেওঁৰ চৰণ-কমলত অনুৰাগেৰে সৈতে মূৰ দোঁৱাই সীতাও গ'লগৈ। ৬৯ ॥

চৌঃ—লক্ষ্মণে যেতিয়া এই সংবাদ পালে, তেতিয়া তেওঁ অধীৰ হৈ উদাস মুখেৰে উঠি লৰ ধৰিলে। তেওঁৰ শৰীৰ কঁপিবলৈ ধৰিলে, গাৰ নোম ঠিয় হ'ল, চকুৰ পানী বৈ গ'ল। প্ৰেমভাৱত অধীৰ হৈ তেওঁ শ্ৰীৰামৰ ভৰিত ধৰিলেগৈ। ১ ॥

তেওঁ একো ক'ব নোৱাৰিলে, মাত্ৰ থিয় হৈ চাই থাকিল ; যেন পানীৰ পৰা তুলি অনাত শক্তিহীন হৈ পৰা মাছ হে। তেওঁ মনে মনে ভাবিলে—হে বিধাতা, কি ঘটিল, আমাৰ সকলো সুখ আৰু পুণ্য শেষ হৈ গ'ল নেকি? মোক বাৰু ৰঘুনাথে কি বুলি ক'ব? ঘৰত থৈ যাব নে লগত লৈ যাব? ৰামচন্দ্ৰই ভায়েকক নিজৰ শৰীৰ আৰু ঘৰৰ লগত সম্পৰ্ক ছেদ কৰি হাত যোৰকৈ বৈ থকা দেখিলে। ২—৩ ॥

তেতিয়া নীতিজ্ঞ আৰু চৰিত্ৰবান, স্নেহ, সৰলতা আৰু সুখৰ সমুদ্ৰস্বৰূপ ৰামে মাত লগালে—"বাছা, পৰিণতি স্বৰূপে হ'বলগীয়া আনন্দৰ কথা মনতে ভাবি-চিন্তি চাই তুমি মৰম ভাবত অধীৰ হৈ নপৰিবাচোন। ৪ ॥

দোঃ—যি লোকে পিতৃ-মাতৃ, গুৰু-স্বামীৰ উপদেশ স্বাভাৱিকতে শিৰোধাৰ্য কৰি পালন কৰে, তেওঁলোকেই জন্ম-লাভৰ ফল ভোগ কৰিবলৈ পায়। অন্যথা সংসাৰত জন্ম লোৱা বৃথা। ৭০ ॥

চৌঃ—ভাই লক্ষ্মণ, মনতে এই কথা ভাবি-চিন্তি চাই তুমি মোৰ উপদেশ শুনা আৰু পিতৃ-মাতৃৰ চৰণত সেৱা-শুশ্ৰূষা কৰা। ভৰত আৰু শত্ৰুঘ্ন ঘৰত নাই, মহাৰাজ (এনেয়ে) বৃদ্ধ, (তাতে) মনত মোৰ কাৰণে দুখ—এনে অৱস্থাত মই যদি তোমাক বনলৈ লগত লৈ যাওঁ, তেতিয়া অযোধ্যা সকলো প্ৰকাৰে অনাথ হ'ব। গুৰু, পিতৃ-মাতৃ, প্ৰজা-পৰিজন—সকলোৰে ওপৰত দুখৰ অসহ্য ভাৰ পৰিব। ১-২ ॥

গতিকে তুমি ইয়াতে থাকা আৰু সকলোকে সন্তোষ দিয়া। নহ'লে বাছা, বৰ দোষৰ কথা হ'ব। যাৰ ৰাজ্যত মৰমৰ প্ৰজাবৃন্দ দুখত,পৰিব লগা হয়, সেই ৰজা নৰক ভোগ কৰিবৰহে যোগ্য হয়। ৩ ॥

বাছা, এই নীতিসমূহ বিবেচনা কৰি চাই তুমি ঘৰত থাকা।" এই কথা শুনি লক্ষ্মণ অতি বিয়াকুল হৈ পৰিল। নিয়ৰ লাগি পদ্মফুল শুকাই যোৱাৰ দৰে ৰামৰ এই শীতল বচন শুনি লক্ষ্মণো শুকাই গ'ল। ৪ ॥

দোঃ—স্নেহবশতঃ লক্ষ্মণে একো উত্তৰ দিব নোৱাৰিলে। তেওঁ ব্যাকুল হৈ শ্ৰীৰামৰ চৰণত ধৰি ক'লে—"হে নাথ, মই দাস আৰু আপুনি স্বামী। গতিকে আপুনি মোক যদি ত্যাগ কৰে তেনেহ'লে মোৰ কি উপায়? ॥ ৭১ ॥

চৌঃ—হে গোসাঁই, আপুনি মোক অতি সুন্দৰ উপদেশ দিলে; কিন্তু মোৰ দুৰ্বলতাৰ কাৰণে, সেইখিনি মোৰ বাবে দুষ্কৰস্বৰূপ। যিসকল ধীৰ আৰু ধৰ্মৰ ধৰণী ধৰোঁতা, সেই শ্ৰেষ্ঠ পুৰুষসকলেহে শাস্ত্ৰ আৰু নীতিৰ অধিকাৰী। ১ ॥

মই প্ৰভুৰ স্নেহেৰে লালিত-পালিত হোৱা শিশু। ক'ৰবাত হাঁহেনো মন্দৰ পৰ্বত বা সুমেৰু পৰ্বত দাঙিব পাৰেনে? হে নাথ, মই সৰলভাৱে কৈছোঁ, আপুনি বিশ্বাস কৰক, মই আপোনাত বাদে গুৰু, পিতৃ-মাতৃ, একো নাজানো। ২ ॥

জগতত যিমানলৈকে স্নেহৰ সম্বন্ধ আছে, প্ৰীতি আৰু বিশ্বাসৰ কথা আছে, যিমানবোৰ শাস্ত্ৰৰ কথা বেদাদি শাস্ত্ৰতো আছে, হে স্বামী, হে দীনবন্ধু, হে অন্তৰ্যামী, মোৰ কাৰণে এই সকলো আপুনিয়েই। ৩ ॥

ধৰ্ম আৰু নীতিৰ উপদেশ সেই সকলকহে দিব লাগে, যিসকলে যশস্যা, ঐশ্বৰ্য-বিভূতি আৰু সদ্গতি বাঞ্ছা কৰে। কিন্তু যিজন মন, কৰ্ম আৰু বাণীৰে সৈতে চৰণ-সেৱাত ৰত, হে কৃপাসিন্ধু, তেওঁকো ত্যাগ কৰিব লাগেনে?" ৪ ॥

দোঃ—করুণাসিন্ধু ৰামে সজ স্বভাৱৰ ভায়েক লক্ষ্মণৰ মৃদু আৰু বিনীত বচন শুনি তেওঁ স্নেহকাতৰ হৈ পৰিছে বুলি বুজিলে আৰু বুকুত সাবটি লৈ (লক্ষ্মণক) আশ্বাস দিলে—। ৭২ ॥

চৌঃ—"ভাই, আইৰপৰা বিদায় লৈ আহাগৈ আৰু শীঘ্ৰে বনলৈ যাবলৈ ওলোৱা।" ৰঘুবৰ শ্ৰীৰামৰ কথা শুনি লক্ষ্মণ আনন্দিত হ'ল। [লক্ষ্মণে ভাবিলে] "ডাঙৰ হানি এটা নোহোৱাকৈ থাকিল আৰু এটা ডাঙৰ লাভ হ'ল।" ১ ॥

তেওঁ আনন্দ মনেৰে মাক সুমিত্ৰাৰ ওচৰলৈ গ'ল; যেনিবা অন্ধইহে দৃষ্টিশক্তি ঘূৰাই পালে। তেওঁ মাকৰ চৰণত মূৰ দোৱাঁলেগৈ; কিন্তু তেওঁৰ মনটো থাকিল ৰঘুনন্দন ৰাম আৰু জানকীৰ লগতহে। ২ ॥

তেওঁৰ মন উদাস যেন দেখি মাকে (কাৰণ) সুধিলে। লক্ষ্মণে সকলো কথা বিৱৰি ক'লে। কথাবোৰ শুনি, কেউফালে জুয়ে বেৰি ধৰিলে হৰিণী চক্ খাই উঠাৰ দৰে সুমিত্ৰাও চক্ খাই উঠিল। ৩ ॥

লক্ষ্মণে দেখিলে যে আজি অনৰ্থ ঘটিল। এওঁ মমতাৰ বশ হৈ এতিয়া সকলো পণ্ড কৰিব। এই বুলি ভাবি লক্ষ্মণে বিদায় মগাৰ সময়ত মনে মনে ভয় খালে (আৰু ভাবিলে), "হে বিধাতা, আয়ে মোক লগত যাবলৈ দিব নে নিদিয়ে?" ৪ ॥

দোঃ—সুমিত্ৰাই ৰাম-সীতাৰ ৰূপ, সুচৰিত্ৰ আৰু স্বভাৱৰ কথা জানি আৰু তেওঁলোকৰ প্ৰতি ৰজা দশৰথৰ স্নেহৰ কথা ভাবি নিজৰ মূৰ খুন্দিয়াই ক'বলৈ ধৰিলে—"পাপিষ্ঠীয়ে বেয়া ধৰণে সুবিধা ল'লে।" ৭৩ ॥

চৌঃ—সময়টো বেয়া বুলি বুজি তেওঁ ধৈৰ্য ধৰিলে। স্বভাৱতে হিতাকাংক্ষী সুমিত্ৰাই কোমল মাতেৰে ক'লে—"বাছা, জানকী তোমাৰ মাতৃস্বৰূপা আৰু সকলো প্ৰকাৰে তোমাক স্নেহ কৰা ৰাম তোমাৰ পিতৃস্বৰূপ; য'তে ৰামৰ বাসস্থান, ত'তে অযোধ্যা। য'ত সূৰ্যৰ পোহৰ আছে, তাতে দিন হয়। যদি সঁচাকৈয়ে ৰাম-সীতা বনলৈ যায়, তেন্তে অযোধ্যাত তোমাৰ কোনো কাম নাই। ১-২ ॥

গুৰু, পিতৃ-মাতৃ, ভ্ৰাতৃ-বন্ধু, দেৱতা আৰু স্বামীৰ সেৱা, নিজৰ প্ৰাণৰ কাৰণে যত্ন লোৱাৰ দৰে কৰিব লাগে। তাতে আকৌ ৰামচন্দ্ৰ প্ৰাণৰো প্ৰিয়, হৃদয়ৰো জীৱনস্বৰূপ আৰু সকলোৰে নিঃস্বাৰ্থ বন্ধু। ৩ ॥

জগতত যিমানলৈকে পূজনীয় আৰু পৰম প্ৰিয় লোক আছে; সেই সকলোকে ৰামৰ লগত সম্পৰ্ক জড়িত বুলি মানিবা। ইয়াকে মনত থিৰ কৰি তুমি তেওঁৰ লগত বনলৈ যোৱা বাছা আৰু পৃথিৱীত জীৱন ধৰাটো সাৰ্থক কৰা। ৪ ॥

দোঃ—মই নিজকে উছৰ্গা কৰিছোঁ, মোৰ লগত তুমিও অতি সৌভাগ্যৰ পাত্ৰ হ'লা; কাৰণ তোমাৰ মনে ছল-চাতুৰী এৰি ৰামৰ চৰণত ঠাই ল'লে। ৭৪ ॥

চৌঃ—জগতত তেৱেঁই (প্ৰকৃতাৰ্থত) পুত্ৰৱতী, যাৰ পুত্ৰ ৰঘুপতিৰ ভক্ত। যি ৰামৰ প্ৰতি বিমুখ পুত্ৰ লাভ কৰাকে নিজৰ কল্যাণ বুলি ভাবে, তেওঁ বাঁজী হোৱাই ভাল; কাৰণ পুত্ৰ জন্ম দিয়াটোৱেই অসাৰ্থক হয়। ১ ॥

বাছা, তোমাৰ সৌভাগ্যৰ কাৰণেহে ৰাম বনলৈ বাবলৈ ওলাইছে, অন্য আৰু একো কাৰণ নাই। সমস্ত পুণ্যৰ শ্ৰেষ্ঠ ফল হৈছে ৰাম-সীতাৰ চৰণত সহজ প্ৰীতি। ২ ॥

অনুৰাগ, ক্ৰোধ, ঈৰ্ষা, মদ, মোহ—সপোনতো এইবিলাকৰ বশ নহ'বা। সকলো ধৰণৰ বিকাৰ ত্যাগ কৰি মন, বচন আৰু কৰ্মেৰে ৰাম-সীতাৰ সেৱা কৰিবা। ৩ ॥

যাৰ লগত ৰাম-সীতা পিতৃ-মাতৃ স্বৰূপ হৈ থাকিব, সেই তোমাৰ বনত সকলো প্ৰকাৰে সুখহে হ'ব। ৰামে যাতে বনত কষ্ট নাপায়, তুমি তাকে কৰিবা, বাছা এয়ে মোৰ উপদেশ। ৪ ॥

ছন্দ—বোপা, মোৰ এয়ে উপদেশ, তোমাৰ কাৰণেই যেন ৰাম-সীতাই বনত

সুখ লাভ কৰে আৰু পিতৃ-মাতৃ, প্ৰিয়-পৰিজন তথা নগৰৰ সুখ-সম্ভোগৰ কথা পাহৰি পেলায়।" তুলসীদাসে কৈছে—সুমিত্ৰাই এইদৰে প্ৰভুক (লক্ষ্মণক) উপদেশ দি (বনলৈ যাবলৈ) আজ্ঞা কৰিলে। তাৰ পাছত এই বুলি আশীৰ্বাদ দিলে—"ৰাম-সীতাৰ চৰণত তোমাৰ নিৰ্মল আৰু সুদৃঢ় ভক্তি হওক।"

সোঃ—মাকৰ চৰণত মূৰ দোৱাই মনত ভয়-ভাব লৈ (জানোচা কিবা অঘটন ঘটে) লক্ষ্মণ ততালিকে তাৰপৰা গুচি-গল—যেন হৰিণা এটাহে ভাগ্যৰ বলত মজবুত জাল এখন ফালি পলাই সাৰিলে। ৭৫ ॥

চৌঃ—লক্ষ্মণ জানকীনাথ শ্ৰীৰাম থকা ঠাইলৈ গ'ল। তেওঁ প্ৰিয়জনৰ সংগ পাই মনে মনে অতি আনন্দিত হ'ল আৰু ৰাম-সীতৰ মনোৰম চৰণত প্ৰণাম জনাই তেওঁলোকৰ লগতে ৰাজভৱনলৈ গ'ল। ১ ॥

নগৰৰ নৰ-নাৰীয়ে পৰস্পৰে কোৱাকুই কৰিবলৈ ধৰিলে—বিধাতাই নিজে সজাই-পৰাই লৈ নিজেই ভাঙি দিলে। তেওঁলোকৰ শৰীৰ দুৰ্বল, মন দুঃখিত আৰু মুখ মলিন হ'ল; তেওঁলোক মৌ কাঢ়ি অনাৰ পাছত মৌমাখি বিকল হোৱাৰ দৰে বিকল হৈ পৰিল। ২ ॥

সকলো বিমোৰত পৰিল; তেওঁলোকে মূৰ খুন্দিয়াই খুন্দিয়াই অনুশোচনা কৰিবলৈ ধৰিলে; ডেউকা ভগা চৰাইৰ দৰে সকলো বিয়াকুল হৈ পৰিল। ৰাজদ্বাৰত অতি ভিৰ হ'ল। মানুহৰ সেই অন্ত নপৰা বেজাৰৰ কথা বৰ্ণনা কৰিব নোৱাৰি। ৩ ॥

'ৰামচন্দ্ৰ আহিছে'—এই প্ৰিয় বচন কৈ মন্ত্ৰীয়ে ৰজাক তুলি বহুৱালে। সীতাৰ সৈতে দুয়ো পুত্ৰকে বনলৈ যাবলৈ ওলোৱা দেখি ৰজা অত্যন্ত ব্যাকুল হৈ পৰিল। ৪ ॥

দোঃ—সীতাৰে সৈতে দুয়োজন সুপুত্ৰক চাই চাই ৰজা বিহ্বল হ'ল। তেওঁ বাৰে বাৰে মৰমতে তেওঁলোকক বুকুত সাবটি ধৰিলে। ৭৬ ॥

চৌঃ—ৰজা বিয়াকুল হ'ল, মাত মাতিব নোৱাৰা হ'ল। হৃদয় দাৰুণ শোকে দহিবলৈ ধৰিছে। সেই সময়তে ৰঘুশ্ৰেষ্ঠ ৰামে অতি অনুৰাগেৰে সৈতে চৰণত মূৰ দোৱাই উঠি বিদায় মাগিলে—"হে পিতা, মোক আশীৰ্বাদ কৰক আৰু আদেশ দিয়ক। আনন্দৰ সময়ত আপুনি কিয় শোক কৰিছে? পিতা, প্ৰিয়জনৰ প্ৰতি মৰমৰ বশৱৰ্তী হৈ প্ৰমাদ ঘটালে পৃথিৱীত যশস্যা হেৰায় আৰু অপযশহে হয়।" ১-২ ॥

এই কথা শুনি স্নেহপৰবশ হৈ ৰজা উঠিল আৰু ৰঘুপতি ৰামক বাউসীত

ধৰি ৰহুৱাই লৈ ক'লে—"বাছা, শুনা, তোমাৰ কথা মুনিসকলে এই বুলি কয়—ৰাম চৰাচৰ জগতৰ স্বামী। ৩ ॥

ঈশ্বৰে মনতে বিচাৰ কৰি শুভ আৰু অশুভ কৰ্ম অনুসাৰে ফল দান কৰে। যেনে কৰ্ম কৰা হয়, তেনে ফলকে পোৱা যায়—এয়ে বেদাদি শাস্ত্ৰৰ নীতি, এই কথাকে সকলোৱে কয়। ৪ ॥

দোঃ—[কিন্তু এই সময়ত] অপৰাধ কৰিলে কোনোবাই আৰু ফললাভ কৰিলে কোনোবাই। ভগৱানৰ লীলা অতি বিচিত্ৰ, জগতত কোনে তাক জানিব পাৰে?" ৭৭ ॥

চৌঃ—ৰজাই এইদৰে ৰামচন্দ্ৰক ৰাখিবৰ কাৰণে ছল-চাতুৰী এৰি বহুত উপায় কৰিলে; কিন্তু যেতিয়া তেওঁ ধৰ্মৰ ধৰণী ধৰোঁতা ধীৰ আৰু চতুৰ শ্ৰীৰামৰ মনৰ ভাব বুজিব পাৰিলে আৰু তেওঁ নাথাকিব বুলি জানিলে, তেতিয়া ৰজাই সীতাক বুকুত সাৱটি ধৰিলে আৰু নানা প্ৰকাৰৰ হিত উপদেশ দিলে। বনৰ অসহ্য দুখ-কষ্টৰ কথা কৈ শুনালে। তাৰ পাছত শাহু-শহুৰ আৰু পিতাকৰ লগত থকা সুখৰ কথা বুজাই ক'লে। ১-২ ॥

কিন্তু সীতাৰ মন শ্ৰীৰামৰ চৰণত অনুৰক্ত; গতিকে তেওঁৰ বাবে ঘৰ ভাল নালাগিল আৰু বনলৈকো বেয়া ভাব নুপজিল। তাৰ পাছত সকলো মানুহেই বনত হোৱা অসংখ্য বিপত্তিৰ কথা বুজাই দি সীতাক ক্ষান্ত কৰিব খুজিলে। মন্ত্ৰী সুমন্ত্ৰৰ পত্নী আৰু গুৰু বশিষ্ঠৰ পত্নী তথা অন্য জনা-বুজা তিৰোতা সকলে মৰমেৰে সৈতে কোমল মাতেৰে ক'লে—"তোমাকতো বনবাস দিয়া নাই; গতিকে শাহু-শহুৰ আৰু গুৰুজনে যি কৈছে তুমি তাকে কৰা।" ৩-৪ ॥

দোঃ—এই শীতল, হিতকাৰী, মধুৰ আৰু কোমল উপদেশ শুনি সীতাৰ ভাল নালাগিল; যেন শৰৎকালৰ চন্দ্ৰকিৰণ লাগি চাকৈ-চকোৱা চৰাইহে ব্যাকুল হৈ পৰিল। ৭৮ ॥

চৌঃ—সীতাই সংকোচ কৰি উত্তৰ নিদিলে। এই কথাবোৰ শুনি কৈকেয়ী জ্বলি উঠিল। তেওঁ ঋষি-মুনিৰ বস্ত্ৰ (বাকল), আভূষণ (মালা, মেখলা আদি) আৰু বাচন-বৰ্তন (কমণ্ডলু আদি) আনি শ্ৰীৰামৰ আগত থৈ মৃদু বচনেৰে ক'লে—"ৰঘুশ্ৰেষ্ঠ শ্ৰীৰাম, তুমি ৰজাৰ প্ৰাণৰ সমান প্ৰিয়। স্নেহত দুৰ্বল ৰজাই নিজৰ স্বভাৱ আৰু স্নেহ কেতিয়াও নেৰে। তাৰ বাবে পুণ্য, সুযশ আৰু পৰলোকো লাগিলে নষ্ট হৈ যাওক, তথাপি তেখেতে তোমাক বনলৈ যাবলৈ নকয়। ১—২ ॥

তাকে চাই-চিতি তুমি যি ভাল দেখা কৰা।" মাকৰ উপদেশ শুনি ৰামে বৰ ভাল পালে; কিন্তু এই কথাই ৰজাৰ গাত্ত কাঁড়ে বিন্ধাৰি বিন্ধিলে [তেওঁ ভাবিলে—] "এতিয়াও এই দুৰ্ভগীয়া প্ৰাণ কিয় ওলাই যোৱা নাই?" ৩ ॥

ৰজা মূৰ্চ্ছিত হৈ পৰিল, প্ৰজা বিয়াকুল হ'ল। কি কৰিব কি নকৰিব, কোনেও একো উৱাদিহ নাপালে। ৰামে তত্তাদিকে মুনিৰ বেশ ধাৰণ কৰি পিতৃ-মাতৃক মূৰ দোৱাঁই যাত্ৰা কৰিলে। ৪ ॥

দোঃ—বনৰ সকলো সাজ-সজ্জা কৰি ৰামচন্দ্ৰ পত্নী আৰু ভায়েকেৰে সৈতে ব্ৰাহ্মণ, আৰু গুৰুৰ চৰণ বন্দনা কৰি সকলোকে অচেতন কৰি থৈ গুচি গ'ল। ৭৯ ॥

চৌঃ—ৰাজভৱনৰপৰা ওলাই গৈ ৰাম বশিষ্ঠৰ দুৱাৰমুখত উপস্থিত হ'ল। তেওঁ দেখিবলৈ পালে—সকলো প্ৰজা বিৰহৰ দাবানলত দগ্ধ হৈছে। তেওঁ প্ৰিয় বচনেৰে সকলোকে সান্ত্বনা দিলে। তাৰ পাছত ৰামে ব্ৰাহ্মণসকলক মতালে। গুৰু বশিষ্ঠক কৈ তেওঁলোকক এবছৰৰ কাৰণে ভোজনৰ দ্ৰব্য দান কৰিলে আৰু আদৰ, দান তথা বিনীত ভাৱেৰে তেওঁলোকক মুগ্ধ কৰিলে। তাৰ পাছত যাচকসকলক মান-দান কৰি সন্তুষ্ট কৰিলে আৰু বন্ধু-বান্ধৱসকলক পবিত্ৰ স্নেহেৰে প্ৰসন্ন কৰিলে। ১—২ ॥

তাৰ পাছত দাস-দাসীবোৰক মতাই আনি গুৰুক গতাই দি হাতযোৰ কৰি ক'লে—"হে গোসাঁই, আপুনি এওঁলোকক নিজৰ পিতৃ-মাতৃয়ে কৰাৰ দৰে লালন-পালন কৰিব।" ৩ ॥

ৰামে বাৰে বাৰে হাতযোৰ কৰি সকলোলোক মৃদু বচনৰে ক'বলৈ ধৰিলে—"সেই সকলেই মোৰ কাৰণে সকলো প্ৰকাৰে হিতকাৰী হ'ব, যাৰ চেষ্টাত মহাৰাজ সুখী হ'ব। ৪ ॥

দোঃ—হে পৰম প্ৰবীণ পুৰবাসীসকল! আপোনালোক সকলোৱে এনে উপায় কৰিব, যাতে মোৰ আটাইকেইগৰাকী মাতৃয়েই মোৰ বিৰহ-দুখত আকুল নহয়।" ৮০ ॥

চৌঃ—ৰামে এইদৰে সকলোকে বুজাই-বৰাই গুৰু বশিষ্ঠৰ চৰণ কমলত আকৌ মূৰ দোৱাঁলে। তাৰ পাছত গণপতি, গৌৰী আৰু শিৱক উপাসনা কৰি আশীৰ্বাদ লৈ ৰামে যাত্ৰা কৰিলে। ১ ॥

শ্ৰীৰামে যাত্ৰা কৰাৰ লগে লগে বৰ বিষাদ ঘটিল; নগৰৰ আৰ্তনাদ শুনি থাকিব নোৱাৰা হ'ল। লংকাত অমংগলৰ সূচনা হ'বলৈ ধৰিলে।

অযোধ্যাত শোকৰ ছাঁ পৰিল। দেৱলোকত হৰ্ষ-বিষাদ দুয়োটাই হ'ল (ৰামৰ বনবাসৰ কাৰণে দুখ, ৰাক্ষস-নিধনৰ বাবে আনন্দ হ'ল)। ২ ॥

মূৰ্চ্ছা ভংগ হোৱাত ৰজাই সাৰ পালে আৰু সুমন্ত্ৰক মতাই আনি এই বুলি ক'বলৈ ধৰিলে—"ৰাম বনলৈ গ'ল ; কিন্তু মোৰ প্ৰাণ যোৱা নাই। কি সুখৰ কাৰণেনো ই দেহাৰ মাজত ৰৈ আছে ? ইয়াতকৈ বেছি বলৱান আৰু কি কষ্ট হ'ব পাৰে, যাৰ আঘাতত শৰীৰ এৰি প্ৰাণ ওলাই যাব ? তাৰ পাছত ধৈৰ্য ধৰি ৰজাই কলে—সখি, তুমি ৰথ লৈ ৰামৰ লগত যোৱাঁ। ৩—৪ ॥

দোঃ—অতি সুকুমাৰ ৰাজকুমাৰ দুটিক আৰু সুকুমাৰী সীতাক ৰথত তুলি লৈ বন দেখুৱাই চাৰিদিনৰ পাছত ঘূৰি আহাঁগৈ। ৮১।

চৌঃ—যদি ধৈৰ্যশীল দুয়ো ভাই ঘূৰি নাহে, [নাহিবতো ; কাৰণ] ৰঘুপতি ৰাম সত্যসন্ধ আৰু দৃঢ়ব্ৰত, তেতিয়া তুমি হাত যোৰ কৰি প্ৰাৰ্থনা কৰি ক'বা—হে প্ৰভু, তুমি মিথিলাৰ ৰাজকুমাৰীকে ঘূৰাই পঠোৱাঁ। ১।

যেতিয়া সীতাই বন দেখি ভয় খাব, তুমি সেই চলতে মোৰ এই উপদেশৰ কথাকে ক'বা যে 'তোমাৰ শহুৰ-শাহুৱেৰাই কৈ পঠাইছে—হে পুত্ৰী, তুমি ঘূৰি আহাঁ, বনত বহুত কষ্ট আছে। ২ ॥

'কেতিয়াবা পিতাৰাৰ ঘৰত, কেতিয়াবা শহুৰেৰাৰ ঘৰত, যেতিয়া য'তে তোমাৰ মন যায়, তুমি তাতে থাকিবা।' তুমি এইদৰে বহুত কৌশল কৰি চাবা। যদি সীতা ঘূৰি আহে, মোৰ জীৱটোৱে এটা আলম্বন পাব। নহ'লে অৱশেষত মোৰ মৃত্যুহে হ'বগৈ। বিধাতা বিপৰীত হ'লে কোনোৱেই বশ হৈ নাথাকে। ৰাম, লক্ষ্মণ আৰু সীতাক আনি মোক দেখুউৱাঁহি'—এই বুলি ৰজা মূৰ্চ্ছিত হৈ মাটিত বাগৰি পৰিল। ৩—৪ ॥

দোঃ—ৰজাৰ আজ্ঞা পাই সুমন্ত্ৰই তাক নতশিৰে গ্ৰহণ কৰি অতি বেগাবেগিকৈ ৰথ জুৰিলে আৰু নগৰৰ বাহিৰত সীতাৰে সৈতে দুয়ো ভাই য'ত আছিল তালৈ গ'ল। ৮২ ॥

চৌঃ—তাত গৈ সুমন্ত্ৰই ৰামক ৰজাৰ আদেশৰ কথা জনালে আৰু বহুত অনুনয়-বিনয় কৰি তেওঁক ৰথত তুলিলে। সীতাৰ সৈতে দুয়ো ভাই ৰথত উঠি মনতে অযোধ্যালৈ প্ৰণাম জনাই যাবলৈ ধৰিলে। ১ ॥

শ্ৰীৰামক শুচি যোৱা আৰু অযোধ্যা অনাথ হৈ পৰা দেখি সকলো প্ৰজা তেওঁৰ লগে লগে যাবলৈ ধৰিলে। কৃপাৰ সিন্ধু ৰামে তেওঁলোকক

নানা প্ৰকাৰে বুজালে-বৰালে ; তেতিয়া তেওঁলোক উভটি গল। কিন্তু স্নেহ বশতঃ আকৌ ঘূৰি ঘূৰি আহিবলৈ ধৰিলে। ২ ॥

অযোধ্যাপুৰীখন অতি ভয়ংকৰ হৈ পৰিল, যেন অন্ধকাৰাচ্ছন্ন কালৰাত্ৰিহে। অযোধ্যাৰ প্ৰজাসকলে ইজনে সিজনক দেখিলে, ভয়ানক জীৱ-জন্তু দেখাৰ দৰে ভয় খাবলৈ ধৰিলে। ঘৰ শ্মশান হৈ পৰিল; আত্মীয় পৰিজনক ভূত-প্ৰেতৰ নিচিনা লগা হ'ল; নিজ পুত্ৰ, হিতাকাংক্ষী লোক আৰু মিত্ৰসকলো যমদূতৰ নিচিনা লাগিল। উপবনত গছ-লতাবোৰ লেবেলি শুকাই গ'ল। নদী সৰোবৰ-বোৰলৈ চাবলৈ ভয় লগা হ'ল। ৩-৪ ॥

দোঃ—কোটি কোটি হাতী-ঘোঁৰা, খেলিবলৈ পোহা হৰিণাবোৰ, নগৰৰ অন্য পশুবোৰ, চাতক, ম'ৰা, কুলি, চাকৈচকোৱা, ভাটৌ, মইনা, সাৰস, ৰাজহাঁহ আৰু চকোৰ পক্ষী। ৮৩ ॥

চৌঃ—শ্ৰীৰামৰ বিৰহত এই সকলোবোৰ আকুল হৈ পৰিল; য'তে ত'তে থৰ হৈ বৈ থকা এই পশু-পক্ষীবোৰ ছবিত আঁকি থোৱা যেন লাগিল। অযোধ্যা নগৰীখন যেন ফলেৰে পৰিপূৰ্ণ এখন গভীৰ অৰণ্য আছিল আৰু নগৰবাসী নৰ-নাৰীসকল আছিল বহু ধৰণৰ পশু-পক্ষী। বিধাতাই যেন কৈকেয়ীক ভীল জাতিৰ তিৰোতা (নিষ্ঠুৰ) কৰিহে সৃষ্টি পঠালে, তেওঁ দশোদিশে [অযোধ্যাৰ বনখনত] জুই লগাই দিলে। শ্ৰীৰামৰ বিৰহৰূপী এই জুইকুৰা সহিব নোৱাৰি সকলো প্ৰজা বিয়াকুল হৈ আঁতৰি যাবলৈ ধৰিলে। ১-২ ॥

সকলোৱে মনে মনে ভাবিলে—"ৰাম, লক্ষ্মণ আৰু সীতাৰ অবিহনে সুখ নাই। য'ত শ্ৰীৰাম থাকিব, তাতেই গোটেই সমাজ থাকিব। ৰঘুশ্ৰেষ্ঠ শ্ৰীৰামৰ অবিহনে অযোধ্যাত আমাৰ কাম নাই।" ৩ ॥

এই ভাবকে দৃঢ় কৰি সকলোৱে দেৱৰো দুৰ্লভ ভোগ থকা ঘৰ-দুৱাৰ এৰি ৰামৰ লগত যাবলৈ ধৰিলে। শ্ৰীৰামৰ চৰণ পংকজ যাৰ প্ৰিয়, তেওঁক কি বিষয়ভোগে বশ কৰিব পাৰে ? ৪ ॥

দোঃ—শিশু আৰু বৃদ্ধসকলক ঘৰত এৰি সকলো গৈ ৰামৰ লগ লাগিল। প্ৰথম দিনা শ্ৰীৰামে তমসাৰ পাৰত বাস কৰি থাকিলে। ৮৪ ॥

চৌঃ—প্ৰজাবৃন্দক স্নেহকাতৰ অৱস্থাত দেখি সদয় ৰঘুপতিৰ অন্তৰত ৰব দুখ লাগিল। ৰঘুপতি ৰামচন্দ্ৰ গোসাঁই করুণাময়, তেওঁ ততালিকে পৰৰ দুখ অনুভৱ কৰিলে। ১ ॥

স্নেহভৰা সুন্দৰ মৃদু বচনেৰে শ্ৰীৰামে প্ৰজাসকলক নানা প্ৰকাৰে বুজাবলৈ

ধৰিলে আৰু বহু ধৰণৰ ধৰ্ম উপদেশ দিলে; কিন্তু স্নেহত কাতৰ হৈ ঘূৰাই পঠালতো প্ৰজাবৃন্দ ঘূৰি নগ'ল ! ২ ॥

সুচৰিত্ৰ আৰু স্নেহভাৱ ত্যাগ কৰিব নোৱাৰি ৰঘুপতি দোধোৰ-মোধৰত পৰিল। শোক আৰু পৰিশ্ৰমৰ কাৰণে প্ৰজাসকলৰ টোপনি ধৰিলে আৰু যেন কিবা দেৱতাৰ মায়াতহে তেওঁলোকৰ বুদ্ধি মোহগ্ৰস্ত হ'ল। ৩ ॥

যেতিয়া নিশা দুপৰ হৈ গ'ল, তেতিয়া প্ৰীতিভাৱেৰে সৈতে ৰামে মন্ত্ৰী সুমন্ত্ৰক ক'লে—হে পিতৃতুল্য মন্ত্ৰীবৰ, আপুনি চকাৰ চিন মাৰি ৰথ চলাই দিয়ক। নহ'লে আৰু কোনো উপায়েৰেই কাৰ্যসিদ্ধি নহ'বগৈ। ৪ ॥

দোঃ—মহাদেৱৰ চৰণত প্ৰণতি জনাই ৰাম, লক্ষ্মণ আৰু সীতা ৰথত উঠিল। মন্ত্ৰীয়ে তুৰন্তে ইফালে-সিফালে চিন-মোকাম থাকি নোযোৱা উপায় কৰি ৰথখন চলাই দিলে। ৮৫ ॥

চৌঃ—ৰাতিপুৱা মানুহবোৰে যেতিয়া সাৰ পালে, তেতিয়া ৰঘুপতি গুচি গ'ল বুলি হুলস্থুল লাগিল। ক'তো ৰথ যোৱাৰ চিন পোৱা নগ'ল; সকলোৱেই "হা ৰাম, হা ৰাম" কৰি চাৰিওফালে ঢাপলি মেলিলে। যেন সাগৰত জাহাজ ডুবিলত সদাগৰবিলাকহে ব্যাকুল হৈ পৰিল। তেওঁলোকে ইজনে সিজনক উপদেশ দি ক'বলৈ ধৰিলে—"প্ৰভু ৰামে আমাৰ কষ্ট হোৱা দেখি আমাক এৰি থৈ গ'ল।" ১-২ ॥

তেওঁলোকে নিজকে ধিক্কাৰ দিলে আৰু মাছবিলাকক প্ৰশংসা কৰিলে (ৰাম নোহোৱাতো তেওঁলোক জীয়াই আছে ; পানী নহ'লে কিন্তু মাছে প্ৰাণ ত্যাগ কৰে)। "ৰঘুশ্ৰেষ্ঠ ৰামৰ অবিহনে আমাৰ জীৱন ধিক্।" যিজন বিধাতাই প্ৰিয়জনৰ বিয়োগত দুখ সৃষ্টি কৰিব পাৰিলে, তেওঁনো বিচাৰিলে মৃত্যু দান নকৰে কিয় ?" ৩ ॥

এইদৰে বহুত বিলাপ কৰি কৰি তেওঁলোক সন্তাপেৰে ভৰি পৰা অযোধ্যালৈ ঘূৰি আহিল। তেওঁলোকৰ ভয়ানক বিয়োগ-দুখৰ কথা বৰ্ণনা কৰিব নোৱাৰি। তেওঁলোকে বনবাসৰ শেষ হোৱালৈ বাট চাইহে জীৱন ধাৰণ কৰি থাকিব পাৰিলে। ৪ ॥

দোঃ—[অযোধ্যাৰ] নৰ-নাৰীয়ে ৰামৰ দৰ্শন পাবৰ কাৰণে ব্ৰত-নিয়মাদি পালন কৰিবলৈ ধৰিলে। সূৰ্যৰ অবিহনে চাকৈ-চকোৱা দম্পতী আৰু পদুম ফুলৰ দৰেই তেওঁলোকে দীন-হীন হৈ পৰিল। ৮৬ ॥

চৌঃ—সীতা আৰু মন্ত্ৰীৰে সৈতে দুয়ো ভাই শৃংগবেৰপুৰত উপস্থিত হ'লগৈ।

তাত দেৱনদী গংগাক দেখি নামি গৈ ৰামে অতি আনন্দেৰে দণ্ডৱৎ প্ৰণাম কৰিলে। লক্ষ্মণ, সুমন্ত্ৰ আৰু সীতায়ো প্ৰণাম কৰিলে। সকলোৰে সৈতে শ্ৰীৰাম আনন্দিত হ'ল। গংগা দেৱী সমস্ত আনন্দৰ মূলস্বৰূপা। তেওঁ সকলো সুখ বিধান কৰে আৰু সকলো দুখ হৰণ কৰে। ১-২ ॥

অনেক কথাৰ প্ৰসংগ বৰ্ণনা কৰি কৰি ৰামে গংগাৰ তৰংগমালালৈ চাবলৈ ধৰিলে। মন্ত্ৰী, ভ্ৰাতৃ আৰু প্ৰিয়তমাক তেওঁ গংগাৰ অনেক মহিমাৰ কথা কৈ শুনালে। ৩ ॥

তাৰ পাছত সকলোৱেই গংগাত স্নান কৰিলে। তেতিয়া তেওঁলোকৰ সমস্ত পথৰ ক্লান্তি দূৰ হ'ল। পৱিত্ৰ গংগাজল পান কৰাৰ লগে লগে মন প্ৰসন্ন হৈ উঠিল। যাক (ৰাম-সীতা আদিক) স্মৰণ কৰিলে মহান্ ক্লেশ দূৰ হৈ যায়, তেওঁলোকৰ 'শ্ৰম' হোৱাটো লৌকিক আচৰণ (নৰ-লীলা) মাত্ৰ। ৪ ॥

দোঃ—শুদ্ধ সচ্চিদানন্দ, সকলোৰে মূল সূৰ্যবংশৰ পতাকা শ্ৰীৰামচন্দ্ৰই সামান্য মানুহৰ নিচিনাকৈ যিবোৰ কাম কৰি দেখুৱাইছে, সেইবোৰ (লীলা) সংসাৰ-সমুদ্ৰ তৰণৰ (ভক্তসকলৰ কাৰণে) সেতু স্বৰূপ। ৮৭ ॥

চৌঃ—যেতিয়া নিষাদৰাজ গুহই এই খবৰ পালে, তেতিয়া তেওঁ আনন্দিত হৈ প্ৰিয়জন আৰু ভাই-বন্ধুসকলক মতাই আনিলে আৰু উপহাৰ দিবলৈ ফল-মূলেৰে ভাৰ ভৰাই লৈ ৰামক সাক্ষাৎ কৰিবলৈ আগ বাঢ়ি গ'ল। তেওঁৰ হৃদয়ত আনন্দৰ পাৰ নোহোৱা হ'ল। ১ ॥

দণ্ডৱৎ হৈ উপহাৰসমূহ সন্মুখত ৰাখি তেওঁ অতি অনুৰাগেৰে সৈতে প্ৰভুৰ ফালে চাবলৈ ধৰিলে। সহজ স্নেহৰ বশৱৰ্তী ৰঘুনাথে তেওঁক ওচৰত বহুৱাই লৈ কুশল প্ৰশ্ন কৰিলে। ২ ॥

(গুহই ক'লে—) "হে নাথ! আপোনাৰ পদ-পংকজ দেখিবলৈ পোৱাত আমাৰ মংগল ঘটিছে। আজি মই ভাগ্যবান পুৰুষসকলৰ শাৰীত পৰিলোঁ। হে দেৱ, এই পৃথিৱী, ধন-সোণ, ঘৰ-দুৱাৰ সকলো আপোনাৰেই; মই মাত্ৰ পৰিয়ালেৰে সৈতে আপোনাৰ তলতীয়া সামান্য সেৱকহে। ৩ ॥

এতিয়া কৃপা কৰি আপুনি নগৰৰ ভিতৰলৈ ব'লক আৰু এই দাসৰ প্ৰতিষ্ঠা বৃদ্ধি কৰক; সকলোৱে যাতে মোৰ ভাগ্য বখানিব পাৰে।" ৰামে ক'লে—"হে অভিজ্ঞ মিত্ৰ! তুমি যি কৈছা, সেই সকলো সঁচা; কিন্তু মোক পিতাই অন্য এটা আদেশ দিছে। ৪।

দোঃ—(সেই মতে) মই চৈধ্য বছৰ পৰ্যন্ত মুনিৰ বেশ ধাৰণ কৰি আৰু মুনিৰ ব্ৰত পালন কৰি, মুনিৰ যোগ্য আহাৰ খাই বনত বাস কৰিব লাগিব। গতিকে মই গাঁৱৰ ভিতৰলৈ গৈ বাস কৰাটো উচিত নহয়। এই কথা শুনি গুহৰ বৰ দুখ লাগিল। ৮৮ ॥

চৌঃ—ৰাম, সীতা আৰু লক্ষ্মণৰ ৰূপ-লাৱণ্য দেখি গাঁৱৰ পুৰুষ-তিৰোতা সকলোৱে অতি চেনেহ ভাবেৰে সেই কথা আলোচনা কৰিবলৈ ধৰিলে। [কোনোৱে ক'লে—) "সখী, কোঁৱাঁচোন এনেহেন ল'ৰাকেইটি বনলৈ পঠাই দিছে, সেই মাক-বাপেকবোৰ বাক কেনে ?" ১ ॥

অন্য এজনে ক'লে—"ৰজাই ভালকে কৰিলে ; এই চলতে বিধাতাই আমাৰ নয়ন সাৰ্থক কৰিলে।" তাৰ পাছত নিষাদৰাজে মনে মনে ভাবিলে—"অশোক গছতেই (গছৰ তলেই) তেওঁলোক থাকিবলৈ সুন্দৰ হ'ব।" ২ ॥

তেওঁ ৰামক নি সেই ঠাই দেখুৱালেগৈ। ৰামে ক'লে—"সকলো প্ৰকাৰে সুন্দৰ হ'ব।" পুৰবাসীসকলে প্ৰণাম জনাই নিজ নিজ ঘৰলৈ গ'লগৈ। ৰঘুপতি সন্ধ্যা-বন্দনা কৰিবলৈ লাগিল। ৩ ॥

গুহই কুশবন আৰু কোমল গছপাতেৰে সুন্দৰকৈ শয্যা পাৰিলে। পৱিত্ৰ, মিঠা আৰু কোমল চাই চাই ফল-মূল আৰু পানীও দোনা সাজি তাত ভৰাই ভৰাই থ'লে। ৪ ॥

দোঃ—সীতা, সুমন্ত্ৰ আৰু ভায়েক লক্ষ্মণেৰে সৈতে ফল-মূল-কন্দ ভোজন কৰি ৰঘুনাথ শয্যাত কাটি হ'ল ; ভায়েকে তেওঁৰ ভৰি পিটিকি থাকিল। ৮৯ ॥

চৌঃ—প্ৰভুৰ টোপনি গ'ল বুলি জানি লক্ষ্মণে উঠিল আৰু তেওঁ মৃদু বচনেৰে মন্ত্ৰীক শুবলৈ কৈ তাৰপৰা অলপ আঁতৰত ধনু-শৰ লৈ বীৰাসন কৰি বহি লৈ পহৰা দিবলৈ ধৰিলে। ১ ॥

গুহই বিশ্বাসৰ পাত্ৰ পালি-পহৰীয়াবোৰক মাতি আনি অতি মৰম-সাদৰ কৰি ঠায়ে ঠায়ে নিয়োগ কৰিলে আৰু নিজেও কমৰত তূণ বান্ধি, ধনুত শৰ লগাই লক্ষ্মণৰ ওচৰত গৈ বহি থাকিল। ২ ॥

প্ৰভুক মাটিত শুই থকা দেখি নিষাদৰাজৰ মনত বৰ বেজাৰ লাগিল। তেওঁৰ শৰীৰ পুলকিত হ'ল আৰু চকুৰপৰা পানী ব'বলৈ ধৰিলে। তেওঁ স্নেহভাবেৰে সৈতে লক্ষ্মণক ক'লে—"ৰজা দশৰথৰ ৰাজভৱন স্বভাবতে ধুনীয়া, ইন্দ্ৰৰ ভৱনো ইয়াৰ তুল্য নহয়। তাত সুন্দৰ মণি-ৰত্নেৰে সজা সুন্দৰ তূপ লগোৱা আছে। সেইবোৰ দেখি এনেকুৱাহে লাগে যেন ৰতিপতি কামদেৱেহে নিজ হাতে সাজি থৈছে।৩৪।

দোঃ—[সেই ৰাজভৱন] পবিত্ৰ, অতি বিচিত্ৰ, সুন্দৰ ভোগেৰে পৰিপূৰ্ণ, ফুলৰ গোন্ধেৰে আমোল-মোলাই থাকে। তাত সুন্দৰ পালেং, মণিৰে নিৰ্মাণ কৰা দীপ আৰু সকলো ধৰণৰ আৰামৰ আহিলা আছে। ৯০ ॥

চৌঃ—অনেক বস্ত্ৰ, গাখীৰৰ ফেনৰ দৰে কোমল আৰু পৰিষ্কাৰ সুন্দৰ গাদী আৰু গাৰু আছে। তাতে ৰাতি ৰাম-সীতাই শয়ন কৰে আৰু নিজৰ শোভাৰে ৰতি আৰু কামদেৱৰ গৰ্ব চূৰ্ণ কৰে। ১ ॥

সেই ৰাম-সীতাই আজি খাঁহৰনেৰে সজা কঠত, ভাগৰে-জোগৰে কাপোৰ-কানি নোহোৱাকৈ শুই আছে ; এই অৱস্থা চাব নোৱাৰি। পিতৃ-মাতৃ, আত্মীয়-কুটুম্ব, পুৰবাসী, মিত্ৰ আৰু সৎচৰিত্ৰবান দাস-দাসী—এই সকলোৱেই যাক নিজৰ প্ৰাণ যেন জ্ঞান কৰি সেৱা শুশ্ৰূষা কৰিছিল, সেই ৰামচন্দ্ৰ গোসাঁই আজি মাটিত শুইছে। যাৰ পিতৃ হৈছে জগতত প্ৰসিদ্ধ প্ৰভাৱশালী জনক ৰজা, যাৰ শহুৰ হৈছে ইন্দ্ৰৰ সখা ৰঘুপতি দশৰথ ; যাৰ পতি হৈছে ৰামচন্দ্ৰ, সেই বিদেহ-ৰাজকুমাৰীও আজি মাটিত শুইছে। বিধাতানো কালৈ বাম নহয় ? ৰাম-সীতা কি বনবাসৰ যোগ্য ? মানুহে সঁচা কথাকে কয়—বোলে ভাগ্যহে (কৰ্মফল) আচল কথা। ২—৪ ॥

দোঃ—কেকয়-ৰাজকুমাৰী মন্দমতি কৈকেয়ীয়ে বৰ কুটিল কাম কৰিলে—তেওঁ ৰঘুনন্দন ৰামক আৰু জনককন্যা সীতাক সুখ ভোগ কৰাৰ সময়ত দুখ দিলে। ৯১ ॥

চৌঃ—তেওঁ সূৰ্যবংশৰূপী বৃক্ষৰ কাৰণে কুঠাৰস্বৰূপ হ'ল। এই মন্দমতিয়ে গোটেই জগতখনকে দুখত পেলালে।" ৰাম-সীতাক মাটিত শুই থকা দেখি নিষাদৰাজৰ এইদৰে বৰ দুখ লাগিল। ১ ॥

তেতিয়া লক্ষ্মণে জ্ঞান, বৈৰাগ্য আৰু ভক্তিৰসেৰে মিশ্ৰিত মধুৰ আৰু মৃদু বচনেৰে ক'লে—"ভাই নিষাদৰাজ, কোনেও কাকো সুখ বা দুখ দিব নোৱাৰে ; সকলোৱেই নিজৰ কৃত কৰ্মৰ ফল ভোগ কৰে। ২ ॥

সংযোগ, বিয়োগ, ভাল, বেয়া ভোগ, শত্ৰু, মিত্ৰ আৰু উদাসীনতা এই সকলোবোৰ ভ্ৰান্তিৰ জালহে। জন্ম, মৃত্যু, সম্পত্তি, বিপত্তি, কৰ্ম আৰু কাল—এইবোৰ যিমানলৈকে সংসাৰৰ জঞ্জাল আছে, মাটি-বাৰী, ঘৰ-দুৱাৰ, ধন-সম্পদ, নগৰ, পৰিয়াল-পৰিজন, স্বৰ্গ-নৰক আদি যিমানলৈকে ব্যৱহাৰৰ সম্পৰ্ক হ'ব পাৰে, দেখা, শুনা আৰু মনৰ ভিতৰত বিচাৰ কৰিবপৰা যিমান আছে—এই সকলোৰে মূল হৈছে মোহ-অন্ধকাৰহে ; যথাৰ্থতে এইবোৰৰ অস্তিত্ব নাই। ৩।৪ ॥

দোঃ—যেনেকৈ সপ্নত ৰজা ভিঙাৰী হয়, কঙাল লোক স্বৰ্গৰ অধিপতি হয়; পিছে সাৰ পোৱা মাত্ৰকে সেইবোৰৰপৰা একো লাভ-লোকচান নহয়, এই জগৎপ্ৰপঞ্চকো তেনে বুলিয়েই মনতে ভাবিব লাগে। ৯২ ॥

চৌঃ—এইদৰে নিশ্চয় কৰি কৈ ক্ৰোধ কৰিবও নালাগে আৰু কাকো মিছাতে দোষ দিবও নালাগে। সকলো মানুহেই অজ্ঞানৰূপ ৰাতিত শুই আছে আৰু শুই থাকোঁতে তেওঁলোকে অনেক প্ৰকাৰৰ সপ্ন দেখে। ১ ॥

এই জগৎৰূপী ৰাতি যোগীসকলেহে সাৰ পাই থাকে; তেওঁলোক পৰমতত্ত্বজ্ঞ আৰু জগৎপ্ৰপঞ্চৰপৰা আঁতৰত স্থিত। জগতত জীৱ তেতিয়াহে জাগ্ৰত হৈ আছে বুলি বুজিব লাগিব, যেতিয়া ই সম্পূৰ্ণ ভোগ-বিলাসৰ প্ৰতি বিৰক্ত হয়। ২ ॥

বিবেক উপজিলেই মোহৰূপী ভ্ৰম দূৰ হয়, তেতিয়াই (পৰমেশ্বৰ) ৰঘুপতিৰ চৰণত ৰতি হয়। সখি! মন, বচন আৰু কৰ্মেৰে সৈতে শ্ৰীৰামৰ চৰণত ৰতি হোৱাটোৱেই শ্ৰেষ্ঠ পৰমাৰ্থ। ৩ ॥

ৰাম পৰমাৰ্থস্বৰূপ পৰম ব্ৰহ্ম। তেওঁ অবিদিত, অলক্ষ্য, অনাদি, অনুপম, সমস্ত বিকাৰৰপৰা মুক্ত আৰু ভেদশূন্য। তেওঁক বেদেও 'নেতি, নেতি' বুলিহে নিৰ্ণয় কৰিছে। ৪ ॥

দোঃ—সেই কৃপালু শ্ৰীৰামে ভক্ত, ভূমি, ব্ৰাহ্মণ, গোজাতি আৰু দেৱতা-সকলৰ কল্যাণৰ অৰ্থে মনুষ্য শৰীৰ ধৰি লীলা কৰিছে; এই লীলা শ্ৰৱণ কৰিলে সংসাৰৰ জঞ্জালৰপৰা মুক্ত হ'ব পাৰি। ৯৩ ॥

চৌঃ—সখি, এই বুলি জানি মোহ ত্যাগ কৰি ৰাম-সীতাৰ চৰণত ৰতি স্থাপন কৰাঁ।" এইদৰে শ্ৰীৰামৰ গুণ-কীৰ্তন কৰি থাকোঁতেই ৰাতি পুৱাল। তেতিয়া জগতৰ মংগল স্বৰূপ আৰু সুখদাতা শ্ৰীৰামে সাৰ পালে। ১ ॥

শুচি হ'বৰ কাৰণে সকলো প্ৰাতঃকৃত্য কৰি পবিত্ৰ আৰু অভিজ্ঞ শ্ৰীৰামে স্নান কৰিলে। তাৰ পাছত বৰগছৰ আঠা অনাই ভায়েকৰ সৈতে আঠা সানি মূৰত জঁটা বান্ধি ল'লে। তাকে দেখি সুমন্ত্ৰৰ চকু পানীৰে চলচলীয়া হ'ল। ২ ॥

তেওঁৰ হৃদয় দগ্ধ হ'বলৈ ধৰিলে, মুখ মলিন। তেওঁ হাতযোৰ কৰি অতি কাতৰভাৱে ক'লে—"হে নাথ, মোক কোশলৰ অধিপতি দশৰথে এই আজ্ঞা দিছিল—'তুমি ৰথ লৈ ৰামৰ লগত যোৱাঁ; বন দেখুৱাই আৰু গংগাস্নান কৰাই দুয়ো ভাইকে শীঘ্ৰে লৈ আহাঁগৈ। সকলো

সংশয় আৰু সংকোচ দূৰ কৰি তুমি যাধ, লক্ষ্মণ আৰু সীতাক ঘূৰাই আনাগৈ। ৩—৪ ॥

দোঃ—"মহাৰাজ দশৰথে এইদৰে কৈ পঠাইছিল। এতিয়া প্ৰভুৱে যি কয় মই তাকে কৰিম। আপোনাৰ আদেশ পালনৰ বাবে মই যি লাগে কৰিব পাৰোঁ।" এইদৰে অনুনয় বিনয় কৰি তেওঁ শ্ৰীৰামৰ চৰণত বাগৰি পৰিল আৰু সক ল'ৰাৰ দৰে কান্দিবলৈ ধৰিলে। ৯৪ ॥

চৌঃ—(তেওঁ ক'লে—) "হে বাপ! কৃপা কৰি এনেকুৱা বিধান কৰক যাতে অযোধ্যা অনাথ নহয়।" ৰামে মন্ত্ৰীক তুলি ধৰি প্ৰবোধ দি ক'লে— "হে পিতৃতুল্য মন্ত্ৰীবৰ, আপুনি ধৰ্মৰ সকলো সিদ্ধান্তকে দেখোন তন্ন তন্নকৈ জানে। শিবি, দধীচি আৰু ৰজা হৰিশ্চন্দ্ৰই ধৰ্মৰ কাৰণে অশেষ কষ্ট সহ্য কৰিলে। জ্ঞানী ৰজা ৰন্তিদেৱ আৰু বলিয়ে নানা সংকট সহ্য কৰিও ধৰ্ম ত্যাগ নকৰিলে। ১—২ ॥

আগম, নিগম, পুৰাণ সকলোতে কোৱা হৈছে যে সত্যৰ সমান আৰু দ্বিতীয় ধৰ্ম নাই। মই সেই ধৰ্ম অতি সহজত পালোঁ, এই ধৰ্মতে ত্যাগ কৰিলে তিনিও লোকতে মোৰ অপযশ বিয়পি পৰিব। ৩ ॥

সন্মানিত লোকৰ কাৰণে অপযশপ্ৰাপ্তি কোটি মৃত্যুতকৈও দাৰুণ সন্তাপদায়ক। মন্ত্ৰীবৰ মই আপোনাক আৰু অধিক কি ক'ম? ঘূৰাই উত্তৰ দিলেও পাপৰহে ভাগী হ'ম। ৪ ॥

দোঃ—আপুনি ঘূৰি গৈ পিতাৰ চৰণত ধৰি শতকোটি প্ৰণাম জনাই হাতযোৰ কৰি এই বুলি নিবেদন কৰিব—'পিতা, আপুনি মোৰ কাৰণে একো কথাকে চিন্তা নকৰিব।' ৯৫ ॥

চৌঃ—আপুনিও পিতাৰ দৰেই মোৰ হিতাকাংক্ষী। হে পিতৃ, মই হাত যোৰ কৰি আপোনাক প্ৰাৰ্থনা কৰি কৈছোঁ—পিতাই যাতে আমাৰ চিন্তাত কষ্ট নাপায়; সকলো প্ৰকাৰে তাৰ উপায় কৰাটো আপোনাৰ কৰ্তব্য।" ১ ॥

ৰঘুপতি আৰু সুমন্ত্ৰৰ এই কথা-বতৰা শুনি নিষাদৰাজ আত্মীয়-স্বজন-সকলেৰে সৈতে অতি বিয়াকুল হৈ পৰিল। তেতিয়া লক্ষ্মণে (সুমন্ত্ৰক) অলপ কটু কথা ক'লে। প্ৰভু শ্ৰীৰামে সেই কাম অতি অনুচিত বুলি বুজি লক্ষ্মণক মানা কৰিলে। ২ ॥

শ্ৰীৰামে শংকিত হৈ নিজৰ শপত দি সুমন্ত্ৰক ক'লে—লক্ষ্মণৰ কথাবোৰ যেন তেওঁ কৈ নিদিয়েগৈ। তাৰ পাছত সুমন্ত্ৰই আকৌ ৰজাৰ বাণী শুনাই

ক'লে—"সীতাই বনৰ কষ্ট সহ্য কৰিব নোৱাৰে। গতিকে সীতা যাতে অযোধ্যালৈ ঘূৰি আহে, সেই উদ্দেশ্যে ৰাম আৰু তুমি যত্ন কৰিবা। নহয়'লে পানী নোহোৱা মাছৰ দৰে ময়ো আলম্বনবিহীন হৈ জীয়াই থাকিব নোৱাৰিম।" ৩-৪ ॥

দোঃ—সীতাৰ মাকৰ ঘৰত আৰু শহুৰেকৰ ঘৰত সকলো সুখৰ যত্ন আছে। যেতিয়ালৈকে এই বিপত্তি শেষ নহয়, তেতিয়ালৈকে তেওঁৰ য'তে মন যায়, ত'তে সুখেৰে থাকক্‌হি। ৯৬ ॥

চৌঃ—ৰজাই যি ধৰণেৰে অনুৰোধ কৰিছে, সেই কাতৰতা আৰু স্নেহৰ কথা বৰ্ণনাই কৰিব নোৱাৰি। কৃপানিধি ৰামে পিতাকৰ আজ্ঞা শুনি সীতাক নানা প্ৰকাৰে উপদেশ দিবলৈ ধৰিলে। ১ ॥

[ৰামে কলে—] "যদি তুমি ঘৰলৈ ঘূৰি যোৱাঁ, তেনেহ'লে শাহু-শহুৰ, গুৰু, প্ৰিয়জন আৰু আত্মীয়-স্বজন সকলোৰে চিন্তা দূৰ হ'ব।" পতিৰ কথা শুনি জানকীয়ে ক'লে—"হে প্ৰাণপতি, হে পৰম স্নেহশীল! শুনক প্ৰভু, আপুনি করুণাময় আৰু পৰম বিবেকী, শৰীৰ এৰি ছাঁ ক'ত বৈ থাকিব পাৰে? সূৰ্যক এৰি সূৰ্যৰ কিৰণ ক'লৈ যাব? চন্দ্ৰক এৰি জোনাক ক'ত থাকিব পাৰে?" ২।৩ ॥

এইদৰে স্বামীক প্ৰেমপূৰ্ণ প্ৰাৰ্থনা জনাই সীতাই মন্ত্ৰীক সুন্দৰ বচনেৰে ক'বলৈ ধৰিলে—"আপুনি মোৰ পিতৃ আৰু আৰু শহুৰৰ দৰে হিতাকাংক্ষী। আপোনাৰ কথাত যে মই উত্তৰ দিছোঁ, এইটো বৰ অনুচিত কথা কৈছে। ৪ ॥

দোঃ—কিন্তু হে পিতৃ! মই আতুৰ অৱস্থাতহে আপোনাৰ সন্মুখীন হ'ব লগীয়া হৈছোঁ। আপুনি অন্য বেয়াভাৱে নল'ব। আৰ্যপুত্ৰৰ চৰণকমলৰ অবিহনে, জগতত যিমানবোৰ সম্বন্ধ আছে, সেই সকলোবোৰ মোৰ বাবে অৰ্থহীন। ৯৭ ॥

চৌঃ—মই পিতাৰ ঐশ্বৰ্য-বিলাস দেখিছোঁ; তেখেতৰ চৰণ-পীঠত শ্ৰেষ্ঠ ৰজাসকলৰ মণিময় মুকুটৰ সমাবেশ ঘটে। সেইহেন পিতাৰ ঘৰ সকলো প্ৰকাৰৰ সুখৰ নিধি হোৱা সত্বেও, পতিৰ অবিহনে ভুলতো সি মোৰ মনত আনন্দ দিব নোৱাৰে। ১ ॥

মোৰ শহুৰ কোশলৰাজ এজন চক্ৰবৰ্তী সম্ৰাট; তেখেতৰ প্ৰভাৱ চৈধ্য ভুবনত প্ৰকাশ পাব লাগিছে। যাক ইন্দ্ৰয়ো আগবাঢ়ি গৈ স্বাগত জনায় আৰু নিজৰ সিংহাসনৰ অৰ্ধভাগত বহিবলৈ ঠাই দিয়ে, সেইহেন শহুৰ, অযোধ্যাৰ বাসস্থান, প্ৰিয় পৰিয়াল-পৰিজন আৰু মাতৃতুল্য শাহুসকল—

ইয়াৰ একোৱেই ৰঘুপতিৰ চৰণকমলৰ ধূলাৰ অবিহনে মোৰ বাবে সপ্নতো সুখদায়ক নহয়। ২-৩॥

দুৰ্গম পথ, বনভূমি, পাহাৰ, হাতী, সিংহ, গভীৰ নদী-সৰোবৰ, কোল-ভীললোক, হৰিণা, চৰাই—এই সকলোবোৰ প্ৰাণপতিৰ লগত থাকোঁতে মোৰ বাবে সুখদায়ক হ'ব। ৪॥

দোঃ—গতিকে শহুৰ-শাহুৰ চৰণত ধৰি, মোৰ হৈ প্ৰাৰ্থনা কৰিবগৈ, যাতে তেখেতসকলে মোৰ বাবে একো চিন্তা নকৰে, আৰু মই বনত অতি সুখী হৈছোঁ। ৯৮॥

চৌঃ—বীৰসকলৰ ভিতৰত অগ্ৰগণ্য, ধনু আৰু তূণ ধাৰণ কৰি থকা মোৰ প্ৰাণনাথ আৰু মৰমৰ দেওৰ মোৰ লগত আছে; গতিকে মোৰ পথৰ শ্ৰম নাই, (কোনো প্ৰকাৰৰ) ভ্ৰান্তি নাই আৰু মনত কোনো দুখো নাই। আপোনা-লোকে ভুলতো মোৰ বাবে চিন্তা নকৰিব।" ১॥

মণি হেৰুৱাই সাপ বিকল হৈ পৰাৰ দৰে সীতাৰ এই শীতল বচন শুনি সুমন্ত্ৰ বিহ্বল হৈ পৰিল। তেওঁ চকুৰে একো নেদেখা হ'ল; কাণেৰে একো নুশুনা হ'ল। তেওঁ অতি বিয়াকুল হ'ল; কোনো কথা ক'ব নোৱাৰিলে। ২॥

ৰামে তেওঁক অনেক প্ৰবোধ দিলে; তথাপি তেওঁৰ বুকু জুৰ নপৰিল। লগত ঘূৰাই নিবলৈ মন্ত্ৰীয়ে অনেক যত্ন কৰিলে; কিন্তু ৰামে তাৰ উচিত প্ৰত্যুত্তৰহে দিলে। ৩॥

শ্ৰীৰামৰ আজ্ঞা লংঘন কৰিব নোৱাৰি। কৰ্মৰ (ভাগ্যৰ) গতিও অতি কঠিন; ইয়াক কোনেও লৰ-চৰ কৰিব নোৱাৰে। এই সকলো কথা ভাবি ৰাম-লক্ষ্মণ আৰু সীতাৰ চৰণত প্ৰণতি জনাই সুমন্ত্ৰ এনেধৰণে উলটি গ'ল, যেন মূলধন হেৰুৱাই উলটি যোৱা বেপাৰীহে। ৪॥

দোঃ—সুমন্ত্ৰই ৰথ ডাকিলে, ঘোঁৰাবিলাকে শ্ৰীৰামৰ ফালে চাই চাই (দুখেৰে) হিঁ হিঁয়াবলৈ ধৰিলে। তাকে দেখি নিষাদসকলেও বেজাৰ পাই মূৰত ভুকুৱাই শোক কৰিবলৈ ধৰিলে। ৯৯॥

চৌঃ—যাৰ বিয়োগত পশুবোৰো এইদৰে ব্যাকুল হৈছে, তেওঁৰ বিয়োগত পিতৃ-মাতৃ আৰু প্ৰজাবৃন্দই কেনেকৈ জীৱন ধাৰণ কৰি থাকিব? ৰামে বলেৰে সুমন্ত্ৰক ঘূৰাই পঠালে। তাৰ পাছত তেওঁ গংগাৰ পাৰলৈ গ'ল। ৰামবীয়াক নাও বিচাৰিলে; কিন্তু সি নাও নানিলে। সি ক'লে—"মই তোমাৰ বহস্য

বুজিছোঁ। সকলো মানুহেই কয়—যোৱে তোমাৰ চৰণ-কমলৰ ধূলা হেনো (জড় বস্তুক) মানুহ কৰা এক ঔষধ। ১-২ ॥

ইয়াৰ স্পৰ্শ লগা মাত্ৰকে শিল এচটাও সুন্দৰী তিৰোতা হৈ পৰিল। কাঠ শিলতকৈতো টান নহয়। মোৰ নাওখনো কেনেবাকৈ মুনিৰ পত্নী হৈ পৰিব আৰু তেতিয়া নাওখনৰ অভাৱত মোৰ কি দশা হ'ব? ডকাইতে লুটি নিয়া মানুহৰ নিচিনাই হ'ব। ৩ ॥

মই এই নাওখনেৰেই গোটেই পৰিয়ালটো পোহোঁ; অন্য একো ব্যৱসায় নাজানো। হে প্ৰভু! আপুনি যদি নিতান্তই পাৰ হ'ব লাগে, তেন্তে মোক আপোনাৰ চৰণ-কমল ধুৱাই ল'বলৈ দিয়ক। ৪ ॥

ছন্দঃ—হে নাথ, মই চৰণ-কমল ধুৱাই নাৱত তুলিম। পাৰ কৰাৰ কাৰণে একো মূল্য নলওঁ! মই আপোনাৰ দোহাই দি আৰু ৰজা দশৰথৰ শপত খাই সকলো সঁচা কথা কৈছোঁ। হে কৃপালু, তুলসীদাসৰ স্বামী! লক্ষ্মণে শৰেৰে মাৰিলেও, মই আপোনাৰ ভৰি ধুৱাই নোলোৱাকৈ পাৰ কৰিব নোৱাৰিম।"

সোঃ—নাৱৰীয়াৰ এই স্নেহসনা, আগ-গুৰি নোহোৱা কথাবোৰ শুনি কৰুণাময় ৰামে জানকী আৰু লক্ষ্মণৰ ফালে চাই হাঁহিলে। ১০০ ॥

চৌঃ—কৃপাৰ সাগৰ ৰামে মিচিকিয়া হাঁহি মাৰি নাৱৰীয়াক ক'লে— "যিটো কৰিলে তোমাৰ নাওখন নাযায়, তাকে কৰাঁ। সোনকালে পানী আনা আৰু ভৰি ধুৱাই লোৱাঁ। বেলি হৈছে, আমাক পাৰ কৰি দিয়াঁ।" ১ ॥

যাৰ নাম এবাৰ স্মৰণ কৰিয়েই মানুহে অপাৰ সংসাৰ-সাগৰ পাৰ হয়, যিজনে [বামন অৱতাৰত] জগতখন তিনি খোজতকৈয়ো সৰু কৰি পেলাইছিল। সেই কৃপালু ৰামে (গংগা পাৰ হ'বৰ কাৰণে) নাৱৰীয়াক খাতিৰ কৰিছে। ২ ॥

প্ৰভুৰ এই কথা শুনি গংগাদেৱীৰ বুদ্ধিও মোহগ্ৰস্ত হৈছিল [তেওঁ ভাবিছিল যে নদী পাৰ হ'বলৈ ৰামে কিয় নাৱৰীয়াক কাবৌ কৰিছে]; কিন্তু ৰামৰ পদ-নখ দেখি দেৱনদী গংগা আনন্দিত হ'ল। নাৱৰীয়াই ৰামৰ কথামতে কাঠৰ চৰিয়াত পানী লৈ আহিল। ৩ ॥

অতি আনন্দ আৰু ভক্তিত গদ্‌গদ্ হৈ তেওঁ ৰামৰ চৰণ-কমল ধুৱাবলৈ ধৰিলে। দেৱতাসকলে পুষ্প-বৰ্ষণ কৰি এইবুলি প্ৰশংসা কৰিবলৈ ধৰিলে— "এওঁৰ সমান পুণ্যৰ পাত্ৰ আৰু কোনো নাই।" ৪ ॥

দোঃ—চৰণ পখালি, নিজৰ পৰিয়ালৰ সৈতে পদ-জল পান কৰি, প্ৰথমে

পিতৃসকলক ভব-সাগৰ পাৰ কৰি লৈ তাৰ পাছত নাৱৰীয়াই আনন্দ মনেৰে ৰামক নদী পাৰ কৰাই দিলে। ১০১ ॥

চৌঃ—নিষাদৰাজ গুহ আৰু লক্ষ্মণৰ সৈতে ৰাম-সীতা পাৰ হৈ গৈ গংগাৰ বালিত থিয় হ'ল। তাৰ পাছত নাৱৰীয়াজনে নামি গৈ তেওঁলোকক দণ্ডৱতে প্ৰণাম কৰিলে। প্ৰভুৰ এই বুলি চিন্তা হ'ল—"এওঁকতো একো দিয়া নহ'ল।" ১ ॥

প্ৰিয়তমৰ অন্তৰৰ কথা বুজিব পাৰি সীতাই আনন্দ মনেৰে তেওঁৰ ৰত্নখচিত আঙঠিটো খুলি ল'লে। কৃপালু ৰামে ক'লে—"পাৰ কৰি দিয়াৰ বাবে এয়া লোৱাঁ।" নাৱৰীয়াই তেতিয়া গদ্‌গদ্ হৈ ৰামৰ চৰণত ধৰিলে। ২ ॥

[তেওঁ ক'লে—] "হে নাথ ! আজিনো মই কি নোপোৱাকৈ থাকিলোঁ ? আজি মোৰ দোষ-ত্ৰুটী আৰু দুখ-দৰিদ্ৰতাৰ জুই নুমাল। মই বহুত দিন ধৰি পৰিশ্ৰম কৰি উপাৰ্জন কৰিলোঁ ; কিন্তু আজি বিধাতাই মোক তাৰবাবে অতি সুন্দৰ ফল দান কৰিলে। ৩ ॥

হে নাথ, দীনদয়াল ! আপোনাৰ অনুগ্ৰহত মোক এতিয়া একো নালাগে। ঘূৰি যোৱাৰ সময়ত আপুনি মোক যি হয়, দিব ; সেই প্ৰসাদ মই শিৰত তুলি ল'ম।" ৪ ॥

দোঃ—ৰাম, লক্ষ্মণ আৰু সীতাই (কিবা এটা) দিবলৈ বহুত যত্ন কৰিলে ; কিন্তু নাৱৰীয়াই একো নল'লে। করুণানিধি ৰামে তেতিয়া নিৰ্মল ভক্তি হ'বলৈ বৰ দি তেওঁক বিদায় দিলে। ১০২ ॥

চৌঃ—তাৰ পাছত ৰঘুকুলৰ নাথে স্নান কৰি লৈ পাৰ্থিব পূজা (অৰ্থাৎ মাটিৰে নিৰ্মিত শিৱলিংগৰ পূজা) কৰি মূৰ দোৱাঁলে। সীতাই হাত-যোৰ কৰি গংগাদেৱীক ক'লে—"হে মাতৃ, মোৰ মনোৰথ পূৰণ কৰিবা, যাতে মই স্বামী আৰু দেওৰে সৈতে কুশলে ঘূৰি আহি তোমাৰ পূজা কৰিব পাৰোঁ।" সীতাৰ এই প্ৰেম-ৰসত সিক্ত বিনীত বচনৰ উত্তৰ স্বৰূপে গংগাৰ নিৰ্মল পানীৰ মাজৰ-পৰা এক শ্ৰেষ্ঠ বাণী শুনিবলৈ পোৱা হ'ল—"হে ৰঘুশ্ৰেষ্ঠ ৰামৰ প্ৰিয়তমা ! শুনা, জগতত কোনে তোমাৰ প্ৰভাৱৰ কথা নাজানে ? তোমাৰ দৃষ্টিপাত হোৱা মাত্ৰকে মানুহ লোকপাল দেৱতা হয়, সমস্ত সিদ্ধিয়ে তোমাৰ সেৱা কৰি থাকে। তুমি মোক যি প্ৰাৰ্থনা শুনালা, সেয়া মোক তুমি অনুগ্ৰহহে কৰিলা আৰু মোক শ্ৰেষ্ঠত্বহে দান কৰিলা। তথাপি হে দেৱী, মই তোমাৰ বাণী সফল হ'বলৈ আশীৰ্বাদ কৰিছোঁ। ১—৪ ॥

দোঃ—তুমি প্ৰাণপতি আৰু দেওৰে সৈতে কুশলে অযোধ্যালৈ উলটিবা। তোমাৰ সমস্ত মনৰ কামনা পূৰণ হ'ব আৰু তোমাৰ সুযশে জগৎ জুৰি পৰিব।" ১০৩ ॥

চৌঃ—কল্যাণৰ মূলস্বৰূপা গংগাৰ বচন শুনি আৰু দেৱনদীক প্ৰসন্ন হোৱা দেখি সীতা আনন্দিত হ'ল। তাৰ পাছত প্ৰভু ৰামে গুহক ক'লে—"তুমি এতিয়া ঘৰলৈ ঘূৰি যোৱাঁগৈ।" এই কথা শুনামাত্ৰকে তেওঁৰ মুখ শুকাই গ'ল; হৃদয় দহিবলৈ ধৰিলে। ১ ॥

গুহই হাতযোৰ কৰি কাতৰভাৱে ক'লে—"হে ৰঘুকুল মণি, মোৰ প্ৰাৰ্থনা শুনক। মই প্ৰভুৰ লগত থাকি, বাট-পথ দেখুৱাই দি দুই-চাৰিদিন চৰণ-সেৱা কৰিম। তাৰ পাছত হে ৰঘুৰায়, আপুনি যি বনত গৈ থাকিব, তাত মই এটা সুন্দৰ পৰ্ণকুটীৰ সাজি দিম। তেতিয়া মোৰ প্ৰতি আপোনাৰ যি আদেশ হ'ব, মই তাকে কৰিম। আপোনাৰ নামত শপত খাই কৈছোঁ।" ২।৩ ॥

তেওঁৰ এই সহজ-প্ৰীতি দেখি ৰামে তেওঁকো লগত ল'লে। গুহই তেতিয়া মনত বৰ আনন্দ পালে। তাৰ পাছত গুহই তেওঁৰ জ্ঞাতিসকলক মতাই আনি তেওঁলোকক সন্তুষ্ট কৰি বিদায় দিলে।

দোঃ—তেতিয়া প্ৰভু শ্ৰীৰামে গণেশ আৰু শিৱক স্মৰণ কৰি, গংগাদেৱীক প্ৰণাম জনাই সুহৃদ গুহ, অনুজ লক্ষ্মণ আৰু সীতাৰে সৈতে যাত্ৰা কৰিলে। ১০৪ ॥

চৌঃ—সেইদিনা গছৰ তলতে থকা হ'ল। লক্ষ্মণ আৰু মিত্ৰ গুহই সকলো সুব্যৱস্থা কৰিলে। ৰঘুনাথে ৰাতিপুৱা সকলো প্ৰাতঃকৃত্য সমাপন কৰি তা'ৰ পাছত তীৰ্থৰাজ প্ৰয়াগ দৰ্শন কৰিলেগৈ। ১ ॥

এই তীৰ্থৰূপী ৰজাৰ মন্ত্ৰী হৈছে সত্য, শ্ৰদ্ধা তেওঁৰ প্ৰিয় পত্নী, বেণীমাধৱ হিতাকাংক্ষী মিত্ৰ; চাৰি পুৰুষাৰ্থৰে এওঁৰ ভঁৰাল ভৰি আছে। সেই পৱিত্ৰ ভূমিখণ্ডই এই ৰজাৰ মনোৰম দেশ। প্ৰয়াগক্ষেত্ৰখনেই সেই ৰজাৰ দুৰ্গম আৰু সুদৃঢ় সুন্দৰ দুৰ্গ। এই দুৰ্গত সপ্নতো পাপ-শত্ৰুৱে প্ৰৱেশ কৰিব নোৱাৰে। সমগ্ৰ শ্ৰেষ্ঠ তীৰ্থসমূহেই হৈছে এই ৰজাৰ বীৰ সৈনিকসকল, এই সৈনিকে পাপৰ সৈন্যদলক ছিন্ন ভিন্ন কৰি দিয়ে আৰু এওঁলোক ৰণত ধীৰ স্থিৰ। ত্ৰিবেণী সংগমেই এই ৰজাৰ অত্যন্ত সুশোভন সিংহাসন, মুনিৰো মন মোহা অক্ষয়বট হ'ল ৰাজছত্ৰ; গংগা-যমুনাৰ তৰংগমালাই হ'ল চোঁৱৰ; এই তৰংগমালা দেখিলে দুখ-দৰিদ্ৰ্য নষ্ট হৈ যায়। ২/৪ ॥

দোঃ—পুণ্যাত্মা, পৱিত্ৰ সাধুসকলে এই প্ৰয়াগৰ সেৱা কৰে আৰু (তাৰ

ফলত) সকলো মনোৰথ পূৰ্ণ হয়। বেদ আৰু পুৰাণসমূহে তাইৰ দৰে প্ৰয়াগৰ গুণ-কীৰ্তন কৰে। ১০৫ ॥

চৌঃ—পাপৰূপী হাতীৰ কাৰণে সিংহস্বৰূপ প্ৰয়োগৰ মহিমা কোনে কৈ শেষ কৰিব পাৰে ? এইহেন মনোৰম তীৰ্থৰাজ প্ৰয়াগ দৰ্শন কৰি সুখৰ সাগৰ ৰঘুনাথেও অতি আনন্দ লাভ কৰিলে। তেওঁ নিজৰ শ্ৰীমুখেৰে সীতা, লক্ষ্মণ আৰু মিত্ৰ গুহক তীৰ্থৰাজ প্ৰয়াগৰ মহিমা কৈ শুনালে। তাৰ পাছত প্ৰণতি জনাই, বন-উপবনবোৰ দৰ্শন কৰি কৰি, অতি আগ্ৰহেৰে মহিমাৰ কথা ক'বলৈ ধৰিলে। এইদৰে আহি আহি, স্মৰণমাত্ৰকে সমস্ত মংগল দান কৰিব পৰা ত্ৰিবেণী দৰ্শন কৰিলে। তাৰ পাছত আনন্দ মনেৰে তাত স্নান কৰি শিৱৰ পূজা কৰিলে আৰু যথাবিধি তীৰ্থত থকা অন্যান্য দেৱতাসকলোৰো পূজা কৰিলে। ১-৩ ॥

তাৰ পাছত প্ৰভু শ্ৰীৰাম ভৰদ্বাজ মুনিৰ ওচৰলৈ গ'ল। তেওঁক দণ্ডৱৎ প্ৰণাম কৰাত মুনিয়ে ৰামক বুকুত সাৱটি ধৰিলে। মুনিৰ মনত আনন্দৰ সীমা নোহোৱা হ'ল ; তেওঁ যেন ব্ৰহ্মানন্দহে অনুভৱ কৰিবলৈ পালে। ৪ ॥

দোঃ—মুনিৰাজে ৰামক আশীৰ্বাদ দিলে। তেওঁৰ মনত এইবুলি ভাবি আনন্দ লাগিল, যে আজি বিধাতাই আমাৰ সম্পূৰ্ণ পুণ্যৰ ফল একেলগে আনি চকুৰ আগত (ৰাম, সীতা আৰু লক্ষ্মণ-ৰূপে) উপস্থিত কৰিছে। ১০৬ ॥

মুনিয়ে ৰামক কুশল প্ৰশ্ন কৰি আসন যাচিলে আৰু আদৰ-সৎকাৰ কৰি সন্তোষ দিলে। তাৰ পাছত অমৃতৰ নিচিনা, সুন্দৰ সুন্দৰ ফল-মূল, কন্দ, অংকুৰ আনি খাবলৈ দিলে। ১ ॥

সীতা, লক্ষ্মণ আৰু পৰিজন গুহৰে সৈতে ৰামে অতি তৃপ্তিৰে সেই ফল-মূলবোৰ খালে। ভাগৰ পলালত ৰামে সুখ অনুভৱ কৰিলে। তেতিয়া ভৰদ্বাজে মৃদু বচনেৰে ক'বলৈ ধৰিলে—"হে ৰাম, আপোনাক দৰ্শন পাই আজি মোৰ তপস্যা, তীৰ্থ-সেৱা আৰু ত্যাগ সফল হ'ল। আজি মোৰ জপ, যোগ আৰু বৈৰাগ্য সফল হ'ল আৰু আজি মোৰ সকলো শুভ সাধনা সফল হ'ল। ২-৩ ॥

লাভৰ সীমা আৰু সুখৰ সীমা পাবলৈ মোৰ আৰু বাকী নাই। আপোনাক দৰ্শন কৰিবলৈ পাই মোৰ সকলো আশা পূৰণ হ'ল। কৃপা কৰি মোক এই বৰ দান কৰে যেন, যাতে আপোনাৰ চৰণকমলত মোৰ সহজ প্ৰীতি থাকে। ৪ ॥

দোঃ—যেতিয়ালৈকে ছল-চাতুৰী এৰি কৰ্ম, বচন আৰু মনেৰে সৈতে মানুহ আপোনাৰ দাস নহয়, তেতিয়ালৈকে কোটি চেষ্টা কৰিলেও সপ্নতো এই সুখ লাভ কৰিব নোৱাৰে। ১০৭ ॥

মুনিৰ কথা শুনি, তেওঁৰ ভাৱ-ভক্তিত ৰামে আনন্দ লাভ কৰিলে আৰু [মনুষ্য-লীলা দেখুৱাই] সংকোচ প্ৰকাশ কৰি দেখুৱালে। তাৰ পাছত [নিজৰ ঈশ্বৰত্ব গোপন কৰি] ৰঘুপতি ৰামে মুনিৰ সুন্দৰ সুযশৰাশি শত-সহস্ৰবাৰ সকলোকে কৈ শুনালে। ১ ॥

[ৰামে ক'লে—] "হে মুনিৰাজ। আপুনি যাকে আদৰ কৰে তেৰেঁই ডাঙৰ হয় আৰু তেৰেঁই গুণসমূহৰো বাসস্থান হয়।" এইদৰে ৰঘুশ্ৰেষ্ঠ ৰাম আৰু ভৰদ্বাজ মুনিয়ে পৰস্পৰে পৰস্পৰক নম্ৰতা প্ৰদৰ্শন কৰিলে আৰু দুয়ো অনিৰ্বচনীয় আনন্দ লাভ কৰিলে। ২ ॥

এই খবৰ পাই প্ৰয়াগনিবাসী ব্ৰহ্মচাৰী, তপস্বী, মুনি, সিদ্ধ আৰু বৈৰাগী —সকলোৱেই দশৰথৰ সুন্দৰ পুত্ৰক দৰ্শন কৰিবলৈ ভৰদ্বাজৰ আশ্ৰমলৈ আহিল। ৩ ॥

ৰামে তেওঁলোক সকলোকে প্ৰণাম কৰিলে। নয়ন সাৰ্থক কৰিবলৈ পাই সকলো আনন্দিত হ'ল আৰু পৰম সুখ লাভ কৰি সকলোৱে আশীৰ্বাদ দিলে। ৰামৰ সৌন্দৰ্যৰ কথা শলাগি শলাগি তেওঁলোক উলটি গ'ল। ৪ ॥

দোঃ—ৰামে ৰাতি তাতে বিশ্ৰাম ল'লে ; ৰাতিপুৱা প্ৰয়াগত স্নান কৰি, আনন্দ মনেৰে মুনিক প্ৰণাম কৰি লক্ষ্মণ, সীতা আৰু সেৱক গুহৰে সৈতে পুনৰ যাত্ৰা কৰিলে। ১০৮ ॥

চৌঃ—[যোৱাৰ সময়ত] ৰামে অতি আগ্ৰহেৰে মুনিক ক'লে—"হে নাথ, আমি কোন বাটেদি যাম, কওক।" মনে মনে হাঁহি মুনিয়ে ক'লে—"আপোনাৰ কাৰণে সকলো পথেই সুগম।" ১ ॥

তাৰ পাছত ৰামৰ লগত যাবৰ কাৰণে মুনিয়ে শিষ্যসকলক মাতিলে। কথাষাৰ শুনামাত্ৰকে পঞ্চাছজনমান শিষ্য আনন্দ মনেৰে উপস্থিত হ'ল। ৰামলৈ সেই সকলোৰে অপাৰ স্নেহ। সকলোৱে ক'ব ধৰিলে—"বাট আমি চিনি পাওঁ।" ২ ॥

তেতিয়া মুনিয়ে চাৰিজন ব্ৰহ্মচাৰীক বাছি লৈ ৰামৰ লগত পঠালে। তেওঁলোকে বহু জন্ম ধৰি সকলো প্ৰকাৰৰ পুণ্য অৰ্জন কৰি থৈছে। তাৰ পাছত ৰঘুনাথে প্ৰণাম কৰি ঋষিৰ আজ্ঞা লৈ আনন্দ মনেৰে যাবলৈ ধৰিলে। ৩ ॥

যেতিয়া তেওঁ কোনো গাঁৱৰ কাষেদি পাৰ হৈ যায়, তেতিয়া পুৰুষ-নাৰী সকলোৱেই তেওঁক দৰ্শন কৰিবলৈ লৰি আহে। জন্মৰ সাৰ্থকতা লাভ কৰি তেওঁলোক সনাথ হয় আৰু নাথ শ্ৰীৰামৰ লগত মনটো পঠিয়াই দি নিজে দুখ মনেৰে উলটি যায়। ৪ ॥

দোঃ—[কিছুদূৰ গৈ] ৰামে অনুনয়-বিনয় কৰি ব্ৰহ্মচাৰী কেইজনক বিদায় দিলে, তেওঁলোকো মনৰ কামনা পূৰণ হোৱাত উলটি আহিল। ৰামৰ শৰীৰৰদৰে শ্যামবৰণীয়া যমুনাৰ পানীত নামি সকলোৱে স্নান কৰিলে। ১০৯ ॥

চৌঃ—যমুনাৰ পাৰত বাস কৰা সকলো নৰ-নাৰীয়ে ৰাম, লক্ষ্মণ আৰু সীতা আহিছে বুলি শুনি নিজৰ কামৰ কথা পাহৰি [ৰাম-লক্ষ্মণ সীতাক চাবলৈ] ল'ৰ ধৰিলে। তেওঁলোকে ৰাম, লক্ষ্মণ আৰু সীতাৰ ৰূপ-লাৱণ্য দেখিবলৈ পাই নিজৰ ভাগ্যক লৈ গৌৰৱ কৰিবলৈ ধৰিলে। ১ ॥

তেওঁলোকৰ মনত [ৰাম-লক্ষ্মণ আৰু সীতাৰ পৰিচয় জানিবলৈ] বহুত হেঁপাহ; কিন্তু তেওঁলোকে নাম আৰু গাঁৱৰ কথা সুধিবলৈ সংকোচ কৰিছিল। তেওঁলোকৰ মাজত যিসকল চতুৰ আৰু বয়োবৃদ্ধ আছিল, তেওঁলোকে ৰামক চিনিব পাৰিছিল। ২ ॥

তেওঁলোকে অন্য সকলোকে, ৰাম পিতাকৰ আদেশমতে বনলৈ অহাৰ বিষয়ে সকলো কথা কৈ শুনালে। এই কথা শুনি সকলো মানুহ দুঃখিত হ'ল আৰু তেওঁলোকে দুখ কৰি ক'লে—ৰজা-ৰাণীয়ে ভাল কাম নকৰিলে। ৩ ॥

সেই সময়তে তাত এজন তপস্বী আহি উপস্থিত হ'ল। তেওঁ কম বয়সীয়া, দেখিবলৈ ধুনীয়া আৰু তেজোৰাশি তুল্য আছিল। তেওঁৰ গতিবিধিৰ কথা কবিয়ে নাজানে (অথবা তেওঁ অজ্ঞাত কবি আছিল)। তেওঁ বৈৰাগীৰ বেশত আছিল। তেওঁ মন, বচন আৰু কৰ্মেৰে ৰামৰ অনুৰাগী আছিল। ৪ ॥

দোঃ—নিজৰ ইষ্টদেৱতাক চিনি পাই তেওঁৰ চকু লোতকেৰে ভৰি পৰিল; শৰীৰ পুলকিত হ'ল। তেওঁ মাটিত দণ্ডৱৎ হৈ পৰিল। তেওঁৰ এই [ভক্তি-গদ্গদ্] অৱস্থাৰ বৰ্ণনা দিব নোৱাৰি। ১১০ ॥

চৌঃ—প্ৰেমত পুলকিত হৈ ৰামে তেওঁক বুকুত সাৱটি ধৰিলে; যেন কোনোবা অতি দৰিদ্ৰ মানুহে পৰশমণিহে পালে। তাকে দেখি 'ভক্তি আৰু পৰমাৰ্থ সেই দুয়োটা বস্তুৱেহে যেন শৰীৰ ধাৰণ কৰি মিলিত হৈছেহি'—এই বুলি সকলোৱে কোৱা-কুই কৰিবলৈ ধৰিলে। ১ ॥

তাৰ পাছত তপস্বীজনে লক্ষ্মণৰ চৰণত ধৰিলে গৈ। তেওঁ প্ৰেমত উত্ৰাৱল হৈ তপস্বীক তুলি ধৰিলে। তাৰ পাছত তপস্বীয়ে গৈ সীতাৰ পদধূলা শিৰত তুলি ল'লে। সীতা মাতৃয়েও নিজৰ শিশু সন্তান বুলি তেওঁক আশীৰ্বাদ দিলে। তাৰ পাছত নিষাদৰাজ গুহই তপস্বীক দণ্ডৱৎ প্ৰণাম কৰিলে। ৰামৰ প্ৰিয়পাত্ৰ বুলি জানি তেওঁ গুহক আঁকোৱালি ধৰিলে। তপস্বীয়ে

নয়নপুটেৰে ৰামৰ সৌন্দৰ্য সুধা পান কৰিবলৈ ধৰিলে। তেওঁ এনে দৰে আনন্দিত হ'ল, যেন কোনোৱা ভোকাতুৰ মানুহেহে সুন্দৰ খোৱা বস্তু পালে। ২—৩ ॥

[ইফালে গাঁৱৰ তিৰোতাবোৰে কোৱা-কুই কৰিছে—] হে'ৰা সখী, এওঁলোকৰ মাক-বাপেকনো কেনেকুৱা, যি এই হেন ল'ৰাক বনলৈ পঠাইছে। ৰাম, লক্ষ্মণ আৰু সীতাৰ ৰূপ-লাৱণ্য চাই চাই সকলো নৰ-নাৰী স্নেহত নিমগ্ন হ'ল। ৪ ॥

দোঃ—তাৰ পাছত ৰামে সখিয়েক গুহক অনেক প্ৰকাৰে [ঘৰলৈ ঘূৰি যাবলৈ] বুজালে। ৰামৰ আদেশ শিৰোধাৰ্য কৰি তেওঁ ঘৰ মুৱা হ'ল। ১১১ ॥

চৌঃ—সীতা, ৰাম আৰু লক্ষ্মণে হাতযোৰ কৰি যমুনাক পুনৰ প্ৰণাম কৰিলে আৰু সূৰ্যকন্যা যমুনাৰ মহিমাৰ কথা কৈ কৈ সীতাৰে সৈতে দুয়ো ভাই আনন্দ মনেৰে যাবলৈ ধৰিলে। ১ ॥

বাটত গৈ থাকোঁতে তেওঁলোকে অনেক বাটৰুৱা লগ পালে। বাটৰুৱা-বিলাকে দুই ভাইক দেখি মৰমতে কৈছিল—"তোমালোকৰ সকলো অংগতে ৰাজচিহ্ন দেখি আমাৰ মনত অনেক চিন্তা ভাৱনা হৈছে। তোমালোকে যে বাটত খোজ কাঢ়ি ফুৰিব লগা হৈছে তাৰপৰা জ্যোতিষশাস্ত্ৰ মিছা, বুলি আমাৰ ধাৰণা হৈছে। গভীৰ অৰণ্য, দুৰ্গম পৰ্বত আৰু দুৰ্গম পথ, তাতে আকৌ তোমালোকৰ লগত এগৰাকী সুকুমাৰী নাৰী। হাতী আৰু সিংহেৰে ভৰি থকা এই ভয়ানক বনলৈ চাবই নোৱাৰি। যদি আজ্ঞা হয়, আমিও লগতে যাওঁ। তোমালোক যিখিনিলৈকে যাবা, তালৈকে আগবঢ়াই থৈ, তাৰ পাছত তোমালোকক সেৱা জনাই আমি ঘূচি আহিম।" ২—৪ ॥

দোঃ—এইদৰে বাটৰুৱা লোকসকল স্নেহভাৱত পুলকিত হ'ল। চল্‌চলীয়া চকুৰে তেওঁলোকে কথাটো সুধিলে; কিন্তু কৃপাৰ সাগৰ ৰামে বিনীত আৰু মৃদু বচনেৰে তেওঁলোকক ঘূৰাই পঠালে। ১১২ ॥

চৌঃ—বাটত যিবোৰ গাঁও আৰু নগৰ পৰা আছিল, নাগ আৰু দেৱতা-সকলৰ নগৰসমূহে এইবিলাকক প্ৰশংসা কৰি ক'বলৈ ধৰিলে, "কোন পুণ্য-ৱানে কি শুভক্ষণত এই গাঁও-নগৰবোৰ বহুৱাইছিল; এই সুন্দৰ গাঁও আৰু নগৰবোৰ আজি ধন্য আৰু পুণ্যশীল হৈছে। য'ত শ্ৰীৰামৰ চৰণ পৰিছে, ইন্দ্ৰৰ অমৰাৱতীও তাৰ সমান হ'ব নোৱাৰে। বাটৰ দাঁতিত বাসকৰাসকলো পুণ্যশীল; স্বৰ্গবাসী দেৱতায়ো তেওঁলোকক প্ৰশংসা কৰিছে। যি নয়ন

ভৰি সীতা আৰু লক্ষ্মণেৰে সৈতে ঘনশ্যাম শ্ৰীৰামক দৰ্শন কৰিছে, যি সৰোবৰ আৰু নদীত শ্ৰীৰামে স্নান কৰিছে, সেইবোৰক দেৱনদী আৰু দেৱসৰোবৰসমূহেও প্ৰশংসা কৰিছে। যি গছৰ তলত গৈ প্ৰভু শ্ৰীৰাম বহিছে, কল্পতৰুৱেও শ্ৰেষ্ঠত্ব ঘোষণা কৰিছে। শ্ৰীৰামৰ পাদ-পদ্মৰ ৰেণু স্পৰ্শ কৰি পৃথিবীয়েও নিজৰ অতি সৌভাগ্য বুলি মানিছে। ১—৪ ॥

দোঃ—বাটত মেঘে ছায়া দান কৰিছে, দেৱতাসকলে পুষ্পবৰ্ষণ কৰি প্ৰশংসা কৰিছে। পৰ্বত, বন, পশু-পক্ষীবোৰ চাই চাই শ্ৰীৰাম বাটেদি গৈ আছে। ১১৩ ॥

চৌ—সীতা আৰু লক্ষ্মণেৰে সৈতে ৰঘুনাথ যেতিয়া গাঁৱৰ ওচৰত ওলায়গৈ, তেতিয়া তেওঁলোক গৈছে বুলি শুনি বালক, বৃদ্ধ, স্ত্ৰী-পুৰুষ সকলোৱে নিজৰ ঘৰ-দুৱাৰ, কাম-কাজ এৰি তেওঁলোকক চাবলৈ ঢাপলি মেলে। ৰাম, লক্ষ্মণ আৰু সীতাৰ ৰূপ দেখি নয়ন সাৰ্থক কৰি তেওঁলোক অতি সুখী হয়। দুয়ো ভাইক দেখি সকলো আনন্দত মগ্ন হৈ পৰে। তেওঁলোকৰ চকু পানীৰে চল্‌চলীয়া হয় আৰু শৰীৰ পুলকিত হয়। ১—২ ॥

তেওঁলোকৰ সেই [আনন্দ বিহ্বল] অৱস্থাৰ বৰ্ণনা কৰিব নোৱাৰি। যেন দৰিদ্ৰইহে দ'ম পাতি থকা চিন্তামণি লাভ কৰিলে। তেওঁলোকৰ এজনে আনজনক এইবুলি উপদেশ দিয়ে—"এই সময়তে নয়ন সাৰ্থক কৰি লোৱাঁ।" ৩ ॥

ৰামক দেখি কোনোজন ইমান অনুৰক্ত হয় যে ৰামক চাই চাই তেওঁ লগতে লাগি যায়। কোনোবাই আকৌ নয়ন পথেৰে ৰামৰ ছবিখনি হৃদয়লৈ নি স্থাপন কৰে। তেওঁলোকৰ শৰীৰ, মন শিথিল হয় আৰু মুখৰ মাতো অস্পষ্ট হয়। ৪ ॥

দোঃ—কোনোবাই বৰগছৰ সুন্দৰ ছাঁ দেখি তাত কোমল ঘাঁ-পাত পাৰি দি কয়—"অলপ সময় ইয়াতে বহি ভাগৰ পলুৱাওক। তাৰ পাছত লাগে এতিয়াই যাওকগৈ বা ৰাতিপুৱালৈ যাওকগৈ।" ১১৪ ॥

চৌঃ—কোনোৱে আকৌ কলহত পানী ভৰাই লৈ আহি কোমল মাতেৰে কৈছে—"হে নাথ! আচমন কৰি লওক। তেওঁলোকৰ মৰম-সনা কথা শুনি আৰু তেওঁলোকৰ অতি প্ৰীতিভাৱ দেখি কৃপালু আৰু পৰম সুশীল শ্ৰীৰামে মনে মনে সীতাৰ ভাগৰ লাগিছে বুলি বুজি এক ঘটিকা সময় বড় গছৰ ছাঁত বিশ্ৰাম ল'লে। পুৰুষ-তিৰোতা সকলোৱে আনন্দ মনেৰে সেই শোভা চাবলৈ ধৰিলে। অনুপম ৰূপ-লাৱণ্যই তেওঁলোকৰ মন আকৃষ্ট কৰিলে। ১—২ ॥

একেথৰে ৰামচন্দ্ৰৰ মুখচন্দ্ৰলৈ চাই থকা চকোৰ চৰাইৰ দৰে চাবিওফালে

তেওঁলোকে শোভা কৰি থাকিল। ৰামৰ তৰুণ তমাল গছৰ নিচিনা বৰণৰ (শ্যাম) শৰীৰে শোভা কৰি থকা দেখিলে কোটি কোটি কামদেৱৰো মন মোহিত হয়। ৩ ॥

বিজুলীৰ নিচিনা বৰণেৰে লক্ষ্মণো অতি উত্তম; তেওঁ ভৰিৰ নখৰপৰা শিখা পৰ্যন্ত সুন্দৰ আৰু দেখিলে মন ভাল লাগি যোৱা। দুয়োজনেই মুনিৰ বস্ত্ৰ পিন্ধিছে আৰু দুয়োৰে কঁকালত তূণ বান্ধি থোৱা আছে। কৰকমলত ধনুৰ্বাণে শোভা কৰিছে। ৪ ॥

দোঃ—তেওঁলোকৰ শিৰত জঁটাৰ সুন্দৰ মুকুট; বুকু, বাহু আৰু নয়ন বিশাল, শৰৎ কালৰ পূৰ্ণিমাৰ চন্দ্ৰৰ নিচিনা মুখত ঘামৰ বিন্দুৱে শোভা কৰি আছে। ১১৫ ॥

চৌঃ—সেই মনোৰম ভ্ৰাতৃ যুগলৰ বৰ্ণনা দিব নোৱাৰি; কাৰণ তেওঁলোকৰ সৌন্দৰ্য বহুত বেছি; কিন্তু মোৰ বুদ্ধি অতি অল্প। ৰাম, লক্ষ্মণ আৰু সীতাৰ সৌন্দৰ্য সকলো মানুহে মন, চিত্ত আৰু বুদ্ধি—এই তিনিওটাকে নিবিষ্ট কৰি দৰ্শন কৰিবলৈ ধৰিলে। ১ ॥

চাকিৰ পোহৰ দেখি হৰিণ-হৰিণী থৰ লাগি ৰৈ পৰাৰ দৰে সেই স্নেহ-পিপাসু নৰ-নাৰীসকল থৰ লাগি ৰ'ল। গাঁৱৰ তিৰোতাসকল সীতাৰ ওচৰ চাপি গ'ল; কিন্তু বেছিকৈ মৰম লগাৰ কাৰণে তেওঁলোকে কথা সুধিবলৈ সংকোচ কৰিলে। ২ ॥

বাৰে বাৰে তেওঁলোকে সীতাৰ চৰণত ধৰিলে আৰু সহজ-সৰল মৃদু বচনেৰে ক'লে—"হে ৰাজকুমাৰী, আমি এটা প্ৰাৰ্থনা কৰিব খুজিছোঁ; পিছে স্ত্ৰী-স্বভাৱৰ কাৰণে কিবা সুধিবলৈ ভয় কৰি আছোঁ। ৩ ॥

হে আই, আমাৰ ধৃষ্টতা ক্ষমা কৰিব। আমি গাঁৱলীয়া মানুহ; গতিকে বেয়া নাপাব। এই দুয়োজন ৰাজকুমাৰ স্বভাৱতে অতি সুন্দৰ। মৰকত মণি আৰু সোণে এওঁলোকৰপৰাহে কান্তি লাভ কৰিলে। ৪ ॥

দোঃ—[এওঁলোকৰ] বৰ্ণ শ্যাম আৰু গৌৰ; সুন্দৰ কিশোৰ অৱস্থা, দুয়োজন পৰম সুন্দৰ আৰু সুষমাৰ ধামস্বৰূপ; শৰৎকালৰ চন্দ্ৰৰদৰে এওঁলোকৰ মুখ আৰু শৰৎকালৰ পদুমফুলৰদৰে চকু দুটি। ১১৬ ॥

চৌঃ—হে সুমুখী, কওকচোন, নিজৰ সৌন্দৰ্যৰে কোটি কামদেৱক লজ্জিত কৰা এই দুজন আপোনাৰ কি হয়?" তেওঁলোকৰ এনে স্নেহপূৰ্ণ মনোৰম বচন শুনি সীতাৰ লাজ লাগিল। তেওঁ মনে মনে মিচিকিয়াই হাঁহিলে। ১ ॥

উত্তম বৰ্ণৰ (গৌৰবৰণৰ) সীতাই তেওঁলোকলৈ চাই (তাৰ পাছত লাজত)

মাটিলৈ চালে। এওঁৰ তুয়োফালেই মনতে সংকোচ লাগিল (অৰ্থাৎ নক'লে মানুহবোৰে বেয়া পাব, ক'বলৈও লাজ লাগিছে)। বাল মৃগাক্ষী, কোকিল-কণ্ঠী সীতাই লাজকুৰীয়াভাৱে মৰম-সনা মিঠা মাতেৰে ক'লে—"এই সহজ স্বভাৱৰ আৰু গৌৰবৰ্ণৰ জনৰ নাম লক্ষ্মণ, তেওঁ মোৰ সৰু দেওৰ।" তাৰ পাছত সীতাই (লাজতে) জোন যেন মুখখন আঁচলেৰে ঢাকি আৰু প্ৰিয়তম ৰামৰ ফালে চাই চেলাউৰী বেঁকা কৰি, খঞ্জনা চৰাইৰ নিচিনা চকুযুৰি কেৰাহিকৈ ইংগিতেৰে তেওঁলোকক ক'লে—"তেওঁ মোৰ পতি।" তেতিয়া গাঁৱৰ তিৰোতাসকলে ইমান আনন্দ পালে যে, যেনিবা কঙালে ৰাজকোষৰ ধন-ৰাশিহে লুট কৰিবলৈ পালে। ২-৪ ॥

দোঃ—তেওঁলোকে মৰমেৰে সীতাৰ চৰণত ধৰি (এইদৰে) বহু প্ৰকাৰৰ শুভ কামনা জ্ঞাপন কৰিলে—যেতিয়ালৈকে অনন্তনাগৰ শিৰৰ ওপৰত পৃথিৱী ৰৈ থাকিব, তেতিয়ালৈকে আপুনি যেন সৌভাগ্যশালিনী হৈ থাকক। ১১৭ ॥

চৌঃ—পাৰ্বতীৰ দৰে পতিৰ স্নেহৰ পাত্ৰী হয়। হে দেৱী, আমাৰ প্ৰতি কৃপা ত্যাগ নকৰিব। আমি বাৰে বাৰে মিনতি কৰি কৈছোঁ, এই বাটেদিয়েই যেন আপুনি ঘূৰি যায়হি আৰু আপোনাৰ দাসী বুলি আমাক দৰ্শন দিয়েহি।" সীতাই দেখিলে—তেওঁলোক সকলো স্নেহ-পিপাসু। সীতাই তেওঁলোকক মধুৰ বচনেৰে সন্তোষ দিলে, যেন চন্দ্ৰৰ কিৰণেহে কুমুদিনীক পুষ্ট কৰি তুলিলে। ১-২ ॥

তেতিয়া লক্ষ্মণে ৰঘুপতিৰ মনৰ ভাব বুজি মৃদু বচনেৰে মানুহবিলাকক বাটৰ সম্ভেদ সুধিলে। এই কথা শুনাৰ লগে লগে পুৰুষ-নাৰী সকলো দুঃখিত হৈ পৰিল। তেওঁলোকৰ গাৰ নোম শিহঁৰি গ'ল; চকু পানীৰে চল্‌চলীয়া হ'ল। ৩ ॥

তেওঁলোকৰ আনন্দৰ অন্ত পৰিল, মন মলিন হ'ল—যেন বিধাতাই সম্পত্তি দি আকৌ কাঢ়িহে নিলে। কৰ্মৰ গতি বুজি তেওঁলোকে ধৈৰ্য ধৰিলে আৰু ভাবি-চিন্তি চাই সুগম পথ বতাই দিলে। ৪ ॥

দোঃ—তেতিয়া লক্ষ্মণ আৰু জানকীৰ সৈতে ৰঘুনাথে যাত্ৰা কৰিলে। সকলো মানুহকে তেওঁ প্ৰিয় কথা কৈ বিদায় দিলে; কিন্তু তেওঁলোকৰ মনবোৰ নিজৰ লগত লগাই আনিলে। ১১৮ ॥

চৌঃ—ঘূৰি আহোঁতে নৰ-নাৰীসকলে বৰ দুখ কৰিবলৈ ধৰিলে আৰু মনে মনে দৈৱক দোষ দিবলৈ ধৰিলে। ইজনে সিজনক বেজাৰ মনেৰে ক'লে—"বিধাতাৰ সকলো কাম ওলোটা। বিধাতা একেবাৰে স্বতন্ত্ৰীয়া, নিৰ্দয়

আৰু শংকাহীন। তেওঁ চন্দ্ৰক কলংকযুক্ত আৰু ৰোগী কৰি সৃজিলে। যি বিধাতাই কল্পতৰুক গছ কৰি আৰু সাগৰক খাৰুৱা কৰি সৃজিলে, তেৱেঁই এই ৰাজকুমাৰ দুজনক বনলৈ পঠাইছে। ১-২ ॥

বিধাতাই এওঁলোকক যেতিয়া বনবাসকে দিলে, তেওঁ ভোগ-বিলাস মিছাকৈয়ে সৃষ্টি কৰিলে। ভৰিত জোতা নোহোৱাকৈ এওঁলোকে যদি বাটত ভ্ৰমণ কৰিবই লাগে, তেনেহ'লে বিধাতাই নানা প্ৰকাৰৰ বাহন এনেয়ে সৃষ্টি কৰিলে। যদি এওঁলোকে কুশবন আৰু গছপাত পাৰি লৈ মাটিতেই পৰি থাকে, তেনেহ'লে বিধাতাইনো সুন্দৰ শয্যাবোৰ কি কৰিবলৈ সৃষ্টি কৰিলে? বিধাতাই যদি এওঁলোকক ডাঙৰ গছৰ তলতে বাস দিলে, তেনেহ'লে ধৱল ভৱনসমূহ নিৰ্মাণ কৰি তেওঁ মিছাতে শ্ৰম কৰিলে। ৩-৪ ॥

দোঃ—যদি সুন্দৰ আৰু অতি সুকুমাৰ হৈ এওঁলোকে মুনিৰ বসন আৰু জঁটাকে ধাৰণ কৰে, তেনেহ'লে সৃষ্টিকৰ্তাই বিধে বিধে বসন-ভূষণ মিছাতে সৃষ্টি কৰিলে। ১১৯ ॥

চৌঃ—যদি এওঁলোকে কন্দ আৰু ফলমূলকে খায়, তেনেহ'লে জগতত অমৃত আদি ভোজন ব্যৰ্থ।" কোনোবা এজনে ক'লে—এওঁলোক স্বাভাৱিকতে সুন্দৰ; এওঁলোক নিজে নিজে প্ৰকাশ পাইছে; বিধাতাই সৃষ্টি কৰা নাই। ১ ॥

আমাৰ কাণ, চকু আৰু মনে ঢুকি পায় মানে আৰু বেদাদি শাস্ত্ৰই যিমানলৈকে বিধাতাৰ কাৰ্যৰ কথা বৰ্ণনা কৰিছে তালৈকে, চৈধ্য ভুৱনত বিচাৰি চোৱা—এনেকুৱা পুৰুষ আৰু এনেকুৱা নাৰী ক'ত আছে? ২ ॥

এওঁলোকক দেখি বিধাতাৰ মন মোহিত হ'ল; তাৰ পাছত এওঁলোকৰ উপমাৰ যোগ্য অন্য পুৰুষ-নাৰী সৃষ্টি কৰিব খুজিলে। তেওঁ বহুত শ্ৰম কৰিলে; কিন্তু তেওঁৰ কল্পনাত তেনে সৃষ্টিয়ে ধৰা নিদিলে। সেই হিংসাতে এওঁলোকক আনি বনত লুকুৱাইছেহি।" ৩ ॥

অন্য এজনে ক'লে—"আমি বেছি কথা নাজানো। তথাপি আমি নিজকে পৰম ধন্য মানিছোঁ। আমাৰ বোধেৰে, যিসকলে এওঁলোকক দৰ্শন কৰিলে, যিসকলে দৰ্শন কৰি আছে আৰু যিসকলে দৰ্শন কৰিব, তেওঁলোকো অতি পুণ্যবান।" ৪ ॥

দোঃ—এইদৰে ভাল লগা কথা কৈ কৈ সকলোৱে চকু লোতকেৰে ওপচাই পেলালে আৰু ক'বলৈ ধৰিলে—"এই অতি সুকুমাৰ শৰীৰেৰে এওঁলোক দুৰ্গম পথত কেনেকৈ যাব?" ১২০ ॥

চৌঃ—তিৰোতাবিলাক অতি বিয়াকুল হৈ পৰিল; যেন সন্ধ্যা সময়ত বিহ্বল হৈ পৰা মাইকী চাকৈ-চকোৱা চৰাইহে। তেওঁলোকৰ (ৰাম আদিৰ) চৰণকমল সুকোমল আৰু পথ অতি কঠিন বুলি জানি তেওঁলোকে (তিৰোতা-বোৰে) বেথাভৰা অন্তৰেৰে বৰ ভাল কথা ক'লে—"এওঁলোকৰ সুকোমল আৰু অৰুণ বৰণৰ চৰণ স্পৰ্শ কৰি, আমাৰ হৃদয় কোঁচ খাই যোৱাৰ দৰে মাটিখনো যেন কোঁচ খাইহে গৈছে। জগতৰ ঈশ্বৰে যদি এওঁলোকক বনবাসকে দিছে, তেন্তে বাটটোনো ফুলেৰে ভৰি থকা নকৰিলে কিয়? ১-২?

হেৰা সখী! যদি ব্ৰহ্মাৰপৰা বৰ ল'ব পাৰোঁ, তেতিয়া এওঁলোকক নিজৰ চকুতে ৰাখি ল'ম।" যিসকল নৰ-নাৰী এই সময়ত আহিব নোৱাৰিলে, তেওঁলোকে ৰাম-সীতাক দেখিবলৈ নাপালে। তেওঁলোকে ৰাম-সীতাৰ ৰূপ-লাৱণ্যৰ কথা শুনি উত্ৰাৱল হৈ সুধিলে—"ভাই, এতিয়ামানে তেওঁলোক কিমান পালাগৈ বাৰু? যিসকলে পাৰিলে লৰি-ঢাপৰি গৈ তেওঁলোকক দৰ্শন কৰিলেগৈ আৰু জন্মৰ পৰম ফল লাভ কৰি আনন্দ মনেৰে ঘূৰি আহিল। ৩-৪ ॥

দোঃ—অবলা তিৰোতাসকলে, শিশু আৰু বৃদ্ধসকলে (যিসকল যাবলৈ অসমৰ্থ, তেওঁলোকে) হাত মোহাৰি মোহাৰি দুখ কৰিবলৈ ধৰিলে। এই দৰে য'লৈকে ৰাম গ'ল, ত'তে মানুহ স্নেহপৰবশ হ'ল। ১২১ ॥

চৌঃ—সূৰ্যবংশৰূপী কুমুদিনীৰ কাৰণে চন্দ্ৰস্বৰূপ ৰামক দৰ্শন কৰি এইদৰে গাঁৱে গাঁৱে মানুহে আনন্দ লাভ কৰিলে। যিসকলে অলপমানো বাতৰিটো শুনিবলৈ পাইছিল, তেওঁলোকে ৰজা-ৰাণীক দোষাৰোপ কৰিছিল। ১ ॥

কিছুমানে ক'লে—"ৰজা অতি ভাল, তেওঁ আমাৰ নয়ন সাৰ্থক কৰিলে।" এইদৰে মুনিহ-তিৰোতা সকলোৱে ইজনে সিজনক সৰল আৰু স্নেহেৰে ভৰা মনোৰম কথা ক'বলৈ ধৰিলে। ২ ॥

[তেওঁলোকে কৈছিল—] "যিসকলে এওঁলোকক জন্ম দিলে, সেই পিতৃ-মাতৃসকল ধন্য। যি নগৰৰপৰা এওঁলোক আহিছে, সেই নগৰ ধন্য। সেই দেশ, পৰ্বত, বন আৰু গাওঁ ধন্য, আৰু সেই ঠাইবোৰ ধন্য, য'লৈ এওঁলোক গৈছে। ৩ ॥

যিসকল সকলোপ্ৰকাৰে এওঁৰ (ৰামৰ) প্ৰতি অনুৰক্ত, সেই সকলক সৃষ্টি কৰি ব্ৰহ্মাই নিশ্চয় সুখ লাভ কৰিছে। পথিক ৰাম-লক্ষ্মণৰ মনোৰম কথা গোটেই বাট আৰু বনাঞ্চলত বিয়পি পৰিল। ৪ ॥

দোঃ—এইদৰে ৰঘুকুল-কমলৰ কাৰণে ৰবিস্বৰূপ ৰামচন্দ্ৰই বাটৰ মানুহক

আনন্দ দান কৰি সীতা আৰু লক্ষ্মণেৰে সৈতে বনভূমি দৰ্শন কৰি কৰি বাবলৈ ধৰিলে। ১২২ ॥

চৌঃ—আগত ৰাম, পাছত লক্ষ্মণ, তপস্বীবেশ ধাৰণ কৰি দুয়োজনেই শোভা পাইছে। দুয়োজনৰ মাজতে ব্ৰহ্ম আৰু জীৱৰ মাজত মায়াই বিৰাজ কৰাৰ দৰে সীতাদেৱীয়ে শোভা কৰি গৈছে। ১ ॥

তাৰ পাছত মোৰ মনত যি চিত্ৰ ভাঁহি আছে, তাক কওঁ—যেন কামদেৱ আৰু বসন্তৰ মাজত ৰতিদেৱীয়েহে শোভা পাইছে। তাৰ পাছত মনতে বিচাৰি চাই উপমা দিছোঁ—যেন বুধ আৰু চন্দ্ৰৰ মাজত ৰোহিণীয়েহে শোভা কৰিছে। ২ ॥

প্ৰভু শ্ৰীৰামৰ পদচিহ্নৰ মাজে মাজে ভয়ে ভয়ে খোজ পেলাই সীতা-দেৱী বাটত আগবাঢ়িছে আৰু লক্ষ্মণে ৰাম-সীতাৰ পদচিহ্নত ভৰি নপৰাকৈ যাবৰ কাৰণে তেওঁলোকক সোঁ ফালে লৈ নিজে বাওঁহাতে গৈ আছে। ৩ ॥

ৰাম, লক্ষ্মণ আৰু সীতাৰ সুন্দৰ প্ৰীতিৰ ভাব বাণীৰ বিষয় নহয় (অৰ্থাৎ অনিৰ্ব-চনীয়), গতিকে কথাৰে তাক কেনেকৈ বৰ্ণনা কৰা যায়? এই ৰূপ দেখি পশু-পক্ষীও মগ্ন হয়। পথিক শ্ৰীৰামে সিহঁতৰ মন হৰণ কৰি লৈ যায়। ৪ ॥

দোঃ—যিসকলে সীতাৰে সৈতে যোৱা প্ৰিয় পথিক সেই ভাই-ককাই দুজনক দেখিলে, সেইসকলে দুৰ্গম সংসাৰ পথ বিনাপৰিশ্ৰমেৰে আনন্দ মনেৰে অতিক্ৰম কৰিলে। ১২৩ ॥

চৌঃ—আজিও যাৰ হৃদয়ত কোনোবা দিনা স্বপ্নতো সেই পথিক কেইজনে (ৰাম, সীতা, লক্ষ্মণে) ঠাই পায়, তেনেহ'লে তেওঁৱো ৰামৰ পৰম ধামলৈ (মোক্ষ লাভ) যোৱা সেই পথ লাভ কৰে, যিটো কাচিৎ কোনোবা ঋষি-মুনিয়েহে লাভ কৰে। ১ ॥

তাৰ পাছত ৰামে সীতাৰ ভাগৰ লাগিছে বুলি জানি আৰু ওচৰতে এজোপা বৰগছ আৰু শীতল পানী থকা দেখি তাতে সেই ৰাতিটো কন্দ, মূল আৰু ফল খাই কটালে। পুৱা স্নান কৰি ৰঘুনাথে পুনৰ যাত্ৰা কৰিলে। ২ ॥

সুন্দৰ বন, সৰোবৰ আৰু পৰ্বত-পাহাৰ চাই চাই প্ৰভু শ্ৰীৰাম বাল্মীকিৰ আশ্ৰম পালেগৈ। তাত তেওঁ দেখিবলৈ পালে—মুনিৰ বাসস্থান অতি সুন্দৰ, তাত সুন্দৰ পৰ্বত, বন আৰু পবিত্ৰ জল আছে। ৩ ॥

সৰোবৰসমূহত পদুম ফুল আৰু বনৰ গছবিলাকতো নানা বিধৰ ফুল ফুলি আছে। মধুৰসত ভোল গৈ ভোমোৰাই গুণ্ গুণ কৰিছে। নানা

পশু-পক্ষীয়ে কলৰৱ কৰিব লাগিছে আৰু শত্রুতাৰ নোহোৱাকৈ বং মনেৰে বিচৰণ কৰিছে। ৪ ॥

দোঃ—পবিত্র আৰু সুন্দৰ আশ্ৰমখনি দেখি কমলনয়ন শ্ৰীৰাম আনন্দিত হ'ল। ৰঘুবৰ শ্ৰীৰাম অহাৰ কথা শুনি মুনি আগবঢ়াই নিবলৈ আহিল। ১২৪ ॥

চৌঃ—ৰামে মুনিক দণ্ডৱৎ প্ৰণাম কৰিলে। বিপ্ৰশ্ৰেষ্ঠ মুনিয়ে তেওঁক আশীৰ্বাদ দিলে। ৰামৰ ৰূপ-লাৱণ্য দেখি মুনিৰ নয়ন জুৰাই গ'ল। মান-সৎকাৰ কৰি তেওঁ ৰামক আশ্ৰমলৈ লৈ আহিল। ১ ॥

মুনিবৰে প্ৰাণপ্ৰিয় অতিথি পাই তেওঁলোকৰ কাৰণে মধুৰ ফল-মূল, কন্দ বিচৰাই আনিলে। ৰাম, লক্ষ্মণ আৰু সীতাই ফল ভোজন কৰিলে। তেতিয়া মুনিয়ে তেওঁলোকক (বিশ্ৰাম কৰিবলৈ) সুন্দৰ ঠাইৰ দিহা কৰি দিলে। ২ ॥

শ্ৰীৰামৰ মংগলময় মূৰ্তি দেখি বাল্মীকিৰ মনত অতি আনন্দ লাগিল। ৰামে কৰকমল যোৰ কৰি শ্ৰৱণ সুখ-দায়ক বচনেৰে ক'লে—"হে মুনিৰাজ! আপুনি ত্ৰিকালদৰ্শী, সমস্ত জগৎ আপোনাৰ হাতত থকা বগৰীৰ নিচিনা।" এই বুলি কৈ প্ৰভু শ্ৰীৰামে ৰাণী কৈকেয়ীয়ে কিদৰে বনলৈ পঠালে, এই সকলো কথা বিৱৰি ক'লে। ৩—৪ ॥

দোঃ—[তাৰ পাছত ক'লে—] "প্ৰভু, পিতৃৰ আদেশ-পালন, মাতৃৰ কল্যাণ সাধন আৰু ভৰত হেন ভ্ৰাতৃৰ ৰাজ্যলাভ, আৰু মোৰ বাবে আপোনাৰ দৰ্শন লাভ—এই সকলো মোৰ পুণ্যৰ ফল। ১২৫ ॥

চৌ—হে মুনিৰাজ! আপোনাৰ চৰণ দৰ্শন কৰিবলৈ পাই আজি মোৰ সকলো পুণ্যৰ ফল লাভ হ'ল। এতিয়া য'তে আপোনাৰ আজ্ঞা হয় আৰু য'তে কোনো মুনি উদ্বিগ্ন হ'ব লগা নহয় তেনে এখন ঠাইৰ কথা কওক। যাৰপৰা মুনি আৰু তপস্বীসকলে দুখ পায়, সেই ৰজা জুই নোহোৱাকৈয়ে দগ্ধ হয়; ব্ৰাহ্মণসকলৰ সন্তোষ সকলো কল্যাণৰ মূল আৰু ভূ-দেৱ ব্ৰাহ্মণসকলৰ ক্ৰোধে কোটি কুল ভস্ম কৰে। এই সকলো কথা মনত ভাবি-চিন্তি চাই হে কৃপাময়, আপুনি মোক এনে ঠাই এখনৰ কথা কওক, য'লৈ মই লক্ষ্মণ আৰু সীতাৰে সৈতে যাম আৰু তাত বাঁহপাতেৰে কুটীৰ এটি সাজি কিছুদিন বাস কৰিম।" ১—৩ ॥

শ্ৰীৰামৰ এই সহজ-সৰল কথা শুনি জ্ঞানী মুনি বাল্মীকিয়ে ক'লে—"হে ৰঘুকুলৰ জয়ধ্বজাস্বৰূপ! আপুনি ধন্য, ধন্য। আপুনি এনে কথা নক'ব কিয়? আপুনি সততে বেদৰ মৰ্যাদা ৰক্ষা কৰে। ৪ ॥

ছঃ—আপুনি বেদৰ সেতু ৰক্ষা কৰা জগদীশ্বৰ। জানকী আপোনাৰ মায়া। এই মায়াই কৃপানিধি আপোনাৰ মনোভাব বুজি জগৎ সৃষ্টি, পালন আৰু সংহাৰ কৰে। যি সহস্ৰশীৰ্ষ সৰ্পৰাজে পৃথিৱী ধাৰণ কৰি আছে, সেই চৰাচৰ জগতৰ স্বামী অনন্তই হৈছে লক্ষ্মণ। দেৱকাৰ্য সাধনৰ উদ্দেশ্যে আপুনি মনুষ্য ৰজাৰ শৰীৰ ধাৰণ কৰি দুষ্ট ৰাক্ষস-সেনা দলন কৰিবলৈ ওলাইছে।

সোঃ—হে ৰাম, আপোনাৰ স্বৰূপ বাণীৰ অগোচৰ, বুদ্ধিৰো অতীত অব্যক্ত, অনিৰ্বচনীয় আৰু অসীম। বেদে সদায় তাক 'নেতি, নেতি' বুলিহে বৰ্ণনা কৰিছে। ১২৬ ॥

চৌঃ—জগৎ দৃশ্য পদাৰ্থ আৰু আপুনি তাৰ দ্ৰষ্টা। আপুনি ব্ৰহ্মা, বিষ্ণু আৰু শিৱকো নচুৱাওঁতা। যিসকলত তেওঁলোকেও আপোনাৰ মৰ্ম বুজিব নোৱাৰে, তেনেস্থলত অন্য কোনে আপোনাক জানিব পাৰে? যিজনক আপুনি জনাই দিয়ে, সেইজনেহে আপোনাক জানিব পাৰে আৰু আপোনাক জনামাত্ৰে তেওঁ আপোনাৰ স্বৰূপ লাভ কৰে। হে ৰঘুনন্দন, হে ভক্তৰ হৃদয়ৰ চন্দন! আপোনাৰ কৃপাতেই ভক্তই আপোনাক জানিব পাৰে। ১—২ ॥

আপোনাৰ মূৰ্তি চিদানন্দময় আৰু বিকাৰ-ৰহিত, এই তত্ত্বোধ অধিকাৰী পুৰুষহে হ'ব পাৰে। দেৱতা আৰু সন্তসকলৰ কাৰ্যসিদ্ধিৰ উদ্দেশ্যে আপুনি মনুষ্য-শৰীৰ ধাৰণ কৰিছে আৰু প্ৰাকৃত ৰজাসকলৰ দৰে কথা কৈছে আৰু কাৰ্যও কৰিছে। ৩ ॥

হে ৰাম! আপোনাৰ চৰিত্ৰসমূহ দেখি মূৰ্খলোক মোহগ্ৰস্ত হয়, আৰু জ্ঞানীজন সুখী হয়। আপুনি যি কয়, যি কৰে, সেই সকলো সত্য। যেনে সাজ-পোচাক পিন্ধে, তেনে নাচকে নাচিব লাগে (অৰ্থাৎ মনুষ্যৰূপ ধাৰণ কৰিছে যেতিয়া মনুষ্যৰ ব্যৱহাৰকে কৰিব লাগে)। ৪ ॥

দোঃ—আপুনি মোক সুধিছে—মই ক'ত থাকিম বুলি; কিন্তু সংকোচেৰে সৈতে মই এই কথাহে সুধিব খুজিছোঁ যে—য'ত আপুনি নাই সেই ঠাইৰ কথা কওক, তেতিয়াহে মই আপুনি থাকিবলৈ ঠাই দেখুৱাই দিব পাৰিম।" ১২৭ ॥

চৌঃ—মুনিৰ এই প্ৰেম-ৰসত সিক্ত বচন শুনি ৰাম সাৱধান হ'ল (জানোচা ৰহস্য ভেদ হয়) আৰু মনে মনে তেওঁ মিচিকিয়াই হাঁহিলে। বাল্মীকিয়ে হাঁহি মাৰি আকৌ অমৃত ৰসত সিক্ত মধুৰ বচনেৰে ক'বলৈ ধৰিলে—"হে ৰাম, শুনক, মই সেই ঠাইৰ কথা কৈছোঁ, য'ত লক্ষ্মণ আৰু সীতাৰে সৈতে আপুনি বাস কৰিব। সাগৰক সদায় অসংখ্য নদীয়ে ভৰাই পেলাবলৈ যত্ন কৰা সত্ত্বেও

যিদৰে সাগৰ পৰিপূৰ্ণ নহয়, ৰামকথাৰ সুন্দৰ নদীসমূহেও যাৰ শ্ৰৱণেন্দ্ৰিয় সমুদ্ৰৰ দৰে তৃপ্ত কৰিব নোৱাৰে তেওঁৰ হৃদয় আপোনাৰ কাৰণে সুন্দৰ ঘৰ। মেঘ-দৰ্শনৰ কাৰণে আতুৰ চাতকৰ দৰে যাৰ চকু দুটিও আপোনাৰ দৰ্শনৰ কাৰণে আতুৰ চাতক হৈ পৰে ; যি চাতকে বিশাল সমুদ্ৰ, নদী আৰু সৰোবৰৰ জলকো তুচ্ছ জ্ঞান কৰি আপোনাৰ সৌন্দৰ্য মেঘৰ এটি বিন্দুৰেই নিজক সুখী কৰিব পাৰে, হে ৰঘুনাথ! সেইসকলৰ হৃদয়েই আপোনাৰ কাৰণে সুখদায়ক বাসস্থান। সীতা আৰু ভাই সহ আপুনি তাতে বাস কৰক।

দোঃ—আপোনাৰ যশস্যাৰ মানস-সৰোবৰত হংসিনী হৈ যাৰ জিভাই আপোনাৰ গুণসমূহকে মুক্তাফলৰ দৰে গ্ৰহণ কৰে, হে শ্ৰীৰাম, আপুনি তেওঁৰ হৃদয়তে বাস কৰক। ১২৮ ॥

চৌঃ—যাৰ ঘ্ৰাণেন্দ্ৰিয়ই (নাকে) প্ৰভুৰ পবিত্ৰ আৰু সুগন্ধি সুন্দৰ প্ৰসাদ নিতৌ আদৰেৰে সৈতে গ্ৰহণ কৰে (নিৰ্মাল্যৰ ঘ্ৰাণ লয়) আৰু যি আপোনাক অৰ্পণ কৰিহে নিজে ভোজন কৰে আৰু আপোনাৰ প্ৰসাদৰূপী বসন-ভূষণ ধাৰণ কৰে, যাৰ শিৰ দেৱতা, গুৰু আৰু ব্ৰাহ্মণসকলক দেখি নিজে শ্ৰদ্ধাত দোঁ খাই যায়, যাৰ হাত দুখনে সদায় শ্ৰীৰামৰ চৰণ-পূজা কৰে, যাৰ হৃদয়ত একমাত্ৰ শ্ৰীৰামতহে ভৰসা আছে, আৰু দ্বিতীয় ঠাইত নাই আৰু যাৰ চৰণ ৰামৰ তীৰ্থসমূহলৈ যায়, হে প্ৰভু, আপুনি তেওঁলোকৰ মনতে বাস কৰক। যি সদায় আপোনাৰ নামৰূপী শ্ৰেষ্ঠ মন্ত্ৰ জপ কৰে আৰু সপৰিয়ালে আপোনাৰ পূজা কৰে, যি অনেক প্ৰকাৰে তৰ্পণ আৰু আহুতি দান কৰে, যি ব্ৰাহ্মণসকলক ভোজন কৰাই বহুত দান-দক্ষিণা কৰে, যি গুৰুক মনে-চিতে আপোনাতকৈও অধিক বুলি জ্ঞান কৰি সকলো প্ৰকাৰে সন্মান কৰি সেৱা-শুশ্ৰূষা কৰে। ১—৪ ॥

দোঃ—আৰু এই সকলো কৰ্ম সম্পাদন কৰি 'শ্ৰীৰামৰ চৰণত ৰতি হওক' এইবুলি সকলো কৰ্মৰে মাত্ৰ এটা ফলহে মাগে, সেইসকলৰ মন-মন্দিৰত সীতাৰে সৈতে আপোনালোক দুয়োজন ৰঘুনন্দনে বাস কৰক। ১২৯ ॥

চৌঃ—যাৰ কাম, ক্ৰোধ, মদ, অভিমান আৰু মোহ নাই ; লোভ নাই, ক্ষোভ নাই, ৰাগ নাই, দ্বেষ নাই আৰু কপট, দম্ভ, মায়া নাই, হে ৰঘুৰায়, আপুনি তেওঁলোকৰ হৃদয়ত বাস কৰক। ১ ॥

যি সকলোৰে প্ৰিয় আৰু সকলোৰে হিতসাধক, যাৰ কাৰণে দুখ-সুখ তথা নিন্দা-প্ৰশংসা একেই, বিজনে ভাবি-চিন্তি চাই সত্য আৰু প্ৰিয় কথা কয়, যি শোওঁতে-উঠোঁতে আপোনাৰ শৰণ লয়, আপোনাৰ বাহিৰে যাৰ অন্য গতি

নাই, হে ৰাম, আপুনি তেওঁৰ মনত বাস কৰক। যি পৰস্ত্ৰীক জননীৰ তুল্য জ্ঞান কৰে, পৰৰ ধন যাৰ কাৰণে বিহতকৈও অধিক বিষাক্ত, যি পৰৰ সম্পত্তি দেখি আনন্দিত হয় আৰু পৰৰ বিপত্তি দেখি বিশেষভাবে দুঃখিত হয়, যাৰ কাৰণে আপুনি প্ৰাণপ্ৰিয়, হে ৰাম, তেওঁলোকৰ মনেই আপুনি বাস কৰিবৰ কাৰণে শুভ-সদন। ২—৪ ॥

দোঃ—হে প্ৰভু, আপুনিয়েই যাৰ কাৰণে স্বামী, সখা, পিতৃ, মাতৃ, গুৰু—এই সকলো; তেওঁলোকৰ মন-মন্দিৰতে সীতাৰ সৈতে দুয়ো ভায়ে বাস কৰক। ১৩০ ॥

চৌঃ—যি দুৰ্গুণবোৰ ত্যাগ কৰি সকলোৰে সদ্‌গুণসমূহ গ্ৰহণ কৰে, ব্ৰাহ্মণ আৰু গোজাতিৰ কাৰণে সংকট সহ্য কৰে, নীতি-নৈপুণ্যৰ ক্ষেত্ৰত যাৰ সংসাৰত খ্যাতি আছে, তেওঁৰ নিৰ্মল মানেই আপোনাৰ ঘৰ (বাসস্থান)। ১ ॥

যি গুণ হ'লে আপোনাৰ বুলি ভাবে; কিন্তু দোষখিনি নিজৰ বুলি ভাবে, যি সকলো প্ৰকাৰে আপোনাতে ভৰসা কৰে, ৰামভক্তসকল যাৰ প্ৰিয়, তেওঁৰ হৃদয়তে আপুনি সীতাৰে সৈতে বাস কৰক। ২ ॥

জাত-পাত, ধন, ধৰ্ম, মইবৰ ভাব, প্ৰিয় পৰিজন, সুখদায়ক ঘৰ-দুৱাৰ—এই সকলো ত্যাগ কৰি যি কেৱল আপোনাকহে হৃদয়ত ধাৰণ কৰি থাকে, হে ৰঘুৰায়, আপুনি তেওঁৰ হৃদয়ত থাকক। ৩ ॥

যাৰ কাৰণে স্বৰ্গ, নৰক আৰু মোক্ষ একে; কাৰণ তেওঁ য'তে ত'তে ধনুৰ্বাণ ধাৰণ কৰি থকা আপোনাকেহে দেখিবলৈ পায়; আৰু যিজন কৰ্ম, বচন মনেৰে সৈতে আপোনাৰ দাস, হে ৰাম! আপুনি তেওঁৰ হৃদয়ত বাস কৰক। ৪ ॥

দোঃ—যি কেতিয়াও একো নিবিচাৰে, যাৰ আপোনাৰ প্ৰতি সহজ প্ৰীতি আছে, তেওঁৰ মনত আপুনি নিৰন্তৰ বাস কৰক, সেয়া আপোনাৰ নিজা ঘৰ।" ১৩১ ॥

চৌঃ—এইদৰে মুনিশ্ৰেষ্ঠ বাল্মীকিয়ে ৰামক ঘৰ দেখুৱাই দিলে। তেওঁৰ অনুৰাগপূৰ্ণ বচন শুনি ৰামৰ মনত বৰ ভাল লাগিল। তাৰ পাছত মুনিয়ে আকৌ ক'লে—"হে সূৰ্যকুলৰ নায়ক, শুনক, মই এতিয়া বৰ্তমান সময়ৰ কাৰণে সুখদায়ক আশ্ৰমৰ (বাসস্থানৰ) কথা কওঁ। ১ ॥

আপুনি চিত্ৰকূট পৰ্বতত বাস কৰক। তাত আপোনাৰ কাৰণে সকলো প্ৰকাৰৰ সুবিধা আছে। মনোৰম পৰ্বত আৰু সুন্দৰ কানন আছে; সেইবিলাক হাতী, সিংহ, হৰিণা আৰু পক্ষীৰ বিহাৰভূমি। ২ ॥

তাত পুৰাণসমূহে প্ৰশংসা কৰা পবিত্ৰ নদী আছে—অত্ৰি মুনিৰ পত্নী অনসূয়াই তপস্যাৰ বলেৰে যোৱাই অনা সেয়া গংগাৰ শাখা মন্দাকিনী। এই নদী পাপৰূপ শিশুক মাৰিবৰ বাবে ডাকিনীস্বৰূপা। ৩ ॥

তাত অত্ৰি আদি বহুত মুনিয়ে বাস কৰে। তেওঁলোকে যোগ, জপ আৰু তপেৰে শৰীৰক কষ্ট দিয়ে। হে ৰাম, আপুনি তালৈকে যাওক আৰু সকলোৰে শ্ৰম (তপ-জপ আদি) সফল কৰকগৈ। গিৰিশ্ৰেষ্ঠ চিত্ৰকূটকো গৌৰৱান্বিত কৰকগৈ। ৪ ॥

দোঃ—মহামুনি বাল্মীকিয়ে চিত্ৰকূটৰ অপাৰ মহিমা বৰ্ণনা কৰি ক'লে। তাৰ পাছত সীতাৰে সৈতে দুয়ো ভায়েকে শ্ৰেষ্ঠ নদী মন্দাকিনীত স্নান কৰিলেহি। ১৩২ ॥

চৌঃ—ৰামে ক'লে—"লক্ষ্মণ, এয়া বৰ সুন্দৰ ঘাট। ইয়াতে ক'ৰবাত থাকিবৰ কাৰণে ব্যৱস্থা কৰা।" লক্ষ্মণে পানীৰে ভৰি থকা নৈখনৰ উত্তৰ ফালে ওখ পাৰটো দেখিবলৈ পালে, চাৰিওফালে এটা নলাই ধনুৰদৰে বেঢ়ি আছে; নৈখন এই ধনুৰ গুণস্বৰূপ; শম, দম আৰু দান ইয়াৰ শৰ স্বৰূপ; কলিকালৰ সকলো পাপ ইয়াৰ কাৰণে নানাবিধৰ (চিকাৰৰ) জীৱ-জন্তু; চিত্ৰকূট পৰ্বতেই হ'ল (এই ধনুৰ অধিকাৰী) অচল-অটল চিকাৰী; এই চিকাৰীয়ে সমুখৰ পৰা বধ কৰে আৰু ইয়াৰ লক্ষ্য কেতিয়াও ব্যৰ্থ নহয়। ১-২ ॥

লক্ষ্মণে এই কথাখিনি কৈ ঠাইখন দেখুৱালে; ঠাই দেখি ৰামে আনন্দ পালে। যেতিয়া দেৱতাসকলে বুজিলে যে ঠাইখন ৰামৰ মনোমত হৈছে, তেতিয়া দেৱতাসকলৰ প্ৰধান স্থাপত্যশিল্পী বিশ্বকৰ্মাক লগত লৈ তেওঁলোক তাত উপস্থিত হ'লহি। ৩ ॥

সকলো দেৱতা কোল-ভীলৰ বেশ ধৰি আহিছিল। তেওঁলোকে বাঁহ-পাতেৰে সুন্দৰ ঘৰ সাজিলে। সেই সুন্দৰ ঘৰ দুটাৰ বৰ্ণনা দিব নোৱাৰি। এটা অতি ধুৱনি আৰু সৰু, ইটো ডাঙৰ আছিল। ৪ ॥

দোঃ—লক্ষ্মণ আৰু জানকীৰে সৈতে সেই মনোৰম কুটীৰত প্ৰভু বিৰাজ কৰি থাকিলে—যেন মুনিৰ বেশ ধৰি কামদেৱে ৰতিদেৱী আৰু বসন্ত ঋতুৰ সৈতেহে শোভা কৰি আছে। ১৩৩ ॥

চৌঃ—সেই সময়ত দেৱতা, নাগ, কিন্নৰ আৰু দিক্‌পালসকল চিত্ৰকূটলৈ আহিল আৰু ৰামে সকলোকে প্ৰণাম কৰিলে। নয়ন সাৰ্থক কৰি দেৱতাসকল আনন্দিত হ'ল। পুষ্প-বৰ্ষণ কৰি দেৱসমাজে ক'লে—"হে নাথ! আজি

আমি সনাথ হ'লোঁ।" তাৰ পাছত বিনীতভাৱে নিজৰ দুঃসহ দুখৰ কথা শুনালে আৰু আনন্দমনেৰে নিজ নিজ স্থানলৈ দেৱতাসকল গুচি গ'ল। ১-২ ॥

ৰঘুনন্দনে চিত্ৰকূটত বাস কৰিছেহি—এই সংবাদ শুনি মুনিসকল তালৈ আহিবলৈ ধৰিলে। আনন্দ মনেৰে অহা মুনিসকলক দেখি ৰঘুকুলৰ চন্দ্ৰস্বৰূপ ৰামে দণ্ডৱৎ প্ৰণাম কৰিলে। মুনিসকলে ৰামক বুকুত সাৱটি ল'লে আৰু সুফল লাভ হ'বলৈ আশীৰ্বাদ দিলে। তেওঁলোকে সীতা, লক্ষ্মণ আৰু ৰামৰ ৰূপ দেখিবলৈ পাই নিজৰ সকলো সাধনা সফল হ'ল বুলি ভাবিলে। ৩-৪ ॥

দোঃ—যথাযোগ্য সন্মান কৰি ৰামে মুনিসকলক বিদায় দিলে। তেওঁ-লোকে নিজ নিজ আশ্ৰমত গৈ স্বচ্ছন্দ মনে যোগ, জপ, যজ্ঞ আৰু তপস্যা কৰিবলৈ ধৰিলে। ১৩৪ ॥

চৌঃ—এই (ৰাম অহাৰ) সংবাদ যেতিয়া কোল-ভীলসকলে পালে, তেতিয়া তেওঁলোক ইমান আনন্দিত হ'ল যে নৱনিধিহে যেন তেওঁলোকৰ ঘৰত আহি উপস্থিত হৈছে। তেওঁলোকে দোনাত ফল-মূল-কন্দ ভৰাই লৈ যাবলৈ আৰম্ভ কৰিলে, যেন দৰিদ্ৰই সোণ লুটিবলৈহে গৈছে। ১ ॥

তেওঁলোকৰ ভিতৰত যিবিলাকে দুয়ো ভাইক [আগতে] দেখি আহিলে, তেওঁলোকক বাটত পাই ইবিলাকে কথা সুধিবলৈ ধৰিলে। এইদৰে ৰঘুবীৰ শ্ৰীৰামৰ সুন্দৰ গুণৰ কথা কৈ আৰু শুনি শুনি সকলোৱে দৰ্শন কৰিলেগৈ। ২ ॥

তেওঁলোকে উপহাৰৰ বস্তু আগত থৈ প্ৰণাম কৰিলে আৰু অতি অনুৰাগেৰে সৈতে প্ৰভুলৈ চাবলৈ ধৰিলে। তেওঁলোক এইদৰে (মুগ্ধ হৈ) য'তে আছিল ত'তে চিত্ৰত অঁকা মানুহৰ দৰে থিৰ হৈ ৰ'ল। তেওঁলোকৰ শৰীৰ ৰোমাঞ্চিত হ'ল, চকুৰপৰা পানী বাগৰি আহিল। ৩ ॥

ৰামে তেওঁলোক প্ৰেমত মগ্ন হোৱা বুজিলে আৰু প্ৰিয় কথা কৈ তেওঁলোকক সন্মান কৰিলে। তেওঁলোকে বাৰে বাৰে প্ৰভুক প্ৰণাম কৰি হাত-যোৰ কৰি লৈ ক'বলৈ ধৰিলে—৪ ॥

দোঃ—"হে নাথ! প্ৰভু-চৰণৰ দৰ্শন লাভ কৰি আমি এতিয়া সকলোটি সনাথ হ'লোঁ। হে কোশলৰাজ! আমাৰ ভাগ্যৰ বলতহে আপোনাৰ ইয়ালৈ শুভ আগমন হৈছে। ১৩৫ ॥

চৌঃ—হে নাথ! য'ত য'ত আপুনি চৰণ পেলাই আহিছে, সেই মাটি, বন, পথ আৰু পৰ্বত-পাহাৰ ধন্য; বনবাসী পশু-পক্ষীবোৰো ধন্য; আপোনাক দৰ্শন কৰি সিহঁতৰ জন্ম সফল হ'ল। ১ ॥

আমি পৰিয়াল পৰিজনেৰে সৈতে নয়ন ভৰি আপোনাক দৰ্শন কৰি ধন্য হ'লোঁ। আপুনি যৰ সুন্দৰ ঠাই বিচাৰি লৈ বাস কৰিছেহি। ইয়াত সকলো ঋতুতে আপুনি থাকি আনন্দ পাব। ২ ॥

আমি আপোনাক হাতী, সিংহ, সাপ, বাঘবপৰা সকলো প্ৰকাৰে বচাই ৰাখি সেৱা-শুশ্ৰূষা কৰিম ; ইয়াৰ ভয়ানক হাবি, পাহাৰ, গুহা আৰু কন্দৰ—এই সকলোবোৰ আমি ভাল দৰে দেখি থোৱা আছে। আমি অ'ত ত'ত আপোনাৰ হতুৱাই চিকাৰ কৰাম আৰু সৰোবৰ, নিজৰা আদি পানী থকা ঠাইবোৰ আপোনাক দেখুৱাই দিম। আমি পৰিয়াল-পৰিজনেৰে সৈতে আপোনাৰ সেৱক। আপুনি আমাক আদেশ দিবলৈ সংকোচ নকৰিব।" ৩—৪ ॥

দোঃ—যি বেদৰ বাণী আৰু মুনিসকলৰো মনৰ অগোচৰ, সেই করুণানিধি প্ৰভু শ্ৰীৰামে, পিতৃয়ে সন্তানৰ কথা মন দি শুনাৰ দৰে ভীলসকলৰ কথা শুনিলে। ১৩৬ ॥

চৌঃ—ৰামে কেৱল প্ৰেম ভাল পায়, যি জানিব খুজিছা, এই কথা জানি লোৱাঁ। তাৰ পাছত ৰামে স্নেহপূৰ্ণ মৃদু বচনেৰে সেই বনচৰ লোক-সকলক সন্তুষ্ট কৰিলে আৰু তেওঁলোকক বিদায় দিলে। তেওঁলোকে প্ৰণতি জনাই, প্ৰভুৰ গুণ বখানি আৰু শ্ৰৱণ কৰি কৰি ঘৰলৈ উলটিল। এইদৰে দেৱতা আৰু মুনিসকলকো সুখ দান কৰোঁতা দুয়ো ভাই ৰাম-লক্ষ্মণে সীতাৰে সৈতে বনত বাস কৰিবলৈ ধৰিলে। ১—২ ॥

যেতিয়াৰপৰা ৰামে আহি তাত বাস কৰিবলৈ ল'লে, তেতিয়াৰেপৰা বন মংগলদায়ক হৈ পৰিল। নানা ধৰণৰ গছবিলাকত ফল-ফুল লাগিবলৈ ধৰিলে আৰু তাতে বগাই বগাই গুৰনি লতাবোৰে মণ্ডপ সাজিলে। কল্পতৰুৰ দৰেই এই গছ-লতাবোৰ স্বাভাৱিকতে ধুনীয়া আছিল, এনেহে লাগিছিল যেন ইইঁতে দেৱতাৰ নন্দন-কানন এৰিহে ইয়াত আহেহি। শাৰী শাৰী ভোমো-ৰাই মধুৰ গুঞ্জন কৰিছে ; শীতল, মৃদু আৰু সুগন্ধি এই তিনিবিধ সুখ দান কৰা বতাহ বলিব লাগিছে। ৩—৪ ॥

দোঃ—নীলকণ্ঠ (ম'ৰা চৰাই), কুলি, ভাটৌ, পানীপিয়া, চাকৈ-চকোৱা, চকোৰ আদি চৰায়ে বিধে বিধে কাণত সোৱাদ লগা আৰু মন হৰণ কৰি নিয়া মাত মাতিবলৈ ধৰিলে। ১৩৭ ॥

চৌ—হাতী, সিংহ, বান্দৰ, গাহৰি, হৰিণা—এই সকলো পশুৱে শত্রু-

তাৰ এৰি একেলগে চৰিবলৈ ধৰিলে। চিকাৰ বিচাৰি ফুৰা ৰামৰ সৌন্দৰ্য দেখি পশুবোৰ বিশেষভাৱে আনন্দিত হ'ল। ১ ॥

জগতত বিমানবিলাক দেৱতাৰ বন আছে, সেই সকলোৰে ৰামে বাস কৰা বনখনলৈ ঈৰ্ষা জন্মিল। গংগা, সৰস্বতী, যমুনা, নৰ্মদা, গোদাৱৰী আদি ধন্য নদীসমূহে আৰু সকলো সৰোবৰ, সমুদ্ৰ আৰু নদ নদীসমূহে মন্দাকিনীৰে গুণ-যশ গাবলৈ ধৰিলে। উদয়াচল, অস্তাচল, কৈলাস, মন্দৰ পৰ্বত, মেৰু প্ৰভৃতি সকলো দেৱতাৰ বাসস্থান আৰু হিমালয় আদি হিমানবোৰ পৰ্বত, এই সকলোৰে চিত্ৰকূটৰ যশ-কীৰ্তন কৰিবলৈ ধৰিলে। বিন্ধ্যপৰ্বত অতি আনন্দিত হ'ল, তেওঁৰ মনৰ আনন্দৰ সীমা নোহোৱা হ'ল; কাৰণ পৰিশ্ৰম নকৰাকৈয়ে তেওঁ বিপুল শ্ৰেষ্ঠত্ব লাভ কৰিলে। ২—৪ ॥

দোঃ—দেৱতাসকলে দিনে ৰাতিয়ে এই বুলি ক'বলৈ ধৰিলে—চিত্ৰকূটৰ পশু-পক্ষী, গছ-লতা, তৃণ-বন প্ৰভৃতি সকলো জাতি পুণ্যৰাশি স্বৰূপ আৰু ধন্য হ'ল। ১৩৮ ॥

চৌঃ—চকু থকা জীৱসমূহে ৰঘুশ্ৰেষ্ঠ ৰামক দৰ্শন কৰি জীৱনৰ সাৰ্থকতা লাভ কৰিলে আৰু তেওঁলোক শোকৰহিত হ'ল। অচৰ (অৰ্থাৎ গছ-লতা, ভূমি প্ৰভৃতি) পদাৰ্থবোৰে ভগৱানৰ চৰণ-ৰেণুৰ স্পৰ্শ লাভ কৰি পৰমপদৰ অধিকাৰী হ'ল। ১ ॥

সেই অৰণ্য আৰু পৰ্বত স্বভাৱতেই সুন্দৰ, মংগলময় আৰু পৱিত্ৰ বস্তুকো পৱিত্ৰ কৰিব পৰা য'ত সুখৰ সাগৰ শ্ৰীৰামে বাস কৰিছে, তাৰ মহিমা কেনেকৈ বৰ্ণনা কৰোঁ? ২ ॥

ক্ষীৰসাগৰ ত্যাগ কৰি, অযোধ্যা এৰি থৈ আহি য'ত সীতা আৰু লক্ষ্মণেৰে সৈতে ৰামে আহি বাস কৰিছে, সেই বনৰ পৰম শোভাৰ কথা এক লক্ষ সহস্ৰাননেও (অনন্ত নাগেও) কৈ শেষ কৰিব নোৱাৰে। ৩ ॥

তাৰ কথা মই কেনেকৈ বৰ্ণাব পাৰোঁ বাৰু? পুখুৰীত থকা কাছই জানো ক'ৰবাত মন্দৰাচল ধাৰণ কৰিব পাৰে? লক্ষ্মণে মন, বচন আৰু কৰ্মৰে ৰামৰ সেৱা কৰিছিল। তেওঁৰ স্নেহ আৰু সৎস্বভাৱৰ কথা বৰ্ণনা কৰি ক'ব নোৱাৰি। ৪ ॥

দোঃ—প্ৰতি মুহূৰ্ততে ৰাম-সীতাৰ চৰণ দৰ্শন কৰি থাকিবলৈ পাই আৰু তেওঁলৈ থকা তেওঁলোকৰ স্নেহৰ কথা জানি লক্ষ্মণৰ সপোনতো ভায়েক, পিতৃ, মাতৃ আৰু ঘৰলৈ মনত পৰা নাছিল। ১৩৯ ॥

চৌঃ—ৰামৰ লগত সীতাই অযোধ্যাপুৰী, পৰিয়াল-পৰিজন আৰু ঘৰৰ কথা পাহৰি গৈ সুখেৰে বাস কৰিবলৈ ধৰিলে। মাইকী চকোৰ চৰায়ে চন্দ্ৰলৈ চাই প্ৰসন্ন হোৱাৰ দৰে তেৰেঁা প্ৰতি মুহূৰ্ত্তে প্ৰিয়তম ৰামৰ চন্দ্ৰবদন দৰ্শন কৰি আনন্দিত হ'ল। দিনৰ বেলাত (প্ৰিয়তমৰ সংগত) মাইকী চাকৈ-চকোৱা চৰাই হৰ্ষান্বিত হোৱাৰ দৰে সীতায়ো প্ৰতিদিনে পতিৰ স্নেহ বাঢ়ি যোৱা দেখি আনন্দিত হ'ল। সীতাৰ মন ৰামৰ চৰণত অনুৰক্ত; গতিকে তেওঁৰ কাৰণে বনেই হেজাৰথন অযোধ্যাৰ সমান প্ৰিয় হৈ পৰিল। ১।২ ॥

প্ৰিয়তমৰ লগতথকাৰ কাৰণে পৰ্ণকুটীৰো ভাল লগা হ'ল; মৃগ আৰু পক্ষীবোৰ মৰমৰ আত্মীয়-স্বজন যেন হৈ পৰিল; মুনিপত্নী আৰু মুনিসকল শাহু-শহুৰৰ নিচিনা হ'ল আৰু কন্দ, মূল আৰু ফলৰ ভোজন।অমৃতৰ নিচিনা লাগিল। স্বামীৰ লগত সুন্দৰকৈ পৰা কুশবন আৰু গছপাতৰ শয্যাই কামদেৱৰ শত শয্যাৰ নিচিনা সুখদায়ক হৈ পৰিল। যি দৃষ্টিপাত কৰা মাত্ৰকে মানুহ লোকপাল হ'ব পাৰে, তেওঁক কি বিষয়-বিলাসে মোহিত কৰিব পাৰে? ৩—৪ ॥

দোঃ—ৰামক স্মৰণ কৰিয়েই ভক্তজনে সমস্ত ভোগ-বিলাস তৃণ-কুটাৰ দৰে ত্যাগ কৰে; সেই ৰামৰ প্ৰিয়পত্নী আৰু জগতৰ জননী সীতাৰ কাৰণে (এই ত্যাগ) একো আচৰিত কথা নহয়। ১৪০ ॥

চৌঃ—সীতা আৰু লক্ষ্মণে যাতে সুখ লাভ কৰিব পাৰে, ৰঘুনাথে সেইদৰে কাম কৰে আৰু সেইদৰেই কথা কয়। ৰামে পুৰাতন কথা আৰু আখ্যান কয়, লক্ষ্মণ আৰু সীতাই অতি আনন্দেৰে শুনে। ১ ॥

যেতিয়াই ৰামৰ অযোধ্যালৈ মনত পৰে, তেতিয়াই তেওঁৰ চকু পানীৰে উপচি পৰে। পিতৃ-মাতৃ, আত্মীয়-স্বজন আৰু ভ্ৰাতৃ ভৰতৰ স্নেহ, সংস্বভাৱ আৰু সেৱাৰ মনোভাৱৰ কথা মনত পৰিলে কৃপাৰ সাগৰ প্ৰভু দুঃখিত হৈ পৰে; কিন্তু সময়টো ভাল নহয় বুলি বুজি আকৌ ধৈৰ্য ধৰে। তাকে দেখি মানুহৰ ছাটোৰে মানুহজনক অনুসৰণ কৰাৰ দৰে, সীতা আৰু লক্ষ্মণো ব্যাকুল হৈ পৰে। ২—৩ ॥

তেতিয়া ধীৰ, কৃপালু আৰু ভক্তৰ বুকুৰ চন্দনস্বৰূপ ৰঘুনন্দন ৰামে প্ৰিয়পত্নী আৰু ভায়েকৰ অৱস্থা দেখি কোনো পবিত্ৰ কাহিনী ক'বলৈ ধৰে; তাকে শুনি লক্ষ্মণ আৰু সীতা সুখী হয়। ৪ ॥

দোঃ—সীতা আৰু লক্ষ্মণৰ সৈতে ৰামে পৰ্ণকুটীৰত এনেদৰে শোভা পাইছিল, যেন অমৰাৱতীত ইন্দ্ৰহে শচী আৰু জয়ন্তৰ সৈতে বাস কৰি আছে। ১৪১ ॥

চৌঃ—চকুৰ পতাই মণিটো ৰক্ষা কৰি থকাৰ দৰে প্ৰভু শ্ৰীৰামে সীতা আৰু লক্ষ্মণক পালন কৰিছিল। ইফালে সীতা আৰু লক্ষ্মণে, অজ্ঞানী পুৰুষে নিজ শৰীৰৰ সেৱা কৰাৰ দৰে শ্ৰীৰামৰ সেৱা-শুশ্ৰূষা কৰিছিল। ১ ॥

পশু-পক্ষী, দেৱতা আৰু তপস্বীসকলৰ হিতকাৰী প্ৰভু শ্ৰীৰামে এইদৰে সুখে-সন্তোষে বনত বাস কৰিছিল। তুলসীদাসে কৈছে—মই ৰামৰ বন-গমনৰ সুন্দৰ কথা ক'লোঁ; এতিয়া সুমন্ত্ৰ কেনেকৈ অযোধ্যালৈ ঘূৰি আহিল, সেইকথা শুনাব খুজিছোঁ। ২ ॥

প্ৰভুক আগবঢ়াই থৈ নিষাদৰাজ ঘূৰি আহিল। তেওঁ মন্ত্ৰী সুমন্ত্ৰৰে সৈতে ৰথখন দেখিবলৈ পালেহি। মন্ত্ৰীক বিয়াকুল অৱস্থাত দেখি নিষাদৰ যি দুখ লাগিল, তাক বৰ্ণনা কৰিব নোৱাৰি। ৩ ॥

হা ৰাম, হা সীতা, হা লক্ষ্মণ বুলি চিঞৰি চিঞৰি অতি বিয়াকুল হৈ সুমন্ত্ৰ মাটিত বাগৰি পৰিল। ৰথৰ ঘোঁৰাকেইটাই দক্ষিণফালে (ৰাম-যোৱাৰ ফালে) চাই চাই আৰ্তনাদ কৰিবলৈ ধৰিলে, যেন ডেউকা ভগা চৰাইহে ব্যাকুল হৈ পাৰছে। ৪ ॥

দোঃ—সিইঁতে ঘাঁহ-পানী একো নোখোৱা হ'ল; কেৱল চকুলো যোৱাবলৈ ধৰিলে। ৰামৰ ঘোঁৰাকেইটাৰ অৱস্থা দেখি সকলো নিষাদ বিহ্বল হৈ পৰিল। ১৮২ ॥

চৌঃ—তেতিয়া ধৈৰ্য ধৰি নিষাদৰাজ গুহই ক'বলৈ ধৰিলে—হে মন্ত্ৰীবৰ, এতিয়া বেজাৰ কৰিবলৈ এৰক; আপুনি পণ্ডিত আৰু পৰম তত্ত্বজ্ঞ লোক। বিধাতা বিমুখ বুলি বুজি লৈ আপুনি ধৈৰ্য ধৰক। ১ ॥

কোমল মাতেৰে নানা তৰহৰ কথা কৈ কৈ নিষাদৰাজে সুমন্ত্ৰক নি বলেৰে ৰথত বহুৱাই দিলে; কিন্তু শোকত তেওঁ ইমান জৰ্জৰিত হৈ পৰিল যে ৰথ চলাব নোৱাৰা হ'ল। তেওঁৰ হৃদয়ত ৰামৰ বিৰহে অতিকৈ আঘাত দিলে। ২ ॥

ঘোঁৰা কেইটাই উচল-পিচল কৰিবলৈ ধৰিলে আৰু ঠিক বাটেদি নোযোৱা হ'ল; যেন বনৰীয়া জন্তুহে আনি ৰথত জুটি দিয়া হ'ল। ৰামৰ বিয়োগ-দুখে বিকল কৰি পেলোৱা ঘোঁৰাকেইটাই কেতিয়াবা উজুটি খাই পৰিব খুজিলে, কেতিয়াবা আকৌ পিছলৈ ঘূৰি ঘূৰি চাবলৈ ধৰিলে। ৩ ॥

যদি কোনোবাই ৰাম, সীতা আৰু লক্ষ্মণৰ নাম লয়, ঘোঁৰাকেইটাই মুখেৰে শব্দ কৰি তেওঁলৈ স্নেহৰ দৃষ্টিৰে চাবলৈ ধৰে। সিইঁতৰ বিৰহাতুৰ অৱস্থাৰ কথা

কেনেকৈ বর্ণাব পাৰি? মণি হেৰুৱাই সাপ ব্যাকুল হোৱাদৰে সিহঁতো ব্যাকুল হৈ পৰিল। ৪ ॥

দোঃ—মন্ত্ৰী আৰু ঘোঁৰাৰ সেই অৱস্থা দেখি নিষাদৰাজক দুখ-বেজাৰে জুমুৰি দি ধৰিলে। তাৰ পাছত তেওঁ নিজৰ চাৰিজন উত্তম সেৱকক মাতি আনি সাৰথি সুমন্ত্ৰৰ লগত পঠাই দিলে। ১৪৩ ॥

চৌঃ—নিষাদৰাজ গুহই সাৰথি সুমন্ত্ৰক আগবঢ়াই থৈ উলটি গ'ল। তেওঁৰ বিৰহ-দুখৰ কথা বৰ্ণনা কৰিব নোৱাৰি। সেই নিষাদ চাৰিজনে ৰথ লৈ অযোধ্যালৈ যাবলৈ ধৰিলে। [সুমন্ত্ৰ আৰু ঘোঁৰাকেইটাৰ শোক-বিহ্বল অৱস্থা দেখি] তেওঁলোকো মুহূৰ্তে মুহূৰ্তে বিষাদ-মগ্ন হৈ পৰে। ১ ॥

দুখত কাতৰ হৈ সুমন্ত্ৰই আকুলভাৱে চিন্তা কৰিবলৈ ধৰিলে—ৰঘুবীৰ শ্ৰীৰামৰ অবিহনে জীৱন ধিক্। অৱশেষত এই অধম শৰীৰটো নষ্ট হ'বই; এতিয়া ৰামে এৰি যোৱাৰ লগে লগেই মৃত্যু বৰণ কৰি ই যশস্যা লাভ নকৰিলে কিয়? ২ ॥

এই প্ৰাণ অপযশ আৰু পাপৰ ভাগী হ'ল। কি কাৰণে ই ওলাই যোৱা নাই? হায় নীচ মন, সুন্দৰ সুযোগ হেৰুৱালি। এতিয়াও হিয়া ভাগি টুকুৰা হোৱা নাই! ৩ ॥

সুমন্ত্ৰই হাত মোহৰি মোহাৰি, মূৰ খুন্দিয়াই খুন্দিয়াই অনুশোচনা কৰিবলৈ ধৰিলে। কৃপণেহে যেন ধনৰ ভাণ্ডাৰ হেৰুৱালে। কোনোবা ডাঙৰ যোদ্ধাই বীৰৰ কৱচ পিন্ধি নিজকে উত্তম বীৰ বুলি কৈ যুদ্ধৰপৰা পলাই যোৱাৰ দৰে সুমন্ত্ৰই যাবলৈ ধৰিলে। ৪ ॥

দোঃ—জ্ঞানী, বেদজ্ঞ আৰু শ্ৰেষ্ঠ বংশত জন্ম লোৱা ব্ৰাহ্মণে (মদ বুলি) নাজানি মদ খাই পাছত চিন্তা কৰাৰ দৰে মন্ত্ৰী সুমন্ত্ৰয়ো ভবা-চিন্তা কৰিবলৈ ধৰিলে। ১৪৪ ॥

চৌঃ—যেনেকৈ কুলীন, সৎস্বভাৱৰ আৰু জ্ঞানী তথা মন, বচন আৰু কৰ্মেৰে পতিক দেৱতা জ্ঞান কৰা তিৰোতাই কৰ্মফলৰ কাৰণে স্বামীক এৰি আঁতৰত থাকিব লগা হ'লে মনত দাৰুণ সন্তাপ পায়, মন্ত্ৰী সুমন্ত্ৰয়ো সেইদৰেই সন্তাপ পালে। ১ ॥

তেওঁৰ চকু পানীৰে উপচি পৰিল; দৃষ্টি ক্ষীণ হ'ল, কাণেৰে নুশুনা হ'ল। বুদ্ধি বিকল হৈ ভ্ৰান্তিত পৰিল; ওঁঠ শুকাই গ'ল; মুখত পানী নোহোৱা হ'ল। (তথাপি) প্ৰাণবায়ু বাহিৰ হোৱা নাই; কাৰণ হৃদয়ত বনবাসৰ অৱধি সীমাই

কপাট লগাই থৈছে (অর্থাৎ বনবাসৰ অন্তত ৰামক আকৌ পোৱাৰ আশাই প্রাণ ৰাখি আছে)। ২ ॥

সুমন্ত্র বিবর্ণ পৰিল ; তেওঁলৈ চাব নোৱৰা হ'ল, এনেহে লাগিল যেন তেওঁ পিতৃ-মাতৃক হত্যা কৰিহে আহিছে। মনটো ৰামক হেৰুওৱাৰ দাৰুণ পীড়াই হেঁচামাৰি ধৰিলে, যেন পাপী মানুহ এজনহে নৰকৰ পথত চিন্তিত হৈ পৰিছে। মুখৰপৰা মাত নোলোৱা হ'ল ; মনত এইবুলি অনুশোচনা হ'ল—'মই অযোধ্যালৈ গৈ কি দেখিবলৈ পাম ? ৰাম নোহোৱা ৰথখন যেয়ে দেখিব, সেয়ে মোক চাবলৈ সংকোচ কৰিব। ৩।৪ ॥

দোঃ—বিকল হৈ থকা নগৰৰ নৰ-নাৰীসকলে যেতিয়া লৰি আহি মোক সুধিব, তেতিয়া মই হৃদয়ত বজ্রৰ দৰে কঠোৰ কৰি লৈ সকলোকে উত্তৰ দিব লাগিব। ১৪৫ ॥

চৌঃ—হে বিধাতা, যেতিয়া দীন-দুখী মাতৃসকলে মোক সুধিবলৈ ধৰিব, মই তেতিয়া কি উত্তৰ দিম ? যেতিয়া লক্ষ্মণৰ মাকে মোক সুধিব, মই কি সুখৰ সংবাদ দিম ? ন-কৈ পোৱালী দিয়া গাইজনী পোৱালীলৈ মনত পৰি উধাতু খাই লৰি অহাৰ দৰে আহি মোক ৰামৰ মাকে যেতিয়া সুধিব, মই তেতিয়া তেখেতক এই বুলিহে উত্তৰ দিব লাগিব যে—ৰাম, লক্ষ্মণ, সীতা বনলৈ গ'ল। ১—২ ॥

যেয়ে সুধিব, তেওঁকে সেই উত্তৰকে দিব লাগিব। হায়, অযোধ্যালৈ গৈ মই এই সুখকে পামগৈ। যেতিয়া ৰামৰ ওপৰতে জীৱন নির্ভৰ কৰি থকা দুখত কাতৰ মহাৰাজে সুধিব, তেতিয়া মই কোনখন মুখেৰে কম যে মই ৰাজ-কুমাৰসকলক কুশলে থৈ আহিলোঁগৈ। লক্ষ্মণ, সীতা আৰু ৰামৰ সংবাদ শুনা মাত্রকে বজাই তৃণ-কুটা ত্যাগ কৰাৰ দৰে শৰীৰো ত্যাগ কৰিব। ৩—৪ ॥

দোঃ—প্রিয়তম ৰাম নোহোৱা হৈ যোৱাৰ লগে লগে পানী নোহোৱা বোকাৰ দৰে মোৰ হৃদয় কিয় ফাটি যোৱা নাই ? মই বুজিছোঁ—বিধাতাই মোক এই শৰীৰযন্ত্রণা ভুগিবলৈকে দিছে ॥' ১৪৬ ॥

চৌঃ—এইদৰে সুমন্ত্রই বাটত শোক কৰি আহিবলৈ ধৰিলে। ইফালে ৰথ আহি তুৰন্তে তমসা নদীৰ তীৰত উপস্থিত হ'ল। মন্ত্রীয়ে অনুনয়-বিনয় কৰি নিষাদ চাৰিজনক বিদায় দিলে। তেওঁলোক শোকত অধীৰ হৈ মন্ত্রীৰ চৰণ স্পর্শ কৰি উলটি গ'ল। ১ ॥

নগৰত প্রৱেশ কৰিবলৈ মন্ত্রীয়ে এনেকুৱাকৈ সংকোচ কৰিলে যেন গুৰু,

ব্ৰাহ্মণ বা গৰুহে বধ কৰি আহিছে। গোটেই দিনটো এজোপা গছৰ তলত বহি কটালে। সাঁজ লাগিলত সুযোগ মিলিল। ২ ॥

আন্ধাৰ হ'লত তেওঁ অযোধ্যাত প্ৰৱেশ কৰিলে, দুৱাৰতে ৰথ ৰাখি ৰাজভৱনত (মনে মনে) সোমালেগৈ । বিবিলাক মানুহে এই সংবাদ পালে, তেওঁলোক সকলোৰেই ৰথখন চাবলৈ ৰাজদুৱাৰলৈ আহিল। ৩ ॥

ৰথখন চিনি পাই আৰু ঘোঁৰাকেইটাক শোকত বিহ্বল দেখি তেওঁলোকৰ শৰীৰো, তাপ পাই পমি যোৱা বৰফুৰ শিলৰ নিচিনাকৈ শিথিল হৈ আহিল। নগৰৰ নৰ-নাৰীসকল, পানী শুকাই গলে মাছ বিয়াকুল হোৱাৰ দৰে, বিয়াকুল হ'ল। ৪ ॥

দোঃ—মন্ত্ৰী অকলে ঘূৰি অহা শুনি গোটেই অন্তেষপুৰ আকুল হৈ পৰিল। তেওঁলোকৰ কাৰণে ৰাজভৱন প্ৰেতৰ নিবাসস্থানৰ দৰে ভয়ানক হৈ পৰিল। ১৪৭ ॥

অতি আতুৰভাৱে ৰাণীসকলে প্ৰশ্ন কৰিবলৈ ধৰিলে ; কিন্তু সুমন্ত্ৰই কোনো উত্তৰ বিচাৰি নাপালে। তেওঁৰ মাত নোলোৱা হ'ল। কাণেৰে শুনা, চকুৰেও একো নমনা হ'ল। যেয়ে তেওঁৰ আগলৈ আহিল, তেওঁকে এইবুলি সুধিবলৈ ধৰিলে—ৰজা ক'ত আছে, কোৱাঁ। ১ ॥

মন্ত্ৰীক তেনেকৈ বিয়াকুল হোৱা দেখি দাসীসকলে তেওঁক কৌশল্যাৰ বাসভৱনলৈ লৈ গ'ল। সুমন্ত্ৰই তাত গৈ ৰজাক অমৃত বিহীন চন্দ্ৰৰ নিচিনা (নিষ্প্ৰভ) ৰূপত দেখিবলৈ পালে। আসন, শয্যা আৰু আ-অলংকাৰ নোহোৱাকৈ অতি মলিন বেশেৰে ৰজা মাটিত বাগৰি আছে। দীঘল দীঘল হুমুনিয়া কাঢ়ি তেওঁ চিন্তাত আকুল হৈ আছে, যেন স্বৰ্গৰপৰা খহি পৰা যযাতিহে চিন্তামগ্ন হৈ আছে। ২—৩ ॥

প্ৰতি মুহূৰ্ত্তে ৰজাৰ হৃদয় চিন্তাই হেঁচা মাৰি ধৰিছে। ডেউকা পুৰি যোৱাৰ পাছত যেন সম্পাতী পক্ষীহে পৰি আছে। হাঁ ৰাম, হাঁ ৰাম, হায় মোৰ চেনেহৰ ৰাম, এইবুলি বাৰে বাৰে কৈ কৈ তাৰ পাছত হায় ৰাম, হায় লক্ষ্মণ, হায় জনককুমাৰী—এনেদৰে চিঞৰিব লাগিছে। ৪ ॥

দোঃ—মন্ত্ৰীয়ে ৰজাক দেখিয়েই 'আপোনাৰ জয় হওক', 'আপুনি চিৰজীৱী হওক'—এই বুলি কৈ দণ্ডৱৎ প্ৰণাম কৰিলে। সুমন্ত্ৰৰ মাত শুনা মাত্ৰকে ৰজা ব্যাকুল হৈ উঠিল আৰু তেওঁ ক'লে—'সুমন্ত্ৰ, ৰাম ক'তা ?' ১৪৮ ॥

চৌঃ—ৰজাই সুমন্ত্ৰক বুকুত সাবটি ল'লে, যেন পানীত বুৰ যাবলৈ ধৰা

মানুহেহে এটা আশ্ৰয় পালে। মন্ত্ৰীক স্নেহেৰে সৈতে কাষত বহুৱাই লৈ চঞ্চলীয়া চকুৰে ৰজাই সুধিলে—'চেনেহৰ সখা, ৰামৰ কুশল সংবাদ কোৱাঁচোন। ৰাম, লক্ষ্মণ, সীতা ক'ত আছে, বিৱৰি কোৱাঁ। তেওঁলোকক ঘূৰাই আনিলা নে, তেওঁলোক বনলৈ গ'ল?' এই কথা শুনি মন্ত্ৰীৰ চকু দুটা পানীৰে উপচি পৰিল। ১—২ ॥

শোকত বিহ্বল হৈ ৰজাই আকৌ সুধিলে—ৰাম-সীতা আৰু লক্ষ্মণৰ বাতৰি কোৱাঁ। ৰামৰ ৰূপ-গুণ, স্বভাৱ-চৰিত্ৰৰ কথা সুঁৱৰি সুঁৱৰি ৰজাই মনে মনে ভাবিবলৈ ধৰিলে—মই ৰাজপাট দিম বুলি কৈ বনবাস দিলোঁ; এই কথা শুনিও যাৰ মনত হৰ্ষ, বিষাদ একো নহ'ল সেইহেন পুত্ৰই এৰি যোৱাৰ পাছতো যে মোৰ প্ৰাণ ওলাই যোৱা নাই, তেনেহ'লে মোৰ সমান কোন পাপী আছে?' ৩/৪ ॥

দোঃ—(তেওঁ ক'লে—) 'সখা! ৰাম, সীতা আৰু লক্ষ্মণ য'ত আছে, মোক তাতে লৈ আহাঁগৈ। নহ'লে মই সত্য কৰি কৈছোঁ, এতিয়াই মোৰ প্ৰাণ ওলাই যাব খুজিছে।' ১৪৯ ॥

চৌঃ—ৰজাই বাৰে বাৰে মন্ত্ৰীক সুধিছে—'মোৰ প্ৰিয়তম পুত্ৰৰ বাতৰি কৈ শুনোৱাঁ। হেৰা সখা, তুমি তুৰন্তে এনে এটা উপায় কৰাঁ, যাতে ৰাম, লক্ষ্মণ আৰু সীতাক মই দেখিবলৈ পাওঁ।' ১ ॥

মন্ত্ৰীয়ে ধৈৰ্য ধাৰি কোমল মাতেৰে ক'লে—'মহাৰাজ, আপুনি পণ্ডিত আৰু জ্ঞানী; হে দেৱ, আপুনি শ্ৰেষ্ঠ বীৰ, শ্ৰেষ্ঠ ধৈৰ্যশীল পুৰুষ; আপুনি সদায় সাধু-সমাজক সেৱা কৰে। ২ ॥

হে স্বামী, জন্ম-মৃত্যু, সুখ-দুখৰ ভোগ, লাভ-ক্ষতি, প্ৰিয়জনৰ মিলন আৰু বিচ্ছেদ—এই সকলো কাল আৰু কৰ্মফলৰ অধীন আৰু ৰাতি আৰু দিনৰ দৰে অৱশ্যম্ভাৱী। ৩ ॥

মূৰ্খ মানুহে সুখত আনন্দ লাভ কৰে আৰু দুখত কান্দে; কিন্তু ধীৰ পুৰুষে দুয়োটাকে সমান বুলি ভাবে। হে সৰ্বজনৰ হিতকাৰী, আপুনি বিবেক সহকাৰে ধৈৰ্য ধৰক আৰু চিন্তা-ভাবনা ত্যাগ কৰক।' ৪ ॥

দোঃ—ৰামে প্ৰথমতে গৈ তমসাৰ পাৰত থাকিল; তাৰ পাছত গংগাৰ পাৰত। সেইদিনা সীতাৰে সৈতে দুয়ো ভায়ে স্নান কৰি কেৱল পানী খায়েই কটালে। ১৫০ ॥

চৌঃ—নিষাদৰাজে বহুত সেৱা-শুশ্ৰূষা কৰিলে। সেই ৰাতি শৃংগবেৰপুৰতে

কটালে। পাছদিনা ৰাতিপুৱাই ষড়গছৰ আঠা অনালে আৰু তাৰে ৰাম-লক্ষ্মণে শিৰত জঁটাৰ মুকুট নিৰ্মাণ কৰি ল'লে। ১ ॥

তাৰ পাছত ৰামৰ মিত্ৰ নিষাদৰাজে নাও বিচৰাই আনিলে। তাত প্ৰথমতে সীতাক তুলি লৈ পাছত ৰাম উঠিলে; লক্ষ্মণে ধনুৰ্বাণ সাজু কৰি ৰাখিলে আৰু প্ৰভুৰ আদেশ পাই নাৱত উঠিলগৈ। ২ ॥

মোক বিকল হৈ পৰা দেখি ৰামে ধৈৰ্য ধৰি মধুৰ বচনেৰে ক'লে—'পিতৃতুল্য মন্ত্ৰীবৰ, পিতাক মোৰ প্ৰণাম জনাব আৰু মোৰ হৈ আপুনি বাৰম্বাৰ চৰণ-কমলত ধৰিব।' ৩ ॥

চৰণত ধৰি তাৰ পাছত প্ৰাৰ্থনা কৰি জনাব—'পিতা, আপুনি মোৰ বাবে চিন্তা নকৰিব। আপোনাৰ কৃপা, অনুগ্ৰহ আৰু পুণ্যৰ বলতে বনত আৰু বাটত আমাৰ কুশল-মংগল হ'ব। ৪ ॥

ছন্দঃ—হে পিতৃদেৱ, আপোনাৰ অনুগ্ৰহত মই বনলৈ আহি সকলো প্ৰকাৰৰ সুখ লাভ কৰিম। আপোনাৰ আদেশ পালন কৰি, চৰণ দৰ্শন কৰিবলৈ মই আকৌ কুশলে ঘূৰি যাম।' তুলসীদাসে কৈছে—মাতৃসকলৰ চৰণত পৰি অনুনয়-বিনয়েৰে সন্তোষ দান কৰি আপুনি এনে যত্ন কৰিব যাতে কোশলৰাজ কুশলে থাকে ॥

সোঃ—বাৰে বাৰে চৰণ-কমলত ধৰি গুৰু বশিষ্ঠক মোৰ এই অনুৰোধ জনাবগৈ, অযোধ্যাপতিৰ মোৰ বাবে যাতে চিন্তা নহয়, তেখেতে যেন তেনে উপদেশ দিয়ে। ১৫১ ॥

চৌঃ—হে পিতৃতুল্য মন্ত্ৰীবৰ, সকলো পুৰবাসী আৰু আত্মীয়-স্বজনক অনুনয়-বিনয় কৰি মোৰ এই অনুৰোধৰ কথা ক'বগৈ, যে সেইজনহে সকলো প্ৰকাৰে মোৰ হিতাকাংক্ষী, যাৰ চেষ্টাত মহাৰাজ সুখী হ'ব। ১ ॥

ভৰত আহিলে তেওঁক মোৰ এই বাণী শুনাব—ৰজা হৈ যাতে নীতি ত্যাগ নকৰাঁ। কৰ্ম, বচন আৰু মনে সমন্বিতে প্ৰজাক পালন কৰিবা। আটাই কেইগৰাকী মাতৃকে সমান ভাবি সেৱা-শুশ্ৰূষা কৰিবা। আৰু হে ভাই, পিতৃ-মাতৃ আৰু স্বজনৰ সেৱা কৰি শেষলৈকে ভ্ৰাতৃত্ব বজাই ৰাখিবা। বাছা, মহাৰাজক এনেধৰণে ৰাখিবা যাতে তেখেতে কেতিয়াও মোৰ কাৰণে চিন্তা নকৰে। ২—৩ ॥

লক্ষ্মণে অলপ টান কথা ক'লে; পিছে ৰামে তেওঁক বাধা দি মোক অনুৰোধ কৰিলে আৰু বাৰে বাৰে নিজৰ শপত দি ক'লে—হে মন্ত্ৰীবৰ, আপুনি যেন ল'ৰাৰ কথা বুলি লক্ষ্মণৰ কথাবোৰ তাত নকয়গৈ। ৪ ॥

দোঃ—প্ৰণতি জনাই সীতায়ো কিবা ক'ব খুজিছিল; পিছে তেওঁ স্নেহ-ভাৰত অথিৰ-অথিৰ হৈ পৰিল। তেওঁৰ মুখৰ মাত নোলোৱা হৈ গ'ল, চকু পানীৰে চলচলীয়া হ'ল আৰু শৰীৰ ৰোমাঞ্চিত হ'ল। ১৫২ ॥

চৌঃ—সেই সময়তে ৰামৰ ইংগিত পাই নাৱৰীয়াই সিপাৰলৈ বুলি নাও মেলি দিলে। এইদৰে ৰঘুবংশৰ তিলক ৰামচন্দ্ৰই যাত্ৰা কৰিলে, আৰু হৃদয়খন বজ্ৰৰ দৰে কঠোৰ কৰি লৈ মই থৰ হৈ চাই থাকিলোঁ। ১ ॥

মই নিজৰ দুখ-কষ্টৰ কথানো কি কম, মই ৰামৰ এই বাৰ্তা লৈ জীৱিত অৱস্থাৰেই ঘূৰি আহিলোঁ। এই বুলি কৈ মন্ত্ৰীৰ মাত নোলোৱা হ'ল। হেৰুউৱাৰ দুখ আৰু চিন্তা-ভাৱনাত তেওঁ নিমগ্ন হৈ পৰিল। ২ ॥

সাৰথি সুমন্ত্ৰৰ কথা শুনি ৰজা মাটিত বাগৰি পৰিল। তেওঁৰ হৃদয়ত দাৰুণ সন্তাপ হ'ল; তেওঁ ছটফটাবলৈ ধৰিলে। মন ভয়ানক মোহ অন্ধকাৰত নিমগ্ন হ'ল; যেন বাৰিষাৰ প্ৰথম (খাকৰা) পানীৰ (ছটফটোৱা) মাছহে। ৩ ॥

ৰাণীসকলে বিলাপ কৰি কৰি কান্দিবলৈ ধৰিলে। এই মহাবিপত্তিৰ বৰ্ণনা কেনেকৈ দিয়া যায়? এই বিলাপ শুনি স্বয়ং দুখৰো দুখ লাগিল, ধৈৰ্যৰো ধৈৰ্য হেৰাল। ৪ ॥

দোঃ—ৰাজঅন্তেষপুৰত এই হুলস্থূল হোৱা শুনি গোটেই অযোধ্যাতে অতি কোলাহল লাগি গ'ল; যেন চৰায়ে বাস কৰা বিশাল অৰণ্যতহে ৰাতি কঠোৰ বজ্ৰ পৰিল। ১৫৩ ॥

চৌঃ—ৰজাৰ প্ৰাণ কণ্ঠগত হ'ল; যেন মণিৰ অবিহনে ব্যাকুল হৈ পৰা সাপহে। ইন্দ্ৰিয়সমূহ বিকল হৈ পৰিল, যেন পানী নোহোৱা সৰোবৰত পদুমবনহে লেৰেলি শুকাই গ'ল। ১ ॥

কৌশল্যাই ৰজাক অতি বিষণ্ণ হৈ পৰা দেখি মনে মনে বুজিলে যে সূৰ্য বংশৰ সূৰ্য অস্তমিত হ'বৰ হ'ল। ৰামৰ মাতৃয়ে অন্তৰত ধৈৰ্য ধৰি সময়ৰ গুৰুত্ব বুজি ক'বলৈ ধৰিলে—'হে নাথ! আপুনি মনতে এই বুলি স্থিৰ কৰি লওক—ৰামৰ বিচ্ছেদ এক অপাৰ সমুদ্ৰ, অযোধ্যা এখন জাহাজ, আপুনি তাৰ কৰ্ণধাৰ, সমস্ত প্ৰিয়-পৰিজন সেই জাহাজত উঠা যাত্ৰী। আপুনি যদি ধৈৰ্য ধৰে, সকলোৱে পাৰ পাব; নহ'লে সমস্ত পৰিজন বুৰ যাব। হে প্ৰিয় স্বামী যদি মোৰ এই প্ৰাৰ্থনা আপুনি অন্তৰেৰে মানি লয়, তেন্তিয়া ৰাম, লক্ষ্মণ আৰু সীতা আকৌ ঘূৰি আহিলে দেখা দেখি হ'ব।' ২—৪ ॥

দোঃ—প্ৰিয় পত্নীৰ এই মৃদু বচন শুনি ৰজাই চকু মেলি চালে, যেন চট্‌ফটাই থকা মাছৰ ওপৰত কোনোবাই শীতল পানীহে ঢালি দিলে। ১৫৪ ॥

চৌঃ—ধৈৰ্য ধৰি ৰজা উঠি বহিল আৰু ক'লে—"সুমন্ত্ৰ, কৃপালু ৰাম ক'ত আছে কোৱাঁ। লক্ষ্মণ ক'ত? মৰমৰ ৰাম ক'ত আৰু মোৰ চেনেহৰ বোৱাৰী বিদেহ-ৰাজকুমাৰী ক'ত?" ১ ॥

ৰজাই বিয়াকুল হৈ নানা প্ৰকাৰে বিলাপ কৰিবলৈ ধৰিলে। সেই ৰাতিটো এযুগ যেন হ'ল, নেযাবই, নুপুৱাবই। অন্ধমুনিৰ অভিশাপৰ কথা ৰজাৰ মনত পৰিল। তেওঁ কৌশল্যাক সকলো কথা কৈ শুনালে। ২ ॥

সেই ইতিহাস বৰ্ণনা কৰি কৰি ৰজা বিহ্বল হৈ পৰিল [আৰু ক'বলৈ ধৰিলে]—"ৰামৰ অবিহনে জীয়াই থাকিবলৈ আশা কৰাটো ধিক্কাৰৰ কথা। মোৰ যিটো শৰীৰে মৰমৰ মৰ্যাদা ৰক্ষা কৰিব নোৱাৰিলে, তাক ৰাখি থাকি মই কি কৰিম? ৩ ॥

হাঁয় ৰঘুকুলৰ আনন্দ দাতা আৰু মোৰ প্ৰাণপ্ৰিয় ৰাম! তুমি নোহোৱাকৈ মই প্ৰাণ ধাৰণ কৰি থকা বহুদিন হ'ল। হাঁ জানকী, হাঁ লক্ষ্মণ, হাঁ ৰঘুশ্ৰেষ্ঠ ৰাম, হাঁ চাতকৰ হিতসাধক মেঘৰ দৰে পিতৃৰ চিত্তৰ হিতসাধক ৰাম।" ৪ ॥

দোঃ—ৰাম ৰাম বুলি বাৰে বাৰে কৈ শেহত আকৌ এবাৰ ৰাম বুলি উচ্চাৰণ কৰি ৰঘুশ্ৰেষ্ঠ শ্ৰীৰামৰ বিৰহত দেহ ত্যাগ কৰি ৰজাই দেৱলোকলৈ গতি কৰিলে। ১৫৫ ॥

চৌঃ—জীৱন আৰু মৃত্যুৰ সুফল দশৰথেই লাভ কৰিলে; তেওঁৰ বিমল যশস্যা অনেক ব্ৰহ্মাণ্ড জুৰি প্ৰচাৰ হ'ল। জীৱিত কালত ৰামৰ চন্দ্ৰবদন দৰ্শন কৰিলে আৰু ৰামৰ বিৰহ-দুখত মৃত্যুকো সংস্কাৰ (নিৰ্দোষ) কৰি ল'লে। ১ ॥

ৰাণীসকলে শোকত আতুৰ হৈ কান্দিবলৈ ধৰিলে। তেওঁলোকে ৰজাৰ ৰূপ-লাৱণ্য, সুচৰিত্ৰ, তেজ-বলৰ গুণ বখানি নানা ধৰণে বিলাপ কৰিবলৈ ধৰিলে; বেজাৰত বাৰে বাৰে তেওঁলোক মাটিত বাগৰি পৰে। ২ ॥

দাস-দাসীসকলে আকুলভাৱে বিলাপ কৰিবলৈ ধৰিলে। ঘৰে ঘৰে পুৰবাসীসকলে কান্দোন জুৰিলে। [সকলোৱে ক'বলৈ ধৰিলে—] 'আজি ধৰ্মৰ মৰ্যাদা স্বৰূপ, ৰূপ-গুণৰ ভাণ্ডাৰ স্বৰূপ, সূৰ্যবংশৰ সূৰ্য অস্তমিত হ'ল।' ৩ ॥

সকলোৱে কৈকেয়ীক গালি পাৰিবলৈ ধৰিলে। কৈকেয়ীয়ে গোটেই জগতকে চকু নথকা অন্ধৰ জগৎ যেন কৰিলে। এইদৰে বিলাপ কৰি থাকোঁতেই ৰাতি পুৱাল। পুৱা জ্ঞানী মহামুনিসকল আহি উপস্থিত হ'ল। ৪ ॥

দোঃ—তেতিয়া বশিষ্ঠ মুনিয়ে সময়ৰ অনুকূল অনেক পুৰণি কথা কৈ নিজৰ বিশিষ্ট জ্ঞান প্ৰকাশ কৰি সকলোৰে শোক দূৰ কৰিলে। ১৫৬ ॥

চৌঃ—বশিষ্ঠই নাও এখনত তেল ভৰাই তাতে ৰজাৰ মৃতদেহটো থোৱালে। তাৰ পাছত দূতসকলক মতাই আনি এই বুলি ক'লে—"তোমালোক লৰালৰিকৈ ভৰতৰ ওচৰলৈ যোৱা। ৰজাৰ মৃত্যুৰ বাতৰি কাকো ক'তো নক'বা। ভৰতক গৈ ইমানকে ক'ব লাগে যে দুয়ো ভাই-ককাইক গুৰুদেৱে মাতি পঠাইছে।" মুনিৰ আদেশ শুনি সেৱকসকলে লৰালৰিকৈ যাত্ৰা কৰিলে। তেওঁলোকে গতিবেগত উত্তম ঘোঁৰাকো চেৰ পেলালে। ১—২ ॥

অযোধ্যাত যেতিয়াৰেপৰা অনৰ্থ আৰম্ভ হ'ল, তেতিয়াৰপৰাই ভৰতৰ অনেক অমংগল সূচনা হ'বলৈ ধৰিলে। তেওঁ ৰাতি ভয় লগা সপোন দেখে আৰু সাৰ পালে শত সহস্ৰ ধৰণৰ বেয়াভাৱ মনলৈ আহে। তেওঁ প্ৰতি-দিনে (অমংগল দূৰ হ'বলৈ) ব্ৰাহ্মণসকলক ভোজন কৰাই দান দিয়ে। নানা বিধিৰে মহাদেৱৰ অভিষেক (স্নান) কৰে। মহেশ্বৰক মনে মনে আৰাধনা কৰি পিতৃ-মাতৃ, ভ্ৰাতৃ আৰু আত্মীয়-স্বজনৰ কুশল প্ৰাৰ্থনা কৰে। ৪ ॥

দোঃ—ভৰতে এইদৰে মনতে চিন্তা ভাৱনা কৰি থাকোঁতেই দূত পালেগৈ। গুৰুৰ আদেশ কাণত পৰাৰ লগে লগেই গণেশলৈ প্ৰণতি জনাই তেওঁ যাত্ৰা কৰিলে। ১৫৭ ॥

চৌঃ—বায়ু বেগী ঘোঁৰা খেদাই (ৰথ চলাই) তেওঁ দুৰ্গম নদী, পৰ্বত আৰু অৰণ্য অতিক্ৰম কৰি যাবলৈ ধৰিলে। তেওঁৰ মনত ডাঙৰ চিন্তা লাগি আছিল; গতিকে তেওঁৰ কোনো বস্তুৱেই ভাল নালাগিল। মনত এনেকুৱা লাগিছিল, যেন উৰিহে যাব। ১ ॥

এটা এটা চকুৰ পচাৰেই তেওঁৰ এবছৰ যেন লাগিছিল। এইদৰে ভৰত গৈ নগৰৰ ওচৰ পালেগৈ। নগৰত প্ৰৱেশ কৰাৰ সময়ত অমংগলৰ সূচনা হ'বলৈ ধৰিলে। বেয়া ঠাইত বহি লৈ কাউৰীয়ে অমংগলীয়া ধৰণে কা-কা কৰিছে। গাধ আৰু শিয়ালেও অমংগলসূচক মাত মাতিছে। এইবোৰ শুনি ভৰতৰ মনত বৰ দুখ লাগিল। নদী-সৰোবৰ, বন-উপবন, সকলো শোভাহীন আৰু নগৰখন অতি ভয়ানক যেন লাগিল। ২—৩ ॥

ৰামৰ বিৰহৰ ভয়ানক ব্যাধিয়ে পীড়িত কৰা চৰাই, পহু, হাতী-ঘোঁৰাবোৰলৈ চাব নোৱাৰা (অৱস্থা) হ'ল। নগৰৰ নৰ-নাৰী দুখত আকুল; যেন সকলোৱে নিজৰ সমস্ত সম্পদ হেৰুৱালে। ৪ ॥

দোঃ—নগৰবাসীসকলে আহি দেখা দি গ'ল; কিন্তু একো কথা নক'লে, মনে মনে প্ৰণাম জনাই গুচি গ'ল। ভৰতেও কাকো কুশল বাতৰি সুধিব নোৱাৰিলে; কাৰণ তেওঁৰ মনটো ভয় আৰু বিষাদে হেঁচা মাৰি ধৰিছে। ১৫৮ ॥

চৌঃ—হাট, বাট, একোলৈকে চাব নোৱাৰি। যেন নগৰখনৰ দশোদিশে দাবানলহে জ্বলিছে। পুতেক আহিছে বুলি শুনি সূৰ্যবংশৰূপী পদুমফুলৰ বাবে চন্দ্ৰকিৰণৰ নিচিনা কৈকেয়ী আনন্দিত হৈ উঠিল। তেওঁ আৰতি সজাই লৈ আনন্দতে লৰা-ঢপৰা কৰি আগবাঢ়ি গ'ল। বাজদুৱাৰত লগ পাই ভৰত-শত্ৰুঘ্নক তেওঁ ৰাজভৱনলৈ সুমুৱাই আনিলে। ভৰতে গোটেই পৰিয়াল-পৰিজনকে দুঃখিত হৈ থকা দেখিবলৈ পালে; যেন নীৰৱ পৰি মৰি যোৱা পদুমনি এখনহে। এইদৰে কেৱল কৈকেয়ীহে আনন্দিত হৈ আছে, তেওঁ যেন হাবিত জুই লগাই আনন্দ পোৱা ভীল-তিৰোতা এজনীহে। পুতেকক চিন্তিত আৰু মন মাৰি থকা দেখি তেওঁ সুধিলে— "আমাৰ আইৰ ঘৰত কুশল নে?" ১—৩ ॥

ভৰতে সকলো কুশল বাৰ্তা কৈ শুনালে। তাৰ পাছত নিজৰ ঘৰৰ কুশল মংগল সুধিলে—"কোৱাঁ, পিতা ক'ত আছে? মোৰ মাতৃসকল ক'ত আছে? সীতাদেৱী আৰু মোৰ প্ৰিয় ভ্ৰাতৃ ৰাম-লক্ষ্মণ ক'ত আছে?" ৪ ॥

দোঃ—পুতেকৰ এই স্নেহপূৰ্ণ কথা শুনি পাপিষ্ঠা কৈকেয়ীয়ে কপট চকু-লোৰে চকু চলচলীয়া কৰি, ভৰতৰ কাণ আৰু মনত শূল যেন লগা এই কথা ক'বলৈ ধৰিলে—১৫৯ ॥

চৌঃ—"বাছা, মই গোটেইবোৰ ব্যৱস্থা ঠিক মতেই কৰিছিলোঁ। বেচেৰী মন্থৰা মোৰ সহায় হ'ল। পিছে বিধাতাই মাজতে অলপ কাম নষ্ট কৰিলে; অৰ্থাৎ ৰজাই দেৱলোকলৈ গতি কৰিলে।" ১ ॥

এই কথা শুনা মাত্ৰকে ভৰত শোকত বিহ্বল হৈ পৰিল, যেন হাতীহে সিংহৰ গৰ্জন শুনি কোঁচ খাই গ'ল। তেওঁ 'হাঁ পিতা, হাঁ পিতা, বুলি চিঞৰি চিঞৰি অতি বিয়াকুল হৈ মাটিত বাগৰি পৰিল। [আৰু এই বুলি বিলাপ কৰিবলৈ ধৰিলে—] "পিতা, মই আপোনাক যোৱাৰ সময়তো দেখিবলৈ নাপালোঁ। আপুনি মোক শ্ৰীৰামৰ ওচৰত সমৰ্পণ কৰি থৈও নগ'ল।" তাৰ পাছত তেওঁ ধৈৰ্য ধৰি উঠিল—"আই, পিতাৰ মৃত্যুৰ কাৰণ কি কোৱাঁ?" ২—৩ ॥

পুতেকৰ কথা শুনি কৈকেয়ীয়ে ক'বলৈ আৰম্ভ কৰিলে, যেন মৰ্মস্থল বিদাৰণ কৰি তাত বিহ সুমুৱাইহে দিছে। কুটিল আৰু কঠোৰ স্বভাৱৰ

কৈকেয়ীয়ে নিজৰ সকলো কাম আদিৰেপৰা আনন্দ মনেৰে বৰ্ণনা কৰি কৈ গ'ল। ৪ ॥

দোঃ—ৰামৰ বন-গমনৰ কথা শুনি ভৰতে পিতাকৰ মৃত্যুৰ কথা পাহৰি গ'ল। এই সকলো অনৰ্থৰ কাৰণ তেওঁ নিজেই বুলি মনতে বুজিব পাৰি মৌনভাৱে স্তম্ভিত হৈ ৰ'ল। ১৬০ ॥

চৌঃ—পুতেকক আকুল হৈ পৰা দেখি কৈকেয়ীয়ে বুজাবলৈ ধৰিলে; যেন জুয়ে পোৰা ঠাইত লোণহে লগাই দিলে। [তেওঁ ক'লে—] "বাছা, ৰজাৰ বাবে চিন্তা কৰিব লগীয়া নাই। তেখেত পুণ্য আৰু যশ অৰ্জন কৰি লৈ পৰ্যাপ্ত ভোগ কৰি গৈছে। জীৱন-কালতো তেখেতে জন্ম গ্ৰহণৰ সম্পূৰ্ণ ফল লাভ কৰিছে আৰু অন্তত ইন্দ্ৰলোকলৈ গতি কৰিছে। ইয়াকে ভাবি তুমি চিন্তা ত্যাগ কৰাঁ আৰু সমাজ সমন্বিতে ৰাজধানীত ৰাজত্ব কৰাঁ।" ১—২ ॥

এই কথা শুনি ৰাজকুমাৰ উচাপ খাই উঠিল; যেন পকি থকা ঘাত অঙঠাহে লগাই দিলে। তেওঁ ধৈৰ্য ধৰি দীঘলকৈ হুমুনিয়াহ কাঢ়ি ক'লে— "পাপিষ্ঠা, তই সকলোপ্ৰকাৰে কুল নাশ কৰিলি। যদি তোৰ এনেকুৱা অপচ্ছ কৰিয়েই আছিল, তেন্তে জন্ম হওঁতেই মোক মাৰি নেপেলালি কিয়? তই গছজোপা কাটি পাতত পানী দিছ; মাছ জীয়াবলৈ লৈ পানী বাহিৰলৈ সিঁচি পেলাইছ। ৩।৪ ॥

দোঃ—মই সূৰ্যবংশ হেন বংশ, দশৰথ হেন পিতা আৰু ৰাম-লক্ষ্মণৰ নিচিনা ভাই পালোঁ; কিন্তু তই মোৰ জন্মদাত্ৰী হ'লি? বিধাতাৰ ওপৰত কাৰো হাত নাই। ১৬১ ॥

চৌঃ—মন্দমতি! যেতিয়া তোৰ মনত এই দুষ্ট বুদ্ধিয়ে ঠাই লৈছিল, তেতিয়াই তোৰ হৃদয় খণ্ড-বিখণ্ড হৈ নগল কিয়? বৰ খোজোঁতে তোৰ মনত একো দুখ নালাগিল নে? তোৰ জিভাখন ছিগি নগ'ল কিয়? তোৰ মুখত পোক নালাগিলে নে? ৰজাইনো তোক কেনেকৈ বিশ্বাস কৰিলে? বিধাতাইহে মৰিবৰ সময়ত তেওঁৰ বুদ্ধি হৰণ কৰিলে। তিৰোতাৰ মনৰ গতি বিধাতায়ো জানিব নোৱাৰে, সি সকলো কপট, পাপ আৰু দুৰ্গুণৰ খনিস্বৰূপ। ১—২ ॥

ৰজা সৰল, সৎচৰিত্ৰৰ আৰু ধৰ্মপৰায়ণ আছিল। তেখেতেনো তিৰোতাৰ স্বভাৱ কেনেকৈ বুজিব? জগতত জীৱ-জন্তুৰ ভিতৰতো এনে

কোন আছে, যাৰ কাৰণে ৰঘুনাথ প্ৰাণৰ সমান মৰমৰ নহয়? সেই হেন ৰামচন্দ্ৰও তোৰ বৈৰী হ'ল? তই কোন থাক, মোক সঁচা কথা কচোন? তই যেয়ে নহৰ লাগে, এতিয়া উঠি গৈ মুখত চিঞৰাই সানি মোৰ চকুৰ পৰা আঁতৰত থাকগৈ। ৩—৪ ॥

দোঃ—বিধাতাই ৰামৰ বিৰোধী তোৰ গৰ্ভৰপৰা মোক জন্ম দিলে। মোৰ সমান পাপী আৰু কোন আছে? মই মিছাকৈয়ে তোক এইবোৰ কথা কৈ আছোঁ।" ১৬২ ॥

চৌঃ—মাকৰ কুটিলতাবোৰ শুনিবলৈ পাই শত্ৰুঘ্নৰ সমস্ত শৰীৰ খঙত জ্বলি উঠিল ; কিন্তু উপায় নাপালে। সেই সময়তে নানা তৰহৰ সাজ-পোছাক আৰু গহনা-পাতি পিন্ধি কুঁজী তাত ওলালেহি। তাইক দেখি লক্ষ্মণৰ ভায়েক (শত্ৰুঘ্ন) খঙত জ্বলি-পকি উঠিল। যেন জ্বলা জুইত ঘিউহে পৰিল। তেওঁ একেবাহে চাই থাকি কুঁজটোত জোৰেৰে গোৰ মাৰি দিলে। তাই চিঞৰ মাৰি মাটিত হামখুৰি খাই পৰিল। কুঁজটো ভাগি গ'ল, কপাল ফুটিল, দাঁত ভাগিল আৰু মুখৰপৰা তেজ ব'বলৈ ধৰিলে। [তাই ক'বলৈ ধৰিলে—] "হায় বিধি, মইনো কি বেয়া কাম কৰিলোঁ? ভাল কৰিবলৈ গৈ মই বেয়া ফলহে পালোঁ।" ১—৩ ॥

তাইৰ মুখত সেই কথা শুনি আৰু ভৰিৰ নখৰ পৰা চুলিৰ আগলৈকে তাই দুষ্ট বুলি বুজি শত্ৰুঘ্নই তাইক চুলিত ধৰি লৈ চোঁচৰাবলৈ ধৰিলে। তেতিয়া দয়াৰ সাগৰ ভৰতে তাইক এৰুৱাই দিলে। তাৰ পাছত দুয়ো ভাই-ককাই কৌশল্যাৰ ওচৰলৈ গ'ল। ৪ ॥

দোঃ—কৌশল্যাৰ বসন মলিন, শৰীৰ বিবৰ্ণ, ভাৱত ব্যাকুল আৰু দুখত জীৰ্ণ-শীৰ্ণ হৈ পৰিছে ; যেন সুন্দৰ স্বৰ্ণময়ী কল্পলতাহে তুষাৰপাত হোৱা বাবে মৰিবলৈ ধৰিছে। ১৬৩ ॥

চৌঃ—ভৰতক দেখিয়েই মাক কৌশল্যা উঠি লৰি আহিল। কিন্তু মূৰ ঘূৰাই মূৰ্চ্ছিত হৈ তেওঁ মাটিত বাগৰি পৰিল। তাকে দেখি ভৰত অতি বিয়াকুল হৈ পৰিল। তেওঁ জ্ঞান-চুতি হেৰুৱাই কৌশল্যাৰ ভৰিত পৰিলেগৈ। ১ ॥

[তেওঁ ক'লে—] "আই, পিতা ক'ত আছে? সীতাদেৱী আৰু মোৰ দুই ভ্ৰাতৃ ৰাম-লক্ষ্মণ ক'ত আছে? জগতত কৈকেয়ীয়ে কিয় জন্ম ল'লে? জন্ম ল'লেও বাঁজী নহ'ল কিয়? কৈকেয়ীয়ে কুলৰ কলংক, অপযশৰ

ভাগী, প্ৰিয়জনৰ দ্ৰোহী, মোৰ নিচিনা ল'ৰাক জন্ম দিলে। মোৰ কাৰণেই আই, তোমাৰ এনে দশা হ'বলৈ পালে। ২।৩ ॥

পিতা স্বৰ্গলৈ গ'ল আৰু ৰঘুশ্ৰেষ্ঠ ৰাম বনলৈ গ'ল ; কেতুৰ দৰে মইহে এই সকলো অনৰ্থৰ কাৰণ হ'লোঁ। মোক ধিক্‌কাৰ দিছোঁ। মই বাঁহনিত জলাজুই হোৱাদি হ'লোঁ ; সকলো দুঃসহ সন্তাপ, দুখ আৰু দোষৰ ভাগী হ'লোঁ।" ৪ ॥

দোঃ—ভৰতৰ মৃদু বচন শুনি মাক কৌশল্যা পুনৰ ধৈৰ্য ধৰি উঠি বহিল। তেওঁ ভৰতক তুলি ধৰি বুকুত সাৱটি ল'লে আৰু চকুৰেদি লোতক বোৱাবলৈ ধৰিলে। ১৬৪ ॥

চৌঃ—সৰল স্বভাৱৰ মাতৃগৰাকীয়ে অতি চেনেহেৰে ভৰতক বুকুত সাৱটি ধৰিলে, যেন ৰামহে ঘূৰি আহিল। তাৰ পাছত লক্ষ্মণৰ ভায়েক শত্ৰুঘ্নক বুকুত সুমুৱাই ল'লে। অন্তৰত শোক আৰু স্নেহৰ ভাব নধৰা হৈ উপচি গ'ল। ১ ॥

কৌশল্যাৰ স্বভাৱ দেখি সকলোৱে ক'বলৈ ধৰিলে—ৰামৰ মাকৰনো এনে স্বভাৱ কিয় নহ'ব ? মাকে ভৰতক কোলাত বহুৱাই লৈ চকুপানী মচি দি কোমল মাতেৰে ক'বলৈ ধৰিলে—"বাছা, মই কষ্ট বুৰ পাতি লৈছোঁ। তুমি এতিয়া ধৈৰ্য ধৰাঁ। সময়টো বেয়া বুলি বুজি লৈ শোক ত্যাগ কৰাঁ। কাল আৰু কৰ্মৰ গতি আমোঘ বুলি জানি লৈ মনত হানি আৰু গ্লানিৰ ভাব নাৰাখিবা। ২—৩ ॥

বাছা, কাকো দোষ নিদিবা। মোৰ কাৰণে বিধাতা সকলো প্ৰকাৰে প্ৰতিকূল হ'ল ; সেইকাৰণেহে মোক ইমান দুখতো জীয়াই ৰাখিছে। এতিয়াও কোনে জানে, তেওঁৰা কি কৰিবলৈ পাইছে ? ৪ ॥

দোঃ—বাছা, পিতাৰাৰ আজ্ঞামতে ৰঘুবীৰ ৰামচন্দ্ৰই বসন-ভূষণ ত্যাগ কৰি বল্কল-বসন ধাৰণ কৰিলে। তেওঁৰ হৃদয়ত কোনো বিষাদো নহ'ল, আনন্দও নহ'ল। ১৬৫ ॥

চৌঃ—তেওঁৰ মুখ প্ৰসন্ন হৈ আছিল ; মনত আসক্তিও নাছিল, অসন্তোষো নাছিল। সকলোকে সকলো প্ৰকাৰে সন্তুষ্ট কৰি তেওঁ বনলৈ যাত্ৰা কৰিলে। সেই (বনবাসৰ) কথা শুনি সীতাও তেওঁৰ লগত ওলাল। ৰামৰ চৰণৰ অনুৰাগী সীতা (নগৈ) থাকিব নোৱাৰিলে। ১ ॥

শুনামাত্ৰকে লক্ষ্মণো লগত ওলাল। ৰামে তেওঁক বাধা দিবলৈ বহুত যত্ন কৰিলে ; কিন্তু তেওঁ ৰ'লে নাথাকিলে। তাৰ পাছত ৰামে সকলোকে প্ৰণাম কৰি সীতা আৰু ভায়েক লক্ষ্মণক লগত লৈ যাত্ৰা কৰিলে। ২ ॥

ৰাম, লক্ষ্মণ আৰু সীতা বনলৈ গ'ল। মই লগতো যাবলৈ নহ'ল আৰু নিজৰ প্ৰাণটোও তেওঁলোকৰ লগত পঠাবলৈ নহ'ল। এই সকলো ঘটনা চকুৰ আগতে ঘটিল ; তথাপি দুৰ্ভগীয়া জীৱনে শৰীৰ ত্যাগ কৰি নগ'ল। ৩ ॥

নিজৰ মৰম-স্নেহৰ কথা ভাবি মোৰ লাজ লগা নাই। মই ৰাম হেন পুত্ৰৰ মাক! মৰা-জীয়াৰ কথা বজাইহে ভালকৈ জানিলে। মোৰ হৃদয়খন শত বজ্ৰবদৰে কঠোৰ।" ৪ ॥

দোঃ—কৌশল্যাৰ কথাবোৰ শুনি ভৰতৰে সৈতে গোটেই অন্তঃপুৰখনেই ব্যাকুল হৈ কান্দিবলৈ ধৰিলে ; ৰাজভৱন যেন শোকৰ থলীহে হৈ পৰিল। ১৬৬ ॥

চৌঃ—ভৰত-শত্ৰুঘ্ন দুয়োভায়ে বিকল হৈ বিলাপ কৰিবলৈ ধৰিলে। তেতিয়া কৌশল্যাই তেওঁলোকক বুকুত সাবটি ধৰিলে। অনেক প্ৰকাৰে তেওঁ ভৰতক বুজালে-বৰালে আৰু বহুত বিবেকপূৰ্ণ কথা তেওঁক কৈ শুনালে। ১ ॥

ভৰতেও মাতৃসকলক পুৰাণ আৰু বেদৰ সুন্দৰ সুন্দৰ কাহিনী কৈ শান্ত কৰিলে। দুয়ো হাত যোৰ কৰি ভৰতে কপট নোহোৱা, সৰল আৰু শুচি বচনেৰে ক'বলৈ ধৰিলে—"হে মাতৃ! পিতৃ-মাতৃ আৰু পুত্ৰক হত্যা কৰিলে যি পাপ হয়, গো-শালা তথা ব্ৰাহ্মণৰ বাসস্থান নগৰত জুই দিলে যি পাপ হয়, স্ত্ৰী আৰু বালকক হত্যা কৰিলে যি পাপ হয়, বন্ধু আৰু মিত্ৰক বিহ দিলে যি পাপ হয়, তদুপৰি এনে ধৰণৰ আন আন বিমানবোৰ সকলৰ পাপ মন, বচন আৰু আচৰণেৰে কৰিব পাৰি, সেই সকলো পাপৰে ভাগী মোক বিধাতাই কৰিব, যদিহে ৰামক বনবাস দিয়া কাৰ্যত মোৰ মত আছে। ৩।৪ ॥

দোঃ—যি মানুহে হৰি-হৰৰ চৰণ এৰি ভয়ংকৰ ভূত-প্ৰেতৰ পূজা কৰে, সেই মানুহে যি গতি লাভ কৰে, সেই গতিকে মোকো বিধাতাই দিব, যদিহে এই কাৰ্যত (ৰামক বনবাসলৈ পঠোৱাত) মোৰ সন্মতি আছে। ১৬৭ ॥

চৌঃ—যি মানুহে বেদ বিক্ৰী কৰে, ধৰ্মক দোহন কৰে (ধৰ্মৰ অনিষ্ট সাধন কৰে), পিঠিৰ পাছতে অন্যৰ নিন্দা কৰে, লোকৰ পাপৰ কথা কৈ ফুৰে, যি কপটীয়া, কুটিল স্বভাৱৰ, কাজিয়াখোৰ আৰু খঙাল, যি বেদ নিন্দা কৰে, সমস্ত বিশ্বৰে বিৰোধ আচৰণ কৰে, লোভী, লম্পট আৰু লোলুপ স্বভাৱৰ আৰু যি মানুহে লোকৰ ধন আৰু পৰ-স্ত্ৰীলৈ চকু দিয়ে, হে মাতৃ! যদি এই কাৰ্যত মোৰ সন্মতি আছে তেন্তে মই এই মানুহবোৰৰ দৰে ভয়ানক গতি লাভ কৰিম। ১—২ ॥

সৎসংগৰ প্ৰতি যাৰ শ্ৰদ্ধা নাই, যি অভাগা পৰমাৰ্থৰ প্ৰতি বিমুখ, যি মনুষ্য শৰীৰ পাই হৰিক ভক্তি নকৰে; যিজনে হৰি-হৰৰ যশস্যা ভাল নাপায়, যি বেদমাৰ্গ ত্যাগ কৰি বামমাৰ্গত চলে, যি ঠগ আৰু সাজ-সজ্জা কৰি জগতক ছলনা কৰি ফুৰে, হে মাতৃ, যদি মই এই (কৈকেয়ীৰ বৰৰ) কথা জানিছিলোঁ, তেন্তে মহাদেৱে মোক (উক্ত প্ৰকাৰৰ) সেই মানুহবোৰৰ নিচিনা গতি দিয়ক।" ৩—৪ ॥

দোঃ—মাকে (কৌশল্যাই) ভৰতৰ সত্য আৰু স্বভাৱতে সৰল কথাখিনি শুনি ক'লে—"বাছা, তুমি মন, বচন আৰু কৰ্মেৰে সৈতে সদায়েই ৰামৰ প্ৰিয়। ১৬৮ ॥

চৌঃ—ৰাম তোমাৰ প্ৰাণৰো প্ৰাণস্বৰূপ আৰু তুমিও ৰামৰ প্ৰাণতকৈও প্ৰিয়। চন্দ্ৰই বিহ বৰষিব পাৰে, বৰফৰপৰা জুই ওলাব পাৰে, জলচৰ প্ৰাণী পানীৰ প্ৰতি বিৰক্ত হ'ব পাৰে, জ্ঞান জন্মাৰ পাছতো মোহ দূৰ নহ'ব পাৰে; কিন্তু তুমি কেতিয়াও ৰামৰ প্ৰতিকূল হ'ব নোৱাৰা। এই বিষয়ত তোমাৰ সম্মতি আছে বুলি জগতত যেয়ে ক'ব, সি স্বপ্নতো সুখ আৰু সদ্‌গতি লাভ কৰিব নোৱাৰে।" ১।২ ॥

এই বুলি কৈ কৌশল্যাই ভৰতক সাবটি ধৰিলে। তেওঁৰ স্তন্যধাৰা বৈ গ'ল আৰু চকু-পানীৰে চল্‌চলীয়া হ'ল। এইদৰে অনেক বিলাপ কৰি কৰি বহি থাকোঁতেই গোটেই ৰাতি পাৰ হ'ল। ৩ ॥

তেতিয়া বশিষ্ঠ আৰু বামদেৱ আহিল। তেখেতসকলে সকলো মন্ত্ৰী আৰু সজ্জনক মতাই আনিলে। তাৰ পাছত বশিষ্ঠই ভৰতক পৰমাৰ্থৰ কথা কৈ নানা প্ৰকাৰৰ উপদেশ দিলে। ৪ ॥

দোঃ—[বশিষ্ঠই ক'লে—] "বাছা, হৃদয়ত ধৈৰ্য ধৰা আৰু আজি যি কাম কৰাৰ সময় পৰিছে, তাক সমাধা কৰা।" গুৰুৰ বচন শুনি ভৰত উঠিল আৰু তেওঁ সকলো বস্তু সাজু কৰিবলৈ ক'লে। ১৬৯ ॥

চৌঃ—বেদবিহিত ব্যৱস্থাৰে ৰজাৰ মৃতদেহ স্নান কৰোৱা হ'ল। পৰম বিচিত্ৰ বিমান নিৰ্মাণ কৰা হ'ল। ভৰতে মাতৃসকলক চৰণত ধৰি (সতী-হোৱাৰ পৰা) ৰাখিলে। ৰাণীসকল শ্ৰীৰামক দৰ্শন কৰাৰ অভিলাষেৰে থাকি গ'ল। ১ ॥

চন্দন, অগুৰু আৰু অনেক প্ৰকাৰৰ সুন্দৰ সুগন্ধি দ্ৰব্য অপৰ্যাপ্তভাৱে গোট খালে।" সৰযুৰ তীৰত চিতা নিৰ্মাণ কৰা হ'ল; সেয়া যেন অমৰাৱতীলৈ উঠা খট্‌খটিহে। ২ ॥

এইদৰে দাহ-কাৰ্য সম্পূৰ্ণ হ'ল। সকলোৱে বিধিবৎ স্নান কৰি তিলাঞ্জলি দান কৰিলে। তাৰ পাছত বেদ, স্মৃতি, পুৰাণ—এই সকলোৰে মত বিচাৰি চাই ভৰতে সেই অনুসৰি পিতাকৰ দহা-কাৰ্য সম্পন্ন কৰিলে। ৩॥

মুনিৰাজ বশিষ্ঠই য'তে যেনেদৰে আদেশ দিলে, ভৰতে ত'তে সেই সকলো কাম সহস্ৰ প্ৰকাৰে সম্পন্ন কৰিলে। শুচি হৈ সকলো প্ৰকাৰৰ দান দিলে। গৰু, ঘোঁৰা, হাতী, নানা যান-বাহন দিলে। ৪॥

দোঃ—সিংহাসন, বস্ত্ৰ, অলংকাৰ, অন্ন, মাটি, ধন, ঘৰ আদিও ভৰতে দান কৰিলে; ব্ৰাহ্মণ সকলো তাক গ্ৰহণ কৰি পূৰ্ণমনোৰথ হ'ল। ১৭০॥

চৌঃ—পিতাকৰ কাৰণে ভৰতে যি ধৰণৰ কাম কৰিলে, একলাখ মুখেৰেও তাৰ বৰ্ণনা কৰিব নোৱাৰি। তাৰ পাছত বশিষ্ঠ ভাল দিন-বাৰ চাই আহিল আৰু সকলো মন্ত্ৰী-সভাসদক নিমন্ত্ৰণ কৰালে। ১॥

সকলো গৈ ৰাজসভাত বহিল। ভৰত-শত্ৰুঘ্ন দুয়ো ভাইক মাতি পঠালে। বশিষ্ঠই ভৰতক ওচৰত বহুৱাই ল'লে আৰু নীতি তথা ধৰ্মযুক্ত কথা কবলৈ ধৰিলে। ২॥

বশিষ্ঠই প্ৰথমতে কুটিল কৈকেয়ীয়ে কেনেকুৱা কাম কৰিলে সেই সকলো কথা বৰ্ণনা কৰি ল'লে। তাৰ পাছত ৰজাৰ ধৰ্মব্ৰত আৰু সত্যনিষ্ঠাৰ প্ৰশংসা কৰিলে; তেওঁ শৰীৰ ত্যাগ কৰিও প্ৰেমৰ মান ৰক্ষা কৰিলে। ৩॥

ৰামৰ গুণ আৰু স্বভাব-চৰিত্ৰৰ কথা কওঁতে মুনিৰাজ বশিষ্ঠৰ চকু চলচলীয়া হ'ল আৰু শৰীৰ পুলকিত হৈ উঠিল। তাৰ পাছত সেই জ্ঞানী মুনি লক্ষ্মণ আৰু সীতাৰ স্নেহ-ভাৱৰ বৰ্ণনা কৰি কৰি শোক আৰু স্নেহত নিমগ্ন হৈ পৰিল। ৪॥

দোঃ—মুনিৰাজ বশিষ্ঠই দুখ কৰি ক'লে—"শুনা ভৰত! ভাগ্যমতে হ'ব লগীয়াটো অতি প্ৰবল। হানি-লাভ, জীৱন-মৰণ, যশ-অপযশ—এই সকলোবোৰ বিধিৰ হাতত। ১৭১॥

চৌঃ—এইদৰে বিচাৰ কৰি চালে কাকনো দোষ দিব পাৰি? আৰু মিছাতে কাৰোবাৰ প্ৰতি কষ্ট হ'লেই বা কি লাভ? গতিকে বাছা! মনতে ভাবি-গুণি চোৱাঁ, ৰজা দশৰথৰ কাৰণেও শোক কৰিব লগীয়া একো নাই। সেই ব্ৰাহ্মণহে শোকৰ যোগ্য যি বেদ নাজানে আৰু নিজৰ ধৰ্ম ত্যাগ কৰি বিষয়-সুখত লিপ্ত হয়। সেইজন ৰজাইহে শোক কৰিব লাগে, যি নীতি নাজানে আৰু যাৰবাবে প্ৰজাসকল নিজৰ প্ৰাণৰ দৰে প্ৰিয় নহয়; সেইজন

কৃপণ বৈশ্যহে শোক পাবৰ যোগ্য, যি অতিথি শুশ্ৰূষা আৰু শিৱভক্তিত নিপুণ নহয়; সেই শূদ্ৰহে শোক পাবৰ যোগ্য, যি বিপ্ৰক অৱমাননা কৰে, বেছিকৈ কথা কয়, মান-প্ৰতিষ্ঠা বিচাৰে আৰু জ্ঞানৰ গৰ্ব কৰে; সেই পতিক প্ৰবঞ্চনা কৰা তিৰোতাহে শোকৰ যোগ্য, যি কুটিল স্বভাৱৰ, কাজিয়াখোৰ আৰু স্বেচ্ছাচাৰিণী; সেই ব্ৰহ্মচাৰী শোকৰ যোগ্য, যি নিজৰ ব্ৰত পৰিত্যাগ কৰে আৰু গুৰুৰ আদেশমতে নচলে; ১—৪ ॥

দোঃ—সেই গৃহস্থী শোকৰ যোগ্য, যি মোহৰ বশ হৈ কৰ্মমাৰ্গ ত্যাগ কৰে; সেই সন্ন্যাসী শোকৰ যোগ্য, যি বিবেকৰহিত হৈ সংসাৰ-প্ৰপঞ্চত ৰত হয়। ১৭২ ॥

চৌঃ—সেই বানপ্ৰস্থীজন শোকৰ যোগ্য, যি তপস্যা ত্যাগ কৰি ভোগ-বিলাসত লিপ্ত হয়; সেইজনেই শোকৰ যোগ্য, যি কথা লগাই ফুৰে আৰু অকাৰণতে ক্ৰোধ কৰে, পিতৃ-মাতৃ, গুৰু আৰু ভাই-বন্ধুৰ লগত বিৰোধিতা কৰে; সেইজন সকলো প্ৰকাৰে শোক পাবৰ যোগ্য, যি অন্যৰ অনিষ্ট সাধন কৰি নিজ শৰীৰৰহে পোষণ কৰে আৰু অতি নিৰ্দয়। সকলো প্ৰকাৰেই সেইজনো শোক পাবৰ যোগ্য, যি প্ৰবঞ্চনা ত্যাগ কৰি হৰিভক্তিত লিপ্ত নহয়। ১।২ ॥

কোশলৰাজ দশৰথৰ কাৰণে শোক কৰিব লগীয়া নাই; তেওঁৰ প্ৰভাব চৌদ্ধ ভুৱনত প্ৰকাশ পাব লাগিছে। ভৰত! তোমাৰ পিতাৰাৰ নিচিনা ৰজা আগতেও হোৱা নাই, এতিয়াও নাই আৰু নহ'বও। ৩ ॥

ব্ৰহ্মা, বিষ্ণু, শিৱ, ইন্দ্ৰ আৰু দিক্‌পাল দেৱতাসকলে দশৰথৰ গুণ-কীৰ্তন কৰিব লাগিছে। ৪ ॥

দোঃ—বাছা কোৱাঁচোন, যাৰ ৰাম, লক্ষ্মণ, শত্ৰুঘ্ন আৰু তোমাৰ নিচিনা পুত্ৰ আছে, তেওঁৰ শ্ৰেষ্ঠত্বৰ কথা কোনে কেনেকৈ বৰ্ণনা কৰিব? ১৭৩ ॥

চৌঃ—ৰজা অতি ভাগ্যৱান, সেইবাবে তেওঁক লৈ বিষাদ নকৰিবা। এইকথা জানি-বুজি দুখ এৰি ৰজাৰ আদেশ শিৰত লৈ সেইমতে কাম কৰা। ১ ॥

ৰজাই ৰাজপদ তোমাক দি থৈ গৈছে। গতিকে তুমি পিতৃ-বাক্য সত্য কৰিব লাগে। তোমাৰ পিতৃয়ে বচনত লাগিয়েই ৰামক ত্যাগ কৰিলে আৰু ৰামৰ বিৰহ-অগ্নিত জীৱন আহুতি দিলে। ২ ॥

ৰজাৰ বচনহে প্ৰিয় আছিল, প্ৰাণটো প্ৰিয় নাছিল। সেই কাৰণেই বাছা ভৰত! তুমি পিতৃ-বাক্য সত্য প্ৰমাণিত কৰা। ৰজাৰ আজ্ঞা শিৰোধাৰ্য কৰি পালন কৰা। তাতে তোমাৰ সকলো প্ৰকাৰে কল্যাণ হ'ব। ৩ ॥

পৰশুৰামে পিতাকৰ আদেশ পালন কৰিলে আৰু মাতৃক হত্যা কৰিলে; সকলো লোক এই কথাৰ সাক্ষী আছে। যযাতিক পুত্ৰেকে যৌৱন দান কৰিলে; পিতৃৰ আজ্ঞা পালন কৰিলত তেওঁলোকৰ পাপ আৰু অপযশ নহ'ল। ৪ ॥

দোঃ—যি উচিত-অনুচিত বিচাৰ নকৰি কেৱল পিতৃ-বাক্য পালন কৰে, তেওঁ সুখ আৰু যশৰ পাত্ৰ হৈ অন্তত ইন্দ্ৰপুৰীত বাস কৰিবলৈ পায়। ১৭৪ ॥

চৌঃ—ৰজাৰ বাক্য নিশ্চিতভাৱে সত্য প্ৰমাণিত কৰাঁ। শোক ত্যাগ কৰা আৰু প্ৰজাক পালন কৰাঁ। তাকে কৰিলেহে স্বৰ্গত ৰজাই সন্তোষ লাভ কৰিব লগতে তুমিও পুণ্য আৰু সুযশ লাভ কৰিবাঁ; তেতিয়া তোমাক দোষে নাপায়। ১ ॥

এই কথা বেদত প্ৰসিদ্ধ আৰু সকলো শাস্ত্ৰৰে সন্মত যে পিতাকে যাকে দিয়ে, তেৱেঁই ৰাজতিলক লাভ কৰে। গতিকে তুমি ৰাজ্য পালন কৰাঁ; গ্লানি এৰি দিয়াঁ আৰু হিতকাৰী বুলি মোৰ বাক্য মানি চলাঁ। ২ ॥

এইকথা শুনি ৰাম-সীতাই সুখ লাভ কৰিব। কোনো পণ্ডিতে ইয়াক অনুচিত কথা বুলি নক'ব। কৌশল্যাকে আদি কৰি তোমাৰ মাতৃসকলো প্ৰজাৰ সুখ দেখি সুখী হ'ব। যি তোমাৰ আৰু ৰামৰ মাজত থকা শ্ৰেষ্ঠ সম্বন্ধৰ কথা জানে, সেই সকলোৱে তোমাক সকলো প্ৰকাৰে ভাল বুলিব। ৰাম ঘূৰি আহিলে তেওঁক ৰাজ্য গতাই দিবা আৰু সুন্দৰ স্নেহেৰে সৈতে তেওঁৰ সেৱা কৰিবা।" ৩—৪ ॥

দোঃ—মন্ত্ৰীয়ে হাত-যোৰ কৰি ক'লে—"গুৰুৰ আদেশ পালন কৰক। ৰাম ঘূৰি অহাৰ পাছত যি উচিত হয়, তাকে কৰিব।" ১৭৫ ॥

চৌঃ—ধৈৰ্য ধৰি কৌশল্যায়ো ক'লে—"পুত্ৰ ভৰত! গুৰুদেৱৰ আদেশ পৱিত্ৰ পথ্যস্বৰূপ। তাক আদৰ কৰিব লাগে আৰু হিতকৰ বুলি পালন কৰিব লাগে। কালৰ গতি বুজি বিষাদ ত্যাগ কৰাঁ। ১ ॥

ৰাম বনলৈ গ'ল, মহাৰাজৰ স্বৰ্গবাস হ'ল; আৰু হে পুত্ৰ! তুমি এইদৰে কাতৰ হৈ পৰিছাঁ। বাছা! প্ৰজা-পৰিজন, মন্ত্ৰী আৰু মাতৃসকল—এই সকলোৱে কাৰণে একমাত্ৰ তুমিয়েই অৱলম্বন। বিধি বাম বুলি জানি, কালৰ কঠোৰতালৈ চাই তুমি ধৈৰ্য ধৰাঁ। মই তোমাৰ বাবে যথা সৰ্বস্ব আগ কৰিছোঁ। গুৰুৰ আদেশ শিৰত তুলি, সেই অনুসাৰে কাম কৰাঁ আৰু প্ৰজাক পালন কৰি আত্মীয়-পৰিজনৰ দুখ দূৰ কৰাঁ।" ২।৩ ॥

ভৰতে গুৰুৰ উপদেশ আৰু মন্ত্ৰীৰ অনুমোদন শুনিলে; যিটো তেওঁৰ

হৃদয়ৰ কাৰণে চন্দনসদৃশ সুখদায়ক আছিল। তাৰ পাছত মাতৃ কৌশল্যাৰ সুচৰিত্ৰ, স্নেহ আৰু সৰলতাৰে সিক্ত হৈ থকা মৃদু বচনো তেওঁ শুনিবলৈ পালে। ৪ ॥

ছঃ—মাতৃ কৌশল্যাৰ সৰলতাৰ ৰসত আৰ্দ্ৰ হৈ থকা বচন শুনি ভৰত ব্যাকুল হৈ পৰিল; তেওঁৰ নয়ন-কমলৰপৰা বি পানী বৈ আহিল, তাক যেন হৃদয়ত নতুনকৈ গজি উঠা বিৰহৰ শুৰিতহে সিঞ্চন কৰা হ'ল। ভৰতৰ সেই অৱস্থা দেখি, সেই সময়তে সকলোৱে নিজৰ শৰীৰৰ কথা পাহৰি গ'ল। তুলসীদাসে কৈছে—সকলো মানুহে আদৰ সহকাৰে ভৰতৰ চৰম স্বাভাৱিক স্নেহ দেখিবলৈ পাই প্ৰশংসা কৰিবলৈ ধৰিলে।

সোঃ—ধীৰশ্ৰেষ্ঠ ভৰতে ধৈৰ্য ধৰি নিজৰ কমলসদৃশ হাত দুখন যোৰ কৰি অমৃতত বুৰাই থোৱাৰ নিচিনা মাতেৰে সকলোকে উচিত উত্তৰ দিলে। ১৭৬ ॥

চৌঃ—"গুৰুদেৱে মোক সুন্দৰ উপদেশ দিলে। প্ৰজা, মন্ত্ৰী আদি সকলোৱে তাত সম্মতি আছে। মাতৃ কৌশল্যায়ো উচিত বিচাৰ কৰি আদেশ দিছে; মই শিৰোধাৰ্য কৰি তাক পালন কৰিবলৈকে চাইছোঁ। গুৰু, পিতৃ, মাতৃ আৰু স্বামীৰ হিতকাৰী বচন শুনি আনন্দ মনেৰে তাক ভাল বুলি মানি পালন কৰিব লাগে। উচিত নে অনুচিত বিচাৰৰ দ্বাৰা ধৰ্ম নষ্ট হয়, মূৰত পাপৰ বোজাহে পৰে। ১—২ ॥

আপোনালোকে মোক এনে সৰল উপদেশ দিছে যে তাক পালন কৰিলে মোৰ কল্যাণ হ'ব—এই কথা মই বুজিছোঁ যদিও মই মনত হ'লে সন্তোষ পোৱা নাই। এতিয়া আপোনালোকে মোৰ প্ৰাৰ্থনা শুনক আৰু মোক যোগ্য উপদেশ দিয়ক। মই উত্তৰ দিছোঁ। আপোনালোকে সেই অপৰাধ ক্ষমা কৰিব। সাধুলোকে দুঃখিতজনৰ দোষ-গুণ নধৰে। ৩—৪ ॥

দোঃ—পিতা স্বৰ্গগামী হ'ল; ৰাম-সীতা বনলৈ গ'ল আৰু অপোনালোকে মোক ৰাজৰ কৰিবলৈ কৈছে। ইয়াৰপৰা আপোনালোকে মোৰ কল্যাণ হ'ব বুলি ভাবিছে নে নিজৰ ডাঙৰ কাম হ'ব বুলি ভাবিছে? ১৭৭ ॥

চৌঃ—সীতাপতি শ্ৰীৰামৰ সেৱা কৰাতহে মোৰ কল্যাণ আছিল; তাকো আইৰ কুটিল স্বভাৱে হৰি নিলে। মই নিজৰ মনতে ভাবি-গুণি পাইছোঁ, অন্য কোনো উপায়েৰেই মোৰ কল্যাণ নহয়। ৰাম-সীতাৰ চৰণ দেখিবলৈ নাপালে এই শোকৰ সমাজ স্বৰূপ ৰাজ্য কি কৰিবলৈ

লাগিছে? বস্ত্রহীন লোকৰ বাবে অলংকাৰৰ বোজা যেনেকৈ অর্থহীন, বৈৰাগ্য নোহোৱাকৈ ব্রহ্ম-বিচাৰ যেনেকৈ অর্থহীন, ৰোগগ্রস্ত শৰীৰৰ কাৰণে যেনেকৈ ভোগ ব্যৰ্থ, হৰি ভক্তিৰ অবিহনে যেনেকৈ জপ আৰু যোগ ব্যৰ্থ, জীৱৰ অবিহনে যেনেকৈ সুন্দৰ শৰীৰ ব্যৰ্থ, সেইদৰে ৰঘুনাথৰ অবিহনে মোৰ সকলো ব্যৰ্থ। ১—৩ ॥

মোক আজ্ঞা কৰক, মই ৰামৰ ওচৰলৈ যাওঁ; সেই এটা বিষয়তহে মোৰ কল্যাণ সাধন হ'ব। মোক বজা পাতি আপোনালোকে যদি নিজৰ কল্যাণ সাধন কৰিব খুজিছে, সেয়াও মোৰ প্রতি স্নেহত অন্ধ (জড় প্রায়) হৈহে আপোনালোকে কৰিছে। ৪ ॥

দোঃ—মই কৈকেয়ীৰ পুত্র, কুটিল স্বভাৱৰ, ৰামৰ বিৰোধী আৰু নির্লজ্জ। মোৰ নিচিনা অধমৰ ৰাজত্বত আপোনালোকে মোহত পৰিহে সুখ আশা কৰিছে। ১৭৮ ॥

চৌঃ—মই সত্য কৰি কৈছোঁ; আপোনালোকে শুনি পতিয়ন যাওক, বজা ধাৰ্মিক হ'ব লাগে। আপোনালোকে বলেৰে মোক ৰাজ্যভাৰ দিয়ে যদি এই পৃথিৱী ৰসাতললৈ যাব। ১ ॥

যাৰ কাৰণে ৰাম-সীতাৰ বনবাস হ'ল, সেই মোৰ সমান পাপৰ ভঁৰাল আৰু কোন আছে? বজাই ৰামক বনবাস দিলে আৰু তেওঁ আঁতৰি যোৱাৰ লগে লগে তেখেত নিজে স্বর্গগামী হ'ল। ২ ॥

এই সমস্ত অনর্থৰ কাৰণ মই। সচেতন হৈ বহি বহি সকলো কথা শুনি আছোঁ। ৰঘুনাথ বিহীন ঘৰ-দুৱাৰ দেখি আৰু সংসাৰৰ উপহাস সহ্য কৰিও যে মোৰ প্রাণ বাঁচি আছে? ৩ ॥

শ্রীৰামচন্দ্র পৱিত্র আৰু বিষয় ৰসৰ প্রতি উদাসীন। লোলুপ মানুহহে পৃথিৱীত ভোগৰ থকুৱা হয়। মই মোৰ হৃদয়ৰ কঠোৰতাৰ কথানো কিমান ক'ম? ই বজ্ৰকো চেৰ পেলাই আগ বাঢ়িছে। ৪ ॥

দোঃ—কাৰণতকৈ কার্য কঠিন হয়। হাঁড়তকৈ বজ্ৰ আৰু শিলতকৈ লোহা কৰাল আৰু কঠোৰ। ১৭৯ ॥

চৌঃ—কৈকেয়ীৰপৰা উৎপন্ন হোৱাৰ এই শৰীৰৰ প্রতিহে অনুৰাগী মোৰ এই পাপী প্রাণটো অতি দুৰ্ভগীয়া। প্রিয়জনৰ বিচ্ছেদতো এই প্রাণৰ প্রতি মোহ দূৰ হোৱা নাই বেতিয়া আগলৈ আৰু বহুত দেখিবলৈ আৰু শুনিবলৈ আছে। ১ ॥

লক্ষ্মণ, ৰাম আৰু সীতাক বনবাস দিলে, দেৱলোকলৈ পঠিয়াই পতিৰ কল্যাণ সাধিলে। নিজে বৈধব্য আৰু অপযশ ল'লে। প্ৰজাক শোক-তাপ দিলে। মোক সুখ, সুকীৰ্তি আৰু সুন্দৰ ৰাজ্য দিলে। এইদৰে কৈকেয়ীয়ে সকলোৰে কাৰ্য সিদ্ধি কৰিলেই। ইয়াতকৈ আৰু ভাল কথা মোৰ বাবে কি হ'ব? তাতে আকৌ আপোনালোকে মোক ৰাজতিলকো দিব খুজিছে। ২-৩॥

জগতত কৈকেয়ীৰ গৰ্ভত জন্ম লাভ কৰা মোৰ বাবে এয়া একো অনুচিত হোৱা নাই। বিধিয়ে মোৰ সকলো কথা ঠিক কৰি ৰাখিছেই। সিমানতো প্ৰজা আৰু সভাই কিয় সহায় কৰিব লাগে? ৪॥

দোঃ—যাক কুগ্ৰহে লগ লৈছে, তাতে আকৌ বাতৰোগে পীড়া কৰিছে, আকৌ তাতে বিছায়ো ডাকিছে, তেনে মানুহক যদি সুৰাপান কৰোৱা হয়, কি চিকিৎসা হ'ব কওকচোন? ১৮০॥

চৌঃ—কৈকেয়ীৰ পুত্ৰৰ কাৰণে সংসাৰত যিবোৰ যোগ্য বস্তু হ'ব পাৰে, চতুৰ ব্ৰহ্মাই সেই সকলো মোক দিছে। দশৰথৰ পুত্ৰ আৰু ৰামৰ ভায়েক হোৱাৰ শ্ৰেষ্ঠত্ব বিধাতাই মোক মিছাকৈ দিলে। ১॥

আপোনালোকে মোক ৰাজতিলক দিব খুজিছে। ৰজাৰ আদেশ সকলোৰে কাৰণে ডাঙৰ বস্তু। মই কাক কেনেকৈ উত্তৰ দিম? যাৰ যেনে ৰুচি তেনেকৈ সুখেৰে কৈ থাকক। ২॥

মোৰ কুমাতৃ আৰু মোক বাদ দি, আন কোনে এই কাম ভাল হ'ল বুলি ক'ব কওকচোন। চৰাচৰ এই জগতত মোৰ বাহিৰে আৰু কোন এনে আছে যাৰ বাবে ৰাম-সীতা প্ৰাণৰ সমান প্ৰিয় নহয়? যিটো অতি ডাঙৰ হানি সকলোৰে তাকেই ডাঙৰ লাভ বুলি ভাবিছে। মোৰেই দিন বেয়া, কাৰো গাত দোষ নাই। সংশয়, সৎচৰিত্ৰ আৰু স্নেহৰ বশীভূত হৈ আপোনালোকে যি কৈছে, সেই সকলো উচিতেই হৈছে। ৩—৪॥

দোঃ—ৰামচন্দ্ৰৰ মাতৃৰ হৃদয় অতি সৰল, মোৰ প্ৰতি তেখেতৰ বিশেষ মৰম আছে। সেই কাৰণেই মোৰ কাতৰ অৱস্থা দেখি তেখেতে স্নেহবশত এই কথা কৈছে। ১৮১॥

চৌঃ—গুৰুদেৱ বিবেকৰ সাগৰ বুলি জগতে জানে। তেখেতৰ কাৰণে সমস্ত জগৎ হাতৰ তলুৱাত থকা বগৰীৰ দৰে। তেখেতেও মোৰ ৰাজতিলকৰ যোগাৰ কৰিছে। বিধি বাম হ'লে আন সকলো বাম হয়েই। ১॥

জগতত ৰাম-সীতাৰ বাহিৰে কোনো মানুহে নকয় যে—এই বিষয়ত

মোৰ মত নাছিল। সেই কথা মই সুখ বুলি মানি লৈ শুনি থাকিম আৰু সহি থাকিম ; কাৰণ য'ত পানী থাকে, অৱশেত তাতেহে বোকা হয়। ২ ॥

মোক সংসাৰখনে বেয়া বুলিব বুলি মই ভয় কৰা নাই ; পৰলোকৰ কাৰণেও মই চিন্তা কৰা নাই। মোৰ বুকুত একুৰাই মাত্র দুঃসহ দাৱনল জ্বলিব লাগিছে, ৰাম-সীতাই মোৰ কাৰণে দুখ পাবলগা হৈছে। ৩ ॥

জীৱনৰ শ্রেষ্ঠ লাভ লক্ষ্মণে পালে, তেওঁ সকলো ত্যাগ কৰি ৰামৰ চৰণত মনোনিবেশ কৰিলে। মোৰ জন্ম, ৰামৰ বনবাসৰ উদ্দেশ্যেহে হৈছে। মই দুর্ভগীয়াই এতিয়া মিছাতে কিয় অনুতাপ কৰি আছোঁ। ? ৪ ॥

দোঃ—সকলোলৈকে মুৰ দোঁৱাই মই নিজৰ দাৰুণ দীনতাৰ কথা জনালোঁ। ৰঘুনাথৰ চৰণ-দর্শনৰ অবিহনে মোৰ মনৰ জুই নুনুমায়। ১৮২ ॥

চৌঃ—মই আৰু অন্য একো উপায় পোৱা নাই। শ্রীৰামৰ বাহিৰে কোনে মোৰ হৃদয়ৰ কথা বুজিব? মোৰ মনত এটাই কথা দৃঢ়ভাৱে খেলাইছে— ৰাতিপুৱাই মই প্রভু শ্রীৰামৰ ওচৰলৈ যাম। ১ ॥

যদিও মই অসৎ আৰু অপৰাধী, আৰু মোৰ কাৰণেই এই সকলো অনর্থ ঘটিল, তথাপি ৰামে মোক শৰণাগত হৈ সমুখত উপস্থিত হোৱা দেখিলে সকলো অপৰাধ ক্ষমা কৰি মোক বিশেষভাৱে কৃপা কৰিব। ২ ॥

ৰঘুনাথ সৎচৰিত্র, নম্রতা, অতি সৰলতা, কৃপা আৰু স্নেহৰ সদনস্বৰূপ। ৰামে শত্রুৰো অনিষ্ট কৰা নাই। মই যদিও কুটিল প্রকৃতিৰ তথাপি মই শিশু (কমবয়সীয়া) আৰু তেওঁৰ সেৱক। আপোনালোক সভাসদসকলে তাৰপৰা মোৰ কল্যাণ হ'ব বুলি জানি সুন্দৰ বচনেৰে মোক আজ্ঞা আৰু আশীর্বাদ দিয়ক, যাতে মোৰ প্রার্থনা শুনি আৰু মোক নিজৰ সেৱক বুলি জানি শ্রীৰাম ৰাজধানীলৈ ঘূৰি আহে। ৩—৪ ॥

দোঃ—যদিও মোক কু-মাতৃয়ে জন্ম দিছে আৰু মই দুষ্ট তথা সদায় দোষযুক্ত, তথাপি মোৰ ৰঘুবীৰ ৰামৰ ওচৰত এই ভৰসা আছে যে তেওঁ মোক আপোন বুলি ভাবি ত্যাগ নকৰে।" ১৮৩ ॥

চৌঃ—ভৰতৰ কথাবোৰ সকলোৰে ভাল লাগিল ; সেই কথা যেন ৰামৰ স্নেহ-সুধাতহে সিজাই থোৱা। প্রজাসকল ৰাম-বিয়োগৰ দাৰুণ বিষত জ্বলা-কলা হৈ আছিল ; তেওঁলোকে যেন বীজেৰে সৈতে মন্ত্র শুনি চেতনা পাই উঠিল। ১ ॥

মাতৃ, মন্ত্রী, গুৰু, নগৰৰ পুৰুষ-নাৰী—সকলোৱেই স্নেহবশতঃ বিকল হৈ

পৰিছিল। সকলোৱেই ভৰতক প্ৰশংসা কৰি কৰি ক'বলৈ ধৰিলে—"আপোনাৰ শৰীৰ ৰাম-ভক্তিৰ মূৰ্তিমান ৰূপ। হে ভৰত! আপুনিনো এনে কথা নক'ব কিয়? ৰাম আপোনাৰ প্ৰাণৰ সমান প্ৰিয়; যি নীচ মানুহে নিজৰ মূৰ্খতাৰ কাৰণে মাতৃ কৈকেয়ীৰ কুটিলতাৰ ক্ষেত্ৰত আপোনাৰ ওপৰত সন্দেহ কৰিব, সেই শঠে কোটি পুৰুষৰ সৈতে শতকল্প পৰ্যন্ত নৰকবাস ভুগিব। মণিয়ে সাপৰ পাপ আৰু দুৰ্গুণবোৰ নলয়; বৰঞ্চ ই বিষ হৰণ কৰে আৰু দুখ-দাৰিদ্ৰ্য দূৰ কৰে। ২—৪ ॥

দোঃ—হে ভৰত! আপুনি ৰামচন্দ্ৰ য'ত আছে, সেই বনলৈ নিশ্চয় গমন কৰক; আপুনি এয়া সুন্দৰ সমাধান বিচাৰি উলিয়ালে। শোক-সাগৰত বুৰ গৈ থকা সকলো লোকক আপুনি এটা অৱলম্বন দিলে।" ১৮৪ ॥

চৌঃ—সকলোৰে মনত অতি আনন্দ লাগিল; যেন মেঘৰ গাজনি শুনি চাতক আৰু ম'ৰাচৰাইহে আনন্দিত হৈ উঠিল। ৰাতিপুৱাই যাত্ৰা কৰিবলৈ লোৱা মনোৰম সিদ্ধান্তৰ বাবে ভৰতক সকলোৱে ভাল পালে। বশিষ্ঠ মুনিক প্ৰণাম কৰি, ভৰতক মূৰ দোৱাঁই বিদায় লৈ সকলো মানুহ ঘৰাঘৰি গ'ল। "জগতত ভৰতৰ জীৱনেই ধন্য" এই বুলি ভৰতৰ চৰিত্ৰ আৰু স্নেহৰ প্ৰশংসা কৰি কৰি তেওঁলোক গ'লগৈ। ১।২ ॥

ইজনে সিজনক এইবুলি কোৱা-কুই কৰিলে—বৰ ডাঙৰ কাম হ'ল। সকলোৱে যাত্ৰাৰ প্ৰস্তুতি কৰিবলৈ ধৰিলে। ঘৰ-বাৰী ৰখি থাকঁা বুলি যাকে থৈ গ'ল সেয়ে ভাবিলে যে—মোৰ মূৰটোহে কাটি থৈ গ'ল। ৩ ॥

কোনো কোনোৱে ক'লে—কাকো থাকি যাবলৈ নক'বা। জগতত কোনেইবা জীৱন সাৰ্থক কৰিবলৈ নাচায়? ৪ ॥

দোঃ—সেই সকলো সম্পত্তি, ঘৰ, সুখ, মিত্ৰ, পিতৃ-মাতৃ আৰু ভ্ৰাতৃ ভস্ম হৈ যাওক, যিবোৰে ৰামৰ চৰণ সাক্ষাৎ কৰাৰ ক্ষেত্ৰত হাঁহিমুখে সহায় নকৰে। ১৮৫ ॥

চৌঃ—ঘৰে ঘৰে মানুহে অনেক ধৰণৰ যান-বাহন সজ্জিত কৰিবলৈ ধৰিলে; ৰাতিপুৱাই যাত্ৰা কৰিব লাগিব বুলি মনত আনন্দ। ভৰতে ঘৰলৈ গৈ ভাবিলে—নগৰ, হাতী-ঘোঁৰা, ভৱন, ভাণ্ডাৰ—এই সকলো ৰঘুপতিৰে সম্পত্তি। যদি এইবিলাকৰ এটা সুব্যৱস্থা নকৰাকৈ এৰি থৈ যাওঁ, তেন্তে পৰিণামত মোৰ কল্যাণ নহ'বগৈ। কাৰণ স্বামীৰ প্ৰতি দ্ৰোহ আচৰণ কৰাটো সকলো পাপৰে শিৰোমণি। সেইজনেই (প্ৰকৃত) সেৱক, যিজনলোকে কোটি কোটি

দোষ দিলেও নিজৰ স্বামীৰ হিত সাধন কৰে। মনতে এইদৰে ভাবি-চিন্তি চাই ভৰতে বিশ্বাসী সেৱকসকলক মাতি পঠালে। এওঁলোক স্বপ্নতো স্বধৰ্মৰ পথা বিচলিত হোৱা নাই। ভৰতে তেওঁলোকক সকলো ৰহস্য বুজাই কৈ তাৰ পাছত উত্তম ধৰ্মৰ শিক্ষা দিলে আৰু যি যিহৰ কাৰণে যোগ্য আছিল, তেওঁক তাতে নিয়োগ কৰিলে। সকলো ব্যৱস্থা কৰাৰ পাছত ৰক্ষকসকলক (যথাস্থানত) থৈ ভৰত ৰামৰ মাতৃ কৌশল্যাৰ ওচৰলৈ গ'ল। ১—৪॥

দোঃ—স্নেহৰ বিষয়ে ভালকৈ জনা ভৰতে আটাই কেইগৰাকী মাতৃকে আতুৰ বুলি জানি তেখেতসকলৰ কাৰণে পাল্কী প্ৰস্তুত কৰিবলৈ আৰু আৰামদায়ক আসন সজাবলৈ ক'লে। ১৮৬॥

চৌঃ—নগৰৰ সকলো নৰ-নাৰীয়ে মতা আৰু মাইকী চাকৈ-চকোৱা চৰাইৰ দৰে অতিকৈ আতুৰ হৈ ৰাতিপুৱা হোৱালৈ বাট চাই থাকিল। গোটেই ৰাতি উজাগৰে কটোৱাৰ পাছত ৰাতি পুৱাল। তেতিয়া ভৰতে চতুৰ মন্ত্ৰীসকলক মতাই আনিলে আৰু ক'লে—"ৰাজতিলকৰ বাবে আৱশ্যকীয় সকলো সামগ্ৰী লৈ বল'ক। মুনি বশিষ্ঠই বনতেই শ্ৰীৰামক ৰাজ্যদান কৰিব। শীঘ্ৰে যাত্ৰা কৰক।" এইকথা শুনি মন্ত্ৰীসকলে প্ৰণতি জনাই তুৰন্তে ৰথ আৰু হাতী-ঘোঁৰা সুসজ্জিত কৰিলে॥ ১—২॥

সকলোৰে আগত অগ্নিহোত্ৰৰ সমস্ত সামগ্ৰীৰে সৈতে মুনিশ্ৰেষ্ঠ বশিষ্ঠই আৰু অৰুন্ধতী ৰথত উঠিলে। তাৰ পাছত সমস্ত তপস্যা আৰু তেজস্বিতাৰ নিধানস্বৰূপ ব্ৰাহ্মণসকলে নানা যান-বাহনত উঠি যাত্ৰা কৰিলে। নগৰৰ সকলো মানুহে যান-বাহন সুসজ্জিত কৰি চিত্ৰকূটলৈ যাত্ৰা কৰিলে। বৰ্ণনাৰ অতীত সুন্দৰ পাল্কীত উঠি ৰাণীসকলো যাবলৈ ধৰিলে। ৩—৪॥

দোঃ—বিশ্বাসী সেৱকসকলক নগৰ সমৰ্পণ কৰি আৰু সকলোকে আদৰ-সাদৰ কৰি পঠিয়াই দি ৰাম-সীতাৰ চৰণ সুঁৱৰি ভৰত-শত্ৰুঘ্ন দুয়ো ভায়ে যাত্ৰা কৰিলে। ১৮৭॥

চৌঃ—ৰামৰ দৰ্শন কৰাৰ অভিলাষেৰে সকলো নৰ-নাৰী এনেদৰে (উদ্বাউল হৈ) যাবলৈ ধৰিলে যেন তৃষ্ণাতুৰ হস্তী-হস্তিনীহে পানী দেখি লৰ মাৰিছে। ৰাম-সীতা বনত (সকলো সুখ ত্যাগ কৰি) আছে—এই কথা ভাবি অনুজ শত্ৰুঘ্নৰ সৈতে ভৰতে খোজ কাঢ়ি যাবলৈ ধৰিলে। তেওঁলো-কৰ এই প্ৰেমভাৱ দেখি মানুহবোৰ মৰমতে পমি গ'ল। তেওঁলোকেও ৰথ, হাতী, ঘোঁৰা, সকলো এৰি নামি খোজ কাঢ়ি যাবলৈ ধৰিলে। তেতিয়া

ৰামৰ মাতৃ কৌশল্যাই ভৰতৰ ওচৰ চাপি নিজৰ পাৰ্শ্বৰ ওচৰতে বহুৱাই লৈ কোমল মাতেৰে ক'লে—"বাছা, মই মাৰাই নিজৰ সৰ্বস্ব ত্যাগ কৰি কৈছোঁ তুমি ৰথত উঠি লোৱাঁ; নহ'লে গোটেই প্ৰিয়-পৰিজনে দুখ পাব। তুমি খোজ কাঢ়ি যোৱা দেখিলে সকলোৱে খোজ কাঢি যাব। এনেয়ে শোকত সকলো দুৰ্বল হৈ পৰিছে, এনেস্থলত বাটত খোজ কাঢি যোৱা উচিত নহয়।" মাকৰ আদেশ শিৰোধাৰ্য কৰি তেওঁৰ চৰণত মূৰ দোৱাঁই দুয়ো ভাই ৰথত উঠি যাবলৈ ধৰিলে। প্ৰথম দিনা তমসা নদীৰ পাৰত বাস কৰি দ্বিতীয় দিনা গোমতীৰ পাৰত থাকিলে। ১—৪।

দোঃ—কোনোৱে কেৱল পানী খায়, কোনোৱে ফলাহাৰ কৰে আৰু কোনোৱে ৰাতি এসাজহে আহাৰ খায়। (এইদৰে) ভূষণ আৰু ভোগ-বিলাস ত্যাগ কৰি সকলোৱে ৰামৰ কাৰণে ব্ৰত-নিয়ম পালন কৰিবলৈ ধৰিলে। ১৮৮॥

চৌঃ—ৰাতি 'সঙ্গ' নদীৰ পাৰত কটাই পুৱাতে তাৰপৰা যাত্ৰা কৰিলে। সকলোটি শৃংগবেৰপুৰৰ ওচৰত উপস্থিত হ'লগৈ। নিষাদৰাজে সকলো বাতৰি পালে। তেতিয়া তেওঁ দুঃখিত হৈ মনে মনে ভাবিলে—ভৰত কি কাৰণত বনলৈ গৈছে? মনত নিশ্চয় কিবা কপট ভাৱ আছে। যদি মনত কুটি-লতা নাই, তেনেহ'লে লগত সৈন্য-সামন্তবোৰ কেলৈ লৈ আহিছে? ভাবিছে চাগৈ—ভায়েক লক্ষ্মণৰ সৈতে ৰামক মাৰি সুখেৰে নিষ্কণ্টক ৰাজ্য ভোগ কৰিম। ভৰতে মনত ৰাজনীতিক ঠাই দিয়া নাই (নীতিপূৰ্ণ বিচাৰ কৰা নাই)। তেতিয়া তেওঁ কলংকৰ ভাগীহে হৈছিল, এতিয়া প্ৰাণৰে হানি ঘটিব। সমস্ত সুৰাসুৰ লগ হৈ যুদ্ধ কৰিলেও যুদ্ধত ৰামক জয় কৰোঁতা নাই। ভৰতে এই নিচিনা কাম কৰাত আচৰিত হ'বলগীয়া কি আছে? বিহ-গছত অমৃত-ফল কেতিয়াও নালাগে।। ১-৪॥

দোঃ—ইয়াকে ভাবি গুহই নিজৰ জ্ঞাতিসকলক ক'লে—"সকলো সজাগ হৈ থাকাঁহক। নাওবিলাক হস্তগত কৰাঁ আৰু সেইবোৰ পানীত বুৰাই দিয়াঁ; সকলো ঘাট অৱৰোধ কৰাঁ। ১৮৯॥

চৌঃ—সুসজ্জিত হৈ ঘাটবিলাক অৱৰুদ্ধ কৰি পেলোৱাঁ। সকলো মৃত্যুৰ বাবে প্ৰস্তুত হোৱা। মই যুঁজিবৰ কাৰণে ভৰতৰ সন্মুখীন হ'ম আৰু ভৰতক জীৱিত অৱস্থাত গংগা পাৰ হ'বলৈ নিদিম। ১॥

যুদ্ধত মৃত্যুবৰণ, তাকো আকৌ গংগাৰ পাৰত। তদুপৰি প্ৰভু শ্ৰীৰামৰ কামত

আৰু এই ক্ষণভংগুৰ শৰীৰ; ভৰত হ'ল শ্ৰীৰামৰ ভ্ৰাতৃ আৰু ৰজা, মই হ'লোঁ নীচ সেৱক—(গতিকে ভৰতৰ হাতত) এনে মৃত্যু অতি ভাগ্যৰ বলতহে ঘটে। মই স্বামীৰ কাৰ্য সাধন কৰিবলৈ যুদ্ধ কৰিম আৰু চৈধ্য ভুৱন মোৰ যশস্যাৰে পোহৰাই পেলাম। ৰঘুনাথৰ কাৰণে প্ৰাণ-ত্যাগ কৰিম। দুয়োহাততেই মোৰ বাবে আনন্দৰ লাড়ু আছে। ২-৩ ॥

সাধুৰ সমাজত যাক গণনা কৰা নহয় আৰু ৰামৰ ভক্তসকলৰ মাজত যাৰ স্থান নাই, সেইজনে পৃথিৱীৰ মহাভাৰ হৈহে সংসাৰত জীৱন ধাৰণ কৰে; তেওঁ মাত্ৰ জননীৰ যৌৱন বৃক্ষ ছেদ কৰিবৰ বাবে কুঠাৰস্বৰূপ হয়।" ৪ ॥

দোঃ—এইদৰে ভাবি নিষাদপতিৰ বিষাদ দূৰ হ'ল আৰু তেওঁ সকলোৰে উৎসাহ বঢ়াই, শ্ৰীৰামক স্মৰণ কৰি ততালিকে ধনু, তূণ আৰু কৱচ বিচাৰি ল'লে। ১৯০ ॥

চৌঃ—[তেওঁ ক'লে—] "ভাইহঁত, লৰালৰি কৰাঁ। সকলো প্ৰকাৰে সাজ-সজ্জা কৰি প্ৰস্তুত হোৱাঁ। মোৰ আদেশ শুনাৰ পাছত কোনেও কাপুৰুষালি নকৰিবাহঁক।" তেতিয়া সকলোৱে আনন্দেৰে উত্তৰ দিলে—"নাথ, আপোনাৰ যি আদেশ।" তাৰ পাছত ইজনে সিজনক উৎসাহিত কৰিবলৈ ধৰিলে। ১ ॥

নিষাদৰাজক প্ৰণাম জনাই সকলো নিষাদে যাত্ৰা কৰিলে। তেওঁলোক সকলোৱেই ডাঙৰ ডাঙৰ বীৰ, ৰণক্ষেত্ৰত যুদ্ধ কৰিবলৈ সকলোৱে ভাল পায়। ৰামৰ পাদ-পংকজৰ পাদুকা স্মৰণ কৰি তেওঁলোকে সক সক তূণ বান্ধি লৈ সক সক ধনুবোৰত গুণ লগালে। কৱচ পিন্ধি ল'লে; মূৰত লোহাৰ টুপী পিন্ধিলে আৰু শেল, যাঠী, বৰ্শাবোৰ পোনাই পাজৰাই ল'লে। তেওঁলোকৰ কিছুমান তৰোৱালৰ আক্ৰমণৰপৰা হাত সৰাত নিপুণ আছিল। তেওঁলোকে (উলাহতে) যেন পৃথিৱী এৰি আকাশতহে ভৰি দিছিল। নিজৰ নিজৰ সাজত সাজি আৰু দল-বল লৈ তেওঁলোকে নিষাদৰাজক প্ৰণাম কৰিলেগৈ। তেওঁ সেই বীৰ যোদ্ধাসকলক দেখি সুযোগ্য বুলি বুজিব পাৰিলে আৰু সকলোকে নাম মাতি মাতি সন্মান কৰিলে। ৩।৪ ॥

দোঃ—(আৰু ক'লে—) "ভাইহঁত! কামত ফাঁকি নিদিবা। আজি মোৰ অতি গুৰুত্বপূৰ্ণ কাম আহিছে।" সেই কথা শুনি সকলো যোদ্ধাই উত্তেজিত হৈ ক'লে—"হে বীৰ, আপুনি অধীৰ নহ'ব। ১৯১ ।

চৌঃ—হে নাথ! ৰামৰ প্ৰভাৱত আৰু আপোনাৰ বলত আমি ভৰতৰ

সৈন্যবাহিনী বীৰশূন্য আৰু ঘোঁৰাবিহীন কৰি দিম। জীয়াই থকা অৱস্থাত পাছনৈ ভৰি নিদিওঁ; পৃথিবী মূৰ আৰু [মূৰবিহীন] কবন্ধেৰে ভৰাই পেলাম।" ১ ॥

নিষাদৰাজে সেই সুন্দৰ বীৰৰ দলটো দেখি ক'লে—"যুদ্ধৰ ডংকা বজোৱাঁ।" এই বুলি কোৱাৰ লগে লগে বাওঁফালে কোনোবাই হাঁচি মাৰিলে। মঙলতীয়ে ক'লে—"সুমংগল হ'ব"। এজন বুঢ়াই মঙল চাই ক'লে—"ভৰতৰ লগত দেখা-সাক্ষাৎ কৰাঁগৈ; যুদ্ধ নহয়। ভৰতে ৰামক (ৰাজ্য ল'বলৈ) মান্তি কৰাবলৈহে যায়। যুদ্ধ-বিগ্ৰহ নহ'ব বুলিহে মঙলে কৈছে।" ২।৩॥

সেই কথা শুনি নিষাদৰাজে ক'লে—"বুঢ়াই ঠিকেই কৈছে। ততালিকে (নভবা নিচিন্তাকৈ) কাম কৰি মূৰ্খই অনুতাপ কৰিব লগীয়া হয়। ভৰতৰ স্বভাৱ চৰিত্ৰ বুজি-বাজি নোলোৱাকৈ যুদ্ধ কৰিলে কল্যাণ লাভত বহুত হানি ঘটিব। ৪ ॥

দোঃ—হে বীৰসকল, সকলোৱে লগ লাগি তোমালোকে ঘাটবোৰ অৱৰোধ কৰাঁ। মই ভৰতৰ ওচৰলৈ গৈ তেওঁৰ মনোভাব বুজি আহোঁ। তেওঁৰ ভাৱ মিত্ৰৰ নে শত্ৰুৰ? নে মধ্যস্থ—তাক জানি লৈ সেইমতে ব্যৱস্থা কৰিমহি। ১৯২ ॥

চৌঃ—মই তেওঁৰ সুন্দৰ স্বভাৱ আৰু স্নেহভাৱ লক্ষ্য কৰিম। শত্ৰুতা আৰু স্নেহ লুকুৱালে লুক নাথায়।" এই বুলি কৈ তেওঁ উপহাৰৰ সামগ্ৰী গোটাবলৈ ধৰিলে। কন্দ, ফল, মূল, চৰাই, পহু এইবোৰ বিচৰাই অনালে। ১ ॥

ঘৰৰ কাম-বন কৰি দিয়া আৰু ভাৰ-ভেটি নিয়া মানুহে বুঢ়া আৰু শকত-আৱত পাঠীন মাছ (হিন্দী-পহিনা মাছ) ভাৰে ভাৰে আনি দিলে। যেতিয়া এই ভাৰ-ভেঁটি লৈ বাবলৈ ওলাল, তেতিয়া সুমংগলৰ সূচনা হ'ল। ২ ॥

নিষাদৰাজে মুনিশ্ৰেষ্ঠ বশিষ্ঠক দেখি দূৰতে নিজৰ নাম কৈ দণ্ডৱৎ প্ৰণাম কৰিলে। বশিষ্ঠই ৰামৰ প্ৰিয়পাত্ৰ বুলি জানি তেওঁক আশীৰ্বাদ দিলে আৰু ভৰতক বুজাই ক'লে। ৩ ॥

"এওঁ ৰামৰ সখিয়েক", এই কথা শুনা মাত্ৰকে ভৰতে ৰথ এৰি দিলে আৰু নামি আহি স্নেহত আপ্লুত হৈ আগবাঢ়িল। নিষাদৰাজ গুহই নিজৰ গাওঁ, জাতি আৰু নামৰ কথা জনাই মাটিত মূৰ লগাই প্ৰণাম কৰিলে। ৪ ॥

দোঃ—দণ্ডৱৎ হৈ থকা দেখি ভৰতে তেওঁক তুলি লৈ বুকুত সাৱটি ধৰিলে। তেওঁৰ হিয়াত আনন্দই নধৰা হ'ল—যেন স্বয়ং লক্ষ্মণৰ লগতহে দেখাদেখি হ'ল। ১৯৩ ॥

চৌঃ—ভৰতে অতি মৰমৰে গুহৰ ডিঙিত আঁকোৱালি ধৰিলে। মৰম-চেনেহৰ এই ব্যৱহাৰ দেখি মানুহে তেওঁলোকক ঈৰ্ষাৰে সৈতে প্ৰশংসা কৰিবলৈ ধৰিলে। মংগলমূলক ধন্য ধন্য ধ্বনি কৰি দেৱতাসকলে প্ৰশংসাৰে সৈতে পুষ্প বৰষিবলৈ ধৰিলে। ১ ॥

(তেওঁলোকে কলে—) "যি মানুহক বেদ আৰু লোকসমাজত সকলো প্ৰকাৰে নীচ বুলি ধৰা হয়, যাৰ ছাঁটো চুলেও গা ধুব লাগে, সেই নিষাদক বুকুত সুমুৱাই ৰামৰ ভ্ৰাতৃ ভৰতৰ সমস্ত শৰীৰ পুলকিত হ'ল। ২ ॥

যি মানুহে ৰাম-ৰাম বুলি হামিয়ায় (ভাগৰ পলাওঁতেই ৰাম নাম লয়), পাপ তেওঁৰ সন্মুখলৈকে আহিব নোৱাৰে। এই গুহক আকৌ স্বয়ং ৰামে বুকুত আঁকোৱালি ল'লে আৰু কুলসহিত এওঁক জগৎপাৱন কৰিলে। ৩ ॥

কৰ্মনাশা নদীৰ পানী গংগাত পৰাৰ পাছত; সেই পানী কোনে শিৰত তুলি নলয়, কোৱাঁ। ৰাম নাম ওলোটাকৈ জপ কৰিয়েই বাল্মীকি ব্ৰহ্মতুল্য হৈ পৰিল, এই কথা জগতে জানে। ৪ ॥

দোঃ—মূৰ্খ, পামৰ, চাণ্ডাল, শবৰ, খস জাতিৰ মানুহ, যৱন, কোল আৰু কিৰাতো ৰাম-নাম লৈয়ে পৰম পবিত্ৰ হয় আৰু ত্ৰিভুবনত বিখ্যাত হয়। ১৯৪ ॥

চৌঃ—ইয়াত আচৰিত হ'ব লগীয়া একো নাই; যুগ যুগধৰি এই ৰীতি চলি আহিছে। ৰঘুনাথে কাকেইবা শ্ৰেষ্ঠ নকৰিলে ?" এইদৰে দেৱতাসকলেও ৰাম-নামৰ মহিমাৰ কথা ক'বলৈ ধৰিলে আৰু অযোধ্যাৰ লোকে শুনি সুখ লাভ কৰিলে। ১ ॥

ৰামৰ মিত্ৰ গুহক এইদৰে মৰম-স্নেহেৰে সৈতে লগ পাই ভৰতে তেওঁৰ কুশল-মংগল সুধিলে। ভৰতৰ চৰিত্ৰ আৰু প্ৰেম দেখি সেই সময়ত নিষাদে নিজৰ শৰীৰৰ কথাই পাহৰি পেলাইছিল। ২ ॥

তেওঁৰ মনত প্ৰেম, আনন্দ আৰু সংকোচৰ ভাবে এনেদৰে জুমুৰি দি ধৰিছিল যে তেওঁ মাথোঁ থিয়ৈ থিয়ৈ ৰ'লাগি ভৰতৰ ফালে চাইহে আছিল। তাৰ পাছত ধৈৰ্য ধৰি ভৰতৰ চৰণত বন্দনা কৰি প্ৰীতি সহকাৰে কৰযোৰ কৰি বিনীতভাবেৰে ক'লে—"প্ৰভু, মংগলৰ মূলস্বৰূপ আপোনাৰ পদপংকজ দৰ্শন কৰিয়েই মই তিনিও কালতে নিজৰ কুশল ঘটিছে বুলি বুজিছোঁ। এতিয়া আপোনাৰ পৰম অনুগ্ৰহৰ বলত মোৰ কোটি পুৰুষৰ মংগল সাধন হ'ল। ৪ ॥

দোঃ—মোৰ নীচ কাম আৰু কুলৰ কথা জানি আৰু শ্ৰীৰামৰ মহিমাৰ

কথা মনত উপলব্ধি কৰি, যিজনে ৰঘুবীৰ ৰামৰ চৰণত ভক্তি নকৰে, জগতত তেওঁলোক বিধিৰ দ্বাৰা বঞ্চিত হৈছে। ১৯৫ ॥

চৌঃ—মই কপটীয়া, মন্দমতি, নীচকুলীয়া আৰু অস্পৃশ্য যেন আৰু লোকসমাজৰ বাহিৰৰ মানুহ; কিন্তু যেতিয়া ৰামে মোক আপোন কৰি ল'লে, মই এতিয়া বিশ্বৰ ভূষণ-স্বৰূপ হৈ পৰিলোঁ।" ১ ॥

নিষাদৰাজৰ প্ৰীতিভাব দেখি আৰু সুন্দৰ বিনয় বচন শুনি ভৰতৰ ভায়েক শত্ৰুঘ্নয়ো তেওঁৰ লগত সাক্ষাৎ কৰিলেগৈ। তাৰ পাছত গুহই নিজৰ নাম কৈ কৈ হাতযোৰ কৰি সকলো ৰাণীলৈকে সাদৰ প্ৰণাম জনালে। ৰাণীসকলে তেওঁক লক্ষ্মণ যেন ভাবি আশীৰ্বাদ কৰি ক'লে—"তুমি শত-সহস্ৰ বছৰ সুখেৰে জীয়াই থাকা।" নগৰৰ নৰ-নাৰীসকলে নিষাদৰাজ গুহক দেখিবলৈ পাই এনেদৰে আনন্দিত হ'ল যেন লক্ষ্মণকহে দেখিবলৈ পালে। ২ ॥

সকলোৱে ক'বলৈ ধৰিলে—শুভফলপ্ৰদায়ক ৰামচন্দ্ৰই যাক বাহুৰে চপাই আনি ডিঙিত আঁকোৱালি ল'লে, সেই গুহই জীৱনৰ সাৰ্থকতা লাভ কৰিলে। নিষাদে নিজৰ ভাগ্যৰ মহিমাৰ কথা শুনি মনত পৰম আনন্দ লভিলে আৰু সকলোকে লগত লৈ যাবলৈ ধৰিলে। ৪ ॥

দোঃ—তেওঁ নিজৰ সেৱকসকলক ইংগিত দি ক'লে, তেওঁলোকে স্বামীৰ মনৰ ভাব বুজি ঘূৰি আহি ঘৰ, গছৰ তল, পুখুৰীৰ পাৰ, উপবন আৰু বন অঞ্চলত থকা ঠাইৰ দিহা কৰিলে। ১৯৬ ॥

চৌঃ—ভৰতে যেতিয়া শৃংগবেৰপুৰখন দেখিবলৈ পালে, তেতিয়া তেওঁৰ সমস্ত শৰীৰ প্ৰেমভাৱত শিথিল হৈ পৰিল। তেওঁ নিষাদৰ কান্ধত হাত থৈ গৈ থাকোঁতে এনেকুৱা লাগিছিল যেন বিনয় আৰু প্ৰেমেহে শৰীৰ ধাৰণ কৰিছে। ১ ॥

এইদৰে ভৰতে সকলো সৈন্য-সামন্তৰে সৈতে গৈ জগৎপাৱনী গংগাক দৰ্শন কৰিলে আৰু শ্ৰীৰামঘাটত প্ৰণাম কৰিলে। তেওঁৰ মন এনেকুৱা আনন্দ মগ্ন হ'ল যেন ৰামকহে সাক্ষাতে লগ পালে। ২ ॥

নগৰৰ নৰ-নাৰীসকলে গংগাৰ ব্ৰহ্মস্বৰূপ জল দৰ্শন কৰি কৰি আনন্দিত হৈ প্ৰণাম কৰিবলৈ ধৰিলে। স্নান কৰি লৈ হাতযোৰকৈ তেওঁলোক সকলোৱেই এই বৰ মাগিলে—যাতে শ্ৰীৰামৰ চৰণত আমাৰ ভক্তি নকমে। ৩ ॥

ভৰতে ক'লে—"হে সুৰনদী, তোমাৰ প্ৰতিটো বিন্দুৱেই সকলোকে সুখ দান কৰে আৰু ই সেৱকসকলৰ কাৰণে কামধেনু তুল্য॥ মই কৰযোৰে এই বৰ ভিক্ষা কৰিছোঁ—ৰাম-সীতাৰ চৰণত যেন মোৰ সহজ প্ৰীতি থাকে।" ৪ ॥

দোঃ—এইদৰে ভৰতে স্নান কৰি উঠি গুৰুৰ আদেশ পাই আৰু মাতৃসকলে স্নান কৰি উঠিল বুলি জানি শিবিৰ তুলি পেলালে। ১৯৭ ॥

চৌঃ—মানুহে য'তে ত'তে থাকিবলৈ বাহৰ সাজি লৈছিল। ভৰতে সকলোৰে খা-খবৰ ল'লে। তাৰ পাছত দেৱপূজা কৰি দুয়োভাই ৰামৰ মাতৃৰ ওচৰলৈ গ'ল। ১ ॥

ভৰতে চৰণ স্পৰ্শ কৰি মৃদু বচনেৰে মাতৃসকলক মান-সৎকাৰ কৰিলে। তাৰ পাছত ভায়েক শত্ৰুঘ্নক মাতৃসকলৰ ভাৰ সঁপি নিজে নিষাদৰাজক মাতি আনিলে। ২ ॥

সখা গুহৰ হাতত হাত মিলাই ভৰত যাবলৈ ধৰিলে। সেই প্ৰেম অলপীয়া নাছিল, সি তেওঁৰ শৰীৰ শিথিল কৰি পেলাইছিল। ভৰতে সখিয়েক গুহক সুধিলে—"য'ত ৰাম, সীতা আৰু লক্ষ্মণ ৰাতি শুই আছিল, সেই ঠাইডোখৰ দেখুৱাই চকু আৰু মন কিছু শীতল পেলোৱা। "য'ত ৰাম, সীতা আৰু লক্ষ্মণ শুইছিল"—বোলোতেই ভৰতৰ দুয়োটা চকুৰ কোণ পানীৰে উপচি পৰিল। ভৰতৰ কথা শুনি নিষাদৰাজৰ বৰ দুখ লাগিল। তেওঁ য'ত পবিত্ৰ অশোক গছৰ তলত ৰামে বিশ্ৰাম কৰিছিল, সেই ঠাইলৈ ততালিকে ভৰতক লৈ গ'ল। ভৰতে সেই ঠাইত অতি প্ৰেমভাবেৰে শ্ৰদ্ধাৰে সৈতে দণ্ডৱৎ প্ৰণাম কৰিলে। ৩—৪ আৰু দোঃ ১৯৮ ॥

চৌঃ—কুশবনৰ ধুনীয়া চাৰিওন দেখি তেওঁ প্ৰদক্ষিণ কৰি প্ৰণাম জনালে। শ্ৰীৰামৰ চৰণচিহ্নৰ ধূলা চকুত সানি ল'লে। সেই প্ৰেমভাৱৰ বৰ্ণনা কৰিব নোৱাৰি। ১

ভৰতে দুই চাৰিটা সোণৰ কণিকা দেখি (সীতাৰ গহনা আদিৰপৰা সৰি পৰা) তাক সীতাৰ তুল্য ভাবি শিৰত তুলি ল'লে। তেওঁৰ চকু পানীৰে উপচি পৰিল আৰু হৃদয় গ্লানিৰে উপচি পৰিল। তেওঁ সুন্দৰ বচনেৰে সখিয়েকক ক'লে—"সীতাৰ বিৰহত অযোধ্যাৰ নৰ-নাৰী শোকত ক্ষীণ হৈ পৰাৰ দৰে এই স্বৰ্ণকণাবোৰো শ্ৰীহীন আৰু কান্তিহীন হৈ পৰিছে। এই জগতত ভোগ আৰু যোগ যিজনৰ হাতৰ মুঠিত, সেই জনকৰ কন্যা সীতাৰ লগত কাক তুলনা কৰোঁ? যিজন সূৰ্যবংশৰ সূৰ্যস্বৰূপ আৰু অমৰাৱতীৰ স্বামী ইন্দ্ৰয়ো যাক ঈৰ্ষাৰে সৈতে প্ৰশংসা কৰে, সেই ৰজা দশৰথ যাৰ শহুৰেক, যিজন ইমান মহান্ যে তেওঁ দান কৰা মহিমাৰেহে অন্যলোক মহৎ হ'ব পাৰে, সেই ৰঘুনাথ যাৰ প্ৰাণপতি ২—৪ ॥

দোঃ—সেই শ্ৰেষ্ঠা পতিব্ৰতা-শিৰোমণি সীতাৰ কুশ-শয্যা দেখি মোৰ হৃদয় যে ফাটি যোৱা নাই ; হে মহাদেৱ ! ই নিশ্চয় বজ্ৰতকৈয়ো অধিক কঠোৰ। ১৯৯ ॥

চৌঃ—কনিষ্ঠ ভ্ৰাতৃ লক্ষ্মণ অতি মৰম লগা আৰু পালন-পোষণৰ যোগ্য। এনেকুৱা ভাই কাৰো হোৱা নাছিল, এতিয়াও নাই, ভৱিষ্যতেও নহ'ব। যি লক্ষ্মণ অযোধ্যাৰ প্ৰজাবৃন্দৰ অতি মৰমৰ, পিতৃ-মাতৃৰ চেনেহৰ পুত্ৰ আৰু ৰাম-সীতাৰ প্ৰাণসম প্ৰিয়, যাৰ শৰীৰ সুকোমল আৰু স্বভাৱ সুকুমাৰ, যাৰ গাত কোন দিনে গৰম বতাহ এছাটিও লাগিবলৈ পোৱা নাই, তেওঁ বনত সকলো বিপত্তি সহ্য কৰিছে। হায়, মোৰ এই বুকুখনে কোটি বজ্ৰৰ কঠোৰতাকো চেৰ পেলাইছে। ১—২ ॥

ৰূপ-লাৱণ্য, সৎচৰিত্ৰ, সুখ আৰু সমস্ত গুণৰ সাগৰস্বৰূপ ৰামে জন্ম ধৰি জগৎ পোহৰ কৰিলে। তেওঁৰ স্বভাৱ পুৰবাসীসকল, আত্মীয়-পৰিজন, গুৰু, পিতৃ-মাতৃ—এই সকলোৰে কাৰণে সুখদায়ক। শত্ৰুৱেও ৰামৰ মহত্ত্ব বখানে। তেওঁৰ কথা-বতৰা, মিলা-প্ৰীতি আৰু বিনয়ে মন হৰণ কৰি নিয়ে। কোটি সৰস্বতী দেৱী আৰু শতকোটি অনন্তনাগেও প্ৰভু শ্ৰীৰামৰ গুণ গাই শেষ কৰিব নোৱাৰে। ৩—৪ ॥

দোঃ—ৰামচন্দ্ৰ স্বয়ং সুখস্বৰূপ, ৰঘুবংশৰ শিৰোমণি আৰু মংগল তথা আনন্দৰ ভঁৰালস্বৰূপ। সেই হেন ৰামচন্দ্ৰই কুশৰ শয্যাত মাটিত শুইছে ; বিধাতাৰ গতি অতি বলৱান। ২০০ ॥

চৌঃ—ৰামে কেতিয়াও দুখৰ নামো শুনা নাছিল। ৰজা দশৰথে জীৱন-বৃক্ষৰ দৰে তেওঁক পালন-পোষণ কৰিছিল। চকুৰ পতাই চকুক আৰু সৰ্পই মণিক যেনেকৈ ৰক্ষা কৰে, মাতৃসকলে সেইদৰেই তেওঁক যত্নেৰে ৰাখিছিল। সেইজন ৰামেই এতিয়া বনত খোজ কাঢ়ি ভ্ৰমি ফুৰিছে, কন্দ-মূল আৰু ফল-ফুলৰ আহাৰ কৰিছে। অমংগলৰ মূল কৈকেয়ীক ধিকাৰ ; তেওঁ প্ৰাণৰ নিচিনা প্ৰিয়তম পতিৰ প্ৰতিও প্ৰতিকূল হ'ল। ১।২ ॥

যাৰ কাৰণে এই সকলো অঘটন ঘটিছে সেই পাপৰ সাগৰ আৰু দুৰ্ভগীয়া মোক ধিকাৰ দিছোঁ। বিধাতাই মোক কুলৰ কলংক কৰি সৃজিলে আৰু কু-মাতৃয়ে মোক স্বামী-দ্ৰোহী কৰিলে।" ৩ ॥

এই কথা শুনি গুহই মৰমেৰে সৈতে তেওঁক বুজাবলৈ ধৰিলে—"হে নাথ ! আপুনি কিয় মিছাতে বেজাৰ কৰিছে ? ৰাম আপোনাৰ প্ৰিয় আৰু আপুনি ৰামৰ প্ৰিয়—এয়ে হ'ল নিশ্চিত সিদ্ধান্ত। দোষ প্ৰতিকূল বিধাতাৰহে। ৪ ॥

ছন্দঃ—প্ৰতিকূল বিধাতাৰ কাম অতি কঠোৰ; সেই বিধাতায়ে কৈকেয়ী মাতৃক পাগলী কৰি দিলে। সেইদিনা ৰাতি প্ৰভুৱে বাৰে বাৰে আদৰ কৰি আপোনাক প্ৰশংসা কৰিছিল। (তুলসীদাসে কৈছে—) মই শপত খাই কৈছোঁ, ৰামৰ কাৰণে আপোনাৰ সমান আৰু কোনো প্ৰিয় নাই। অৱশেষত মংগলেই লাভ হ'বগৈ, ইয়াকে ভাবি আপুনি মনত ধৈৰ্য ধৰক।

সোঃ—ৰামচন্দ্ৰ অন্তৰ্যামী ; নম্ৰতা, প্ৰেম আৰু কৃপাৰ ধামস্বৰূপ। ইয়াকে ভাবি-চিন্তি চাই মনটো ডাঠ কৰি আগবাঢ়ক আৰু বিশ্ৰাম কৰক।" ২০১ ॥

চৌঃ—সখিয়েকৰ কথা শুনি, মনত ধৈৰ্য ধৰি, ৰঘুনাথক স্মৰণ কৰি ভৰত শিবিৰলৈ উলটিল। নগৰৰ নৰ-নাৰীসকলেও [ৰামে থাকি যোৱা ঠাইখনৰ) সেই বাতৰি পাই অতি আকুলভাৱে ঠাইখন চাবলৈ চাপলি মেলিলে। ১ ॥

তেওঁলোকে গৈ প্ৰদক্ষিণ কৰি সেই ঠাইখনক প্ৰণাম কৰিলে; আৰু কৈকেয়ীক অনেক দোষ দিবলৈ ধৰিলে। চকুৰ লোতকেৰে ওপচাই দিলে আৰু প্ৰতিকূল বিধাতাক দুষিবলৈ ধৰিলে। ২ ॥

কোনো কোনোৱে ভৰতক প্ৰশংসা কৰিলে; আন কোনোবাই ক'লে— ৰজাই অতি প্ৰেমৰ নিদৰ্শন দেখুৱালে। সকলোৱে নিজক নিজে নিন্দা কৰিলে আৰু নিষাদৰাজ গুহক প্ৰশংসা কৰিলে। সেই সময়ৰ আসক্তি (ৰামৰ প্ৰতি) আৰু বিষাদৰ বৰ্ণনা কোনে কৰিব পাৰিব ? ৩ ॥

এইদৰে ওৰে ৰাতি সকলো মানুহে উজাগৰেই কটালে। ৰাতি পুউৱাৰ লগে লগে নদী পাৰ হোৱাত লাগিল। ধুনীয়া নাওত গুৰু বশিষ্ঠক আৰু নতুন নাওত মাতৃসকলক তুলিলে। চাৰি দণ্ডৰ ভিতৰতে সকলো গংগা পাৰ হৈ অঁতালে। নাওৰপৰা নামি ভৰতে সকলোৰে তত্ত্বাৱধান ল'লে। ৪-৫ ॥

দোঃ—প্ৰাতঃকৃত্য সমাপন কৰাৰ পাছত মাতৃসকলৰ চৰণ বন্দনা কৰি আৰু বশিষ্ঠক প্ৰণতি জনাই নিষাদসকলক [বাট দেখুৱাই নিবৰ কাৰণে] আগত লৈ সৈন্য-সামন্তসহ ভৰত যাবলৈ ধৰিলে। ২০২ ॥

চৌঃ—নিষাদৰাজক আগত কৰি, মাতৃসকলৰ পাল্কীবোৰ চলাই নিয়া হ'ল। ভায়েক শত্ৰুঘ্নক তেখেতসকলৰ লগত যাবলৈ ক'লে। তাৰ পাছত ব্ৰাহ্মণসকলেৰে সৈতে গুৰু বশিষ্ঠই যাত্ৰা কৰিলে। সকলোৰে পাছত ভৰতে গংগাদেৱীক প্ৰণাম কৰিলে আৰু লক্ষ্মণ সহ ৰাম-সীতাক স্মৰণ কৰি খোজ কাঢ়ি যাবলৈ ধৰিলে। তেওঁৰ লগত মানুহ সুঠাকৈয়ে বাঘজৰীৰে বন্ধা ঘোঁৰা লৈ আছিল। ১—২ ॥

শ্ৰেষ্ঠ সেৱকসকলে বাৰে বাৰে ক'লে—"হে নাথ! আপুনি ঘোঁৰাত উঠি লওক।" (ভৰতে ক'লে—) "ৰামচন্দ্ৰই খোজ কাঢ়িহে গ'ল, আমালৈহে ৰথ, হাতী, ঘোঁৰাবোৰ সৃষ্টি কৰা হ'ল। মোৰ এইটোহে উচিত যেন লাগিছে যে মই মূৰত ভৰ দি দিহে (চুচৰি) যাব লাগে। সেৱকৰ ধৰ্ম সকলোতকৈ কঠিন।" ভৰতৰ অৱস্থা দেখি আৰু তেওঁৰ মৃদু বচন শুনি সেৱকসকল যেন দুখত পমিহে গ'ল। ৩১৪ ॥

দোঃ—এইদৰে প্ৰেমত উল্লসিত হৈ সীতাৰাম, সীতাৰাম বুলি তৃতীয় প্ৰহৰত ভৰত গৈ প্ৰয়াগত উপস্থিত হ'ল। ২০৩ ॥

চৌঃ—পদুম কলিত নিয়ঁৰকণা চিক্‌মিকোৱাৰ দৰে ভৰতৰ ভৰিত উঠা ফোঁকাবোৰ চিক্‌মিকাবলৈ ধৰিলে। ভৰত আজি খোজকাঢ়িয়েই আহিলে—এই বাতৰি পাই সকলোৰেই দুখ পালে। ১ ॥

যেতিয়া ভৰতে সকলো মানুহ স্নান কৰি উঠিলে বুলি জানিব পাৰিলে, তেতিয়া তেওঁ গৈ ত্ৰিবেণীত প্ৰণাম জনালে। তাৰ পাছত যথাবিধি গংগাৰ বগা আৰু যমুনাৰ শ্যামবৰণীয়া জলত স্নান কৰিলে। লগতে দানেৰে সৈতে ব্ৰাহ্মণসকলক সন্মান জনালে। ২ ॥

সেই শ্যামল আৰু ধৱল জলৰাশিত উঠা ঢৌবোৰ দেখি ভৰতৰ শৰীৰ পুলকিত হ'ল আৰু তেওঁ হাতযোৰ কৰি ক'লে—"হে তীৰ্থৰাজ, তুমি সমস্ত কামনা পূৰণ কৰা। বেদত তোমাৰ প্ৰভাৱৰ কথা প্ৰসিদ্ধ আৰু সেইকথা জগতত প্ৰকাশ পাব লাগিছে। মই স্বধৰ্ম (ক্ষত্ৰিয়োচিত ভিক্ষা নোখোজা ধৰ্ম) ত্যাগ কৰি তোমাক ভিক্ষা মাগিব খুজিছোঁ। আতুৰ মানুহেনো কি কুকৰ্ম নকৰে? ইয়াকে মনেৰে বিচাৰ কৰি জনা-বুজা উত্তম দানী লোকে জগতত যাচকৰ বাণী সফল কৰে (অৰ্থাৎ বিচৰা বস্তু দিয়ে)। ৩—৪ ॥

দোঃ—মোৰ অৰ্থলৈও স্পৃহা নাই, ধৰ্মলৈও নাই, কামলৈও নাই, আৰু মই মোক্ষও নিবিচাৰোঁ। জন্মে জন্মে যেন মোৰ ৰামৰ চৰণত ৰতি হয়, মই এই বৰহে ভিক্ষা কৰিছোঁ; অন্য একো নহয়। ২০৪ ॥

চৌঃ—স্বয়ং ৰামে মোক কুটিল বুলি ভাবক; মানুহে মোক গুৰুদ্ৰোহী আৰু স্বামীদ্ৰোহী বোলক; কিন্তু ৰাম-সীতাৰ চৰণত মোৰ ৰতি, তোমাৰ কৃপাত যেন দিনে দিনে বাঢ়ি যায়। ১ ॥

মেঘে লাগিলে জীৱন জুৰি চাতক পক্ষীলৈ পাহৰি থাকক, আৰু পানী বিচাৰিলেও বজ্ৰপাত আৰু শিলাবৃষ্টিহে কৰক; কিন্তু চাতকৰ আৰাৱ ৰজি

কমি যায় তেনেহ'লে তাৰ মৰ্যদাও কমি যায়; প্ৰেম বাঢ়ি গ'লে সকলো প্ৰকাৰে ভালহে হয়। ২ ॥

যেনেকৈ জুইত পুৰিলে সোণৰ চিক্‌মিকনি বাঢি যায়, তেনেকৈয়ে প্ৰিয়তম-জনৰ চৰণত ৰতি অবিচ্ছিন্ন কৰি ৰাখিলে সেৱকৰ গৌৰৱ বাঢ়ে।" ভৰতৰ এই বচন শুনি ত্ৰিবেণীৰ মাজভাগৰপৰা সুমংগল মৃদু বাণী উচ্চাৰিত হ'ল— "বাছা ভৰত! তুমি সকলো প্ৰকাৰেই সাধু। ৰামৰ চৰণত তোমাৰ অগাধ ভক্তি। তুমি মিছাতে মনত অনুশোচনা কৰি আছা। শ্ৰীৰামৰ কাৰণে তোমাৰ সমান প্ৰিয় আৰু কোনো নাই।" ৩।৪ ॥

দোঃ—ত্ৰিবেণীৰ এই অনুকূল বচন শুনি ভৰতৰ শৰীৰ পুলকিত হ'ল; হৃদয় আনন্দেৰে নধৰা হ'ল। 'ধন্য, ধন্য ভৰত'—বুলি দেৱতাসকলে পুষ্পবৃষ্টি কৰিবলৈ ধৰিলে। ২০৫ ॥

চৌঃ—তীৰ্থৰাজ প্ৰয়াগত বাস কৰা বানপ্ৰস্থী, ব্ৰহ্মচাৰী, গৃহস্থী আৰু সন্ন্যাসী—সকলোৱে আনন্দিত হৈ দহ পাঁচজনে মিলি এইবুলি কোৱা-কুই কৰিবলৈ ধৰিলে—"ভৰতৰ প্ৰেম আৰু সুচৰিত্ৰ অতি পবিত্ৰ আৰু সত্য।" ১ ॥

ৰামৰ সুন্দৰ গুণসমূহ শ্ৰৱণ কৰি কৰি ভৰত মুনিশ্ৰেষ্ঠ ভৰদ্বাজৰ ওচৰলৈ গ'ল। মুনিয়ে ভৰতক দণ্ডৱৎ হৈ প্ৰণাম কৰি থকা অৱস্থাত দেখিবলৈ পালে আৰু সেয়া তেওঁৰ সৌভাগ্যৰ মূৰ্তিমান ৰূপ বুলি গণ্য কৰিলে। ২ ॥

তেওঁ লৰমাৰি গৈ ভৰতক তুলি ধৰিলে আৰু বুকুত আঁকোৱালি ল'লে। তাৰ পাছত তেওঁক আশীৰ্বাদ দি কৃতাৰ্থ কৰিলে আৰু বহিবলৈ আসন যাচিলে। ভৰতে মূৰ দোঁৱাই তাত এনেদৰে বাহিলে, তেওঁ যেন লাজ-সংকোচৰ ঘৰতহে সোমাবলৈ খুজিছে। তেওঁৰ মনত বৰ চিন্তা হ'ল— জানোচা মুনিয়ে কিবা কথা সুধিব। ভৰতৰ সজ চৰিত্ৰ আৰু সংকোচভাৱ দেখি ঋষিয়ে ক'লে—"শুনা ভৰত, মই সকলো খবৰ পাইছোঁ। বিধাতাৰ কামৰ ওপৰত কাৰো হাত নাই। ৪ ॥

দোঃ—মাৰাৰ কু-কৰ্মৰ কথা ভাবি-চিন্তি তুমি অন্তৰত দুঃখ কৰি নাথাকিবা। বাছা, কৈকেয়ীৰ গাত একো দোষ নাই; সৰস্বতীয়েহে তেওঁৰ বুদ্ধি নাশ কৰিছিল। ২০৬ ॥

চৌঃ—এই কথা ক'লেও কোনেও ভাল নুবুলিব; কাৰণ লৌকিক নিয়ম আৰু বেদবিহিত ব্যৱস্থা, দুয়োটাকে জ্ঞানীসকলে মানি চলে। বাছা, তোমাৰ বিমল যশস্যা কীৰ্তন কৰি লৌকিকতা আৰু বেদাদি শাস্ত্ৰই প্ৰতিষ্ঠা লাভ

কৰিব। এই কথা লোক-ব্যৱহাৰ তথা বেদসন্মত আৰু সকলো মানুহেই এই কথা ক'ব যে পিতাকে যাক ৰাজ্য দিয়ে তেৱেঁই ৰাজ্য পায়। সত্যব্ৰতী ৰজাই যদি তোমাক মাতি আনি ৰাজ্য দিলেহেঁতেন তেনেহ'লে সুখ লাভো কৰিলেহেঁতেন, ধৰ্মও ৰ'লহেঁতেন আৰু প্ৰতিষ্ঠাও বাঢ়িলেহেঁতেন। পিছে সমস্ত অনৰ্থৰ মূল হ'ল ৰামৰ বনবাসহে। তাৰ কথা শুনি গোটেই বিশ্বৰ কষ্ট হ'ল। নিয়তিৰ বশ হৈ ৰাণীয়ে সেই কুমন্ত্ৰণা কৰি পাছত অনুতাপ কৰিছে। এই বিষয়ত যদি কোনোবাই তোমাক অলপো অপৰাধী বুলি কয়, তেন্তে তেওঁ অধম, অজ্ঞানী আৰু অসাধু। তুমি যদি ৰাজ্যভোগো কৰিলাহেঁতেন, তেতিয়াও তোমাৰ দোষ নহ'লহেঁতেন। সেই কথা শুনি ৰামেও সন্তোষ পালেহেঁতেন। ১—৪ ॥

দোঃ—ভৰত! তুমি এতিয়া বৰ ভাল কাম কৰিলা আৰু তোমাৰ বাবে এয়ে উচিত সিদ্ধান্ত। জগতত ৰামৰ চৰণত ভক্তি কৰাটোৱেই হৈছে সকলো সুমংগলৰ মূল। ২০৭ ॥

চৌঃ—সেয়ে (ৰামৰ চৰণত ভক্তিয়েই) তোমাৰ ধন, জীৱন আৰু প্ৰাণ। তোমাৰ সমান শ্ৰেষ্ঠ ভাগ্যশালী আৰু কোন আছে? বাছা, তোমাৰ ক্ষেত্ৰত এইটো একে আচৰিত হ'বলগীয়া কথা নহয়; কাৰণ তুমি দশৰথৰ পুত্ৰ আৰু ৰামৰ ভ্ৰাতৃ। ১ ॥

শুনা ভৰত, ৰঘুনাথৰ কাৰণে তোমাৰ সমান স্নেহৰ পাত্ৰ আৰু কোনো নাই। ৰাম, লক্ষ্মণ আৰু সীতাই সেইদিনা অতি স্নেহেৰে সৈতে তোমাৰ প্ৰশংসা কৰিয়েই ৰাতিটো কটালে। ২ ॥

প্ৰয়াগত স্নান কৰোঁতে মই তেওঁৰ মনৰ ভাব বুজিলোঁ। তেওঁ তোমাৰ স্নেহত নিমগ্ন হৈ আছিল। মূৰ্খ মানুহৰ সংসাৰৰ সুখময় জীৱনৰ প্ৰতি অনুৰাগ যেনেকুৱা শ্ৰীৰামৰো তোমাৰ প্ৰতি অনুৰাগ তেনেকুৱাই। ৰঘুনাথৰ বাবে এইটো একো ডাঙৰ গৌৰৱৰ কথা নহয়; কাৰণ তেওঁ শৰণাগতৰ কুটুম্বসকলৰো পালনকৰ্তা। বাছা ভৰত! তুমিতো শ্ৰীৰামৰ মূৰ্তিমান স্নেহস্বৰূপ বুলি মোৰ ধাৰণা হৈছে। ৩,৪ ॥

দোঃ—ভৰত! তুমি ইয়াক তোমাৰ কলংক বুলি ভাবিছা; এয়া কিন্তু আমাৰ কাৰণে উপদেশহে। শ্ৰীৰামৰ ভক্তিৰূপী ৰস-সিদ্ধিৰ কাৰণে এই সময় শ্ৰীগণেশ বুলি আৰম্ভ কৰা শুভ সময় হৈ পৰিছে। ২০৮ ॥

চৌঃ—বাছা! তোমাৰ যশস্যা নিৰ্মল নবীন চন্দ্ৰৰ নিচিনা আৰু শ্ৰীৰামৰ

সেৱকসকল কুমুদ আৰু চকোৰস্বৰূপ। এই যশস্যাৰ চন্দ্ৰ সদায় উদয় হ'ব, কোনোদিনে অস্ত নাযায়। সংসাৰৰূপী আকাশত ই কেতিয়াও ক্ষীণ হৈ নপৰে; বৰঞ্চ দিনে দিনে দুগুণ হৈহে যাব। ত্ৰিভুৱনৰূপী চক্ৰবাকে এই চন্দ্ৰ চাই চাই আনন্দ লাভ কৰিব; প্ৰভু শ্ৰীৰামৰ প্ৰতাপৰূপী সূৰ্যই ইয়াৰ কান্তি হৰণ নকৰে। এই চন্দ্ৰই দিনে-ৰাতিয়ে সকলোকে সুখদান কৰিব। কৈকেয়ীৰ কু-কৰ্মৰূপী ৰাহুৱে ইয়াক কেতিয়াও গ্ৰাস নকৰে। এই চন্দ্ৰ শ্ৰীৰামৰ সুন্দৰ প্ৰেম-অমৃতেৰে পূৰ্ণ হৈ আছে। ই গুৰু অৱমাননাৰ দোষত দোষী নহয়। [এই চন্দ্ৰৰ সৃষ্টি কৰি] তুমি পৃথিৱীতে অমৃত হাতেৰে ঢুকি পোৱা কৰিলা। এতিয়া ৰামভক্তসকল এই অমৃতেৰে তৃপ্ত হওক। ১—৩॥

ৰজা ভগীৰথে দেৱনদী গংগা নমাই আনিলে। এই গংগাৰ স্মৰণ হৈছে সকলো মংগলৰ আকৰস্বৰূপ। দশৰথৰ গুণসমূহৰ কথা বৰ্ণনা কৰিব নোৱাৰি। তেওঁতকৈ শ্ৰেষ্ঠ হোৱাটো দূৰৰে কথা; জগতত তেওঁৰ সমানেই কোনো নাই। ৪॥

দোঃ—যাৰ স্নেহ আৰু নম্ৰভাৱত বশ হৈ স্বয়ং ভগৱান শ্ৰীৰাম আহি ব্যক্ত হ'ল; যি শ্ৰীৰামক অন্তৰ্দৃষ্টিৰে (হৃদয়ৰ নয়নেৰে) দৰ্শন কৰি কৰিও মহাদেৱ অতৃপ্ত হৈ আছে। ২০৯॥

চৌঃ—তুমি যি কীৰ্তিৰূপী অনুপম চন্দ্ৰৰ সৃষ্টি কৰিলা, তাত ৰামভক্তিৰ মৃগই বাস কৰে। বাছা, তুমি আকৌ মনত দুঃখ কৰিছা; পৰশমণি লাভ কৰি তুমি দৰিদ্ৰতালৈ ভয় কৰিছা। ১॥

শুনা ভৰত, আমি মিছা কথা নকওঁ; আমি উদাসীন, তপস্বী আৰু বনবাসী। সমস্ত সাধনাৰ সুন্দৰ সুফলস্বৰূপে আমি ৰাম, সীতা আৰু লক্ষ্মণক দৰ্শন কৰিবলৈ পালোঁ। তাৰো আকৌ মহাফল স্বৰূপে তোমাক দৰ্শন কৰিবলৈ পালোঁ। প্ৰয়াগৰ সৈতে আমাৰ এয়া অতি সৌভাগ্য ঘটিল। হে ভৰত! তুমি ধন্য, কাৰণ তুমি নিজ যশস্যাৰে জগত জয় কৰিলা।" এই বুলি কৈ মুনি প্ৰেমমগ্ন হৈ পৰিল। ২।৩॥

মুনিৰ বচন শুনি সভাসদসকল আনন্দিত হ'ল। 'সাধু, সাধু, বুলি প্ৰশংসা কৰি দেৱতাসকলে পুষ্পবৃষ্টি কৰিবলৈ ধৰিলে। আকাশত আৰু প্ৰয়াগতীৰ্থত ধন্য ধন্য ধ্বনি শুনি ভৰত প্ৰেমত নিমগ্ন হ'ল। ৪॥

দোঃ—ভৰতৰ শৰীৰ পুলকিত, হৃদয়ত ৰাম-সীতা, নয়ন-কমলত অশ্ৰুজল, তেওঁ মুনিমণ্ডলীক প্ৰণাম কৰি গদ্‌গদ হৈ ক'বলৈ ধৰিলে। ২১০॥

চৌঃ—"এনেয়ে মুনিৰ সমাজ, তাতে আকৌ শ্ৰেষ্ঠ তীৰ্থ প্ৰয়াগ। ইয়াত সঁচা শপত খোৱাটোও সম্পূৰ্ণ অকাৰ্য। এই ঠাইত যদি কিবা মনে সজা কথা কোৱা হয়, ইয়াতকৈ ডাঙৰ পাপ আৰু নীচতা হ'ব নোৱাৰে। মই সদ্‌ভাৱেৰে কৈছোঁ, আপুনি সৰ্বজ্ঞ আৰু ৰঘুনাথ হৈছে অন্তৰ্যামী। মই মাতৃৰ কু-কৰ্মৰ কাৰণে চিন্তা কৰা নাই; মনত এই বুলিও দুঃখ নাই যে সংসাৰখনে মোক নীচ বুলি জানিব। মোৰ পৰলোক নষ্ট হ'ব বুলিও ভয় কৰা নাই আৰু পিতাৰ মৃত্যুৰ বাবেও মোৰ বেজাৰ নাই, কাৰণ তেওঁতেৰ পুণ্য আৰু সুকীৰ্তিয়ে জগৎ শুৱনি কৰিছে, তেখেতে ৰাম-লক্ষ্মণৰ নিচিনা পুত্ৰ লাভ কৰিছে, তদুপৰি তেওঁতে ৰামৰ বিৰহত ক্ষণভংগুৰ শৰীৰ ত্যাগ কৰিছে; সেই ৰজাৰ কাৰণে চিন্তা কৰিব লগীয়া কি বিষয় আছে? (মোৰ চিন্তা এই বুলি ভাবিছে] ৰাম, লক্ষ্মণ আৰু সীতাই পাদুকা বিহীন চৰণেৰে মুনিৰ বেশত বনত বিচৰণ কৰিছে। ১—৪ ॥

দোঃ—তেওঁলোকে মৃগচৰ্মৰ বসন পিন্ধিছে, ফলেৰে আহাৰ কৰিছে, মাটিত কুশবন আৰু গছপাত পাৰি শুইছে আৰু গছৰ তলত বাস কৰি জাৰ-জহ আৰু ৰ'দ-বতাহ সহ্য কৰিছে। ২১১ ॥

চৌঃ—এই দুখৰ অগ্নিয়েহে নিৰন্তৰ মোৰ হৃদয় দগ্ধ কৰিছে। মোৰ দিনত ভোক নালাগে, ৰাতি টোপনি নাহে। মই মনে মনে সমস্ত বিশ্বতে বিচাৰি চালোঁ; কিন্তু এই মহাব্যাধিৰ ঔষধ ক'তো নাই। ১ ॥

মাতৃৰ কু-মতিয়েই হ'ল পাপৰ মূল বাটে; ই আমাৰ কল্যাণেৰে বাচুলা সাজি ল'লে আৰু তাৰে কাজিয়াৰূপী বেয়া কাঠেৰে এটা কু-যন্ত্ৰ প্ৰস্তুত কৰিলে আৰু চৈধ্য বছৰৰ সীমাৰূপী কঠোৰ কুমন্ত্ৰ পাঠ কৰি সেই যন্ত্ৰটো স্থাপন কৰি ললে। ২ ॥

মোৰ কাৰণে ই এই সকলো কু-ব্যৱস্থা কৰি পেলালে আৰু ইয়াৰেই গোটেইখন সংসাৰ লণ্ড-ভণ্ড কৰি নষ্ট ক'ৰলে। এই দুৰ্যোগ ৰাম ঘূৰি আহিলেহে শেষ হ'ব আৰু তেতিয়াহে অযোধ্যা আগৰ দৰে সুস্থিৰে বহিব; নহ'লে অন্য উপায় নাই।" ৩ ॥

ভৰতৰ কথা শুনি মুনিয়ে আনন্দ পালে। সকলোৱেই নানা প্ৰকাৰে তেওঁৰ মহত্ত্বৰ কথা ক'বলৈ ধৰিলে। [মুনিয়ে ক'লে—] "বাছা! অধিক শোক নকৰিবা। ৰামৰ চৰণ দৰ্শন কৰিলেই সকলো দুখৰ অন্ত পৰিব।" ৪ ॥

দোঃ—এইদৰে মুনিয়ে প্ৰবোধ দি তাৰ পাছত ক'লে—এতিয়া আপোনা-

লোক আমাৰ প্ৰীতিভাজন অতিথি হওক ; কৃপা কৰি আমি দিয়া কন্দ-মূল আৰু ফল-ফুল আপোনালোকে গ্ৰহণ কৰক।" ২১১ ॥

চৌঃ—মুনিৰ কথা শুনি ভৰতৰ মনত চিন্তা হ'ল। বেয়া সময়ত এটা কঠিন সংকোচ ভাব উপজিল। তাৰ পাছত গুৰুজনৰ কথাৰ গুৰুত্ব বুজি, তেওঁৰ চৰণ-বন্দনা কৰি হাত যোৰকৈ ক'লে—"হে নাথ! আপোনাৰ আজ্ঞা আমি শিৰোধাৰ্য কৰি পালন কৰিব লাগে; এইটো আমাৰ পৰম ধৰ্ম।" মুনিৰাজৰ মনত ভৰতৰ এই কথা অতি ভাল লাগিল। তেওঁৰ পবিত্ৰ স্বভাৱৰ সেৱাপৰায়ণ শিষ্যসকলক ওচৰলৈ মাতি আনিলে। ১—২ ॥

(মুনিয়ে ক'লে—) "ভৰতক অতিথি-সৎকাৰ কৰিব লাগে। কণ্ড, মূল আৰু ফল লৈ আহাঁগৈ।" "ভাল প্ৰভু' বুলি মূৰ দোঁৱাই তেওঁলোক আনন্দ মনেৰে নিজৰ নিজৰ কামলৈ গ'ল। ৩ ॥

মুনিৰ চিন্তা হ'ল—"মই বহুত ডাঙৰ অতিথিক নিমন্ত্ৰণ কৰিলোঁ। এতিয়া যেনে দেৱতা তেনে পূজা কৰিব লাগিব।" এই কথা শুনা মাত্ৰকে ঋদ্ধি আৰু অনিমাদি অষ্টসিদ্ধি আহি উপস্থিত হ'ল আৰু ক'লে—হে প্ৰভু, আপোনাৰ যি আদেশ হয় আমি তাকে কৰিম"। ৪ ॥

দোঃ—আনন্দিত হৈ মুনিয়ে ক'লে—"অনুজ শত্ৰুঘ্ন আৰু সমস্ত সমাজেৰে (প্ৰজা-পুৰোহিত আদিৰে) সৈতে ভৰত শ্ৰীৰামৰ বিৰহত আকুল হৈ আছে, তেওঁলোকক সেৱা শুশ্ৰূষা কৰি শ্ৰম দূৰ কৰাঁ।" ২১৩ ॥

চৌঃ—ঋদ্ধি আৰু সিদ্ধিগণে মুনিৰ আদেশ শিৰোধাৰ্য কৰি নিজকে অতি সৌভাগ্যশালিনী বুলি ভাবিলে। সিদ্ধিসকলে পৰস্পৰে কৰলৈ ধৰিলে—"ৰামৰ ভ্ৰাতৃ অতুলনীয় অতিথি। গতিকে মুনিৰ চৰণ বন্দনা কৰি আজি আমি এনেদৰে কাম কৰিব লাগিব যাতে সমস্ত ৰাজ-সমাজ সুখী হয়।" এই বুলি কৈ তেওঁলোকে নানা ধৰণৰ সুন্দৰ সুন্দৰ ঘৰ সাজিলে; সেইবোৰ দেখি বিমানো লজ্জিত হ'ল। ১—২ ॥

সেই ঘৰবোৰত নানা ধৰণৰ ভোগৰ বস্তু আৰু বিভূতি ভৰাই ৰখা হ'ল; সেইবোৰ দেখি দেৱতাবো লোভ লাগিল। দাস-দাসীবোৰে সেই সামগ্ৰীবোৰ লৈ মনোযোগেৰে সৈতে তেওঁলোকৰ (অতিথিসকলৰ) মন লক্ষ্য কৰি থাকিলে (অতিথিসকলৰ ৰুচি অনুসৰি যোগান ধৰিলে)। ৩ ॥

যিবোৰ সুখৰ সামগ্ৰী দেৱলোকত সপ্নতো পোৱা নাযায়। এক পলকতে সিদ্ধিগণে সেই সকলো সামগ্ৰী সজাই-পৰাই আগত দিলেহি। তেওঁলোকে

প্ৰথমতেই সকলোকে যাৰ যেনে ৰুচি তেনে সুন্দৰ আৰু আৰামদায়ক বাসস্থান দিছিলেই। ৪ ॥

দোঃ—তাৰ পাছত পৰিজনসকলেৰে সৈতে ভৰতক (বাসস্থান আদি) দিলে; ঋষিয়ে এইদৰেই (ভৰতক সকলোৰে পাছত দিবলৈ) আদেশ দিছিল। মুনিয়ে ব্ৰহ্মাৰো বিস্ময় জনোৱা এই বিভৱ তপস্যাৰ বলেৰেই সৃষ্টি কৰিলে। ২১৪ ॥

চৌঃ—যেতিয়া ভৰতে মুনিৰ এই প্ৰভাৱ দেখিলে, তেতিয়া তেওঁৰ মনত সমস্ত (ইন্দ্ৰ, বৰুণ আদি) লোকপালসকলৰ লোকসমূহ তুচ্ছ যেন লাগিল। সেই সুখৰ সামগ্ৰীবোৰৰ বৰ্ণনা কৰিব নোৱাৰি; সেইবোৰ দেখিলে জ্ঞানী-লোকেও বৈৰাগ্যৰ কথা পাহৰি যাব। ১ ॥

আসন, শয্যা, সুন্দৰ বস্ত্ৰ, চন্দ্ৰাতপ, বন, উপবন, নানাধৰণৰ পশু-পক্ষী, সুগন্ধি ফুল আৰু অমৃতৰ নিচিনা মিঠা ফল, নানা তৰহৰ বিমল জলাশয়, অমৃততকৈও অমৃততুল্য খোৱা-পিয়া পবিত্ৰ বস্তু, সেইবোৰ দেখি অযোধ্যাবাসী-সকলে সংযমী পুৰুষৰ দৰে সংকোচ কৰিলে। সকলোৰে শিবিৰত কামধেনু আৰু কল্পবৃক্ষ আছে, যাক দেখিলে ইন্দ্ৰ আৰু শচীৰো পাবলৈ হেঁপাহ হয়। সকলোতে বসন্ত ঋতু প্ৰকাশ পাই আছে। শীতল, মৃদু আৰু সুগন্ধি বতাহ বলিব লাগিছে। সকলোৰে কাৰণে চাৰি পদাৰ্থ (ধৰ্ম, অৰ্থ, কাম, মোক্ষ) সহজলভ্য হৈ আছে। মালা, চন্দন আৰু নাৰী আদি ভোগৰ সামগ্ৰী দেখি সকলো মানুহেই হৰ্ষ আৰু বিস্ময়ত অভিভূত হ'ল। ২—৪ ॥

দোঃ—সেই সম্পদসমূহ হ'ল মাইকী চকোৱা চৰাইৰ নিচিনা, ভৰত হ'ল পুৰুষ চকোৱা; মুনিৰ আদেশ হ'ল খেলুৱৈ চিকাৰী। সিয়ে সেই ৰাতিটো আশ্ৰমৰূপী পিঞ্জৰাত দুয়োকে বন্দী কৰি ৰাখিলে। (চিকাৰীয়ে মাইকী আৰু মতা চাকৈ-চকোৱা চৰাইক সজাত ৰাতি ভৰাই থলেও সিহঁতৰ মিলন নঘটাৰ দৰে ভৰতৰো ভোগ-সামগ্ৰীবোৰৰ লগত সম্পৰ্ক নঘটিল)। এইদৰেই ৰাতিটো পুৱাল। ২১৫ ॥

চৌঃ—ভৰতে তীৰ্থশ্ৰেষ্ঠ প্ৰয়াগত স্নান কৰিলে আৰু দলে-বলে গৈ ভৰদ্বাজ মুনিক মূৰ দোঁৱাই তেওঁৰ আদেশ আৰু আশীৰ্বাদ শিৰত লৈ দণ্ডৱৎ প্ৰণাম কৰি অনেক প্ৰাৰ্থনা কৰিলে। ১ ॥

তাৰ পাছত বাট চিনি পোৱা মানুহেৰে সৈতে সকলোকে লগত লৈ ভৰতে চিত্ৰকূটত চিত্ত-নিবেশ কৰি যাত্ৰা কৰিলে। ৰামৰ মিত্ৰ গুহকৰ হাতত ধৰি

ভৰত এনেদৰে বাবলৈ ধৰিলে, যেন সাক্ষাৎ প্ৰেমেহে মূৰ্ত্তি ধাৰণ কৰি যাব লাগিছে। ২ ॥

তেওঁৰ ভৰিত পাদুকা নাই আৰু শিৰত ছাতি নাই। তেওঁৰ প্ৰেম, নিয়ম, ব্ৰত আৰু ধৰ্ম কপটৰহিত। তেওঁ সখিয়েক গুহক যাৰ, লক্ষ্মণ আৰু সীতা যোৱা বাটৰ কথা সোধে আৰু গুহই মিঠা মাতেৰে তাৰ উত্তৰ দিয়ে। ৩ ॥

ৰাম বাস কৰি যোৱা ঠাইবোৰ আৰু গছবোৰ দেখি ভৰতৰ হৃদয়ত অনুৰাগে পাৰ ভাঙে। তেওঁৰ সেই অৱস্থা দেখি দেৱতাসকলে পুষ্পবৃষ্টি কৰিবলৈ ধৰিলে। মাটি কোমল হৈ পৰিল, পথ মংগলৰ মূলস্বৰূপ হ'ল। ৪ ॥

দোঃ—মেঘে ছাঁ দি দি যাবলৈ ধৰিলে; সুখদায়ক বতাহ বলিল। ভৰত যোৱাৰ সময়ত পথ যিদৰে সুখদায়ক হ'ল, ৰাম যোৱাৰ সময়ত তেনেকুৱা হোৱা নাছিল। ২১৬ ॥

চৌঃ—বাটত বহুত জড় (অচেতন-বুদ্ধিহীন) আৰু চেতন (বুদ্ধিমান) জীৱ আছিল। তাৰ ভিতৰত যিবিলাকত প্ৰভু ৰামৰ দৃষ্টি পৰিছিল অথবা যিবিলাকে প্ৰভু ৰামক দৰ্শন কৰিছিলে, সেই সকলোবোৰ পৰম পদৰ অধিকাৰী হ'ল। সেইবোৰে এতিয়া ভৰতক দৰ্শন কৰি ভৱৰোগৰ পৰা (সংসাৰৰ বিকাৰৰ পৰা) উদ্ধাৰ হ'ল। ১ ॥

মনত শ্ৰীৰামক স্মৰণ কৰি যোৱা ভৰতৰ কাৰণে এইটো একো ডাঙৰ কথা নহয়। জগতত যিলোকে এবাৰো ৰামনাম লৈছে, তেওঁ নিজে তৰাৰ উপৰিও অন্যকো তাৰণ কৰে। তাতে আকৌ ভৰত হ'ল শ্ৰীৰামৰ প্ৰিয় ভ্ৰাতৃ; তেনেস্থলত তেওঁৰ কাৰণে পথ মংগলদায়ক কিয় নহ'ব? সিদ্ধ, সাধু আৰু শ্ৰেষ্ঠ মুনিসকলে এইদৰে কোৱা কুই কৰিবলৈ ধৰিলে আৰু তেওঁলোকে ভৰতক দেখি আনন্দ লাভ কৰিলে। ২।৩ ॥

ভৰতৰ এই প্ৰভাৱ দেখি দেৱৰাজ ইন্দ্ৰৰ চিন্তা হ'ল (আলোচা ভৰতে ৰামক ঘূৰাই আনে আৰু তেতিয়া দেৱকাৰ্য সিদ্ধি নহয়)—সংসাৰধন ভালৰ কাৰণে ভাল আৰু বেয়াৰ কাৰণে বেয়া। তেওঁ গুৰু বৃহস্পতিক ক'লে—"প্ৰভু! আপুনি এনে ব্যৱস্থা কৰক যাতে ৰাম আৰু ভৰতৰ মিলন নঘটে। ৪ ॥

দোঃ—শ্ৰীৰাম নম্ৰলোক আৰু প্ৰেমৰ বশ্য আৰু ভৰত হ'ল প্ৰেমৰ সাগৰ। ঠিক-ঠাক কৰি থোৱা কথা এতিয়া পণ্ড হ'ব ধৰিছে; গতিকে কিবা চেনু বিচাৰি তাৰ প্ৰতিকাৰৰ যত্ন কৰক।" ২১৭ ॥

চৌঃ—ইন্দ্ৰৰ কথাগুনি দেৱগুৰু বৃহস্পতিয়ে মিচিকিয়াই হাঁহিলে। সহস্ৰ-

নয়ন থকা ইন্দ্ৰ চকু নোহোৱা (মূৰ্খ) মানুহ যেনহে তেওঁৰ ধাৰণা হ'ল। তেওঁ ক'লে—"হে দেৱৰাজ, মায়াৰ ঈশ্বৰ শ্ৰীৰামৰ সেৱকক যি মায়াৰে মোহগ্ৰস্ত কৰিব খোজে, তেওঁহে উলটি যাব ৰামৰ মায়াত। ১ ॥

সেই সময়ত ৰামৰ মনোভাৱ জানি অলপ কৰা হ'ল; কিন্তু এতিয়া কু-চক্ৰান্ত কৰিলে হানিহে হ'ব। হে দেৱৰাজ! ৰঘুনাথৰ স্বভাৱৰ কথা শুনক। তেওঁ নিজৰ ওচৰত কৰা অপৰাধৰ কাৰণে কাকো ক্ৰোধ নকৰে; কিন্তু যি তেওঁৰ ভক্তৰ প্ৰতি অপৰাধ আচৰণ কৰে, সি ৰামৰ ক্ৰোধাগ্নিত ভস্ম হয়। মানুহৰ মাজত আৰু বেদাদি শাস্ত্ৰতো এই কথাটো প্ৰসিদ্ধ। এই মহিমাৰ কথা দুৰ্বাসা ঋষিয়ে জানে।

সমস্ত জগতে শ্ৰীৰামৰ নাম জপ কৰে; ৰামে যাক জপ কৰে, সেই ভৰতৰ সমান ৰামৰ স্নেহপাত্ৰ আৰু কোন হ'ব? ২-৪ ॥

দোঃ—হে দেৱৰাজ, আপুনি ৰঘুশ্ৰেষ্ঠ ৰামৰ ভক্তৰ কাৰ্য বিনাশ কৰাৰ কথা মনলৈকে নানিব। তেনে কৰিলে ইহলোকত অপযশ আৰু পৰলোকত দুখ পাব লাগিব আৰু শোকসমূহ দিনে দিনে বাঢ়ি যাব। ২১৮ ॥

চৌঃ—হে সুৰপতি, মোৰ উপদেশ শুনক। নিজৰ সেৱকসকল ৰামৰ অতি প্ৰিয়। তেওঁ নিজৰ সেৱকসকলৰ সেৱা-শুশ্ৰূষা কৰা হ'লেই তেওঁ সুখ লাভ কৰে আৰু সেৱকসকলৰ লগত বৈৰিতা কৰিলেই তাকে নিজৰো শত্ৰুতা কৰা বুলি ধৰে। ১ ॥

যদিও তেওঁৰ সৰ্বত্ৰ সমভাৱ—ৰাগো নাই, দ্বেষো নাই; তেওঁ দোষ-গুণ বা পাপ-পুণ্য একো গ্ৰহণ নকৰে; তেওঁ বিশ্বকে কৰ্মপ্ৰধান কৰি ৰাখিছে—যি যেনে কাৰ্য কৰে সি তেনে ফলকে পায়, তথাপি তেওঁ ভক্ত আৰু অভক্তৰ মন অনুসৰি সম আৰু বিষম ব্যৱহাৰ কৰে। সেইবাবেই গুণৰহিত, নিৰ্লিপ্ত, মানৰহিত আৰু একৰসস্বৰূপ হৈয়ো ৰামে ভক্তজনৰ প্ৰেমবশ হৈ সগুণ ৰূপ ধাৰণ কৰিছে। ২-৩ ॥

ৰামে সদায় ভক্তৰ অভিলাষ পূৰণ কৰে। বেদ, পুৰাণ, সাধু-সজ্জন আৰু দেৱতাসকল এই কথাৰ সাক্ষী। মনত ইয়াকে স্থিৰ কৰি কুটিলতা ত্যাগ কৰক আৰু ভৰতৰ চৰণত সুন্দৰ প্ৰীতি স্থাপন কৰক। ৪ ॥

দোঃ—হে সুৰপতি, ৰামৰ ভক্তসকল সদায় পৰৰ হিতসাধনত ৰত। তেওঁলোক পৰৰ দুখত দুখী আৰু দয়ালু। তাতে আকৌ ভৰত হৈছে ভক্তৰ শিৰোমণি; তেওঁলৈ একো ভয় নকৰিব। ২১৯ ॥

চৌঃ—প্ৰভু শ্ৰীৰাম সত্যপৰায়ণ আৰু দেৱতাৰ হিত সাধক। ভৰত শ্ৰীৰামৰ আজ্ঞা পালনকাৰী। আপুনি মিছাতেই স্বাৰ্থৰ বশৱৰ্ত্তী হৈ বিয়াকুল হৈছে। এই বিষয়ত ভৰতৰ দোষ নাই, আপোনাৰহে মোহজনিত ভোৰ ঘটিছে।" ১॥

দেৱগুৰুৰ এই শ্ৰেষ্ঠ বচন শুনি দেৱৰাজ ইন্দ্ৰৰ মনত আনন্দ লাগিল আৰু তেওঁৰ দুশ্চিন্তা দূৰ হ'ল। তেতিয়া তেওঁ আনন্দিত হৈ পুষ্পবৃষ্টি কৰি ভৰতৰ স্বভাৱৰ প্ৰশংসা কৰিবলৈ ধৰিলে। ২॥

ভৰত এইদৰে বাটেদি গৈ আছে। তেওঁৰ (প্ৰেমাকুল) অৱস্থা দেখি সিদ্ধ মুনিসকলে প্ৰশংসা কৰিছে। যেতিয়াই ভৰতে 'ৰাম' বুলি নিশ্বাস ত্যাগ কৰিছে, তেতিয়াই যেন চাৰিওফালে প্ৰেম উপচি পৰিছে। তেওঁৰ (কাতৰ) বচন শুনি বজ্ৰ আৰু শিলো দ্ৰৱিত হৈছে। পুৰবাসীসকলৰ প্ৰেমৰ বৰ্ণনা দিব নোৱাৰি। বাটত জিৰণি লৈ লৈ আহি ভৰত যমুনাৰ পাৰত উপস্থিত হ'ল। যমুনাৰ পানী দেখি তেওঁৰ চকু পানীৰে চলচলীয়া হৈ পৰিল। ৩-৪॥

দোঃ—ৰঘুপতিৰে (শ্যাম) একে বৰণৰ সুন্দৰ যমুনাৰ নীলা জলৰাশি দেখি সমস্ত সমাজে সৈতে ভৰত শোক-সাগৰত মগ্ন হ'ব খোজোঁতেই বিবেকৰ জাহাজত উঠি স্থিৰ হ'ল। ২২০॥

চৌঃ—তেওঁলোক সেইদিনা যমুনাৰ পাৰতে থাকিলে। সময়মতে সকলোলৈকে [খোৱা-বোৱাৰ] সুন্দৰ ব্যৱস্থা হ'ল। [গুহৰ দিহা-পৰামৰ্শ মতে] ৰাতিৰ ভিতৰতে প্ৰত্যেকটো ঘাটলৈকে অসংখ্য নাও আহিল, সেইবোৰৰ বৰ্ণনা দিব নোৱাৰি। ৰাতিপুৱা একে খেৱতে সকলো লোক পাৰ হৈ গ'ল। ৰামৰ মিত্ৰ গুহৰ এই সেৱাত সকলো সন্তুষ্ট হ'ল। তাৰ পাছত স্নান কৰি নিষাদ ৰাজৰ সৈতে ভৰত-শত্ৰুঘ্নয়ো নদীলৈ প্ৰণাম জনাই যাত্ৰা কৰিলে। ১-২॥

আগত ভাল ভাল যান-বাহনত উঠি মুনিসকল গ'ল; তাৰ পাছত সমস্ত ৰাজকীয় সমাজ গ'ল। তাৰ পাছত দুয়োজন ভাই-ককাই অতি সহজ-সৰল বেশ-ভূষাৰে খোজকাঢ়ি যাবলৈ ধৰিলে। সেৱক, মিত্ৰ আৰু মন্ত্ৰীৰ পুত্ৰসকলৰ সৈতে তেওঁলোকে ৰাম, লক্ষ্মণ আৰু সীতাক স্মৰণ কৰি কৰি গৈ আছে। য'ত য'ত ৰামে থাকি গৈছিল আৰু বিশ্ৰাম কৰিছিল, সেই ঠাইবোৰতে তেওঁলোকে ভক্তিৰে সৈতে প্ৰণাম কৰিছিল। ৩-৪॥

দোঃ—বাটত পাই যোৱা অঞ্চলত বাস কৰা নৰ-নাৰীসকলে এই কথা শুনি ঘৰ-দুৱাৰ, কাম-কাজ এৰি লৰি আহে আৰু তেওঁলোকৰ ৰূপ-লাৱণ্য আৰু প্ৰেমভাব দেখি তেওঁলোকে জন্ম সাৰ্থক হোৱা কাৰণে আনন্দ লাভ কৰে। ২২১॥

চৌঃ—গাঁৱৰ তিৰোতাবোৰে এজনীয়ে আনজনীক কৈছে—"সখী, এওঁলোক ৰাম-লক্ষ্মণ নহয় জানো? তেওঁলোকৰ বয়স, শৰীৰ, বং-ৰূপ সকলো একেই দেখোন। সজ চৰিত্ৰ আৰু স্নেহো তেওঁলোকৰ নিচিনাই ; ব্যৱহাৰো সেই একেই ; কিন্তু সখী, বেশটো হ'লে একে নহয় আৰু এওঁলোকৰ লগত সীতাও নাই। এওঁলোকৰ আগে আগে চতুৰংগ সৈন্যহে গৈছে। তদুপৰি এওঁলোকৰ মুখবোৰ প্ৰসন্ন নহয় ; মনত খেদভাৱ। হে'বা সখী, সেই কাৰণেহে আমাৰ সন্দেহ লাগিছে।" ১/২ ॥

সেই যুক্তি অন্য তিৰোতাবিলাকবো মনে ধৰিলে। সকলোৱে ক'বলৈ ধৰিলে—এওঁৰ সমান চতুৰ নাই। সেই তিৰোতাক প্ৰশংসা কৰি আৰু 'তোমাৰ কথাটো সঁচা'—এই বুলি তাইক সন্মান কৰি আন এজনী তিৰোতাই মিঠা মাতেৰে ক'লে। ৩ ॥

কেনেকৈ ৰামৰ ৰাজ্য-অভিষেকৰ আনন্দ ভংগ হ'ল—সেই কথাবোৰ আগ্ৰহেৰে সৈতে কৈ কৈ তাৰ পাছত তাই ভৰতৰ সৎ চৰিত্ৰ, স্নেহ আৰু সৌভাগ্যৰ প্ৰশংসা কৰাত লাগিল। ৪ ॥

দোঃ—(তাই ক'লে—) "চোৱা, এয়া ভৰতে পিতাকে দিয়া ৰাজ্য ত্যাগ কৰি খোজ কাঢ়ি কাঢ়ি ৰামক সন্মত কৰিবলৈ গৈছে। আজিকালি এওঁৰ নিচিনা মানুহ আৰু কোন হ'ব পাৰে?" ॥ ২২২ ॥

চৌঃ—ভৰতৰ ভ্ৰাতৃত্ব, ভক্তি আৰু আচৰণৰ কথা ক'লে আৰু শুনিলে দুখ দূৰ হয় আৰু মনৰ দোষো গুচে। সখী, তেওঁৰ বিষয়ে যিখিনি ক'ব পাৰি, সেই সকলোবেই যথেষ্ট নহয়। ৰামৰ ভায়েক এনে নহৈ কি হ'ব? ভায়েক শত্ৰুঘ্নৰ সৈতে ভৰতক দৰ্শন কৰি আজি আমি সৌভাগ্যৱতী নাৰীৰ লেখত পৰিলোঁ।" ভৰতৰ গুণ শুনি আৰু অৱস্থা দেখি তিৰোতাবিলাকে দুখ কৰি ক'লে—"এনে পুত্ৰ কৈকেয়ীৰ নিচিনা মাকৰ যোগ্য নহয়॥" ১/২ ॥

কোনো কোনোৱে ক'লে—"ৰাণীৰ গাত দোষ নাই। আমাৰ প্ৰতি অনুকূল হৈ বিধাতাইহে সেই সকলো কৰিলে।" ক'ত লৌকিক তথা বৈদিক নিয়ম-নীতি-হীন নীচ কুল আৰু নীচ ব্যৱসায় দুয়োটা কাৰণতে হেয় বেয়া দেশত, বেয়া গাঁৱত বাস কৰা আমাৰ নিচিনা তিৰোতাবোৰ ; আৰু ক'ত মহৎ পুণ্যৰ ফল স্বৰূপে লাভ কৰা তেওঁলোকৰ দৰ্শন? গাঁৱে গাঁৱে এইটো এনে আনন্দ আৰু বিস্ময়ৰ কথা হৈ পৰিল—যেন মৰুভূমিত কল্পতৰুহে গজিল॥ ৩/৪ ॥

দোঃ—ভৰতক দৰ্শন কৰি বাটত থকা মানুহবিলাকৰ ভাগ্য ফুলিল, যেন দৈৱবশতঃ সিংহলবাসীয়েহে প্ৰয়াগ তীৰ্থ হাতত পালে॥ ২২৩ ॥

চৌঃ—নিজৰ গুণেৰে সৈতে শ্ৰীৰামৰ গুণ-গাথা শুনি শুনি আৰু শ্ৰীৰামক স্মৰণ কৰি কৰি ভৰত গৈ আছে। তেওঁ তীৰ্থ দেখিলে স্নান কৰে; মুনিৰ আশ্ৰম আৰু দেৱালয় দেখিলে প্ৰণাম কৰে আৰু মনে মনে এই বৰ ভিক্ষা কৰে—যেন ৰাম-সীতাৰ পাদপদ্মত ভক্তি থাকে। বাটত ভীল, কোল আদি বনবাসীসকল তথা বানপ্ৰস্থী, ব্ৰহ্মচাৰী, সন্ন্যাসী আৰু বৈৰাগীসকলক লগ পায়। তেওঁলোকৰ যাকে তাকে নমস্কাৰ জনাই সোধে—ৰাম, লক্ষ্মণ আৰু সীতা কোন বনত আছে? তেওঁলোকে প্ৰভুৰ সকলো বাতৰি কয়। ভৰতক দৰ্শন কৰি তেওঁলোকৰ জন্ম সফল হয়॥ ১—৩॥

যি মানুহে এই বুলি কয়—আমি তেখেতসকলক কুশলে থকা দেখিছোঁ, সেই মানুহক ভৰতে ৰাম-লক্ষ্মণৰ নিচিনাকৈ স্নেহ কৰে। এইদৰে সকলোকে সুন্দৰ মাত-কথাৰে সোধে আৰু ৰামৰ বনবাসৰ কাহিনী [তেওঁলোকৰপৰা] শুনে॥ ৪॥

দোঃ—সেইদিনা তাতে কটাই পুৱাতে ৰঘুনাথক স্মৰণ কৰি যাত্ৰা কৰে। লগত যোৱা মানুহবোৰৰ ভৰতৰ দৰেই ৰামক দৰ্শন কৰাৰ অভিলাষ হয়॥ ২২৪॥

চৌঃ—সকলোৰে মংগলসূচক লক্ষণ প্ৰকাশ পায়, সুখদায়কভাৱে চকু আৰু বাহু লৰে। সমাজ সমন্বিতে ভৰত এই বুলি উৎসাহিত হয়—'ৰামক পাম আৰু দুখৰ জুই নুমাব।' ১॥

যাৰ মনলৈ যেনেকৈ আহে তেনে মনোবাঞ্ছাকে কৰে। সকলোটি স্নেহ-মদিৰাত মত্ত হৈ গৈ থাকে। অংগ-প্ৰত্যংগ অৱশ হয়; বাটত ভৰি অচলপ্ৰায় হৈ পৰে, প্ৰেমত বিহ্বল হৈ পৰে, প্ৰেমত বিহ্বল হৈ কথা ক'বলৈ ধৰে॥ ২॥

ৰামৰ মিত্ৰ গুহই সেই সময়তে স্বভাৱ-সুন্দৰ পৰ্বত-শিৰোমণি (কামদ-গিৰিটো) দেখুৱাই দিলে; সেই পৰ্বতৰ ওচৰতে পানী থকা নদীৰ পাৰত সীতাৰে সৈতে দুয়ো ভায়ে বাস কৰিছে। পৰ্বতটো দেখিয়েই সকলোৱে 'জানকীজীৱন শ্ৰীৰামচন্দ্ৰৰ জয়' বুলি ধ্বনি কৰি সেইকালে দণ্ডৱৎ হৈ প্ৰণাম কৰিলে। ৰাজকীয় সমাজ এনে ধৰণে প্ৰেমত নিমগ্ন হ'ল, যেন ৰঘুপতি অযোধ্যালৈহে ঘূৰি গৈছে॥ ৩/৪॥

দোঃ—সেই সময়ত ভৰতৰ যি প্ৰেমভাৱ হৈছিল, তাক শেষনাগেও কৈ শেষ কৰিব নোৱাৰে। ব্ৰহ্মানন্দ যেনেকৈ অহংভাৱ আৰু মমতাভাৱেৰে মলিন হৈ থকাজনৰ কাৰণে দুৰ্লভ, সেইদৰে ভৰতৰ সেই অৱস্থাও কবিসকলৰ বাবে দুৰ্গম। ২২৫॥

চৌঃ—ৰঘুবৰৰ প্ৰেমত সকলো বিয়াকুল হৈ পৰাৰ কাৰণে বেলি মাৰ

যোৱাৰলৈকে দুইক্ৰোশ পথহে আগবাঢ়িব পাৰিলে। পানী আৰু থকা ঠাইৰ সুবিধা দেখি ৰাতিটো সেই ঠাইতে কটালে। ৰাতিপুৱা ৰামৰ প্ৰেমিক ভৰতে আগতে যাত্ৰা কৰিলে। ১ ॥

ইফালে ৰাতি থাকোঁতেই ৰামে সাৰ পালে। ৰাতি সীতাই এটা সপোন দেখিছিল—ভৰত হেনো সদল-বলে তালৈ গৈছে। তেওঁৰ শৰীৰ প্ৰভুৰ বিৰহ অগ্নিত সন্তপ্ত। সকলো লোকৰ মন উদাস, আতুৰ আৰু দুঃখিত। শাহুৱেক-সকলকো অন্য ৰূপত দেখিলে। সীতাৰ স্বপ্নৰ কথা শুনি ৰামৰ চকু পানীৰে উপচি পৰিল। সকলোকে চিন্তাৰপৰা মুক্ত কৰা প্ৰভু স্বয়ং চিন্তাত আকুল হ'ল। ২/৩ ॥

[ৰামে ক'লে—] "লক্ষ্মণ, এই স্বপ্ন শুভ নহয়। কোনোবাই দাৰুণ দুঃসংবাদ দিবহি—এইবুলি কৈ তেওঁ ভায়েকৰ সৈতে স্নান কৰিলে আৰু মহাদেৱৰ পূজা সেৱা কৰি সাধু-সন্তসকলক সৎকাৰ কৰিলে। ৪ ॥

ছঃ—দেৱতাসকলক অৰ্চনা কৰি আৰু মুনিসকলক বন্দনা কৰি ৰামচন্দ্ৰ বহিল আৰু উত্তৰফালে চাই ক'ল—আকাশ ধূলিৰে ভৰি পৰিছে; অনেক পশু-পক্ষী আকুলভাৱে প্ৰভুৰ আশ্ৰমলৈ লৰি আহিছে। তুলসীদাসে কৈছে—তাকে দেখি প্ৰভু উঠিল আৰু ইয়াৰ কাৰণ কি ভাবিবলৈ ধৰিলে। মনে মনে তেওঁ আচৰিত হ'ল। তেনে সময়তে কোল, ভীলবোৰে আহি বাতৰি দিলেহি।

সোঃ—তুলসীদাসে কৈছে—সুমংগল সূচক কথা শুনি ৰামৰ মনত আনন্দ লাগিল; শৰীৰ পুলকিত হৈ উঠিল, শৰৎ কালৰ পদুম ফুল যেন চকু প্ৰেমৰ সোঁতকেৰে ভৰি পৰিল ২২৬ ॥

চৌঃ—সীতাপতি ৰাম পুনৰ চিন্তান্বিত হ'ল—ভৰতৰ আগমনৰ কাৰণ কি? তাৰ পাছত এজনে আহি ক'লে যে তেওঁৰ লগত চতুৰংগ সৈন্যও আহিছে। এই কথা শুনি ৰামৰ খৰ চিন্তা হ'ল। এফালে পিতাকৰ বচন আৰু আনফালে ভায়েক ভৰতৰ সংকোচভাৱ। মনতে ভৰতৰ স্বভাৱৰ কথা ভাবি চাই প্ৰভুৱে মন তাপৰিবলৈ কোনো থল বিচাৰি নাপালে। তাৰ পাছত তেওঁ এই বুলি নিশ্চিত হ'ল—ভৰত সাধু, চতুৰ আৰু মোৰ আজ্ঞা পালনকাৰী। লক্ষ্মণে প্ৰভুৰ মনত চিন্তা হোৱা দেখি সময় বুজি নিজৰ নীতিপূৰ্ণ বিবেচনাৰ কথা জনালে—"হে গোসাঁই! আপুনি নোসোধাকৈয়ে মই এবাৰ কথা কওঁ; সেৱকে সময় চাই ধৃষ্টতা দেখুৱালেও সি ধৃষ্টতা নহয়। হে স্বামী! আপুনি সৰ্বজ্ঞ শিৰোমণি। মই সেৱকে যিটো বুজিছোঁ, তাকেহে কব খুজিছোঁ। ১—৪ ॥

দোঃ—হে নাথ! আপুনি পৰম সুহৃদ্, সৰল হৃদয়ৰ আৰু সুচৰিত্র তথা স্নেহৰ ভাণ্ডাৰ স্বৰূপ। সকলোলৈকে আপোনাৰ প্রেম আৰু বিশ্বাস আছে; আপুনি অন্তৰেৰে সৈতে সকলোকে সমান বুলি ভাবে। ২২৭ ॥

কিন্তু মূর্খ বিষয়ী জীৱই প্রভুত্ব পালে মোহবশতঃ নিজৰ প্রকৃত স্বৰূপটো প্রকাশ কৰে। ভৰত নীতিজ্ঞ, চতুৰ আৰু আপোনাৰ চৰণত তেওঁৰ ৰতি আছে—এই কথা গোটেই জগতে জানে। সেই ভৰতেই আজি শ্রীৰামৰ পদৱী (সিংহাসন) পাই ধর্মৰ মর্যাদা অতিক্রম কৰি ইয়ালৈ আহিছে। কুটিল স্বভাৱৰ দুষ্ট ভাই ভৰতে দুর্যোগ চাই আৰু ৰাম বনত অকলে আছে বুলি জানি, মনতে দুষ্ট বিবেচনা লৈ, সমাজ সমন্বিতে, ৰাজ্য নিষ্কণ্টক কৰি ল'বলৈকে ইয়ালৈ আহিছে। নানা প্রকাৰে কুটিলতাৰ কল্পনা কৰি সৈন্য-সামন্ত গোটাই লৈ দুয়ো ভাই আহিছে। যদি তেওঁলোকৰ মনত কপট আৰু কু-অভিপ্রায় নাই, তেনেহ'লে ৰথ, ঘোঁৰা আৰু হাতীৰ সমদল (এই সময়ত) কাৰ ভাল লাগিব? ভৰতক মিছাতে দোষ দিলে কি হ'ব? ৰাজপদ পালে সকলোৱেই বাউল হয়। ১—৪ ॥

দোঃ—চন্দ্র গুৰুপত্নীগামী হ'ল; [ৰজা হৈ] নহুষো ব্রাহ্মণে ভাৰবোৱা খাটলাত উঠিলে; লৌকিক আচাৰ আৰু বেদ—দুয়োটাৰে প্রতি বিমুখ হোৱা সেই বেনৰ সমান অধম আৰু আন কোনে হ'ব? ২২৮ ॥

চৌঃ—সহস্রবাহু, দেৱৰাজ ইন্দ্র আৰু ত্রিশংকু—ৰাজত্বৰ অহংকাৰে কাকনো কলংকিত নকৰিলে? ভৰতে এইটো উচিত ব্যৱস্থাকে কৰিছে; কাৰণ শত্রু আৰু ধাৰৰ অলপো বাকী ৰাখিব নাপায়। ১ ॥

ভৰতে এটা কামহে ভাল নকৰিলে, তেওঁ ৰামক অসহায় বুলি ভাবি অৱজ্ঞা কৰিছে। আজি যুদ্ধত ৰামৰ ক্রোধপূর্ণ মুখ দেখি তেওঁ বিশেষভাৱে উপলব্ধি কৰিব পাৰিব (যে সেই ধাৰণা ভুল)। "এইখিনি কথা কৈয়ে লক্ষ্মণে নীতিৰসৰ কথা পাহৰি গ'ল, তেওঁৰ উৎসাহত শিঁহৰি উঠা গাৰ লোমবোৰ যেন যুদ্ধৰসেৰে পুষ্ট বৃক্ষৰাজিহে ফুলি উঠিল। তেওঁ প্রভুৰ চৰণ বন্দনা কৰি শিৰত পদধূলা লৈ সত্য আৰু সহজাত বলৰ কথা জনাই ক'লে—"হে নাথ, মোৰ কথাবোৰ অনুচিত বুলি নাভাবিব। ভৰতে আমাক অলপ স্পর্ধা দেখুউৱা নাই! কিমান সহিম আৰু মনতে খেদ কৰি থাকিম? স্বামী ৰঘুনাথ লগত আছে আৰু আমাৰ হাতত ধনু আছে ॥ ২—৪ ॥

দোঃ—জাতিত ক্ষত্রিয়, ৰঘুকুলত জন্ম, মই ৰামৰ অনুগামী বুলি জগতে

জানে। ধূলিৰ সমান নীচ কোন আছে? কিন্তু সিও ভৰিৰে গচকিলে মূৰত উঠেগৈ।" ২২৯ ॥

চৌঃ—এইদৰে কৈ উঠি লক্ষ্মণে হাত-যোৰ কৰি আজ্ঞা বিচাৰিলে, যেন বীৰৰস শোৱাৰপৰা সাৰ পাই উঠিল। শিৰত জঁটা বান্ধি ল'লে; কমৰত তূণ আঁৰি ল'লে আৰু ধনু সজ্জিত কৰি হাতত শৰ লৈ ক'লে—"আজি মই শ্ৰীৰামৰ সেৱক হোৱাৰ যশস্যা অৰ্জন কৰিম আৰু ভৰতক যুদ্ধত এশিকনি দিম। ৰামক অৱজ্ঞা কৰাৰ ফল লাভ কৰি দুয়ো ভাই ৰণ-শয্যাত শুব। ১২ ॥

আজি সমস্ত সমাজ একত্ৰিত হৈছে যে সেইটো ভালেই হৈছে। মই আগৰ সমস্ত ক্ৰোধ আদি আজি প্ৰকাশ কৰিম। সিংহই হাতীৰ পাল দলন কৰাৰ দৰে আৰু শেনে বটা চৰাই জপটিয়াই ধৰাৰ দৰে সৈন্য সমন্বিতে ভায়েক শত্ৰুঘ্নৰ সৈতে ভৰতক মই হেলাৰে যুদ্ধক্ষেত্ৰত নিপাত কৰিম। যদি ভগৱান শিৱয়ো আহি তেওঁলোকক সহায় কৰে, ৰামৰে শপত, মই যুদ্ধত তেওঁলোকক মাৰিমেই।" ৩।৪ ॥

দোঃ—লক্ষ্মণে এইদৰে খঙত দপ্‌দপোৱা দেখি আৰু তেওঁৰ শপত সত্যত পৰিণত হ'ব বুলি বুজি সকলো মানুহ ত্ৰস্ত হৈ পৰিল; লোকপালসকলে ভয়তে পলাব খুজিলে। ২৩০ ॥

চৌঃ—সমস্ত জগৎ ভীতিগ্ৰস্ত হ'ল। তেতিয়া লক্ষ্মণৰ অসীম বাহুবলৰ প্ৰশংসা কৰি আকাশবাণী হ'ল—"বৎস, তোমাৰ প্ৰতাপ আৰু প্ৰভাৱৰ কথা কোনে বৰ্ণনা কৰিব পাৰে আৰু কোনে জানিব পাৰে? কিন্তু যি কামেই নহওক, তাক উচিত-অনুচিত বিচাৰ কৰি কৰিলে সকলোৱে ভাল বোলে। বেদাদি শাস্ত্ৰ আৰু বিদ্বানসকলে কয় বোলে যিজনে কোনো ভবা-চিন্তা নকৰাকৈ ততালিকে কোনো কাম কৰি পাছত অনুশোচনা কৰে, তেওঁ বুদ্ধিমান নহয়।" ১।২ ॥

দৈৱবাণী শুনি লক্ষ্মণ চকিত হ'ল। ৰাম-সীতাই তেওঁক বৰ আদৰ-সাদৰ কৰি ক'লে—"বাছা! তুমি অতি সুন্দৰ নীতিৰ কথা-ক'লা। ভাই! ৰাজ্যৰ গৰ্ব সকলোতকৈ ডাঙৰ গৰ্ব। যি সাধু সমাজৰ সেৱা কৰা নাই, সেই ৰজাইহে এই গৰ্বৰ জলত আচমন কৰি মত্ত হৈ পৰে। শুনা লক্ষ্মণ, ভৰতৰ নিচিনা উত্তম পুৰুষ ব্ৰহ্মাৰ সৃষ্টিত ক'তো আছে বুলি শুনা নাই আৰু দেখাও নাই। ৩।৪ ॥

দোঃ—(আনৰে মানাগে) ব্ৰহ্মা, বিষ্ণু আৰু শিৱৰ পদৱী পালেও ভৰতৰ ৰাজগৰ্ব নহ'ব। কাঁজী পানী এটোপাল পৰি ক্ষীৰ সাগৰ নষ্ট হ'ব পাৰে নে? ২৩১ ॥

চৌঃ—অন্ধকাৰে [মধ্যাহ্নৰ] তৰুণ সূৰ্যক গ্ৰাস কৰিব পাৰে, আকাশখন ডাৱৰত বিলীন হ'ব পাৰে, গৰু-খোজৰ পানীত অগস্ত্য মুনি ডুব যাব পাৰে; পৃথিৱীয়ে স্বাভাৱিক সহনশীলতা ত্যাগ কৰিব পাৰে; মহে ফু মাৰি দিলে সুমেৰু পৰ্বত উৰি যাব পাৰে; কিন্তু ভাই লক্ষ্মণ, ভৰতৰ ৰাজপদ লাভৰ গৰ্ব হ'ব নোৱাৰে। লক্ষ্মণ, তোমাৰ আৰু পিতাৰ শপত খাই কৈছোঁ—ভৰতৰ নিচিনা পৱিত্ৰ আৰু উত্তম ভ্ৰাতৃ জগতত নাই। ১।২ ॥

বাছা! সুগুণ আৰু দুৰ্গুণৰূপী গাখীৰ আৰু পানী মিহলাই বিধাতাই এই জগৎ-প্ৰপঞ্চ সৃষ্টি কৰিছে। কিন্তু ভৰতে সূৰ্য-বংশৰূপী পুখুৰীত হংসৰ নিচিনাকৈ জন্ম গ্ৰহণ কৰি, গুণ আৰু দোষ পৃথক কৰি পেলাইছে। গুণ-ৰূপী গাখীৰ গ্ৰহণ কৰি দোষৰূপী পানী ত্যাগ কৰি ভৰতে নিজ যশস্যাৰে জগৎ পোহৰ কৰিছে।" ভৰতৰ গুণ, চৰিত্ৰ আৰু স্বভাৱৰ কথা কৈ কৈ ৰঘুনাথ প্ৰেম-সমুদ্ৰত নিমগ্ন হৈ পৰিল। ৩।৪ ॥

দোঃ—ৰামৰ কথা শুনি আৰু ভৰতৰ প্ৰতি তেওঁৰ স্নেহ দেখি দেৱতা-সকলে তেওঁক শলাগিবলৈ ধৰিলে (আৰু ক'লে—) "ৰামৰ সমান আৰু কৃপানিধি-স্বামী কোন আছে? ২৩২ ॥

চৌঃ—যদি জগতত ভৰতৰ জন্ম নহ'লহেঁতেন, তেন্তে পৃথিৱীত সমস্ত ধৰ্মৰ কোনে ধৰণী ধৰিলেহেঁতেন? হে ৰঘুনাথ! কবিকুলৰ কাৰণে দুৰ্গম (কল্পনাৰ অতীত) ভৰতৰ গুণসমূহৰ কথা আপোনাৰ বাহিৰে কোনে ক'ব পাৰে?" ১ ॥

ৰাম, লক্ষ্মণ আৰু সীতাই দেৱতাসকলৰ বাণী শুনি যি আনন্দ পালে, তাৰ বৰ্ণনা কৰিব নোৱাৰি। ইফালে ভৰতে সমস্ত সমাজৰ সৈতে মন্দাকিনীত স্নান কৰিলে। তাৰ পাছত সকলোকে নদীৰ কাষত থৈ মাতৃসকল, গুৰু আৰু মন্ত্ৰীসকলৰ আজ্ঞা লৈ গুহ আৰু শত্ৰুঘ্নৰে সৈতে ভৰত ৰাম-সীতা থকা ঠাইলৈ গ'ল। ২-৩ ॥

মাকৰ কামবোৰলৈ মনত পৰি ভৰতৰ সংকোচ উপজিল আৰু মনত অনেক প্ৰকাৰৰ দুৰ্ভাৱনাও হ'ল—"ৰাম, লক্ষ্মণ আৰু সীতাই মোৰ নাম শুনিয়েই থকা ঠাই এৰি আনোচা অন্য ক'ৰবালৈ উঠি যায়? ৪ ॥

দোঃ—মই আইৰ মতৰ অনুগামী বুলি ধৰি যি কৰিব পাৰে সেয়া অতি সামান্য; কিন্তু তেওঁলোকে মোক আপোন বুলি (মোৰ লগত থকা সম্পৰ্কলৈ চাই) মোৰ পাপ আৰু দুৰ্গুণবোৰ ক্ষমা কৰি মোক আদৰো কৰিব পাৰে। ২৩৩ ॥

চৌঃ—নাগিলে মন মলিন বুলি মোক ত্যাগকে কৰক, অথবা নিজৰ সেৱক

বুজি মোক আদৰ-সাদৰকে কৰক ; মোৰ কাৰণে ৰামৰ পাদুকাই শৰণৰ থলী। ৰাম এজন সজ-স্বামী ; মোৰতো সকল সেৱকবেই হয়। ১ ॥

জগতত চাতক আৰু মাছহে যশস্যাৰ পাত্ৰ ; সিহঁতে নিজৰ নিয়ম আৰু প্ৰেম সদায় নতুন কৰি ৰখাত নিপুণ।" এইদৰে মনতে ভাবি-চিন্তি ভৰত বাটেদি গৈ আছে। তেওঁৰ সমস্ত শৰীৰ সংকোচ আৰু প্ৰেমভাৱত শিথিল হৈ পৰিছে। ২ ॥

মাকে কৰা অপকৰ্মই যেন তেওঁক ঘূৰাই পঠাব খুজিছে, কিন্তু ধৈৰ্যৰ ধৰণী ধৰি ভক্তিৰ বলত তেওঁ আগবাঢ়ি গৈ আছে। যেতিয়া তেওঁ ৰঘুনাথৰ স্বভাৱৰ কথা স্মৰণ কৰে, তেতিয়াই বাটত তেওঁৰ ভৰি ঘনকৈ খোজ পৰে। সেই সময়ত ভৰতৰ অৱস্থা কেনেকুৱা হৈছিল ? যেন পানীৰ সোঁতত গৈ থকা ভাঁৱৰীয়াহে। ভৰতৰ চিন্তা আৰু প্ৰেমভাৱ দেখি নিষাদৰাজে নিজৰ শৰীৰৰ কথা পাহৰি পেলাইছিল। ৩-৪ ॥

দোঃ—মংগলসূচক লক্ষণ প্ৰকাশ পাবলৈ ধৰিলে। সেইবোৰ দেখি-শুনি আৰু ভাবি-চিন্তি চাই নিষাদৰাজে ক'লে—"চিন্তাৰ অন্ত পৰিব ; আনন্দ লাভ হ'ব ; পিছে অৱশেষত আকৌ বিষাদ ঘটিব।" ২৩৪ ॥

চৌঃ—ভৰতে সেৱক গুহৰ সকলো কথা সত্য বুলি বুজিলে। তেওঁ গৈ আশ্ৰমৰ ওচৰত উপস্থিত হ'ল। তাৰ বন আৰু পৰ্বতসমূহ দেখি ভৰত ইমান আনন্দিত হ'ল যেন ভোকাতুৰ মানুহেহে সুন্দৰ আহাৰ পালে। ১ ॥

(অতিবৃষ্টি, অনাবৃষ্টি, বৈদেশিক আক্ৰমণ প্ৰভৃতি) উপদ্ৰৱসমূহৰ দ্বাৰা দুখ পাই থকা আৰু তিনি তাপ (আধ্যাত্মিক, আধিদৈৱিক আৰু আধি-ভৌতিক) তথা দুষ্টগ্ৰহ আৰু মহামাৰীৰ দ্বাৰা পীড়িত হৈ থকা প্ৰজাই কোনো ভাল ঠাই বা ভাল ৰাজ্যলৈ গৈ যেনেকৈ সুখী হয়, ভৰতৰ অৱস্থাও ঠিক তেনে-কুৱাই হ'ল। ২ ॥

ৰামে বাস কৰাৰ কাৰণে বনৰ সম্পদ এনেদৰে শোভিত হৈ পৰিছে যেন ভাল ৰজা পাই সুখী হোৱা প্ৰজাহে। মনোৰম বনেই পবিত্ৰ দেশ, বিবেক ইয়াৰ ৰজা আৰু বৈৰাগ্য মন্ত্ৰী ; যম-নিয়মসমূহ হ'ল ইয়াৰ যোদ্ধা, পৰ্বত ৰাজধানী, শান্তি আৰু সমৃদ্ধি সুগৰাকী পাৱনী আৰু মনোৰমা ৰাণী। এই উত্তম ৰজাৰ ৰাজ্য সমস্ত অংগেৰে পৰিপূৰ্ণ ; ৰামৰ চৰণৰ আশ্ৰয় লাভ কৰা কাৰণে এই ৰজাৰ মন উল্লসিত হৈ পৰিছে। ৩-৪ ॥

দোঃ—মোহৰূপী ৰজাক সসৈন্যে জয় কৰি ইয়াত বিবেকৰূপী ৰজাই নিষ্কণ্টক

হৈ বাজত্ব কৰিছে ; এওঁৰ নগৰত সুখ, সম্পদ আৰু শুভদিন বিদ্যমান হৈ আছে। ২৩৫ ॥

চৌঃ—বন-প্ৰদেশসমূহত থকা মুনিসকলৰ বাসস্থানসমূহেই যেন নগৰ, গাঁও আৰু চুবুৰি। নানা ধৰণৰ পক্ষী আৰু অনেক প্ৰকাৰৰ পশুবিলাকেই যেন প্ৰজাৰ সমাজ, ইয়াৰ বৰ্ণনা কৰিব নোৱাৰি। ১ ॥

গঁড়, হাতী, সিংহ, বাঘ, গাহৰি, ম'হ আৰু গৰুবোৰ দেখিলে ৰজাৰ সুশাসনৰ প্ৰশংসা কৰিব লাগিব ; এই জন্তুবোৰে পাৰস্পৰিক শত্ৰুতা ত্যাগ কৰি য'তে ত'তে একেলগে বিচৰণ কৰিছে। সিহঁতেই যেন চতুৰংগ সৈন্য। ২ ॥

নিজৰা ব'ব লাগিছে আৰু মত্ত হাতীয়ে চিঞৰিব লাগিছে ; সেয়া যেন নানা প্ৰকাৰৰ বাদ্যহে বাজিছে। চাকৈ-চকোৱা, পানীপিয়া, ভাটৌ, কুলিচৰাই আৰু মনোৰম ৰাজহাঁহে প্ৰসন্ন মনেৰে কূজন কৰিছে। ভেমোৰাবোৰে গুণ্‌গুণ্ কৰিছে আৰু ম'ৰাই নৃত্য কৰিছে। যেন এইবোৰে উত্তম ৰাজ্যখনত চাৰিও-ফালৰ সুমংগলৰ পৰিচয় দিছে। গছ-লতা-তৃণ সকলো ফুল-ফলেৰে ভৰা। সমস্ত সমাজ আনন্দ আৰু মংগলৰ উৎস হৈ পৰিছে। ৩-৪ ॥

দোঃ—ৰাম থকা পৰ্বতটোৰ শোভা দেখি ভৰতৰ মনত অনুৰাগ জন্মিল, যেন তপস্বীয়েহে নিয়ম-সংযমেৰে পালন কৰা ব্ৰতৰ অন্তত তপস্যাৰ ফল লাভৰ পৰা সুখ অনুভৱ কৰিলে। ২৩৬ ॥

দোঃ—তেতিয়া গুহ ওপৰলৈ উঠি গ'ল আৰু বাহু তুলি ভৰতক ক'বলৈ ধৰিলে—"হে নাথ ! সৌ যে জৰী, জামু, আম আৰু তমালৰ ডাঙৰ গছবোৰ দেখিছে. সেই শ্ৰেষ্ঠ গছবোৰৰ মাজতে এজোপা বিশাল বৰগছে শোভা কৰি আছে। সেই গছজোপা দেখিলে মন ভাল লাগি যায়, তাৰ পাতবোৰ নীলা আৰু অতি ঘন ; তাত ৰঙা ৰঙা গুটি লাগি আছে। সেই গছজোপাৰ ডাঠ ছাঁ সকলো ঋতুতে ভাল লাগে। ব্ৰহ্মাই যেন সেই গছজোপা সকলো সুষমা একত্ৰিত কৰি অন্ধকাৰ আৰু ৰক্তিমাৰ সমন্বয়ত সৃষ্টি কৰিলে। হে গোসাঁই ! এই গছজোপা ৰামৰ পৰ্ণ কুটিৰ থকা ঠাইত আৰু নদীৰ পাৰত। ১—৩ ॥

তাত বহুত তুলসীৰ গছ আছে ; তাৰে কিছুমান সীতাই ৰোৱা আৰু কিছুমান লক্ষ্মণে ৰোৱা। সেই বৰগছজোপাৰ তলতে সীতাই নিজৰ পদুম ফুলৰ নিচিনা হাত দুখনেৰে এখনি সুন্দৰ বেদী সাজি থৈছে। ৪ ॥

দোঃ—তাতে বিজ্ঞ ৰাম আৰু সীতাই মুনিগণৰ সৈতে বহি নিতৌ পুৰণি কথা, ইতিহাস, আগম, নিগম, পুৰাণ আদি শ্ৰৱণ কৰে। ২৩৭ ॥

চৌঃ—সখিয়েক গুহৰ কথা শুনি আৰু সেই গছজোপা দেখি ভৰতৰ চকু দুটা পানীৰে উপচি পৰিল। দুয়োভায়ে প্রণতি জনাই আগবাঢ়িবলৈ ধৰিলে। তেওঁলোকৰ প্রেমৰ বর্ণনা কৰিবলৈ সৰস্বতীদেৱীয়েও সংকোচ কৰিব। ১ ॥

ৰামৰ চৰণ-চিহ্ন দেখি দুয়ো ভাই ইমান আনন্দিত হ'ল যেন দৰিদ্রই পৰশমণিহে পালে। তাৰপৰা ধূলা তুলি শিৰত লৈ হৃদয় আৰু চকুত সানি ল'লে আৰু ৰামক সাক্ষাৎ কৰাৰ সমান সুখ অনুভৱ কৰিলে। ২ ॥

ভৰতৰ এই অনির্বচনীয় অৱস্থা দেখি বনৰ পশু-পক্ষী আৰু স্থাৱৰ জীৱসমূহো (উদ্ভিদো) প্রেমমগ্ন হৈ পৰিল। প্রেমত বিৱশ হৈ পৰাত গুহয়ো বাট পাহৰি গ'ল। তেতিয়া দেৱতাসকলে সুপথ দেখুৱাই দি পুষ্পবৃষ্টি কৰিবলৈ ধৰিলে। ৩ ॥

ভৰতৰ এনে প্রেমবিহ্বল অৱস্থা দেখি সিদ্ধ-সাধকসকলৰো অনুৰাগ জন্মিল আৰু তেওঁলোকে তেওঁৰ সহজ-প্রীতি প্রশংসা কৰি ক'লে—"যদি এই পৃথিৱীত ভৰতৰ জন্ম নহ'লহেঁতেন, তেনেহ'লে জড়ক চেতন আৰু চেতনক জড় কোনে কৰিলেহেঁতেন?" ৪ ॥

দোঃ—প্রেমেই অমৃত, বিৰহ মন্দৰ পর্বত, ভৰত হ'ল গভীৰ সমুদ্র; কৃপাসিন্ধু ৰঘুবীৰে দেৱতা আৰু সাধুসকলৰ কল্যাণৰ উদ্দেশ্যে নিজে মন্থন কৰি এই প্রেমৰূপী অমৃত প্রকাশ কৰিছে। ২৩৮ ॥

চৌঃ—মিত্র গুহেৰে সৈতে এই মনোহৰ ভ্রাতৃযুগলক ঘন গছ-গছনিয়ে আঁৰ কৰি থোৱাৰ কাৰণে লক্ষ্মণে দেখা নাপালে। ভৰতে সমস্ত সুমংগলৰ নিধিস্বৰূপ প্রভুৰ সুন্দৰ পবিত্র আশ্রমথন দেখিলে। ১ ॥

আশ্রমত প্রবেশ কৰা মাত্রকে ভৰতৰ দুখ যাতনাৰ অন্ত পৰিল, যেন যোগীয়েহে পৰমার্থ তত্ত্ব লাভ কৰিলে। ভৰতে দেখিবলৈ পালে—লক্ষ্মণে প্রভুৰ আগত থিয় হৈ, সোধা কথাৰ উত্তৰ দি আছে। তেওঁৰ মূৰত জঁটা, কঁকালত মুনিৰ বল্কল-বসন বন্ধা আছে আৰু তাতে তূণ লগাই লোৱা হৈছে। হাতত বাণ আৰু কান্ধত ধনু। বেদীৰ ওপৰত মুনি আৰু সন্তসকল বহি আছে আৰু কাষতে সীতাৰে সৈতে ৰামে শোভা কৰি আছে। ৩ ॥

ৰামৰো বল্কল-বসন, শৰীৰ শ্যামবৰণৰ; তেওঁ জঁটা ধাৰণ কৰিছে। (সীতাৰে সৈতে ৰামক এনেকুৱা লাগিছে) যেন ৰতি আৰু কামদেৱেহে মুনিৰ বেশ ধাৰণ কৰিছে: ৰামে পদুম যেন হাত দুখনেৰে ধনু-শৰ ঘূৰোৱা-পকোৱা কৰি আছে (লীলাবশতঃ)। তেওঁ হাঁহি মাৰি চোৱা মাত্রকে মনৰ পোৰণি শাঁত পৰি যায়। ৪ ॥

দোঃ—সুন্দৰ মুনিমণ্ডলীৰ মাজত সীতা আৰু ৰঘুকুলৰ চন্দ্ৰস্বৰূপ ৰাম এনেদৰে সুশোভিত হৈ আছে, যেন জ্ঞানৰ সভাত সাক্ষাৎ ভক্তি আৰু সচ্চিদানন্দই শৰীৰ ধাৰণ কৰি প্ৰকাশ পাইছে। ২৩৯ ॥

চৌঃ—অনুজ শত্ৰুঘ্ন আৰু মিত্ৰ গুহৰ লগতে ভৰত উন্মত্ত হৈ ৰ'ল। হৰ্ষ-শোক, সুখ-দুখ আদি সকলো পাহৰি গ'ল। "হে নাথ! ৰক্ষা কৰক, হে গোসাঁই! ৰক্ষা কৰক"—এই বুলি কৈ দণ্ডৱৎ হৈ মাটিত বাগৰি পৰিল। ১ ॥

তেওঁৰ বচন প্ৰেমপূৰ্ণ বুলি লক্ষ্মণে বুজি পালে আৰু ভৰতে প্ৰণাম কৰিছে বুলিও জানিব পাৰিলে। এতিয়া এফালে ভৰতৰ ৰসময় প্ৰেম আৰু আনফালে প্ৰভু শ্ৰীৰামৰ সেৱাৰ প্ৰতি একান্ত বশ্যতা; [লক্ষ্মণে] ভৰতক আদৰিও আনিব পৰা নাই আৰু অৱজ্ঞাও কৰিব পৰা নাই—লক্ষ্মণৰ মনৰ এই অৱস্থাৰ বৰ্ণনা শ্ৰেষ্ঠ কবিয়েও কৰিব নোৱাৰে। শেষত তেওঁ [ভৰতৰ] সেৱাৰ ওপৰতে গুৰুত্ব দিবলগীয়া হ'লগৈ; যেন খেলুৱৈয়ে ওপৰলৈ উৰি যোৱা চিলাখনেহে তললৈ টানি আনিলে। ২।৩ ॥

লক্ষ্মণে প্ৰীতি সহকাৰে মাটিত মূৰ লগাই ক'লে—"হে ৰঘুনাথ, জ্যেষ্ঠ ভ্ৰাতৃ ভৰতে আপোনাক প্ৰণাম কৰিছে।" এই কথা শুনা মাত্ৰকে ৰাম প্ৰেমত অধীৰ হৈ থিয় হ'ল—বস্ত্ৰ কেনিবা পৰিলে, তূণো ক'ৰবাত পৰিলেগৈ; ধনু আৰু বাণো ক'ৰবাত পৰিলে। ৪ ॥

দোঃ—কৃপানিধি শ্ৰীৰামে ভৰতক বলেৰে তুলি ধৰি বুকুত সাৱটি ল'লে। ভৰত আৰু শ্ৰীৰামৰ এই মিলন দেখি সকলো আপোন-পাহৰা হ'ল ২৪০ ॥

চৌঃ—এই মিলনত প্ৰকাশ পোৱা প্ৰীতিৰ কথা কেনেকৈ বৰ্ণনা কৰা হয়? ই কবিকুলৰ কৰ্ম, মন, বাণী—তিনিওটাৰেই অতীত। ৰাম আৰু ভৰত দুয়ো ভাই মন, বুদ্ধি, চিত্ত আৰু অহংকাৰ পাহৰি পৰম প্ৰেমভাৱেৰে পৰিপূৰ্ণ হৈছিল। ১ ॥

কওকচোন, এই শ্ৰেষ্ঠ প্ৰেমৰ কথা কোনে প্ৰকাশ কৰিব পাৰে? কবিৰ বুদ্ধিয়ে কাৰ উপমা অনুসৰণ কৰিব? কবিৰ প্ৰকৃত বল আখৰ আৰু অৰ্থতহে নিহিত হৈ থাকে। নৰ্তকে তাল অনুসৰিহে নৃত্য কৰে। ২ ॥

ভৰত আৰু ৰামৰ প্ৰেম অতি অগম্য, তাক ব্ৰহ্মা, বিষ্ণু আৰু মহাদেৱৰ মনেও চুকি নাপায়গৈ। সেইহেন প্ৰেমৰ বৰ্ণনা অল্পবুদ্ধি মই কেনেকৈ কৰিম? ক'ৰবাত খচ ৰনৰ আঁহৰ ৰচী বীণাত লগাই বজালে সুন্দৰ ৰাগ বাজিব পাৰে জানো? ৩ ॥

ভৰত আৰু ৰামৰ মিলন দেখি দেৱগণ ভীত হৈ পৰিল। তেওঁলোকৰ বুকু ধপ্‌ধপাবলৈ ধৰিলে। দেৱগুৰু বৃহস্পতিয়ে আশ্বস্ত কৰাতহে তেওঁলোকৰ চেতনা ঘূৰি আহিল আৰু তেতিয়া তেওঁলোকে পুষ্পবৃষ্টি কৰি প্ৰশংসা কৰিবলৈ ধৰিলে। ৪ ॥

দোঃ—তাৰ পাছত ৰামে স্নেহেৰে সৈতে প্ৰথমে শত্ৰুঘ্নক আৰু পাছত গুহক লগ ধৰিলে। প্ৰণাম জনোৱাৰ পাছত লক্ষ্মণৰ লগত ভৰতৰ অতি স্নেহেৰে মিলন ঘটিল ২৪১ ॥

চৌঃ—তাৰ পাছত উলহ-মালহকৈ লক্ষ্মণে শত্ৰুঘ্নক স্নেহৰ অভ্যৰ্থনা জনালে, আৰু পাছত গুহক বুকুত সাঁকোৱালি ধৰিলে। ভৰত আৰু শত্ৰুঘ্নই মুনিসকলক বন্দনা কৰিলে আৰু বাঞ্ছিত আশীৰ্বাদ পাই তেওঁলোক সুখী হ'ল। ১ ॥

শত্ৰুঘ্নৰ সৈতে স্নেহত উত্ৰাৱল হৈ ভৰতে সীতাৰ চৰণ-কমলৰ ধূলা শিৰত তুলি লৈ বাৰে বাৰে প্ৰণাম কৰিবলৈ ধৰিলে। সীতাই তেওঁলোকক তুলি ধৰি মূৰত কৰকমলেৰে স্পৰ্শ কৰি দুয়োকে বহুৱালে। সীতাই মনৰ ভিতৰতে আশীৰ্বাদ দিলে। তেওঁ স্নেহত নিমগ্ন হৈ আছিল আৰু সেই সময়ত তেওঁৰ দৈহিক চেতনা নাছিল। সীতাক সকলো প্ৰকাৰে নিজৰ অনুকূল দেখি ভৰত নিশ্চিন্ত হ'ল আৰু তেওঁৰ মনৰপৰা কল্পিত ভয় আঁতৰিল। ২।৩ ॥

সেই সময়ত কোনেও একো কোৱা নাছিল, কোনেও একো সোধাও নাছিল। মন প্ৰেমেৰে পৰিপূৰ্ণ, তাৰ নিজৰ গতি তেতিয়া নাছিল (সংকল্প-বিকল্প, চাঞ্চল্যৰহিত হৈছিলে)। তেতিয়া গুহই ধৈৰ্য ধৰি কৰযোৰকৈ প্ৰণাম কৰি বিনীতভাৱে নিবেদন কৰি ক'লে—৪ ॥

দোঃ—"হে নাথ! মুনিশ্ৰেষ্ঠ বশিষ্ঠেৰে সৈতে মাতৃসকল, নগৰবাসী, সেৱকভৃত্য, সেনাপতি, মন্ত্ৰী—সকলোটিয়েই আপোনাৰ বিৰহত বিয়াকুল হৈ ইয়ালৈ আহিছে।" ২৪২ ॥

চৌঃ—গুৰুৰ আগমনৰ কথা শুনি সুচৰিত্ৰৰ সমুদ্ৰস্বৰূপ ৰামে শত্ৰুঘ্নক সীতাৰ ওচৰত থ'লে আৰু পৰম ধীৰ, ধৰ্মৰ ধৰণী ধৰোঁতা, দীনদয়াল ৰামচন্দ্ৰই সেই সময়ত অতি বেগেৰে যাবলৈ ধৰিলে। ১ ॥

গুৰুক দেখি লক্ষ্মণেৰে সৈতে ৰামে অনুৰাগ সহকাৰে দণ্ডৱৎ হৈ প্ৰণাম কৰিলে। মুনিশ্ৰেষ্ঠ বশিষ্ঠই লৰি গৈ তেওঁলোকক বুকুত সাৱটি ধৰিলে আৰু স্নেহত উত্ৰাৱল হৈ সেই দুয়ো ভাইৰ লগত মিলিত হ'ল। ২ ॥

তেতিয়া প্ৰেমত পুলকিত হৈ গুহই নিজৰ নাম কৈ দূৰৰপৰাই বশিষ্ঠক

দণ্ডবৎ প্ৰণাম কৰিলে। ঋষি বশিষ্ঠই ৰামৰ মিত্ৰ বুলি নিষাদৰাজক জোৰেৰে আঁকোৱালি ধৰিলে; যেন মাটিত বাগৰি থকা প্ৰীতিভাৱকহে তুলি সামৰি ল'লে। ৩ ॥

'ৰঘুপতিৰ ভক্তি সুমংগলৰ মূল স্বৰূপ'—এই বুলি প্ৰশংসা কৰি দেৱতাসকলে আকাশৰপৰা পুষ্পবৃষ্টি কৰিবলৈ ধৰিলে। তেওঁলোকে ক'লে—'জগতত এওঁৰ সমান নীচ কোন আছে আৰু বশিষ্ঠৰ সমান উত্তম কোন আছে?' ৪ ॥

দোঃ—যাক দেখি মুনিৰাজ বশিষ্ঠই লক্ষ্মণতকৈও বেছি আনন্দ মনেৰে আঁকোৱালি ল'লে, সেই নিষাদৰ ৰামভক্তিৰ প্ৰতাপ আৰু প্ৰভাৱ প্ৰত্যক্ষে দেখা গ'ল। ২৪৩ ॥

চৌঃ—করুণাকৰ, বিজ্ঞ ভগৱান শ্ৰীৰামে সকলো লোক দুঃখিত হৈ থকা বুলি বুজিলে। তেতিয়া তেওঁ যি যেনে ভাবে সাক্ষাৎ হ'বলৈ অভিলাষ কৰিছিল, তেওঁলোকলৈ তেনেভাৱকে প্ৰকাশ কৰি লক্ষ্মণেৰে সৈতে পলকতে সকলো লোকক দেখা দি তেওঁলোকৰ দুখ আৰু দাৰুণ সন্তাপ দূৰ কৰিলে। ৰামৰ কাৰণে এইটো একো ডাঙৰ কথা নহয়; কোটি কোটি ঘটত এটা সূৰ্যৰ প্ৰতিবিম্ব একে সময়তে দেখা যায়। ১-২ ॥

সমস্ত পুৰবাসীয়ে নিষাদক সাক্ষাৎ কৰি তেওঁৰ ভাগ্যক প্ৰশংসা কৰিবলৈ ধৰিলে। ৰামচন্দ্ৰই মাতৃসকলক দুঃখিত হৈ থকা দেখিবলৈ পালে—যেন হিম পৰি মৰি থকা সুন্দৰ লতাহে। ৩ ॥

ৰামে সকলোতকৈ আগেয়ে কৈকেয়ীক দেখা কৰিলেগৈ আৰু নিজৰ সৰল স্বভাৱেৰে আৰু ভক্তিৰে সৈতে কৈকেয়ীৰ মন শীতল কৰি দিলে; তাৰ পাছত চৰণত পৰি কাল, কৰ্মফল আৰু বিধাতাৰ মূৰত দোষ জাপি দি তেওঁক সান্ত্বনা দিলে। ৪ ॥

দোঃ—তাৰ পাছত ৰামে অন্য মাতৃসকলক সাক্ষাৎ কৰিলেগৈ। তেওঁ সকলোকে বুজাই-বুজাই সন্তোষ দি ক'লে—"আই, জগৎ ঈশ্বৰৰ অধীন; কাকো দোষ দিব নোৱাৰি।" ২৪৪ ॥

চৌঃ—তাৰ পাছত দুয়ো ভায়ে গৈ ভৰতৰ লগত অহা ব্ৰাহ্মণীসকলৰ সৈতে গুৰুপত্নী অৰুন্ধতীৰ পাদ-বন্দনা কৰিলে আৰু তেওঁলোকক গংগা তথা গৌৰীৰ সমান সন্মান কৰিলে। তেওঁলোকেও আনন্দ মনেৰে মৃদু বচনেৰে আশীৰ্বাদ দিলে। ১ ॥

তাৰ পাছত দুয়ো ভায়ে গৈ সুমিত্ৰাৰ চৰণত ধৰি (প্ৰণাম কৰি) কোলাত

সোৱাদ ; যেনিবা কোনোবা অতি দৰিদ্ৰইহে সম্পত্তি লাভ কৰিলে। তাৰ পাছত দুয়ো ভাই কৌশল্যাৰ চৰণত পৰিলেগৈ। প্ৰেমবশতঃ তেওঁলোকৰ সমস্ত শৰীৰ শিথিল হৈ পৰিছিল। ২॥

অতি স্নেহেৰে সৈতে মাকে তেওঁলোক বুকুত সাবটি ল'লে আৰু দুচকুৰপৰা বৈ অহা প্ৰেমাশ্ৰুৰে তেওঁলোকক যেন গা ধুৱাই দিলে। সেই সময়ৰ হৰ্ষ-বিষাদৰ কথা কবিয়ে কেনেকৈ বৰ্ণনা কৰিব? বোবা মানুহে সোৱাদ পোৱাৰ কথা কেনেকৈ প্ৰকাশ কৰিব? ৩॥

মাকক দেখা কৰি ভায়েক লক্ষ্মণেৰে সৈতে ৰামে গুৰু বশিষ্ঠক ক'লে— "আশ্ৰমলৈ ব'লক।" তাৰ পাছত বশিষ্ঠৰ আদেশ পাই পুৰবাসীসকলে পানী আৰু থকা ঠাইৰ সুবিধা চাই পৰ্বতৰপৰা (আহিলা পাতিৰে সৈতে) সকলো নামিল। ৪॥

দোঃ—ব্ৰাহ্মণ, মন্ত্ৰী, মাতৃসকল আৰু গুৰু বশিষ্ঠ আৰু গণ্য-মান্যসকলক লগত লৈ ভৰত, লক্ষ্মণ আৰু ৰাম পবিত্ৰ আশ্ৰমলৈ গ'ল। ২৪৫॥

চৌঃ—সীতাই আহি মুনিশ্ৰেষ্ঠ বশিষ্ঠৰ চৰণত ধৰিলে আৰু তেওঁ মনোবাঞ্ছিত উচিত আশীৰ্বাদ লাভ কৰিলে। তাৰ পাছত সীতাই মুনিপত্নীসকলেৰে সৈতে গুৰুপত্নী অৰুন্ধতীক সাক্ষাৎ কৰিলেগৈ; তেখেতৰপৰা যিমান মৰম-স্নেহ পালে, তাৰ বৰ্ণনা দিব নোৱাৰি। ১॥

সীতাই সকলোৰে চৰণত বন্দনা কৰি মনোবাঞ্ছিত আশীৰ্বাদ লাভ কৰিলে। সুকুমাৰী সীতাই যেতিয়া শাহুৱেকসকলক দেখিবলৈ পালে, তেতিয়া তেওঁ সংকোচ ভাৱত চকু মুদি দিলে; তেওঁৰ এনেহে লাগিল যেন ৰাজহংসিনীগণহে ব্যাধৰ কবলত পৰিছে। [মনতে ভাবিলে—] কুট-চক্ৰান্তকাৰী বিধাতাই কি কৰিলে। তেখেতসকলেও সীতাক দেখি বৰ দুখ পালে (আৰু ভাবিলে) বৈৰাই যিটো সহিবলৈ দিছে তাক সহিবই লাগিব। ২-৩॥

তাৰ পাছতে সীতাই মনতে ধৈৰ্য ধৰি, নীলা পদ্মৰ পাহি যেন চকু দুটি পানীৰে চল্‌চলীয়া কৰি, আটাইকেইগৰাকী শাহুৱেকক সাক্ষাৎ কৰিলেগৈ। সেই সময়ত কাৰুণ্যই পৃথিৱী ঢাকি পেলাইছিল। ৪॥

দোঃ—সীতাই সকলোৰে চৰণত ধৰি অতি ভক্তিভাবেৰে সাক্ষাৎ কৰিবলৈ ধৰিলে আৰু শহুৱেকসকলেও স্নেহপূৰ্ণ অন্তৰেৰে সৈতে আশীৰ্বাদ কৰিলে—'তুমি সদায় সৌভাগ্যশালিনী হৈ থাকা যেন।' ২৪৬॥

চৌঃ—সীতা আৰু ৰাণীসকল স্নেহত ব্যাকুল হৈ পৰিল। তেতিয়া বিজ্ঞ

গুৰু বশিষ্ঠই সকলোকে বহিবলৈ ক'লে। তাৰ পাছত বশিষ্ঠই জগতৰ গতি মায়াৰ অধীন বুলি অনেক পৰমাৰ্থৰ কথা ক'লে। ১ ॥

তাৰ পাছত বশিষ্ঠই ৰজা দশৰথৰ স্বৰ্গগমনৰ কথা কৈ শুনালে। সেই কথা শুনি ৰঘুনাথে দাৰুণ দুখ পালে আৰু তেওঁলৈ থকা স্নেহৰ কাৰণেই ৰজাৰ মৃত্যু ঘটিল বুলি ধীৰ-শ্ৰেষ্ঠ ৰামচন্দ্ৰ অত্যন্ত ব্যাকুল হৈ পৰিল। বজ্ৰৰ নিচিনা কঠোৰ আৰু কটু এই কথা শুনি লক্ষ্মণ, সীতা আৰু ৰাণীসকলে বিলাপ কৰিবলৈ ধৰিলে। সমস্ত সমাজ শোকত ব্যাকুল হৈ পৰিল; যেন ৰজাৰ আজিহে মৃত্যু ঘটিল। ২-৩ ॥ বশিষ্ঠই আকৌ ৰামক প্ৰবোধ দিলে। তেতিয়া তেওঁ সমাজ সমন্বিতে নদীশ্ৰেষ্ঠা মন্দাকিনীত স্নান কৰিলে। সেইদিনা প্ৰভুৱে পানী এটুপিও নোখোৱাকৈ ব্ৰত কৰিলে। বশিষ্ঠ মুনিয়ে কোৱা সত্বেও বাকীসকলৰো কোনেও পানী এটোপাও মুখত নিদিলে। ৪ ॥

দোঃ—পাছদিনা পুৱা মুনিয়ে ৰামক যিহকে আদেশ দিলে, সেই সকলো কাম প্ৰভু ৰামচন্দ্ৰই শ্ৰদ্ধা-ভক্তি সমন্বিতে সাদৰে সমাপন কৰিলে। ২৪৭ ॥

চৌঃ—বেদত যি ধৰণে কৈছে, সেইমতে পিতাকৰ কাজ-কৰ্ম কৰি, পাতকৰূপী অন্ধকাৰবিনাশক সূৰ্যস্বৰূপ শ্ৰীৰাম পবিত্ৰ হ'ল। যাৰ নাম পাপৰূপী তুলাৰ কাৰণে অগ্নিস্বৰূপ, যাৰ স্মৰণ মাত্ৰ সমস্ত শুভ-মংগলৰ মূলস্বৰূপ, সেই ভগৱান শ্ৰীৰামচন্দ্ৰ এইদৰে শুদ্ধ হ'ল। সাধুসকলে এই বুলি কয় যোলে ৰাম শুদ্ধ হোৱা কথাটো তীৰ্থৰ আৱাহনেৰে গংগা শুদ্ধ হোৱাৰ নিচিনা। [এইদৰে নিত্য শুদ্ধ ভগৱান] শুদ্ধ হোৱাৰ দুদিন পাছত ৰামে অনুৰাগেৰে সৈতে বশিষ্ঠক ক'লে— "হে নাথ! প্ৰজাসকলে বৰ কষ্ট পাইছে; কন্দ, মূল, ফল আৰু জলমাত্ৰ আহাৰ কৰিছে। ভাই শত্ৰুঘ্নৰ সৈতে ভৰতক, মন্ত্ৰীসকলক আৰু মাতৃসকলক দেখি মোৰ এটা পলেই এযুগ যেন লাগিছে। গতিকে আপুনি সকলোকে লগত লৈ অযোধ্যালৈ প্ৰত্যাবৰ্তন কৰক। আপুনি আছেহি ইয়াত আৰু নৃপতি গ'ল স্বৰ্গলৈ [ইফালে অযোধ্যা শূন্য]। হে গোসাঁই! মই অনেকখিনি ক'লোঁ আৰু বহুত ধৃষ্টতা দেখুৱালোঁ। আপুনি যি উচিত বুলি ভাবিছে, তাকে কৰক।"১—৪ ॥

দোঃ—(বশিষ্ঠই ক'লে—) "ৰাম, তুমি ধৰ্মৰ সেতু আৰু কৰুণানিধি; তুমি এনে কথা নকৈ আৰু কোনে ক'ব? প্ৰজাসকল অতি দুঃখিত হৈ আছে; গতিকে দুদিন তোমাক চাই-চিতি তেওঁলোকে জিৰাই শাঁতাই লওক।" ২৪৮ ॥

চৌঃ—ৰামৰ কথা শুনি সকলো মানুহে বৰ ভয় খাইছিল; যেন সমুদ্ৰৰ

বুকুতহে জাহাজে টলংভটং কৰিবলৈ ধৰিলে। কিন্তু তেওঁলোকে যেতিয়া গুৰু বশিষ্ঠৰ সুমংগলসূচক বচন শুনিলে, তেতিয়া যেন সেই জাহাজৰ কাৰণে বতাহ অনুকূল হৈ পৰিল। ১ ॥

সকলোৱে পূতসলিলা সেই নদীত তিনিও বেলা (পুৱা, দুপৰীয়া আৰু সন্ধ্যা) স্নান কৰে; যাক দৰ্শন কৰিলে পাপসমূহ বিনষ্ট হয়, সেই মংগলমূৰ্তি স্বৰূপ শ্ৰীৰামক দণ্ডৱৎ প্ৰণাম কৰি কৰি তেওঁক নয়ন ভৰি চায়। সকলোৱেই শ্ৰীৰামে বাস কৰা পৰ্বতটো আৰু বনখন চাবলৈ যায়। তাত সকলো সুখে বিৰাজ কৰিছে আৰু কোনো প্ৰকাৰৰ দুখ নাই। নিজৰাবিলাকত অমৃত যেন পানী বৈ গৈছে আৰু (শীতল, মৃদু আৰু সুগন্ধি) তিনিবিধৰ বায়ুৱে (আধ্যাত্মিক, আধিদৈৱিক আৰু আধিভৌতিক) তিনিওবিধ তাপ হৰণ কৰিছে। ২।৩ ॥

অসংখ্য জাতিৰ গছ, লতা আৰু বন, নানা প্ৰকাৰৰ ফল, ফুল আৰু পাত; ধুনীয়া ধুনীয় শিল; আৰামদায়ক গছৰ ছাঁ। এই বনৰ শোভা কেনেকৈ বৰ্ণনা কৰিম ? ৪ ॥

দোঃ—সৰোবৰসমূহত পদুম ফুলি আছে; জলচৰ পক্ষীবোৰে কূজন কৰিছে; ভোমোৰাই গুণ্‌গুণাইছে আৰু নানাৰঙী পশু-পক্ষীয়ে শত্ৰুতাৰ ভাব নোহোৱাকৈ চৰি ফুৰিছে। ২৪৯ ॥

চৌঃ—কোল, কিৰাত, ভীল আদি বনবাসী লোকসকলে পৱিত্ৰ, সুন্দৰ আৰু অমৃতৰ নিচিনা সোৱাদ মৌ-জোল, ধুনীয়াকৈ সজা দোনাত ভৰাই লৈ কন্দ, মূল, ফল আৰু গজালিবোৰ জোটা বান্ধি বান্ধি আনি সকলোকে নম্ৰভাৱে প্ৰণাম কৰি কৰি ভেটাইছেহি। সেই বস্তুবোৰৰ বেলেগ বেলেগ সোৱাদৰ কথা, নাম, গুণ, আৰু বেলেগ জাতৰ কথা বৰ্ণনা কৰি বুজাই দিছে। মানুহবিলাকে তাৰ বাবে বহুত দাম আগ বঢ়াইছে। তেওঁলোকে কিন্তু লোৱা নাই; আকৌ দিব খুজিলে ৰামৰ দোহাই দিছে। ১।২ ॥

প্ৰেমত নিমগ্ন হৈ তেওঁলোকে মিঠা মাতেৰে কৈছে—"সাধুলোকে স্নেহভাৱ চিনি লৈ তাৰ সন্মান কৰে। আপোনালোক পুণ্যাত্মা, আমি হৈছোঁ নীচ নিষাদ। ৰামৰ অনুগ্ৰহতহে আমি আপোনালোকক দেখিবলৈ পাইছোঁ। আমাৰ কাৰণে আপোনালোকৰ দৰ্শন অতি দুৰ্লভ; মৰুভূমিত যেনেকৈ গংগাৰ ধাৰাৰ নিচিনা। (চাওক) কৃপালু ৰামে নিষাদসকলক কেনেকৈ কৃপা কৰিছে; যেনে ৰজা, প্ৰজা-পৰিজনৰ্গও তেনেই হ'ব লাগে। ৩।৪ ॥

দোঃ—মনতে এইকথা বুজি লৈ আপোনালোকে সংকোচ ভাব ত্যাগ কৰি

আৰু আমাৰ মৰম-চেনেহলৈ চাই আমাক কৃপা কৰক॥ আমাক কৃতাৰ্থ কৰিবলৈকে এই ফল, তৃণ আৰু গজালিখিনি গ্ৰহণ কৰক। ২৫০ ॥

চৌঃ—আপোনালোক আমাৰ প্ৰিয় অতিথি, বনলৈ আহিছে। আপোনালোকৰ যোগ্য শুশ্ৰূষা কৰিবলৈ আমাৰ ভাগ্য নাই। হে স্বামীসকল! আমিনো আপোনালোকক কি দিম? থবি আৰু গছ-পাতেইহে কিৰাতসকলৰ মিত্ৰতাৰ চিন। ১ ॥

আপোনালোকৰ কাপোৰ-কানি, বাচন-বৰ্তনবোৰ যে আমি চুৰ কৰি নিয়া নাই, তাকে আমি কৰা ডাঙৰ সেৱা বুলি ধৰক। আমি মূৰ্খমতি প্ৰাণী, জীৱ-হিংসা কৰোঁ; আমি কুটিল, কূট-চক্ৰান্তকাৰী দুৰ্মতি আৰু নীচ জাতি। দিনে ৰাতিয়ে আমি পাপ কাম কৰিয়েই কটাওঁ। তথাপি আমাৰ কঁকালত এডোখৰ কাপোৰ নাই আৰু পেট ভৰাই খাবলৈ আহাৰ নাই। সপোনতো আমাৰ কেনেবাকৈ ধৰ্মত মতি হ'ব পাৰে নে? এয়া যে হৈছে, সি ৰঘুনন্দন ৰামক দৰ্শন কৰাৰ প্ৰভাৱতহে হৈছে। যেতিয়াই প্ৰভুৰ পাদপদ্ম দেখিবলৈ পালোঁ, তেতিয়াই আমাৰ অসহ্য দুখ-কষ্ট আৰু দোষ-পাপৰ অন্ত পৰিল।" বনবাসীসকলৰ কথা শুনি পুৰবাসীসকলৰ মন স্নেহেৰে পৰিপূৰ্ণ হৈ পৰিল আৰু তেওঁলোকে বনবাসীসকলৰ ভাগ্যক প্ৰশংসা কৰিবলৈ ধৰিলে। ১—৪ ॥

ছঃ—সকলোৱে তেওঁলোকৰ ভাগ্যক প্ৰশংসা কৰিবলৈ ধৰিলে আৰু মৰমেৰে কথা-বতৰা পাতিবলৈ ধৰিলে। সেই মানুহবোৰৰ কথা-বতৰা কোৱাৰ আৰু দেখা-সাক্ষাৎ হোৱাৰ ধৰণ, আৰু ৰামৰ চৰণত তেওঁলোকৰ ভক্তি দেখি সকলোৱে অতি আনন্দ পালে। সেই কোল-ভীল লোকসকলৰ কথা শুনি সকলো নৰ-নাৰীয়েই নিজৰ স্নেহভাৱৰ নিন্দা কৰিলে। তুলসীদাসে কৈছে—এয়া ৰঘুবংশমণি ৰামৰ কৃপা।

সোঃ—সকলো লোকেই নিতৌ বনৰ চাৰিওফালে বংমনেৰে ফুৰা-চকা কৰিছে; বৰ্ষাৰ প্ৰথম বৰষুণজাক পাই যেন ভেকুলী আৰু ম'ৰা চৰাইহে উৎফুল্ল হৈ পৰিছে। ২৫১ ॥

চৌঃ—অযোধ্যাৰ নৰ-নাৰীসকল স্নেহত মগ্ন হৈ পৰিল। একোটা দিন এটা চকুৰ পচাৰতে যেন শেষ হৈছে। প্ৰতিগৰাকী শাহুৱেকক সীতাই ভিন্ ভিন্ বেশ ধৰি আদৰ-সাদৰ কৰি একে ধৰণেই সেৱা-শুশ্ৰূষা কৰিছে। ১ ॥

ৰামৰ বাহিৰে কোনেও এই ৰহস্যৰ কথা নাজানিলে; সমস্ত মায়াশক্তি সীতাৰ মায়াতে নিহিত হৈ থাকে। সীতাই সেৱা-শুশ্ৰূষাৰে শাহুৱেকসকলক

মুগ্ধ কৰিলে। আনন্দ লাভ কৰি তেওঁলোকেও নানা উপদেশ আৰু আশীৰ্বাদ দিলে। ২ ॥

সীতাৰে সৈতে দুয়ো ভাইৰ (ৰাম-লক্ষ্মণৰ) সৰল স্বভাৱ দেখি কুটিল স্বভাৱৰ ৰাণী কৈকেয়ীয়ে অতিশয় অনুশোচনা কৰিবলৈ ধৰিলে। তেওঁ পৃথিৱীক ফাট দিবলৈ, যমক মৃত্যু দিবলৈ প্ৰাৰ্থনা কৰিছিল; কিন্তু পৃথিৱীয়েও ফাট নিদিলে আৰু বিধাতায়ো তেওঁক মৃত্যু নিদিলে। ৩ ॥

লোকসমাজত আৰু বেদতো কথিত আছে, কবিসকলেও কয়—যি ৰামৰ প্ৰতি বিমুখ তেওঁ নৰকতো ঠাই নাপায়। সকলোৰে মনতে এই সন্দেহ হ'ল—হে বিধি, ৰাম অযোধ্যালৈ ঘোৰাটো হ'বগৈ নে নহ'ব? ৪ ॥

দোঃ—ভৰতৰ ৰাতি টোপনি নহা হ'ল আৰু দিনত ভোক নলগা হ'ল; পবিত্ৰ চিন্তা-ভাৱনাত তেওঁ এনেদৰে বিকল হৈ পৰিল, যেন বোকাৰ তলত সোমাই থকা মাছহে পানী নোহোৱা কাৰণে বিকল হৈ পৰিছে। ২৫২ ॥

চৌঃ—[তেওঁ ভাবিবলৈ ধৰিলে—] "আইৰ চেলু লৈ কালে কূট চক্ৰান্ত কৰিলে; যেন ধান পকাৰ সময়ত অতিবৃষ্টি, পতংগ আদিৰ উপদ্ৰৱহে উপস্থিত হ'লহি। এতিয়া কি উপায়েৰে ৰামৰ অভিষেক হ'ব? মইতো একো উপায় বিচাৰি পোৱা নাই। ১ ॥

গুৰুদেৱৰ আদেশ পালন কৰি ৰামচন্দ্ৰ অৱশ্যে অযোধ্যালৈ ঘূৰিব; কিন্তু তেখেতে ৰামৰ ৰুচি অনুসৰিহে কথা ক'ব। মাতৃ কৌশল্যাই ক'লেও ৰঘুৰায় ঘূৰিব পাৰে; কিন্তু যি মাতৃয়ে ৰামহেন পুত্ৰক জন্ম দিছে, তেওঁ কি ৰামক ঘূৰি যাবলৈ টানি ধৰিব? ২ ॥

সেৱক মোৰপৰা নো কিটো হ'ব? তাতে আকৌ সময়টো বেয়া হ'ল আৰু বিধাতাও মোৰ প্ৰতিকূল। মই যদি জেদ ধৰোঁ তেন্তে সি ডাঙৰ অকৰ্ম হ'ব; সেৱকৰ ধৰ্ম শিৱৰ কৈলাশ পৰ্বতটোতকৈ অধিক গধুৰ।" ৩ ॥

একো যুক্তিয়েই ভৰতৰ মন নাথালে; ভাবোঁতে ভাবোঁতে ৰাতি পুৱাই গ'ল। ৰাতিপুৱা স্নান কৰি আৰু প্ৰভু শ্ৰীৰামক প্ৰণাম কৰি বহোঁতেই বশিষ্ঠ মুনিয়ে তেওঁক মতাই নিলে।" ৪ ॥

দোঃ—ভৰতে গৈ গুৰুৰ চৰণকমলত প্ৰণাম জনাই তেখেতৰ আজ্ঞা পাই বহিল। সেই সময়তে ব্ৰাহ্মণ, মহাজন, মন্ত্ৰী আদি সকলো সভাসদ গোট খালেহি। ২৫৩ ॥

চৌঃ—তেতিয়া মুনিশ্ৰেষ্ঠ বশিষ্ঠই সময়োচিত কথা ক'বলৈ ধৰিলে—"হে

সভাসদসকল, হে বিজ্ঞ ভৰত! শুনাইক। ধৰ্মৰ ধৰণী ধৰোঁতা সূৰ্যবংশৰ সূৰ্যস্বৰূপ ৰজা ৰামচন্দ্ৰ স্বতন্ত্ৰ ভগৱান। তেওঁ সত্যসন্ধ আৰু বেদৰ মৰ্যাদা ৰক্ষক; জগতৰ মংগলৰ কাৰণেহে শ্ৰীৰামৰ অৱতাৰ হৈছে। এওঁ গুৰু, পিতৃ আৰু মাতৃৰ আজ্ঞা পালনকাৰী, দুষ্টবিলকৰ দলনকাৰী আৰু দেৱগণৰ হিতকাৰী। নীতি, প্ৰেম, পৰমাৰ্থ আৰু স্বাৰ্থৰ কথা শ্ৰীৰামৰ দৰে কোনেও যথাৰ্থ-ভাৱে নাজানে। ব্ৰহ্মা, বিষ্ণু, মহাদেৱ, চন্দ্ৰ, সূৰ্য, দিক্‌পালসকল, মায়া, জীৱ, সমস্ত কৰ্ম আৰু কাল, সৰ্পৰাজ অনন্ত আৰু অন্যান্য ৰজাসকলকে ধৰি যিমানবিলাক প্ৰভুত্বশালী লোক আছে, তথা আগম-নিগমাদি শাস্ত্ৰই যোগ-সিদ্ধি প্ৰভৃতি যিমানবিলাকৰ কথা কৈছে, সেই সকলোবে ওপৰত ৰামৰ প্ৰভুত্বহে মন দি ভালকৈ বিচাৰ কৰি চালে দেখিবলৈ পোৱা যায়।

দোঃ—গতিকে শ্ৰীৰামৰ আদেশ আৰু মনোভাব অনুসৰি কাম কৰাটোহে আমাৰ সকলোৰে কাৰণে হিতকৰ হ'ব। তোমালোক সকলোৱেই বিজ্ঞ লোক, যিটো সৰ্বসন্মত হয়, তাকে মিলিজুলি কৰাঁহক। ২৫৪ ॥

চৌঃ—ৰামৰ ৰাজ্যাভিষেক সকলোৰে কাৰণে সুখদায়ক। সকলোৰে কল্যাণ আৰু আনন্দৰ মূলস্বৰূপ সেই অভিষেকৰ কাৰণে মাত্ৰ এটাহে উপায় বা পথ আছে; সেইটো হৈছে যি কোনো উপায়ে ৰামক অযোধ্যালৈ নিয়া। এতিয়া ভাবি-চিন্তি কোৱা আৰু যি ভাল দেখা, তাকে কৰাঁ।" ১ ॥

মুনিশ্ৰেষ্ঠ বশিষ্ঠৰ নীতি, পৰমাৰ্থ আৰু (সকলোৰে) স্বাৰ্থ জড়িত হৈ থকা এই কথা সকলোৱে সাদৰে শুনিলে। কিন্তু কোনেও একো উত্তৰ নিদিলে; সকলো আপোনভোলা হৈ পৰিল। তেতিয়া ভৰতে মূৰ দোঁৱাই হাত-যোৰ কৰি ক'লে—"সূৰ্যবংশত ইজনতকৈ সিজন শ্ৰেষ্ঠ বহুত ৰজা হৈ গ'ল। সকলোৰে জন্মৰ কাৰণ পিতৃ-মাতৃ আৰু শুভাশুভ কৰ্মৰ ফল সকলোলোকে বিধাতাই দিয়ে। কিন্তু দুখ বিনাশ কৰি সমস্ত কল্যাণ দান কৰে আপোনাৰ আশীৰ্বাদে—এই কথা সংসাৰে জানে। হে গোসাঁই; আপুনি বিধাতাৰ গতিকো ব্যাহত কৰিব পাৰে। আপুনি যি সিদ্ধান্ত দিলে, তাক কোনে লৰ-চৰ কৰিব পাৰে? ২-৪ ॥

দোঃ—আপুনি যে এতিয়া উপায় সুধিছে, এইটো মোৰেই দুৰ্ভাগ্য।" ভৰতৰ ভক্তিপূৰ্ণ কথা শুনি গুৰু বশিষ্ঠৰ বুকু স্নেহত উৎফুল্ল হৈ পৰিল। ২৫৫ ॥

চৌঃ—[তেখেতে ক'লে] "বাছা! কথাটো সঁচা; কিন্তু সেয়া ৰামৰ কৃপাতহে হৈছে। ৰামৰ প্ৰতি বিমুখসকলে স্বপ্নতো সিদ্ধি লাভ কৰিব নোৱাৰে। বাছা! মই এটা কথা ক'বলৈ সংকোচ কৰিছোঁ। বুদ্ধিমান লোকে সৰ্বস্ব যাব

খোজা যেন দেখিলে আধা এৰি দিয়ে। গতিকে তোমালোক দুয়োভাই বনবাসী হোৱা আৰু লক্ষ্মণ, সীতা আৰু ৰামক ঘূৰাই লোৱা হওক।” এই সুন্দৰ কথা শুনি ভৰত-শত্ৰুঘ্ন আনন্দিত হৈ পৰিল।” তেওঁলোকৰ সমস্ত শৰীৰ আনন্দেৰে পূৰ্ণ হৈ পৰিল। মন প্ৰসন্ন হ’ল, শৰীৰত তেজে শোভা কৰিলে—যেন ৰজা দশৰথ জীৱিত হৈ উঠিল আৰু ৰাম ৰজা হ’ল। অন্য মানুহবোৰেও এই কাৰ্যত লাভ বেছি আৰু হানি কম হ’ব বুলি ভাবিলে; কিন্তু ৰাণীসকলে সুখ আৰু দুখ সমানে অনুভৱ কৰিলে আৰু তেওঁলোকে কান্দিবলৈ ধৰিলে। ১-৩ ॥

ভৰতে ক’লে—“মুনিয়ে যে কামৰ কথা ক’লে, তাকে কৰিলে জগতৰ সকলো জীৱকে বাঞ্ছিত ফল দান কৰাৰ নিচিনা হ’ব। মই আজীৱন বনতে বাস কৰিম। মোৰ কাৰণে ইয়াতকৈ আৰু একো সুখ নাই। ৪ ॥

দোঃ—ৰাম-সীতা অন্তৰ্যামী, আপুনি সৰ্বজ্ঞ তথা বিজ্ঞ। যদি আপুনি এই কথা সঁচাকৈয়ে কৈছে তেনে হে নাথ! আপোনাৰ কথা সত্যত পৰিণত কৰি দেখুৱাওক।” ২৫৬ ॥

চৌঃ—ভৰতৰ কথা শুনি আৰু তেওঁৰ স্নেহ দেখি সভাৰে সৈতে মুনি আত্ম-হাৰা হৈ পৰিল। ভৰতৰ মহান্ মহিমা সমুদ্ৰস্বৰূপ হ’ল আৰু মুনিৰ বুদ্ধি অবলা নাৰীৰ দৰে তাৰ পাৰত থিয় হৈ ৰ’ল। ই পাৰ হৈ যাবলৈ ইচ্ছা কৰিছে আৰু মনে মনে উপায়ো বিচাৰিছে; কিন্তু নাও, জাহাজ, ভুৰ একোকে পোৱা নাই। যি স্থলত বশিষ্ঠৰ এনে দশা হ’ল; সেই ভৰতৰ মহিমাৰ কথা কোনে বৰ্ণাব পাৰে? পুখুৰীৰ শামুকৰ পেটত সাগৰখন কেনেকৈ সোমাব? ২ ॥

ভৰতে বশিষ্ঠৰ মনৰ ভিতৰখন (উপলব্ধি কৰি) বৰ ভাল পালে। সমস্ত সমাজৰে সৈতে ৰামৰ ওচৰলৈ গ’ল। প্ৰভুৱে প্ৰণাম কৰি সকলোকে সুন্দৰ আসন দিলে। মুনিৰ আদেশমতে সকলো বহিল। ৩ ॥

মুনিশ্ৰেষ্ঠ বশিষ্ঠই দেশ, কাল আৰু সুযোগ বুজি বিচাৰ-বিবেচনা কৰি ক’লে—“হে সৰ্বজ্ঞ, বিজ্ঞ; ধৰ্ম, নীতি, গুণ আৰু জ্ঞানৰ ভঁৰালস্বৰূপ ৰাম! শুনা—। ৪ ॥

দোঃ—তুমি সকলোৰে হৃদয়ত বাস কৰা আৰু সকলোৰে মনৰ ভাল-বেয়া সকলো ভাব জানা। যাতে পুৰবাসীসকল, মাতৃসকল আৰু ভৰতৰ হিতসাধন হয়, তেনে এটা উপায় কোৱা। ২৫৭ ॥

চৌঃ—আতুৰ লোকে ক’তো বিচাৰ-বিবেচনা কৰি কথা নকয়। জুৱাৰীয়ে নিজৰ লাভৰ বাটহে বিচাৰি পায়।” মুনিৰ কথা শুনি ৰামে ক’বলৈ ধৰিলে—“হে নাথ! উপায় আপোনাৰ হাতত‌হে আছে। ১ ॥

আপোনাৰ মনোভাৱ অনুভৱি আৰু আপোনাৰ আজ্ঞাকে সত্য বুলি আনন্দ মনেৰে পালন কৰাতেই সকলোৰে কল্যাণ নিহিত হৈ আছে। মোলৈ প্ৰথমতে যি আদেশ হ'ব, মই সেই উপদেশকে শিৰোধাৰ্য কৰি পালন কৰিম। ২ ॥

তাৰ পাছত হে গোসাঁই, আপুনি যাক যেনেদৰে ক'ব, সকলোৱে সেই দৰে সেৱাকাৰ্যত ৰত হ'ব।" বশিষ্ঠই ক'লে—"ৰাম! তুমি সঁচা কথাকে কৈছা; কিন্তু ভৰতৰ মৰম-স্নেহে মোক বিচাৰ কৰিবলৈ সুযোগকে দিয়া নাই। সেই কাৰণে মই বাৰে বাৰে কৈছোঁ, মোৰ মতি ভৰতৰ ভক্তিভাৱৰ বশ হ'ল। মোৰ মনেৰে ভৰতৰ ৰুচিলৈ চাই যিহকে কৰা হ'ব, মহাদেৱ সাক্ষী আছে, সেয়ে সকলোৰে কাৰণে কল্যাণকৰ হ'ব। ৩।৪ ॥

দোঃ—প্ৰথমতে ভৰতৰ প্ৰাৰ্থনা শুনি লোঁৱা, তাৰ পাছত সেই বিষয়ে বিচাৰ কৰি চোৱাঁ। তেতিয়া সাধুসকলৰ সন্মতি, লোক-সমাজৰ সন্মতি, ৰাজনীতি আৰু বেদৰ নিৰ্ণয় অনুসৰি যি কৰিব লাগে কৰিবা।" ২৫৮ ॥

চৌঃ—ভৰতৰ প্ৰতি গুৰুৰ স্নেহ দেখি ৰামৰ মনত অতি আনন্দ লাগিল। ভৰতক ধৰ্মৰ ধৰণী ধৰোঁতা আৰু কায়মনো বাক্যে নিজৰ সেৱক বুলি বুজি, ৰামে গুৰুৰ আদেশ অনুসাৰে মনোৰম, মৃদু আৰু মংগলজনক বচন উচ্চাৰণ কৰিলে—"হে নাথ! আপোনাৰ শপত আৰু পিতাৰ চৰণৰ দোহাই, জগতত ভৰতৰ নিচিনা ভাই নাই ওলোৱা। ১।২ ॥

যি মানুহ গুৰুৰ চৰণকমলৰ অনুৰাগী হয়, তেওঁ জনসমাজ আৰু বেদৰ জ্ঞান-দৃষ্টিতো অতি ভাগ্যশালী হৈ পৰে; তাতে আকৌ যাৰ প্ৰতি আপোনাৰ এনে স্নেহ, সেই ভৰতৰ ভাগ্যৰ কথা কোনে বৰ্ণাব পাৰে? ৩ ॥

ভাই বুলি ভৰতৰ মুখৰ আগতে তেওঁৰ গৰিমা গাবলৈ মোৰ মনত সংকোচ লাগিছে, (তথাপি কৈছোঁ) ভৰতে যিহকে কয়, তাকে কৰিলেই ভাল হ'ব।" এই বুলি কৈ শ্ৰীৰাম মনে মনে থাকিলে। ৪ ॥

দোঃ—তেতিয়া মুনিয়ে ভৰতক ক'লে—"বাছা! সকলো সংকোচ ত্যাগ কৰি তোমাৰ প্ৰিয় জ্যেষ্ঠ ভ্ৰাতৃ কৃপাসিন্ধু ৰামক হৃদয়ৰ কথা নিবেদন কৰাঁ।" ২৫৯ ॥

চৌঃ—মুনিৰ কথা শুনি আৰু ৰামৰ আশয় বুজি—গুৰু আৰু প্ৰভু সম্পূৰ্ণভাৱে নিজৰ অনুকূল বুলি জানি, এতিয়া সম্পূৰ্ণ দায়িত্বৰ ভাৰ নিজৰ ওপৰতে বুলি উপলব্ধি কৰি লৈ ভৰতে (তত্তালিকে) একো ক'ব নোৱাৰিলে; তেওঁ চিন্তা কৰি চাবলৈ ধৰিলে। ১ ॥

পুলকিত শৰীৰেৰে তেওঁ সভাত থিয় হৈ ৰ'ল। কমল সদৃশ নয়নত

স্নেহ-জলৰ প্লাবন নামিল। [তেওঁ ক'লে—]" মই কৰ লগীয়া কথা মুনিবৰে ব্যক্ত কৰিলেই। তাতকৈ বেছিনো মই কি ক'ম? নিজে প্ৰভুৰ স্বভাৱৰ কথা মই জানোৱেই। তেখেতে কেতিয়াও অপৰাধীকো খং নকৰে। মোৰ প্ৰতি তেখেতৰ বিশেষ অনুগ্ৰহ আৰু মৰম আছেই। মই আনকি খেমালিতো কেতিয়াও তেখেতৰ খং দেখা নাই। সৰু কালৰেপৰা মই তেখেতৰ লগ এৰা নাই আৰু তেখেতেও কোনো দিনে মোৰ মনত আঘাত দিয়া নাই। মই অন্তৰেৰে সৈতে প্ৰভুৰ কৃপা কৰাৰ ৰীতি ভালকৈ দেখিছোঁ। মই হাৰিলেও প্ৰভুৱে মোক খেলত জিকাই দিয়ে। ২—৪ ॥

দোঃ—মৰো ভক্তিভাব আৰু নম্ৰতাৰ কাৰণে কেতিয়াও মুখামুখিকৈ কথা কোৱা নাই। প্ৰেমপিপাসু মোৰ চকু আজিলৈকে প্ৰভুক দৰ্শন কৰি তৃপ্ত হোৱা নাই। ২৬০ ॥

চৌঃ—কিন্তু বিধাতাই মোৰ এই স্নেহ-প্ৰীতি সহ্য নকৰিলে। তেওঁ নীচ মাতৃৰ ছলেৰে আমাৰ মাজত ব্যৱধান আনি দিলে। এই কথা কোৱাটোও আজি মোৰ কাৰণে শোভা নাপায়; কাৰণ নিজে ভাবিলেই কোন সাধু আৰু পবিত্ৰ হ'ব পাৰে (লোকে সাধু আৰু পবিত্ৰ বুলি মানিব লাগিব)। মোৰ আই নীচ আৰু মই সদাচাৰী আৰু সাধু, মনলৈ এনে ভাব অনাটো কোটি কোটি কুকাৰ্যৰ তুল্য হ'ব। কোদোধানৰ* থোকত ভাল ধান লাগিব জানো? লেধাই শামুকত জানো মুকুতা ওলায়? ২ ॥

সপোনতো কোনেও দোষ কৰা নাই। মোৰ দুৰ্ভাগ্যহে অথাই সাগৰৰ নিচিনা। নিজৰ পাপৰ ফল কি তাক নুবুজাকৈয়ে মই আইক কটু কথাৰে মিছাতে কষ্ট দিছোঁ। ৩

মই নিজৰ মনতে সকলো পিনে ভাবি-চিন্তি চায়ো হাৰি গ'লোঁ। এটা কথাহে কেৱল মোৰ কাৰণে ভাল হ'ল আৰু সেয়ে হৈছে, এফালে গুৰুদেৱ আৰু আনফালে ৰাম-সীতা মোৰ প্ৰভু। গতিকে মোৰ শেষ পৰিণাম ভাল হ'ব বুলি জানিব পাৰি। ৪ ॥

দোঃ—সাধুৰ সমাজত, গুৰু আৰু প্ৰভুৰ আগত, এই পবিত্ৰ স্থানত মই সদ্ভাৱেৰে সৈতে কৈছোঁ; ই প্ৰেম নে ছলনা, সত্য নে অসত্য? সেই কথা মুনি আৰু ৰঘুনাথে জানিব। ২৬১ ॥

চৌঃ—প্ৰেমৰ প্ৰতিজ্ঞা পালন কৰি মহাৰাজ দশৰথৰ মৃত্যু ঘটা আৰু

* কোদো এবিধ বানকাতীয় শস্য।

মাতৃৰ কুবুদ্ধি—এই দুয়ো বিষয়তে সংসাৰখন সাক্ষী আছে। মাতৃসকল বিয়াকুল হৈ পৰিছে; তেখেতসকলৰ ফালে চাব নোৱাৰি। নগৰৰ পুৰুষ-নাৰীসকল অসহ্য সন্তাপত দেই পুৰি মৰিছে। ময়েই এই সকলো অনৰ্থৰ মূল—তাকে বুজি-বাজি চাই মই সকলো কষ্ট সহ্য কৰিছোঁ। মহাদেৱক সাক্ষী কৰি কৈছোঁ—লক্ষ্মণ আৰু সীতাৰে সৈতে মুনিৰ বেশ ধৰি ৰামচন্দ্ৰই বনলৈ যাত্ৰা কৰাৰ কথা আৰু পাদুকাবিহীন ভৰিৰে খোজকাঢ়ি ভ্ৰমণ কৰাৰ কথা শুনি, যি আঘাত পালোঁ সেই আঘাত পায়ো যে মই বাঁচি আছোঁ! তাৰ পাছত আকৌ নিষাদ ৰাজৰ স্নেহ-ভক্তি দেখিও যে মোৰ এই বজ্ৰ-কঠোৰ বুকু ফাটি যোৱা নাই! [সেই-টোহে আচৰিত কথা]। ২।৩॥

এতিয়া ইয়ালৈ আহি সকলো নিজ চকুৰে দেখিলোঁ। এই মোৰ মূঢ় প্ৰাণে জীয়াই থাকি সকলো সহ্য কৰাব। যাক দেখি বাটত থকা মাইকী সাপ আৰু বিছায়ো ভয়ানক বিষ আৰু উগ্ৰ ক্ৰোধ পৰিত্যাগ কৰে—। ৪॥

দোঃ—সেই ৰঘুনন্দন ৰাম, লক্ষ্মণ আৰু সীতাও যাৰ বাবে শত্ৰু যেন হৈ পৰিল, সেই কৈকেয়ীৰে পুত্ৰ মোক নিদি দৈৱই আৰু কাক এনে অসহ্য দুখ-কষ্ট সহিবলৈ দিব?" ২৬২॥

চৌঃ—অতি ব্যাকুলতাপূৰ্ণ তথা দুখ, প্ৰেম, নম্ৰতা আৰু নীতিৰে ভৰা ভৰতৰ এই শ্ৰেষ্ঠ বচন শুনি সমস্ত সভা শোকত নিমগ্ন হৈ পৰিল; শোকে সকলোকে ছানি ধৰিলে। যেন পদুম বনত হিমপাত হ'ল। ১॥

তেতিয়া জ্ঞানী মুনি বশিষ্ঠই অনেক প্ৰকাৰৰ পুৰণি কাহিনী কৈ ভৰতক প্ৰবোধ দিলে। তাৰ পাছত সূৰ্যবংশৰূপী কুমুদবনৰ কাৰণে চন্দ্ৰস্বৰূপ ৰঘুনন্দন ৰামে উচিত কথা ক'বলৈ ধৰিলে—"বাছা ভৰত! তুমি মনত মিছাতে দুখ কৰি আছা। জীৱৰ গতি ঈশ্বৰৰ অধীন বুলি বুজিবা। মোৰ মতে তিনিও কালৰ আৰু তিনিও লোকৰ সমস্ত পুণ্যাত্মা লোকেই তোমাতকৈ নিম্ন থাপৰ। মনেৰেও যদি তোমাৰ ওপৰত কুটিলতা আৰোপ কৰা হয়, তেন্তে ইহলোক নষ্ট হ'ব আৰু পৰলোকো নষ্ট হ'ব। মাতৃ কৈকেয়ীকো সেইসকলেহে দোষাৰোপ কৰিব, যি গুৰু আৰু সাধুসমাজৰ সেৱা কৰা নাই। ২-৪॥

দোঃ—ভৰত! তোমাৰ নাম স্মৰণ কৰা মাত্ৰেই সমস্ত পাপ, ছল-চাতুৰী, সমস্ত অমংগলৰ অন্ত পৰিব আৰু ইহলোকত সুযশ তথা পৰলোকত সুখ লাভ কৰিব। ২৬৩॥

চৌঃ—ভৰত, মই স্বাভাৱিক সত্যতাৰে সৈতে কৈছোঁ, মহাদেৱ সাক্ষী

আছে। এই পৃথিৱী তুমি ৰক্ষা কৰাতহে বৈ আছে। বাছা, তুমি অনৰ্থক কুতৰ্ক নকৰিবা। শক্ৰতা আৰু প্ৰেম লুকুৱালেই ঢাক নাথায়। পশু-পক্ষী-ঘোৰ মুনিসকলৰ ওচৰ চাপি যায়; কিন্তু হিংসুক চিকাৰী দেখা মাত্ৰকে পলায়। মিত্ৰ আৰু শত্ৰুক পশু-পক্ষীয়েও চিনি পায়। তাতে আকৌ মনুষ্য শৰীৰ গুণ আৰু জ্ঞানৰ নিধিস্বৰূপ। ১-২ ॥

বাছা! মই তোমাক ভালকৈ জানো। কি কৰিব, হৃদয় অতি সংকটত পৰিছে। মহাৰাজ দশৰথে মোক ত্যাগ কৰি সত্য ৰাখি গ'ল আৰু প্ৰেমৰ প্ৰতিজ্ঞা পূৰণ কৰিবলৈ গৈ দেহাকে এৰিলে। তেখেতৰ বচন লংঘন কৰিবলৈ মনত চিন্তা হয়। তাতকৈও ডাঙৰ কথা তোমাৰ মনৰ সংকোচ ভাৱ। তাতে আকৌ গুৰুদেৱে মোক আদেশ দিছে। গতিকে তুমি যি ক'বা, তাকে মই নিশ্চিত-ভাৱে পালন কৰিম বুলি ভাৱিছো। ৩।৪ ॥

দোঃ—তুমি মন প্ৰসন্ন কৰি আৰু সংকোচ ত্যাগ কৰি যিহকে কৰিবলৈ কোৱাঁ, মই আজি তাকে কৰিম।" সত্যপ্ৰতিজ্ঞ ৰঘুনাথৰ এই কথা শুনি সমস্ত সমাজ সুখী হ'ল। ২৬৪ ॥

চৌঃ—দেৱগণেৰে সৈতে দেৱৰাজ ইন্দ্ৰই সন্ত্ৰস্ত হৈ ভাবিবলৈ ধৰিলে—"যি কৰিবলৈ চাইছিলোঁ, তাত বিঘিনি ঘটিল। একো উপায় নোহোৱা হ'ল।" তেতিয়া দেৱগণে মনে মনে শ্ৰীৰামৰ শৰণ পশিলে। তাৰ পাছত তেওঁলোকে ভাবি-চিন্তি চাই পৰস্পৰে কোৱা-কুই কৰিলে—"ৰাম ভক্তৰ ভক্তিত বশ্য।" অম্বৰীষ আৰু দুৰ্বাসাৰ কথাটো স্মৰণ কৰি দেৱতাসকল একেবাৰে নিৰাশ হ'ল। ১।২ ॥

আগতে দেৱতাসকলে বহুত দুখ সহ্য কৰিলে। সেই সময়ত ভক্ত প্ৰহ্লাদেহে ভগৱান নৃসিংহক প্ৰকট কৰালে। সকলো দেৱতাই ইজনে সিজনৰ কাণত ধৰি আৰু মূৰে-কপালে থপৰিয়াই ক'বলৈ ধৰিলে—"এইবাৰ দেৱকাৰ্য ভৰতৰ হাতত। ৩ ॥

হে দেৱগণ! অন্য আৰু কোনো উপায় দেখা নাই। ৰামে নিজৰ শ্ৰেষ্ঠ সেৱকক কৰা সেৱাৰ ওপৰত বৰ গুৰুত্ব দিয়ে; গতিকে নিজৰ গুণ আৰু সুচৰিত্ৰেৰে ৰামক বশ কৰি থোৱা ভৰতক সকলোৱে মনে-চিত্তে ভক্তিসহকাৰে স্মৰণ কৰক।" ৪ ॥

দোঃ—দেৱতাসকলৰ এই সিদ্ধান্ত শুনি দেৱগুৰু বৃহস্পতিয়ে ক'লে—"অতি সুন্দৰ বিবেচনা। তোমালোকৰ বৰ ভাগ্য; ভৰতৰ চৰণৰ প্ৰতি জন্মা অনুৰাগ জগতত সমস্ত সুমংগলৰ মূল। ২৬৫ ॥

চৌঃ—সীতাপতি শ্রীৰামৰ সেৱকৰ প্ৰতি আগবঢ়োৱা সেৱা সহস্ৰ কাম-ধেনুৰ সমান শুভ ফলদায়ক। তোমালোকৰ সমস্ত ভৰতৰ প্ৰতি ভক্তি জন্মিছে, গতিকে দুচিন্তা ত্যাগ কৰাঁ। বিধাতাই সুন্দৰ বিধান কৰিছে। ১ ॥

হে দেৱৰাজ, ভৰতৰ প্ৰভাৱ চোৱাঁ—ৰঘুপতি সহজাত প্ৰকৃতিৰেই পূৰ্ণৰূপে তেওঁৰ বশ্য। হে দেৱগণ, তোমালোকে ভৰতক ৰামৰ প্ৰতিবিম্ব (নিতান্ত অনুগামী) বুলি জানি মন স্থিৰ কৰাঁ, ভয় নাই।" ২ ॥

দেৱগুৰু আৰু দেৱতাসকলৰ সিদ্ধান্ত আৰু চিন্তাৰ কথা শুনি অন্তৰ্যামী প্ৰভু শ্ৰীৰামৰ সংকোচ উপজিল। ভৰতে সকলো দায়িত্বৰ ভাৰ নিজৰ মূৰতে বুলি বুজিলে আৰু তেওঁ মনে মনে অনেক প্ৰকাৰৰ বিচাৰ-বিবেচনা কৰিবলৈ ধৰিলে। ৩ ॥

সকলো প্ৰকাৰে বিচাৰ কৰি চাই অৱশেষত তেওঁ স্থিৰ কৰিলে যে শ্ৰীৰামৰ আজ্ঞাইহে নিজৰ কল্যাণস্বৰূপ হ'ব। তেখেতে নিজৰ পণ এৰি মোৰ পণ ৰক্ষা কৰিলে। এয়া অলপীয়া কৃপা আৰু স্নেহ দেখুওৱা নাই। ৪ ॥

দোঃ—জানকীনাথে সকলো প্ৰকাৰেই মোক অতি অপৰিমিত অনুগ্ৰহ কৰিলে। তাৰ পাছত ভৰতে কৰকমলযুগল যোৰ কৰি লৈ প্ৰণাম কৰি ক'বলৈ ধৰিলে—। ২৬৩ ॥

চৌঃ—"হে স্বামী, হে কৃপাৰ সাগৰ, হে অন্তৰ্যামী! এতিয়া মই কি কওঁ আৰু কি কোৱাওঁ? গুৰুক প্ৰসন্ন হোৱা দেখি আৰু আপোনাক মোৰ অনুকূল হোৱা দেখি মোৰ মলিন মনৰপৰা কল্পিত দুখ-কষ্ট আঁতৰি গ'ল। মই মিছাতে ভয় কৰিছিলোঁ। মোৰ চিন্তা অমূলক আছিল। হে দেৱ! দিশ ভুল কৰিলে (মানুহে) সূৰ্যক দোষাৰোপ কৰিব নোৱাৰে। মোৰ দুৰ্ভাগ্য, আইৰ কুটিলতা, বিধাতাৰ বক্ৰগতি আৰু কালৰ কঠিনতা—এই সকলোৱে মিলি মোৰ বিৰুদ্ধে খোপনি লৈ এক হৈ প্ৰহাৰ কৰিলে; কিন্তু শৰণাগতৰ ৰক্ষক আপুনি নিজৰ (শৰণাগতবাৎসল্যৰ) পণ ৰক্ষা কৰিলে। এয়া আপোনাৰ কোনো নতুন নীতি নহয়; ই লোকসমাজত আৰু বেদত বিদিত কথা; লুকাই থকা কথা নহয়। গোটেই জগৎখনেই লাগিলে বেয়া হওক; কিন্তু হে স্বামী! যদি একমাত্ৰ আপুনি মোৰ পক্ষে ভাল (অনুকূল) হৈ থাকে, তেতিয়া বাক কওঁকচোন, কাৰ পৰা বেছি ভাল ফল লাভ হ'ব পাৰে? আপোনাৰ স্বভাৱ কল্পতৰুৰ নিচিনা, কাৰো প্ৰতি সমুখো (অনুকূলো) নহয়, বিমুখো নহয়। ১—৪ ॥

দোঃ—এই কল্পতৰুক চিনি লৈ যিজন ওচৰ চাপে, তাৰ ছায়াই তেওঁৰ সমস্ত চিন্তাৰ অন্ত পেলায়। ৰজা-দৰিদ্ৰ, ভাল-বেয়া জগতত সকলোৰেই প্ৰাৰ্থনা কৰা মাত্ৰকে ইয়াৰ পৰা মনোবাঞ্ছিত ফল লাভ কৰে। ২৬৭ ॥

চৌঃ—গুৰু আৰু স্বামীৰ সকলো প্ৰকাৰেই স্নেহ দেখি মোৰ ক্ষোভ আঁতৰিল, মনত একো সন্দেহ নাই। হে করুণাকৰ! এতিয়া আপুনি এনে ব্যৱস্থা কৰক যাতে এই দাসৰ কাৰণে প্ৰভুৰ মনত কোনো প্ৰকাৰেই ক্ষোভ নহয়। ১ ॥

যি সেৱকে স্বামীক সংকটত পেলাই নিজৰ ভাল কৰিবলৈ চায়, তাৰ মতি অতি নীচ। সমস্ত সুখ আৰু লোভ ত্যাগ কৰি স্বামীৰ সেৱা-কাৰ্য কৰিলেহে সেৱকৰ হিত হয় বুলি বুজিব লাগে। ২ ॥

হে নাথ! আপুনি ঘূৰি যোৱাটোতে সকলোৰে স্বাৰ্থ জড়িত হৈ আছে আৰু আপোনাৰ আদেশ পালন কৰাতে কোটি কোটি প্ৰকাৰেই কল্যাণ নিহিত হৈ আছে। এয়ে স্বাৰ্থ আৰু পৰমাৰ্থ উভয়ৰে সাৰ কথা আৰু সমস্ত পুণ্যৰ ফল তথা সমস্ত শুভগতিৰ সুসজ্জিত ৰূপ। ৩ ॥

হে দেৱ! আপুনি মোৰ এটি প্ৰাৰ্থনা শুনি লৈ তাৰ পাছত যিহকে উচিত বুলি ভাবে তাকে কৰিব। ৰাজ অভিষেকৰ সকলো সামগ্ৰী প্ৰস্তুত কৰি অনা হৈছে; প্ৰভুৰ যদি মনত ভাল লাগে তেন্তে তাক সফল কৰি তোলক। ৪ ॥

দোঃ—ভাই শত্ৰুঘ্নৰ লৈতে মোক বনলৈ পঠাওক আৰু আপুনি (ৰজা হৈ) সকলোকে সনাথ কৰক। সিমানতো যদি নহয়, দুয়ো ভাই লক্ষ্মণ আৰু শত্ৰুঘ্নক যেনে তেনেই ঘূৰাই পঠাওক, মই আপোনাৰ লগত যাওঁ। ২৬৮ ॥

চৌঃ—অথবা আমি তিনিও ভাই বনলৈ যাওঁ; হে ৰঘুনাথ! সীতাদেৱীৰে লৈতে আপুনি ঘূৰি যাওকগৈ। হে করুণাসাগৰ, যি কৰিলে প্ৰভুৰ মন প্ৰসন্ন হয়, আপুনি তাকে কৰক। হে দেৱ! আপুনি সমস্ত দায়িত্ব মোৰ ওপৰতে দিলে; কিন্তু মোৰ নীতিৰ বিচাৰো নাই, ধৰ্মৰ বিচাৰো নাই। মই সকলো কথা মোৰ নিজৰ স্বাৰ্থৰ কাৰণেই কৈ আছোঁ। আতুৰ লোকৰ চিত্তত চেতনা (হিতাহিত জ্ঞান) নাথাকে। ১।২ ॥

স্বামীৰ আদেশ শুনি যি উত্তৰ দিয়ে, তেনে সেৱকক দেখি লজ্জায়ো লাজ পায়। মই দুৰ্গুণৰ অথাই সাগৰ-স্বৰূপ (আপোনাৰ কথাত উত্তৰ দিছোঁ)। কিন্তু স্নেহবশতঃ স্বামীয়ে মোক প্ৰশংসা কৰি ভাল বুলি কৈছে। ৩ ॥

হে কৃপালু! এতিয়া মোৰ সেই সিদ্ধান্তকে ভাল লাগিব, যাৰ কাৰণে

স্বামীৰ মনত কোনো শংকা নাথাকিব। প্ৰভুৰ চৰণৰে শপত, মই কৰি কৈছোঁ, জগতৰ কল্যাণ সাধনৰ বাবে ইয়ে একমাত্ৰ উপায়।

দোঃ—সংকোচ ভাব ত্যাগ কৰি প্ৰসন্ন মনেৰে প্ৰভুৱে যাকে যি আদেশ দিব, তাকে সকলোৱে শিৰোধাৰ্য কৰি পালন কৰিব। সকলো পীড়া আৰু সমস্যাৰ অন্ত পৰিব।" ২৬৯ ॥

চৌঃ—ভৰতৰ পবিত্ৰ বচন শুনি দেৱতাসকল আনন্দিত হ'ল আৰু 'সাধু, সাধু' বুলি প্ৰশংসা কৰি পুষ্পবৃষ্টি কৰিবলৈ ধৰিলে। অযোধ্যাবাসীসকল দোধৰ-মোধৰ হৈ থাকিল (ৰামে বা কি কয় এই বুলি) আৰু তপস্বী তথা বনবাসীসকল (ৰাম বনত থাকিব বুলি) আনন্দিত হ'ল; কিন্তু ৰাম থত্‌মত্‌ খাই মনে মনে ৰ'ল। প্ৰভুৰ এই অৱস্থা দেখি সমস্ত সভা চিন্তাত পৰিল। সেই সময়তে জনকৰ দূত আহিল। এই কথা শুনি বশিষ্ঠই তুৰন্তে দূতক মতাই আনিলে। ১।২ ॥

দূতে প্ৰণাম কৰি শ্ৰীৰামৰ ফালে চালে। তেওঁ ৰামৰ বেশ দেখি অতি দুঃখিত হ'ল। বশিষ্ঠ মুনিয়ে দূতক সুধিলে—"বিদেহৰাজৰ কুশল-সংবাদ কোৱাঁ। সেই কথা শুনি দূতে নম্ৰভাবে মাটিত মূৰ লগাই হাত-যোৰ কৰি ক'লে—হে স্বামী, হে গোসাঁই, আপুনি যে আদৰ পূৰ্বক প্ৰশ্ন কৰিলে, সেয়ে কুশলৰ হেতুস্বৰূপ হৈছে। ৩।৪ ॥

দোঃ—নহ'লে কুশল-মংগল সকলো কোশলৰাজ দশৰথৰ লগতে গ'ল। হে নাথ! [দশৰথৰ মৃত্যুত] সমস্ত জগতেই অনাথ হ'ল; কিন্তু মিথিলা আৰু অযোধ্যা বিশেষকৈ অনাথ হৈ পৰিল। ২৭০ ॥

চৌঃ—অযোধ্যাপতিৰ মৃত্যু হোৱা শুনি জনকপুৰৰ সকলো মানুহ শোকত বাউল হৈ পৰিছে। এইসময়ত বিদেহ জনকক যি দেখিছে, তেওঁলোকৰ ভিতৰত কাৰেইবা এই অনুভৱ হোৱা নাই যে জনকৰ বিদেহ (দেহহীন) নাম সাৰ্থক হৈছে? ১ ॥

ৰাণী কৈকেয়ীৰ ষড়যন্ত্ৰৰ কথা শুনি, মণি কাঢ়ি নিয়া সাপৰ দৰে জনক ৰজাই একো বুজিব নোৱাৰিলে; কিন্তু ভৰতৰ ৰাজ্যলাভ আৰু ৰামৰ বনবাসৰ কথা শুনি তেওঁ মনতে বৰ দুখ পালে। ২ ॥

ৰজাই বিদ্বান্ আৰু মন্ত্ৰীসকলক সুধিলে—আপোনালোকে ভাবি চিন্তি কওক, এই সময়ত কি কৰা উচিত। অযোধ্যাৰ পৰিস্থিতিৰ কথা বুজি আৰু দুয়োফালেই সিদ্ধান্ত ল'ব নোৱাৰি অযোধ্যালৈ যাওক বা 'থাকক' বুলি কোনো-ৱেই একো নক'লে। ৩ ॥

তেতিয়া ৰজাই ধৈৰ্য ধৰি মনতে ভাবি চিন্তি চাই চাৰিজন গুপ্তচৰক এইবুলি কৈ অযোধ্যালৈ পঠাই দিলে—তোমালোক ভৰতৰ সদ্ভাব-অসদ্ভাবৰ ভু লৈ সোনকালে ঘূৰি আহাঁগৈ। কোনেও যাতে তোমালোকক চিনি নাপায়। ৪ ॥

দোঃ—গুপ্তচৰ কেইজন অযোধ্যালৈ গ'ল আৰু ভৰতৰ গতি-মতি বুজি আৰু তেখেতৰ কাৰ্যাবলী দেখি, ভৰত চিত্ৰকূটলৈ অহাৰ লগে লগে তেওঁলোক মিথিলালৈ ঘূৰি গ'ল। ২৭১ ॥

চৌঃ—গুপ্তচৰসকলে ঘূৰি আহি জনকৰ ৰাজসভাত নিজৰ বুদ্ধি অনুসৰি ভৰতৰ কামবিলাকৰ কথা বৰ্ণাই ক'লে। সেইকথা শুনি গুৰু, পৰিয়াল-পৰিজন, মন্ত্ৰী, ৰজা সকলো চিন্তাত পৰিল আৰু স্নেহভাৱত ব্যাকুল হ'ল। তাৰ পাছত জনকে ধৈৰ্য ধৰি আৰু ভৰতৰ মহত্ত্ব বখানি শ্ৰেষ্ঠ যোদ্ধা আৰু পৰিষদবৰ্গক মতাই অনালে। ঘৰ, নগৰ আৰু দেশত ৰক্ষকসকলৰ ব্যৱস্থা কৰি ঘোঁৰা, হাতী, ৰথ আদি বহুত যান-বাহন সজ্জিত কৰিলে। ১।২ ॥

তেখেতে দুই দণ্ডসময় ভাবি চিন্তি চাই ততালিকে যাত্ৰা কৰিলে। ৰজাই পথত ক'তো জিৰণিও লোৱা নাই। আজি পুৱাতে প্ৰয়াগত স্নান কৰি আকৌ যাত্ৰা আৰম্ভ কৰিলে। সকলো মানুহ যমুনা পাৰ হ'বলৈ ধৰোঁতেই, হে নাথ, খবৰ ল'বলৈ ৰজাই আমাক পঠাই দিছে।" এইবুলি কৈ দূতে মাটিত মূৰ লগাই প্ৰণাম কৰিলে। বশিষ্ঠ মুনিয়ে ছয়-সাতজনমান ভীললোক লগত দি তুৰন্তে দূতক বিদায় দিলে। ৩।৪ ॥

দোঃ—জনক অহা বুলি শুনি অযোধ্যাৰ সমস্ত সমাজ আনন্দিত হ'ল; ৰামৰ মনত শংকা জন্মিল আৰু দেৱৰাজ ইন্দ্ৰ চিন্তাত বিবশ হৈ পৰিল। ২৭২ ॥

চৌঃ—কুটিল স্বভাৱৰ কৈকেয়ী মনে মনে অনুতাপত দগ্ধ হ'বলৈ ধৰিলে। তেওঁ কাক ক'ব, কাকেইবা দোষ দিব? আনহাতে নৰ-নাৰীসকল এই বুলি ভাবি আনন্দিত হ'ল—আৰু চাৰিদিনমান থাকিবলৈ পাম। ১ ॥

এইদৰে দিনটো পাৰ হ'ল। পাছদিনা ৰাতিপুৱা সকলো স্নান কৰিবলৈ গ'ল। স্নান কৰি সকলো নৰ-নাৰীয়ে গণেশ, পাৰ্বতী, মহাদেৱ আৰু সূৰ্যৰ পূজা কৰিলে। তাৰ পাছত লক্ষ্মীপতি বিষ্ণুৰ পাদ-বন্দনা কৰি, দুয়ো হাত যোৰ কৰি লৈ আঁচল পাতি এইবুলি প্ৰাৰ্থনা কৰিবলৈ ধৰিলে—"ৰাম ৰজা হয় যেন আৰু সীতা যেন ৰাণী হয়। ৰাজধানী অযোধ্যা যেন আনন্দৰ সীমা স্বৰূপ হওক। পুনৰ সকলো পুৰবাসী সুখেৰে বাস কৰক আৰু ৰামে ভৰতক যুবৰাজ পাতক। হে দেৱ! এই সুখৰূপী অমৃত ছটিয়াই জগতত সকলোৱে জন্ম সাৰ্থক কৰক। ২—৪ ॥

দো:—গুৰু, সমাজ আৰু ভ্ৰাতৃসকলেৰে সৈতে শ্ৰীৰামে অযোধ্যাত ৰাজত্ব কৰক আৰু শ্ৰীৰাম ৰজা হৈ থকোঁতেই যেন অযোধ্যাতে আমাৰ মৃত্যুও হয়।" সকলোৱে ইয়াকে প্ৰাৰ্থনা কৰিলে। ২৭৩ ॥

চৌ:—অযোধ্যাবাসীসকলৰ এই প্ৰেমপূৰ্ণ বচন শুনি জ্ঞানী মুনিসকলেও নিজৰ যোগ আৰু বৈৰাগ্যৰ নিন্দা কৰিলে। অযোধ্যাবাসীয়ে এইদৰে নিত্য কৰ্ম পালন কৰি পুলকিত শৰীৰেৰে শ্ৰীৰামক প্ৰণাম কৰে। উচ্চ, নীচ আৰু মধ্যম—সকলো শ্ৰেণীৰ নৰ-নাৰীয়েই নিজৰ ভাৱ অনুসৰি শ্ৰীৰামৰ দৰ্শন লাভ কৰে। অতি যত্নেৰে সৈতে ৰামে সকলোকে মান-সৎকাৰ কৰে আৰু সকলোৱেই কৃপানিধি ৰামক প্ৰশংসা কৰে। ২ ॥

ল'ৰাকালৰেপৰা প্ৰীতি অনুসৰি নীতি পালন কৰাটো ৰামৰ নিয়ম আছিল। ৰাম সুচৰিত্ৰ আৰু নম্ৰতাৰ সমুদ্ৰস্বৰূপ। তেওঁৰ চকু-মুখ সুন্দৰ আৰু স্বভাৱ সৰল। ৩ ॥

ৰামৰ গুণসমূহ বখানি সকলো মানুহ অনুৰাগত নিমগ্ন হ'ল আৰু সকলোৱে নিজৰ ভাগ্যক প্ৰশংসা কৰিবলৈ ধৰিলে। ৰামে যাক আপোন বুলি ভাবিছে, সেই আমাৰ সমান শ্ৰেষ্ঠ পুণ্যশালী জগতত অতি কম আছে। ৪ ॥

দো:—সকলো মানুহ এইদৰে প্ৰেমত মগ্ন হৈ আছে; সেই সময়তে মিথিলাপতি জনক আহিছে বুলি শুনি সূৰ্যবংশৰূপী কমলৰ কাৰণে সূৰ্যস্বৰূপ শ্ৰীৰাম সভা সমন্বিতে শ্ৰদ্ধাৰে সৈতে তত্ক্ষণাতে থিয় হ'ল। ২৭৪ ॥

চৌ:—ভ্ৰাতৃসকল, মন্ত্ৰীসকল, গুৰু বশিষ্ঠ আৰু পুৰবাসীসকলক লৈ ৰামচন্দ্ৰ আগবাঢ়ি গ'ল। জনকে (ৰামে বাস কৰা) পৰ্বতটো দেখিয়েই প্ৰণাম জনাই ৰথ এৰি (খোজ) দিলে। ১ ॥

ৰামক দৰ্শন কৰাৰ হেঁপাহ আৰু উলাহত কোনেও বাটৰ ভাগৰ আৰু কষ্ট অনুভৱ নকৰিলে। তেওঁলোকৰ মনবোৰ আছিল তাত, য'ত ৰাম আৰু সীতা আছিল। মনটো নাথাকিলে শৰীৰত কোনে সুখ-দুখ অনুভৱ কৰিব? ২ ॥

এইদৰে জনক আহি আছে। সমাজ সমন্বিতে তেওঁৰ মনে প্ৰেমত উন্মাদন। ওচৰ চাপি অহা দেখি সকলো প্ৰেম-ভাৱত তন্ময় হৈ পৰিল; ইজনে সিজনক হেঁপাহেৰে সাৱটি ধৰিলে। ৩ ॥

জনকে (অযোধ্যাবাসী) মুনিসকলৰ চৰণ বন্দনা কৰিলে আৰু ৰামে (মিথিলাৰ) ঋষিসকলক প্ৰণাম কৰিলে। তাৰ পাছত ভ্ৰাতৃসকলেৰে সৈতে ৰামে

জনকক দেখা-সাক্ষাৎ কৰি তেখেতক সমাজ সমন্বিতে নিজৰ আশ্ৰমলৈ লৈ গ'ল। ৪ ॥

দোঃ—ৰামৰ আশ্ৰম শান্তৰসেৰে পৰিপূৰ্ণ সমুদ্ৰ; জনকৰ সৈন্যবাহিনী যেন কাৰুণ্যৰ নদী, ৰামে এই নদী আগবঢ়াই লৈ গৈছে। ২৭৫ ॥

চৌঃ—এই নদীয়ে জ্ঞান-বৈৰাগ্যৰ পাৰ ওপচাই নিছে। শোকপূৰ্ণ বচন এই নদীত পৰা নদ-নলা; চিন্তাৰ দীঘলীয়া হুমুনিয়াবোৰ হ'ল বতাহে তোলা ঢৌ; এই ঢৌবোৰে ধৈৰ্যৰূপী পাৰত গজা গছবোৰ বিনষ্ট কৰি নিছে। বিষম বিষাদেই হ'ল এই নদীৰ তীব্ৰ ধাৰা; ভয় আৰু ভ্ৰান্তিয়েই হ'ল অসংখ্য চাকনৈয়া আৰু পকনীয়া; বিদ্বানসকল নাৱৰীয়া আৰু বিদ্যা ডাঙৰ নাও; কিন্তু সেই নাওখন তেওঁলোকে পাৰ কৰি নিব পৰা নাই; কোনেও পাৰ হ'বলৈ মোৰকে পোৱা নাই। ১।২ ॥

বনচৰ কিৰাত, কোল প্ৰভৃতি নিৰীহ লোকসকল হ'ল যাত্ৰী, এই নদী দেখা মাত্ৰকে তেওঁলোক মনে-মনে হতাশ হৈ ভাগৰি পৰিল। এই নদী যেতিয়া আশ্ৰম ৰূপী সমুদ্ৰত পৰিলগৈ তেতিয়া সমুদ্ৰহে যেন উথলি পৰিল। দুয়োখন ৰাজ সমাজ শোকত বিয়াকুল হৈ পৰিল। কাৰো জ্ঞান-শ্ৰুতি নোহোৱা হ'ল, ধৈৰ্য হেৰাল, লাজৰ কথাও পাহৰিলে। ৰজা দশৰথৰ ৰূপ, গুণ আৰু সুচৰিত্ৰৰ প্ৰশংসা কৰি সকলোৱে শোক-সাগৰত নিমগ্ন হৈ মাত্ৰ কান্দিছে। ৩।৪ ॥

ছঃ—শোক-সাগৰত নিমগ্ন হৈ সকলো নৰ-নাৰীয়ে অতি ব্যাকুলভাৱে চিন্তা কৰিছে। তেওঁলোক সকলোৱে বিধাতাক দোষ দি খঙত এই বুলি কৈছে—"প্ৰতিকূল বিধিয়ে এইখন কি কৰিলে।" তুলসীদাসে কৈছে—দেৱতা, সিদ্ধ, তপস্বী, যোগী আৰু মুনিসকলৰ ভিতৰত এনে কোনো নাছিল যি সেই সময়ত জনকৰ অৱস্থা দেখি স্নেহৰ নদী পাৰ হৈ যাব পৰিছিল (সকলোৱেই স্নেহত মগ্ন হৈছিল)।

সোঃ—য'তে ত'তে শ্ৰেষ্ঠ মুনিসকলে মানুহবোৰক অজস্ৰ উপদেশ দিয়াত লাগি গ'ল আৰু বশিষ্ঠ মুনিয়ে জনকক ক'লে—"হে ৰাজন্, আপুনি ধৈৰ্য ধৰক। ২৭৬ ॥

চৌঃ—যাৰ জ্ঞানে সূৰ্যৰ দৰে ভৱৰাত্ৰি নাশ কৰে আৰু যাৰ বচনে সূৰ্যৰ কিৰণে কমল বিকশিত কৰাৰ দৰে মুনিসকলক আনন্দিত কৰে; মোহ-মমতা সেইজন জনকৰ ওচৰলৈ কি যাব পাৰে? এয়া ৰাম-সীতাৰ প্ৰতি থকা প্ৰেমৰ (বাৎসল্যৰ) মহিমাহে। ১ ॥

বিষয়ী, সাধক আৰু জ্ঞানী সিদ্ধপুৰুষ—বেদত এই তিনি বিধ জীৱৰ

কথা কোৱা হৈছে, এইসকলৰ ভিতৰত যাৰ চিত্ত ৰামৰ প্ৰতি অনুৰাগৰ ৰসেৰে সিক্ত হৈ আছে, সাধুসমাজত তেওঁ অতি আদৰৰ পাত্ৰ। ৰামৰ প্ৰতি প্ৰেমৰ অবিহনে (জগতত) জ্ঞানে শোভা নাপায়; সেয়া কৰ্ণধাৰবিহীন নৌকাৰ নিচিনা হয়। "এইদৰে বশিষ্ঠই জনকক নানা প্ৰকাৰে সান্ত্বনা দিলে। তাৰ পাছত সকলোৱে ৰামৰ ঘাটত স্নান কৰিলে। ২।৩ ॥

স্ত্ৰী-পুৰুষ সকলো শোক-মগ্ন হ'ল। সেই দিনটো পানী এটুপিও মুখত নিদিয়াকৈ পাৰ হ'ল। পশু-পক্ষী আৰু হৰিণাবিলাকেও একো আহাৰ নকৰিলে, তেনেস্থলত প্ৰিয়জন আৰু আত্মীয়-স্বজনসকলৰ কথা আৰু ক'বলৈ কি আছে? ৪ ॥

দোঃ—নিমিৰাজ জনক আৰু ৰঘুৰাজ ৰাম তথা দুয়ো পক্ষৰ অন্য সভাসদ-সকলে পাছদিনা পুৱাতে স্নান কৰি বড়গছৰ তলত বহিলেগৈ। সকলোৰে মন উদাস আৰু শৰীৰ দুৰ্বল। ২৭৭ ॥

চৌঃ—দশৰথৰ নগৰত বাস কৰা আৰু মিথিলাত বাস কৰা ব্ৰাহ্মণসকল আৰু সূৰ্যবংশৰ গুৰু বশিষ্ঠ তথা জনকৰ পুৰোহিত শতানন্দ প্ৰভৃতি এই সংসাৰ-মাৰ্গ তথা পৰমাৰ্থ মাৰ্গ উভয়ৰে জ্ঞাতাসকলে ধৰ্ম, নীতি, বৈৰাগ্য তথা বিবেক-যুক্ত অনেক উপদেশ দিবলৈ ধৰিলে। বিশ্বমিত্ৰই অনেক প্ৰাচীন কথা শুনাই সমস্ত সমাজকে সুন্দৰ বাণীৰে সান্ত্বনা দিলে ১।২ ॥

তেতিয়া ৰামে বিশ্বমিত্ৰক ক'লে—"হে নাথ! কালি সকলোজনেই পানী এটোপাও নোখোৱাকৈ কটালে।" মুনিয়ে ক'লে—"ৰঘুনাথে উচিত কথাকে কৈছে। আজিও ভবদুপৰ হ'লহি।" ৩ ॥

বিশ্বামিত্ৰৰ মনৰ ভাব বুজি জনকে ক'লে—"ইয়াত অন্ন গ্ৰহণ কৰাটো উচিত নহ'ব।" তেওঁৰ সেই সুন্দৰ কথা সকলোৰে মনত ভাল লাগিল। আজ্ঞা লৈ সকলো স্নান কৰিবলৈ গ'ল। ৪ ॥

দোঃ—সেই সময়তে বনবাসী লোকসকলে ভাৰ বান্ধি বান্ধি ফল, ফুল, পাত, আলু আদি অনেক প্ৰকাৰৰ দ্ৰব্য লৈ আহি উপস্থিত হ'ল। ২৭৮ ॥

চৌঃ—শ্ৰীৰামৰ প্ৰসাদত সেই পৰ্বত কাম্য বস্তু দান কৰোঁতা হৈ পৰিল। দেখামাত্ৰকে সেই পৰ্বতে দুখ হৰণ কৰিলে। তাৰ নদী, সৰোবৰ, বনভূমি, সকলোতে যেন আনন্দ-অনুৰাগ উপচি পৰিলে। গছ-লতাবোৰ ফল-ফুলেৰে ভৰি পৰিল। পশু-পক্ষী আৰু ভোমোৰাবোৰে মন ভাল লাগি যোৱা মাত মাতিবলৈ ধৰিলে। সেই সময়ত বনত উলহ-মালহ লাগি পৰিল; সকলোকে

আনন্দ দান কৰা ত্ৰিবিধ বায়ু ব'বলৈ ধৰিলে। বনৰ সুষমা বৰ্ণনা কৰিব নোৱাৰি ; যেন পৃথিৱীয়েহে জনকৰ আতিথ্য-সৎকাৰ কৰিছে। তেতিয়া জনকপুৰবাসী লোকসকলে স্নান কৰি উঠি ৰামচন্দ্ৰ, জনক ৰজা আৰু মুনিসকলৰ আদেশ পাই সুন্দৰ গছবোৰ চাই চাই আনন্দতে যেনিয়ে তেনিয়ে যাবলৈ ধৰিলে। চাৰিওফালে পবিত্ৰ, সুন্দৰ আৰু অমৃত-তুল্য নানা তৰহৰ ফল-মূল, কন্দ, পত্ৰই শোভা কৰিছে।

দোঃ—ৰামৰ গুৰু বশিষ্ঠই আদৰেৰে সৈতে সকলোলৈকে ভাৰে ভাৰে পঠাবলৈ ধৰিলে। সকলোৱে পিতৃগণ, দেৱতা, অতিথি আৰু গুৰুক অৰ্চনা কৰি ফলাহাৰ কৰিবলৈ ধৰিলে। ২৭৯॥

চৌঃ—এইদৰে চাৰিদিন পাৰ হ'ল। ৰামক দেখা পাই সকলো নৰ-নাৰী সুখী হ'ল। দুয়োখন ৰাজ্যৰে সমাজুৱাসকলৰ মনত এনে ইচ্ছা জন্মিল—ৰাম-সীতাৰ অবিহনে ঘূৰি যোৱাটো ভাল নহ'ব। ৰাম-সীতাৰ লগত বনত বাস কৰাটোও কোটি কোটি দেৱলোকত বাস কৰাৰ নিচিনা সুখৰ কথা। ৰাম, লক্ষ্মণ আৰু সীতাক এৰি, যি ঘৰখনহে ভাল পায়, নিশ্চয় তেওঁৰ প্ৰতি বিধি অসন্তুষ্ট। ১।২॥

যেতিয়া দৈৱ সকলোৱে অনুকূল হয়, তেতিয়াহে শ্ৰীৰামৰ সৈতে বনত বাস কৰিবলৈ পায়। তিনি বেলা মন্দাকিনীত স্নান, আনন্দ আৰু কল্যাণৰ মালাস্বৰূপ শ্ৰীৰাম দৰ্শন, শ্ৰীৰামে বাস কৰা পৰ্বত, বন আৰু তপস্বীসকলৰ স্থানসমূহত বিচৰণ আৰু অমৃততুল্য কন্দ, মূল তথা ফলৰ ভোজন কৰি কটালে চৈধ্যটা বছৰ এটা পলকৰ দৰে হৈ পৰিব ; কেতিয়ানো পাৰ হৈ যাব ক'বই পৰা নহ'ব। ৩।৪॥

দোঃ—সকলো মানুহে ক'বলৈ ধৰিলে—"আমি এই সুখৰ যোগ্য নহওঁ ; আমাৰ এনেকুৱা ভাগ্য ক'ত ঘটিব ?" দুয়োফালৰে প্ৰজাসকলৰ মন শ্ৰীৰামৰ চৰণৰ প্ৰতি স্বাভাৱিক অনুৰাগেৰে ভৰা আছিল। ২৮০॥

চৌঃ—সকলোৱে এইদৰে মনতে বাঞ্ছা কৰিলে। তেওঁলোকৰ প্ৰেমপূৰ্ণ বচন শুনিলে মন মুগ্ধ হৈ যায়। সেই সময়তে সীতাৰ মাতৃয়ে পঠিয়াই দিয়া দাসীসকলো সুন্দৰ সুযোগ দেখি আগবাঢ়ি আহিল। সেই দাসীসকলৰপৰা যেতিয়া জানিব পাৰিলে যে সীতাৰ শাহুয়েকসকল এতিয়া আজৰি হৈ আছে, তেতিয়া জনকৰ অন্তেষপুৰৰ ৰমণীসকলে তেওঁলোকক সাক্ষাৎ কৰিবলৈ আহিল। কৌশল্যাই তেওঁলোকক আদৰ-সৎকাৰ জনালে আৰু সময়োচিত আসন দান কৰিলে। ১।২॥

দুয়োপক্ষৰে নাৰীসকলৰ সুচৰিত্ৰ আৰু স্নেহভাৱ দেখি আৰু শুনি কঠোৰ বজ্ৰও যেন পমি যায। শৰীৰ পুলকিত আৰু শিথিল হৈ গৈছে, চকু প্ৰেম আৰু শোকৰ লোতকেৰে ভৰি পৰিছে। সকলোৱে ভৰিৰ নখেৰে মাটি খুচৰি খুচৰি চিন্তা কৰিবলৈ ধৰিলে। ৩॥

যেন সকলোটিয়ে ৰাম-সীতাৰ প্ৰতি মূৰ্তিমান প্ৰেমহে আৰু যেন স্বয়ং কাৰুণ্যইহে নানা ৰূপ ধৰি দুখ কৰিব লাগিছে। সীতাৰ মাকে ক'লে—"বিধাতাৰ বুদ্ধি অতি কুটিল; তেওঁ গাখীৰৰ ফেন যেন কোমল বস্তু বজ্ৰৰ আগটোৰে ফুটুৱায়। ৪॥

দোঃ—অমৃতৰ কথা কেৱল শুনিবলৈহে পোৱা যায়; কিন্তু বিষ হ'লে য'তে ত'তে পোৱা যায়। বিধাতাৰ সকলো কামেই অতি ভয়ংকৰ। কাউৰী, ফেঁচা আৰু বগলী য'তে ত'তে পায়; কিন্তু ৰাজহংস কেৱল মানস সৰোবৰতহে থাকে।" ২৮১॥

চৌঃ—এই কথা শুনি ৰাণী সুমিত্ৰাই শোক কৰি ক'লে—"বিধাতাৰ গতি অতি বিপৰীত আৰু বিচিত্ৰ। বিধাতাই সৃষ্টি কৰি পালন কৰে, তাৰ পাছত আকৌ বিনষ্ট কৰিও পেলায়। বিধাতাৰ মতি-বুদ্ধি সৰু ল'ৰাৰ ধেমালিৰ নিচিনা।" ১॥

কৌশল্যাই কলে—"দোষ কাৰো নাই। সুখ-দুখ, লাভ-লোকচান, সকলো কৰ্মৰ অধীন। কৰ্মৰ গতি অতি দুৰ্বোধ্য। ইয়াক বিধাতাইহে জানে আৰু এই বিধাতায়েই শুভ-অশুভ সকলো ফল দান কৰে। ঈশ্বৰৰ আদেশ সকলোৰে শিৰৰ ওপৰত; (আনহে নালাগে) সৃষ্টি, স্থিতি আৰু প্ৰলয় তথা অমৃত আৰু বিষৰো ওপৰত। হে দেৱী, মোহবশতঃ চিন্তা কৰি লাভ নাই। বিধাতাৰ প্ৰপঞ্চ এইদৰে অবিচলিত আৰু অনাদি। মহাৰাজ দশৰথৰ মৃত্যু আৰু জীৱনকালৰ কথা মনে মনে স্মৰণ কৰি আমি যিবোৰ চিন্তা কৰিছোঁ, হে সখী! সেই সকলোবোৰ আমাৰ নিজৰ স্বাৰ্থহানি হোৱা দেখিহে কৰিছোঁ।" সীতাৰ মাকে ক'লে—"আপোনাৰ কথাখিনি অতি সত্য আৰু উত্তম। আপুনি পুণ্যাত্মাসকলৰ পৰাকাষ্ঠাস্বৰূপ অযোধ্যাপতি দশৰথৰহে পত্নী (এনে কথা কোৱাটো স্বাভাবিক)।" ২॥

দোঃ—কৌশল্যাই দুখভৰা অন্তৰেৰে ক'লে—"ৰাম, লক্ষ্মণ আৰু সীতা বনলৈ যাওক, ইয়াৰ পৰিণাম ভালেই হ'ব, বেয়া নহয়। মই কিন্তু ভৰতৰ কথাহে চিন্তা কৰিছোঁ। ২৮২॥

চৌঃ—ঈশ্বৰৰ অনুগ্ৰহ আৰু আপোনালোকৰ আশীৰ্বাদত মোৰ পুত্ৰসকল আৰু বোৱাৰীসকল গংগাজলৰ দৰে পৱিত্ৰ। সখী, মই আগতে কেতিয়াও ৰামৰ শপত খাই কথা কোৱা নাই; কিন্তু আজি ৰামৰ শপত খাই সত্য কৰি কৈছোঁ—ভৰতৰ সুচৰিত্ৰ, গুণ, নম্ৰতা, মহত্ব, ভ্ৰাতৃত্ব, ভক্তি আৰু ভৰসা তথা সততাৰ বৰ্ণনা কৰিবলৈ সৰস্বতীৰ বুদ্ধিয়েও সংকোচ কৰিব। কৰবাত নো শামুকত সমুদ্ৰ সোমাব পাৰে নে? ১।২ ॥

মই সদায় ভৰতক কুলৰ প্ৰদীপ জ্ঞান কৰোঁ। মহাৰাজেও বাৰে বাৰে মোক এই কথা কৈছিল।" সোণ কষটি শিলত ঘঁহালে আৰু ৰত্ন জোহৰীৰ হাতত পৰিলে চিনিব পাৰি। সেইদৰে পুৰুষৰ পৰীক্ষাও সময়ত তেওঁৰ স্বভাৱৰ পৰাই পোৱা যায়। ৩ ॥

কিন্তু আজি মই এই কথা কোৱাও অনুচিতহে হৈছে। শোক আৰু স্নেহৰ সময়ত বিবেচনা হ্ৰাস পায়।" কৌশল্যাৰ এই গংগাৰ নিচিনা পৱিত্ৰ বচন শুনি সকলো ৰাণী স্নেহত গদ্‌গদ হৈ পৰিল। ৪ ॥

দোঃ—কৌশল্যাই ধৈৰ্য ধৰি আকৌ ক'লে—দেৱী মিথিলেশ্বৰী শুনক। বিবেকৰ ভাণ্ডাৰস্বৰূপ জনকৰ পত্নী আপোনাক কোনে উপদেশ দিব পাৰে? ২৮৩॥

চৌঃ—হে ৰাণী, সুবিধা বুজি আপুনি নিজৰ ফালৰপৰা যিমান পাৰি ৰজাক বুজাই কওকচোন যাতে লক্ষ্মণক ঘৰত ৰখা হয় আৰু ভৰতক বনলৈ পঠোৱা হয়। যদি ৰজাৰ মনত এই সিদ্ধান্ত ভাল যেন লাগে তেনেহ'লে সুন্দৰকৈ বিচাৰ-বিবেচনা কৰি এই যত্নত তৎপৰ হওক। ভৰতৰ কাৰণে মোৰ বৰ চিন্তা হৈছে। ভৰতৰ মনত প্ৰেম লুকাই আছে। তেওঁৰ ঘৰত থকাটো ভাল কথা হ'ব বুলি মোৰ মনে ধৰা নাই।" ১—২ ॥

কৌশল্যাৰ স্বভাৱ দেখি আৰু তেওঁৰ সৰল তথা উত্তম বচন শুনি সকলো ৰাণী কৰুণৰসত নিমগ্ন হৈ পৰিল। আকাশৰপৰা পুষ্পবৃষ্টি হ'বলৈ ধৰিলে। আৰু 'ধন্য ধন্য' ধ্বনি উচ্চাৰিত হ'ল। সিদ্ধ, যোগী আৰু মুনিসকল স্নেহত তন্ময় হৈ পৰিল। অন্তঃপুৰবাসী সমস্ত ৰমণীগণো দেখি স্তম্ভিত হ'ল। তেতিয়া সুমিত্ৰাই ধৈৰ্য ধৰি ক'লে—"হে দেৱী, ৰাতি দুই দণ্ড পাৰ হ'ল।" সেই কথা শুনি প্ৰীতিভাৱেৰে সৈতে কৌশল্যা উঠিল। ৩।৪ ॥

দোঃ—আৰু তেওঁ সদ্ভাৱেৰে সৈতে ক'লে—"এতিয়া আপুনি সোনকালে শিবিৰলৈ ঘূৰিবৰ হ'ল। আমাৰ কাৰণে এতিয়া ঈশ্বৰেহে গতি হৈছে; অথবা মিথিলাপতি আমাৰ সহায় হ'ব।" ২৮৪ ॥

কৌশল্যাৰ মৰম-স্নেহ দেখি আৰু তেওঁৰ বিনম্র বচন শুনি জনকৰ প্ৰিয়পত্নীয়ে কৌশল্যাৰ চৰণত ধৰি ক'লে—"হে দেৱী, আপুনি ৰজা দশৰথৰ পত্নী আৰু শ্ৰীৰামৰ মাতৃ ; গতিকে আপোনাৰ এই নম্রতা নিতান্ত স্বাভাৱিক। ১॥

প্ৰভুৱে নিজৰ নিম্ন শ্ৰেণীৰ ভৃত্যকো আদৰ কৰে ; অগ্নিয়ে ধোঁৱাক আৰু পৰ্বতে বনক মূৰত তুলি লয়। আমাৰ ৰজা (জনক) কৰ্ম, মন আৰু বচনেৰে সৈতে আপোনাৰ সেৱক ; আপোনাৰ চিৰ-সহায় হৈছে শিৱ-পাৰ্বতীহে। জগতত আপোনাৰ সহায়ক হ'ব পৰা কোন আছে ? চাকিয়ে সূৰ্যক সহায় কৰিবলৈ গ'লে জানো শোভা পায় ? ৰামে বনলৈ গৈ দেৱকাৰ্য সাধন কৰি অযোধ্যাত অভগন ৰাজ্য ভোগ কৰিব। দেৱতা, নাগ আৰু মনুষ্য—এই সকলোৱেই ৰামৰ বাহু-বলৰ আশ্ৰয়ত নিজ নিজ স্থানত সুখেৰে বাস কৰিব। এই সকলো কথা যাজ্ঞ-বল্ক্যই আগতেই কৈ থৈছে। হে দেৱী, মুনিৰ বচন কেতিয়াও ব্যৰ্থ হ'ব নোৱাৰে।" ২—৪॥

দোঃ—এইবুলি কৈ (জনক পত্নীয়ে) প্ৰীতিভাৱেৰে চৰণত পৰি সীতাক লগত পঠাবলৈ অনুৰোধ কৰিলে কৰিলে আৰু অনুমতি পাই সীতাক লগত লৈ সীতাৰ মাতৃ শিবিৰলৈ ঘূৰি গ'ল। ২৮৫॥

চৌঃ—জানকীয়ে নিজৰ প্ৰিয় আত্মীয়-কুটুম্বসকলক, যাক যেনে ধৰণে কৰিব লাগে সেইদৰে দেখা-সাক্ষাৎ কৰিলেগৈ। জানকীক তপস্বিনীৰ বেশত দেখি সকলো অতিশয় শোকত ব্যাকুল হৈ পৰিল। ১॥

ৰামৰ গুৰু বশিষ্ঠৰ অনুমতি লৈ জনকো শিবিৰলৈ ঘূৰিলে। তেওঁ আহি সীতাক দেখিবলৈ পালে। জনকে নিজৰ পবিত্ৰ স্নেহ আৰু প্ৰাণৰ অতিথি সীতাক বুকুত আঁকোৱালি ল'লে। তেওঁৰ হৃদয়ত [বাৎসল্য] প্ৰেমৰ সমুদ্ৰ উথলি উঠিল। ৰজাৰ মনটো যেন প্ৰয়াগত পৰিণত হ'ল ; তাত তেওঁ সীতাৰ প্ৰতি থকা স্নেহৰ অক্ষয় বটজোপা বাঢ়ি যোৱা দেখিবলৈ পালে। সেই অক্ষয় বটতে শ্ৰীৰামৰ প্ৰতি ওপজা প্ৰেমভাৱ বালমুকুন্দৰ দৰে সুশোভিত হৈ আছে। ২—৩॥

চিৰজীৱী মুনি মাৰ্কণ্ডেয় আকুল হৈ বুৰ যাওঁ যাওঁ অৱস্থাত। সেই বালকক আলম্বন কৰি বাচি যোৱাৰ দৰে জনক ৰজাৰ জ্ঞানো যেন কথমপিহে মোহগ্ৰস্ত নোহোৱাকৈ ৰৈছে। প্ৰকৃততে তত্ত্বজ্ঞ জনকৰ বুদ্ধি মোহগ্ৰস্ত হোৱা নাই ; বৰঞ্চ সেয়া ৰাম-সীতাৰ প্ৰতি স্নেহৰ মহাত্ম্যহে। ৪॥

দোঃ—পিতৃ-মাতৃৰ স্নেহত সীতা এনেদৰে বিকল হৈ পৰিল যে তেওঁ নিজকে

চন্তালিব নোৱাৰিলে। কিন্তু পৃথিবীৰকন্যা সীতাই সময়ৰ গুৰুত্ব বুজি আৰু শ্ৰেষ্ঠ ধৰ্ম সম্বন্ধে বিবেচনা কৰি চাই ধৈৰ্য ধৰিলে। ২৮৬ ॥

চৌঃ—সীতাক তপস্বিনীৰ বেশত দেখি জনকে স্নেহ আৰু বিশেষ সন্তোষ অনুভৱ কৰিলে। [তেওঁ ক'লে—] "আইজনী! তুমি দুয়ো কুল পবিত্ৰ কৰিলা। তোমাৰ নিৰ্মল যশস্যাৰে সমস্ত জগৎ উদ্ভাসিত হৈছে বুলি সকলোৱে কৈছে। তোমাৰ যশস্যাৰ নদী, দেৱনদী গংগাকো চেৰ পেলাই কোটি কোটি ব্ৰহ্মাণ্ডত ব'ব লাগিছে। গংগাই পৃথিৱীত তিনিখন ঠাই (হৰিদ্বাৰ, প্ৰয়াগ আৰু গংগাসাগৰ) শ্ৰেষ্ঠ কৰি তুলিলে; কিন্তু তোমাৰ কীৰ্তিনদীয়ে অনেক সন্ত-সমাজ [পবিত্ৰক্ষেত্ৰ] সৃষ্টি কৰিলে।" ১—২ ॥

পিতৃ জনকে এই স্নেহপূৰ্ণ সত্য আৰু সুন্দৰ কথা ক'লে; কিন্তু নিজৰ প্ৰশংসা শুনি লাজতে সীতাৰ মনটো কোঁচ খাই গ'ল। পিতাক আৰু মাকে তেওঁক আকৌ বুকুত আঁকোৱালি ধৰিলে আৰু হিতকৰ সুন্দৰ উপদেশ তথা আশীৰ্বাদ দিলে। ৩ ॥

সীতাই একো কোৱা নাছিল যদিও তেওঁৰ মনত এই বুলি সংকোচ হৈছিল যে ইয়াত ৰাতি থকাটো উচিত ন'হব। ৰাণীয়ে সীতাৰ মনৰ ভাৱ বুজিব পাৰি সেই কথা ৰজাক জনালে। তেতিয়া দুয়ো অন্তৰেৰে সৈতে সীতাৰ সুচৰিত্ৰ আৰু স্বভাৱৰ প্ৰশংসা কৰিলে। ৪ ॥

দোঃ—ৰজা-ৰাণীয়ে বাৰে বাৰে সীতাক বুকুত সাৱটি আদৰ-সাদৰকৈ বিদায় দিলে। চতুৰ ৰাণীয়ে সময় বুজি ৰজাক সুন্দৰকৈ ভৰতৰ অৱস্থা বৰ্ণনা কৰি ক'লে। ২৮৭ ॥

চৌঃ—সোণত সুগন্ধৰ নিচিনা আৰু চন্দ্ৰৰ সাৰ অমৃতৰ নিচিনা ভৰতৰ ব্যৱহাৰৰ কথা শুনি ৰজা পুলকিত হৈ পৰিল আৰু তেওঁ সজল নয়ন মুদি দিলে। মনে মনে আনন্দিত হৈ ভৰতৰ সুকীৰ্তিৰ প্ৰশংসা কৰিবলৈ ধৰিলে। [তেওঁ ক'লে—] "হে সুমুখী, সুনয়নী মনোযোগ দি শুনা। ভৰতৰ কথা ভৱ-বন্ধন বিমোচনকাৰী। ধৰ্ম, ৰাজনীতি আৰু ব্ৰহ্মবিষয়ক বিচাৰ—এই তিনিও ক্ষেত্ৰত মোৰ মতি অনুসৰি গতি (অৰ্থাৎ কিছু কথা মই জানো)। ১—২

মোৰ সেই বুদ্ধিয়ে ভৰতৰ মহিমাৰ কি বৰ্ণনা কৰিব? নানা ছল-কৌশল কৰিলেও সি সেই মহিমাৰ ছাঁটোকে স্পৰ্শ কৰিব নোৱাৰে। ব্ৰহ্মা, গণেশ, অনন্ত, মহাদেৱ, সৰস্বতী, কবি, জ্ঞানী আৰু বুদ্ধিমান—এই সকলোৱেই ভৰতৰ চৰিত্ৰ, কীৰ্তি, কাৰ্যাৱলী, ধৰ্ম, স্বভাৱ, গুণ তথা বিমল বিভূতিৰ কথা

ভাবি আৰু শুনি সুখ লাভ কৰিব পাৰে। এই কথাই পৱিত্ৰভাত গংগাকো চেৰ পেলায় আৰু আস্বাদত অমৃতকো তিৰস্কৃত কৰে। ৩—৪ ॥

দোঃ—ভৰত অসীম গুণসম্পন্ন অতুলনীয় পুৰুষ। ভৰত ভৰতৰ নিচিনাহে—এই কথা বুজি ল'বা। সুমেৰু পৰ্বতকণো চেলকণা মাছৰ সমান বুলিব পাৰি নে? সেইকাৰণে (ভৰতৰ উপমা দিবলৈ) কবিসমাজৰ বুদ্ধিয়েও সংকোচ কৰিলে। ২৮৮ ॥

চৌঃ—হে বৰবৰ্ণিনি! (ধুনীয়া বৰণৰ) ভৰতৰ মহিমা বৰ্ণনা কৰাটো সকলোৰে কাৰণে পানী নোহোৱা মাটিত মাছ যগোৱাৰ দৰেই দুঃসাধ্য কথা। শুনা ৰাণী, ভৰতৰ অপৰিমিত মহিমাৰ কথা কেৱল ৰামেহে জানে; কিন্তু তেওঁ তাক বৰ্ণনা কৰিব নোৱাৰে।" ১ ॥

এইদৰে স্নেহপূৰ্ণভাৱে ভৰতৰ প্ৰভাৱৰ কথা বৰ্ণনা কৰি পত্নীৰ ভাৱলৈ চকু ৰাখি ৰজাই ক'লে—"লক্ষ্মণ ঘূৰি যাওক আৰু ভৰত বনবাসী হওক—এইটো কৰিলেই সকলোৰে ভাল হ'ব আৰু সকলোৱে মনতে ইয়াকে ভাবিছে। কিন্তু হে দেৱী, ভৰত আৰু ৰামৰ পাৰস্পৰিক প্ৰীতি, বিশ্বাসৰ কথা ভাবি শেষ কৰিব নোৱাৰি। ৰাম যদিও সমভাৱৰ সীমাস্বৰূপ তথাপি ভৰত প্ৰেম আৰু মমতাৰ সীমা। ২।৩ ॥

ভৰতে সমস্ত পৰমাৰ্থ, স্বাৰ্থ আৰু সুখৰ ফালে স্বপ্নতো মন দিয়া নাই। ৰামৰ চৰণত স্থাপন কৰা স্নেহকে তেওঁ সাধন আৰু সিদ্ধি বুলি ভাবে। ভৰতৰ কেৱল এই সিদ্ধান্তৰ কথাহে মই ক'ব পাৰোঁ। ৪ ॥

দোঃ—[ৰজাই এই সকলো কথা বুজি ক'লে—] ভৰতে ভুলতো ৰামৰ আদেশ মনেৰেও লংঘন নকৰে। গতিকে স্নেহৰ বশ হৈ চিন্তা কৰাটো উচিত নহ'ব।" ২৮৯ ॥

চৌঃ—ৰাম আৰু ভৰতৰ গুণসমূহ স্নেহভাৱেৰে কোৱা-বখনা কৰি থাকোঁতেই পতি-পত্নী দুয়োৰে ৰাতিটো যেন এক পলকতে পাৰ হৈ গ'ল। ৰাতিপুৱা দুয়োখন ৰাজ্যৰে লোক উঠিলে আৰু গা-পা ধুই দেৱতাৰ পূজা-অৰ্চনা কৰিলে। ১ ॥

ৰামে স্নান কৰি গুৰুৰ ওচৰলৈ গৈ চৰণ বন্দনা কৰিলে আৰু গুৰুৰ কৃপাদৃষ্টি পাই ক'লে—"হে নাথ! ভৰত, অযোধ্যাবাসী তথা মাতৃসকল শোকতো ব্যাকুল আৰু বনত বাস কৰিও সকলোৱে কষ্ট পাইছে। মিথিলাপতি ৰজা জনকেও সমাজ সমন্বিতে কষ্ট ভোগ কৰা বহুত দিন হ'ল। গতিকে হে নাথ! যি

হয় তাকে কৰক। আপোনাৰ ওপৰতে সকলোৰে কল্যাণ নিৰ্ভৰ কৰিছে।" ৪ ॥

এইবুলি কৈ ৰাম বিনীতভাৱে ৰ'ল। তেওঁৰ স্বভাৱ-চৰিত্ৰ দেখি মুনি পুলকিত হ'ল আৰু ক'লে—"ৰাম, তোমাৰ অবিহনে দুয়োখন ৰাজ্যৰে লোক-সকলৰ কাৰণে সমস্ত সুখৰ সামগ্ৰী নৰকৰ তুল্য হৈছে। ৪ ॥

দোঃ—হে ৰাম! তুমি প্ৰাণৰো প্ৰাণ, আত্মাৰো আত্মা আৰু সুখৰো সুখস্বৰূপ। বাছা! তোমাক এৰি যি ঘৰত আসক্ত হয়, তেওঁৰ প্ৰতি বিধি বাম। ২৯০ ॥

চৌঃ—শ্ৰীৰামৰ চৰণকমলত যাৰ ৰতি নাই, সেইজনৰ সুখ, কৰ্ম আৰু ধৰ্ম পুৰি ছাই হওক। য'ত ৰামভক্তিৰ প্ৰাধান্য নাই সেই যোগ কু-যোগ আৰু সেই জ্ঞানো অজ্ঞানহে। ১ ॥

তোমাৰ অবিহনে সকলো দুঃখিত, আৰু সুখী হোৱা সকলো তোমাক পাইহে সুখী হৈছে। যাৰ মনত যি ভাব আছে, তুমি সেই সকলো কথাকে জানা। তোমাৰ আদেশ সকলোৰে শিৰৰ ওপৰত। কৃপালু তুমি সকলোৰে মনৰ গতিও ভালকৈ বুজা। এতিয়া তুমি আশ্ৰমলৈ ব'লা।" এইবুলি কৈ মুনিৰাজ স্নেহত গদ্‌গদ্ হৈ পৰিল। তেতিয়া প্ৰণাম কৰি শ্ৰীৰাম আশ্ৰমলৈ গ'ল আৰু বশিষ্ঠ ঋষি ধৈৰ্য ধৰি জনকৰ ওচৰ পালেগৈ। গুৰু বশিষ্ঠই জনকক ৰামৰ সুচৰিত্ৰ আৰু স্নেহপূৰ্ণ তথা স্বভাৱতে সুন্দৰ কথাখিনি নিৱেদন কৰি ক'লে—"হে মহাৰাজ! এতিয়া যিটো কৰিলে সকলোৰে ধৰ্ম ৰক্ষা পৰে আৰু কল্যাণ সাধনো হ'ব পাৰে তাকে কৰক। ২—৪ ॥

দোঃ—মহাৰাজ! আপুনি জ্ঞাননিধি, বিজ্ঞ, পৱিত্ৰ আৰু ধৰ্মত ধীৰ পুৰুষ। এই সময়ত আপোনাৰ বাহিৰে আৰু কোনে এই সমস্যা সমাধান কৰিব পাৰিব?।" ২৯১ ॥

চৌঃ—মুনিৰ কথা শুনি জনক প্ৰেমমগ্ন হৈ পৰিল। তেওঁৰ অৱস্থা দেখি জ্ঞান আৰু বৈৰাগ্যৰো বৈৰাগ্য জন্মিল। তেওঁ স্নেহত গদ্‌গদ্ হৈ পৰিল আৰু মনতে ভাবিলে—"আমি ইয়ালৈ আহি ভাল কাম নকৰিলোঁ। ৰজা দশৰথে ৰামক বনলৈ যাবলৈ কৈ (প্ৰাণত্যাগ কৰি) প্ৰিয়পুত্ৰৰ প্ৰতি প্ৰেমৰ প্ৰমাণ দিলে; কিন্তু আমি এতিয়া তেওঁক বনৰপৰাও (গহন) বনলৈহে পঠাই নিজৰ বিবেকৰ বৰাই কৰি আনন্দ মনেৰে ঘূৰি যাব লাগিব।" ১।২ ॥

তপস্বী, মুনি আৰু ব্ৰাহ্মণসকল, এই সকলো দেখি শুনি প্ৰেমবশতঃ বিকল

হৈ পৰিল। সময়টোৰ গুৰুত্বলৈ চাই ধৈৰ্য ধৰি সমাজ সমন্বিতে ৰজা জনক ভৰতৰ ওচৰলৈ গ'ল। ৩॥

ভৰতে ৰজাক আগবঢ়াই নিলে আৰু সময়োচিত আসন দিলে। জনকে ক'লে—"বাছা ভৰত! তুমি ৰামৰ স্বভাৱৰ কথা ভালকৈ জানা। ৪॥

দোঃ—ৰাম সত্যব্ৰত আৰু ধৰ্মনিষ্ঠ; তেওঁ সকলোৰে চৰিত্ৰ আৰু স্নেহৰ মৰ্যাদা ৰক্ষা কৰে। সেই কাৰণেই তেওঁ মনত সংকোচ ভাব লৈ কষ্ট সহ্য কৰি আছে। এতিয়া তুমি যিহকে কৰিবলৈ কোৱাঁ, তাকে ক'মচোঁ।" ২৯২॥

চৌঃ—এই কথা শুনি ভৰতৰ শৰীৰ পুলকিত হ'ল আৰু চকু পানীৰে উপচি পৰিল। তেওঁ কোনোমতে ধৈৰ্য ধৰি ক'লে—"হে প্ৰভু! আপুনি পিতাৰ সমান প্ৰিয় আৰু পূজনীয়; পিতৃ-মাতৃ আৰু কুলগুৰু বশিষ্ঠৰ সমান আমাৰ হিতৈষী। ইয়াত বিশ্বামিত্ৰ আদি মুনিসকল আৰু মন্ত্ৰীসকলৰ সমাজ উপস্থিত আছে; তদুপৰি আজি জ্ঞানৰ সমুদ্ৰ আপুনিও আছে। হে স্বামী! মোক নিজৰ সন্তান, সেৱক আৰু অনুগামী বুলি উপদেশ দিয়ক। এই সমাজ আৰু এই [পবিত্ৰ] স্থানত আপুনি সুধিছে—মই যদি মনে মনে থাকোঁ তেতিয়া মোক মলিন (মনৰ) বুলি ভাবিব আৰু (আনহাতে) কথা কোৱাটোও বলিয়ালি হ'ব। তথাপি মই সৰু মুখেৰে বৰ কথা কৈছোঁ, হে পিতৃ! মোৰ প্ৰতি বাম বুলি বুজি মোক ক্ষমা কৰিব। সেৱা-ধৰ্ম যে অতি কঠিন সেই কথা আগম, নিগম আৰু পুৰাণত প্ৰসিদ্ধ আৰু সমস্ত জগতে সেই কথা জানে। স্বামীৰ প্ৰতি কৰ্তব্য পালন আৰু স্বাৰ্থৰ মাজত বিৰোধ আছে। শত্ৰুতাই অন্ধ কৰে আৰু প্ৰেমৰ সময়ত জ্ঞান-বিচাৰ নোহোৱা হয়। ১—৪॥

দোঃ—গতিকে মোক পৰাধীন বুলি জানি ৰামৰ মনোভাৱ, ধৰ্ম আৰু ব্ৰত ৰক্ষা পৰাকৈ সৰ্বসন্মত আৰু হিতকৰ কাম এটা সকলোৰে মৰম-চেনেহলৈ লক্ষ্য ৰাখি সম্পন্ন কৰক।" ২৯৩॥

চৌঃ—ভৰতৰ কথা শুনি আৰু তেওঁৰ স্বভাৱ দেখি সমাজ সমন্বিতে ৰজা জনকে তেওঁক প্ৰশংসা কৰিবলৈ ধৰিলে। ভৰতৰ বচন সুগমো, দুৰ্গমো; সুন্দৰ, কোমল আৰু কঠোৰো। তাত শব্দ ক'ম আছে; কিন্তু অৰ্থ অতি ব্যাপক। যেনেকৈ মুখখন দাপোণত আৰু দাপোণখন নিজৰ হাততে থাকিলেও মুখখন ধৰিব নোৱাৰি, তেনেকৈ ভৰতৰ অদ্ভুত বচনবো তাৎপৰ্য ধৰিব নোৱাৰি। তাৰ পাছত ৰজা জনক ভৰত, বশিষ্ঠ মুনি আৰু পাৰিষদসকলেৰে সৈতে

সকলো য'ত দেৱতাৰূপী কুমুদৰ কাৰণে চন্দ্ৰতুল্য ৰামচন্দ্ৰ আছিল, তালৈকে গ'ল। ১।২ ॥

এই কথা শুনি সকলো মানুহ, ৰাৰিষাৰ নতুন (থাকৰা) পানী পাই মাছ বিকল হৈ পৰাৰ দৰে চিন্তাত আকুল হৈ পৰিল। দেৱতাসকলে প্ৰথমতে কুলগুৰু বশিষ্ঠৰ অৱস্থা আৰু জনকৰ বিশেষ স্নেহ লক্ষ্য কৰিলে; তাৰ পাছত ৰামভক্তিৰে পূৰ্ণ হৈ থকা ভৰতলৈ চালে। এই সকলোকে দেখি ভয় খাই স্বাৰ্থপৰ দেৱতাসকল হতাশ হৈ পৰিল। সকলোকেই ৰামৰ প্ৰেমত নিমগ্ন হৈ থকা দেখি দেৱতসকল ইমান চিন্তিত হৈ পৰিল যে তাৰ সীমা দেখুৱাব নোৱাৰি। ৩।৪ ॥

দোঃ—দেৱৰাজ ইন্দ্ৰই চিন্তিত হৈ ক'লে—"ৰাম স্নেহ আৰু নম্ৰতাৰ বশ। গতিকে সকলোৱে গোট খাই কিবা কৌশল খটুৱা হওক; নহ'লে সকলো কৰ্ম নাশ হ'ব।" ২৯৪ ॥

চৌঃ—দেৱতাসকলে সৰস্বতীক স্মৰণ কৰি স্তুতি কৰি ক'বলৈ ধৰিলে—"হে দেৱী! দেৱগণ আপোনাৰ শৰণাপন্ন হৈছে, আপুনি ৰক্ষা কৰক; নিজৰ মায়া বিস্তাৰ কৰি ভৰতৰ মতি পৰিবৰ্তন কৰক। ছল-চাতুৰী কৰি আপুনি দেৱকুল ৰক্ষা কৰক।" ১ ॥

দেৱতাসকলৰ প্ৰাৰ্থনা শুনি আৰু স্বাৰ্থৰ বশ হোৱাৰ কাৰণে তেওঁলোক মূৰ্খ বুলি বুজি চতুৰা সৰস্বতীয়ে ক'লে—মোক ভৰতৰ মতি পৰিবৰ্তন কৰিবলৈ কৈছা; সহস্ৰ লোচনেৰেও তুমি সুমেৰু পৰ্বত দেখা নাই! ব্ৰহ্মা, বিষ্ণু আৰু শিৱৰ মায়া অতি প্ৰবল; কিন্তু তেওঁলোকেও ভৰতৰ বুদ্ধিৰ ফালে চাব নোৱাৰে। সেই মতিকে ভ্ৰান্ত কৰিবলৈ তোমালোকে মোক কৈছা? জোনাকে কি প্ৰচণ্ড কিৰণৰ সূৰ্যক ঢাকি ধৰিব পাৰে? ভৰতৰ হৃদয়ত সীতা-ৰামে বাস কৰিছে; য'ত সূৰ্যই প্ৰকাশ কৰি আছে, তাত কি অন্ধকাৰ থাকিব পাৰে?" এইবুলি কৈ সৰস্বতী ব্ৰহ্মলোকলৈ গুচি গ'ল। ৰাতি চাকৈ-চকোৱা বিয়াকুল হৈ পৰাৰ দৰে দেৱতাসকল ব্যাকুল হৈ পৰিল। ২—৪ ॥

দোঃ—মলিন মনৰ স্বাৰ্থপৰ দেৱতাসকলে কু-মন্ত্ৰণাৰে ষড়যন্ত্ৰ কৰিলে। প্ৰবল মায়া-প্ৰপঞ্চ ৰচনা কৰি ভয়, ভ্ৰান্তি, অপ্ৰীতি আৰু উচাটন ভাবৰ সৃষ্টি কৰিলে। ২৯৫ ॥

চৌঃ—কুমন্ত্ৰণা কৰি দেৱৰাজ ইন্দ্ৰই ভাবিলে—কাৰ্য সিদ্ধি বা বিনাশ হোৱাটো সকলো প্ৰকাৰে ভৰতৰ হাতত। ইফালে জনক আদি ৰামৰ ওচৰলৈ গ'ল। সূৰ্যকুলৰ প্ৰদীপ ৰামে সকলোকে মান-সৎকাৰ কৰিলে। ১ ॥

তেতিয়া ৰঘুবংশৰ পুৰোহিত বশিষ্ঠই সময়, সমাজ আৰু ধৰ্মৰ অনুকূলে নিজৰ কথা ক'বলৈ ধৰিলে। তেখেতে প্ৰথমে জনকৰ আৰু ভৰতৰ সংবাদ জনালে। তাৰ পাছত ভৰতৰ সুন্দৰ কথাখিনি কৈ শুনালে [আৰু ক'লে—] "বৎস শ্ৰীৰাম! মোৰ মত হৈছে, তুমি যিহকে কৰিবলৈ কোৱাঁ, তাকে সকলোৱে কৰক।" এই কথা শুনি ৰঘুনাথে হাত দুখন যোৰ কৰি সত্য, সৰল আৰু মৃদু বচনেৰে ক'লে—"আপুনি আৰু মিথিলাৰ অধিপতি উপস্থিত থাকোঁতে মই কিবা এটা কোৱাটো সকলো প্ৰকাৰে অনুচিত কথা। আপোনাৰ আৰু মহাৰাজৰ যি আজ্ঞা হ'ব, আপোনাৰ শপত খাই কৈছোঁ, সেয়ে সকলোৰে শিৰোধাৰ্য হ'ব।" ২—৪ ।৷

দোঃ—ৰামৰ শপত শুনি সভা-সমন্বিতে মুনি আৰু জনক ৰজা সকলোৰে মনত সংকোচ ভাব উপজিল। কোনেও একো উত্তৰ নিদিলে। সকলোৱে ভৰতৰ ফালে চাই ৰ'ল। ২৲৬ ॥

চৌঃ—ভৰতে সমস্ত সভা সংকোচভাৱত স্তম্ভিত হৈ থকা দেখিলে। তেওঁ সময়টো বেয়া বুলি বুজি অতি ধৈৰ্য ধৰি প্ৰেমৰ আৱেগ সম্বৰণ কৰি ৰাখিলে; যেন বাঢ়ি অহা বিন্ধ্যপৰ্বতকহে অগস্ত্যই বাধা দিলে। ১ ॥

হিৰণ্যাক্ষই পৃথিৱী হৰণ কৰাৰ নিচিনাকৈ শোকে যি গুণগণৰ জন্মদাত্ৰী স্বৰূপিণী সভাৰ বুদ্ধি হৰণ কৰিলে; বিমল ভৰতৰ বিবেকে বিশাল বৰাহৰ দৰে অনায়াসে তাক উদ্ধাৰ কৰিলে। ২ ॥

ভৰতে প্ৰণাম কৰি সকলোলৈকে হাত যোৰ কৰিলে আৰু ৰাম, ৰজা জনক, গুৰু বশিষ্ঠ তথা সাধুসকলক বিনীতভাৱে ক'লে—"আজি মোৰ এই অতিশয় অনুচিত ব্যৱহাৰ ক্ষমা কৰিব। মই কুমলীয়া মুখেৰে কঠোৰ বচন বুলিব খুজিছোঁ।" ৩ ॥

তাৰ পাছত তেওঁ শোভনা সৰস্বতীক মনে মনে স্মৰণ কৰিলে; সৰস্বতী ভৰতৰ মানসৰপৰা আহি মুখপদ্মত বিৰাজ কৰিলেহি। নিৰ্মল বিবেক, ধৰ্ম আৰু নীতিৰে ভৰা ভৰতৰ বাণী যেন সুন্দৰ হংসিনীহে। ৪ ॥

দোঃ—বিবেকৰূপী নয়নেৰে চাই তেওঁ সমস্ত সভাক স্নেহত উন্মনা হৈ থকা দেখিলে। সকলোকে প্ৰণাম কৰি আৰু ৰাম-সীতাক স্মৰণ কৰি ভৰতে ক'বলৈ ধৰিলে—। ২৯৭ ॥

চৌঃ—"হে প্ৰভু! আপুনিয়েই হৈছে পিতৃ, মাতৃ, সুহৃদ, গুৰু, স্বামী, পূজনীয়, পৰম হিতৈষী আৰু অন্তৰ্যামী। সৰল হৃদয়ৰ সু-স্বামী, শীলনিধি,

প্ৰণতপালক, সৰ্বজ্ঞ, সুজান, সমৰ্থ, শৰণাগতৰ হিতকাৰী, গুণগ্ৰাহী, দুৰ্গুণ আৰু পাপ-হৰণকাৰী। হে গোসাঁই! আপোনাৰ নিচিনা প্ৰভু আপুনিহে আছে আৰু মোৰ সমান স্বামীদ্ৰোহী মইহে আছোঁ। ১—২ ॥

মই অজ্ঞানতা বশতঃ প্ৰভু আৰু পিতৃদেৱৰ বচন উলংঘা কৰি বহুজনক লগত লৈ ইয়ালৈ আহিলোঁ। জগতত ভাল-বেয়া, উচ্চ-নীচ, অমৃত-অমৰত্ব, বিষ-মৃত্যু আদি কাকো ক'তো এনে দেখা নাই, যি মনেৰেও ৰামৰ আদেশ অমান্য কৰে। মই সকলো প্ৰকাৰেই সেই ধৃষ্টতা কৰিলোঁ; কিন্তু স্নেহৰ কাৰণে প্ৰভুৱে তাক স্নেহ আৰু সেৱা বুলিহে ধৰি ল'লে। ৩।৪ ॥

দোঃ—হে নাথ! আপুনি নিজ কৃপা গুণে আৰু সততাৰে মোৰ কল্যাণ সাধন কৰিলে আৰু তাৰ ফলত মোৰ দোষ গুণত পৰিণত হ'ল, চাৰিওফালে মোৰ সুযশ বিয়পি পৰিল। ২৯৮ ॥

চৌঃ—হে নাথ! আপোনাৰ ৰীতি আৰু সুবচনৰ মাহাত্ম্য জগৎপ্ৰসিদ্ধ, আগম আৰু নিগমেও কয়। যিবিলাক নিষ্ঠুৰ, কুটিল, দুষ্ট, কুমতি, কলংকী, নীচ, চৰিত্ৰহীন, নাস্তিক আৰু নিঃশংক, তেওঁলোককো শৰণাগত হৈ আপোনাৰ ওচৰলৈ অহা বুলি শুনিলে আৰু এবাৰ মাত্ৰ প্ৰণাম কৰিলেই আপুনি নিজৰ বুলি স্বীকাৰ কৰে; তেওঁলোকৰ দোষবোৰ দেখিও আপুনি তাক মনত ঠাই নিদিয়ে আৰু তেওঁলোকৰ গুণৰ কথা শুনিলে সেইবোৰ সাধুসমাজত প্ৰশংসা কৰি কয়। সেৱকক এইদৰে কৃপা কৰা স্বামী কোন আছে, যি সেৱকৰ সকলো আৱশ্যকতা পূৰণ কৰে আৰু সপ্নতো নিজে কৰাখিনিত গুৰুত্ব নিদি সেৱকৰ দুখ-কষ্টৰ কথাহে মনত স্থান দিয়ে? মই বাহু দাঙি পণ কৰি কৈছোঁ, এনে স্বামী আপোনাৰ বাহিৰে কোনো নাই। পশুৱেও শিকোৱা মতে নাচ-বাগ কৰে আৰু ভাটৌ পাঠ পঢ়াত নিপুণ হয়; কিন্তু সিহঁতৰ এই গুণ আৰু গতি পঢ়াওঁতা আৰু নাচ শিকাওঁতা জনৰ অধীন। ১—৪ ॥

দোঃ—এইদৰে আপুনি সেৱকসকলক শুধৰাই দি আৰু সন্মান কৰি তেওঁলোকক সাধুৰ শিৰোমণি কৰি তোলে। কৃপালু আপোনাৰ বাহিৰে কোনে এইদৰে বলেৰে নিজৰ (কৃপালু বুলি থকা) যশস্যা ৰক্ষা কৰিব? ২৯৯ ॥

চৌঃ—মই শোকৰ কাৰণে বা স্নেহৰ কাৰণে অথবা বালকস্বভাৱৰ কাৰণে আজ্ঞা নামানি গুচি আহিলোঁ; তথাপি কৃপালু স্বামীয়ে নিজৰ (সৎ) পক্ষৰপৰা চাই সকলো প্ৰকাৰে মোক ভালহে বুলিলে। ১ ॥

মই সুমংগলৰ মূলস্বৰূপ আপোনাৰ চৰণ দৰ্শন কৰিলোঁ আৰু স্বামী মোৰ

প্ৰতি অনুকূল বুলি বুজিলোঁ। এই ডাঙৰ সমাজখনত মোৰ ভাগ্যৰ বিষয়ে উপলব্ধি কৰিব পাৰিলোঁ। ইমান ডাঙৰ ভুল কৰা সত্বেও মোৰ প্ৰতি স্বামীৰ কেনে অনুৰাগ! কৃপানিধিয়ে মোৰ প্ৰতি সকলো প্ৰকাৰেই কৃপা আৰু অনুগ্ৰহ বেছিকৈহে দেখুৱালে। হে গোসাঁই! আপুনি নিজৰ স্বভাব, চৰিত্ৰ আৰু সততাৰে মোৰ স্নেহৰ মৰ্যাদা ৰক্ষা কৰিলে। হে নাথ! মই সমাজ আৰু স্বামীলৈ সংকোচ ত্যাগ কৰি কেতিয়াবা বিনীতভাৱে আৰু কেতিয়াবা অবিনীত-ভাৱে যেতিয়া যেনেকৈ ভাল লাগিল তেনেকৈ কথা কৈ ধৃষ্টতাৰ পৰিচয় দিলোঁ। হে দেৱ, মোৰ আতুৰতাৰ কথা জানি মোক ক্ষমা কৰিবা। ২—৪ ॥

দোঃ—সুহৃদ আৰু সুজান সুস্বামীক বেছি কথা কোৱাটো ডাঙৰ অপৰাধ। গতিকে হে দেৱ! এতিয়া আপুনি মোক আজ্ঞা কৰক; আপুনি মোৰ সকলো কথা শুধৰাই দিলে। ৩০০ ॥

চৌঃ—সত্য, পুণ্য আৰু সুখৰ সুন্দৰ সীমাস্বৰূপ প্ৰভুৰ পদপংকজৰ ধূলাৰ দোহাই দি মই নিজৰ হৃদয়ত, শোওঁতে, উঠোঁতে আৰু স্বপ্নতো যিবোৰ ইচ্ছাৰ কথা ভাবি থাকোঁ, সেই সকলোকে নিবেদন কৰিছোঁ; সেয়ে হৈছে স্বাৰ্থ, ছল-চাতুৰী আৰু চতুৰ্বৰ্গ ফলকো ত্যাগ কৰি সহজাত প্ৰীতিৰে প্ৰভুৰ সেৱা কৰা আৰু আজ্ঞা-পালন কৰাৰ নিচিনা অন্য একোৱে সু-স্বামীৰ প্ৰতি কৰা সেৱা হ'ব নোৱাৰে। হে দেৱ! এতিয়া সেই আজ্ঞাৰূপ প্ৰসাদ যেন সেৱকে লাভ কৰে।" ১৷২ ॥

এইদৰে কৈ ভৰত প্ৰেমত অতি বিহ্বল হৈ পৰিল। শৰীৰ পুলকিত হ'ল, চকু লোতকেৰে উপচি পৰিল। বিয়াকুল হৈ তেওঁ ৰামৰ চৰণকমল সাৱটি ধৰিলে। সেই সময়ৰ স্নেহৰ কথা আৰু বৰ্ণনা কৰিব নোৱাৰি। ৩ ॥

কৃপাসিন্ধু শ্ৰীৰামে সুন্দৰ বচনেৰে সন্মান কৰি ভৰতক হাতত ধৰি নিজৰ ওচৰত বহুৱাই ল'লে। ভৰতৰ বিনয় আৰু স্বভাৱ দেখি সমস্ত সভা আৰু ৰামচন্দ্ৰ স্নেহত গদ্‌গদ্ হৈ পৰিল। ৪।

ছঃ—ৰঘুনাথ, সাধুসমাজ, মুনি বশিষ্ঠ আৰু মিথিলাপতি জনক স্নেহত গদ্‌গদ্ হৈ পৰিল। সকলোৱে মনে মনে ভৰতৰ ভ্ৰাতৃত্ব আৰু ভক্তিৰ মহিমা শলাগিবলৈ ধৰিলে। দেৱতাসকলে মলিন মনেৰে ভৰতক প্ৰশংসা কৰি পুষ্পবৃষ্টি কৰিলে। তুলসীদাসে কৈছে—সকলো মানুহ ভৰতৰ কথা শুনি বিকল হৈ পৰিল আৰু ৰাতি হৈ অহাৰ লগে লগে পদুমফুল কোঁচ খাই যোৱাৰ দৰে তেওঁলোকৰ মনো কোঁচ খাই গ'ল।

সোঃ—দুয়োখন ৰাজ্যৰ নৰ-নাৰীক এই দীনদুখী অৱস্থাত দেখিও অতি মলিন মনৰ ইন্দ্ৰই সবাক মাৰি নিজৰ কল্যাণ কৰিব খুজিলে। ৩০১ ॥

চৌঃ—দেৱৰাজ ইন্দ্ৰ কপটালি আৰু কুমন্ত্ৰণাৰ সীমাস্বৰূপ। তেওঁলোকৰ হানি হোৱা আৰু নিজৰ লাভ হোৱাটো ভাল পায়। ইন্দ্ৰৰ নীতি কাউৰীৰ নিচিনা; তেওঁ ছলনাময় আৰু মলিন; কাকো বিশ্বাস নকৰে। তেওঁ প্ৰথমতে কু-বিচাৰ কৰি কপটালিবোৰ সজাই ল'লে; তাৰ পাছত সকলোৰে ওপৰত উচাটন বাণ মাৰিলে; তাৰ পাছত দেৱমায়াৰে সকলোকে বিমোহিত কৰিলে; কিন্তু ৰাম-প্ৰেম তেওঁলোকৰ মনত একেবাৰে নোহোৱা নহ'ল। ১।২ ॥

ভয় আৰু উচাটনৰ ফলত কাৰো মন থিৰ নোহোৱা হ'ল। তৎক্ষণাতে বনত থাকিবলৈ মন যায় আকৌ তৎক্ষণাতে ঘৰ-দুৱাৰহে ভাল লগা হয়। মনৰ এনে দোধোৰ-মোধোৰ অৱস্থা হোৱাত প্ৰজাসকল বৰ দুখী হৈ পৰিল, যেন নদী আৰু সমুদ্ৰৰ সংগম স্থলৰ পানীহে অস্থিৰ-অশান্ত হৈ পৰিছে। ৩ ॥

মনটো দুমুখীয়া হোৱা কাৰণে তেওঁলোকে ক'তো সন্তোষ নাপায় আৰু এজনে আনজনক নিজৰ মনৰ কথাও ক'ব পৰা নাই। তাকে দেখি কৃপানিধি ৰামে মনে মনে হাঁহি মাৰি ক'লে—"কুকুৰ (শ্বন্), ইন্দ্ৰ (মঘৱন্) আৰু যুৱক (যুৱন্)—এই তিনিওটা একে (পাণিনিৰ মতে শব্দকেইটাৰ ৰূপ একে)।" ৪ ॥

দোঃ—ভৰত, জনক, মুনিসকল আৰু জ্ঞানী সাধু-সন্তসকলৰ বাহিৰে সকলোৰে ওপৰত যথাযোগ্যভাৱে দেৱমায়া বিস্তাৰ হ'ল। ৩০২ ॥

চৌঃ—কৃপাসিন্ধু ৰামে মানুহবিলাক তেওঁৰ স্নেহত আৰু দেৱৰাজ ইন্দ্ৰৰ ছলনাত দুঃখিত হৈ পৰা দেখিবলৈ পালে। সমস্ত সভা ৰজা জনক, গুৰু, ব্ৰাহ্মণ আৰু মন্ত্ৰী আদি সকলোৰে বুদ্ধি ভৰতৰ ভক্তিয়ে এটা বিন্দুত কেন্দ্ৰীভূত কৰি পেলালে। ১ ॥

তেতিয়া সকলোৱেই ছবিত অঁকা মানুহৰ দৰে লৰচৰ নকৰাকৈ একেথৰে ৰামৰ ফালে চাবলৈ ধৰিলে। কোনোবাই কিবা ক'লেও সি যেন আনে শিকাই দিয়া কথাহে ভয়ে ভয়ে কৈছে, তেনেকুৱা হৈছিল। ভৰতৰ প্ৰীতি, নম্ৰতা, বিনয় আৰু শ্ৰেষ্ঠত্ব বিষয়ক কথা শুনিবলৈ বৰ আনন্দদায়ক; কিন্তু তাৰ বৰ্ণনা দিয়াটোহে টান। ২ ॥

যি ভৰতৰ ভক্তিৰ সামান্য অংশ দেখিয়েই মুনিসকল আৰু মিথিলাধিপতি জনকো প্ৰেমত মগ্ন হৈছিল সেই ভৰতৰ মহিমাৰ কথা তুলসীদাসে কেনেকৈ

বৰ্ণাব? তেওঁৰ ভক্তি আৰু সম্ভাবনাই কৱিৰ হৃদয়ত সুবুদ্ধি উল্লসিত কৰি তোলে; কিন্তু ভৰতৰ মহিমা বহুত ডাঙৰ বস্তু আৰু তাৰ তুলনাত এই কৱিৰ বুদ্ধি অতি সামান্য—এই কথা বুজি কৱিসকলৰ মৰ্যাদাৰ পৰম্পৰা ৰক্ষা কৰিবলৈ অসমৰ্থ যেন ভাবি মনতে সংকোচ জন্মিল। তেওঁৰ (ভৰতৰ) গুণাৱলীৰ কথা কৱিৰ বাবে বৰ ৰুচিকৰ বস্তু; কিন্তু তাৰ বৰ্ণনা দিব পৰা নাযায়। বুদ্ধিৰ অভাৱত বালকৰ কথা স্পষ্ট ভাৱব্যঞ্জক নোহোৱাৰ দৰে এই ক্ষেত্ৰত কৱিৰ বুদ্ধি বা কৌশলো ভাব প্ৰকাশৰ বাবে অসমৰ্থ হৈ পৰিল। ৩।৪ ॥

দোঃ—ভৰতৰ নিৰ্মল যশস্যা নিৰ্মল চন্দ্ৰ। কৱিৰ সুবুদ্ধি চকোৰ পক্ষীৰ দৰে। এই চকোৰে ভক্তহৃদয়ৰ নিৰ্মল আকাশত উদয় হোৱা ভৰতৰ যশস্যাৰূপী চন্দ্ৰলৈ থৰ লাগি মাত্ৰ চাইহে থাকিল। ৩০৩ ॥

চৌঃ—ভৰতৰ স্বভাৱ বেদৰ কাৰণেও বোধগম্য নহয়। গতিকে মোৰ লঘু মতিৰ চপলতা যেন কৱিসকলে ক্ষমা কৰে। ভৰতৰ সৎভাৱৰ কথা ক'লে আৰু শুনিলে কোন মানুহ সীতা-ৰামৰ চৰণত অনুৰক্ত নহ'ব? ভৰতক স্মৰণ কৰা মাত্ৰকে যাৰ কাৰণে ৰামভক্তি সহজলভ্য হৈ নপৰে, তেওঁৰ সমান অভাগা আৰু কোন আছে? দয়ালু আৰু বিজ্ঞ ৰামচন্দ্ৰই সকলোৰে অৱস্থা দেখি আৰু ভক্তৰ হৃদয়ৰ অৱস্থা বুজি, ধৰ্মৰ ধৰণী ধৰোঁতা, ধীৰ, নীতিত নিপুণ; সত্য, স্নেহ আৰু সুচৰিত্ৰৰ সমুদ্ৰস্বৰূপ, নীতি আৰু প্ৰীতিৰ পালক ৰঘুনাথে দেশ, কাল, পৰিস্থিতি আৰু সমাজখনলৈ চাই এনে কথা ক'লে, যে—সেই বচন যেন বাণীৰ সৰ্বস্ব তথা পৰিণামত হিতকাৰী আৰু শুনিবলৈ চন্দ্ৰমাৰ ৰস (অমৃত) তুল্য আছিল। [ৰামে ক'লে—] "বাছা ভৰত! তুমি ধৰ্মৰ ধৰণী ধৰোঁতা, লোকবিদ্ আৰু বেদজ্ঞ, তথা প্ৰীতিত্তাৰত প্ৰৱীণ। ১—৪ ॥

দোঃ—বাছা, কৰ্ম, বচন আৰু মনেৰে সৈতে নিৰ্মল লোক তোমাৰ নিচিনা কেৱল তুমিহে আছা। গুৰুজনৰ সমাজত এই অনুচিত সময়ত সৰু ভাইৰ গুণ আৰু কেনেকৈ বখানিব পাৰি? ৩০৪ ॥

চৌঃ—বাছা, তুমি সূৰ্যবংশৰ ৰীতি-নীতি, সত্যব্ৰত পিতৃৰ কীৰ্তি আৰু প্ৰীতি, সময়, সমাজ আৰু গুৰুজনৰ মৰ্যাদা তথা উদাসীন, মিত্ৰ, শত্ৰু সকলোৰে মনৰ কথা জানা। সকলোৰে কৰ্তব্য তথা তোমাৰ নিজৰ আৰু মোৰ পৰম হিতকাৰী ধৰ্মও তোমাৰ বিদিত আছে। যদিও মোৰ ওপৰত তুমি সকলো প্ৰকাৰে ভৰসা ৰাখিছা, তথাপি মই এই সময়টোলৈ চাই অলপ কথা ক'ব খুজিছোঁ। ১।২ ॥

বাছা, পিতাৰ অবিহনে আমাৰ সকলো কথা গুৰুকুলৰ কৃপাইহে নিৰ্ধাৰণ কৰিছে; নহ'লে প্ৰজা-পৰিজন, পৰিয়ালবৰ্গ আমাৰে সৈতে সৰ্বনাশ হ'ব লাগিলেহেঁতেন। সময় নৌ-হওঁতেই সূৰ্য অস্ত গ'লে জগতত কাৰেইবা কষ্ট নহ'ব? কোৱাঁ? বাছা! সেই নিচিনা দুৰ্ঘটনাকে বিধাতাই ঘটালে; কিন্তু মুনিৰাজে আৰু মিথিলাপতিয়ে সকলোকে বচালে। ৩।৪ ॥

দোঃ—গুৰুদেৱৰ প্ৰভাৱে ৰাজকাৰ্য মৰ্যাদা, প্ৰতিষ্ঠা, ধৰ্ম, পৃথিৱী, ধন, ধান—এই সকলোকে পালন কৰিব আৰু পৰিণাম শুভ হ'ব। ৩০৫ ॥

চৌঃ—গুৰুৰ অনুগ্ৰহে ঘৰত আৰু বনত, সমাজ সমন্বিতে তোমাক আৰু মোক ৰক্ষা কৰিব। পিতৃ, মাতৃ আৰু স্বামীৰ আদেশ আদি সমস্ত ধৰ্মৰূপী ধৰণীকে ধাৰণ কৰা শেষনাগ স্বৰূপ। বাছা, তুমিও তাকে কৰাঁ আৰু মোৰ হতুৱায়ো তাকে (গুৰুৰ আদেশ পালনকে) কৰোৱাঁ আৰু সূৰ্য কুলৰ ৰক্ষণকৰ্তা হোৱাঁ। সাধকৰ কাৰণে ইয়েই একমাত্ৰ সকলো সিদ্ধি দান কৰিব পৰা, কীৰ্তি, সদ্গতি আৰু বিভূতিৰে পূৰ্ণ ত্ৰিবেণীধাৰা। ইয়াকে ভাবি-চিন্তি চাই ভয়ানক কষ্ট সহ্য কৰিও প্ৰজা আৰু আত্মীয়-কুটুম্বক সুখী কৰাঁ। ভাই ভৰত, মোৰ বিপত্তি সকলোৱে ভাগ কৰি ল'লে; কিন্তু শেষলৈকে (চৈধ্য বছৰৰ অন্তলৈকে) তোমাৰ বৰ কষ্ট হ'ব। ১—৩ ॥

তোমাক কোমল বুলি জানিও মই কঠোৰ বচন বুলিছোঁ, বাছা, এই সংকট কালত মোৰ কাৰণে সেয়া অনুচিত হোৱা নাই। বিপদৰ সময়ত উত্তম ভ্ৰাতৃ অতি সহায়ক হয়, তেতিয়া বজ্ৰৰ আঘাতকো হাতেৰেই বাধা দিব পাৰি।" ৪ ॥

দোঃ—সেৱক হাত, ভৰি আৰু চকুৰ নিচিনা হ'ব লাগে আৰু স্বামীসকল মুখৰ নিচিনা হ'ব লাগে। তুলসী দাসে কৈছে—"সেৱক আৰু স্বামীৰ এই প্ৰীতিৰ ৰীতি শুনিলে সুকবিসকলে তাক প্ৰশংসা কৰিব।" ৩০৬ ॥

চৌঃ—প্ৰেমৰূপী সমুদ্ৰৰ (মন্থনত উদ্ভৱ হোৱা) অমৃত সানি থোৱাৰ নিচিনা ৰঘুনাথৰ এই বাণী শুনি সমস্ত সভা স্তম্ভিত হ'ল, সকলোটি প্ৰেম ভাৱত সমাধিস্থ যেন হৈ পৰিল। এই অৱস্থা দেখি সৰস্বতী যেন মৌন হৈ ৰ'ল (সকলো নিমাত হ'ল)। ১ ॥

ভৰতে বৰ সন্তোষ পালে। স্বামী সন্মুখীন (অনুকূল) হোৱাৰ লগে লগে তেওঁৰ দোষ-আৰু দুঃখ-কষ্ট বিমুখ হৈ ঘূৰিল। তেওঁৰ মুখ প্ৰসন্ন হ'ল আৰু মনৰ বিষাদ ভাৱৰ অন্ত পৰিল; যেন বোবাৰ ওপৰতহে সৰস্বতীৰ কৃপা জন্মিল। ২ ॥

তেওঁ পুনৰ প্ৰেমপূৰ্বক প্ৰণাম কৰিলে আৰু কৰ-কমল যোৰ কৰি লৈ ক'লে—"হে নাথ। আপোনাৰ লগতে যোৱাৰ নিচিনা সুখ মই লাভ কৰিলোঁ। আৰু মই সংসাৰত জন্ম লাভ কৰাৰ ফলো পালোঁ। হে কৃপালু! এতিয়া আপুনি যেনে আজ্ঞা কৰে, তাকে মই শিৰোধাৰ্য কৰি আদৰেৰে সৈতে পালন কৰিম। কিন্তু হে দেৱ! আপুনি মোক এনে এটা অৱলম্বন দিয়ক, যাৰ সেৱা কৰি (চৈধ্য বছৰৰ) সীমা পাৰ্হৈ পাৰোঁ। ৩।৪ ॥

দোঃ—হে দেৱ! আপোনাৰ অভিষেকৰ কাৰণে গুৰুদেৱৰ আজ্ঞা লৈ সমস্ত তীৰ্থৰ জল মই লৈ আহিছিলোঁ; তাৰ কাৰণে এতিয়া কি আজ্ঞা হ'ব? ৩০৭ ॥

চৌঃ—মোৰ মনত আৰু এটা ডাঙৰ কামনা আছে, ভয় আৰু সংকোচৰ কাৰণে মই তাক ক'ব পৰা নাই।" [ৰামে ক'লে—] "কোৱা ভাই।" প্ৰভুৰ এই আদেশ পাই ভৰতে স্নেহপূৰ্ণ সুন্দৰ বচনেৰে ক'লে—"আদেশ পালে মই চিত্ৰকূটৰ পবিত্ৰ স্থান, তীৰ্থ, বন, পশু-পক্ষী, নদী-সৰোবৰ, নিজৰা আৰু পৰ্বতৰাজি তথা প্ৰভুৰ চৰণ-চিহ্ন অংকিত ভূমিভাগ চাই আহোঁ।" ১।২ ॥

[ৰামে ক'লে—] "নিশ্চিতভাৱেই অত্ৰি ঋষিৰ আদেশ শিৰোধাৰ্য কৰি লৈ নিৰ্ভৰ মনেৰে বনত বিচৰণ কৰিব পাৰা। ভাই! অত্ৰি মুনিৰ প্ৰসাদত বন মংগল-দায়ক, পৰম পবিত্ৰ আৰু ৰমণীয়। ঋষিসকলৰ নায়ক অত্ৰি মুনিয়ে য'তে আজ্ঞা কৰে, তীৰ্থৰ জল ত'তে স্থাপন কৰিবা।" প্ৰভুৰ কথা শুনি ভৰতে সুখ লাভ কৰিলে আৰু আনন্দ মনেৰে অত্ৰি মুনিৰ পদকমলত মূৰ দোৱাঁ-লেগৈ। ৩ ৪ ॥

দোঃ—সমস্ত সুমংগলৰ মূল ভৰত আৰু ৰামৰ কথোপকথন শুনি স্বাৰ্গৰ দেৱতাসকলে ৰঘুবংশৰ প্ৰশংসা কৰি কল্পতৰুৰ পুষ্প বৰ্ষণ কৰিবলৈ ধৰিলে ৩০৮ ॥

চৌঃ—"ভৰত ধন্য, ৰামচন্দ্ৰ গোসাঁইৰ জয় হওক"—এইদৰে কৈ কৈ দেৱতা-সকল অতি হৰ্ষান্বিত হৈ উঠিল। ভৰতৰ কথা শুনি বশিষ্ঠ, জনক আৰু সভাত থকা সকলোৱে বৰ আনন্দ পালে। বিদেহৰাজ জনকে পুলকিত হৈ ভৰত আৰু ৰামৰ গুণসমূহৰ তথা স্নেহৰ প্ৰশংসা কৰিবলৈ ধৰিলে। সেৱক আৰু স্বামী, দুয়োৰে স্বভাৱ সুন্দৰ; তেওঁলোকৰ নিয়ম আৰু প্ৰেমে স্বভাৱতেই পবিত্ৰ বস্তুকো অতি পবিত্ৰ কৰে। ১।২ ॥

মন্ত্ৰী, সভাসদ সকলোৱেই প্ৰেমমুগ্ধ হৈ নিজ নিজ মতি অনুসৰি প্ৰশংসা

কৰিবলৈ ধৰিলে। ৰাম আৰু ভৰতৰ কথা-বতৰাবোৰ শুনি দুয়োপক্ষৰ ৰাজ্যৰ লোকসকলৰ মনত হৰ্ষ আৰু বিষাদ, দুয়োটাই উপজিল। ৩ ॥

ৰামৰ মাতৃ কৌশল্যাই সুখ-দুখ দুয়োটাকে সমান জ্ঞান কৰি ৰামৰ গুণৰ কথা কৈ অন্য ৰাণীসকলক সান্ত্বনা দিলে। কোনোৱে ৰামৰ মহত্ত্ব বখানিলে; কোনোৱে আকৌ ভৰতৰ সততাৰ প্ৰশংসা কৰিবলৈ ধৰিলে। ৪ ॥

দোঃ—অত্ৰিমুনিয়ে ভৰতক ক'লে—"এই পৰ্বতৰ ওচৰতে এটা সুন্দৰ কুঁৱা আছে। এই পবিত্ৰ, অনুপম আৰু অমৃততুল্য তীৰ্থজল তাতে স্থাপন কৰক।" ৩০৯ ॥

চৌঃ—অত্ৰিমুনিৰ আদেশ পাই ভৰতে সকলো জলৰ পাত্ৰ লৈ যাত্ৰা কৰিলে। ভায়েক শত্ৰুঘ্ন, অত্ৰিমুনি আৰু অন্য সাধু-সন্তসকলৰে সৈতে তেওঁ সেই গভীৰ কুঁৱাটো থকা ঠাইলৈ গ'ল। আৰু পবিত্ৰ তীৰ্থ জল সেই পুণ্য-স্থানত স্থাপন কৰিলে। তেতিয়া অত্ৰিয়ে প্ৰেমত গদ্‌গদ্ হৈ ক'লে—"বৎস, এয়া অনাদি সিদ্ধি স্থল আছিল, কালক্ৰমত ই লুপ্ত হৈ পৰিছিল; সেইকাৰণে ইয়াৰ কথা কোনেও নজনা হ'ল।" ১।২ ॥

তেতিয়া ভৰতৰ সেৱকসকলে সেই পানীৰে ভৰি থকা ঠাইখন দেখিলে আৰু সেই পবিত্ৰ পানীৰ কাৰণে এটা বিশেষ কুঁৱা খানি ল'লে। দৈৱযোগত সমস্ত বিশ্বৰ উপকাৰ সাধন হ'ল। ধৰ্মৰ অতি দুৰ্গম বিচাৰ সুগম হৈ পৰিল। এতিয়া ইয়াক মানুহে 'ভৰতকূপ' বুলি ক'ব। তীৰ্থজলৰ সম্পৰ্কত ই অতি পবিত্ৰ হৈ পৰিল। ইয়াত ভক্তিৰে সৈতে স্নান কৰিলে প্ৰাণীসমূহ মন, বচন আৰু কৰ্মেৰে সৈতে নিৰ্মল হৈ পৰে॥ ৩।৪ ॥

দোঃ—কুঁৱাটোৰ মহিমা বখানি সকলো মানুহ ৰামচন্দ্ৰ থকা ঠাইলৈ গ'ল। ৰামকো অত্ৰিয়ে এই তীৰ্থৰ পবিত্ৰ প্ৰভাৱৰ কথা কৈ শুনালে। ৩১০ ॥

চৌঃ—প্ৰীতিৰে সৈতে ধৰ্মৰ ইতিহাস কৈ থাকোঁতেই ৰাতিটো আনন্দেৰে পাৰ হ'ল আৰু ৰাতি পুৱাল। ভৰত, শত্ৰুঘ্ন, দুয়োজন ভায়ে নিত্যকৰ্ম সমাপন কৰি ৰাম, অত্ৰি মুনি আৰু গুৰু বশিষ্ঠৰ আজ্ঞা লৈ সমাজ সমন্বিতে অনাড়ম্বৰ-ভাৱে শ্ৰীৰামৰ বনখন চাবলৈ খোজ কাঢ়ি ওলাল। কোমল চৰণ, পাদুকা নোহোৱাকৈ খোজ কাঢ়ি গৈছে, তাকে দেখি মনে মনে দুখ পাই পৃথিবীও কোমল হৈ পৰিল। কুশবন, কাঁইট, শিলগুটি, ফাট, খলা-বমা আদি টান আৰু বেয়া বস্তুবোৰ লুকুৱাই থৈ পৃথিবীয়ে সুন্দৰ সুগম পথ ৰচনা কৰি দিলে। সুখ বিতৰণ কৰি তিনিবিধ বায়ু ববলৈ ধৰিলে। ১—৩ ॥

বাটত দেৱতাসকলে পুষ্পবৃষ্টি কৰিলে। ডাৱৰে ছাঁ দি, গছ-বিৰিখে ফুল ফলেৰে ভৰি পৰি, বননিবোৰ কোমল হৈ, জন্তুবোৰে সুন্দৰ চাৱনিৰে চাই আৰু চৰাইবোৰে সুললিত কাকলিৰে সৈতে ৰামৰ প্ৰিয়জন বুলি জানি ভৰতৰ সেৱা কৰিবলৈ ধৰিলে। ৪ ॥

দোঃ—যি স্থলত সাধাৰণ মানুহেও (ভাগৰ পলাবলৈ) হামিউৱাৰ সময়ত 'ৰাম' বুলি উচ্চাৰণ কৰি সমস্ত সিদ্ধি হাতে-হাতে পায়; তেনে স্থলত ৰামচন্দ্ৰৰ প্ৰাণপ্ৰিয় ভৰতৰ কাৰণে এনে সমাদৰ লাভ কৰাটো একো ডাঙৰ কথা নহয়। ৩১১ ॥

চৌঃ—এইদৰে ভৰতে বনত ভ্ৰমণ কৰিছে। তেওঁৰ নিয়ম আৰু প্ৰেমভাৱ দেখি মুনিসকলো স্তম্ভিত হৈছে। পবিত্ৰ জলৰ স্থানসমূহ, বিভিন্ন ভূমিভাগ, পশু, পক্ষী, বৃক্ষ, তৃণ, পৰ্বত, বন, উপবন সকলোবোৰকে বিশেষভাৱে সুন্দৰ, বিচিত্ৰ, পবিত্ৰ আৰু স্বৰ্গীয় ৰূপত দেখি ভৰতে সোধে আৰু তেওঁৰ প্ৰশ্ন শুনি অত্ৰিমুনিয়ে প্ৰসন্ন মনেৰে সকলোৰে কাৰণ, নাম, গুণ আৰু পবিত্ৰ প্ৰভাৱৰ কথা কৈ যায়। কোনো ঠাইত ভৰতে স্নান কৰে, কোনো ঠাইত প্ৰণাম কৰে, কোনো ঠাইত মনোৰম স্থানবোৰ দৰ্শন কৰে, আৰু কোনো ঠাইত অত্ৰিমুনিৰ আজ্ঞা লৈ বহি সীতাৰে সৈতে ৰাম-লক্ষ্মণক স্মৰণ কৰে। ভৰতৰ স্বভাৱ, প্ৰেম আৰু সুন্দৰ সেৱাৰ ভাৱ দেখি বনদেৱতাগণে আনন্দিত হৈ আশীৰ্বাদ দিয়ে। ভৰ দুপৰীয়া হোৱাত ঘূৰি আহি প্ৰভু শ্ৰীৰামৰ পদকমল দৰ্শন কৰে। ১—৪ ॥

দোঃ—ভৰতে পাঁচ দিনৰ ভিতৰত সকলো তীৰ্থ দৰ্শন কৰিলে। ভগৱান বিষ্ণু আৰু শিৱৰ সুযশ শ্ৰৱণ কীৰ্তন কৰোঁতে সেই (পঞ্চম) দিনটোও পাৰ হৈ সাঁজ লাগিল। ৩১২ ॥

চৌঃ—(ষষ্ঠ দিনা) পুৱা স্নান কৰি ভৰত, ব্ৰাহ্মণসকল, ৰজা জনক আৰু সমস্ত সমাজ সমবেত হ'ল। আজি সকলোৰে বিদায় ল'ব, উত্তম দিন; এই কথা মনে মনে উপলব্ধি কৰিও কৃপালু ৰামে প্ৰকাশ কৰি ক'বলৈ সংকোচ কৰি আছে। ১ ॥

ৰামে গুৰু বশিষ্ঠ, ৰজা জনক, ভৰত আৰু সভাৰফালে চালে; তাৰ পাছত সংকোচ কৰি দৃষ্টি ঘূৰাই আনি মাটিলৈ চাবলৈ ধৰিলে। সমস্ত সভাই তেওঁৰ সুচৰিত্ৰৰ প্ৰশংসা কৰিবলৈ ধৰিলে আৰু মনে মনে ভাবিলে— "শ্ৰীৰামৰ সমান বিনয়ী প্ৰভু আৰু ক'তো নাই।" ২ ॥

কিন্তু ভৰতে ৰামৰ মনোভাৱ বুজি লৈ বিশেষভাৱে ধৈৰ্য ধৰি ভক্তিভাৱেৰে

উঠি থিয় হ'ল আৰু দণ্ডৱৎ প্ৰণাম কৰি হাত যোৰকৈ ক'বলৈ ধৰিলে—"হে নাথ! আপুনি মোৰ সকলো মনোৰথ পূৰণ কৰিলে। মোৰ কাৰণে সকলো মানুহে সন্তাপ সহ্য কৰিলে আৰু আপুনিও বহুত ধৰণে কষ্ট পালে। এতিয়া হে স্বামী! আপুনি আজ্ঞা কৰক, মই চৈধ্য বছৰৰ অৱধি (সীমা) পৰ্যন্ত অৱধৰ (অযোধ্যাৰ) সেৱা কৰি থাকোঁগৈ। ৩।৪ ॥

দোঃ—হে দীনদয়াল! যি উপায়েৰে এই দাসে পুনৰ চৰণ দৰ্শন কৰিবলৈ পাম, হে কোশলাধিপতি, হে কৃপালু, সময়ৰ সীমা পৰালৈকে (চৈধ্য বছৰলৈ) মোক তাৰ বাবে শিক্ষা দিয়ক। ৩১৩ ॥

চৌঃ—হে গোসাঁই, আপোনাৰ স্নেহ আৰু সম্পৰ্কেৰে সমস্ত অযোধ্যাবাসী, প্ৰজা-পৰিজন পবিত্ৰ আৰু ৰসময় হৈ আছে। আপোনাৰ কাৰণে ভৱদুখৰ যন্ত্ৰণা সহ্য কৰাও ভাল; কিন্তু প্ৰভুৰ অবিহনে পৰম পদ লাভ কৰাটোও ব্যৰ্থহে হয়। ১ ॥

হে স্বামী! আপুনি বিজ্ঞ; সকলোৰে হৃদয়ৰ আৰু মই সেৱকৰ মনৰ কামনা-বাসনা তথা অৱস্থাৰ কথা জানি, হে প্ৰণতপালক আপুনি সকলোকে পালন কৰক। হে দেৱ, দুয়োফালেই আদি-অন্ত পৰ্যন্ত আপুনি ৰক্ষা কৰক। মই যে এইটো এটা সকলো প্ৰকাৰে ডাঙৰ ভৰসা কৰিছোঁ। বিচাৰ কৰি চালে তাত অকণো সন্দেহ নাই। মোৰ দীনতা আৰু স্বামীৰ স্নেহ—এই দুয়োটাই মিলিহে মোৰ মনত এনে ভৰসা কৰাৰ নিচিনা ধৃষ্টতা সৃষ্টি কৰিব পাৰিছে। ২।৩ ॥

হে স্বামী! এই ডাঙৰ দোষটো দূৰ কৰি, সংকোচ ত্যাগ কৰি সেৱক মোক উপদেশ দিয়ক।" পানী আৰু গাখীৰ পৃথক কৰিব পৰা হংসিনীৰ নিচিনা ভৰতৰ এই প্ৰাৰ্থনা শুনি সকলোৱে প্ৰশংসা কৰিলে। ৪ ॥

দোঃ—দীনবন্ধু আৰু বুদ্ধিত প্ৰবীণ ৰামচন্দ্ৰই ভায়েকৰ এই কাতৰ আৰু ছলৰহিত বচন শুনি দেশ, কাল, পৰিস্থিতিৰ অনুকূলে ক'বলৈ ধৰিলে—৩১৪ ॥

"বাছা। তোমাৰ, মোৰ, পৰিয়াল-পৰিজনৰ, ঘৰৰ আৰু বনৰ সমস্ত চিন্তা গুৰু বশিষ্ঠ আৰু মহাৰাজ জনকৰ। আমাৰ শিৰৰ ওপৰত গুৰুদেৱ, বিশ্বামিত্ৰ মুনি আৰু মিথিলাপতি জনক থাকোঁতে তোমাৰ মোৰ স্বপ্নতো দুখ-কষ্ট নহয়। ১ ॥

আমি দুয়োজন ভায়েই যদি পিতৃৰ আজ্ঞা-পালন কৰোঁ, তেনেহ'লে তাৰ-পৰা তোমাৰ আৰু মোৰ উভয়ৰে পৰমপুৰুষাৰ্থ, স্বাৰ্থ, সুখ্যাতি, ধৰ্ম আৰু পৰমাৰ্থ সকলো লাভ হ'ব। কিয়নো ৰজাৰ ভালেই (ৰজাৰ কৰ্তব্য

পালন হ'লেই) বেদবিধি আৰু লৌকিক উভয় প্ৰকাৰে হিতসাধন স্বৰূপ হয়। গুৰু, পিতৃ-মাতৃ, স্বামী—এই সকলৰপৰা পোৱা শিক্ষা বা উপদেশ মানি চলিলে কুপথেদি যাব লগীয়া হ'লেও ভৰি গাঁতত নপৰে। ইয়াকে ভাবি, সকলো চিন্তা ত্যাগ কৰি, অযোধ্যালৈ গৈ বনবাসৰ অন্তলৈকে (এই শিক্ষা) তাক মানি চলাঁগৈ। ৩ ॥

দেশ, ৰাজস্ব, পৰিয়াল-পৰিজন আদি সকলোৰে দায়িত্ব গুৰুৰ চৰণ-ধূলাৰ ওপৰত। তুমি মাত্ৰ মুনি বশিষ্ঠ, মাতৃসকল আৰু মন্ত্ৰীসকলৰ উপদেশমতে পৃথিৱী, প্ৰজা আৰু ৰাজধানী পালন কৰি থাকিব লাগে।" ৪ ॥

দোঃ—তুলসীদাসে কৈছে—মুখিয়ালসকল [মানুহৰ] মুখৰ নিচিনাই হ'ব লাগে। যি মুখৰ দৰে অকলে খালেও বিচাৰ-বিবেচনাৰে সমস্ত অংগ-প্ৰত্যংগকে পালন-পোষণ কৰি থাকে। ৩১৫ ॥

চৌঃ—ৰাজধৰ্মৰ সৰ্বস্বত্ব এনেকুৱাই। সি মনৰ ভিতৰত মনোৰথ লুকাই থকাদি থাকে। এইদৰে ৰামে ভায়েকক নানা প্ৰকাৰে সান্ত্বনা দিলে; কিন্তু কিবা এটা অৱলম্বন স্বৰূপে নোপোৱালৈকে ভৰতৰ মনত সুখ লগা নাই, শান্তি পোৱা নাই। এইফালে ভৰতৰ সুচৰিত্ৰ আৰু আনফালে গুৰু-সকল, মন্ত্ৰী তথা সভাসদসকলৰ উপস্থিতি। এনেস্থলত ৰাম স্নেহ আৰু সংকোচ ভাৱত বিবশ হৈ পৰিল। অৱশেষত প্ৰভুৱে [গুৰুস্থানীয়সকলৈ সংকোচ ভাব ত্যাগ কৰি] কৃপা কৰি ভৰতক খৰমযোৰ দি দিলে আৰু ভৰতে তাক শ্ৰদ্ধাৰে শিৰত তুলি ল'লে। ১।২ ॥

কৰুণানিধি ৰামৰ খৰম দুপাত যেন প্ৰজাৰ প্ৰাণ ৰক্ষাৰ উদ্দেশ্যে দুজন প্ৰহৰীহে; ভৰতৰ প্ৰেমৰূপী ৰত্নৰ কাৰণে যেন পেৰাহে আৰু জীৱনৰ সিদ্ধিলাভৰ কাৰণে 'ৰাম' নামৰ দুটি অক্ষৰহে; ৰঘুকুল ৰক্ষা পৰি থাকিবৰ কাৰণে যেন দুখন দুৱাৰ, কল্যাণজনক কৰ্ম কৰিবলৈ যেন দুখন হাতহে; সেৱাৰূপী শ্ৰেষ্ঠ ধৰ্মসাধনৰ কাৰণে যেন দুটি নিৰ্মল নয়নহে। এই অৱলম্বনটি পাই ভৰত পৰম আনন্দিত হ'ল। তেওঁ এনেকুৱা আনন্দ পালে যেন ৰাম-সীতাহে লগতে আছে। ৩৪ ॥

দোঃ—ভৰতে প্ৰণাম কৰি বিদায় মাগিলে; ৰামে তেওঁক বুকুত সাৱটি ধৰিলে। ইফালে কুটিল স্বভাৱৰ ইন্দ্ৰই সুবিধা পাই মানুহবিলাকৰ ওপৰত 'উচাটন' প্ৰয়োগ কৰিলে। ৩১৬ ॥

চৌঃ—পিছে এই কুটকৌশলো সকলোৰে কাৰণে হিতকৰহে হ'ল; চৈধ্য

বছৰৰ অন্ত পৰালৈকে কৰা আশাৰ দৰে ই সকলোৰে সঞ্জীৱনী মন্ত্ৰৰ দৰেহে হৈ পৰিল। সেয়ে নোহোৱা হ'লে লক্ষ্মণ, সীতা আৰু ৰামৰ বিয়োগৰূপী দুৰাৰোগ্য ৰোগত ভুগি তেওঁলোক মৰিব লাগিলেহেঁতেন। শ্ৰীৰামৰ কৃপাত সকলো সমস্যাৰ সমাধান হ'ল। পুট-পাত কৰিবলৈ অহা দেৱ-সেনা এইদৰে চিতকৰ বঙ্কুকহে হৈ পৰিল। ৰামে ভায়েক ভৰতক দুটাবাহুৰ মাজত সুমুৱাই ল'লে। ৰামৰ সেই প্ৰেমৰ ৰস (আনন্দ) বৰ্ণনা কৰিব নোৱাৰি। ১।২ ॥

তনু, মন আৰু বচন—তিনিওটাতে প্ৰেম উচলি পৰিল। ধৈৰ্য্য ধৰণী ধৰোঁতা শ্ৰীৰামেও ধৈৰ্য ত্যাগ কৰিলে। তেওঁৰ কমল-সদৃশ নয়নৰপৰা লোতক ব'বলৈ ধৰিলে। তেওঁৰ সেই অৱস্থা দেখি দেৱসমাজো দুঃখিত হৈ পৰিল। যিকলে জ্ঞানৰ অগ্নিত নিজৰ মনটো পুৰি (সোণৰ দৰে) শুদ্ধ কৰি লৈছে, যাক ব্ৰহ্মাই নিৰ্লিপ্ত কৰি সৃষ্টি কৰিছে আৰু যিসকল সংসাৰৰূপী জলত পদুম পাতৰ দৰে উৎপন্ন হৈছে—সেই মুনিগণ, গুৰু বশিষ্ঠ আৰু জনকৰ নিচিনা ধীৰশ্ৰেষ্ঠসকলেও ৰাম আৰু ভৰতৰ অনুপম অপাৰ প্ৰেম দেখি বৈৰাগ্য আৰু বিবেক সমন্বিতে কায়, মন আৰু বচনেৰে সৈতে সেই প্ৰেমত নিমগ্ন হৈ পৰিল। ৩।৪ আৰু দোঃ-৩১৭ ॥

চৌঃ—য'ত জনক আৰু গুৰু বশিষ্ঠৰ মতি গতিও কুণ্ঠিত হৈ পৰিল, সেই দিব্য প্ৰেমক প্ৰাকৃত প্ৰেম বুলি কোৱাটো বৰ দোষৰ কথা। ৰাম আৰু ভৰতৰ বিয়োগ-বৰ্ণনা কৰা শুনিলে মানুহে কবিক অতি কাঠচিতীয়া বুলিব। এই সংকোচযুক্ত ৰস বৰ্ণনাতীত, গতিকে কবিৰ শোভন বাণী সেই দিব্য প্ৰেমৰ স্মৰণ কৰিয়েই শুদ্ধ হৈ ৰ'ল। ভৰতক আঁকোৱালি লৈ প্ৰভুৱে অনেক প্ৰবোধ দিলে। তাৰ পাছত আনন্দেৰে শত্ৰুঘ্নকো সাবটি ধৰিলে। ১।২।

সেৱক আৰু মন্ত্ৰীসকলে ভৰতৰ ইংগিত পাই নিজ নিজ কামত লাগি গ'ল। এই কথা শুনি দুয়ো ৰাজ্যৰ লোকসকলৰ দাৰুণ দুখ হ'ল। তেওঁলোকে ঘুৰি যাবলৈ যা-যোগাৰ কৰিবলৈ ধৰিলে। প্ৰভুৰ পাদ-পদ্ম বন্দনা কৰি, ৰামৰ আদেশ শিৰোধাৰ্য কৰি ভৰত আৰু শত্ৰুঘ্ন দুয়োজন ভাই যাবলৈ ওলাল। মুনি, তপস্বী, বনদেৱতা সকলোকে বাৰে বাৰে সৎকাৰ কৰি বিদায় ল'লে। ৩।৪ ॥

দোঃ—তাৰ পাছত (ভৰতে) লক্ষ্মণক মৰম-চেনেহ কৰি [শত্ৰুঘ্নই] প্ৰণাম কৰি আৰু সীতাৰ পদধূলা শিৰত লৈ সমস্ত সুমংগলৰ মূলস্বৰূপ আশীৰ্বাদ পাই প্ৰেমবিহ্বল হৈ যাবলৈ ওলাল ৩১৮ ॥

ভায়েক লক্ষ্মণৰ সৈতে ৰামে ৰজা জনকক মুৰ দোঁৱালে আৰু নানা প্ৰকাৰে

অনুনয়-বিনয় কৰি তেখেতৰ মহানুভৱতাৰ কথা ক'লে—"হে দেৱ! আপুনি দয়া কৰি বহুত দুখ গা পাতি ল'লে। আপুনি ৰাজসমাজ সমন্বিতে বনলৈ আহিলে। এতিয়া আমাক আশীৰ্বাদ কৰি ৰাজধানীলৈ প্ৰত্যাৱৰ্তন কৰক।" এই কথা শুনি জনকে ধৈৰ্য ধৰি যাত্ৰা আৰম্ভ কৰিলে। তাৰ পাছত ৰামে মুনি আৰু ব্ৰাহ্মণ-সজ্জনসকলক বিষ্ণু আৰু শিৱৰ দৰে জ্ঞান কৰি সসন্মানে বিদায় দিলে। ১।২ ॥

তাৰ পাছত ৰাম-লক্ষ্মণ দুয়ো শাহুৱেকৰ ওচৰলৈ গ'ল আৰু তেখেতৰ চৰণ বন্দনা কৰি আশীৰ্বাদ লৈ ঘূৰি আহিল। তাৰ পাছত বিশ্বমিত্ৰ, বামদেৱ, জাবালি আৰু সজ আচৰণসম্পন্ন পুৰবাসী, পৰিজন আৰু মন্ত্ৰীসকলক লক্ষ্মণেৰে সৈতে ৰামে বিনীতভাৱে সকলোকে যথাযোগ্য প্ৰণাম কৰি বিদায় দিলে। কৃপানিধি শ্ৰীৰামে নিম্ন, মধ্য আৰু উচ্চ, সকলো শ্ৰেণীৰ নৰ-নাৰীকে যথাযোগ্য সন্মান কৰি ঘূৰাই পঠালে। ৩।৪ ॥

দোঃ—প্ৰভু শ্ৰীৰামে ভৰতৰ মাতৃ কৈকেয়ীৰ চৰণ বন্দনা কৰি পবিত্ৰ স্নেহভাৱেৰে তেখেতক দেখা-সাক্ষাৎ কৰি মনৰ সকলো সংকোচ আৰু চিন্তা-ভাৱনাৰ অন্ত পেলালে। তাৰ পাছত পাল্কী সজাই তেখেতক বিদায় দিলে। ৩১৯ ॥

চৌঃ—প্ৰাণপ্ৰিয় শ্ৰীৰামৰ প্ৰতি পবিত্ৰ প্ৰেম পোষণ কৰা সীতাই মাতৃপক্ষৰ আত্মীয়-পৰিজন আৰু পিতৃ-মাতৃক সাক্ষাৎ কৰি আহিলে। তাৰ পাছত শাহুয়েকসকলক প্ৰণাম কৰিলে। তেখেতসকলেও সীতাক ডিঙিত আঁকোৱালি ধৰি মৰম কৰিলে। এই স্নেহৰ বৰ্ণনা দিবলৈ কবিৰ হৃদয়ত উলাহ লগা নাই। সেইসকলৰপৰা উপদেশ আৰু মনোবাঞ্ছিত আশীৰ্বাদ পাই দুয়ো পক্ষৰে প্ৰীতিভাৱত নিমগ্ন হৈ পৰিল। তেতিয়া ৰামে সুন্দৰ পাল্কী বিচৰাই আনিলে আৰু বুজাই-বৰাই মাতৃসকলক তাত তুলি দিলে। দুয়োজন ভায়েই সমান মৰম-চেনেহেৰে সৈতে সকলোকে বাৰে বাৰে দেখা-সাক্ষাৎ কৰি আগবঢ়াই থ'লেগৈ। ভৰত আৰু ৰজা জনকৰ দলসমূহে ঘোঁৰা, হাতী আৰু নানা যান-বাহন সজাই-পৰাই লৈ যাবলৈ ধৰিলে। ১—৩ ॥

সীতা আৰু লক্ষ্মণৰ সৈতে শ্ৰীৰামক হৃদয়ত বান্ধি সকলো মানুহ আপোন-পাহৰা হৈ যাবলৈ ধৰিলে। গৰু, ঘোঁৰা, হাতী আদি পশুবোৰো হতাশ হৈ মন মাৰি ঘূৰি যোৱাত লাগিল। ৪ ॥

দোঃ—গুৰু বশিষ্ঠ আৰু গুৰু পত্নী অৰুন্ধতীৰ চৰণ বন্দনা কৰি সীতা আৰু লক্ষ্মণৰ সৈতে প্ৰভু শ্ৰীৰাম হৰ্ষ আৰু বিষাদ দুয়োটাৰে সৈতে পৰ্ণ-কুটীৰলৈ ঘূৰি আহিলে ৩২০ ॥

চৌঃ—তাৰ পাছত মান-সৎকাৰ কৰি নিষাদৰাজক বিদায় দিলে। তেওঁ মনত দাৰুণ বিষাদ লৈ যাত্ৰা কৰিলে। তাৰ পাছত কোল, ভীল, কিৰাত আদি বনবাসী লোকসকলক ৰামে বিদায় দিলে; তেওঁলোকে বাৰে বাৰে প্ৰণাম কৰি নিজ বাট ল'লে। ১ ॥

প্ৰভু শ্ৰীৰামচন্দ্ৰ, সীতা আৰু লক্ষ্মণ প্ৰিয়-পৰিজনৰ বিয়োগ দুখত আকুল হৈ বড়গছৰ তলত বহিলেগৈ। ভৰতৰ স্নেহ, সৎ স্বভাৱ আৰু সুন্দৰ কথা-বতৰাবোৰ প্ৰশংসা কৰি-কৰি ৰামে প্ৰিয়তমা আৰু ভাতৃৰ আগত বাৰে বাৰে বখানিবলৈ ধৰিলে। ২ ॥

ৰামে প্ৰীতিবশতঃ ভৰতৰ বচন, মন, প্ৰীতি, প্ৰতীতি আৰু কৰ্মৰ কথা নিজৰ মুখেৰে বৰ্ণনা কৰিলে। সেই সময়ত পশু-পক্ষী, পানীৰ মাছ আদি চিত্ৰকূটৰ সকলো চৰাচৰ জীৱ উদাস হৈ পৰিল। ৩ ॥

ৰঘুনাথৰ অৱস্থা দেখি দেৱতাসকলে তেওঁৰ ওপৰত পুষ্পবৃষ্টি কৰিলে আৰু দুখৰ কথা ক'লে। প্ৰভুৱে প্ৰণাম কৰি সকলোকে আশ্বাস দিলে। তেতিয়া দেৱতাসকল আনন্দ মনেৰে গুচি গ'ল, মনত অকণো ভয়-ভ্ৰান্তি নাথাকিল। ৪ ॥

দোঃ—ভায়েক লক্ষ্মণ আৰু সীতাৰে সৈতে পৰ্ণকুটীৰত প্ৰভুৱে এনেদৰে বিৰাজ কৰিলে, যেন বৈৰাগ্য, ভক্তি আৰু জ্ঞানেহে সাক্ষাৎ শৰীৰ ধাৰণ কৰি আছেহি। ৩২১ ॥

চৌঃ—মুনি, ব্ৰাহ্মণ, গুৰু বশিষ্ঠ, ভৰত, ৰজা জনক আৰু সমস্ত সমাজ ৰামৰ বিৰহত আতুৰ। প্ৰভুৰ গুণসমূহ মনতে সুঁৱৰি সুঁৱৰি সকলো মানুহ বাটত মৌন হৈ যাব লাগিছে। ১ ॥

সকলোৱে গৈ যমুনা পাৰ হ'ল। সেইদিনা খোৱা-বোৱা নকৰাকৈয়ে কটোৱা হ'ল। দ্বিতীয় দিনা গংগা পাৰ হৈ তাতে ৰ'ল, ইয়াত ৰামৰ মিত্ৰ গুহই সকলো সুব্যৱস্থা কৰি দিলে। ২ ॥

তাৰ পাছত সঈনদী পাৰ হৈ গোমতীত স্নান কৰিলে আৰু চতুৰ্থ দিনা অযোধ্যা পালেগৈ। জনক চাৰিদিন অযোধ্যাত থাকিল আৰু ৰাজকাৰ্য তথা অন্য সকলো ব্যৱস্থা আয়ত্তলৈ আনি মন্ত্ৰী, গুৰু বশিষ্ঠ আৰু ভৰতক ৰাজ্য সমৰ্পণ কৰি সকলো দিহা-ব্যৱস্থা কৰি দি মিথিলালৈ ঘূৰিলে। নগৰৰ নৰ-নাৰীসকলে গুৰু বশিষ্ঠৰ উপদেশ মানি সুখে-সন্তোষে ৰামৰ ৰাজধানী অযোধ্যাত বাস কৰিবলৈ ধৰিলে। ৩—৪ ॥

দোঃ—সকলোৱে [বনবাসৰ অন্তত] ৰামৰ দৰ্শন পাবলৈ ব্ৰত-উপবাস

পালন কৰিবলৈ ধৰিলে। তেওঁলোকে অা-অলংকাৰ আৰু সুখভোগ ত্যাগ কৰি সময়ৰ শেষ সীমালৈ আশাৰে বাট চাই জীৱন ধাৰণ কৰি থাকিল। ৩২২ ॥

চৌঃ—ভৰতে মন্ত্ৰীসকলক আৰু বিশ্বাসী সেৱকসকলক শিকাই বুজাই ল'লে। তেওঁলোকো সেই শিক্ষা লাভ কৰি নিজ নিজ কামত লাগি গ'ল। তাৰ পাছত ভায়েক শত্ৰুঘ্নক মাতি আনি উপদেশ দিলে। তেওঁক মাতৃসকলৰ দায়িত্ব অৰ্পণ কৰা হ'ল। ১ ॥

ব্ৰাহ্মণসকলক মতাই আনি কৰযোৰে প্ৰণাম কৰি বয়স অনুসৰি অনুনয়-বিনয় কৰি প্ৰাৰ্থনা জনাই ক'লে—“আপোনালোকে উচ্চ-নীচ, ভাল-বেয়া, যেনে কামেই নহওক লাগে, কৰিবলৈ আদেশ দিয়ক ; সংকোচ নকৰিব।” ২ ॥

তাৰ পাছত ভৰতে পৰিয়ালৰ লোকসকল, নগৰবাসীসকল আৰু প্ৰজাবৃন্দক মাতি আনি আশ্বস্ত কৰি সুখেৰে বাস কৰি থাকিবলৈ দিহা লগাই দিলে। তাৰ পাছত ভায়েক শত্ৰুঘ্নেৰে সৈতে গুৰু-গৃহলৈ গৈ কৰযোৰে আৰু দণ্ডৱৎ হৈ প্ৰণাম কৰি ক'লে—“আজ্ঞা পালে মই নিয়ম পালন কৰি কটাব খোজোঁ।” মুনিৰ শৰীৰ পুলকিত হ'ল, স্নেহভাৱেৰে তেখেতে ক'লে—“ভৰত! তুমি যিহকে বুজিবা, ক'বা আৰু কৰিবা ; জগতত সেয়ে ধৰ্মৰ সাৰ-তত্ত্বস্বৰূপ হ'ব।” ৩।৪ ।

দোঃ—সেইকথা শুনি ভৰতে গুৰুৰ উপদেশ আৰু আশীৰ্বাদ লৈ জ্যোতিষী-সকলক মতাই অনালে। শুভ দিন-বাৰ চোৱাই প্ৰভুৰ পাদুকাযুৰি নিৰ্বিঘ্নে সিংহাসনত স্থাপন কৰিলে। ৩২৩ ॥

চৌঃ—তাৰ পাছত ৰামৰ মাতৃ কৌশল্যা আৰু গুৰুদেৱৰ চৰণত মূৰ দোৱাঁই, প্ৰভুৰ পাদুকাৰ আজ্ঞা লৈ ধৰ্মৰ ধৰণী ধৰোঁতা ধীৰ ভৰতে নন্দীগ্ৰামত পৰ্ণকুটীৰ সজাই লৈ তাত বাস কৰিবলৈ ধৰিলে। ১ ॥

শিৰত জটা, শৰীৰত মুনিৰ বস্ত্ৰ, মাটি চিকুণাই তাত কুশবনৰ শয্যা পাৰি ল'লে। ভোজন, বসন, বাচন-বৰ্তন, ব্ৰত-নিয়ম—সকলোতে ভৰতে ভক্তিৰে সৈতে ঋষিৰ ধৰ্ম পালন কৰিবলৈ ধৰিলে। বসন-ভূষণ, নানা প্ৰকাৰৰ সুখ-ভোগ, সকলো তনু, মন, বচনেৰে সৈতে প্ৰতিজ্ঞা কৰি ত্যাগ কৰিলে। যি অযোধ্যাৰ ৰাজ্যভোগ ইন্দ্ৰয়ো ঈৰ্ষাৰ চকুৰে চায় আৰু য'ৰ অধিপতি দশৰথৰ সম্পদৰ কথা শুনি কুবেৰেও লজ্জাবোধ কৰে, সেই অযোধ্যাৰ প্ৰতি আসক্তি ত্যাগ কৰি ভৰতে এনেদৰে বাস কৰিছে ; যেন চম্পা ফুলৰ বাগিচাৰ প্ৰতি অনাসক্ত হোৱা ভোমোৰাহে। ৰামৰ অনুৰাগী অতি ভাগ্যশালী লোকসকলে লক্ষ্মীৰ ভোগ-বিলাসসমূহ বমি কৰা বস্তুৰ দৰে ত্যাগ কৰিবলৈ ধৰিলে। ২—৪ ॥

দোঃ—তাতে আকৌ ভৰত স্বয়ং ৰামৰ প্ৰিয়পাত্ৰ ; গতিকে তেওঁ এই কাম কৰি (ত্যাগৰ দ্বাৰা) একো ডাঙৰ হোৱা নাই। [মাটিত থকা পানী নোখোৱা] সংকল্পৰ কাৰণে পানীপিয়া চৰাইক, তথা পানী আৰু গাখীৰ সুকীয়া কৰিব পৰা সূক্ষ্মাবিচাৰ শক্তিৰ কাৰণে ৰাজহংসকো প্ৰশংসা কৰা হয়। ৩২৪ ॥

চৌঃ—দিনে দিনে ভৰতৰ শৰীৰ দুৰ্বল হৈ আহিল ; তেজস্বিতা কমি আহিবলৈ ধৰিলে। বল-শক্তি আৰু মুখৰ কান্তিৰ ক্ষেত্ৰতো সেয়ে ঘটিবলৈ ধৰিলে ; কিন্তু তেওঁৰ ৰাম ভক্তিৰ পণ নিতৌ নতুন আৰু পুষ্ট হৈহে আহিল ; ধৰ্মসমূহ বৃদ্ধি পালে। মন অকণো উদাস নহ'ল। শৰৎকাল প্ৰকাশ পাবলৈ ধৰাৰ লগে লগে পানী কমি যায়, কিন্তু বেত, লতা আৰু পদুম ফুল বিকশিত হয়। শম, দম, সংযম, নিয়ম, উপবাস আদি ভৰতৰ হৃদয়ৰূপী নিৰ্মল আকাশৰ নক্ষত্ৰমালাস্বৰূপ হৈ পৰিল ; বিশ্বাসেই তাত ধ্ৰুৱতৰা হ'ল ; চৈধ্য বছৰ শেষ হোৱাৰ যি ভাব-সিয়েই হ'ল পূৰ্ণিমা। আৰু সেই আকাশত স্বামীৰ স্মৃতিয়েই আকাশী গংগাৰ দৰে শোভা পাবলৈ ধৰিলে। ৰাম-ভক্তিয়েই হ'ল তাত চিৰন্তন আৰু কলংকৰহিত চন্দ্ৰ ; ই নিজৰ সভাখনেৰে সৈতে (নক্ষত্ৰ মণ্ডলীৰে সৈতে) নিতৌ শোভা কৰিবলৈ লাগিল। ১—৩ ॥

ভৰতৰ থকা, বুজা আৰু কাম কৰাৰ ধৰণ তথা তেওঁৰ ভক্তি, বৈৰাগ্য, নিৰ্মল গুণ আৰু ঐশ্বৰ্যৰ বৰ্ণনা কৰিবলৈ সকলো শ্ৰেষ্ঠ কবিয়েই সংকোচ কৰিব ; কাৰণ এই বিষয়টো স্বয়ং অনন্ত, গণেশ আৰু সৰস্বতীৰ বাবেও অসাধ্য। ৪।

দোঃ—তেওঁ সদায় প্ৰভুৰ পাদুকাৰ পূজা কৰে ; হৃদয়ত প্ৰেমে নধৰা হয়। পাদুকাৰ আদেশ লৈ তেওঁ নানা প্ৰকাৰৰ ৰাজকাৰ্য সম্পন্ন কৰে। ৩২৫ ॥

চৌঃ—ভৰতৰ শৰীৰ পুলকিত, হৃদয়ত ৰাম-সীতা। জিভাই ৰাম-নাম জপিব লাগিছে, চকুত প্ৰেমৰ লোতক। লক্ষ্মণ, ৰাম আৰু সীতাই বনত বাস কৰিছে ; ভৰতে কিন্তু ঘৰতে থাকি তপস্যাৰে শৰীৰক কষ্ট দিছে। ১ ॥

দুয়োফালৰে অৱস্থালৈ চাই মানুহে এই বুলি কৈছে—ভৰত সকলো প্ৰকাৰে প্ৰশংসাৰ পাত্ৰ। তেওঁৰ ব্ৰত-নিয়মৰ কথা শুনি সাধু-সন্তসকলো স্তম্ভিত হৈছে ; তেওঁৰ অৱস্থা দেখি মুনিৰাজেও লজ্জাবোধ কৰিছে। ভৰতৰ পৰম পৱিত্ৰ আচৰণ মধুৰ, সুন্দৰ, আনন্দদায়ক আৰু মংগলজনক। কলিযুগৰ কঠোৰ পাপসমূহ আৰু ক্লেশ হৰণকাৰী ; মহামোহৰূপী ৰাত্ৰি বিনষ্টকাৰী সূৰ্যস্বৰূপ ; পাপৰূপী হস্তীৰ কাৰণে সিংহস্বৰূপ সকলো সন্তাপ বিনাশক ; ভক্তৰ আনন্দ বিধায়ক তথা ভৱভঞ্জনকাৰী আৰু ৰামৰূপী চন্দ্ৰৰ সাৰ অমৃততুল্য। ২—৪ ॥

ছঃ—ৰাম-সীতাৰ প্ৰেম-অমৃতেৰে পৰিপূৰ্ণ ভৰতৰ যদি জন্ম নহ'লহেঁতেন, তেতিয়া মুনিসকলৰো অগম্য যম, নিয়ম, শম, দম আদি কঠোৰ ব্ৰতসমূহৰ আচৰণ কোনে কৰিলেহেঁতেন? দুখ তাপ, দৰিদ্ৰতা, দম্ভ আদি দোষসমূহ নিজৰ সুযশৰ ছলেৰে কোনে হৰণ কৰিলেহেঁতেন? আৰু কলিকালত তুলসীদাসৰ নিচিনা শঠবোৰকনো কোনে জোৰেৰে শ্ৰীৰামৰ সন্মুখীন কৰিলেহেঁতেন?

সোঃ—তুলসীদাসে কৈছে—যেয়ে নিয়মপূৰ্বক ভৰতৰ চৰিত্ৰ শ্ৰৱণ কৰিব, নিশ্চিতভাৱে তেওঁৰ ৰাম-সীতাৰ চৰণত ৰতি হ'ব আৰু সাংসাৰিক বিষয়-ৰসলৈ বৈৰাগ্য জন্মিব। ৩২৬ ॥

শ্ৰীৰামচৰিত মানস

অৰণ্যকাণ্ড

শ্লোকঃ—ধৰ্ম-বৃক্ষৰ মূল, বিবেক-সমুদ্ৰৰ আনন্দপ্ৰদ পূৰ্ণচন্দ্ৰ, বৈৰাগ্যকমলৰ বিকাশক সূৰ্য, ঘনঘোৰ পাপতিমিৰ নাশক, তাপহাৰী*, মোহমেঘৰাশি বিচ্ছিন্ন-কাৰী, আকাশ-জাত পৱন সদৃশ, ব্ৰহ্মাবংশোদ্ভৱ কলংকনাশী, মহাৰাজ শ্ৰীৰামচন্দ্ৰৰ প্ৰিয় শংকৰক বন্দনা কৰোঁ। ১ ॥

সঘন মেঘ-সদৃশ আনন্দঘন সুন্দৰ যাৰ শৰীৰ (শ্যামবৰ্ণ), যি শৰীৰত পীতবস্ত্ৰ, হাতত ধনুৰ্বাণ, কঁকালত তূণীৰ ভাৱ ধাৰণ কৰি সুশোভিত হৈছে; কমলায়ত সুন্দৰ লোচনযুক্ত, জটাধাৰী, সীতা-লক্ষ্মণ সহ পথগামী সেই সুখদায়ক ৰামচন্দ্ৰক মই ভজনা কৰোঁ। ২ ॥

সোৰঠাঃ—হে উমা! ৰামৰ গুণসমূহ গূঢ় (তত্ত্বপূৰ্ণ, সকলোৱে বোধগম্য নোহোৱা ৰহস্যময়)। পণ্ডিত আৰু মুনিসকলে তাৰ তত্ত্ব বুজি বৈৰাগ্য লাভ কৰে। ধৰ্মত মতিহীন, হৰি-বিমুখ মূঢ়জন তাৰপৰাও মোহগ্ৰস্তহে হয়।

চৌঃ—পুৰবাসী (অযোধ্যাবাসী) আৰু ভৰতৰ অনুপম সুন্দৰ প্ৰীতিভাৱৰ বৰ্ণনা মই নিজৰ বুদ্ধি অনুসৰি দাঙি ধৰিলোঁ। এতিয়া, দেৱতা, মনুষ্য আৰু মুনিসকলৰ মনত আনন্দ দিয়া প্ৰভু ৰামচন্দ্ৰৰ বনবাসকালৰ অতি পবিত্ৰ চৰিত শুনা। ১ ॥

এবাৰ সুন্দৰ সুন্দৰ ফুল বাছি বাছি আনি প্ৰভু ৰামচন্দ্ৰই নিজ হাতে নানা তৰহৰ অলংকাৰ সাজিলে আৰু সুন্দৰ স্ফটিক শিলাৰ ওপৰত বহি সীতাক সেই অলংকাৰ বৰ আদৰেৰে পিন্ধালে। ২ ॥

দেৱৰাজৰ দুষ্ট পুত্ৰৰ (জয়ন্তৰ) কাউৰী-বেশ ধৰি ৰামচন্দ্ৰৰ বল পৰীক্ষা কৰি চোৱাৰ ইচ্ছা হ'ল; যেন অতি ক্ষুদ্ৰ বুদ্ধিৰ পকৰাইহে সাগৰ জুখি চাবলৈ ইচ্ছা কৰিলে। ৩ ॥

---

*আধ্যাত্মিক, আধিদৈৱিক আৰু আধিভৌতিক তাপ হৰণ কৰোঁতা অৰ্থত।

সেই মূৰ্খই নিজৰ বুদ্ধিৰ দোষত কাউৰী হৈ সীতাৰ ভৰিত ঠোঁট মাৰি গুচি গ'ল। তেজ ওলোৱা দেখি ৰামে জানিলে আৰু ধনুত শৰ তুলি ল'লে।* ৪ ॥

দোঃ—ৰঘুনাথ ৰাম দীনজনৰ প্ৰতি সদায় স্নেহশীল আৰু অতি কৃপালু। দোষেৰে পৰিপূৰ্ণ সেই মূৰ্খই (জয়ন্তই) তেওঁৰ ওচৰতো আহি এনে ছল কৰিছে। ১ ॥

চৌঃ—মন্ত্ৰপ্ৰেৰিত ব্ৰহ্মশৰ আগ বাঢ়ি গ'ল। তেতিয়া ভয় পাই কাউৰী পলাবলৈ ধৰিলে। সি নিজ ৰূপ ধৰি পিতাকৰ (ইন্দ্ৰৰ) ওচৰ পালেগৈ। ৰামৰ বিৰোধী বুলি জানি তেওঁ তাক নাৰাখিলে। ১ ॥

তেতিয়া সি নিৰাশ হ'ল আৰু মনত ত্ৰাস উপজিল। দুৰ্বাসা ঋষিয়ে চক্ৰৰ-পৰা ভয়পোৱাৰ নিচিনা হ'ল। সি ব্ৰহ্মলোক, শিৱলোক আদি সকলো লোকতে ভাগৰি-জুগৰি ভয় আৰু শোকত ব্যাকুল হৈ ঘূৰি ফুৰিবলৈ ধৰিলে। ২ ॥

কোনেও তাক বহিবলৈকে নিদিলে। ৰামৰ দ্ৰোহীক কোনে ৰাখিব পাৰে? তাৰ কাৰণে মাতৃ মৃত্যুৰ সমান, পিতৃ যমৰ সমান আৰু অমৃতো বিষতুল্য হয়। [কাকভুশুণ্ডিয়ে—গৰুড়ক কৈছে] ৩ ॥

"হে ভাই শুনা। যি ৰঘুনাথ ৰামৰ বিমুখ হয়, তাৰ কাৰণে মিত্ৰয়ো শত সহস্ৰ শত্ৰুৰ নিচিনা কাম কৰে, দেৱনদী গংগাও বৈতৰণীৰ দৰে হয়। সমস্ত জগতেই তাৰ কাৰণে অগ্নিতকৈয়ো অধিক তাপদায়ক হৈ পৰে।" ৪ ॥

এইদৰে বিকল হৈ পৰা জয়ন্তক দেখি নাৰদৰ দয়া উপজিল। সন্তসকলৰ চিত্ত কোমল, দয়ালু। তেওঁ তাক তুৰন্তেই ৰামৰ ওচৰলৈ পঠিয়ালে। সিও 'হে প্ৰণতহিতকাৰী (শৰণাগত ৰক্ষক)! মোক ৰক্ষা কৰক' বুলি মাত লগালে আৰু আতুৰ ভয়ভীত অৱস্থাৰে ৰামৰ চৰণত ধৰিলেগৈ। [সি ক'বলৈ ধৰিলে] "হে দয়ালু ৰঘুনাথ, ৰক্ষা কৰক, ৰক্ষা কৰক। আপোনাৰ অতুলনীয় বল আৰু অতুলনীয় প্ৰভুত্বৰ পৰিচয় মই পোৱা নাছিলোঁ। সেই বাবে নিজে কৰা কৰ্মৰ ফল মই পালোঁ। এতিয়া মই আশ্ৰয় বিচাৰিছোঁ, মোক ৰক্ষা কৰক।" [শিৱই কৈছে] "হে ভৱানী! কৃপালু ৰামে এনে অতি আতুৰ-বাণী শুনি তাৰ এটা চকু কণা কৰি এৰি দিলে।" ৫। ৬। ৭ ॥

সোঃ—সি মোহবশ হৈ দ্ৰোহ আচৰণ কৰিছিল কাৰণে বধৰ যোগ্যই আছিল,

*মূলত 'সীঁক ধনুষ সায়ক সংধানা' আছে। 'সীঁক সায়ক' বুলিলে কুশজাতীয় এবিধ তৃণৰ শৰ বুজায়।

কিন্তু প্ৰভুৱে তাক কৃপা কৰি এৰি দিলে। ৰঘুনাথ ৰামৰ নিচিনা কৃপালু আৰু কোন আছে ?” ২ ॥

চৌ:—চিত্ৰকুটত বাস কৰা সময়ত ৰঘুপতি ৰামে নানা ধৰণৰ এনে কিছুমান কাম কৰিলে, যিবোৰৰ কথা শুনিবলৈ পালে কাণে অমৃত পোৱা যেন পায়। তাৰ পাছত ৰামে আকৌ মনতে ভাবিলে, “মোক সকলোৱেই চিনি পাইছে, সেইবাবে ইয়াত মানুহৰ হেঁচা বাঢ়িব।” ১ ॥

গতিকে সকলো মুনিৰপৰা বিদায় লৈ সীতাসহ দুয়ো ভাই তাৰপৰা গুচি গ'ল। পাছত যেতিয়া প্ৰভু ৰামচন্দ্ৰ অত্ৰিমুনিৰ আশ্ৰম পালেগৈ তেতিয়া মহামুনিয়ে শুনি আনন্দ পালে। ২ ॥

তেওঁৰ শৰীৰ পুলকিত হ'ল আৰু ৰামৰ ওচৰলৈ লৰি আহিল। তাকে দেখি ৰামে আগবাঢ়ি দণ্ডৱতে প্ৰণাম জনালে। মুনিয়ে তুলি লৈ বুকুত সাৱট মাৰি ধৰিলে আৰু প্ৰেমৰ চকুলোৰে দুয়োজনকে (ৰাম-লক্ষ্মণক) যেন ধুৱাই পেলালে। ৩ ॥

ৰামক দেখি মুনিৰ চকু জুৰ পৰিল, তেওঁ আদৰ কৰি [ৰাম-সীতা আৰু লক্ষ্মণক] সকলোকে আশ্ৰমৰ ভিতৰলৈ লৈ গ'ল। যথাবিধি পূজা আৰু আদৰ-সম্ভাষণৰ লগতে ফল-মূল দি তেওঁ প্ৰভুক সন্তুষ্ট কৰিলে। ৪ ॥

সো:—প্ৰভু আসনত বহিল। চকুৰে হেঁপাহ পলুৱাই ৰামৰ সৌন্দৰ্য উপভোগ কৰি প্ৰবীণ, মুনিশ্ৰেষ্ঠ অত্ৰিয়ে হাতযোৰ কৰি স্তুতি গান আৰম্ভ কৰিলে : ৩ ॥

ছন্দ:—“হে ভক্তবৎসল, কৃপালু, কোমল, চৰিত্ৰবান, আপোনাক নমস্কাৰ ! নিষ্কাম পুৰুষক স্বধামত (পৰম ধাম বা বৈকুণ্ঠত) স্থান দিওঁতা আপোনাৰ পদপংকজত মই ভজনা কৰিছোঁ। ১ ॥

হে নিষ্কাম, শ্যামসুন্দৰ, সংসাৰ-সমুদ্ৰ মন্থনৰ কাৰণে মন্দৰ পৰ্বত সদৃশ, (অসাৰ সংসাৰত নিহিত থকা সাৰভূত পদাৰ্থ যাৰ সহায়ত পাব পাৰি) প্ৰফুল্ল কমলৰ দৰে সুন্দৰ নেত্ৰযুক্ত আৰু মদাদি [ছয় ৰিপু] বিকাৰনাশক প্ৰভু ! আপোনাৰ প্ৰলম্ব (দীঘল) বাহুৰ বল-বিক্ৰম আৰু বৈভৱ অপ্ৰমেয় (বুদ্ধিৰ অগোচৰ)। তূণীৰ আৰু ধনু-শৰ ধাৰণকাৰী আপুনি তিনিওলোকৰে স্বামী। ২।৩ ॥

সূৰ্যবংশৰ শোভাবৰ্ধক, হৰ-ধনু ভঞ্জনকাৰী, সন্ত আৰু মুনিশ্ৰেষ্ঠসকলৰ আনন্দদায়ক, দেৱ-শত্ৰু অসুৰসমূহৰ নাশক, কামদহনকাৰী মহাদেৱশিৱৰ

বন্দিত, ব্ৰহ্মা আদি দেৱসমূহৰ দ্বাৰা সেৱিত, বিশুদ্ধ জ্ঞান মূৰ্তি, সমস্ত দোষনাশক, লক্ষ্মীকান্ত আপোনাক নমস্কাৰ। সজ্জনসকলৰ গতিদায়ক, শচীপতি ইন্দ্ৰৰ প্ৰিয়ানুজ বামণৰূপধাৰী, আপোনাক শক্তি আৰু অনুজসহ (সীতা আৰু লক্ষ্মণসহ) ভজনা কৰোঁ। ৪।৫।৬॥

মৎসৰহীন (দ্বেষ, ক্ৰোধ আদি ৰহিত) হৈ যিসকল লোকে আপোনাৰ চৰণত ভজে, তেওঁলোক নানা সন্দেহৰ [বিতৰ্কৰ] তৰংগেৰেপূৰ্ণ সংসাৰ-সাগৰত নপৰে। ৭॥

মুক্তিলাভৰ কাৰণে ইন্দ্ৰিয় দমন কৰি একান্তবাস কৰাসকলে আনন্দ মনেৰে আপোনাক ভজিলে স্বকীয় গতি লাভ কৰে (স্বৰূপ উপলব্ধি হয়)। ৮॥

অদ্বিতীয় পৰমেশ্বৰ, ইচ্ছা ৰহিত, সৰ্বব্যাপক, জগতৰে গুৰু সনাতন তুৰীয় স্বৰূপ সত্য (জাগ্ৰত, স্বপ্ন আৰু সুষুপ্তি তিনিওটা অৱস্থাৰে অতীত একমাত্ৰ সত্য স্বৰূপ) সকলো ভাবৰ নিৰীক্ষণ-কৰ্তা (ভাৱ-বল্লভ), বিষয়াসক্ত-সকলৰ কাৰণে দুৰ্লভ, নিজ ভক্তসকলৰ বাবে কল্পবৃক্ষ সদৃশ, সমস্বৰূপ, সদায় সেৱাৰ যোগ্য আপোনাক ভজনা কৰোঁ। ৯।১০॥

হে অনুপম সুন্দৰ ৰূপধাৰী ভূপতি! হে সীতাপতি! আপোনাক প্ৰণাম। আপুনি মোৰ প্ৰতি প্ৰসন্ন হওক। মোক আপোনাৰ চৰণ-কমলত ভক্তিমান কৰক। ১১॥

যিসকলে এই স্তুতি শ্ৰদ্ধাভাৱেৰে পাঠ কৰে, সেইসকলে ভক্তিযুক্ত হৈ আপোনাৰ পৰমপদ লাভ কৰে, তাত সংশয় নাই।" ১২॥

দোহা:—এইদৰে মিনতি জনাই, শিৰ দোৱাই, হাতযোৰ কৰি মুনিয়ে আকৌ ক'লে—"হে নাথ, মোৰ মনে যেন আপোনাৰ চৰণ-কমল কেতিয়াও নেৰে।" ৪॥

চৌ:—সুচৰিত্ৰা আৰু বিনীতা সীতায়ো ঋষিপত্নীক (অনসূয়াক) চৰণ চুই সেৱা জনালে। তেওঁ সুখী হৈ আশিস্ দি সীতাক কাষতে বহুৱাই ল'লে। ১॥

তেওঁ সীতাক এনে দিব্যবস্ত্ৰ আৰু আভূষণ পিন্ধালে যে সেইবোৰ সদায় নতুন, নিৰ্মল আৰু শোভাযুক্ত হৈ থাকে। [তাৰ পাছত] নানা বিধৰ সৰস আৰু কোমল ভাষাৰে ঋষি-পত্নীয়ে নানা কাৰণ দৰ্শাই নাৰী ধৰ্মবো বৰ্ণনা কৰিলে। ২॥

"হে ৰাজকুমাৰী! শুনা। পিতা, মাতা, ভাই সকলোৱেই হিতকাৰী;

কিন্তু স্বামীৰ দান অসীম। যি নাৰীয়ে পতি-সেৱা নকৰে, সেই নাৰী অধম। ৩ ॥

ধৈৰ্য, ধৰ্ম, মিত্ৰ আৰু নাৰী—এই চাৰিওৰে পৰীক্ষা বিপদৰ সময়ত হয়। বৃদ্ধ, ৰোগী, মূৰ্খ, নিৰ্ধন, অন্ধ, কলা, ক্ৰোধী আৰু অত্যন্ত দীন অৱস্থাত পৰা পতিক অপমান কৰিলে পত্নীয়ে যমপুৰত নানা যাতনা ভোগে। পত্নীৰ একমাত্ৰ ধৰ্ম, ব্ৰত আৰু নিয়ম, কায়মনোবাক্যে পতিচৰণত প্ৰেমহে। ৪ ॥

জগতত চাৰি শ্ৰেণীৰ পতিব্ৰতা আছে। বেদ, পুৰাণ আৰু সন্তসকলে এইদৰে কয় যে—উত্তম শ্ৰেণীৰ পতিব্ৰতাৰ মনত এনে ভাব দৃঢ় হৈ থাকে, যাৰ ফলত নিজৰ স্বামীৰ বাহিৰে এই জগতত পৰপুৰুষ সপ্নতো থকা বুলি নাভাবে। ৬ ॥

মধ্যম শ্ৰেণীৰ নাৰীয়ে পৰপতিক কেনেদৰে চায়? যেন নিজৰ সহোদৰ ভাই, আৰু পিতা বা পুত্ৰহে। ধৰ্মৰ বিচাৰ আৰু নিজৰ কুল মৰ্যাদা ৰক্ষা কৰিহে যি নাৰী সুশীলা হৈ থাকে, সেই নাৰী নিম্ন স্তৰৰ। এইদৰে বেদে কয়। ৭ ॥

যি তিৰোতাই সুযোগ নোপোৱা বাবে বা ভয়তহে পতিব্ৰতা হৈ থাকে, জগতত সেই নাৰীক অধম শ্ৰেণীৰ বুলি জানিবা। নিজ স্বামীক ফাঁকি দি যি নাৰীয়ে পৰপতিক ভাল পায়, সেই নাৰী এশ কল্পলৈকে ৰৌৰৱ নৰকত পৰি থাকে। ৮ ॥

ক্ষন্তেকৰ সুখৰ কাৰণে যি অসংখ্য জন্মৰ দুঃখৰ কথা নুবুজে বা নাভাবে তাইৰ নিচিনা অধম কোন হ'ব! যি ছল-কপট এৰি পতিব্ৰত ধৰ্ম গ্ৰহণ কৰে, সেই নাৰীয়ে বিনাশ্ৰমে পৰম গতি লাভ কৰে। ৯ ॥

যি নাৰী পতিৰ প্ৰতিকূল আচৰণ কৰি জীৱন কটায়, তাই পাছৰ জন্মত তৰুণী অৱস্থাতে বিধৱা হয়। ১০ ॥

সোঃ—স্বভাৱতে অপবিত্ৰ নাৰীয়েও পতি-সেৱা কৰি শুভফল লাভ কৰে। তুলসী আজিও ভগৱানৰ প্ৰিয় বস্তু, চাৰিও বেদে তুলসীৰ গুণ-যশস্যা গাইছে। ৫ ক ॥ [পুৰাণত থকা শংখচুৰ-অসুৰৰ পত্নী বৃন্দাৰ পৰা তুলসী গছ হোৱা কাহিনীৰ সংকেত দিয়া হৈছে]

হে সীতা! তোমাৰ নাম সুমৰিয়েই নাৰীসকলে পতিব্ৰত ধৰ্ম পালন কৰিব। কিয়নো তোমাৰ কাৰণে শ্ৰীৰাম প্ৰাণ-প্ৰিয়। মই সংসাৰৰ হিতৰ কাৰণেহে (সংসাৰৰ অন্যান্য নাৰীসকলৰ ভালৰ কাৰণেহে, তোমাৰ কাৰণে নহয়) এইবোৰ কথা কৈছোঁ।" ৫ খ ॥

চৌঃ—এই কথা শুনি জানকীয়ে বৰ আনন্দ পালে আৰু লাহৰে তেওঁৰ (ঋষিপত্নী অনসূয়াৰ) চৰণত প্ৰণাম কৰিলে। সেই সময়তে কৃপালু ৰামেও অন্য বনলৈ যাবৰ কাৰণে মুনিৰ ওচৰত অনুমতি বিচাৰিছিল। ১ ॥

"সদায় মোৰ প্ৰতি কৃপা ভাব ৰাখিব আৰু নিজৰ সেৱক বুলি ভাবি স্নেহ কৰিব।" ধৰ্মপালকসকলৰ শিৰোমণি শ্ৰেষ্ঠ প্ৰভু ৰামৰ কথা শুনি জ্ঞানী মুনিয়ে সপ্ৰেম ভাৱেৰে ক'লে—২ ॥

"যাৰ কৃপা-বাঞ্ছা ব্ৰহ্মা, শিৱ, সনকাদি পৰমাৰ্থ জ্ঞানীসকলেও কৰে, নিষ্কাম পুৰুষৰ প্ৰিয় সেই ৰাম আপুনি দীন বন্ধুৰে এনে মৃদু বাক্য কৈছে। ৩ ॥

[সকলো ক্ষেত্ৰতে] যাৰ সমান শ্ৰেষ্ঠ আৰু কোনো নাই, তেওঁৰ চৰিত্ৰ এনেকুৱা কিয় নহ'ব ? সকলো দেৱতাক ত্যাগ কৰি আপোনাক ভজনা কৰা লক্ষ্মীৰ চতুৰতা মই এতিয়াহে বুজিব পাৰিলোঁ। ৪ ॥

হে প্ৰভু ! আপুনি এতিয়া যাওক বুলি কেনেকৈ কওঁ, হে অন্তৰ্যামী নাথ আপুনিয়েই কওকচোন।" এই বুলি কৈ ধীৰ-গম্ভীৰ মুনিয়ে প্ৰভুৰ ফালে চাবলৈ ধৰিলে। তেওঁৰ শৰীৰ পুলকিত হ'ল আৰু চকুৰেদি পানী ব'বলৈ ধৰিলে। ৫ ॥

ছন্দঃ—প্ৰেমমগ্ন তেওঁৰ শৰীৰ পুলকিত হৈ পৰিল, চকু শ্ৰীৰামৰ মুখকমলত স্থিৰ হৈ ৰ'ল। [মনতে ভাবিবলৈ ধৰিলে] মই এনে কি জপ, তপ কৰিছিলোঁ, যি বাবে মন, জ্ঞান, গুণ আৰু ইন্দ্ৰিয়ৰ অতীত প্ৰভুক দৰ্শন পালোঁ। জপ, যোগ আৰু ধৰ্মানুষ্ঠান আদিৰ দ্বাৰাও অনুপম ভক্তি লাভ হয়। ৰঘুনাথ ৰামৰ পৱিত্ৰ চৰিত্ৰ তুলসীদাসে দিন-ৰাতিয়ে গান কৰিছে।

দোহাঃ—কলিযুগৰ পাপনাশক, চঞ্চল মনক দমন কৰোঁতা শ্ৰীৰামচন্দ্ৰৰ যশ সকলো সুখৰ মূল। যি এই যশৰাশি শ্ৰদ্ধাৰে শুনে, তেওঁৰ প্ৰতি ৰাম অনুকূল হয়। ৬ ক ॥

সোঃ—এই কঠোৰ কলিকাল দোষৰ ভঁৰাল স্বৰূপ। ইয়াত জ্ঞান, ধৰ্ম, জপ, যোগ একো নাই। সেইবাবে আন সকলোবোৰ আশা এৰি যি কেৱল ৰামকহে ভজে তেওঁ চতুৰলোক ॥

চৌঃ—মুনিৰ চৰণকমলত শিৰ নোৱাই দেৱতা, মানুহ আৰু মুনিসকলৰ স্বামী (ভগৱান ৰাম) বনলৈ গ'ল। শ্ৰীৰাম আগত, লক্ষ্মণ পাছত, দুয়োজনৰে মাজত মুনিবেশ ধাৰিণী সীতা অতি সুন্দৰ দেখা গৈছিল। ১ ॥

দুয়োজন ভাইৰ মাজত সীতা (মায়াৰ) ব্ৰহ্ম আৰু জীৱৰ মাজত মায়াৰ

বিচিত্ৰাকৈ শোভা পাইছিল। নদী, বন, পৰ্বত, উপত্যকা সকলোৱেই নিজৰ স্বামীক (ৰামক) চিনিব পাৰি পথ সুগম কৰি দিছিল। ২ ॥

যেনেদৰে ৰাম য'লৈকে গৈছিল, ত'তেই মেঘে ছাঁ দিছিল। [এইদৰে] বাটতে কাটিত দনুজীন হোৱা বিৰাধ অসুৰক ৰঘুবীৰ ৰামে বধ কৰিলে। ৩ ॥

সেই অসুৰে তেতিয়াই সুন্দৰ ৰূপ (দিব্যৰূপ) লাভ কৰিলে। ৰামে তাক দুখী দেখি নিজ ধামলৈ পঠিয়ালে। [মূল ৰামায়ণত বিৰাধক এই প্ৰসংগত শাপমুক্ত হোৱা বুলিছে] তাৰ পাছত সুন্দৰ অনুজ আৰু সীতাৰে সৈতে শৰভংগ মুনিৰ ওচৰ পালেগৈ। ৪ ॥

দোঃ—ৰামচন্দ্ৰৰ মুখপংকজ দেখি মুনিৰ নয়নৰূপী মধুকৰেও মুখপংকজৰ মধুপান সাদৰে কৰিবলৈ ধৰিলে। মুনি শৰভংগৰ জীৱন কৃতাৰ্থ হ'ল। ৭ ॥

চৌঃ—মুনিয়ে ক'লে—"হে ৰঘুবীৰ, হে কৃপালু, হে মহাদেৱ শিৱৰ মন-মানস সৰোবৰৰ ৰাজহংস! শুনক! মই ব্ৰহ্মলোকলৈ যাবলৈ ওলাইছিলোঁ, তেনেতে ৰাম বনলৈ আহিছে বুলি শুনিলোঁ। তেতিয়াৰেপৰা মোৰ চকু সদায় দিনে-ৰাতিয়ে বাট চাইছে। এতিয়া প্ৰভুক দেখিহে মোৰ হৃদয় জুৰ পৰিছে। হে নাথ! মই সকলো প্ৰকাৰেই সাধনহীন, দীনজন বুলি জানি আপুনি মোক কৃপা কৰিলেহি। ১।২ ॥

এই কাৰ্যৰ দ্বাৰা আপুনি কেৱল মোৰেই উপকাৰ কৰা নাই। ভক্তজনৰ মন হৰণকৰ্তা আপুনি নিজৰ প্ৰতিজ্ঞাহে পালন কৰিছে। এতিয়া মই শৰীৰ ত্যাগ কৰি আপোনাক নাপাওঁ মানে দীনজনৰ (মোৰ) হিতৰ কাৰণে ইয়াতে আপুনি স্থিত হওক। ৩ ॥

তপ, জপ, যজ্ঞ, যোগ, ব্ৰত আদি মুনিয়ে যিমানবোৰ কৰিছিল, সেই সকলো প্ৰভুক সমৰ্পণ কৰি তেওঁ তাৰ পৰিবৰ্তে ভক্তি বৰ গ্ৰহণ কৰিলে। এইদৰে মুনিয়ে চিতা প্ৰস্তুত কৰি হৃদয়ৰপৰা সকলো বিষয়াসক্তি এৰি তাত বহিল গৈ। ৪ ॥

দোঃ—"সীতা আৰু অনুজসহ নীলমেঘৰ দৰে সগুণ শ্যাম শৰীৰ ধাৰী প্ৰভু শ্ৰীৰাম। আপুনি মোৰ হৃদয়ত নিৰন্তৰ বাস কৰক।" ৮ ॥

চৌঃ—এই বুলি কৈ যোগ-বলেৰে শৰভংগ মুনিয়ে অগ্নি প্ৰজ্বলিত কৰি নিজৰ দেহ দহন কৰি পেলালে। ৰামৰ কৃপাত তেওঁ বৈকুণ্ঠলৈ গতি কৰিলে। প্ৰথমতেই তেওঁ লীন মুক্তিৰ বৰ মাগি পৃথকভাৱে থাকি ভক্তি কৰিবলৈহে বৰ লৈছিল। সেইবাবে শৰভংগ মুনি ভগৱানত লীন নহ'ল। ১ ॥

ঋষিসকলে মুনিবৰ শৰভংগৰ গতি লাভ হোৱা দেখি নিজৰ সুখৰ

উপলব্ধি কৰিলে। সমুদ্ৰবোৰে ভক্তিভাৱেৰে স্তুতি কৰিলে আৰু ক'লে—শৰণাগতজনৰ বিপদহাৰী, কৰুণাময় প্ৰভু শ্ৰীৰামৰ জয় হওক। ২॥

ইয়াৰ পাছত ৰঘুনাথ আকৌ সকলো বাটকেদি আগুৱাই যাবলৈ ধৰিলে। ক্ৰমে ক্ৰমে বহুত মুনিও তেওঁৰ সঙ্গ লবলৈ ধৰিলে। এঠাইত বহুত অস্থি পৰি থকা দেখি দুখ লাগি ৰামে মুনিসকলক সুধিলে। ৩॥

[মুনিসকলে ক'লে]—"সৰ্বদৰ্শী অন্তৰ্যামী প্ৰভুৱে আমি দুখীয়াক আমাক কিয় সুধিব লাগিছে! ৰাক্ষসবোৰে বহুত মুনি খাইছিল। [এইবোৰ হাড় সেই মুনি সকলৰে]।" এই কথা শুনি ৰামৰ চকু চলচলীয়া হ'ল। ৪॥

দোঃ—পৃথিৱী ৰাক্ষসহীন কৰিম বুলি ৰামে বাহু দাঙি প্ৰতিজ্ঞা কৰিলে। [তাৰ পাছত তেওঁ] সকলো মুনিৰ আশ্ৰমলৈ গৈ মুনিসকলক সুখী কৰিলে। ৯॥

চৌঃ—অগস্ত্য মুনিৰ সুতীক্ষ্ণ নামে এজন জ্ঞানী শিষ্য আছিল। তেওঁ ভগৱানৰ প্ৰতি ভক্তিসম্পন্ন, মন, বচন আৰু কৰ্মেৰে ৰামৰ চৰণ সেৱক আছিল। আন দেৱতাৰ প্ৰতি সপোনতো তেওঁৰ ভৰসা নাছিল। তেওঁ যেতিয়া প্ৰভুৰ আগমনৰ কথা শুনিবলৈ পালে, তেতিয়া মনতে অনেক শুভাকাংক্ষা লৈ লৰালৰিকৈ আগবাঢ়ি আহিল। [তেওঁ ভাবিলে—] "হে বিধাতা! দীনবন্ধু ৰঘুনাথে মোৰ নিচিনা দুখিতজনকো দয়া কৰিব! ১।২॥

কি স্বামী ৰামে তেওঁৰ অনুজে সৈতে মোক তেওঁৰ সেৱক বুলি আহি দেখা দিব? এই বিষয়ে মোৰ হৃদয়ত দৃঢ় বিশ্বাস হোৱা নাই। কিয়নো মোৰ মনত ভক্তি, জ্ঞান আৰু বৈৰাগ্য একেবাৰেই হোৱা নাই। সৎসংগ, যোগ, যজ্ঞ, জপ আৰু প্ৰভুৰ চৰণকমলত অনুৰাগো নাই। এটা মাত্ৰ কথা—যাৰ আন কোনো আশ্ৰয় নাই, সিয়ে তেওঁৰ কৃপাৰ প্ৰিয়-পাত্ৰ হয়। সংসাৰ-বন্ধনৰ পৰা মুক্তিদাতা প্ৰভুৰ মুখকমল দেখি আজি মোৰ নয়ন সাৰ্থক হ'ব।" [মহাদেৱ শিৱই ক'লে]—"হে ভৱানী! জ্ঞানী মুনিৰ সম্পূৰ্ণৰূপে প্ৰেমত নিমগ্ন সেই অৱস্থাৰ কথা বৰ্ণনা কৰাটো সম্ভৱ নহয়।" ৩।৪।৫॥

তেওঁ দিশ-বিদিশ, বাট-পথ পাহৰিলে। মই কোন আৰু ক'লৈ আহিছোঁ—সেই কথাও পাহৰিলে। তেওঁ কেতিয়াবা পাছলৈ ঘূৰি আহে আৰু কেতিয়াবা আগবাঢ়ি প্ৰভুৰ গুণ গাই নাচিবলৈ ধৰে। ৬॥

মুনিৰে প্ৰগাঢ় প্ৰেম-ভক্তি লাভ কৰিলে। প্ৰভুৱে গছৰ আঁৰ লৈ চালে আৰু অতিশয় প্ৰেম দেখি ভৱভয়হাৰী ৰঘুৱীৰ মুনিৰ হৃদয়ত প্ৰকট হ'ল। তেতিয়া প্ৰভুৰ হৃদয়তে দৰ্শন পাই মুনিও বাটৰ মাজতে

স্থিৰভাৱে বহি পৰিল। কঠালৰ কাইটৰ দৰে তেওঁৰ প্ৰেম-পুলকিত শৰীৰৰ নোমবোৰ থিয় হৈ পৰিল। তেনে অৱস্থাত ৰঘুনাথ মুনিৰ ওচৰ চাপি আহিল আৰু নিজ ভক্তৰ এই স্থিতি দেখি তেওঁ মনতে আনন্দ পালে। ৭।৮ ॥

ৰামে অনেক প্ৰকাৰে মুনিৰ ধ্যান ভংগ কৰিবলৈ যত্ন কৰিলে, কিন্তু মুনিৰ ধ্যান ভংগ নহ'ল। তেওঁ ধ্যানজনিত সুখত মগ্ন। তেতিয়া ৰামে নিজৰ ৰাজকুমাৰ ৰূপ লুকুৱাই মুনিৰ হৃদয়ত চতুৰ্ভুজ ৰূপ প্ৰকাশ কৰিলে। ৯ ॥

মণি কাঢ়ি নিয়াৰ পাছত ব্যাকুল হৈ পৰা সৰ্পৰ দৰে তেতিয়া মুনিও ব্যাকুল হৈ পৰিল। [তেওঁৰ ধ্যান ভংগ হ'ল] সন্মুখত সীতা আৰু লক্ষ্মণসহ শ্যাম-তনু সুখধাম ৰামক দেখা পাই সেই ভাগ্যবান মুনি প্ৰেমত ব্যাকুল হৈ দণ্ডৱতে পৰিল। বিশাল বাহু ৰামেও তেওঁক তুলি লৈ পৰম প্ৰীতিভাৱেৰে বুকুত সাৱটি ধৰিলে। ১০।১১

মুনিক এইদৰে সাৱটি মাৰি ধৰা ৰামৰ সৌন্দৰ্যটো তেতিয়া সোণৰ গছৰ লগত মিলি যোৱা তমাল গছৰ নিচিনা হৈছিল। মুনিয়েও নিস্তব্ধ হৈ ৰামৰ মুখলৈ এনেদৰে চাই থাকিল, যেন তেওঁ ছবিত তোলা মানুহহে। ১২ ॥

দোঃ—পাছত মুনিয়ে হৃদয়ত ধৈৰ্য ধৰি বাৰে বাৰে ৰামৰ চৰণ স্পৰ্শ কৰিলে আৰু নিজৰ আশ্ৰমলৈ নি প্ৰভুৰ পূজা নানা প্ৰকাৰে কৰিবলৈ লাগিলে। ১০।

চৌঃ—মুনিয়ে ক'লে—"প্ৰভু মোৰ বিনীত প্ৰাৰ্থনা শুনক। মই আপোনাৰ স্তুতি গান কেনেকৈ কৰোঁ? আপোনাৰ মহিমা অপাৰ, কিন্তু মোৰ বুদ্ধি অতি সামান্য, যেন সূৰ্যৰ ওচৰত জোনাকী পৰুৱাৰ পোহৰহে। ১ ॥

নীলপদ্মৰ মালাৰ শ্যাম বৰ্ণ আপোনাৰ শৰীৰ। জটাই আপোনাৰ মুকুট; মুনিসকলৰ দৰে চীৰ বস্ত্ৰ আপোনাৰ পৰিধান; হাতত ধনুশৰ আৰু কঁকালত তূণীৰ ধাৰণকাৰী ৰঘুবীৰ শ্ৰীৰাম আপোনাক নিৰন্তৰ নমস্কাৰ। ২ ॥

গহন মোহাৰণ্যৰ দাহক অগ্নি, সন্ত সমাজৰূপী কমলবনৰ বিকাশক সূৰ্য, ৰাক্ষসৰূপী হস্তীসমূহৰ সংহাৰক মৃগৰাজ আৰু এই সংসাৰ-পক্ষীৰ নাশক শ্যেনস্বৰূপ প্ৰভু সদায় আমাক ৰক্ষা কৰক। ৩ ॥

হে অৰুণনয়ন, কমলতুল্য সুন্দৰ ৰূপধাৰী, সীতাৰ নয়নৰূপ চকোৰৰ চন্দ্ৰ, মহাদেৱৰ হৃদয় মানস-সৰোবৰৰ ৰাজ-হংস, বিশাল বাহু আৰু বিশাল হৃদয় ৰামচন্দ্ৰ আপোনাক নমস্কাৰ। ৪ ॥

হে সংশয়ৰূপী সৰ্প গ্ৰাস কৰিবৰ কাৰণে গৰুড়স্বৰূপ, অতি তৰ্কজ-

তৰ্কৰহিত' বিবাদ নাশক, সংসাৰ-সমুদ্ৰৰ পৰা মুক্ত কৰোঁতা, সেৱকসকলৰ আনন্দ দাতা আৰু কৃপাময়! আমাক সদায় ৰক্ষা কৰক। ৫ ॥

নিৰ্গুণ হৈয়ো সগুণ, বিষম হৈয়ো সমৰূপ; জ্ঞান, ভাষা আৰু ইন্দ্ৰিয়ৰ অতীত যাৰে উপমাৰ অতীত স্বৰূপ; নিৰ্মল, সম্পূৰ্ণ দোষৰহিত, অনন্ত আৰু পৃথিৱীৰ ভাৰহৰণকাৰী হে ৰাম! আপোনাক নমস্কাৰ। ৬ ॥

ভক্তসকলৰ কাৰণে কল্পবৃক্ষৰে পৰিপূৰ্ণ উদ্যানস্বৰূপ, লোভ, মদ, কাম আৰু ক্ৰোধক ভয়ভীত কৰোঁতা, অতি চতুৰ (নাগৰ), সংসাৰ-সমুদ্ৰ তৰণৰ কাৰণে সেই সেতুস্বৰূপ; সূৰ্যবংশৰ গৌৰৱ ধ্বজাস্বৰূপ ৰামে সদায় ৰক্ষা কৰক। ৭ ॥

অতুলনীয় ভুজবলশালী আৰু প্ৰতাপী, যাৰ নামেই কলিযুগৰ বিপুল পাপৰাশি নাশ কৰে, কৱচৰ দৰে যি ধৰ্মক ৰক্ষা কৰি থাকে, যাৰ গুণাৱলী আনন্দদায়ক, সেই ৰামে সততেই মোৰ কল্যাণ বিধান কৰক। ৮ ॥

যদিও আপুনি নিৰ্মল, ব্যাপক, অবিনাশী, সকলোৰে হৃদয়ত সদায় নিবাস কৰি আছে; তথাপি হে খৰনাশক (খৰাৰি)! আপুনি সীতা আৰু লক্ষ্মণ সহ বনবাসীৰূপে মোৰ হৃদয়তো বাস কৰক। ৯ ॥

হে স্বামী! আপোনাক যি সগুণ, নিৰ্গুণ আৰু অন্তৰ্যামী ৰূপে জানে, তেওঁ সদায় সেইদৰেই জানি থাকক; কিন্তু মোৰ হৃদয়ত ৰাজীৱ নয়ন কোশল-পতি ৰাম ৰূপেই আপুনি স্থিৰ হৈ থাকক। ১০ ॥

ৰঘুনাথ মোৰ স্বামী, মই তেওঁৰ সেৱক—এই অভিমান যেন মই ভুলতো নেৰোঁ।" মুনিৰ কথা শুনি শ্ৰীৰামচন্দ্ৰ প্ৰসন্ন হ'ল আৰু আকৌ মুনিক আনন্দতে সাৱটি ধৰি বুকুত সুমুৱাই ল'লে। ১১ ॥

[তাৰ পাছত ক'লে]—"হে মুনি! মই আপোনাৰ প্ৰতি প্ৰসন্ন হৈছোঁ বুলি বুজিব। আপুনি এতিয়া যি বৰ বিচাৰে মই সেই বৰকে দিম।" মুনিয়ে ক'লে—"মই কেতিয়াও বৰ বিচৰা নাই। মই কোনটো সত্য আৰু কোনটো অসত্য তাকে বুজিব পৰা নাই। [কি বৰ বিচাৰিম আগে জানো কেনেকৈ ?] হে ৰঘুনাথ! আপুনি নিজৰ দাসসকলক সুখ দিওঁতা। গতিকে নিজে যিহকে ভাল দেখে, তাকে দিয়ক।" [তেতিয়া ৰামে ক'লে—] "আপুনি প্ৰগাঢ় ভক্তি, বৈৰাগ্য, বিজ্ঞান, জ্ঞান আৰু সকলো গুণৰ অধিকাৰী হওক। ১২।১৩ ॥

[মুনিয়ে ক'লে—] "প্ৰভুৱে যি বৰ দিলে, সেয়া মই পালোঁ। এতিয়া মোক যিটো ভাল পাওঁ সেইটো দিয়ক। ১৪ ॥

দোঃ—হে ধনুৰ্বাণধাৰী প্ৰভু, প্ৰভু ৰামচন্দ্ৰ! আপুনি সীতা আৰু লক্ষ্মণ সহ নিষ্কামভাৱে (অচঞ্চলৰূপে) মোৰ হৃদয়-গগনত চন্দ্ৰৰ দৰে সদায় বাস কৰক। ১১ ॥

চৌঃ—'সেয়ে হওক' বুলি কৈ লক্ষ্মীপতি শ্ৰীৰাম প্ৰসন্ন মনেৰে অগস্ত্য ঋষিৰ আশ্ৰমৰ ফালে ওলাল। [সুতীক্ষ্ণই ক'লে—] "মই এই আশ্ৰমটোলৈ অহা বহুত দিন হ'ল। অতদিনে গুৰু-দৰ্শন হোৱা নাই। এতিয়া মই প্ৰভুৰ লগতে গুৰুৰ ওচৰলৈকো যাওঁ। এতিয়া আপোনাৰ ওচৰত একো প্ৰাৰ্থনা নাই।" মুনিৰ চতুৰতা দেখি কৃপানিধি ৰামে তেওঁক লগত ল'লে আৰু দুয়ো ভায়ে (ৰাম-লক্ষ্মণে) হাঁহিবলৈ ধৰিলে। ১২ ॥

বাটচোৱাত নিজৰ অনুপম ভক্তিৰ কথা কৈ কৈ দেৱৰাজ তুল্য ৰাম মুনিৰ আশ্ৰম পালেগৈ। সুতীক্ষ্ণ তুৰন্তে গুৰুৰ ওচৰ পালেগৈ আৰু দণ্ডৱতে প্ৰণাম জনাই এই দৰে ক'লে। ৩ ॥

"হে দেৱ! আপুনি দিনে-ৰাতিয়ে যাৰ নাম সদায় জপ কৰি আছে, সেই জগতৰ আধাৰ স্বৰূপ কোশলৰাজকুমাৰ ৰামেই লক্ষ্মণ আৰু সীতাসহ আপোনাক দেখা দিবলৈ আহিছে। ৪ ॥

সুতীক্ষ্ণৰ কথা শুনি অগস্ত্য ঋষিও তৎক্ষণাৎ উঠি লৰালৰিকৈ আগবাঢ়ি গ'ল আৰু ভগৱানৰ দৰ্শন পাই আনন্দত চকু চলচলীয়া হৈ পৰিল। দুয়ো ভায়ে (ৰাম-লক্ষ্মণে) মুনিৰ চৰণকমলত সেৱা জনালে। মুনিয়েও দুয়োজনকে অতি প্ৰেমভাৱেৰে তুলি লৈ বুকুত সাৱটি ধৰিলে। ৫ ॥

তাৰ পাছত জ্ঞানী মুনিয়ে সাদৰে কুশল বাৰ্তা সুধি তেওঁলোকক আনি আসনত বহুৱালে আৰু নানা বিধ উপচাৰেৰে পূজা কৰি ক'লে— "আজি মোৰ সমান ভাগ্যবান আন এজন আৰু নাই।" ৬ ॥

তাত আৰু যত্ৰাত বিমান মুনি আছিল, তেওঁলোকেও সকলো সুখৰ মূল আনন্দকন্দ শ্ৰীৰামচন্দ্ৰক দেখি আনন্দ লাভ কৰিলে। ৭ ॥

দোঃ—সকলোৰে ফালে মুখকৰি মুনিসমূহৰ মাজত ৰামচন্দ্ৰ বহিল। তেতিয়া সকলো মুনিৰে দৃষ্টি সমূহ শ্ৰীৰামচন্দ্ৰ মুখকমলৰ দৃষ্টিত শৰতৰ চন্দ্ৰমা যেন হৈ পৰিল। ১২ ॥

চৌঃ—সেই সময়তে ৰঘুবীৰ ৰামে (অগস্ত্যক) ক'লে—"হে প্ৰভু, আপোনাৰ ওচৰত লুকুৱাব লগীয়া একো কথা নাই। এই কিয় আহিছোঁ, সেই কথাও আপুনি জানে। এই কাৰণেই একো কথা আপোনাক বুজাই কব নোৱাৰা

নাই। এতিয়া মোক আপুনি সেই পৰামৰ্শ দিয়ক, যাৰদ্বাৰা মই মুনিদ্ৰোহী ৰাক্ষসবোৰ মাৰিব পাৰোঁ।। প্ৰভুৰামৰ কথা শুনি মুনিয়ে মিচিকিয়াই হাঁহিলে আৰু এইদৰে সুধিলে।" হে নাথ! আপুনি কি ভাবি মোক এইবুলি সুধিছে? ১।২ ॥

হে পাপনাশক! আপোনাৰ প্ৰভাৱতহে আপোনাৰ ভক্তিৰ মহিমাও কিছু বুজি পাইছোঁ। আপোনাৰ মায়া বট বৃক্ষৰ দৰে বিশাল; ব্ৰহ্মাণ্ডসমূহ এই বৃক্ষৰে ফল স্বৰূপ। ৩ ॥

বট বৃক্ষৰ ভিতৰি মাজত থকা কীটাণুসমূহৰ দৰে এই চৰাচৰ জীৱসমূহেও ইয়াৰ (ব্ৰহ্মাণ্ডৰ) ভিতৰতে থাকি আন একো নাজানে। অতি কঠোৰ, ভয়ানক কাল এই ফলৰ ভক্ষক; কিন্তু সেই কালেও সদায় আপোনাৰ ভয় কৰি থাকে। ৪ ॥

লোকপতি সকলোৰে স্বামী বিজ্ঞ পুৰুষ, সেইজন পুৰুষ হৈয়ো আপুনি মোক মানুহৰ দৰে পৰামৰ্শ দিবলৈ কৈছে; কিন্তু হে কৃপাধাম! মই আপোনাৰ ওচৰতহে এই বৰ বিচাৰিছোঁ, যাতে আপুনি লক্ষ্মণ আৰু সীতাৰে সৈতে মোৰ হৃদয়ত বাস কৰে। ৫ ॥

গাঢ় ভক্তি, বৈৰাগ্য, সৎসংগ আৰু আপোনাৰ চৰণ-কমলত অটুট প্ৰীতিভাৱ মোৰ হওক। যদিও আপুনি অখণ্ড অনন্ত ব্ৰহ্ম আৰু অনুভৱৰহে বস্তু, সেই কাৰণে সন্তসকলে আপোনাক ভক্তি কৰে। যদিও মই আপোনাৰ এই ৰূপটোৰ বিষয়ে জানো আৰু তাৰ বৰ্ণনাও কৰোঁ, তথাপি ঘূৰি ঘূৰি আকৌ সগুণ ৰূপতহে মোৰ প্ৰীতিভাৱ হয়। আপুনিও নিজৰ দাসক ডাঙৰ কৰি দেখুৱায়। সেই কাৰণেহে মোক ৰঘুনাথে ৰাক্ষস-নিধনৰ বিষয়ে পৰামৰ্শ সুধিছে। ৭ ॥

প্ৰভু! পঞ্চবটী নামেৰে এক সুন্দৰ আৰু পৱিত্ৰ স্থান আছে। আপুনি তালৈ গৈ দণ্ডকাৰণ্য (পঞ্চবটী দণ্ডকাৰণ্যৰ ভিতৰত) পৱিত্ৰ কৰক আৰু মুনিশ্ৰেষ্ঠ গৌতমৰ উগ্ৰ অভিশাপ হৰণ কৰক। ৮ ॥

হে ৰঘুনাথ! আপুনি তাতে বাস কৰক গৈ আৰু মুনিসকলকো অনুগ্ৰহ কৰক গৈ। মুনিৰ আজ্ঞা পাই শ্ৰীৰাম তাৰপৰা ৰাওনা হ'ল আৰু সোনকালেই পঞ্চবটীৰ ওচৰ পালেগৈ। ৯ ॥

দোঃ—তাত গৃধ্ৰৰাজৰ লগত শ্ৰীৰামৰ সাক্ষাৎ হ'ল। তেওঁৰ লগত নানা প্ৰকাৰে সম্প্ৰীতি বঢ়াই, গোদাবৰীৰ ওচৰতে পৰ্ণকুটীৰ সাজি থাকিবলৈ ধৰিলে। ১৩ ॥

চৌঃ—ৰাম ৰাজত বাস কৰিলতে লোকসকল মুনিসকলো সুখী হ'ল; তেওঁলোকৰ ভয় (ৰাক্ষসৰ প্ৰভৃতি) দূৰ হ'ল। পৰ্বত, অৰণ্য, নদী, জলাশয় সকলো সুন্দৰ হৈ পৰিল। এইবোৰ বিষয় দিনে দেখি আন জগা হৈ আছিল। ১ ॥

পশু-পক্ষী সকলো আনন্দিত হ'ল। মধুৰ গুঞ্জনেৰে ভোমোৰাবোৰে তাৰ শোভা বৃদ্ধি কৰিলে। য'ত স্বয়ং ৰামচন্দ্ৰই বিৰাজমান, সেইখন নগৰ শোভাৰ বৰ্ণনা সহস্ৰ মুখ অনন্ত নাগেও কৰিব নোৱাৰে। ২ ॥

এবাৰ আনন্দ মনেৰে বহি থকা অৱস্থাত লক্ষ্মণে সহজভাৱে প্ৰভু শ্ৰীৰামচন্দ্ৰক সুধিলে—"প্ৰভুৰ ওচৰত কাপে সোধাৰ দৰে দেৱতা, মনুষ্য আৰু মুনি সহ চৰাচৰ জগতৰ স্বামী আপোনাৰ ওচৰতো মই সুধিছোঁ। আপুনি জ্ঞান, বৈৰাগ্য আৰু মায়াৰ স্বৰূপ মোক বুজাই দিয়ক। যি ভক্তিৰ বলেৰে ভক্ত আপোনাৰ দয়াৰ পাত্ৰ হয়, সেই ভক্তিৰ বিষয়েও কওক। যাৰ পৰা মই অন্য সকলো ত্যাগ কৰি কেৱল আপোনাৰ চৰণকমলৰ সেৱাত ৰত হ'ব পাৰোঁ। ৩।৪ ॥

দোঃ—হে প্ৰভু! ঈশ্বৰ আৰু জীৱৰ মাজত কেনে সম্বন্ধ—এই সকলো তত্ত্ব-কথা মোক বুজাই কওক। যি কথা বুজি মোৰ মনৰ শোক, মোহ আৰু ভ্ৰম দূৰ হয়, আপোনাৰ চৰণত ৰতি হয়।" ১৪ ॥

চৌঃ—[শ্ৰীৰামচন্দ্ৰই ক'লে—] "চমুকৈ সকলো বুজাই দিম। তুমি মন দি শুনা। মই আৰু মোৰ, তই আৰু তোৰ—এয়ে মায়া যি এই সমস্ত জীৱকে নিজৰ বশ বা অধীন কৰি থৈছে। ১ ॥

ভাই লক্ষ্মণ! ইন্দ্ৰিয়সমূহৰ বিষয়বোৰ, যিবোৰে মনক আকৃষ্ট কৰে, সেই সকলোকে মায়া বুলি জানিবা। এই মায়াৰো দুটা ভাগ। এটা ভাগ অবিদ্যা, আৰু আনটো ভাগ বিদ্যা। অবিদ্যা দোষযুক্ত আৰু সেইকাৰণে অতিশয় দুঃখপূৰ্ণ; যাৰ অধীন হোৱা কাৰণে জীৱসমূহ ভৱকূপত পৰিছে। বিদ্যাই জগতক সৃষ্টি কৰিছে, গুণসমূহ (সত্ত্ব, ৰজঃ আৰু তমঃ) এই বিদ্যাৰ অধীন। বিদ্যাৰ নিজা বল নাই, প্ৰভুৰ প্ৰেৰণাতহে কাৰ্য কৰে। ২।৩ ॥

মান আদি অহংকাৰৰ এটাও নাই, সেয়ে জ্ঞান; জ্ঞানে সকলোতে সমভাৱে ব্ৰহ্মক দেখা পায়। তিনিও গুণক (গুণৰ কাৰ্য জগতৰ বস্তুসমূহক) আৰু সিদ্ধিসমূহকো (অণিমা, লঘিমা আদি আঠ সিদ্ধি) যি তৃণৱৎ জ্ঞান কৰি ত্যাগ কৰিছে, সেয়ে বৈৰাগ্য। ৪ ॥

দোঃ—যিজনে মায়া, ঈশ্বৰ আৰু নিজৰ স্বৰূপো বুজি নাপায়, তাকে জীৱ

বুলি কয়। যি [ধৰ্ম অনুসৰি] সকলোকে অলৌকিক বচন আৰু মোক ত্যাগ কৰে, মায়াৰ প্ৰেৰক, সকলোতকৈ শ্ৰেষ্ঠ তেৱেঁই ঈশ্বৰ। ১৫ ॥

চৌঃ—ধৰ্ম আচৰণৰপৰা বৈৰাগ্য প্ৰাপ্ত হয় আৰু যোগৰদ্বাৰা জ্ঞান লাভ হয়। বেদে জ্ঞানক মোক্ষপ্ৰদ বুলিছে। যাৰপৰা মই (ভগৱান) অতি সোনকালে প্ৰসন্ন হওঁ, সেয়ে মোৰ ভক্তি। মোৰ এই ভক্তি ভক্তসকলৰ কাৰণে সুখদায়ক। ১ ॥

ভক্তি স্বতন্ত্ৰ! তাক জ্ঞান, বিজ্ঞান আদি অন্য সাধনৰ আশ্ৰয় নালাগে। জ্ঞান-বিজ্ঞান আদিহে তাৰ অধীনত থাকে। হে ভাই! এই ভক্তি অনুপম বস্তু। সন্তসকল প্ৰসন্ন হ'লেহে এই ভক্তি লাভ কৰিব পাৰি। ২ ॥

এতিয়া মই ভক্তিৰ সাধন সম্পৰ্কে বহলাই কৈছোঁ। এইটোও সুগম পথ। এই পথেদি জীৱই মোক (ভগৱানক) সহজে পাব পাৰে। প্ৰথমতে ব্ৰাহ্মণৰ চৰণত প্ৰীতি ভাৱ আৰু বেদৰ নিয়ম অনুসৰি নিজ নিজ কৰ্মত ৰত হ'ব লাগে। ৩ ॥

ইয়াৰ ফলত বিষয়ৰ প্ৰতি বিৰাগ ভাৱ উপজিব আৰু মোৰ ধৰ্মৰ প্ৰতি (ভাগৱত ধৰ্ম বা ভক্তি ধৰ্ম) অনুৰাগ বাঢ়িব। তেতিয়া শ্ৰৱণ-কীৰ্তন প্ৰভৃতি নৱধা ভক্তি দৃঢ় হ'ব আৰু মনতে মোৰ লীলাৰ প্ৰতিও অত্যন্ত ৰতি ভাৱ উপজিব। ৪ ॥

সন্তসকলৰ চৰণ-কমলত যাৰ অত্যন্ত প্ৰেম হয়; দৃঢ়ভাৱে নিয়ম পালন কৰি মন, বচন আৰু কৰ্মেৰে যি ভক্তি কৰে; গুৰু, পিতৃ-মাতৃ, বন্ধু, স্বামী, আৰু দেৱতা সকলো মোকে বুলি ভাবি যি মোৰ সেৱাত দৃঢ়ভাৱে ৰত হয়; মোৰ লীলা-গুণ গাওঁতে যাৰ শৰীৰ পুলকিত হয়; মাত গদ্‌গদ হৈ পৰে; চকুৰপৰা পানী ওলায়; কাম, মদ, দম্ভ আদি যাৰ লোপ পায়, মই সদায় তেওঁৰ বশ হৈ থাকোঁ। ৫।৬ ॥

দোঃ—কৰ্ম, বচন আৰু মন সকলোতে যি মোকহে আশ্ৰয় (গতি) ৰূপে গ্ৰহণ কৰিছে; যি নিষ্কামভাৱে মোক ভজিছে; তেওঁৰ হৃদয়কমলত মই সদায় বিশ্ৰাম কৰোঁ। ১৬ ॥

চৌঃ—ভক্তিযোগৰ কথা শুনি লক্ষ্মণে অতি আনন্দ পালে আৰু প্ৰভুৰ চৰণত শিৰ নোৱালে। এইদৰে জ্ঞান, বৈৰাগ্য, গুণ আৰু নীতিৰ কথা কওঁতেই কেইদিনমান পাৰ হ'ল। ১ ॥

[illegible]

পাকস্থলীলৈ গ'ল আৰু দুয়োজন ৰাজকুমাৰক দেখি বিকল হৈ পৰিল (কাম-আতুৰ)। ২ ॥

[কাকভুশুণ্ডীয়ে কলে]—হে "গৰুড় ! পুৰুষ যদি মনোহৰ হয়, তেন্তে'লে তেওঁ পিতা, পুত্ৰ বা ভাই হ'লেও তেওঁক দেখি [দুষ্টা] নাৰী বিকল হৈ উঠে ; মনটোক বান্ধি ৰাখিব নোৱাৰা হৈ পৰে। যেন সূৰ্যকান্তমণিয়ে সূৰ্যক দেখা পাই গলিবলৈ ধৰে।" ৩ ॥

তাই সুন্দৰ ৰূপ ধৰি প্ৰভু ৰামৰ ওচৰলৈ গৈ সুন্দৰ মিচিকিয়া হাঁহি মাৰি ক'লে—"তোমাৰ সমান কোনো পুৰুষ নাই আৰু মোৰ সমান নাৰী নাই। বিধাতাই বহুত বিচাৰ কৰি আমাৰ যোৰ পাতি সৃষ্টি কৰিছে। ৪ ॥

মোৰ যোগ্য বৰ জগতত নাই। মই তিনিও লোকতে বিচাৰিও নাপালোঁ। সেইকাৰণে এতিয়ালৈকে অবিবাহিত হৈ আছোঁ। তোমাক দেখিহে মনটো কিছু শান্ত হৈছে।" ৫ ॥

প্ৰভু শ্ৰীৰামে সীতাৰ ফালে চাই (সীতা তেওঁৰ পত্নী এই ইংগিত দি) এই দৰে ক'লে—(শূৰ্পনখাক) "মোৰ ভাই কুমাৰ।" তেতিয়া তাই লক্ষ্মণৰ ওচৰ চাপিল। লক্ষ্মণে তাইক শত্ৰুৰ ভগিনী বুলি জানি প্ৰভুৰ ফালে ইংগিত দি কোমল মাতেৰে ক'লে। ৬ ॥

"হে সুন্দৰী ! মই তেওঁৰ দাস। গতিকে পৰাধীন মোৰপৰা তুমি একো সুখ নোপোৱা। প্ৰভু শক্তিশালী লোক, কোশলপুৰৰ ৰজা, তেওঁ যিহকে কৰে সেয়ে শোভা পায় (ভাল হয়)। ৭ ॥

সেৱকে সুখ বিচৰা, ভিখাৰীয়ে সন্মান বিচৰা, ব্যসনীলোকে (জুৱা, মদ আদিৰ কু অভ্যাস থকা লোকে) ধনী হ'বলৈ বিচৰা, ব্যভিচাৰীয়ে স্বৰ্গলাভ আদি ভাল গতি বিচৰা, লোভীয়ে যশস্যা বিচৰা আৰু অহংকাৰী পুৰুষে ধৰ্ম, অৰ্থ আদি চতুৰ্বৰ্গৰ আশা কৰাৰ অৰ্থ হৈছে, তেওঁলোকে আকাশখন দিয়াই গাখীৰ উলিয়াবলৈ বিচৰা।" ৮ ॥

তাই লক্ষ্মণৰ কথা শুনি ৰামৰ ওচৰলৈ আহিল। প্ৰভু ৰামে তাইক আকৌ লক্ষ্মণৰ ওচৰলৈ পঠিয়ালে। তেতিয়া লক্ষ্মণে ক'লে—"যি প্ৰতিজ্ঞা কৰি লাজ এৰিলে বা যি লাজৰ ভয় নোপোৱা তেওঁহে তোমাক গ্ৰহণ কৰিব পাৰিব।" ৯ ॥

তেতিয়া তাই ক্ৰুদ্ধ হৈ ৰামৰ ওচৰ পালেগৈ আৰু ভয়ংকৰ ৰূপ ধাৰণ কৰিলে। সেই অৱস্থাত সীতাৰ ভয় লগা দেখি ৰঘুনাথে লক্ষ্মণক ইংগিতেৰে বুজাই দিলে।

সোঁঃ—লক্ষ্মণে অতি সহজভাৱে তাইৰ নাক-কাণ নাইকিয়া কৰিলে। যেন তেওঁৰ হাতে [এই কাৰ্যৰ দ্বাৰা] ৰাৱণকো প্ৰত্যাহ্বান জনালে। ১৭॥

চৌঃ—নাক-কাণ কটা যোৱা শূৰ্পনখাই অতি ভয়ানক ৰূপ ধাৰণ কৰিলে। তাইৰ কটা অংশৰপৰা ব'বলৈ ধৰা তেজবোৰ পৰ্বতৰ গাত হৈ যোৱা গেৰু-ধাৰা যেন দেখা গ'ল [গেৰু=পৰ্বতত পোৱা এবিধ ৰঙা মাটি। এই মাটি ৰং আৰু ঔষধত ব্যৱহাৰ কৰা হয়]। এই অৱস্থাৰে তাই কান্দি-কাটি খৰ-দূষণৰ ওচৰ পালেগৈ আৰু খৰ-দূষণৰ বাহুবল তথা পুৰুষত্বক ধিক্কাৰ দিবলৈ ধৰিলে। ১॥

তেওঁলোকে সুধিলত শূৰ্পনখাই সকলো বুজাই ক'লে আৰু তাকে শুনি ৰাক্ষসইহঁতেও সেনা সাজু কৰিলে। ক্ৰমে ক্ৰমে ৰাক্ষসবোৰ ৰাম-লক্ষ্মণক আক্ৰমণ কৰিবলৈ দৌৰি-ধাপৰি আগবাঢ়ি আহিল, যেন পাখি থকা যেতিয়া ক'লা ৰঙৰ পৰ্বত কিছুমানহে আগবাঢ়ি গৈছে। ২॥

অনেক প্ৰকাৰৰ বাহনত, নানা আকৃতিৰ ভয়ানক নানা অস্ত্ৰধাৰী অসংখ্য ৰাক্ষসে নাক-কাণ নথকা সেই অশুভদৰ্শনা শূৰ্পনখাক আগকৰি ল'লে। ৩॥

ভয়ানক অশুভ লক্ষণ বহুত দেখা গ'ল; কিন্তু মৃত্যুৱে যেতিয়া টানি নিয়ে, তেতিয়া সেইবোৰ গণিতাকে কৰা নহয়। সিহঁতে তৰ্জন-গৰ্জন কৰি উৎসাহেৰে আকাশত উৰি যোৱা দি যাবলৈ ধৰিলে। সেনাবোৰ এইদৰে যোৱা দেখি যোদ্ধাসকলে (খৰ-দূষণ আদিয়ে) বৰ আনন্দ পালে। ৪॥

[সিহঁতে কোৱা-মেলা কৰিছে—] কোনোবাই কৈছে—"দুয়ো তাইকে (ৰাম-লক্ষ্মণক) জীয়াই জীয়াই ধৰিব লাগে। পাছত মাৰি পেলাব লাগে আৰু মাইকজনী কাঢ়ি লৈ আহিব লাগে।" [ৰাক্ষস সেনাবোৰৰ যাত্ৰাত উৰা] ধূলিয়ে আকাশ ঢাকি ধৰিলে। তাকে দেখি ৰামে লক্ষ্মণক মাতি ক'লে। ৫॥

"ভয়ংকৰ ৰাক্ষসসেনা আহিছে। তুমি জানকীক লৈ পৰ্বতৰ কন্দৰত সোমাবাগৈ। সাৱধান হৈ থাকিবা।" প্ৰভু শ্ৰীৰামৰ কথা শুনি হাতত ধনু-শৰ লৈ লক্ষ্মণ সীতাৰে সৈতে [পৰ্বতৰ কন্দৰলৈ] গ'ল। ৬॥

শত্ৰুসেনা ওচৰ চাপি অহা দেখি ৰামে হাঁহি মাৰি ধনু তুলি ল'লে। ৭॥

ছন্দঃ—হাতত কঠিন ধনু তুলি লোৱা, শিৰত জটা বান্ধি কৰা ৰামৰ কান্তিৰ সৌন্দৰ্য কেনেকুৱা হৈছিল—যেন মৰকত মণিৰ পৰ্বতত বিজুলীৰ পোহৰৰ লগত দুটা সাপেহে যুঁজ কৰিছে। কঁকালত তূণ বান্ধি দীঘল দুই হাতেৰে ধনুত কাঁড় সাজু কৰি ৰাখি ৰামে ৰাক্ষসবোৰৰ ফালে এনেকৈ চাই আছে, যেন হাতীৰ জুম দেখি সিংহই সেইফালে চকু দিছে। ৮॥

সোৰঠাঃ—খৰ খৰ বুলি খেদা মাৰি আহি ৰাক্ষস সেনাবোৰে ৰামক বেঢ়ি ধৰিলে, যেন অকলে পাই, উঠি অহা সূৰ্যটোকহে দানৱে বেঢ়ি ধৰিলে। ১৮ ॥

ৰামক দেখি ৰাক্ষস সেনা থৰ লাগি ৰৈ পৰিল। সিহঁতে ৰামৰ ওপৰত বাণ প্ৰয়োগ কৰিব নোৱাৰিলে। মন্ত্ৰীক মাতি খৰ-দূষণে ক'লে—"এই কোমোৱা ৰাজকুমাৰ আৰু নৰসমাজৰ ভূষণস্বৰূপ শ্ৰেষ্ঠ পুৰুষ। ১ ॥

নাগ, অসুৰ, দেৱতা, মনুষ্য আৰু মুনিৰ ভিতৰত আমি যিমানবোৰ দেখিলোঁ, পৰাস্ত কৰিলোঁ আৰু মাৰিলোঁ, সেইবোৰৰ ভিতৰত ক'তো এনে সুন্দৰ ৰূপ দেখিবলৈ পোৱা নাই। তাইহঁত শুনা, আমি গোটেই জীৱনতে এনে সুন্দৰ কাকো দেখা নাই। ২ ॥

যদিও ইহঁতে আমাৰ ভনীক কুৰূপ কৰি পেলালে, তথাপি এই অনুপম সুন্দৰ পুৰুষ বধযোগ্য নহয়। সিহঁতে লুকুৱাই থোৱা তিৰোতাজনী আমাক তুৰন্তে দি দিয়ক আৰু সিহঁতো জীয়াই জীয়াই নিজৰ ঘৰলৈ উভতি যাওক। ৩ ॥

মোৰ এই কথা তাক তইঁতে ক' গৈ আৰু তাৰ উত্তৰ লৈ সোনকালে আহগৈ।" দূতহঁতে খৰ-দূষণৰ এই কথা ৰামক ক'লে গৈ। তেতিয়া ৰামেও খৰ-দূষণৰ কথা শুনি এইদৰে ক'লে। ৪ ॥

"আমি ক্ষত্ৰিয়। বনত পশু চিকাৰ কৰি ফুৰোঁ। তইঁতৰ নিচিনা দুষ্ট পশুতো বিচাৰিয়েই ফুৰোঁ। আমি শত্ৰুক বলবান বুলি জানিলেও ভয় নকৰোঁ। যুঁজিবলৈ আহিলে এবাৰলৈ কালৰ লগতো যুঁজিম। ৫ ॥

আমি মনুষ্য হ'লেও দৈত্যকুল নাশক, মুনিসকলক ৰক্ষা কৰোঁতা। বালক হ'লেও দুষ্টহঁতৰ দণ্ড দিওঁতা। গতিকে যদি বল নাই, তেনেহ'লে ঘৰলৈ ঘূৰি যাইক। যুদ্ধত পিঠি দেখুওঁতাবোৰক কাকো আমি বধ নকৰোঁ।" ৬ ॥

যুদ্ধলৈ আহি কপট চতুৰালি কৰা আৰু শত্ৰুৰ ওপৰত কৃপা দেখুৱাবলৈ যোৱা কাৰ্য অতি কাপুৰুষালি। দূতহঁতে উভতি গৈ তৎক্ষণাৎ ৰামৰ এই সকলো কথা খৰ-দূষণক কোৱাত তেওঁলোকৰো অন্তৰৰ জুই জ্বলি উঠিল। ৭ ॥

ছন্দঃ—জ্বলি-পকি উঠা খৰ-দূষণে 'ধৰ' বুলি কোৱাত লগে লগেই খড়্গ-পাশ, তোমৰ, শক্তি, শূল, তৰোৱাল, পৰিঘ আৰু পৰশু লৈ ভয়ানক ৰাক্ষস যোদ্ধাবোৰ ৰামৰ ফালে খেদা মাৰি গ'ল। প্ৰভু শ্ৰীৰামেও প্ৰথমতে ধনুৰ কঠোৰ টংকাৰ কৰিলে। সেই টংকাৰ শুনি ৰাক্ষসবোৰ কলা আৰু ব্যাকুল হৈ পৰিল। সেই সময়ত সিহঁতে যেন জ্ঞানহীন হৈ পৰিল।

দোঃ—পাছত সিহঁতে শত্ৰুক বলবান বুলি জানি সাৱধান হৈ আগবাঢ়িল

আৰু শ্ৰীৰামৰ গাত নানা প্ৰকাৰৰ অস্ত্ৰ-শস্ত্ৰ প্ৰহাৰ কৰিবলৈ ধৰিলে। শ্ৰীৰামেও সিহঁতৰ অস্ত্ৰবোৰ কাটি টুকুৰা টুকুৰ কৰিলে আৰু বহুখিনি আকৌ কাণৰ ওচৰলৈকে টানি শৰ তিখৰ বাণ প্ৰহাৰ কৰিলে। ১৯ ॥

ছন্দঃ—তেতিয়া ভয়ানক বাণ এনেদৰে গ'ল যেন কোঁচ-কোঁচ কৰি বহুত খণ্ডাল সাপহে গ'ল। যুদ্ধ ক্ষেত্ৰত শ্ৰীৰামৰ ক্ৰোধ উপজিল। তেওঁ শিৰা শিকলা, শানত দিয়া নানা প্ৰকাৰৰ বাণ প্ৰয়োগ কৰিলে। ১ ॥

তীক্ষ্ণ শৰ দেখি বহুত ৰাক্ষসবীৰ পলাবলৈ ধৰিলে। তেতিয়া খৰ-দূষণ আৰু ত্ৰিশিৰা তিনিও ভাই ক্ৰুদ্ধ হৈ পৰিল। তেওঁলোকে ক'লে—"কিবোৰ যুদ্ধবৰ পলাইছে সিহঁতক আমি নিজহাতে বধ কৰিম।" তেতিয়া মৃত্যু অনিবাৰ্য বুলি জানি পলোৱা ৰাক্ষসবোৰেও মন স্থিৰ কৰি ঘূৰি আহিল আৰু যুদ্ধত সমুখৰপৰা অনেক বিধৰ অস্ত্ৰ প্ৰয়োগ কৰিবলৈ ধৰিলে। ২।৩ ॥

শত্ৰুবোৰ অত্যন্ত কুপিত হৈ পৰিছে দেখি প্ৰভু ৰামেও ধনুত শৰ সংযোগ কৰি বহুত নাৰাচ প্ৰয়োগ কৰিলে। সেই শৰে বহুত ভয়ানক পিশাচ (ৰাক্ষস) কাটিবলৈ ধৰিলে। ৪ ॥

সিহঁতৰ মূৰ, মূৰু, হাত, ভৰি য'তে ত'তে মাটিত উফৰি উফৰি পৰিবলৈ ধৰিলে। বাণ লগা মাত্ৰেই সিহঁত হাতীৰ দৰে চিঞৰি পৰ্বত সমাদি পৰিবলৈ ধৰে। ৫ ॥

সেনাবোৰৰ শৰীৰ শ শ টুকুৰা হ'লেও মায়াৰ বলেৰে সিহঁত আকৌ উঠে। আকাশত বহুত হাত আৰু মূৰ দেহা নোহোৱাকৈ থেদি আছে। মূৰ নথকা শৰীৰেও থেদি আছে। চিলনী, কাউৰী আৰু শিয়ালৰ দাতৰ কৰ্কশ কটকট শব্দও শুনা যায়। ৬।৭ ॥

শিয়ালে মাংস খাওঁতে কটকট শব্দ কৰিছে, ভূত-প্ৰেত-পিশাচে মূৰৰ খোলা ভৰাইছে। বীৰ (বক) বেতাল আদিয়ে মূৰৰ খোলাৰে তাল বজাইছে আৰু ডাকিনীবোৰে (যোগিনীবোৰে) সেই তালত নাচিছে। ৰঘুবীৰ ৰামৰ প্ৰচণ্ড বাণে যোদ্ধাবোৰৰ হৃদয়, বাহু আৰু শিৰ কাটি খণ্ড খণ্ড কৰিছে। সেইবোৰ য'তে ত'তে ছিটিকি পৰে; কিন্তু আকৌ সেইদৰেই উঠি যোদ্ধা মাৰি আহি যুঁজ আৰু ধৰ ধৰ—বুলি ভয়ানক শব্দ কৰে। ১ ॥

মৃত যোদ্ধাবোৰৰ 'সোঁত' নাড়ীৰ এমূৰ ধৰি শগুন উৰা মাৰিছে আৰু তাৰে আন মূৰ ধৰি পিশাচে দৌৰ মাৰিছে। যেন যুদ্ধনগৰীৰ বাসিন্দা বহুত ঘূৰ্ণ কৰা কামনাক চিলাৰে উৰুৱাইছে। বহুত যোদ্ধা মৰা পৰিল আৰু আন

আৰু কিছুমান সমৰিয়েও উঠিব নোৱাৰাকৈ থেকেচা খাই পৰি থাকিল। মুহূৰ্তকে হৃদয় বিদীৰ্ণ হ'ল আৰু মাটিত পৰি পৰি সিহঁতে কেঁকাবলৈ ধৰিলে। নিজৰ সৈন্যবোৰৰ এনে ব্যাকুল অৱস্থা দেখি খৰ-দূষণ আৰু ত্ৰিশিৰা আদি মুখ্য যোদ্ধাসকল ৰামৰ সন্মুখ হ'ল। ২ ॥

অসংখ্য ৰাক্ষসে খণ্ডত একেলগে বাণ, শক্তি, তোমৰ, পৰশু, শূল আৰু খড়্গ লৈ ৰামৰ ওপৰত আক্ৰমণ কৰিলে। প্ৰভু শ্ৰীৰামেও নিমিষৰ ভিতৰতে শত্ৰুৰ অস্ত্ৰ কাটি প্ৰত্যাহ্বান জনাই সিহঁতৰ ওপৰত নিজৰ অস্ত্ৰ প্ৰয়োগ কৰিলে। কেইজন ৰাক্ষস সেনানায়কৰ হৃদয়ত দহপাট-দহপাট বিশিখ (শৰ-বিশেষৰ নাম) শৰ লাগিল। ৩ ॥

সেনাবোৰ মাটিত বাগৰি পৰাৰ পাছতো আকৌ উঠি যুদ্ধ কৰিবলৈ লাগি যায়। সিহঁত নমৰে; নানা প্ৰকাৰৰ মায়া দেখুৱায়। দেৱতাসকলে ভয় পাইছে যে—চৈধ্য হাজাৰ ৰাক্ষস একালে আৰু আনফালে একমাত্ৰ ৰামহে। দেৱতা আৰু মুনিসকলৰ মনত এনে ভয় হোৱা দেখি মায়াৰ স্বামী ৰঘুনাথেও এটা ভাল ধেমালি কৰিলে। ৰাক্ষস সেনাবোৰৰ এটাই আনটোক ৰাম যেন দেখিবলৈ পাই সিহঁতৰ ইটোৱে সিটোক মাৰিবলৈ লাগি গ'ল। এইদৰে সিহঁতে নিজৰ ভিতৰতে যুঁজ কৰি মৰিল। ৪ ॥

দোঃ—[শত্ৰু ভাৱ মনত লৈ হ'লেও] ৰাম ৰাম বুলি মৰা কাৰণে সিহঁতে মোক্ষ লাভ কৰিলে। কৃপাময় ৰামে এইদৰেই যুক্তি কৰি ক্ষন্তেকৰ ভিতৰতে শত্ৰুবোৰ নাশ কৰিলে। ২০ ক ॥

দেৱতাসকলে আনন্দতে পুষ্পবৃষ্টি কৰিলে। আকাশত বিজয়ৰ বাদ্য বাজিবলৈ ধৰিলে। তাৰ পাছত ৰামক প্ৰশংসা কৰি দেৱতাসকল সুন্দৰ সুন্দৰ অনেক বিমানত উঠি তাৰপৰা গুচি গ'ল। ২০ খ ॥

চৌঃ—যেতিয়া ৰামে যুদ্ধত শত্ৰুবোৰক পৰাস্ত কৰিলে। দেৱতা, মনুষ্য আৰু মুনিসকলৰ ভয় দূৰ হ'ল, তেতিয়া সীতাক লৈ লক্ষ্মণ পৰ্বত-কন্দৰৰপৰা আহিল। দুয়ো ৰামক সেৱা জনালে। ৰামেও আনন্দতে তেওঁলোকক বুকুত সাৱটি ল'লে। ১ ॥

সীতাই ৰামৰ শ্যামবৰ্ণীয় কোমল দেহ অতি প্ৰেমেৰে চাবলৈ ধৰিলে। চাই চাই চকুৰ হেঁপাহ মপলায়। এইদৰে পঞ্চবটীত বাস কৰি ৰঘুনাথে দেৱতা আৰু মুনিসকলৰ সুখদায়ক কাৰ্য কৰিবলৈ ধৰিলে। ২ ॥

খৰ-দূষণ আদিৰ বিনাশ হোৱা দেখি শূৰ্পনখাই গৈ ৰাৱণক জনাই

তুলিলে। তাই খঙেৰে ক'বলৈ ধৰিলে—"তুমি কেৱল আকৰ্ষাৰকোৰৰ কথা পাহৰিয়েই পেলালা। মদপান কৰি দিনে-ৰাতিয়ে মাত্ৰ শুই থাকা। তোমাৰ পিতামহ শত্ৰু স্থিৰ হৈ আছে, তুমি কিন্তু ক'লৈকো নোবোজা। ৰাজনীতিৰ অভাৱে নাশ কৰা ৰাজ্য, ধৰ্মপালন নকৰাকৈ পোৱা ধন, জনসাধাৰণক সমৰ্পণ নকৰা উত্তম কৰ্ম আৰু বিবেক নাশ হোৱা বিদ্যা—এইবোৰৰ অধিকাৰ মাত্ৰ ব্যৰ্থৰহে হৈ পৰে। বিষয়ৰ সংগত সন্ন্যাসী, কুমন্ত্ৰণাৰ পৰা ৰজা, অভিমানৰ পৰা জ্ঞান, মদিৰা পানৰ পৰা লজ্জা, নম্ৰতাৰ অভাৱত প্ৰেম-প্ৰীতি আৰু অহংকাৰৰ ফলত গুণীসকলো অতি সোনকালে নষ্ট হয়, এনে নীতিবচন মই শুনিছোঁ। ৩—৬ ॥

শ্লোঃ—শত্ৰু, ৰোগ, অগ্নি, পাপ, স্বামী আৰু সাপ—এইবোৰক লঘু বুলি ভাবিব নাপায়।" এইবুলি কৈ শূৰ্পণখাই অনেক প্ৰকাৰে বিলাপ কৰিবলৈ ধৰিলে। ২১ ক ॥

দোঃ—তাই সভাৰ মাজতে ব্যাকুল হৈ বহুত কন্দা-কটা কৰি এইদৰে ক'বলৈ ধৰিলে—"হে দশানন! তুমি জীয়াই থাকোঁতেই মোৰ কি এনে দশা হ'ব লাগে?" ২১ খ ॥

চৌঃ—শূৰ্পণখাৰ কথা শুনি সভাসদসকলেও বৰ দুখ পালে। তেওঁলোকে শূৰ্পণখাক হাতত ধৰি তুলি বুজনি দিলে। লংকেশ্বৰ ৰাৱণে সুধিলে—"তই নিজৰ কথা কচোন। কোনেনো তোৰ নাক-কাণ কাটিলে?" ১ ॥

[তাই ক'লে—] "পুৰুষসকলৰ মাজত সিংহ যেন অযোধ্যাৰ ৰজা দশৰথৰ দুজন পুত্ৰ হাবিত চিকাৰ কৰিবলৈ আহিছে। তেওঁলোকৰ কাৰ্য দেখি মোৰ এনে মনে ধৰিলে যেন তেওঁলোকে পৃথিৱীখন ৰাক্ষসহীনা কৰি পেলাব। হে দশমুখ! যাৰ বাহুবলৰ আশ্ৰয় পাই মুনিসকলে বনত নিৰ্ভয় হৈ বিচৰণ কৰিবলৈ ধৰিছে, তেওঁলোক দেখাত বালক, কিন্তু কাৰ্যত কালসদৃশ। স্বভাৱত অতি ধীৰ ধনুৰ্ধৰ আৰু নানা গুণেৰে গুণী। ২।৩ ॥

দুয়ো অতুলনীয় বলী আৰু প্ৰতাপী। তেওঁলোক দুষ্টক বধ কৰা কাৰ্যত ৰত আৰু দেৱতা তথা মুনিসকলৰ সুখদায়ক। সেই সুন্দৰ ৰূপৱান পুৰুষৰ নাম ৰাম। তেওঁৰ লগত এজনী সুন্দৰী তৰুণীও আছে। বিধাতাই তাইক ইমানকৈ সৌন্দৰ্য দি সজাইছে যে—শতকোটি ৰতিও (কামদেৱৰ পত্নী) তাইৰ ওচৰত নেওচা যাব লগীয়া। তেওঁৰ ভায়েকেই মোৰ নাক-কাণ কাটিলে। মই তোমাৰ ভনী হওঁ বুলি কোৱা শুনি তেওঁলোকে মোক ঠাট্টা কৰিবলৈ

ধৰিলে। তেতিয়া মোৰ মাত শুনি (চিঞৰি মতা শুনি) খৰ-দূষণো মোক সহায় কৰিবলৈ গ'ল; কিন্তু তেওঁলোকে ক্ষন্তেকৰ ভিতৰতে সকলো সেনা (সেনা-পতি সহ) শেষ কৰি পেলালে।" খৰ-দূষণ আৰু ত্ৰিশিৰাৰ বধ কৰা কথা শুনি ৰাৱণৰ গোটেই শৰীৰ জ্বলি উঠিল। ৪—৬ ॥

দোঃ—শূৰ্পণখাক বুজাই-বৰাই নিজৰ বলৰ প্ৰশংসা বহুত প্ৰকাৰে কৰি ৰাৱণ নিজৰ ৰাজভৱনলৈ গ'ল; কিন্তু অত্যন্ত চিন্তাত ৰাতি তেওঁৰো টোপনি নাহিল। ২২ ॥

চৌঃ—"দেৱতা, অসুৰ, মনুষ্য, নাগ আৰু পক্ষীসমূহৰ মাজত মোৰ অনুচৰৰ কাৰণেও যোগ্যতা থকা বলবান কোনো নাই। খৰ-দূষণতো মোৰ সমানেই বলবান। সিহঁতক ভগৱানৰ বাহিৰে কোনে মাৰিব পাৰে? [এইদৰে ৰাৱণে ভাবিবলৈ ধৰিলে]। ১ ॥

দেৱতাসকলক আনন্দ দিওঁতা আৰু পৃথিৱীৰ ভাৰ হৰণ কৰোঁতা ভগৱানেই যদি অৱতীৰ্ণ হৈছে, তেন্তে হ'লে মই দৃঢ়ভাৱে তেওঁৰ শত্ৰুতা আচৰণ কৰিম আৰু প্ৰভুৰ শৰত প্ৰাণ এৰি সংসাৰ তৰিম। ২ ॥

এই তামস শৰীৰেৰে ভক্তি নহয়। গতিকে মন, বচন আৰু কৰ্মেৰে এই দৃঢ় নিশ্চয় কৰিছোঁ। যদি তেওঁলোক কোনো ৰাজকুমাৰেই প্ৰকৃততে হয়, তেন্তে হ'লেও তেওঁলোকক যুদ্ধত পৰাস্ত কৰি সেই নাৰীও হৰণ কৰি লৈ আহিম।" ৩ ॥

[এইদৰে বিচাৰ কৰি] ৰাৱণ অকলেই ৰথত উঠি মাৰীচ থকা সমুদ্ৰ-তীৰলৈ গ'ল। [মহাদেৱে কৈছে—] "পাৰ্বতী! ইফালে ৰামচন্দ্ৰই কি ভাবিলে, সেই সুন্দৰ কথা শুনা। ৪ ॥

দোঃ—লক্ষ্মণ যেতিয়া কন্দ-মূল আৰু ফল বিচাৰি অৰণ্যলৈ গ'ল; তেতিয়া, কৃপাৰ আৰু সুখৰ আকৰ ৰামে হাঁহি এটা মাৰি সীতাক ক'লে। ২৩ ॥

চৌঃ—'হে সুশীলা আৰু সুন্দৰী প্ৰিয়া শুনা। মই এতিয়া কিছুমান কোমল স্বভাৱৰ মানুহৰ নিচিনা লীলা কৰিম। গতিকে মই ৰাক্ষসবোৰৰ নাশ কৰি যেতিয়ালৈকে প্ৰকৃত অৱস্থালৈ নাহোঁ, তেতিয়ালৈকে তুমি অগ্নিত বাস কৰা।' ১ ॥

যেতিয়া ৰামে এই সকলো কথা বুজাই সীতাক ক'লে, তেতিয়া সীতাই হৃদয়ত ৰামৰ চৰণ চিন্তা কৰি আৰু অগ্নিত স্থিত হৈ প্ৰতিবিম্ব বা ছায়া-সীতা তাত থৈ গ'ল। সেই ছায়া-সীতাও স্বভাৱ-চৰিত্ৰ, ৰূপ আৰু নম্ৰতাত প্ৰকৃত সীতাৰ সমতুল্য আছিল।

সমুদ্ৰেও বাৰণ কৰিছে এই নীতাৰ লোকক বহুত জানিবলৈ নাপালে। ইকালে স্বাৰ্থপৰ আৰু নীচ ৰাৱণেও মাৰীচৰ ওচৰলৈ গৈ অনুৰোধ জনালে। ৩ ॥

অংকুশ, ধনু, সাপ আৰু মেকুৰীয়ে অনুসৰণ কৰিলে লোকৰ অনিষ্ট কৰাৰ দৰেই নীচলোকৰ নম্ৰতাও সৰ্বনাশৰ কাৰণে অতি দুখদায়ক হৈ পৰে। [শিৱই কৈছে—] "হে ভৱানী! দুষ্টৰ মিঠা মাত এনে অকালৰ কুসুমৰ সদৃশ।" ৪ ॥

দোঃ—মাৰীচে যথাবিধি শুশ্ৰূষা কৰি ৰাৱণক অকলে অহা আৰু ব্যগ্ৰ হোৱাৰ কাৰণ সুধিলে। ২৪ ॥

চৌঃ—দুৰ্ভগীয়া ৰাৱণে সকলো কথা অভিমান কৰি তেওঁৰ আগত ক'লে। [লগতে এই বুলি ৰাৱণে সহায়ো বিচাৰিলে] "তুমি ছলনা কৰিবৰ উদ্দেশ্যে কপট মৃগৰূপ ধাৰণ কৰা; যাৰ সহায়ত মই ৰাজবধূক হৰি আনিব পাৰোঁ।" ১ ॥

তেতিয়া মাৰীচে ক'লে—"দশানন শুনা। তেওঁ নৰৰূপধাৰী চৰাচৰ জগতৰে ঈশ্বৰ। গতিকে বোপাই! তেওঁৰ লগত তুমি শত্ৰুতা নকৰিবা। জগতৰ জীৱ-সমূহ তেওঁ মাৰিলেহে মৰে আৰু তেওঁ জীয়াই ৰাখিলেহে জীৱিত হৈ থাকে। এই ৰাজকুমাৰেই বিশ্বামিত্ৰ ঋষিৰ যজ্ঞ ৰক্ষাৰ কাৰণে গৈছিল। সেই সময়ত তেওঁ মোৰ গালৈ আগত জোঙা ফাল নথকা শৰ মাৰি পঠাইছিল। মই ক্ষণেকতে এশ যোজন দূৰত উফৰি পৰিলোঁহি। (শৰৰ আগত শিথা বা জোঙা আগ নথকা বাবে মুকুটিলে আৰু নমৰিলোঁ।) তেওঁৰ লগত শত্ৰুতা কৰিলে ফল ভাল নহ'ব। এতিয়া মোৰ স্বভাৱ কুমাৰণীৰ বাহত আবদ্ধ হৈ পৰা পোকটোৰ নিচিনা হৈ পৰিছে। য'তে ত'তে এতিয়া [মনৰ ভয়ত] ৰাম-লক্ষ্মণকহে দেখা পাওঁ। তেওঁলোক যদি মানুহো হয়, তথাপি মহা ডাঙৰ বীৰ। গতিকে তেওঁলোকৰ লগত শত্ৰুতা কৰিলে সুফল পোৱা নাযাব। ২—৪ ॥

দোঃ—যিজনে তাড়কা আৰু সুবাহুক বধ কৰিলে, হৰধনু ভাঙিলে, খৰ, দূষণ, আৰু ত্ৰিশিৰাক বিনাশ কৰিলে; এনে প্ৰচণ্ড বলশালীজন কি মানুহ হ'ব পাৰে? ২৫ ॥

চৌঃ—তুমি নিজৰ কুলৰ কুশলৰ অৰ্থে বিচাৰ কৰি চাই নিজৰ ঘৰলৈ উভতি যোৱা।" এই কথা শুনি ৰাৱণ জ্বলি-পকি উঠিল আৰু গালি পাৰিবলৈ আৰম্ভ কৰিলে। [ৰাৱণে ক'লে—] "মূৰ্খ! তই মোক গুৰু হৈ জ্ঞান দিবলৈ ওলাইছ। মোৰ সমান যোদ্ধা জগতত কোন আছে কচোন?" ১ ॥

তেতিয়া মাৰীচে মনতে ভাবি বিচাৰ কৰিলে—"এই ন বিধ বিৰোধৰপৰা

কল্যাণ নাই। এই ন বিধ হ'ল—অগ্ৰবাদী, তিতকৰ কথা কোৱা মানুহ, স্বামী, দুষ্ট, ধনী, চিকিৎসক, ভাট (চাৰণ), কবি আৰু ৰান্ধনী।" ২ ॥

দুয়োফালেই যেতিয়া মৰণ ; তেনে অৱস্থাত ৰামৰ শৰণ-গ্ৰহণেই উচিত যেন লাগিল। [আকৌ ভাবিলে—] "ৰাৱণৰ কথাত অমান্তি হৈ মোৰা্ৰৰো বুলি ক'লেই এই দুৰ্ভগীয়া ৰাৱণে বধ কৰিব। তাতকৈ ৰামৰ শৰতেনো নমৰোঁ কিয় ?"

ইয়াকে মনতে ভাবি ৰামৰ চৰণত অখণ্ড ভক্তিভাৱ ৰাখি ৰাৱণৰ লগত গ'ল। তেওঁৰ মনত এই বুলি পৰম আনন্দ হ'ল যে—তেওঁ আজি পৰম প্ৰিয় ৰামক দেখিবলৈ পাব ; কিন্তু আনন্দৰ কথা তেওঁ ৰাৱণক জানিবলৈ নিদিলে। ৪ ॥

ছন্দঃ—"নিজৰ পৰম প্ৰীতিভাজনক দেখি নয়ন সাৰ্থক হোৱাৰ সুখ পাম। জানকী আৰু লক্ষ্মণসহ কৃপাৰ সাগৰ ৰামৰ চৰণত মন মজিব। যাৰ ক্ৰোধো মোক ফলদায়ক, যাক ভক্তি কৰিলে কাৰো বশ নোহোৱা ভগৱানো বশীভূত হয়, যাঃ আনন্দৰ সমুদ্ৰস্বৰূপ সেই হৰিয়েই নিজ হাতে শৰ সন্ধান কৰি মোক বধ কৰিব।

দোঃ—ধনু-শৰ লৈ মোৰ পাছে পাছে খেদি যোৱা প্ৰভুক মই ঘূৰি ঘূৰি চাম। মোৰ সমান ধন্য আৰু কোনো নাই।" ২৬ ॥

চৌঃ—যেতিয়া ৰাৱণ সেই বনৰ ওচৰ পালেগৈ, তেতিয়া মাৰীচে কপট মৃগৰূপ ধাৰণ কৰিলে। সেই ৰূপ অতি বিচিত্ৰ বাবে তাৰ বৰ্ণনাই কৰিব নোৱাৰি। সোণৰ দেহত মণি লগাই (ফুল বাছি) সজোৱা। ১ ॥

সীতাই সেই পৰম সুন্দৰ হৰিণাটো দেখিলে, যাৰ প্ৰতিটো অংগতে অতি মনোহৰ শোভা প্ৰকাশ হৈছিল। [তাকে দেখি সীতাই ৰামক কলে—] "হে দেৱ ! কৃপালু ৰঘুবীৰ ! এই পহুটোৰ ছাল বৰ সুন্দৰ। ২ ॥

প্ৰতিজ্ঞা পালনত অযাৰ্থ প্ৰভু ! এই পহুটো মাৰি তাৰ ছালখন আনি দিয়া।" এই বুলি যেতিয়া সীতাই ৰামক ক'লে, তেতিয়া লুকাই থকা সকলো কাৰণ (মাৰীচ আৰু ৰাৱণৰ চক্ৰান্ত) জানিও ৰঘুনাথে দেৱ-কাৰ্য সিদ্ধিৰ অৰ্থে আনন্দ মনেৰে এই কামলৈ আগবাঢ়ি গ'ল। ৩ ॥

কঁকালত টঙালি মাৰি হাতত ধনু আৰু শৰ তুলি লৈ পহুটো খেদি যাবিবলৈ ওলোৱা প্ৰভুৱে লক্ষ্মণক বুজাই ক'লে—"ভাই লক্ষ্মণ, এই অৰণ্যত বহুত ৰাক্ষস ঘূৰি ফুৰিছে। বুদ্ধি, বিবেক, বল আৰু সময়ৰ বিচাৰ কৰি

তুমি সীতাক ৰাখিবা।" তাৰ পাছত প্ৰভুক দেখি শৃগালৰ পাছে অনুসৰণ কৰি হাতত শৰ-ধনু লাহে কৰি তেওঁ খেদি গ'ল। ২১৫॥

নিগমে যাৰ বিষয়ে নেতি বুলি (ইমানেই যথেষ্ট নহয় বুলি) কয়, মহাদেৱে পিৱই যাক ধ্যান কৰি জানিব নোৱাৰে, তেওঁ মায়ামৃগৰ পাছে পাছে লৰ ধৰিছে। পাছতো কেতিয়াবা ওচৰ চাপে আৰু কেতিয়াবা আকৌ আঁতৰি যায়, কেতিয়াবা দেখা যায়, কেতিয়াবা নেদেখা হৈ পৰে। ৬॥

এইদৰে দেখা দি লুকাই নানা প্ৰকাৰৰ ছলনা কৰি সি প্ৰভু ৰামক বহুত দূৰলৈ লৈ গ'ল। তেতিয়া ৰামে লক্ষ্য স্থিৰ কৰি কঠোৰ বাণ প্ৰয়োগ কৰিলে আৰু ভয়ানক শব্দ কৰি সিও পৃথিৱীত পৰিল। ৭॥

সি প্ৰথমতে লক্ষ্মণৰ নাম লৈ পাছত মনতে ৰামক স্মৰণ কৰিলে। প্ৰাণ ত্যাগ কৰিবৰ সময়ত সি নিজৰ ৰূপ প্ৰকাশ কৰিলে (ৰাক্ষস ৰূপ ধৰিলে) আৰু অতি ভক্তিভাৱেৰে স্মৰিলে। অন্তৰৰ ভক্তি বুজি পাই সৰ্বজ্ঞ প্ৰভুৱে সেই ৰাক্ষসক মুনিসকলোৰো দুৰ্লভ গতি (পৰমপদ) দান কৰিলে। ৮।৯॥

দোঃ—দেৱতাসকলে অসংখ্য পুষ্প বৰষিলে আৰু প্ৰভুৰ গুণগান এই বুলি কৰিলে যে দীনবন্ধু ৰঘুনাথে অসুৰকো নিজপদ (পৰমপদ) দিলে। ২৭॥

চৌ—দুষ্টক বধ কৰি ৰঘুবীৰ ৰাম সোনকালেই উভতিল। তেওঁৰ হাতত ধনু আৰু কঁকালত তূণীৰ শোভা পাইছিল। ইফালে সীতাই যেতিয়া [মাৰীচৰ] 'লক্ষ্মণ' বোলা আৰ্তনাদ শুনিবলৈ পাইছিল, তেতিয়া তেওঁ লক্ষ্মণক অতি ভীত হৈ কৈছিল। ১॥

"তুমি বেগাই যোৱা। তোমাৰ দাদা বৰ বিপদত পৰিছে।" লক্ষ্মণে হাঁহি মাৰি কলে—"হে মাতৃ! শুনা, যাৰ কটাক্ষত, সম্পূৰ্ণ সৃষ্টি লয় হয়, সেই শ্ৰীৰাম কি সপোনতো বিপদত পৰিব পাৰে?" ২॥

ইমানতো যেতিয়া সীতাই অন্তৰত আঘাত লগা কথা ক'লে, তেতিয়া ভগৱানৰ প্ৰেৰণা অনুসৰি লক্ষ্মণৰ মনো কিছু অস্থিৰ হৈ পৰিল। তেওঁ বন, দিক্ আৰু দেৱতাসকলৰ ওচৰত সীতাৰ দায়িত্ব দি সেই ঠাইলৈ গ'ল, য'ত ৰাৱণৰূপী চন্দ্ৰৰ ৰাহু (ৰাম) আছিল। ৩॥

ৰাৱণো মাজৰ এই খালি সময় হোৱাতে সুযোগ দেখি সন্ন্যাসীৰ বেশ ধৰি ওচৰ চাপি আহিল। যি ৰাৱণৰ ভয়ত দেৱতা আৰু দানৱৰ বাহি টোপনি নাই আৰু নিশাও খাদ্য খাবলৈ নাযায়, সেই দশানন ৰাৱণ কুকুৰৰ

যেনে ইফালে সিফালে চাই মনে মনে চুৰ কৰিবলৈ আহিল। [কাকভুশুণ্ডীয়ে কৈছে—] "হে খগেশ গৰুড়! এনেদৰে অসৎ পথত আগবাঢ়িবলৈ ভৰি দিয়াৰ লগে লগেই শৰীৰৰ বল আৰু মনৰ বুদ্ধি নাশ পায়।" ৪।৫ ॥

ৰাৱণে নানা প্ৰকাৰৰ সুন্দৰ কথাৰে, ৰাজনীতি, ভয় আৰু প্ৰীতিৰ ভাবো দেখুৱালে। ৰাৱণৰ এই কথাবোৰ শুনি সীতাই ক'লে—"হে জিতেন্দ্ৰিয় সন্ন্যাসী! তোমাৰ কথাবোৰ দুষ্ট মানুহৰ দিচিনা হৈছে।" ৬ ॥

তেতিয়া ৰাৱণে নিজৰূপ দেখুৱালে আৰু ৰাৱণ নামটো যেতিয়া শুনিলে সীতাও তেতিয়া ভয়ভীত হৈ পৰিল; কিন্তু তালৈকে ধৈৰ্য ধৰি ক'লে—"হেৰ দুষ্ট! অলপ ৰ'ব, স্বামী ৰাম আহি পাওঁ পাওঁ। ৭ ॥

যেনেকৈ সিংহৰ পত্নী শহাপহুৱে বিচাৰে সেই দৰেই ৰাক্ষসৰাজ তয়ো মোক বিচাৰি কালৰ মুখত পৰিছ।" এই কথা শুনিয়েই ৰাৱণৰ খং উঠিল, কিন্তু মনতে সীতাৰ চৰণ বন্দনা কৰি সুখ মানিলে। ৮ ॥

দোঃ—তেতিয়া ক্ৰুদ্ধ ৰাৱণে সীতাক ৰথত তুলি আকাশ মাৰ্গেদি যাবলৈ ধৰিলে; কিন্তু ভয়ত আতুৰ হোৱা বাবে তালৈকে ৰথ চলাব পৰা নাছিল। ২৮ ॥

চৌঃ—"হায় জগতৰ অদ্বিতীয় বীৰ ৰঘুনাথ! আতুৰজনৰ দুঃখহৰণকাৰী, শৰণাগতৰ সুখদাতা, ৰঘুকুল কমলৰ সূৰ্য। তুমি কি অপৰাধত মোৰ প্ৰতি নিৰ্দয় হ'লা? ১ ॥

হে লক্ষ্মণ! তোমাৰ একো দোষ নাই। মই তোমাক খং কৰি তাৰ ফল পালোঁ। প্ৰভু বৰ দয়ালু, কিন্তু তেওঁ বহুত দূৰত থাকিল।" এইদৰে কৈ জানকীয়ে বহুত বিনাবলৈ ধৰিলে। ২ ॥

"মোৰ এই বিপদৰ কথা প্ৰভুক কোনে শুনাব? যজ্ঞৰ অন্ন গাধই খাবলৈ লৈছে।" সীতাৰ এনে বিলাপ শুনি চৰাচৰ সকলোৱেই যেন দুঃখী হৈ পৰিল। ২ ॥

গৃধ্ৰৰাজ জটায়ুৱে সীতাৰ এই আতুৰ বাণী শুনিলে আৰু তেওঁ ৰঘুকুলতিলক ৰামৰ পত্নী বুলি চিনি পালে। তেওঁ দেখিলে—অধম নিশাচৰে সীতাক লৈ গৈছে, যেন ম্লেচ্ছৰে কপিলা গাই নিছে। ৪ ॥

"হে'ৰা আই সীতা! তুমি ভয় নকৰিবা। মই এই ৰাক্ষসক এতিয়াই নাশ কৰিম।" এই বুলি কৈ সেই পক্ষী খঙেৰে ৰাৱণৰ ফালে এনেদৰে খেদা মাৰি গ'ল, যেন পৰ্বতত পৰিবলৈ বজ্ৰহে গ'ল। ৫ ॥

[গৃধ্ৰৰাজে ক'লে—] "এই দুষ্ট! নৰয় কিয়? নিৰ্ভয়ভাৱে গুচি যাইছ।

মোক চিনি পোৱা নাই ?" ৰমনদ্বাৰ শৰীৰ, ক্ৰমান্বয় ৰূপক দেখি অৰ্থাৎ জটায়ুক ৰাৱণে খুৰি চাই দেখি ভাবিবলৈ ধৰিলে—

"এইটো মৈনাক পৰ্বত নে পক্ষীৰাজ গৰুড় ? গৰুড়ৰ স্বামী (বিষ্ণু) আৰু গৰুড়ে মোৰ বল বুজি পায়। [ইতিমধ্যে ৰাৱণৰ ওচৰ চাপি অহা হ'লে] ৰাৱণে জটায়ুক চিনি পাই ক'লে—"বেৰ' বুঢ়া জটায়ু ! তই এতিয়া তীৰ্থত মৰিবি মোৰ হাতত মৰিবি।" ৬।৭ ॥

এই কথা শুনি গৃধ জটায়ু খঙেৰে থেৰা মাৰি আহিল আৰু ক'লে—"ৰাৱণ ! তই মোৰ উপদেশ শুন। তই সীতাক এৰি দি স্থানে-কুশলে ঘৰলৈ উভতি যা। সেয়ে নহ'লে তোৰ এনে দশা হ'ব যে—অতি ভয়ানক ৰামৰ নি ক্ৰোধাগ্নি সেই ক্ৰোধাগ্নিতে তোৰ বংশ পতংগ জাহ যোৱাদি জাহ যাব।" কেতিয়া যোৱা ৰাৱণে উত্তৰ নিদিলে আৰু জটায়ুৰেও ৰাৱণৰ ওপৰত জপিয়াই পৰি চুলিত ধৰি ৰথৰ পৰা নমাই আনিলে। তেওঁ সীতাক একাষৰীয়াকৈ ৰাখি আকৌ আগবাঢ়ি গৈ ঠোঁটেৰে ৰাৱণৰ শৰীৰ চিৰাচিৰ কৰিলে। ৰাৱণ এক দণ্ডমান মূৰ্চ্ছিত হৈ পৰি থাকিল। ৮—১০

তাৰ পাছত লাজ আৰু অপমানত ক্ৰোধ তীব্ৰ হৈ উঠা ৰাৱণে অতি ভয়ানক খড়্গ উলিয়ালে আৰু জটায়ুৰ পাখি কাটি পেলালে। ৰামৰ অদ্ভুত লীলাৰ কথা স্মৰণ কৰি পাখি কটা জটায়ু পক্ষীও মাটিত বাগৰি পৰিল। ১১ ॥

এই সুযোগতে সীতাক আকৌ ৰথত তুলি ৰাৱণে লৰালৰিকৈ ৰথ চলাই দিলে। ৰাৱণৰ মনত ভয়ো কম নাছিল। সীতা বিলাপ কৰি কৰি আকাশেদি এনেদৰে গৈছিল যেন ব্যাধৰ জালত বন্দী হোৱা কোনোবা এজনী ভয়ভীত হৰিণীহে [কান্দি কান্দি গৈছে]। ১২ ॥

পৰ্বতত বহি থকা বান্দৰ কিছুমান দেখি সীতাই হৰিনামৰ লৈ গাৰ কাপোৰ পেলাই গ'ল। এইদৰে লৈ যোৱা সীতাক অশোক বনত ৰখা হ'ল। ১৩ ॥

দো:—সীতাক বহুপ্ৰকাৰে ভয় আৰু প্ৰীতি দেখুৱাই হাৰ মানি দুষ্ট ৰাৱণে বহু যত্নেৰে (সুব্যৱস্থাৰে) অশোক গছৰ তলতে ৰাখিলে। ২৯ ক ॥

সীতায়ো কপট মৃগৰ পাছত যোৱা ৰামৰ ৰূপটোক হৃদয়ত ভাবি ভাবি দুখেৰে হৰিনাম ল'বলৈ ধৰিলে। ২৯ খ ॥

চৌ:—ইফালে ৰামেও ভাইৰ লক্ষ্মণক যোৱা দেখি বাহিৰত দেখুৱাই বহুত চিন্তা কৰিলে আৰু ক'লে—"ভাই লক্ষ্মণ ! তুমি জানকীক অকলে এৰি থৈ আহিলা। মোৰ কথা নেমানিলা। ১ ॥

ৰাক্ষস যুগে যুগে অৰণ্যত ঘূৰি ফুৰিছে। মোৰ মনত এনে হৈছে যেন সীতা আশ্ৰমত আৰু নাই।" তেতিয়া লক্ষ্মণে ৰামৰ চৰণ কমলত ধৰি ক'লে—"দাদা! মোৰ গাত দোষ নাই।" ২॥

গোদাৱৰীৰ তীৰৰ য'ত আশ্ৰম আছিল, প্ৰভু ৰাম তালৈ ভাতৃ লক্ষ্মণ সহ গৈ সীতাহীন আশ্ৰম দেখা পালে। তেতিয়া তেওঁ সাধাৰণ মানুহৰ দৰে দুখত ব্যাকুল হৈ পৰিল। ৩॥

"হায় গুণৱতী সীতা! হায় ৰূপ, চৰিত্ৰ, ব্ৰত আৰু নিয়মেৰে পৱিত্ৰ জানকী"—বুলি ৰামে দুখ কৰিবলৈ ধৰিলে। লক্ষ্মণে নানা প্ৰকাৰে বুজালতো তেওঁ লতা আৰু গছ-গছনিক সীতাৰ কথা সুধি যাবলৈ লাগিল। ৪॥

"হে পশু-পক্ষীসকল! হে ভ্ৰমৰসকল! তোমালোকে মৃগনয়নী সীতাক দেখিছানে? খঞ্জন, শুক (ভাটৌ), কপৌ, হৰিণ, মাছ, ভোমোৰা, কুলিচৰাই, কুন্দফুলৰ কলি, ডালিম, বিজুলী, পদুমফুল, শৰতৰ চন্দ্ৰমা, সৰ্পিণী, বৰুণৰ পাশ, মদনৰ ধনু, ৰাজহংস, হাতী আৰু সিংহ—এই সকলোৱেই আজি নিজ নিজ প্ৰশংসা শুনিবলৈ পাইছে। ৫।৬॥

শ্ৰীফল (বেল), কল আৰু স্বৰ্ণই আনন্দ পাইছে। ইহঁতৰ মনত আজি অকণো সংকোচ নাই। হে জানকী! শুনা। তুমি নথকাত ইহঁতে ইমান আনন্দ পাইছে, যেন ৰাজ্য লাভহে হৈছে। (তোমাৰ উপস্থিতিত ইহঁত সৌন্দৰ্যহীন হৈ আছিল)। ৭॥

এই সকলোৰে তোমাৰ প্ৰতি যি স্পৰ্ধা ভাব, সেই ভাব (যি তোমাক কষ্ট কৰিবৰ যোগ্য) তুমি কেনেকৈ সহ্য কৰিছা? হে প্ৰিয়া! তুমি আকৌ দেখা নিদিয়া কিয়?" এই দৰে স্বামী ৰামে সীতাক বিচাৰি বিলাপ কৰিবলৈ ধৰিলে যেন অতি কামুক বিৰহী পুৰুষহে। ৮॥

পূৰ্ণকাম, আনন্দময়, জন্মৰহিত আৰু অবিনাশী শ্ৰীৰামচন্দ্ৰই মনুষ্য সদৃশ আচৰণ দেখুৱাই বাটতে আগতে পৰি থকা গৃধ্ৰৰাজ জটায়ুক দেখা পালে, যিজনে বজ্ৰপ্ৰভৃতি-ৰেখাযুক্ত ৰামৰ চৰণ চিন্তা কৰি আছিল। (ধ্বজ, বজ্ৰ, পংকজ, অংকুশ আৰু যৱযুক্ত চৰণ চিহ্নৰ কথা কোৱা হৈছে) ৯॥

দোঃ—কৃপাৰ সাগৰ ৰামে নিজৰ কৰকমলেৰে জটায়ুৰ শিৰ স্পৰ্শ কৰিলে;" আনন্দধাম ৰামৰ মুখ-শোভা দৰ্শন কৰি জটায়ুৰ সকলো পীড়া দূৰ হ'ল। ১০॥

চৌঃ—তেতিয়া জটায়ুৱে ধৈৰ্য ধৰি ধীৰে ধীৰে ক'লে—"হে [illegible]

ৰাঘৱ শ্ৰীৰাম, শুনক। ৰাৱণে মোৰ এই ডেনা ছিঙিলে আৰু সেই দুষ্টই সীতাকো হৰণ কৰি লৈ গৈছে। ১ ॥

হে প্ৰভু, সি সীতাক লৈ দক্ষিণফালে গৈছে আৰু সীতাৰ ক্ৰন্দন (ক্ৰোশ) চলাইৰ দৰে কান্দি কান্দি গৈছে। প্ৰভু! মই আপোনাৰ দৰ্শন কৰিবলৈকে জীয়াই থাকিলোঁ। হে কৃপাময়! এতিয়া মোক যাবলৈহে বিদাৰিবা।" ২ ॥

শ্ৰীৰামচন্দ্ৰই ক'লে—"শৰীৰ ত্যাগ নকৰিব বাপা!" দেহিকো" পক্ষীৰাজ জটায়ুৱে মিচিকিয়াই হাঁহি এটা মাৰি ক'লে—"যাৰ নাম মৃত্যুৰ সময়ত মুখেৰে উলালেই অধম জনো মুক্ত হয় বুলি বেদ-শাস্ত্ৰই কৈছে; সেই ৰাম মোৰ চকুৰ আগতে উপস্থিত। হে প্ৰভু, এতিয়া মই কি উদ্দেশ্য সাধনৰ কাৰণে জীয়াই থাকিম?" জটায়ুৰ কথা শুনি ৰামে চকু চলচলীয়া কৰি সমদৰ্শীভাৱে উত্তৰত ক'লে—"আপুনি নিজৰ শ্ৰেষ্ঠ কৰ্মৰ গুণেৰে গতি পাইছে।" ৩৪ ॥

পৰৰ হিত সাধনৰ চিন্তা যাৰ মনত সদায় থাকে, তেওঁৰ কাৰণে জগতত দুৰ্লভ একো নাই। সেইবাবে শৰীৰ ত্যাগ কৰি আপুনি 'পৰম ধামলৈ গতি কৰক। মোৰ আপোনাক দিবলৈ একো নাই। "আপুনি সকলো কামনাৰ অতীত হৈছে। ৫ ॥

দোঃ—আপুনি সীতাহৰণৰ কথা পিতাক ক'ব নালাগে। মই যদি ৰাম হওঁ, তেনেহ'লে দশমুখ ৰাৱণে সবংশে গৈ নিজে পিতাক এই কথা জনাব।" ৩১ ॥

চৌঃ—তেতিয়া জটায়ুৱে পক্ষীদেহ ত্যাগ কৰি হৰিৰূপ লাভ কৰিলে। তেওঁ বহুত সুন্দৰ অলংকাৰ আৰু পীতবস্ত্ৰ ধাৰণ কৰিলে। শ্যাম বৰ্ণৰ শৰীৰ আৰু চতুৰ্ভুজ ৰূপ ধাৰণ কৰা জটায়ুৱে তেতিয়া আনন্দাশ্ৰু বোৱাই এইদৰে স্তুতি কৰিবলৈ ধৰিলে। ১ ॥

ছন্দঃ—"অনুপম ৰূপধাৰী, নিৰ্গুণ হৈয়ো সগুণ আৰু সমস্ত গুণৰ প্ৰেৰক (মায়াৰ প্ৰেৰণা শক্তি) শ্ৰীৰামচন্দ্ৰৰ জয় হওক। দশাননৰ ৰাৱণৰ প্ৰচণ্ড বাহু-সমূহ খণ্ড খণ্ড কৰিবৰ কাৰণে তীক্ষ্ণবাণ ধাৰণকাৰী, পৃথিৱীৰ শোভা বৰ্দ্ধন-কৰ্ত্তা, সজল মেঘৰ দৰে শ্যামশৰীৰ, পদুম দৰে মুখ আৰু ৰক্তোৎপলৰ দৰে নেত্ৰ তথা সুদীৰ্ঘ বাহুৰে শোভিত ভৱভয়হৰণকাৰী কৃপাসাগৰ ৰামক নমস্কাৰ।" ১ ॥

অপৰিমিত বলশালী, অনাদি, অজন্মা, অব্যক্ত, অদ্বৈত, ইন্দ্ৰিয়ৰ অগোচৰ, গোবিন্দ (বেদবাক্যসমূহৰে জ্ঞেয়), ভাৱাতীত (অগোচৰ), দ্বন্দ্বনাশক (জন্মমৃত্যু, সুখ-দুখ আদিৰ দ্বন্দ্ব দূৰ কৰোঁতা), 'সৰ্ব' উপলব্ধিৰ

চিদ্‌ঘন (বিজ্ঞান ঘন) পৃথিৱী ধাৰণকাৰী আৰু ৰাবণাদিৰ দৰ্প খৰ্ব কৰোঁতা অনন্ত সন্তসকলৰ মনত আনন্দ দান কৰোঁতা, নিষ্কাম ভক্তসকলৰ প্ৰিয়, কাম আদি দুষ্টপ্ৰবৃত্তি সমূহৰ দলনকাৰী ৰামক সদায় নমস্কাৰ কৰোঁ।" ২ ॥

নিৰঞ্জন (যাৰ দোষ ক'তো নাই), ব্ৰহ্ম, ব্যাপক, নিৰ্বিকাৰ আৰু জন্ম-ৰহিত মুনি বেদে যাৰ গুণ-গান কৰে, ধ্যান, জ্ঞান, বৈৰাগ্য আৰু যোগ আদি অনেক প্ৰকাৰৰ সাধনাৰে মুনিসকলে যাক লাভ কৰে; সেই কৰুণা-কন্দ, শোভাপুঞ্জ ভগৱানে প্ৰকট ৰূপ ধাৰণ কৰি এই চৰাচৰ বিশ্বকে মুগ্ধ কৰিছে। মোৰ হৃদয়-কমলৰ ভ্ৰমৰ স্বৰূপ সেই ৰামৰ প্ৰতি অংগই অংগই বহুত কামদেৱৰ সৌন্দৰ্য প্ৰকাশ পাইছে। ৩ ॥

যি অগম হৈয়ো সুগম (জ্ঞানৰ অগম্য হৈয়ো উপলব্ধিৰ বস্তু), স্বভাৱতে নিৰ্মল (নিৰ্মল বা বিশুদ্ধ ভাৱ স্বৰূপ); বিষম হৈয়ো সদায় সম বা শান্ত (শীতল); মন আৰু ইন্দ্ৰিয়ক সদায় বশত ৰাখি যোগীসকলে বহুত সাধনাৰ বলেৰেহে যাক দেখা পায়, তিনিও লোকৰে স্বামী, লক্ষ্মীপতি সেই ৰাম সদায় ভক্তসকলৰ অধীন হৈ থাকে। যাৰ পবিত্ৰ কীৰ্তিয়ে সংসাৰ-ক্লেশ দূৰ কৰে, তেওঁ মোৰ হৃদয়ত বাস কৰক।" ৪ ॥

দোঃ—অখণ্ড ভক্তিলাভৰ বৰ লৈ গৃধ্ৰৰাজ বৈকুণ্ঠগামী হ'ল। শ্ৰীৰামে তেওঁৰ সকলো ক্ৰিয়া (দাহ, সংস্কাৰ আদি) নিজ-হাতেই যথোচিতভাৱে কৰিলে। ৩২ ॥

চৌঃ—ৰঘুনাথ অতি কোমল অন্তৰৰ, দয়ানিধান আৰু বিশেষ কাৰণ নোহোৱাকৈয়ে কৃপা কৰোঁতা। গৃধ্ৰ আমিষ ভক্ষী কাৰণে পক্ষীৰ ভিতৰতো অধম শ্ৰেণীৰ। তাকো তেওঁ এনে দুৰ্লভ গতি দান কৰিলে, যি গতি যোগী সকলৰো বাঞ্ছনীয়। ১ ॥

[শিৱই ক'লে—] "পাৰ্বতী শুনা! সেইবোৰ মানুহ দুৰ্ভগীয়া, যিবোৰে ভগৱানক এৰি বিষয় ভোগত অনুৰক্ত হয়। তাৰ পাছত দুয়োজনেই (ৰাম-লক্ষ্মণে) সীতাক বিচাৰি বিচাৰি বহুত বনৰ মাজেদি আগবাঢ়ি যাবলৈ ধৰিলে। ২ ॥

সেই পথ অনেক ধৰণৰ গছ-লতা আৰু জাত হাবিৰে ভৰা। সেইবোৰত বহুত চৰাই, পহু, হাতী আৰু সিংহও আছে। বাটত গোৰা-কবন্ধকো বধা হ'ল। সি নিজৰ অভিশাপৰ সকলো কথা শুনালে। ৩ ॥

[কবন্ধই ক'লে—] "মোক দুৰ্বাসা মুনিয়ে শাপ দিছিল; এতিয়া প্ৰভুৰ

চৰণ দৰ্শন পাই শাপ মুক্ত হৈছোঁ।" [শ্ৰীৰামে ক'লে—] "হে গন্ধৰ্ব! মই তোমাক কৈছোঁ শুনা। ব্ৰাহ্মণসকলৰ দ্ৰোহাচৰণ কৰাটো মই ভাল নাপাওঁ। ৪ ॥

দোঃ—মন, বচন আৰু কৰ্মেৰে সৈতে অকপটভাৱে যি ব্ৰাহ্মণসকলৰ সেৱা কৰে, তেওঁ মোৰে সৈতে ব্ৰহ্মা, শিৱ আদি সকলো দেৱতাকে বশ কৰে।" ৩৩ ॥

চৌঃ—সন্তসকলে কৈছে যে—অভিশাপ দিয়া, মাৰপিট কৰা আৰু কটুবচন কোৱা ব্ৰাহ্মণো পূজনীয়। চৰিত্ৰ আৰু গুণহীন ব্ৰাহ্মণো পূজনীয়। শূদ্ৰ গুণী আৰু জ্ঞানী হ'লেও অপূজ্য। ১ ॥

শ্ৰীৰামে তাক নিজৰ ধৰ্মৰ কথা বুজাই ক'লে আৰু তেওঁৰ চৰণত প্ৰীতি দেখি তাক (কবন্ধক) ভাল পালে (সন্তুষ্ট হ'ল)। তাৰ পাছত ৰঘুপতি শ্ৰীৰাম-চৰণত নতমস্তক হৈ সেৱা জনাই, সি (কবন্ধ) নিজৰ ৰূপ লাভ কৰি (গন্ধৰ্ব ৰূপ ধাৰণ কৰি) আকাশ মাৰ্গেদি গতি কৰিলে। ২ ॥

কবন্ধক গতি দি উদাৰ ৰাম শবৰীৰ আশ্ৰমত প্ৰবেশ কৰিলে। শবৰীয়ে শ্ৰীৰামচন্দ্ৰক ঘৰলৈ অহা দেখি মুনিৰ বচন (মতংগ মুনিৰ বচন) সুঁৱৰি মনতে বৰ আনন্দ পালে। ৩ ॥

দীৰ্ঘবাহু, কমলনয়ন, মুকুট সদৃশ জটাধাৰী, বনমালাৰে শোভিত হৃদয়ৰ শ্যাম আৰু গৌৰবৰ্ণৰ ভ্ৰাতৃযুগলৰ চৰণত পৰি শবৰীয়ে সেৱা জনালে। ৪ ॥

তাই প্ৰেমমগ্ন হোৱাত মুখৰপৰা মাত নোলোৱা হ'ল। মাত্ৰ বাৰে বাৰে চৰণত ধৰি সেৱা জনালে। পাছত আদৰেৰে জল লৈ দুয়ো ভাইৰে চৰণ প্ৰক্ষালন কৰিলে আৰু সুন্দৰ আসনত বহুৱালে। ৫ ॥

দোঃ—কন্দ, মূল আৰু ৰসাল ফল [শবৰীয়ে] আনি ৰামক দিলে। প্ৰভুৱেও সেইবোৰ প্ৰশংসা কৰি কৰি বৰ সন্তোষেৰে খালে। ৩৪ ॥

চৌঃ—শবৰী ওচৰতে হাত যোৰ কৰি থিয় হৈ ৰ'ল। প্ৰভুক দেখি তাইৰ প্ৰেমভাব বহুত বাঢ়িল [আৰু ক'লে—] "মই কেনেকৈ আপোনালোকক স্তুতি কৰিম? মই অধম জাতিৰ আৰু অতি অজ্ঞানী। হে পাপ নাশক প্ৰভু! অধমতকৈয়ো অধম, অতি অধম নাৰী। মই সেই নাৰীৰ ভিতৰতো অতি জড়বুদ্ধিৰ।" ৰামে ক'লে—"হে ভামিনী! শুনা। মই কেৱল ভক্তিৰ সম্বন্ধটোহে স্বীকাৰ কৰোঁ। জাতি-পাতি, বংশ আৰু ধৰ্মৰ শ্ৰেষ্ঠতা, ধন, শাৰীৰিক বল, কুটুম্ব, গুণ আৰু চতুৰতা—এই সকলো হ'লেও ভক্তিহীন লোক বৰষুণ দিব নোৱাৰা জলহীন বাদলৰ দৰে অশোভনীয় হৈ পৰে। ১—৩ ॥

তোমাক নৱধা ভক্তিৰ কথা কৈছোঁ। মন দি শুনা আৰু গ্ৰহণ কৰা। ভক্তিৰ প্ৰথম বস্তু হৈছে সৎসংগ গ্ৰহণ। দ্বিতীয়তে মোৰ কথাত ৰতি। ৪ ॥

দোঃ—অভিমান ত্যাগ কৰি গুৰুপদসেৱা কৰাটো ভক্তিৰ তৃতীয় বস্তু আৰু চতুৰ্থ বস্তু হৈছে—কপট ত্যাগ এৰি মোৰ গুণ-কীৰ্ত্তন কৰা। ৩৫ ॥

চৌঃ—মোৰ নাম, মন্ত্ৰ, জপ আৰু দৃঢ় বিশ্বাস স্থাপন ভক্তিৰ পঞ্চম লক্ষণ, যিটো বেদতো কোৱা হৈছে। ষষ্ঠ লক্ষণ দম (ইন্দ্ৰিয় নিগ্ৰহ), শীল (সৎচৰিত্ৰ) অনেক কাৰ্যত বৈৰাগ্য আৰু সৎলোকৰ বাবে আৱশ্যকীয় আচৰণ (সদাচাৰ) পালন। ভক্তিৰ সপ্তম বিধৰ লক্ষণ এই যে সম্পূৰ্ণ জগতখনকে মই বুলি (হৰিময়) ভাবি সমভাৱ কৰিব লাগে আৰু সন্তসকলক মোতকৈয়ো শ্ৰেষ্ঠ জ্ঞান কৰিব লাগে। অষ্টম লক্ষণ হৈছে, যি পায় তাতে সন্তুষ্ট হোৱা আৰু সপোনতো পৰৰ দোষ নেদেখাটো। ভক্তিৰ নৱম লক্ষণটো হ'ল—অকপটভাৱে সকলোৰে প্ৰতি সৰল-সহজ ব্যৱহাৰ কৰাৰ লগতে মোৰ ওচৰত হৃদয়তে ভৰসা ৰাখি কোনো অৱস্থাতে আনন্দিত বা দুঃখী নোহোৱা। এই ন-টা লক্ষণযুক্ত ভক্তিৰ ভিতৰত এটা লক্ষণৰ ভক্তিও যদি কোনোবা স্ত্ৰী, পুৰুষ বা অচল-সচল যি কোনো প্ৰকাৰ জীৱৰ মনত হয়, তেনেহ'লে তেওঁ মোৰ অত্যন্ত প্ৰিয় হৈ পৰে। হে সুৰূপা! তোমাৰ মনততো এইসকলো প্ৰকাৰৰে ভক্তি দৃঢ়ভাৱে আছে। গতিকে যি গতি যোগীসকলৰ কাৰণেও দুৰ্লভ, সেই গতিও আজি তোমাৰ বাবে সুলভ হৈ পৰিছে। ১—৪ ॥

মোক দৰ্শন পোৱাৰ ফল অতুলনীয়। এই কাৰণেই যে—ইয়াৰপৰা জীৱই স্বৰূপ উপলব্ধি সহজেই কৰিব পাৰে। হে সুৰূপা! যদি তুমি গজ-গামিনী জানকীৰ কিবা খবৰ পোৱা তেনেহ'লে মোক এতিয়া কোৱা।" ৫ ॥

[শবৰীয়ে ক'লে—] "হে ৰঘুনাথ! আপুনি পংপা সৰোবৰলৈ যাওক। তাত সুগ্ৰীৱৰ লগত আপোনাৰ মিত্ৰতা হ'ব। তেৱেঁই আপোনাক সকলো কথা ক'ব। হে ধীৰ বুদ্ধিৰ পুৰুষ! আপুনি এই সকলো কথা জানিও সুধিছে।" ৬।

বাৰে বাৰে প্ৰভু-চৰণত শিৰ নোৱাই প্ৰেমভাৱেৰে শবৰীয়ে সকলো কথা শুনালে। ৭ ॥

ছন্দঃ—সকলো কথা কৈ ভগৱানৰ মুখ দৰ্শন কৰিবলৈ পাই হৃদয়ত তেওঁৰ চৰণ কমল ধ্যান কৰি [শবৰীয়ে] যোগাগ্নিত দেহ ত্যাগ কৰিলে আৰু যি স্থান লাভ কৰিলে পুনৰাগমন নহয়, সেই স্থান লাভ কৰি হৰিপদত শবৰী লীন হ'ল। তুলসীদাসে কৈছে—"হে মনুষ্যসকল! অনেক প্ৰকাৰৰ কৰ্ম,

অধৰ্ম আৰু বহু মত দুঃখৰ কাৰণে হৈ পৰে।" সেইখাবে এই সকলোকে ত্যাগ কৰি বিশ্বাস আৰু অনুৰাগ ৰামৰ চৰণত স্থাপন কৰা।

দোঃ—পাপৰ জন্ম-ভূমি যেন আৰু নীচ জাতিৰ সেই নাৰীকো যি প্ৰভুৱে মুক্তি দিলে, হেৰ দুৰ্বুদ্ধিমন! তই এনে প্ৰভুকো পাহৰি সুখ বিচাৰিছ? ৩৬॥

চৌঃ—ৰামচন্দ্ৰ সেই বন এৰি আন বনলৈ গ'ল। দুয়ো ভাই অতুলনীয় বলশালী পুৰুষ সিংহস্বৰূপ। প্ৰভু বাবে বিৰহী লোকৰ দৰে বিলাপ কৰি অনেক কথা ক'লে আৰু লক্ষ্মণৰ লগত এইদৰে আলোচনা কৰিলে। ১॥

"লক্ষ্মণ! বনৰ শোভা চোৱাচোন। এই শোভা দেখি কাৰ মনত ক্ষোভ নালাগিব? সকলো পশু-পক্ষী ইয়াত সস্ত্ৰীক কাৰণে সিইতে যেন মোক নিন্দা কৰিছে। ২॥

আমাক দেখি যেতিয়া [ভয়ত] হৰিণাবোৰ পলাইছে, তেতিয়া হৰিণীবোৰে সিইতক কৈছে—তোমালোকে ভয় নকৰিবা, তোমালোকে সাধাৰণ শ্ৰেণীৰ মৃগ জন্ম পাইছা, গতিকে তোমালোক আনন্দমনেৰে থাকা। এওঁলোকে সোণৰ হৰিণাহে বিচাৰি আহিছে। (তাত তোমালোকৰ ভয়ৰ কাৰণ নাই) হাতীয়েও লগত নিজৰ সংগিনী লৈ আহি যেন মোক শিক্ষা দিছে (পত্নীক কেতিয়াও অকলে এৰি থৈ যাব নালাগে এই ভাব)। শাস্ত্ৰ-সুচিন্তিত হ'লেও তাক আকৌ নানাভাৱে বিচাৰ কৰি চোৱা যুগুত আৰু ভালকৈ সেৱা কৰিলেও ৰজাক নিজৰ বশ বা অনুকূল বুলি ভবাটো অযুগুত। সেইদৰে যুৱতী, শাস্ত্ৰ আৰু নৃপতিকো সদায় নিজৰ অনুকূল বুলি ভাবিব নালাগে (এইবোৰ কাৰো বশত নাথাকে)। চোৱাচোন বসন্তৰ কেনে সৌন্দৰ্য। কিন্তু প্ৰিয়া-বিৰহত এই বসন্ত মোৰ বাবে ভয়ানক হৈ পৰিছে। ৩—৫॥

দোঃ—মোক বিৰহ-ব্যাকুল, দুৰ্বল আৰু অকলশৰীয়া বুলি ভাবি কামদেৱে বনৰ শোভা, ভোমোৰা আৰু পক্ষীসমূহ লগত লৈ মোৰ ওপৰত আক্ৰমণ কৰিবলৈ আহিল; কিন্তু দূতৰ মুখত মই ভাইৰ লগত আছো বুলি জানিবলৈ পাই (ভাই লক্ষ্মণো বিৰহী নহয়ো বিৰহী বাবে এজন আনজনৰ সহায়ক) যেন সৈন্যবোৰক আগ বাঢ়িবলৈ দিদি শিবিৰ পাতি থাকিবলৈ আদেশ দিলে। ৩৭॥

চৌঃ—বিশাল বৃক্ষসমূহত জোটা বান্ধি ওলমি থকা লতাবোৰ দেখি এনে ভাব হয় যেন নানা প্ৰকাৰৰ তম্বু তৰা হৈছে। কল আৰু তাল গছৰ পাতবোৰ সুন্দৰ ধ্বজা-পতাকা যেন লাগে। এইবোৰ দেখি ধীৰ পুৰুষহে মন বুজ বোধতে বাকিব পাৰে। ১॥

গছত নানা প্ৰকাৰৰ ফুল ফুলিছে। সেইবোৰ যেন নানা প্ৰকাৰৰ বৰ্দী (ইউনিফৰ্ম) পিন্ধি থকা ধনুৰ্বাণধাৰী সৈনিকহে। কোনো কোনো ঠাইত ডাঙৰ ডাঙৰ গছৰ শোভা এনে যেন দেখা গৈছে যেন সেইবোৰৰ যুঁজাৰু-সকলৰ পৃথক্ পৃথক্ শিবিৰহে। ২ ॥

কুলিৰ মিঠা মাত এই ৰণসজ্জাৰ হাতীৰ মাত যেন লাগে। ঢেঁক, মহোখ ঢেক—এবিধ বগলী জাতীয় ডাঙৰ চৰাই, মহোখ ডাঙৰ মাতৰ এবিধ চৰাই) আদি চৰাইবোৰ উঁট-খচ্চৰ যেন লাগে আৰু ময়ুৰ, চকোৰ, ভাটৌ, পাৰ, হাঁহ আদি পক্ষীসমূহ সুন্দৰ তেজী ঘোঁৰা (আৰবী জাতৰ) যেন ভাব হয়। ৩ ॥

তীতৰ (এবিধ যুঁজাৰু চৰাই) আৰু বটেৰ (জুম বান্ধি ফুৰা এবিধ সৰু চৰাই, ইহঁতে জুমবান্ধি ধান আদি শস্য একে কোবে বহুত খায়, বটা চৰাই?) পদাতি সৈন্যৰ জুমৰ দৰে। কামদেৱৰ সেনাদল বৰ্ণনাৰ অতীত। ইয়াত পৰ্বতৰ শিলাসমূহেই ৰথ আৰু নিজৰাবোৰেই যেন ৰণবাদ্য নেগেৰা। পানীপিয়া চৰায়েও যুঁজাৰু বীৰসকলৰ জয় গান কৰে। ৪ ॥

ভোমোৰাৰ গুণগুণনি ভেৰী আৰু শিঙাৰ দৰে [উত্তেজক] শীতল, মন্দ আৰু সুগন্ধ বায়ু দূতৰ দৰে সংবাদ বাহক হৈ আছে। এইদৰে চতুৰংগিণী সেনা লগত লৈ কামদেৱে সকলোকে প্ৰত্যাহ্বান জনাই ফুৰিছে। ৫ ॥

লক্ষ্মণ! কামদেৱৰ এই সেনাদল দেখিও যি স্থিৰ হৈ থাকিব পাৰে, জগতত তেওঁৱেই বীৰসমূহৰ মাজত শ্ৰেষ্ঠ বুলি প্ৰতিষ্ঠিত হয়। এই কামদেৱৰ এজনী পত্নীৰে বল অতি বেছি। সেই কামপত্নীৰ ওচৰত যি অপৰাজেয় হৈ থাকে, তেওঁৱেই শ্ৰেষ্ঠ যোদ্ধা। ৬ ॥

দোঃ—লক্ষ্মণ। কাম, ক্ৰোধ আৰু লোভ—এই তিনিওটা অতি অনিষ্টকৰ বস্তু। ইহঁতে স্বল্পদৰ্শী জ্ঞানী (বিজ্ঞানী) মুনিসকলকো নিমিষতে অস্থিৰ কৰি তুলিব পাৰে। লোভৰ বল ইচ্ছা আৰু দম্ভত আছে। কামৰ বল কেৱল নাৰীত আৰু ক্ৰোধৰ বল কঠোৰ বচনত আছে বুলি শ্ৰেষ্ঠ মুনিসকলে বিচাৰ কৰি কৈছে।" ৩৮ ॥

চৌঃ—শিৱই কৈছে—"হে পাৰ্বতী! শ্ৰীৰামচন্দ্ৰ স্বয়ং গুণাতীত, চৰাচৰ জগতৰ স্বামী আৰু অন্তৰ্যামী। তেওঁ [এইদৰে কৈ] কামী পুৰুষৰ দুৰ্বলতা দেখুৱাইছে আৰু ধীৰ বিবেকশীল লোকৰ মনৰ বৈৰাগ্য ভাৱ দৃঢ় কৰিছে। ১ ॥

কাম, ক্ৰোধ, লোভ, মদ আৰু মায়া—এই সকলো প্ৰভু শ্ৰীৰামৰ দয়া হ'লে

দূৰ হয়। সেই অভিনেতা (সংসাৰ-নাটকৰ অভিনয়ৰ পৰিচালক লীলাময় ভগৱান) যাৰ প্ৰতি প্ৰসন্ন হয়, সেইজন ইন্দ্ৰজালত (মায়াত) ভোল নাযায়। ২ ॥

হে উমা! মই তোমাক নিজৰ অভিজ্ঞতাৰ কথা কৈছোঁ—হৰিৰ ভজনেহে সত্য বস্তু। এই সম্পূৰ্ণ জগতেই সপোন যেন মিছা। পাছত প্ৰভু শ্ৰীৰাম পম্পা নামৰ সুন্দৰ আৰু গভীৰ সৰোবৰৰ তীৰত উপস্থিত হ'লগৈ।" ৩ ॥

[এই সৰোবৰৰ] পানী সন্তসকলৰ হৃদয়ৰ দৰে নিৰ্মল। মনোৰম চাৰিটা ঘাট বন্ধোৱা আছে। নানা তৰহৰ পশুৱে ইফালে-সিফালে হ'লে ত'লে পানী খাইছে, যেন উদাৰ মনৰ দানীলোকৰ ঘৰত দান বিচাৰোঁতাসকলৰহে ভিৰ হৈছে। ৪ ॥

দোঃ—ঘন পদুমপাতৰ আঁৰত থকা পানী সহজে [সৰোবৰত] দেখা নাযায়, যেন মায়াই ঢাকি থোৱা বাবে দেখিবলৈ নোপোৱা নিৰ্গুণ ব্ৰহ্মহে। ধাৰ্মিক পুৰুষৰ দিনবোৰ সদায় সুখত পাৰ হোৱাৰ দৰে, এই সৰোবৰৰ মাছবোৰো গভীৰ জলত সদায় সমান সুখেৰে আছে। ৩৯ ॥

চৌঃ—নানা ৰঙৰ পদুম ফুলিছে। অনেক ভোমোৰাই মধুৰ গুঞ্জনেৰে তাক মুখৰিত কৰিছে। জলকুক্কুট, ৰাজহংস আদি জলপক্ষীসমূহে মাতিছে। সিহঁতে যেন প্ৰভুক দেখি তেওঁৰহে প্ৰশংসা কৰিছে। ১ ॥

চক্ৰবাক, বক আদি অন্যান্য জাতিৰ পক্ষীও বহুত। সেইবোৰৰ বৰ্ণনা সম্ভৱ নহয়। ধুনীয়া ধুনীয়া চৰাইৰ মাতবোৰ মিঠা লগা। সিহঁতে যেন বাটেৰি যোৱা মানুহক মাতি ওচৰ চপাই নিয়ে। ২ ॥

সৰোবৰৰ কাষে পাজৰে মুনিসকলৰ আশ্ৰমো আছে। তাৰ চাৰিও দিশে উপবন আৰু ডাঙৰ গছবোৰে শোভা বঢ়াইছে। চম্পা, বকুল, কদম, তমাল, পাটল, কঠাল, পলাশ আৰু আম আদি নানা বিধৰ গছ নতুন নতুন পাত, ফুল আৰু সুগন্ধ যুক্ত হৈ পৰিছে। শাৰী শাৰী ভোমোৰাই তাত গুঞ্জন তুলিছে। স্বভাৱ শীতল, মৃদু, সুগন্ধিত আৰু মনোমুগ্ধকৰ বতাহ তাত সদায় বলি আছে। কুলিয়ে কুউ কুউ শব্দ কৰিছে। সিহঁতৰ সেই মধুময় শব্দ শুনি মুনিসকলো মনৰ স্থিৰতা হেৰায়। ৩।৪।৫ ॥

দোঃ—ফলৰ ভৰত গছৰ ডাল হাউলি মাটিত লাগো লাগো হৈছে, যেন পৰোপকাৰী পুৰুষহে বহুত সম্পত্তি পাই নম্ৰ হৈ পৰিছে। ৪০ ॥

চৌঃ—অত্যন্ত সুন্দৰ জলাশয় পাই ৰামে তাত স্নান কৰিলে আৰু বৰ সুখ

অনুসৰণ কৰিলে। তাৰ পাছত ডাঙৰ গছৰ সুন্দৰ ছাঁ দেখি তেওঁ লক্ষ্মণেৰে সৈতে তাতে বহিলে। ১ ॥

তাৰ পিছত সকলো দেৱতা আৰু মুনি আহি স্তুতি কৰি নিজ নিজ স্থানলৈ ঘূৰি গ'ল। কৃপালু ৰামে প্ৰসন্ন মনেৰে বহি বসন্ত প্ৰকৃতিৰ বিষয়ে অনেক কথা পাতিলে। ২ ॥

ভগবান ৰামক বিৰহপীড়িত দেখি নাৰদ মুনিয়ে মনতে ভাবি চালে—"মই দিয়া অভিশাপ স্বীকাৰ কৰি শ্ৰীৰামে নানা প্ৰকাৰৰ কষ্টৰ ভাৰ সহিছে। এনে ভক্তবৎসল প্ৰভুক দৰ্শন কৰি আহোঁগৈ। আকৌ এই সুযোগ পোৱা নাযাব।" এইদৰে চিন্তা কৰি হাতত বীণা লৈ প্ৰভু সুখেৰে বহি থকা ঠাইত নাৰদ উপস্থিত হ'ল গৈ। ৩।৪ ॥

তেওঁ কোমল সুৰেৰে সপ্ৰেমভাৱেৰে বহু প্ৰকাৰে প্ৰশংসা কৰি ৰামৰ গুণ-চৰিত গাই আহিছিল। দণ্ডৱৎ হোৱা দেখি প্ৰভুৱে তেওঁক তুলি ধৰি বহুত সময়লৈকে বুকুত সাবটি লৈ থাকিল। তাৰ পাছত স্বাগত সমাচাৰ সুধি ওচৰত বহুৱাই ল'লে আৰু লক্ষ্মণে আদৰ কৰি চৰণ ধুৱাই দিলে। ৬ ॥

দোঃ—প্ৰভুক প্ৰসন্ন বুলি জানি অনেক প্ৰকাৰৰ বিনয় প্ৰদৰ্শন কৰি পদুম ফুলৰ দৰে হাত দুখন যোৰ কৰি তুলি নাৰদ মুনিয়ে ক'লে। ৪১ ॥

চৌঃ—"স্বভাৱতেই উদাৰ হে ৰঘুনাথ! আপুনি সুন্দৰ, অগম আৰু সুগম সকলো প্ৰকাৰৰে বৰদান কৰোঁতা। হে স্বামী! মই এটা বৰ বিচাৰিছোঁ। অন্তৰ্যামী বাবে আপুনি সকলো জানে যদিও কৈছোঁ [আপুনি মোক এই বৰ দিব নে?]।" ১ ॥

[শ্ৰীৰামে কলে—] "হে মুনি! আপুনি মোৰ স্বভাৱ জানেই। মই জানো ভক্তৰ ওচৰত কিবা লুকুৱাই থওঁ? হে মুনিশ্ৰেষ্ঠ! মই ভালপোৱা তেনে কি বস্তু আছে যিটো বস্তু বিচাৰিব নোৱাৰে? ২ ॥

ভক্তৰ কাৰণে মোৰ অদেয় একো নাই। এই বিশ্বাস তুলতো নেৰিব।" [ৰামৰ এই কথা শুনি] তেতিয়া নাৰদে হৰ্ষিত হৈ ক'লে—"মই ধৃষ্টতা কৰি এনে বৰ বিচাৰিছোঁ। ৩ ॥

যদিও প্ৰভুৰ অনেক নাম আছে আৰু সেইবোৰৰ এটাতকৈ আনটো চৰা। তথাপি হে প্ৰভু! ৰাম নাম সকলো নামতকৈ শ্ৰেষ্ঠ হওক আৰু পাপৰূপী পক্ষীসমূহৰ কাৰণে বধিক (নাশক) হওক। ৪ ॥

দোঃ—আপোনাৰ ভক্তি পূৰ্ণিমাৰ ৰাতি। ৰাম নামেই পূৰ্ণচন্দ্ৰ আৰু অন্য

নামসমূহ তৰাসমূহৰ দৰে ভক্ত-হৃদয়ৰ নিৰ্মল আকাশত প্ৰকাশ পাওক। কৃপাৰ সাগৰ ৰঘুনাথে সেয়ে হওক বুলি ক'লে। তেতিয়া নাৰদে অতি হৰ্ষ মনেৰে প্ৰভুৰ চৰণত মূৰ দোৱাঁলে। ৪২ ॥

চৌঃ—ৰঘুনাথ অত্যন্ত প্ৰসন্ন বুলি জানি নাৰদে নম্ৰভাৱে সুধিলে—"হে প্ৰভু ৰাম! শুনক! যেতিয়া আপুনি মোক নিজৰ মায়াৰ শক্তিৰে প্ৰেৰিত কৰি মোহগ্ৰস্ত কৰি তুলিছিল, তেতিয়া মই বিবাহ কৰিবলৈ ইচ্ছুক হৈ পৰিছিলোঁ, কিন্তু প্ৰভুৱে কিয় বিবাহ কৰিবলৈ নিদিলে?" [শ্ৰীৰামচন্দ্ৰই ক'লে—] "মুনি শুনক। মই প্ৰসন্ন মনেৰে কৈছোঁ। যি অন্যান্য সকলো ভৰসা এৰি মোকহে ভজে, ১।২ ॥

মাকে বালকক ৰক্ষা কৰাৰ দৰে মই তেওঁক ৰক্ষা কৰোঁ। সৰু শিশুৱে যেতিয়া সাপ বা জুই ধৰিবলৈ খেদা মাৰি যায়, তেতিয়া মাকে তাক আঁতৰাই আনি ৰক্ষা কৰে। ৩ ॥

জনা-বুজা হোৱাৰ পাছত সেই সন্তানৰ প্ৰতি মাকৰ মৰম থাকে; কিন্তু বাকী চিন্তা (বিপদৰপৰা ৰক্ষা কৰা) নোহোৱা হয়। [জ্ঞান হোৱাৰ লগে লগে সন্তান-সকল আত্মনিৰ্ভৰশীল হ'বলৈ ধৰে) জ্ঞানীসকল মোৰ প্ৰাপ্তবয়স্ক সন্তানৰ নিচিনা; কিন্তু আপোনাৰ দৰে অভিমানশূন্য সেৱক-ভক্ত শিশু সন্তানৰ নিচিনা মৰমৰ। (সেইবাবে জ্ঞানীসকল ৰক্ষাৰ ভাৰ ভগৱানে নলয়; কিন্তু জ্ঞানাভিমানহীন সেৱকৰ ৰক্ষাৰ দায়িত্ব ভগৱানৰ হাতত থাকে)

সেৱকসকলে মোৰ বলকেহে নিজৰো বল বুলি ভাবে; কিন্তু জ্ঞানীসকলৰ নিজৰ বল আছে। কাম-ক্ৰোধ আদি ৰিপু সকলোৰে কাৰণে আছে। সেই দেখি [জ্ঞানাভিমানীৰ শত্ৰুনাশৰ দায়িত্ব ভগৱানৰ ওপৰত নাই, অভিমান-ৰহিত সেৱক ভক্তৰ শত্ৰুনাশৰ দায়িত্বহে ভগৱানৰ ওপৰত থাকে] বুদ্ধিমান ভক্তই মোকহে ভজে। তেওঁলোকে জ্ঞান পালেও ভক্তি ত্যাগ নকৰে। ৫ ॥

দোঃ—কাম, ক্ৰোধ, লোভ, মদ প্ৰভৃতি মোহৰ (অজ্ঞান অৱস্থাৰ) প্ৰবল সেনা স্বৰূপ। সেইবিলাকৰ ভিতৰত সাক্ষাৎ মায়াৰূপিণী নাৰী অত্যন্ত দুঃখৰ কাৰণ হৈ পৰে। ৪৩ ॥

চৌঃ—হে মুনি শুনক। বেদ, পুৰাণ আদি শাস্ত্ৰ আৰু সন্তসকলে কয়—নাৰী মোহৰূপী বনৰ বসন্ত ঋতুৰ দৰে (বসন্তই বনৰ শক্তি বিকশিত কৰাৰ দৰে নাৰী-য়েও মোহক শক্তিশালী কৰে)। আকৌ ৰ'দৰ তাপে গ্ৰীষ্মকালত জলাশয়ৰ পানী শুহি লোৱাৰ দৰে নাৰীয়েও জপ, তপ, নিয়ম আদিৰ বল নোহোৱা কৰে। ১ ॥

কাম, ক্ৰোধ, মদ আৰু মৎসৰ পাপী তেওঁলোকৰ নিচিনা। একমাত্ৰ নাৰীয়েই ইহঁতক ধৰ্ষা ঋতু হৈ আনন্দ দিয়ে।১ দুৰ্বাসনাৰ কুমুদবোৰো (ভেঁট ফুল) ফুলাই তোলা শৰৎকাল এই নাৰীয়েই। ২॥

ধৰ্মৰ কমলসমূহো এই মন্দসুখ দিয়া (বিষয়সুখ দিয়া) নাৰীয়ে হেমন্ত ঋতু হৈ শুকুৱাই পেলায়। তাৰ পাছত শীত কালত কাঁইটীয়া যৱাসক বন বৃদ্ধি পোৱাৰ দৰে নাৰীয়েও মোহ-মমতা বঢ়াই তোলে। ৩॥

কেঁচাৰ বাবে আনন্দদায়ক ঘোৰ অন্ধকাৰপূৰ্ণ ৰাত্ৰিৰ দৰে এই স্ত্ৰী পাপৰ বাবেও আনন্দদায়ক। বুদ্ধি, বল, শীল আৰু সত্যৰূপী মাছৰ কাৰণেও এই নাৰী বৰশীৰ নিচিনা বুলি জ্ঞানী লোকে কয়। ৪।

দোঃ—হে মুনি! সুন্দৰী যুৱতী অনিষ্টৰ মূল, পীড়াদায়ক আৰু দুঃখৰ আকৰ। ইয়াকে বুজি বাজি মই বাধা দিলোঁ।" ৪৪॥

চৌঃ—ৰঘুপতিৰ শোভনীয় এই কথা শুনি মুনিৰ শৰীৰ [শ্ৰদ্ধা আৰু ভক্তি ভাৱত] পুলকিত হ'ল আৰু চকু আনন্দৰ অশ্ৰুৰে ভৰি পৰিল। [মনতে ভাবিলে—] সেৱকৰ প্ৰতি মমতা আৰু প্ৰেমভাৱৰ এনে ৰীতি কোন প্ৰভুৰ আছে? ১॥

যি এই হেন প্ৰভুকো ভ্ৰম ত্যাগ কৰি নভজে, সি জ্ঞানহীন, মন্দবুদ্ধি আৰু দুৰ্ভগীয়া। তাৰ পাছত নাৰদে ক'লে—"হে বিজ্ঞান-বিশাৰদ প্ৰভু ৰাম! শুনক। ২॥

ভৱ-ভয় ভঞ্জনকাৰী নাথ! হে ৰঘুবীৰ! আপুনি সন্তসকলৰ লক্ষণৰ কথা কওক।" [তেতিয়া ৰামে ক'লে—] "হে মুনি! শুনক। মই সন্তসকলৰ গুণ-বৰ্ণনা কৰিছোঁ; যিবোৰ গুণৰ কাৰণে মই তেওঁলোকৰ বশ হৈ থাকোঁ। ৩॥

ছয় ৰিপুক জয় কৰা, নিষ্পাপ, কামনাহীন, স্থিৰ বুদ্ধি, অকিঞ্চন (সৰ্বস্ব-ত্যাগী), বাহিৰে ভিতৰে পবিত্ৰ, সন্তোষী, অত্যন্ত জ্ঞানী, ইচ্ছাৰহিত, মিতাহাৰী, সত্যনিষ্ঠ, তত্ত্বদৰ্শী বিভাৱন্ত, যোগী, সাৱধান, আনক সন্মান দিওঁতা, নিৰভি-মানী, ধীৰস্বভাৱৰ, ধৰ্মাচৰণত নিপুণ, [দোহা :—] গুণধাম সন্তসকল সংসাৰৰ ক্লেশহীন আৰু সন্দেহৰহিত হয়। মোৰ চৰণকমল এৰি তেওঁলোকে নিজৰ ঘৰ আৰু নিজৰ শৰীৰো প্ৰিয় বুলি নাভাবে। চৌঃ ৪। দোঃ ৪৫॥

চৌঃ—তেওঁলোকে নিজৰ গুণ কাণেৰে শুনিবলৈ সংকোচ কৰে। পৰৰ গুণ শুনি অধিক আনন্দ পায়। সুখ-দুখ সকলোতে সমভাৱযুক্ত, শান্ত, নীতি ত্যাগ নকৰা আৰু সৰল স্বভাৱৰ সন্তসকলে সকলোকে ভাল পায়। ১॥

তেওঁলোকে জপ, তপ, ব্ৰত, দম, সংযম, নিয়ম আদিত ৰত হৈ থাকে। গুৰু, গোবিন্দ আৰু ব্ৰাহ্মণৰ চৰণত সপ্ৰেম ভক্তি ৰাখে। শ্ৰদ্ধা, ক্ষমা, মৈত্ৰী, দয়া আৰু প্ৰসন্নতা আদি গুণ তথা মোৰ প্ৰতি অমায়া (সহজ, সৰল, নিষ্কপট) ভক্তি সন্তসকলৰ আছে। ২ ॥

তেওঁলোক বৈৰাগ্য, বিনয়, বিবেক, বিজ্ঞান (পৰমাৰ্থজ্ঞান) আৰু বেদ, পুৰাণ আদি শাস্ত্ৰৰ যথাৰ্থ বোধৰ অধিকাৰী হৈ থাকে। তেওঁলোকে দম্ভ, অভিমান আৰু নিজৰ ক্ষমতাৰ ওপৰত অহংকাৰ কেতিয়াও নকৰে। ভুলতো কুমাৰ্গত এই সন্তসকলে ভৰি নিদিয়ে। ৩ ॥

সন্ত-সাধুসকলে সদায় মোৰ লীলাসমূহৰ গান কৰে আৰু শুনে। কোনো স্বাৰ্থৰ হেতু নথকাকৈয়ে সদায় পৰহিতত লিপ্ত হৈ থাকে। হে মুনি! শুনক। সাধুসকলৰ যিমানবোৰ গুণ, সিমানবোৰ গুণৰ বৰ্ণনা সৰস্বতী আৰু বেদেও কৰিব নোৱাৰে। ৪ ॥

ছন্দঃ—শেষনাগ (অনন্তনাগ) আৰু শাৰদায়ে সন্তসকলৰ গুণ গাই অন্ত কৰিব নোৱাৰে—এই কথা কোৱা শুনা মাত্ৰেই নাৰদে শ্ৰীৰামৰ চৰণকমলত ধৰি সেৱা জনালে। দীনজনৰ উপকাৰী, কৃপালু ভগৱানে এই দৰে নিজ ভক্তৰ গুণগান নিজ মুখেৰেই কৰিলে। ভগৱানৰ চৰণত বাৰে বাৰে মূৰ দোৱাই নাৰদ ব্ৰহ্মলোকলৈ গ'ল। তুলসী দাসে কয়—সেইজন পুৰুষ ধন্য, যিজনে সকলো আশা ত্যাগ কৰি মাত্ৰ হৰিৰ চৰণ সেৱাত অনুৰক্ত হৈছে (হৰিসেৱাত মগ্ন হৈছে)।

দোঃ—যিজনে ৰাৱণাৰি ৰামৰ পৱিত্ৰ যশৰ গান কৰে আৰু শুনে, তেওঁ জপ, যোগ আৰু বৈৰাগ্যৰ সাধনা নকৰাকৈয়ে ৰামৰ ভক্তিত দৃঢ় হ'ব পাৰে। ৪৬। ক ॥

যুৱতী নাৰীৰ শৰীৰ চাকিৰ জুইৰ দৰে। হে মন! তই সেই জুইৰ বাবে পতংগ নহ'বি। কাম আৰু মদ ত্যাগ কৰি শ্ৰীৰামৰ চৰণত ভক্তি কৰ আৰু সৎসংগ গ্ৰহণ কৰ। ৪৬। খ ॥

শ্ৰীৰামচৰিত মানস

কিষ্কিন্ধাকাণ্ড

শ্লোঃ—কুন্দ আৰু নীলপদ্মৰ দৰে (শ্বেত আৰু শ্যাম বৰ্ণ) সুন্দৰ, অতি বলৱান, বিজ্ঞানধাম, শোভাসম্পন্ন, শ্ৰেষ্ঠ ধনুৰ্ধৰ, বেদে যাৰ বন্দনা কৰে, গো-ব্ৰাহ্মণৰ হিতকাৰী, মায়ামানৱৰূপধাৰী; শুদ্ধ ধৰ্মৰ ৰক্ষক, সৰ্বজনহিতকৰ, সীতাৰ অন্বেষণৰত পথিক ৰঘুকুল শ্ৰেষ্ঠ সেই [শ্ৰীৰাম আৰু লক্ষ্মণ] দুয়োজনেই আমাক ভক্তিদান কৰক। ১ ॥

বেদৰূপী সমুদ্ৰ মন্থনত উৎপন্ন হোৱা, কলিকালৰ সৰ্বদোষ নাশক, অক্ষয়, মহাদেৱ শিৱৰ শ্ৰেষ্ঠ আৰু সুন্দৰ মুখচন্দ্ৰত সদায় শোভা পাই থকা জন্ম-মৃত্যু আদি সংসাৰ-ৰোগৰ ঔষধ, সকলোৰে সুখদায়ক, জানকী-জীৱন শ্ৰীৰামৰ নাম-অমৃত সদায় যিসকলে পান কৰি থাকে, সেই পুণ্যাত্মাসকল ধন্য। ২ ॥

সোঃ—য'ত, শিৱ-পাৰ্বতী বাস কৰে, সেই কাশীক মুক্তিৰ জন্মভূমি, জ্ঞানৰ খনি আৰু পাপনাশক বুলি জানি কিয় তাৰ আশ্ৰয় লোৱা নাযায়?

দেৱতাসকলক যি বিষৰ জালে দগ্ধ কৰিছিল, সেই বিষম বিষ যিজনে পান কৰিলে, হেৰ' মূঢ় মন। তই সেই মহাদেৱ শংকৰক কিয় নভজ? তেওঁৰ নিচিনা কৃপালু আৰু কোন আছে?

চৌঃ—ৰঘুনাথ ৰাম আৰু আগবাঢ়িল। ঋষ্যমূক পৰ্বত ওচৰ চাপি আহিল। তাত মন্ত্ৰীসকলেৰে সৈতে সুগ্ৰীৱ আছিল। অতুলনীয় বলৰ সীমাস্বৰূপ ৰাম-লক্ষ্মণক অহা দেখি ভয় পাই তেওঁ হনুমানক ক'লে—"দুয়োজন পুৰুষ বলৱান আৰু ৰূপৱান। তুমি ব্ৰহ্মচাৰীৰ ৰূপ ধাৰণ কৰি তেওঁলোকৰ ওচৰলৈ গৈ প্ৰকৃত কথা বুজি মোক সংকেতেৰে বুজাই দিবাহি। ১।২ ॥

যদি দুষ্টবুদ্ধি বালীয়ে তেওঁলোকক পঠিয়াইছে, তেনেহ'লে শীঘ্ৰেই এই পৰ্বত

ধৰি শুচি যাও।” [এই কথা শুনি] হনুমান ব্ৰাহ্মণ ৰূপ ধৰি তাতৈ গ’ল আৰু শিৰ দোৱাঁই এইদৰে তেওঁ সুধিলে—“শ্যাম আৰু গৌৰবৰ্ণ শৰীৰৰ ক্ষত্ৰিয় ৰূপত অৰণ্য বিচৰণকাৰী আপোনালোক কোন বীৰ? হে প্ৰভুসকল! এই কঠোৰ ভূমিত কোমল চৰণেৰে অৰণ্যৰ মাজত কিয় ঘূৰি ফুৰিছে? ৩।৪ ॥

কোমল, সুন্দৰ আৰু মনোহৰ শৰীৰেৰে আপোনালোকে অৰণ্যৰ অসহনীয় ৰ’দ-বতাহ সহিছে। কি আপোনালোক ব্ৰহ্মা, বিষ্ণু, শিৱ—এই তিনিৰে ভিতৰৰ কোনোবা দুজন অথবা নৰ-নাৰায়ণ? ৫ ॥

দোঃ—নাইবা, আপুনি জগতৰ মূল কাৰণ, অখিল বিশ্বৰ অধিকাৰী, সংসাৰ সাগৰৰপৰা জীৱক উদ্ধাৰ কৰোঁতা। পৃথিৱীৰ ভাৰ হৰণৰ কাৰণেহে মনুষ্য ৰূপত অৱতীৰ্ণ হৈছে?” ১ ॥

চৌঃ—[শ্ৰীৰামচন্দ্ৰই ক’লে—] “আমি কোশলৰাজ দশৰথৰ পুত্ৰ। পিতৃ বাক্য পালন কৰিবৰ কাৰণে বনলৈ আহিলোঁ। আমি দুয়োজন ভাইৰ নাম ৰাম আৰু লক্ষ্মণ। আমাৰ লগত সুকুমাৰী নাৰীও আছিল। ১ ॥

ইয়াত (বনত) ৰাক্ষসে [মোৰ পত্নী] বৈদেহীক হৰি নিলে। হে বিপ্ৰ, আমি তেওঁকে বিচাৰি ফুৰিছোঁ। এয়া আমাৰ নিজৰ কথা কলোঁ, এতিয়া আপুনি নিজৰ পৰিচয় দিয়কচোন।” ২ ॥

প্ৰভুক চিনি পাই চৰণত ধৰি হনুমানে যি আনন্দ উপলব্ধি কৰিলে তাৰ বৰ্ণনা কৰিব নোৱাৰি। [শিৱই পাৰ্বতীক কৈছে] “হেৰা পাৰ্বতী! তেওঁৰ শৰীৰ পুলকিত হৈ পৰিল; মুখৰপৰা কথা নোলোৱা হ’ল। তেওঁ ৰামৰ সুন্দৰ ৰূপ চাই থাকিল। ৩ ॥

তেওঁ নিজৰ প্ৰভুক চিনি পাই হৃদয়ত আনন্দ উপলব্ধি কৰিলে আৰু পুনৰ ধৈৰ্য ধৰি স্তুতি কৰিবলৈ ধৰিলে।” [হনুমানে ক’লে—] “হে স্বামী! আপোনাৰ পৰিচয় সোধাটো মোৰ বাবে প্ৰয়োজন আৰু উচিত; কিন্তু আপুনি মানুহৰ দৰে কিয় সুধিছে? ৪ ॥

মই আপোনাৰ মায়াৰ বশ হৈ সত্যৰ স্বৰূপ উপলব্ধি নকৰি ভ্ৰমি ফুৰিছোঁ, সেইবাবেই প্ৰভুক চিনিব নোৱাৰিলোঁ। ৫ ॥

দোঃ—প্ৰথম কথা হ’ল মই মন্দবুদ্ধি, তাতে আকৌ মোহগ্ৰস্ত, হৃদয় কুটিল আৰু জ্ঞানহীন। তদুপৰি হে প্ৰভু, দীনবন্ধু, ভগৱান! আপুনি মোক পাহৰাই দিছে। ২ ॥

চৌঃ—হে নাথ! যদিও মোৰ অনেক দোষ আছে। তথাপি এই সেৱকে

প্ৰভুক যেন নাপাইছে। হে প্ৰভু! তোমাৰ মায়াত মোহগ্ৰস্ত জীৱই তোমাৰ কৃপাতহে নিস্তাৰ পায়। ১ ॥

তদুপৰি মই আপোনাৰ নামত শপত খাই কৈছোঁ যে মই কোনো প্ৰকাৰৰে আপোনাক ভক্তি কৰাৰ উপায় নাজানো। তথাপি সেৱক স্বামীৰ আশ্ৰয়ত আৰু সন্তান মাতৃৰ আশ্ৰয়ত নিশ্চিন্ত হৈ থাকে। প্ৰভুৱে সেৱকক পালন-পোষণ কৰেই।" ২ ॥

এইবুলি কৈ হনুমানে নিজৰ প্ৰকৃত ৰূপ প্ৰকাশ কৰি আকুলভাৱে প্ৰভুৰ চৰণত ধৰিলে। তেওঁৰ হৃদয় প্ৰেমত মগ্ন হ'ল। তেতিয়া প্ৰভু ৰঘুপতিয়েও হনুমানক তুলি ধৰি বুকুত সাৱটি ল'লে আৰু নিজৰ অশ্ৰুজলেৰে তেওঁক শান্ত কৰিলে। ৩ ॥

[শ্ৰীৰামে ক'লে—] "হে কপি! শুনা। মনলৈ গ্লানি ভাব নানিবা। তুমি মোৰ কাৰণে লক্ষ্মণতকৈয়ো দুগুণে প্ৰিয়। সকলোৱে মোক সমদৰ্শী বুলি কয়; কিন্তু মোত বাদে আন কাৰো আশ্ৰয় নিবিচৰা অনন্যগতি ভক্তসকলক মই বেছি ভাল পাওঁ।" ৪ ॥

দোঃ—হনুমান! তেৱেঁই অনন্য ভক্ত, যি কেতিয়াও নিজক সেৱক আৰু এই চৰাচৰ জগৎখনক মোৰ স্বামী ভগৱানৰ ৰূপ বুলি ভবাৰপৰা বিচলিত নহয়। ৩ ॥

চৌঃ—স্বামীক প্ৰসন্ন হোৱা দেখি হনুমান হৰ্ষিত হ'ল। তেওঁৰ মনত শংকা নাথাকিল। [ক'লে—] "হে নাথ! এই পৰ্বতত বানৰৰাজ সুগ্ৰীৱ আছে, তেওঁ আপোনাৰ দাস। তেওঁৰ লগত আপুনি মিত্ৰতা স্থাপন কৰক আৰু দীন বুলি জানি অভয়দান কৰক। তেওঁ সীতাক বিচাৰিবলৈ য'লৈকে ত'লৈকে কোটি কোটি বান্দৰ পঠিয়াব।" ১।২ ॥

এইদৰে সকলো কথা ভাঙি-পাতি বুজাই হনুমানে দুয়োজনকে পিঠিত তুলি ল'লে। যেতিয়া সুগ্ৰীৱে ৰামক দেখা পালে, তেতিয়া তেওঁ নিজৰ জীৱনকে অতিশয় ধন্য বুলি জ্ঞান কৰিলে। ৩ ॥

সুগ্ৰীৱে চৰণত শিৰ দোৱাই, সমাদৰ জনাই ভ্ৰাতৃসহ শ্ৰীৰামচন্দ্ৰৰ ওচৰ চাপিল। কিন্তু তেওঁৰ মনত এইবুলি চিন্তা হ'ল যে—"হে বিধাতা! এওঁলোকে মোৰ প্ৰতি প্ৰীতিভাৱ ল'বনে?" ৪ ॥

দোঃ—তেতিয়া হনুমন্তই উভয় পক্ষৰে সকলো কথা শুনাই অগ্নিক সাক্ষী কৰি প্ৰীতিভাৱ দৃঢ় কৰিলে। ৪ ॥

চৌঃ—দুয়োজনৰে প্ৰীতিভাৱৰ মাজতো কোনো পাৰ্থক্য নাথাকিল। [সুগ্ৰীৱে ৰামক যিমান ভাল পায়, ৰামেও সুগ্ৰীৱক সিমানেই ভাল পায়] লক্ষ্মণে সুগ্ৰীৱক ৰামৰ সকলো কথা কৈ শুনালে। তেতিয়া সুগ্ৰীৱে চকু চলচলীয়া কৰি ৰামলৈ চাই ক'লে—"প্ৰভু ! মিথিলেশ-কুমাৰীক পোৱা যাব। ১ ॥

মই এবাৰ এইখিনিতে মন্ত্ৰীসকলেৰে আলোচনা কৰি থাকোঁতে পৰৰ অধীন হৈ বিলাপ কৰি কৰি আকাশেদি যোৱা দেখিছিলোঁ। ২ ॥

'ৰাম, ৰাম, হা ৰাম !' বুলি আমাক দেখি তেওঁ কাপোৰ পেলাই দিছিল।" ৰামে বিচাৰিলত তৎক্ষণাত সেই কাপোৰ উলিয়াই দিয়া হ'ল। ৰামে সেই কাপোৰ বুকুত সাৱটি লৈ বহুত কথা ভাবিলে। ৩ ॥

সুগ্ৰীৱে ক'লে—"হে ৰঘুবীৰ ! শুনক। আপুনি চিন্তা এৰি ধৈৰ্য ধৰক। আপুনি যাতে জানকীক পায় তাৰ বাবে মই সকলো প্ৰকাৰে সেৱা আৰু উপায় কৰিম।" ৪ ॥

দোঃ—কৃপাৰ সাগৰ, অত্যন্ত বলশালী (বলৰসীমা) ৰামে সখা সুগ্ৰীৱৰ কথা শুনি সন্তুষ্ট হৈ ক'লে—"হে সুগ্ৰীৱ ! আপুনি কি কাৰণে বনত বাস কৰিছে, সেই কথা মোক কওকচোন।" ৫ ॥

চৌঃ—"হে নাথ ! বালী আৰু মই দুয়ো ভাইৰ মাজত এনে মিলা-প্ৰীতি আছিল যে তাৰ বৰ্ণনা দিব নোৱাৰি। মায়াবী নামে ময়দানৱৰ এটা পুত্ৰ আছিল। সি এবাৰ আমাৰ গাঁৱলৈ আহিল। ১ ॥

সি মাজৰাতি নগৰৰ দ্বাৰৰপৰা যুদ্ধলৈ আহ্বান জনালে। শত্ৰুৰ এই বল সহ্য কৰিব নোৱাৰি বালীয়ে খেদা মাৰি যোৱা দেখি পলাল। মই ভাইৰ লগে লগে গৈছিলোঁ। ২ ॥

অসুৰ পৰ্বতৰ গুহাত সোমাল গৈ। তেতিয়া বালীয়ে মোক এইদৰে বুজাই ক'লে—"তুমি এপষ মোলৈ বাট চাবা। যদি মই সিমান দিনৰ ভিতৰত ঘূৰি নাহোঁ, তেতিয়া মই মৰিলোঁ বুলি বুজিবা। ৩ ॥

হে খৰনাশক ৰাম ! মই তাত এমাহলৈকে বাট চাই থাকিলোঁ। তাৰ পাছত তাত (গুহাৰ মুখত) তেজৰ ধাৰ দেখিবলৈ পাই মই ভাবিলোঁ যে অসুৰে বালীক মাৰিলে। এতিয়া আহি মোকো মাৰিব। এই কাৰণে গুহাৰ মুখত শিল এটা দি (গুহাৰ বাট বন্ধ কৰি) তাৰ পৰা পলাই আহিলোঁ। ৪ ॥

মন্ত্ৰীসকলে নগৰৰ শাসক নোহোৱা অৱস্থা দেখি মোক জোৰেৰে ৰজা পাতি

দিলে। পাছত বালীয়ে অসুৰ মাৰি আহি মোক দেখি (বন্ধা যোৱা দেখি) মনতে কথাটো আন ধৰণে ল'লে। ৫ ॥

সি মোক শত্ৰুৰ দৰে বৰকৈ মাৰিলে। সকলো সম্পত্তি আৰু তিৰোতাও কাঢ়ি ল'লে। হে কৃপালু ৰঘুবীৰ, তাৰ ভয়তে এতিয়া মই গোটেইখনতে এনে দুৰৱস্থাৰে ঘূৰি ফুৰিছোঁ।" ৬ ॥

অভিশাপলৈ ভয় কৰি সি এইখিনিলৈ নাহে। তথাপি মনতে ভয় লাগি থাকে। সেৱকৰ দুঃখৰ কথা শুনি দীনবন্ধুৰ বিশাল ভুজ যুগল স্ফীত হৈ কঁপি উঠিল। ৭ ॥ [তাৰ পাছত ক'লে—]

দোঃ—"শুনা সুগ্ৰীৱ! মই এপাট শৰেৰেই বালীক বধ কৰিম। ব্ৰহ্মা আৰু ৰুদ্ৰৰ শৰণ গ্ৰহণ কৰিলেও তাৰ প্ৰাণ ৰক্ষা নপৰিব। ৬ ॥

চৌঃ—যি মিত্ৰৰ দুখত দুখী নহয়, তাক দেখিলেও ডাঙৰ পাপ হয়। নিজৰ পৰ্বত যেন ডাঙৰ দুখকো ধূলি যেন ক্ষুদ্ৰ জ্ঞান আৰু মিত্ৰৰ ধূলি যেন ক্ষুদ্ৰ দুঃখকো মেৰুপৰ্বতৰ দৰে ডাঙৰ বুলি জ্ঞান কৰিব লাগে। ১ ॥

যি স্বভাৱতে এনেধৰণৰ নহয়, সি আনক দেখুৱাবৰ কাৰণে কিয় লোকৰ লগত মিত্ৰতা কৰে? মিত্ৰৰ লক্ষণ হৈছে কুমাৰ্গৰ পৰা আঁতৰাই আনি সুমাৰ্গই দি চলোৱা, দোষ থাকিলে তাক ঢাকি গুণ প্ৰকাশ কৰা, লেন-দেনত শংকা নৰখা, নিজৰ শক্তি বুজি সদায় হিতসাধন কৰা আৰু বিপদৰ কালত [আন সময়তকৈয়ো] শতগুণে স্নেহ কৰা। এইবোৰকে শ্ৰেষ্ঠ মিত্ৰৰ গুণ বুলি বেদ-শাস্ত্ৰত কৈছে। ২।৩ ॥

যি চকুৰ আগত সজাই পৰাই কোমল কথা কয়; পিঠিৰ পাছতে অহিত সাধন কৰে; যাৰ চিত্ত সৰল নহয়, সাপৰ গতিৰ দৰে বেঁকা, সেই কুটিল মনৰ কুমিত্ৰক ত্যাগ কৰাহে ভাল। ৪ ॥

ধূৰ্ত্ত সেৱক, কৃপণ (সংকীৰ্ণ বুদ্ধিৰ) ৰজা, কুলটা স্ত্ৰী আৰু কপটীয়া মিত্ৰ এই চাৰিওটা বস্তু শূলৰ দৰে পীড়াদায়ক। হে মিত্ৰ! তুমি মোৰ বলৰ ওপৰত বিশ্বাস ৰাখি নিশ্চিন্ত হোৱাঁ। মই সকলো প্ৰকাৰে তোমাক সহায় কৰিম।" ৫ ॥

সুগ্ৰীৱে ক'লে—"হে ৰঘুবীৰ! বালী অতি বলৱান আৰু ৰণপটু।" ইয়াৰ পাছত সুগ্ৰীৱে দুন্দুভি ৰাক্ষসৰ অস্থি আৰু তাল গছ দেখুৱালে। ৰামে সেই-বোৰ অতি সহজভাৱেই খহাই পেলালে। ৬ ॥

শ্ৰীৰামচন্দ্ৰৰ অপৰিমিত বল দেখি সুগ্ৰীৱৰ প্ৰীতি তাৰ বাঢ়িল আৰু

বালীক বধ কৰিব পাৰিব বুলি বিশ্বাস হ'ল। তেওঁ বাৰে বাৰে শিৰ দোৱাই নমস্কাৰ কৰিবলৈ ধৰিলে। প্ৰভুক চিনি পাই কপিশ্ৰেষ্ঠ সুগ্ৰীৱে মনে মনে বৰ আনন্দ পালে। ৭ ॥

তেওঁৰ মনত আমোদৰ ঢৌৰা বাবে এইদৰে ক'লে—"হে নাথ! আপোনাৰ কৃপাত মোৰ মন এতিয়া স্থিৰ হৈছে। সুখ, সম্পত্তি, পৰিয়াৰ আৰু আত্ম-গৌৰৱ সকলো ত্যাগ কৰি মই আপোনাৰ সেৱা কৰিম। ৮ ॥

এই সকলো বস্তু ৰাম-ভক্তিৰ বাধক বুলি তোমাৰ চৰণ-আৰাধনা কৰা সন্তসকলে কয়। শত্ৰু-মিত্ৰ, সুখ-দুঃখ আদি জগতত বিবাদবোৰ [দ্বন্দ্বভাৱ] আছে, সেই সকলোবোৰেই মায়াৰ ৰচনা কাৰণে পাৰমাৰ্থিক দৃষ্টিত সত্য নহয়। ৯ ॥

হে প্ৰভু ৰাম! বালী মোৰ পৰম হিতকাৰী। কিয়নো তেওঁৰ অনুগ্ৰহতহে শোক নাশক আপোনাক পাইছোঁ। এতিয়া সপোনতো বালীৰ লগত যুদ্ধ হ'লে মাৰ খোৱাৰ পাছত সেই কথা ভাবিবলৈ মনতে সংকোচ হ'ব। ১০ ॥

প্ৰভু! মোক এতিয়া এনেদৰে অনুগ্ৰহ কৰক যাতে মই সকলো ত্যাগ কৰি দিনে-ৰাতিয়ে আপোনাৰ ভক্তিহে কৰি থাকোঁ।" সুগ্ৰীৱৰ এই বৈৰাগ্য-পূৰ্ণ কথা শুনি ধনুৰ্ধৰ ৰামে মিচিকিয়া হাঁহি এটা মাৰি ক'লে—১১ ॥

"তুমি যি কৈছা, সেই সকলো সত্য; কিন্তু হে মিত্ৰ! মোৰ কথা মিছা হ'ব নোৱাৰে (অৰ্থাৎ মই বালীক মাৰি তোমাক ৰাজ্য দিম)।" হে পক্ষীৰাজ (কাকভুশুণ্ডীয়ে গৰুড়ক কৈছে) নটে বান্দৰ নচুৱাৰ নিচিনাকৈ প্ৰভু ৰামেও সকলোকে নচুৱায়। বেদে এইদৰে কৈছে। ১২ ॥

হাতত ধনু-শৰ লৈ সুগ্ৰীৱৰে সৈতে ৰঘুনাথ গ'ল। তাৰ পাছত ৰামে সুগ্ৰীৱক বালীৰ ওচৰলৈ পঠিয়ালে। তেওঁ ৰামৰ সাহসত বালীৰ ওচৰত গৰ্জন কৰিলেগৈ। ১৩ ॥

বালীয়ে শুনিয়েই ক্ৰোধান্ধ হৈ খেদা মাৰি আহিল। বালীৰ পত্নীয়ে ভৰিত ধৰি বুজনি দি ক'লে—"হে নাথ! শুনক। সুগ্ৰীৱে যাৰ লগ লৈছে, তেওঁলোক দুয়োজনতকৈ বুদ্ধিমান আৰু বলবান জগতত কোনো নাই। কোশল ৰাজকুমাৰ ৰাম আৰু লক্ষ্মণে সংগ্ৰামত কালকো পৰাস্ত কৰিব পাৰে।" ১৪।১৫ ॥

দোঃ—বালীয়ে ক'লে—"হেৰা ভয়াতুৰা প্ৰিয়া! শুনা। ৰঘুনাথ সমদৰ্শী। যদি কেনেবাকৈ তেওঁ মোক মাৰেও তেনেহ'লে মই সনাথ হ'ম (প্ৰভুক পাম)।" ৭ ॥

চৌঃ—এই বুলি কৈ মহা অভিমানেৰে সুগ্ৰীৱক তৃণ যেন জ্ঞান কৰি বালী গ'ল। দুয়ো যুদ্ধত প্ৰবৃত্ত হ'ল। বালীয়ে অতি তৰ্জ্জন-গৰ্জন কৰি সুগ্ৰীৱক ঘোচা মাৰি দিলে। ১॥

তেতিয়া সুগ্ৰীৱ আতুৰ হৈ পলাল। বালীৰ প্ৰহাৰ সুগ্ৰীৱে বজ্ৰৰ প্ৰহাৰ যেন পালে [আৰু ৰামক ক'লে—] "মই আপোনাক আগতেই কৈছোঁ। হে কৃপাময়! বালী মোৰ ভাই নহয়, কালহে।" ২॥

[ৰামে ক'লে—] "তোমালোক দুয়োজন ভাই দেখাত একেই। সেই কাৰণে চিনিব নোৱাৰি তেওঁক নামাৰিলোঁ।" [এই বুলি] ৰামে সুগ্ৰীৱৰ গাত হাত বুলালে। তেতিয়া তেওঁৰ শৰীৰ বজ্ৰসদৃশ হৈ পৰিল আৰু সকলো পীড়াও দূৰ হ'ল। ৩॥

এইবাৰ সুগ্ৰীৱৰ কণ্ঠত ফুলৰ মালা পিন্ধাই বহুত উৎসাহিত কৰি পঠিয়ালে। আকৌ নানা প্ৰকাৰৰ যুদ্ধ হ'ল আৰু ৰামে গছৰ আঁৰৰ পৰা চাবলৈ ধৰিলে। ৪॥

দোঃ—সুগ্ৰীৱে বহু ছল-বল কৰি চালে; কিন্তু অন্তৰতে ভয় কৰি হাৰ মানিবলৈ ধৰিলে। তেতিয়া ৰামে জোৰ কৰি বালীৰ হৃদয়লৈ এপাট শৰ প্ৰহাৰ কৰিলে। ৮॥

চৌঃ—শৰ লগাৰ লগে লগেই বালী ব্যাকুল হৈ মাটিত বাগৰি পৰিল; কিন্তু আগত প্ৰভু ৰামক দেখি উঠি বহিল। [তেওঁ দেখা পালে] শ্যামবৰ্ণৰ শৰীৰ, মূৰত জটা, অৰুণ নেত্ৰ আৰু ধনু-শৰধাৰী প্ৰভুক চিনি পাই বালীয়ে নিজৰ জন্মকে সফল হোৱা বুলি ভাবিলে। বাৰে বাৰে ৰামক চাই চিত্তত চৰণ-চিন্তা কৰিবলৈ ধৰিলে আৰু তেওঁ অন্তৰত প্ৰীতি ৰাখি ৰামৰ ফালে চাই এই বুলি বাহিৰত কঠোৰ বচন বুলিবলৈ ধৰিলে। ১২॥

"হে গোসাঁই (বেদ বা জ্ঞান আৰু ইন্দ্ৰিয়সমূহৰ স্বামী)! তুমি ধৰ্ম ৰক্ষাৰ কাৰণে অৱতীৰ্ণ হৈছা আৰু মোক ব্যাধৰ দৰে (লুকাই) বধ কৰিছা। তোমাৰ কাৰণে মই শত্ৰু হ'লোঁ আৰু সুগ্ৰীৱ প্ৰিয় হ'ল। হে নাথ! কোনটো দোষ কি দোষত এইদৰে মাৰিলা?" ৩॥

[শ্ৰীৰামে ক'লে—] "শঠ বুদ্ধি! শুন। ভ্ৰাতৃবধূ। পুত্ৰবধূ, ভগিনী আৰু নিজ কন্যা—এই চাৰিও সমান। ইহঁতক যি অসৎ দৃষ্টিৰে চায় তাক বধ কৰাত কোনো পাপ নাই। ৪॥

মূৰ্খ! তোৰ মনত অতিশয় অভিমান আছিল। সেইবাবে তই নিজ-

পত্নীৰ উপদেশতে আওকাণ কৰিলি আৰু সুগ্ৰীৱক মোৰ আশ্ৰিত বুলি জানিও মাৰিব খুজিলি।" ৫ ॥

দোঃ—বালীয়ে ক'লে—"হে স্বামী ৰাম! শুনক। আপোনাৰ ওচৰত মোৰ কোনো চতুৰালি নাখাটে। হে প্ৰভু! এই অন্তিম কালত আপোনাৰ শৰণ লাভ কৰিও মই পাপী হৈয়ে থাকিলোনে?" ৯ ॥

চৌঃ—বালীৰ এই অন্তস্পৰ্শী কোমল কথা শুনি ৰামে তেওঁৰ মূৰত হাত ফুৰাই ক'লে—"মই তোমাৰ শৰীৰ অক্ষত কৰি দিওঁ, তুমি প্ৰাণ ত্যাগ নকৰাকৈ থাকা।" তেতিয়া বালীয়ে কলে—"হে কৃপাময় প্ৰভু শুনক। মুনিসকলে জন্মে জন্মে সাধনা কৰিও অন্তকালত ৰাম নাম মুখেৰে ল'ব নোৱাৰে। যাৰ নামৰ বলেৰে মহাদেৱ শিৱই কাশীত সকলোকে সমানভাৱে অবিনাশী গতি (মুক্তি) দিব পাৰিছে, তেৱেঁই মোৰ চকুৰ আগলৈ আহিছে। হে প্ৰভু এনে সময় আৰু ঘূৰাই পাম জানো? ১।২।৩ ॥

ছন্দঃ—শ্ৰুতিয়ে যাৰ গুণ বৰ্ণাই নেতি নেতি বুলি কয়। প্ৰাণবায়ু আৰু মনক জয় কৰি ইন্দ্ৰিয়সমূহক বিষয়-ৰসৰপৰা নিবৃত্ত কৰিও মুনিসকলে ক'ৰবাত কেতিয়াবাহে ধ্যানত যাক অস্পষ্টভাৱে দেখিবলৈ পায়, সেই প্ৰভু মোৰ চকুৰ আগত। আপুনি মোক অত্যন্ত অভিমানী বুলি প্ৰাণ ৰক্ষা কৰিবলৈ কৈছে; কিন্তু এনে মূৰ্খ কোন আছে, যি দুৰাগ্ৰহ কৰি কল্পবৃক্ষ কাটি তাৰ ঠাইত 'ববুল' গছৰ বাৰী পাতিব? ১ ॥ (বগুল বা ববুৰ এবিধ টান কাঠৰ কাঁইটীয়া গছ)

হে নাথ! এতিয়া আপুনি মোৰ প্ৰতি কৃপা-দৃষ্টি কৰক আৰু মই যি বৰ বিচাৰিছোঁ, সেই বৰ দিয়ক। কৰ্মফল অনুসৰি মই যি যোনিতে জন্ম পাওঁ, সেই তাতে যেন ৰামৰ চৰণত ভক্তি কৰোঁ। হে কল্যাণপ্ৰদ প্ৰভু! মোৰ পুত্ৰ অংগদ বিনয় গুণ আৰু বলত মোৰ দৰেই, তাক গ্ৰহণ কৰক। হে দেৱতা আৰু মনুষ্যৰ স্বামী! তাক পালন-পোষণ কৰি আপুনি নিজৰ দাস কৰি লওক।" ২ ॥

দোঃ—ৰামৰ চৰণত দৃঢ় ভক্তি কৰি বালীয়ে এনে সহজভাৱে প্ৰাণ ত্যাগ কৰিলে, যেন হাতীয়েহে ডিঙিৰপৰা ফুলৰ মালা খহি পৰাটো গমকে নাপালে। ১০ ॥

চৌঃ—শ্ৰীৰামে বালীক নিজৰ পৰম ধামলৈ পঠিয়ালে। নগৰৰ সকলো [বালীৰ মৃত্যু শুনি] ব্যাকুল হৈ লৰি আহিল। তাৰাই নানা প্ৰকাৰে

বিলাপ কৰিবলৈ ধৰিলে। তেওঁৰ চুলি আউলী-বাউলী হ'ল, নিজৰ দেহটোৰ খবৰো নোহোৱা হ'ল। ১ ॥

তাৰাক ব্যাকুল হৈ পৰা দেখি ৰঘুনাথে মায়াজনিত অজ্ঞতা দূৰ হ'বৰ কাৰণে তাৰাক জ্ঞান দি ক'লে—"পৃথিৱী, জল, অগ্নি, বায়ু আৰু আকাশ—এই পাঁচ তত্ত্বেৰে এই অধম (নিকৃষ্ট) শৰীৰ সৃষ্টি হয়। এনে শৰীৰ তোমাৰ আগতে শুই আছেই। জীৱ নিত্য। তেনেহ'লে তুমি কাৰবাবে কান্দিছা?" তাৰাৰ যেতিয়া জ্ঞান জন্মিল, তেতিয়া তেওঁ ভগৱানৰ চৰণত পৰি সেৱা জনালে আৰু শ্ৰেষ্ঠ ভক্তি লাভৰ কাৰণে বৰ খুজি ল'লে। ২।৩ ॥

[শিৱই পাৰ্বতীক কৈছে—] "উমা! প্ৰভু ৰামে সকলোকে কাঠৰে সজা পুতলা নচুৱাদি নচুৱায়। তাৰ পাছত ৰামে আদেশ দিয়াত সুগ্ৰীৱে বালীৰ সকলো প্ৰেতকাৰ্য যথাবিধি কৰিলে। ৪ ॥

ৰামে অনুজ লক্ষ্মণক বুজাই কোৱাৰ অনুৰূপে, সুগ্ৰীৱক ৰাজ্য দিবৰ কাৰণে ৰামৰ আজ্ঞা পোৱাত সকলোৱেই শ্ৰীৰামৰ চৰণত সেৱা জনাই নগৰলৈ গ'ল। ৫ ॥

দোঃ—লক্ষ্মণে তুৰন্তে সকলো পুৰবাসী আৰু বিপ্ৰসকলক গোটাই লৈ সুগ্ৰীৱক ৰাজপদ আৰু অংগদক যুৱৰাজ পদত নিযুক্ত কৰিলে। ১১ ॥

চৌঃ—হে উমা! জগতত ৰামৰ সমান হিত সাধনকাৰী গুৰু, পিতৃ, মাতৃ, বন্ধু আৰু স্বামী কোনোৱেই নাই। অন্য দেৱতা, মনুষ্য আৰু মুনি সকলোৰে এনেকুৱাহে স্বভাৱ যে—নিজৰ স্বাৰ্থ সিদ্ধিৰ কাৰণেহে প্ৰীতিভাৱে ৰাখে। ১ ॥

যি সুগ্ৰীৱ বালীৰ ভয়ত দিনে-ৰাতিয়ে সদায় ব্যাকুল হৈ আছিল, যাৰ শৰীৰত বহুত ঘা হৈছিল আৰু চিন্তাই হৃদয় জ্বলাইছিল, সেই সুগ্ৰীৱক তেওঁ বান্দৰসকলৰ ৰজা পাতি দিলে। ৰঘুনাথ অতি কৃপালু স্বভাৱৰ ২ ॥

যি জানি শুনিও এনে প্ৰভুক ত্যাগ কৰে, সি বিপত্তিৰ জালত কিয় নপৰিব? তাৰ পাছত তেওঁ সুগ্ৰীৱক মাতি আনি নানা প্ৰকাৰৰ ৰাজনীতিৰ শিক্ষা দিলে।" ৩ ॥

শেষত আকৌ ক'লে—"বানৰৰাজ সুগ্ৰীৱ! মই চৈধ্য বছৰৰ কাৰণে নগৰত নোসোমাওঁ (বনবাসৰ প্ৰতিজ্ঞা ৰাখে)। এতিয়া গ্ৰীষ্ম গৈ বাৰিষা ঋতু আহিছে। মই এই পৰ্বতৰ কাষতে থাকিম। ৪ ॥

তুমি অংগদৰে সৈতে ৰাজ্য চলোৱা আৰু মোৰ কামৰ কথা সদায় মনত ৰাখিবা।" ইয়াৰ পাছত যেতিয়া সুগ্ৰীৱ ঘৰলৈ উভতিল, তেতিয়া ৰাম চন্দ্ৰও প্ৰবৰ্ষণ পৰ্বতলৈ গ'ল। ৫ ॥

দোঃ—দেৱতাসকলে প্ৰথমতেই সেই পৰ্বতৰ এটা গুহা সদাই সুন্দৰ কৈ থৈছিল। তেওঁলোকে জানিছিল যে কৃপানিধি ৰাম আহি কিছুদিন ইয়াত বাস কৰিব। ১২ ॥

চৌঃ—সেই গুহা সুন্দৰ সুন্দৰ বনৰীয়া ফুলেৰে সুশোভিত। মধুৰ লোভত ভোমোৰাই তাত গুণ গুণাই আছে। প্ৰভু অহাৰপৰা তাত কন্দ, মূল, ফল, পাত সকলো বৃদ্ধি পালে। ১ ॥

অনুপম সুন্দৰ পৰ্বত দেখা পাই, দেৱৰাজ তুল্য শ্ৰীৰাম অনুজ লক্ষ্মণেৰে সৈতে তাতে থাকিল। ভোমোৰা আৰু পশু-পক্ষীৰ ৰূপ ধৰি দেৱতা, সিদ্ধ আৰু মুনিসকলে প্ৰভু ৰামৰ সেৱা কৰিবলৈ ধৰিলে। ২ ॥

যেতিয়াৰপৰা লক্ষ্মীপতিয়ে (শ্ৰীৰামে) তাত নিবাস কৰিবলৈ ল'লে, তেতিয়াৰেপৰা সেই অৰণ্য মংগলময় হৈ পৰিল। অতি শুভ্ৰ সুন্দৰ এটা স্ফটিক শিলাও আছে। তাতে দুয়ো ভাই আৰাম কৰি ৰহে। ৩ ॥

ভায়েক লক্ষ্মণৰ লগত ভক্তি, বৈৰাগ্য, জ্ঞান আৰু ৰাজনীতি বিষয়ক নানা কথা তাতে পাতে। বাৰিষা কালত গাজি-গুমৰি আকাশ ঢাকি ধৰা মেঘ দেখিবলৈ বৰ ভাল লগা হয়। ৪ ॥

দোঃ—"হেৰা লক্ষ্মণ! চোৱাঁ। ডাৱৰ দেখি ময়ূৰ পক্ষীবোৰ নাচিবলৈ ধৰিছে, যেন বৈৰাগ্যভাৱ হোৱা গৃহস্থইহে কোনো বিষ্ণু ভক্তক দেখা পাই আনন্দ লাভ কৰিছে। ১৩ ॥

চৌঃ—আকাশত মেঘে সগৰ্বে গৰ্জন কৰিছে, কিন্তু প্ৰিয়াহীন মোৰ মনত সংকোচ ভাৱহে জন্মিছে (গাজনি শুনি সীতাই ভয় পাইছে বুলি)। বিজুলীৰ পোহৰ মেঘত ৰবলৈকে নাপায়; দুষ্টলোকৰ প্ৰীতিৰ দৰে সিও চঞ্চল। ১ ॥

ডাৱৰবোৰে পৃথিৱীৰ ওচৰলৈ নামি আহি বৰষুণ দিছে, যেন বিদ্যালাভ কৰি বিদ্বান পুৰুষহে নম্ৰ হৈ পৰিছে। বৰষুণৰ টোপালবোৰৰ আঘাত পৰ্বতে কেনেকৈ সহ্য কৰিছে—যেন দুষ্টলোকৰ নিন্দাবাণীহে সন্তসকলে সহ্য কৰিছে। ২ ॥

সৰু নদীবোৰো পানীৰে উপচি পৰাত দুয়োপাৰ ভাঙি ব'বলৈ ধৰিছে যেন সামান্য ধন পালেই সীমালংঘন কৰা দুষ্ট লোকহে। মায়াৰ আৱৰণত শুদ্ধ জীৱও অশুদ্ধ ভাৱযুক্ত হোৱাৰ দৰে পৃথিৱীত পৰা মাত্ৰেই বৰষুণৰ পানীবোৰো লেতেৰা হৈ পৰিছে। ৩ ॥

সজ্জনৰ স্বভাৱলৈ সকলো সৎগুণ আহি গোট-খোৱাৰ দৰে পানীবোৰো

গোট খাই জলাশয়বোৰ পৰিপূৰ্ণ হৈছে। নদীসমূহৰ জলো এইদৰে গৈ সমুদ্ৰত স্থিৰ হৈ পৰিছে, যেন জীৱহে শ্ৰীহৰিক পাই অচল হৈ পৰিছে। ৪ ॥

দোঃ—পৃথিৱী ঘাঁহেৰে ভৰি পৰা বাবে বাটবোৰ ঢাকখাই পৰিল, যেন পাষণ্ডমতৰ প্ৰচাৰ হোৱাত সদ্‌গ্ৰন্থহে লুকাই পৰিল। ১৪ ॥

চৌঃ—চাৰিও দিশে ভেকুলিৰ টোৰ-টোৰণি শুনিবলৈ ভাল লগা হৈ পৰিছে, যেন ব্ৰহ্মচাৰীসকলে বেদধ্বনিহে কৰিছে। অনেক বৃক্ষত নৱপল্লৱে এনেদৰে শোভা পাবলৈ ধৰিছে, যেন সাধকসকলৰ মনতহে বিবেক লাভ হৈছে। ১ ॥

মদাৰ আৰু জৱাস* গছৰ পাত সৰি গৈছে, যেন সুশাসিত ৰাজ্যত দুষ্টবিলাকৰ বুদ্ধিহে নোহোৱা হৈ আহিছে। ক্ৰোধে ধৰ্মভাৱ দূৰ কৰি পঠোৱাৰ নিচিনাকৈ ধূলিবোৰ বাৰিষাৰ বতৰে বিচাৰিলেও নোপোৱাকৈ আঁতৰাই পঠিয়ালে। ২ ॥

শস্যপূৰ্ণ পৃথিৱী উপকাৰী পুৰুষৰ সম্পত্তিৰ দৰে সুশোভিত হৈছে। ৰাতিৰ ডাঠ আন্ধাৰত, অহংকাৰী পুৰুষৰ সমাগম ঘটাৰ দৰে জোনাকী পৰুৱাবোৰ জিলিকিছে। ৩ ॥

যেনেকৈ স্বতন্ত্ৰ নাৰীৰ চৰিত্ৰ বেয়া হৈ পৰে, তেনেকৈয়ে বেছি ডাঙৰ বৰষুণৰ ফলত খেতিৰ শাৰীবোৰো মাজে মাজে বেয়া হৈ ভাগি গৈছে। বুদ্ধিমান কৃষকে খেতি নিৰাইছে (ঘাঁহ-বন বাছি আঁতৰাই পেলাইছে), যেন বিদ্বানসকলেহে মোহ, মদ, অভিমান আদি অসৎগুণবোৰ ত্যাগ কৰিছে। ৪ ॥

চক্ৰবাক পক্ষীবোৰ দেখিবলৈ নোপোৱা হৈ আহিছে, যেন কলিযুগ অহা দেখি ধৰ্মহে পলাইছে। বৰষুণ হোৱাতো কিছুমান অসাৰুৱা টান মাটিত বন এডালো গজা নাই, যেন হৰিভক্তিপৰায়ণ লোকৰ মনত কামভাৱ উপজিব পৰা নাই। ৫ ॥

নানা প্ৰকাৰৰ জন্তুৰে পৰিপূৰ্ণ পৃথিৱী এনেদৰে শোভিত হৈছে, যেন সুৰাজ্য বা সুশাসনত প্ৰজাহে বৃদ্ধি পাইছে। ঠ'তে ঠ'তে ভাগৰত জিৰণি লোৱা পথিক-সকলক দেখিলে এনেভাৱ হয়, যেন জ্ঞানলাভ কৰাৰ পাছত ইন্দ্ৰিয়সমূহহে নিষ্ক্ৰিয় হৈ পৰিছে। ৬ ॥

দোঃ—কেতিয়াবা কেতিয়াবা বায়ু বৰ বেগেৰে বলবলৈ ধৰে। তেতিয়া ঠ'তে ঠ'তে থকা ডাৱৰবোৰ অদৃশ্য হৈ পৰে, যেন কুপুত্ৰ জন্ম হোৱা বাবে কুলৰ সদ্ধৰ্মহে নষ্ট হৈছে। ১৫ ক ॥

*সংস্কৃত—যৱাসক (পুলিকাইচৰ নিচিনা এবিধ গছ, ইয়াৰ পাত বাৰিষা সৰি যায়; শৰৎকালৰ পৰাহে নতুন পাত ধৰে)

কেতিয়াবা দিনৰ ভিতৰতে [ডাৱৰৰ কাৰণে] ঘোৰ অন্ধকাৰ হৈ পৰে, কেতিয়াবা সূৰ্য প্ৰকাশ পায়। যেনে কুসংগত পৰি জ্ঞান নষ্ট হয় আৰু সৎসংগ পালে জ্ঞান উৎপন্ন হয়। ১৫ খ ॥

চৌঃ—লক্ষ্মণ চোৱাঁ! বৰ্ষা ঋতু গৈ অতি সুন্দৰ শৰৎ ঋতু আহিল। কঁহুৱাৰ ফুলে গোটেই পৃথিৱীখন ঢাকি ধৰিলে। যেন বাৰিষাই [বগা চুলি দেখুৱাই] নিজৰ বৃদ্ধাৱস্থাহে প্ৰকাশ কৰিলে। ১ ॥

অগস্ত্য তৰা উদয় হৈছে, বাটৰ পানী শুকাইছে; যেনে সন্তোষেহে লোভ নোহোৱা কৰিছে। নদী আৰু জলাশয়ৰ নিৰ্মল পানীবোৰে এনেদৰে শোভা পাইছে, যেন মদ আৰু মোহ নোহোৱা সন্তসকলৰ হৃদয়হে। ২ ॥

নদী আৰু জলাশয়বোৰত পানী কমি আহিছে, যেন জ্ঞানী পুৰুষৰ হৃদয়ত যে মমতা হ্ৰাস পাবলৈ ধৰিছে। শৰৎকাল হোৱা দেখি খঞ্জন পক্ষী ওলাইছে, যেন যথাসময়ত পুণ্যৰ ফলহে প্ৰকাশ পাইছে। ৩ ॥

বোকা আৰু ধূলি নোহোৱা পৃথিৱীখন এনেদৰে শোভা পাইছে, যেন নীতি-কুশল ৰজাৰ কাৰ্যাৱলীয়েহে প্ৰশংসা লাভ কৰিছে। পানী শুকাই যোৱাত মাছবোৰো ধনৰ অভাৱত বিবেকহীন গৃহস্থীৰ দৰে ব্যাকুল হৈ পৰিছে। ৪ ॥

ডাৱৰ নোহোৱা নিৰ্মল আকাশ এনেদৰে সুন্দৰ দেখা গৈছে, যেন হৰি-ভক্তসকলে সকলো আশা পৰিহাৰ কৰিহে আনন্দ লাভ কৰিছে। ক'ৰবাত কেতিয়াবা শৰৎকালৰ সামান্য বৃষ্টি হ'লেও, তাকো এনে যেন হে লাগে—মোৰ ভক্তি বহুজনৰ ভিতৰত এজনেহে ক'ৰবাত লাভ কৰে। ৫ ॥

দোঃ—ৰজা, তপস্বী, বেপাৰী আৰু মগনীয়া সকলোৱেই [শৰৎকাল হোৱা দেখি ক্ৰমশঃ ৰাজ্যজয়, তপস্যা, বাণিজ্য আৰু ভিক্ষাৰ বাবে] আনন্দ মনেৰে নগৰ এৰি বাহিৰলৈ গৈছে, যেন হৰিভক্তি লাভ কৰি চাৰিও আশ্ৰমৰ লোকেই নানাবিধ [সাধনাজনিত] শ্ৰমহে ত্যাগ কৰিছে। ১৬ ॥

চৌঃ—গভীৰ পানীত থকা মাছবোৰ এতিয়া সেইদৰে সুখী, যি দৰে হৰিত শৰণ গ্ৰহণ কৰাসকল বাধাৰহিত হোৱা বাবে সুখী হয়। জলাশয়বোৰ কমল ফুলা বাবে তেনেদৰে শোভাযুক্ত হৈছে, যেন ধৰে নিৰ্গুণ ব্ৰহ্ম সগুণ ৰূপত শোভাযুক্ত হয়।

গুণগুণাই থকা ভোমোৰাৰ শব্দ অনুপম সুন্দৰ লাগিছে। পক্ষীবিলাকেও নানা তৰহৰ সুন্দৰ শব্দ কৰিছে। ৰাতি হোৱা দেখি চক্ৰবাক পক্ষীৰ মনতো

এনেদৰে দুখ হ'বলৈ ধৰিছে, যেনেদৰে আনৰ সম্পত্তি দেখি দুষ্টবোৰে দুখ পায়। ২ ॥

পানীপিয়া চৰাইবোৰে চিঞৰিছে, সিহঁতৰ বৰ পিয়াহ লাগিছে; যেন শিৱৰ দ্ৰোহীবোৰেহে সুখ নাপাই চিঞৰিছে। শৰৎকালৰ ৰ'দৰ তাপো ৰাতিৰ চন্দ্ৰই হৰণ কৰি ল'লে, যেন সন্তসকলৰ দৰ্শন হোৱা বাবে পাপহে দূৰ হ'ল। ৩ ॥

চকোৰ পক্ষীয়ে চন্দ্ৰমাক এনে দৰে চাইছে, যেন ভক্তইহে ভগৱানক পাই স্থিৰনেত্ৰে দৰ্শন কৰিছে। হিমৰ ভয়ত মহ-ডাঁহবোৰ এনেদৰে নোহোৱা হৈ আহিছে, যেন ব্ৰাহ্মণৰ দ্ৰোহাচৰণ কৰি সিহঁত সবংশে নাশ হৈছে। ৪ ॥

দোঃ—যিবোৰ জীৱ [বৰ্ষাকালত] পৃথিৱী জুৰি বৃদ্ধি পাইছিল, সেইবোৰ জীৱ শৰৎকালত এনেদৰে নাশ পাবলৈ ধৰিছে, যেন সদ্‌গুৰু পোৱা বাবে [জিজ্ঞাসুভক্তৰ] মনৰ সন্দেহ আৰু ভ্ৰমহে দূৰ হৈছে। ১৭ ॥

চৌঃ—বৰ্ষাকাল অতিবাহিত হ'ল, নিৰ্মল শৰৎকাল আহিল; কিন্তু লক্ষ্মণ! সীতাৰ বাতৰি একো পোৱা নহ'ল। কেনেবাকৈ যদি এবাৰো ঠিকনা পাওঁ তেনেহ'লে কালক জয় কৰি হ'লেও জানকীক নিমিষতে লৈ আহিব পাৰোঁ। ১ ॥

লক্ষ্মণ! য'তেই থাকক; যদি জীৱিত অৱস্থাত আছে, তেনেহ'লে মই যত্ন কৰি নিশ্চয় তেওঁক আনিম। ৰাজ্য, ৰাজকোষ, নগৰ আৰু তিৰোতা পাই সুগ্ৰীৱেও মোৰ কথা পাহৰিলে। ২ ॥

যি বাণেৰে মই বালীক বধ কৰিলোঁ, সেই বাণেৰেই কালিলৈ মূৰ্খ সুগ্ৰীৱকো মাৰোঁ।" [শিৱই কৈছে—] "হে উমা! যাৰ কৃপাত মদ আৰু মোহ দূৰ হয়, সপ্নতো তেওঁৰ ক্ৰোধ হ'ব পাৰে জানো?" (তেওঁৰ এই ক্ৰোধভাব লীলাহে মাত্ৰ) ৩ ॥

ৰঘুনাথৰ চৰণত যাৰ ৰতি উপজিল, সেই জ্ঞানী, মুনিসকলে ৰামৰ এই চৰিত্ৰ (লীলাময় কাৰ্যসমূহ) জানে।" লক্ষ্মণে ৰামৰ যেতিয়া ক্ৰোধভাব দেখিলে, তেতিয়া তেওঁ ধনু-শৰ তুলি ল'লে। ৪ ॥

দোঃ—তাকে দেখি অতি দয়ালু ৰামে লক্ষ্মণক বুজাই এইদৰে ক'লে— "মিত্ৰ সুগ্ৰীৱক মাত্ৰ ভয় দেখুৱাই লৈ আহাঁ।" ১৮ ॥

চৌঃ—ইফালে পৱনপুত্ৰ হনুমানেও মনতে ভাবিলে যে সুগ্ৰীৱে ৰামৰ কামলৈ পাহৰিলে। তেওঁ সুগ্ৰীৱৰ ওচৰলৈ গৈ সেৱা জনাই চাৰিওবিধৰ নীতিৰ কথা (সাম, দাম, ভেদ আৰু দণ্ড) কৈ বুজালে। ১ ॥

কথাগুনি সুগ্ৰীৱেও বৰ ভয় খালে আৰু ক'লে—"বিষয়ভোগে মোৰ জ্ঞান হৰণ কৰিলে। হে পৱনপুত্ৰ! য'ত য'ত বান্দৰসমূহ আছে, এতিয়া সেই ঠাইবোৰলৈ দূত পঠোৱাঁ। ২ ॥

কথা। যি এপখৰ ভিতৰত নাহিব, সি মোৰ হাতত মৰা পৰিব।" তেতিয়া হনুমন্তই দূতবোৰ মাতি বহুত আদৰ কৰি সকলোকে ভয়, প্ৰীতি আৰু নীতিৰ কথা ক'লে। বান্দৰবোৰো চৰণত সেৱা জনাই গ'ল। এনে সময়তে লক্ষ্মণো নগৰত প্ৰৱেশ কৰিলে। তেওঁৰ ক্ৰোধ দেখি বান্দৰবোৰ যেনিয়ে পায় তেনিয়ে পলাল। ৩।৪ ॥

দোঃ—লক্ষ্মণে হাতত ধনু তুলি লৈ ক'লে—"নগৰ পুৰি এতিয়াই ছাই কৰি পেলাব পাৰোঁ।" তেতিয়া গোটেই নগৰবাসী সন্ত্ৰস্ত হোৱা দেখি বালীপুত্ৰ অংগদ আগবাঢ়ি আহিল। ১৯ ॥

চৌঃ—অংগদে লক্ষ্মণৰ চৰণত শিৰ থৈ ক্ষমা প্ৰাৰ্থনা জনালে। লক্ষ্মণে অংগদক তুলি অভয় দান কৰিলে। লক্ষ্মণৰ ক্ৰোধৰ কথা নিজ কাণে শুনি কপিৰাজ সুগ্ৰীৱো ব্যাকুল হৈ পৰিল। তেওঁ ক'লে—"হনুমান! শুনা তুমি তাৰাক লগত লৈ বিনীত প্ৰাৰ্থনা জনাই ৰাজকুমাৰ লক্ষ্মণক শান্ত কৰাগৈ।" তাৰাৰে সৈতে গৈ হনুমানে লক্ষ্মণৰ চৰণ-বন্দনা কৰিলে আৰু প্ৰভু ৰামৰ সুযশাৱলীৰ বৰ্ণনা কৰিলে। ১।২ ॥

তেওঁলোকে বিনীতভাৱে নিবেদন জনাই লক্ষ্মণক ৰাজভৱনৰ ভিতৰলৈ আনি চৰণ ধুৱাই পালেঙত বহুৱালে। তেতিয়া বান্দৰৰাজ সুগ্ৰীৱেও লক্ষ্মণৰ চৰণত মূৰ দোঁৱালেহি। লক্ষ্মণে তেওঁক হাতত ধৰি তুলি বুকুত সাবটি ল'লে। ৩ ॥

[সুগ্ৰীৱে ক'লে—] "হে নাথ! বিষয়ৰ সমান মনক পথভ্ৰষ্ট কৰা আৰু অন্য বস্তু নাই। ই মুনিসকলৰ মনতো ক্ষন্তেকতে মোহ উৎপন্ন কৰে (তেনে স্থলত মোৰ দৰে বিষয়ীলোকৰ কি কথা)।" সুগ্ৰীৱৰ বিনয় বচন শুনি লক্ষ্মণ সন্তুষ্ট হ'ল আৰু তেওঁ সুগ্ৰীৱক বহুত বুজনি দিলে। ৪ ॥

পৱনসুত হনুমানে যিদৰে কেউফালে দূতবোৰ পঠোৱা হৈছে, সেই সকলো কথা ক'লে। ৫ ॥

দোঃ—তেতিয়া অংগদ প্ৰভৃতি বান্দৰসমূহ লগত লৈ লক্ষ্মণক আগকৰি সুগ্ৰীৱ আনন্দ মনেৰে ৰঘুনাথ ৰামৰ থকা ঠাই পালেহি। ২০ ॥

চৌঃ—চৰণত শিৰ দোঁৱাই কৰযোৰ কৰি ক'লে—"হে নাথ! মোৰ একো

দোষ নাই। হে দেৱ! আপোনাৰ মায়া অতি বলবান। আপুনি দয়া কৰিলেহে এই মায়া দূৰ হয় (নহলে মায়া দূৰ নহয়)। ১ ॥

হে স্বামী! দেৱতা, মনুষ্য আৰু মুনিসকলো বিষয়ৰ বশ। মই অধম পশু আৰু অতি কামুক বান্দৰ। নাৰীৰ দৃষ্টিবাণ যাৰ শৰীৰত লগা নাই, যি ভয়ংকৰ ক্ৰোধৰূপী অন্ধকাৰ ৰাতিও সাৰ পাই থাকে (ক্ৰোধে যাৰ বিচাৰ বুদ্ধি নাশ কৰিব নোৱাৰে) আৰু লোভৰ চিপজৰী ডাল যি নিজৰ ডিঙিত লগোৱা নাই, হে ৰঘুনাথ! সেইজন লোক আপোনাৰ নিচিনা। এনেবোৰ গুণ সাধনাৰে লাভ কৰিব নোৱাৰি। আপোনাৰ কৃপাৰ বলতহে কোনো কোনো লোকে এইবোৰ গুণৰ অধিকাৰী হ'ব পাৰে।" ২।৩ ॥

তেতিয়া শ্ৰীৰামে মিচিকাই হাঁহি ক'লে—"হে ভাই সুগ্ৰীৱ! তুমি ভৰতৰ দৰে মোৰ মৰমৰ। এতিয়া মনোযোগ দি এনে এটা উপায় কৰা, যাৰপৰা সীতাৰ খবৰ পোৱা যায়।" ৪ ॥

দো:—এইদৰে কথা-বতৰা হৈ থাকোঁতেই ক্ৰমে ক্ৰমে বান্দৰ উপস্থিত হ'লহি। কেউফালে নানা বৰণৰ বান্দৰ দেখিবলৈ পোৱা গ'ল। ২১ ॥

চৌ:—"হে উমা! মই বান্দৰ সৈন্যবোৰ দেখা পালোঁ। তাৰ সংখ্যা যি জানিব খোজে, সি মূৰ্খহে" [শিৱই কৈছে]। সকলো বান্দৰেই ৰামৰ চৰণত মূৰ দোঁৱাই সেৱা জনালে আৰু ৰামৰ মুখ দৰ্শন কৰি নিজক সনাথ বুলি ভাবিলে। ১ ॥

সেনাবোৰৰ ভিতৰত এনে এটা বান্দৰো নাছিল, যাৰ কুশল-বাৰ্তা ৰামে সোধা নাই। প্ৰভুৰ কাৰণে এইটো ডাঙৰ কথাও নাছিল; কিয়নো ৰঘুনাথ বিশ্বৰূপ আৰু সৰ্বব্যাপক। ২ ॥

আদেশ অনুসৰি বান্দৰবোৰ য'তে ত'তে থিয় হৈ ৰ'ল। তেতিয়া সুগ্ৰীৱে সকলোকে বুজাই ক'লে—"হে বান্দৰসকল! এইটো প্ৰভু ৰামচন্দ্ৰৰ কাৰ্য আৰু মোৰ অনুৰোধ বুলি জানি তোমালোক চাৰিওফালে যোৱা আৰু জানকীক বিচাৰা। এমাহৰ ভিতৰত ঘূৰি আহিবা। যদি সময় পাৰ কৰিও খবৰ নোলোৱাকৈ আহা, তেনেহ'লে মোৰ হাতত মৰা যাবলৈ সাজু থাকিব লাগিব।" ৩।৪ ॥

দো:—সুগ্ৰীৱৰ কথা শুনি বান্দৰবিলাকে শীঘ্ৰেই যেনিয়ে তেনিয়ে সীতাক বিচাৰি যাত্ৰা কৰিলে। তেতিয়া সুগ্ৰীৱে অংগদ, হনুমন্ত আৰু নলক মাতি ক'লে—। ২২ ॥

চৌঃ—"হে নীল বুদ্ধি আৰু চতুৰ অংগদ, জাম্বুৱান, নীল, নল, জাম্ববান প্ৰভৃতি বীৰসকল! তোমালোক সকলো মিলি দক্ষিণ দিশলৈ যোৱা আৰু সকলোৱে ওচৰত সীতাৰ খবৰ লোৱা। ১ ॥

মন, কৰ্ম আৰু বচনেৰে সকলো উপায় এই ক্ষেত্ৰত কৰিবা। শ্ৰীৰামচন্দ্ৰৰ কাৰ্যসিদ্ধ হ'ব লাগে। সূৰ্য পাছফালে লৈ আৰু অগ্নি আগফালে লৈ সেৱা কৰিব লাগে; কিন্তু স্বামীৰ সেৱা নিষ্কপটভাৱে সকলো প্ৰকাৰে (কায়মনোবাক্য) কৰা উচিত। ২ ॥

মায়া ত্যাগ কৰি (বিষয় ভোগৰ আসক্তি এৰি) পৰলোকত কল্যাণ বাহাৰে সাধনা কৰা যুগুত। তেতিয়াহে এই সংসাৰজনিত সকলো শোক-দুখৰ পৰা নিস্তাৰ পাব পাৰি। হে ভাইসকল! দেহ ধাৰণ কৰি থকাৰ সফলতাও সকলো কামনা এৰি শ্ৰীৰামৰ ভক্তি কৰাতহে। ৩ ॥

গুণ কি বস্তু তেৱেঁই জানে আৰু তেৱেঁই ভাগ্যবান, যি ৰঘুনাথ ৰামৰ চৰণত ভক্তি কৰিছে।" [সুগ্ৰীৱৰ কথা শুনি] প্ৰণাম জনাই আৰু আজ্ঞা লৈ ৰামক সুঁৱৰি সকলো আনন্দ মনেৰে তাৰপৰা গ'ল। ৪ ॥

হনুমানে সকলোৰে পাছত মূৰ দোৱাঁলে। প্ৰয়োজন বুজি প্ৰভু ৰামে তেওঁক ওচৰলৈ মাতি আনি শিৰত কৰকমল থৈ নিজৰ সেৱক বুলি জানি আঙঠি খুলি দিলে আৰু ক'লে—"বহুত প্ৰকাৰে সীতাক বুজাবা আৰু মোৰ বল তথা স্নেহৰ কথা কৈ সোনকালে ঘূৰি আহিবা।" হনুমানে নিজৰ জন্ম সফল হোৱা বুলি ভাবিলে আৰু কৃপাময় ৰামক হৃদয়ত চিন্তা কৰি যাবলৈ ধৰিলে। ৫।৬ ॥

দেৱতাসকলকো যি ৰক্ষা কৰি আছে, সেই প্ৰভুৱে সকলো কথা জানে যদিও ৰাজনীতি ৰক্ষা কৰি দেখুৱালে। ৭ ॥

দোঃ—অৰণ্য, নদী, জলাশয়, পৰ্বত আৰু গহ্বৰত সীতাক বিচাৰি বিচাৰি সকলো বান্দৰ গৈ আছে। তেওঁলোকৰ মন কেৱল ৰাম-কাৰ্যতহে, শৰীৰৰ মমতাও তেওঁলোকে পাহৰি পেলাইছে। ২৩ ॥

চৌঃ—কেতিয়াবা ক'ৰবাত ৰাক্ষসৰ মুখামুখি হয়, তেতিয়া একে চৰতে ৰাক্ষস বধ কৰে। পৰ্বত আৰু হাবিত নানা ধৰণে বিচাৰিছে। কোনোবা মুনি যদি লগ পায়, তেনেহ'লে খবৰ সুধিবৰ কাৰণে গোটেইবোৰে তেওঁক বেঢ়ি ধৰে। ১ ॥

[এবাৰ সকলোৰে] খৰ পিয়াহ লাগিলত তেওঁলোক বৰ আকুল হৈ পৰিল। পানী ক'তো নাই। ডাঠ হাবিত বাটটো হেৰালে। হনুমানে মনতে ভাবিলে—পানী নাখাই এতিয়া যেন সকলো মৰিব খুজিছে। ২ ॥

তেতিয়া তেওঁ পৰ্বতৰ শিখৰলৈ উঠি চাবিওফালে চালে আৰু এঠাইত এটা আৰ্চৰ্যণীয় বস্তু দেখা পালে। এটা গুহাৰ ওপৰত চকোৰা, বগলী আৰু হংস উৰিছে। আন চৰায়ো বহুত তাত প্ৰৱেশ কৰিছে। ৩ ॥

পৱনপুত্ৰ হনুমান পৰ্বতৰপৰা নামি আহিল আৰু সকলোকে লৈ গৈ সেই গুহাৰ মুখ দেখুৱালে। তেওঁলোকেও পলম নকৰি হনুমানক আগত লৈ গুহাৰ ভিতৰত প্ৰৱেশ কৰিলে। ৪ ॥

দোঃ—ভিতৰত সোমাই তেওঁলোকে এখন উত্তম উপবন আৰু এটা জলাশয় দেখা পালে। জলাশয়ত বহুত পদুম ফুলি আছে। তাতে এটা সুন্দৰ মন্দিৰত তপস্যাৰত এগৰাকী নাৰীও আছে। ২৪ ॥

চৌঃ—দূৰৰ পৰাই সকলোৱে তেওঁক নমস্কাৰ জনালে আৰু তেওঁ সোধাত নিজৰ বৃত্তান্তও কৈ শুনালে। তেতিয়া সেই তপস্বিনীয়ে ক'লে—"পানী আৰু নানা তৰহৰ সুন্দৰ ৰসাল ফল খোৱা।" ১ ॥

সকলোৱে স্নান কৰিলে আৰু সুন্দৰ সুন্দৰ ফল খালে। তাৰ পাছত আকৌ সকলোটি তেওঁৰ ওচৰলৈ আহিল। তেওঁ তেতিয়া নিজৰ সকলো কথা ক'লে। আকৌ ক'লে—"ৰঘুনাথ য'ত আছে, তালৈকে এতিয়া মইয়ো যাম। ২ ॥

তোমালোকে চকুমুদি গুহাৰপৰা বাহিৰ হোৱা। সীতাক তোমালোকে পাবা; চিন্তা নকৰিবা।" চকু মুদাৰ পাছত যেতিয়া তেওঁলোকে আকৌ চকু মেলিলে, তেতিয়া সেই বীৰসকলে নিজকে সাগৰৰ তীৰত দেখিবলৈ পালে। ৩ ॥

সেই তপস্বিনী নিজে ৰঘুনাথৰ ওচৰ পালেগৈ আৰু চৰণকমলত সেৱা জনাই নানা প্ৰকাৰে বিনম্ৰ নিবেদন জনালেগৈ। প্ৰভুৱে তেওঁক অনপায়িনী (অপায় বা বিঘিনি ৰহিত) ভক্তি দান কৰিলে। ৪ ॥

দোঃ—ব্ৰহ্মা আৰু মহেশ্বৰে যাৰ চৰণ বন্দনা কৰে, সেই ৰামৰ চৰণ যুগল হৃদয়ত ধৰি আৰু প্ৰভুৰ আজ্ঞা শিৰত লৈ সেই তপস্বিনী (স্বয়ং প্ৰভা) বদৰিকাশ্ৰমলৈ গ'ল। ২৫ ॥

চৌঃ—ইফালে বান্দৰবিলাকেও চিন্তা কৰিবলৈ ধৰিলে যে—সময়ৰ সীমা পালেহি; কিন্তু কাম একো নহ'ল। তেওঁলোকে নিজৰ ভিতৰতে এই বুলি আলোচনা আৰম্ভ কৰিলে—"ভাইহঁত! এতিয়া সীতাৰ খবৰ একো নোহোৱাকৈ কেনেকৈ ঘূৰিম?" ১ ॥

অংগদে চকু চুলচুলীয়া কৰি মাত লগালে—"আমি দুয়ো ফালেই মৰিলোঁ। এফালে সীতাৰ একো খবৰ নাই, ঘূৰি গ'লে বান্দৰৰ ৰজাই মাৰিব। তেওঁতো

পিতাৰ মৃত্যুৰ পাছতেই মোক মাৰিলেহেঁতেন। শ্ৰীৰামচন্দ্ৰইহে মোক ৰাখিলে। ইয়াত সুগ্ৰীৱৰ কোনো অনুগ্ৰহৰ কথা নাই।" অংগদে সকলোকে বাৰে বাৰে ক'বলৈ ধৰিলে যে—মৃত্যু অনিবাৰ্য। তাত সন্দেহ নাই। ২।৩ ॥

বান্দৰ বীৰবিলাকে অংগদৰ কথা শুনি শান্তিৰ পৰা নাই। চকুৰপৰা পানী বৈ গৈছে। অলপ সময়ৰ বাবে সকলোৱেই চিন্তা-মগ্ন হৈ ৰ'ল। তাৰ পাছত সকলোৱে এইদৰে ক'লে—৪ ॥

"হে সুযোগ্য যুৱৰাজ! আমি সীতাৰ বিষয়ে মজমাকৈ উভতি যাবাওঁ এই বুলি লৱণ সমুদ্ৰৰ তীৰলৈ গৈ সকলো বান্দৰ কুশ পাৰি বহি পৰিল" ৫ ॥

জাম্বৱন্তই অংগদৰ দুঃখ দেখি বিশেষভাৱে বুজাই উপদেশ দিবলৈ ধৰিলে—"শ্ৰীৰামক মনুষ্য বুলি নাভাবিবা। তেওঁক নিৰ্গুণ ব্ৰহ্ম, অজেয় আৰু জন্ম ৰহিত বুলি জানিবা। আমি সকলো অত্যন্ত ভাগ্যবান। কিয়নো আমি সদায় সগুণ ব্ৰহ্মৰামৰ প্ৰতি প্ৰীতিভাৱ ৰাখি আছোঁ। ৬।৭ ॥

দোঃ—দেৱতা, পৃথিৱী, গো আৰু ব্ৰাহ্মণৰ কাৰণে তেওঁ নিজ ইচ্ছামতে অৱতীৰ্ণ হয় [কৰ্মফলৰ বাবে তেওঁ জন্ম নধৰে]। সগুণ ব্ৰহ্মৰ উপাসক সকলো মোক্ষ ত্যাগ কৰি সেৱাৰ নিমিত্তে তেওঁৰ সংগত থাকে।" ২৬ ॥

চৌঃ—এইদৰে জাম্বৱন্তই নানা প্ৰকাৰৰ কথা কৈ আছে। তেওঁৰ কথাবোৰ পৰ্বতৰ কন্দৰত থকা সম্পাতিয়ে শুনিলে। বাহিৰলৈ ওলাই আহি দেখে যে—বহুত বান্দৰ! [মাত লগালে—] "ভগৱন্তই মোক আহাৰ দিলে। ১ ॥

আজি এই গোটেইবোৰ খাম। বহুদিন বিনা আহাৰে মাৰিছোঁ। কোনো দিনেই পেট ভৰাই আহাৰ নাপাওঁ। আজিহে বিধতাই একে বাৰতে দিছে।" ২ ॥

সম্পাতি গৃধ্ৰৰ কথা কাণত পৰা মাত্ৰেই সকলোৱে ভয় লাগিল। [তেওঁ-লোকে ভাবিলে—] "সঁচাকৈয়ে মৃত্যু আহিল বুলি আমি জানিলোঁ।" সকলোৱেই সেই পক্ষীক দেখি থিয় হ'ল। জাম্বৱন্তৰ মনতো বিশেষ চিন্তা হ'ল। অংগদে মনতে বিচাৰ কৰি ক'লে—"আহ! জটায়ু পক্ষীৰ সমান কাৰো জীৱন ধন্য হোৱা নাই। তেওঁ ৰামৰ কাৰ্যত নিজে দেহত্যাগ কৰিলে আৰু পৰম ভাগ্যবান জীৱ; ভগৱানৰ পৰম ধামলৈ গতি কৰিলে।" ৩।৪ ॥

এনে হৰ্ষ-বিষাদ মিশ্ৰিত কথা শুনি সেই পক্ষী বান্দৰবোৰৰ ওচৰ চাপিল। বান্দৰবোৰে ভয় পালে; কিন্তু তেওঁলোকক নিৰ্ভয় দি সেই পক্ষীয়ে [জটায়ুৰ কথা] ওচৰলৈ গৈ সুধিলে। তেতিয়া বান্দৰবিলাকে সকলো কথা তেওঁক

কৈ শুনালে। জটায়ুৰে কৃপা কাৰ্যৰ কথা শুনি লৈ সম্পাতিয়েও বহু প্ৰকাৰে ৰামৰ মহিমা বৰ্ণনা কৰিলে। ৫।৬ ॥ [আৰু ক'লে—]

দোঃ—"মোক সাগৰৰ পানীৰ কাষলৈ লৈ যোৱা। মই তেওঁক (জটায়ুক) তিলাঞ্জলি দিওঁ। মই কথাৰে তোমালোকক সহায় কৰিম। যাক বিচাৰিছা পাবা।" ২৭ ॥

চৌঃ—সাগৰৰ তীৰত ভাই জটায়ুৰ কাম কৰি নিজৰ কথা ক'বলৈ সেই পক্ষীয়ে আৰম্ভ কৰিলে—"হে কপিবীৰসকল শুনা। আমি দুয়ো ভাই উঠি অহা ডেকা কালত আকাশেদি উৰা মাৰি সূৰ্যৰ ওচৰ চাপিলোঁ। ১ ॥

সূৰ্যৰ তেজ সহিব নোৱাৰি তেওঁ ঘূৰি আহিল; কিন্তু অভিমানী মই আৰু আগ বাঢ়িলোঁ। তেতিয়া অপৰিমিত তাপত মোৰ পাখি জ্বলিবলৈ ধৰিলে। মই ডাঙৰকৈ চিঞৰ মাৰি (চিৎকাৰ কৰি) মাটিত পৰিলোঁহি। ২ ॥

চন্দ্ৰমা নামে এজন মুনিৰ মোক দেখি দয়া উপজিল। তেওঁ বহু-প্ৰকাৰে মোক জ্ঞানৰ উপদেশ দিলে আৰু দেহজনিত অভিমানৰপৰা মুক্ত কৰিলে। ৩ ॥

[মুনিয়ে ক'লে—] 'ত্ৰেতা যুগত ব্ৰহ্মই (পৰমাত্মাই) মনুষ্য শৰীৰ ধাৰণ কৰিব আৰু তেওঁৰ পত্নীক ৰাক্ষস ৰজাই হৰি লৈ যাব। পত্নীক বিচাৰি প্ৰভুৱে দূত পঠিয়াব, তেওঁলোকক লগ পালে তুমি পবিত্ৰ হ'বা। ৪ ॥

চিন্তা নকৰিবা। তোমাৰ পাখি গজি উঠিব আৰু তেওঁলোকক তুমি সীতাৰ বাৰ্তাৰ দিবা।' মুনিৰ কথা আজি সত্য হৈছে। এতিয়া মোৰ কথা শুনি তোমালোকে প্ৰভুৰ কাম কৰা। ৫ ॥

ত্ৰিকূট পৰ্বতৰ ওপৰত লংকা আছে। তাত স্বভাৱতে নিৰ্ভীক ৰাৱণ থাকে আৰু [সেই ৰাৱণৰ] অশোক নামৰ উপবন আছে। চিন্তামগ্ন হৈ সীতাও তাতে বহি আছে। ৬ ॥

দোঃ—তোমালোকে নেদেখা, মই দেখিছোঁ; গৃধসকলৰ দৃষ্টি শক্তি বৰ বেছি। বুঢ়া নোহোৱা হ'লে, তোমালোকক কিছু সহায় কৰিলোঁহেঁতেন। ২৮ ॥

চৌঃ—যি এশ যোজন (আঠ শ মাইল) সমুদ্ৰ পাৰ হ'ব পাৰিব আৰু অতি বুদ্ধিমান, তেৱেঁই ৰামৰ কাম সমাধা কৰিব পাৰিব। এতিয়া মোলৈকে চাই তোমালোকে ধৈৰ্য ধৰা। ৰামৰ কৃপাত মোৰ শৰীৰ কেনে হৈছে চোৱা। [ইতিমধ্যে সম্পাতিৰ গাত পাখি গজিবলৈ আৰম্ভ কৰিছিল] ১ ॥

যাৰ নাম স্মৰণ কৰি পাপীও অপাৰ সংসাৰ-সাগৰ তৰিব পাৰে, তোমালোক

তেওঁবে মৃত। গতিকে কাপুৰুষালি বা দুৰ্বলতা ত্যাগ কৰি অৱলম্বে বাঁচিবৰ উপায় কৰা।" ২ ॥

[কাক ভূশুণ্ডীয়ে ক'লে—] "হে গৰুড়! এই যুক্তি কৈ যেতিয়া গৃধ্ৰশ্ৰেষ্ঠ সম্পাতি উৰাআৰি গুচি গ'ল, তেতিয়া তেওঁলোকৰ মনত বৰ বিস্ময় ভাব উপজিল। তাৰ পাছত সকলোৱে নিজ নিজ বলৰ কথা ক'লে; কিন্তু সমুদ্ৰ অতিক্ৰম কৰাৰ ক্ষেত্ৰত সকলোৱেই সন্দেহ প্ৰকাশ কৰিলে।" ৩ ॥

ঋক্ষৰাজ জাম্বৱন্তই ক'লে—"মই বুঢ়া হ'লোঁ। শৰীৰত আগৰ নিচিনা বল অলপো নাই। যেতিয়া খৰাৰি ৰামে বামন ৰূপ ধৰিছিল, তেতিয়া মই উঠি অহা ডেকা আছিলোঁ আৰু বৰ বলী আছিলোঁ। ৪ ॥

দোঃ—বলিক বান্ধিবৰ সময়ত প্ৰভুৰ শৰীৰ এনেদৰে বাঢ়িছিল যে তাৰ বৰ্ণনা দিব নোৱাৰি; কিন্তু মই দুঘণ্টা সময়তে লৰি লৰি তেওঁক সাতবাৰ প্ৰদক্ষিণ কৰিলোঁ।" ২৯ ॥

চৌঃ—অংগদে ক'লে—"মই পাৰতো হ'ব পাৰিম; কিন্তু আকৌ ঘূৰি অহা বাবদে কিছু সন্দেহ হয়।" জাম্বৱন্তই ক'লে—"তুমি সকলো প্ৰকাৰে যোগ্য, কিন্তু তুমি সকলোৰে নেতা; সেই বাবে তোমাক কেনেকৈ পঠাওঁ? (পঠাব নোৱাৰি)।" ১ ॥

ঋক্ষৰাজ জাম্ববানে ক'লে—"শুনা হনুমান! তুমি বলবান হৈ কিয় মনে মনে আছা? তুমি পৱনপুত্ৰ আৰু বলতো পৱনৰ সমান। বুদ্ধি, বিবেক আৰু অভিজ্ঞতাও তোমাৰ বহুত। ২ ॥

তুমি কৰিব নোৱাৰা টান কাম জগতত কি আছে? শ্ৰীৰামৰ কাৰ্য সাধনৰ কাৰণেই তুমি অৱতাৰ হৈছা।" এই কথা শুনিয়েই হনুমান পৰ্বত যেন বিশালকায় হৈ পৰিল। ৩ ॥

তেওঁৰ শৰীৰৰ বৰণ সোণ যেন আৰু তেজোময় হৈ পৰিল। হনুমান আন এজন পৰ্বতৰাজহে যেন উপস্থিত হ'ল। তেওঁ বাৰে বাৰে সিংহনাদ কৰি ক'লে—"মই এই খাৰুৱা সাগৰখন খেলালিতেই পাৰ হ'ব পাৰোঁ। ৪ ॥

সহায়ক সকলেৰে সৈতে ৰাৱণক মাৰি ত্ৰিকূট পৰ্বতটো ইয়ালৈ দাঙি আনিব পাৰোঁ। হে জাম্বৱন্ত! মই তোমাক সুধিছোঁ। মই কি কৰিব লাগে উচিত উপদেশ দিয়া।" ৫ ॥

[তেতিয়া জাম্বৱন্তই ক'লে—] "তুমি গৈ ইমানকে কৰা যে সীতাক চাই আহি তেওঁৰ খবৰ দিয়া। তাৰ পাছৰ কামখিনি কমললোচন শ্ৰীৰামে নিজৰ

যাহ যত্নেৰেই কৰিব। ধেমালি মেঘনাদৰ কাৰণেহে বানৰ-সেনা লগত ল'ব।"

ছন্দঃ—বানৰ-সেনা লগত লৈ ৰাক্ষস সংহাৰ কৰি ৰামে সীতাক আনিব। তেতিয়া দেৱতা আৰু নাৰদাদি মুনিসকলে তিনিওলোকক পবিত্ৰ কৰা [ভগৱান ৰামৰ] গুণ-যশ বখানি গাব। যাক শুনি, গাই, কৈ আৰু উপলব্ধি কৰি মানুহে পৰমপদ লাভ কৰিব পাৰে, তাকে ৰঘুবীৰ ৰামৰ চৰণকমলৰ মধুকৰ তুলসী দাসে গাইছে।

দোঃ—[জন্ম-মৰণাদি ক্লেশপূৰ্ণ] সংসাৰ-ৰোগৰ ঔষধ ৰঘুনাথৰ যশ-গুণসমূহ যিসকল নৰ-নাৰীয়ে শুনে, ত্ৰিশিৰাৰি (ত্ৰিশিৰা ৰাক্ষসক বধ কৰা শ্ৰীৰাম) য়ে তেওঁলোকৰ সকলো মনোবাঞ্ছা সিদ্ধি কৰিব। ৩০ ক ॥

সোঃ—নীলোৎপলৰ দৰে শ্যাম বৰ্ণযুক্ত যাৰ তনু কোটিজন কামদেৱতকৈয়ো অধিক সুশোভিত, যাৰ নাম পাপৰূপী পক্ষীসমূহক বধ কৰিবৰ কাৰণে ব্যাধ সদৃশ, সেই শ্ৰীৰামচন্দ্ৰৰ [লীলাযুক্ত] গুণ-যশ শুনিব লাগীয়া। ৩০ খ ॥

শ্ৰীৰামচৰিত মানস

সুন্দৰকাণ্ড

শ্লোক : শান্ত (শান্তিপূৰ্ণ), শাশ্বত, প্ৰমাণৰ অতীত, পাপৰহিত (নিৰ্দোষ), মোক্ষ স্বৰূপ শান্তি প্ৰদানকাৰী, ব্ৰহ্মা, শিৱ আৰু অনন্তনাগৰ দ্বাৰা সৰ্বদা সেৱিত, বেদান্ত-প্ৰতিপাদ্য, সৰ্বব্যাপক, কৰুণাময় দেৱতাসকলৰ ভিতৰত শ্ৰেষ্ঠ, মায়াৰ দ্বাৰা মনুষ্যৰূপত প্ৰকাশ পোৱা, ৰঘুবংশ আৰু ৰজাসকলৰ মাজত শ্ৰেষ্ঠ ৰাম নামে প্ৰসিদ্ধ জগদীশ্বৰ হৰিক বন্দনা কৰোঁ । ১ ॥

আপুনি সকলোৰে অন্তৰাত্মা (সেইবাবে সকলোৰে অন্তৰৰ কথা জানেই) আৰু মই সঁচাকৈয়ে কৈছোঁ । হে ৰঘুনাথ ! মোৰ হৃদয়ত আন একো স্পৃহা নাই । হে ৰঘুশ্ৰেষ্ঠ ! মোক একান্ত ভক্তি (নিৰ্ভৰা ভক্তি) দান কৰক আৰু মোৰ মনক কামাদি দোষৰপৰা মুক্ত কৰক । ২ ॥

অতুলবলশালী, সোণৰ পৰ্বত যেন শোভাযুক্ত (সুমেৰু পৰ্বত যেন উজ্জ্বল), দেহধাৰী, দৈত্যৰূপী অৰণ্যৰ দাহক অগ্নিস্বৰূপ, জ্ঞানীসকলৰ ভিতৰত অগ্ৰগণ্য, সকলো গুণৰ অধিকাৰী, বান্দৰসকলৰ অধিপতি, ৰঘুপতি ৰামৰ প্ৰিয়ভক্ত, বায়ুপুত্ৰ (হনুমান)ক নমস্কাৰ । ৩ ॥

দোঃ—জাম্বৱন্তৰ কথা শুনি হনুমন্তই মনতে অতি সন্তোষ পালে । [তেওঁ ক'লে—] হে বন্ধুসকল ! মই বৰ সন্তোষ পাইছোঁ । কাম নিশ্চয় হ'ব । গতিকে যেতিয়ালৈকে মই সীতা আইক দেখা কৰি ঘূৰি নাহোঁ, তেতিয়ালৈকে দুঃখ সহ্য কৰি ফল-মূল খাই মোলৈ বাট চাই থাকিবা । এই বুলি কৈ সকলোৰে আগত নতমস্তক হৈ আৰু হৃদয়তে ৰঘুনাথক ভাবি আনন্দ মনেৰে তেওঁ গ'ল । ১।২ ॥

সাগৰৰ দাঁতিত এটা সুন্দৰ পৰ্বত আছিল । উৎসাহেৰে জাপ মাৰি অতি বলবান হনুমান তাত উঠিল আৰু বাৰে বাৰে ৰঘুনাথক স্মৰণ কৰি তেওঁ লাফ মাৰি আকাশেদি যাবলৈ ধৰিলে । ৩ ॥

বিটো পৰ্বতত যোগ দি হনুমানে এইদৰে যাত্ৰা কৰিলে, সেই পৰ্বতটো তেতিয়াই পাতাললৈকে বহি গ'ল। ৰঘুপতিৰ অমোঘ বাণ যেনেকৈ আগবাঢ়ি যায় হনুমানো তেনেকৈয়ে বাবলৈ ধৰিলে। ৪ ॥

সাগৰে তেওঁক ৰঘুপতিৰ দূত বুলি বুজি মৈনাক পৰ্বতক হনুমানৰ ভাগৰ মাৰি জিৰণি লবৰ কাৰণে মাজ বাটতে ওলাবলৈ ক'লে। ৫ ॥

দোহাঃ—হনুমানে সেই পৰ্বতক হাতেৰে স্পৰ্শ কৰি প্ৰণাম জনাই ক'লে— "শ্ৰীৰামৰ কাৰ্য সম্পন্ন নোহোৱালৈকে মোৰ জিৰণি ক'ত ?" ১ ॥

চৌঃ—দেৱতাসকলে পৱন পুত্ৰক যোৱা দেখি তেওঁৰ বল-বুদ্ধিৰ পৰীক্ষা ল'বৰ মনেৰে সুৰসা নামে সৰ্পৰ মাতৃক পঠিয়ালে। সুৰসাই ক'লে—"দেৱতা-সকলে আজি মোক আহাৰ দিছে।" এইকথা শুনি পৱনপুত্ৰ হনুমানে উত্তৰ দিলে—"ৰামৰ কাম কৰি মই ঘূৰি আহোঁ আৰু সীতাৰ খবৰ প্ৰভুক শুনাওঁ। ১।২ ॥

হে আই! মই সঁচা কথা কৈছোঁ। তাৰ পাছত মই তোমাৰ মুখত সোমাবহি। এতিয়া মোক বাবলৈ দিয়াঁ।" যেতিয়া কোনো মতেই তেওঁক বাবলৈ নিদিয়া হ'ল, তেতিয়া হনুমানে ক'লে—"তেনেহ'লে মোক খাই পেলোৱাঁ।" ৩ ॥

সুৰসাই মুখখন এক যোজন বহলকৈ মেলিলে। কপি হনুমানে নিজক তাৰ দুগুণ কৰিলে। সুৰসাই মুখখন ষোল যোজন কৰিলে। হনুমানেও নিজক তৎক্ষণাৎ বত্ৰিশ যোজন ডাঙৰ কৰিলে। ৪ ॥

সুৰসাই মুখ বিমান ডাঙৰকৈ মেলে হনুমানে সিমানেই নিজক তাৰ দুগুণ কৰি যায়। শেষত সুৰসাই এশযোজন বহলকৈ মুখ মেলিলে। তেতিয়া তৎক্ষণাতেই হনুমানে অতি ক্ষুদ্ৰ ৰূপ ধৰি মুখত সোমাই বাহিৰ ওলাই গ'ল আৰু তেওঁক নমস্কাৰ কৰি বিদায় ল'লে। [তেতিয়া সুৰসাই ক'লে—] "মই তোমাৰ বুদ্ধি আৰু বলৰ প্ৰমাণ পালোঁ। মোক দেৱতাসকলে এই কাৰণেই পঠিয়াইছিল। ৫।৬ ॥

দোঃ—তুমি শ্ৰীৰামচন্দ্ৰৰ সকলো কাৰ্য কৰিব পাৰিবা, কিয়নো তুমি বল-বুদ্ধি সকলোৰে অধিকাৰী।" এইবুলি আশিস্ বাক্য শুনাই সুৰসা গুচি গ'ল। হনুমানো উৎসাহেৰে বাবলৈ ধৰিলে। ২ ॥

চৌঃ—সমুদ্ৰত এজনী ৰাক্ষসী আছিল। আকাশেদি উৰি যোৱা চৰাইবোৰ তাই মায়াৰ বলেৰে ধৰি খায়। আকাশত বিদোৰ জীৱ-জন্তু উৰি যায়,

সেইবোৰৰ ছাঁটো ধৰিয়েই সিহঁতক তাই উৰিব নোৱাৰা কৰে। [উৰিব নোৱাৰি তললৈ সৰি পৰিলে তাই খাই পেলায়] এইদৰেই তাই সদায় আকাশেদি উৰি যোৱা প্ৰাণী ধৰি খায়। তাই এই কৌশলকে হনুমানৰ কাৰণেও কৰিলে; কিন্তু হনুমানে এই কপট কৌশল বুজি পালে। ১।২ ॥

ধীৰ বুদ্ধিৰ বীৰ হনুমানে তাইক মাৰি সাগৰৰ পাৰত উঠিল। তাত তেওঁ বনৰ শোভা দেখিলে। ফুলত থকা মৌৰ লোভত ভোমোৰাই গুণগুণাইছে। অনেক শ্ৰেণীৰ গছ ফলে-ফুলে সুন্দৰ হৈ আছে। পশু-পক্ষী দেখিও মন ভাল লাগিল। তাৰ পাছত সমুখতে এটা ওখ পৰ্বত দেখি হনুমান নিৰ্ভয় মনেৰে তাত লৰ মাৰি উঠিল গৈ। ৩।৪ ॥

[শিৱই ক'লে—] "হে উমা! ইয়াত কপি হনুমানৰ একো মহত্ব নাই। এইটো প্ৰভুৰ প্ৰতাপহে; যি কালকো গ্ৰাস কৰে।" পৰ্বতত উঠি হনুমানে লংকা দেখা পালে। অতি বিশিষ্ট সেই লংকা দুৰ্গটোৰ বৰ্ণনা দিব নোৱাৰি। ৫ ॥

সি অতি ওখ; চাৰিওফালে সাগৰ আৰু সোণৰ দেৱালো চাৰিও ফালে জিলিকি আছে। ৬ ॥

ছন্দঃ—সোণৰ দেৱালতে বিচিত্ৰ মণি মাজে মাজে লগোৱা আছে। সেই দেৱালৰ ভিতৰত বহুত সুন্দৰ সুন্দৰ ঘৰ আছে। চাৰি আলি, বজাৰ, ধুনীয়া আলি আৰু গলিৰে (উপপথেৰে) সুসজ্জিত নগৰ দেখা গ'ল। হাতী, ঘোঁৰা, খচ্চৰৰ জুম আৰু পদাতি তথা ৰথসমূহৰ গণনা কোনে কৰিব পাৰে? অনেক আকৃতিৰ ৰাক্ষসৰ দল আৰু অতি বলশালী সৈন্যসমূহৰো বৰ্ণনা কৰিব নোৱাৰি। ১ ॥

হাবি, বাৰী, বাগিচা, ফুলনি, জলাশয়, পুখুৰী, কুঁৱা আদিও তাৰ মাজত শোভা পাইছে। মনুষ্য, নাগ, দেৱতা, আৰু গন্ধৰ্ব কন্যাবোৰো মুনি-মনমোহিনী। কোনো কোনো ঠাইত পৰ্বত যেন বিশালকায় আৰু অত্যন্ত বলবান মালবোৰে গৰ্জন কৰিছে। সিহঁতৰ বহুতেই ব্যায়ামশালাত নানা ধৰণে যুঁজ কৰিছে আৰু এটাই আন এটাক প্ৰত্যাহ্বান জনাইছে। ২ ॥

ভয়ংকৰ আকাৰৰ কোটি কোটি সেনাই বহুত যত্নেৰে নগৰখন চাৰিও ফালে ৰক্ষা কৰি আছে। কোনো কোনো ঠাইত দুষ্ট ৰাক্ষসে ম'হ, মানুহ, গৰু, গাধ আৰু ছাগলি ধৰি খাইছে। তুলসীদাসে এইবোৰৰ কথা সাধাৰণভাৱে এই কাৰণেই বৰ্ণনা কৰিছে যে—ৰঘুবীৰৰ বাণৰূপী তীৰ্থত দেহত্যাগ কৰি এওঁলোকেও নিশ্চিতভাৱে পৰমগতি লাভ কৰিব। ৩ ॥

সো:—নগৰ-ৰখীয়াৰ সংখ্যা বহুত দেখি হনুমানে মনতে ঠিক কৰিলে যে—"অতি সৰু ৰূপ ধৰি ৰাতি নগৰৰ ভিতৰত সোমাম।" ৩ ॥

চৌ:—হনুমানে মহ এটাৰ সমান ক্ষুদ্ৰ ৰূপ ধৰি নৰৰূপী হৰি ৰামক সুঁৱৰি লংকাত সোমাব খুজিলে। [দুৱাৰত] লংকিনী নামৰ ৰাক্ষসীয়ে ক'লে—"মোক আওকাণ কৰি ক'লৈ যাব? ১

হেৰ মূৰ্খ! তই মোক চিনি নাপাৱ? বিমানবোৰ চোৰ আছে, সেই সকলো মোৰ আহাৰ।" মহাকপি হনুমানে তাইক এটা ঢোঁচা মাৰিলে। তাই তেজ বমিয়াই মাটিত ঢলি পৰিল। ২ ॥

তাৰ পাছত নিজক কিছু চম্ভালি লৈ লংকিনী উঠিল আৰু তাই হাতযোৰ কৰি ভয়ে ভয়ে বিনীতভাৱে ক'লে—"ৰাৱণক বৰ দি যাবৰ সময়ত ব্ৰহ্মাই মোক [ৰাক্ষস বিনাশৰ] এই চিনৰ কথা কৈছিল। ৩ ॥

যেতিয়া তই বান্দৰৰ প্ৰহাৰত বিকল হৈ পৰিবি, তেতিয়া ৰাক্ষসবোৰৰ ধ্বংসৰ দিন আহিল বুলি বুজিবি। হে প্ৰভু! মোৰ বৰ পুণ্য যে—ৰামচন্দ্ৰৰ দূত মই নিজ চকুৰে দেখিবলৈ পালোঁ। ৪ ॥

দো:—হে প্ৰভু! স্বৰ্গ আৰু মোক্ষৰ সকলো সুখ যদি তুলাৰ এফালে ৰখা যায়, তথাপি সেই সকলো মিলিও, আনফালে ৰখা ক্ষন্তেক সময়ৰ সৎ সংগৰ সুখৰ সমান হ'ব নোৱাৰে। ৪ ॥

চৌ:—কোশলপুৰৰ (অযোধ্যাৰ) ৰজা ৰামক হৃদয়ত লৈ নগৰত প্ৰৱেশ কৰি সকলো কাম কৰি যাওক।' [কাকভুশুণ্ডীয়ে গৰুড়ক ক'লে—] "হে গৰুড়! ৰামে যাৰ প্ৰতি মাত্ৰ এবাৰ কৃপা দৃষ্টি কৰিলে, তেওঁৰ কাৰণে বিষ অমৃত হয়, শত্ৰু মিত্ৰ হয়, সমুদ্ৰ গোখুৰ জলসদৃশ হয়, অগ্নি শীতল হৈ পৰে, সুমেৰু পৰ্বত ধূলিকণা যেন লঘু হয়। লংকিনীৰ কথা শুনি হনুমানে অতি ক্ষুদ্ৰ আকাৰ ধাৰণ কৰিলে আৰু ভগৱানক স্মৰণ কৰি নগৰত প্ৰৱেশ কৰিলে। ১।২ ॥

এটা এটাকৈ সকলো ঘৰতে বিচাৰিলে। য'তে-ত'তে অসংখ্য যোদ্ধা দেখা পালে। দশানন ৰাৱণৰ মহললৈকো গ'ল। সেইটো অতি বিচিত্ৰ; বৰ্ণনাৰ অতীত। ৩ ॥

* হনুমানে ৰাৱণক শুই থকা অৱস্থাত দেখিলে। সেই ঘৰৰ ভিতৰত বৈদেহীক দেখা নাপালে। আৰু এটা সুন্দৰ ঘৰ দেখা গ'ল। তাত সুকীয়া 'হৰিমন্দিৰ' সজা আছে। ৪ ॥

দোঃ—ৰামায়ুধ অংকিত (ৰামৰ ধনুশৰৰ চিত্ৰ থকা) সেই মন্দিৰৰ শোভা অবর্ণনীয়। তাত নতুন নতুন তুলসী গছবোৰ দেখি কপিৰাজ হনুমানে আনন্দ লাভ কৰিলে। ৫ ॥

চৌঃ—লংকাতো ৰাক্ষসবোৰৰ বাসস্থান। ইয়াত সজ্জনৰ বাস কেনেকৈ হৈছে? এইবুলি হনুমানে মনতে বিচাৰ কৰিবলৈ ধৰিলে। তেনে সময়তে বিভীষণে সাৰ পালে। ১ ॥

তেওঁ 'ৰাম ৰাম' স্মৰণ কৰিলে। হনুমানে তেওঁক সজ্জন বুলি জানি হর্ষ লাভ কৰিলে আৰু ভাবিলে, "এওঁৰ পৰিচয় যেনেতেনে ল'ব লগীয়া হ'ল। সাধুৰপৰা কেতিয়াও কার্যত বিঘিনি নঘটে।" ২ ॥

হনুমানে বিপ্ৰৰূপ ধাৰণ কৰি মাত লগালে। মাত শুনি বিভীষণ তালৈকে উঠি আহিল। তেওঁ প্ৰণাম জনাই কুশলবার্তা লোৱাৰ উদ্দেশ্যে সুধিলে—"হে বিপ্ৰ! আপোনাৰ কথা বুজাই কওকচোন। ৩ ॥

কি আপুনি হৰিভক্তসকলৰ ভিতৰৰ কোনোবা এজন? যি বাবে আপোনাক দেখি মোৰ মনত অত্যন্ত সন্তাৱ উপজিছে। নাইবা আপুনি দীনহীনসকলৰ হিতকাৰী স্বয়ং ৰামেই মোক সৌভাগ্যশালী কৰিবলৈ উপস্থিত হৈছেহি।" ৪ ॥

দোঃ—তেতিয়া হনুমন্তই ৰামৰ সকলো কথা আৰু নিজৰ নাম ক'লে। শুনাৰ লগে লগেই দুয়োজনৰে শৰীৰ পুলকিত হৈ পৰিল আৰু ৰামৰ গুণ স্মৰণ কৰি মনটোও প্ৰেমত মগ্ন হ'ল। ৬ ॥

চৌঃ—"হে পৱন-পুত্ৰ! মই (বিভীষণ) কেনেকৈ আছোঁ শুনক। দুপাৰি দাঁতৰ মাজত বেচেৰী জিভা থকাৰ দৰে মই ইয়াত আছোঁ। হে মিত্ৰ! মোক অনাথ বুলি জানি সূর্যকুলৰ নাথ শ্ৰীৰামে কি মোকো কেতিয়াবা কৃপা কৰিব? ১ ॥

তামস দেহাৰে* সাধনাও কৰা নাই, ভগৱানৰ পাদপদ্মৰ প্ৰীতিও মনত নাই। তথাপি এতিয়া মোৰ বিশ্বাস হৈছে যে—হে হনুমান! ভগৱানৰ মোৰ প্ৰতি কৃপা উপজিছে। কিয়নো হৰিকৃপা নহ'লে সন্তৰ সংগ লাভ নহয়। ২ ॥

ৰঘুনাথৰ কৃপা হোৱা কাৰণেহে আপুনি নিজে আহি মোক দর্শন দিছে।" [হনুমানে ক'লে—] "হে বিভীষণ! শুনক। প্ৰভুৰ এইটো ৰীতিয়েই যে—তেওঁ সেৱকক সদায় অনুগ্ৰহ কৰিব। ৩ ॥

মইনো কি বৰ কুলীন! সকলো প্ৰকাৰে হীন চঞ্চল বান্দৰ। পুৱাই যি আমাৰ (বান্দৰৰ) নাম লয়, সি সেইদিনা খাবলৈ নাপায় (অমংগলীয়া) ৪ ॥

* তামস—অহংকাৰজনিত পাঞ্চভৌতিক দেহা।

দোঃ—হে মিত্ৰ! শুনক মই এনেকুৱা অধম হোৱা সত্ত্বেও মোৰ প্ৰতি তেওঁৰ অনুগ্ৰহহে হ'ল।" এই বুলি গুণ স্মৰণ কৰা বাবে তেওঁৰ চকু দুটা পানীৰে চলচলীয়া হৈ আহিল। ৫॥

চৌঃ—জানি-শুনিও যি এনে প্ৰভুক পাহৰি [বিষয় ভোগৰ উদ্দেশ্যে] ঘূৰি ফুৰে, সি দুখৰ ভাগী কিয় নহ'ব? এইদৰে শ্ৰীৰামৰ গুণ-যশৰ কথা কৈ হনুমানে অনিৰ্বচনীয় শান্তি লাভ কৰিলে। ১॥

তাৰ পাছত জনকনন্দিনী কেনেকৈ তাত আছে, সেই সকলো কথা বিভীষণে শুনালে। তেতিয়া হনুমন্তই ক'লে—"হে বন্ধু! মই জানকী আইক দৰ্শন কৰিবলৈ ইচ্ছা কৰোঁ।" ২॥

তেতিয়া বিভীষণে তাৰ সকলো উপায়-বুদ্ধি হনুমন্তক দিলে। হনুমানেও বিদায় লৈ গ'ল। তেওঁ আকৌ [মহটো যেন অতি ক্ষুদ্ৰ] আগৰ ৰূপটো ধাৰণ কৰি সীতা থকা অশোক বন পালেগৈ। ৩॥

সীতাক দেখা পাই তেওঁ মনতে প্ৰণাম জনালে। তেওঁ (সীতাই) বহি বহিয়েই ৰাতিৰ চাৰিও পৰ কটাইছে। শৰীৰ দুৰ্বল হৈ পৰিছে। মূৰত জটাৰে বেণী এডাল হৈছে। হৃদয়ত ৰঘুনাথৰ গুণাৱলীৰ জপ কৰি আছে। ৪॥

দোঃ—তেওঁ যেন চকু দুটাৰে নিজৰ চৰণলৈ চাই আৰু মনটো ৰামৰ পদ-কমলত মিলাই দিছে। সীতাক দুখত থকা দেখি হনুমানেও মনতে বৰ কষ্ট পালে।

চৌঃ—হনুমান গছৰ পাতৰ আঁৰত লুকাই থাকিল আৰু তেতিয়া তেওঁ মনে মনে এইদৰে বিচাৰ কৰিবলৈ ধৰিলে—"কি কৰোঁ? (এওঁৰ দুখ দূৰ কৰিবৰ কাৰণে কি উপায় কৰা যায়?) এনেতে বহুত স্ত্ৰী লগত লৈ সাজি-কাচি ৰাৱণ তালৈ আহিল। ১॥

সেই দুষ্টই সীতাক বহু প্ৰকাৰে বুজালে। সাম, দান, ভয় আৰু ভেদ নীতিও দেখুৱালে। ৰাৱণে ক'লে—"হে সুমুখী! হে বুদ্ধিমতী! শুনা। মন্দোদৰী আদি সকলো ৰাণীকে মই তোমাৰ দাসী কৰি দিম। এইটো মোৰ প্ৰতিজ্ঞা। তুমি এবাৰ মোৰ ফালে চোৱাচোন।" বৈদেহীয়ে তেতিয়া নিজৰ পৰমস্নেহী অযোধ্যাপতি ৰামক সুঁৱৰি গছ-পাতৰ আঁৰ লৈ ক'বলৈ ধৰিলে—২। ৩॥

"শুন দশানন! জোনাকী পৰুৱাৰ পোহৰত কেতিয়াবা পদুম ফুলে জানো?" আকৌ ক'লে—"হেৰ' দুষ্ট! তই এইদৰেই বুজি ল যে—ৰঘুবীৰৰ বাণ কি বস্তু তই জনা নাই। হেৰ' শঠ বুদ্ধি! কোনো নথকাত পাই তই মোক হৰণ কৰি আনিছ। নিৰ্লজ্জ অধম! তোৰ লাজ নাই।" ৪। ৫॥

দোঃ—নিজক জোনাকী পৰুৱা আৰু ৰামক সূৰ্যৰ লগত তুলনা কৰা কঠোৰ বাক্য শুনি ৰাৱণে তৰোৱাল উলিয়াই অতি খঙেৰে ক'লে। ৯ ॥

চৌঃ—"সীতা! তই মোক অপমান কৰিছ। মই তোৰ মূৰ এই তীক্ষ্ণ তৰোৱালেৰে কাটি পেলাম। নহ'লে এতিয়াও শীঘ্ৰেই মোৰ কথা মানি ল'। নেযে যদি নহয়, হে সুন্দৰী! তোমাৰ জীৱন ৰক্ষা নপৰিব।" ১ ॥

[সীতাই ক'লে—] "দশগ্ৰীৱ! হাতীৰ শুঁড়ৰ দৰে কোমল আৰু নীলপদ্মৰ মালাৰ দৰে সুন্দৰ প্ৰভুৰ হাতেই মোৰ ডিঙিত পৰক, নেযে নহ'লে [মোৰ ডিঙিত] তোৰ নিষ্ঠুৰ তৰোৱালেই পৰক। শুন দুষ্ট! এয়ে মোৰ প্ৰকৃত পণ।" ২ ॥

সীতাই ক'লে—"হে চন্দ্ৰহাস! (ৰাৱণৰ তৰোৱাল) ৰঘুপতিৰ বিৰহত মোৰ হৃদয়ত জ্বলি উঠা জুইৰ তাপ তুমি দূৰ কৰা। তোমাৰ ধাৰ শীতল, তীক্ষ্ণ আৰু শ্ৰেষ্ঠ। তুমি মোৰ দুঃখৰ ভাৰ হৰণ কৰা।" ৩ ॥

সীতাৰ কথা শুনি ৰাৱণে আকৌ মাৰিবলৈ খেদি গ'ল। মন্দোদৰীয়ে নীতিৰ কথা কৈ ৰাৱণক বুজালে। তেতিয়া ৰাৱণে সকলো ৰাক্ষসীনীকে মাতি ক'লে, "তহঁতে সীতাক নানা প্ৰকাৰে ভয় দেখুৱাব গৈ। যদি এমাহ দিনৰ ভিতৰত মোৰ কথা মানি নলয়, তেনেহ'লে মই তাইক তৰোৱালেৰে কাটি পেলাম।" ৪।৫ ॥

দোঃ—এইদৰে কৈ ৰাৱণ নিজ ভৱনলৈ গ'ল। ইফালে ৰাক্ষসীবোৰেও বহুত ভয়ানক ৰূপ ধাৰণ কৰি সীতাক ভয় দেখুৱাবলৈ ধৰিলে। ১০ ॥

ৰামৰ ভক্তিত নিপুণ আৰু বিবেকী ত্ৰিজটা নামে এজনী ৰাক্ষসী আছিল। তাই আন সকলো ৰাক্ষসীকে মাতি সপোনৰ কথা শুনালে আৰু ক'লে—"সীতাৰ সেৱা কৰি নিজ হিতসাধন কৰ। ১ ॥

সপোনত দেখিছোঁ, বান্দৰে লংকা জুই লগাই পুৰিলে আৰু ৰাক্ষস-সেনাবোৰ মাৰি পেলালে। ৰাৱণ নাঙঠ হৈ গাধৰ ওপৰত উঠি গৈছে; তেওঁৰ চুলি খুৰুৱা আৰু বিশখনহাত কটা। ২ ॥

এইদৰে তেওঁ দক্ষিণ দিশলৈ গৈছে। লংকা বিভীষণে পাইছে। নগৰত ৰামচন্দ্ৰৰ আদেশ ঘোষণা কৰা হৈছে আৰু প্ৰভুৱামে সীতাক মাতি পঠিয়াইছে। ৩ ॥

মই কৈছোঁ, এই সপ্ন দুই-চাৰি দিনতে ফলিয়াব।" তাইৰ কথা শুনি সেই সকলো ৰাক্ষসীয়ে ভয় খালে আৰু সীতাৰ ভৰিত ধৰিবলৈগৈ। ৪ ॥

দোঃ—তাৰ পাছত ৰাক্ষসীবোৰ যেনিয়ে তেনিয়ে গ'ল আৰু সীতাই তেতিয়া

মনে মনে ভাবিবলৈ ধৰিলে,—"এমাহ দিন পাৰ হৈ গ'লে নীচ ৰাক্ষসে মোক মাৰিব।" ১১ ॥

চৌঃ—হাতযোৰ কৰি সীতাই ত্ৰিজটাক ক'লে—"হে আই! তুমি মোৰ বিপদৰ সংগিনী। মই বিৰহ সহিব নোৱাৰা হৈছোঁ। এতিয়া মোক এই দেহ ত্যাগ কৰিবৰ কাৰণে সোনকালে এটা উপায় দিয়া। ১ ॥

কাঠ আনি চিতা সজাই দিয়া। তাৰ পাছত হে আই। তুমি তাত জুই লগাই দিয়াঁ। হে বুদ্ধিমতী! তুমি মোৰ প্ৰিয় কাৰ্যক সত্য ৰূপ দিয়া। শূলে ফুটাদি কুটা ৰাৱণৰ কথা কাণেৰে কোনে শুনে?" ২ ॥

সীতাৰ কথা শুনি ভৰিত ধৰি [ত্ৰিজটাই] বুজালে। প্ৰভুৰ প্ৰতাপ, বল আৰু গুণ-যশৰ কথা শুনাই ত্ৰিজটাই ক'লে—"হে সুকুমাৰী! শুনা। এই ৰাতি জুই পাবলৈ নাই। এই বুলি কৈ ত্ৰিজটা নিজৰ ঘৰলৈ গুচি গ'ল। ৩ ॥

সীতাই মনিতে ভাবিলে—"বিধাতাহে মোৰ বাবে প্ৰতিকূল। হৃদয়ৰ শূলো দূৰ কৰিব নোৱাৰোঁ। জুই অকণো পাবলৈ নাই। আকাশত পকা আঙঠা (তৰা) জিলিকি আছে, কিন্তু তাৰ এটাও তৰা (পকা আঙঠা) মাটিত পোৱা নাযায়। ৪ ॥

চন্দ্ৰমা অগ্নিময়। মোক হতভাগিনী বুলি জানিয়েই যেন তেওঁ জুই বৰষা নাই। হে অশোক বৃক্ষ। তুমি মোৰ প্ৰাৰ্থনা শুনা। মোৰ শোক হৰণ কৰি তোমাৰ অশোক নাম সাৰ্থক কৰাঁ। ৫ ॥

তোমাৰ নতুন পাতবোৰ অগ্নিশিখাৰ নিচিনা। তুমি জুই দি মোৰ বিৰহক চৰম সীমালৈ নিনিবা।" সীতাক এনেকুৱা অতি বিৰহাকুল অৱস্থাত দেখিবলৈ পোৱা সেই ক্ষন্তেক সময় কটাওঁতে হনুমানৰ কাৰণে এক কল্প পাৰ হোৱা যেন লাগিল। ৬ ॥

সোৰঠা :—তেতিয়া হনুমানে মনতে ভাবি-চিন্তি চাই [সীতাৰ আগত] আঙঠিটো দিলে। যেন অশোকে অঙঠাহে দিলে। সীতায়ো উঠি আঙঠিটো হাতত তুলি ল'লে। ১২ ॥

চৌঃ—তেতিয়া [সীতাই] মনোহৰ ৰামনাম অংকিত অতি সুন্দৰ আঙঠি চিনি পাই আচৰিত হৈ চাই থাকিল। লগতে হৰ্ষ আৰু বিষাদ উভয়তে হৃদয় ব্যাকুল হৈ উঠিল। ১ ॥

ৰঘুনাথ অপৰাজেয়; তেওঁক কোনে পৰাস্ত কৰিব পাৰে? আৰু মায়াৰে এই আঙঠি সৃষ্টি কৰিব নোৱাৰে। এইদৰে সীতাই মনতে অনেক কথা ভাবিবলৈ

ধৰিলে। [তেনেতে] হনুমানে মধুৰ বচনেৰে ৰামৰ গুণ বৰ্ণনা কৰিবলৈ লাগিল। তাকে শুনি সীতাৰ দুখ পলাল। তেওঁ কাণ আৰু মন দি সেইবোৰ শুনিবলৈ ধৰিলে। হনুমানে আৰম্ভণিৰেপৰা সকলো কথা কৈ শুনালে। ২৩ ॥

[সীতাই ক'লে—] "যিজন মিত্ৰই কাণৰ কাৰণে অমৃত কথা শুনাইছে, তেওঁ দেখা নিদিয়ে কিয় ?" তেতিয়া হনুমান ওচৰ চাপি আহিল। তেওঁক দেখি [সীতা] আকৌ মুখ ঘূৰাই বহিল। [অচিনাকি চেহেৰা দেখি] মনত বেয়া লাগিল। ৪ ॥

[হনুমানে ক'লে—] "হে আই জানকী ! মই ৰামৰ দূত। সত্যে সত্যে মই করুণাময় ৰামৰ শপত খাই কৈছোঁ। হে আই ! এই আঙুঠি মই আনিছোঁ। প্ৰভু ৰামে আপোনাৰ কাৰণে এইটো চিন [প্ৰমাণ স্বৰূপে] দি পঠাইছে।" ৫ ॥

[তেতিয়া সীতাই সুধিলে—] "নৰ আৰু বানৰৰ সংগতি কেনেকৈ হ'ল ?" [হনুমানে] যেনেকৈ সংগতি হ'ল ক'লে। ৬ ॥

দোঃ—হনুমানৰ স্নেহপূৰ্ণ কথা শুনি [সীতাৰ] মনত বিশ্বাস উপজিল। তেওঁ বুজিলে যে—এওঁ মন, বচন আৰু কৰ্মেৰে কৃপাসিন্ধু ৰামৰ দাস হয়। ১৩ ॥

চৌঃ—হৰিভক্ত বুলি জানি [সীতাৰ মনত] অতি গাঢ় প্ৰীতিভাৱ উপজিল। তেওঁৰ চকু চলচলীয়া হ'ল আৰু শৰীৰ ৰোমাঞ্চিত হ'ল। [সীতাই ক'লে—] "হে হনুমান ! বিৰহ-সাগৰত বুৰ যোৱা মোৰ কাৰণে তুমি জাহাজ হ'লা। ১ ॥

বাৰবাৰে মই নিজকে সমৰ্পণ কৰিছোঁ অনুজসহ সেইজনৰ কুশলবাৰ্তা কোৱাচোন। খৰাৰি (খৰৰাক্ষসৰ শত্ৰু বা অশুভনাশক) সুখধাম, কোমল চিতীয়া, কৃপালু ৰঘুনাথ কি কাৰণে নিঠুৰ হৈ পৰিল ? হে কপিশ্ৰেষ্ঠ ! এতিয়া কোৱাচোন। ২ ॥

সেৱকক সুখ দিয়াটোৱেই যাৰ সহজ স্বভাৱ, সেই ৰঘুনাথে কেতিয়াবা মোক মনত পেলায় নে ? হে মিত্ৰ ! তেওঁৰ কোমল শ্যাম শৰীৰ দেখি মোৰ চকু কেতিয়াবা জুৰ পৰিবনে ? ৩ ॥

হায় হায় নাথ ! মোক একেবাৰে পাহৰিলা ?" [এই বুলি কৈ সীতাৰ] মাত নোলোৱা হ'ল ; চকুৰ পানীহে ওলাই আহিল। সীতাক [এইদৰে] বৰকৈ বিৰহাকুল দেখি হনুমানে কোমল মাতেৰে বিনীতভাৱে ক'লে—৪ ॥

"হে আই ! প্ৰভু অনুজসহ কুশলে আছে ; কিন্তু কৃপানিকেতন তোমাৰ দুখত দুখী। হে আই ! তুমি মনতে গ্লানি ভাব নানিবা। তোমাতকৈ ৰামৰ প্ৰেমতাৰ দুগুণ। ৫ ॥

দোঃ—হে মাতৃ! এতিয়া ধৈৰ্য ধৰি ৰঘুনাথৰ বাতৰি শুনা।" এই বুলি কৈ হনুমান প্ৰেমত গদগদ হৈ পৰিল, তেওঁৰ চকু দুটাও পানীৰে ভৰি পৰিল। ১৪ ॥

চৌঃ—শ্ৰীৰামচন্দ্ৰই কৈছে—"হে সীতা! [তোমাৰ বিয়োগত] মোৰ কাৰণে সকলো বস্তুৱেই প্ৰতিকূল হৈ পৰিছে। গছৰ কোমল পাত যেন জুইহে। ৰাতি কালৰাত্ৰিসদৃশ আৰু চন্দ্ৰটো সূৰ্যসদৃশ [তাপদায়ক] হৈ পৰিছে। ১ ॥

পদুম ফুলৰ গছবোৰো (পদুম বন) শেল-বৰছাৰ অৰণ্যসদৃশ হৈ পৰিছে। মেঘে যেনিবা উতলি থকা তেলহে বৰষে। যি আগতে হিতকৰ আছিল, আজি সেইবোৰেই পীড়াদায়ক হৈ পৰিছে। সেই বাবে তিনিওবিধ বায়ু (মন্দ, সুগন্ধ আৰু শীতল) মোলৈ আজি সাপৰ নিশ্বাসৰ সমান [গৰম আৰু বিষাক্ত হৈছে]। ২ ॥

মনৰ দুঃখৰ কথা কবলৈ পালে কিছু কম হয়; কিন্তু কাক কওঁ, কোনে মোৰ দুঃখ বুজিব? হে প্ৰিয়া! মোৰ আৰু তোমাৰ ভাল পোৱাৰ প্ৰকৃত ৰূপটো একমাত্ৰ মোৰ মনহে জানে। ৩ ॥

সেই মনটোও সদায় তোমাৰ ওচৰতহে থাকে। মোৰ প্ৰেমৰ সাৰভাগ (ৰস) ইমানতে বুজিবা।" প্ৰভুৰ বাতৰি পাই সীতা প্ৰেমমগ্ন হৈ পৰিল। তেওঁ নিজৰ দেহৰ কথাও পাহৰিলে। ৪ ॥

হনুমানে ক'লে—"হে মাতৃ! এতিয়া হৃদয়ত ধৈৰ্য ধৰা। সেৱকক সুখ দান কৰোঁতা ৰামক স্মৰণ কৰা। শ্ৰীৰামৰ প্ৰভুত্বৰ কথা মনতে ভাবা আৰু মোৰ কথা শুনি সংকোচ ত্যাগ কৰা। ৫ ॥

দোঃ—ৰাক্ষসবোৰ পতংগ আৰু ৰামৰ বাণ সিইতৰ কাৰণে অগ্নি সদৃশ। হে আই! তুমি হৃদয়ত ধৈৰ্য ধৰা আৰু ৰাক্ষসবোৰো জ্বলি শেষ হৈছে বুলি তাৰ লগতে ধৰি লোৱা। ১৫ ॥

চৌঃ—ৰামে খবৰ পোৱা হ'লে, বিলম্ব নকৰিলেহেঁতেন; হে জানকী! ৰামবাণৰূপী সূৰ্যৰ উদয় হ'লে, ৰাক্ষস সেনাৰূপী অন্ধকাৰ বাৰু ক'ত থাকিব পাৰে? ১ ॥

হে আই! মই এতিয়া আপোনাক লৈ যাব পাৰোঁ; কিন্তু প্ৰভুৰ শপত, তেওঁৰ আজ্ঞা নাই (নিষেধ কৰিছে)। সেই কাৰণে হে মাতৃ! কেইদিনমান ধৈৰ্য ধৰি ৰোৱা। ৰঘুবীৰ ৰাম বান্দৰসেনা সহ ইয়াত উপস্থিত হ'বহি। ২ ॥

ৰাক্ষস মাৰি তোমাক লৈ যাব আৰু নাৰদ আদি ঋষি-মুনিসকলে তিনিও লোকত যশস্যা কীৰ্তন কৰিব।" [সীতাই ক'লে—] "হেৰা সোণাই! সকলো

বানৰ তোমাৰেই সমান (সৰু সৰু) হয়; ৰাক্ষসবোৰ কিন্তু বৰ বীৰ যোদ্ধা। সেই বাবে মোৰ মনত সন্দেহ হৈছে।" [সীতাৰ এই কথা শুনি] হনুমানে নিজৰ বিশাল ৰূপ প্ৰকাশ কৰিলে। সিটো আকাৰত তেওঁ সোণৰ পৰ্বত (সুমেৰু)ৰ সমান, যুদ্ধত ভয়ংকৰ (শত্ৰুৰ মনত ভয় জন্মোৱা কথা] আৰু অতি বলবান বীৰ। ৩। ৪॥

তেতিয়া সীতাৰ মনত আস্থা উপজিল আৰু হনুমানেই পুনৰ সৰু ৰূপ ধাৰণ কৰিলে। ॥ ৫॥

দোঃ—"হে আই! শুনা। বান্দৰবোৰৰ যেতিয়া বল-বুদ্ধি নাই; কিন্তু প্ৰভুৰ মহিমা-বলেৰে সৰু সাপ এটাৰো গৰুড় পক্ষীক খাব পাৰে।" ১৬॥

চৌঃ—ভক্তি, প্ৰতাপ, শক্তি আৰু বল ভৰা হনুমানৰ কথা শুনি সীতাৰ মনত সন্তোষ লাগিল। তেওঁ শ্ৰীৰামচন্দ্ৰৰ প্ৰিয়পাত্ৰ বুলি জানি হনুমানক আশীৰ্বাদ কৰিলে—"হেৰা বাপু! তুমি অতি বলবান্ আৰু চৰিত্ৰবান হোৱা।" ১॥

তুমি অজৰ, অমৰ, অতি গুণবান আৰু ৰঘুনাথৰ অতি কৃপাপাত্ৰ হোৱা।" প্ৰভুৱে কৃপা কৰক বুলি কোৱা শুনিবলৈ পায়েই হনুমান অতিশয় প্ৰেমত মগ্ন হৈ পৰিল। ২॥

তেওঁ বাৰে বাৰে সীতাৰ চৰণত শিৰ নোৱালে আৰু হাতযোৰ কৰি ক'লে—"আই! মই এতিয়া কৃতাৰ্থ হলোঁ। আপোনাৰ আশিস্ অব্যৰ্থ বুলি সকলোৱে জানে। ৩॥

হে মাতৃ! সুন্দৰ ফলযুক্ত গছবোৰ দেখি মোৰ বৰ ভোক লাগিছে।" [সীতাই ক'লে—] "হেৰা বাপু! শুনা। ডাঙৰ ডাঙৰ বীৰ ৰাক্ষসে এই অৰণ্যখন ৰখি আছে।" [হনুমানে ক'লে—] "আপুনি যদি প্ৰসন্ন হয়, তেনেহলে সিহঁতলৈ ভয় নাই।" ৪। ৫॥

দোঃ—হনুমানক বুদ্ধি আৰু বলত নিপুণ দেখি সীতাই ক'লে—"যোৱাই যোৱা। ৰঘুপতিৰ চৰণ হৃদয়ত ৰাখি মিঠা ফল খোৱা।" ১৭॥

হনুমানে সীতাক নমস্কাৰ কৰি গ'ল আৰু বাগিচাৰ বনত প্ৰৱেশ কৰিলে। তেওঁ ফল খাই গছো ভাঙিবলৈ ধৰিলে। তাত বহুত যোদ্ধা প্ৰহৰী হৈ আছিল। সিহঁতৰো কিছুমানক মাৰিলে আৰু কিছুমানে ৰাৱণক জনালেগৈ। ১॥

"হে প্ৰভু! এটা ডাঙৰ বান্দৰে আহি অশোকবনখন নষ্ট কৰি পেলালে। ফলবোৰ খালে আৰু গছবোৰ উঘালিলে। ৰখীয়াবোৰকো মোহাৰি মাৰিলে।" ২॥

এই কথা শুনি ৰাৱণে বহুত যোদ্ধা পঠিয়ালে। সিহঁতক দেখি হনুমান গৰ্জি উঠিল। তেওঁ সিহঁতকো সংহাৰ কৰিলে। তাৰে কেইটামান আধামৰা হৈ চিঞৰি বাখৰি পলাল। ৩ ॥

পাছত ৰাৱণে অক্ষয়কুমাৰক পঠিয়ালে। অসংখ্য ভাল সৈন্য লৈ তেওঁ গ'ল। তেওঁলোকক যোৱা দেখিয়েই হনুমানে হাতত গছ এডাল লৈ খেদি গ'ল আৰু সকলোকে মাৰি ডাঙৰ কৈ গৰ্জন কৰিলে। ৪ ॥

দোঃ—কিছুমান মাৰিলে, কিছুমান গচকি-মেকেচি ধূলিত মিলাই দিলে। কিছুমানে পলাই গৈ [ৰাৱণক] ক'লে—"হে প্ৰভু! বান্দৰটো বৰ বলবান্।" ১৮ ॥

চৌঃ—পুত্ৰবধ (অক্ষয়কুমাৰ-বধ) হোৱা শুনি ৰাৱণ খঙত জ্বলি উঠিল আৰু এই বাৰ বলবান মেঘনাদক পঠিয়াই ক'লে—"হেৰা বাপু! নামাৰিবা, তাক বান্ধি ধৰি আনিবা। সেইটো ক'ৰ বান্দৰ আহিল চাব লাগে।" ১ ॥

অতুলনীয় যোদ্ধা ইন্দ্ৰজিত গ'ল। আপোনজনৰ নিধনৰ কথা শুনি তেওঁৰ খং উঠি আছিল। হনুমানে দেখিলে যে—এইবাৰ ভয়ানক যোদ্ধা আহিল। তেতিয়া তেওঁ দাঁত-মুখ কৰচি গৰ্জিলে আৰু বেগা মাৰি গ'ল। ২ ॥

[হনুমানে] এজোপা ডাঙৰ গছ উঘালি লৈ [তাৰ প্ৰহাৰেৰে] লংকেশ্বৰৰ পুত্ৰ ইন্দ্ৰজিতক ৰথহীন কৰিলে (ৰথখন ভাঙি পেলালে) আৰু লগত যিবোৰ ডাঙৰ ডাঙৰ যোদ্ধা আছিল, সেইবোৰকো ধৰি ধৰি মোহাৰি পেলালে। ৩ ॥

সেইবোৰক নিপাত কৰি ইন্দ্ৰজিতৰ লগত লাগিল। যেন দুই গজৰাজৰ মাজতহে যুদ্ধ হ'ল। [ইন্দ্ৰজিতক] ডাঙৰকৈ এটা ঘোচা মাৰি হনুমান গছত উঠিল। ইন্দ্ৰজিত অলপ সময়ৰ বাবে মূৰ্চ্ছিত হৈ পৰিল। ৪ ॥

মূৰ্চ্ছাৰ পাছত উঠি ইন্দ্ৰজিতে বহুত মায়া কৰিলে; কিন্তু পৱনপুত্ৰ সেই মায়াৰ দ্বাৰাও পৰাজিত নহ'ল। ৫ ॥

দোঃ—[ইয়াৰ পাছত ইন্দ্ৰজিতে] ব্ৰহ্মাস্ত্ৰ ধনুত জুৰিলে। তেতিয়া হনুমানে মনতে বিচাৰ কৰি চালে—যদি মই ব্ৰহ্মাস্ত্ৰ নামানো, তেতিয়া হ'লে তাৰ মহিমা বহুত হ্ৰাস পাব। ১৯ ॥

চৌঃ—মেঘনাদে ব্ৰহ্মাস্ত্ৰ প্ৰয়োগ কৰিলে; কিন্তু হনুমানে পৰিবৰ সময়তো বহুত সেনা মাৰিলে। যেতিয়া তেওঁ দেখিলে যে বান্দৰটো মূৰ্চ্ছিত হ'ল, তেতিয়া নাগপাশেৰে বান্ধি লৈ গ'ল। ১ ॥

[শিৱই কৈছে—] "হে ভৱানী! শুনা! যাৰ নাম জপি জ্ঞানী [illegible]

সংসাৰ-বৃক্ষক যেন কৰে, কেনৈ বুদ্ধি-ক্ৰমে৷ পাৰ্শ্বপাৰ পাবে? এনুৰূ কাৰ্য্য কৰিবলে হনুমানে নিজকে সজাইছে ব'লে। ২ ॥

বানৰকো বান্ধিছে বুলি শুনি ৰাক্ষসবোৰৰ বুকি-পাঁজৰি আদিৰ আৰু তাহাতো চাবলৈ বুলি সভাত উপস্থিত হ'ল। হনুমানেও ঐ ৰাৱণৰ ৰূপা দেখিলে। সভাৰ অত্যন্ত প্ৰভাৱ, তাৰ বৰ্ণনা দিব নোৱাৰি। ৩ ॥

দেৱতা আৰু দিক্‌পাল সকল হাতযোৰ কৰি নিস্তৰিকভাৱে আৰু ভয়েৰে ৰাৱণৰ মন বুজিবলৈ বাট চাই আছে। এনে প্ৰতাপ দেখি হনুমানৰ মনত আশংকাই উপজিল। যেন সাপৰ মাজত গৰুড় পক্ষীৰ নিৰ্ভয়ে বহে আছে। ৪ ॥

দোঃ—হনুমানক দেখি গালি-শপনি পাৰি ৰাৱণে খুব ইতিকিং কৰিলে। আকৌ পুত্ৰবধৰ কথা মনত পৰি হৃদয়ত দুঃখো পালে। ২০ ॥

চৌঃ—ৰাৱণে ক'লে—"বানৰ! তই কোন? কাৰ বলত এই বন নষ্ট কৰিলি? কি তই মোৰ কথা শুনা নাই? হেৰ' শঠ! তোক বৰ নিশ্চিন্ত যেন দেখিছো। তই কি অপৰাধত ৰাক্ষসবোৰ মাৰিলি? হেৰ' মূৰ্খ! ক'। তোৰ মৰিবলৈ ভয় নাই নেকি?" [হনুমানে ক'লে—] "ৰাৱণ! শুনা। যাৰ বলত মায়াই ব্ৰহ্মাণ্ডসমূহ সৃষ্টি কৰিছে, যাৰ বলত ব্ৰহ্মা, বিষ্ণু আৰু মহেশে সৃজন, পালন আৰু সংহৰণ কাৰ্য কৰিছে; যাৰ বলেৰে সহস্ৰমুখ অনন্ত নাগে পৰ্বত আৰু বনসহ সমস্ত ব্ৰহ্মাণ্ড মূৰত তুলি ধৰি আছে। যেৱোঁ ধনমান! যি দেৱতাসকলৰ ৰক্ষাৰ কাৰণে নানা প্ৰকাৰৰ দেহ ধাৰণ কৰে আৰু যি তোমাৰ নিচিনা মূৰ্খক শিক্ষা দিয়ে, যি শিৱৰ কঠিন ধনু ভাঙিলে, জগতে ৰজাসকলৰো গৰ্ব চূৰ্ণ কৰিলে; খৰ, দূষণ, ত্ৰিশিৰা আৰু বালীৰ দৰে অতুলনীয় বলবানকো বধ কৰিলে; ১-৫ ॥

দোঃ—যাৰ পৰা লেশ মাত্ৰ কিছু বলেৰেই তুমি সমস্ত চৰাচৰ জগতকে জয় কৰিলা আৰু যাৰ প্ৰিয় পত্নীক হৰণ কৰি আনিছা, মই তেওঁৰ দূত। ২১ ॥

চৌঃ—মই তোমাৰ প্ৰভুত্বৰ পৰিচয় ভালকৈয়ে পাইছো। সহস্ৰ বাহুৰ লগত তোমাৰ যুদ্ধ হৈছিল আৰু বালীৰ লগত যুদ্ধ কৰিও তুমি যশস্যা লাভ কৰিছিলা।" হনুমানৰ কথা শুনি ৰাৱণে হাহি মাৰি আওকাণ কৰিলে। ১ ॥

"হে ৰাক্ষসৰ স্বামী! মোৰ ভোক লাগিলত ফল খালোঁ আৰু বানৰৰ স্বভাৱ অনুসৰি গছ ভাঙিলোঁ। দেহটো সকলোৰে পৰম প্ৰিয়। হে ৰাক্ষস প্ৰভু! যেতিয়া কুপথে চলা ৰাক্ষসবোৰে মোক মাৰিবলৈ ধৰিলে, তেতিয়া

বিপোৰে শোক পাবিলে, সিইতকো মৰো পাৰিলোঁ। সেই পাপেই তোমাক পুনৰাই শোক দাঙ্গি আনিছে। মই বাদ খোৱা কাৰণে অকণিও লাজ পোৱা নাই। মই নিজ প্ৰভুৰ কাম কৰিবলৈ বিচাৰিছোঁ। ১—৩ ॥

হে ৰাৱণ! মই তোমাৰ ওচৰত হাতযোৰ কৰি প্ৰাৰ্থনা জনাইছোঁ—তুমি অভিমান এৰি মোৰ উপদেশ শুনা। তুমি নিজৰ কুল-মৰ্যাদা বিচাৰ কৰি চোৱা আৰু নিজৰ ভুল ভাঙি ভক্ত ভয়হাৰীক ভজি কৰা। ৪ ॥

যি কালে দেৱতা, অসুৰ আদি চৰাচৰকে গ্ৰাস কৰে, সেই কালেও যাৰ অত্যন্ত ভয় কৰে, তেওঁৰ লগত শত্ৰুতা কেতিয়াও নকৰিবা আৰু মোৰ কথা শুনি সীতাক ঘূৰাই দিয়া। ৫ ॥

দোঃ—খৰৰ শত্ৰু ৰঘুনাথ দয়াৰ সাগৰ আৰু শৰণাগত-বৎসল। শৰণাপন্ন হ'লে, তেওঁ অপৰাধ এৰি তোমাক আশ্ৰয় দিব। ২২ ॥

চৌঃ—তুমি হৃদয়ত ৰামৰ চৰণকমল ধাৰণ কৰি লংকাত অবিচল ৰাজ্য শাসন কৰা। পুলস্ত্য ঋষিৰ যশ চন্দ্ৰৰ দৰে নিৰ্মল। সেই নিৰ্মল চন্দ্ৰত তুমি কলংক স্বৰূপ নহবা। ১ ॥

ৰাম নামৰ অবিহনে শব্দৰ সৌন্দৰ্য নাই, মদ-মোহ ত্যাগ কৰি বিচাৰ কৰি চোৱা। হে দেৱতাসকলৰ শত্ৰু! সকলো গহনাৰেই সুসজ্জিতা হ'লেও শ্ৰেষ্ঠ নাৰীসকল বস্ত্ৰহীনা হ'লে শোভা নাপায়। ২ ॥

[সেই দৰেই] ৰামৰ প্ৰতি বিমুখ পুৰুষসকলৰো সম্পত্তি আৰু প্ৰভুত্ব নাথাকে; সেইবোৰ পালেও নোপোৱাৰ দৰেই হয়। যিবোৰ নদীৰ মূলত জলস্ৰোত বা জলাশয় নাথাকে, সেই নদীবোৰ বাৰিষা গ'লেই শুকাই যায়। ৩ ॥

হে দশশীৰ! শুনা। মই শপত খাই কৈছোঁ যে ৰামৰ প্ৰতি বিমুখজনক ৰক্ষা কৰোঁতা কোনো নাই। হেজাৰজন শিৱ, বিষ্ণু আৰু ব্ৰহ্মাও ৰামৰ দ্ৰোহাচৰণ কৰা তোমাক ৰক্ষা কৰিব নোৱাৰে। ৪ ॥

দোঃ—মোহেই (অজ্ঞানতাই) যাৰ মূল, সেই বহু কষ্টদায়ক-অন্ধকাৰৰূপী অভিমান ত্যাগ কৰি, কৃপাসিন্ধু ৰঘুনাথ ভগৱান ৰামক ভজা।" ২৩ ॥

চৌঃ—হনুমানে অতিশয় ভক্তি, জ্ঞান, বৈৰাগ্য আৰু নীতিপূৰ্ণ বচন হিতোপদেশ দিলে; তথাপি অতি অভিমানী ৰাৱণে উপহাস কৰি (ব্যঙ্গ-ভাৱেৰে) ক'লে—"আঃ আমি এটা বান্দৰকৈ বৰ জ্ঞানী গুৰু পালোঁ।" ১ ॥

[হনুমানে ক'লে—] "হেৰ মূৰ্খ! মৃত্যু তোৰ ওচৰ পাইছেহি।" "অধম বান্দৰক শিক্ষা দিবলৈ আহিছি!" [হনুমানে ক'লে—] "ইয়াৰ বিপৰীতহে সঁচা,

হ'ল (অৰ্থাৎ মোৰ মৰণ, তোমালোকৰ মৃত্যু আসন্ন হৈছে)।" এইটোৱে মোৰ প্ৰতি-বাদ বুলি মই ভাবি বুজিলোঁ।" ২॥

হনুমানৰ কথা শুনি [ৰাৱণৰ] খং উঠিল। ক'লে—"ইয়াক শীঘ্ৰে মাৰি পেলোৱাৰ কেনেই?" শুনা মাত্ৰেই ৰাক্ষসবোৰে মাৰিবলৈ বেৰি ধৰিলে। এনেতে মন্ত্ৰীসকলৰে সৈতে বিভীষণ আহিল। ৩॥

[বিভীষণে] মতামত দি খুব বিনীতভাৱে ক'লে—"দূত মৰাটো নীতি বিৰুদ্ধ, শত্ৰুকে মাৰিব নালাগে। সেইবাবে হে প্ৰভু! আৰু কিবা দণ্ড দিয়ক।" সকলোৱেই বিভীষণৰ কথা সমৰ্থন কৰি ক'লে—"এইটো উত্তম পৰামৰ্শ।" ৪॥

তাকে শুনি ৰাৱণে হাঁহি মাৰি ক'লে—"বান্দৰক অংগভংগ কৰি পঠোৱা হওক। ৫॥

দোঃ—মই সকলোকে কৈছোঁ—বান্দৰৰ নেজখনৰ ওপৰত মম থাকে। গতিকে তেলত কাপোৰ ভিজাই তাৰ নেজত বান্ধি জুই লগাই দিব লাগে। ২৪॥

চৌঃ—নেজ নোহোৱা বান্দৰটো নিজৰ ঠাইলৈ গৈ যেতিয়া যাব তেতিয়াহে সেই মূৰ্খই নিজ-স্বামীকো ইয়ালৈ লৈ আহিব। যি যাৰ ইমান বঢ়াই কৰিলে, তাৰ প্ৰভাৱো কিমান তেতিয়াহে দেখা যাব।" ১॥

কথা শুনি হনুমানে মনতে হাঁহিলে আৰু ভাবিলে—"মই বুজিলোঁ সৰস্বতী মোৰ সহায় হ'ল।" ৰাক্ষসবোৰো ৰাৱণৰ কথা শুনি মূৰ্খ বুদ্ধিৰে কামত লাগি গ'ল (নেজত কাপোৰ বান্ধিলে)। ২॥

নগৰত কাপোৰ, তেল আৰু ঘিউ নোহোৱা হ'ল। হনুমানে এনে খেমালি কৰিলে যে—নেজডাল দীঘলৈ বাঢ়ি গৈ থাকিল। (সেইবাবে কাপোৰ, তেল আৰু ঘিউৰ খৰচ বাঢ়িল)। নগৰবাসীসকলেও খেমালি চাবলৈ আহি হনুমানক গোৰ এটা মাৰি আৰু বহুত ইতিকিং কৰি যায়। ৩॥

ঢোল বজাবলৈ ধৰিলে আৰু সকলোৱে চাপৰি বজালে। হনুমানক নগৰত ঘূৰাই পাছত নেজত জুই লগাই দিলে। জুই জ্বলা দেখি হনুমানে তৎক্ষণাৎ অতি লঘু ৰূপ ধাৰণ কৰিলে আৰু বান্ধোনৰ পৰা সোলকি গৈ স্বৰ্ণখচিত অট্টালিকাৰ ওপৰত উঠিল। [এই কাণ্ড দেখি] নিশাচৰীবোৰে ভয় খালে। ৪।৫॥

দোঃ—সেই সময়ত ভগৱানৰ প্ৰেৰণাত ঊনপঞ্চাশ বায়ু বলিবলৈ ধৰিলে। হনুমানেও অট্টহাস্য কৰি গৰ্জিবলৈ ধৰিলে। আৰু তেওঁ আকাশলৈকে বৃহদাকাৰ হৈ পৰিল।

চৌঃ—হনুমানৰ শৰীৰ অতি বিশাল হ'লেও বৰ পাতল। এটা ঘৰৰ পৰা আন ঘৰ মাৰি আন এটা ঘৰত উঠে গৈ। নগৰ জ্বলিবলৈ ধৰিলে। নগৰবাসী অশান্ত হৈ পৰিল। কেউফালে কোটি কোটি অগ্নিশিখাই ভয়ানক ৰূপে জপটিয়াই সাৱৰি ল'লে। ১ ॥

"আই ঐ! বোপাই ঐ! এই সময়ত আমাক কোনে ৰাখিব ঐ! আমি কৈছিলোঁ নহয়, এইটো বান্দৰ নহয়। বান্দৰ ৰূপধৰা কোনোবা দেৱতাহে।" ইত্যাদি চিঞৰ-বাখৰ শুনা গ'ল। ২ ॥

সাধুজনক অৱজ্ঞা কৰাৰ ফল এনেকুৱাই হয়। নগৰ খালিক নোহোৱা বস্তুৰ দৰে জ্বলিবলৈ ধৰিলে। নিমিষৰ ভিতৰতে নগৰখন পুৰিলে। একমাত্ৰ বিভীষণৰ ঘৰহে বাদ পৰিল। ৩ ॥

[মহাদেৱে কৈছে—] "হে গিৰিজা! যি অনল সৃষ্টি কৰিছে, তেওঁৰ দূত কাৰণে হনুমানক সেই জুয়ে নুপুৰিলে। তেওঁ ইফাল-সিফাল কৰি গোটেই নগৰখন জ্বলাই সমুদ্ৰৰ মাজত জপিয়াই পৰিল। ৪ ॥

দোঃ—নেজৰ জুই নুমুৱাই, ভাগৰ মাৰি আকৌ লঘুৰূপ ধাৰণ কৰি সীতাৰ ওচৰত হাতযোৰ কৰি থিয় হ'লগৈ। ২৬ ॥

চৌঃ—[হনুমানে ক'লে—] "ৰঘুনাথে যিদৰে এটা চিন দি পঠিয়াইছিল, সেইদৰে আপুনিও মোক এটা চিন দিয়ক।" সীতাই তেতিয়া মূৰৰ পৰা চূড়ামণি একবাই আনি হনুমানক দিলে আৰু হনুমানেও হৰ্ষমনেৰে হাত পাতি ল'লে। ১ ॥

[সীতাই ক'লে—] "হেৰা বোপা! মোৰ প্ৰণাম জনাই এবুলি প্ৰভুক ক'বা। আপুনি সকলো প্ৰকাৰে পূৰ্ণকাম আৰু দীনদয়াল বুলি প্ৰসিদ্ধ নিজৰ গুণ সাৰ্থক কৰি মোৰ ভয়ংকৰ সংকট দূৰ কৰক। ২ ॥

বাপু! তুমি তেখেতক ইন্দ্ৰপুত্ৰ জয়ন্তৰ কথা কৈ নিজৰ বাণৰ প্ৰতাপ বুজাই দিবা। যদি এমাহৰ ভিতৰত প্ৰভু নাহে, তেনেহ'লে মোক আকৌ জীৱিত অৱস্থাত নাপাব। ৩ ॥

কোৱাচোন। মই কি উপায়ে জীয়াই থাকোঁ? তুমিও এতিয়া যাবলৈ ওলালা। তোমাক দেখি হৃদয় জুৰ পৰিছিল। এতিয়া আকৌ আগৰদৰেই সেই দিন আৰু সেই ৰাতি মোলৈ আহিল।" ৪ ॥

দোঃ—হনুমানে জানকীক বুজাই-বঢ়াই বহুত ধৈৰ্য ধৰালে। তাৰ পাছত চৰণত সেৱা জনাই শ্ৰীৰামৰ ওচৰলৈ গ'ল। ২৭ ॥

চৌঃ—যাবৰ সময়ত তেওঁ ভাণ্ডৰ শব্দেৰে গৰ্জন কৰিলে। গৰ্জনত বহুত

ৰাক্ষসীৰ গৰ্ভস্ৰাৱ হ'ল। তাৰ পাছত সমুদ্ৰ পাৰ হৈ তেওঁ এই পাৰ পাই বান্দৰক হৰ্ষধ্বনি শুনালে। ১ ॥

হনুমানক দেখি সকলোৱেই পৰম আনন্দ লাভ কৰিলে আৰু সকলোৱেই নতুন জন্ম পোৱা বুলি ভাবিলে। হনুমানৰ মুখ প্ৰসন্ন আৰু শৰীৰত বল-শক্তিও প্ৰকাশ পোৱা দেখি ৰামৰ কাৰ্য কৰি অহা বুলিও বুজিব পাৰিলে। ২ ॥

সকলোৱেই তেওঁৰ ওচৰ চাপিল আৰু সুখী হ'ল। যেন পানীৰ অভাৱত চটফটাই থকা মাছেহে পানী পালে। তাৰ পাছত সকলোৱেই আনন্দ মনেৰে নতুন নতুন ঘটনাবলীৰ কথা শুনি আৰু কৈ ৰঘুনাথৰ ওচৰলৈ যাবলৈ ধৰিলে। ৩ ॥

তেতিয়া সকলোৱেই মধুবনত প্ৰবেশ কৰিলে আৰু অংগদৰ অনুমতিক্ৰমে মিঠা মিঠা ফল খালে। ৰখীয়াবোৰে এই কাৰ্যত বাধা দি ঘোচা খাবলগীয়া হোৱাত সিহঁতো পলালে। ৪ ॥

দোঃ—ঘোচা খাই পলোৱা ৰখীয়াবোৰে যেতিয়া [ৰজাক] জনালেগৈ যে—যুৱৰাজ অংগদে বন নষ্ট কৰিছে। তেতিয়া সেই কথা শুনি বান্দৰবোৰ প্ৰভুৰ কাৰ্যত কৃতকাৰ্য হোৱা বুলি ভাবি সুগ্ৰীৱে সন্তোষ পালে। ২৮ ॥

চৌ'—সীতাৰ বাতৰি নোপোৱা হ'লে, মধুবনৰ ফল সিহঁতে কি খাব পাৰে? এইদৰে ৰজা সুগ্ৰীৱে মনতে ভাবি-চিন্তি থাকোঁতেই হনুমান সগৰীয়া সকলেৰে সৈতে উপস্থিত হ'লহি। ১ ॥

সকলোৱেই সুগ্ৰীৱক সেৱা জনালে। তেওঁ সকলোকে অতি সাদৰে কুশল বাৰ্তা সুধিলে আৰু তেওঁলোকে উত্তৰত ক'লে—"ভালে কুশলে আপোনাৰ চৰণ দৰ্শন কৰিবলৈ পালোঁহি। প্ৰভু ৰামৰ কৃপাত বিশেষ কাৰ্য সম্পন্ন হ'ল। ২ ॥

হে নাথ! হনুমানে কাৰ্য সম্পন্ন কৰিলে আৰু সকলো বান্দৰৰ প্ৰাণ ৰচালে।" এই কথা শুনি সুগ্ৰীৱে হনুমানক আকৌ আলিংগন কৰিলে আৰু সকলো বান্দৰে সৈতে ৰামৰ ওচৰলৈ গ'ল। ৩ ॥

বান্দৰবোৰ কাৰ্য সম্পাদন কৰি ঘূৰি অহা যেতিয়া ৰামে দেখা পালে, তেতিয়া তেওঁ বৰ সন্তুষ্ট হ'ল। দুয়ো (ৰাম আৰু লক্ষ্মণ) স্ফটিক শিলাত বহি আছিল। সকলো বান্দৰেই গৈ তেওঁলোকৰ চৰণত সেৱা জনালে। ৪ ॥

দোঃ—দয়ালু ৰঘুনাথে প্ৰত্যেকজনকে আলিংগন কৰি স্বাগত জনালে আৰু কুশল বাৰ্তা সুধিলে। [তেওঁলোকে ক'লে—] "হে নাথ! আপোনাৰ চৰণকমল দৰ্শন কৰিবলৈ পাই আমি বৰ্তমান কুশলে আছোঁ।" ২৯ ॥

চৌঃ—জাম্ববন্তই ক'লে—"ৰঘুনাথ ! শুনক। আপোনাৰ যাৰ ওপৰত কৃপা দৃষ্টি হয়, তেওঁৰ সদায় কল্যাণ। দেৱতা, মনুষ্য আৰু মুনিও তেওঁৰ প্ৰতি সুপ্ৰসন্ন হৈ থাকে। ১ ॥

তেওঁ বিজয়ী, গুণৰ সাগৰ আৰু বিনয়ী হয়। তেওঁৰ যশ তিনিও লোকত প্ৰকাশ পায়। প্ৰভুৰ কৃপাত সকলো কাৰ্য হৈছে আৰু আজি আমাৰ জন্মও সফল হৈছে। ২ ॥

হে নাথ ! পৱনপুত্ৰই যি কাৰ্য কৰিলে, তাৰ বৰ্ণনা হাজাৰ মুখেৰেও কৰিব নোৱাৰি।" তাৰ পাছত জাম্ববন্তই হনুমন্তৰ প্ৰশংসনীয় কাৰ্যাৱলী ৰঘুপতিক শুনালে। ৩ ॥

হনুমানৰ কাৰ্যাৱলী শুনি কৃপানিধি ৰামে বৰ ভাল পালে আৰু হনুমানক আকৌ এবাৰ সাৱটি ধৰিলে আৰু ক'লে—"কোৱাচোন ! সীতা কেনেদৰে আছে আৰু নিজৰ প্ৰাণ ৰক্ষা কৰিছে।" ৪ ॥

দোঃ—"আপোনাৰ নামেই ৰাতি-দিন পহৰীয়া হৈ আছে, ধ্যানেই দুৱাৰ। চকু দুটা সদায় আপোনাৰ চৰণতে লাগি আছে। প্ৰাণ কোন বাটেদি যায় ? ৩০ ॥

চৌঃ—আহিবৰ সময়ত মোক চূড়ামণি দি পঠিয়াইছে [এই বুলি তেওঁ চূড়ামণি উলিয়াই দিলে]। ৰামে সেই চূড়ামণি বুকুত সাবটি ল'লে। আকৌ হনুমানে ক'লে—] "হে নাথ ! তেওঁ দুয়োটা চকু চলচলীয়া কৰি মোক কিছু কথা ক'লে। ১ ॥

ভ্ৰাতৃসহ প্ৰভুৰ চৰণত ধৰি ক'বা—"আপুনি দীনবন্ধু আৰু শৰণাগতৰ দুঃখ দূৰ কৰোঁতা। মই মন, বচন আৰু কৰ্মেৰে আপোনাৰ চৰণৰ অনুৰাগিণী। তথাপি প্ৰভুৱে মোক কি দোষত ত্যাগ কৰিলে ? ২ ॥

মই নিজৰ এটা দোষ পাইছোঁ এয়ে যে—বিয়োগৰ লগে লগেই মোৰ প্ৰাণ নগল ; কিন্তু হে নাথ ! এই ক্ষেত্ৰত চকু দুটাইহে অপৰাধী। সিহঁতে প্ৰাণটো ওলাই যোৱাত জোৰেৰে বাধা দি আছে। বিৰহেই জুই, শৰীৰটো তুলাৰ দৰে আৰু নিশ্বাস-প্ৰশ্বাসেই বতাহ। [এই জুই আৰু বতাহৰ সংযোগে] শৰীৰটো ক্ষন্তেকতে জলাই ছাই কৰিব পাৰে ; কিন্তু চকুৱে নিজৰ হিতৰ কাৰণে [প্ৰভুৰ ৰূপ-দৰ্শনৰ আশাৰে] পানী ববৰি থাকে নিমিত্তে বিৰহৰ অগ্নিয়েও দেহটো পুৰিব নোৱাৰে।" ৩৪ ॥

"হে দীনজনৰ প্ৰতি দয়ালু প্ৰভু ! সীতাৰ বিপত্তি বৰ ডাঙৰ। সেই বিষয়ে আৰু নোকোৱাই ভাল। [ক'লে আপুনি দুখহে পাব]। ৫ ॥

দোঃ—হে কৰুণানিধি! তেওঁৰ কাৰণে এক নিমিষেই এক কল্পৰ দৰে পাৰ হৈছে। [সেই বাবে] প্ৰভু! বেগাই যাওক আৰু নিজ বাহুবলেৰে দুষ্টবোৰক জয় কৰি [সীতাক] লৈ আহক।" ৩১ ॥

সীতাৰ দুখৰ কথা শুনি সুখধাম প্ৰভুৰ পঙ্কজৰূপ লোচন জলেৰে পূৰ্ণ হ'ল। [তেওঁ ক'লে—] "মন, বচন আৰু দেহেৰে যি মোকেইহে একমাত্ৰ আশ্ৰয় বুলি গ্ৰহণ কৰিছে, সপোনতো তেওঁৰ বিপদ হ'ব পাৰেনে?" ১ ॥

হনুমানে ক'লে—"হে প্ৰভু! বিপত্তি তেতিয়াই হয়, যেতিয়াই আপোনাৰ ভজন-স্মৰণ একো নহয়। প্ৰভু! ৰাক্ষসৰ কথাটোনো কি বৰ ডাঙৰ কথা? আপুনি শত্ৰুক পৰাস্ত কৰি জানকীক লৈ আহিব।" ২ ॥

[ৰামে ক'লে—] "হনুমান! তোমাৰ সমান উপকাৰী দেৱতা, মনুষ্য আৰু মুনি কোনো শৰীৰ-ধাৰীয়েই [মোৰ বাবে] নাই। মই তোমাৰ প্ৰত্যুপকাৰনো কি কৰিম? মোৰ মনেই তোমাৰ সন্মুখত একো বিচাৰি নাপায়। ৩ ॥

হে বৎস! শুনা। মনতে বহুত বিচাৰ কৰি চাই দেখিলোঁ যে মই তোমাৰ ধাৰ শুজিব নোৱাৰোঁ।" দেৱতাসকলৰ ৰক্ষক প্ৰভুৱে বাৰে বাৰে হনুমানৰ ফালে চাইছে। তেওঁৰ চকুত স্নেহৰ চকুলো আৰু শৰীৰো পুলকিত হৈ পৰিছে। ৪ ॥

দোঃ—প্ৰভুৰ বচন শুনি তথা পুলকিত শৰীৰ আৰু প্ৰসন্ন মুখ দেখি হনুমন্ত আনন্দিত হ'ল। তেওঁ প্ৰেম-বিহ্বল হৈ "ভগৱান! মোক ৰক্ষা কৰক, ৰক্ষা কৰক" এই বুলি কৈ শ্ৰীৰামচন্দ্ৰৰ চৰণত পৰিল। ৩২ ॥

চৌঃ—প্ৰভুৱে তেওঁক বাৰে বাৰে তুলিব খোজে; কিন্তু প্ৰেমত মগ্ন হনুমন্ত উঠিব নোখোজে। সেই সময়ত হনুমানৰ শিৰত প্ৰভুৰ কৰকমলৰ কথা সুঁৱৰি মহাদেৱ শিৱও প্ৰেমমগ্ন হৈ পৰিল। ১ ॥

তাৰ পাছত মনটো স্থিৰ কৰি লৈ শিৱই অতি সুন্দৰ কথা কবলৈ ধৰিলে। হনুমানক তুলি লৈ প্ৰভুৱে আঁকোৱালি ধৰিলে আৰু হাতত ধৰি তেনেই ওচৰত বহুৱাই ল'লে। ২ ॥

[তাৰ পাছত সুধিলে—"কোৱাচোন! ৰাৱণৰ সুৰক্ষিত লংকা আৰু তাৰ সুদৃঢ় দুৰ্গত কেনেকৈ জুই লগালা?" হনুমানে প্ৰভুক প্ৰসন্ন বুলি জানিলে আৰু আৰু অভিমানশূন্য হৈ ক'লে—"বান্দৰৰ একমাত্ৰ কাৰ্যকুশলতা এটা ডালৰপৰা আন এটা ডাললৈ যোৱাটোহে। মই যি সমুদ্ৰ পাৰ হৈ সোণৰ লংকা জলোৱা আৰু ৰাক্ষসবোৰ মাৰি অশোক বন মইকা কাৰ্য কৰিলোঁ সেই সকলোতে

মোৰ একো বৰাই বা প্ৰভুত্ব নাই। আপোনাৰহে শক্তিৰ মহত্ব তাত প্ৰকাশ পাইছে। ৩—৫ ॥

দোঃ—হে প্ৰভু! যাৰ প্ৰতি আপুনি সন্তুষ্ট, তাৰ কাৰণে একোৱেই অসম্ভৱ নহয়। আপোনাৰ প্ৰভাৱত নিশ্চয় তুলায়ো বাড়ৱাগ্নিক দহন কৰিব পাৰে। (অসম্ভৱো সম্ভৱ হ'ব পাৰে)। ৩৩ ॥

চৌঃ—হে নাথ! অত্যন্ত সুখদায়িনী আপোনাৰ প্ৰতি নিশ্চল ভক্তি মোক কৃপা কৰি দিয়ক।" হনুমানৰ অতি সৰল কথা শুনি হে ভৱানী! তেতিয়া প্ৰভুৱে সেয়ে হওক বুলি ক'লে। ১ ॥

হে উমা! যিজনে শ্ৰীৰামৰ স্বভাৱ বুজি পালে, তেওঁ ভক্তি এৰি একো বস্তুকে ভাল নাপায়। এই স্বামী আৰু সেৱকৰ সংবাদে যাৰ হৃদয়ত ঠাই পালে, তেওঁ ৰঘুপতিৰ চৰণৰ প্ৰতি ভক্তিও লাভ কৰিলে। ২ ॥

প্ৰভুৰ বচন শুনি বান্দৰবোৰে আনন্দৰ মূল, কৃপালু ৰামচন্দ্ৰৰ জয় বুলি জয় জয় ধ্বনি কৰিলে। তাৰ পাছত প্ৰভুৱে কপিৰাজ সুগ্ৰীৱক মতাই আনি ক'লে—"যাত্ৰাৰ বাবে সাজু হোৱা। ৩ ॥

এতিয়া বিলম্বৰ প্ৰয়োজন নাই। বান্দৰবিলাকক তুৰন্তে আজ্ঞা দিয়া।" [ভগৱানৰ] এই লীলা দেখি পুষ্প-বৃষ্টি কৰি আনন্দমনেৰে দেৱতাসকল আকাশৰ পৰা নিজ নিজ ভৱনলৈ গ'ল। ৪ ॥

দোঃ—বান্দৰৰ ৰজা সুগ্ৰীৱে শীঘ্ৰেই বান্দৰবোৰক মাতিলে। সেনাপতিসকল অনেক বঙৰ অতুলনীয় বলশালী বান্দৰ আৰু ভালুকৰ দল লৈ আহিল। ৩৪ ॥

চৌঃ—তেওঁলোকে প্ৰভুৰ পদপংকজত শিৰ দোৱাঁলে। মহাবলৱান ভালুক আৰু বান্দৰে গৰ্জন কৰিবলৈ ধৰিলে। ৰামে সম্পূৰ্ণ বান্দৰ সেনা দেখিলে আৰু তেওঁৰ কমল যেন সুন্দৰ নেত্ৰেৰে সকলোৰে প্ৰতি কৃপাদৃষ্টি কৰিলে। ১ ॥

ৰামৰ কৃপাৰূপী বল পাই বান্দৰবোৰ যেন একো একোটা ডাঙৰ পাখিলগা পৰ্বতহে হৈ পৰিল। তেতিয়া ৰামে সন্তোষমনেৰে যুদ্ধযাত্ৰা আৰম্ভ কৰিলে। যাত্ৰাৰ সময়ত অনেক শুভ লক্ষণ দেখিবলৈ পোৱা গ'ল। ২ ॥

যাৰ কীৰ্তিয়েই সকলো প্ৰকাৰে মংগলপ্ৰদ, তেওঁৰ যাত্ৰা-কালত শুভলক্ষণ প্ৰকাশ পোৱাটো এটা নিয়ম মাত্ৰ। প্ৰভুৰ যাত্ৰাৰ সংবাদ জানকীয়েও পালে। তেওঁৰ এই সংবাদ দিবৰ কাৰণেই যেন বাম অংগ নাচি উঠিল। ৩ ॥

সীতাৰ ওচৰত শুভ লক্ষণ প্ৰকাশ পোৱাৰ দৰেই ৰাৱণৰ ওচৰতো অশুভ লক্ষণ

প্ৰকাশ পাব। ইকালে বান্দৰ-সেনা আগবাঢ়িছে; তাৰ বৰ্ণনা কোনে দিব পাৰে? অসংখ্য বান্দৰ আৰু ভালুকে গৰ্জন কৰি গৈছে। ৪ ॥

নখেই যাৰ অস্ত্ৰ, সেই ইচ্ছানুসৰি স্বতন্ত্ৰ গতিৰে পৰ্বত আৰু বৃক্ষ লৈ কোনোবাই আকাশেদি আৰু কোনোবাই পৃথিৱীয়েদি আগ বাঢ়ি যোৱা ভালুক আৰু বান্দৰবোৰে কৰা সিংহৰ নিচিনা গৰ্জন শুনি দিগ্‌গজবোৰেও যেন অস্থিৰ হৈ চিঞৰিবলৈ ধৰিলে। ৫ ॥

ছন্দঃ—দিগ্‌গজবোৰে চিঞৰিলে, পৃথিৱী কঁপি উঠিল, পৰ্বতবোৰ চঞ্চল হ'ল আৰু সমুদ্ৰত খলকনি উঠিল। গন্ধৰ্ব, দেৱতা, মুনি, নাগ, কিন্নৰসকলো এই বুলি সুখী হ'ল যে—আমাৰ দুঃখ দূৰ হ'ব। কোটি কোটি ভয়ানক বান্দৰ-যোদ্ধা দাঁত কৰচি কৰচি আগবাঢ়ি গৈছে, আৰু অসংখ্য যোদ্ধা [উৎসাহত যেন] ন'ৰ মাৰিছে। প্ৰবল প্ৰতাপী কোশলনাথৰ (ৰামৰ) জয় বুলি চিঞৰি অনেকে শ্ৰীৰামৰ গুণ-যশৰ গীত গাইছে। ১ ॥

[সেনাসকলৰ] ভাৰ মহান সৰ্পৰাজ অনন্তয়ো সহিব পৰা নাই; তেওঁ বাৰে বাৰে ভয় খাই কূৰ্মৰ কঠোৰ পৃষ্ঠত কামোৰ মাৰি ধৰি সোপনি লয়। অনন্তনাগৰ এই কাৰ্য দেখিবলৈ কেনেকুৱা সুন্দৰ হৈছিল—যেন ৰঘুনাথৰ এই ৰণযাত্ৰা বৰ সুন্দৰ দেখি পবিত্ৰ সেই কথাবোৰ কূৰ্মৰ পিঠিত লিখি স্থায়ী কৰিছিল। ২ ॥

দোঃ—এইদৰে গৈ কৃপানিধি ৰাম সাগৰৰ তীৰত উপস্থিত হ'ল। ভালুক আৰু বান্দৰ বীৰবোৰেও য'তে ত'তে ফল-মূল খাবলৈ ধৰিলে। ৩৫ ॥

চৌঃ—তাতো (লংকাতো) হনুমানে পুৰি অহাৰ পাছত ৰাক্ষসবোৰ সশংকিত হৈ পৰিল। সকলোৱেই নিজ নিজ ঘৰত এইদৰে ভবা-চিন্তা কৰে যে—এতিয়া ৰাক্ষসবিলাকৰ ৰক্ষাৰ কোনো উপায় নাই। ১ ॥

যাৰ দূতৰে বল বৰ্ণনা কৰিব নোৱাৰি, তেওঁ স্বয়ং লংকালৈ আহিলে কি কুশল আছে? সংবাদবাহিকা ৰাক্ষসীবোৰৰ মুখৰপৰা নগৰবাসীবিলাকৰ এনে কথা শুনি মন্দোদৰী বৰ চিন্তিত হৈ পৰিল। ২ ॥

তেওঁ হাতযোৰ কৰি স্বামীৰ (ৰাৱণৰ) চৰণত ধৰি অকলশৰে নীতিপূৰ্ণ উপদেশ দি ক'লে—"হে প্ৰিয়তম! হৰিৰ প্ৰতি বিৰোধ ভাৱ ত্যাগ কৰা। মই অত্যন্ত হিতকৰ কথা কৈছোঁ বুলি অন্তৰেৰে বিশ্বাস কৰা। ৩ ॥

যাৰ দূতৰ কাৰ্যৰ কথা সুঁৱৰিলেই ৰাক্ষস-পত্নীবোৰৰ গৰ্ভপাত হয়; হে স্বামী! যদি কল্যাণ কামনা কৰা, তেনেহ'লে নিজৰ মন্ত্ৰীসকলক মাতি আনি তেওঁলোকৰ লগতে তেওঁৰ (ৰামৰ) পত্নীক পঠিয়াই দিয়া। ৪ ॥

তোমাৰ বংশৰূপী কমল-বনক দুখ দিবৰ কাৰণে সীতা শীতকাল স্বৰূপ হৈ আহিছে। হে নাথ! সীতাক ঘূৰাই নিদিলে ব্ৰহ্মা আৰু শিৱয়ো তোমাৰ কল্যাণ সাধিব নোৱাৰিব। ৫ ॥

দোঃ—শ্ৰীৰামৰ বাণ সৰ্পসমূহৰ দৰে আৰু ৰাক্ষসবোৰ তাৰ আগত ভেকুলিৰ দৰে। এতিয়া সাপে ভেকুলি ধৰাৰ আগতেই জিদ ভাব এৰি এটা উপায় কৰা। ৩৬ ॥

চৌঃ—মূৰ্খ আৰু জগৎ প্ৰসিদ্ধ অভিমানী ৰাৱণে তেওঁৰ কথা শুনি খুব হাঁহিলে [আৰু ক'লে—] "তিৰোতাবোৰ সঁচাকৈয়ে স্বভাৱতে ভয়াতুৰ। মন দুৰ্বল কাৰণে মংগলতো অমংগলহে দেখে। ১ ॥

যদি বান্দৰে সাঁচ কৰচি থেদি আহেও তেনেহ'লে বেচেৰাহঁতক নিশাচৰবোৰে খাই জীৱন ধাৰণ কৰিব। লোকপালসকলো যাৰ ভয়ত কঁপি থাকে, তাৰ পত্নী হৈ ভয় কৰাটো [তোমাৰ কাৰণে] বৰ হাঁহি উঠা কথা।" ২ ॥

এই বুলি কৈ হাঁহি মাৰি মন্দোদৰীক আঁকোৱালি ধৰি মমতা দেখুৱাই ৰাৱণ ৰাজসভালৈ গ'ল। মন্দোদৰীয়ে চিন্তা কৰিবলৈ ধৰিলে যে স্বামীৰ ওপৰত বিধাতা বিতুষ্ট। ৩ ॥

ৰাৱণ সভাত গৈ বহাৰ পাছতে খবৰ পালে যে শত্ৰুৰ সমস্ত সেনা সাগৰৰ সিপাৰে উপস্থিত হৈছে। তেওঁ মন্ত্ৰীসকলক সুধিলে—"এতিয়া কি কৰা উচিত কোৱাহঁক।" তেতিয়া সকলোৱেই হাঁহি মাৰি ক'লে—"মনে মনে বহি থাকক (অৰ্থাৎ এইটো চিন্তা কৰিব লগীয়া কথাই নহয়)। আপুনি দেৱতা-অসুৰ সকলোকে বিনাশ্ৰমে জয় কৰিলে। মানুহ আৰু বান্দৰ কি লেখৰ বস্তু। ৪।৫ ॥

দোঃ—মন্ত্ৰী, বৈদ্য আৰু গুৰু—এই তিনি শ্ৰেণীৰ লোকে যদি ভয় অথবা লাভৰ আশাত মন ভাল লগোৱা কথা কয় (প্ৰকৃততে হিতকৰ কথাটো নকয়) তেনেহ'লে ৰাজ্য, শৰীৰ আৰু ধৰ্ম—এই তিনিওটা বস্তু শীঘ্ৰেই নষ্ট হয়। ৩৭ ॥

চৌঃ—ৰাৱণৰ কাৰণেও এনেকুৱা সহায়কে মন্ত্ৰীসকলে আগবঢ়ালে। তেওঁলোকে ৰাৱণক শুনাই স্তুতি কৰিলে। সেই সময়ত উচিত বুলি ভাবি লৈ বিভীষণ আহিল আৰু ৰাৱণৰ চৰণত সেৱা জনালে। ১ ॥

তাৰ পাছত তেওঁ নতমস্তক হৈ নিজৰ আসনত বহিল আৰু ক'বলৈ আজ্ঞা পালত ক'লে—"হে কৃপালু! আপুনি যেতিয়া মোক সুধিছেই তেনেহ'লে মই নিজৰ বুদ্ধি অনুসৰি যিটো উচিত বুলি ভাবোঁ, সেইটোৱে কৈছোঁ। ২ ॥

যিজন পুৰুষে নিজৰ কল্যাণ, সুখ্যাতি, সুবুদ্ধি, শুভগতি আৰু অনেক প্ৰকাৰৰ সুখ বাঞ্ছা কৰে, তেওঁ পৰস্ত্ৰীৰ মুখ দৰ্শন আৰু মাহৰ চতুৰ্থীৰ চন্দ্ৰৰ নিচিনাকৈ ত্যাগ কৰে। (সেই তিথিৰ চন্দ্ৰটো চালে কলঙ্ক হয় বুলি লোকবিশ্বাস আছে) ৩ ॥

কোনোবা এজন পুৰুষ চৈধ্য ভুৱনৰ স্বামী হ'লেও তেওঁ জীৱৰ দ্ৰোহ আচৰণ কৰি তিষ্ঠিব নোৱাৰে। অতি চতুৰ আৰু গুণীজনবো লোভী লোকক কোনেও ভাল নোপোৱে। ৪ ॥

দোঃ—হে মহাৰাজ! কাম, ক্ৰোধ, মদ আৰু লোভ—এইবোৰ নৰকলৈ নিয়া বাট। এই সকলোকে এৰি সৎপুৰুষসকলে যাক ভজে, সেই শ্ৰীৰামক ভক্তি কৰক। ৩৮ ॥

চৌঃ—ৰাম মানুহৰে ৰজা নহয়। তেওঁ সমস্ত লোকৰে স্বামী আৰু কালৰো [শাসক] কাল। তেওঁ ভগৱান (ঐশ্বৰ্য, বীৰ্য, যশ, শ্ৰী, বৈৰাগ্য আৰু জ্ঞান —এই ছয় 'ভগ'ৰ অধিকাৰী), নিৰাময় (বিকাৰহীন), অজন্মা, ব্যাপক, অজেয়, অনাদি আৰু অনন্ত ব্ৰহ্ম। ১ ॥

কৃপাৰ সাগৰ সেই ভগৱানে পৃথিৱী, ব্ৰাহ্মণ, গো আৰু দেৱতাৰ হিতৰ কাৰণেহে মনুষ্য শৰীৰ ধাৰণ কৰিছে। দাদা! শুনক। তেওঁ সেৱকসকলৰ আনন্দদাতা, দুষ্টসমূহৰ নাশক, তথা বেদ আৰু ধৰ্মৰ ৰক্ষক। ২ ॥

বৈৰ ভাৱ ত্যাগ কৰি আপুনি ৰামৰ শৰণাপন্ন হওক। তেওঁ শৰণাগতজনৰ কষ্ট দূৰ কৰে। হে নাথ! সেই প্ৰভুৰ জানকীক আপুনি ওভোতাই দিয়ক আৰু অহৈতুকী স্নেহকৰ্তা প্ৰভু ৰামক ভক্তি কৰক। ৩ ॥

সমস্ত জগতৰ প্ৰতি দ্ৰোহাচৰণ কৰা পাপ যাৰ গাত লাগিছে, শৰণাগত হ'লে প্ৰভুৱে তেওঁকো এৰি নিদিয়ে। যাৰ নামে তিনিওবিধ তাপ নাশ কৰে, সেই প্ৰভুৱেই মনুষ্য ৰূপত দেখা দিছে। হে ৰাৱণ! (অন্তক দুঃখ দিওঁতা) মোৰ কথা বিশ্বাস কৰক। ৪ ॥

দোঃ—হে দশানন! মই বাৰে বাৰে আপোনাৰ চৰণত ধৰিছোঁ আৰু প্ৰাৰ্থনা জনাইছোঁ—মান, মোহ আৰু অহংকাৰ এৰি আপুনি কোশলপতি ৰামক ভক্তি কৰক।" ৩৯ ক ॥

পুলস্ত্য মুনিয়ে নিজৰ শিষ্যৰ যোগেদি এই কথা কৈ পঠিয়াইছে। হে মহাৰাজ! উপযুক্ত সময় পাই মই সোনকালেই এই কথা আপোনাক কৈছোঁ।" ৩৯ খ ॥

চৌঃ—মাল্যবান নামে এজন বুদ্ধিমান মন্ত্ৰী আছিল। তেওঁ বিভীষণৰ কথা

তুমি বৰ ভাল পালে [আৰু ক'লে—] "হে প্ৰভু! আপোনাৰ ভাই নীতিবিভূষণ। তেওঁ যি কৈছে সেই কথা অন্তৰেৰে গ্ৰহণ কৰক।" ১ ॥

[ৰাৱণে ক'লে—] "এই দুয়োটা মূৰ্খ ই শত্ৰুৰ গুণ বখানিবলৈ ধৰিছে। ইয়াত কোনো নাইনে? ইহঁতক বাহিৰ কৰ। তেতিয়া মাল্যবান ঘৰলৈ উভতি গ'ল। বিভীষণে হাতযোৰ কৰি আকৌ ক'লে। ২ ॥

"হে প্ৰভু! সুমতি আৰু কুমতি সকলোৰে হৃদয়ত থাকে। বেদ আৰু পুৰাণে এইদৰে কৈছে—য'ত সুবুদ্ধি থাকে ত'তে সুখ-সম্পদো থাকে আৰু য'তে কুবুদ্ধি থাকে ত'তে বিপত্তিও উৎপন্ন হয়। ৩ ॥

আপোনাৰ হৃদয়ত ওভোতা বুদ্ধিৰ কুমতিয়ে ঠাই লৈছে। সেইবাবে আপুনি হিতক অহিত আৰু শত্ৰুক মিত্ৰ বুলি ভাবিছে। যি সীতা ৰাক্ষসকুলৰ বাবে কালৰাত্ৰি স্বৰূপিনী, সেই সীতাৰ প্ৰতি আপোনাৰ বৰ প্ৰীতি হৈছে। ৪ ॥

দোঃ—হে প্ৰভু! মই আপোনাৰ চৰণত ধৰি প্ৰাৰ্থনা কৰিছোঁ মোৰ সম্ভাৱ (স্নেহ) ৰক্ষা কৰক। ৰামৰ ওচৰত সীতাক সমৰ্পণ কৰক। তেতিয়া আপোনাৰ অহিত নহয়।" ৪০ ॥

চৌঃ—বিভীষণে জ্ঞানীসকল, বেদ আৰু পুৰাণৰ মত দাঙি ধৰি নীতিৰ ব্যাখ্যা কৰিলে; কিন্তু সেইবোৰ শুনিয়েই ৰাৱণ জ্বলি-পকি উঠিল আৰু ক'লে— "হেৰ' মূৰ্খ! এতিয়া তোৰ মৃত্যু ওচৰ চাপি আহিল। ১ ॥

হেৰ দুষ্ট! মই জীয়াই ৰাখিছোঁ বাবে তই জীয়াই আছ; কিন্তু হেৰ' মূৰ্খ! তই শত্ৰুৰ পক্ষহে ভাল পাৱ। তই ক', জগতত এনে কোন আছে? যাক মই নিজ বাহুবলেৰে পৰাস্ত কৰা নাই? ২ ॥

তই থাক মোৰ নগৰত আৰু তোৰ প্ৰেম তপস্বীৰ লগত। মূৰ্খ! তই সিহঁতৰ লগলৈকে যা আৰু সিহঁতকে নীতি-শিক্ষা দে গৈ।" এই বুলি কৈ ৰাৱণে বিভীষণক গোৰ মাৰি দিলে, কিন্তু ভায়েক বিভীষণে তেতিয়াও বাৰে বাৰে ভৰিত ধৰি প্ৰাৰ্থনাহে জনালে। ৩ ॥

[মহাদেৱে ক'লে—] "হে উমা! সন্তসকলৰ এইটো মহৎ গুণ যে—যি অনিষ্ট কৰে, তাৰো তেওঁলোকে উপকাৰহে কৰে।" [বিভীষণে ক'লে—] "আপুনি মোৰ কাৰণে পিতৃতুল্য। আপুনি মোক মাৰিলেও কৈছোঁ—হে প্ৰভু! ৰামক ভজিলেহে আপোনাৰ হিত সাধন হ'ব।" ৪ ॥

[এই বুলি কৈ] বিভীষণ নিজৰ মন্ত্ৰীসহ আকাশ মাৰ্গেৰে গুচি গ'ল আৰু সকলোৰে শুনাকৈ ক'লে— ৫ ॥

দোঃ—"ৰাম প্ৰভু আৰু সত্য-সংকল্প। আপোনাৰ সোভা কালৰ হাতত। মই এতিয়া ৰঘুনাথৰ আশ্ৰয় ল'বলৈ আহিলোঁ। মোক যেন দোষ নিদিয়ে।" ৪১ ॥

চৌঃ—এই বুলি কৈ যেতিয়া বিভীষণ গুচি গ'ল, তেতিয়া ৰাক্ষসবোৰ আয়ুহীন হৈ পৰিল। হে ভৱানী! সাধুক কৰা অৱজ্ঞাই হ'ব লগীয়া সকলো কল্যাণ নাশ কৰে। ১ ॥

ৰাৱণে যেতিয়াই বিভীষণক ত্যাগ কৰিলে, দুৰ্ভগীয়া ৰাৱণ তেতিয়াৰ পৰাই বৈভৱহীন হৈ পৰিল। বিভীষণ বহুত আশা মনত লৈ হৰ্ষ-চিত্তেৰে ৰামৰ ওচৰলৈ গ'ল। ২ ॥

[বিভীষণে ভাবিলে] "মই গৈ প্ৰভু ৰামৰ সেই কোমল, ৰাতুল বৰ্ণৰ চৰণকমল দেখা পাম, যি সেৱকৰ বাবে সুখদায়ক। যি চৰণৰ পৰশ পাই ঋষি-পত্নী উদ্ধাৰ হ'ল আৰু যাৰ চৰণে দণ্ডকাৰণ্যক পবিত্ৰ কৰিলে। ৩ ॥

যাৰ পদ জানকীয়ে হৃদয়ত লৈ আছে, যি কপট মৃগৰ পাছে পাছে ধাবিত হ'ল। যাৰ চৰণ হৰৰ হৃদয় সৰোবৰৰ সৰোজ, মই সেই চৰণ দৰ্শন কৰিম, এইটো মোৰ ভাগ্যৰ কথা। ৪ ॥

দোঃ—যাৰ চৰণৰ পাদুকাকে ভৰতে মনত ধাৰণ কৰি আছে, মই এতিয়া আজি গৈয়েই সেই চৰণযুগল নিজৰ এই চকু দুটাৰেই দেখিবলৈ পাম।" ৪২ ॥

চৌঃ—এইদৰে ৰামৰ প্ৰতি ভক্তি ভাৱ মনত লৈ নানা কথা ভাবি তৎক্ষণাতেই সাগৰৰ সিপাৰত উপস্থিত হ'ল। বান্দৰবিলাকে বিভীষণক অহা দেখি শত্ৰুৰ কোনোবা বিশিষ্ট দূত বুলি ভাবিলে। ১ ॥

[সেইবাবে বান্দৰবোৰে] তেওঁক তাতে ৰাখি সুগ্ৰীৱৰ ওচৰলৈ আহি সকলো সমাচাৰ শুনালে। সুগ্ৰীৱে ক'লে—"হে ৰঘুনাথ! ৰাৱণৰ ভ্ৰাতৃ তোমাক লগ পাবলৈ আহিছে।" ২ ॥

প্ৰভুৱে সুধিলে—"মিত্ৰ! তুমি এই বিষয়ে কি ভাবা?" সুগ্ৰীৱে উত্তৰ দিলে—"ৰঘুনাথ! ৰাক্ষসৰ মায়া বুজিবলৈ টান। নিজ ইচ্ছা অনুসৰি ৰূপ-ধাৰণ কৰিব পৰা ৰাক্ষস কি কাৰণে বা আহিছে? ৩ ॥

সেই দুষ্টবুদ্ধি আমাৰ অৱস্থা বুজিবৰ কাৰণে আহিছে। মোৰ মনেৰে তাক বন্দী কৰি থোৱাই ভাল হ'ব।" [শ্ৰীৰামে ক'লে—] "হে মিত্ৰ! তুমি নীতিৰ কাৰণপৰা ভালেই ভাবিছা; কিন্তু মোৰ প্ৰতিজ্ঞা এই যে—মই শৰণাগতৰ ভয় দূৰ কৰিম।" ৪ ॥

প্ৰভুৰ এই কথা শুনি হনুমানে হৰ্ষ লাভ কৰিলে [আৰু মনতে ভাবিলে]— "ভগৱানে পিতৃবৎ স্নেহেৰে শৰণাগতক পালন কৰে।" ৫ ॥

দোঃ—[ৰামে ক'লে] "যি জনে নিজৰ অহিত হোৱাৰ ভয়ত শৰণাগতক ত্যাগ কৰে, সেই সংকীৰ্ণমনৰ (পামৰ) পাপীক দেখিলেও হানি হয়। ৪৩ ॥

চৌঃ—কোটি বিপ্ৰবধৰ পাপ যাৰ গাত লাগিল, মই শৰণাগত হ'লে তাকো এৰি নিদিওঁ। জীৱ যেতিয়াই মোৰ সন্মুখলৈ আহে, তেতিয়াই কোটি জন্মৰ পাপ তাৰ নাশ হয়। ১ ॥

পাপীইতৰ এইটো সাধাৰণ স্বভাৱ যে—মোৰ ভজন সিহঁতে কেতিয়াও ভাল নাপায়। যদি সেই ৰাৱণৰ ভাই সঁচাকৈয়ে দুষ্ট হয়, তেনেহ'লে সি মোৰ সন্মুখলৈ আহিব পাৰেনে ? ২ ॥

যিজনৰ মন নিৰ্মল, তেওঁহে মোক পায়। মই কপট আৰু ছল-বুদ্ধি ভাল নাপাওঁ। যদি তাক ৰাৱণেই আমাৰ ভিতৰৰ কথা জানিবলৈ পঠাইছে, তথাপি হে সুগ্ৰীৱ ! একো ভয় কৰিবলৈ নাই। ৩ ॥

জগতত যিমানবোৰ ৰাক্ষস আছে, লক্ষ্মণে নিমিষতে সিহঁতক বধ কৰিব পাৰে। আৰু যদি সি ভয় পাই মোৰ ওচৰলৈ আহিছে, তেনেহ'লে মই তাক নিজৰ প্ৰাণৰ দৰে ৰক্ষা কৰিম।" ৪ ॥

দোঃ—কৃপাময় ৰামে হাঁহি মাৰি ক'লে—"দুয়ো ফালৰ পৰাই তেওঁক লৈ আহিব লাগে। তেতিয়া কৃপালু ৰামৰ জয় হওক—বুলি কৈ অংগদ আৰু হনুমান সহ সুগ্ৰীৱ তাৰ পৰা গ'ল। ৪৪ ॥

তাৰ পাছত করুণাময় ৰঘুপতি য'ত আছে তালৈ বিভীষণক আদৰ কৰি আগত লৈ বান্দৰসকল আহিল। তেওঁ নয়নৰ আনন্দদাতা দুয়োজন ভাইকে দূৰৰ পৰাই দেখা পালে। ১ ॥

সৌন্দৰ্যৰ আকৰ ৰামক দেখি নিনিমেষ দৃষ্টিৰে স্থিৰ হৈ ৰৈ তেওঁ একেৰাহে চাই থাকিল। [তেওঁ দেখিলে—] প্ৰলম্বিত বাহু (দীঘল হাত), পদুমৰ দৰে অৰুণ বৰণৰ নয়ন আৰু শৰণাগত-ৰক্ষক শ্যামবৰ্ণৰ শৰীৰ। ২ ॥

সিংহৰ দৰে কান্ধ আৰু বহল হৃদয় শোভা পাইছে। মুখশ্ৰী অসংখ্য মদনৰ মন মুগ্ধ কৰিব পৰা। এই ৰূপ দেখি বিভীষণৰ চকুৰপৰা আনন্দৰ অশ্ৰু ওলাল আৰু শৰীৰ পুলকিত হ'ল। তাৰ পাছত মন স্থিৰ কৰি বিনীত ভাবেৰে ক'লে—৩ ॥

"হে প্ৰভু ! মই দশাননৰ ভাই। হে দেৱতাসকলৰ ৰক্ষক ! মোৰ জন্ম

ৰাক্ষস-কুলত। কৈচাই সহজতে আন্ধাৰ ভালপোৱাৰ ধৰে, মোৰ তামসী দেহা আৰু মনো পাপকৰ্মপ্ৰিয়। ৪ ॥

দোঃ—মই কাণেৰে আপোনাৰ সুযশ শুনি আহিছোঁ যে আপুনি ভৱভয় নাশক। হে আতুৰজনৰ দুঃখনাশক, শৰণাগতৰ সুখদাতা ৰঘুনাথ। মোক ৰক্ষা কৰক।" ৪৫ ॥

চৌঃ—এই বুলি কৈ দণ্ডৱৎ কোৱা দেখি প্ৰভুৰ মনত তুৰন্তেই অত্যন্ত হৰ্ষ ভাব উপজিল। দীনভাৱে কোৱা বিভীষণৰ কথা প্ৰভুৱে বৰ ভাল পালে। তেওঁ নিজৰ বিশাল বাহুৰে বিভীষণক তুলি লৈ বুকুত সাৱটি ধৰিলে। ১।

এইদৰে অনুজ লক্ষ্মণৰ লগতো আত্মীয়তা স্থাপন কৰি তেওঁক ওচৰত বহুৱাই ভক্তভয়হাৰীয়ে ক'লে—"হে লংকেশ। সপৰিয়ালে তোমাৰ কুশল-বাৰ্তা কোৱা। তোমাৰ বাসস্থান ভাল ঠাই নহয়। ২ ॥

দুষ্টবোৰৰ মাজত তুমি দিনে ৰাতিয়ে থাকা। তেনেস্থলত হে মিত্ৰ! তুমি কেনেকৈ ধৰ্ম ৰক্ষা কৰি আছা। মই তোমাৰ সকলো ৰীতি-নীতিৰ কথা জানো। তুমি অত্যন্ত নীতিকুশল, অনীতি ভাব তোমাৰ নাই। ৩ ॥

বিধাতাই দুষ্টৰ সংগ নিদি নৰকত বাস দিয়াও ভাল।" [তেতিয়া বিভীষণে ক'লে—] "হে ৰঘুনাথ। এতিয়া আপোনাৰ চৰণ দৰ্শন কৰিবলৈ পাই নিৰাপদ বোধ হৈছে, যিহেতু আপুনি নিজৰ সেৱক বুলি ভাবি মোৰ প্ৰতি সদয় হৈছে। ৪ ॥

দোঃ—তেতিয়ালৈকে জীৱৰ কল্যাণ নহয় আৰু সপোনতো শান্তি নাই, যেতিয়ালৈকে দুঃখৰ আকৰ কাম (বিষয় ভোগৰ কামনা) ত্যাগ কৰি সি ৰামক ভক্তি নকৰে। ৪৬ ॥

চৌঃ—লোভ, মোহ, মদ, মৎসৰ, অভিমান আদি অনেক দুষ্ট ভাব তেতিয়ালৈকে হৃদয়ত থাকে, যেতিয়ালৈকে ধনুশৰ আৰু তূণীৰ ধাৰণ কৰি হৃদয়ত ৰঘুনাথে স্থান গ্ৰহণ নকৰে। ১ ॥

মমতা সম্পূৰ্ণ আন্ধাৰ ৰাতি। যি ৰাগ-দ্বেষৰূপী কৈচাবোৰকহে সুখ দিয়ে। সেই অন্ধকাৰ ৰাতি, তেতিয়ালৈকে জীৱৰ মনৰপৰা দূৰ নহয়, যেতিয়ালৈকে প্ৰভুৰ প্ৰতাপস্বৰূপ সূৰ্যৰ উদয় হৃদয়ত নহয়। ২ ॥

হে ৰাম! এতিয়া মই আপোনাৰ চৰণকমল দেখি [আশ্ৰয় পাই] নিৰ্ভয় হৈছোঁ আৰু নিজকে নিৰাপদ বুলি ভাবিছোঁ। হে কৃপাময়! আপুনি যাৰ প্ৰতি প্ৰসন্ন হয়, তাক ত্ৰিবিধ সংসাৰ-তাপে প্ৰভাৱিত কৰিব নোৱাৰে। ৩ ॥

মই অতি নীচ স্বভাৱৰ ৰাক্ষস। কাৰো প্ৰতি ভাল আচৰণ কৰি পোৱা নাই; তথাপি যাৰ ৰূপ মুনিসকলেও ধ্যানত দেখা নাপায়, সেই প্ৰভুৱে প্ৰসন্ন হৈ মোক হৃদয়ত সাবটি ল'লে। ৪ ॥

দোঃ—কৃপা আৰু সুখৰ পুঞ্জ স্বৰূপ হে ৰাম! এইটো মোৰ অতি সৌভাগ্য যে—ব্ৰহ্মা আৰু শিৱৰ সেৱনীয় আপোনাৰ চৰণ যুগল মই নিজ চকুৰে দেখা পালোঁ।" ৪৭ ॥

চৌঃ—[ৰামে ক'লে—] "হে মিত্ৰ! মই তোমাক নিজৰ স্বভাৱৰ কথা কৈছোঁ শুনা। মোৰ এই স্বভাৱৰ কথা কাকভুশুণ্ডী, শিৱ আৰু পাৰ্বতীয়েও জানে। কোনো মানুহ যদি চৰাচৰ সম্পূৰ্ণ জগতৰেই দ্ৰোহী হয়; তথাপি ভয়ভীত হৈ মোত শৰণ বিচাৰে আৰু মদ-মোহ, ছল-কপট আদি নানা দুষ্টভাব ত্যাগ কৰে, তেনেহ'লে মই তেওঁক অতি শীঘ্ৰেই সাধুসদৃশ কৰোঁ। যিজনে মাতা-পিতা, ভাই, পুত্ৰ-পত্নী, শৰীৰ, ধন, ঘৰ, পৰিয়াল আৰু বন্ধু আদি স্বজন—এই সকলোৰে মমতাৰ ডোল গোটাই লৈ সেইবোৰ এডাল কৰি বাটি পেলাই তাৰ সহায়েৰে নিজৰ মনটো মোৰ মনত বান্ধি দিয়ে (অৰ্থাৎ সকলো আপোন সম্বন্ধ একত্ৰ কৰি মোৰ লগত স্থাপন কৰে), যি সমদৰ্শী, যাৰ একো ভোগৰ ইচ্ছা নাই, যাৰ মনত হৰ্ষ, শোক আৰু ভয়ো নাই, সেই সজ্জন মোৰ হৃদয়তো সেইদৰে থাকে, যেনেকৈ লোভীৰ হৃদয়ত ধন থাকে। তোমাৰ নিচিনা সন্তই মোৰ বাবে প্ৰিয়। মই আন কাকো সন্তুষ্ট কৰিবৰ কাৰণে দেহ ধাৰণ নকৰোঁ। ৫ ॥

দোঃ—যি সগুণ ভাবৰ উপাসক, পৰহিতত ৰত, নীতিপৰায়ণ আৰু দ্বিজসকলৰ চৰণত যাৰ প্ৰেম আছে, তেওঁলোকো মোৰ প্ৰাণৰ তুল্য। ৪৮ ॥

চৌঃ—হে লংকেশ! শুনা। তোমাৰ এই সকলো গুণ আছে। সেইবাবে তুমি মোৰ অত্যন্ত প্ৰিয়।" শ্ৰীৰামৰ এই কথা শুনি সকলো বান্দৰেই ক'লে—"কৃপাময় ৰামৰ জয় হওক।" ১ ॥

প্ৰভুৰ বাণী শুনি বিভীষণৰ কাণত অমৃত যেন লগা বাবে হৈঁপাহ নপলোৱা হ'ল। তেওঁ বাৰে বাৰে শ্ৰীৰামৰ চৰণকমলত ধৰে, যেন অপাৰ প্ৰেম তেওঁৰ হৃদয়ত নধৰা হয়। ২ ॥

[বিভীষণে ক'লে—] "হে চৰাচৰ জগতৰ স্বামী, প্ৰণতপালক আৰু অন্তৰ্যামী দেৱ! শুনক। হৃদয়ত কিছু বাসনা প্ৰথমতে আছিল; কিন্তু প্ৰভুৰ চৰণ-প্ৰীতিৰ সোঁতত এতিয়া সিও উটি গ'ল। ৩ ॥

হে কৃপালু! এতিয়া মোক আপোনাৰ সেই পাৱনী ভক্তিদান কৰক, যিটো সদায় মহাদেৱৰ শিৱৰ কাৰণে প্ৰিয় বস্তু।" "এয়ে হওক" বুলি কৈ ৰণস্টু প্ৰভুৱে সোনকালেই সমুদ্ৰৰ জল বিচাৰিলে। ৪ ॥

[তাৰ পাছত ক'লে—] "হে মিত্ৰ! যদিও তোমাৰ ইচ্ছা নাই, তথাপি সংসাৰত মোৰ দৰ্শন লাভ নিশ্চিত ফলদায়ক।" এই বুলি কৈ শ্ৰীৰামে বিভীষণক ৰাজতিলক দিলে। আকাশৰপৰা অসংখ্য পুষ্পবৃষ্টি হ'ল আৰু দেৱতাসকলে আনন্দ কৰিলে। ৫ ॥

দো—ৰাৱণৰ ক্ৰোধাগ্নিক নিজৰ শ্বাসবায়ুৰেই (ভাবোচ্ছ্বাস প্ৰকাশক বাক্যৰে) প্ৰচণ্ড কৰি তুলি সেই অগ্নিতে জাহ যাব লগীয়া হোৱা বিভীষণক ৰক্ষা কৰিলে আৰু অখণ্ড ৰাজ্যও দান কৰিলে। ৪৯ (ক) ॥

যিটো সম্পদ নিজৰ দহোটামূৰ উৎসৰ্গা কৰা বাবে ৰাৱণক শিৱই দিছিল, সেই সম্পদ বিভীষণক সংকোচ মনেৰে (ইও যথেষ্ট হোৱা নাই বুলি) প্ৰভুৱে দান কৰিলে। ৪৯ (খ) ॥

চৌঃ—এনে প্ৰভুক এৰি যি আনক ভজে, সি শিং আৰু নেজ নথকা পশুতুল্য। নিজৰ সেৱক বুলি জানি তেওঁক (বিভীষণক) সামৰি ল'লে। প্ৰভুৰ এই স্বভাৱ বান্দৰসকলে ভাল পালে। ১ ॥

তাৰ পাছত সৰ্বজ্ঞ, সকলোৰে হৃদয়ত থকা, সকলো ৰূপতে প্ৰকট হ'লেও সকলোৰে অতীত, নিৰ্লিপ্ত, পৃথিৱীৰ ভাৰ হৰণৰ কাৰণে দানৱ-কুল-নাশক, মনুষ্যৰূপধাৰী নীতিপালক ৰামে ক'লে—২ ॥

"হে বীৰ বানৰৰাজ সুগ্ৰীৱ আৰু লংকাপতি। শুনাইক। এই গভীৰ সাগৰ কি উপায়ে পাৰ হোৱা যায়? অনেক প্ৰকাৰৰ মাছ, মগৰ আৰু সাপেৰে ভৰা এই অত্যন্ত গভীৰ সাগৰ পাৰ হোৱাটো সকলো প্ৰকাৰে কঠিন কাম।" ৩ ॥

বিভীষণে ক'লে—"হে ৰঘুনাথ! শুনক। যদিও আপোনাৰ বাণে কোটি সমুদ্ৰও শুকুৱাব পাৰে, তথাপি নীতিমতে সাগৰৰ ওচৰত প্ৰাৰ্থনা জনোৱাটো উচিত। ৪ ॥

দোঃ—হে প্ৰভু! সমুদ্ৰ আপোনাৰ কুলৰ শ্ৰেষ্ঠ পুৰুষ (পূৰ্বপুৰুষ,) তেওঁ বিচাৰ কৰি চাই আপোনাক উপায় দিব। তেতিয়া ভালুক-বান্দৰৰ সকলো সেনা বিনাকষ্টে সাগৰ পাৰ হৈ যাব পাৰিব।" ৫০ ॥

চৌঃ—শ্ৰীৰামে ক'লে—"হে মিত্ৰ! তুমি উচিত উপায় দিলা। ইয়াকে

কৰা হওক, যদিহে দৈৱ সহায়ক হয়, হওক।" এই পৰামৰ্শ লক্ষ্মণে মনতে ভাল নাপালে। শ্ৰীৰামৰ কথা শুনি তেওঁ মনতে বৰ দুঃখহে পালে। ১ ॥

[লক্ষ্মণে ক'লে—] "হে প্ৰভু! দৈৱৰ ওপৰত ভৰসাই কি কৰিব! মনত ক্ৰোধ উৎপন্ন কৰি সমুদ্ৰ শুকুৱাই লওক। এই দৈৱ কাপুৰুষৰ মনৰ এটা খোৰ্পনি মাত্ৰ। এলেহুৱা মানুহেহে দৈৱ দৈৱ নাম লৈ থাকে।" ২ ॥

এই কথা শুনি ৰঘুনাথে হাঁহি মাৰি ক'লে—"এয়ে হ'ব মনত ধৈৰ্য ধৰাচোন।" এই বুলি কৈ লক্ষ্মণক বুজাই লৈ ৰঘুনাথ সমুদ্ৰৰ কাষ পালেগৈ। ৩ ॥

তেওঁ প্ৰথমতে নতমস্তক হৈ প্ৰণাম জনালে। তাৰ পাছত কুশ বন পাৰি ওচৰতে বহিলে। ইফালে যেতিয়াই বিভীষণ প্ৰভুৰ ওচৰলৈ আহিছিল, তেতিয়াই ৰাৱণেও তেওঁৰ পাছে পাছে দূত পঠিয়ালে। ৪ ॥

দোঃ—সেই দূতে বান্দৰৰ ছদ্মবেশ ধৰি এই সকলো কাৰ্য দেখিবলৈ পালে আৰু শৰণাগত বৎসলতা আদি প্ৰভুৰ গুণৰ প্ৰশংসা মনে মনে কৰিবলৈ ধৰিলে। ৫১ ॥

চৌঃ—পাছত সেই দূতবোৰে দেখাদেখিকৈয়ে ৰামৰ গুণৰ প্ৰশংসা কৰিলে, সিহঁতে নিজৰ কপট বেশৰ কথা পাহৰিলে। তেতিয়া সিহঁত শত্ৰুৰ দূত বুলি বান্দৰবোৰে বুজিলে আৰু সিহঁতক বন্দী কৰি সুগ্ৰীৱৰ ওচৰলৈ লৈ গ'ল। ১।

সুগ্ৰীৱে ক'লে—"বান্দৰসকল শুনা, এই ৰাক্ষসহঁতক অংগ ভংগ কৰি পঠিয়াই দিয়া।" সুগ্ৰীৱৰ কথা শুনি বান্দৰবোৰ খেদামাৰি আহিল আৰু দূতকেইটাক সৈন্যদলৰ চাৰিওফালে বন্দী অৱস্থাতে এপাক ঘুৰালে। ২ ॥

বান্দৰবোৰে সিহঁতক নানাপ্ৰকাৰে মাৰিলে। দীনভাৱে চিঞৰিলতো নেৰিলে। [তেতিয়া দূতকেইটাই আতুৰ হৈ ক'লে—] "যি আমাৰ নাক-কাণ কাটিব তাক কোশলৰাজ ৰামৰ শপত দিছোঁ।" ৩ ॥

এই কথা শুনি লক্ষ্মণে বান্দৰবোৰক ওচৰলৈ মতাই আনিলে আৰু দয়া লাগি হাঁহ হাহি সেই দূতকেইটাক তেতিয়াই মুকলি কৰি দিয়ালে। তেওঁ ক'লে— "ৰাৱণৰ হাতত এইখন চিঠি দিবা আৰু কবা। হে কুলঘাতী! লক্ষ্মণৰ বচন পঢ়া। ৪ ॥

দোঃ—সেই মূৰ্খক মুখেৰেও মোৰ এই সদুপদেশ বাক্য শুনাবা যে—সীতাক ঘুৰাই দি শ্ৰীৰামচন্দ্ৰৰ ওচৰ চাপা। নহ'লে তোমাৰ কাল ওচৰ চাপিল বুলি জানিবা।" ৫২ ॥

চৌঃ—দূতকেইটা লক্ষ্মণৰ চৰণত শিৰদোৱাই ৰামৰ গুণ গাই গাই গুচি

খ'ল। শ্ৰীৰামৰ গুণ-যশ গাই সিহঁত লংকা পালেগৈ আৰু ৰাৱণৰ চৰণত মূৰ দোৱালেগৈ। ১ ॥

দশানন ৰাৱণে হাঁহি মুখেৰে সিহঁতক সুধিলে—"নিজৰ কুশলবাৰ্ত্তা নকৰ কিয়? তাৰ পাছত সেই বিভীষণৰ বাতৰি ক, যাৰ মৃত্যু অতি ওচৰ চাপি আহিছে। ২ ॥

মূৰ্খ ই ৰাজ্যশাসন কৰি থকা লংকা ত্যাগ কৰিলে। এতিয়া সি ভুভুঁগীয়া যৱধানৰ* লগৰ ঘূণগুড়িৰ নিচিনা হ'ব। ৰামৰ লগতে সিও মৰিব)। তাৰ পাছত বান্দৰ-ভালুকৰ সেনাবোৰৰ কথা কচোন, যিবোৰ কঠোৰ কালৰ প্ৰেৰণত ইয়ালৈ আহিছে আৰু কোমল চিত্তৰ বেচেৰা সমুদ্ৰ যিবোৰৰ জীৱন-ৰক্ষক হৈ পৰিল (মাজতে সাগৰখন নথকা হ'লে লংকাৰ ৰাক্ষসে সিহঁতক মাৰি খাই পেলালেহেঁতেন। এই ভাবত সাগৰক বান্দৰবোৰৰ জীৱন-ৰক্ষক বুলিছে)। আকৌ সেই তপস্বীহঁতৰ কথা ক'; যাৰ হৃদয়ত মোৰ প্ৰতি অত্যন্ত ভয় আছে। ৩।৪ ॥

দো:—সিহঁতক তইঁতে লগ পালিনে? নাইবা মোৰ যশস্যাৰ কথা কাণেৰে শুনিয়েই উভতি গ'ল? শত্ৰু-সেনাৰ তেজ বলৰ কথা নকৱ কিয়? মনত আশ্চৰ্য বা সংকোচ ভাব কিহৰ বাবে?" ৫৩ ॥

চৌ:—দূতে ক'লে—"হে নাথ! আপুনি যেনেকৈ মৰমেৰে সুধিছে, তেনেকৈয়ে খং-ৰাগ নকৰাকৈ মোৰ কথা বিশ্বাস কৰক। আপোনাৰ ভায়েক ৰামৰ লগত গৈ মিলাৰ পাছতে ৰামে তেওঁক ৰাজতিলক দিলে। ১ ॥

আমি ৰাৱণৰ দূত এই কথা কাণেৰে শুনিয়েই বান্দৰবোৰে ধৰি-বান্ধি আমাক বহুত কষ্ট দিলে। আনকি নাক-কাণো কাটিব খুজিছিল। শ্ৰীৰামৰ শপত দিলতহে সিহঁতে আমাক এৰিছে। ২ ॥

হে মহাৰাজ! আপুনি শ্ৰীৰামৰ সৈন্যৰ কথা সুধিছে। তাৰ কথা কোটি-শন মুখেৰেও বৰ্ণাব নোৱাৰি। অনেক ৰঙৰ বান্দৰ আৰু ভালুকৰ সেনা আছে, যিবোৰ বিকট মুখৰ, বিশাল দেহৰ আৰু ভয়ংকৰ স্বভাৱৰো। ৩ ॥

যিটো বান্দৰে নগৰখন পুৰিলে আৰু আপোনাৰ পুত্ৰক বধ কৰিলে, তেওঁৰ বল আনবোৰৰ তুলনাত কমেই। তাত অসংখ্য নামৰ আৰু বহুত অতি কঠোৰ ভয়ানক যোদ্ধা আছে, সেইবোৰৰ প্ৰতিটোৰে বল অসংখ্য হাতীৰ সমান আৰু সিহঁতৰ আকৃতিও বিশাল, সংখ্যাতো বিপুল। ৪ ॥

---

*যৱধানৰ লগতে ঘূণবোৰো পিহা যায়। গতিকে উলুৰ লগতে বগৰী পোৱাৰ ভাব ইয়াত প্ৰকাশ পাইছে।

দোঃ—দ্বিবিদ, ময়ন্দ, নীল, নল, অংগদ, গদ, বিকটাস্য, দধিমুখ, কেশৰী, নিশঠ, শঠ আৰু জাম্ববন্ত প্ৰভৃতি বৰ বলবান। ৫৪॥

চৌঃ—এইসকল বান্দৰ বীৰ সুগ্ৰীৱৰ সমান। এওঁলোকৰ নিচিনা আৰু কোটি কোটি বীৰ আছে। সেইবোৰৰ গণনা কোনে কৰে? ৰামৰ কৃপাত তেওঁলোক অতুল বলশালী হৈছে। তেওঁলোকে তিনিও লোককে খেৰ-কুটা যেন সামান্য জ্ঞান কৰে। ১॥

হে দশানন! মই কাণেৰে যি শুনিছোঁ, সেই মতে ওঠৰ পদ্ম কেৱল বান্দৰৰ সেনাপতি আছে। হে প্ৰভু! সেই সেনাদলত এনে কোনো বান্দৰ নাই, যি আপোনাক যুদ্ধত পৰাস্ত কৰিব নোৱাৰে। ২॥

এই সকলোৰেই অতি উগ্ৰ ভাৱত হাত মোহাৰি আছে; কিন্তু ৰামে তেওঁলোকক আজ্ঞা দিয়া নাই। তেওঁলোকে মাছ আৰু সাপেৰে ভৰা সাগৰ শুহি পেলাব খোজে, নহ'লে ডাঙৰ ডাঙৰ পৰ্বতেৰে পুতি পেলাবলৈ বিচাৰে। ৩॥

'ৰাৱণক মোহাৰি ধূলিত সানি পেলাওঁ'—এই বুলি সকলো বান্দৰে কৈছে। সকলোৰেই স্বভাৱতে নিৰ্ভীক আৰু তৰ্জন-গৰ্জনো এনেদৰে কৰিছে যেন লংকাখনকে গিলি পেলাবলৈহে বিচাৰিছে। ॥

দোঃ—সকলো-বান্দৰ-ভালুকেই স্বভাৱতে বীৰ। তথাপি তেওঁলোকৰ ওপৰত প্ৰভু ৰাম আছে। হে ৰাৱণ! তেওঁলোকে যুদ্ধত কোটি কোটি কালকো পৰাস্ত কৰিব পাৰে। ৫৫॥

চৌঃ—ৰামৰ বল-শক্তি আৰু বুদ্ধিৰ বিপুলতাৰ বৰ্ণনা লাখ জন শেষ-নাগেও গাই অন্ত কৰিব নোৱাৰে। তেওঁ একেপাট শৰেৰেই শ শ সমুদ্ৰ শুকুৱাই পেলাব পাৰে, কিন্তু নীতিনিপুণ শ্ৰীৰামচন্দ্ৰই আপোনাৰ ভায়েকক উপায় সুধিলে। ১॥

তেওঁৰ (বিভীষণৰ) কথা শুনি শ্ৰীৰামে সমুদ্ৰৰ ওচৰত বাট বিচাৰিছে; তেওঁৰ মনত মৰমৰ ভাৱ আছে (সেইবাবে শোষণ কৰা নাই)।" দূতৰ এই কথা শুনি ৰাৱণে উপহাসৰ ভাৱত হাঁহিলে আৰু ক'লে—"এনেকুৱা কাৰণেইতো বান্দৰৰ সহায় লৈছে। ২॥

স্বভাৱতেই কাপুৰুষ বিভীষণৰ বচনকে দৃঢ়ভাৱে লৈ সাগৰৰ ওচৰত ল'ৰাই খেওধৰি বিচৰাৰ দৰে বাট বিচাৰিছে। হেৰ মূৰ্খ! কি মিছা প্ৰশংসা কৰিছহি। মই শত্ৰুৰ বল-বুদ্ধিৰ জোখ পালোঁ। ৩॥

যাৰ মন্ত্ৰী বিভীষণৰ নিচিনা ভীৰু, জগতত সি বিজয় আৰু বিভূতিক

অধিকাৰী কেনেকৈ হ'ব পাৰে ?" দুষ্ট ৰাৱণৰ কথা শুনি দূতৰ খং উঠিল। দূতে সুবিধা পাই পত্ৰ উলিয়ালে।। ৪ ॥

[দূতে ক'লে] "ৰামৰ ভায়েকে এইখন পত্ৰ দি পঠাইছে। হে প্ৰভু ! এইখন পঢ়াই মন শান্ত কৰক।" ৰাৱণে হাঁহি মাৰি সেই পত্ৰ বাওঁফালে পাতি ললে আৰু মন্ত্ৰীক মতাই মুখই পঢ়োৱালে। ৫ ॥

দোঃ—"হেৰ' মুৰ্খ ! কেৱল কথাৰেই মনক সন্তুষ্ট কৰি নিজৰ বংশক নষ্ট-ভ্ৰষ্ট নকৰিবি। শ্ৰীৰামৰ লগত শত্ৰুতা কৰি তই ব্ৰহ্মা, বিষ্ণু আৰু মহেশ্বৰৰ আশ্ৰয় ল'লেও ৰক্ষা নাপাবি। ৫৬। (ক) ॥

অভিমান ত্যাগ কৰি তোৰ ভাই বিভীষণৰ দৰে প্ৰভুৰ চৰণকমলৰ ভ্ৰমৰ (চৰণসেৱক) হ। নহ'লে শ্ৰীৰামৰ বাণৰূপী অগ্নিত সবংশে পতংগৰ দৰে জাহ যাবি।" ৫৬ (খ) ॥

চৌঃ—পত্ৰ পঢ়া শুনিয়েই ৰাৱণে মনতে ভয় পালে, কিন্তু মুখেৰে মিচিকাই হাঁহি দেখুৱাই সকলোকে শুনাই এইদৰে ক'লে—"পৃথিৱীত পৰি থকা হাতেৰে আকাশখন ধৰিবলৈ যত্ন কৰিলে যেনে হয়, ক্ষুদ্ৰ তপস্বীৰ বাকাৰ বিলাসিতাও তেনেই হৈছে।" ১ ॥

দূতে ক'লে—"হে প্ৰভু ! স্বভাৱৰ অভিমান ত্যাগ কৰি এই কথা সত্য বুলি বিশ্বাস কৰক। ক্ৰোধ এৰি মোৰ কথা শুনক আৰু ৰামৰ বিৰোধ ত্যাগ কৰক। ২ ॥

অখিল লোকসমূহৰ অধিকাৰী হ'লেও ৰঘুনাথৰ স্বভাৱ অতি কোমল। আপুনি তেওঁৰ ওচৰ চাপিলেই তেওঁ কৃপা কৰিব আৰু আপোনাৰ এৰো অপৰাধকে মনত নাৰাখিব। ৩ ॥

আপুনি সীতাক সমৰ্পণ কৰক। হে প্ৰভু ! মই কোৱা এইখিনি কাৰ্য আপুনি কৰক।" যেতিয়া সেই দূতে জানকীক দিয়া কথা ক'লে, তেতিয়া দুষ্ট ৰাৱণে দূতক গোৰ মাৰি পঠিয়ালে। ৪ ॥

সিও চৰণত নমস্কাৰ জনাই তালৈকে গ'ল; য'ত কৃপাৰ সাগৰ ৰঘুনাথ আছে। প্ৰণাম কৰি সি নিজৰ কথা শুনালে আৰু শ্ৰীৰামৰ কৃপাত নিজৰ যোগ্য গতি লাভ কৰিলে। ৫ ॥

[শিৱই ক'লে—] "হে ভৱানী ! সি জ্ঞানী মুনি আছিল। অগস্ত্য ঋষিৰ শাপত ৰাক্ষস হৈছিল। বাৰে বাৰে শ্ৰীৰামৰ চৰণত বন্দনা কৰি তেওঁ তাৰ পাছত নিজৰ আশ্ৰমলৈ ঘোৰ ল'লে।" ৬ ॥

দোঃ—তিনিদিন পাৰ হৈ গ'ল ; কিন্তু সংজ্ঞাহীন সাগৰে ৰামৰ বিনয় বচনত শুকত নিদিলে। তেতিয়া ৰামে খঙেৰে ক'লে—"ভয়তহে ভজে (ভয় নহ'লে প্ৰীতিও নহয়)। ৫৭ ॥

চৌঃ— হেৰা লক্ষ্মণ। শৰ-ধনু আনা। অগ্নিবাণেৰে সাগৰ শুকুৱাই পেলাওঁ। মূৰ্খৰ ওচৰত বিনয়, কুটিল বুদ্ধিৰ লগত প্ৰীতি, স্বভাৱতে সংকীৰ্ণমনাৰ ওচৰত উদাৰতাৰ উপদেশ, মমতাৰ (মোহৰ) বান্ধত থকা জনক জ্ঞানৰ কথা, লোভীৰ ওচৰত বৈৰাগ্যৰ শিক্ষা, ক্ৰোধান্ধৰ ওচৰত শান্তিৰ কথা আৰু কামুকজনৰ ওচৰত হৰিকথা একেবাৰেই ঊষৰত গুটি সিচাৰ দৰে নিষ্ফল হয়।" ১২ ॥

এইবুলি কৈ ৰামে ধনু দাঙি ল'লে। এই সিদ্ধান্ত লক্ষ্মণেও ভাল পালে। প্ৰভুৱে ভয়ংকৰ অগ্নিবাণ প্ৰহাৰ কৰিলে, যাৰ ফলত সমুদ্ৰৰ বুকুত জুই জ্বলি উঠিল। ৩ ॥

মাছ, মগৰ, সাপ সকলোৱেই ব্যাকুল হৈ পৰিল। যেতিয়া সমুদ্ৰই জীৱ-সমূহ জ্বলি-পুৰি নষ্ট হোৱা দেখিলে, তেতিয়া সোণৰ থালত অনেক মণি-ৰত্নলৈ অভিমান ত্যাগ কৰি ব্ৰাহ্মণ বেশেৰে তেওঁ ৰামৰ ওচৰ চাপিল। ৪ ॥

দোঃ—কাকভুশুণ্ডীয়ে ক'লে—"হে গৰুড়, শুনা। যদি কোনোবাই কোটি উপায় কৰিও কলৰ খেতি কৰে, তথাপি নাকাটিলে ফল নাপায়। নীচ মনৰ লোকে বিনয় বচনত সন্তুষ্টি লাভ নকৰে, সি টান পালেহে সেও হয়।" ৫৮ ॥

চৌঃ—সমুদ্ৰই ভয়ভীত হৈ তেতিয়া প্ৰভুৰ চৰণত ধৰি ক'লে—"হে নাথ ! মোৰ সকলো অপৰাধ ক্ষমা কৰক। প্ৰভু ! আকাশ, বায়ু, অগ্নি, জল আৰু পৃথিৱী—এইসকলৰ স্বভাৱ জড়তাপূৰ্ণ (তামসিক)। ১ ॥

আপোনাৰ প্ৰেৰণাত মায়াই এইবোৰ সৃষ্টিৰ কাৰণে উৎপন্ন কৰিলে। সকলো গ্ৰন্থতে এই বুলি কোৱা হৈছে। যাক স্বামীয়ে যেনেকৈ থাকিবলৈ আজ্ঞা দিছে, সি সেইদৰেই থাকি সুখ পায়। ২ ॥

প্ৰভুৱে মোক দণ্ড দি ভাল কৰিলে ; কিন্তু (জীৱসমূহৰ স্বভাৱৰ) মৰ্যাদাও (আচৰণৰ সীমাও) প্ৰভুৱেই সৃষ্টি কৰিছে। ঢোল, মূৰ্খ, শূদ্ৰ, পশু আৰু নাৰী —এই সকলো দণ্ডৰ (শাসনৰ) ভাগী হয় (এই সকলক দণ্ড দিও শাসন কৰিব-লগীয়া হয়)। ৩ ॥

প্ৰভুৰ প্ৰতাপত মই শুকাই যাম আৰু সেনা সকলো পাৰ হৈ যাব। তাত মোৰ গৌৰৱ বা শ্ৰেষ্ঠতাৰ কথা নাই। প্ৰভুৰ আজ্ঞা পেলাবপৰা বস্তু নহয় বুলি

শ্ৰুতিয়েও কৈছে। গতিকে আপুনি যি ভাল পায় তাকে শীঘ্ৰে কৰিবলৈ কওক, মই কৰোঁ।" ৪ ॥

দোঃ—সমুদ্ৰৰ অতি বিনম্ৰ বচন শুনি কৃপালু ৰামে মিচিকাই হাঁহি ক'লে—"কেনেকৈ বান্দৰ-সেনা সিপাৰত উঠিব পাৰে, তাৰ উপায় কওক।" ৫৯ ॥

চৌঃ—সাগৰে ক'লে—"হে প্ৰভু। নীল আৰু নল দুয়োজন বান্দৰ ভাই-ককাই। তেওঁলোকে ল'ৰাকালতে ঋষিৰ আশীৰ্বাদ পোৱা আছে। তেওঁলোকে স্পৰ্শ কৰিলেই গধুৰ গধুৰ পৰ্বতবোৰো আপোনাৰ প্ৰতাপৰ কাৰণে ওপঙি যাব। ১ ॥

ময়ো প্ৰভুৰ প্ৰভুত্ব হৃদয়ত মানি লৈ নিজৰ বল অনুসৰি যি পাৰোঁ সহায় কাৰম। হে প্ৰভু! এইদৰে সমুদ্ৰত সেতু বান্ধক। যাৰ ফলত তিনিও লোকত আপোনাৰ যশগান কৰা হ'ব। ২ ॥

এই বাণেৰে মোৰ উত্তৰ কূলত থকা অতি পাপী দুষ্ট মানুহবোৰ বধ কৰক।" কৃপালু আৰু ৰণধীৰ ৰামচন্দ্ৰই সমুদ্ৰৰ মনৰ এই দুঃখ বুজিব পাৰি (শুনিবলৈ পাই) তুৰন্তেই সেই দুঃখ দূৰ কৰিলে (অৰ্থাৎ সেই উত্তৰ কূলবাসী পাপীবোৰক বধ কৰা হ'ল)।

ৰামৰ অতিশয় বল আৰু পৌৰুষ দেখি সমুদ্ৰই সন্তোষ লাভ কৰিলে আৰু সুখী হ'ল। তেওঁ সেই দুষ্টবোৰৰ সকলো কথা কৈ শুনালে। তাৰ পাছত ৰামৰ চৰণ-বন্দনা কৰি সমুদ্ৰ গুচি গ'ল। ৪ ॥

ছন্দঃ—সমুদ্ৰ নিজৰ ঘৰলৈ গ'ল। শ্ৰীৰামচন্দ্ৰই তেওঁৰ পৰামৰ্শ ভাল পালে। এই ৰামচৰিত কলিকালৰ পাপ হৰণকাৰী। ইয়াক নিজৰ বুদ্ধি অনুসৰি তুলসীদাসে গাইছে। ৰঘুনাথৰ গুণসমূহ সুখময়, সন্দেহ নাশক আৰু বিষাদ দূৰকাৰী। হেৰ মূৰ্খ মন। তই সংসাৰৰ সকলো আশা-ভৰসা ত্যাগ কৰি সততে ইয়াৰ শ্ৰৱণ-কীৰ্তন কৰ।

দোঃ—ৰঘুনাথৰ গুণ-গান কৰিলে সকলো প্ৰকাৰৰে সুমংগল লাভ হয়। যি ইয়াক সমাদৰ কৰি শুনিব, তেওঁ কোনো প্ৰকাৰৰ জলযান নোহোৱাকৈয়ে সংসাৰ-সাগৰ পাৰ হৈ যাব। ৬০ ॥

শ্ৰীৰামচৰিত মানস

লংকাকাণ্ড

দোহা :—নিমেষ, লৱ (৩৬ নিমেষ) আদি সময়ৰ অতি ক্ষুদ্ৰ ভাগবোৰ আৰু বছৰ, যুগ, কল্প আদি সময়ৰ ডাঙৰ ভাগবোৰো যাৰ প্ৰচণ্ড বাণ; অখণ্ড কালেই যাৰ ধনু, হেৰ' মন। সেই ৰামক কি কাৰণে নভজ ?*

শ্লোক :—কামদেৱৰ শত্ৰু (মহাদেৱ শিৱ)ৰ সেৱনীয়, ভৱভয় হৰণকাৰী, কালৰূপী মত্তগজৰ কাৰণে সিংহ সদৃশ, যোগীসকলৰ শ্ৰেষ্ঠ লক্ষ্য, জ্ঞানৰদ্বাৰা উপলব্ধ, সমস্ত গুণৰ আধাৰ, অজেয়, ত্ৰিগুণৰ অতীত, বিকাৰহীন, মায়াতীত, দেৱতাসকলৰ অধিকাৰী, দুষ্টক বধ কৰা কাৰ্যত নিৰত, সকলো ব্ৰাহ্মণৰ উপাস্য একমাত্ৰ দেৱ (ব্ৰহ্মবেত্তাৰ ব্ৰহ্ম), সজল মেঘৰ নিচিনা সুন্দৰ (শ্যাম বৰ্ণৰ), কমলনয়ন, পৃথিৱীপতি (ৰজা)ৰূপী দেৱতা ৰামক বন্দনা কৰোঁ। ১ ॥

শংখ আৰু চন্দ্ৰৰ নিচিনা কান্তিযুক্ত অতি সুন্দৰ দেহধাৰী, ব্যাঘ্ৰচৰ্মৰ বস্ত্ৰ পৰিহিত, কালৰূপী ভয়ানক সৰ্পেৰে অলংকৃত, গংগা আৰু শশাংকপ্ৰিয়, কলিযুগৰ কলুষ-পাপসমূহৰ নাশক, কাশীনাথ, কল্যাণকামীৰ কাৰণে কল্পবৃক্ষ স্বৰূপ, সমস্ত গুণৰ আধাৰ, কন্দৰ্পঘাতক, পাৰ্বতীপতি বন্দনীয় শংকৰক প্ৰণাম জনাইছোঁ। ২ ॥

যিজনে সৎপুৰুষসকলক অতি দুৰ্লভ কৈৱল্যও (মুক্তিও) দান কৰে আৰু দুষ্টবোৰক দণ্ড দিয়ে, সেই কল্যাণকৰ শম্ভুৱে মোৰ বাবে শান্তি বিধান কৰক (বা শান্তি বিস্তাৰ কৰক)। ৩ ॥

সোঃ—সমুদ্ৰৰ কথা শুনি ৰামে মন্ত্ৰীসকলক মাতি এই বুলি ক'লে—"এতিয়া বিলম্ব কিহৰ ? সেতু বান্ধা, সেনাবোৰ পাৰ হওক।"

---

*ৰামচৰিত মানসৰ বিশ্বনাথপ্ৰসাদ মিশ্ৰ সম্পাদিত কাশিৰাজ সংস্কৰণত প্ৰথমতে এই দোহা আছে। গীতাপেছৰ সংস্কৰণত তাকে শ্লোকৰ পাছত দিছে।

জাম্ববন্তই হাতযোৰ কৰি ক'লে—"হে সূৰ্য্যবংশৰ [কীৰ্তি প্ৰকাশক] কেতু শ্ৰীৰাম ! শুনক। সকলোতকৈ ডাঙৰ সেতু আপোনাৰ নামহে ; য'ত উঠি মনুষ্যই সংসাৰ সাগৰ পাৰ হ'ব পাৰে।

চৌঃ—এনে স্থলত এই সামান্য সাগৰ পাৰ হ'বলৈ কিমান দেৰি লাগিছে !" এই কথা শুনি পৱনপুত্ৰ হনুমানে ক'লে—"প্ৰভুৰ প্ৰতাপ ভয়ানক বাড়বানল সদৃশ। ই আগতেই সমুদ্ৰৰ জল শোষণ কৰি থৈছে। ১ ॥

কিন্তু আপোনাৰ শত্ৰুবোৰৰ তিৰোতাৰ চকুৰ পানীৰে আকৌ এই সমুদ্ৰ পৰিপূৰ্ণ হ'ল আৰু সেইবাবেই সমুদ্ৰজল লুণীয়া হৈ পৰিল।" হনুমানৰ এই অত্যুক্তি (অলংকাৰপূৰ্ণ উক্তি) শুনি বান্দৰবোৰ ৰামৰ ফালে চাই হৰ্ষিত হ'ল। ২ ॥

জাম্ববন্তই নল আৰু নীল দুয়ো ভাইকে মাতি আনি সকলো কথা কৈ শুনালে। [লগতে ক'লে—] "মনতে শ্ৰীৰামৰ বল-শক্তিৰ কথা স্মৰণ কৰি সেতু বান্ধা। একো কষ্ট নোপোৱা।" ৩ ॥

তাৰ পাছত বান্দৰবিলাকক মাতি আনি ক'লে—"সকলোৱে মোৰ প্ৰাৰ্থনা শুনক। সকলোৱেই ৰামৰ চৰণ-পংকজ হৃদয়ত ধাৰণ কৰি বান্দৰ আৰু ভালুকৰ এটা খেল কৰক। ৪ ॥

বান্দৰসকলে ল'ৰ মাৰি গৈ গছ আৰু পৰ্বত উঘালি আনক।" তাকে শুনি বান্দৰ-ভালুক সকলোৱেই 'হুঁহ্' বুলি ৰামৰ প্ৰতাপ সুঁৱৰি জয়ধ্বনি কৰি আগবাঢ়ি গ'ল। ৫ ॥

দোঃ—অতি ওখ পৰ্বত আৰু গছ খেলৰ খম্বৰ দৰেই উঘালি আনি তেওঁলোকে নল আৰু নীলক দিয়েহি। তেওঁলোকে তাৰে সেতু গঢ় দিয়ে। ১ ॥

চৌঃ—বান্দৰ-ভালুকবোৰে বৰ বৰ একোটা পৰ্বত আনি আনি দিয়েহি আৰু নল-নীলে সেইবোৰ ধোপ খেলৰ ধোপৰ [বল খেলৰ বল] দৰে হাত পাতি লয়। এইদৰে নিৰ্মাণ হোৱা সুন্দৰ সেতু দেখি কৃপানিধি ৰামে হাঁহি মাৰি ক'লে—১ ॥

"এই ঠাই ডোখৰ বৰ সুন্দৰ। ইয়াৰ বহুত গুণ ; সেইবোৰৰ বৰ্ণনা দিব নোৱাৰি। মোৰ ইচ্ছা হৈছে যে—ইয়াত শিৱ-স্থাপনা কৰা হওক।" ২ ॥

শ্ৰীৰামৰ কথা শুনি বানৰৰাজ সুগ্ৰীৱে বহুত দূত পঠালে। তেওঁলোকে শ্ৰেষ্ঠ মুনিসকলক মাতি আনিলে। শিৱ-লিংগ স্থাপন কৰি যথাবিধি পূজা কৰা হ'ল। [ৰামে ক'লে—] "শিৱৰ সমান প্ৰিয় আন এজন মোৰ নাই। ৩ ॥

যি শিৱৰ দ্ৰোহ কৰি মোৰ ভক্ত বোলাব খোজে, সি স্বপ্নতো মোক নাপায়। শিৱ-বিমুখ হৈ যি মোক ভক্তি কৰিব খোজে সি মূৰ্খ, অল্পবুদ্ধি আৰু নৰকগামীহে হয়। ৪ ॥

দোঃ—যি শিৱক ভাল পায় আৰু মোৰ দ্ৰোহী, সেইদৰে যি মোৰ দাস আৰু শিৱৰ দ্ৰোহী হ'বলৈ বিচাৰে, সেই মনুষ্যই কল্প জুৰি ঘোৰ নৰকত বাস কৰে। ২ ॥

চৌঃ—যিজনে [মই স্থাপন কৰা] এই ৰামেশ্বৰ দৰ্শন কৰিব, তেওঁ শৰীৰ ত্যাগ কৰি মোৰ পৰম ধামলৈ যাব। যি গংগাজল আনি এই শিৱলিংগত দিব, তেওঁ সাযুজ্য মুক্তি লাভ কৰিব। ১ ॥

যিজনে অকপটভাৱে আৰু নিষ্কাম মনেৰে সেৱা কৰে, শংকৰে তেওঁক মোৰ প্ৰতি ভক্তিমান কৰে। যি মোৰ এই সেতু দৰ্শন কৰিব, তেওঁ বিনা-কষ্টে এই সংসাৰ সাগৰো তৰিব।" ২ ॥

ৰামৰ কথা শুনি সকলোৱে সন্তোষ পালে। তাৰ পাছত শ্ৰেষ্ঠ মুনিসকল নিজ নিজ আশ্ৰমলৈ গ'ল। [শিৱই কৈছে] "হে গিৰিনন্দিনী! ৰঘুপতিৰ এইটো নিয়মেই যে—তেওঁ প্ৰণতজনৰ প্ৰতি প্ৰীতি ভাব সদায় ৰাখে। ৩ ॥

বুদ্ধিমান নল আৰু নীলে সেতু বান্ধিলে। ৰামৰ কৃপাত তেওঁলোকৰ এই সুখ্যাতি কেউফালে বিয়পিল। যি শিল নিজেও বুৰে আৰু আনকো বুৰায়, সেই শিলেই নোকাসদৃশ হৈ পৰিল। ৪ ॥

দোঃ—ৰঘুবীৰৰ প্ৰতাপত শিলো সমুদ্ৰত ওপঙিল। এনে শ্ৰীৰামক এৰি যি অন্য প্ৰভুক গৈ ভজে, সি মন্দবুদ্ধি। ৩ ॥

চৌঃ—নল-নীলে সেতু বান্ধি তাক দৃঢ় কৰিলে। কৃপানিধি ৰাম এই কাৰ্য দেখি সন্তুষ্ট হ'ল। সেনাবোৰ সেতুৰেদি পাৰ হৈ গ'ল, তাৰ বৰ্ণনা দিব নোৱাৰি। যোদ্ধা বান্দৰবোৰে গৰ্জিবলৈ ধৰিলে। ১ ॥

কৃপাময় ৰামে সেতুবন্ধাৰ ওচৰত থিয় হৈ সমুদ্ৰৰ বিস্তৃতি লক্ষ্য কৰিবলৈ ধৰিলে। কৰুণাৰ মূল প্ৰভু ৰামক দৰ্শন কৰিবৰ উদ্দেশ্যে সকলো জলচৰ ওপৰলৈ ওলাই আহিল। ২ ॥

নানা তৰহৰ মাছ, মগৰ, ঘড়িয়াল আৰু সাপ—যিবোৰ শ শ যোজন বিস্তৃত বৃহদাকাৰ আছিল। একো একোটা এনে জন্তুও আছিল, যি সেইবোৰকো খাব পাৰে। সিহঁতৰ ভিতৰতো কোনোবাই কাৰোবালৈ ভয় কৰিছিল। ৩ ॥

সেই সকলোৱেই প্ৰভুক দৰ্শন কৰিছিল। আঁতৰাই দিব খুজিলেও

মাতবিছিল। সকলোৰেই মনত আনন্দ, সকলোৰেই সুখী। সিঁহঁতে চাকি ধৰা বাবে সাগৰৰ পানীও নেদেখা হ'ল। সিঁহঁত ভগৱানৰ ৰূপদৰ্শনত নিমগ্ন হৈ পৰিল। ৪ ॥

প্ৰভুৰ আজ্ঞা পাই সেনাবোৰ গ'ল। বান্দৰ সেনাবাহিনীৰ বিপুলতাৰ বৰ্ণনা কোনে দিব পাৰে ? ৫ ॥

দোঃ—সেতুৰ ওপৰত বৰ ভিৰ হ'ল। সেইবাবে কিছুমান বান্দৰ আকাশ মাৰ্গইদি যাবলৈ ধৰিলে। কিছুমানে আকৌ জলচৰ জন্তুবোৰৰ ওপৰত উঠিও আগবাঢ়ি গ'ল। ৪ ॥

চৌঃ—দুয়োভাই [ৰাম-লক্ষ্মণ] এই ধেমালি চাই চাই হাঁহি হাঁহি আগবাঢ়ি গ'ল। এনেদৰে সেনাসহ ৰঘুবীৰ সমুদ্ৰ পাৰ হ'ল। বান্দৰসেনা আৰু সেনাপতিসকলৰ ভিতৰৰ বিৱৰণ দিব নোৱাৰি। ১ ॥

সাগৰ পাৰ হৈ প্ৰভুৱে শিবিৰ পাতিলে আৰু বান্দৰবোৰক ভাল ফল-মূল খাবলৈ যাবৰ কাৰণে আজ্ঞা দিলে। আজ্ঞা শুনামাত্ৰেই বান্দৰ-ভালুকবোৰ যেনি-তেনি যাবলৈ ধৰিলে। ২ ॥

ৰামৰ কাৰণে সকলো গছেই ফল ধৰিলে। ঋতু-অঋতু আদি সময়ৰ গতি (নিয়ম-নীতি) গছে ত্যাগ কৰিলে। [বান্দৰ-ভালুকবোৰেও] গছ ঝাওলাই ঝাওলাই মিঠা মিঠা ফল খাবলৈ ধৰিলে আৰু পৰ্বতৰ শিখৰবোৰ (ওপৰৰ শৃঙ্গ আদি ওখ অংশবোৰ) লংকাৰফালে দলিয়াবলৈ ধৰিলে। ৩ ॥

ঘূৰা-পকা কৰোঁতে য'তে কোনোবা ৰাক্ষস পায় ত'তে সকলোৱে ঘেৰি ধৰি তাক ভালকৈয়ে নচুৱায়। দাঁতেৰে কামুৰি (বান্দৰ-ভালুকে) ৰাক্ষসবোৰৰ নাক-কাণ কাটি প্ৰভুৰ যশস্যা শুনাইহে যাবলৈ দিয়ে। ৪ ॥

যিবোৰ ৰাক্ষসৰ নাক-কাণ বান্দৰে কামুৰি এৰুৱালে, সেইবোৰ ৰাক্ষসে ৰাৱণক সকলো কথা ক'লেগৈ। সাগৰত সেতুবন্ধ কথা কাণেৰে শুনা মাত্ৰেই ৰাৱণে চকথাই একেবাৰেই দহখন মুখেৰে কৈ উঠিল। ৫ ॥

দোঃ—বননিধি, নীৰনিধি, জলধি, সিন্ধু, বাৰীশ, তোয়নিধি, কম্পাতি, উদধি, পয়োধি, নদীশকো কি সঁচাকৈয়ে সেতুৱে বান্ধিলে ? ৫ ॥ (সাগৰৰ দহোটা নাম দহখন মুখেৰে একেলগে উচ্চাৰণ কৰা বাবে দহোটা নাম একেলগে দিয়া হৈছে)।

চৌঃ—তাৰ পাছত ৰাৱণে নিজৰ দুৰ্বলতাৰ কথা ভাবি চাই ভয় লুকুৱাই হাঁহি মাৰি বাসস্থানলৈ গ'ল। যেতিয়া মন্দোদৰীয়ে শুনিলে যে প্ৰভু আহিল আৰু ধেমালিৰ দৰেই সমুদ্ৰ বান্ধিলে, তেতিয়া তেওঁ নিজৰ স্বামীক হাতত ধৰি

নিজৰ বাসস্থানলৈ লৈ গৈ চৰণত শিৰ দোঁৱাই আঁচল পাতি বৰ মিঠা মাতেৰে ক'লে—"হে প্ৰিয়! ক্ৰোধ এৰি মোৰ কথা শুনা। ১।২ ॥

হে নাথ! যাক বল আৰু বুদ্ধিৰে জয় কৰিব পাৰি, শত্ৰুতা তাৰ লগতহে কৰিব লাগে। তোমাৰ আৰু ৰঘুনাথৰ মাজত পাৰ্থক্যটো কেনেকুৱা! যেনেকুৱা জোনাকী পৰুৱা আৰু সূৰ্যৰ মাজত পাৰ্থক্য, তেনেকুৱা। ৩ ॥

বিষ্ণুৱে [বিষ্ণু ৰূপত] অত্যন্ত বলৱান মধু আৰু কৈটভক বধ কৰিলে, মহাবীৰ দিতি-পুত্ৰসকলক (হিৰণ্যকশিপু আৰু হিৰণ্যাক্ষক) সংহাৰ কৰিলে, বলিক বান্ধিলে আৰু সহস্ৰ বাহু অৰ্জুনক মাৰিলে, তেৱেঁই পৃথিৱীৰ ভাৰ হৰণ কৰিবৰ কাৰণে অৱতীৰ্ণ হৈছে। ৪ ॥

হে নাথ! কাল, কৰ্ম আৰু জীৱ যাৰ হাতৰ মুঠিত, তেওঁৰ লগত বিৰোধ নকৰিবা। ৫ ॥

দোঃ—ৰামৰ পদকমলত সেৱা জনাই জানকীক সমৰ্পণ কৰি আৰু পুত্ৰক ৰাজ্যভাৰ গতাই দি বনলৈ গৈ ৰঘুনাথৰ ভক্তি কৰাঁ। ৬ ॥

চৌঃ—হে নাথ! ৰাম দীনদয়াল। সন্মুখ হৈ ওচৰ চাপিলে (সেওঁভাৱেৰে) বাঘেও মানুহ নাখায়। আনহাতে তুমি যি কৰিবলগীয়া আছিল, সকলো কৰা হ'ল, একো বাকী নাই। তুমি সুৰ-অসুৰ সমস্ত চৰাচৰ জয় কৰিলা। ১ ॥

হে দশানন! সন্তসকলে এই বিয়মৰ কথা কয় যে—জীৱনৰ চতুৰ্থ ভাগত (বৃদ্ধ অৱস্থাত) ৰজা বনলৈ যাব লাগে। হে স্বামী! তালৈ গৈ (বনত) তুমি তেওঁক ভজিব লাগে, যিজন এই সৃষ্টিৰে সৃজন, পালন আৰু সংহাৰ কৰ্তা। ২ ॥

হে নাথ! তুমি বিষয়ৰ মমতা এৰি সেই শৰণাগতজনৰ প্ৰতি অনুৰাগী ৰঘুবীৰক ভজা। শ্ৰেষ্ঠ মুনিসকলে যাৰ কাৰণে সাধনা কৰে আৰু ৰজাসকলেও ৰাজ্য ত্যাগ কৰি বৈৰাগ্য অৱলম্বন কৰে; সেই কোশলাধীশ ৰঘুনাথ তোমাৰ কাৰণে সদয় হৈ আহিছে। হে প্ৰিয়! যদি তুমি মোৰ উপদেশ মানি লোৱাঁ, তেনেহ'লে তোমাৰ পবিত্ৰ সুখ্যাতি তিনিও লোকত প্ৰচাৰ হ'ব।" ৩।৪ ॥

দোঃ—এই বুলি [কাতৰ ভাৱেৰে] চকু চলচলীয়া কৰি স্বামীৰ ভৰিত ধৰি কঁপি থকা শৰীৰেৰে মন্দোদৰীয়ে আকৌ ক'লে—"হে নাথ! ৰঘুনাথ ৰামক ভক্তি কৰাঁ আৰু মোৰ সৌভাগ্যও ৰক্ষা কৰাঁ।" ৭ ॥

দোঃ—তেতিয়া ৰাৱণে ময়দানৱৰ জী মন্দোদৰীক তুলি ল'লে আৰু দুষ্ট বুদ্ধিৰে নিজৰ প্ৰভুত্ব যথানিয়মলৈ ধৰিলে। "প্ৰিয়া! শুনা। তুমি মিছা কৈ ভয় কৰি আছা। কোৱাঁচোন বাৰু; জগতত মোৰ সমান বীৰ যোদ্ধা কোন আছে? ১ ॥

বৰুণ, কুবেৰ, বায়ু আৰু যম আদি সকলো দিক্‌পালকে আৰু কালকো মই নিজ-বাহুবলেৰে জয় কৰিলোঁ। দেৱতা, দানৱ আৰু মনুষ্য সকলো মোৰ বশ। তথাপি কি কাৰণে তোমাৰ ইমান ভয় হ'ব লাগে ?" ২ ॥

[এইদৰে] মন্দোদৰীক ৰাৱণে নানা প্ৰকাৰে বুজাই ক'লে আৰু তাৰ পাছত আকৌ সভাত গৈ বহিল। মন্দোদৰীয়েও এইটো বুজিলে যে—কালে টানি নিছে কাৰণে তেওঁৰ (ৰাৱণৰ) অহংকাৰ হৈছে। ৩ ॥

সভালৈ আহি তেওঁ মন্ত্ৰীসকলক সুধিলে—শত্ৰুৰ লগত কেনে ধৰণেৰে যুদ্ধ কৰা হ'ব ? তেতিয়া মন্ত্ৰীসকলে ক'লে—"হে ৰাক্ষসসমূহৰ স্বামী ! হে প্ৰভু ! আপুনি এইটো কি সুধিব লগীয়া কথা ? কওকচোন, ইয়াতনো কিহৰ ভয়ৰ কথাটো আছে ? যিহৰ বাবে আমি চিন্তা কৰিব লাগিব। মনুষ্য, বান্দৰ আৰু ভালুক আমাৰ খাদ্যই।" ৪।৫ ॥

দোঃ—এইদৰে কোৱা সকলো কথা শুনি প্ৰহস্তই হাতযোৰ কৰি ক'লে—"হে প্ৰভু। নীতিৰ বিৰুদ্ধে একো কৰিব নালাগে। মন্ত্ৰীসকলৰ বুদ্ধি অতি সামান্য। ৮ ॥

দোঃ—এই দুৰ্মতি মন্ত্ৰীবোৰে প্ৰভুক ভাল লগাই কথা কৈছে মাত্ৰ। হে মহাৰাজ! এইদৰে কাৰ্যসিদ্ধ নহ'ব। সমুদ্ৰ পাৰ হৈ এটা মাত্ৰ বান্দৰ আহিছিল। তাৰ কথা আজি সকলোৰেই মনে মনে সোঁৱৰে। ১ ॥

তেতিয়া তোমালোকৰ কাৰো ভোক নালাগিল ? নগৰখন জ্বলাবৰ সময়ত বান্দৰটো ধৰি নাখালা কিয় ? এই মন্ত্ৰীসকলে স্বামীক এনে পৰামৰ্শ দিয়ে, যিটো শুনিবলৈ ভাল ; কিন্তু ভৱিষ্যতলৈ তাৰ পৰিণাম দুঃখজনক হয়। ২ ॥

যি ধেমালিতে বন্ধাদি সমুদ্ৰত সেতু বান্ধিলে আৰু সসৈন্যে সুবেল পৰ্বতত আহি উপস্থিত হ'ল ; তাক কোৱা—মানুহ, আমি খাই পেলাম। সকলোৰেই খালি বৰ কথাহে কৈছে। ৩ ॥

হে পিতা ! মোৰ কথা আপুনি মন দি শুনক। মোক কাপুৰুষ বুলি ভাবি নল'ব। জগতত এনে মানুহ দলে দলে পাব, যি শুনি ভাল লগা কথাকে কয় আৰু শুনেও। ৪ ॥

যি হিতকৰ কঠোৰ কথা কয় আৰু শুনেও এনে লোক বৰ কমেইহে আছে। প্ৰভু ! নীতিৰ কথা শুনক। প্ৰথমতে দূত পঠিয়াওক আৰু সীতাক ঘূৰাই দি মিত্ৰতা কৰক। ৫ ॥

দোঃ—যদি তেওঁ পত্নীক পাই উভতি যায়, তেনেহ'লে অনাহক কাজিয়া

নধৰাব। সেয়ে যদি নহয় (ৰাম যদি সিমানতো উভতি নাযায়), তেনেহ’লে হে মহাৰাজ! যুদ্ধভূমিত দৃঢ়ভাৱে তেওঁৰ লগত যুঁজ দিয়ক। ৯॥

চৌঃ—হে প্ৰভু! যদি আপুনি মোৰ পৰামৰ্শ শুনে, তেনেহলে জগতত আপোনাৰ ত্ৰয়োকালে সুখ্যাতি হ’ব। ৰাৱণে তেতিয়া খঙেৰে নিজ পুত্ৰক ক’লে—“হেৰ মূৰ্খ! তোক এনে বুদ্ধি কোনে শিকালে? ১॥

তোৰ মনত এতিয়াৰপৰাই ভয় হ’ল। হেৰ’ তই বাঁহৰ শুৰিত বন আৰু গজিলি*।” পিতাকৰ এনে কঠোৰ আৰু ভয়ানক বাক্য শুনি প্ৰহস্তও এইদৰে টান কথা কৈ নিজৰ ঘৰলৈ গ’ল। ২॥

“মৃত্যুৱে টানি নিয়া ৰোগীৰ কাৰণে ঔষধ কামত নহাৰ দৰে আপোনাৰ কাৰণেও হিতকৰ উপদেশ কামত নহা হৈছে।” [তাৰ পাছত] সন্ধ্যা হৈ অহা দেখি ৰাৱণো নিজৰ কাৰবান হাত চাই চাই নিজৰ বাসভৱনলৈ গ’ল। ৩॥

লংকাৰ পৰ্বতশিখৰত অতি বিচিত্ৰ এটা ঘৰ আছিল। তাত নাচ-গানৰ অনেক অনুশীলন হয়। ৰাৱণো হৈ সেই ঘৰত বহিল। কিন্নৰবোৰে তেওঁৰ গুণ গাবলৈ ধৰিলে। তাল, মদং আৰু বীণা বাজিবলৈ ধৰিলে। নৃত্যপটু অপ্সৰাবোৰে নৃত্য কৰিবলৈ লাগি গ’ল। ৪।৫।

দোঃ—তেওঁ সদায় শ-শ ইন্দ্ৰৰ সমান ভোগ-বিলাসত ৰত হৈ থাকে। যদিও প্ৰবল শত্ৰু সমুখত উপস্থিত, তথাপি তাৰ বাবে তেওঁৰ চিন্তাও নাই, ভয়ো নাই। ১০॥

চৌঃ—ইফালে বহুসংখ্যক সেনা লগত লৈ ৰঘুবীৰ ৰাম সুবেল পৰ্বতত উপস্থিত হ’ল। বৰ সুন্দৰ, সমতল আৰু বিশেষভাৱে বগা হৈ জিলিকি থকা এটা ওখ পৰ্বতৰ শিখৰ দেখা পাই তাত লক্ষ্মণে নিজহাতে গছৰ কোমল পাত আৰু ফুল আনি সজাই দুনীয়া কোমল মৃগচৰ্ম পাৰি দিলে। কৃপালু ৰাম সেই আসনতে বহিল। ২॥

প্ৰভুৱে কপিৰাজ সুগ্ৰীৱৰ বুকুত মূৰ থৈছে। বাওঁহাতে ধনু সোঁহাতে শৰৰ তূণ ৰখা আছে আৰু ত্ৰয়োধন পতম যেন হাতেৰে শৰবোৰ তীক্ষ্ণ কৰিছে। বিভীষণে কাণৰ ওচৰত পৰামৰ্শ শুনাইছে। ৩॥

পৰম ভাগ্যবান অংগদ আৰু হনুমানে নানা প্ৰকাৰে প্ৰভুৰ চৰণ নিজহাতে

*হিন্দীত ইয়াৰ নাম ‘ধমোই’ বা ‘সত্যানাশ’। বাঁহৰদৰে মূল্যবান গছৰ শুৰিত অদৰকাৰী তুচ্ছ বনবীয়া গছ গজাটো অহিতকৰ অৰ্থত কোৱা হৈছে।

পিটিকি সেৱা শুশ্রূষা কৰি আছে। লক্ষ্মণো তুণ বান্ধি, হাতত ধনুশৰ লৈ বীৰাসনত প্ৰভুৰ পাছফালে আছে। ৪ ॥

দো:—এইদৰে কৃপা, ৰূপ (সৌন্দৰ্য) আৰু গুণৰ ধামস্বৰূপ শ্ৰীৰাম বহি আছে। সেইজন মনুষ্য ধন্য, যিজনে সদায় এই ৰূপ ধ্যানত দেখিবলৈ পায় বা এই ৰূপৰ ধ্যান কৰে। ১১ (ক)

পূবফালে চাই প্ৰভুৱে চন্দ্ৰ উদয় হোৱা দেখা পালে। তেতিয়া' তেওঁ সকলোকে ক'লে—"চন্দ্ৰটোলৈ চোৱাচোন, সিংহৰ দৰে কেনে নিৰ্ভীক।" ১১(খ)॥

চৌ:—পূৰ্বদিশৰূপী পৰ্বতৰ গুহাত বাস কৰা, অত্যন্ত প্ৰতাপী, বল-শক্তি-সম্পন্ন চন্দ্ৰমাৰূপী সিংহই অন্ধকাৰৰূপী মত্ত হস্তীৰ মস্তক বিদীৰ্ণ কৰি আকাশৰূপী অৰণ্যত নিৰ্ভয়ে বিচৰণ কৰিছে। ১ ॥

আকাশত সিঁচৰতি হৈ থকা তৰাবোৰ মুকুতাৱলীৰ নিচিনা, সেইবোৰে যেন নিশাসুন্দৰীৰ ৰূপসজ্জাহে। প্ৰভুৱে ক'লে—"ভাইসকল' চন্দ্ৰত যে কলংকটো আছে, সেইটো কি? নিজ নিজ বুদ্ধিমতে কোৱাচোন?" ২ ॥

সুগ্ৰীৱে ক'লে—"ৰঘুনাথ শুনক! চন্দ্ৰত পৃথিৱীৰ ছাঁটো পৰিছে।" আন কোনোৱে ক'লে—"চন্দ্ৰক ৰাহুৱে আঘাত কৰিছিল; তাৰে কলাচিন হৃদয়ত থাকি গ'ল।" ৩ ॥

কোনোৱে ক'লে—"যেতিয়া বিধাতাই ৰতিৰ মুখ সৃষ্টি কৰিছিল [কামদেৱ-পত্নী ৰতি], তেতিয়া তেওঁ চন্দ্ৰৰপৰা সাৰভাগ কাঢ়ি ল'লে। সেইবাবে চন্দ্ৰৰ বুকুত দ গাঁত থাকি গ'ল। আকাশ-পথত তাৰেই প্ৰচ্ছায়া দেখা যায়।" ৪ ॥

প্ৰভুৱে ক'লে—"বিহ চন্দ্ৰমাৰ অতি প্ৰিয় মিত্ৰ। সেইবাবে তেওঁ বিহক নিজৰ হৃদয়ত ঠাই দিছে আৰু নিজৰ বিহযুক্ত কিৰণ বিস্তাৰ কৰি বিৰহী নৰ-নাৰীসকলক জ্বলাই থাকে।" ৫ ॥

দো:—তেতিয়া হনুমানে ক'লে—"হে প্ৰভু! শুনক। চন্দ্ৰমা আপোনাৰ প্ৰিয় দাস। সেইবাবে আপোনাৰ শ্যাম মূৰ্তি চন্দ্ৰমাই হৃদয়ত ধাৰণ কৰি থাকে আৰু চন্দ্ৰত দেখা ক'লা চিনে তাৰেই আভাস দিয়ে।" ১২ (ক) ॥

পৱনপুত্ৰ হনুমানৰ কথা শুনি অভিজ্ঞ ৰামে হাঁহিলে আৰু দক্ষিণফালে চাই কৃপালু ৰামে ক'লে—১২ (খ) ॥

চৌ:—"হেৰা বিভীষণ! দক্ষিণ দিশলৈ চোৱাচোন। কেনেকৈ ডাৱৰ উঠি আহিছে আৰু বিজুলী চিক্‌মিকাইছে! ভয়ানক মেঘে মৃদু গৰ্জন কৰিছে। ডাঙৰ শিল-বৰষুণ নহ'লেই হৈছে।" ১ ॥

বিভীষণে ক'লে—"হে কৃপালু! শুনক। সেয়া ডাৱৰো নহয় আৰু বিজুলীও নহয়। লংকাৰ পৰ্বত-শিখৰত এটা ঘৰ আছে। দশানন ৰাৱণে তাত নাচ-গানৰ ধেমালি চাই আছে।" ২ ॥

মেঘৰ চন্দ্ৰাতপৰ নিচিনা [বহল আৰু ক'লা] ছত্ৰ ধাৰণ কৰি তাত ৰাৱণ আছে। সিয়ে ক'লা মেঘ যেন দেখা গৈছে আৰু মন্দোদৰীৰ লৰি থকা কাণ-ফুলেই বিজুলীৰ দৰে জিলিকিছে। ৩ ॥

হে দেৱতাসকলৰ ৰজা! শুনক। অনুপম তাল আৰু মৃদংগ বাজি আছে। সিয়েই মেঘৰ গাজনিৰ দৰে মধুৰ ধ্বনিত পৰিণত হৈছে।" ৰাৱণৰ আড়ম্বৰপূৰ্ণ অভিমান দেখি প্ৰভুৱে মিচিকাই হাঁহিলে। তেওঁ ধনু তুলি লৈ তাত শৰ প্ৰয়োগ কৰিলে। ৪ ॥

দোঃ—একেপাত শৰেই ৰাৱণৰ ছত্ৰ-মুকুট আৰু মন্দোদৰীৰ কাণফুল কাটি পেলালে। সকলোৱে চাই থাকোঁতেই সেইবোৰ মাটিত খহি পৰিল; কিন্তু তাৰ কাৰণ কোনেও নুবুজিলে। ১৩ (ক) ॥

এই ধেমালি কৰি ৰামৰ বাণ ঘূৰি আহি আকৌ শ্ৰীৰামৰ তূণত সোমাই থাকিল। ৰাৱণৰ সভাত এই ভয়ানক ৰসভংগ হোৱা দেখি সকলোৱেই বৰ ভয় পালে। ১৩ (খ) ॥

চৌঃ—কোনো ভূমিকম্প হোৱা নাই, ডাঙৰ বতাহ নাই, কোনো অস্ত্ৰ-শস্ত্ৰও চকুৰে দেখা নাই। (তথাপি এইবোৰ কেনেকৈ মাটিত খহি পৰিল ?) সকলোৱে নিজে নিজে মনতে ভাবিলে—এইটো এটা বৰ ডাঙৰ অমংগলৰ চিন। ১ ॥

ৰাৱণে দেখিলে যে—সভাৰ সকলোৱেই ভয় পাইছে। তেতিয়া বুদ্ধি কৰি হাঁহি মাৰি এই বুলি ক'লে—"মূৰ খহি পৰাটোও যাৰ বাবে সদায় শুভ হৈ আহিছে, মুকুট খহি পৰাটো তাৰ বাবে কিহৰ অশুভ চিন হ'ব পাৰে ? ২ ॥

সকলোৱেই নিজ নিজ ঘৰলৈ গৈ শুই থাকইক।" তেতিয়া সকলোৱেই নমস্কাৰ জনাই ঘৰলৈ গ'ল। যেতিয়াই কাণফুল মাটিত পৰিল, তেতিয়াৰ-পৰাই মন্দোদৰীৰ অন্তৰত চিন্তাই ঠাই ল'লে। ৩ ॥

তেওঁ সজলনেত্ৰে হাতযোৰ কৰি [ৰাৱণক] ক'বলৈ ধৰিলে—"হে প্ৰাণ-নাথ! মোৰ প্ৰাৰ্থনা শুনা। হে প্ৰিয়তম। ৰামৰ প্ৰতি বিৰোধ ভাৱ ত্যাগ কৰা। তেওঁক মানুহ বুলি ভাবি জিদ্ ধৰি নাথাকিবা। ৪ ॥

দোঃ—মোৰ এই কথা বিশ্বাস কৰা যে ৰঘুবংশৰ মণি ৰাম সৰ্বব্যাপক

পৰমেশ্বৰ (বিশ্বৰূপ)। যেয়ে তেওঁৰ প্ৰতিটো অংগতে পৃথক্ পৃথক্ লোক-সমূহৰ কল্পনা কৰিছে। ১৪ ॥

চৌঃ—পাতাল তেওঁৰ চৰণ, ব্ৰহ্মলোক তেওঁৰ শিৰ। অন্য লোকবোৰো তেওঁৰ অন্য অন্য অংগসমূহত স্থিত হৈ আছে। তেওঁৰ ভ্ৰূযুগলৰ সঞ্চালনেই ভয়ংকৰ কাল ; সূৰ্যই তেওঁৰ নেত্ৰ ; মেঘাৱলীয়েই তেওঁৰ কেশ গুচ্ছ। ১ ॥

অশ্বিনীকুমাৰ তেওঁৰ নাসিকা ; ৰাতি আৰু দিন তেওঁৰ চকুৰ পলক মাত্ৰ, দশোদিশ তেওঁৰ কাণ ; বায়ুৱেই শ্বাস আৰু নিগমেই তেওঁৰ বাণী বুলিও বেদত কোৱা হৈছে। ২ ॥

লোভ তেওঁৰ অধৰ আৰু যমৰাজ তেওঁৰ ভয়ানক দাঁত। মায়া তেওঁৰ হাঁহি আৰু দিক্‌পালসকল তেওঁৰ বাহু ; অগ্নিয়েই মুখ, বৰুণ জিভা, উৎপত্তি, পালন আৰু প্ৰলয়েই তেওঁৰ কাৰ্য। ৩ ॥

ওঠৰ প্ৰকাৰৰ অসংখ্য উদ্ভিদ তেওঁৰ ৰোমাৱলী, পৰ্বত অস্থি আৰু নদীসমূহ ৰক্তবাহিনী শিৰ ; সমুদ্ৰ তেওঁৰ উদৰ আৰু নৰক নিম্নভাগৰ ইন্দ্ৰিয়। এইদৰেই প্ৰভু সৰ্ব বিশ্বব্যাপক ; আৰু অধিক ক'বলৈ কি আছে ? ৪ ॥

দোঃ—শিৱ তেওঁৰ অহংকাৰ স্বৰূপ, ব্ৰহ্মাই তেওঁৰ বুদ্ধি, চন্দ্ৰই মন, মহৎ বা বিষ্ণুৱেই চিত্ত। সেই চৰাচৰময় ভগৱানেই ৰামৰূপী মনুষ্য হৈ আহিছে। ১৫ (ক) ॥

হে প্ৰাণনাথ ! শুনা। এইবোৰ কথা ভাবি-গুণি চাই তুমি প্ৰভুৰ লগত বৈৰ ভাব ত্যাগ কৰা আৰু ৰঘুবীৰৰ চৰণত ভক্তি কৰা, যাৰপৰা মোৰ সৌভাগ্য হানি নহয়।" ১৫ (খ) ॥

চৌঃ—পত্নীৰ কথা কাণেৰে শুনি (মনেৰে বিচাৰ নকৰাকৈ) ৰাৱণে হাঁহিলে আৰু ক'লে—"বাঃ ! অজ্ঞতাৰ মহিমা বৰ বেছি শক্তিশালী। নাৰীৰ হৃদয়ত আঠোটা বদ গুণ সদায় থাকে বুলি নাৰীৰ স্বভাৱ সম্বন্ধে যি কথা কোৱা হয়, সি সম্পূৰ্ণ সঁচা। ১ ॥

[তোমাৰো] উগ্ৰতা (সাহস), অসত্যতা, চঞ্চলতা, মায়া (ছলনা), ভয়, অবিবেক, অপবিত্ৰতা আৰু নিৰ্দয়তা আছেই। [সেই কাৰণে] তুমি শত্ৰুৰ বিৰাট ৰূপৰ মহিমা গাই শুনালা আৰু মোকো তাৰ বাবে বৰ ডাঙৰ ভয় দেখুৱালা। ২ ॥

হেৰা প্ৰিয়া ! সেই সকলো (চৰাচৰ বিশ্ব) স্বভাৱতেই মোৰ অধীনত বুলি তোমাৰ অনুগ্ৰহত এতিয়া মই জানিবলৈ পালোঁ। হে প্ৰিয়া ! তোমাৰ

চতুৰালিটো এতিয়া মই বুজিব পাৰিলোঁ। তুমি এইদৰে চেলু লৈ মোৰ প্ৰভুত্বৰ কথা প্ৰচাৰ কৰিছা। ৩ ॥

হে মৃগনয়নী! তোমাৰ কথা বৰ গভীৰ ৰহস্যপূৰ্ণ। বুজিলে আনন্দ লাগে আৰু শুনিলেও ভয় দূৰ হয়।" [ৰাৱণৰ এই কথা শুনি] মন্দোদৰীয়ে মনতে এই বুলি নিশ্চয় কৰিলে যে—তেওঁৰ স্বামী কালৰ বশত মতিভ্ৰষ্ট হ'ল। ৪ ॥

দোঃ—এইদৰে বহুত ধেমালি কৰি থাকোঁতেই ৰাতি পুৱাবৰ হ'ল। তেতিয়া স্বভাৱতে নিৰ্ভীক আৰু মদান্ধ লংকাপতি সভালৈ গ'ল। ১৬ (ক) ॥

সোৰঠাঃ—ডাৱৰে অমৃত যেন জল বৰষিলেও বেতগছত ফুল-ফল নধৰে। সেইদৰে ব্ৰহ্মাৰ নিচিনা গুৰু পালেও মূৰ্খৰ হৃদয়ত জ্ঞান নোপজে। ১৬ (খ) ॥

চৌঃ—ইফালে ৰঘুনাথেও পুৱা সাৰ পালে আৰু সকলো মন্ত্ৰীক মাতি পৰামৰ্শ বিচাৰিলে যে—"এতিয়া কি উপায় কৰিলে ভাল হ'ব বেগাই কোৱাঁহক।" জাম্বৱন্তই প্ৰভুৰ চৰণত শিৰ দোৱাই ক'লে—১ ॥

"হে সৰ্বজ্ঞ, অন্তৰ্যামী! শুনক। আপুনি বুদ্ধি, বল, তেজ, ধৰ্ম আৰু গুণৰ সমষ্টি স্বৰূপ। মই নিজ বুদ্ধি অনুসৰি পৰামৰ্শ ইমানকে দিছোঁ যে বালিপুত্ৰ অংগদক দূত কৰি পঠোৱা যাওক।" ২ ॥

সকলোৱে এইটো ভাল পৰামৰ্শ বুলি মানি ল'লে। কৃপাময় ৰামে তেতিয়া অংগদক ক'লে—"হেৰা বলবান, বুদ্ধিমান আৰু গুণী অংগদ। বোপাই, তুমি মোৰ কামত লংকালৈ যাব লাগে। ৩ ॥

তোমাকনো বেছি বুজাই আৰু কি ক'ম? মই জানো তুমি পৰম চতুৰ। শত্ৰুৰ লগত সেই আলোচনাই কৰিবা, যাৰপৰা আমাৰ কাম হয় আৰু তেওঁলোকৰো কল্যাণ হয়।" ৪ ॥

সোঃ—প্ৰভুৰ আজ্ঞা শিৰত লৈ আৰু চৰণ বন্দনা কৰি অংগদ উঠিল। [অংগদে ক'লে—] "হে ভগৱান ৰাম! আপুনি যাৰ ওপৰত কৃপাদৃষ্টি কৰে সেয়ে অপাৰ গুণৰ অধিকাৰী হৈ পৰে। ১৭ (ক)

প্ৰভুৰ সকলো কাৰ্য আপোনা-আপুনি সিদ্ধ হৈ আছে। এয়া প্ৰভুৱে মোৰ প্ৰতি অনুগ্ৰহ দেখুৱাইছে মাত্ৰ।" এইদৰে মনতে ভাবি যুৱৰাজ অংগদৰ বৰ আনন্দ লাগিল আৰু শৰীৰ পুলকিত হৈ পৰিল। ১৭ (খ)

চৌঃ—ৰামৰ চৰণ বন্দনা কৰি আৰু হৃদয়ত তেওঁৰ প্ৰভুত্বৰ কথা ভাবি সকলোকে নমস্কাৰ জনাই অংগদ গ'ল। ৰণ-চতুৰ, বীৰ বালীপুত্ৰ, প্ৰভুৰ প্ৰতাপৰ কথা মনত ভাবি সহজতেই নিৰ্ভীক, শংকাহীন। ১ ॥

লংকাত প্ৰৱেশ কৰিয়েই দেখি থকা ৰাৱণ-পুত্ৰৰ লগত তেওঁৰ মুখামুখি হ'ল আৰু কথাই-কথাই তেওঁলোক দুয়োৰে মাজত কাজিয়া আৰম্ভ হ'ল। কিয়নো দুয়ো অতুল বলশালী; তদুপৰি তৰুণ বয়সৰ আছিল। ২ ॥

ৰাৱণৰ পুত্ৰই অংগদক গোৰ মাৰি পঠিয়ালে আৰু অংগদেও তাৰ ভৰি দুটাত ধৰি ওপৰত তুলি লৈ ঘূৰাই থেকচা মাৰি মাটিত পেলালে। ৰাক্ষসবোৰে ডাঙৰ যুঁজাৰু দেখি ভয়তে যেনিয়ে পাই তেনিয়ে পলালে; আনকি চিঞৰ-বাখৰ কৰিবলৈকো সাহ নহ'ল। ৩ ॥

কোনেও কাকো আচলতে কি হ'ল নকয়। ৰাৱণৰ পুত্ৰ বধ হ'ল বুলি জানিও সকলোৱেই মনে মনে আছে। ইফালে নগৰত হৈ চৈ এই বুলি লাগিল যে— যিটো বান্দৰে নগৰ পুৰিছিল, সেইটো বান্দৰ আকৌ আহিছে। ৪ ॥

সকলোৱেই ভয়ভীত হৈ এইদৰে ভাবিবলৈ ধৰিলে—"এইবাৰ বিধাতাই কি কৰে ক'ব নোৱাৰি। সিহঁতে নোসোধাকৈয়ে [অংগদক ৰাৱণৰ ৰাজসভালৈ যোৱা] বাট দেখুৱাই দিয়ে আৰু অংগদে যাৰ ফালেই চায় তাৰেই ভয়ত মুখ শুকাই যায়। ৫ ॥

দো:—শ্ৰীৰামচন্দ্ৰৰ চৰণকমল স্মৰণ কৰি অংগদ ৰাৱণৰ সভাৰ দুৱাৰ-মুখ পালেগৈ। ধীৰ, বীৰ আৰু অতি বলবান অংগদে তেতিয়া সিংহৰ নিচিনা গাম্ভীৰ্যেৰে ইফালে-সিফালে চাবলৈ ধৰিলে। ১৮ ॥

চৌ:—অংগদে তৎক্ষণাত এটা ৰাক্ষস পঠিয়াই তেওঁ অহাৰ খবৰ ৰাৱণক দিয়ালে। শুনা মাত্ৰেই ৰাৱণে হাঁহি মাৰি ক'লে—"ক'ৰ বান্দৰ, মাতি আন।" ১ ॥

আদেশ পাই দূত লৰালৰিকৈ গ'ল আৰু বান্দৰৰ ভিতৰত হাতী যেন (বলবান) অংগদক মাতি নিলে। অংগদে বহি থকা ৰাৱণক এনেকুৱা দেখিলে, যেন সজীৱ কাজল-ছাইৰ পৰ্বত এটাহে। ২ ॥

হাতবোৰ সেই পৰ্বতৰ গছ আৰু মূৰবোৰ শৃংগৰ নিচিনা। গাৰ নোমবোৰ যেন নানা তৰহৰ লতাহে। মুখ, নাক, চকু আৰু কাণ সেই পৰ্বতৰ গহ্বৰ যেন লাগে। ৩ ॥

অত্যন্ত বলবান ৰণনিপুণ বীৰ বালীতনয় অংগদ সভাত উপস্থিত হ'ল। তেওঁৰ মনত অকণো সংকোচ ভাব নাই। সভাৰ ৰাক্ষসবোৰেও অংগদক দেখি থিয় হৈ দিলে। তেতিয়া ৰাৱণৰ মনতো খং উঠিল। ৪ ॥

দো:—মত্ত গজসমূহৰ মাজলৈ সিংহ যোৱাৰ নিচিনাকৈ (নিঃসংকোচ মনে)

শ্ৰীৰামচন্দ্ৰৰ প্ৰতাপৰ কথা হৃদয়ত সুঁৱৰি অংগদো সভালৈ নমস্কাৰ জনাই বহি পৰিল। ১৯ ॥

চৌঃ—ৰাৱণে সুধিলে—"বান্দৰ! তই কোন?" [অংগদে ক'লে—] "হে দশগ্ৰীৱ! মই ৰঘুবীৰৰ দূত। মোৰ পিতাৰ লগত তোমাৰ মিত্ৰতা আছিল। হে ভাই! সেই কাৰণে তোমাৰ হিত কামনা কৰি আহিছোঁ! ১ ॥

তোমাৰ বংশ ভাল। তুমি পুলস্ত্যৰ নাতি। শিৱ আৰু ব্ৰহ্মাৰ পূজা তুমি বহুত প্ৰকাৰে কৰিলা। তেওঁলোকৰপৰা বৰ পালা আৰু সকলো কাৰ্যও সিদ্ধ কৰিলা। লোকপালসমূহ আৰু অন্যান্য সকলো ৰজাকেই তুমি পৰাস্ত কৰিলা। ২ ॥

ৰাজগৰ্ব বা মোহান্ধতা কিবা এটা কাৰণত তুমি জগতৰ জননী সীতাকো হৰি আনিলা। এতিয়া তুমি মোৰ হিতকৰ পৰামৰ্শ শুনা। [মোৰ পৰামৰ্শ মতে কাম কৰিলে] প্ৰভুৱে তোমাৰ সকলো অপৰাধ ক্ষমা কৰিব। ৩ ॥

দাঁতত খেৰ, কাণত কুঠাৰ তুলি লোৱা। আত্মীয়-স্বজনৰ উপৰিও নিজৰ পত্নীসকলক লগত লৈ আদৰে সৎকাৰে জনকনন্দিনীক আগ কৰি লোৱা আৰু এইদৰে সকলো সংকোচে এৰি যোৱা। ৪ ॥

দোঃ—[তাৰ পাছত এই বুলি প্ৰাৰ্থনা কৰা] হে প্ৰণতপালক, ৰঘুবংশ-মণি। মোক এতিয়া ৰক্ষা কৰা, ৰক্ষা কৰা। তোমাৰ আতুৰ বাক্য শুনি প্ৰভুৱে অভয় দান কৰিব।" ২০ ॥

চৌঃ—ৰাৱণে ক'লে—"হেৰ' বান্দৰৰ পোৱালি! চম্ভালি কথা কবি। দেৱতাৰ শত্ৰু মোক চিনি নাপাৱ? আৰে, তোৰ নিজৰ আৰু বাপেৰৰ নাম মকৰ কিয়? কি সম্পৰ্কতনো মিত্ৰতাটো দেখুৱাইছ?" ১ ॥

[অংগদে ক'লে—] "মোৰ নাম অংগদ, বালীৰ পুত্ৰ। তেওঁৰ লগত কেতিয়াবা দেখা-দেখি হৈছিলানে?" অংগদৰ কথা শুনিয়েই ৰাৱণৰ মনটো কোঁচ খাই গ'ল আৰু ক'লে—"মোৰ মনত পৰিছে বালী নামৰ বান্দৰ এটা আছিল। ২ ॥

হেৰ অংগদ! তই বালীৰে ল'ৰা। হেৰ কুলনাশক! বাঁহনি পুৰি ছাৰ-খাৰ কৰা জুইৰ দৰে তয়ো নিজৰ বংশ নাশ কৰিবলৈ উপজিলি। তই মাতৃৰ গৰ্ভতে মৰা হ'লেও ভাল আছিল, এতিয়া নিজ মুখেৰে তপস্বীৰ দূত বুলি চিনাকি দিছহি। ৩ ॥

বাৰু! এতিয়া বালীৰ কুশল-বাতৰি কচোন। তেওঁ আজি-কালি ক'ত আছে?" তেতিয়া অংগদে হাঁহি মাৰি ক'লে—"দহ দিনমানৰ পাছত বালীৰ

ওচৰলৈ গৈ, নিজৰ মিত্ৰক বুকুত সাৱটি ধৰি তেওঁৰ পৰাই কুশল-বাৰ্তা ল'ব পাৰিবা। ৪ ॥

শ্ৰীৰামচন্দ্ৰৰ বিৰুদ্ধাচৰণ কৰিলে যেনেকুৱা কুশল-মংগল হ'ব পাৰে, সেই সকলো কথা তেওঁেই তোমাক ক'ব। দুৰ্মতি! শুনা। তাৰ মনতহে ভেদ-নীতিয়ে কাম কৰে, যাৰ হৃদয়ত ৰঘুবীৰৰ কথাই ঠাই পোৱা নাই। ৫ ॥

দোঃ—বাক সঁচা—মই নিজৰ বংশ-নাশক; কিন্তু দশানন! তুমি যে—নিজৰ বংশ ৰক্ষক, এই কথা ক'লা আৰু অন্ধয়ো নকয়; তোমাৰ বিশটা চকু আৰু বিশখন কাণো আছে! (তুমি কেনেকৈ নিজকে বংশৰক্ষক বুলি ভাবিছা?) ২১ ॥

চৌঃ—শিৱ, ব্ৰহ্মা আদি দেৱতা আৰু মুনিসকলেও যাৰ চৰণ-সেৱা কৰিবলৈ বিচাৰে, তেওঁৰে দূত হৈ মই নিজৰ কুল তললৈ নিলোঁ? হায়ৰে! এনে বুদ্ধি হোৱা সত্বেও তোমাৰ হৃদয় যে বিদীৰ্ণ হৈ যোৱা নাই?" ১ ॥

বান্দৰৰ (অংগদৰ) এনে কঠোৰ বচন শুনি দশাননে কেৰাহিকৈ চাই (খঙত) ক'লে—"হেৰ' দুষ্ট! মই তোৰ সকলো টান কথা এই বুলিহে সহি আছোঁ যে—মই নীতি আৰু ধৰ্ম কি জানো।" (নীতি আৰু ধৰ্ম পালন কৰা বাবে তোক শাস্তি নিদিয়াকৈ আছোঁ) ২।

অংগদে ক'লে—"তোমাৰ ধৰ্মশীলতাৰ কথা মইও শুনিছোঁ—তুমি পৰস্ত্ৰী হৰণ কৰি আনিছা। আৰু দূতক ৰক্ষা কৰা নীতিৰ উদাহৰণতো নিজ চকুৰেই দেখিছোঁ। এনেকুৱা ধৰ্মৰ ব্ৰতী হৈ তুমি যে তল গৈ মৰা নাই! ৩ ॥

নাক-কাণ কটা তন ক দেখি ধৰ্মৰ বিচাৰ কৰিয়েই তুমি ক্ষমা কৰিলা। তোমাৰ ধৰ্মশীলতা জগতত্তে প্ৰসিদ্ধ। ময়ো তোমাৰ দৰ্শন পোৱাটো বৰ ভাগ্যৰ কথা।" ৪ ॥

দোঃ—তেতিয়া ৰাৱণে ক'লে—"হেৰ' অজ্ঞান জন্তু বান্দৰ! বেছি কথা নকবি। মূৰ্খ! মোৰ বাহুবোৰলৈ চা। লোকপাল সমূহৰ বিশাল বলৰূপী চন্দ্ৰমাক গ্ৰাস কৰিবৰ কাৰণেও এই বাহুবোৰ ৰাহু। ২২ (ক)

তদুপৰি [তই শুনিছই চাগে] আকাশৰূপী জলাশয়ত মোৰ বাহুৰূপী কমলত বহি থকা শম্ভুসহ কৈলাশ হংসৰ দৰে শোভিত হৈছিল। ২২ (খ)

চৌঃ—হেৰ অংগদ! শুন। তইতৰ সেনাৰ ভিতৰত মোৰ লগত যুঁজিব পৰা কোন বীৰ আছে ক'চোন? তোৰ প্ৰভু তিৰোতাৰ বিৰহতে দুৰ্বল হৈ পৰিল আৰু তাৰ ভায়েক তাৰ দুঃখতে দুখী আৰু নিস্তেজ হৈ পৰিছে। ১ ॥

তই আৰু সুগ্ৰীৱ দুয়োটাই নৈৰ পাৰতিৰ গছৰ দৰে। মোৰ ভাই বিভীষণ, সি অতি ভীৰু। মন্ত্ৰী জাম্ববন্ত বৰ বুঢ়া হ'ল, সি এতিয়া যুদ্ধত কি নামিব? ২ ॥

নল-নীলে শিল্প কৰ্মহে জানে। এটা মাত্ৰ বান্দৰ আছে যি সঁচাকৈ বলৱান। যিটো আগতেই আহিছিল আৰু নগৰত জুই লগাইছিল।" এই কথা শুনা মাত্ৰেই বালীপুত্ৰ অংগদে ক'লে— ৩ ॥

"হে ৰাক্ষসৰাজ! সত্য কথা কোৱাচোন। সেই বান্দৰটোৱে সঁচাকৈয়ে নগৰত জুই লগালে? ৰাৱণৰ নগৰ এটা সাধাৰণ বান্দৰে পুৰিলে। এনে কথা শুনিলে কোনে বিশ্বাস কৰিব? ৪ ॥

হেৰা ৰাৱণ! যাক তুমি ডাঙৰ যুঁজাৰু বুলি প্ৰশংসা কৰিলা, সিতো সুগ্ৰীৱৰ এটা সাধাৰণ সংবাদবাহক—লৰি ঢাপৰি ফুৰা সেৱক। সি বেগাই যাব পাৰে, বীৰ নহয়। তাক আমি বা বাতৰি ল'বৰ কাৰণেহে পঠিয়াইছিলোঁ। ৫ ॥

দো:— প্ৰভুৰ আদেশ নোপোৱাকৈয়ে সেই বান্দৰে কি সঁচাকৈয়ে নগৰত জুই লগাই দিলে? বোধহয়, এই ভয়তেই সি সুগ্ৰীৱৰ ওচৰলৈ ঘূৰি নগ'ল। ক'ৰবাত লুকাই থাকিল। ২৩ (ক)

ৰাৱণ! তুমি সকলো সঁচা কথাকে কৈছা। তোমাৰ কথা শুনি মোৰ অকণো খং উঠা নাই। প্ৰকৃততে আমাৰ মাজত এনে কোনো নাই, যি তোমাৰ লগত যুঁজিলে শোভা পায়। ২৩ (খ)

প্ৰীতি আৰু বিৰোধ দুয়োটা সমানৰ লগতহে কৰাটো নীতিৰ কথা। সিংহই যদি ভেকুলি মাৰে, তেনেহ'লে তাক কোনোবাই ভাল বুলিব জানো? ২৩ (গ)

যদিও তোমাক মৰাটো ৰামৰ কাৰণে এটা পাতল কথা আৰু বৰ দোষৰ কথা, তথাপি হেৰা ৰাৱণ শুনা! ক্ষত্ৰিয়সকলৰ ক্ৰোধটো বৰ কঠিন বস্তু।" ২৩ (ঘ)

বক্ৰোক্তিৰ ধনুৰে বচনৰ বাণ প্ৰয়োগ কৰি অংগদে শত্ৰুৰ হৃদয়ত পোৰণি তুলিলে। বীৰ দশশ্ৰীৱে যেন প্ৰত্যুত্তৰৰ চেপেনাৰে সেই তপত বাণবোৰ গাৰ-পৰা কাঢ়ি উলিয়াবলৈ ধৰিলে। ২৩ (ঙ)

তেতিয়া দশানন ৰাৱণে হাঁহি মাৰি ক'লে—"বান্দৰবিলাকৰ এটা বৰ ডাঙৰ গুণ আছে যে—যি সিহঁতক পোহে, সিহঁতে তাৰ অনেক উপায়ে হিতসাধনৰ চেষ্টা কৰে। ২৩ (চ)

চৌ:—নিজৰ প্ৰভুৰ কাৰণে লাজ-কাজ এৰি নাচি ফুৰা বান্দৰবোৰ ধন্য।

নাচি-জপিয়াই দৰ্শকক সন্তুষ্ট কৰি নিজৰ প্ৰভুৰ হিত সাধন কৰে। এইটো সিহঁতৰ ধৰ্ম-নিপুণতা। ১ ॥

হেৰ' অংগদ! তহঁতৰ জাতিটোৱেই স্বামীভক্ত। গতিকে তই 'নিজৰ স্বামীৰ গুণ এইদৰে কিয় নাগাবি? মই গুণগ্ৰাহী আৰু সুজন ব্যক্তি। সেই বাবে তোৰ কটুবাক্যবোৰলৈ কাণ দিয়া নাই।" ২ ॥

অংগদে ক'লে—"তোমাৰ প্ৰকৃত গুণগ্ৰাহী স্বভাৱৰ কথা মোক হনুমানে কৈছিল। তেওঁ (হনুমানে) অশোক বন ভাঙি-ছিঙি নষ্ট কৰি, তোমাৰ পুত্ৰকো মাৰি নগৰো পুৰিলে। তথাপি [তুমি নিজৰ গুণগ্ৰাহী স্বভাৱৰ কাৰণে ভাবিলা যে—] হনুমানে তোমাৰ একো অপকাৰ কৰা নাই। ৩ ॥

হে দশগ্ৰীৱ! তোমাৰ এই সুন্দৰ স্বভাৱৰ কথা বিচাৰ কৰি চাইহে মই এই ধৃষ্টতা কৰিলোঁ আৰু হনুমানে কোৱা কথা নিজ চকুৰে দেখিলোঁহি যে—তোমাৰ লাজ, ০ং আৰু অসন্তোষ একোৱেই নাই।" ৪ ।

[ৰাৱণে ক'লে—] "হেৰ' বান্দৰ! অ' তোৰ বুদ্ধি এনেকুৱাই। সেই বাবেহে বাপেৰক খালি।" এইবুলি কৈ ৰাৱণে হাঁহিলে। অংগদে ক'লে— "পিতাক খাই তোকো খালোঁহেতেন, কিন্তু এনে সময়তে আন এটা কথা মোৰ মনলৈ আহিল। ৫ ॥

হেৰ নীচ অভিমানী! বালীৰ নিৰ্মল যশৰ কাৰণ স্বৰূপে জড়িত হেতু মই তোক নামাৰোঁ। ৰাৱণ! এইটো ক'চোন বাৰু, জগতত কিমান ৰাৱণ আছে? মই যিবোৰ ৰাৱণৰ কথা নিজ কাণেৰে শুনিছোঁ, সেইবোৰ এইবোৰেই—শুন। ৬।

এটা ৰাৱণ বলিক জয় কৰিবলৈ পাতাললৈ গৈছিল। তাক ল'ৰাবোৰে ধৰি ঘোঁৰাশালত বান্ধি থ'লে। ল'ৰাবোৰে খেলে আৰু মাজে মাজে গৈ তাক মাৰে। বলিৰ পুতৌ লাগিলত তাক এৰি দিলে ৭ ॥

এটা ৰাৱণ আকৌ সহস্ৰবাহু অৰ্জুনে দেখিলে আৰু তাক এটা বিশেষ ধৰণৰ জন্তু বুলি ভাবি খেদা মাৰি গৈ ধৰি আনিলে। স্ফূৰ্তি কৰিবৰ কাৰণে তাক ঘৰলৈ লৈ আহিল। পুলস্ত্য মুনিয়ে গৈ তাক মুকলি কৰি দিলে। ৮ ॥

দোঃ—এটা ৰাৱণৰ কথা কবলৈ মোৰ বৰ লাজ লাগে। সি বহুত দিন বালীৰ কাষলতিৰ তলত আছিল। এইবোৰৰ ভিতৰত তই কোনটো ৰাৱণ? গৰ্ব ত্যাগ কৰি আচল কথাটো কচোন।" ২৪ ॥

চৌঃ—ৰাৱণে ক'লে—"হেৰ' মূৰ্খ! শুন। মই সেই বলৱান ৰাৱণ,

যাৰ বাহুবলৰ খেল কৈলাশ পৰ্বতে জানে; যাৰ বীৰত্বৰ কথা উমাপতি মহাদেৱে জানে; যাক নিজৰ শিৰ কাটি পুষ্পৰূপে দি মই পূজা কৰিছিলোঁ। ১ ॥

নিজৰ শিৰ-কমল হাতেৰে একবাই একবাই মই অসংখ্য বাৰ ত্ৰিপুৰাৰিক পূজিলোঁ। হেৰ মূৰ্খ! মোৰ বাহুৰ পৰাক্ৰম দিক্‌পালবোৰে জানে, যাৰ হৃদয় আজিও মোৰ পৰাক্ৰমে শালি থৈছে। ২ ॥

দিগ্‌গজবোৰে মোৰ হৃদয়ৰ কঠোৰতা বুজি পায়। যেতিয়াই গৈ মই সিহঁতৰ লগত যুঁজিছোঁ, তেতিয়াই (সকলো বাৰতে, এবাৰত নহয়) সিহঁতে ভয়ানক দাঁতেৰে মোৰ হৃদয়ত ঘা লগাব পৰা নাই। তাৰ পৰিবৰ্তে মোৰ বুকুত লাগিহে সিহঁতৰ দাঁত মূলা ভগাদি ভাগি গৈছে। ৩ ॥

যি যাওঁতে পৃথিৱী এনেদৰে কঁপি উঠে, যিদৰে মত্ত হস্তী উঠিলে সক নাওবোৰ কঁপি উঠে; মই সেই জগৎপ্ৰসিদ্ধ প্ৰতাপী ৰাৱণ। হেৰ ব্যৰ্থ প্ৰলাপী! তই কি মোৰ কথা কাণেৰে শুনা নাই? ৪ ॥

দোঃ—সেই ৰাৱণক তই সামান্য জ্ঞান কৰিছ আৰু মানুহ এটাক মহত্ব দিছ। হেৰ' অসভ্য, দুষ্ট আৰু তুচ্ছ বান্দৰ। এতিয়া মই তোৰ জ্ঞানৰ জোখ বুজিলোঁ।" ২৫ ॥

চৌঃ—ৰাৱণৰ কথা শুনি অংগদে খঙেৰে ক'লে—"অধম, অভিমানী! ভাবি-চিন্তি চাই কথা ক'বি। যাৰ কুঠাৰে সহস্ৰ বাহুৰ (কাৰ্তবীৰ্যাৰ্জুনৰ) বাহুৰূপী অৰণ্য দহন কৰিবলৈ অগ্নিৰ কাৰ্য কৰিছিল; যাৰ কুঠাৰৰূপী সমুদ্ৰৰ তীব্ৰধাৰত অগণন ৰজা অনেক বাৰ তল গৈছিল, তেওঁৰো (পৰশুৰামৰো) গৰ্ব যাক দেখিয়েই দূৰ হ'ল, হেৰ দুৰ্ভগীয়া দশানন! তেওঁ কি মানুহ? ১৷২ ॥

হেৰ উদ্ধত! ৰামচন্দ্ৰ কি মানুহ? কামদেৱো জানো ধনুৰ্ধাৰী? গংগা কি নদী? কামধেনু কি পশু? কল্পবৃক্ষ জানো গছ? অন্নদানকো জানো দান বোলে আৰু অমৃত জানো এবিধ ৰস? ৩ ॥

গৰুড়কো পক্ষী বোলেনে? অনন্তকো সাপ বোলেনে আৰু চিন্তা মণিকো জানো শিল বুলি কয়? হেৰ মন্দমতি! শুন। বৈকুণ্ঠও জানো এখন লোক আৰু ৰঘুপতিৰ অকুণ্ঠ ভক্তিও জানো [সাধাৰণ শ্ৰেণীৰ বৈষয়িক] লাভ? ৪ ॥

দোঃ—সৈন্যসহ তোৰ মান-অভিমান সকলো গছকি-মোহাৰি নষ্ট কৰি অশোক বন ভাঙি, নগৰ পুৰি আৰু পুত্ৰকো বধ কৰি যি উভতি গ'ল [তই কিন্তু একো কৰিব নোৱাৰিলি]; হেৰ মূৰ্খ! সেই হনুমান কি বান্দৰ? ২৬ ॥

চৌঃ—হেৰ ৰাৱণ! তোৰ চকুৰোৰ এৰি দুৰ। কৃপাৰ সাগৰ ৰামৰ ভক্তি তই কিয় নকৰ? হেৰ' বুদ্ধিহীন! তই যদি ৰামৰ শত্রু হলি, তেনেহ'লে তোক ব্রহ্মা আৰু ৰুদ্রয়ো ৰক্ষা কৰিব নোৱাৰিব। ১ ॥

হেৰ মন্দমতি! মিছা বৰ কথা এৰি দে। শ্রীৰামৰ লগত শত্রুতা কৰিলে তোৰ এনে অৱস্থাই হ'ব যে—তোৰ মূৰবিলাক ৰামৰ শৰ লগা মাত্রেই বান্দৰবোৰৰ আগতে মাটিত বাগৰিব। ২ ॥

তেতিয়া বান্দৰ আৰু ভালুকবোৰে তোৰ মূৰবিলাক থোপ (বল 'ৰ দৰে) দলিয়াই খেমালি কৰিব। যেতিয়া ৰঘুনাথ ৰামে যুদ্ধত ক্রুদ্ধ হৈ বহুত ভয়ংকৰ বাণ প্রয়োগ কৰিব, তেতিয়া কি তোৰ এই গৰ্বোক্তি কামত আহিব? এইবোৰ কথা ভাবি চাই উদাৰ ৰামক ভক্তি কৰ।" অংগদৰ এনে কথা শুনি ৰাৱণ জ্বলি-পকি উঠিল। যেন প্রচণ্ড জ্বলা জুইত ঘিউহে পৰিল। ৪ ॥

দোঃ—ৰাৱণে ক'লে—"কুম্ভকৰ্ণ কেন মোৰ ভাই, প্রসিদ্ধ ইন্দ্রজিত মোৰ পুত্র। চৰাচৰ জগৎ মই জয় কৰিছো। তথাপি তই মোৰ পৰাক্রমৰ কথা শুনা নাই? ২৭ ॥

চৌঃ—হেৰ অবোধ! বান্দৰৰ সহায় লৈ ৰামে সমুদ্রত সেতু বান্ধিলে, সিমানেই তাৰ প্রভুত্ব। সমুদ্র বহুত চৰাই-চিৰিকটিয়েও পাৰ হয়। হেৰ বান্দৰ! শুন, সেইবুলি চৰাইবোৰ বীৰ হৈ নপৰে। ১ ॥

মোৰ এখন এখন হাতেই বল-শক্তিৰূপী জলেৰে পূৰ্ণ এখন এখন সাগৰ। যি সাগৰত বহুত বীৰ, দেৱতা আৰু মানুহ বুৰি মৰিল। কোন এনে বীৰ আছে, যি মোৰ এই কুৰিখন (হাত) গভীৰ আৰু অপাৰ সাগৰ পাৰ হ'ব পাৰে? ২ ॥

হেৰ মূৰ্খ! দিক্‌পালবোৰকে মই পানী খুৱাই থৈছো। তই আকৌ মোৰ আগত সাধাৰণ ৰজা এটাৰ গুণ গাইছহি। যদি তোৰ স্বামী যুদ্ধত তিষ্ঠিব পৰা বীৰ হয়েই, তেনেহ'লে সি দূত পঠিয়াইছে কিয়? শত্রুৰ লগত মিত্রতা কৰিবলৈ লাজ নালাগেনে? প্রথমতে কৈলাশ তুলি লৈ ঘূৰাই ফুৰা মোৰ বাহুবোৰলৈ চা আৰু তাৰ পাছত, হেৰ মূৰ্খ বান্দৰ! তাৰ পাছতহে তোৰ প্রভুৰ প্রশংসা কৰ। ৩।৪ ॥

দো—ৰাৱণৰ সমান বীৰ কোন আছে? যি নিজহাতে মূৰ কাটি অতি আনন্দ মনেৰে বহুতবাৰ অগ্নিত হোম দিলে। স্বয়ং উমাপতি শিৱ ইয়াৰ সাক্ষী। ২৮ ॥

কটা মূৰবিলাক পোৱাৰ সময়ত যেতিয়া কপালত লিখা বিধাতাৰ আখৰবোৰ

দেখিছিলোঁ, তেতিয়া মনুষ্যৰ হাতত মৃত্যু বুলি পঢ়িবলৈ পাই, বিধাতাৰ লিখা অসত্য দেখি হাঁহি উঠিছিল। ১ ॥

সেই কথা মনত পৰিলেও মোৰ ভয় নালাগে। কিয়নো ব্ৰহ্মা বৰ বুঢ়া হোৱা বাবে ভুলতে সেইদৰে লিখি গ'ল। হেৰ মূঢ়মতি! তই লজ্জা আৰু মৰ্য্যাদা এৰি মোৰ আগত বাৰে বাৰে অন্য বীৰৰ কথা কৈছ।" ২ ॥

অংগদে ক'লে—"ৰাৱণ! জগতত তোমাৰ সমান লজ্জাৱান পুৰুষ কোনো নাই। তুমি স্বাভাৱিকতেই লজ্জাশীল। তুমি নিজৰ মুখেৰে নিজৰ গুণ কেতিয়াও নোকোৱা। ৩ ॥

মূৰ কটা আৰু পৰ্বত (কৈলাশ) তুলি লোৱাৰ কথা মনত লাগি আছিল বাবে তাৰ কথা তুমি কুৰিবাৰমান ক'লা। বাহুবলৰ সেই কথাবোৰতো তুমি হৃদয়তে লুকুৱাই থ'লা, যি বাহুবলেৰে তুমি সহস্ৰবাহু অৰ্জ্জুন, বলি আৰু বালীক জয় কৰিছিলা। ৪ ॥

হেৰ মন্দবুদ্ধি! শুন। তোৰ কথা সামৰ। মূৰটো কাটিলেই কি কোনোবা বীৰ হ'ব পাৰে? ইন্দ্ৰজাল বিদ্যাৰ চমৎকাৰ দেখুৱাওঁতাক কোনেও বীৰ নোবোলে, যদিও সি নিজৰ হাতেৰেই সম্পূৰ্ণ শৰীৰ কাটি পেলায়। ৫ ॥

দো:—হেৰ দুষ্টবুদ্ধি! ভাবি চা। পতংগবোৰ মোহবশত: জুইত পৰি মৰে; গাধবোৰেও বোজা ভাৰ বৈ যায়, কিন্তু সেই বুলিয়েই সিহঁতক শূৰ-বীৰ বুলি নকয়। ২৯ ॥

চৌ:—এতিয়া কথা বঢ়োৱাৰ প্ৰয়োজন নাই। মোৰ কথা শুন আৰু হেৰ দশানন! গৰ্ব-অভিমান ত্যাগ কৰ। মই দূত হৈ [সন্ধি কৰিবলৈ] অহা নাই। কৃপালু ৰঘুনাথে মোক এনে উদ্দেশ্যতহে পঠিয়াইছে—যি উদ্দেশ্যত তেওঁ বাৰে বাৰে কৈছে—শিয়াল মৰাত সিংহৰ গৌৰৱ নাই (সিংহই হাতী মাৰে)। প্ৰভুৰ এই কথা বাৰে বাৰে সোঁৱৰণ কৰিহে তোৰ নিচিনা দুষ্টৰ কথাও সহ্য কৰি শুনি আছোঁ। ১২ ॥

তাকে নকৰা হ'লে তোৰ মূৰ ছিঙি সীতাক জোৰেৰে লৈ গলোঁহেঁতেন। হেৰ দেৱতাসকলৰ শত্ৰু! তোৰ বল কিমান মই তেতিয়াই জানিলোঁ, যেতিয়া তই পৰনাৰী অকলে থকা সময়ত অপহৰণ কৰি আনিলি। ৩ ॥

তই ৰাক্ষসৰ ৰজা আৰু অতি অহংকাৰী; কিন্তু মই ৰঘুনাথৰ সেৱকৰো দূত। যদি মই শ্ৰীৰামচন্দ্ৰৰ মান-হানি হোৱাৰ ভয় নকৰিলোঁহেঁতেন, তেনেহ'লে তোৰ চকুৰ আগতে এনে এখন খেল কৰিলোঁহেঁতেন। ৪ ॥

দোঃ—তোক ধৰি মাটিত থেকেচি, সেনাসহ তোৰ লংকা ধ্বংস কৰি তোৰ যুৱতী স্ত্ৰীবোৰেৰে সৈতে জানকীক লৈ গলোঁহেঁতেন। ৩০ ॥

চৌঃ—যদি এনে কাৰ্য কৰোঁও, তথাপি তাত গৌৰৱৰ কথা নাই। মৰা থকাটোকে মাৰি থকাত কোনো পুৰুষালি প্ৰকাশ নাপায়। বামমাৰ্গী কৌল কামুক, কৃপণ, অত্যন্ত মূৰ্খ, অতি দৰিদ্ৰ, বদনামী, বৰ বুঢ়া, চিৰৰোগী, সদায় ক্ৰোধ কৰি থকা, হৰিবিমুখ, বেদশাস্ত্ৰ আৰু সন্তসাধুৰ বিৰোধী, কেৱল পেটভৰাই জীয়াই থকা, পৰনিন্দুক আৰু অত্যন্ত পাপী এই চৈধ্যবিধ প্ৰাণী জীয়াই থাকিও মৰা। ১।২ ॥

হেৰ মূঢ়মতি! এই কথা বিচাৰ কৰি চাই মই তোক বধ নকৰোঁ। এতিয়া তই মোৰ খং তুলি নল'বি।" অংগদৰ কথা শুনি ৰাক্ষসৰাজ ৰাৱণে খঙত দাঁত কামুৰি, হাত মোহৰি ক'বলৈ ধৰিলে। ৩ ॥

"হেৰ অধম বান্দৰ। তই মৰিবলৈ বিচাৰিছ। সেইবাবে সৰুৰ মুখত ইমান বৰ কথা ওলাইছে। হেৰ মূৰ্খ বান্দৰ! তই যাৰ বলত ইমান কটু বচন কৈছ, তাৰ বল, প্ৰতাপ, বুদ্ধি, তেজ একো নাই। ৪ ॥

দোঃ—তাৰ গুণ, মান একো নাই কাৰণেই বাপেকে বনবাস দিছে। তাৰ এটা দুঃখ সেইটো আৰু আনহাতে যুৱতী পত্নীৰ বিৰহ, তদুপৰি দিনে-ৰাতিয়ে মোলৈ ভয় আছেই। ৩১ (ক) ॥

যাৰ বল-শক্তিৰ কথা কৈ তই গৰ্ব কৰিছ, তেনেকুৱা অনেক মনুষ্য দিনে-ৰাতিয়ে ৰাক্ষসে খাই আছে। হেৰ মূৰ্খ! তই জিদ্ এৰি আচল কথা বুজি ল।" ৩১ (খ) ॥

চৌঃ—যেতিয়া তেওঁ (ৰাৱণে) ৰামক নিন্দা কৰিলে, তেতিয়া কপিশ্ৰেষ্ঠ অংগদৰ বৰ খং উঠিল। [কিয়নো] হৰি-হৰৰ নিন্দা কাণেৰে শুনিলেও গো-বধৰ সমান পাপ হয়। ১ ॥

হাতী যেন বৃহৎ কপি অংগদে দাঁত কৰছিবলৈ ধৰিলে আৰু জোৰেৰে দুয়োখন হাতেৰেই পৃথিৱীত আঘাত কৰিলে। পৃথিৱী কঁপি উঠিল আৰু সভাসদসকল আসনৰপৰা এচাৰ খাই পৰিল। তেতিয়া ভয়ৰ বতাহত সকলোৰেই তাৰপৰা ভাগিল। ২ ॥

ৰাৱণেও কথমপিহে নপৰাকৈ নিজক চম্ভালিলে, কিন্তু তেওঁৰ সুন্দৰ মুকুটটো মাটিত খহি পৰিল। [মাটিত পৰি ভগা সেই মুকুটটোৰ] কিছু অংশ ৰাৱণে তুলি লৈ মূৰত আকৌ পিন্ধিলে। কিছু অংশ অংগদে তুলি লৈ প্ৰভু শ্ৰীৰামৰ ওচৰলৈ দলি মাৰি পঠিয়ালে। ৩ ॥

মুকুটৰ অংশটো অহা দেখি বান্দৰবোৰ পলালে। সিহঁতে ভাবিলে—"হায় বিধাতা! দিনতে উল্কা পৰিছে? নহ'লে ৰাৱণেই খং কৰি চাৰিপাট বজ্ৰ প্ৰহাৰ কৰিছেনেকি যি অতি বেগাই আহিছে!" ৪ ॥

প্ৰভুৱে হাঁহি মাৰি ক'লে—"ভয় নকৰিবা। উল্কা, বজ্ৰ, কেতু, ৰাহু একো নহয়। এয়া অংগদে পঠোৱা দশগ্ৰীৱৰ মুকুট।" ৫ ॥

দোঃ—পৱনপুত্ৰ হনুমানে থাপমাৰি সেই মুকুট হাতেৰে ধৰি প্ৰভুৰ ওচৰত থলেহি। ভালুক আৰু বান্দৰে স্ফূৰ্তিৰে চাবলৈ ধৰিলে। মুকুটৰ প্ৰকাশ সূৰ্যৰ নিচিনা। ৩২ (ক) ॥

সিফালে ক্ৰুদ্ধ ৰাৱণে সকলোকে খঙেৰে ক'বলৈ ধৰিলে—"বান্দৰক ধৰি মাৰ।" [এই আদেশ] শুনি অংগদে মিচিকাই হাঁহিলে। ৩২ (খ) ॥

চৌ—"পটু যুঁজাৰুহঁত! [ইয়াক মাৰি] তুৰন্তে তহঁত সকলোৱেই এইদৰে আনবোৰ বান্দৰলৈকো থেদি যা আৰু বান্দৰ-ভালুক যাকে য'তে পাৱ তাকে ত'তে খাবলৈ লাগি যা। পৃথিৱীত বান্দৰ নোহোৱা কৰি পেলাইক। তপস্বী দুটাকো জীয়াই জীয়াই ধৰি আন।" ১ ॥

যুৱৰাজ অংগদেও খঙেৰে ক'লে—"তোৰ বৰ কথা ক'বলৈ লাজ লগা নাইনে? হেৰ নিজ কুল-নাশক নিৰ্লজ্জ! তই নিজৰ গল কাটি আত্মহত্যা কৰ। মোৰ বল দেখিও কি তোৰ হৃদয় ফাটি যোৱা নাই? ২ ॥

হেৰ পৰস্ত্ৰীহৰণকাৰী! কুমাৰ্গী! হেৰ দুষ্ট, পাপী, মন্দবুদ্ধি আৰু কামুক! তোৰ কি সন্নিপাত হ'ল, প্ৰলাপ বকিছ যে। অধম! তই কালৰ হাতত পৰিলি। ৩ ॥

ইয়াৰ ফল তই আগলৈ বান্দৰ-ভালুকৰ চৰত পাবলৈ আছে। অভিমানী, ৰামক মানুহ বোল। তোৰ জিভা ছিগি যোৱা নাই! ৪ ॥

অৱশ্যে তোৰ জিভা মূৰেৰে সৈতে হে ৰণক্ষেত্ৰৰ মাটিত পৰিব। ৫ ॥

সোঃ—হেৰ দশন্ধ! যি একেপাট শৰেৰেই বালীক বধ কৰিলে, তেওঁ মানুহ কেনেকৈ হ'ব? হেৰ কুজাতি জড়বুদ্ধি! একুৰি চকু থাকিও তই অন্ধ। ধিক তোৰ জন্ম। ৩৩ (ক) ॥

ৰামৰ বাণসমূহ তোৰ শোণিতৰ তৃষ্ণাৰে তৃষ্ণাতুৰ। সেই ভয়তহে (মই তোক মাৰিলে বাণসমূহৰ তৃষ্ণা দূৰ নহ'ব কাৰণে) হেৰ কটুবাদী নীচ ৰাক্ষস! তোক মই এৰি দিছোঁ। ৩৩ (খ) ॥

চৌঃ—মই তোৰ দাঁতকেইটা সৰকাই দিব পাৰোঁ; কিন্তু মোক ৰঘুনাথে

আজ্ঞা দিয়া নাই। এনে থং উঠে যেন তোৰ দহোখন মুখ ভাঙো আৰু লংকাও তুলি লৈ লাগৰত বুৰাই পেলাওঁ। ১ ॥

ডিমক গুটিটোৰ নিচিনা তোৰ লংকাখন। তইতো তাত থকা পোকবোৰ নিশ্চিন্ত হৈ থকাৰ দৰেহে নির্ভয়ে আছ। মই বান্দৰ। এই কল খোৱাটো কি বৰ কথা। কিন্তু উদাৰ ৰামে মোক এই আদেশ দিয়া নাই।" ২ ॥

অংগদৰ যুক্তি শুনি ৰাৱণে খিচিকিয়াই হাঁহিলে [আৰু ক'লে—] "হেৰ মূঢ়! ইমান মিছা কথা ক'বলৈ তই ক'ত শিকিলি? বালীয়েতো ক'তো এনে মিছা গৰ্ব কৰা নাই! এনে বোধহয়, তই তপস্বীহঁতৰ লগত পৰি বৰ কথকী হ'লি।" ৩ ॥

[অংগদে ক'লে—] "হেৰ কুবিখন হাত থকা ৰাৱণ। মই যদি তোৰ দহোখন জিভা ছিঙিব নোৱাৰোঁ, তেনেহ'লে সঁচাকৈয়ে বৰ কথকীয়েই।" তাৰ পাছত ৰামৰ প্ৰতাপৰ কথা মনতে ভাবি খঙেৰে সভাৰ মাজতে দৃঢ়ভাৱে অংগদ থিয় হৈ ৰ'ল। ৪ ॥

তাৰ পাছত এইদৰে ক'লে—"হেৰ মূৰ্খ! যদি তই মোৰ ভৰি লৰাব পাৰ, তেনেহ'লে শ্ৰীৰাম উলটি যাব আৰু সীতাক হেৰুৱাব।" ৰাৱণে ক'লে— "বীৰসকল! শুনা। এই বান্দৰটো ভৰিত ধৰি লৈ মাটিত পেকেচা মাৰি পেলাই দিয়া।" ৫ ॥

ইন্দ্ৰজিত আদি অনেক বলবান বীৰ উল্লসিত হৈ কেউকালৰপৰা আগবাঢ়ি আহিল। তেওঁলোকে গাৰ সম্পূৰ্ণ বল দি, বহুত উপায় কৰিও টানি চালে; কিন্তু অংগদৰ ভৰি লৰচৰ নহ'ল। তেতিয়া তল মূৰ কৰি বীৰসকল নিজ নিজ আসনত বহিল গৈ। ৬ ॥

কাকভুশুণ্ডীয়ে কৈছে—"হে সৰ্পৰ শত্ৰু গৰুড়! দেৱতাসকলৰ শত্ৰুবোৰে (ৰাক্ষসবোৰে) আকৌ ধৰি অংগদৰ ভৰি লৰাবলৈ টানিছিল; কিন্তু বিষয়-আসক্ত লোকে মোহবৃক্ষ উঘালিব নোৱাৰাৰ নিচিনাকৈ সিহঁতেও অংগদৰ ভৰি ছুটা লৰচৰকে কৰিব নোৱাৰিলে। ৭ ॥

দো:—মেঘনাদৰ সমান কোটিজন যোদ্ধা অংগদৰ ভৰিৰ খোপনি লৰাবলৈ উল্লাসেৰে উঠি আহিল। তেওঁলোকেও বাৰে বাৰে টানিলে; কিন্তু বান্দৰৰ ভৰি ল'ৰাব নোৱাৰিলে। লাজত তলমূৰ কৰি তেওঁলোকো বহি থাকিল। ৩৪ (ক)

বিঘ্নে কোটি কোটি বাধা উপস্থিত হ'লেও সজ্জনসকলৰ মনে নীতি পৰিত্যাগ

নকৰে, সেইদৰে বান্দৰৰ (অংগদৰ) ভৰিও পৃথিৱীৰপৰা একৰাব নোৱাৰা দৃঢ় হৈ পৰিল। এনে হোৱা দেখি শত্ৰুৰ (ৰাৱণৰ) অভিমান দূৰ হ'ল। ৩৪ (খ)॥

চৌঃ—বান্দৰৰ বল দেখি সকলোৱেই মনতে হাৰ মানিলে। তেতিয়া অংগদৰ প্ৰত্যাহ্বানত লাজ পাই ৰাৱণ নিজেই উঠিল আৰু তেওঁ ভৰিত ধৰিব খোজোঁতেই অংগদে ক'লে—"মোৰ ভৰিত ধৰিলেও তই ৰক্ষা নাপাবি। হেৰ মূৰ্খ! তই ৰামৰ ভৰিত নধৰ কিয়?" অংগদৰ এই কথা শুনি ৰাৱণ বৰ লজ্জিত হৈ উভতি গৈ বহিল। তেওঁৰ সকলো শ্ৰী হানি হ'ল। দুপৰীয়া দেখা চন্দ্ৰৰ দৰে নিস্তেজ, শোভা হৈ পৰিল। ১।২॥

ৰাৱণ সিংহাসনত তলমূৰ কৰি বহিল। যেন সৰ্বস্ব হেৰুৱাইহে বহি পৰিছে। জগতৰে আত্মা আৰু প্ৰাণৰ অধিকাৰী ৰামৰ বিমুখ হৈ কোনে শান্তি লাভ কৰিব পাৰে? ৩॥

[শিৱই ক'লে—] "হেৰা উমা! যি ৰামৰ কটাক্ষতে বিশ্ব সৃষ্টি আৰু লয় হ'ব পাৰে, যি খেৰ-কুটা এডালক বজ্ৰ আৰু বজ্ৰক খেৰ-কুটা সদৃশ সামান্য বস্তু কৰিব পাৰে, তেওঁৰ দূতৰ পণ কিয় লৰচৰ হ'ব? কোৱা বাৰু!" ৪॥

তাৰ পাছতো অংগদে নানা প্ৰকাৰৰ নীতিৰ কথা ক'লে; কিন্তু ৰাৱণে সেইবোৰ নামানিলে। কিয়নো তাৰ কাৰণে কাল ওচৰ চাপি আহিছিল। শত্ৰুৰ গৰ্ব চূৰ্ণ কৰি অংগদে প্ৰভুৰ সুযশ শুনালে আৰু শেষত নিজক বজা বালীৰ পুত্ৰ বুলি কৈ তাৰপৰা গুচি গ'ল। ৫॥

যুদ্ধভূমিত তোক লটি ঘটি কৰি যেতিয়ালৈকে নামাৰোঁ, তেতিয়ালৈকে কি বৰাই কৰিম? অংগদে আগতেই (সভালৈ অহাৰ আগতেই) পুত্ৰক বধ কৰা শুনি ৰাৱণে দুঃখ পালে। ৬

এইদৰে অংগদৰ জিদ্ সফল হোৱা দেখি সকলো ৰাক্ষস ভয়ত বৰ ব্যাকুল হৈ পৰিল। ৭॥

দোঃ—শত্ৰুৰ বলহীনতা প্ৰমাণ কৰি বলবান বালীপুত্ৰ অংগদে হৰ্ষমনেৰে আহি শ্ৰীৰামচন্দ্ৰৰ চৰণত ধৰি সেৱা জনালেহি। [সেই সময়ত] তেওঁৰ শৰীৰ পুলকিত হৈ পৰিছিল আৰু চকুত আনন্দৰ অশ্ৰু বৈছিল। ৩৫ (ক)॥

সন্ধ্যা সময়ত দশগ্ৰীৱ ক্লান্ত আৰু উদাস মনেৰে নিজৰ ৰাণভৱনলৈ উভতিল। মন্দোদৰীয়ে ৰাৱণক বুজাই-বঢ়াই আকৌ ক'লে। ৩৫॥ (খ)

চৌঃ—"হে প্ৰিয়তম! মনতে ভাবি-চিন্তি চাই দুৰ্বুদ্ধি ত্যাগ কৰা। তুমি

আৰু ৰঘুপতিৰ মাজত যুদ্ধ শোভা নাপায়। তেওঁৰ ভায়েকে এডাল সৰু ৰেখাহে টানি থৈছিল। তাকো তুমি লংঘন কৰিব পৰা নাছিলা। তোমাৰ মুনিষাই সিমানেইহে। ১ ॥

হে প্ৰিয়া! যাৰ দূতৰেই কাৰ্য এনেকুৱা, তেওঁক তুমি যুদ্ধত জানো পৰাস্ত কৰিব পাৰিবা? খেমালিতেই সাগৰ পাৰ হৈ শ্ৰেষ্ঠ কপি (হনুমান) তোমাৰ লংকাত নিৰ্ভয়ে প্ৰৱেশ কৰিলে। ২ ॥

ৰখীয়াবোৰক মাৰি বন নাশ কৰিলে। তোমাৰ চকুৰ আগতেই সি অক্ষয় কুমাৰক বধ কৰিলে আৰু গোটেই নগৰখন পুৰি ছাই কৰিলে। সেই সময়ত তোমাৰ বলৰ গৰ্ব ক'লৈ গৈছিল? ৩ ॥

হে স্বামী! এতিয়া তুমি মিছা বৰ কথা এৰি দিয়া। মই কোৱা কথা মনতে ভাবি চোৱাঁ। হে নাথ! ৰঘুনাথক কেৱল ৰজা বুলি ধৰি নলবা। চৰাচৰ জগতৰ গৰাকী অতি বলবান বুলি জানিবা। ৪ ॥

শ্ৰীৰামৰ বাণৰ প্ৰতাপ নীচ মাৰীচেও বুজি পাইছিল; কিন্তু তুমি তেওঁৰ কোৱা কথা নুশুনিলা। জনকৰ সভাত অসংখ্য ৰজা আছিল, তাত বিশাল আৰু অতুলনীয় বলশালী তুমিও আছিলা। ৫ ॥

তাত শিৱৰ ধনু ভাঙি ৰামে সীতাক বিয়া কৰিলে। তেতিয়া তুমি তেওঁক (ৰামক) যুদ্ধ কৰি কিয় পৰাস্ত নকৰিলা? ইন্দ্ৰৰ পুত্ৰ জয়ন্তই তেওঁৰ বলৰ কথা অলপ জানে। শ্ৰীৰামে ধৰি তাৰ মাত্ৰ এটা চকুহে ফুটুৱাই জীয়াই জীয়াই এৰি দিলে। ৬ ॥

শূৰ্পনখাৰ কি গতি হ'ল, সেইটো তুমি দেখিছাই। তথাপি তুমি মনতে বিশেষ একো লাজ পোৱা নাই। ৭ ॥

দোঃ—যি খেমালিৰ দৰেই খৰ-দূষণ, বিৰাধ আৰু কবন্ধকো মাৰিলে, যি বালীকো একেপাট শৰেৰেই বধ কৰিলে; হে দশস্কন্ধ! তুমি তেওঁক জানি লোৱাঁ। ৩৬ ॥

চৌঃ—যি খেমালিৰ কথাৰ দৰেই সাগৰকো বান্ধিলে আৰু সৈন্যৰে সৈতে প্ৰভু সুবেল পৰ্বতত উপস্থিত হ'লহি; সেই সূৰ্যবংশৰ গৌৰৱধ্বজা স্বৰূপ কৰুণাময় ৰামে তোমাৰ হিতৰ কাৰণেহে দূত পঠাইছিল। ১ ॥

যিদৰে হাতীৰ জুমৰ মাজত সোমাই সিংহই হাতীবোৰ ত্ৰস্ত কৰি তোলে, সেইদৰে তোমাৰ বল সভাৰ মাজতে মোহাৰি উকৰাই দিয়া বীৰ অংগদ আৰু ৰণপটু হনুমান যাৰ সেৱক; হে প্ৰিয়তম! তুমি তেওঁক বাৰে বাৰে

মানুহ বুলি কৈছা। তুমি মিছাকৈ মান, মমতা, আৰু গৰ্বৰ বোজা ভাৰ বৈছা। হায় হায়! প্ৰিয়তম! তুমি শ্ৰীৰামৰ বিৰোধী হ'লা। কালৰ বশৱৰ্তী হোৱা কাৰণে তোমাৰ মনলৈ এতিয়াও সুবুদ্ধি নাহিল। ৩॥

কালে দণ্ড ধৰি কাক শাস্তি নিদিয়ে? সি ধৰ্ম, বল, বুদ্ধি আৰু বিবেক সকলো হৰি লয়। হে স্বামী! কাল যাৰ ওচৰ চাপি আহে, তেওঁৰ তোমাৰ নিচিনাকৈয়ে মতিভ্ৰম ঘটে। ৪ ॥

দোঃ—তোমাৰ দুটা পুত্ৰ মৰিল। নগৰ পুৰিলে। হে প্ৰিয়তম! এই ভুল এইখিনিতে পূৰা হ'ব লাগে [আৰু হ'ব নালাগে, যি হ'ল, হ'ল]। হে নাথ! কৃপাসিন্ধু ৰঘুনাথক ভজি তুমি বিমল যশৰ অধিকাৰী হোৱা।" ৩৭ ॥

চৌঃ—তিৰোতাৰ কাঁড় যেন তীক্ষ্ণ বাক্য শুনি পুৱাই ৰাৱণ সভা-ভৱনলৈ গ'ল আৰু সকলো ভয়ৰ কথা তল পেলাই অতি গৰ্বেৰে সিংহাসনত বহিল। ১ ॥

ইফালে ৰামে অংগদক ওচৰলৈ মাতিলে। তেওঁ আহি ৰামৰ চৰণকমলত সেৱা জনালে। বৰ আদৰেৰে অংগদক কাষত বহুৱাই লৈ অশুভনাশক কৃপালু শ্ৰীৰামে হাঁহি মাৰি মাত লগালে। ২ ॥

"হে বালী-পুত্ৰ। মই জানিবলৈ বৰ ইচ্ছুক হৈছোঁ। বোপা! সেইবাবে তোমাক সুধিছো, প্ৰকৃত কথাটো কোৱাচোন। যি ৰাৱণ ৰাক্ষসকুলৰ শ্ৰেষ্ঠ পুৰুষ, যাৰ অতুলনীয় বাহুবলৰ জগৎজোৰা খ্যাতি আছে, তেওঁৰ মুকুটৰ চাৰিভাগ তুমি দলিয়াই পেলালা। বোপাই কোৱাচোন। তুমি সেই মুকুট কেনেকৈ পালা?" [অংগদে ক'লে—] "হে সৰ্বজ্ঞ। হে শৰণাগতৰ সুখদাতা! শুনক। সেইবোৰ মুকুট নহয়, সেইবোৰ ৰজাৰ চাৰিটা গুণহে। ৪ ॥

হে নাথ! বেদত কৈছে—সাম, দান, ভেদ আৰু দণ্ড—এই চাৰিওটা ৰজাৰ অন্তৰত থাকে। এই কেইটা নীতি-ধৰ্মৰ চাৰি চৰণৰূপে শোভা পাই আছে। [ৰাৱণৰ নীতি ধৰ্মত এই চাৰিওটাৰ অভাৱ ঘটিছে] সেই চাৰিটাই আপোনাৰ ওচৰলৈ আহিছে। ৫ ॥

দোঃ—দশানন ৰাৱণ ধৰ্মহীন আৰু প্ৰভু-পদ বিমুখ কাৰণে কালৰ বশ হৈছে। সেইকাৰণে, হে কোশলৰাজ! শুনক। সেই গুণ চাৰিটা ৰাৱণক এৰি আপোনাৰ ওচৰলৈ আহিছে।" ৩৮ (ক) ॥

অংগদৰ উক্তিত চতুৰতা দেখি উদাৰ ৰামে হাঁহিলে। তাৰ পাছত লংকাৰ দুৰ্গৰ ভিতৰত হোৱা সকলো ঘটনা বালীপুত্ৰ অংগদে কৈ শুনালে। ৩৮ (খ) ॥

চৌঃ—যেতিয়া শত্ৰুৰ সকলো সংবাদ পোৱা হ'ল, তেতিয়া সকলো মন্ত্ৰীকে

ৰামে ওচৰলৈ মাতি আনি ক'লে—"লংকাৰ চাৰিখন দৃঢ় দুৱাৰ আছে। সেই দুৱাৰ কেইখন কেনেকৈ হাতলৈ অনা যায় বিচাৰ কৰা।" ১ ॥

তেতিয়া কপিৰাজ সুগ্ৰীৱ ঋক্ষৰাজ জাম্বৱন্ত আৰু বিভীষণে সূৰ্যবংশৰ ভূষণ ৰামক হৃদয়ত ভাবি লৈ বিচাৰ কৰি চালে (মন্ত্ৰণা কৰিলে) আৰু সেইমতে বান্দৰসেনা চাৰিভাগত বিভক্ত কৰিলে। ২ ॥

প্ৰতিভাগ সেনাৰ বাবে যথাযোগ্য সেনাপতি কৰিলে। তাৰ পাছত সকলো দলপতিকে গোটাই লৈ প্ৰভুৰ প্ৰতাপৰ কথা বুজাই ক'লে। তাকে শুনি বান্দৰবোৰেও সিংহনাদ কৰি আগবাঢ়ি গ'ল। ৩ ॥

উৎসাহিত হৈ ৰামৰ চৰণত শিৰ নোৱাই আৰু পৰ্বতৰ শিখৰ (পৰ্বত শিখৰ আদিত থকা শিল আদি) হাতত তুলি লৈ বীৰসকল আগ বাঢ়িল। "কোশলৰাজ ৰঘুবীৰৰ জয়"—বুলি জয়ধ্বনিৰে বান্দৰ আৰু ভালুকবোৰ তৰ্জন-গৰ্জন কৰি যাবলৈ ধৰিলে। ৪ ॥

লংকা এটা অতি দৃঢ় দুৰ্গ বুলি জানিও বান্দৰবোৰ প্ৰভুৰ প্ৰতাপৰ কাৰণে নিভয়ে আগবাঢ়ি গ'ল। চাৰিওফালৰপৰা বেঢ়ি ধৰা ডাৱৰৰ দৰে লংকাকো চাৰিওদিশে বেঢ়ি লৈ তেওঁলোকে মুখেৰেই ৰণভেৰী আৰু জয়ডংকা বজাবলৈ ধৰিলে। ৫ ॥

দোঃ—অত্যন্ত বলৱান ভালুক আৰু বান্দৰবোৰে সিহঁতৰ নিচিনা শব্দেৰে গৰ্জন কৰি শ্ৰীৰামচন্দ্ৰৰ জয়, লক্ষ্মণৰ জয়, কপিৰাজ সুগ্ৰীৱৰ জয়—এনে ধ্বনি তুলিলে। ৩৯ ॥

চৌঃ—লংকাত ভয়ানক কোলাহলৰ সৃষ্টি হ'ল। অতি অহংকাৰী ৰাৱণে সেই কথা শুনি ক'লে—"বান্দৰবোৰৰ ধৃষ্টতা চোৱাঁ।" এই বুলি হৈ হাঁহি মাৰি তেওঁ ৰাক্ষস সেনাবোৰ মাতিলে। ১ ॥

বান্দৰবোৰক কালে টানি আনিছে। মোৰ ৰাক্ষসবোৰৰ দৰ ভোকত আছে বিধাতাই ইহঁতৰ কাৰণে সিহঁতলৈ আহাৰ পঠিয়াই দিছে। এই বুলি কৈ দুষ্ট-বুদ্ধি ৰাৱণে অট্টহাস্য কৰিলে। ২ ॥

[তাৰ পাছত ক'লে—] "বীৰসকল! তোমালোক চাৰিওফালে যোৱা আৰু বান্দৰ ভালুকবোৰ ধৰি ধৰি খোৱাঁহক।" [শিৱই কৈছে—] "হেৰা, উমা! টিটিভ চৰাইৰ মনৰ ধাৰণা যেনে ৰাৱণৰ অভিমানো তেনেই আছিল।*

* পানীৰ দাঁতিত থকা এবিধ চৰাই। সি আকাশখন ভাগি পৰাৰ ভয়ত ওপৰলৈ ভৰি দাঙি শোৱে বুলি লোকপ্ৰসিদ্ধ আছে।

ৰজাৰ আজ্ঞা লৈ হাতত ভিন্দিপাল, বৰ্চা, তোমৰ, মুগদৰ, কুঠাৰ, শূল, দুধৰীয়া তৰোৱাল, পৰিঘ আৰু পৰ্বতখণ্ড (শিল) আদি নানা ভয়ানক অস্ত্ৰ-শস্ত্ৰ ধাৰণ কৰি ৰাক্ষসবোৰ গ'ল। ৪ ॥

ৰঙা ৰঙা শিলবোৰ দেখি তাকে মাংস বুলি ভাবি খুটিয়াই খুটিয়াই নিজৰ ঠোঁট ভঙা (কষ্ট পাব লাগিব বুলি ক'ব নোৱাৰা) মূৰ্খ মাংসাহাৰী পক্ষীবোৰৰ যি অৱস্থা, ৰাক্ষসবোৰৰো সেই অৱস্থা। সিহঁতেও পৰিণামৰ বিষয়ে নজনাকৈ খেদি গ'ল। ৫ ॥

দোঃ—শৰ-ধনু আদি নানা প্ৰকাৰৰ অস্ত্ৰ-শস্ত্ৰ লৈ কোটি কোটি ৰণ-কুশল ৰাক্ষস বীৰ দুৰ্গৰ বুৰুজৰ ওপৰলৈ উঠি গ'ল। ৪০ ॥

চৌঃ—এইদৰে দুৰ্গৰ বুৰুজত উঠা সৈন্যদলটো মেৰু পৰ্বতৰ শৃঙ্গত শোভা পোৱা ডাৱৰৰ নিচিনা দেখা গ'ল। যুদ্ধৰ বাদ্য, ডংকা আৰু ঢোল আদি বজা শুনি যুঁজাৰুবোৰৰ মনত ৰণলিপ্সা জাগ্ৰত হ'ল। ১ ॥

ভেৰী, নফীৰী আদি নানা প্ৰকাৰৰ অসংখ্য ৰণবাদ্য বাজি উঠিল। সেইবোৰ শুনি কাপুৰুষবিলাকৰ হৃদয় ফাটি গ'ল। সিহঁতে দেখে অত্যন্ত বিশালদেহৰ, ৰণপটু বান্দৰ আৰু ভালুকৰ দলবোৰ দেখা পালে। ২ ॥

বান্দৰ আৰু ভালুকবোৰে যাবলৈ ধৰিলে, বাটৰ খলা-বমা গণিতা নকৰে। পৰ্বত ভাঙি বাট বান্ধি যায়। কোটি কোটি বান্দৰ সৈনিকে দাঁত কৰচি, ওঁঠ কামুৰি তৰ্জন-গৰ্জন কৰিছে। ৩ ॥

একালে ৰাৱণৰ আৰু আনফালে ৰামৰ আদেশ ঘোষণা কৰা হৈছে। জয় জয় ধ্বনি কৰি যুদ্ধ আৰম্ভ হ'ল। ৰাক্ষসবোৰে পৰ্বত-শিখৰ দলিয়াবলৈ ধৰিলে। বান্দৰবোৰে জাপ মাৰি সেইবোৰ ধৰে আৰু আকৌ ৰাক্ষবোৰৰ গা-লৈকে ঘূৰাই মাৰে। ৪ ॥

ছন্দ :—ভয়ংকৰ বান্দৰ আৰু ভালুকবোৰে পৰ্বত-খণ্ডবোৰ দুৰ্গৰ গালৈ দলিয়ায়। ৰাক্ষসবোৰৰ ভৰিদুটা জপটিয়াই ধৰি লৈ মাটিত থেকেচি মাৰে আৰু আঁতৰি যায়। তাৰ পাছত আকৌ প্ৰত্যাহ্বান জনায়। অতি চঞ্চল আৰু বলী বান্দৰ-ভালুকবোৰে বৰ উৎসাহেৰে জপিয়াই জপিয়াই দুৰ্গত প্ৰৱেশ কৰিলে আৰু মহলবোৰত সোমাই যশগান কৰিবলৈ ধৰিলে।

দোহাঃ—তাৰ পাছত এটা এটা ৰাক্ষস ধৰি লৈ বান্দৰবোৰ শুচি গ'ল। ওপৰত নিজক আৰু তলত ৰাক্ষস লৈ দুৰ্গৰপৰা তললৈ মাটিত জপিয়াই পৰিল। ৪১

চৌঃ—শ্ৰীৰামচন্দ্ৰৰ শক্তিৰে শক্তিমান বান্দৰসমূহে ৰাক্ষস বীৰবোৰ এইদৰে খেদাৰি পেলালে। তাৰ পাছত বান্দৰবোৰ আকৌ বেদিয়ে পাই তেনিয়ে দুৰ্গত সোমাই পৰিল আৰু সূৰ্যৰ দৰে প্ৰতাপী ৰঘুবীৰৰ জয়গান গাবলৈ ধৰিলে। ১ ॥

ৰাক্ষসৰ দলবোৰ এনেদৰে ছেদেলি ভেদেলি হৈ পলাবলৈ ধৰিলে, যেন প্ৰচণ্ড বতাহত ডাৱৰৰ টুকুৰাবোৰেহে ইফালে সিফালে আঁতৰি গৈ নোহোৱা হ'ল। লংকানগৰত বৰ হাহাকাৰ লাগিল। বালক, বোগী আৰু তিৰোতা-বোৰে কান্দিবলৈ ধৰিলে। ২ ॥

সকলোৱেই মিলি ৰাৱণক গালি দিবলৈ ধৰিলে—এই ৰজাই শাসন কৰি মৃত্যুক মাতি আনিছে। ৰাৱণেও যেতিয়া নিজৰ সৈন্যবোৰ টিকিব নোৱাৰা কথা কাণেৰে শুনিলে, তেতিয়া পলাই অহা সেনাবোৰক ওভোতাই খঙেৰে ক'লে— ৩ ॥

"যি ৰণবিমুখ হৈ অহা বুলি মই শুনিম তাকে ভয়ানক দুধৰীয়া তৰোৱালেৰে বধ কৰিম। মোৰ ৰাজ্যত সকলো খাই বৈ নানা প্ৰকাৰৰ ভোগ-বিলাস কৰি এতিয়া যুদ্ধক্ষেত্ৰত প্ৰাণৰ মোহ হ'ল ?" ৪ ॥

ৰাৱণৰ উগ্ৰ আদেশ শুনি ভয় পাই লাজ আৰু খঙেৰে যুদ্ধলৈ সেনাবোৰ ঘূৰি গ'ল। সন্মুখ যুদ্ধত মৰাহে বীৰৰ কাৰণে শোভনীয়—এই বুলি ভাবি তেতিয়া সিহঁতে প্ৰাণৰ আশা কৰিলে। ৫ ॥

দোঃ—বহুত ধৰণৰ অস্ত্ৰ-শস্ত্ৰ ধাৰণ কৰি সকলো ৰাক্ষস-বীৰেই প্ৰত্যাহ্বান জনাই জনাই যুঁজিবলৈ ধৰিলে। সিহঁতে পৰিঘ আৰু ত্ৰিশূলৰ প্ৰহাৰ কৰি বান্দৰ আৰু ভালুক সেনাবোৰক ব্যাকুল কৰি পেলালে। ৪২ ॥

চৌঃ—(শিৱই কৈছে—) "হে উমা! পাছত তেওঁলোকেই জিকিবগৈ যদিও বান্দৰ আৰু ভালুক সেনাবোৰ ভয়ত পলাবলৈ ধৰিলে। কোনোৱে চিঞৰিলে—অংগদ ক'ত ? হনুমান ক'ত ? কোনোৱে চিঞৰিলে—বলবান নল-নীল ক'ত ? দ্বিৱিদ ক'ত ? ১ ॥

বলবান হনুমানে নিজৰ দলৰ বিকলতাৰ কথা শুনিলে—সেই সময়ত তেওঁ পশ্চিম দ্বাৰত মেঘনাদৰ লগত যুদ্ধ কৰি আছিল। সেই দ্বাৰ ভেদ কৰিব পৰা নহৈছিল, কঠিন সমস্যাৰ সৃষ্টি হৈছিল। ২ ॥

পৱনপুত্ৰ হনুমানৰ মনত অত্যন্ত ক্ৰোধ ভাব জাগ্ৰত হ'ল। তেতিয়া সেই কালসদৃশ যোদ্ধাই অতি ভয়ংকৰ গৰ্জন কৰি জাপ মাৰি লংকাৰ দুৰ্গত উঠিল আৰু পৰ্বত এটা দাঙি লৈ মেঘনাদৰ ফালে চোঁচা ল'লে। ৩ ॥

মেঘনাদৰ ৰথ ভাঙি পেলালে, সাৰথিক বধ কৰিলে আৰু মেঘনাদৰ বুকুত এটা গোৰ শোধালে। অন্য সাৰথিয়ে মেঘনাদৰ ব্যাকুল অৱস্থা দেখি ৰথত তুলি লৰালৰিকৈ ঘৰলৈ লৈ গ'ল। ৪ ॥

দোঃ—অংগদে শুনিলে—পৱনপুত্ৰ অকলেই দুৰ্গত প্ৰৱেশ কৰিছে। তেতিয়া ৰণকুশল বালিপুত্ৰও বান্দৰৰ ধেমালিৰ দৰে জাপ মাৰি দুৰ্গত উঠিল। ৪৩॥

চৌঃ—যুদ্ধত শত্ৰুৰ বিৰুদ্ধে ক্ৰুদ্ধ দুয়োজন বান্দৰ বীৰে হৃদয়ত শ্ৰীৰামৰ প্ৰতাপৰ কথা সুঁৱৰি লৰ মাৰি গৈ ৰাৱণৰ ৰাজমহলৰ ওপৰত উঠিল আৰু ৰামৰ আদেশ ঘোষণা কৰিবলৈ ধৰিলে। ১ ॥

তেওঁলোকে কলচীসহ ৰাজমহলৰ ওপৰৰ অংশ ধৰাই পেলোৱা দেখি ৰাক্ষস ৰাজ ৰাৱণেও ভয় খালে। সকলো তিৰোতাই হিয়া ভুকুৰাই ক'বলৈ ধৰিলে— "এইবাৰ উৎপতীয়া বান্দৰ দুয়োটা আহিল।" ২ ॥

বান্দৰ-ভাদুকি দিয়ে দুয়ো (হনুমান আৰু অংগদে) সেই ৰাক্ষস তিৰোতাবোৰক ভয় খুৱাই আৰু ৰামৰ যশগুণ শুনায়। তাৰ পাছত সোণৰ স্তম্ভ হাতেৰে ধৰি দুয়ো কথা পাতি ঠিক কৰিলে যে—এতিয়া উৎপাত আৰম্ভ কৰা হওক। ৩ ॥

তেওঁলোকে গৰ্জন কৰি শত্ৰু-সেনাৰ মাজত সোমালে আৰু নিজৰ প্ৰচণ্ড বাহুবলেৰে সিহঁতক মোহাৰি নিবলৈ ধৰিলে। কিছুমানক গোৰ আৰু কিছু-মানক চকাৰে মঙহ দিয়ে। লগতে কয়—"তহঁতে শ্ৰীৰামক ভজি নকৰ। এয়া তাৰ ফল লইক।" ৪ ॥

দোঃ—এটাক আন এটাৰে সৈতে ধৰি খুঁচি খুঁচি মাৰে আৰু মুৰটো ছিঙি দলিয়াই পেলায়। সেই মুৰ ৰাৱণৰ আগত পৰি এনেদৰে ভাগে যেন দৈৱ টেকেলিহে মাটিত পৰি ভাগিছে। ৪৪ ॥

চৌঃ—যিবোৰ প্ৰধান প্ৰধান সেনানায়ক পায়, সেইবোৰক ভৰি দুটাত ধৰি লৈ ৰামৰ ওচৰলৈ দলিয়াৰি পঠিয়াই দিয়ে। বিভীষণে সেইবোৰৰ নাম কয় আৰু ৰামে তেওঁলোককো নিজ ধামত ঠাই দিয়ে। ১ ॥

ব্ৰাহ্মণৰ মাংস খোৱা দুষ্ট ৰাক্ষসবোৰেও সেই পৰম গতি লাভ কৰিলে, যি গতি যোগীসকলে বিচাৰে; কিন্তু সহজে নাপায়। [শিৱই কৈছে—] "হেৰা উমা! ৰাম কোমল হৃদয়ৰ আৰু কৰুণাৰ আকৰ স্বৰূপ। ৰাক্ষসে বৈৰভাৱে হ'লেও মোক স্মৰণ কৰে। এই বুলি ভাবিয়েই পৰম গতি দিয়ে। হেৰা ভৱানী! এনে দয়ালু আৰু কোন হ'ব পাৰে? প্ৰভুৰ এনে স্বভাৱৰ কথা শুনিও যি ভ্ৰম ত্যাগ কৰি তেওঁক নভজে, সি অতি বুদ্ধিহীন আৰু ভাগ্যহীনো।" ২।৩ ॥

অংগদ আৰু হনুমান দুৰ্গৰ ভিতৰত প্ৰৱেশ কৰিলে। 'অযোধ্যাৰ স্বামী ৰামে ক'লে—দুটা মন্দৰ পৰ্বতে সাগৰ মথিবলৈ ধৰাৰ দৰে লংকাতো দুয়োজনেই শোভা পাইছে। ৫॥ (মন্দৰে সাগৰ মথাৰ দৰেই হনুমান আৰু অংগদেও লংকা ঘোদালি পেলাইছে)

দোঃ—বাহুবলেৰে শত্ৰুসেনা গচকি মোহাৰি দিন শেষ হোৱা দেখি দুয়ো জপিয়াই দুৰ্গৰপৰা বাহিৰ ওলাল আৰু ভাগৰ মাৰ নৈ ৰামচন্দ্ৰৰ চৰণ পালেহি। ৪৫॥

চৌঃ—তেওঁলোকে প্ৰভুৰ পদকমলত শিৰ দোৱালে। শ্ৰেষ্ঠ বীৰ দুজনক দেখা পাই ৰঘুপতিয়ে সন্তোষ লাভ কৰিলে। শ্ৰীৰামচন্দ্ৰৰ কৃপাদৃষ্টিত দুয়োজনৰে ভাগৰ দূৰ হ'ল আৰু তেওঁলোকে পৰম সুখ উপলব্ধি কৰিলে। ১॥

অংগদ আৰু হনুমান গ'ল বুলি জানি আন আন ভালুক-বান্দৰবীৰবোৰো উভতিল। ৰাক্ষসবোৰে সন্ধ্যা হ'লত বল পাই ৰাৱণৰ আদেশ ঘোষণা কৰি বান্দৰৰ ওপৰত আক্ৰমণ কৰিলে। ২॥

ৰাক্ষসবোৰে যোদ্ধা অহা দেখি বান্দৰ বীৰবোৰ আকৌ উভতিল। তেওঁলোকে য'তে ত'তে দাঁত মুখ কৰচি আৰে যুঁজিবলৈ লাগি গ'ল। অতি বলৱান দুয়ো দলেই প্ৰত্যাহ্বান জনাই জনাই যুঁজিবলৈ ধৰিলে, কোনেও হাৰ নমনা হ'ল। ৩॥

মহাবীৰ ৰাক্ষসবোৰৰ সকলোৱেই ক'লা বৰণৰ। বান্দৰবোৰৰ বিশাল কায় আৰু নানা বৰণৰ। দুয়ো দলেই সমান বলশালী যোদ্ধা। তেওঁলোকে খঙেৰে যুদ্ধ কৰে আৰু বীৰৰস দেখুৱায়। ৪॥

ৰাক্ষস আৰু বান্দৰৰ এই যুদ্ধ এনে দেখা গৈছিল যেন ক্ৰমে বৰ্ষা আৰু শৰৎকালৰ মেঘবোৰ বতাহৰ প্ৰেৰণাত সংঘৰ্ষ ৰত হৈছে। নিজৰ সেনাবোৰ অস্থিৰ হৈ পৰা দেখি, অতিকায় আৰু অকম্পন নামৰ সেনাপতি দুজনে (ৰাক্ষস পক্ষৰ) মায়াৰ সহায় ল'লে। ৫॥

ক্ষন্তেকতে অত্যন্ত অন্ধকাৰ হৈ পৰিল। তেজ, শিল আৰু ছাই বৰ্ষিবলৈ ধৰিলে। ৬॥

দোঃ—দশো দিশে অত্যন্ত ঘন অন্ধকাৰ, বান্দৰ সেনাৰ মাজত হাহাকাৰ লাগিল। তেওঁলোকৰ কোনেও কাকো নেদেখি য'তে-ত'তে চিঞৰ বাখৰ কৰিবলৈ ধৰিলে। ৪৬॥

চৌঃ—এই সকলো কথা ৰঘুনাথে জানিবলৈ পাই অংগদ আৰু হনুমানক

ৰাতি সকলো বৰহন্ত বুজাই ক'লে। শুনিয়েই চুয়োজন কপিশ্ৰেষ্ঠ বীৰ কুন্দলৈ ল'ৰি গ'ল। ১॥

ইফালে কৃপালু ৰামেও ধনু তুলি লৈ তৎক্ষণাৎ অগ্নিবান চলালে। যাৰ ফলত গোটেইখন পোহৰ হৈ পৰিল, ক'তো আন্ধাৰ নাথাকিল, যেনেকৈ জ্ঞানৰ উদয় হ'লে সকলো প্ৰকাৰৰ সন্দেহ দূৰ হয়। ২॥

ভালুক আৰু বান্দৰ সেনাবোৰো পোহৰ পাই নতুন শক্তি লাভ কৰি আৰু নিৰ্ভয় হৈ উৎসাহেৰে যুদ্ধ মাৰি গ'ল। হনুমান আৰু অংগদে ৰণত গৰ্জন কৰিবলৈ ধৰিলে। তেওঁলোকৰ মাত শুনিয়েই ৰাক্ষস পলাবলৈ ধৰিলে। ৩॥

অদ্ভুতকৰ্মা বান্দৰ আৰু ভালুক সেনাবোৰে পলাই যোৱা ৰাক্ষসবোৰকো ধৰি লৈ মাটিত পেকেচি পেকেচি মাৰে। কেতিয়াবা ভৰি দুটা জপটিয়াই ধৰি লৈ সাগৰলৈ দলি মাৰি দিয়ে। তাত মাছ, মগৰ আৰু সাপে সিহঁতক ধৰি ধৰি খায়। ৪॥

দোঃ—কিছুমান মৰা পৰিল, কিছুমান আহত হ'ল, কিছুমান পলাই দুৰ্গৰ ভিতৰত সোমাল। তেতিয়া নিজৰ বলেৰে শত্ৰুবিদাৰক পৰাস্ত কৰি ভালুক আৰু বান্দৰবোৰে গৰ্জন কৰিবলৈ ধৰিলে। ৪৭॥

চৌঃ—ৰাতি হোৱা দেখি সকলো বান্দৰসেনা কোশলৰাজ ৰাম থকা ঠাইলৈ ঘূৰি আহিল। শ্ৰীৰামে যেতিয়া তেওঁলোকক কৃপা দৃষ্টিৰে চালে, তেতিয়া তেওঁলোকৰ সকলো দুঃখ-ভাগৰ দূৰ হ'ল। ১॥

সিফালে ৰাৱণে মন্ত্ৰীসকলক মতাই আনি যি যি যোদ্ধা মৰা পৰিল সেই সকলোৰে নাম তেওঁলোকক ক'লে। বান্দৰবোৰে আধাখিনি সৈন্য সংহাৰ কৰিলে। "এতিয়া সোনকালেই কোৱাঁ, কি কৰিলে ভাল হ'ব?" ২॥

মাল্যবন্ত সকলোতকৈ বুঢ়া ৰাক্ষস আছিল। তেওঁ ৰাৱণৰ মাকৰ পিতাক আৰু শ্ৰেষ্ঠ মন্ত্ৰী আছিল। তেওঁ অত্যন্ত শুদ্ধ নীতিৰ কথা ক'লে—"হেৰা বোপা! মোৰ কথা অলপ শুনাচোন। ৩॥

যেতিয়াই তুমি সীতাক হৰণ কৰি আনিলা, তেতিয়াৰপৰাই ইমানবোৰ অমংগল দেখা গৈছে, তাৰ বৰ্ণনা দিবলৈ নাই। বেদ-পুৰাণে যাৰ যশ-গুণ গাইছে, সেই শ্ৰীৰামৰ বিৰুদ্ধাচৰণ কৰি কোনেও সুখ পোৱা নাই। ৪॥

দোঃ—ভ্ৰাতৃসহ হিৰণ্যাক্ষ আৰু বলৱান মধু-কৈটভকো যি বধ কৰিলে, সেই কৃপাৰ সাগৰ ভগৱানেই [ৰামচন্দ্ৰৰ ৰূপত] অৱতাৰ হৈছে। ৪৮ (ক)

দাবানলৰ দৰে দুষ্টক দহন কৰ্তা, কালৰূপ, গুণৰ আকৰ, সঘনবোধস্বৰূপ, শিৱ আৰু বিৰিঞ্চিৰ দ্বাৰা যি সেৱিত, সেইজনৰ লগত শত্ৰুতা কিহৰ? ৪৮ (খ)

চৌঃ—বৈৰ ভাব এৰি তেওঁৰ ওচৰত জানকীক সমৰ্পণ কৰা আৰু কৃপাময় অতি স্নেহশীল ৰামক ভক্তি কৰা।” তেওঁৰ কথাই ৰাৱণক কাঁড়ে বিন্ধাদি বিন্ধিলে। [ৰাৱণে ক’লে—] “হেৰ দুৰ্ভগীয়া ! ইয়াৰপৰা দূৰ হ। ১ ॥

তই বুঢ়া হ’লি। নহ’লেতো তোৰ প্ৰাণ ল’লোহঁতেন। এতিয়া তই মোৰ চকুৰ আগত দেখা নিদিবি।” ৰাৱণৰ এই কথা শুনি তেওঁ নিজৰ মনতে এনে অনুমান কৰিলে যে কৃপাময় ৰামে ইয়াক মাৰিবহে খুজিছে। ২ ॥

তেওঁ ৰাৱণক টান কথা কৈ গুচি গ’ল। তেতিয়া মেঘনাদে ক্ৰুদ্ধ হৈ ক’লে—“কালিলৈ পুৱা মই কি কৰোঁ দেখিবাহক। কৰোঁতে বহুত কৰিম, কওঁতে সেই বিষয়ে যি ক’ম সিয়ে তাৰ তুলনাত অতি সামান্যহে হ’ব; সেই বাবে এতিয়া নকওঁ।” ৩ ॥

পুতেকৰ কথা শুনি ৰাৱণে বৰ থোপনি পালে আৰু পুতেকক মৰমতে কোলাত বহুৱাই ল’লে। বিচাৰ-আলোচনা কৰোঁতে কৰোঁতেই ৰাতি পুৱাল। বান্দৰবোৰো আকৌ চাৰিওখন দুৱাৰত (দুৰ্গৰ) ওলালহি। ৪ ॥

খঙেৰে বান্দৰবোৰে গোটেইটো দুৰ্গ ঘেৰি ধৰিলে। নগৰত ভয়ানক চিঞৰ বাখৰ লাগিল। ৰাক্ষসবোৰো নানা তৰহৰ অস্ত্ৰ-শস্ত্ৰ লৈ যেনি আহিল আৰু দুৰ্গৰ ওপৰৰপৰা পৰ্বতৰ শিখৰ থহাবলৈ ধৰিলে। ৫ ।

ছন্দঃ—ৰাক্ষসবোৰে পৰ্বতৰ কোটি কোটি শিখৰ থহাইছে। নানাপ্ৰকাৰৰ দলি মাৰিবলৈ ধৰিছে। দলিবোৰৰ এনে শব্দ হয় যেন বজ্ৰপাতহে হৈছে। যুঁজাৰুবোৰেও এনে গৰ্জন কৰে, যেন প্ৰলয়কালৰ মেঘেহে গৰজিছে। ভয়ানক বান্দৰবোৰে যুঁজিছে, যুঁজত সিহঁত আহত হয়, শৰীৰ থকা-সৰকা হয়, তথাপি হতাশ নহয়। বান্দৰবিলাকেও পৰ্বতখণ্ড তুলি লৈ দুৰ্গলৈ দলিয়াবলৈ ধৰিলে। ৰাক্ষসবোৰ য’তে পাকে ত’তে মৰে (আগ বাঢ়িবলৈ নাপায়)।

দোঃ—মেঘনাদে যেতিয়া এই কথা শুনিবলৈ পালে যে বান্দৰে আকৌ দুৰ্গ অৱৰোধ কৰিলে, তেতিয়া সেই বীৰজন ৰণবাদ্য বজাই দুৰ্গৰপৰা বাহিৰ হৈ সমুখলৈ ওলাই আহিল। ৪৯ ॥

চৌঃ—“সকলো লোকতে প্ৰসিদ্ধ ধনুৰ্ধৰ কোশলাধিপতি সেই ভ্ৰাতৃদ্বয় ক’ত ? নল, নীল, দ্বিবিদ, সুগ্ৰীৱ আৰু অত্যন্ত বলৱান অংগদ তথা হনুমান ? ১ ॥

ভ্ৰাতৃদ্ৰোহী বিভীষণ ক’ত ? আজি মই সকলোকে আৰু সেই দুষ্ট বিভীষণক নিশ্চিতভাবে বধ কৰিম। এইবুলি কৈ তেওঁ ধনুত কঠোৰ বাণ জুৰি লৈ কাণৰ ওচৰলৈকে অতি খঙেৰে টানিলে। ২ ॥

তেওঁ বাণসমূহ এৰিবলৈ ধৰিলে। সেইবোৰ যেন কিছুমান পাখি লগা সাপহে দ্ৰুত গতিৰে উৰিছে। য'তে ত'তে বান্দৰ পৰি যোৱা দেখা গ'ল। সেই সময়ত কোনো তেওঁৰ সমুখলৈ যাব নোৱাৰিলে। ৩ ॥

বান্দৰ-ভালুক যেনিয়ে তেনিয়ে পলাবলৈ ধৰিলে। সকলোৰেই যুদ্ধৰ ইচ্ছা পাহাৰ গ'ল। ৰণভূমিত এনে কোনো বান্দৰ বা ভালুক দেখিবলৈ পোৱা নগ'ল, যাৰ প্ৰাণৰ বাহিৰেও আৰু কিবা অৱশেষ থাকিল। (বল শক্তি আদিৰ চিন শাৰীৰিক চেষ্টা নথকা বান্দৰহে পৰি থাকিল)। ৪ ॥

দোঃ—তাৰ পাছত মেঘনাদে সকলোকে দহপাট দহপাট শৰ মাৰিলে। বান্দৰ বীৰসকল মাটিত বাগৰি পৰিল। বলবান আৰু ধীৰ মেঘনাদে সিংহৰ দৰে গৰ্জন কৰিবলৈ ধৰিলে। ৫০ ॥

চৌঃ—সকলো সেনাৰ এই ব্যাকুল অৱস্থা দেখি পৱনপুত্ৰ হনুমানে অত্যন্ত কাল যেন মূৰ্তি ধৰি খঙেৰে আহিল। তেওঁ তৎক্ষণাৎ এটা ডাঙৰ পৰ্বত উঘালি লৈ ভয়ানক ক্ৰোধেৰে মেঘনাদৰ পালে মাৰি পঠিয়ালে। ১ ॥

পৰ্বতটো অহা দেখি মেঘনাদ আকাশলৈ উঠিল। ৰথ, সাৰথি আৰু ঘোঁৰা সকলো চূৰ্ণীকৃত হ'ল। হনুমানে বাৰে বাৰে প্ৰত্যাহ্বান জনালতো মেঘনাদ ওচৰলৈ নাহিল, কিয়নো তেওঁ হনুমানক ভালদৰে জানে। ২ ।

তাৰ পাছত মেঘনাদে ৰামৰ ওচৰলৈ গৈ নানা কুবচন শুনালে আৰু তেওঁৰ কাৰণে (ৰামৰ কাৰণে) নানা অস্ত্ৰ-শস্ত্ৰও প্ৰয়োগ কৰিলে। প্ৰভু ৰামে সেইবোৰ অস্ত্ৰ-শস্ত্ৰ হেলাৰঙেই কাটি দূৰ কৰিলে। ৩ ॥

শ্ৰীৰামচন্দ্ৰৰ সামৰ্থ্য দেখি মূঢ় মেঘনাদ লাজ-জাজে এক হৈ নানা প্ৰকাৰৰ মায়া প্ৰয়োগত লাগিল, যেন কোনোবা মানুহে সৰু সাপ-পোৱালি এটা লৈ গৰুড়ক ভয় খুৱায় আৰু ধেমালি কৰিবলৈ যায়। ৪ ॥

দোঃ—ব্ৰহ্মা-শিৱ পৰ্যন্ত সৰু-বৰ সকলোজনেই যাৰ অতি বলৱতী মায়াৰ বশৱৰ্তী হৈ আছে, নীচবুদ্ধি ৰাক্ষসে তেওঁকে নিজৰ মায়া দেখুৱাবলৈ ধৰিলে। ৫১ ॥

চৌঃ—আকাশত উঠি বহুত পকা অঙ্গাৰ বৰষিবলৈ ধৰিলে। মাটিৰপৰা পানীৰ সোঁত বাহিৰ হ'ল। নানাপ্ৰকাৰ পিশাচ-পিশাচী ওলাই নাচি-বাগি মাৰ কাট আদি শব্দ কৰিবলৈ ধৰিলে। ১ ॥

কেতিয়াবা বিষ্ঠা, পুঁজ, তেজ, চুলি আৰু হাড়, কেতিয়াবা বহুত শিলগুটি ছটিয়াই দিয়ে। এইবোৰৰ পাছত ধূলি উৰুৱাই এনে আন্ধাৰ কৰি পেলালে যে নিজৰ হাতখনকে মেলি দিলে নিজে নেদেখা হ'ল। ২ ॥

মায়া দেখি বান্দৰবোৰ আকুল হৈ পৰিল। তেওঁলোকে ভাবিলে—এইদৰে হ'লতো সকলোৰেই মৰণ মিলিব। এই ধেমালি চাই শ্ৰীৰামচন্দ্ৰই মিচিকাই হাঁহিলে আৰু সকলো বান্দৰেই ভয় পাইছে বুলি বুজিলে। ৩।

তেওঁ (ৰামে) এপাট বাণেৰে সকলো মায়া কাটি পেলালে, যেন সূৰ্যৰ উদয় হোৱাত আন্ধাৰতে দূৰ হ'ল। তাৰ পাছত তেওঁ কৃপাদৃষ্টিৰে বান্দৰ ভালুকবোৰক চালে। তেতিয়া সকলো বান্দৰ ভালুক এনে বলৱান হৈ আকৌ উঠিল যে—তেওঁলোকক বাধা দিলেও যুদ্ধলৈ নোযোৱাকৈ নাথাকিল। ৪।

দোঃ—ৰামৰ আজ্ঞা লৈ অংগদ আদি শ্ৰেষ্ঠ বান্দৰ বীৰৰ লগত হাতত ধনুৰ্বাণ ধৰি তেতিয়া লক্ষ্মণ ক্ৰুদ্ধ হৈ যুদ্ধক্ষেত্ৰলৈ গ'ল। ৫২।

চৌঃ—তেওঁৰ ৰঙা ৰঙা চকু, বিশাল বুকু আৰু আজানু বাহু, সুন্দৰ ডাঙৰ ডাঙৰ চকু, বিশাল বুকু আৰু কিছু ৰাক্তবৰ্ণযুক্ত হিমালয় সদৃশ উজ্জ্বল শৰীৰ। ইফালে ৰাৱণেও ডাঙৰ ডাঙৰ যোদ্ধা পঠিয়ালে। সেইবোৰেও অনেক অস্ত্ৰ শস্ত্ৰ ধাৰণ কৰি দৌৰি আহিলে। ১॥

পৰ্বত, নখ আৰু গছৰ অস্ত্ৰ ধাৰণ কৰি বান্দৰবোৰে শ্ৰীৰামৰ জয় দি গৰ্জন কৰিলে। বান্দৰ আৰু ৰাক্ষস সকলোৱেই যুদ্ধত প্ৰবৃত্ত হ'ল। দুয়োপক্ষৰ ভিতৰত একপক্ষৰো জয়লাভৰ আশা নাছিল। ২॥

বান্দৰবোৰে ঘোঁচা মাৰি, গোৰ মাৰি, দাঁতেৰে কামোৰে। জয়লাভ কৰা বান্দৰে শত্ৰুক মাৰি আকৌ গৰ্জন কৰে। "মাৰ, কাট, ধৰ, ধৰ, ধৰি লৈ মাৰ, মূৰ ছিঙি পেলা, হাত-ভৰি ধৰি একেবাৰে পেলা।" সকলোফালে এনে শব্দ শুনা গ'ল। ক'ৰবাত ভয়ানকভাৱে মূৰ নোহোৱা ধড় দৌৰিবৰেই লৰ মাৰিছে। এইবোৰ ধেমালি আকাশৰপৰা দেৱতাসকলে চাই আছে। তেওঁলোকে কেতিয়াবা খেদ কৰে আৰু কেতিয়াবা আনন্দ কৰে। ৮॥

দোঃ—তেজ বৈ বৈ গাঁতত জমা হৈছে আৰু তাৰ ওপৰত ধূলি উৰি উৰি পৰিছে, যেন পকা আঙঠাৰ দ'মবোৰ ছাইৰে ঢাক খাইছে। ৫৩।

চৌঃ—আহত বীৰবোৰ দেখিবলৈ এনেকুৱা হৈছে—যেন ফুল ফুলা পলাশৰ গছহে। লক্ষ্মণ আৰু মেঘনাদ দুয়োজন যোদ্ধাই অত্যন্ত ক্ৰুদ্ধ হৈ যুঁজত নামিল। ১॥

এজনে আনজনক জয় কৰিব পৰা নাই। ৰাক্ষসে ছল-বল আৰু অনীতি কৰিলে, তেতিয়া ভগবান অনন্তৰ খং উঠিল (লক্ষ্মণক অনন্ত বা সংকৰ্ষণৰ অৱতাৰ বুলি ধৰা হয়)। তেওঁ তৎক্ষণাৎ মেঘনাদৰ ৰথ ভাঙি পেলালে আৰু সাৰথিকো কাটি টুকুৰা টুকুৰ কৰিলে। ২॥

লক্ষ্মণে নানাবিধৰ অস্ত্ৰ প্ৰহাৰ কৰিলত ৰাক্ষসৰ (মেঘনাদৰ) মাত্ৰ প্ৰাণহে বাৰলৈ বাকী থাকিল। তেতিয়া ৰাৱণ-পুত্ৰই মনতে চিন্তা কৰিলে যে এতিয়া মোৰ প্ৰাণৰ সংকট উপস্থিত হ'ল ; এতিয়া মোক মাৰিব। ৩ ॥

মেঘনাদে এই বুলি ভাবি বীৰঘাতিনী শক্তি লক্ষ্মণৰ গালৈ প্ৰয়োগ কৰিলে। সেই তেজোময় শক্তি লক্ষ্মণৰ বুকুত পৰিল। শক্তি লাগি লক্ষ্মণ মূৰ্চ্ছিত হ'ল। তেতিয়া মেঘনাদ নিৰ্ভয় মনেৰে ওচৰ চাপি গ'ল। ৪ ॥

দোঃ—মেঘনাদৰ নিচিনা অসংখ্য যোদ্ধাই লক্ষ্মণক তুলি নিবৰ চেষ্টা কৰিলে, কিন্তু জগতৰেই আধাৰ অনন্তক (লক্ষ্মণক) কেনেকৈ বলে পাবে ? গতিকে লজ্জিত হৈ মেঘনাদ উভতি গ'ল। ৫৪ ॥

চৌঃ—"হেৰা পাৰ্বতী ! শুনা। যাৰ ক্ৰোধানলত চৈধ্যভুবন [প্ৰলয় কালত] তৎক্ষণাতেই জ্বলি পুৰি শেষ হয়, দেৱতা, মনুষ্য তথা সমস্ত চৰাচৰ বিশ্বই যাক সেৱা কৰে ; তেওঁক যুদ্ধত কোনে পৰাস্ত কৰিব পাৰে ?" ১ ॥

কোতুহলীৰ বিষয় এই কথা তেওঁহে জানিব পাৰে, যাৰ প্ৰতি ৰামৰ কৃপাদৃষ্টি পৰে। সন্ধ্যা হ'লত দুয়োপক্ষৰে সৈন্য উভতিল। সেনাপতিসকলে নিজৰ নিজৰ সেনা চম্ভালিবলৈ ধৰিলে। ২ ॥

ব্যাপক ব্ৰহ্ম, অজিত ভুৱনেশ্বৰ আৰু কৰুণাময় ৰামে সুধিলে—লক্ষ্মণ ক'ত ? ইতিমধ্যে হনুমানে লক্ষ্মণক লৈ আহিল। ভায়েকৰ এই অৱস্থা দেখি প্ৰভুৱে বৰ দুখ পালে। ৩ ॥

জাম্বৱন্তই ক'লে—"লংকাত সুষেণ বৈদ্য আছে। তেওঁক আনিবৰ বাবে কাক পঠোৱা যায় ? হনুমানে অতি সামান্য ৰূপ ধৰি সুষেণৰ ওচৰ পালেগৈ আৰু সুষেণক তেওঁৰ ঘৰে সৈতে দাঙি আনিলে। ৪ ॥

দোঃ—সুষেণে আহি ৰামৰ চৰণকমলত সেৱা জনালে আৰু পৰ্বত তথা ঔষধৰ নাম ক'লে। তাৰ পাছত হনুমানক আনিবলৈ ক'লে। ৫৫ ॥

চৌঃ—শ্ৰীৰামৰ চৰণকমল হৃদয়তে সুঁৱৰি পৱনপুত্ৰ হনুমানে নিজৰ বলৰ পৰিচয় দি ঔষধ আনিবলৈ গ'ল। সিফালে এটা গুপ্তচৰে ৰাৱণক এই বাতৰি দিলে। তেতিয়া ৰাৱণ কালনেমিৰ ঘৰলৈ গ'ল। ১ ॥

ৰাৱণে সকলো কথা কালনেমিক ক'লে। কথা শুনি বাৰে বাৰে তেওঁ দুখ কৰিবলৈ ধৰিলে আৰু ৰাৱণক এই বুলি ক'লে—"তুমি চাই থাকোঁতে যি নগৰ পুৰি ছাই কৰিলে, কোনে তেওঁৰ বাট ভেটিব পাৰে ? ২ ॥

তুমি ৰঘুপতিক ভজি নিজৰ হিত সাধন কৰা। হে নাথ ! মিছা বৰ কথা

এৰি দিয়ঁা। নয়ন-সুখদাতা, নীলকমল সদৃশ সুন্দৰ শ্যামতনুক হৃদয়ত ধ্যান কৰঁা। ৩ ॥

মই, তই আদি ভেদ-ভাৱ আৰু মমত্ব ৰূপী মূঢ়তাৰ ত্যাগ কৰঁা। মহামোহ-ৰূপী অজ্ঞান অন্ধকাৰত অচেতন হৈ শুই আছা। জাগ্ৰত হোৱাঁ। যি কাল স্বৰূপ সৰ্পকো ভক্ষণ কৰে, তেওঁক কি সপ্নতো কোনোবাই জয় কৰিব পাৰে?" ৪ ॥

দোঃ—তেওঁৰ কথাশুনি ৰাৱণ অতি বিৰক্ত হৈ পৰিল। তাকে দেখি কালনেমিয়ে বিচাৰ কৰি চালে যে ইয়াৰ হাতত মৰাতকৈ শ্ৰীৰামচন্দ্ৰৰ দূতৰ হাতত মৰাই ভাল। ই পাপ ভাৰ বৈ ফুৰা দুষ্টকাৰ্যত ৰত। (ইয়াৰ হাতত নমৰাই ভাল)। ৫৬।

চৌঃ—কালনেমিয়ে ইয়াকে মনত ভাবি গ'ল আৰু বাটত মায়াবিদ্যা প্ৰয়োগ কৰিলে। পুখুৰী, মন্দিৰ আৰু সুন্দৰ বাটিকা লগাই ৰখা হ'ল। হনুমানে সুন্দৰ আশ্ৰম দেখি ভাবিলে যে মুনিক সুধি পানী খাওঁ আৰু ভাগৰ মাৰ লওঁ। ১ ॥

ৰাক্ষসো তাত কপট মুনিবেশ ধৰি আছিল। সেই মূৰ্খই মায়াপতি ৰামৰ দূতক মুগ্ধ কৰিবলৈ বিচাৰিছিল। হনুমানে গৈ তেওঁক মূৰ দোৱালে। কপট-বেশী মুনিয়ে ৰামৰ গুণগান কৰিবলৈ ধৰিলে। ২ ॥

তেওঁ ক'লে—"ৰাম-ৰাৱণৰ মাজত মহাযুদ্ধ হৈছে। ৰামচন্দ্ৰ জয়ী হ'ব, তাত সন্দেহ নাই। ভাই! মই ইয়াত থাকিয়েই সকলো দেখি আছোঁ। জ্ঞান-দৃষ্টিত মই বৰ বলী।" ৩ ॥

হনুমানে তেওঁক পানী বিচাৰিলত মুনিয়ে কমণ্ডলুটো দিলে। হনুমানে ক'লে—"অলপ পানীৰে মোৰ তৃপ্তি নহ'ব।" তেতিয়া তেওঁক কোৱা হ'ল যে—পুখুৰীত স্নান কৰি সোনকালে আহাঁ। মই তোমাক দীক্ষামন্ত্ৰ দিম; তাৰ ফলত তোমাৰ জ্ঞান লাভ হ'ব। ৪ ॥

দোঃ—পুখুৰীত নমা মাত্ৰেই এজনী ঘড়িয়ালে হনুমানৰ ভৰিত কামোৰ মাৰি ধৰিলেহি। হনুমানে তাইক মাৰি পেলালে। তেতিয়া তাই দিব্যশৰীৰ ধাৰণ কৰি বিমানত উঠি আকাশলৈ গ'ল। ৫৭ ॥

চৌঃ—তেওঁ ক'লে—"হে কপিশ্ৰেষ্ঠ! মই তোমাক দৰ্শন কৰি নিষ্পাপ হ'লো। মই এতিয়া মুনিশ্ৰেষ্ঠৰ অভিশাপৰপৰা মুক্ত হ'লোঁ! হে কপিশ্ৰেষ্ঠ! এই আশ্ৰমত ই মুনি নহয়, ভয়ানক ৰাক্ষসহে; মোৰ কথা সত্য বুলি জানিবা।" ১ ॥

এই বুলি কৈ যেতিয়া শাপমুক্তা অপ্সৰা শুচি গ'ল। তেতিয়া হনুমান কপট মুনিবেশী ৰাক্ষসৰ ওচৰলৈ আহিল আৰু ক'লে—"মুনিবৰ! আগতে গুৰু-দক্ষিণা লওক, মন্ত্ৰ মোক পাছতেই দিব।" ২ ॥

হনুমানে ৰাক্ষসৰ মূৰটো নেজেৰে মেৰিয়াই ধৰি পেকেচি পেলালে। মৰিবৰ সময়ত সি নিজৰ ৰাক্ষসৰূপ প্ৰকাশ কৰিলে আৰু 'ৰাম ৰাম' নাম উচ্চাৰণ কৰিহে প্ৰাণ এৰিলে। ইয়াকে শুনি হনুমানেও যাবৰ সময়ত আনন্দ পালে। ৩ ॥

তেওঁ (হনুমানে) গৈ পৰ্বতটো দেখিলে, কিন্তু ঔষধ চিনি নাপালে। তেতিয়া পৰ্বতটোকে উঘালি লৈ ৰাতিৰ ভিতৰতে হনুমান আকাশ পথেদি অযোধ্যাৰ ওপৰ পালেহি। ৪ ॥

দোঃ—ভৰতে আকাশত মহা বিশালৰূপ দেখি কোনোবা ৰাক্ষস বুলি ভাবিলে আৰু কাণলৈকে টানি ধনুৰে এপাট ফাল নথকা বাণ মাৰি পঠিয়ালে। ৫৮ ॥

চৌঃ—বাণ লাগিলত ৰাম ৰাম, ৰঘুনাথ বুলি স্মৰণ কৰি হনুমান মূৰ্চ্ছিত হৈ মাটিত পৰিল। এনে ভাল লগা কথা শুনি ভৰত অতি আতুৰভাৱে লৰ মাৰি হনুমানৰ ওচৰ পালেগৈ। ১ ॥

অস্থিৰ হৈ থকা দেখি ভৰতে হনুমানক বুকুত সাবটি ধৰিলে আৰু নানা-প্ৰকাৰে সচেতন কৰিব খুজিলে, কিন্তু হনুমান কোনো মতেই সুস্থ অৱস্থালৈ নাহিল। তেতিয়া ভৰতৰ মুখ শুকাই গ'ল আৰু মনতো বৰ আঘাত লাগিল। তেওঁ চকু পানী টুকি এই বুলি ক'বলৈ ধৰিলে। ২ ॥

"যি বিধাতাই মোক ৰামৰ বিমুখ কৰিলে, সেই বিধাতায়ে আকৌ এই দাৰুণ কষ্টও দিলে। যদি মই মন, বচন আৰু দেহেৰে ৰামৰ চৰণত অকপট ভক্তি কৰি আছোঁ আৰু যদি ৰঘুপতিও মোৰ প্ৰতি প্ৰসন্ন, তেনে-হ'লে এই বান্দৰ কষ্ট আৰু ভাগৰৰপৰা মুক্ত হওক। এই কথা শুনিয়েই কপিৰাজ হনুমান "কোশলপতিৰ জয় হওক" বুলি উঠি বহিল। ৩।৪ ॥

সোৰঠাঃ—ভৰতে হনুমানক বুকুত সাবটি ল'লে। তেওঁৰ শৰীৰ পুলকিত হ'ল আৰু চকুৰেদি পানী বৈ আহিল। ৰঘুকুল তিলক শ্ৰীৰামক স্মৰণ কৰি ভৰতৰ হৃদয়ত ভক্তি ভাব নধৰা হৈ পৰিল। ৫৯ ॥

চৌঃ—"হে ভদ্ৰ! ভাই লক্ষ্মণ আৰু মাতা জানকীসহ সুখৰ আধাৰ শ্ৰীৰামৰ কুশল বাৰ্তা কোৱা।" হনুমানে চমু কৰি সকলো কথাকে ক'লে। ভৰতে মনতে বৰ কষ্ট পাই অনুশোচনা কৰি ক'লে। ১ ॥

"হায় মোৰ ভাগ্য ! মই পৃথিবীত কিয় জন্ম ধৰিলোঁ। প্ৰভুৰ হৈ একোকে কৰিবলৈ নাপালোঁ।" তাৰ পাছত সময় ভাল নহয় বুলি বুজি, মনতে ধৈৰ্য ধৰি বলৱান ভৰতে হনুমানক ক'লে। ২ ॥

"হে তাত ! তুমি যাওঁতে বেলি হ'ব। ৰাতিপুৱালেই কাৰ্য সিদ্ধি নহ'ব। গতিকে তুমি পৰ্বতে সৈতে মোৰ বাণৰ ওপৰত উঠি বহা। মই তোমাক কৃপানিকেতন ৰামৰ ওচৰলৈ পঠিয়াই দিওঁ।" ৩ ॥

ভৰতৰ কথা শুনি হনুমানৰ মনত প্ৰথমতে অভিমানৰ ভাৱ উপজিছিল যে মোৰ ভৰসত বাণ কেনেকৈ যাব ? কিন্তু পাছতে শ্ৰীৰামচন্দ্ৰৰ মহিমাৰ কথা ভাবি চাই ভৰতৰ চৰণ-বন্দনা কৰি হনুমানে হাতযোৰ কৈ ক'লে—৪ ॥

দোঃ—"হে প্ৰভু ! হে নাথ ! মই আপোনাৰ মহিমা হৃদয়ত চিন্তা কৰি সোনকালেই যাম। এইবুলি কৈ [ভৰতৰ] আজ্ঞা পাই ভৰতক নমস্কাৰ জনাই হনুমান গ'ল। ৬০ (ক)

ভৰতৰ বাহুবল, সচ্চৰিত্ৰ, গুণ আৰু প্ৰভুৰ চৰণত অপাৰ ভক্তিৰ প্ৰশংসা মনে মনে কৰি পৱনপুত্ৰ আহি আছে। ৬০ (খ)

চৌঃ—ইফালে লক্ষ্মণক চাই চাই শ্ৰীৰামচন্দ্ৰই সাধাৰণ মানুহৰ দৰে ক'বলৈ ধৰিলে—"আধা ৰাতি পাৰ হ'ল। হনুমান এতিয়াও নাপালেহি।" তাৰ পাছত ৰামে ভ্ৰাতৃ লক্ষ্মণক তুলি লৈ বুকুত সাৱটি ধৰিলে। ১ ॥

"হে ভাই ! তুমি মোৰ কষ্ট হোৱাটো কেতিয়াও সহিব নোৱাৰিছিলা। তোমাৰ স্বভাৱ সদায় কোমল আছিল। মোৰ হিতৰ কাৰণেই তুমি আই-বোপাইকো এৰিলা আৰু অৰণ্যত জাৰ-জহ, বদ-বতাহ সকলো সহিলা। ২ ॥

হেৰা ভাইটি ! এতিয়া সেই স্নেহ ক'লৈ গ'ল ? ব্যাকুল হৈ পৰা মোৰ কথা শুনিও কিয় নুঠা ? বনত ভাইক হেৰুৱাব লাগিব বুলি জনা হ'লে মই পিতাৰ আদেশো নামানিলোঁহেঁতেন। ৩ ॥

পুত্ৰ, ধন, তিৰোতা, ঘৰ-বাৰী আৰু আত্মীয় স্বজন সংসাৰত বাৰে বাৰে ঘটিব পাৰি আৰু হানিও হয়, কিন্তু সহোদৰ ভাই সংসাৰত বাৰে বাৰে পোৱা নাযায়। হেনজান হেৰা বোপাই ! উঠা। ৪ ॥

যেনেকৈ পাখি ভগা চৰাই, মণি, কাটি লোৱা সাপ আৰু শুঁড় কাটি পেলোৱা শ্ৰেষ্ঠ হাতীও অতি দুৰ্বল, দুৰ্দশাগ্ৰস্ত হৈ পৰে, হেৰা ভাই ! দুৰ্ভাগ্যই যদি মোক জীয়াই ৰাখে, তেনেহ'লে তোমাৰ অবিহনে মোৰ জীৱনো তেনেকুৱাই হ'ব। ৫ ॥

তিৰোতাৰ কাৰণে ভাইক হেৰুৱাই মই কোনখন মুখলৈ অযোধ্যালৈ যাম ? মই জগতত [তিৰোতা হেৰুৱালোঁ বোলা] অপযশকে সহ্য কৰিলোঁহেঁতেন। তিৰোতাৰ হানিটো বৰ ডাঙৰ হানি (অপূৰণীয়) নহয়। ৬॥

মোৰ বোপাই ঐ! এতিয়া মোৰ কঠোৰ হৃদয়ে, নিষ্ঠুৰ ভাবে এই অপযশ আৰু তোমাৰ দুঃখ দুয়োটাকে সহিব লাগিব। হেৰা মোৰ বোপাই! তুমি তোমাৰ মাৰাৰ একমাত্ৰ পুত্ৰ আৰু প্ৰাণৰ আধাৰ স্বৰূপ। ৭॥

সকলো প্ৰকাৰে সুখত ৰাখিম আৰু হিত সাধন কৰিম বুলি ভাবি তোমাৰ মাৰে মোক হাতত ধৰি সঁপি দিছিল। মই এতিয়া গৈ তেওঁক কি বুলি কম ? হেৰা ভাইটি! তুমি উঠি মোক বুজাই নিদিয়া কিয় ?” ৮॥

আনৰ চিন্তা দূৰ কৰোঁতা শ্ৰীৰামে এইদৰে নানাপ্ৰকাৰে চিন্তা কৰি আছে। তেওঁৰ পদুম পাহি যেন চকুৰপৰা পানী বৈ গৈছে। [শিৱই কৈছে—] “হে উমা! তেওঁ (ৰাম) একমাত্ৰ অখণ্ড সত্তা (তেওঁৰ কি বিয়োগ-দুখ হ’ব পাৰে ?) ভক্তসকলৰ প্ৰতি কৃপালু ভগবানে এইবোৰ মাত্ৰ নৰচেষ্টা দেখুৱাইছে ?” ৯॥

সোঃ—প্ৰভুৰ এনে বিলাপ বাক্য শুনি বান্দৰবোৰ ব্যাকুল হৈ পৰিছে। এনেতে হনুমান পালেহি। যেন করুণ ৰসৰ মাজতে বীৰ ৰসহে উপস্থিত হ’লহি। ৬১॥

চৌঃ—ৰামচন্দ্ৰই উৎসাহিত হৈ হনুমানক দেখা কৰিলে। প্ৰভু অতি বুদ্ধিমান আৰু অতি কৃতজ্ঞও। তাৰ পাছত বৈদ্য সুষেণে তুৰন্তেই চিকিৎসা কৰিলে আৰু লক্ষ্মণো হৰ্ষচিত্তে উঠিল বহিল। ১॥

প্ৰভুৱে ভাই লক্ষ্মণক আঁকোৱালি ধৰিলে। বান্দৰ আৰু ভালুক সকলোৱেই আনন্দ পালে। তাৰ পাছত হনুমানে বৈদ্যক আগৰদৰেই নি নিজ ঠাইত থৈ আহিল। ২॥

এই ঘটনাৰ কথা দশাননে শুনি অতি দুঃখেৰে বাৰে বাৰে কপালত চপৰিয়ালে। তেওঁ ব্যাকুল হৈ কুম্ভকৰ্ণৰ ওচৰলৈ গ’ল আৰু নানা তৰহৰ যত্ন কৰি কুম্ভকৰ্ণক জগালে। ৩॥

সাৰ পাই বহা কুম্ভকৰ্ণ দেখাত কেনে হৈছিল, যেন কালহে দেহ ধাৰণ কৰি বহি আছে। কুম্ভকৰ্ণই সুধিলে—“হে ভ্ৰাতৃবৰ! কোৱাচোন। তোমাৰ মুখ শুকাই পৰিছে কিয় ?” ৪॥

তেতিয়া অভিমানী ৰাৱণে যিদৰে সীতাক হৰি আনিলে, বান্দৰবোৰে

ৰাক্ষস মাৰিলে, ডাঙৰ ডাঙৰ যোদ্ধাকো সংহাৰ কৰিলে, সেই সকলো কথা ক'লে। ৫ ॥

চতুৰ্মুখ, দেৱান্তক, নৰান্তক, মহাবীৰ, অতিকায়, অকম্পন আৰু মহোদৰ আদি ৰণপটু বীৰ সমৰক্ষেত্ৰত মৰা পৰিল। ৬ ॥

দোঃ—তেতিয়া ৰাৱণৰ কথা শুনি কুম্ভকৰ্ণই দুঃখ কৰি ক'লে—"মূৰ্খ! জগতৰ জননী সীতাক হৰি আনি তুমি এতিয়া কল্যাণ কামনা কৰিছা। ৬২ ॥

চৌঃ—ৰাক্ষসৰাজ! তুমি ভাল কাম নকৰিলা। এতিয়া আহি মোক কিয় জগালা? হেৰা ভাই! এতিয়াও অভিমান ত্যাগ কৰি যদি শ্ৰীৰামক ভজা, তেনেহ'লে তোমাৰ কল্যাণ হ'ব। ১ ॥

ৰাৱণ! যাৰ হনুমান সদৃশ সেৱক আছে, সেই ৰঘুনাথ কি মানুহ? হায় হায়! তুমি বেয়া কাম কৰিলা। প্ৰথমতেই মোক এই কথা নকলাহি। ২ ॥

হে ৰাক্ষসৰ স্বামী! তুমি সেই পৰম দেৱতাৰ বিৰোধ কৰিলা, যাক ব্ৰহ্মা, শিৱ আদি দেৱতাসকলেও সেৱা কৰে। নাৰদ মুনিয়ে মোক যি জ্ঞান-শিক্ষা দিছিল, সেই জ্ঞানৰ কথা মই তোমাক ক'লোহেঁতেন; কিন্তু এতিয়া সময় পাৰ হ'ল। ৩ ॥

হে ভ্ৰাতৃবৰ। এতিয়া এবাৰলৈ তোমাক আলিংগন কৰি লওঁ। পাছত মই মোৰ নয়ন সাৰ্থক কৰোঁগৈ। ত্ৰিবিধ তাপহৰণকাৰী, শ্যামতনু, ৰাজীৱলোচনক দৰ্শন কৰোঁগৈ।" ৪ ॥

দোঃ—শ্ৰীৰামৰ ৰূপ আৰু গুণসমূহৰ কথা স্মৰণ কৰি কিছু সময় তেওঁ ভাৱবিভোৰ হৈ থাকিল। ৰাৱণেও কুম্ভকৰ্ণৰ কাৰণে একো একোটি ঘটমান মদিৰা আৰু বহুত ম'হ অনোৱালে। ৬৩ ॥

চৌঃ—ম'হ খাই আৰু মদিৰা পান কৰি তেওঁ বজ্ৰপাত হোৱাৰ নিচিনাকৈ ঘোৰ গৰ্জন কৰিলে। তাৰ পাছত মত্ত হৈ অতি উৎসাহেৰে কুম্ভকৰ্ণই দুৰ্গৰ বাহিৰলৈ ওলাই আহিল। লগত সেনাও নিনিলে। ১ ॥

তাকে দেখি বিভীষণ আগবাঢ়ি আহিল আৰু ভৰিত পৰি সেৱা জনাই নাম কৈ চিনাকি দিলে। ভায়েকক তুলি ধৰি কুম্ভকৰ্ণই সাৱটি ল'লে আৰু ৰঘুপতিৰ ভক্ত বুলি জানি মনতে সন্তোষ পালে। ২ ॥

[বিভীষণে ক'লে—] "দাদা! পৰমহিতকৰ পৰামৰ্শ দিয়াত ৰাৱণে মোক গোৰ মাৰি পঠিয়ালে। সেই দুখতে মই ৰঘুনাথৰ ওচৰলৈ গুচি আহিলোঁ। দীন অৱস্থাত দেখি প্ৰভুৱেও মোক ভাল পালে।" ৩ ॥

[কুম্ভকৰ্ণই ক'লে—] "হেৰা বোপাই! শুনা। ৰাৱণ কালৰ হাতত পৰিল। সি এতিয়া উত্তম উপদেশ ক'ত মানিব? বিভীষণ! তই ধন্য ধন্য বোপাই, তই ৰাক্ষস কুলৰ ভূষণ হ'লি। ৪ ॥

ভাই! তই নিজ বংশৰ নাম উজ্জ্বল কৰিলি; কিয়নো তই সৌন্দৰ্য আৰু সুখৰ সাগৰ ৰামক ভজিলি। ৫ ॥

দোঃ—মন, বচন আৰু কৰ্মেৰে অকপটভাৱে ৰণধীৰ শ্ৰীৰামক ভজিব লাগে। হেৰ বোপাই! মই কালৰ অধীন হৈ পৰিলোঁ। আপোন-পৰ একো বুজিব নোৱাৰা হৈ পৰিছোঁ। গতিকে এতিয়া তই যাগে।" ৬৪ ॥

চৌঃ—জ্যেষ্ঠভ্ৰাতৃৰ কথা শুনি বিভীষণ সেই ঠাইৰে ঘূৰি গ'ল; য'ত ত্ৰিলোকৰ ভূষণ ৰাম আছিল। [বিভীষণে ঘূৰি আহি ৰামক ক'লে—] "হে প্ৰভু! পৰ্বতসদৃশ বিশাল দেহৰ ৰণধীৰ কুম্ভকৰ্ণ [যুদ্ধলৈ] আহিছে।" ১ ॥

বলৱান বান্দৰবোৰে যেতিয়া এই কথা শুনিলে, তেতিয়া কিৰিলি পাৰি খেদা মাৰি গ'ল। তেওঁলোকে পৰ্বতখণ্ড আৰু গছ উঘালি লৈ দাঁত-কামুৰি কুম্ভকৰ্ণৰ গালৈ দলিয়াবলৈ ধৰিলে। ২ ॥

বান্দৰ আৰু ভালুকে একে বাৰতে কোটি কোটি পৰ্বত-শিখৰ লৈ কুম্ভকৰ্ণক প্ৰহাৰ কৰে; কিন্তু তাৰপৰা কুম্ভকৰ্ণৰ মনো বিচলিত নহ'ল আৰু গাও নলৰিলে। সেই সকলো যেন হাতীৰ গালৈ তৰাৰ কমুঠিহে হ'ল। ৩ ॥

তেতিয়া বায়ুপুত্ৰ হনুমানে কুম্ভকৰ্ণক এটা ভুকু মাৰিলে। কুম্ভকৰ্ণ ৰ'ব নোৱাৰি মাটিত পৰি গ'ল আৰু কপালত থপৰিয়াই দুঃখ কৰিলে। পাছত আকৌ তেওঁ উঠি আহি হনুমানকো মাৰিলে। হনুমান তিনিপাক খাই তেতিয়াই মাটিত পৰিল। ৪ ॥

ইয়াৰ পাছত নল-নীলক ধৰি মাটিত এচাৰ মাৰি পেলালে আৰু আন আন যোদ্ধাবোৰকো য'তে পালে দলিয়াই পেলাবলৈ বা থেকেচিবলৈ ধৰিলে। বান্দৰসেনা পলাবলৈ লাগিল। সকলোৰেই ভয় পালে, কোনো সমুখলৈ নহা হ'ল। ৫ ॥

দোঃ— সুগ্ৰীৱসহ অংগদাদি বীৰসমূহক মূৰ্চ্ছিত কৰি লৈ সুগ্ৰীৱক কাষত টেপামাৰি ধৰি সেই অপৰিমিত বলৱান কুম্ভকৰ্ণ যাবলৈ ধৰিলে। ৬৫ ॥

চৌঃ—[শিৱই কৈছে] "উমা! ৰঘুনাথে এইদৰে নৰলীলা কৰিছে, যেন গৰুড় পক্ষীয়েহে সাপ কিছুমান লৈ খেলিছে। যাৰ কটাক্ষ দৃষ্টিয়ে কালকো গ্ৰাস কৰিব পাৰে, তেওঁৰ কাৰণে এনে যুদ্ধ শোভা পায় জানো?" ১ ॥

জগৎ পবিত্রকাৰী কীৰ্তিহে তেওঁ এইদৰে বিস্তাৰ কৰিছে, যাৰ কথা গাই মনুষ্যসকলে সংসাৰ তৰিব পাৰিব। মূৰ্চ্ছা দূৰ হোৱাৰ পাছত হনুমানে সুগ্ৰীৱক বিচাৰিবলৈ ধৰিলে। ২ ॥

সুগ্ৰীৱৰো মূৰ্চ্ছা দূৰ হ'ল। তেতিয়া তেওঁ মৰা ভাও ধৰি তললৈ খহি পৰিল। কুম্ভকৰ্ণই তেওঁক মৰিল বুলি ভাবিলে। তাৰ পাছতে সুগ্ৰীৱে কুম্ভকৰ্ণৰ নাক-কাণ কামুৰি একবাই গৰ্জন কৰি আকাশলৈ লৰ মাৰিলে। কুম্ভকৰ্ণই তেতিয়াহে গ'ম পালে। তেওঁ সুগ্ৰীৱৰ ভৰি দুটাত ধৰি মাটিলৈ এচাৰ মাৰি পেলালে। বলবান সুগ্ৰীৱে আকৌ বৰ উৎসাহেৰে উঠি কুম্ভকৰ্ণকো মাৰিলে আৰু প্ৰভুৰ ওচৰলৈ আহি এইদৰে ক'লে—"কৃপাময় প্ৰভুৰ জয় হওক।" ৩৪ ॥

"মোৰ নাক-কাণ কাটিলে"—এই বুলি ভাবি কুম্ভকৰ্ণৰ মনত বৰ দুখ লাগিল আৰু খঙেৰে উত্তপিলে। কুম্ভকৰ্ণ স্বাভাৱিকতেই ভয়ানক, তাতে আকৌ নাক-কাণ নোহোৱা বাবে আৰু ভয়লগা হৈ পৰিল। সেইবাবে দেখা মাত্ৰেই বান্দৰবোৰৰ মাজত সন্ত্ৰাসৰ সৃষ্টি হ'ল। ৫ ॥

দোঃ—"ৰঘুবংশমণিৰ জয় হওক" বুলি ধ্বনি কৰি একেলগে বান্দৰবোৰে [পাছ ফালৰপৰা] খেদা মাৰি গৈ হুংকাৰেৰে সৈতে পৰ্বত আৰু গছ কুম্ভকৰ্ণৰ গালৈ দলিয়ালে। ৬৬ ॥

চৌঃ—তেতিয়া ৰণোন্মত্ত কুম্ভকৰ্ণ ঘূৰি বান্দৰবোৰৰ সন্মুখীন হ'ল আৰু ক্ৰুদ্ধ হৈ এনেদৰে খাবলৈ ধৰিলে যেন কালহে। তেওঁ কোটি কোটি বান্দৰ ধৰি ধৰি এনেদৰে মুখত ভৰালে, যেন পৰ্বতৰ গুহাত ফাকতী ফৰিংহে সোমাল। ১ ॥

কোটি কোটি বান্দৰ ধৰি মোহাৰি পেলালে। কিছুমান হাতেৰে মোহাৰি মাটিত পেলাই ধূলিৰ লগত মিলাই দিলে। মুখত ভৰোৱাবোৰৰ কিছুমান নাকেদি, কিছুমান কাণেদি আৰু কিছুমান মুখেদিও দলে দলে ওলাই ওলাই লৰ মাৰিলে। ২ ॥

ৰণমদত মত্ত হৈ পৰা কুম্ভকৰ্ণ এনেদৰে গৰ্বিত হৈ পৰিল যেন বিধাতাই তাক গোটেই বিশ্বখনকে সমৰ্পণ কৰিহে দিলে আৰু সিও এই সকলোকে যেন খাইহে পেলাব। বান্দৰ-ভালুক সকলো যোদ্ধা ভাগিবলৈ ধৰিলে। সিহঁতক ঘূৰাই আনিব খুজিলেও নুঘূৰা হ'ল। সিহঁতে চকুৰে ধোঁৱা-কোৱা দেখিলে আৰু মাতিলে কাণ নিদিয়া হ'ল। ৩ ॥

কুম্ভকৰ্ণই এইদৰে বান্দৰ সৈন্যবোৰ ছেৰেলি ভেৰেলি কৰি পেলালে।

এই কথা শুনি ৰাক্ষস সেনাবোৰো আগবাঢ়ি খেদি আহিল। শ্ৰীৰামচন্দ্ৰই দেখিলে যে সৈন্যবোৰ অস্থিৰ হৈ পৰিছে আৰু নানা প্ৰকাৰৰ শত্ৰুসেনা আগবাঢ়ি আহিছে। ৪ ॥

দোঃ—তেতিয়া কমলনয়ন শ্ৰীৰামে ক'লে—"হেৰা সুগ্ৰীৱ, বিভীষণ আৰু লক্ষ্মণ। তোমালোকে সৈন্যবোৰ চলোৱাঁ। মই এই দুষ্টৰ বল আৰু তাৰ বলটো চাওঁ।" ৬৭ ॥

চৌঃ—হাতত শাৰংগ ধনু আৰু কঁকালত শৰৰ তূণ বান্ধি শত্ৰুদল দলন কৰিবলৈ ৰঘুনাথ ওলাল। প্ৰভুৱে প্ৰথমে ধনুত টংকাৰ কৰিলে। সেই টংকাৰ শুনিয়েই শত্ৰুসেনাৰ কাণ কলা হৈ পৰিল। ১ ॥

অব্যৰ্থ শৰ সন্ধান কৰা ৰামে একলাখ শৰ মাৰিলে। পাখি লগা কালসৰ্পৰ—দৰে শৰ গ'ল। য'তে ত'তে পৰা অগণন শৰে ভয়ানক ৰক্তপিপাসু সৈন্যবোৰ কাটিবলৈ লাগি গ'ল। ২ ॥

সিহঁতৰ হাত-ভৰি, মূৰ-বুকু কটা গৈছে। বহুত বীৰ শ-শ টুকুৰা হৈছে। আহত সৈনিকবোৰ পাক-ঘূৰণি খাই খাই মাটিত বাগৰি পৰিছে। পাকৈত যোদ্ধাবোৰ তাৰ মাজতে নিজক চম্ভালি উঠি আকৌ যুদ্ধত লাগি গৈছে। ৩ ॥

কিছুমানে বাণ লগা মাত্ৰেই মেঘৰ দৰে গৰ্জি উঠে। বহুতে ভয়ানক বাণ দেখিয়েই পলায়। মূৰ নোহোৱা শৰীৰবোৰ প্ৰচণ্ড ৰূপত লৰি গৈছে আৰু ধৰ ধৰ, মাৰ মাৰ শব্দ শুনা গৈছে। ৪ ॥

দোঃ—প্ৰভুৰ শৰবোৰে ক্ষন্তেকতে বিকট ৰাক্ষসবোৰ কাটি আকৌ ৰঘুবীৰৰ তূণত প্ৰৱেশ কৰিলে। ৬৮ ॥

চৌঃ—কুম্ভকৰ্ণই মনতে বিচাৰ কৰি দেখিলে যে কম সময়ৰ ভিতৰতে ৰাক্ষস সেনাবোৰ সংহাৰ কৰি পেলালে। তেতিয়া সেই মহাবলী বীৰ অতিপাত ক্ৰুদ্ধ হৈ পৰিল আৰু সিংহৰ দৰে সিংহনাদ কৰি উঠিল। ১ ॥

সি খঙেৰে পৰ্বত তুলি লয় আৰু য'তে ডাঙৰ ডাঙৰ বান্দৰ যোদ্ধা থাকে, তাতে পৰ্বতটো পেলাই দিয়ে। ডাঙৰ ডাঙৰ পৰ্বত দলিওৱা দেখি ৰামেও শৰেৰে কাটি সেইবোৰ ধূলি যেন কৰিবলৈ ধৰিলে। ২ ॥

তাৰ পাছত ৰঘুনাথে ক্ৰুদ্ধ হৈ ধনু টানি বহুত ভয়ানক বাণ প্ৰহাৰ কৰিলে। বাণবোৰ কুম্ভকৰ্ণৰ গাত এফালে সোমাই আন ফালে ওলাই গ'ল। যেন বিজুলীয়ে মেঘৰ মাজেদি সৰকি গ'ল। ৩ ॥

কুম্ভকৰ্ণৰ ক'লা বৰণৰ শৰীৰৰপৰা তেজ বৈ যোৱা বাবে দেখাত এনে হৈ পৰিল

যেন—কাজলৰ পৰ্বতৰপৰা গেৰুৰ নিজৰাহে বৈছে। তাক ব্যাকুল অৱস্থাত দেখি বান্দৰ ভালুকবোৰ খেদি আহিল আৰু বেতিয়া ওচৰ চাপিল, তেতিয়া সি হাঁহিলে। ৪ ॥

দোঃ—কুম্ভকৰ্ণই অতি ভয়ানক শব্দ কৰি গৰ্জিলে আৰু কোটি কোটি বান্দৰ ধৰি মাটিত হাতীয়ে খেকেচাৰ দৰে খেকেচিলে। তদুপৰি ৰাৱণৰ প্ৰতিজ্ঞাও শুনালে। ৬৯ ॥

চৌঃ—তেতিয়া ভালুক আৰু বান্দৰৰ জুমবোৰ এনেদৰে পলাল, যেন কুকুৰ-নেচীয়া বাঘ দেখি ভেৰাৰ জুমবোৰহে পলাইছে। [শিৱই কৈছে—] "ভৱানী! বান্দৰ-ভালুকবোৰ আতুৰ হৈ চিঞৰি চিঞৰি পলাবলৈ ধৰিলে।" ১ ॥

[বান্দৰ-ভালুকবোৰে এই বুলি চিঞৰিলে—] "এই ৰাক্ষসে দুৰ্ভিক্ষ অহাদি বান্দৰৰূপী দেশলৈ আহিব খুজিছে। হে কৃপাৰ জল-ধাৰণকাৰী মেঘ স্বৰূপ শ্ৰীৰাম! হে খৰনাশক! হে শৰণাগতজনৰ দুঃখহাৰী! ৰক্ষা কৰাঁ। আমাক ৰক্ষা কৰাঁ।" ২ ॥

আতুৰ বচন শুনি ভগৱানে ধনুৰ্বাণ হাতত লৈ আগ বাঢ়িল। মহাবলশালী শ্ৰীৰামে সৈন্যসকলক নিজৰ পাছত ৰাখি ক্ৰুদ্ধ হৈ আগবাঢ়ি গ'ল। ৩ ॥

তেওঁ ধনু টানি এশ বাণ এৰিলে। বাণ গৈ কুম্ভকৰ্ণৰ শৰীৰত সোমাল। বাণ লগা মাত্ৰেই সি খঙেৰে খেদি আহিল। তাৰ লৰত পৰ্বত কঁপি উঠিল, পৃথিৱীত আলোড়ন সৃষ্টি হ'ল। ৪ ॥

কুম্ভকৰ্ণই এটা পৰ্বত উঘালি ল'লে। ৰঘুশ্ৰেষ্ঠ ৰামে তাৰ সেই হাতখনকে কাটি পেলালে। তেতিয়া সি বাওঁহাতেৰে সেই পৰ্বতটো লৈ খেদি আহিল। প্ৰভুৱে সেইখন হাতো কাটি মাটিত পেলালে। ৫ ॥

হাত কটা সেই দুষ্ট তেতিয়া দেখিবলৈ কেনে হৈছিল? যেন পাখি কটা মন্দৰ পৰ্বতটোহে। সি তেতিয়া উগ্ৰ দৃষ্টিৰে প্ৰভুলৈ চালে—যেন তিনিও লোকক গিলি পেলাব খুজিছে। ৬ ॥

দোঃ—সি বৰ জোৰেৰে চিঞৰি মুখ মেলি লৰ মাৰি আহিল। আকাশত সিদ্ধ আৰু দেৱতাসকলে ভয় খাই হায় হায় কৰিবলৈ ধৰিলে। ৭০ ॥

চৌঃ—কৰুণানিধি ৰামে দেৱতাসকলে ভয় পোৱা কথা জানিলে। তেতিয়া কাণলৈকে ধনুৰ গুণ টানি ৰাক্ষসৰ মুখ শৰেৰে ভৰাই পেলালে। তথাপি সেই মহাবলী ৰাক্ষস মাটিত বাগৰি নপৰিল। ১ ॥

শৰেৰে ভৰা মুখেৰেই সি ৰামৰ সমুখলৈ খেদি আহিল, যেন কালৰূপী

সজীৱ শৰৰ তূণ এটাহে আহিবলৈ ধৰিলে। তেতিয়া প্ৰভুৱে ক্ৰুদ্ধ হৈ তীক্ষ্ণ শৰ নিক্ষেপ কৰি তাৰ শৰীৰৰপৰা মূৰ পৃথক্ কৰি পেলালে! ২॥

সেই মূৰ দশাননৰ আগত পৰিলগৈ। তাকে দেখি ৰাৱণ মূৰৰপৰা মণি কাটিলোৱা সাপৰ দৰে বিকল হৈ পৰিল। কুম্ভকৰ্ণৰ মূৰ নথকা গাটোৰ ভৰত পৃথিৱী যেন তললৈ বহি গৈছিল। তেতিয়া প্ৰভুৱে কাটি তাকো দুটুকুৰা কৰি পেলালে। ৩॥

বান্দৰ, ভালুক আৰু ৰাক্ষসবোৰক হেঁচা মাৰি ধৰি দুয়োটা টুকুৰা এনেদৰে মাটিত পৰিল, যেন আকাশৰ পৰা দুটা পৰ্বতহে পৰিল। তাৰ দেহৰ জ্যোতি প্ৰভু শ্ৰীৰামচন্দ্ৰৰ মুখজ্যোতিত মিলি গ'ল। দেৱতা আৰু মুনি সকলো [ইয়াকে দেখি] আচৰিত হ'ল। ৪॥

দেৱতাসকলে দুন্দুভি বজাই, আনন্দিত হৈ আৰু প্ৰশংসা কৰি বহুত ফুল বৰষিলে। এইদৰে দেৱতাসকলে শ্ৰদ্ধা প্ৰদৰ্শন কৰি যোৱাৰ পাছত দেৱৰ্ষি নাৰদ উপস্থিত হ'লহি। ৫॥

আকাশৰপৰা তেওঁ শ্ৰীহৰিৰ সুন্দৰ বীৰ ৰসপূৰ্ণ গীত গালে। প্ৰভুৱেও সেই গীত শুনি সন্তোষ পালে। তাৰ পাছত সোনকালেই দুষ্ট বুদ্ধি ৰাৱণকো বধ কৰক বুলি কৈ নাৰদ গুচি গ'ল। শ্ৰীৰামচন্দ্ৰও ৰণ-ভূমিত শোভা পাই থাকিল। ৬॥

ছন্দঃ—অতুল বলশালী কোশলপতি ৰঘুনাথ ৰণভূমিত জিলিকি আছে। তেওঁৰ মুখত ঘামৰ টোপাল, পদ্মযেন চকু কিছু ৰঙা পৰিছে। শৰীৰৰ ঠায়ে ঠায়ে তেজৰ ছিটিকনি দেখা গৈছে আৰু দুয়ো হাতেৰে ধনু-শৰ ঘূৰাই চলাই আছে। চাৰিওফালে ভালুক-বান্দৰবোৰে বেঢ়ি আছে। তুলসী দাসে কৈছে—প্ৰভুৰ এই ৰূপৰ বৰ্ণনা সহস্ৰমুখ শেষ নাগেও কৰিব নোৱাৰে।

দোঃ—(শিৱই পাৰ্বতীক কৈছে) "গিৰিনন্দিনী! যি কুম্ভকৰ্ণ অধম ৰাক্ষস আৰু পাপৰ খনিস্বৰূপ, তাকো শ্ৰীৰামে নিজধামত ঠাই দিলে। গতিকে শ্ৰীৰামৰ ভক্তি যি নকৰে, সেই মনুষ্য নিশ্চয় বুদ্ধিহীন।" ৭১॥

দিন শেষ হৈ অহাৰ লগে লগে দুয়োপক্ষৰ সৈন্যবিলাক উভতি গ'ল। যোদ্ধাবোৰ বৰকৈ ক্লান্ত হৈ পৰিল, কিন্তু শ্ৰীৰামৰ কৃপাত বান্দৰ সৈন্যৰ বল তেনেদৰে বৃদ্ধি হ'ল, যেনেদৰে খেৰ পালে জুই বেছিকৈ জ্বলি উঠে। ১॥

সিফালে দিনে-ৰাতিয়ে সেইদৰেই ৰাক্ষসবোৰৰ বল কমি আহিবলৈ ধৰিলে, যিদৰে নিজক প্ৰশংসা কৰিলে পুণ্য হানি হ'বলৈ ধৰে। ৰাৱণে বাৰে বাৰে কুম্ভকৰ্ণৰ মূৰটো বুকুত লৈ কান্দিবলৈ ধৰিলে। ২॥

ৰাক্ষস-তিৰোতাবোৰে কুম্ভকৰ্ণৰ অত্যন্ত বল আৰু প্ৰতাপৰ কথা কৈ কৈ হিয়া ভুকুৱাই কান্দিলে। সেই সময়তে মেঘনাদ আহিল আৰু নানা প্ৰকাৰৰ কথা কৈ পিতাকক বুজনি দিলে। ৩॥

[মেঘনাদে ক'লে—] "কালিলৈ মই কি কৰোঁ দেখিবা। এতিয়াই বেছি কথা কি ক'ম? হে পিতৃ! মই ইষ্ট দেৱতাৰপৰা যি ৰথ আৰু বল পাই থৈছোঁ, সেই বলৰ পৰিচয় মই এতিয়াও তোমাক দিয়া নাই।" ৪॥

এইদৰে কোনে কি কৰিব সেই বিষয়ে কথা-বতৰা হৈ থাকোঁতেই ৰাতি পুৱাল। লংকাৰ চাৰিওপিন দুৱাৰত বান্দৰ উপস্থিত হ'লগৈ। একালে কালসদৃশ বীৰ বান্দৰ-ভালুকবোৰ আৰু আনফালে অত্যন্ত ৰণপটু ৰাক্ষসবোৰ। ৫॥

দুয়ো পক্ষৰে যোদ্ধা নিজ নিজ পক্ষৰ জয়লাভৰ উদ্দেশ্যে যুঁজিবলৈ ধৰিলে। (কাকভুশুণ্ডীয়ে কৈছে) "হে গৰুড়! তেওঁলোকৰ যুদ্ধৰ বৰ্ণনা দিব নোৱাৰি।" ৬॥

দোহাঃ—মেঘনাদো মায়াময় ৰথত উঠি আকাশলৈ গ'ল আৰু অট্টহাস্য কৰি গৰ্জন কৰিবলৈ ধৰিলে। বান্দৰ সৈন্যবোৰৰ মাজত সেই গৰ্জনে সন্ত্ৰাসৰ সৃষ্টি কৰিলে। ৭২॥

চৌঃ—মেঘনাদে শক্তি, শূল, তৰোৱাল, কৃপাণ, বজ্ৰ, কুঠাৰ, পৰিঘ আৰু শিলাখণ্ড প্ৰভৃতি নানা প্ৰকাৰৰ অস্ত্ৰ-শস্ত্ৰ আকাশৰপৰা বৰ্ষণ কৰিবলৈ লাগিল। ১॥

দশোদিশে আকাশ শৰেৰে ঢাক খালে, যেন মঘা নক্ষত্ৰতহে ভাৱৰে মেঘ-নেপৰা বৰষুণ দিবলৈ ধৰিলে। 'ধৰ, ধৰ, মাৰ, মাৰ'; এনে শব্দ কাণেৰে শুনা যায়, কিন্তু কোনে মাৰে তাক কোনোৱেই (বান্দৰে) দেখা নাপায়। ২॥

পৰ্বত আৰু গছ লৈ বান্দৰ সৈন্য আকাশেদি লৰ মাৰে, কিন্তু আক্ৰমণকাৰীক নেদেখি দুঃখ মনেৰে উভতি আহে। মেঘনাদে মায়াৰ বলেৰে খলখমা পৰ্বতীয়া ঠাই, ঘাট, পৰ্বতৰ গহ্বৰ সকলোকে বাণেৰে ছাটি ধৰি পিঞ্জৰা যেন কৰি পেলালে। ৩॥

এতিয়া কেনি যাওঁ, এই চিন্তাত বান্দৰ সৈন্যবোৰ নিৰুপায় হৈ পৰিল, যেন মন্দৰ পৰ্বতহে ইন্দ্ৰৰ বন্দী হৈ পৰিল। মেঘনাদে বায়ুপুত্ৰ হনুমান, অংগদ, নল আৰু নীল আদি সকলো বলৱান বান্দৰ বীৰকে বিকল কৰি পেলালে। ৪॥

তাৰ পাছত তেওঁ লক্ষ্মণ, বিভীষণ আৰু সুগ্ৰীৱকো বাণেৰে বিন্ধি চালনি যেন কৰিলে (ফুটাৰে ভৰাই পেলালে)। ইয়াৰ পাছত মেঘনাদে ৰামৰ

সগত যুঁজিবলৈ ধৰিলে। তেওঁ যি বাণকে প্ৰয়োগ কৰে, সেই বাণেই সাপ হৈ গাত ধৰেহি। ৫ ॥

যিজন একমাত্ৰ অবিকাৰী সত্য, অনন্ত আৰু স্বতন্ত্ৰ, সেই অশুভনাশক (খৰাৰি বা খৰৰাক্ষসৰ শত্ৰু) শ্ৰীৰাম সাপৰ বশ হৈ পৰিল (নাগপাশত বান্ধ খালে)। তেওঁ সদায় স্বতন্ত্ৰ, অদ্বিতীয় ভগবান। ভাবৰীয়াৰ দৰে অনেক প্ৰকাৰৰ লোকক দেখুৱাইহে এনে ধৰণৰ আচৰণ কৰে (লীলা কৰে)। ৬ ॥

ৰণৰ শোভা বঢ়াবৰ কাৰণে প্ৰভুৱে নিজক নাগপাশত আবদ্ধ কৰিলে ; তাকে দেখি দেৱতাসকলে ভয় খালে। ৭ ॥

দোঃ—(শিৱই পাৰ্বতীক কৈছে) "গিৰিনন্দিনী ! যাৰ নাম জপ কৰি মুনি-সকলো ভৱ-পাশৰপৰা মুক্ত হয়, সেই সৰ্বব্যাপক, বিশ্বনিবাস (বিশ্বৰ আধাৰ স্থান) জন কি বন্ধনযুক্ত হ'ব পাৰে ? ৭৩ ॥

চৌঃ—হে ভৱানী ! শ্ৰীৰামৰ এই সগুণ চৰিত্ৰৰ (লীলাৰ) বিষয়ে বুদ্ধি আৰু ভাষাৰ বলেৰে তৰ্ক (বিচাৰ-বিবেচনাৰে নিৰ্ণয়) কৰিব পৰা নাযায়। এই কথা বুজি যিসকল তত্ত্বজ্ঞানী আৰু বিষয়-বিৰাগী পুৰুষ, তেওঁলোকে সকলো প্ৰকাৰৰ সন্দেহ ত্যাগ কৰি ৰামকহে ভজে।" ১ ॥

মেঘনাদে বান্দৰ সৈন্যবোৰ ব্যাকুল কৰি পেলালে। তাৰ পাছত তেওঁ দেখা দি দুৰ্বচন প্ৰয়োগ কৰিবলৈ ধৰিলে। তেতিয়া জাম্ববন্তই ক'লে—"হেৰ দুষ্ট ! অলপ ৰবি।" এই কথা শুনি মেঘনাদৰ খং উঠিল। ২ ॥

[মেঘনাদে ক'লে—] "বুঢ়া দেখি তোক এৰি দিছিলোঁ। হেৰ মূৰ্খ ! এতিয়া তই মোক জোকাই লৈছ।" এইবুলি কৈ সি তীক্ষ্ণ ত্ৰিশূল মাৰি পঠিয়ালে। জাম্ববন্তই সেই ত্ৰিশূল হাতেৰে খাপমাৰি ধৰি লৈ খেদা মাৰি মেঘনাদৰ বুকুতে ভোটাই মাৰিলে। তেতিয়া সেই দেৱশত্ৰু মেঘনাদ পাক ঘূৰণি খাই মাটিত পৰি গ'ল। জাম্ববন্তয়ো আকৌ তাৰ ভৰি দুটাত ধৰি লৈ খঙেৰে আকাশত ঘূৰাই মাটিত থেকেচা মাৰি পেলাই দি তাক (মেঘনাদক) নিজৰ বল দেখুৱাই দিলে। ৩।৪ ॥

আগতে বৰ পাই থোৱা কাৰণে সি মৰিলেও নমৰে। তেতিয়া জাম্ববন্তই তাক ভৰি দুটাত ধৰি লংকাৰ ভিতৰলৈ দলিয়াই দিলে। ইফালে দেৱৰ্ষি নাৰদে গৰুড়ক পঠিয়ালে। তেওঁ তৎক্ষণাতেই ৰামৰ ওচৰলৈ আহিল। ৫ ॥

দোঃ—পক্ষীৰাজ গৰুড়ে মায়া সৰ্পবোৰ খাই পেলালে। তেতিয়া সকলো বান্দৰেই মায়াৰপৰা মুক্ত হৈ আনন্দিত হ'ল। ৭৪ (ক) ॥

পর্বত, গছ, শিল আৰু নথ লৈ বান্দৰ সেনা ক্ৰোধেৰে খেদি গ'ল। ৰাক্ষসবোৰে ভয় পাই পলায়ন কৰিলে আৰু নিজৰ দুৰ্গত আশ্ৰয় ল'লেগৈ। ৭৪ (খ)॥

চৌঃ—মেঘনাদৰ যেতিয়া মূৰ্চ্ছা দূৰ হ'ল, তেতিয়া পিতাক ৰাৱণক দেখি বৰ লাজ পালে আৰু মই অজেয় হ'বৰ কাৰণে যজ্ঞ কৰোঁগৈ বুলি মেঘনাদ পৰ্বতৰ কন্দৰলৈ গ'ল। ১॥

ইফালে বিভীষণে মন্ত্ৰণা কৰিলে আৰু ৰামক ক'লে—"হে অতুল বলশালী উদাৰ প্ৰভু! দেৱতাসকলক কষ্ট দিয়া দুষ্ট আৰু মায়াবী মেঘনাদে অপবিত্ৰ যজ্ঞ কৰিবলৈ লৈছে। ২॥

হে প্ৰভু! যদি সেই যজ্ঞ সম্পন্ন হয়, তেনেহ'লে মেঘনাদক সোনকালে পৰাস্ত কৰিব পৰা নহ'ব।" এই কথা শুনি ৰঘুনাথে বৰ ভাল পালে আৰু অংগদাদি বহুত বান্দৰক মতাই আনি ক'লে—৩॥

"ভাইসকল! তোমালোক লক্ষ্মণৰ লগত যোৱা আৰু গৈ মেঘনাদৰ যজ্ঞ নষ্ট কৰা। লক্ষ্মণ! যুদ্ধ কৰি তুমি মেঘনাদক বধ কৰিবা। দেৱতাসকল ত্ৰস্ত হোৱা দেখি মই বৰ দুঃখী হৈছোঁ। ৪॥

ভাই লক্ষ্মণ। শুনা। তাক এনেকুৱা বল, বুদ্ধি আৰু কৌশলেৰে বধ কৰিবা, যাতে ৰাক্ষসবোৰো নাশ হয়। জাম্বৱন্ত, সুগ্ৰীৱ আৰু বিভীষণ! তোমালোক তিনিজনো সসৈন্যে লগত থাকিবা।" ৫॥

ৰঘুনাথৰ আদেশ পাই কঁকালত তূণ বান্ধি হাতত ধনু লৈ প্ৰভুৰ প্ৰতাপ স্মৰণ কৰি ৰণধীৰ লক্ষ্মণে মেঘৰ দৰে গম্ভীৰ স্বৰেৰে ক'লে—। ৬॥

"যদি আজি মই তাক বধ নকৰাকৈ আহোঁ, তেনেহ'লে মই ৰঘুনাথৰ সেৱক হোৱাৰ সাৰ্থকতা নাথাকিব। যদি এশ শংকৰেও তাক সহায় কৰে তথাপি ৰঘুনাথৰ শপত, আজি মই তাক মাৰিমেই।" ৭॥

দোঃ—ৰঘুপতিৰ চৰণত সেৱা জনাই সংকৰ্ষণৰ অৱতাৰ লক্ষ্মণ শীঘ্ৰেই গ'ল। অংগদ, নীল, ময়ন্দ, নল আৰু হনুমান আদি উত্তম বীৰসকলো তেওঁৰ লগৰীয়া হ'ল। ৭৫॥

চৌঃ—বান্দৰবোৰে গৈ দেখিলে যে মেঘনাদে যজ্ঞত তেজ আৰু ম'হ আহুতি দিছে। বান্দৰবোৰে সম্পূৰ্ণ যজ্ঞকে বিধ্বংস কৰি পেলালে। তথাপি মেঘনাদ যেতিয়া উঠা দেখি তেওঁলোকে তাক বহুত প্ৰশংসা কৰিলে। ১॥

সিমানতো নুঠাত বান্দৰবোৰে তাৰ চুলিত ধৰি টানি আৰু গোৰ মাৰি

আঁতৰি গ'ল। তেতিয়া উঠি হাতত ত্ৰিশূল লৈ বান্দৰবোৰক খেদি আহিল। বান্দৰবোৰেও মেঘনাদক সেইফালে লৈ গ'ল, যিফালে লক্ষ্মণ আছিল। ২ ॥

সি অত্যন্ত ক্ৰোধৰ বশ হৈ খেদি গ'ল আৰু বাৰে বাৰে ভয়ংকৰ শব্দ কৰি গৰ্জিবলৈ ধৰিলে। হনুমান আৰু অংগদো খঙেৰে তাৰ বিপক্ষে খেদি গ'ল। মেঘনাদে দুয়োৰে বুকুত ত্ৰিশূলেৰে আঘাত কৰিলে। তেওঁলোক মাটিত বাগৰি পৰিল। ৩ ॥

তাৰ পাছত সি প্ৰভুৰ (লক্ষ্মণৰ) গা-লৈকো প্ৰচণ্ড শূল মাৰি পঠিয়ালে। লক্ষ্মণে সেই শূল বাণ মাৰি বাটতে কাটিলে। হনুমান আৰু অংগদেও উঠি আকৌ খঙেৰে মেঘনাদক প্ৰহাৰ কৰিলে, কিন্তু তথাপি গাত বাকে নালাগিল। ৪ ॥

মাৰিলেও নমৰা দেখি দুয়োজন বীৰেই উত্তেজিত। তেতিয়া ঘোৰ চিৎকাৰ কৰি মেঘনাদ খেদি আহিল। ক্ৰোধেৰে খেদি অহা কাল যেন তাক দেখা পাই লক্ষ্মণেও ভীষণ বাণ প্ৰয়োগ কৰিলে। ৫ ॥

বজ্ৰসদৃশ বাণ অহা দেখি সেই দুষ্ট তৎক্ষণাত অদৃশ্য হ'ল। তাৰ পাছত সি অনেক ৰূপ ধৰি যুঁজ কৰিবলৈ লাগিল। কেতিয়াবা দেখা হয়, কেতিয়াবা লুকাই পৰে। ৬ ॥

শত্ৰু পৰাজিত নোহোৱা দেখি বান্দৰবোৰে ভয় পালে। তেতিয়া লক্ষ্মণে মনতে এনে দৃঢ় বিচাৰ কৰিলে যে এই পাপীক বহুত খেলিবলৈ দিয়া হ'ল। ৭ ॥

তেওঁ কোশলাধিপতিৰ প্ৰতাপৰ কথা স্মৰণ কৰি সদৰ্পে শৰ প্ৰয়োগ কৰিলে। শৰ মেঘনাদৰ বুকুত লাগিল। মৰিবৰ সময়ত সি সকলো কপট ত্যাগ কৰিলে। ৭ ॥

দোঃ—"লক্ষ্মণ ক'ত ? ৰাম ক'ত" বুলি তেওঁ প্ৰাণ ত্যাগ কৰিলে। তেতিয়া অংগদ আৰু হনুমানে "তোমাৰ জননী ধন্য ধন্য" বুলি ক'বলৈ ধৰিলে। ৭৬ ॥

হনুমানে বিনাপৰিশ্ৰমে মেঘনাদক দাঙি নি লংকাৰ দুৱাৰ মুখত থৈ আহিল গৈ। তেওঁৰ মৃত্যু শুনি দেৱতা আৰু গন্ধৰ্বসকলো বিমানত উঠি আহিল। ১ ॥

তেওঁলোকে পুষ্পবৃষ্টি কৰি দুন্দুভি বজালে আৰু ৰামৰ বিমল যশ-গান কৰিলে। হে অনন্ত ! আপোনাৰ জয় হওক। হে জগতৰ আশ্ৰয় ! আপোনাৰ জয় হওক। হে প্ৰভু ! আপুনি সকলো দেৱতাকে নিস্তাৰ কৰিলে। ২ ॥

দেৱতা আৰু সিদ্ধসকল স্তুতি কৰি গুচি গ'ল। লক্ষ্মণো কৃপাময় ৰামৰ ওচৰলৈ আহিল। ৰাৱণে যেতিয়াই পুত্ৰবধৰ সংবাদ পালে, তেতিয়াই তেওঁ মূৰ্চ্ছিত হৈ মাটিত পৰিল। ৩ ॥

মন্দোদৰীয়ে হিয়া ভুকুৱাই ভুকুৱাই আৰু নানা প্ৰকাৰে চিঞৰি চিঞৰি পুতেকক মাতি ষৰকৈ কান্দিলে। নগৰৰ সকলোৱেই ভাবি-চিন্তি ব্যাকুল হ'ল আৰু ৰাৱণক নীচ বুলি নিন্দা কৰিবলৈ ধৰিলে। ৯ ॥

দোঃ—তেতিয়া ৰাৱণে সকলো ৰাক্ষসস্ত্ৰীক এইদৰে বুজনি দি ক'লে —"জগতৰ চকুৰে দেখা এই সকলো ৰূপ ক্ষণস্থায়ী। তোমালোকে এইকথা ভাবি চোৱাঁ।" [গতিকে হ'বলগীয়াটো হ'বই, তাত বেজাৰ কৰিবলৈ নাই]। ৭৭ ॥

চৌঃ—ৰাৱণে তেওঁলোকক জ্ঞানৰ উপদেশ দিলে। তেওঁ নিজে অপবিত্ৰ আচৰণ কৰিও, লোকক পবিত্ৰ আৰু হিত উপদেশ দিলে। আনক উপদেশ দিয়া ক্ষেত্ৰত বহুত লোকেই নিপুণ; কিন্তু এনেকুৱা লোকহে বেছি পাবলৈ নাই, যি উপদেশ দিয়াৰ দৰে আচৰণো কৰে। ১ ॥

ৰাতি পাৰ হ'ল। পুৱাতেই বান্দৰ-ভালুকবোৰো আকৌ দুৰ্গৰ চাৰিওফাল দ্বাৰত হাজিৰ হ'লহি। যোদ্ধাবোৰক মতাই আনি ৰাৱণেও ইফালে ক'লে—"যুদ্ধ ক্ষেত্ৰত শত্ৰুৰ সন্মুখ হ'লে যি থিৰেৰে ৰ'ব নোৱাৰে, সি এতিয়াই আঁতৰ হোৱাই ভাল। যুদ্ধলৈ গৈ পলোৱাটো ভাল কথা নহয়। মই নিজৰ বাহু-বলেৰে শত্ৰুতা বঢ়াই লৈছোঁ। এতিয়া শত্ৰু বহুত আগ বাঢ়ি আহিল আৰু তাৰ উত্তৰ স্বৰূপে প্ৰতিবোধো মই নিজেই কৰিম।" ২।৩ ॥

এই বুলি কৈ তেওঁ বায়ুবেগেৰে যাব পৰা ৰথ সজালে। সকলো ৰণবাদ্য বাজিবলৈ ধৰিলে। অতুল শক্তিশালী বীৰবোৰ এনেদৰে যাবলৈ ধৰিলে যেন ছাইৰহে ধুমুহা বলিছে। ৪ ॥

সেই সময়ত বহুত অমংগলৰ সূচনা হ'ল; কিন্তু নিজৰ বাহুবলৰ গৰ্ব বেছি হোৱা কাৰণে ৰাৱণে সেইবোৰলৈ গণিতাকে নকৰিলে। ৫ ॥

ছঃ—অত্যন্ত গৰ্বৰ কাৰণে ৰাৱণে শুভলক্ষণ-অশুভলক্ষণৰ বিচাৰ নকৰিলে। অস্ত্ৰ হাতৰপৰা সৰি পৰে। যোদ্ধা ৰথৰপৰা পৰে। হাতী-ঘোঁৰা আদিয়েও নিজৰ দল এৰি আঁতৰি গৈ চিঞৰে। শিয়াল, শগুণ, কাউৰী আৰু গাধয়ো চিঞৰে। বহুত কুকুৰে একেলগে ভুকিবলৈ ধৰিলে। ফেঁচায়ো এনেকুৱা বিকট শব্দ কৰি মাতিছে যেন কালৰ দূতহে কৈছে।

দোঃ—যি জীৱসমূহৰ দ্ৰোহাচৰণত ৰত হৈ থাকে, যি মোহগ্ৰস্ত, কামাসক্ত আৰু ৰামৰ বিমুখ, তাৰ কাৰণে সপ্ৰতো জানো সম্পত্তি, শুভলক্ষণ আৰু মনত শান্তি লাভ সম্ভৱ হয়? ৭৮ ॥

চৌঃ—অপাৰ ৰাক্ষসসেনা গ'ল। বহু শাখাৰ চতুৰংগিনী সেনা, নানা ৰথ, যান-বাহন আৰু বহু ৰঙৰ অসংখ্য ধ্বজ-পতাকাসহ আগ বাঢ়িল। ১ ॥

মত্তগজারোহী অনেক দল গ'ল। সেইবোৰ যেন বতাহে ঠেলি পঠোৱা বাৰিষাৰ ডাৱৰহে। ৰঙ-বিৰঙৰ নানা পোছাক (ইউনিফৰ্ম) পিন্ধা, বহু প্ৰকাৰৰ মায়া বিদ্যা জনা, ৰণপটু বীৰসমূহেৰে সৈন্যদল অতি বিচিত্ৰ দেখা গৈছিল, যেন বীৰ বসন্তইহে সৈন্যেৰে ৰণ সজ্জা কৰিলে। সৈন্যদলৰ যাত্ৰাৰ ভৰত দিগ্‌গজসমূহো থিৰেৰে ৰ'ব নোৱাৰিলে। সমুদ্ৰতো খলকনি লাগিল আৰু পৰ্বতবোৰ কঁপি উঠিল। ২।৩ ॥

ইমান ধূলি উৰিল যে সূৰ্যৰ পোহৰ নোহোৱা হ'ল, বায়ুৰ গতি ৰুদ্ধ হ'ল আৰু বসুমতী ব্যাকুল হৈ পৰিল। ঢোল আৰু ৰণডংকা আদি ৰণবাদ্য-বোৰ ভয়ানক শব্দ কৰি বাজি উঠিল, যেন প্ৰলয়কালৰ মেঘেহে গৰ্জন কৰিবলৈ ধৰিলে। ৪।

ৰণ-ভেৰী আৰু ৰণ-শিঙা আদিত ৰণুৱাসকলক উৎসাহিত কৰা 'মাৰু' ৰাগ বাজি উঠিল। সকলো বীৰে সিংহনাদ কৰিবলৈ ধৰিলে আৰু অনেক বীৰে নিজ নিজ বল-পৌৰুষৰ কথাও ক'বলৈ লাগিল। ৫ ॥

ৰাৱণে ক'লে—"হে উত্তম বীৰসকল! তোমালোকে ভালুক-বান্দৰৰ দলবোৰ গচকি-মোহাৰি শেষ কৰা। মই দুয়োজন ৰাজকুমাৰকে বধ কৰিম।" এই বুলি কৈ তেওঁৰ নিজ সৈন্যদল আগবঢ়াই নিলে। ৬ ॥

যেতিয়া এই বাতৰি বান্দৰবোৰে পালে, তেতিয়া ৰঘুবীৰৰ আদেশ শুনাই তেওঁলোকো খেদি আহিল। ৭ ॥

ছন্দঃ—বিশালকায় আৰু কালসদৃশ ভয়ানক বান্দৰ-ভালুকবোৰ ল'ৰি আহিল, যেন পাখি লগা নানা তৰহৰ পৰ্বত কিছুমানহে উৰি আহিল। বলবান্ বিবিধ ৰঙৰ সেই বান্দৰ-ভালুকবোৰে নখ, দাঁত, পৰ্বত আৰু বৰ ডাঙৰ ডাঙৰ গছকে অস্ত্ৰ-শস্ত্ৰৰূপে লয় আৰু কালৈকো শংকা বা ভয় নকৰে। তেওঁ-লোকে ৰাৱণৰূপী মত্তহস্তীৰ কাৰণে সিংহৰূপ শ্ৰীৰামৰ জয়ধ্বনি কৰি গুণ গাবলৈ ধৰিলে।

দোঃ—দুয়ো ফালৰে যোদ্ধাসকলে জয় ধ্বনি কৰি নিজৰ নিজৰ যোগ্য প্ৰতিদ্বন্দ্বী বাছি লৈ একালে ৰামৰ আৰু আন ফালে ৰাৱণৰ গুণ বখানি যুদ্ধত নামিল। ৭৯ ॥

চৌঃ—ৰাৱণক ৰথত আৰু ৰঘুনাথক ৰথহীন দেখি বিভীষণ দুঃখত অধীৰ হৈ

পৰিল। প্ৰেম ষেছি কাৰণে তেওঁৰ মনত (বিভীষণৰ মনত) চিন্তা হ'ল। তেওঁ শ্ৰীৰামৰ চৰণত বন্দনা কৰি শ্ৰদ্ধাৰে ক'লে । ১ ॥

"হে প্ৰভু ! আপোনাৰ ৰথ, কৱচ আৰু পাদুকা একো নাই। সেই বলবান বীৰক এইদৰে কিদৰে জয় কৰিব ?" তেতিয়া কৃপাময় ৰামে ক'লে—"হে সখি ! যিদৰে শত্ৰুক জয় কৰা হয়, সেইখন ৰথ সুকীয়া বস্তু। ২ ॥

শৌৰ্য আৰু ধৈৰ্য সেই ৰথৰ চকা। সত্য আৰু শীল সেই ৰথৰ মজবুত ধ্বজা আৰু পতাকা। বল, বিবেক, দম আৰু পৰোপকাৰ (এই চাৰিওটা) ঘোঁৰা। ক্ষমা, দয়া আৰু সাম্যৰ ৰচীৰে এই ঘোঁৰা ৰথত লগোৱা হয়। ৩ ॥

এই ৰথৰ চতুৰ সাৰথি ভগৱানৰ ভক্তি। বৈৰাগ্য এই যুঁজৰ ঢাল আৰু সন্তোষ তাৰ লগৰ তৰোৱাল। দানেই কুঠাৰ, বুদ্ধিয়ে প্ৰচণ্ড শক্তি (অস্ত্ৰবিশেষ), শ্ৰেষ্ঠ বিজ্ঞান এই যুদ্ধৰ দৃঢ় ধনু। ৪ ॥

নিৰ্মল (নিষ্পাপ) আৰু স্থিৰ মন তূণৰ নিচিনা। শম (শান্তভাৱ), সংযম আৰু নিয়ম আদি নানা তৰহৰ বাণ। ব্ৰাহ্মণ আৰু গুৰুৰ পূজন অভেদ্য কৱচ। যুদ্ধ জয়ৰ কাৰণে এইবোৰতকৈ ভাল সাধন নাই। ৫ ॥

হে বন্ধু ! এনে ধৰ্মময় ৰথ যাৰ থাকে, তেওঁৰ কাৰণে জয় কৰিবলৈ ক'তো শত্ৰুৱেই নাই। ৬ ॥

দোঃ—হে ধীৰ বুদ্ধি সখা ! শুনা। যাৰ ওচৰত এনে দৃঢ় ৰথ আছে, সেই বীৰে অতি অপৰাজেয় সংসাৰ (জন্ম-মৃত্যুযুক্ত) শত্ৰুকো জয় কৰিব পাৰে।" ৮০ (ক) ॥

প্ৰভুৰ কথা শুনি বিভীষণ আনন্দিত হ'ল আৰু প্ৰভুৰ চৰণত ধৰি তেওঁ ক'লে—"হে কৃপাময় আৰু সুখপুঞ্জ ৰাম ! আপুনি এই ছলেৰেই মোক উপদেশ দিলে।" ৮০ (খ) ॥

সিফালে ৰাৱণে ৰণলৈ আহ্বান জনাইছে আৰু ইফালে অংগদ আৰু হনুমানে। ৰাক্ষস আৰু বান্দৰ-ভালুকবোৰে নিজ নিজ স্বামীৰ আদেশ মানি যুঁজিবলৈ ধৰিছে। ৮০ (গ) ॥

চৌঃ—ব্ৰহ্মা আদি দেৱতা আৰু অনেক সিদ্ধ তথা মুনিসকলে বিমানত উঠি আকাশৰপৰা যুদ্ধ চাই আছে। [শিৱই কৈছে] "উমা ! ময়ো সেইসকলৰ মাজতে আছিলোঁ আৰু ৰামচন্দ্ৰৰ ৰণৰংগৰ (ৰণোৎসাহৰ) লীলা দৰ্শন কৰিছিলোঁ।" ১ ॥

দুয়োপক্ষৰে যুঁজাৰুসকল ৰণোন্মত্ত হৈ পৰিল। বান্দৰবোৰে ৰামৰ বল পাই

জয়যুক্ত হৈ পৰিছে। এজনে আনজনক যুঁজ কৰিবলৈ আহ্বান জনাইছে আৰু শত্ৰুক যুঁজি মোহাৰি মাটিত পেলাইছে। ২ ॥

তেওঁলোকৰ ভিতৰত এজনে আনজনক মাৰিছে, কাটিছে, ধৰি লৈ পেকেচা দিছে, মুৰ ছিঙি, সেই মুৰেৰেই আনক মাৰিছে, পেট ফালিছে, হাতৰ বাউসী একৰাইছে আৰু ভৰিত ধৰি পৃথিৱীত এচাৰ মাৰি পেলাইছে। ৩ ॥

ভালুকবোৰে ৰাক্ষস যুঁজাৰুবোৰক মাটিত পুতি ওপৰত বালি দি ঢাকে। ৰাক্ষসৰ বিৰুদ্ধে থিয় হোৱা বান্দৰবীৰবোৰ এনে দেখা যায়, যেন সেইবোৰ বহুত ক্ৰুদ্ধ কালহে। ৪ ॥

ছন্দঃ—কালসদৃশ ক্ৰুদ্ধ সেই বান্দৰবোৰ ৰক্তাক্ত দেহেৰে শোভা পাবলৈ ধৰিছে। বলবান বান্দৰ বীৰসকলে ৰাক্ষস সেনাবোৰ গছকি মোহাৰি মেঘৰদৰে গৰ্জন কৰিবলৈ ধৰিছে। ধমকি দি ঢকিয়াই মাৰিছে, দাঁতেৰে কামুৰিছে আৰু ভৰিয়াই দুগুলা কৰিছে। বান্দৰ-ভালুকে চিঞৰিছে আৰু এনেদৰে ছল-বল কৰিছে যে দুষ্ট ৰাক্ষসবোৰ ক্ষয় হ'বলৈ ধৰিছে। ১ ॥

বান্দৰবিলাকে ধৰি লৈ ৰাক্ষসৰ মুখ ফালি পেলায়, বুকু ছিৰে আৰু নাড়ী উলিয়াই ডিঙিত মেৰিয়াই লয়। সেই বান্দৰবোৰ দেখি এনে লাগে যেন প্ৰহ্লাদৰ প্ৰভু নৃসিংহ ভগৱানেহে অসংখ্য শৰীৰ ধাৰণ কৰি ৰণক্ষেত্ৰত লীলা দেখুৱাইছে। ধৰ, মাৰ, কাট, দলিয়া আদি নানা ভয়ানক শব্দই যেন আকাশ আৰু পৃথিৱী ঢাকি পেলালে। যি তৃণকে বজ্ৰ আৰু বজ্ৰকো তৃণ কৰি পেলাইছে, সেই ৰামচন্দ্ৰৰ জয় হওক। ২ ॥

(ইয়াত দুৰ্বল বান্দৰবোৰক সবল কৰা আৰু সবল ৰাক্ষসবোৰক দুৰ্বল কৰা অৰ্থত বজ্ৰ আৰু তৃণৰ উদাহৰণ দাঙি ধৰা হৈছে)

দোঃ—নিজৰ পক্ষৰ সৈন্যসমূহ তিষ্টিব নোৱৰা দেখি কুৰিখন হাতেৰে বহুখন ধনু লৈ ৰাৱণ ৰথত উঠি গৰ্বেৰে "উভতি যা, উভতি যা" বুলি আগবাঢ়ি গ'ল। ৮১ ॥

চৌঃ—ৰাৱণ অত্যন্ত ক্ৰোধেৰে খেদি আহিল। বান্দৰসেনাবোৰো হুংকাৰ কৰি যুঁজিবৰ কাৰণে সন্মুখলৈ গ'ল। তেওঁলোকে হাতত গছ, শিল, পৰ্বত লৈ ৰাৱণৰ গালৈ একেবাৰে দলিয়ালে। ১ ॥

পৰ্বতো ৰাৱণৰ বজ্ৰসদৃশ দেহত লাগি তৎক্ষণাতেই টুকুৰা টুকুৰ হৈ ভাগি পৰিল। অত্যন্ত ক্ৰুদ্ধ আৰু ৰণোন্মত্ত ৰাৱণ ৰথ ৰাখি স্থিৰ হৈ ৰ'ল; অকণো লৰচৰ নহ'ল। ২ ॥

তেওঁৰ ৰথ খং উঠিলত ইকালে-সিকালে জপটিয়াই গালি-শপনি পাৰি বান্দৰ সৈন্যবোৰ পিছি নিষ্ঠৈ ধৰিলে। অনেক ভালুক-বান্দৰ "অংগদ ৰক্ষা কৰা, হনুমান ৰক্ষা কৰা" বুলি চিঞৰি চিঞৰি আতুৰ হৈ পলাল। ৩ ॥

"হে ৰঘুবীৰ! হে স্বামী! ৰক্ষা কৰা, ৰক্ষা কৰা। এই দুষ্টই আমাক কালৰ দৰে গ্ৰাস কৰি আনিছে।" [এইদৰে ৰাৱণৰ আগৰপৰা বান্দৰ-ভালুকবোৰ আঁতৰিল] ৰাৱণে দেখিলে—সকলো বান্দৰ পলাল। তেতিয়া মহোত্তম ধনুত বাণ তুলি ল'লে। ৪ ॥

ছন্দঃ—তেওঁ ধনুত তোলা বাণ এৰিলে। সেই বাণবোৰ উৰি যোৱা সাপৰ দৰে গৈ লাগিছিল। পৃথিৱী-আকাশ, দিশ-বিদিশ সকলোতে কেৱল বাণেই বাণ। বান্দৰ পলাই যায়নো ক'লৈ? ভয়ানক কোলাহলৰ সৃষ্টি হ'ল। বান্দৰ-ভালুকৰ সেনাবোৰ অতি আতুৰ হৈ পৰিল আৰু এইদৰে চিঞৰিবলৈ ধৰিলে—"হে ৰঘুবীৰ! হে করুণাসাগৰ! হে পীড়িতৰ বন্ধু! হে সেৱকক ৰক্ষাকৰ্তা হৰি! [ৰক্ষা কৰা]"।

চৌঃ—নিজৰ পক্ষৰ সেনাসকলৰ বিকল অৱস্থা দেখি কঁকালত তূণ বান্ধি আৰু হাতত ধনু লৈ ৰঘুনাথৰ চৰণত প্ৰণাম জনাই লক্ষ্মণ খঙেৰে আগবাঢ়ি গ'ল। ৮২ ॥

চৌঃ—ওচৰ চাপি লক্ষ্মণে ক'লে—"হেৰ দুষ্ট! কি বান্দৰ-ভালুক মাৰিছ? মোলৈ চা। মই হে তোৰ কাল।" [ৰাৱণে ক'লে] "হেৰ পুত্ৰঘাতী! মই তোকেই বিচাৰি আছিলোঁ। আজি তোক মাৰি মোৰ হৃদয়ে শান্তি পাব।" ১ ॥

এইবুলি কৈ ৰাৱণে প্ৰচণ্ড বাণ প্ৰয়োগ কৰিবলৈ ধৰিলে। লক্ষ্মণে সেই সকলো বাণ শ-শ খণ্ড কৰি কাটিলে। ৰাৱণে অগণন অস্ত্ৰ প্ৰয়োগ কৰিলে; কিন্তু লক্ষ্মণে সেইবোৰ তিলতিল কৰি কাটি আঁতৰাই পেলালে। ২ ॥

তাৰ পাছত লক্ষ্মণে নিজৰ বাণ প্ৰয়োগ কৰিলে। ৰাৱণৰ ৰথ ভাগিল আৰু সাৰথি মৰিল। ৰাৱণৰ দহোটা মূৰতো শ-শ বাণ লাগিল, যেন পৰ্বতৰ শৃংগত সৰ্পহে পৰিল গৈ। ৩ ॥

আকৌ এশ বাণ ৰাৱণৰ বুকুত মাৰিলে। ৰাৱণ সেই বাণ লাগিলত মাটিত অচেতন হৈ পৰিল। পাছত আকৌ চেতন পাই বলবান ৰাৱণে ব্ৰহ্মাই দিয়া শক্তি (অস্ত্ৰবিশেষ) প্ৰয়োগ কৰিলে। ৪ ॥

ছঃ—ব্ৰহ্মাই দিয়া সেই প্ৰচণ্ড শক্তি লক্ষ্মণৰ বুকুত লাগিল। লক্ষ্মণ বিকল হৈ মাটিত পৰিল। তেতিয়া ৰাৱণে তেওঁক দাঙি নিবলৈ যত্ন কৰিলে; কিন্তু

তেওঁৰ অপৰিসীম বল ব্যৰ্থ হ'ল। যাৰ (যি অনন্তৰ) এটা মূৰতে ব্ৰহ্মাণ্ড ধূলি কণিকাৰ দৰে প্ৰকাশ পাইছে, তেওঁক অজ্ঞান ৰাৱণে দাঙি নিবলৈ চাইছে! ৰাৱণে তিনিও ভুৱনৰে স্বামী লক্ষ্মণক চিনি নাপায়।

দোঃ—ইয়াকে দেখি পৱনপুত্ৰ হনুমান কঠোৰ বচন প্ৰয়োগ কৰি খেদি আহিল! হনুমানক অহা দেখিয়েই ৰাৱণে বৰ জোৰেৰে এটা খোচা মাৰি পঠিয়ালে। ৮৩।

চৌঃ—হনুমান মাটিত পৰি নগ'ল, আঠুকাঢ়ি বৈ গ'ল। তাৰ পাছত নিজক স্থিৰ অৱস্থালৈ আনি খঙেৰে ৰাৱণক এটা খোচা ওভোতাই লগাই দিলে। ৰাৱণ এনেদৰে পৰিল যেন বজ্ৰৰ আঘাতত পৰ্বতহে ভাগি পৰিল। ১॥

মূৰ্চ্ছা যোৱা যেতিয়া ভাল হ'ল, তেতিয়া ৰাৱণে হনুমানৰ বিপুল বলৰ প্ৰশংসা কৰিবলৈ ধৰিলে। [হনুমানে তাৰ উত্তৰত ক'লে—] "মোৰ পৌৰুষক ধিক্কাৰ আৰু নিজকো মই ধিক্কাৰ দিছোঁ। যিহেতুকে [মোৰ প্ৰহাৰতো] তই দেৱদ্ৰোহী এতিয়াও জীয়াই থাকিলি।" ২॥

এই বুলি কৈ আৰু লক্ষ্মণক দাঙি লৈ হনুমান ৰামৰ ওচৰলৈ আহিল। তাকে দেখি ৰাৱণ আচৰিত হ'ল। ৰঘুবীৰে [লক্ষ্মণক] ক'লে—"হেৰা ভাই! অন্তৰতে ভাবি চোৱা। তুমি কালকো গ্ৰাস কৰোঁতা আৰু দেৱতাসকলৰ ৰক্ষক।" ৩॥

এই কথা শুনিয়েই কৃপালু লক্ষ্মণ উঠি বহিল। বুকুত লগা ভয়ংকৰ শক্তি আকাশলৈ গুচি গ'ল। লক্ষ্মণ ধনুশৰ লৈ আকৌ খেদি আহিল আৰু উগ্ৰভাৱে শত্ৰুসেনাৰ সমুখত থিয় দিলেহি। ৪॥

ছন্দঃ—তেওঁ বাগ্ৰতাৰে ৰাৱণৰ ৰথ চূৰমাৰ কৰিলে আৰু সাৰথিকো মাৰি ৰাৱণক অস্থিৰ কৰি তুলিলে। এশ বাণেৰে ৰাৱণৰ হৃদয়ত বিন্ধিলে, যাৰ ফলত ৰাৱণ অতি ব্যাকুল হৈ মাটিত বাগৰি পৰিল। তেতিয়া অন্য সাৰথিয়ে তেওঁক ৰথত তুলি লৰালৰিকৈ লংকাৰ ভিতৰলৈ লৈ গ'ল। প্ৰতাপশালী ৰঘুবীৰৰ ভাই লক্ষ্মণেও আকৌ ৰামৰ চৰণত প্ৰণাম জনালেহি।

দোঃ—সিফালে ৰাৱণে চেতনা পাই যজ্ঞ কৰিবলৈ ধৰিলে। সেই দুষ্ট আৰু অজ্ঞানী ৰাৱণে জিদ্ ধৰি ৰামৰ বিৰুদ্ধে জয়ী হ'বলৈ বিচাৰিলে। ৮৪॥

চৌঃ—ইফালে বিভীষণে ৰাৱণৰ যজ্ঞ সম্বন্ধে সকলো কথা জানিলে আৰু তৎক্ষণাৎ ৰঘুনাথক ক'লে—"হে প্ৰভু! ৰাৱণে এটা যজ্ঞ কৰিছে। সেই যজ্ঞ পূৰ্ণ হ'লে সেই দুৰ্ভাগীয়া সহজে নমৰিব। ১॥

হে নাথ! শীঘ্ৰেই বান্দৰ বীৰ পঠিয়াই দিয়ক। তেওঁলোকে যজ্ঞ বিধ্বংস

কৰক আৰু দশানন যুদ্ধলৈ আহক।" পুনৰাই প্ৰভুৱে কেইবাজনো বান্দৰ বীৰ পঠিয়াই দিলে। হনুমান, অংগদ আদি প্ৰধান বীৰ সকলোবেই গ'ল। ২ ॥

বান্দৰবোৰে খেলৰ ছলেৰেই লংকাত জপিয়াই প্ৰৱেশ কৰিলে। তেওঁলোকে নিঃশংকমনে ৰাৱণৰ ৰাজভৱনত সোমাল আৰু তাত ৰাৱণক যজ্ঞ কৰি থকা দেখি ক্ৰুদ্ধ হৈ পৰিল। ৩ ॥

বান্দৰ বীৰসকলে তেতিয়া ক'লে—"হেৰ নিলাজ! ৰণৰপৰা পলাই ঘৰলৈ আহিলি আৰু এতিয়া ইয়াত বগলী ভকতৰ ভাও ধৰিছ।" এইবুলি কৈ অংগদে ৰাৱণৰ গাত এটা গোৰ সোধাই দিলে; কিন্তু ৰাৱণে তালৈ ভ্ৰূক্ষেপকে নকৰিলে। তাৰ দুষ্ট মন স্বাৰ্থত মগ্ন হৈ আছিল। ৪ ॥

ছন্দঃ—যেতিয়া ৰাৱণে ঘূৰিয়েই নাচালে, তেতিয়া বান্দৰবোৰে তাক খণ্ডত দাঁতেৰে কামুৰিবলৈ আৰু ভৰিৰে গুৰিয়াবলৈ ধৰিলে। তিৰোতা-বোৰকো চুলিত ধৰি ঘৰৰ বাহিৰলৈ চোঁচোৰাই আনিলে। ৰাক্ষসীবোৰে অতি দীনভাৱে চিঞৰিবলৈ ধৰিলে। তেতিয়া ৰাৱণ কালসদৃশ ক্ৰুদ্ধ হৈ পৰিল আৰু বান্দৰবোৰক ভৰি জপটিয়াই ধৰি থেকেচি মাৰিবলৈ লাগিল। ইতিমধ্যে বান্দৰবোৰে যজ্ঞ বিধ্বংস কৰিলে। তাকে দেখি ৰাৱণ মনে মনে হতাশ হৈ পৰিল।

দোঃ—যজ্ঞ বিধ্বংস কৰি সকলো চতুৰ বান্দৰ ৰামৰ ওচৰ পালেহি। তেতিয়া ৰাৱণো জীৱনৰ আশা এৰি ক্ৰুদ্ধ হৈ ৰণলৈ গ'ল। ৮৫ ॥

চৌঃ—যোৱা সময়ত অতি ভয়ংকৰ অমংগলৰ চিন দেখা গ'ল। শগুন উৰা মাৰি ৰাৱণৰ মূৰৰ ওপৰত উঠেহি; কিন্তু সি কালৰ অধীন হোৱা কাৰণে কোনো প্ৰকাৰে অমংগললৈ কাণ নকৰিলে। ৰাৱণে ক'লে—"ৰণ-ডংকা বজাই দেহক।" ১ ॥

ৰাক্ষসৰ অপাৰ সেনা যাবলৈ ধৰিলে। সেইবোৰত বহুসংখ্যক হাতী, ৰথ, পদাতি আৰু অশ্বাৰোহী আছিল। সেই মন্দবুদ্ধিইঁত প্ৰভুৰ ওচৰলৈ কেনেকৈ গৈছে—যেনেকৈ পতংগবোৰ জুইৰ ওচৰলৈ পুৰি মৰিবৰ কাৰণে যায়। ২ ॥

ইফালে দেৱতাসকলে এই বুলি স্তুতি কৰিলে—"হে ৰাম! ই আমাক বহুত কষ্ট দিলে। এতিয়া আপুনি ইয়াক আৰু খেলিবলৈ সুবিধা নিদিব। জানকীও বৰ দুঃখিত হৈ পৰিছে।" ৩ ॥

দেৱতাসকলৰ কথা শুনি প্ৰভুৱে মিচিকাই হাঁহিলে। তাৰ পাছত তেওঁ

উঠি থাগত থাব দিলে। মূৰত জটাবোৰ দৃঢ়ভাৱে বন্ধা আছিল। তাৰ মাজে মাজে গাঁথি থোৱা ফুল শোভা পাইছিল। ৪ ॥

ৰঙচুৱা চকু আৰু মেঘবৰণৰে শ্যামবৰ্ণৰ দেহেৰে সকলোৰে চকুৰ বাবে আনন্দদায়ক প্ৰভুৱে কঁকালত টঙালি আৰু তুণ বান্ধি ল'লে। হাতত কঠিন শাৰংগ ধনু তুলি ল'লে। ৫ ॥

ছন্দঃ—প্ৰভুৰ হাতত শাৰংগ ধনু, কঁকালত বাণৰ আকৰ স্বৰূপ তুণ। তেওঁৰ বাহু পুষ্ট আৰু মনোহৰ বহল বুকুত ব্ৰাহ্মণৰ (ভৃগু মুনিৰ) চৰণ চিহ্ন। তুলসীদাসে কৈছে—প্ৰভুৱে যেতিয়া ধনু-শৰ হাতত লৈ ঘূৰাবলৈ ধৰিলে, তেতিয়া ব্ৰহ্মাণ্ড, দিগ্‌গজ, কচ্ছপ, অনন্তনাগ, পৃথিৱী, সমুদ্ৰ আৰু পৰ্বত সকলোৱেই অস্থিৰ হৈ পৰিল।

দোঃ—শোভা দেখি (ৰামৰ) দেৱতাসকলে আনন্দ পাই অপাৰ ফুল বৰষিবলৈ ধৰিলে। লগতে শোভা, শক্তি আৰু গুণৰ আকৰ, করুণাময় প্ৰভুৰ জয় হওক, জয় হওক বুলি ধ্বনি কৰিলে। ৮৬ ॥

চৌঃ—ইতিমধ্যে ৰাক্ষসৰ অতি সৰহীয়া সৈন্য হেঁচা-ঠেলা কৰি ওলালেহি। তাকে দেখি বান্দৰ যোদ্ধাবোৰেও এনেদৰে খেদা মাৰি গ'ল, যেন প্ৰলয় কালৰ মেঘহে। ১ ॥

হাতত তৰোৱাল আৰু কৃপাণ চিক্‌মিকাবলৈ ধৰিলে, যেন দশোদিশে বিজুলীৰ চিক্‌মিকনিহে দেখা গৈছে। হাতী, ৰথ আৰু ঘোঁৰাবোৰৰ কৰ্কশ চিঞৰএনে লাগিল যেন ভাৱৰেহে ঘোৰ গৰ্জন কৰিছে। ২ ॥

বান্দৰবোৰবো নেজবিলাকে আকাশ এনেদৰে ঢাকি ধৰিলে যেন সুন্দৰ ইন্দ্ৰধনুহে উদয় হৈছে। ধূলিও এনেদৰে উৰিবলৈ ধৰিলে যেন পানীৰ সোঁতহে বলিছে। শৰবোৰো বৰষুণৰ অপাৰ টোপালৰ দৰে হৈ পৰিল। ৩ ॥

দুয়ো পক্ষৰ যোদ্ধাই পৰ্বত প্ৰহাৰ কৰিবলৈ ধৰিলে, যেন বাৰে বাৰে বজ্ৰপাতহে হৈছে। ৰঘুনাথে খঙতে ধাৰাসাৰে শৰ বৰ্ষণ কৰিবলৈ ধৰিলে, যাৰ ফলত ৰাক্ষসৰ সেনাবোৰ আহত হ'ল। ৪ ॥

বাণ লগা মাত্ৰেই বীৰবোৰ চিঞৰি উঠে আৰু পাক-ঘূৰণি খাই খাই ঘ'তে ত'তে মাটিত বাগৰি পৰে। সিহঁতৰ শৰীৰবপৰা এনেদৰে তেজ ব'বলৈ ধৰিলে যেন পৰ্বতৰ ডাঙৰ জুৰিবোৰেহে পানীৰ সোঁতহে বৈছে। এইদৰে ভীৰুৰ কাৰণে ভয় উৎপন্নকাৰী তেজৰ নৈ বৈ গ'ল। ৫ ॥

ছন্দঃ—কাপুৰুষৰ মনত ভয় উৎপন্ন কৰা অতি অপবিত্ৰ তেজৰ নৈ বৈ

গ'ল। ছয়োপক্ষ দুটা পাৰ, ৰথ বাজিচৰ আৰু ৰথৰ চকাবোৱেই তাৰ পকমীয়া। এইদৰে এই ৰণ-নদী অতি ভয়ানক হৈ পৰিছে। হাতী, পদাতি, ঘোঁৰা, গাধ আদি অগণন যান-বাহন এই নদীৰ জল-জন্তু স্বৰূপ হৈছে। বাণ, শাঁক তোমৰ প্ৰভৃতি সাপ, ধনু পানীৰ ঢৌ আৰু ঢালবোৰ অসংখ্য কাছ যেন দেখা গৈছে।

দোঃ—যুদ্ধত নিহত হৈ মাটিত পৰা বীৰবোৰ যেন নৈৰ পাৰৰ গছহে খহি পৰিছে। কিছুমানৰ মজ্জা বাহিৰ হৈ গৈছে, সেইবোৰ যেন এই নদীৰ ফেন। কাপুৰুষে দেখি ভয় পোৱা এই দৃশ্য শ্ৰেষ্ঠ যোদ্ধাৰ বাবে আনন্দদায়ক হৈ পৰিছে। ৮৭ ॥

চৌঃ—ভূত, পিশাচ আৰু বেতাল, ডাঙৰ ডাঙৰ জটীয়া ভয়ানক প্ৰমথ (শিৱগণ) আদিয়ে এই নদীত স্নান কৰিছে। কাউৰী আৰু চিলনী মৃত সৈনিকৰ খণ্ডিত হাত লৈ উৰা মাৰিছে আৰু এটাই আন এটাৰপৰা কাঢ়ি লৈ খাইছে। ১ ॥

কোনোবাই কৈছে—হেৰ মূৰ্খহঁত! ইমান সহজে পাওঁতেও তহঁতৰ অভাৱ ঘুচেনে? আহত যোদ্ধা যেন নদীৰ পানীখুৰজিত পৰি কেঁকাই আছে (আধা মৰা আধা জীয়া হৈ আছে) যেন অৰ্ধজল ক্ৰিয়াহে ৰ'তে ত'তে হ'বলৈ ধৰিছে। (শব-স্নানৰ একপ্ৰকাৰ ক্ৰিয়াক 'অৰ্ধ জল' বোলা হয়। সেইমতে শটোৰ একাংশ পানীত আৰু একাংশ বামত ৰখা হয়)। ২ ॥

শগুনবোৰে মৰা শৰপৰা নাড়ী-পেটু উলিয়াই টানিছে, যেন বৰশীবোৰা মাছুহে একাগ্ৰ মনেৰে বৰশীহে টানিছে। বহুত যোদ্ধা এই তেজৰ নদীত উটি গৈছে আৰু চৰাই সেই উটিযোৱা শৱ ওপৰত পৰি যাবলৈ ধৰিছে, যেন সিহঁতে নৈত নাৱখেলহে কৰিছে। ৩ ॥

যোগিনীবোৰে মূৰৰ খোলাত তেজ গোটাইছে। ভূত আৰু পিশাচৰ তিৰোতা-বোৰে আকাশত আনন্দ কৰি নাচিছে। চামুণ্ডাবোৰে যোদ্ধাবোৰৰ মূৰৰ খোলাৰে কৰতাল বজাই নানাপ্ৰকাৰে গাইছে। ৪ ॥

শিয়ালবোৰে কুট্-কাট্ শব্দ কৰি খাই (মৰা শ খাই) হোৱা দিছে আৰু খাব নোৱাৰাকৈ পেট ভৰিলত এটাই আনটোক খং কৰিছে। অসংখ্য দেহ বিনা-মূৰেৰে ঘূৰি ফুৰিছে আৰু কটা মূৰেও মাটিত পৰি জয় জয় শব্দ কৰিছে। ৫ ॥

ছন্দ :—কটা মূৰে 'জয় জয়' বোলে আৰু মূৰ নোহোৱা প্ৰচণ্ড দেহ ঘূৰি ফুৰে। চৰাইবোৰ মূৰৰ খোলা একোটা লৈ টনা আজোৰা কৰি জোট খাই পৰস্পৰে কাজিয়া কৰি মৰে। শ্ৰেষ্ঠ যোদ্ধাই অন্য যোদ্ধাবোৰ খেদাই আগবাঢ়ি

ধাৰলৈ ধৰিছে। ৰামৰ ৰথত মত্ত হৈ পৰা বান্দৰবোৰে ৰাক্ষসৰ দলবোৰক মোহাৰি পেলাইছে। শ্ৰীৰামৰ বাণত পৰি ৰাক্ষসবীৰবোৰ ৰণাংগনত তেজৰ ধাৰলৈ বৰিছে।

দোঃ—ৰাৱণে মনতে বিচাৰ কৰি চালে যে ৰাক্ষসবোৰ নাশ হৈছে। মই অকলশৰীয়া, বান্দৰ-ভালুক বহুত আছে। গতিকে মই অপাৰ মায়া কৰোঁ। ৮৮॥

চৌঃ—দেৱতাসকলে প্ৰভুক ৰথ নোহোৱাকৈ দেখি মনতে বৰ দুঃখ পালে। ইন্দ্ৰই তৎক্ষণাৎ এখন ৰথ পঠিয়ালে। মাতলি আনন্দ মনেৰে ৰথ লৈ আহিল। ১॥

সেই দিব্য অনুপম শক্তিশালী ৰথত কোশলাধীশ হৰ্ষমনেৰে উঠিল। ঘোঁৰা চাৰিটা চঞ্চল, মনোহৰ, অজৰ, অমৰ আৰু মনৰ গতিৰ সমান বেগী। ২॥

ৰঘুনাথ ৰথত উঠা দেখি বান্দৰবোৰে বিশেষ বল পাই খেদি গ'ল। বান্দৰৰ মাৰ অসহনীয় হৈ উঠিল। তেতিয়া ৰাৱণে মায়া বিস্তাৰ কৰিলে। ৩॥

সেই মায়াৰূপৰা ৰঘুবীৰহে বাচি থাকিল। লক্ষ্মণ আৰু বান্দৰবোৰে সেই মায়াকে সত্য বুলিয়েই ভাবিলে। বান্দৰবোৰে ৰাক্ষস সেনাৰ মাজত বহুত ৰাম আৰু লক্ষ্মণ দেখিবলৈ পালে। ৪॥

ছন্দঃ—বহুত ৰাম-লক্ষ্মণ দেখি বান্দৰ-ভালুকবোৰ মনৰ মিছা সন্দেহত সন্দিহান হৈ পৰিল। য'তে ত'তে আঁকি থোৱা ছবিৰ দৰে তেওঁলোকে লক্ষ্মণ সহ ৰামক থিয় হৈ থকা দেখে। নিজৰ সেনাদলক এইদৰে আচৰিত হোৱা দেখি কোশলপতি হৰিয়ে হাঁহি মাৰি ধনুত শৰ তুলি পলকতে সকলো মায়া হৰণ কৰিলে। সকলো বান্দৰ সেনাই আনন্দ পালে।

দোঃ—তাৰ পাছত ৰামে সকলোৰে ফালে চাই গম্ভীৰ স্বৰেৰে ক'লে—"হে বীৰসকল! তোমালোক সকলোৱেই বহুত ভাগৰি পৰিছা। সেইবাবে এতিয়া দ্বন্দ্ব যুদ্ধ (ৰাম আৰু ৰাৱণৰ) চোৱাঁ।" ৮৯॥

চৌঃ—এইবুলি কৈ ৰঘুনাথে ব্ৰাহ্মণৰ চৰণ-পংকজত প্ৰণাম জনাই ৰথ চলালে। তেতিয়া ৰাৱণৰ মনত ক্ৰোধ বাঢ়ি গ'ল আৰু গৰ্জন কৰি ৰণলৈ আহ্বান জনাই সমুখলৈ খেদি আহিল। ১॥

[ৰাৱণে ক'লে] "হেৰ তপস্বী! শুন। তই যুদ্ধত যিবোৰ বীৰক পৰাস্ত কৰিলি, মই সেইবোৰৰ নিচিনা নহওঁ। মোৰ নাম ৰাৱণ, মোৰ যশস্যা জগতে জানে আৰু লোকপালবোৰ মোৰ বন্দীগৃহত পৰি আছে। ২॥

তই খৰ, দূষণ আৰু বিৰাধক মাৰিলি; বেচেৰা বালীক চিকাৰীয়ে পহু মৰাদি

মাৰিলি। ডাঙৰ ডাঙৰ ৰাক্ষস যোদ্ধাবোৰক সংহাৰ কৰিলি আৰু কুম্ভকৰ্ণ তথা মেঘনাদকো বধ কৰিলি। ৩ ॥

হেৰ' ৰাজপুত্ৰ! যদি তই যুদ্ধক্ষেত্ৰৰপৰা পলাই নাযাৱ, তেনেহ'লে আজি মই সম্পূৰ্ণ প্ৰতিশোধ লম আৰু তোক নিশ্চয় কালৰ হাতত গতাই দিম। তই আজি বৰ কঠোৰ ৰাৱণৰ হাতত পৰিলি।" ৪ ॥

ৰাৱণৰ কটুবাক্য শুনি আৰু তাক কালৰ বশবৰ্তী বুলি জানি কৃপাময় ৰামে হাঁহি মাৰি ক'লে—"তোৰ সেই সকলো প্ৰভুত্ব, তই কোৱাৰ দৰেই সত্য। পিচে এতিয়া ব্যৰ্থ বৰ কথা এৰি দে। নিজৰ বীৰত্ব প্ৰদৰ্শন কৰ। ৫ ॥

ছন্দঃ—মিছা আত্মগৌৰৱ কৰি নিজৰ যশস্যা হানি কৰিব নালাগে। বেয়া নাপাবি, তোক নীতিৰ কথা কৈছোঁ শুন। সংসাৰত তিনি শ্ৰেণীৰ লোক আছে, বিবোৰ ক্ৰমে পাটল ফুল, আম আৰু কঠালৰ দৰে। এটা শ্ৰেণীয়ে কেৱল ফুলহে দিয়ে; এটা শ্ৰেণীয়ে ফুল আৰু ফল দুয়োটা দিয়ে, আন কেৱল ফল দিয়ে। সেই নিচিনাকৈ মানুহৰ ভিতৰতো এটা শ্ৰেণীয়ে কেৱল কয়হে [নকৰে], এটা শ্ৰেণীয়ে কোৱা আৰু কৰা দুয়োটাকে কৰে; আনটো শ্ৰেণীয়ে কেৱল কৰেহে, মুখেৰে নকয়।"

দোঃ—ৰামৰ কথা শুনি ৰাৱণে খুব হাঁহিলে আৰু ক'লে—"মোক জ্ঞানৰ শিক্ষা দিবলৈ আহিলি? সেই সময়ত শত্ৰুতা কৰিবলৈ ভয় নালাগিল, এতিয়া প্ৰাণলৈ মমতা উপজিছে।" ৯০ ॥

চৌঃ—এইদৰে কটুবচন কৈ ক্ৰুদ্ধ দশস্কন্ধই বজ্ৰসদৃশ বাণ প্ৰয়োগ কৰিবলৈ ধৰিলে। নানা আকৃতিৰ বাণ গ'ল। দিশ-বিদিশ, আকাশ, পৃথিৱী সকলো বাণে ছাটি পেলালে। ১ ॥

ৰামে অগ্নিবাণ প্ৰয়োগ কৰি ক্ষণেকতে ৰাক্ষস ৰাৱণৰ বাণ ভস্ম কৰি পেলালে। তেতিয়া উগ্ৰ ক্ৰোধত ৰাৱণে তীক্ষ্ণ শক্তি (অস্ত্ৰবিশেষ) প্ৰয়োগ কৰিলে; কিন্তু ৰামে তাকো বাণেৰে সৈতে ঘূৰাই পঠিয়ালে। ২ ॥

ৰাৱণে অসংখ্য চক্ৰ আৰু ত্ৰিশূল চলালে; কিন্তু প্ৰভুৱে অনায়াসে সেইবোৰ কাটি আঁতৰাই পেলালে। দুষ্ট মানুহৰ মনোৰথ বিফল হোৱাৰ দৰে ৰাৱণৰ বাণবোৰো নিষ্ফল হ'বলৈ ধৰিলে। ৩ ॥

তেতিয়া ৰাৱণে শ্ৰীৰামৰ সাৰথিৰ গালৈ এশ বাণ মাৰিলে। সাৰথি শ্ৰীৰামৰ জয় বুলি কৈ মাটিত বাগৰি পৰিল। ৰামে কৃপা কৰি সাৰথিক তুলি ধৰিলে। তেতিয়া ৰামৰো ক্ৰোধ অত্যন্ত বেছি হৈ পৰিল। ৪ ॥

ছন্দঃ—শত্ৰুৰ বিৰুদ্ধে ক্ৰুদ্ধ হৈ উঠা ৰঘুপতিৰ তূণত থকা বাণবোৰ ওলাই আহিবৰ কাৰণে খচ্‌মচাবলৈ ধৰিলে। তেওঁৰ ধনুৰ অতি প্ৰচণ্ড শব্দ (টংকাৰ) শুনি সকলো ৰাক্ষসৰে যেন বায়ু উধালে (অস্থিৰ অৱস্থা সৃষ্টি হ'ল)। মন্দোদৰীৰ বুকুত কঁপনি উঠিল। সমুদ্ৰ, কচ্ছপ, পৃথিৱী আৰু পৰ্বত ত্ৰস্ত হ'ল। দিগ্‌গজবোৰ পৃথিৱীক দাঁতেৰে ধৰি চিঞৰিবলৈ ধৰিলে। এই ধেমালি দেখি দেৱতাসকলে হাঁহিলে।

দোঃ—কাণলৈকে ধনুৰ জোৰ টানি ভয়ংকৰ বাণ এৰিলে। ৰামৰ বাণবোৰ সাপৰ নিচিনাকৈ লহ-লহকৈ যাবলৈ ধৰিলে। ৯১ ॥

চৌঃ—বাণবোৰে পাখিলগা সাপৰ দৰে গৈ প্ৰথমতে সাৰথি আৰু ঘোঁৰাবোৰ মাৰি তাৰ পাছত ৰথখনকে ভাঙি ধ্বজদণ্ড আৰু পতাকা কাটি পেলালে। তেতিয়া ৰাৱণে বৰ জোৰেৰে গৰ্জন কৰিলে যদিও, ভিতৰি ভিতৰি বৰকৈ ভাগৰি পৰিছিল। ১ ॥

সি তুৰন্তেই লজ্জিত হৈ আন ৰথত উঠি নানা প্ৰকাৰৰ অস্ত্ৰ-শস্ত্ৰ প্ৰয়োগ কৰিবলৈ ধৰিলে। তাৰ সকলো চেষ্টাই এনেদৰে নিষ্ফল হৈ গৈছিল, যেনেদৰে পৰদ্ৰোহত ৰত মানুহৰ চেষ্টা নিষ্ফল হৈ পৰে। ২ ॥

তেতিয়া সেই ৰাৱণে দহপাট শূল মাৰি পঠিয়ালে আৰু ৰামৰ ৰথৰ চাৰিটা ঘোঁৰা মাৰি মাটিত পেলালে। ঘোঁৰা তুলি ৰামেও খঙেৰে ধনু টানি শৰ এৰিবলৈ ধৰিলে। ৩ ॥

ৰাৱণৰ শিৰৰূপী কমলবনত বিচৰণ কৰা ৰঘুবীৰৰ বাণৰূপী ভ্ৰমৰবোৰ শাৰীয়ে শাৰীয়ে উৰিল। তেওঁ ৰাৱণৰ দহোটা মূৰলৈ দহপাট শৰ মাৰিলে। শৰ মূৰৰ মাজেদি সৰকি গ'ল আৰু তাৰপৰা ধাৰাসাৰে তেজ ব'বলৈ ধৰিলে। ৪ ॥

সেইদৰে তেজ বৈ থকা অৱস্থাতেই বলবান ৰাৱণে খেদা মাৰি আহিল। প্ৰভুৱে আকৌ ধনুত শৰ সন্ধান কৰিলে। তেওঁ ত্ৰিশপাত শৰ মাৰি ৰাৱণৰ কুৰিখন হাত আৰু দহোটা মূৰ কাটি মাটিত পেলালে। ৫ ॥

কটাৰ পাছতেই আকৌ মূৰ আৰু হাত নতুনকৈ হ'ল। ৰামে আকৌ সেইবোৰ মূৰ আৰু হাত কাটি পেলালে। এইদৰে বহুতবাৰ প্ৰভুৱে ৰাৱণৰ হাত আৰু মূৰ কাটিলে; কিন্তু কটাৰ লগে লগেই তৎক্ষণাৎ নতুন নতুন মূৰ আৰু হাত ওলাই পৰে। ৬ ॥

প্ৰভুৱে বাৰে বাৰে হাত আৰু মূৰ কাটে; কিয়নো কোশলাধিপতি

অতি কৌতুকপ্ৰিয়। আকাশ ৰাৱণৰ হাত আৰু মূৰেৰে ঢাকি পেলালে, যেন অসংখ্য ৰাহু-কেতুৱে ওলালে। ৭ ॥

ছন্দঃ—যেন বহুত ৰাহু-কেতুৱে তেজ খোৱাই আকাশ পথেদি ল'ৰি যাবলৈ ধৰিছে। ৰঘুবীৰৰ প্ৰচণ্ড শৰ বাৰে বাৰে লগা বাবে সেইবোৰ মাটিত পৰিবলৈকে নাপায়। একোপাত শৰেই মূৰবোৰ ছিঙি আকাশত উৰি যোৱা দৃশ্য এনেহে লাগিছে যেন—সূৰ্যৰ কিৰণে খং কৰি ৰাহুবোৰক য'তে যেনেকৈ পাইছে, ত'তে তেনেকৈ চিলাই কৰি পেলাইছে।

দোঃ—প্ৰভুৱে তাৰ মূৰ যিমানেই কাটিছে সিমানেই অপাৰ হৈ বাঢ়িবলৈ ধৰিছে, যেন বিষয়-ভোগৰপৰা কামনাহে দিনে দিনে বাঢ়ি গৈছে। ৯২ ॥

চৌঃ—নিজৰ মূৰ বাঢি যোৱা দেখি দশানন ৰাৱণে মৃত্যুৰ কথা পাহৰি অতি ক্ৰুদ্ধ হৈ পৰিল আৰু সেই মহা অভিমানী মূৰ্খই গৰ্জন কৰি দহোখন ধনু টানি খেদি গ'ল। ১ ॥

ৰণক্ষেত্ৰত ৰাৱণে ক্ৰুদ্ধ হৈ বাণ-বৰ্ষা কৰি ৰামৰ ৰথ ঢাকি পেলালে। এক দণ্ডমানলৈকে ৰথ দেখাই নগ'ল, যেন কুঁৱলীয়ে সূৰ্যহে ঢাকি ধৰিলে। ২ ॥

[এই দৃশ্য দেখি] যেতিয়া দেৱতাসকলে হাহাকাৰ কৰিলে, তেতিয়া প্ৰভুৱে খঙেৰে ধনু তুলি লৈ শত্ৰুৰ বাণ দূৰ কৰি শত্ৰুৰ শিৰচ্ছেদো কৰিলে আৰু নিজৰ শৰেৰে দিশ-বিদিশ আকাশ-পৃথিৱী সকলো ঢাকি পেলালে। ৩ ॥

কটা মূৰবোৰে আকাশেদি লৰ মাৰোঁতেও জয় জয় শব্দ কৰি সন্ত্ৰাসৰ সৃষ্টি কৰে। "লক্ষ্মণ আৰু বানৰৰাজ সুগ্ৰীৱ ক'ত আছে? কোশলপতি ৰঘুবীৰ ক'ত আছে?"। ৪ ॥

ছন্দঃ—ৰাম ক'ত? এইবুলি কৈ ৰাৱণৰ মূৰবোৰ লৰ মাৰি যোৱা দেখি বান্দৰবোৰ ভয়ত পলালে। তেতিয়া ধনুত শৰ সন্ধান কৰি ৰঘুকুলমণি ৰামে হাঁহি মাৰি শৰেৰে সেই মূৰবোৰ চিলাই কৰি পেলালে। হাতত মূৰবোৰৰ মালা লৈ কালিকাবোৰ জুমে জুমে গোট খালেহি আৰু তেজৰ সোঁতত গা ধুই গ'লগৈ, যেন সংগ্ৰামৰূপী বট বৃক্ষৰ পূজা কৰিবলৈহে গৈছে।

দোঃ—তাৰ পাছত ক্ৰুদ্ধ দশমুণ্ডই বিভীষণৰ গালৈ শক্তিশেল প্ৰয়োগ কৰিলে। সি কালদণ্ড (যমদণ্ড) ৰ দৰে বিভীষণৰ ফালে যাবলৈ ধৰিলে। ৯৩ ॥

চৌঃ—অত্যন্ত ভয়ানক শক্তি অহা দেখি, শৰণাগতক ৰক্ষা কৰাটো মোৰ প্ৰতিজ্ঞা বুলি ভাবি ৰামে তৎক্ষণাৎ বিভীষণক আঁৰ কৰি নিজে সমুখলৈ আহি সেই শক্তিশেল সহ্য কৰিলে। ১ ॥

শক্তি লগা বাবে ৰাম অলপ সময়ৰ বাবে মূৰ্চ্ছিত হ'ল। প্ৰভুৱে এইটো মাত্ৰ লীলা দেখুৱালে ; কিন্তু দেৱতাসকল বিকল হৈ পৰিল। প্ৰভুৱে কষ্ট পোৱা দেখি বিভীষণো হাতত গদা লৈ খেদা মাৰি গ'ল। ২ ॥

[বিভীষণে ক'লে—] "হেৰ দুৰ্ভগীয়া, দুষ্ট, নীচ আৰু দুৰ্বুদ্ধি! তই দেৱতা, মনুষ্য, মুনি, নাগ সকলোৰেই শত্ৰুতা কৰিলি। তই আদৰেৰে শিৱক নিজৰ মূৰ উৎসৰ্গা কৰিলি, সেইবাবে এটা মূৰৰ পৰিবৰ্তে বহুত মূৰ পালি। ৩ ॥

হেৰ দুষ্ট! তই সেই কাৰণেই এতিয়ালৈকে বাচি আছ। এতিয়া কাল তোৰ মূৰৰ ওপৰত নাচিছে। হেৰ দুৰ্বুদ্ধি! তই ৰামৰ বিৰোধাচৰণ কৰি সুখ-সম্পদ বিচাৰিছ?" এইবুলি কৈ বিভীষণে ৰাৱণৰ মাজবুকুত গদাৰ কোব শোধালে। ৪ ॥

ছন্দঃ—মাজবুকুত কঠোৰ গদাৰ টান আঘাত লগা মাত্ৰেই ৰাৱণ মাটিত বাগৰি পৰিল। তাৰ দহোখন মুখৰপৰা তেজ ওলাবলৈ ধৰিলে। সি নিজক চম্ভালি তাৰ পাছত আকৌ অতি ক্ৰুদ্ধ হৈ খেদি আহিল। অত্যন্ত বলৱান দুয়োজন যোদ্ধাই মল্লযুদ্ধত নামিল আৰু এজনে আনজনক প্ৰহাৰ কৰিবলৈ ধৰিলে। ৰঘুবীৰৰ বলেৰে গৰ্বিত বিভীষণে ৰাৱণক বস্তু বুলিয়েই নাভাবিলে।

দোঃ—(শিৱই কৈছে) "হেৰা উমা! বিভীষণে কেতিয়াবা ৰাৱণৰ আগত চকু তুলি জানো চাব পাৰিছিল? কিন্তু এতিয়া সেই বিভীষণেই কালমূৰ্তি ধৰি ৰামৰ প্ৰভাৱত ৰাৱণৰ লগত যুঁজিছে।" ৯৪ ॥

চৌঃ—বিভীষণক ভাগৰি পৰা দেখি পৰ্বত হাতত লৈ হনুমান খেদা মাৰি আহিল। তেওঁ সেই পৰ্বতেৰে ৰাৱণৰ ৰথ, ঘোঁৰা আৰু সাৰথিক নিপাত কৰি ৰাৱণৰ বুকুত গোৰ মাৰি দিলে। ১ ॥

ৰাৱণ থিয় হৈয়ে থাকিল ; কিন্তু গাটো বৰকৈ কঁপিবলৈ ধৰিলে। বিভীষণ তালৈ উভতিল, য'ত শৰণাগত পালক ৰাম আছিল। তাৰ পাছত ৰাৱণে ৰণলৈ আহ্বান জনাই হনুমানক আঘাত কৰিলে। তেওঁ নেজ মেলি আকাশলৈ জাপ মাৰিলে। ২ ॥

ৰাৱণে হনুমানৰ নেজত থাপ মাৰি ধৰিলে। হনুমানো ৰাৱণক লৈ ওপৰ উঠিল। তাৰ পাছত উলটি আহি মহাবলৱান হনুমানে ৰাৱণৰ লগত যুঁজিবলৈ লাগিল। দুয়ো সমান যোদ্ধাই আকাশত যুঁজি এজনে আনজনক ক্ৰোধেৰে আঘাত কৰিবলৈ ধৰিলে। ৩ ॥

নানাপ্ৰকাৰৰ ছলে-বলে যুঁজ কৰা দুয়োজন আকাশত এনেদৰে শোভা

পাইছিল যেন কাজলৰ পৰ্বত আৰু সুমেৰু পৰ্বতেৰে যুদ্ধ কৰিছে। যেতিয়া বুদ্ধি আৰু বলেৰে ৰাক্ষসক পেলালেও নপৰা হ'ল, তেতিয়া পৱনপুত্ৰ হনুমানে প্ৰভুক স্মৰণ কৰিলে। ৪ ॥

ছন্দঃ—শ্ৰীৰঘুবীৰক স্মৰণ কৰি বীৰ হনুমানে প্ৰত্যাহ্বান জনাই ৰাৱণক আঘাত কৰিলে। তেওঁলোক দুয়ো মাটিত পৰে আৰু আকৌ উঠি যুঁজে। দেৱতাসকলে দুয়োৰে জয় ঘোষণা কৰে। হনুমানৰ সংকট দেখি [ইয়াৰ পাছত] বান্দৰ-ভালুক কিছুমানেও ক্ৰোধেৰে খেদি গ'ল ; কিন্তু ৰণোন্মত্ত ৰাৱণে সকলোকে নিজৰ প্ৰচণ্ড ভুজবলেৰে মোহাৰি পেলালে।

দোঃ—তেতিয়া ৰঘুবীৰ ৰামে আহ্বান জনোৱাত প্ৰচণ্ড বীৰ বান্দৰসকল আগবাঢ়ি আহিল। বান্দৰ বীৰৰ তাণ্ডৱ দল দেখি ৰাৱণে আকৌ মায়া প্ৰকাশ কৰিলে। ২৫ ॥

চৌঃ—অলপ সময়ৰ বাবে ৰাৱণ অদৃশ্য হৈ পৰিল। তাৰ পাছত সেই ধূৰ্তই বহুত ৰূপ ধৰিলে। ৰামৰ সেনাদলত যিমানবোৰ ভালুক আৰু বান্দৰ আছিল, সিমানবোৰ ৰাৱণ চাৰিওফালে য'তে ত'তে দেখা গ'ল। ১ ॥

বান্দৰবোৰে অসংখ্য ৰাৱণ দেখি যেনিয়ে তেনিয়ে পলাবলৈ ধৰিলে। সিহঁত অধৈৰ্য হৈ পৰিল। "হে লক্ষ্মণ ! হে ৰঘুনাথ ! ৰক্ষা কৰক, ৰক্ষা কৰক"—এই দৰে চিঞৰিবলৈ ধৰিলে। ২ ॥

দশোদিশে অগণন ৰাৱণে খেদি আহিছে আৰু ভয়ানক কঠোৰ গৰ্জন কৰিছে। সকলো দেৱতাই ভয় খালে আৰু এইবুলি কৈ পলাবলৈ ধৰিলে— "ভাইহঁত ! এতিয়া জয় লাভৰ আশা এৰি দিয়া। ৩ ॥

এটা ৰাৱণেই সকলো দেৱতাক জয় কৰিছিল, এতিয়াতো অসংখ্য ৰাৱণ হ'ল। গতিকে এই সময়ত পৰ্বতৰ গুহাত আশ্ৰয় লোৱাঁ।" এনে অৱস্থাত ব্ৰহ্মা, শিৱ আৰু জ্ঞানী মুনি জনদিয়েকহে স্থিৰ ভাৱে তাত ৰহি থাকিল, যিসকলে প্ৰভুৰ মহিমা জানিছিল। ৪ ॥

ছন্দঃ—প্ৰভুৰ প্ৰতাপ জনাসকল নিৰ্ভয় মনেৰে স্থিৰ হৈ থাকিল। বান্দৰ-বিলাকে বহুত ৰাৱণ সঁচা বুলিয়েই ধৰি ল'লে। গতিকে সকলো বান্দৰ-ভালুকেই অস্থিৰ হৈ—"হে কৃপালু ! ৰক্ষা কৰক" বুলি চিঞৰি ভয়ত পলাবলৈ ধৰিলে। অতি বলৱান ৰণপটু হনুমান, অংগদ, নীল আৰু নলে যুঁজি যুঁজি মায়াৰ ক্ষেত্ৰত গজি ওলোৱা অংকুৰৰ নিচিনা যুঁজাৰু অসংখ্য ৰাৱণক মোহাৰি কেনেকৈ পেলাইছে।

দোঃ—দেৱতা আৰু বান্দৰবোৰক বিকল হোৱা দেখি কোশলাধীশ ৰামে হাঁহি মাৰি শাৰংগ ধনুত বাণ তুলি সকলো মায়াবাৰণ বধ কৰিলে । ৯৬ ॥

চৌঃ—প্ৰভুৱে পলকতে মায়াবোৰ কাটিলে । সূৰ্য উদয় হ'লে যেনেকৈ আন্ধাৰ দূৰ হয়, সেইদৰে মায়া দূৰ হোৱাত এটা ৰাৱণ দেখি দেৱতাসকলে আনন্দ পালে আৰু তেওঁলোকে উভতি আহি প্ৰভুৰ ওপৰত বহুত পুষ্প বৃষ্টি কৰিলে । ১ ॥

ৰঘুনাথে হাত দাঙি সকলো বান্দৰকে মাতিলে আৰু বান্দৰবোৰৰ এটাই আনটোক মাতি মাতি উভতিলে । প্ৰভুৰ বলেৰে বলী বান্দৰবোৰে আকৌ খেদি গ'ল । তৎক্ষণাৎ জপিয়াই জপিয়াই সিহঁত ৰণক্ষেত্ৰত নামিল । ২ ॥

দেৱতাসকলে ৰামক স্তুতি কৰা দেখি ৰাৱণে ভাবিলে যে মই এটা হৈ পৰাত [মায়াহীন হোৱাত] ইহঁতে ভাল পাইছে । সেই কাৰণে খঙেৰে ৰাৱণে ক'লে—"হেৰ মূৰ্খহঁত ! সদায় তইঁতে মোৰ হাতত মজা পাই আছ ।" এই বুলি কৈ ৰাৱণ আকাশ স্থিত দেৱতাসকলৰ ফালে খেদা মাৰি গ'ল । ৩ ॥

দেৱতাসকল হায় ! হায় !! কৰি পলাল । [ৰাৱণে ক'লে] "দুষ্টহঁত ! মোৰ আগৰপৰা ক'লৈ যাবিবি ? তেতিয়া দেৱতাসকলক ব্যাকুল হৈ পৰা দেখি অংগদ খেদা মাৰি গ'ল আৰু জাফ মাৰি ৰাৱণৰ ভৰি চুটাত ধৰি লৈ মাটিত থেকেচা মাৰি পেলাই দিলে । ৪ ॥

ছন্দঃ—ৰাৱণক ধৰি মাটিত পেলাই বুকুত গোৰ মাৰি বালীসুত অংগদ প্ৰভুৰ ওচৰলৈ গ'ল । তাৰ পাছত ৰাৱণ আকৌ সুস্থিৰ হৈ উঠিল আৰু অতি ভয়ংকৰ কৰ্কশ শব্দেৰে গৰ্জিবলৈ ধৰিলে । সি গৰ্ব কৰি দহোখন ধনুতে শৰ যুৰি বাণ বৰ্ষণ কৰিবলৈ লাগি গ'ল ॥ এইদৰে সকলো যোদ্ধাকে আহত আৰু ভয়বিহ্বল কৰিব পৰা নিজৰ বল দেখি ৰাৱণে আনন্দ পালে ।

দোঃ—তেতিয়া ৰঘুপতিয়ে ৰাৱণৰ শিৰ, বাহু, বাণ আৰু ধনু কাটি পেলালে ; কিন্তু সেইবোৰ আকৌ বহুত বাঢ়ি গ'ল, যেন তীৰ্থত কৰা পাপহে বৃদ্ধি পালে ।" ৯৭ ॥

চৌঃ—শত্ৰুৰ মূৰ আৰু বাহু বাঢ়ি অহা দেখি ভালুক-বান্দৰবোৰৰ বৰ ক্ৰোধ উৎপন্ন হ'ল । এই মূৰ্খটো হাত আৰু মূৰ কাটিলেও নমৰে । এই বুলি কৈ বান্দৰ আৰু ভালুক যোদ্ধাবোৰ খঙেৰে খেদি গ'ল । ১ ॥

বালীপুত্ৰ অংগদ, হনুমান, নল, নীল, বানৰৰাজ সুগ্ৰীৱ আৰু দ্বিবিদ প্ৰভৃতি বলৱান বান্দৰ বীৰবিলাকে ৰাৱণৰ ওপৰত বৃক্ষ আৰু পৰ্বত খণ্ড লৈ প্ৰহাৰ কৰে ; কিন্তু সি সেইবোৰকে লৈ বান্দৰবোৰকো মাৰে । ২ ॥

কোনোবা একোটা বান্দৰে মথেৰে অক্ৰুক (ৰাৱণক) কা'ল ল'ব খোজে আৰু কোনোবা এটাই গোৰ মাৰি পলায়। নল আৰু নীলে ৰাৱণৰ মূৰৰ ওপৰত উঠি কপালত আঁচুৰিবলৈ ধৰিলে। ৩ ॥

তেজ বৈ যোৱা দেখি মনতে বৰ দুঃখ পাই নল-নীলক ধৰিবৰ কাৰণে ৰাৱণে হাত মেলিলে; কিন্তু তেওঁলোক হাতৰ মুঠিলৈ নাহিল। হাতৰ ওপৰে ওপৰে খাপি দি ফুৰিলে যেন দুটা ভোমোৰাহে কমলবনত বিচৰণ কৰি খেলি আছে। ৪ ॥

তেতিয়া খঙেৰে জাপ মাৰি দুয়োকে ধৰিলে; কিন্তু মাটিত খেকেচা মাৰি পেলাবৰ সময়ত ৰাৱণৰ হাতৰপৰা পাক মাৰি এৰাই ল'ব দিলে। ৰাৱণে প্ৰচণ্ড দহখন ধনু লৈ বান্দৰবোৰক বাণেৰে আহত কৰিলে। ৫ ॥

হনুমান আদি সকলো বান্দৰকে মূৰ্চ্ছিত কৰি আৰু সন্ধ্যা সময় হোৱা দেখি ৰাৱণ আনন্দিত হ'ল। সেই সময়ত সকলো বান্দৰ বীৰকে মূৰ্চ্ছিত হোৱা দেখি ৰণধীৰ জাম্ববন্ত খেদা মাৰি আহিল। ৬ ॥

জাম্ববন্তৰ লগত যিবোৰ ভালুক আছিল, সেইবোৰেও পৰ্বত আৰু গছ লৈ ৰাৱণক ফেপেৰি পাতি গালি সোধাই মাৰিবলৈ লাগিল। বলবান ৰাৱণেও ক্ৰুদ্ধ হৈ ভৰিত ধৰি ধৰি বহুত বান্দৰ মাটিত খেকেচিবলৈ ধৰিলে। ৭ ॥

জাম্ববন্তই নিজৰ দলৰ দুৰ্দশা দেখি খঙেৰে ৰাৱণৰ বুকুত গোৰ মাৰি পঠিয়ালে! ৮ ॥

ছন্দঃ—বুকুত প্ৰচণ্ড গোৰ খাই ৰাৱণ ব্যাকুল হৈ ৰথৰ পৰা মাটিলৈ খহি পৰিল। সি কুৰিওখন হাতেৰেই ভালুক কিছুমান ধৰি আছিল। সেইবোৰ দেখিবলৈ এনে হৈছিল যেন ৰাতি হোৱাত ভোমোৰাবোৰ পদুমফুলতে থাকি গ'ল। ৰাৱণক মূৰ্চ্ছিত হোৱা দেখি আকৌ এবাৰ পদাঘাত কৰি জাম্ববন্ত প্ৰভুৰ ওচৰলৈ গ'লগৈ। ৰাতি হোৱা দেখি ইফালে সাৰথিয়েও ৰাৱণক ৰথত তুলি লৈ চেতনা ঘূৰাই আনিবৰ কাৰণে যত্ন কৰিবলৈ ধৰিলে।

দোহাঃ—মূৰ্চ্ছা দূৰ হোৱাৰ পাছত সকলো বান্দৰ আৰু ভালুক প্ৰভুৰ ওচৰলৈ আহিল। ৰাক্ষসবোৰেও ৰাৱণক বৰ ত্ৰস্ত হৈ ঘেৰি ধৰিলে। ৯৮ ॥

চৌঃ—সেই নিশা ত্ৰিজটা সীতাৰ ওচৰলৈ গ'ল আৰু তাই সকলো কথা কৈ শুনালে। ৰাৱণৰ মূৰ আৰু হাতবোৰ বাঢ়ি ওলোৱা কথা শুনি সীতাৰ মনত বৰ ভয় হ'ল। ১ ॥

তেওঁৰ মুখ মলিন হ'ল, মনত চিন্তা হ'ল। তেতিয়া সীতাই ত্ৰিজটাক

ক'লে—"হে আই! কি হ'ব, নোকোৱা কেলেই? সমস্ত বিশ্বকে দুঃখ দিয়া এই ৰাৱণ কেনেকৈ মৰিব? ২ ॥

ৰঘুপতিৰ শৰে মূৰ কাটিলেও নমৰে! বিধাতাই সকলো আচৰিত কাৰ্য কৰিছে। আচলতে মোৰ দুৰ্ভাগ্যৰ কাৰণেই সি জীয়াই আছে; যাৰ বাবে মই ভগৱানৰ চৰণকমলৰ পৰা বঞ্চিত হৈ আছোঁ। ৩ ॥

যি মায়াৰ বলেৰে মিছা স্বৰ্ণমৃগ সৃষ্টি কৰিলে, সেই দৈৱ এতিয়াও মোৰ প্ৰতি রুষ্ট। যি বিধাতাই মোক অসহনীয় দুঃখ সহাইছে আৰু লক্ষ্মণকো কটু বচন বোলালে, যি দৈৱই ৰঘুনাথৰ বিৰহৰূপী অতি বিষাক্ত বাণেৰে মোক চাই চাই বহুবাৰ মাৰিছে আৰু এনে দুঃখতো যি মোক জীয়াই ৰাখিছে, সেই বিধাতায়ে ৰাৱণকো জীয়াই ৰাখিছে, আন কোনেও নহয় নাই।" ৪।৫ ॥

কৃপানিধান শ্ৰীৰামৰ কথা সুঁৱৰি সুঁৱৰি জানকীয়ে অনেক প্ৰকাৰে বিলাপ কৰিবলৈ ধৰিলে। তেতিয়া ত্ৰিজটাই ক'লে—"ৰাজকুমাৰী, শুনা। দেৱতাৰ শত্ৰু ৰাৱণ হৃদয়ত বাণ লাগিলেই মৰিব। ৬ ॥

ৰাৱণৰ হৃদয়ত জানকী আছে বুলি জানি প্ৰভুৱে তাৰ হৃদয়লৈ বাণ মৰা নাই। ৭ ॥

ছঃ—ইয়াৰ হৃদয়ত জানকীৰ নিবাস, জানকীৰ হৃদয়ত মোৰ নিবাস আৰু মোৰ উদৰত অনেক ভুৱন আছে। গতিকে ৰাৱণৰ হৃদয়ত বাণ লাগিলেই সেই সকলো ভুৱন নষ্ট হ'ব (ৰামে এইবুলি ভাবি ৰাৱণৰ হৃদয়লৈ বাণ প্ৰয়োগ কৰা নাই)।" এইকথা শুনি জানকীৰ হৃদয়ত হৰ্ষ আৰু বিষাদ দুয়োটাই বেছিকৈ হোৱা দেখি ত্ৰিজটাই আকৌ ক'লে—"হে সুন্দৰী! মনৰ ভয়ংকৰ সন্দেহ এৰি দিয়া। এতিয়া শুনা। শত্ৰু এইদৰে মৰিব।

দোঃ—বাৰে বাৰে শিৰচ্ছেদ হওঁতে হওঁতে যেতিয়া ৰাৱণ বিকল হৈ পৰিব আৰু সি তোমাৰ কথা পাহৰি যাব, তেতিয়া সৰ্বজ্ঞ ৰামে তাৰ হৃদয়লৈ বাণ প্ৰয়োগ কৰিব।" ৯৯ ॥

চৌঃ—এইবুলি কৈ সীতাক বহুত প্ৰকাৰে বুজনি দি ত্ৰিজটা আকৌ নিজৰ ঘৰলৈ গ'ল। ৰামৰ স্বভাৱৰ কথা সুঁৱৰি জানকীৰ মনতো বিৰহৰ দুঃখ বাঢ়িল। ১ ॥

তেওঁ ৰাতি আৰু চন্দ্ৰক বহুত প্ৰকাৰে নিন্দা কৰিবলৈ ধৰিলে। [মনতে ক'লে—] "ৰাতিটো যুগ এটাৰ সমান দীঘল হৈ পৰিল, অন্ত নহয়ে হে নহয়।" এইদৰে সীতাই ৰামৰ বিৰহত দুখী হৈ মনে মনে কান্দিবলৈ ধৰিলে। ১ ॥

যেতিয়া বিৰহৰ কাৰণে হৃদয় অত্যন্ত দগ্ধ হ'বলৈ ধৰিলে, তেতিয়াই জেওঁৰ বাওঁ চকু আৰু বাওঁ বাহু লৰি উঠিল। কুলক্ষণ দেখি মনতে এইবুলি ধৈৰ্য ধৰিলে যে—"এতিয়া কৃপাময় ৰঘুবীৰক নিশ্চয় পাম।" ৩ ॥

ইফালে মাজৰাতি ৰাৱণে চেতনা পাই নিজৰ সাৰথিক খং কৰি এইদৰে ক'বলৈ ধৰিলে—"হেৰ মূৰ্খ! তই মোক ৰণভূমিৰপৰা আঁতৰাই আনিলি। হেৰ অধম! মন্দবুদ্ধি! তোক ধিক্কাৰ। ধিক্কাৰ!" ৪ ॥

সাৰথিয়ে ৰাৱণক ভৰিত ধৰি নানা প্ৰকাৰে বুজালে। ৰাতিপুৱালতে সি ৰথত উঠি আকৌ যুদ্ধ ক্ষেত্ৰলৈ গ'ল। ৰাৱণ অহা বুলি শুনি বান্দৰ সেনাবোৰৰ মাজত আকৌ হৈচৈ লাগিল। ৫ ॥

সেনাবোৰে য'তে পালে তৰেপৰা পৰ্বতখণ্ড আৰু গছ উঘালি লৈ দাঁত চোবাই খেদি আহিল। ৬ ॥

ছন্দঃ—বিকৃতাকাৰ আৰু ভয়ানক বান্দৰ-ভালুকবোৰে হাতত পৰ্বত লৈ অতি ক্ৰুদ্ধ হৈ প্ৰহাৰ কৰিবলৈ ধৰিলে। মাৰ খাই ৰাক্ষসসেনা পলাবলৈ লাগিল। বলৱান বান্দৰবোৰে শত্ৰুসেনা খেদি দি ৰাৱণক ঘেৰি ধৰিলে আৰু চাৰিওফালৰপৰা চকা মাৰি নখেৰে গাত আঁচুৰি ব্যতিব্যস্ত কৰি তুলিলে।

দোঃ—বান্দৰবোৰক বৰ শক্তিশালী হোৱা দেখি ৰাৱণে উপায় চিন্তা কৰিলে আৰু অন্তৰ্ধান হৈ ক্ষণেকতে মায়া বিস্তাৰ কৰিলে। ১০০ ॥

ছন্দঃ—যেতিয়া ৰাৱণে মায়া বিস্তাৰ কৰিলে, তেতিয়া ভয়ংকৰ জীৱ কিছুমান দেখা গ'ল। বেতাল, ভূত আৰু পিশাচ কিছুমান হাতত ধনু-শৰ লৈ ওলাল। ১ ॥

যোগিনীয়ে এহাতে তৰোৱাল আৰু আনহাতে নৰমুণ্ড লৈ কেঁচা তেজ পি নাচিবলৈ আৰু নানা গান গাবলৈ ধৰিলে। ২ ॥

তাইঁহঁতে ধৰ, মাৰ আদি ভয়ানক শব্দ কৰিবলৈ ধৰিলে। চাৰিওফালে এনে ধ্বনি শুনা গ'ল। তাইঁহঁতে মুখ মেলি খাবলৈ খেদি যোৱা দেখি বান্দৰবোৰ পলাবলৈ ধৰিলে। ৩ ॥

বান্দৰ সেনা যেনিয়ে পলায়, তেনিয়ে জুই থকা দেখা পায়। এই কাৰণে বান্দৰ-ভালুকবোৰ নিৰুপায় হৈ পৰিল। তাৰ পাছত ৰাৱণে বালি বৰষিবলৈ ধৰিলে। ৪ ॥

বান্দৰবোৰক য'তে ত'তে দুৰ্বল অৱস্থাত পেলাই ৰাৱণে আকৌ গৰ্জন কৰিলে। লক্ষ্মণ আৰু সুগ্ৰীৱ সহ সকলো বীৰ অচেতন হৈ পৰিল। ৫ ॥

হে ৰাম! হে ৰঘুনাথ! বুলি মাতি শ্ৰেষ্ঠ বান্দৰ বীৰবোৰে দুখ কৰিবলৈ

লাগিলে। এইদৰে সকলোকে দুৰ্বল কৰি ৰাৱণে অন্য মায়া বিস্তাৰ কৰিলে। ৬ ॥

বহুত হনুমান ওলাল আৰু শিল লৈ খেদি আহিল। সিইঁতে চাৰিওফালে এলন্দ হৈ ৰামক বেৰি ধৰিলে। ৭ ॥

সেই মায়া হনুমানবোৰে নেজ দাঙি দাঁত কামুৰি 'মাৰ, ধৰ, যাবলৈ নিদিবি' এনে ধৰণৰ শব্দ কৰি চিঞৰিলে। সিইঁতৰ নেজবোৰ কেউফালে আৰু ৰামক তাৰ মাজত দেখা গ'ল। ৮ ॥

ছঃ—সেইবিলাকৰ মাজত কোশলৰাজৰ শ্যাম শৰীৰ এনেদৰে সুন্দৰ দেখা গ'ল, যেন ওখ তমাল গছৰ কাষেৰে তাৰ চাৰিওফালে বহুত ইন্দ্ৰ ধনুৰে বেৰা দিয়া হ'ল।

প্ৰভুক দেখি দেৱতাসকলে হৰ্ষ-বিষাদ মিশ্ৰিত অন্তৰেৰে জয় জয় ধ্বনি কৰিলে। তেতিয়া ৰঘুনাথে ক্ৰোধ কৰি এপাট শৰ মাৰি পলকৰ ভিতৰতে ৰাৱণৰ সকলো মায়া হৰণ কৰিলে ১ ॥

মায়া দূৰ হোৱাত বান্দৰ-ভালুকবিলাকে হৰ্ষ মনেৰে আকৌ পৰ্বত আৰু গছ লৈ খেদি আহিল। শ্ৰীৰামেও আকৌ বাণ মাৰি ৰাৱণৰ হাত আৰু মূৰ কাটিবলৈ ধৰিলে। শ্ৰীৰাম আৰু ৰাৱণৰ যুদ্ধৰ বৰ্ণনা যদি এশ অনন্তনাগে, সৰস্বতী, বেদ আৰু কবিসকলে কল্প কল্প জুৰিও গায়, তথাপি তাৰ অন্ত নহয়। ২ ॥

দোঃ—তাৰে কিছু গুণ বৰ্ণনা মন্দবুদ্ধি তুলসীদাসে কৰিছে। যেনেকৈ মাখিও নিজৰ শক্তি অনুসৰি আকাশত উৰে। ১০১। (ক)

মূৰ আৰু হাত বহুতবাৰ কটা গ'ল, তথাপি বীৰ ৰাৱণ নমৰে। প্ৰভুৱে এইবোৰ লীলা কৰিছে, কিন্তু মুনি, সিদ্ধ আৰু দেৱতাসকলে প্ৰভুৰ কষ্ট হোৱা বুলি ভাবি মনতে বৰ দুখী হৈ পৰিছে। ১০১ (খ)

চৌঃ—কাটিলেই মূৰবোৰ আকৌ সেইদৰে ওলাই আছে; যিদৰে লাভ হ'লে যাবে প্ৰতি লাভো বাঢ়িহে যায়। শত্ৰু নমৰা হ'ল; কিন্তু পৰিশ্ৰম বহুত হ'ল। তেতিয়া শ্ৰীৰামচন্দ্ৰই বিভীষণৰ ফালে চালে। ১ ॥

[শিৱই ক'লে—] "উমা! যাৰ ইচ্ছাত কালৰো মৃত্যু হয়; সেই প্ৰভুৱে সেৱকসকলৰ প্ৰীতি ভাবৰ পৰীক্ষা লৈ আছে।" [ৰামে চোৱা দেখি বিভীষণে ক'লে—] "হে সৰ্বজ্ঞ! হে চৰাচৰ জগতৰ পৰাণী! হে শৰণাগত আৰু দেৱতা তথা মুনিসকলৰ সুখদাতা! শুনক। ২ ॥

এই ৰাৱণৰ নাভিকুণ্ডত অমৃত আছে। হে প্ৰভু ৰাৱণ তাৰ বলতেই

জীয়াই থাকে। বিভীষণৰ কথা শুনা মাত্ৰেই কৃপালু ৰামে আনন্দিত হৈ হাতত ভয়ানক বাণ তুলি ল'লে। ৩ ॥

সেই সময়ত নানা ধৰণৰ অমংগলৰ সূচনা হ'ল। বহুত গাধ, শিয়াল আৰু কুকুৰে কান্দিবলৈ ধৰিলে। জগতৰ অশুভ সূচনা কৰা চৰায়েও মাতিলে। আকাশৰ য'তে ত'তে ধূমকেতু ওলাল। ৪ ॥

দশোদিশ অত্যন্ত উত্তপ্ত হৈ পৰিল। বিনা তিথিতে সূৰ্যগ্ৰহণ হ'ল। মন্দোদৰীৰ হৃদয় বৰকৈ কঁপি উঠিল। মূৰ্তিবোৰৰ চকুতো পানী ওলাল। ৫ ॥

ছন্দঃ—প্ৰতিমাই কান্দিলে; আকাশৰপৰা বজ্ৰপাত হ'ল; অত্যন্ত প্ৰচণ্ড বতাহ বলিবলৈ ধৰিলে; পৃথিৱী লৰিলে; ডাৱৰে তেজ, চুলি আৰু ধূলি বৰ্ষণ কৰিলে। এইদৰে ইমান বেছি অমংগল ঘটিল যে তাৰ বৰ্ণনা দিব নোৱাৰি। অপৰিমিত উৎপাত দেখি আকাশত দেৱতাসকলে আতুৰ হৈ জয় জয় ধ্বনি কৰিবলৈ লাগিল। দেৱতাসকলক ভয় পোৱা দেখি কৃপালু ৰঘুনাথে বাণ এৰিব খুজিলে।

দোঃ—কাণলৈকে টানি ৰঘুনাথে একত্ৰিশ পাত বাণ এৰিলে। ৰামৰ এই বাণবোৰ এনেদৰে গ'ল, যেন বাণ নহয় কাল সৰ্পহে। ১০২ ॥

চৌঃ—এপাত শৰে ৰাৱণৰ নাভিকুণ্ডৰ অমৃত শোষণ কৰিলে। বাকীবোৰ শৰে মূৰ আৰু হাতবোৰত লাগি, সেইবোৰ লৈ গ'ল। মূৰ কটা আৰু হাত নোহোৱা শুদা গাটো মাটিতে নাচি থাকিল। ১ ॥

গাটো প্ৰচণ্ড গতিৰে দৌৰাত মাটি বহি গ'ল। তেতিয়া প্ৰভুৱে বাণ মাৰি তাকো দুটুকুৰা কৰি পেলালে। মৰিবৰ সময়তো ৰাৱণ ডাঙৰ মাতেৰে ঘোৰ গৰ্জন কৰি—"ৰাম ক'ত আছে? আহ। যুদ্ধত তোক মাৰোঁ।" এই বুলি ক'লে। ২ ॥

ৰাৱণ পৰিলত পৃথিৱী লৰি উঠিল। সমুদ্ৰ, নদী, দিগ্‌গজ আৰু পৰ্বতবোৰো জোকাৰ খালে। ৰাৱণৰ গাটোও বান্দৰ-ভালুকৰ ওপৰত হেঁচা মাৰি ধৰাকৈ ডাঙৰ হৈ পৰিল। ৩॥

ৰাৱণৰ হাত আৰু মূৰবোৰ মন্দোদৰীৰ আগত পেলাই জগদীশ্বৰ ৰামৰ শৰ নিজ ঠাইলৈ উলটি আহিল আৰু সকলো বাণ তূণত সোমাই থাকিল। এইবোৰ দেখি দেৱতাসকলে জয়-দুন্দুভি বজালে। ৪ ॥

ৰাৱণৰ তেজ (প্ৰকাশ, শক্তি) ৰাশি প্ৰভুৰ মুখত বিলীন হৈ গ'ল। তাকে দেখি শিৱ আৰু ব্ৰহ্মাই সন্তোষ পালে। ব্ৰহ্মাণ্ড জুৰি জয়ধ্বনি হ'ল এই বুলি—"প্ৰবল ভুজশালী ৰঘুপতিৰ জয় হওক।" ৫ ॥

দেৱতা আৰু মুনিসকলে পুষ্প-বৃষ্টি কৰি 'কৃপাময়ৰ জয় হওক, মুকুন্দৰ জয়' হওক বুলি ক'লে। ৬॥

ছন্দঃ—"হে কৃপাৰ মূল, মোক্ষদাতা মুকুন্দ, [ৰাগ-দ্বেষ, হৰ্ষ-বিষাদ, জন্ম-মৃত্যু আদি] দ্বন্দ্বহৰণকাৰী, শৰণাগত সুখদাতা প্ৰভু! হে দুষ্টদল নাশক [কাৰণৰো কাৰণ] পৰম কাৰণ, নিত্যকৰুণাময়, বিভু। আপোনাৰ জয় হওক।" দেৱতা-সকলে আনন্দত ফুল ছটিয়ালে, খুব দুন্দুভি বজালে। ৰণভূমিত ৰামৰ অংগ-প্ৰত্যংগসমূহে বহুজন কামদেৱৰ শোভা লাভ কৰিলে। ১॥

মূৰত জটাই মুকুট হৈছে, তাৰ মাজে মাজে মনোহৰ ফুল শোভা পাইছে। যেন নীলবৰ্ণৰ পৰ্বতত বিজুলীৰ লগতে নক্ষত্ৰবোৰেহে প্ৰকাশ পাইছে। হাতৰ ধনুশৰ ইফাল সিফাল কৰি সদাই থকা ৰামৰ গাত তেজৰ কণিকাও সুন্দৰ দেখা গৈছে; যেন তমাল গছত বহুত যোঁপিয়া চৰাই নিজৰ পৰম আনন্দ উপলব্ধি কৰি স্থিৰভাবে বহি আছে। ২॥

দোঃ—প্ৰভু শ্ৰীৰামে কৃপাদৃষ্টিৰ বৃষ্টিৰে দেৱতাসকলক অভয়দান কৰিলে। বান্দৰ-ভালুকসকলো আনন্দিত হ'ল আৰু সুখৰ আকৰ মুকুন্দৰ জয়ধ্বনি কৰিলে। ১০৩॥

চৌঃ—স্বামীৰ কটামূৰ দেখা পাই মন্দোদৰী মূৰ্চ্ছিত হৈ মাটিত ঢলি পৰিল। অন্তঃ তিৰোতাবোৰে কান্দি কান্দি লৰ মাৰি আহি মন্দোদৰীক তুলি ধৰি তাৰ পাছত ৰাৱণৰ মূৰৰ ওচৰ চাপিল। ১॥

স্বামীৰ দুৰ্দশা দেখি তাইঁতে চিঞৰি চিঞৰি কান্দিবলৈ ধৰিলে। তাইঁতৰ চুলি মুকলি হ'ল, গাৰ খবৰ নোহোৱা হ'ল। হিয়া ভুকুৱাই ভুকুৱাই কান্দিলে আৰু ৰাৱণৰ প্ৰতাপৰ কথা বখানিলে। ২॥

"হে স্বামী! তোমাৰ বলত পৃথিৱী সদায় কঁপি আছিল। অগ্নি, চন্দ্ৰ আৰু সূৰ্যও তোমাৰ ওচৰত নিস্তেজ হৈ পৰিছিল। অনন্ত নাগ আৰু কূৰ্মই যি তোমাৰ ভাৰ অহিব নোৱাৰিছিল, সেই তোমাৰ শৰীৰো ধূলিৰে লেটি লৈ মাটিত পৰি আছে। ৩॥

বৰুণ, কুবেৰ, ইন্দ্ৰ আৰু বায়ু কোনোৱেই যুদ্ধত তোমাৰ সন্মুখ হৈ স্থিৰেৰে ৰ'ব পৰা নাছিল। হে স্বামী! তুমি নিজৰ বাহুবলেৰে কাল আৰু যমৰজাকো পৰাস্ত কৰিছিলা; কিন্তু আজি অনাথৰ দৰে পৰি আছা। ৪॥

তোমাৰ প্ৰভুত্ব জগৎবিদিত। পুত্ৰ আৰু আত্মীয় স্বজনৰ বলৰো বৰ্ণনা

কৰিব নোৱাৰি। ৰামৰ বিমুখ হ'অতেই তোমাৰ এনে দশা হ'ল যে তোমাৰ বংশত কান্দিবলৈকো কোনো বাচি নাথাকিল। ৫ ॥

হে নাথ! বিধাতাৰ সকলো সৃষ্টি তোমাৰ বশ হৈ আছিল। লোকপাল সকলে সদায় ভয়ত তোমাক মূৰ দোঁৱাইছিল। এতিয়া তোমাৰ মূৰ আৰু হাত শিয়ালে খাইছে। ৰামবিৰোধীৰ এই অৱস্থা হোৱাটো অনুচিতো নহয়। ৬ ॥

কালৰ বশ হৈ স্বামীয়ে কাৰো কথা নুশুনিলে আৰু চৰাচৰ জগতৰ স্বামীক (পৰমাত্মাক) মানুহ বুলি ভাবিলে। ৭ ॥

ছন্দ:—দৈত্যৰূপী অৰণ্য দহন কৰিবৰ কাৰণে সাক্ষাৎ অগ্নিস্বৰূপ হৰিক তুমি মনুষ্য জ্ঞান কৰিলা। শিৱ আৰু ব্ৰহ্মা আদি দেৱতাই যাক নমস্কাৰ কৰে, সেই কৰুণাময় ভগৱানক, প্ৰিয়তম! তুমি নভজিলা। তোমাৰ এই শৰীৰটো জন্মৰ পৰাই পৰদ্ৰোহত ৰত আৰু পাপেৰে পূৰ্ণ হ'ল। ইমানতো যি নিৰ্বিকাৰ ৰামে তোমাক পৰমধামত ঠাই দিলে, তেওঁক নমস্কাৰ।

দো:—আহা! হে নাথ! ৰঘুনাথৰ সমান কৃপাৰ সমুদ্ৰ আৰু কোনো নাই। ভগৱানে তোমাক যোগীসকলৰো দুৰ্লভ গতি দিলে।" ১০৪ ॥

চৌ:—মন্দোদৰীৰ কথা কাণেৰে শুনিবলৈ পাই দেৱতা, মুনি আৰু সিদ্ধ সকলোৱেই সুখী হ'ল। ব্ৰহ্মা, শিৱ, নাৰদ আৰু সনকাদি তথা অন্যান্য যি-সকল পৰমাৰ্থ-তত্ত্ববেত্তালোক আছিল, সেই সকলোৱেই ৰঘুনাথক হেঁপাহ পলুৱাই চাই প্ৰেমমগ্ন হৈ পৰিল আৰু সুখ লাভ কৰিলে। ৰাক্ষস-পত্নীবোৰক কন্দা দেখি বিভীষণৰ মনতো বৰ দুখ লাগিল আৰু তেওঁ সেইবিলাকৰ ওচৰলৈ গ'ল। ১।২ ॥

তেওঁ (বিভীষণে) আপোনজনৰ দুৰ্দশা দেখি বৰ দুখ কৰিলে। তেতিয়া প্ৰভুৱে ভায়েক লক্ষ্মণক পঠিয়াই দিলে। লক্ষ্মণে তেওঁক বহু প্ৰকাৰে বুজনি দিলে। বিভীষণো প্ৰভুৰ ওচৰলৈ ঘূৰি আহিল। ৩ ॥

প্ৰভুৱে তেওঁক কৃপাদৃষ্টিৰে চাই ক'লে—"সকলো দুখ-বেজাৰ এৰি অন্ত্যেষ্টি ক্ৰিয়া কৰা।" প্ৰভুৰ আদেশ মানি আৰু দেশ-কালৰ বিচাৰ কৰি বিভীষণেও বিধিমতে সকলো কাৰ্য কৰিলে। ৪ ॥

দো:—মন্দোদৰী আদি তিৰোতাবোৰেও ৰাৱণক তিলাঞ্জলি দি মনতে ৰঘুনাথৰ গুণসমূহ বৰ্ণনা কৰি ৰাজভৱনলৈ গ'ল। ১০৫ ॥

চৌ:—ইয়াৰ পিছত বিভীষণে আকৌ ৰামৰ ওচৰত আহি মূৰ দোঁৱালে। তেতিয়া কৃপাৰসাগৰ ৰামে লক্ষ্মণক মাতিলে আৰু ক'লে—"তুমি, বান্দৰৰাজ

সুগ্ৰীৱ, অংগদ, নল, নীল, জাম্ববন্ত আৰু হনুমান—এই সকলো নীতিজ্ঞলোক মিলি বিভীষণৰ লগত যোৱাঁ আৰু তেওঁক ৰাজপদত অভিষিক্ত কৰা। পিতৃৰ কথা ৰাখি মই নগৰৰ ভিতৰলৈ নাযাওঁ। কিন্তু মোৰ সমতুল্য বান্দৰসকল আৰু ভাই লক্ষ্মণক পঠিয়াইছোঁ।" ১।২ ॥

প্ৰভুৰ কথা শুনি বান্দৰসকল তৎক্ষণাত গ'ল আৰু তেওঁলোকে অভিষেকৰ (ৰাজতিলকৰ) সকলো ব্যৱস্থা কৰিলে। তেওঁলোকে আদৰ কৰি বিভীষণক সিংহাসনত বহুৱাই ৰাজতিলক দিলে আৰু স্তুতি গান কৰিলে। ৩ ॥

সকলোৱেই হাতযোৰ কৰি তেওঁক প্ৰণাম জনালে। তাৰ পাছত বিভীষণেৰে সৈতে তেওঁলোক সকলোটি প্ৰভুৰ ওচৰলৈ আহিল। তেতিয়া ৰঘুবীৰে বান্দৰবীৰসকলক মতালে আৰু প্ৰিয়বাক্যেৰে সকলোকে সুখী কৰিলে। ৪ ॥

ছন্দঃ—সকলোকে সুখ দি অমৃততুল্য বাণীৰে এইবুলি ক'লে—"তোমালোকৰ বলেৰেই শত্ৰুক বধ কৰা হ'ল আৰু বিভীষণেও ৰাজ্য পালে। এই কাৰণে তোমালোকৰ যশ তিনিও লোকতে নিত্য নতুন হৈ থাকিব। যিজনে মোৰ লগতে তোমালোকৰো শুভ কীৰ্তিগীত পৰম শ্ৰদ্ধাৰে গাব, তেওঁ বিনা পৰিশ্ৰমেই এই অপাৰ সংসাৰ-সাগৰ পাৰ হ'ব পাৰিব।"

দোঃ—প্ৰভুৰ কথা কাণেৰে শুনি বান্দৰবোৰৰ মনৰ হেঁপাহ নপলোৱা হ'ল। তেওঁলোকে বাৰে বাৰে মূৰ দোৱায় আৰু চৰণত ধৰে। ১০৬ ॥

চৌঃ—তাৰ পাছত প্ৰভুৱে হনুমানক মতালে আৰু ক'লে—"তুমি লংকালৈ যোৱাঁ আৰু জানকীক সকলো বাতৰি দিয়াঁগৈ। লগতে তেওঁৰো কুশল বাতৰি লৈ ঘূৰি আহিবা।" ১ ॥

তেতিয়া হনুমান নগৰলৈ আহিল। এই কথা শুনি ৰাক্ষস-ৰাক্ষসী সকলোৱেই তেওঁক শ্ৰদ্ধা জ্ঞাপন কৰিবলৈ ল'ৰি আহিল। তেওঁলোকে নানা প্ৰকাৰে হনুমানক সেৱা-শুশ্ৰূষা কৰিলে আৰু জানকীক দেখুৱাই দিলে। ২ ॥

হনুমানে দূৰৰ পৰাই সীতাক প্ৰণাম কৰিলে। সীতাই চিনি পালে যে—এওঁ ৰঘুনাথৰ সেই দূতজন। [তেওঁ সুধিলে—] "বোপা! কোৱাঁচোন, কৃপাময় মোৰ প্ৰভু, ভাই লক্ষ্মণ আৰু বান্দৰসেনা সকলেৰে সৈতে কুশলে আছেনে?" । ৩ ॥

[হনুমানে ক'লে—] "হে মাতৃ! কোশলাধীশ সকলো প্ৰকাৰেই কুশলে আছে। প্ৰভুৱে যুদ্ধত ৰাৱণক জয় কৰিলে আৰু বিভীষণে অবিচল ৰাজ্য লাভ কৰিলে। হনুমানৰ কথা শুনি সীতাৰ হৃদয়ত আনন্দে নধৰা হ'ল। ৪ ॥

ছন্দ:—মনত অতি আনন্দ হ'ল। শৰীৰ পুলকিত হ'ল আৰু পানীৰে চকু ভৰি পৰিল। তেওঁ বাৰে বাৰে ক'লে—"মই তোমাক কি দিম? এই বাতৰিৰ যোগ্য পুৰস্কাৰ দিব পৰা একো বস্তু ত্ৰিভুবনতে নাই।" [হনুমানে ক'লে—] "হে আই! শুনক। মই আজি সম্পূৰ্ণ জগতৰে ৰাজ্য লাভ কৰিলোঁ তাত সন্দেহ নাই। যিহেতু আজি ৰণত জয়ী হোৱা খিৰামৰ প্ৰভুক ভাই লক্ষ্মণসহ মই দেখিবলৈ পাইছোঁ।"

দো:—(জানকীয়ে কৈছে) "হে বৎস! শুনা। সকলো প্ৰকাৰৰ সদ্‌গুণৰ তুমি অধিকাৰী হোৱাঁ। হনুমান! লক্ষ্মণসহ কোশলপতি তোমাৰ প্ৰতি সদায় প্ৰসন্ন হওক। ১০৭ ॥

চৌ:—হে বৎস! এতিয়া মই এই চকুৰেই প্ৰভুৰ কোমল শ্যামশৰীৰ দেখাৰ উপায় কৰাঁ।" তেতিয়া হনুমানে ৰামৰ ওচৰলৈ গৈ সীতাৰ কুশল বাতৰি দিলে। ১ ॥

সূৰ্যবংশৰ ভূষণ ৰামে এই বাতৰি পাই যুৱৰাজ অংগদ আৰু বিভীষণক মতাই আনিলে আৰু ক'লে—"পৱনপুত্ৰ হনুমানৰ লগত যোৱাঁ আৰু আদৰ-সাদৰ কৰি জানকীক লৈ আহাঁ।" ২ ॥

তেওঁলোক তুৰন্তেই সীতা থকা ঠাইলৈ গ'ল। ৰাক্ষসী তিৰোতাবোৰে বিনীতভাৱে সীতাৰ সেৱা-শুশ্ৰূষা কৰি আছিল। বিভীষণে তেওঁলোকক সোনকালেই সকলো কথা বুজাই ক'লে। ৰাক্ষসিনীহঁতে নানাপ্ৰকাৰে সীতাক স্নান কৰালে। ৩ ॥

তাৰ পাছত বিবিধ অলংকাৰ পিন্ধাই এখন পালকী সুন্দৰকৈ সজাই-পৰাই তেওঁলোকে লৈ আহিল। সীতাও হৰ্ষমনেৰে সুখধাম, প্ৰিয়তম ৰামক স্মৰণ কৰি তাত উঠিল। ৪ ॥

চাৰিওফালে হাতত বেত লৈ ৰক্ষক লগত গ'ল। সকলোৰে মনত অত্যন্ত উৎসাহ। বান্দৰ-ভালুক সকলোৰেই দৰ্শন কৰিবলৈ আহিল। তেতিয়া ৰক্ষকবোৰে খং কৰি তেওঁলোকক বাধা দিবলৈ আগবাঢ়ি গ'ল। ৫ ॥

[এই কথা জানি] গোসাঁই ৰঘুনাথে হাঁহি মাৰি ক'লে—"বন্ধুসকল! মোৰ কথা শুনা। সীতাক খোজ কঢ়াই আনা। যাতে বান্দৰসকলে মাকৰদৰে তেওঁক দেখিবলৈ পায়।" ৬ ॥

প্ৰভুৰ কথা শুনি ভালুক-বান্দৰবোৰে আনন্দ পালে। আকাশৰপৰা দেৱতাসকলেও বহুত পুষ্প বৰ্ষণ কৰিলে। প্ৰকৃত সীতাক আগতে অগ্নিত

লুকুৱাই থৈছিল। এতিয়া হৃদয়ত স্থিত সাক্ষী স্বৰূপ ভগৱানে তেওঁক বাহিৰত ব্যক্ত কৰিবলৈ ইচ্ছা কৰিলে। ৭॥

দোঃ—এই কাৰণে করুণাকৰে (ৰামে) কিছু দুৰ্বচন শুনালে, যিটো কথা শুনি সকলো ৰাক্ষসিনীয়ে দুখ কৰিবলৈ ধৰিলে। ১০৮॥

চৌঃ—প্ৰভুৰ আজ্ঞা শিৰোধাৰ্য কৰি মন, বচন আৰু কৰ্মেৰে পৱিত্ৰ সীতাই ক'লে—"হে লক্ষ্মণ! তুমি মোৰ ধৰ্মাচৰণৰ সহায়ক হোৱাঁ আৰু শীঘ্ৰেই অগ্নি প্ৰজ্বলন কৰাঁ।" ১॥

সীতাৰ বিৰহ, বিবেক, ধৰ্ম আৰু নীতিপূৰ্ণ বাক্য শুনি লক্ষ্মণৰ চকু পানীৰে চলচলীয়া হৈ পৰিল। তেওঁৰ দুয়োখন হাত যোৰ কৰি থিয় হৈ ৰ'ল। প্ৰভুকো একো ক'ব নোৱাৰিলে। ২॥

ৰামৰ মনোভাৱ বুজিব পাৰি লক্ষ্মণ লৰালৰিকৈ গ'ল আৰু জুই ধৰি বহুত খৰি গোটাই আনিলে। জুইকুৰা বৰকৈ জ্বলি উঠা দেখি জানকীয়ে মনত বৰ সন্তোষহে পালে; অকণো ভয় নকৰিলে। ৩॥

সীতাই ক'লে—"যদি মই কায়মনোবাক্যে ৰামকেহে আশ্ৰয় কৰি আছোঁ, ৰঘুনাথক এৰি আনক হৃদয়ত ঠাই দিয়া নাই, তেনেহ'লে সকলোৰে মনৰ গতি জনা অগ্নিদেৱতাও মোৰ কাৰণে চন্দনৰ দৰে শীতল হৈ পৰক।" ৪॥

ছন্দ:—যাৰ চৰণ মহাদেৱৰ বন্দিত, যাৰ চৰণত সীতাৰ নিৰ্মল ৰতি আছে, সেই 'কোশলপতিৰ জয়' বুলি মনতে স্মৰণ কৰি মৈথিলী সীতাই চন্দনৰ দৰে শীতল হৈ পৰা অগ্নিত প্ৰৱেশ কৰিলে। তেতিয়া সীতাৰ ছায়া-মূৰ্তি আৰু লৌকিক কলংক দুয়োটাই প্ৰচণ্ড অগ্নিত জাহ গ'ল। প্ৰভুৰ এই লীলা পূৰ্ণচৰিত্ৰৰ ৰহস্য কোনেও নাজানিলে। দেৱতা, সিদ্ধ আৰু মুনিসকলেও আকাশৰপৰা চাইহে থাকিল। ১॥

তেতিয়া অগ্নিয়ে শৰীৰ ধাৰণ কৰি, বেদত আৰু জগতত প্ৰসিদ্ধ প্ৰকৃত শ্ৰী (সীতা)ক হাতত ধৰি আনি শ্ৰীৰামচন্দ্ৰক তেনেকৈয়ে সমৰ্পণ কৰিলেহি, যেনেকৈ ক্ষীৰ সাগৰে লক্ষ্মীক [বিষ্ণুৰ ওচৰত] কৰিছিল। সেই সীতা ৰামৰ বাওঁফালে এনেধৰে অত্যন্ত শোভা ধাৰণ কৰি বিৰাজিত হ'ল, যেন নতুন নীলপদ্মৰ ওচৰত স্বৰ্ণকমলৰ কলিহে শোভা পালে। ২॥

দোঃ—দেৱতাসকলে সন্তুষ্ট হৈ পুষ্পবৰ্ষা কৰিবলৈ ধৰিলে। আকাশত বাদ্য বাজিল; কিন্নৰবোৰে গাবলৈ ধৰিলে আৰু বিমানত উঠি অপ্সৰাবোৰে নাচিলে। ১০৯ (ক)

জানকীসহ প্ৰভুৰ অপৰিমিত শোভা দেখি ভালুক-বান্দৰ আনন্দিত হ'ল আৰু সকলো সুখৰ সাৰস্বৰূপ ৰঘুপতিৰ জয়ধ্বনি কৰিলে। ১০৯ (খ)

চৌঃ—তাৰ পাছত ৰঘুপতিৰ আজ্ঞা পাই মাতলি (ইন্দ্ৰৰ সাৰথি) প্ৰণাম জনাই দেৱলোকলৈ গ'ল গৈ। পাছত সদায় স্বাৰ্থৰত দেৱতাসকল আহিল আৰু এনেকুৱা কথা ক'বলৈ ধৰিলে, যেন তেওঁলোক বৰ পৰমাৰ্থৰতহে। ১ ॥

"হে দীনবন্ধু, দয়ালু পৰমদেৱ ৰঘুনাথ! আপুনি দেৱতাসকলক বৰ অনুগ্ৰহ কৰিলে। বিশ্বৰ দ্ৰোহী, দুষ্ট, কামী আৰু কুমাৰ্গগামী ৰাৱণ নিজৰ পাপতে নষ্ট গ'ল। ২ ॥

আপুনি সমস্বৰূপ অবিনাশী ব্ৰহ্ম, নিত্য একৰস, স্বভাৱতে বিষয়ৰ প্ৰতি নিস্পৃহ, অখণ্ড, ত্ৰিগুণৰ অতীত, জন্মৰহিত, নিষ্পাপ, নিৰাময়, অমোঘ শক্তিযুক্ত, অজিত আৰু করুণাময়। ৩ ॥

মৎস্য, কূৰ্ম, বৰাহ, নৃসিংহ, বামন আৰু পৰশুৰাম ৰূপো আপুনিয়েই ধাৰণ কৰিছে। হে প্ৰভু! যেতিয়াই দেৱতাসকলে কষ্ট পায়, তেতিয়াই নানা ৰূপ ধাৰণ কৰি আপুনি সেই দুখ দূৰ কৰে। ৪ ॥

এই মলিন হৃদয়ৰ দুষ্ট, সদায় দেৱতাসকলৰ দ্ৰোহাচৰণকাৰী, কামুক, লোভী, ক্ৰোধী আৰু অতি অহংকাৰী, অধম-শিৰোমণি ৰাৱণকো আপুনি পৰমপদ দান কৰিলে, এই কথাতহে আমি আচৰিত হৈছোঁ। ৫ ॥

আমি দেৱতাসকলে ভক্তিৰ শ্ৰেষ্ঠ অধিকাৰী হোৱা সত্বেও স্বাৰ্থৰত হেতুকে ভক্তিবিমুখ হৈ নিৰন্তৰ সংসাৰ সোঁতত উটি গৈছোঁ। হে প্ৰভু! এতিয়া আমি আপোনাত শৰণ লৈছোঁ; শৰণাগতক ৰক্ষা কৰক।" ৬ ॥

দোঃ—এইদৰে বিনীত প্ৰাৰ্থনা জনাই দেৱতাসকল য'তে আছিল ত'তে হাতযোৰ কৰি ৰ'ল। তেতিয়া অতি প্ৰেমভাৱেৰে শৰীৰ পুলকিত হোৱা ব্ৰহ্মাই স্তুতি কৰি এইদৰে ক'লে—১১০ ॥

ছন্দ—"হে নিত্য সুখধাম হৰি! হে ধনু-শৰধাৰী ৰঘুনাথ ৰাম! আপোনাৰ জয় হওক। হে প্ৰভু! আপুনি সংসাৰৰূপী হস্তীক বিদাৰণকাৰী সিংহ স্বৰূপ। হে নাথ! আপুনি গুণৰ সাগৰ, সৰ্বব্যাপক আৰু পৰম চতুৰ। ১ ॥

আপোনাৰ শৰীৰ অনেক কামদেৱৰ লগতো উপমা হ'ব নোৱাৰা সুন্দৰ। সিদ্ধ, শ্ৰেষ্ঠ মুনি আৰু কবিসকলে আপোনাৰ গুণগান কৰে। আপুনি পবিত্ৰ যশেৰে যশস্বী। আপুনি ৰাৱণৰূপী মহাসৰ্পক পক্ষীৰাজ গৰুড়ৰ দৰে ক্ৰোধ কৰি ধৰি ৰাখিলে। ২ ॥

আপুনি সেৱকসকলক আনন্দ দান কৰোঁতা, শোক আৰু ভয় নাশক প্ৰভু তথা সদায় ক্ৰোধ-ৰহিত আৰু বোধময়। পৃথিৱীৰ ভাৰ খণ্ডনকাৰী, জ্ঞানময় আপোনাৰ অৱতাৰ উদাৰ আৰু অপাৰ গুণযুক্ত। ৩ ॥

[আপুনি অৱতাৰ ধাৰণ কৰিলেও] নিত্য, অজন্মা, ব্যাপক, অদ্বৈত আৰু অনাদি। কৰুণাকৰ ৰাম! মই আপোনাক হৰ্ষচিত্তে প্ৰণাম কৰিছোঁ। হে দোষ-হৰণকাৰী (দূষণ ৰাক্ষসক বধকৰ্তা) ৰঘুকুলৰ ভূষণ! আপুনি দীন হৈ থকা বিভীষণক ভূপতি কৰিলে। ৪ ॥

হে গুণ আৰু জ্ঞানৰ আধাৰস্বৰূপ, অপৰিমেয়, জন্মৰহিত, নিত্য, বিভু আৰু অণু আদি প্ৰাকৃত বিকাৰ ৰহিত (বিৰজ) ৰাম! আপোনাক নমস্কাৰ। আপোনাৰ প্ৰচণ্ড প্ৰতাপশালী ভুজদণ্ডৰ বলে খলসমূহক নিপুণভাৱে নাশ কৰিছে। ৫ ॥

আপুনি অহৈতুকভাৱে (স্বাৰ্থ নথকাকৈয়ে) দীনসকলক দয়া কৰোঁতা, শোভাশালী। মই আপোনাক লক্ষ্মী (সীতা) সহ প্ৰণাম জনাইছোঁ। আপুনি কাৰ্য-কাৰণ উভয়ৰে অতীত আৰু [কাৰ্যকাৰণময়] সংসাৰৰপৰা উদ্ধাৰকৰ্তাও। মমত উৎপন্ন হোৱা দাৰুণ দোষৰাশিও আপুনি হৰণ কৰে। ৬ ॥

আপুনি মনোহৰ বাণ, ধনু আৰু তূণ ধাৰণ কৰিছে। ৰক্তোৎপলৰ দৰে অৰুণ বৰ্ণৰ আপোনাৰ নয়ন যুগল; আপুনি ৰজাসকলৰ ভিতৰতো শ্ৰেষ্ঠ, সুখৰ মন্দিৰস্বৰূপ, সুন্দৰ, লক্ষ্মীকান্ত তথা কাম, মদ আৰু অজ্ঞমোহ (মমতা) নাশক। ৭ ॥

আপুনি দোষৰহিত, অখণ্ড আৰু ইন্দ্ৰিয়ৰ অগোচৰ। সদায় সকলো ৰূপ ধাৰণ কৰিও আপুনি সেই সকলোৰে অতীত [বিশুদ্ধ] বুলি বেদে কয়। এই কথা কল্পিত কাহিনী নহয়। যিদৰে সূৰ্য আৰু সূৰ্যৰ কিৰণ পৃথক হ'লেও একে বস্তু, সেইদৰে আপুনিও সংসাৰতকৈ ভিন্ন হৈয়ো অভিন্নভাৱে ব্যাপ্ত হৈ আছে। ৮ ॥

হে সৰ্বব্যাপক (বিভু)! প্ৰভাৱে আপোনাৰ মুখদৰ্শন কৰি থকা এই বান্দৰ-সকল কৃতকৃত্য হৈছে। হে হৰি! দেৱতাসকলৰ এই জীৱন আৰু শৰীৰক ধিক্কাৰ। কিয়নো আমি আপোনাক ভক্তি নকৰি সংসাৰ-সুখত ভোল গৈছোঁ। ৯ ॥

হে দীনদয়াময়! এতিয়া দয়া কৰক। মোৰ বিভেদ উৎপন্ন কৰা বুদ্ধি হৰণ কৰক; যি বুদ্ধিৰ বাবে মই বিপৰীত কাৰ্য কৰোঁ আৰু দুখকে সুখ বুলি ভাবি ঘূৰি ফুৰোঁ। ১০ ॥

আপুনি দুষ্টক দমনকাৰী, পৃথিৱীৰ শোভাবৰ্দ্ধক অলংকাৰ। আপোনাৰ পদকমল শিৱ-পাৰ্বতীৰ দ্বাৰা সেৱিত। হে নৃপসকলৰ নায়ক! মোক এই বৰদান কৰক যেন আপোনাৰ কল্যাণপ্ৰদ চৰণকমলত সদায় মোৰ ভক্তিভাব থাকে।" ১১ ॥

দোঃ—ব্ৰহ্মাই এইদৰে প্ৰেমত পুলকিত হৈ বিনীত নিবেদন জনালে আৰু সৌন্দৰ্যৰ সাগৰ ৰামক চাই চাই তেওঁৰ চকুৰ তৃপ্তি নপালে। ১১১ ॥

চৌঃ—সেই সময়তে দশৰথো তাত উপস্থিত হ'লহি। পুত্ৰক দেখি তেওঁৰ চকুৰপৰা স্নেহৰ অশ্ৰু বৈ আহিল। অনুজ লক্ষ্মণেৰে সৈতে ৰামে তেওঁক বন্দনা কৰিলে। পিতাকেও তেতিয়া আশীৰ্বাদ দিলে। ১ ॥

[ৰামে ক'লে] "হে পিতৃ! মই অপৰাজেয় ৰাক্ষসক পৰাজয় কৰাটো আপোনাৰ পুণ্যৰ প্ৰভাৱতহে সম্ভৱ হ'ল।" পুত্ৰৰ কথা শুনি পিতাৰ স্নেহ আৰু বৃদ্ধি পালে। তেওঁৰ চকু চলচলীয়া হ'ল; গাৰ নোমবোৰ থিয় হ'ল। ২ ॥

ৰঘুপতি ৰামে দশৰথৰ আগৰ (জীৱিত কালৰ) ভক্তিৰ কথা বিচাৰ কৰি পিতাকৰফালে দৃষ্টিপাত কৰি তেওঁৰ মনত (দশৰথৰ) স্বৰূপ জ্ঞান দৃঢ় কৰিলে। [শিৱই কৈছে] "হে উমা! দশৰথে অভেদভাৱে ভগৱানৰ ভক্তি কৰা নাছিল, সেইবাবে তেওঁ মোক্ষ লাভো কৰা নাছিল।" ৩ ॥

সগুণ ভক্তিৰে উপাসনা কৰাসকলে মোক্ষ নিবিচাৰে। ৰামেও তেওঁলোকক নিজৰ ভক্তিহে দান কৰে। তাৰ পাছত প্ৰভুক বাৰে বাৰে প্ৰণাম কৰি দশৰথ হৰ্ষ মনেৰে দেৱলোকলৈ গ'ল। ৪ ॥

দোঃ—অনুজ লক্ষ্মণ আৰু জানকীসহ প্ৰসন্নবদন প্ৰভু কোশলাধীশৰ শোভা দৰ্শন কৰি মনত আনন্দ পাই দেৱৰাজ ইন্দ্ৰয়ো স্তুতি কৰিলে। ১১২ ॥

ছন্দঃ—"শোভাৰ আধাৰ স্থান, শৰণাগতক শান্তিদাতা, শ্ৰেষ্ঠ ধনু, শৰ আৰু তূণ ধাৰণ কৰোঁতা, প্ৰবল প্ৰতাপী বাহুৰ ৰামচন্দ্ৰৰ জয় হওক। ১ ॥

খৰ-দূষণৰ নাশক, ৰাক্ষস সেনা মৰ্দনকাৰীৰ জয় হওক। হে প্ৰভু! আপুনি এই দুষ্টক বধ কৰিলে, যাৰ ফলত সকলো দেৱতা সনাথ (সুৰক্ষিত) হ'ল। ২ ॥

হে ভূমিভাৰহৰণকাৰী! হে অপাৰ উদাৰ মহিমাশালী, ৰাৱণাৰি, কৃপালু, আপোনাৰ জয় হওক। আপুনি ৰাক্ষসবোৰক ব্যাকুল কৰি পেলালে। ৩ ॥

লংকাপতি ৰাৱণৰ নিজ বলৰ ওপৰত বৰ গৰ্ব আছিল। সি দেৱতা, গন্ধৰ্ব সকলোকে নিজৰ বশ কৰি থৈছিল। মুনি, সিদ্ধ, মনুষ্য, পক্ষী আৰু নাগ সকলোৰে ওপৰত উৎপীড়ন কৰিছিল। ৪ ॥

পাপিষ্ঠ, পৰদ্ৰোহৰত, অতি দুষ্টই (ৰাৱণে) সেই কাৰ্যৰ ফল পালে। এতিয়া কমলসদৃশ বিশাল নয়নহে দীনদয়াল ! শুনক।

মোৰো এনে অভিমান আছিল যে মই মোৰ সমান আৰু কোনো নাই বুলি ভাবিছিলোঁ; কিন্তু এতিয়া প্ৰভুৰ পাদপদ্ম দেখা পাই দুঃখদায়ক সেই অভিমান দূৰ হৈছে। ৬ ॥

যাক বেদে অব্যক্ত বুলি কৈছে, সেই নিৰ্গুণ ব্ৰহ্মকহে কোনো কোনোৱে ধ্যান কৰে, কিন্তু হে ৰাম। মই আপোনাৰ এই সগুণ কোশলৰাজ-স্বৰূপটোহে ভাল পাওঁ ॥ ৭ ॥

আপুনি বৈদেহী আৰু অনুজসহ মোৰ হৃদয়ত বাস কৰক। হে লক্ষ্মীৰ আশ্ৰয় স্থান (ৰমানিবাস)! মোক নিজ-দাস বুলি গ্ৰহণ কৰক আৰু ভক্তিদান কৰক। ৮ ॥

হে ৰমানিবাস, শৰণাগত ভয়হাৰী আৰু সুখদাতা ! মোক আপোনাৰ প্ৰতি ভক্তিমান কৰক। হে বহুজন কামদেৱৰ শোভাধাৰণকাৰী, সুখধাম, ৰঘুকুলৰ নায়ক ৰাম ! মই আপোনাক নমস্কাৰ কৰিছোঁ। হে দেৱতাসকলৰ আনন্দদাতা, দ্বন্দ্বনাশক (জন্ম-মৃত্যু, হৰ্ষ-বিষাদ প্ৰভৃতি দ্বন্দ্বভাব), নৰৰূপধাৰী, অতুল বলশালী, ব্ৰহ্মা-শিৱাদি দেৱবন্দিত আৰু কৰুণা গুণেৰে কোমল ৰাম ! মই আপোনাক নমস্কাৰ কৰিছোঁ।

দোঃ—হে কৃপালু ! এতিয়া মোৰ প্ৰতি কৃপাদৃষ্টি কৰি মই আপোনাৰ কি সেৱা কৰিম, সেই আজ্ঞা কৰক।" ইন্দ্ৰৰ এনে প্ৰিয় বচন শুনি দীনদয়াল শ্ৰীৰামে ক'লে। ১১৩ ॥

চৌঃ—"দেৱৰাজ শুনক ! ৰাক্ষসে মৰা আমাৰ বান্দৰ-ভালুক বিলাক যুদ্ধ-ক্ষেত্ৰত পৰি আছে, তেওঁলোকে মোৰ হিতৰ কাৰণেহে প্ৰাণ ত্যাগ কৰিলে। সেই বাবে সুজান দেৱৰাজ ! সেই বান্দৰ-ভালুকবোৰ জীয়াই দিয়ক।" ১ ॥

[কাকভুশুণ্ডীয়ে ক'লে—] "হে পক্ষীৰাজ গৰুড় ! প্ৰভুৰ এই কথাত গভীৰ তাৎপৰ্য আছে। জ্ঞানী মুনিসকলেহে এই কথা বুজিব পাৰে। প্ৰভুৱে তিনিও লোককে মাৰি জীয়াব পাৰে। এয়া ইন্দ্ৰৰ মহত্ব দেখুৱাইছে মাত্ৰ।" ২ ॥

ইন্দ্ৰই অমৃত বৰ্ষণ কৰি ভালুক-বান্দৰবোৰ জীৱিত কৰিলে। সকলো আনন্দ মনেৰে উঠিলে আৰু প্ৰভুৰ ওচৰ পালেহি। অমৃত বৰ্ষা দুয়োদলৰ ওপৰতেই হ'ল; কিন্তু বান্দৰ-ভালুকবোৰহে জী উঠিল, ৰাক্ষসবোৰ নুঠিল। ৩ ॥

মৰিবৰ সময়ত ৰাক্ষসবোৰৰ মন কেৱল ৰামময় হৈ পৰিছিল। সেইবাবে

তেওঁলোকে মৰাৰ লগে লগেই ভৱবন্ধনৰ পৰা মুক্তি লাভ কৰিছিল। কিন্তু বান্দৰ আৰু ভালুক সকলোৱেই দেৱতাৰ অংশ আছিল। এইবাবে তেওঁলোক ৰঘুপতিৰ ইচ্ছাত আকৌ জীৱিত হৈ উঠিল। ৪ ॥

ৰামৰ নিচিনা দীনজনৰ হিত সাধন কৰোঁতা আৰু কোন আছে? তেওঁ সকলো ৰাক্ষসকে মুক্তি দান কৰিলে। দুষ্ট, পাপৰ ভঁৰাল আৰু কামুক ৰাৱণেও সেই গতি লাভ কৰিলে, যি গতি শ্ৰেষ্ঠ মুনিয়েও নাপায়। ৫ ॥

দোঃ—[ইয়াৰ পাছত] পুষ্পবৰ্ষণ কৰি দেৱতাসকল সুন্দৰ বিমানত উঠি গ'লগৈ। তেতিয়া সময়ৰ ভেগ বুজি জ্ঞানী শিৱ প্ৰভুৰ ওচৰলৈ আহিল। ১১৪(ক) ॥

অতি ভক্তিভাৱেৰে হাতযোৰ কৰি, কোমলসদৃশ নেত্ৰ সজল কৰি পুলকিত শৰীৰেৰে আৰু গদগদ ভাষাৰে ত্ৰিপুৰাৰিয়ে এই বুলি বিনয় কৰিলে। ১১৪(খ) ॥

ছন্দঃ—"হে সুন্দৰ হাতেৰে শ্ৰেষ্ঠ ধনু আৰু শৰ ধাৰণকাৰী ৰঘুবংশৰ নায়ক! আপুনি মোক ৰক্ষা কৰক। আপুনি মহামোহৰূপী মেঘাৱলীক দূৰ কৰিবৰ কাৰণে দাৱাগ্নিসদৃশ আৰু দেৱতাসকলৰ আনন্দদাতা। ১ ॥

আপুনি নিৰ্গুণ হ'লেও সগুণ, সুন্দৰ গুণৰাশিৰ মন্দিৰ। ভ্ৰমৰূপী অন্ধকাৰ দূৰ কৰিবৰ কাৰণে প্ৰবল প্ৰতাপী সূৰ্যসদৃশ; কাম, ক্ৰোধ আৰু মদৰূপী হাতী নাশ কৰিবৰ কাৰণে সিংহসদৃশ আপুনি এই সেৱকৰ মন-কাননত বাস কৰক। ২ ॥

বিষয়ভোগৰ ইচ্ছাৰূপী পদুম বনৰ নিমিত্তে আপুনি তুষাৰসদৃশ, মনৰ অগোচৰ আৰু উদাৰ। ভৱসাগৰ মন্থনৰ কাৰণে আপুনি মন্দৰাচল। আপুনি দুস্তৰ ভৱসাগৰৰপৰা আমাক উদ্ধাৰ কৰক আৰু আমাৰ ভয় দূৰ কৰক। ৩ ॥

শ্যামতনু, ৰাজীৱলোচন, দীনবন্ধু, শৰণাগতৰ দুখ মোচনকাৰী হে ৰাজা ৰাম! আপুনি অনুজ আৰু জানকীসহ মোৰ হৃদয়ত বাস কৰক। আপুনি মুনিসকলৰ আনন্দদাতা, ভূমণ্ডলৰ অলংকাৰ, ভয়হাৰী আৰু তুলসীদাসৰ প্ৰভু। ৪ ৫ ॥

দোঃ—হে নাথ! যেতিয়া কোশলপুৰীত আপোনাৰ ৰাজতিলক ক্ৰিয়া হ'ব, হে কৃপাৰ সাগৰ! তেতিয়া মই আপোনাৰ উদাৰ চৰিত দৰ্শনৰ কাৰণে যাম।" ১১৫ ॥

চৌঃ—যেতিয়া বিনীত প্ৰাৰ্থনা জনাই মহাদেৱ শিৱ গ'ল; তেতিয়া বিভীষণ ওচৰ চাপি আহিল আৰু তেওঁ প্ৰভুৰ ওচৰত মূৰ দোঁৱাই নম্ৰভাৱে ক'লে—"হে শাৰংগ ধনুধাৰী প্ৰভু! মোৰ নম্ৰ নিবেদন শুনক। ১ ॥

আপুনি সবংশে আৰু সসৈন্যে ৰাৱণক বধ কৰি ত্ৰিভুৱনত নিজৰ পবিত্ৰ

যশস্যা বিস্তাৰ কৰিলে আৰু মই হেন দীন, পাপী, বুদ্ধিহীন আৰু অকুলীনকো বহু প্ৰকাৰে অনুগ্ৰহ কৰিলে। ২ ॥

হে প্ৰভু! এতিয়া সেৱকৰ গৃহ পবিত্ৰ কৰক আৰু তাত স্নান কৰি যুদ্ধৰ ভাগৰ মাৰক। হে কৃপালু! ৰাজকোষ, ৰাজভৱন আৰু সম্পত্তি নিৰীক্ষণ কৰি সন্তোষ মনেৰে বান্দৰসকলকো দিয়ক। ৩ ॥

মোক সকলো প্ৰকাৰে নিজৰ বুলি গ্ৰহণ কৰক আৰু মোক লগত লৈ অযোধ্যাপুৰীলৈ যাওক।" বিভীষণৰ নম্ৰ বচন শুনি দীনবন্ধু প্ৰভুৰ বিশাল নেত্ৰ সজল হৈ পৰিল। ৪ ॥

দোঃ—(ৰামে কৈছে) "হে মিত্ৰ! শুনা! তোমাৰ ৰাজকোষ আৰু ৰাজভৱন সকলো মোৰেই, এই কথা সঁচা। পিছে ভৰতৰ অৱস্থাৰ কথা মনত পৰি একোটা পলেই মোৰ কাৰণে এক কল্প পাৰ হোৱা যেন হৈ পৰিছে। ১১৬ (ক) ॥

তপস্বী বেশত ক্ষীণদেহাৰে নিৰন্তৰ মোৰ নামকে জপি আছে। হে মিত্ৰ! এতিয়া সেই ব্যৱস্থাহে কৰা, যাৰ ফলত মই অতি শীঘ্ৰে তেওঁলোকক দেখিবলৈ পাওঁ। মই তোমাৰ ওচৰত অনুৰোধহে জনাইছোঁ। ১১৬ (খ) ॥

যদি সময় পাৰ হৈ যোৱাৰ পাছতহে যাওঁ, তেনেহ'লে ভাইক জীৱিত অৱস্থাত নাপামগৈ। ভাই ভৰতৰ প্ৰীতি ভাৱৰ কথা সুঁৱৰি প্ৰভুৰ শৰীৰ বাৰে বাৰে পুলকিত হ'বলৈ ধৰিলে। ১১৬ (গ) ॥

[ৰামে ক'লে] তুমি কল্প জুৰি ৰাজত্ব কৰিবা, মনত সদায় মোক স্মৰণ কৰিবা। তাৰ পাছত তুমি মোৰ সেই পৰমধামত ঠাই পাবা, য'ত সকলো সন্তই ঠাই পায়।" ১১৬ (ঘ) ॥

চৌঃ—ৰামৰ কথা শুনি বিভীষণে আনন্দ মনেৰে কৃপাময়ৰ চৰণত ধৰিলে। সকলো বান্দৰ-ভালুক সুখী হ'ল আৰু প্ৰভুৰ চৰণত ধৰি নিৰ্মল গুণ বখানিবলৈ লাগিল। ১ ॥

বিভীষণ আকৌ ৰাজভৱনলৈ গ'ল আৰু মণি আদি বস্ত্ৰ আৰু বসনেৰে বিমান ভৰাই ল'লে। তাৰ পাছত সেই পুষ্পক বিমান আনি ৰামৰ আগত ৰাখিলে। তেতিয়া কৃপাৰ সাগৰ ৰামে হাঁহি মাৰি এই বুলি ক'লে। ২ ॥

"হে মিত্ৰ বিভীষণ! শুনা। বিমানত উঠি আকাশলৈ বস্ত্ৰ আৰু বস্ত্ৰসমূহ তললৈ ছটিয়াই দিয়া।" তেতিয়া (আজ্ঞা শুনি) বিভীষণে আকাশলৈ গৈ সকলো বস্ত্ৰ-আভূষণ তললৈ ছটিয়াই দিলে। ৩ ॥

যাৰ মনত যি ভাব লাগিল, সি তাকে ক'লে। বান্দৰবিলাকে মণিবোৰ মুখত লৈ সেইবোৰ খোৱা বস্তু নহয় বুলি জানি মুখৰপৰা উলিয়াই পেলালে। এনে তামচা দেখি বিনোদপ্ৰিয় কৃপাময় ৰামে সীতা আৰু লক্ষ্মণেৰে সৈতে হাঁহিলে ॥ ৪ ॥

দোঃ—যাক মুনিসকলে ধ্যান কৰিও নাপায়, যাৰ কথা কওঁতে বেদেও কোৱা কথা অসম্পূৰ্ণ হেতু 'নেতি নেতি' বুলি ক'ব লগীয়া হয়, সেই কৃপাৰ সাগৰ শ্ৰীৰামে বান্দৰবিলাকেৰে সৈতে অনেক প্ৰকাৰৰ বিনোদ কৰিবলৈ ধৰিলে। ১১৭ (ক) ॥

[শিৱই ক'লে—] "হেৰা উমা! ৰামে একান্ত ভক্তসকলক যেনে কৃপা কৰে, তেনে কৃপা নানা প্ৰকাৰৰ যোগ, জপ, দান, তপ, যজ্ঞ, ব্ৰত আৰু নিয়ম পালন কৰোঁতাসকলকো নকৰে।" ১১৭ (খ) ॥

চৌঃ—বহুত বান্দৰ ভালুকে কাপোৰ-অলংকাৰ আদি পাই সেইবোৰ পিন্ধি ৰামৰ ওচৰলৈ আহিল। এইদৰে নানা শ্ৰেণীৰ বান্দৰবোৰক দেখি কোশলাধীশ ৰামে বাৰে বাৰে হাঁহিবলৈ ধৰিলে। ১ ॥

সকলোকে দয়াপূৰ্ণ দৃষ্টিৰে চাই ৰঘুনাথে কোমল মাতেৰে ক'লে— "ভাইঁহত! তোমালোকৰ বলেৰেই মই ৰাৱণক মাৰিলোঁ আৰু বিভীষণকো ৰাজতিলক দিয়ালোঁ। ২ ॥

এতিয়া তোমালোক নিজ নিজ ঘৰলৈ যোৱাঁহক। মোক সুঁৱৰি থাকিবা আৰু কালৈকো ভয় নকৰিবা।" এই কথা শুনি প্ৰেমবিহ্বল হোৱা বান্দৰবিলাকে শ্ৰদ্ধাৰে হাতযোৰ কৰি ক'লে। ৩ ॥

"প্ৰভু! আপুনি যি কয় সেয়ে আপোনাৰ বাবে শোভনীয়। আপোনাৰ কথা শুনি আমি মুগ্ধ হওঁ। হে ৰঘুনাথ! আপুনি তিনিও লোকৰে ঈশ্বৰ। আমি বান্দৰবোৰ অতি হীন বুলিহে আপুনি অনুগ্ৰহ কৰিছে। (অনাথক সনাথ কৰিলে বা নিৰাশ্ৰয়ক আশ্ৰয় দিলে) ৪ ॥

প্ৰভুৰ কথা শুনি আমি লাজতে মৰিছোঁ। ক'ৰবাত মহোৱে গৰুড়পক্ষীৰ হিত সাধন কৰিব পাৰেনে?" ৰামৰ মনোভাব দেখি সকলো বান্দৰ-ভালুক প্ৰেমমগ্ন হৈ পৰিল। তেওঁলোকে নিজ ঘৰলৈ যাবলৈ ইচ্ছাই কৰা নাছিল।

দোঃ—প্ৰভুৰে কোৱাত সকলো বান্দৰ আৰু ভালুকেই ৰামৰ ৰূপ হৃদয়ত ধাৰণ কৰি নানা প্ৰকাৰে নম্ৰ নিবেদন জনাই হৰ্ষ আৰু বিষাদ দুয়োটাকে লৈ নিজ নিজ ঘৰলৈ গ'ল। ১১৮ (ক) ॥

বান্দৰৰাজ সুগ্ৰীৱ, নীল, হনুমান, অংগদ, নল, ঋক্ষৰাজ, জাম্বৱন্ত আৰু বিভীষণ সহ অন্যান্য বিশাল বলৱান বান্দৰ সেনাপতি আছিল, তেওঁলোকে একো ক'ব নোৱাৰিলে ; প্ৰেমবশতঃ চকু চলচলীয়া কৰি, ৰামৰ সমুখ হৈ চকু নপচৰাকৈ একেৰাহে চাই থাকিল। ১১৮ (খ, গ) ॥

চৌঃ—ৰঘুনাথে অত্যন্ত প্ৰেম দেখি তেওঁলোককো বিমানত তুলি ল'লে। তাৰ পাছত মনতে বিপ্ৰ-চৰণত নমস্কাৰ জনাই উত্তৰ দিশলৈ বিমান চলোৱা হ'ল। ১ ॥

বিমান যাবৰ সময়ত বৰ হাই-উৰুমি হৈছিল। সকলোৱেই ৰঘুবীৰৰ জয় বুলি ধ্বনি কৰিছিল। বিমানত থকা অতি শুভ্ৰ আৰু সুন্দৰ সিংহাসনত সীতাৰে সৈতে প্ৰভু বহিল। ২ ॥

সপত্নীক ৰাম এনেদৰে শোভাযুক্ত হৈছিল যেন—সুমেৰু পৰ্বতৰ শিখৰত বিদ্যুৎপ্ৰভা সহ শ্যামবৰণৰ মেঘহে। সুন্দৰ বিমান দ্ৰুতগতিৰে চলিল। দেৱতা-সকলে সন্তোষ পাই পুষ্পবৰ্ষণ কৰিলে। ৩ ॥

অত্যন্ত সুখকৰ তিনিও বিধৰ (শীতল, মন্দ, সুগন্ধ) বতাহ বলিবলৈ ধৰিলে। সাগৰ, নদী আৰু বিল-পুখুৰীৰ পানী পৰিষ্কাৰ হ'ল। চাৰিওফালে সুমংগলৰ চিন দেখা গ'ল। আকাশ কেউদিশে নিৰ্মল আৰু মনো প্ৰসন্ন হৈ পৰিল। ৪ ॥

ৰঘুনাথে ক'লে—(ৰণভূমি দেখুৱাই) "হেৰা সীতা! চোৱাঁ। লক্ষ্মণে এই ঠাইত ইন্দ্ৰজিতক বধ কৰিছিল। হনুমান আৰু অংগদে মৰা ডাঙৰ ডাঙৰ ৰাক্ষসবোৰ ৰণক্ষেত্ৰতে পৰি আছে। ৫ ॥

দেৱতা আৰু মুনিসকলক দুখ দিয়া কুম্ভকৰ্ণ আৰু ৰাৱণকো এই ঠাইতে বধ কৰা হ'ল। ৬ ॥

দোঃ—মই ইয়াতে সেতু বন্ধালোঁ আৰু সুখধাম শিৱ স্থাপন কৰিলোঁ। এইবুলি সীতাৰে সৈতে কৃপা নিধান ৰামে শম্ভুক প্ৰণাম কৰিলে। ১১৯ (ক) ॥

বনৰ বিবোৰ ঠাইত কৃপাসিন্ধু (ৰাম) বাস কৰিছিল আৰু বিশ্ৰাম কৰিছিল, সেই সকলো ঠাই তেওঁ জানকীক দেখুৱাই গ'ল আৰু সেইবোৰৰ নাম কৈ গ'ল। ১১৯ (খ) ॥

চৌঃ—বিমান শীঘ্ৰেই সুন্দৰ দণ্ডকাৰণ্য পালেগৈ। ৰাম অগস্ত্য আদি সকলো মুনিৰ আশ্ৰমলৈ গ'ল। ১ ॥

সকলো ঋষিৰপৰা আশীৰ্বাদ লৈ জগদীশ (ৰাম) চিত্ৰকূট পালেগৈ। তাত মুনিসকলক সন্তুষ্ট কৰি বিমানখন বেগাই আগবাঢ়ি গ'ল। ২ ॥

বামে সীতাক কলিযুগৰ পাপহৰণকাৰী সুন্দৰ যমুনাও দৰ্শন কৰালে। তাৰ পাছত পবিত্ৰ গংগা দেখি ৰামে ক'লে—"সীতা! প্ৰণাম কৰা। ৩ ॥

তাৰ পাছত তীৰ্থৰাজ প্ৰয়াগলৈ চোৱাঁ। প্ৰয়াগৰ দৰ্শনে কোটি জন্মৰ পাপ দূৰ কৰে। পৰম পবিত্ৰ ত্ৰিবেণী দৰ্শন কৰা। এই ত্ৰিবেণী শোকহাৰিণী আৰু শ্ৰীহৰিৰ পৰমধামলৈ যোৱা পথৰ খটখটিৰ নিচিনা। ৪ ॥

তাৰ পাছত অতি পবিত্ৰ অযোধ্যাপুৰী দৰ্শন কৰা। অযোধ্যা ত্ৰিবিধ তাপ আৰু ভৱ-ব্যাধিনাশক।" ৫ ॥

দোঃ—এইবুলি কৈ সীতাৰে সৈতে কৃপাময় ৰামে অযোধ্যাপুৰীক প্ৰণাম কৰিলে। আনন্দতে তেওঁৰ শৰীৰ বাৰে বাৰে পুলকিত হ'বলৈ ধৰিলে আৰু চকু দুটা পানীৰে ভৰি পৰিল। ১২০ ॥

তাৰ পাছত প্ৰভুৱে ত্ৰিবেণীলৈ আহি আনন্দ মনেৰে স্নান কৰিলে আৰু বান্দৰবিলাকেৰে সৈতে ব্ৰাহ্মণসকলক নানাপ্ৰকাৰৰ দান কৰিলে। ১২০। (খ) ॥

চৌঃ—তাৰ পাছত প্ৰভুৱে হনুমানক বুজাই ক'লে—"তুমি ব্ৰহ্মচাৰীৰ ৰূপ ধৰি অযোধ্যালৈ যোৱা আৰু ভৰতক আমাৰ কুশল বাতৰি দি, ভৰতৰ বাতৰি লৈ ঘূৰি আহাঁ।" ১ ॥

পৱনপুত্ৰ তুৰন্তেই গ'ল। তেতিয়া প্ৰভু ভৰদ্বাজ মুনিৰ ওচৰলৈ গ'ল। মুনিয়ে নানাপ্ৰকাৰে তেওঁৰ সেৱা-পূজা আৰু প্ৰশংসা কৰি আকৌ আশীৰ্বাদ দিলে। ২ ॥

দুয়োহাত যোৰ কৰি মুনিৰ পদত বন্দনা কৰি আকৌ প্ৰভু বিমানত উঠি আগবাঢ়িল। যেতিয়া নিষাদৰাজে ইফালে শুনিলে যে প্ৰভু আহিছে, তেতিয়া তেওঁ 'নাও ক'ত, নাও ক'ত' বুলি চিঞৰি চিঞৰি মানুহ মাতিলে। ৩ ॥

এনেতে বিমান গংগা পাৰ হৈ আহিল আৰু প্ৰভুৰ আজ্ঞামতে গংগাৰ কাষতে ৰখোৱা হ'ল। তেতিয়া সীতাই নানাপ্ৰকাৰে গংগাৰ পূজা কৰি আকৌ চৰণত সেৱা জনালে। ৪ ॥

গংগাই সন্তুষ্ট হৈ আশীৰ্বাদ কৰিলে—"হে সুন্দৰী! তুমি অখণ্ড সৌভাগ্য-শালিনী হোৱাঁ।" ৰাম গংগাৰ পাৰত নমা বুলি শুনি গুহকো প্ৰেমবিহ্বল হৈ আৰু অতি আনন্দ মনেৰে ওচৰলৈ ল'ৰি আহিল। ৫ ॥

জানকীসহ প্ৰভুক দেখি তেওঁ মাটিত পৰি সেৱা কৰিলে আৰু আপোন পাহৰা হ'ল (নিজৰ অস্তিত্বৰ কথাই পাহৰিলে)। ৰঘুনাথে তেওঁৰ পৰম প্ৰীতিভাব দেখি আনন্দ মনেৰে তুলি লৈ বুকুত সাবটি ধৰিলে। ৬ ॥

ছন্দঃ—জ্ঞানীসকলৰ ভিতৰত বঢ়া (শ্ৰেষ্ঠ), লক্ষ্মীকান্ত আৰু কৃপাময়ে তেওঁক বুকুত ভৰাই ল'লে। তাৰ পাছত ওচৰতে বহুৱাই লৈ কুশল বাতৰি সুধিলে। গুহকে নম্ৰ নিবেদন জনাই ক'লে—"ব্ৰহ্মা আৰু শংকৰ সেৱিত আপোনাৰ চৰণপংকজ দৰ্শন কৰি মই এতিয়া কুশলে আছোঁ। হে সুখধাম, পূৰ্ণকাম ৰাম! আপোনাক নমস্কাৰ! আপোনাক নমস্কাৰ!!"

সকলো প্ৰকাৰে অধম সেই নিষাদক হৰিয়ে (ৰামে) ভৰতৰ দৰে বুকুত সাৱটি ল'লে। তুলসীদাসে কৈছে—এই মন্দমতিয়ে (মই) মোহৰ বশ হৈ সেই প্ৰভুক পাহৰিলোঁ। ৰাৱণাৰি ৰামৰ এই চৰিত্ৰ সদায় ৰামৰ পাৱনপদত ৰতি উৎপন্নকাৰী। ই কামাদি মনোবিকাৰ হৰণকাৰী আৰু বিজ্ঞানপ্ৰদ (ভগৱানৰ স্বৰূপ সম্বন্ধীয় উপলব্ধিকাৰক)। দেৱতা, সিদ্ধ আৰু মুনিসকলে এই চৰিত আনন্দ মনেৰে গায়। ২ ॥

দোঃ—যি বুদ্ধিমানজনে ৰঘুবীৰৰ যুদ্ধবিজয়ৰ কথা শুনে, তেওঁক ভগৱানে সদায় বিজয়, বিবেক আৰু বিভূতি (ঐশ্বৰ্য) দান কৰে। ১২১ (ক)॥

হেৰ মন! বিচাৰ কৰি চা। এই কলিকাল পাপৰ ঘৰ। ইয়াত ৰঘুনাথৰ নামৰ বাহিৰে [পাপৰপৰা উদ্ধাৰ পাবৰ কাৰণে] আন একো উপায় নাই। ১২১ (খ)॥

শ্ৰীৰামচৰিত মানস

উত্তৰকাণ্ড

শ্লোক—ম'ৰা চৰাইৰ কণ্ঠস্বৰে নীলবৰণীয়া, দেৱশ্ৰেষ্ঠ, ব্ৰাহ্মণৰ (ভৃগুৰ) চৰণকমলৰ চিহ্নেৰে সুশোভিত, শোভাৰে পৰিপূৰ্ণ, পীতাম্বৰ, কমলনয়ন, সদায় সুপ্ৰসন্ন, হাতত শৰ-ধনু ধাৰণ কৰি থকা, বান্দৰসমূহ লগত থকা, ভ্ৰাতৃ লক্ষ্মণৰদ্বাৰা সেৱিত, স্তুতিযোগ্য, জানকীপতি, ৰঘুবৰ, পুষ্পকাৰোহী শ্ৰীৰামক মই নিৰন্তৰ নমস্কাৰ কৰোঁ। ১ ॥

কোশলাধিপতি শ্ৰীৰামৰ মঞ্জুল আৰু কোমল চৰণযুগল ব্ৰহ্মা আৰু শিৱৰো বন্দিত; জানকীৰ কৰকমলেৰে লালিত আৰু চিন্তনকাৰীসকলৰ মনৰূপী ভ্ৰমৰৰ নিত্যসংগী। ২ ॥

কুন্দফুল, চন্দ্ৰ আৰু শংখসদৃশ গৌৰবৰ্ণৰ আৰু সুন্দৰ, জগজ্জননী পাৰ্বতীৰ স্বামী, অভীষ্ট ফলদাতা, কৰুণাময়, সুন্দৰ কমলসদৃশ নয়নযুক্ত, কামদেৱৰপৰা মোচন কৰোঁতা শংকৰক মই প্ৰণাম কৰোঁ। ৩ ॥

দোঃ—ৰামৰ বনবাস শেষ হ'বলৈ এদিন বাকী আছে, পুৰবাসীসকল অতি অধীৰ হৈ পৰিল। ৰামৰ বিয়োগত শৰীৰ দুৰ্বল হৈ পৰা নৰ-নাৰীসকলে ঠ'তে-ঠ'তে চিন্তা কৰিবলৈ ধৰিলে (কি হৈছে, কি নহৈছে?)।

তেনেতে শুভ-লক্ষণ প্ৰকাশ পাবলৈ ধৰিলে আৰু সকলোৰে মন প্ৰসন্ন হৈ পৰিল। নগৰখনো চাৰিওফালে ৰমণীয় হৈ পৰিল, যেন এইবোৰে প্ৰভু আগমনৰহে সূচনা কৰিছে।

কৌশল্যা আদি মাতৃসকলৰ মনত এনেকুৱা আনন্দ লাগিছে যেন কোনোবাই এইবোৰেহে তেওঁলোকক ক'ব যে সীতা আৰু ভ্ৰাতৃৰ সৈতে ৰাম পালেহিয়েই।

বাৰে বাৰে ভৰতৰ সোঁ বাহু আৰু সোঁ চকু লৰিছে। সেয়া শুভ-লক্ষণ বুলি জানি তেওঁৰ মনত অতি আনন্দ লাগিছে আৰু চিন্তা কৰি চাইছে—

চৌঃ—"[প্ৰাণৰ] আধাৰস্বৰূপ সময়ৰ সীমা পাবলৈ এদিন বাকী আছে। এইবুলি ভৰা মাত্ৰকে ভৰতৰ মনত অপাৰ দুখ হ'ল। কি কাৰণেনো নাথ ঘূৰি অহা নাই। কুটিল বুলি ভাবি প্ৰভুৱে মোক পাহৰি যোৱা নাইতো?

আহা! লক্ষ্মণ ধন্য, অতি ভাগ্যবান, তেওঁ শ্ৰীৰামৰ পদপংকজৰ অনুৰাগী। মোক প্ৰভুৱে কপটীয়া আৰু কুটিল বুলি চিনি পালে আৰু সেই কাৰণেহে নাথে মোক লগত নিনিলে। ২ ॥

যদি প্ৰভুৱে মোৰ কামবোৰলৈ মন কৰে, তেনেহ'লে শতকোটি কল্প পৰ্যন্ত মোৰ নিস্তাৰ নহ'ব। [পিছে] প্ৰভুৱে সেৱকৰ দোষলৈ নাচায়। তেওঁ দীনবন্ধু, তেওঁৰ স্বভাৱ অতি কোমল। সেই কাৰণে মোৰ মনত দৃঢ় বিশ্বাস যে ৰামক পামেই, মোৰ অনেক শুভ-লক্ষণ প্ৰকাশ পাইছে। সময়ৰ সীমা পাৰ হৈ যোৱাৰ পাছতো যদি মোৰ প্ৰাণ বাচি থাকে, তেনেহ'লে জগতত মোৰ সমান নীচ আৰু কোন আছে?" ৩/৪ ॥

দোঃ—ৰামৰ বিৰহ-সমুদ্ৰত ভৰতৰ মন বুৰ গৈছে, সেই সময়তে নাৱৰূপে বিপ্ৰৰ বেশ ধৰি অহা পৱননন্দন হনুমান উপস্থিত হ'ল। ১ (ক) ॥

হনুমানে ক্ষীণ শৰীৰেৰে ভৰতক জঁটাৰ মুকুট পিন্ধি 'ৰাম, ৰাম, ৰঘুপতি' বুলি জপ কৰি, চকুৰ লোতক বোৱাই কুশাসনত বহি থকা দেখিবলৈ পালে। ২ (খ) ॥

চৌঃ—তেওঁক দেখি হনুমান অতি আনন্দিত হ'ল। তেওঁৰ শৰীৰ পুলকিত হ'ল, চকুৰপৰা লোতক ব'বলৈ ধৰিলে। মনত নানাপ্ৰকাৰে সুখ অনুভৱ কৰি কাণত অমৃত বৰষা মাতেৰে ক'লে—"যাৰ বিৰহত আপুনি দিনে-ৰাতিয়ে চিন্তিত হৈ আছে আৰু যাৰ গুণসমূহ শাৰীয়ে শাৰীয়ে সদায় গাব লাগিছে, সেই ৰঘুকুলৰ তিলক, সজ্জনৰ সুখদাতা, দেৱতা আৰু মুনিসকলৰ ত্ৰাণকৰ্তা ৰামচন্দ্ৰ কুশলে ঘূৰি আহিছে। ১/২ ॥

শত্ৰুক ৰণত জয় কৰি সীতা আৰু লক্ষ্মণেৰে সৈতে প্ৰভু আহি আছে। দেৱতাসকলে তেওঁৰ সুযশ গাইছে।" এই কথা শুনামাত্ৰকে ভৰতে সমস্ত দুখ পাহৰি গ'ল; যেন তৃষ্ণাতুৰ লোকে অমৃতহে পালে। ৩ ॥

[ভৰতে ক'লে—] "বাপু, তুমি কোন, ক'ৰপৰা আহিছা? তুমিয়ে মোক এই পৰমপ্ৰিয় বচন শুনালাহি।" [হনুমানে ক'লে—] "হে কৃপানিধি, মই পৱননন্দন, জাতিত বানৰ, মোৰ নাম হনুমান। ৪ ॥

মই দীনবন্ধু ৰঘুপতিৰ সেৱক।" এই কথা শুনামাত্ৰকে উঠি আহি ভৰতে

আদৰেৰে সৈতে হনুমানক ডিঙিত সাৱটি ধৰিলেহি। সেই মিলনৰ সময়ত হৃদয়ত প্ৰেমে নধৰা হ'ল। চকুৰপৰা লোতক ব'বলৈ ধৰিলে, শৰীৰ পুলকিত হ'ল। ৫ ॥

[ভৰতে ক'লে—] "হে কপিবৰ! তোমাক দৰ্শন কৰিবলৈ পাই মোৰ সমস্ত দুখৰ অন্ত পৰিল। আজি যেন মই সাক্ষাৎ প্ৰিয় শ্ৰীৰামকহে লাভ কৰিলোঁ।" ভৰতে বাৰে বাৰে কুশল প্ৰশ্ন কৰিলে [আৰু ক'লে—] "শুনা ভাই, মই তোমাক এতিয়া কি দিওঁ? ৬ ॥

এই সংবাদৰ সমান জগতত একো বস্তুকে মই চিন্তা কৰি বিচাৰি নাপালোঁ। বাপু, মই কোনো প্ৰকাৰেই তোমাৰ ধাৰ শুজিব নোৱাৰোঁ। এতিয়া তুমি মোক প্ৰভুৰ চৰিত্ৰ শুনোৱা।" ৭ ॥

তেতিয়া হনুমানে ভৰতৰ চৰণত মূৰ দোৱাই ৰঘুপতিৰ সমস্ত গুণ-গাথা গাবলৈ ধৰিলে। (ভৰতে ক'লে—) "হে কপিবৰ! কোৱাচোন বাৰু, কৃপালু গোসাঁয়ে মোক দাস বুলি কেতিয়াবা স্মৰণ কৰে নে?" ৮ ॥

ছন্দ:—ৰঘুবংশৰ ভূষণ শ্ৰীৰামে কেতিয়াবা নিজ দাস বুলি মোক স্মৰণ কৰে নে?" ভৰতৰ অতি বিনীত বচন শুনি হনুমানৰ শৰীৰ পুলকিত হ'ল আৰু তেওঁ ভৰতৰ চৰণত বাগৰি পৰিল। চৰাচৰৰ স্বামী ৰঘুবীৰ ৰামে যাৰ গুণসমূহ বৰ্ণনা কৰে, সেই ভৰত এনে বিনীত, পৰম পবিত্ৰ আৰু সদ্‌গুণৰ সাগৰ নহ'ব কিয়?

দো:—[হনুমানে ক'লে—] "হে নাথ! আপুনি ৰামৰ প্ৰাণপ্ৰিয়। হে প্ৰভু! মোৰ কথা সত্য।" এই কথা শুনি ভৰতে বাৰে বাৰে তেওঁক আঁকোৱালি লয়, হৃদয়ত আনন্দৰ সীমা নোহোৱা হয়। ২ ॥ (ক)

সো:—তাৰ পাছত ভৰতৰ চৰণত মূৰ দোৱাই হনুমান তুৰন্তে ৰামৰ ওচৰলৈ ঘূৰি গ'ল। তেওঁ সকলো কুশল সংবাদ জনালেগৈ। তেতিয়া আনন্দিত হৈ প্ৰভু বিমানত উঠিল। ২ (খ) ॥

চৌ:—ইফালে আনন্দ মনেৰে ভৰত অযোধ্যালৈ আহিল। তেওঁ গুৰু বশিষ্ঠক সকলো সংবাদ জনালে। তাৰ পাছত ৰাজভৱনত জনোৱা হ'ল যে ৰঘুৰায় কুশলে নগৰলৈ আহি আছে। ১ ॥

খবৰটো পোৱা মাত্ৰকে মাতৃসকলে লৰা-ধপৰা লগাই দিলে। ভৰতে প্ৰভুৰ কুশল-বাৰ্তা দি সকলোকে আশ্বস্ত কৰিলে। নগৰবাসীসকলে যেতিয়া এই সংবাদ পালে, নৰ-নাৰীসকলোৱেই আনন্দ মনেৰে লৰি-ধাপৰি যাবলৈ ধৰিলে। ২ ॥

(ৰামক আদৰিবলৈ) দৈ, দুবৰি, গোৰোচনা, ফল-ফুল আৰু মংগলৰ মূল তুলসী পাত আদি দ্ৰব্য সোণৰ থালত ভৰাই লৈ হস্তিগামিনী ৰমণীসকলে গীত গাই গাই বাবলৈ ধৰিলে। ৩ ॥

যি যেনেকৈ আছিল, তেওঁ তেনেকৈয়ে উঠি লৰ ধৰিলে। শিশু আৰু বৃদ্ধসকলক কোনেও (পলম হোৱাৰ ভয়ত) লগত নল'লে। ইজনে সিজনক এই বুলি সোধাসোধি কৰিছে—"ভাই, তুমি দয়ালু ৰঘুনাথক দেখিলাগৈ নে?" ৪ ॥

প্ৰভু আহিছে বুলি জানি অযোধ্যাপুৰী সমস্ত শোভাৰ আকৰস্বৰূপ হৈ পৰিল। ত্ৰিবিধ সুন্দৰ বায়ু ব'বলৈ ধৰিলে, সৰযূৰ পানী অতি নিৰ্মল হৈ পৰিল। ॥ ৫ ॥

দোঃ—গুৰু বশিষ্ঠ, পৰিজনসকল, ভায়েক শত্ৰুঘ্ন আৰু ব্ৰাহ্মণসকলৰ সৈতে অতি প্ৰেমভাৱেৰে ভৰত কৃপানিধি ৰামৰ ওচৰলৈ [তেওঁক আগবঢ়াই আনিবলৈ] গ'ল। ৩ (ক) ॥

বহুত তিৰোতাই অট্টালিকাৰ ওপৰত উঠি আকাশত বিমানখন চাবলৈ ধৰিলে। বিমানখন দেখি তেওঁলোকে মধুৰ স্বৰেৰে মংগল-গীত গাবলৈ ধৰিলে। ৩ (খ) ॥

ৰঘুপতি ৰাম হ'ল পূৰ্ণিমাৰ চন্দ্ৰ আৰু অযোধ্যা হ'ল সমুদ্ৰ। ই পূৰ্ণচন্দ্ৰ ৰামক দেখি উৎফুল্ল হৈ পৰিছে; কোলাহল কৰি ওফন্দি গৈছে। তিৰোতাবোৰক সেই সমুদ্ৰৰ তৰংগ যেন লাগিছে। ২ (গ) ॥

তাত (বিমানত) সূৰ্যকুলৰূপী কমলৰ কাৰণে সূৰ্যস্বৰূপ ৰামে কপিসকলক মনোৰম নগৰখন দেখুৱাইছে। [ৰামে কৈছে]—"কপিৰাজ সুগ্ৰীৱ, অংগদ, লংকাপতি বিভীষণ, শুনাহঁক, এই নগৰী পবিত্ৰ আৰু এই দেশো মনোৰম। যদিও সকলোৱে বৈকুণ্ঠৰ মহিমা গায়, এই কথা বেদ আৰু পুৰাণ প্ৰসিদ্ধ; গতিকে এই কথা জগতৰ সকলোৱে জানে, কিন্তু সেই বৈকুণ্ঠ মোৰ কাৰণে যে অযোধ্যাৰ সমান প্ৰিয় নহয়, এই কথা কোনো কোনোৱেহে জানে। ১।২ ॥

এই মনোৰম নগৰী মোৰ জন্মভূমি, ইয়াৰ উত্তৰ দিশে পবিত্ৰ সৰযূ নদী বৈ গৈছে, তাত স্নান কৰিলে মানুহে অপ্ৰয়াসে মোৰ সমীপত বাস কৰিবলৈ পায়। ৩ ॥

ইয়াৰ নিবাসীসকল মোৰ অতি প্ৰিয়। এই নগৰী সুখৰ সমষ্টিস্বৰূপ আৰু মোৰ পৰম ধাম দান কৰোঁতা।" প্ৰভুৰ বচন শুনি কপিগণ হৰ্ষিত হ'ল

[আৰু তেওঁলোকে কয়'লৈ ধৰিলে—] "যাৰ ৰজা ৰামচন্দ্ৰয়ো পাইছে, সেই অযোধ্যানগৰী ধন্য।" ৪ ॥

দোঃ—কৃপাৰ সাগৰ ভগৱানে সকলো মানুহকে যেতিয়া আহি থকা দেখিলে তেতিয়া প্ৰভুৱে বিমানখনক নগৰৰ ওচৰত অৱতৰণ কৰিবলৈ ইংগিত দিলে। বিমান মাটিলৈ নামিল। ৪ (ক) ॥

বিমানৰপৰা নামি প্ৰভুৱে পুষ্পক বিমানক ক'লে—"এতিয়া তুমি কুবেৰৰ ওচৰলৈ যোৱাঁগৈ।" ৰামে পঠাই দিয়াত হৰ্ষ আৰু বিৰহ দুয়োটাৰে সৈতে পুষ্পক বিমান গ'লগৈ। ৪ (খ) ॥

চৌঃ—ভৰতৰ লগত সকলো মানুহ আহিছে। ৰামৰ বিয়োগত তেওঁলোকৰ শৰীৰ ক্ষীণ হৈ পৰিছে। প্ৰভুৱে বামদেৱ, বশিষ্ঠ আদি শ্ৰেষ্ঠ মুনিকসকলক যেতিয়া দেখিবলৈ পালে, তেওঁ ধনু-শৰ মাটিত থৈ লক্ষ্মণেৰে সৈতে ল'ৰি গৈ গুৰুৰ চৰণ-কমল সাৱটি ধৰিলে, তেওঁলোকৰ প্ৰতিডাল নোম পুলকিত হৈ উঠিল। মুনিৰাজ বশিষ্ঠই তেওঁলোকক ডিঙিত সাঁকোৱালি ধৰি কুশল-বাৰ্তা সুধিলে। [প্ৰভুৱে ক'লে—] "আপোনাৰ কৃপাত আমাৰ কুশল।" ১।২ ॥

ধৰ্মৰ ধৰণী ধৰোঁতা ৰামে সকলো ব্ৰাহ্মণক সাক্ষাৎ কৰি মূৰ দোৱাঁলে। তাৰ পাছত ভৰতে প্ৰভুৰ সেই চৰণযুগল, যাক দেৱতা, মুনি, ব্ৰহ্মা আৰু মহাদেৱেও প্ৰণাম কৰে, সাঁকোৱালি ধৰিলেগৈ। ভৰত মাটিত পৰি আছে, তুলি দিলেও নুঠে। তেতিয়া কৃপাৰ সাগৰ শ্ৰীৰামে তেওঁক জোৰেৰে তুলি আনি বুকুত সাৱটি ধৰিলে। তেওঁৰ শ্যামল শৰীৰৰ নোমবোৰ [আনন্দত] থিয় হৈ উঠিল। নতুন পদ্মফুল যেন চকু দুটিত অশ্ৰুৰ যেন প্লাৱন নামিল। ৩।৪ ॥

ছঃ—ৰাজীৱলোচনৰপৰা অশ্ৰুধাৰা বব লাগিছে, সুন্দৰ শৰীৰত পুলক-সমূহে শোভা কৰিছে। ত্ৰিভুবনৰ স্বামী প্ৰভু শ্ৰীৰামে ভায়েক ভৰতক অতি প্ৰেমভাৱেৰে বুকুত সাৱটি ধৰিছে। ভ্ৰাতৃৰ লগত হোৱা প্ৰভুৰ এই মিলনৰ শোভাৰ উপমা মই দিব নোৱাৰোঁ, যেন প্ৰেম আৰু শৃংগাৰে শৰীৰ ধাৰণ কৰিছে মিলিত হৈছেহি আৰু শ্ৰেষ্ঠ শোভা লাভ কৰিছে। ১ ॥

কৃপানিধি শ্ৰীৰামে ভৰতক কুশল প্ৰশ্ন কৰিছে; কিন্তু ভৰতৰ মুখৰপৰা বেগেতে কথাই নোলায়। [শিৱই কৈছে—] "শুনা পাৰ্বতী, (ভৰতৰ) এই সুখ মন আৰু বাণীৰ অগোচৰ; ইয়াৰ কথা সেইজনেহে জানে, যি ইয়াক নিজে অনুভৱ কৰিছে।" [ভৰতে ক'লে—] "হে কোশলৰ অধিপতি, আতুৰ হৈ

আছোঁ বুলি আপুনি এই বালক দেখা দিছেহি, এতিয়া মোৰ কুশল ঘটিছে। বিৰহ সমুদ্ৰত বুৰ যাবলৈ ধৰা মোক কৃপানিধি আপুনি হাতত ধৰি ৰক্ষা কৰিলেহি।" ২ ॥

দোঃ—তাৰ পাছত প্ৰভুৱে আনন্দ মনেৰে শত্ৰুঘ্নকো বুকুত সাৱটি ধৰিলে। তাৰ পাছত লক্ষ্মণ আৰু ভৰতৰ পৰম প্ৰেমপূৰ্ণ মিলন ঘটিল। ৫ ॥

চৌঃ—তাৰ পাছত লক্ষ্মণ আৰু শত্ৰুঘ্নই গলাগলি কৰিলে আৰু অসহ্য বিৰহ দুখৰ অন্ত পেলালে। তাৰ পাছত ভৰতে শত্ৰুঘ্নৰ সৈতে সীতাৰ চৰণত মূৰ দোৱাঁই পৰম সুখ লাভ কৰিলে। ১ ॥

প্ৰভুক দেখি অযোধ্যাবাসীসকল আনন্দিত হ'ল, তেওঁলোকৰ বিৰহজনিত সকলো দুখৰ অন্ত পৰিল। সকলো মানুহকে প্ৰেমত অধীৰ হৈ থকা দেখি খৰৰ শত্ৰু কৃপালু শ্ৰীৰামে এটা কৌতুক কৰিলে। সেই সময়ত কৃপালু ৰাম অসংখ্য ৰূপত প্ৰকট হ'ল আৰু সেইদৰে সকলো মানুহৰ লগতে তেওঁ দেখা-সাক্ষাৎ হ'ল। ৰঘুবীৰে কৃপাদৃষ্টিৰে চাই সকলো নৰ-নাৰীকে শোকমুক্ত কৰিলে। ২ ॥

ক্ষন্তেকতে ভগৱানে সকলোৰে লগত দেখা-সাক্ষাৎ কৰিলে। "হে উমা! এই ৰহস্য কোনেও নাজানিলে।" এইদৰে সকলোকে সুখী কৰি সুচৰিত্ৰ আৰু গুণৰ নিধান ৰাম আগ বাঢ়িবলৈ ধৰিলে। ৪ ॥

কৌশল্যা আদি মাতৃসকলে ন-কৈ পোৱালি দিয়া গাই গৰুৱে পোৱালিটো দেখি লৰমৰাৰ দৰে লৰ ধৰিলে। ৫ ॥

ছঃ—যেন নৱপ্ৰসূতা গাই-গৰুৱে কুমলীয়া পোৱালিটো ঘৰত এৰি লোকৰ অধীন হৈ বনত চৰিবলৈ গৈছিল আৰু সন্ধিয়া হুঁকৰি হুঁকৰি ওহাৰৰপৰা গাখীৰ বোৱাই নগৰলৈ লৰি আহিছে। প্ৰভুৱে অতি ভক্তিভাৱেৰে সৈতে সকলো মাতৃকে সাক্ষাৎ কৰিলেগৈ আৰু তেওঁলোকক নানা মৃদু বচনেৰে সম্ভাষণ কৰিলে। বিৰহজনিত ভয়ানক বিপত্তিসমূহ দূৰ হৈ গ'ল আৰু সকলোৱে অপাৰ সুখ আৰু আনন্দ লাভ কৰিলে।

দোঃ—সুমিত্ৰাই পুত্ৰ লক্ষ্মণৰ ৰামৰ চৰণত থকা ৰতিৰ কথা জানি [আনন্দিত হৈ] লক্ষ্মণক দেখা কৰিলেগৈ। ৰামক দেখা কৰাৰ সময়ত কৈকেয়ীৰ মনত বৰ সংকোচ হৈছিল। ৬ (ক) ॥

সকলো মাতৃকে দেখা কৰি আৰু আশীৰ্বাদ পাই লক্ষ্মণো বৰ আনন্দিত হ'ল। তেওঁ বাৰে বাৰে কৈকেয়ীক সাৱটি ধৰিছিল যদিও তেওঁৰ মনৰ ক্ষোভ দূৰ হোৱা নাছিল। ৬(খ) ॥

চৌঃ—জানকীয়ে শাহুৱেকসকলক সাক্ষাৎ কৰিলেগৈ আৰু তেওঁলোকৰ চৰণত ধৰি আনন্দ লাভ কৰিলে। শাহুৱেকসকলে কুশল প্ৰশ্ন কৰি এই বুলি আশীৰ্বাদ দিলে—"তোমাৰ সধৱা-ভাগ্য অচল হৈ ৰওক।" ১॥

মাতৃসকলে ৰঘুপতিৰ মুখপদ্ম দৰ্শন কৰিলে; সেই মংগল ক্ষণত কোনোমতে চকুৰ পানী বাধা দি ৰাখিলে। তেওঁলোকে সোণৰ থালেৰে আৰতি কৰিছে আৰু বাৰে বাৰে প্ৰভুৰ শৰীৰলৈ চাইছে। নানাপ্ৰকাৰৰ উৎসৰ্গা কৰিছে; হৃদয় অতি আনন্দ আৰু উৎসাহেৰে পূৰ্ণ হৈ পৰিছে। কৌশল্যাই বাৰে বাৰে কৃপাসিন্ধু, ৰণধীৰ শ্ৰীৰামলৈ চাইছে। তেওঁ বাৰে বাৰে মনতে ভাবিছে—ৰামে নো কেনেকৈ লংকাপতি ৰাৱণক মাৰিলে? মোৰ এই ল'ৰাটি বাছা অতি সুকুমাৰ, আনহাতে ৰাক্ষস ৰাৱণ মহাবলী শ্ৰেষ্ঠ যোদ্ধা আছিল। ২—৪॥

দোঃ—লক্ষ্মণ আৰু সীতাৰে সৈতে ৰামক চাই আছে, তেওঁৰ মন পৰম আনন্দত নিমগ্ন হৈ আছে; শৰীৰ বাৰে বাৰে পুলকিত হৈছে। ৭॥

চৌঃ—লংকাপতি বিভীষণ, কপিৰাজ সুগ্ৰীৱ আৰু নল, নীল, জাম্বৱান, অংগদ, হনুমান আদি উত্তম চৰিত্ৰৱান বীৰ বানৰগণে সুন্দৰ মনুষ্য শৰীৰ ধাৰণ কৰিলে। তেওঁলোক সকলোৱে ভৰতৰ প্ৰেম, স্বভাৱ আৰু ব্ৰত-নিয়মবোৰ অতি প্ৰীতিৰে সৈতে আদৰ কৰি মাহাত্ম্য বখানিবলৈ ধৰিলে। নগৰবাসীসকলৰ আচৰণ দেখি সকলোৱে তেওঁলোকৰ প্ৰভুৰ চৰণত পকা ভক্তিৰ প্ৰশংসা কৰিবলৈ ধৰিলে। ১।২॥

তাৰ পাছত ৰামে সেই মিত্ৰসকলক মতাই অনালে আৰু মুনিৰ চৰণত প্ৰণাম কৰিবলৈ সকলোকে শিকাই দিলে [আৰু ক'লে—] "এই গুৰু বশিষ্ঠ আমাৰ কুলৰ পূজনীয় ব্যক্তি। এখেতৰ কৃপাতেই যুদ্ধত ৰাক্ষসবোৰ মৰা পৰিল।" [তাৰ পাছত গুৰুক ক'লে—] "হে মুনি! শুনক, এইসকল মোৰ মিত্ৰ। সংগ্ৰামৰূপী সমুদ্ৰত এওঁলোক মোৰ কাৰণে নৌকাতুল্য হৈছিল। মোৰ কল্যাণৰ উদ্দেশ্যে এওঁলোকে প্ৰাণ পৰ্যন্ত উৎসৰ্গা কৰিছিল। এওঁলোক মোৰ কাৰণে ভৰততকৈয়ো অধিক প্ৰিয়।" ৩।৪॥

এই কথা শুনি সকলো আনন্দত নিমগ্ন হ'ল। এইদৰে প্ৰতি নিমিষতে নতুন নতুন সুখ লাভ কৰিবলৈ ধৰিলে। ৫॥

দোঃ—তাৰ পাছত তেওঁলোকে কৌশল্যাৰ চৰণত প্ৰণাম জনালেগৈ। কৌশল্যাই আনন্দিত হৈ আশীৰ্বাদ দি ক'লে—"তোমালোক মোৰ কাৰণে ৰামৰ নিচিনাকৈয়ে মৰমৰ পাত্ৰ।" ৮ (ক)॥

আনন্দৰ মূল শ্ৰীৰাম নিজ ভৱনলৈ গৈছে, পুষ্পবৃষ্টিৰে আকাশ ছাটি ধৰিলে। নগৰৰ নৰ-নাৰীসকলে অট্টালিকাৰ ওপৰত উঠি ৰামক দৰ্শন কৰিবলৈ ধৰিলে। ৮ (খ)॥

চৌঃ—বিচিত্ৰ ধৰণে অলংকৃত কৰা সোণৰ কলসীবোৰ সুসজ্জিত কৰি সকলোৱে নিজ নিজ ঘৰৰ দুৱাৰ মুখত স্থাপন কৰিলে। সকলোৱে মংগলৰ উদ্দেশ্যে মালা, আমডালি, ধ্বজা, পতাকা—এইবোৰ আঁৰিছে; নগৰৰ গলিবোৰত সুগন্ধি দ্ৰব্য সিঁচি দিয়া হৈছে; গজমুক্তাৰে দোকানবোৰ সজোৱা হৈছে।

তিৰোতাবোৰে য'তে ত'তে দান-উৎসৰ্গা কৰিছে আৰু আনন্দিত মনেৰে আশীৰ্বাদ কৰিছে। যুৱতীসকলে সোণৰ থালত নানাপ্ৰকাৰৰ আৰতি * সজাই লৈ মংগল গীত গাইছে। তেওঁলোকে দুখ হৰণকাৰী, ৰঘুকুলৰূপী কমলবনৰ কাৰণে সূৰ্যস্বৰূপ শ্ৰীৰামৰ আৰতি কৰিছে। নগৰৰ শোভা, সম্পদ আৰু কল্যাণৰ বৰ্ণনা বেদ, অনন্ত আৰু সৰস্বতীয়ে কৰিছে, কিন্তু এই কাৰ্যাৱলী দেখি তেওঁলোক স্তম্ভিত হৈছে। [শিৱই কৈছে—] "হে উমা, তেনে স্থলত মানুহে এওঁলোকৰ গুণ-কীৰ্তন কেনেকৈ কৰিব? ৩॥৫॥

দোঃ—ৰমণীসকল হ'ল কুমুদিনী, অযোধ্যা হ'ল সৰোবৰ, ৰঘুপতিৰ বিৰহেই আছিল [তেওঁলোকৰ সন্তাপদায়ক] সূৰ্য, এতিয়া সেই সূৰ্য অস্ত যোৱাত ৰামৰূপী পূৰ্ণচন্দ্ৰক দৰ্শন কৰি তেওঁলোক উদ্ভাসিত হৈ উঠিছে।" ৯ (ক)॥

অনেক শুভ লক্ষণৰ সূচনা হ'ল, আকাশত দুন্দুভি বাজিবলৈ ধৰিলে। নগৰৰ নৰ-নাৰীসকলক কৃতাৰ্থ কৰি ভগৱান ৰামচন্দ্ৰ নিজ ভৱনলৈ গৈছে। ৯ (খ)

চৌঃ—[শিৱই কৈছে—] "হে ভৱানী, প্ৰভুৱে বুজিলে যে মাতৃ কৈকেয়ী লজ্জিত হৈছে, গতিকে তেওঁ প্ৰথমে কৈকেয়ীৰ বাসভৱনলৈ গ'ল আৰু তেওঁক বুজাই-বৰাই সুখ দান কৰিলে।" তাৰ পাছত শ্ৰীহৰি নিজ ভৱনলৈ গ'ল। কৃপানিধি ৰাম নিজ ভৱনত উপস্থিত হোৱাত নগৰৰ সকলো নৰ-নাৰী সুখী হ'ল। গুৰু বশিষ্ঠই ব্ৰাহ্মণসকলক মতাই আনি ক'লে—"আজি শুভ মুহূৰ্ত, শুভদিন, সকলো শুভ যোগ মিলিছে। সমস্ত ব্ৰাহ্মণে আনন্দিত হৈ আজ্ঞা কৰক, ৰামচন্দ্ৰ আজি সিংহাসনত বহক।" বশিষ্ঠৰ সুন্দৰ বচন শুনি সকলো ব্ৰাহ্মণে বৰ ভাল পালে। অনেক ব্ৰাহ্মণে মৃদু বচনেৰে ক'বলৈ ধৰিলে—"ৰামৰ অভিষেক সমস্ত জগতৰ কাৰণে আনন্দদায়ক হ'ব। হে মুনি-শ্ৰেষ্ঠ, এতিয়া বিলম্ব নকৰিব; শীঘ্ৰে মহাৰাজক ৰাজতিলক পিন্ধাওক।" ১॥৪॥

দোঃ—তেতিয়া মুনিয়ে এই কথা সুমন্ত্ৰক ক'লে। শুনামাত্ৰকে তেওঁ আনন্দ মনেৰে গৈ তুৰন্তে অনেক ৰথ, ঘোঁৰা আৰু হাতী সজালে। যেনিয়ে তেনিয়ে দূত পঠাই মাংগলিক বস্তু বিচৰাই আনি হৰ্ষাম্বিত হৈ বশিষ্ঠৰ চৰণত মূৰ দোঁৱালেহি। ১০ (ক) আৰু (খ)॥

চৌঃ—অযোধ্যাপুৰী অতি সুন্দৰকৈ সজোৱা হ'ল। দেৱতাসকলে একে-ধাৰে পুষ্পবৃষ্টি কৰিবলৈ ধৰিলে। ৰামে সেৱকসকলক মতাই আনি ক'লে—"তোমালোকে প্ৰথমতে মোৰ মিত্ৰসকলক স্নান কৰোৱাঁ গৈ।" ১॥

প্ৰভুৰ বচন শুনা মাত্ৰকে সেৱকসকলে ইফালে সিফালে খৰা-ধপৰা লগাই দিলে আৰু ততালিকে সুগ্ৰীৱ আদিক স্নান কৰালে। তাৰ পাছত করুণানিধি ৰামে ভৰতক মতাই আনিলে আৰু নিজ হাতেৰে তেওঁৰ জঁটা খুলি দিলে। তাৰ পাছত ভক্ত-বৎসল কৃপালু প্ৰভু ৰঘুনাথে তিনিওজন ভায়েককে স্নান কৰালে। ভৰতৰ ভাগ্য আৰু প্ৰভুৰ কোমলতাৰ বৰ্ণনা শতকোটি অনন্তয়ো কৰিব নোৱাৰে। ১—৩॥

তাৰ পাছত ৰামে নিজৰ জঁটা খুলিলে আৰু গুৰুৰ আদেশ লৈ স্নান কৰিলে। স্নান কৰি প্ৰভুৱে অলংকাৰ আদি পিন্ধিলে। তেওঁৰ অংগসমূহ দেখি শত কামদেৱ লজ্জিত হ'ল। ৪॥

দোঃ—শাহুয়েকসকলে আদৰ-সাদৰকৈ ততালিকে জানকীক স্নান কৰাই তেওঁৰ অংগে অংগে দিব্য বস্ত্ৰ আৰু শ্ৰেষ্ঠ আভূষণ সুন্দৰকৈ পিন্ধাই দিলে। ১১ (ক)॥

শ্ৰীৰামৰ বাওঁফালে ৰূপ-গুণৰ আকৰ ৰমা (লক্ষ্মী) সদৃশ জানকী শোভিত হৈ আছে, তাকে দেখি আনন্দ লাভ কৰি মাতৃসকলে জনম সফল হোৱা বুলি ভাবিলে। ১১ (খ)॥

[কাকভুশুণ্ডিয়ে কৈছে—] "হে পক্ষীৰাজ গৰুড়! শুনক। সেই সময়ত সুখৰ মূলস্বৰূপ ভগৱানক দৰ্শন কৰিবলৈ ব্ৰহ্মা, অনন্তনাগ, শিৱ আৰু মুনিগণ, আৰু বিমানত উঠি উঠি দেৱতাসকল আহিবলৈ ধৰিলে।" ১১ (গ)॥

চৌঃ—প্ৰভুক দেখি বশিষ্ঠ মুনিৰ মনত প্ৰেম উথলি উঠিল। তেখেতে ততালিকে দিব্য সিংহাসন বিচৰাই আনিলে। তাৰ জ্যোতি সূৰ্যৰ নিচিনা; বৰ্ণনা কৰিব নোৱাৰি। ব্ৰাহ্মণসকলক মূৰ দোঁৱাই ৰামে তাত আৰোহণ কৰিলে। ১॥

জানকী সমন্বিতে ৰঘুনাথক দেখি মুনিসকল অতি আনন্দিত হ'ল। তেতিয়া ব্ৰাহ্মণসকলে বেদমন্ত্ৰ উচ্চাৰণ কৰিলে। আকাশত দেৱতা আৰু

মুনিসকলে জয়ধ্বনি কৰিবলৈ ধৰিলে। সৰ্বপ্ৰথম তিলক বশিষ্ঠ মুনিয়ে দিলে; তাৰ পাছত তেখেতে অন্য ব্ৰাহ্মণসকলক তিলক দিবলৈ আদেশ দিলে। পুত্ৰক ৰাজসিংহাসনত দেখি মাতৃসকল আনন্দিত হ'ল; বাৰে বাৰে আৰতি কৰিবলৈ ধৰিলে। তেখেতসকলে ব্ৰাহ্মণসকলক বিবিধ প্ৰকাৰে দান দিলে আৰু যাচকসকলক অযাচকত পৰিণত কৰিলে (দুনাই খুজিব নলগীয়া কৰিলে)। ত্ৰিভুবনৰ স্বামী ৰামক সিংহাসনত আৰোহণ কৰা দেখি দেৱতাসকলে দুন্দুভি বজালে। ২—৪॥

ছঃ—আকাশত বিপুল দুন্দুভি ধ্বনি হ'বলৈ ধৰিলে, গন্ধৰ্ব-কিন্নৰে গীত গালে, জুমে জুমে অপ্সৰাই নৃত্য কৰিবলৈ ধৰিলে; দেৱতা আৰু মুনিগণে পৰমানন্দ লাভ কৰিলে। ভৰত, লক্ষ্মণ, শত্ৰুঘ্ন, বিভীষণ, অংগদ, হনুমান আৰু সুগ্ৰীব প্ৰভৃতিকো যথাক্ৰমে ছত্ৰ, চামৰ, ব্যজন (বিচনি), ধনু, তৰোৱাল, ঢাল আৰু শক্তি নামৰ অস্ত্ৰ সমন্বিতে তেওঁৰ ওচৰত দেখা গ'ল। ১॥

শ্ৰী (সীতা) দেৱী সমন্বিতে সূৰ্যবংশৰ ভূষণ শ্ৰীৰামৰ শৰীৰত অনেক কামদেৱৰ কান্তি প্ৰকাশ পালে। নৱ জলধৰ সদৃশ শ্যাম বৰ্ণৰ সুন্দৰ শৰীৰত শোভা পোৱা পীতবস্ত্ৰই দেৱতাৰো মন মোহিত কৰিলে। মুকুট, বাজু আদি বিবিধ অলংকাৰে অংগে অংগে শোভা কৰিছে। কমলসদৃশ নয়ন, বিশাল বক্ষস্থল, সুদীৰ্ঘ বাহু—যিজনে এই ৰূপ দৰ্শন কৰিছে, সেইজন ধন্য। ২॥

দোঃ—"হে পক্ষীৰাজ, সেই শোভা, সেই সমাজ আৰু সেই সুখ মই বৰ্ণনা কৰিব নোৱাৰোঁ। সৰস্বতী, অনন্ত আৰু বেদে তাক বৰ্ণনা কৰিছে। এই ৰসৰ কথা মহাদেৱেহে জানে।" ১২॥

বিভিন্ন স্তুতি কৰি দেৱতাসকলে নিজ নিজ ধামলৈ গতি কৰিলে। তেতিয়া ভাটৰ ৰূপ ধৰি য'ত ৰাম আছিল, তালৈ চাৰি বেদ আহিল। কৃপানিধি সৰ্বজ্ঞ প্ৰভুৱে তেওঁলোকক বহুত আদৰ-সাদৰ কৰিলে, সেই কথাৰ ৰহস্য কোনেও নুবুজিলে। বেদসমূহে ৰামৰ গুণ-গান কৰিবলৈ ধৰিলে। ১২ (খ) আৰু (গ)॥

ছঃ—"হে সগুণ আৰু নিৰ্গুণ ৰূপ, হে অনুপম ৰূপবিশিষ্ট, হে নৃপশিৰোমণি, আপোনাৰ জয় হওক। আপুনি দশানন প্ৰভৃতি প্ৰচণ্ড, প্ৰবল আৰু দুষ্ট ৰাক্ষসবোৰক নিজ বাহুবলেৰে বধ কৰিলে। আপুনি নৰৰূপে অৱতীৰ্ণ হৈ সংসাৰৰ ভাৰ হৰণ কৰি দাৰুণ দুখ দূৰ কৰিলে। হে দয়ালু, প্ৰণত-পালক, আপোনাৰ জয় হওক। শক্তি সমন্বিতে আপোনাক নমস্কাৰ কৰিছোঁ। হে

হৰি! আপোনাৰ দুস্তৰ মায়াৰ বশ হৈ সুৰাসুৰ, নাগ, মনুষ্য আদি সমস্ত চৰাচৰ জগতেই কাল, কৰ্ম আৰু প্ৰাকৃত গুণসমূহেৰে পৰিপূৰ্ণ সংসাৰ-মাৰ্গত দিনে-নিশাই ভ্ৰমি ফুৰে। হে নাথ, ইয়াৰ ভিতৰত যাক আপুনি করুণাৰ দৃষ্টিৰে চায়, তেওঁ তিনি তাপৰপৰা মুক্ত হয়। হে জন্মমৃত্যু ছেদনত সুদক্ষ, শ্ৰীৰাম, আমাক ৰক্ষা কৰক ; আমি আপোনাক প্ৰণাম কৰিছোঁ॥ ১।২।

যিসকলে মিথ্যা জ্ঞানৰ অভিমানত মত্ত হৈ জন্মমৃত্যু হৰণকাৰী আপোনাৰ ভক্তিক অৱজ্ঞা কৰে, তেওঁলোকে দেব-দুৰ্লভ পদলাভ কৰিও পতিত হোৱা আমি দেখিছোঁ। কিন্তু যিসকলো আশা পৰিহৰি আপোনাত বিশ্বাস স্থাপন কৰি আপোনাৰ দাস হয়, তেওঁলোকে কেৱল আপোনাৰ নাম জপ কৰিয়েই বিনা পৰিশ্ৰমে ভৱসাগৰ পাৰ হয়। হে নাথ! আমি আপোনাক স্মৰণ কৰিছোঁ। ৩॥

যাৰ চৰণ যুগল শিৱ আৰু ব্ৰহ্মাৰো পূজনীয়, যাৰ কল্যাণকৰ ধূলাৰ স্পৰ্শতে মুনিপত্নী অহল্যাই নিস্তাৰ পালে, যাৰ নখৰপৰা মুনিজনৰ বন্দনীয় ত্ৰৈলোক্যপাৱনী দেৱনদী গংগা বহিৰ্গত হৈছে, ধ্বজ, বজ্ৰ, অংকুশ আৰু পদ্মযুক্ত যি চৰণ-যুগলত বনত ভ্ৰমি ফুৰা সময়ত কাঁইটে ফুটা কাৰণে দাগ লাগি গৈছে, হে মুকুন্দ! হে ৰাম!! হে ৰমাপতি!!! আমি আপোনাৰ সেই চৰণ-যুগলত ভক্তি কৰোঁ। ৪॥

বেদাদি শাস্ত্ৰসমূহে যাক অব্যক্ত মূল আৰু অনাদি বুলি কৈছে; যাৰ চাৰিখন ছাল, ছটা স্কন্ধ [গা গছ বা ঘাই ডাল] পঁচিশটা শাখা, অসংখ্য পাত-ফুল তথা কটু আৰু মধুৰ দুই শ্ৰেণীৰ ফলযুক্ত ; তদুপৰি নিত্য নতুন পাত-ফুল ধৰা এডাল লতাৰ আশ্ৰয় সংসাৰ-বৃক্ষস্বৰূপ আপোনাক নমস্কাৰ। ৫॥

যি সকলে অজ, অদ্বৈত, অনুভৱগম্য, মনৰ অগোচৰ ব্ৰহ্মক ধ্যান কৰে, তেওঁলোকে সেইদৰেই জানক আৰু কওক ; কিন্তু হে নাথ! আমি সদায় আপোনাৰ সগুণ লীলাৰ যশহে কীৰ্তন কৰোঁ। হে করুণানিধি প্ৰভু! হে সদ্‌গুণসমূহৰ আকৰ দেৱতা! আমি এই বৰ প্ৰাৰ্থনা কৰিছোঁ, যাতে মন, কৰ্ম আৰু বচনে সৈতে বিকাৰৰহিতভাৱে আপোনাৰ চৰণত অনুৰাগ হয়।" ৬॥

দোহা—সকলোৰে চকুৰ আগতে বেদসমূহে এনে উদাৰ ভাৱৰ প্ৰাৰ্থনা কৰি অন্তৰ্ধান হ'ল আৰু ব্ৰহ্মলোকলৈ গুচি গ'ল। ১৩ (ক)॥

[কাকভুশুণ্ডিয়ে কৈছে—] "হে বিনতানন্দন গৰুড়! শুনক। তেতিয়া ৰঘুনাথৰ ওচৰলৈ আহি শিৱই ভাব-গদ্‌গদ ভাষাৰে স্তুতি কৰিবলৈ ধৰিলে। তেওঁৰ শৰীৰো পুলকিত হৈ পৰিল।" ১৩ (খ) ॥

ছন্দঃ—"হে ৰমাৰমণ ভৱ তাপনাশক আৰু আৰ্তজন ৰক্ষক ৰাম! আপোনাৰ জয় হওক। হে অযোধ্যাপতি, ৰমাপতি, বিভু! মই শৰণাগতে প্ৰাৰ্থনা জনাইছোঁ—মোক ৰক্ষা কৰক। ১ ॥

বিংশতিভুজ, দশানন ৰাৱণক বধ কৰি পৃথিৱীক ভয়ংকৰ কষ্টৰপৰা উদ্ধাৰ কৰোঁতা হে শ্ৰীৰাম! আপোনাৰ বাণসমূহৰ প্ৰচণ্ড অগ্নিত পতংগৰ দৰে ৰাক্ষসবোৰ ভস্ম হ'ল। ২ ॥

আপুনি এই পৃথিৱীৰ শ্ৰেষ্ঠ অলংকাৰ; আপুনি শ্ৰেষ্ঠ ধনু, শৰ আৰু তূণ ধাৰণ কৰি আছে। মহা মদ, মোহ আৰু মমতা মহাৰাত্ৰিৰ অন্ধকাৰসমূহ নাশ কৰিবঁৰ কাৰণে আপুনি সূৰ্যৰ কিৰণস্বৰূপ। ৩ ॥

চিকাৰীয়ে বাণেৰে হৰিণ বধ কৰাৰ দৰে কামবাসনাৰ বাণেৰে কাম-দেৱেও মনুষ্যসমূহক বিদ্ধ কৰিছে। হে নাথ! হে [পাপ, তাপ হৰণকাৰী] হৰি!! অপুনি এই কামক নাশ কৰি, বিষয়ভোগৰ অৰণ্যত মোহগ্ৰস্ত হৈ পৰা পামৰ আৰু অনাথ জীৱবোৰক ৰক্ষা কৰক। ৪ ॥

মনুষ্যসমূহ বহুত ৰোগ আৰু বিয়োগ-দুখত মৃতপ্ৰায় হয়। সিও আপোনাৰ চৰণৰ প্ৰতি অনাদৰ ভাবৰহে পৰিণাম। আপোনাৰ চৰণকমলত যাৰ ভক্তি-ভাৱ নাই সি অগাধ সংসাৰ-সাগৰত পৰি থাকে। ৫ ॥

আপোনাৰ চৰণকমলত যাৰ প্ৰীতি নাই, সি সদাই অতি দীন, মলিন আৰু দুখিত হৈ কটাব লাগে। যিসকলৰ কাৰণে আপোনাৰ লীলাই অৱলম্বন স্বৰূপ হৈ আছে, তেওঁলোকৰ কাৰণে সন্তসকল আৰু ভগৱান আদৰৰ হৈ পৰে। ৬ ॥

সেই ভক্তসকলৰ সংসাৰৰ প্ৰতি আসক্তি নাই, লোভ নাই, মান-মদো নাই। বিপদ আৰু সম্পদ উভয়েই তেওঁলোকৰ কাৰণে সমতুল্য। সেইবাবে মুনিসকলেও যোগৰ ভৰসা ত্যাগ কৰি আনন্দ মনেৰে সদায় আপোনাৰ সেৱা কৰিবলৈ লয়। ৭ ॥

সেইসকলে অতি শ্ৰদ্ধাৰে, সদায় যথাবিধি শুদ্ধ হৃদয়েৰে আপোনাৰ পদপংকজৰ সেৱা কৰে। সমাদৰ আৰু অনাদৰ একোতে মূল্য নিদি সেই সন্তসকলে সুখেৰে সংসাৰত বিচৰণ কৰিব পাৰে। ৮ ॥

হে মুনিসকলৰ মানস কমলৰ ভ্ৰমৰ স্বৰূপ, মহান ৰণধীৰ, অজেয়, ৰঘুবীৰ! মই আপোনাৰ চৰণত ভজিছোঁ। হে হৰি! মই আপোনাৰ নাম জপ কৰোঁ আৰু আপোনাক প্ৰণাম জনাইছোঁ। আপুনি এই সংসাৰ-ব্যাধিৰ অমোঘ ঔষধ আৰু অভিমান নাশক। গুণশীল আৰু কৃপাৰ শ্ৰেষ্ঠ আধাৰস্থল, লক্ষ্মী-পতি! মই আপোনাক নমস্কাৰ কৰিছোঁ। হে ৰঘুনন্দন! আপুনি [জন্ম-মৃত্যু, সুখ-দুখ, ৰাগ-দ্বেষ আদি] মনৰ দ্বন্দ্বভাৱসমূহ দূৰ কৰক। হে পৃথিবী-পালক ৰাম। এই দীনসেৱকৰ প্ৰতি কৃপা দৃষ্টি কৰক। ৯।১০ ॥

দোঃ—হে শ্ৰীৰংগ। মই বাৰে বাৰে এই ভিক্ষা বিচাৰিছোঁ—আপোনাৰ চৰণত মোৰ যেন অচলা ভক্তি ওপজে আৰু মই যেন সদায় সৎসংগ লাভ কৰোঁ। আপুনি মোৰ প্ৰতি সন্তুষ্ট হৈ এই বৰ দান কৰক।" ১৪ (ক)

এইদৰে ৰামৰ গুণ বৰ্ণনা কৰি আনন্দ মনেৰে উমাপতি শিৱ কৈলাসলৈ উভতিল। তাৰ পাছত প্ৰভুৱে বানৰবীৰসকলক সকলো প্ৰকাৰে সুখদায়ক বাসস্থান দিয়ালে। ১৪ (খ) ॥

চৌঃ—"হে পক্ষীৰাজ গৰুড়। শুনক। এই কথা সকলোৰে নিমিত্তে পবিত্ৰ-কাৰক, ত্ৰিবিধ তাপ আৰু ভৱভয় বিনাশক। মহাৰাজ ৰামচন্দ্ৰৰ শুভ অভিষেকৰ কথা শুনিলে মানুহে জ্ঞান আৰু বৈৰাগ্য লাভ কৰে, যিসকলে সকাম ভাৱেৰেও ইয়াৰ শ্ৰৱণ-কীৰ্তন কৰে, তেওঁলোকে নানা প্ৰকাৰে সুখ-সম্পদ লাভ কৰে, তেওঁলোকে ইহ জগতত দেৱ দুৰ্লভ সুখ ভোগ কৰি অন্তকালত ৰঘুপতিৰ পৰম ধামলৈ গতি কৰে। ইয়াক যিসকল জীৱন্মুক্ত, বিৰক্ত আৰু বিষয়ী লোকে শ্ৰৱণ কৰে, তেওঁলোকে যথাক্ৰমে ভক্তি, মুক্তি আৰু নিত্য-নতুন সম্পদ লাভ কৰে। হে পক্ষীৰাজ, মই মোৰ বুদ্ধিয়ে ঢুকি পোৱামতে দুখ আৰু ত্ৰাসহৰণকাৰী ৰামকথা বৰ্ণনা কৰিলোঁ। ই বৈৰাগ্য, বিবেক আৰু ভক্তিক সুদৃঢ় কৰে, ই মোহৰূপী নদী পাৰ হ'বলৈ সুন্দৰ নৌকাস্বৰূপ। অযোধ্যানগৰীত নিত্য-নতুন মংগলোৎসৱ হয়, সকলো শ্ৰেণীৰ লোক আনন্দিত হৈ থাকে। ১-৪ ॥

যাক মহাদেৱ, মুনিগণ আৰু ব্ৰহ্মায়ো প্ৰণাম কৰে, সেই ৰামৰ পদ-পংকজত (অযোধ্যাবাসী) সকলোৰে নিত্য-নতুন অনুৰাগ। ভিক্ষুকসকলক নানা প্ৰকাৰৰ বস্ত্ৰ-অলংকাৰ দিয়োৱা হ'ল আৰু ব্ৰাহ্মণসকলে নানা প্ৰকাৰৰ দান লাভ কৰিলে। ৫ ॥

দোঃ—বানৰসকল ব্ৰহ্মানন্দত নিমগ্ন, সকলোৰে প্ৰভুৰ চৰণত অনুৰাগ।

তেওঁলোকে দিন পাৰ হৈ গ'ল বুলিয়ে ক'ব নোৱাৰিলে; ইফালে ছমাহ পাৰ হৈ গ'ল। ১৫॥

চৌঃ—তেওঁলোকে ঘৰৰ কথা পাহৰি গ'ল। সপোনতো তেওঁলোকৰ ঘৰলৈ মনত নপৰিল, পৰদ্ৰোহৰ কথা সন্তসকলৰ মনলৈকে নহাৰ দৰেই ঘৰৰ কথাও তেওঁলোকৰ মনতে নপৰিল। তাৰ পাছত ৰামে মিত্ৰসকলক মতাই আনিলে। সকলোৱে আহি আদৰপূৰ্বক প্ৰণতি জনালেহি। ১॥

ৰামে পৰম প্ৰীতিৰে তেওঁলোকক ওচৰত বহুৱাই লৈ ভকতৰ কাৰণে সুখদায়ক মৃদু বচনৰে ক'লে—"তোমালোকে মোৰ ডাঙৰ সেৱা কৰিলা। মুখৰ আগতে মই তোমালোকক কি প্ৰশংসা কৰিম? মোৰ হিত-সাধন কৰিবলৈ তোমালোকে নিজৰ ঘৰ আৰু সুখ ত্যাগ কৰিলা। গতিকে তোমালোক মোৰ অতি প্ৰিয়। ভাইইত, ৰাজ্য-সম্পদ, জানকী, নিজৰ শৰীৰ, ঘৰ, পৰিয়াল, মিত্ৰ—এই সকলো মোৰ প্ৰিয়, কিন্তু তোমালোকৰ সমান কেতিয়াও হ'ব নোৱাৰে। মই অসত্য কথা নকওঁ, এয়ে মোৰ স্বভাৱ। সেৱক সকলোৰে মৰমৰ, এয়ে নীতি, কিন্তু সেৱকৰ প্ৰতি মোৰ বিশেষ স্নেহ। ৩।৪॥

দোঃ—হে মিত্ৰসকল! এতিয়া সকলোৱেই ঘৰলৈ ঘূৰি যোৱাহক, তাতে দৃঢ়ভাৱে নিয়মমতে মোক ভজনা কৰি থাকাগৈ। মোক সদায় সৰ্বব্যাপক আৰু সৰ্বজনৰ হিতসাধক বুলি জানি প্ৰীতি কৰিবা।" ১৬॥

চৌঃ—প্ৰভুৰ বচন শুনি সকলো প্ৰেমমগ্ন হৈ পৰিল। আমি কোন আৰু ক'ত আছোঁ আদি নিজৰ দেহাৰ কথাও তেওঁলোকে পাহৰি গ'ল। তেওঁলোকে প্ৰভুৰ সন্মুখত হাতযোৰ কৰি লৈ একেথৰে মাত্ৰ চাই আছে। অতিশয় অনুৰাগৰ কাৰণে তেওঁলোকে একো কথা ক'ব পৰা নাই। ১॥

প্ৰভুৱে তেওঁলোকৰ পৰম প্ৰেমভাব দেখিলে; তেওঁলোকক নানা প্ৰকাৰে বিশেষ জ্ঞানৰ উপদেশ দিলে। প্ৰভুৰ সন্মুখত তেওঁলোকে একো ক'ব নোৱাৰিলে, বাৰে বাৰে মাত্ৰ প্ৰভুৰ চৰণকমললৈ চালে। ২॥

তেতিয়া প্ৰভুৱে নানা ৰঙৰ অনুপম আৰু সুন্দৰ বস্ত্ৰ-অলংকাৰ বিচৰাই আনিলে। প্ৰথমতে ভৰতে নিজ হাতে সুগ্ৰীৱক বস্ত্ৰ-অলংকাৰ পিন্ধাই দিলে। তাৰ পাছত প্ৰভুৰ ইংগিতমতে লংকাপতি বিভীষণক লক্ষ্মণে বস্ত্ৰ-অলংকাৰ পিন্ধাই দিলে। তাকে দেখি প্ৰভুৰ মনত অতি সন্তোষ হ'ল। অংগদ বহিয়ে থাকিল, অকণমান লৰচৰো নকৰিলে। তেওঁৰ এই প্ৰীতি দেখি প্ৰভুৱে তেওঁক নামাতিলে। ৩।৪॥

দোঃ—জাম্ববান আৰু নীল আদি সকলোকে ৰঘুনাথে নিজে পিন্ধাই দিলে। তেওঁলোক সকলোৱে হৃদয়ত ৰামৰ ৰূপ ধাৰণ কৰি তেওঁৰ চৰণত মূৰ দোঁৱাই গুচি গ'ল। তেতিয়া অংগদে উঠি প্ৰণাম কৰি, চকু পানীৰে ওপচাই হাতযোৰকৈ অতি বিনীতভাৱে আৰু প্ৰেমৰসত বুৰাই থোৱা যেন মধুৰ বাক্যেৰে এই বুলি ক'লে—১৭ (ক) আৰু (খ)॥

চৌঃ—"হে সৰ্বজ্ঞ, কৃপাসিন্ধু, সুখৰ সাগৰ! হে দীনদয়াল, আৰ্তজনৰ বন্ধু!! শুনক। হে নাথ! মৃত্যুৰ সময়ত মোৰ পিতৃ বালীয়ে মোক আপোনাৰ কোলাত পেলাই থৈ গৈছে। গতিকে হে ভকতৰ হিতকাৰী! আপুনি নিৰাশ্ৰিত জনক আশ্ৰয় দান কৰা নিজৰ নীতি মনত পেলাই মোক ত্যাগ নকৰিব। মোৰ স্বামী, গুৰু, পিতৃ আৰু মাতৃ—সকলো আপুনিয়েই। আপোনাৰ পাদপদ্ম এৰি মই ক'লৈ যাম? হে মহাৰাজ! আপুনিয়ে বিচাৰ কৰি চাই কওক-চোন, প্ৰভুক এৰি ঘৰত মোৰ কি কাম? হে নাথ! এই জ্ঞান, বুদ্ধি আৰু বলহীন বালক আৰু দীনজনক আশ্ৰয় দিয়ক। মই আপোনাৰ ঘৰত নীচতকৈয়ো নীচ কামকে কৰিম আৰু আপোনাৰ পাদপদ্ম দৰ্শন কৰি ভৱ-সাগৰ তৰিম।" এইবুলি কৈ তেওঁ ৰামৰ চৰণত ধৰিলে [আৰু ক'লে—] "হে প্ৰভু, মোক ৰক্ষা কৰক। হে নাথ! মোক ঘৰলৈ যোৱা বুলি নক'ব।" ।১৪॥

দোঃ—অংগদৰ বিনীত বচন শুনি করুণাৰ সীমা প্ৰভু ৰঘুনাথে তেওঁক তুলি লৈ বুকুত সাবটি ল'লে। প্ৰভুৰ নয়নকমল অশ্ৰুপূৰ্ণ হৈ পৰিল। তাৰ পাছত ভগৱানে নিজৰ বুকুৰ মালা, বস্ত্ৰ আৰু মণি বালীপুত্ৰ অংগদক পিন্ধাই আৰু নানা প্ৰকাৰে বুজাই-বঢ়াই তেওঁক বিদায় দিলে। ১৮ (ক) আৰু (খ)॥

চৌঃ—ভক্তৰ প্ৰতি কৰ্তব্যৰ কথা মনত পেলাই ভায়েকে লক্ষ্মণ-শত্ৰুঘ্নৰ লৈতে অংগদক আগবঢ়াই থ'বলৈ গ'ল। অংগদৰ হৃদয়তো অলপীয়া প্ৰেম নাছিল; তেওঁ ঘূৰি ঘূৰি শ্ৰীৰামৰ ফালে চাই গৈছিল আৰু বাৰে বাৰে দণ্ডৱৎ প্ৰণাম কৰিছিল। মনতে এনে ভাব আছিল যেন ৰামে তেওঁক 'থাকা' বুলিহে ক'ব। তেওঁ শ্ৰীৰামৰ চোৱা, কথা কোৱা, চাল-চলন কৰা আৰু হাঁহি মাৰি সাক্ষাৎ কৰাৰ ধৰণ-কৰণবোৰ মনত পেলাই পেলাই ভাবিবলৈ ধৰিলে; কিন্তু প্ৰভুৰ ইংগিত পাই বহু ধৰণে বিনীত বচন বুলি আৰু হৃদয়ত পাদপদ্ম ৰাখি তেওঁ গ'লগৈ। অতি আদৰ-সাদৰকৈ কপিসকলক আগবঢ়াই থৈ ভায়েকসকলৰ লৈতে ভৰতো ঘূৰি আহিল। ।১৩॥

তেতিয়া হনুমানে সুগ্ৰীৱৰ চৰণত ধৰি অনেক অনুনয় বিনয় কৰি ক'লে—

"হে প্ৰভু! বহু দিনমান ৰঘুপতিৰ পদসেৱা কৰি, তাৰ পাছত মই আকৌ আপোনাৰ চৰণ দৰ্শন কৰিম।" [সুগ্ৰীৱে ক'লে—] "হে পৱনকুমাৰ, তুমি কৃপানিধি শ্ৰীৰামৰ সেৱা কৰাগৈ।" এইদৰে কৈ সকলো বানৰবীৰে ততালিকে যাত্ৰা কৰিলে। অংগদে ক'লে—"শুনা, হনুমান—৪।৫ ॥

দোঃ—মই হাতযোৰকৈ কৈছোঁ—তুমি প্ৰভুক মোৰ দণ্ডৱৎ প্ৰণাম জনাবাগৈ আৰু ৰঘুপতিক বাৰে বাৰে মোৰ কথা সোঁৱৰাই থাকিবা।" ১৯ (ক) ॥

এই বুলি কৈ বালীৰ পুত্ৰ অংগদ গুচি গ'ল আৰু হনুমান ঘূৰি আহিল। তেওঁ প্ৰভুক অংগদৰ ভক্তিৰ কথা ক'লেহি, সেই কথা শুনি ভগৱান প্ৰেম-মগ্ন হৈ পৰিল। ১৯ (খ) ॥

[কাকভুশুণ্ডিয়ে কৈছে—] "হে পক্ষীৰাজ। ৰামৰ চৰিত্ৰ বজ্ৰতকৈয়ো কঠোৰ আৰু ফুলতকৈ অধিক কোমল। গতিকে কওকচোন, তাক কোনে বুজিব পাৰে?" ১৯ (গ) ॥

চৌঃ—তাৰ পাছত কৃপালু ৰামে নিষাদৰাজ গুহকক মতাই আনিলে আৰু তেওঁক বস্ত্ৰ-অলংকাৰ প্ৰসাদ স্বৰূপে দিলে। [আৰু ক'লে—] "এতিয়া তুমিও ঘৰলৈ যোৱাঁ; তাত মোক স্মৰণ কৰি থাকিবাগৈ আৰু মন, বচন তথা কৰ্মেৰে সৈতে ধৰ্মক অনুসৰণ কৰিবা। তুমি মোৰ সখা আৰু ভৰতৰ নিচিনা ভাই। অযোধ্যালৈ সদায় অহা-যোৱা কৰি থাকিবা।" এই কথা শুনি গুহকৰ বৰ আনন্দ লাগিল। চকু দুটা পানীৰে ওপচাই তেওঁ প্ৰভুৰ চৰণত ধৰিলে। ১।২ ॥

তাৰ পাছত প্ৰভুৰ পাদপদ্ম হৃদয়ত বান্ধি লৈ তেওঁ ঘৰলৈ উভতিল। ঘৰত আহি তেওঁ পৰিয়াল-পৰিজনক প্ৰভুৰ স্বভাৱৰ কথা ক'লেহি। ৰঘুপতিৰ চৰিত্ৰ দেখি পুৰবাসীসকলে বাৰে বাৰে ক'বলৈ ধৰিলে—"ৰাশি ৰাশি সুখ-স্বৰূপ ৰামচন্দ্ৰ ধন্য।" ৩ ॥

ৰাম ৰাজপাটত উঠিলত ত্ৰিভুবন আনন্দিত হ'ল; সকলোৱে শোকৰ অন্ত পৰিল। কাৰো লগত কোনেও শত্ৰুতা নকৰা হ'ল, ৰামচন্দ্ৰৰ প্ৰতাপত সকলো বিষমতা দূৰ হ'ল। ৪ ॥

দোঃ—সকলোৱে নিজ নিজ বৰ্ণাশ্ৰম ধৰ্ম পালন কৰি বেদমাৰ্গত প্ৰবৃত্ত হ'ল। আৰু সকলোৱে সুখ লাভ কৰিলে। তেওঁলোকৰ ভয়, শোক আৰু ৰোগ নোহোৱা হৈ পৰিল। ২০ ॥

চৌঃ—ৰামৰাজ্যত দৈহিক, দৈৱিক আৰু ভৌতিক তাপে (কষ্টই) কাকো

দুখ নোৱাৰে। সকলো মানুহেই পৰস্পৰে প্ৰীতিভাৱ পোষণ কৰে, বেদবিহিত নীতিত তৎপৰ থাকি স্বধৰ্ম পালন কৰে। ১ ॥

চাৰিও চৰণেৰে (সত্য, শৌচ, দয়া আৰু দানেৰে) সৈতে ধৰ্ম জগতত পৰিপূৰ্ণ হৈ বিৰাজ কৰিছে; সপোনতো ক'তো পাপ সংঘটিত নহয়। সকলো নৰ-নাৰী ৰাম-ভক্তিপৰায়ণ আৰু সকলোৱেই পৰম পদৰ অধিকাৰী হৈছে। ২ ॥

অকাল মৃত্যু নাই; কাৰো একো পীড়া নাই। সকলোৰে শৰীৰ সুন্দৰ আৰু নিৰোগ। কোনো দৰিদ্ৰ নাই; কোনো দীন নহয়, দুখী নহয়। কোনো মূৰ্খ নাই, কোনো কুলক্ষণীয়া নাই। ৩ ॥

সকলো মানুহেই দম্ভহীন, ধৰ্মপৰায়ণ আৰু পুণ্যাত্মা। সকলো নৰনাৰী চতুৰ আৰু গুণী; সকলো গুণৰ মূল্য বুজা আৰু পণ্ডিত তথা জ্ঞানী। সকলো কৃতজ্ঞ আৰু কপটতা তথা ধূৰ্ততাৰহিত। ৪ ॥

দোঃ—"হে পক্ষীৰাজ! সমস্ত চৰাচৰ জগতৰ ভিতৰতে কাল, কৰ্ম, স্বভাব আৰু গুণৰপৰা উৎপন্ন হোৱা বিবোৰ দুখ হ'ব পাৰে, সেইবোৰ দুখ ৰামৰাজ্যৰ কোনো লোকৰে হোৱা নাছিল। ২১ ॥

চৌঃ—সপ্ত সাগৰৰ মেখলা (কৰধনি)ৰে পৰিবেষ্টিতা পৃথিৱীৰ একমাত্ৰ অধিপতি হ'ল অযোধ্যাৰ ৰজা ৰামচন্দ্ৰ। যাৰ লোমৰ গুৰিতে অনেক ব্ৰহ্মাণ্ড সোমাই আছে, সেইজনৰ কাৰণে এই প্ৰভুত্ব একো বেছি নহয়।" ১ ॥

প্ৰভুৰ এই মহিমা উপলব্ধি হোৱাৰ পাছত এই বুলি ক'লে (ৰাম সপ্তদ্বীপা পৃথিৱীৰ অধীশ্বৰ বুলি) তেওঁক লঘু কৰাহে হয়; কিন্তু হে গৰুড়, যিসকলে সেই মহিমা উপলব্ধি কৰিলেও তেওঁলোকেও এই লীলাত প্ৰীতি লাভ কৰে; কাৰণ সেই উপলব্ধিৰে ফল এই লীলাৰ অনুভৱ বুলি জিতেন্দ্ৰিয় মহান মুনিসকলে কয়। ৰামৰাজ্যৰ সুখসম্পদৰ কথা অনন্তনাগ আৰু সৰস্বতীয়েও বৰ্ণনা কৰিব নোৱাৰে। ২-৩ ॥

সকলো নৰ-নাৰী উদাৰ, পৰোপকাৰী আৰু ব্ৰাহ্মণৰ চৰণসেৱক। সকলো পুৰুষ একপত্নীব্ৰতী; সেইদৰে নাৰীসকলে মন, বচন আৰু কৰ্মেৰে সৈতে পতিৰ হিতসাধিকা। ৪ ॥

দোঃ—ৰামৰাজ্যত দণ্ড কেৱল সন্ন্যাসীসকলৰ হাতততহে আছিল (অপৰাধীক দণ্ড দিব লগীয়া নহৈছিল); ভেদ নৰ্তক সমাজতহে আছিল (অন্য প্ৰজাৰ মাজত নাছিল); 'জয় কৰাঁ' বুলি মন জয় কৰিবলৈহে কোৱা শুনা গৈছিল (অন্য শত্ৰু নাছিল)। ২২ ॥

চৌঃ—বনত গছবিলাক সদায় ফল-ফুলেৰে ভৰি আছিল। হাতী আৰু সিংহই একেলগে বাস কৰে। পশু-পক্ষীবোৰে স্বাভাৱিক শত্ৰুতা পাহৰি পাৰস্পৰিক সম্প্ৰীতিৰে বাস কৰে। ১ ॥

চৰায়ে সুৰৱি মাত মাতে। জন্তুবোৰে দলে দলে বনত নিৰ্ভয়ে বিচৰণ কৰি আনন্দ উপভোগ কৰে। শীতল, সুগন্ধি আৰু মৃদু বতাহ বলি থাকে। মধুৰস লৈ ভোমোৰাই গুণ্‌গুণ্ কৰি উৰি ফুৰে। বিচাৰিলেই গছ-লতাবোৰে মধুৰ ধাৰা বোৱাই দিয়ে। কামনা অনুসৰি গাইবোৰে গাখীৰ দিয়ে। পৃথিৱী সদায় শস্যসম্পন্ন হৈ থাকে। ত্ৰেতাযুগতে সত্যযুগৰ নিচিনা কাম হ'ল। ৩ ॥

জগতৰে আত্মা পৰমেশ্বৰেই জগতৰ ৰজা হৈছে বুলি জানি পৰ্বতবোৰে নানা মণি-ৰত্নৰ খনি উলিয়াই দিলে। সকলো নদীতে শ্ৰেষ্ঠ, শীতল, নিৰ্মল আৰু সুখদায়ক স্বাদু জল প্ৰবাহিত হ'বলৈ ধৰিলে। যি সমুদ্ৰই নিজ মৰ্যাদা (সীমা) ৰক্ষা কৰি চলিলে, সেই সমুদ্ৰই ঢৌৰ বেগত ৰত্নসমূহ পাৰত তোলেহি আৰু সেইবোৰ মানুহে পায়। সকলো পুখুৰীতে পদুম ফুল ভৰি থাকে। দশোদিশৰ ভাগসমূহ অতি প্ৰসন্ন হৈ থাকে। ৪ ॥

দোঃ—ৰামচন্দ্ৰৰ ৰাজ্যত চন্দ্ৰই নিজৰ কিৰণেৰে পৃথিৱী ওপচাই দিয়ে; যিমান আৱশ্যক সিমান তাপ সূৰ্যই দান কৰে; বিচাৰমতে মেঘে পানী দিয়ে ২৩ ॥

চৌঃ—প্ৰভু শ্ৰীৰামে কোটি কোটি অশ্বমেধ যজ্ঞ সম্পন্ন কৰিলে, ব্ৰাহ্মণসকলক অনেক দান কৰিলে। ৰামচন্দ্ৰ বেদমাৰ্গৰ পালক, ধৰ্মৰ ধৰণী-ধৰোঁতা, ত্ৰিগুণৰ অতীত আৰু ভোগত ইন্দ্ৰৰ তুল্য। ১ ॥

সৌন্দৰ্যৰ আকৰস্বৰূপা, সুশীলা আৰু বিনীত স্বভাৱৰ সীতাদেৱীয়ে সদায় পতিৰ অনুকূল আচৰণ কৰে। তেওঁ কৃপাৰ সাগৰ প্ৰভুৰ প্ৰভাৱৰ কথা জানে আৰু মনোযোগ দি তেওঁৰ চৰণকমলৰ সেৱা কৰে। যদিও ঘৰত বহুত দাস-দাসী আছে আৰু তেওঁলোক সদায় সেৱাকাৰ্যত নিপুণ, তথাপি সীতাই নিজেই ঘৰৰ সকলো পৰিচৰ্যা কৰে আৰু ৰামচন্দ্ৰৰ আজ্ঞা পালন কৰে। কৃপাৰ সাগৰ ৰামে যেনেকৈ সুখ পায়, সীতাই তেনেকৈয়ে কাম কৰে; তেওঁ সেৱাৰ ধৰণ ভালকৈ জানে। ঘৰত কৌশল্যা আদি শাহুৱেকসকলক সীতাই নিজে সেৱা-শুশ্ৰূষা কৰে; তেওঁৰ কোনো অভিমান আৰু গৰ্ব নাই। ২—৪ ॥

[শিৱই কৈছে—] "হে উমা! জগজ্জননী ৰমা (সীতা) ব্ৰহ্মা আদি দেৱতা-সকলৰ বন্দিতা আৰু সদায় আনন্দিতা। ৫ ॥

দোঃ—দেৱতাসমূহে যাৰ কৃপা-কটাক্ষ কামনা কৰে ; কিন্তু নিজে তেওঁক্ষালে চাব নোৱাৰে, সেই লক্ষ্মীদেৱীয়ে [সীতাৰূপে] নিজৰ স্বভাৱ ত্যাগ কৰি ৰামৰ চৰণকমলৰ সেৱা কৰিছে। ২৪ ॥

চৌঃ—ভ্ৰাতৃসকলে অনুকূল হৈ তেওঁৰ সেৱা কৰিছে ; ৰামৰ চৰণত তেওঁলোকৰ অত্যন্ত প্ৰীতি। তেওঁলোকে সদায় প্ৰভুৰ মুখপদ্মলৈ এই বুলি ভাবি চাই থাকে,—"কৃপালু প্ৰভুৱে আমাক কিবা কৰিবলৈ ক'ব।" ১ ॥

ৰামেও ভায়েকসকলক স্নেহ কৰে আৰু তেওঁলোকক নানা প্ৰকাৰে নীতিৰ শিক্ষা দিয়ে। নগৰবাসীসকল সদায় আনন্দিত হৈ থাকে ; তেওঁলোকে সকলো দেৱদুৰ্লভ ভোগ কৰি থাকে। তেওঁলোকে অহৰ্নিশে ব্ৰহ্মাৰ আৰাধনা কৰি ৰঘুপতিৰ চৰণত প্ৰীতি কামনা কৰে। লৱ আৰু কুশ নামেৰে সীতাৰ দুটি পুত্ৰ জন্ম হ'ল। পুৰাণাদি শাস্ত্ৰত তেওঁলোকৰ বৰ্ণনা কৰা আছে। তেওঁলোক দুয়োজন বিজয়ী, বিনয়ী, গুণৰ মন্দিৰ স্বৰূপ, শ্ৰীহৰিৰ প্ৰতিমূৰ্তিৰ দৰেই সুন্দৰ। এইদৰে আটাইকেইজন ভাই-ককাইৰে দুজনকৈ পুত্ৰ হ'ল, তেওঁলোকো ৰূপ, গুণ আৰু চৰিত্ৰসম্পন্ন আছিল। ২ ৪ ॥

দোঃ—যিজন জ্ঞান, বাণী আৰু ইন্দ্ৰিয়ৰ অতীত, জন্ম ৰহিত ; মায়া, মন আৰু গুণৰ অতীত, সেই সচ্চিদানন্দ ঘন পৰমেশ্বৰে এইদৰে শ্ৰেষ্ঠ নৰ-লীলা কৰে। ২৫ ॥

চৌঃ—ৰাতিপুৱাই সৰযুত স্নান কৰি ব্ৰাহ্মণ-সজ্জনসকলেৰে সৈতে সভাত বহে। বশিষ্ঠই বেদ আৰু পুৰাণৰ ব্যাখ্যা কৰে, সকলো দিজেই জানে যদিও ৰামে সেইবোৰ শুনি থাকে। তেওঁ ভ্ৰাতৃসকলেৰে সৈতে একেলগে ভোজন কৰে। তেওঁলোকক দেখি মাতৃসকলৰ মন আনন্দেৰে ভৰি পৰে। ভৰত আৰু শত্ৰুঘ্ন, দুয়োজন ভাই হনুমানৰ সৈতে উপবনলৈ যায়। তাত বহি লৈ ৰামৰ গুণ-গাথা শুনিব খোজে আৰু হনুমানে নিজৰ সুমতি অনুসৰি বৰ্ণনা কৰি যায়। ৰামৰ বিমল গুণৰাশি শ্ৰৱণ কৰি দুয়োজনেই অতি সুখ অনুভৱ কৰে আৰু বাৰে বাৰে অনুৰোধ কৰি হনুমানৰ দ্বাৰাই কোৱায়। ১—৩ ॥

সকলোৱে ঘৰে ঘৰে পুৰাণ আৰু নানা প্ৰকাৰৰ পবিত্ৰ ৰামকথাৰ চৰ্চা হয়। নৰ-নাৰীসকলে ৰামৰ গুণ-কীৰ্তন কৰে আৰু এই আনন্দৰ মাজত দিন-ৰাতি কেতিয়া পাৰ হয় ক'ব নোৱাৰে। ৪ ॥

দোঃ—য'ত ভগবান ৰামে নৃপতিৰূপে বিৰাজ কৰিছে, সেই অযোধ্যাৰ

মিথিলাসকলৰ গুণ-সম্পদসমূহৰ বৰ্ণনা সহস্ৰসংখ্যক অনন্ত নাগেও কৰিব নোৱাৰে। ২৬॥

চৌঃ—নাৰদ আদি ঋষি, সনক আদি মুনিসকলে অযোধ্যাপতি ৰামচন্দ্ৰক দৰ্শন কৰিবলৈ প্ৰতিদিনে অযোধ্যালৈ যায় আৰু সেই নগৰ দেখি বৈৰাগ্যৰ কথা পাহৰি যায়। [তাত] স্বৰ্ণ আৰু মণিৰত্ননিৰ্মিত অট্টালিকাসমূহ, তাৰ মণিমুকুতাবোৰ নানা ৰঙেৰে চিত্ৰ-বিচিত্ৰ। নগৰৰ চাৰিওকালে অতি সুন্দৰ গড়, তাত ৰং-বিৰঙৰ ধুনীয়া গম্বুজ দিয়া। এনেহে লাগে যেন নৱগ্ৰহই অতি বৃহৎ সৈন্যবাহিনী সজাই লৈ অমৰাৱতীকহে বেৰি আছেহি। মাটিও নানা ৰঙৰ কাঁচেৰে বান্ধি সজাইছে। সেইবোৰ দেখি শ্ৰেষ্ঠ মুনিসকলৰো মন নাচি উঠে। ১-৩॥

উজ্জ্বল সৌধসমূহে আকাশ স্পৰ্শ কৰিছে; তাৰ ওপৰত থকা কলসীবোৰে যেন চন্দ্ৰ-সূৰ্যৰ জ্যোতিকো নিন্দা কৰিছে। এই সৌধবোৰত বহু মণি-ৰত্নখচিত খিড়িকীবোৰে শোভা কৰি আছে। ঘৰে ঘৰে মণিদীপ বিৰাজ কৰিছে। ৪॥

ছন্দঃ—ঘৰবিলাকত মণিদীপে শোভা কৰি আছে, পোৱালেৰে নিৰ্মাণ কৰা দুৱাৰ-ডলিবোৰো চিক্‌মিকাব লাগিছে। খুটাবোৰ মণি-ৰত্নৰ। মৰকত মণি-খচিত সোণৰ দেৱালবোৰ দেখিলে এনেহে লাগে যেন ব্ৰহ্মাই বিশেষ যত্ন কৰিহে সেইবোৰ নিৰ্মাণ কৰিছে। ভৱনসমূহ সুন্দৰ, মনোৰম আৰু বিশাল। চোতালবোৰ সুন্দৰ ফটিকেৰে বন্ধোৱা। প্ৰত্যেকখন দুৱাৰমুখতে নানা ধৰণৰ হীৰাখচিত সোণৰ দুৱাৰ।

দোঃ—ঘৰে ঘৰে সুন্দৰ চিত্ৰশালা আছে। তাত সুন্দৰকৈ ৰামৰ চৰিত্ৰ ৰূপায়িত কৰা হৈছে। মুনিসকলে যিহকে চায়, সিয়েই তেওঁলোকৰ মন হৰি নিয়ে। ২৭॥

চৌঃ—সকলো মানুহে যত্ন কৰি নানা ধৰণৰ ফুলৰ বাৰী পাতিছে। তাত নানা ভৰহৰ সুন্দৰ সুন্দৰ লতাবিলাকত বসন্তকালৰ দৰে ফুল ফুলি থাকে। ভোমোৰাই মনোৰম স্বৰেৰে গুঞ্জন কৰে। সদায় ত্ৰিবিধ বায়ু বৈ থাকে। ল'ৰাবোৰে নানা ধৰণৰ চৰাই পোহে। সেইবোৰে মৌ-মিঠা মাত মাতে আৰু সিইঁতে উৰামৰা দৃশ্য বৰ ধুনীয়া দেখি। ১২॥

"ম'ৰা, ৰাজহাঁহ, সাৰস আৰু পাৰ চৰাইবোৰ ধুনীয়াকৈ ঘৰৰ ওপৰতে পৰি থাকে। সিইঁতে [বেৰে-চালে] নিজৰ প্ৰতিবিম্ব দেখি নানা ধৰণৰ সুন্দৰ মাত মাতি নাচিবলৈ ধৰে। ৩॥

সকলো ঘৰবোৰে তাতে আৰু মইনা চৰাইবোৰক এই বুলি মাত মাতিবলৈ শিকাইছে—"ক' ৰাম, ৰঘুপতি, জনপালক"। ৰাজদ্বাৰ সকলো প্ৰকাৰেই সুন্দৰ। গলি, চাৰি-আলি, দোকান-বজাৰ সকলো সুন্দৰ। ৪ ॥

ছঃ—দোকান-বজাৰবোৰ অতি সুন্দৰ, সেইবোৰৰ বৰ্ণনা কৰিব নোৱাৰি; তাত বিনামূল্যে বস্তু পায়। য'ত স্বয়ং লক্ষ্মীপতি ৰজা হৈছে, তাৰ সম্পদৰ বৰ্ণনা কেনেকৈ দিয়া যায়? কাপোৰৰ বেপাৰী, টকা-পইচাৰ লেন-দেন কৰা মানুহবোৰ আৰু বণিকবোৰ তাত এনেধৰণে বহি থাকে যেন তেওঁলোক একোজন কুবেৰহে। স্ত্ৰী, পুৰুষ, শিশু, বৃদ্ধ যি আছে, সেই সকলো সুখী, সদাচাৰী আৰু সুন্দৰ।

দোঃ—[নগৰৰ] উত্তৰফালে গভীৰ আৰু নিৰ্মল পানীৰে সৰযূ নদী বৈ গৈছে। তাত মনোমোহা ঘাট বন্ধা আছে, পাৰত অকণো বোকা নহয়। ২৮ ॥

অলপ দূৰতেই সেই সুন্দৰ ঘাটটো য'ত জুম বান্ধি বান্ধি হাতী-ঘোঁৰাই পানী পায়। পানী নিবলৈ (তিৰোতাৰ কাৰণে) বহুত ধুনীয়া ধুনীয়া ঘাট আছে। তাত মতা মানুহে গা নোধোৱে। ৰাজঘাটটো সকলো প্ৰকাৰেই সুন্দৰ আৰু শ্ৰেষ্ঠ। তাত চাৰিও বৰ্ণৰ মানুহে স্নান কৰে। সৰযূৰ পাৰে পাৰে দেৱমন্দিৰ আছে, তাৰ চাৰিওফালে সুন্দৰ ফুলনি। ১।২ ॥

নদীৰ পাৰত কোনো কোনো ঠাইত বৈৰাগী আৰু জ্ঞানী, মুনি আৰু সন্ন্যাসী-সকলে বাস কৰে। নদীৰ পাৰত মুনিসকলে শাৰী শাৰী সুন্দৰ তুলসী গছ কই থৈছে। ৩ ॥

নগৰৰ [সম্পূৰ্ণ] শোভাৰতো বৰ্ণনা কৰিব নোৱাৰি। নগৰৰ বাহিৰতো সৌন্দৰ্য কম নহয়। নগৰখন দেখিলেই সমস্ত পাপ দূৰ হয়। তাত বন-উপবন, নাদ-পুখুৰী সকলো সুন্দৰ। ৪ ॥

ছঃ—অনুপম নাদ, পুখুৰী আৰু ডাঙৰ কুঁৱাবোৰ শুৱনি হৈ আছে। তাৰ সুন্দৰ খটখটীবোৰ আৰু নিৰ্মল পানী দেখিলে দেৱতা আৰু মুনিও মুগ্ধ হয়। পুখুৰীবোৰত নানা ৰঙৰ পদুম ফুলি থাকে, অনেক পখীয়ে আহাৰ কৰে; ভোমোৰাই গুণগুণায়। ৰমণীয় উপবনবোৰে যেন কুলি আদি চৰাইৰ সুকণ্ঠ মাতেৰে পথিকক আমন্ত্ৰণহে জনায় ॥

দোঃ—লক্ষ্মীপতি য'ত ৰজা হৈ আছে সেই নগৰীৰ বৰ্ণনা জানো কৰিব পাৰি? অণিমা আদি আঠ সিদ্ধি আৰু সমস্ত সুখ-সম্পদ অযোধ্যাত গোট খালেহি। ২৯ ॥

চৌঃ—য'তে ত'তে মানুহে ৰঘুপতিৰ গুণ গায় আৰু বহি হৈ ইজনে সিজনক

এই যুক্তি উপদেশ দিয়ে—"প্ৰণতপালক ৰামক ভজনা কৰা। শোভা, শীল আৰু ৰূপ-গুণৰ ভঁৰাল শ্ৰীৰামক ভজা।" ১ ॥

কমলনয়ন, শ্যাম-শৰীৰ, চকুৰ পতাই চকুক ৰক্ষা কৰাৰ দৰে সেৱকক ৰক্ষা কৰা, সুন্দৰ ধনু-শৰ আৰু তূণ ধাৰণ কৰি থকা, সন্তৰূপী কমল-বনৰ কাৰণে সূৰ্যস্বৰূপ ৰণধীৰ শ্ৰীৰামক ভজন কৰা। কালৰূপী ভয়ানক সৰ্পৰ কাৰণে গৰুড় স্বৰূপ, নিষ্কামভাৱে প্ৰণাম কৰা মাত্ৰেই মোহ-মমতা বিনাশ কৰা, লোভ-মোহৰূপী জন্তুৰ কাৰণে ব্যাধস্বৰূপ, কামৰূপী হস্তীৰ কাৰণে সিংহস্বৰূপ আৰু সেৱকৰ সুখদাতা শ্ৰীৰামক ভজনা কৰা। সংশয় আৰু শোকৰূপী নিবিড় অন্ধকাৰৰ কাৰণে সূৰ্যস্বৰূপ, ৰাক্ষসৰূপী গহন বনৰ কাৰণে অগ্নি স্বৰূপ, আৰু ভৱভয় ভঞ্জনকাৰী ৰঘুপতিক জানকীৰে সৈতে কিয় ভক্তি কৰা নাই? ২—৪ ॥

অগণন বাসনাৰূপী মহ-ডাঁহবোৰ দূৰ কৰিবৰ কাৰণে শীতকালৰ তুল্য শ্ৰীৰামক ভজনা কৰা। নিত্য একৰস, অজ, অবিনাশী, মুনিজন-ৰঞ্জন, ভূ-ভাৰ হৰণকাৰী আৰু তুলসী দাসৰ উদাৰ প্ৰভুক ভজনা কৰা। ৫ ॥

দোঃ—এইদৰে নগৰৰ নৰ-নাৰীয়ে শ্ৰীৰামৰ গুণ-কীৰ্তন কৰে আৰু কৃপানিধি প্ৰভু সদায় সকলোৰে ওপৰত প্ৰসন্ন হৈ থাকে। ৩০ ॥

চৌঃ—[কাকভুশুণ্ডিয়ে কৈছে—] "হে পক্ষীৰাজ, ৰামৰ প্ৰতাপৰূপী সূৰ্য যেতিয়া উদিত হ'ল, তেতিয়াৰেপৰা ত্ৰিভুবন আলোকেৰে পূৰ্ণ হ'ল। ইয়াৰ কাৰণে বহুতৰ মনত সুখ হ'ল আৰু [আনহাতে] বহুতৰ মনত শোক হ'ল; যিবিলাকৰ শোক হ'ল মই সেইবিলাক বিবৰি কওঁ। প্ৰথমতে অবিদ্যাৰূপী ৰাত্ৰি নষ্ট হ'ল। পাপৰূপী ফেঁচাবোৰ য'তে ত'তে লুকাই পৰিল। কাম-ক্ৰোধৰূপী ভেঁটফুলবোৰ মৰহি গ'ল। [সংসাৰ বন্ধনৰ হেতু স্বৰূপ] বিবিধ কৰ্ম, গুণ, কাল আৰু স্বভাবসমূহে [ৰামৰ প্ৰতাপৰূপী সূৰ্য উদয় হোৱাত] চকোৰ চৰাইৰ দৰে ক'তো সুখ নোপোৱা হ'ল। মাৎসৰ্য, অভিমান, মোহ আৰু মদৰূপী বিবোৰ চোৰ, সিইঁতৰ কৌশলৰ প্ৰভাৱ নোহোৱা হ'ল।" ১—৩ ॥

ধৰ্মৰূপী জলাশয়ত নানা প্ৰকাৰৰ জ্ঞান-বিজ্ঞানৰূপী পদুম ফুলিবলৈ ধৰিলে। সুখ, সন্তোষ, বৈৰাগ্য আৰু বিবেক—এই চাকৈ-চকোৱা চৰাইবোৰ শোকৰহিত হৈ পৰিল। ৪ ॥

দোঃ—এই ৰামৰ প্ৰতাপৰূপী সূৰ্যই যাৰ হৃদয়ত যেতিয়া প্ৰকাশ কৰে, তেতিয়া পিছত বৰ্ণনা কৰা [জ্ঞান-বিজ্ঞান আদি] বস্তুবোৰ বাঢ়ি যায় আৰু প্ৰথমতে বৰ্ণনা কৰা [অবিদ্যা, পাপ আদি] বস্তুবোৰ নষ্ট হয়। ৩১ ॥

চৌঃ—এবাৰ ভ্ৰাতৃসকলেৰে সৈতে আৰু পৰম প্ৰিয় হনুমানক লগত লৈ ৰামচন্দ্ৰ এখন উপৱন চাবলৈ গ'ল। তাত সকলো গছতে ফুল আৰু কুঁহিপাত আছিল। সনক আদি মুনিসকলে এইটো উপযুক্ত সময় বুলি জানি তেতিয়া তাত উপস্থিত হ'লহি। সুন্দৰ গুণ আৰু চৰিত্ৰসম্পন্ন এই মুনিসকল তেজঃপুঞ্জস্বৰূপ আৰু সদায় ব্ৰহ্মানন্দত নিমগ্ন। দেখাত বালক যেন লাগিলেও তেওঁলোক প্ৰকৃততে বহু কলীয়া লোক। তেওঁলোকক দেখি এনে ভাব হয় যেন চাৰিও বেদেহে বালকৰ ৰূপ ধাৰণ কৰি তালৈ আহিছে। তেওঁলোক সমদৰ্শী আৰু ভেদভাৱ শূন্য। দিক্‌সমূহেই তেওঁলোকৰ বস্ত্ৰ। য'তে ৰামৰ চৰিত-চৰ্চা কৰা হয় ত'লৈকে গৈ শুনাটোৱেই হৈছে তেওঁলোকৰ একমাত্ৰ ব্যসন বা নিচা। [শিৱই কৈছে—] "হে ভৱানী! য'ত মুনিশ্ৰেষ্ঠ জ্ঞানী অগস্ত্যও আছিল, তালৈকে সনকাদি মুনিসকলো গ'ল। মুনিশ্ৰেষ্ঠ অগস্ত্যই শ্ৰীৰামচন্দ্ৰৰ বহুত লীলাৰ কথা বৰ্ণনা কৰি কৈছিল। অৰণি কাঠ যিদৰে অগ্নি উৎপন্ন কৰিবলৈ সমৰ্থ, সেইদৰে সেই ৰামৰ লীলা-কথাও জ্ঞানোৎপাদক আছিল।" ১—৪ ॥

দোঃ—মুনিসকল অহা দেখি আনন্দিত হৈ ৰামে তেওঁলোকক দণ্ডৱতে প্ৰণাম জনালে আৰু কুশল-মংগল সম্বন্ধে প্ৰশ্ন সুধি বহিবৰ কাৰণে প্ৰভুৱে নিজৰ পীতবস্ত্ৰ পাৰি দিলে। ৩২ ॥

চৌঃ—তাৰ পাছত হনুমানেৰে সৈতে তিনিওজন ভায়েকেও দণ্ডৱৎ প্ৰণাম কৰিলে। সকলোৱেই বৰ সুখী হ'ল। ৰঘুপতিৰ অনুপম ৰূপ দেখি মুনিসকলো মুগ্ধ হ'ল। তেওঁলোকে নিজৰ মনক বাধা দি ৰাখিব নোৱাৰিলে। ভৱবন্ধন মোচনকাৰী, শ্যামতনু, কমলনয়ন, সৌন্দৰ্যৰ মন্দিৰ স্বৰূপ ৰামৰ ৰূপ তেওঁলোকে একেথৰে চাবলৈ ধৰিলে। চকু পচাবলৈকো পাহৰিলে। ইফালে প্ৰভুৱেও হাতযোৰ কৰি মূৰ দোঁৱাই থাকিল। ১।২ ॥

মুনিসকলৰ অৱস্থা দেখি প্ৰভুৰ চকুৰপৰা লোতক ব'বলৈ ধৰিলে আৰু শৰীৰ পুলকিত হ'ল। তাৰ পাছত প্ৰভুৱে হাতত ধৰি মুনিসকলক নিজে বহুৱালে আৰু অতি মিঠা মাতেৰে ক'লে—"হে মুনিসকল! শুনক। আজি মই ধন্য মানিছোঁ। আপোনাসকলৰ দৰ্শন হ'লে পাপ নাশ হয়। অতি ভাগ্যৰ বলতহে সৎসংগ লাভ হয় আৰু তাৰ ফলতে অপ্ৰয়াসে জন্ম-মৃত্যুৰ পৰাও উদ্ধাৰ পায়। ৩।৪ ॥

দোঃ—সন্তসকলৰ সংগ মোক্ষৰ পথ আৰু সকামীলোকৰ সংগ ভৱবন্ধনৰ

পথ বুলি সাধু, কবি, পণ্ডিত আৰু বেদ-পুৰাণ আদি সদ্‌গ্ৰন্থ সমূহেও কৈছে।" ৩৩ ॥

চৌঃ—প্ৰভুৰ কথা শুনি চাৰিওজন মুনিয়ে আনন্দত পুলকিত দেহেৰে স্তুতি কৰিবলৈ ধৰিলে—"হে অনন্ত, নিৰাময়, পাপৰহিত, করুণাময়, অদ্বৈত ভগবান! আপোনাৰ জয় হওক।

হে নিৰ্গুণ! আপোনাৰ জয় হওক, হে গুণৰ সাগৰ! আপোনাৰ জয় হওক, জয় হওক। সুখৰ নিধান, অত্যন্ত সুন্দৰ আৰু চতুৰ লক্ষ্মীপতি! আপোনাৰ জয় হওক। ধৰণীধৰ, অনুপম, অজ, অনাদি আৰু সৌন্দৰ্যৰ আকৰ! আপোনাৰ জয় হওক। আপুনি জ্ঞাননিধি, মানৰহিত; কিন্তু অন্যৰ মানদাতা, আপোনাৰ পবিত্ৰ সুযশ বেদ আৰু পুৰাণে কীৰ্তন কৰে। আপুনি তত্ত্বজ্ঞ, কৃতজ্ঞ আৰু অজ্ঞতা-হৰণকাৰী। হে নিৰঞ্জন! আপোনাৰ অনেক নাম যদিও আপুনি [যথাৰ্থতে] নামৰহিত। আপুনি সৰ্বৰূপ সৰ্বগত, সকলোৰে হৃদয়ৰূপ গৃহৰ নিবাসী; আপুনি আমাক সদায় পৰিপালন কৰক; [সুখ-দুখ, ৰাগ-দ্বেষ আদি] দ্বন্দ্ব, বিপত্তি আৰু জন্ম-মৃত্যুৰ জাল কাটি দিয়ক। হে ৰাম! আপুনি আমাৰ হৃদয়ত বাস কৰি কাম আৰু মদভাব বিনাশ কৰক। ১—৪ ॥

দোঃ—হে পৰমানন্দ, কৃপানিধি! মনৰ কামনা পূৰণ কৰোঁতা শ্ৰীৰাম, আমাক অবিচল প্ৰেম-ভক্তি দান কৰক। ৩৪ ॥

চৌঃ—হে ৰঘুপতি! আমাক অতি পবিত্ৰ আৰু তিনিবিধ তাপ তথা ভৱভয় বিনাশক ভক্তি দান কৰক। হে প্ৰণতজনৰ কামনা পূৰণত কামধেনু আৰু কল্পবৃক্ষস্বৰূপ প্ৰভু! আপুনি প্ৰসন্ন হৈ আমাক এই বৰ দান কৰক। হে ৰঘুনাথ! আপুনি ভৱসমুদ্ৰৰ কাৰণে অগস্ত্য মুনিস্বৰূপ। আপোনাক সেৱা কৰিবলৈ সহজ, আপুনি সমস্ত সুখদাতা। হে দীনবন্ধু! মনত উৎপন্ন হোৱা দাৰুণ দুখ বিনষ্ট কৰক আৰু [আমাৰ ওপৰত] সমতাৰ বিস্তাৰ কৰক। আপুনি আশা, ভয়, ঈৰ্ষা আদিৰ নিবাৰক তথা বিনয়, বিবেক আৰু বৈৰাগ্যৰ বিস্তাৰ কৰোঁতা। হে নৃপচূড়ামণি, পৃথিৱীৰ ভূষণস্বৰূপ শ্ৰীৰাম! সংসাৰৰূপী নদীৰ কাৰণে নৌকাস্বৰূপ আপোনাৰ ভক্তি প্ৰদান কৰক। আপুনি মুনিসকলৰ মন-সৰোবৰত নিৰন্তৰ বাস কৰা হংস। আপোনাৰ চৰণকমল ব্ৰহ্মা আৰু শিৱৰো বন্দিত। আপুনি ৰঘুকুল কেতু, শ্ৰুতিসেতুৰ ৰক্ষক, কাল, কৰ্ম, স্বভাৱ তথা গুণজনিত বন্ধনৰ নাশক।" ১—৪ ॥

আপুনি শ্ৰৱণ আৰু আৱৰণ তথা সকলো মোৰ হৰণ কৰোঁতা; ত্ৰিভুৱনৰ ভূষণস্বৰূপ আপুনিয়েই তুলসীদাসৰ স্বামী। ৫ ॥

দোঃ—প্ৰেমেৰে সৈতে বাৰে বাৰে স্তুতি কৰি খুব মৰ্যাদা মনোবাঞ্ছিত বৰ লাভ কৰি সনক আদি মুনিসকল ব্ৰহ্মলোকলৈ গ'লগৈ। ৩৫ ॥

চৌঃ—সনকাদি মুনি ব্ৰহ্মলোকলৈ গ'লগৈ। তাৰ পাছত ভ্ৰাতৃসকলে ৰামৰ চৰণত প্ৰণতি জনালে। তেওঁলোকে ৰামক সুধিবলৈ সংকোচ কৰি আছে, আটাইকেইজনে হনুমানৰ ফালে চাই থাকিলে। তেওঁলোকে প্ৰভুৰ মুখৰপৰা সেই বাণী শুনিবলৈ ইচ্ছা কৰিছে, যাক শুনিলে সকলো ভ্ৰান্তি দূৰ হয়। অন্তৰ্যামী প্ৰভুৱে সকলো বুজিব পাৰিলে আৰু সুধিলে—"কোৱাচোন হনুমান, কি কথা?" ১।২ ॥

তেতিয়া হনুমানে হাতযোৰ কৰি ক'লে—"হে দীনদয়াল ভগৱান! শুনক; হে নাথ, ভৰতে কিবা অলপ সুধিব খুজিছে, পিছে সুধিবলৈ মনতে সংকোচ কৰিছে।" ৩ ॥

[প্ৰভুৱে ক'লে—] "কপিবৰ, তুমি মোৰ স্বভাৱৰ কথা জানাই। মোৰ আৰু ভৰতৰ মাজত কিবা ভেদ আছে জানো?" প্ৰভুৰ বচন শুনি ভৰতে তেওঁৰ চৰণত ধৰিলে [আৰু ক'লে—] "হে নাথ! প্ৰণতজনৰ দুখহাৰী, শুনক। ৪ ॥

দোঃ—হে নাথ! মোৰ কোনো সন্দেহো নাই আৰু সপোনতো শোক-মোহ নাই। হে কৃপা আৰু আনন্দৰ সমূহ প্ৰভু! এয়া কেৱল আপোনাৰ কৃপাৰ ফল। ৩৬ ॥

চৌঃ—তথাপি হে কৃপানিধি! মই আপোনাৰ ওচৰত এটা ধৃষ্টতা দেখুৱাব খুজিছোঁ। মই সেৱক আৰু আপুনি সেৱকৰ সুখদাতা। হে ৰঘুনাথ! সন্তসকলৰ মহিমা বেদ আৰু পুৰাণসমূহে নানা প্ৰকাৰে গাইছে। আপুনিও আপোনাৰ শ্ৰীমুখেৰে সেইবিলাকৰ শ্ৰেষ্ঠত্বৰ কথা কৈছে আৰু তেওঁলোকৰ ওপৰত প্ৰভুৰ অপাৰ স্নেহ। হে প্ৰভু! মই তেওঁলোকৰে লক্ষণ শুনিবলৈ ইচ্ছা কৰিছোঁ। আপুনি কৃপাসিন্ধু, গুণ আৰু জ্ঞানত অতি বিচক্ষণ। ১।২ ॥

হে প্ৰণতপালক! আপুনি মোক সন্ত আৰু অসন্তৰ প্ৰভেদ সম্পৰ্কে বেলেগ বেলেগকৈ বুজাই কওক।" [ৰামে ক'লে—] "ভাই ভৰত! সন্তৰ অসংখ্য লক্ষণ আছে, সেইবোৰ বেদ আৰু পুৰাণত প্ৰসিদ্ধ। সন্ত আৰু অসন্তৰ আচৰণ চন্দন আৰু কুঠাৰৰ নিচিনা। শুনা ভাই, কুঠাৰে চন্দন কাটে; কিন্তু চন্দনে নিজৰ গুণ দান কৰি তাক সুগন্ধি কৰি পেলায়। ৩।৪ ॥

দোঃ—এই গুণৰ কাৰণে চন্দন দেৱতাসকলৰ শিৰত উঠিবলৈ পায় আৰু জগতৰ প্ৰিয়; আনহাতে কুঠাৰৰ মুখখনে এই দণ্ড পায়—তাক জুইত তপত কৰি হাতুৰীৰে পিটে। ৩৭ ॥

চৌঃ—সন্তসকলে বিষয়লৈ লোভ নকৰে, তেওঁলোক সুচৰিত্ৰ আৰু গুণৰ আকৰ। তেওঁলোকে পৰৰ দুখত দুখ আৰু সুখত সুখ অনুভৱ কৰে। তেওঁলোক [সৰ্বত্ৰ] সমদৰ্শী, অজাতশত্ৰু, মদৰহিত আৰু বৈৰাগ্যসম্পন্ন। তেওঁলোকে লোভ, ক্ৰোধ, হৰ্ষ আৰু ভয় ত্যাগ কৰে। তেওঁলোকৰ মন অতি কোমল। তেওঁলোকে দীনজনক দয়া কৰে আৰু মন, বচন তথা কৰ্মেৰে মোক মায়াহীন ভক্তি কৰে; সকলোকে সন্মান কৰে; কিন্তু নিজে অভিমানশূন্য। ভৰত! তেওঁলোক মোৰ প্ৰাণৰ তুল্য। তেওঁলোক কামনাশূন্য, মোৰ নামপৰায়ণ; শান্তি, বৈৰাগ্য, বিনয় আৰু প্ৰসন্নতাৰ গৃহস্বৰূপ। শীতলতা, সৰলতা, মৈত্ৰী আৰু ধৰ্ম উৎপন্ন কৰা ব্ৰাহ্মণৰ চৰণত প্ৰীতিভাৱ—এইসকলত (সন্তসকলত) নিহিত হৈ থাকে। বাছা ভৰত, যাৰ হৃদয়ত এই গুণসমূহ আছে, তেওঁলোকক সততে সন্ত বুলি বুজিবা। যি শম, দম, নিয়ম আৰু নীতিৰপৰা বিচলিত নহয় আৰু কেতিয়াও কঠোৰ বচন নোবোলে। ১—৪ ॥

দোঃ—যাৰ কাৰণে নিন্দা আৰু স্তুতি দুয়োটা সমান আৰু মোৰ পাদ-পংকজত যাৰ মমতা আছে, সেই গুণৰ মন্দিৰ, সুখ-পুঞ্জস্বৰূপ সজ্জনসকল মোৰ প্ৰাণসদৃশ প্ৰিয়। ৩৮ ॥

চৌঃ—এতিয়া অসন্তৰ স্বভাৱ শুনা। ভুলতো তেওঁলোকৰ লগত সংগতি কৰিব নালাগে। তেওঁলোকৰ সংগ সদায় দুখদায়ক; যেনেকৈ বেয়া জাতৰ গাই গৰুৱে কপিলী গৰুক নষ্ট কৰে (তেনেকৈ অসৎ সংগে সৎলোকক নষ্ট কৰে)। দুষ্টৰ মনত অতিশয় সন্তাপ হৈ থাকে; পৰৰ সম্পদ দেখিলে তেওঁলোক সদায় জ্বলিপুৰি মৰে। তেওঁলোকে ক'ৰবাত যদি পৰৰ নিন্দা হোৱা শুনে ইমান আনন্দ পায়, যেনিবা বাটতে পৰি থকা ধনৰ টোপোলাহে পালে। তেওঁলোক কাম, ক্ৰোধ, মদ আৰু লোভপৰায়ণ, নিৰ্দয়, কপটীয়া, কুটিল আৰু পাপৰ আলয়স্বৰূপ। তেওঁ-লোকে অকাৰণতে সকলোৰে লগত শত্ৰুতা আচৰণ কৰে। যি হিত সাধন কৰে, তেওঁকো অপকাৰ কৰে। তেওঁলোকৰ লোৱাতো অসত্য, দিয়াতো অসত্য; ভোজনতো অসত্য, চৰ্বণতো অসত্য (অৰ্থাৎ তেওঁলোকে সকলোতে অসত্যৰ আশ্ৰয় লয়)। তেওঁলোকে ম'ৰা চৰাইৰ দৰে বচনতহে মিঠা, [ব্যৱহাৰত] ডাঙৰ ডাঙৰ সাপ ভক্ষণ কৰা ম'ৰা চৰাইৰ দৰেই কাঠচিতীয়া। ১—৪ ॥

দোঃ—তেওঁলোক পৰদ্ৰোহী, পৰস্ত্ৰীত ৰত, পৰৰ ধনত আৰু পৰনিন্দাত আসক্ত। সেই পামৰ আৰু পাপী মানুহবোৰ মনুষ্য শৰীৰ ধাৰণ কৰি ৰাক্ষস হৈছে। ৩৯ ॥

চৌঃ—লোভেই তেওঁলোকৰ গাৰ কাপোৰ আৰু লোভেই তেওঁলোকৰ বিচনা (নিৰন্তৰ লোভতে মজি থাকে)। তেওঁলোক পেট ভৰোৱা কাম আৰু মৈথুনত আসক্ত; যমপুৰৰ ভয় তেওঁলোকৰ নাই। কাৰোবাৰ যদি শ্ৰেষ্ঠত্বৰ কথা তেওঁলোকে ক'বলৈকে শুনিবলৈ পায়, তেতিয়া তেওঁলোকে [দুখেৰে সৈতে] এনেধৰণে উশাহ-নিশাহ ল'বলৈ ধৰে, যেন কঁপনি জ্বৰহে উঠিছে আৰু আনহাতে যেতিয়া কাৰোবাৰ বিপদ হোৱা দেখে, তেতিয়া এনেকুৱা সুখ পায়, যেন সমস্ত জগতৰ ৰজাহে হ'ল। তেওঁলোক স্বাৰ্থপৰ, পৰিয়ালৰ বিৰোধী কাম আৰু লোভপৰায়ণ লম্পট তথা অত্যন্ত ক্ৰুদ্ধ। তেওঁলোকে পিতৃ-মাতৃ, গুৰু-ব্ৰাহ্মণ একো নামানে। তেওঁলোক নিজেতো নষ্ট হ'লেও, আনকো নষ্ট কৰে। অজ্ঞানতাৰ কাৰণে লোকৰ দ্ৰোহ আচৰণ কৰে। তেওঁলোকে সন্তৰ সংগ আৰু ভগবানৰ কথা ভাল নাপায়। তেওঁলোক দুৰ্গুণৰ সমুদ্ৰস্বৰূপ, মন্দবুদ্ধি, কামী, বেদনিন্দক আৰু পৰৰ ধনৰ ওপৰত তেওঁলোকে গিৰিহঁত বোলায়। তেওঁলোকে অন্য মানুহৰ, বিশেষকৈ ব্ৰাহ্মণৰ দ্ৰোহ আচৰণ কৰে। বাহিৰত তেওঁলোকৰ বেশ সুন্দৰ; কিন্তু হৃদয় দম্ভ আৰু কপটেৰে ভৰা। ১—৪ ॥

দোঃ—এনেকুৱা নীচ আৰু দুষ্ট মানুহ সত্য আৰু ত্ৰেতাযুগত নাথাকে, দ্বাপৰ যুগত অলপ হ'ব, কলিযুগত দলে দলে হ'ব। ৪০ ॥

চৌঃ—ভাই! পৰৰ হিত-সাধনৰ নিচিনা একো ধৰ্ম নাই আৰু পৰক কষ্ট দিয়া দিয়াৰ সমান অন্য একো নীচতা নাই। বাছা ভৰত! মই তোমাক সমস্ত বেদ আৰু পুৰাণৰ এই সিদ্ধান্ত ক'লোঁ, এই কথা পণ্ডিতসকলে জানে। ১ ॥

মনুষ্য-শৰীৰ ধাৰণ কৰি যি লোকক কষ্ট দিয়ে, তেওঁলোকে সংসাৰত মহা কষ্ট সহ্য কৰিবলগীয়া হয়। মানুহে মোহবশতঃ স্বাৰ্থপৰ হৈ অনেক পাপ আচৰণ কৰে আৰু তাৰ ফলত পৰলোক নষ্ট পায়। ভাই ভৰত, মই তেওঁলোকৰ কাৰণে কালস্বৰূপ আৰু শুভ তথা অশুভ উভয় শ্ৰেণীৰ কৰ্মৰে ফলদাতা। এই কথা জানি বিলক্ষণ চতুৰ লোকে সংসাৰ দুখময় বুলি জানি মোক ভক্তি কৰে তেওঁলোকে শুভ আৰু অশুভ ফলদায়ক কৰ্ম-সমূহ ত্যাগ কৰি দেৱতা, মনুষ্য আৰু মুনিসকলৰ নায়ক মোক ভজনা

কৰে। এই ধৰণে মই সন্ত আৰু অসন্তৰ লক্ষণ ক'লো। যিসকলে এই লক্ষণসমূহ বুজি লয়, তেওঁলোক সংসাৰ চক্ৰত নপৰে। ১—৪॥

দোঃ—শুনা বাছা, মায়াই ৰচনা কৰা অনেক গুণ আৰু দোষ আছে। সেই দোষ-গুণবোৰক সত্য বুলি গ্ৰহণ নকৰাটোৱেই সন্তসকলৰ গুণ (বিচাৰ-বুদ্ধি) আৰু সেইবোৰক সত্য বুলি গ্ৰহণ কৰাটোৱেই হৈছে অবিবেক (বিচাৰ-বুদ্ধিৰ অভাৱ)।" ৪১॥

চৌঃ—ৰামৰ শ্ৰীমুখৰপৰা এই বচন শুনি আটাইকেইজন ভায়েক আনন্দিত হ'ল; তেওঁলোকৰ হৃদয়ত প্ৰেম নধৰা হ'ল। তেওঁলোকে বাৰে বাৰে অতি বিনয় প্ৰকাশ কৰিলে। হনুমানৰ হৃদয়তো অপাৰ আনন্দ হ'ল। ১॥

তাৰ পাছত ৰঘুপতি নিজ ভৱনলৈ ঘূৰি গ'ল। এইদৰে প্ৰভুৱে নিত্য নতুন লীলা কৰে। নাৰদ মুনি বাৰে বাৰে আহে আৰু ৰামৰ পুণ্যচৰিত কীৰ্ত্তন কৰে। মুনিয়ে নিত্য নতুন লীলা দৰ্শন কৰি যায় আৰু ব্ৰহ্মলোকত সকলো কথা কৈ়গৈ; সেই কথা শুনি ব্ৰহ্মা অতি সুখী হয় (আৰু কয়—) "বাছা নাৰদ! বাৰে বাৰে ৰামৰ গুণ কীৰ্ত্তন কৰা।" সনক আদি মুনিসকলেও নাৰদক প্ৰশংসা কৰে। যদিও এই মুনিসকল ব্ৰহ্ম-নিষ্ঠ, তথাপি ৰামৰ গুণ-গান শুনি তেওঁলোকে সমাধিৰ কথা পাহৰি যায়, তেওঁলোকে তাক শ্ৰদ্ধাৰে শ্ৰৱণ কৰে। তেওঁলোক [ৰাম কথা-শ্ৰৱণৰ] শ্ৰেষ্ঠ অধিকাৰী। ২—৪।

দোঃ—(এইদৰে) জীৱন্মুক্ত ব্ৰহ্মনিষ্ঠ পুৰুষেও ধ্যান ত্যাগ কৰি ৰামৰ চৰিত্ৰ শ্ৰৱণ কৰে—এই কথা জানিও যি হৰি কথালৈ আগ্ৰহ নকৰে, তেওঁ-লোকৰ হৃদয় শিলহে। ৪২॥

চৌঃ—এবাৰ ৰঘুনাথে মাতিলত গুৰু বশিষ্ঠ, ব্ৰাহ্মণ আৰু পুৰবাসীসকল সভালৈ আহিল। যেতিয়া গুৰু, মুনি, ব্ৰাহ্মণ তথা সজ্জনসকল বহিল, তেতিয়া ভকতৰ ভৱভঞ্জনকাৰী ৰামে ক'লে—"হে সমস্ত নগৰবাসী, মোৰ কথা শুনক, মই এই কথা মনত কোনো মমতাৰ ভাব ৰাখি কোৱা নাই; ইয়াত কোনো অনীতি নাই বা প্ৰভুত্ব নাই। আপোনালোকে এই কথাখিনি শুনক আৰু যদি ভাল পায় সেইমতে কাম কৰক। ১।২॥

যি মোৰ অনুশাসন মানে তেওঁহে মোৰ সেৱক আৰু মোৰ প্ৰিয়তম। ভাইসকল, মই যদি কিবা অনীতিৰ কথা কওঁ, তেনেহ'লে ভয় নকৰি মোক বাধা দিবা। ৩॥

অতি ভাগ্যৰ বলতহে মনুষ্য-শৰীৰ পোৱা হৈছে; এই শৰীৰ দেৱ-দুৰ্লভ বুলি

সকলো প্ৰহৰে কৈছে। ই সাধনৰ ধাম আৰু মোক্ষৰ দুৱাৰ। ইয়াক প্ৰাপ্ত কৰিও যি পৰলোকৰ কাৰণে প্ৰস্তুত নহয়, ॥ ৪ ॥

দোঃ—তেওঁ পৰলোকত দুখ পাবলগীয়া হয়, মূৰ খুন্দিয়াই অনুতাপ কৰিবলগীয়া হয় আৰু মিছাতে কাল, কৰ্ম আৰু ঈশ্বৰক দোষাৰোপ কৰে। ৪৩ ॥

চৌঃ—ভাইসকল! এই শৰীৰ লাভ কৰাৰ ফল বিষয়-ভোগ নহয়। স্বৰ্গভোগো অতি অল্প আৰু অন্তত দুখদায়ক। গতিকে যি মনুষ্য শৰীৰ লাভ কৰি বিষয়-ভোগত মনোনিবেশ কৰে, সেই মূৰ্খই অমৃতৰ সলনি বিহ গ্ৰহণ কৰে। যি পৰশমণি হেৰুৱাই সাতুৰ্মণি লয়, তাক কোনেও কেতিয়াও ভাল নোবোলে। এই অবিনাশী জীৱই প্ৰধান চাৰি শ্ৰেণীৰ (অণ্ডজ, স্বেদজ, জৰায়ুজ আৰু উদ্ভিজ) অন্তৰ্গত চৌৰাশী লাখ যোনিত ভ্ৰমণ কৰিব লাগে। ১২ ॥

এনে জীৱই মায়াৰ প্ৰেৰণাত কাল, কৰ্ম, স্বভাব আৰু গুণত বান্ধ খাই সদায় [সংসাৰ-চক্ৰত] ঘূৰি ফুৰিব লাগে। অকাৰণতে স্নেহ কৰা ঈশ্বৰে কাচিৎ দয়া কৰি ইহঁতক নৰ-তনু প্ৰদান কৰে। ৩ ॥

এই নৰতনু ভৱসাগৰৰ পৰা উদ্ধাৰ পাবৰ কাৰণে নৌকাস্বৰূপ; মোৰ কৃপাই অনুকূল বায়ু, সদ্‌গুৰু হ'ল এই সুদৃঢ় নৌকাৰ কৰ্ণধাৰ; এইদৰে দুৰ্লভ সাধন (ভগৱানৰ কৃপাত) সহজতে সিহঁতে লাভ কৰে। ৪ ॥

দোঃ—যি মানুহে এনে হেন সাধন লাভ কৰিও ভৱসাগৰ পাৰ নহয়, সি কৃতঘ্ন আৰু মন্দমতি, সি আত্মঘাতীৰ গতি পায়। ৪৪ ॥

চৌঃ—যদি পৰলোক আৰু ইহলোকত সুখ কামনা কৰিছা, তেনেহ'লে মোৰ কথা শুনি তাক হৃদয়ত দৃঢ়ভাৱে সৈতে ধৰি লোৱা। ভাইসকল, মোৰ এই ভক্তি-মাৰ্গ সহজলভ্য আৰু সুখদায়ক, বেদ আৰু পুৰাণেও ইয়াকে গাইছে। ১ ॥

জ্ঞান অতি দুৰ্গম আৰু তাত অনেক বিঘিনি আছে। তাৰ সাধনো অতি কঠিন আৰু তাত মনৰ কাৰণে একো আধাৰ নাই। বহুত কষ্ট কৰি কোনোবা একোজনে ইয়াক লাভ কৰিলেও, সি যদি ভক্তিৰহিত হয় তেনেহ'লে মোৰ প্ৰিয় নহয়। ২ ॥

ভক্তি স্বতন্ত্ৰ আৰু সমস্ত সুখৰ আকৰ; কিন্তু সৎ সংগৰ অবিহনে প্ৰাণীয়ে এই ভক্তি লাভ কৰিব নোৱাৰে আৰু বহু পুণ্য নহ'লে সৎসংগো পোৱা নাযায়। সৎসংগেহে সংসাৰ-চক্ৰৰ অন্ত পেলায়। ৩ ॥

জগতত পুণ্য মাত্ৰ এটাইহে, দুটা নহয়। মনে বচনে, কৰ্ম আৰু

বচনেৰে সৈতে বিপ্ৰপদ সেৱা কৰা। যি কপটভাব ত্যাগ কৰি দ্বিজ-সেৱা কৰে, তেওঁৰ প্ৰতি মুনি আৰু দেৱতাসকল প্ৰসন্ন হয়। ৪ ॥

দোঃ—আৰু এটা গুপ্ত মত আছে, সকলোকে মই হাতযোৰকৈ কৈছোঁ—শিৱৰ ভক্তি নকৰাকৈ মানুহে মোৰ ভক্তি লাভ কৰিব নোৱাৰে। ৪৫ ॥

চৌঃ—কোৱাঁচোন বাৰু, ভক্তিমাৰ্গত কি কষ্ট হয়? ইয়াত যোগৰো আৱশ্যক নাই; যজ্ঞ, তপ, জপ আৰু উপবাসৰো আৱশ্যক নাই। কেৱল স্বভাৱ সৰল হ'ব লাগে, মনত কুটিলতা থাকিব নালাগে, যি পায় তাতে সন্তুষ্ট হ'ব লাগে। ১ ॥

মোৰ দাস বুলি কৈ যদি অন্য মানুহলৈ আশা কৰে, তেনেহ'লে কোৱাচোন, তেওঁৰ বিশ্বাস ক'ত? বেছি কথা আৰু কি কম? হে ভাইসকল! মই এনে আচৰণৰ বশ্য। ২ ॥

কাৰো লগত শত্ৰুতা আৰু কাজিয়া কৰিব নালাগে, আশা আৰু ভয় ত্যাগ কৰিব লাগে; তেনে মানুহৰ কাৰণে দিক্‌সমূহ সদায় সুখদায়ক হয়। যিজনে ফল বাঞ্ছা কৰি কাম আৰম্ভ নকৰে, যাৰ ঘৰৰ প্ৰতি মমতা নাই, যি অভিমানৰহিত, পাপৰহিত, ক্ৰোধহীন, যি দক্ষ আৰু বিশেষ জ্ঞানসম্পন্ন, সজ্জনৰ সংগতিলৈ যাৰ সদায় ৰতি, যাৰ কাৰণে স্বৰ্গ আৰু মোক্ষ পৰ্যন্ত সকলো বিষয় তৃণসম, যি ভক্তিৰ পক্ষত জেদ ধৰে, কিন্তু শঠতা নকৰে, যি সকলো প্ৰকাৰৰ কুতৰ্ক দূৰলৈ ঠেলি দিয়ে। ২—৪ ॥

দোঃ—যি মোৰ গুণসমূহত আৰু নামত ৰত, যাৰ মমতা, মদ আৰু মোহ দূৰ হ'ল, যি পৰমানন্দ লাভ কৰিছে, তেওঁৰ সুখ তেওঁ নিজেহে অনুভৱ কৰিব পাৰে।" ৪৬ ॥

চৌঃ—ৰামৰ এই অমৃততুল্য বচন শুনি সকলোৱে কৃপানিধি প্ৰভুৰ চৰণত ধৰিলেগৈ [আৰু ক'লে—] "হে কৃপানিধি! আপুনিয়েই আমাৰ পিতৃ, মাতৃ, গুৰু, বন্ধু—সকলো আৰু আপুনি আমাৰ প্ৰাণতকৈয়ো প্ৰিয়। হে প্ৰণতজনৰ দুখহাৰী ৰাম! আপুনিয়েই আমাৰ শৰীৰ, ধন, ঘৰ-দুৱাৰ আৰু সকলো প্ৰকাৰে আমাৰ হিতকাৰী। এনে উপদেশ আপোনাৰ বাহিৰে কোনেও দিব নোৱাৰে; [আনহে নালাগে] পিতৃ-মাতৃও স্বাৰ্থপৰায়ণ। হে অসুৰহন্তা, জগতত অহৈতুক উপকাৰ কৰোঁতা দুজনহে আছে—এজন আপুনি আৰু আনজন আপোনাৰ সেৱক। [ইয়াৰ বাহিৰে] জগতত সকলো স্বাৰ্থত মোৱা মিত্ৰহে। হে প্ৰভু, তেওঁলোকৰ সপোনতো পৰমাৰ্থৰ ভাৱনা নাই।" ১—৩ ॥

প্ৰেমৰসত সিক্ত হৈ থকা এই বচন সকলোৰেপৰা শুনিবলৈ পাই বাৰু মন আনন্দিত হ'ল। তাৰ পাছত আদেশ পোৱাত সকলো মানুহ, প্ৰভুৰ সুন্দৰ কথা-বতৰাবোৰ বৰ্ণনা কৰি কৰি নিজ নিজ ঘৰলৈ গ'ল। ৪ ॥

দোঃ—[শিৱই কৈছে—] "হে উমা! য'ত স্বয়ং সচ্চিদানন্দঘন ব্ৰহ্ম ৰামচন্দ্ৰ ৰজা হৈ আছে, সেই অযোধ্যাৰ নৰ-নাৰীসকল প্ৰকৃততে কৃতাৰ্থ।" ৪৭ ॥

চৌঃ—এবাৰ বশিষ্ঠ মুনি সুন্দৰ সুখৰ ধামস্বৰূপ শ্ৰীৰাম থকা ঠাইলৈ আহিল। ৰামে তেখেতক অতি আদৰ আপ্যায়ন কৰিলে আৰু তেখেতৰ চৰণ ধুৱাই পদজল ল'লে। ১ ॥

মুনিয়ে হাতযোৰ কৰি ক'লে—"হে কৃপাৰ সাগৰ শ্ৰীৰাম! তুমি মোৰ কিছু প্ৰাৰ্থনা শুনা। তোমাৰ [মনুষ্যসুলভ] আচৰণসমূহ দেখি দেখি মোৰ হৃদয়ত অপাৰ মোহ হৈছে। হে ভগৱান, তোমাৰ মহিমাৰ সীমা নাই, বেদেও তাক নাজানে; তেনেস্থলত তাৰ বিষয়ে মই কেনেকৈ ক'ম? পুৰোহিতৰ কৰ্ম অতি নীচ। বেদ, পুৰাণ, স্মৃতি আদি সকলোৱেই ইয়াক নিন্দা কৰে। যেতিয়া মই এই [সূৰ্যবংশৰ পুৰোহিতৰ] কাম লোৱা নাছিলোঁ, তেতিয়া ব্ৰহ্মাই ক'লে—পুত্ৰ, ইয়াৰপৰা আগলৈ তোমাৰ বহুত লাভ হ'ব। স্বয়ং পৰমাত্মা পৰম ব্ৰহ্মই নৰৰূপে ৰঘুকুলৰ অলংকাৰস্বৰূপ নৃপতি হ'ব। ২—৪ ॥

দোঃ—তেতিয়া মই মনতে ভাবি-চিন্তি চালোঁ—যাৰ কাৰণে যোগ, যজ্ঞ, ব্ৰত আৰু দান কৰা হয়, সেইজনক মই এই কৰ্মৰদ্বাৰাই পাম; তেতিয়া হ'লে এই কৰ্মৰ সমান অন্য ধৰ্ম আৰু নাই। ৪৮ ॥

চৌঃ—তপ, জপ, যোগ, নিয়ম, স্বধৰ্ম, বেদবিহিত নানা শুভ কৰ্ম, জ্ঞান, দয়া, দম, তীৰ্থস্নান আদি যিমানবোৰক বেদ আৰু সন্তসকলে ধৰ্ম বুলি কয়, [সেইদৰে] অনেক তন্ত্ৰ, বেদ আৰু পুৰাণ পাঠ তথা শ্ৰৱণ কৰাৰো সৰ্বোত্তম ফল এটাহে আৰু সকলো সাধনাৰে সেই একেটাই সুন্দৰ ফল; হে প্ৰভু, সেয়ে হৈছে তোমাৰ পাদপদ্মত নিৰন্তৰ প্ৰীতি। ১।২ ॥

ময়লাৰে ধুলে জানো ময়লা দূৰ হয়? পানী মথিলে জানো ঘিউ ওলায়? হে ৰঘুনাথ! [ঠিক সেইদৰেই] প্ৰেম-ভক্তি জলৰ অবিহনে অন্তঃকৰণৰ মলি কেতিয়াও আঁতৰ নহয়। ৩ ॥

তোমাৰ পদপংকজত যাৰ ৰতি আছে সেইজনেই সৰ্বজ্ঞ, সেইজনেই তত্ত্বজ্ঞ আৰু পণ্ডিত, সেইজনেই গুণৰ মন্দিৰ আৰু অখণ্ড বিজ্ঞানসম্পন্ন, সেইজনেই সুদক্ষ আৰু সৰ্বসুলক্ষণসম্পন্ন। ৪ ॥

দোঃ—হে নাথ! হে ৰাম!! মই তোমাক এটা বৰ মাগিছোঁ, অনুগ্ৰহ কৰি তুমি সেই বৰ দান কৰা। প্ৰভুৰ চৰণকমলত যেন জন্মে জন্মে মোৰ প্ৰেম অটুট হৈ থাকে।" ৪৯ ॥

চৌঃ—এইবুলি কৈ বশিষ্ঠ মুনি ঘৰলৈ গ'ল। কৃপাৰ সাগৰ শ্ৰীৰামে তেওঁক বৰ ভাল পালে। তাৰ পাছত সেৱকৰ সুখদাতা ৰামে হনুমান আৰু ভৰত আদি ভায়েকসকলক লগত ল'লে আৰু তেতিয়া কৃপালু প্ৰভু নগৰৰ বাহিৰলৈ গ'ল। হাতী, ঘোঁৰা আৰু ৰথ বিচৰাই অনালে। সেইবোৰ দেখি প্ৰভুৱে আটাই-বোৰকে শলাগিলে। যেয়ে যিটো বিচাৰিলে, প্ৰভুৱে তেওঁক তাকে দান কৰিলে। ১।২ ॥

সমস্ত শ্ৰম দূৰ কৰোঁতা প্ৰভুৱে শ্ৰম অনুভৱ কৰিলে আৰু তেতিয়া শীতল আম গছৰ বাগিচালৈ গ'ল। তাত ভৰতে নিজৰ কাপোৰ পাৰি দিলে; প্ৰভু তাতে বহিল আৰু ভায়েকসকলে তেওঁক শুশ্ৰূষা কৰিবলৈ ধৰিলে। সেই সময়ত পৱন-নন্দন হনুমানে বিচিবলৈ ধৰিলে; তেওঁৰ শৰীৰ পুলকিত হ'ল আৰু চকু পানীৰে উপচি পৰিল। [শিৱই কৈছে—] "হে গিৰিজা, যাৰ প্ৰেম আৰু সেৱা স্বয়ং প্ৰভুৱে নিজমুখে বাৰে বাৰে প্ৰশংসা কৰে, সেই হনুমানৰ সমান সৌভাগ্যশালী আৰু ৰামৰ চৰণত ভক্তিমান আৰু কোনো নাই।" ৩—৫ ॥

দোঃ—সেই সময়তে হাতত বীণা লৈ নাৰদ মুনি আহি ওলালে। তেওঁ ৰামৰ সুন্দৰ আৰু নিত্যনৱীন হৈ থকা কীৰ্তি-গীত গাবলৈ ধৰিলে। ৫০ ॥

চৌঃ—"কৃপাপূৰ্বক দৃষ্টিপাত কৰিয়েই শোক দূৰ কৰা হে কমলনয়ন, মোৰ প্ৰতি কৃপাদৃষ্টি কৰক। হে হৰি, আপুনি নীলোৎপলসদৃশ শ্যাম বৰণৰ আৰু কামদেৱৰ শত্ৰু শিৱৰ হৃদয়কমলৰ মকৰন্দ পান কৰা ভ্ৰমৰ। আপুনি ৰাক্ষস সেনাৰ বল ভঞ্জনকাৰী, মুনি আৰু সজ্জনসকলৰ আনন্দদাতা, পাপবিনাশক। ব্ৰাহ্মণৰূপী শস্যৰ কাৰণে আপুনি নৱজলধৰস্বৰূপ, নিৰাশ্ৰিতসকলৰ আশ্ৰয়স্থল, দীনজনৰ আত্মীয় বুলি গ্ৰহণকাৰী। ১।২ ॥

আপুনি নিজ বাহুবলেৰে পৃথিৱীৰ মহাভাৰ খণ্ডালে; আপুনি খৰ, দূষণ বিৰাধক বধ কৰাত নিপুণ, ৰাৱণৰ শত্ৰু, সুখস্বৰূপ, শ্ৰেষ্ঠ নৃপতি। দশৰথৰ কুলৰূপী কুমুদিনীৰ কাৰণে চন্দ্ৰস্বৰূপ, আপোনাৰ জয় হওক। ৩ ॥

আপোনাৰ সুযশ নিগম, আগম আৰু পুৰাণত সুবিদিত; দেৱতা, মুনি আৰু সন্তসমাজত তাৰ কীৰ্তন কৰা হয়। আপুনি কৰুণাময়, মিথ্যা গৰ্ব বিনাশক, সকলো প্ৰকাৰে কুশল আৰু কোশল ৰাজ্যৰ ভূষণস্বৰূপ। আপোনাৰ নাম

কলিমলৰ নাশক আৰু মমতা বিঘাতক। হে তুলসীদাসৰ প্ৰভু! শৰণাগত জনক ৰক্ষা কৰক।" ৪।৫ ॥

দোঃ—প্ৰেমেৰে নৈতে ৰামৰ গুণসমূহ বৰ্ণনা কৰি লোমৰ্ষ সাগৰ শ্ৰীৰামক হৃদয়ত ধাৰণ কৰি নাৰদ মুনি ব্ৰহ্মলোকলৈ গুচি গ'ল। ৫১ ॥

চৌঃ—[শিৱই কৈছে—] "শুনা গিৰিজা! এই বিশদ কথা মোৰ মতি অনুসাৰে সম্পূৰ্ণ কৰি ক'লোঁ। ৰামচৰিত শতকোটি, অপাৰ। শ্ৰুতি আৰু সৰস্বতীও বৰ্ণনা কৰিব নোৱাৰে। ১ ॥

ৰাম অনন্ত, তেওঁৰ গুণ অনন্ত; তেওঁৰ জন্ম, কৰ্ম আৰু নামো অনন্ত। পানীৰ টোপাল আৰু ধূলিকণা লেখিব পাৰি; কিন্তু ৰামৰ চৰিত্ৰ বৰ্ণনা কৰি শেষ কৰিব নোৱাৰি। ২ ॥

এই পবিত্ৰ কথাই হৰিপদ দান কৰে; ইয়াক শুনিলে অবিচল ভক্তি লাভ হয়। হে উমা, যি কথা কাকভুশুণ্ডিয়ে গৰুড়ক কৈছিল, সেই সকলো সুন্দৰ কথা মই তোমাক কৈ শুনালো। মই ৰামৰ অলপ গুণ বখানি কলোঁ। হে ভৱানী, এতিয়া আৰু কি কম, সেই কথা কোৱাঁচোন।" [ৰামচৰিতৰ] এই মংগলময় কথা শুনি ভৱানী আনন্দিত হ'ল আৰু তেওঁ অতি বিনীতভাৱে মৃদু বচনেৰে ক'লে—"হে ত্ৰিপুৰাৰি, মই ধন্য, ধন্য, ধন্য; মই ভৱভয়হাৰী ৰামৰ গুণ শ্ৰৱণ কৰিলোঁ। ৩—৫ ॥

দোঃ—হে কৃপানিধি, মই আপোনাৰ কৃপাত কৃতকৃত্য হলোঁ। মোৰ মোহ দূৰ হ'ল। হে প্ৰভু, মই সচ্চিদানন্দঘন ৰামৰ প্ৰতাপ জানিব পাৰিলোঁ। ৫২ (ক) ॥

হে নাথ! আপোনাৰ মুখৰূপী চন্দ্ৰই ৰামকথাৰূপী অমৃত বৰ্ষণ কৰিছে, হে ধীৰমতি! মোৰ মনে কৰ্ণপুটেৰে তাক শ্ৰৱণ কৰি তৃপ্ত হোৱা নাই। ৫২ (খ) ॥

চৌঃ—ৰামচৰিত শুনামাত্ৰকে যিজন তৃপ্ত হয়, তেওঁ তাৰ বিশেষ ৰস উপলব্ধি কৰিব নোৱাৰে। যিসকল জীৱন্মুক্ত মহামুনি, সেই সকলোৱে৷ নিৰন্তৰ হৰিগুণ শ্ৰৱণ কৰি হেপাহ নপলায়। ১ ॥

যি সংসাৰ-সাগৰ পাৰ হ'ব খুজিছে, তেওঁৰ কাৰণে ৰামকথা দৃঢ় নৌকাস্বৰূপ। হৰিৰ গুণসমূহ বিষয়ীসকলৰ কাৰণেও শ্ৰৱণ সুখদায়ক আৰু মনত আনন্দদায়ক। জগতত কাণ থকা এনে কোন লোক আছে, যি ৰামচৰিত ভাল নুগুনে। যি ৰঘুপতিৰ চৰিত ভাল নাপায়, সেই মূৰ্খ জীৱ আত্মহত্যাকাৰী তুল্য। হে নাথ, আপুনি ৰামচৰিত মানসৰ গীত গালে, শুনি মই অপৰিসীম সুখ লাভ

কৰিলোঁ। আপুনি যে ক'লে, এই সুন্দৰ কথা কাকভূশুণ্ডিয়ে গৰুড়ক কৈছিল। ২—৪ ॥

দোঃ—সেই কাকভূশুণ্ডিয়ে যে কাউৰীৰ শৰীৰ পাই জ্ঞান, বিজ্ঞান আৰু বৈৰাগ্যত দৃঢ়মনা, তেওঁৰ ৰামৰ চৰণত অতিশয় প্ৰেম আৰু তেওঁ ৰামভক্তিৰো অধিকাৰী হ'ল যে এই বিষয়ত মোৰ বৰ সন্দেহ থাকিল। ৫৩ ॥

চৌঃ—হে ত্ৰিপুৰাৰি! শুনক। হেজাৰ হেজাৰ মানুহৰ মাজত কোনোবা এজনহে ধৰ্ম-ব্ৰত পালনকাৰী হয় আৰু কোটি কোটি ধৰ্মাত্মাৰ ভিতৰত কোনোবা এজনহে বিষয়বিমুখ আৰু বৈৰাগ্যপৰায়ণ হয়। শ্ৰুতিয়ে কৈছে—কোটি কোটি বৈৰাগ্যসম্পন্ন লোকৰ ভিতৰত কোনোবা এজনেহে সম্যক জ্ঞান লাভ কৰে আৰু কোটি কোটি জ্ঞানীৰ ভিতৰত কোনোবা এজনহে জীৱন্মুক্ত, এনেলোক জগতত বিৰল। হেজাৰজন জীৱন্মুক্তৰ মাজতো সমস্ত সুখৰ আকৰস্বৰূপ, ব্ৰহ্মলীন বিজ্ঞানবান পুৰুষ পাবলৈ টান। ধৰ্মাত্মা, বৈৰাগ্যবান, জ্ঞানী, জীৱন্মুক্ত আৰু ব্ৰহ্মলীন—এই সকলোৰে ভিতৰতো, হে দেবেশ্বৰ শিৱ, এনে প্ৰাণী দুৰ্লভ, যি মদ আৰু মায়াৰহিত হৈ ৰামভক্তিত ৰত হয়। হে বিশ্বনাথ! এনেহেন হৰিভক্তি কাউৰীয়ে কেনেকৈ লাভ কৰিলে, মোক বুজাই কওক। ১—৪ ॥

দোঃ—হে নাথ! কওকচোন—ৰামপৰায়ণ, জ্ঞানৰত, গুণনিধি আৰু ধীৰমতি ভূশুণ্ডিয়ে কেনেকৈ কাউৰীৰ ৰূপ পালে। ৫৪ ॥

চৌঃ—হে কৃপালু, কওকচোন, এই কাউৰীয়ে প্ৰভুৰ এই পবিত্ৰ আৰু সুন্দৰ চৰিত্ৰ কেনেকৈ পালে? হে মদনশত্ৰু, আপুনি এই কথা কেনেকৈ শুনিলে, ভালকৈ বুজাই কওক, মোৰ অতি কৌতুহল হৈছে। ১ ॥

গৰুড় মহাজ্ঞানী, গুণৰাশি, হৰি-সেৱক আৰু হৰিৰ নিকটবাসী। তেওঁ মুনিসকলক এৰি কাউৰীৰপৰানো হৰিকথা কি কাৰণে শুনিলেগৈ? কাক-ভুশুণ্ডি আৰু গৰুড়—এই দুয়োজন হৰিভক্তইনো কেনেকৈ কথা-বতৰা পাতিছিল কওক।" পাৰ্বতীৰ সৰল আৰু সুন্দৰ বচন শুনি সুখ লাভ কৰি শিৱই আদৰ কৰি ক'লে—"হে সতী, তুমি ধন্য, তোমাৰ মতি অতি পবিত্ৰ। ৰামৰ চৰণত তোমাৰ অলপ প্ৰেম নহ'ব। এতিয়া যাক শুনিলে সকলো লোকৰ ভ্ৰম দূৰ হয়, সেই পৰম পবিত্ৰ ইতিহাস শুনা। ইয়াক শুনিলে ৰামৰ চৰণত বিশ্বাস জন্মে আৰু মানুহে অপ্ৰয়াসে ভৱসাগৰ তৰিব পাৰে। ২—৫ ॥

দোঃ—পক্ষীৰাজ গৰুড়েও এনে প্ৰশ্ন কাকভূশুণ্ডিক সুধিছিলেগৈ। "হে উমা! এই সকলো কথা মই শ্ৰদ্ধাৰে কওঁ, তুমি মন দি শুনা। ৫৫ ॥

দোঃ—হে সুমুখী! হে সুলোচনা! মই যেনেকৈ এই জন্ম-মৰণ মোচনকাৰী কথা শুনিলোঁ, সেই প্ৰসংগ শুনা। প্ৰথমতে তুমি, দক্ষৰ ঘৰত অৱতাৰ লৈছিলা, তেতিয়া তোমাৰ নাম আছিল সতী। দক্ষৰ যজ্ঞত তোমাৰ অপমান হ'ল। তেতিয়া তুমি অতি ক্ৰোধত প্ৰাণ ত্যাগ কৰিলা। এই সমস্ত প্ৰসংগ তুমি জানাই। ১২॥

তেতিয়া মোৰ মনত বৰ চিন্তা হ'ল। হে গিৰিজা, মই তোমাৰ বিয়োগত অতি দুঃখিত হ'লোঁ। মই বিৰক্ত হৈ সুন্দৰ বন, পৰ্বত, নদী, সৰোবৰ-সমূহৰ কৌতুক চাই ফুৰিবলৈ ধৰিলোঁ। সুমেৰু পৰ্বতৰ উত্তৰফালে বহুত দূৰত এটা অতি সুন্দৰ নীলা পৰ্বত আছে। তাত বহুত স্বৰ্ণময় শৃংগ আছে। তাৰে চাৰিটা মোৰ মনত বৰ ভাল লাগিল। তাৰ প্ৰত্যেকটো শৃংগতে একোজোপাকৈ বট, পিপল, জৰী আৰু আমগছ আছিল। পৰ্বতৰ ওপৰত এখন সুন্দৰ সৰোবৰো আছিল, তাৰ মণিময় খটখটীবোৰ দেখিলে মন মুহি নিয়ে। ৩—৫॥

দোঃ—তাৰ পানীবোৰ শীতল, নিৰ্মল আৰু স্বাদু; তাত বহুতো ৰং-বিৰঙৰ পদুম ফুলি আছে; হাঁহবোৰে মধুৰ কলৰৱ কৰিছে আৰু ভোমোৰা-বোৰে মনোৰম গুঞ্জন কৰিছে। ৫৬॥

চৌঃ—সেই সুন্দৰ পৰ্বতটোত সেই পক্ষীয়ে বাস কৰে। কল্পৰ অন্ততো তেওঁৰ বিনাশ নহয়। মায়া-ৰচিত দোষ-গুণসমূহ, কাম, মোহ আদি অবি-বেকজনিত যিবোৰ দোষে জগৎ ঘূৰি আছে, সেইবিলাক সেই পৰ্বতৰ ওচৰলৈকে নাযায়। হে উমা, তাতে বাস কৰি সেই কাকপক্ষীয়ে যেনেকৈ হৰিক ভজনা কৰে সেই কথা অনুৰাগ সহকাৰে শুনা। ১২॥

তেওঁ সেই পিপল গছৰ তলত ধ্যান কৰে; জৰীগছৰ তলত জপ-যজ্ঞ কৰে, আমৰ ছাঁত মানসিক পূজা কৰে, হৰিপূজাৰ বাহিৰে তেওঁৰ আৰু দ্বিতীয় কাম নাই। বৰগছৰ তলত তেওঁ হৰিকথাৰ প্ৰসংগ কয়, অনেক পক্ষীয়ে আহি সেই কথা শুনে। তেওঁ বিচিত্ৰ ৰামচৰিত প্ৰেমভাৱেৰে সৈতে আদৰপূৰ্বক কীৰ্তন কৰে। সৰোবৰত সদায় বাস কৰি থকা নিৰ্মল মতিৰ ৰাজহংসবিলাকেও সেই গীত শ্ৰৱণ কৰে। মই যেতিয়া সেই কৌতুক দেখিলোঁগৈ তেতিয়া মোৰ হৃদয়ত বিশেষ আনন্দ অনুভৱ হ'ল। ৩—৫॥

দোঃ—তাৰ পাছত মই হংসৰ ৰূপ ধাৰণ কৰি কিছু কাল তাত বাস কৰিলোঁ আৰু আদৰপূৰ্বক ৰঘুপতিৰ গুণ শ্ৰৱণ কৰি কৈলাসলৈ ঘূৰি আহিলোঁ। ৫৭॥

চৌঃ—হে গিৰিজা, মই সেই পক্ষীৰ ওচৰলৈ যোৱাৰ সমস্ত সকলো ইতিহাস ক'লোঁ। এতিয়া পক্ষীকুলৰ ৰজাস্বৰূপ গৰুড় সেই কাকৰ ওচৰলৈ কি কাৰণে গৈছিল, সেই কথা শুনা। ১ ॥

যেতিয়া শ্ৰীৰামচন্দ্ৰই ৰণক্ৰীড়া কৰিছিল, যি ৰণলীলাৰ কথা স্মৰণ কৰিলে মোৰ লজ্জাবোধ হয়, [সেই সময়ত প্ৰভুৱে] মেঘনাদৰ হাতত নিজে বান্ধ খাইছিল। তেতিয়া নাৰদে গৰুড়ক পঠাই দিলে। সৰ্পভক্ষক গৰুড় বন্ধন মোকোলাই দি গুচি গ'ল। তাৰ পাছত গৰুড়ৰ মনত বৰ বিষাদ উপজিলে। প্ৰভুৰ বন্ধনৰ কথা সোঁৱৰণ কৰি সৰ্পশত্ৰু গৰুড়ে বহু প্ৰকাৰে চিন্তা কৰিবলৈ ধৰিলে—সৰ্বব্যাপী, বিকাৰৰহিত, বাণীপতি, মায়া-মোহৰ অতীত পৰমেশ্বৰে জগতত অৱতাৰ লৈছে বুলি শুনিছোঁ; কিন্তু মই তেওঁৰ প্ৰভাৱ একো দেখিবলৈ পোৱা নাই। ২—৪ ॥

দোঃ—যাৰ নাম জপি মানুহে ভৱবন্ধনৰপৰা মুক্তি পায়, সেই ৰামকে এটা তুচ্ছ ৰাক্ষসে নাগপাশেৰে বান্ধি পেলালে। ৫৮ ॥

চৌঃ—গৰুড়ে নানা প্ৰকাৰে মনক বুজনি দিয়ে; কিন্তু তেওঁৰ জ্ঞান নহ'ল। হৃদয়ত ভ্ৰম বেছিহে হ'ল। খেদভাৰত মন খিন্ন হৈ পৰিল, কুতৰ্ক বঢ়াই তেওঁ তোমাৰ দৰেই মোহগ্ৰস্ত হ'ল। ১ ॥

ব্যাকুল হৈ তেওঁ দেৱৰ্ষি নাৰদৰ ওচৰলৈ গ'ল আৰু তেওঁৰ মনত যি সংশয় হৈছিল, তাক নিবেদন কৰিলে। তাকে শুনি নাৰদৰ দয়া উপজিল। (তেওঁ ক'লে—) "শুনা গৰুড়, ৰামৰ মায়া অতি প্ৰবল; ই জ্ঞানীৰ চিত্তও হৰণ কৰে আৰু বলেৰে মনত অতিশয় মোহ উৎপন্ন কৰে। এই মায়াই মোক বহুবাৰ নচুৱাইছে। হে পক্ষীৰাজ! সেই মায়া এতিয়া তোমাৰ ওপৰতো বিস্তাৰ হৈছে। হে গৰুড়, তোমাৰ হৃদয়ত মহামোহ জন্মিছে। মোৰ কথাতে সেই মোহৰ অন্ত নপৰে। গতিকে তুমি ব্ৰহ্মাৰ ওচৰলৈ যোৱাঁ। তাত যি আজ্ঞা হয়, সেইমতেই কাম কৰিবা।" ২—৪ ॥

দোঃ—এই বুলি কৈ ৰামৰ গুণ-গান গাই পৰম বিজ্ঞ দেৱৰ্ষি নাৰদ গ'লগৈ। তেওঁ বাৰে বাৰে হৰিৰ মায়াৰ বল বৰ্ণনা কৰি গ'ল। ৫৯ ॥

চৌঃ—তেতিয়া পক্ষীৰাজ গৰুড়ে ব্ৰহ্মাৰ ওচৰলৈ গৈ নিজৰ সন্দেহৰ কথা ক'লেগৈ। এই কথা শুনি ব্ৰহ্মাই ৰামৰ প্ৰতি প্ৰণাম জনালে আৰু তেওঁৰ প্ৰভাৱ বুজি প্ৰেমত অতি তন্ময় হৈ পৰিল। ১ ॥

ব্ৰহ্মাই মনতে বিচাৰ কৰি চালে "কবি, কোবিদ, জ্ঞানী, সকলোৱেই মায়াৰ বশ। হৰিৰ মায়াৰ অমিত প্ৰভাৱ, ই মোকে বহুবাৰ নচুৱাইছে। ২ ॥

এই সমস্ত চৰাচৰ জগৎ মোৰেই সৃষ্টি। তথাপি মই হৰিৰ মায়াৰ বশ হৈছোঁ। এনেস্থলত পক্ষীৰাজ গৰুড়ৰ মোহ উৎপন্ন হোৱাটো একো আচৰিত হ'বলগীয়া নহয়। এইবুলি ভাবি ব্ৰহ্মাই অতি মিঠা মাতেৰে ক'লে— "ৰামৰ প্ৰভাৱৰ কথা মহাদেৱে জানে। হে গৰুড়! তুমি তেওঁৰ ওচৰলৈ যোৱা। যোপাই তুমি আন কাকো ক'তো এই বিষয়ে সুধিবা। তোমাৰ সন্দেহ মহাদেৱৰ ওচৰতহে মৰিব।" ব্ৰহ্মাৰ কথা শুনিয়েই গৰুড় মহাদেৱৰ ওচৰলৈ গ'ল। ৩।৪ ॥

দোঃ—অতি আতুৰ হৈ গৰুড় মোৰ ওচৰ পালেহি। হেৰা উমা! সেই সময়ত মই কুবেৰৰ ঘৰলৈ গৈছিলোঁ। কৈলাসত তুমিহে আছিলা। ৬০ ॥

চৌঃ—গৰুড়ে শ্ৰদ্ধাৰে মোক প্ৰণাম জনালে আৰু তাৰ পাছত নিজৰ সন্দেহৰ কথা মোক ক'লে। হে ভৱানী! তেওঁৰ প্ৰাৰ্থনা আৰু নম্ৰ বচন শুনি মই স্নেহভাৱেৰে ক'লোঁ—হে গৰুড়! তুমি মোক বাটত লগ পাইছা। বাটে বাটে গৈ থাকোঁতে মই তোমাক এই কথা কেনেকৈ বুজাই দিম? বহুত দিন সৎসগত থাকিলেহে সংশয় দূৰ হ'ব। সৎসংগতহে সুন্দৰ হৰিকথা শুনিবলৈ পোৱা যায়। এই হৰি কথাকে মুনিসকলে অনেক প্ৰকাৰে গায়। ইয়াৰ আদি, মধ্য আৰু অন্ত সকলোতে প্ৰভু ভগৱান্ ৰামেই প্ৰতিপাদ্য বিষয়। যোপা গৰুড়! য'ত প্ৰতিদিনেই হৰিকথাৰ চৰ্চা হয়, মই তালৈকে পঠাইছোঁ। তুমি তাতে হৰিকথা শুনাগৈ। তাকে কৰিলে তোমাৰ মনৰ সকলো সন্দেহ দূৰ হ'ব আৰু ৰামৰ চৰণত তোমাৰ অতিশয় প্ৰেম উপজিব। ১—৪ ॥

দোঃ—সৎসংগৰ অবিহনে হৰিকথা শুনিবলৈ পোৱা নাযায়। হৰিকথাৰ অবিহনে মোহ দূৰ নহয়, মোহ দূৰ নহ'লে ৰামৰ চৰণত দৃঢ় অনুৰাগো উপজিব নোৱাৰে। ৬১ ॥

চৌঃ—অনুৰাগ নহ'লে যোগ, জ্ঞান আৰু বৈৰাগ্যৰ বলেৰে ৰঘুপতিক পাব নোৱাৰি। উত্তৰ দিশত এটা সুন্দৰ নীলা পৰ্বত আছে। তাত পৰম সুশীল কাকভুশুণ্ডিয়ে বাস কৰে। তেওঁ ৰামভক্তিৰ পথত পৰম প্ৰবীণ, জ্ঞানী, গুণনিধি আৰু বহুকলীয়া লোক। তেওঁ নিৰন্তৰ ৰামকথা কীৰ্তন কৰি থাকে। নানা তৰহৰ পক্ষীয়ে সেই ৰামকথা শ্ৰৱণ কৰি থাকে। তুমি তাতে গৈ হৰিগুণ শ্ৰৱণ কৰা। তেতিয়া তোমাৰ মোহজনিত দুখ দূৰ হ'ব। এইদৰে মই সকলো কথা বুজাই ক'লত গৰুড়ে মোক প্ৰণাম কৰি আনন্দ মনেৰে যাত্ৰা কৰিলে। ১—৩ ॥

হে উমা! মই ৰঘুপতিৰ কৃপাতহে তেওঁক এই ৰহস্য জানো বুলি মন্ধ'লোঁ। তেওঁ সম্ভৱতঃ কেতিয়াবা অহংকাৰ কৰিছিল, তাকে কৃপানিধি ৰামে নষ্ট কৰিব খুজিছে। ৪ ॥

তদুপৰি তেওঁক মই এই কাৰণেও মোৰ লগত নাৰাখিলোঁ। পক্ষীয়েহে পক্ষীৰ ভাষা বুজি পায়। হে ভৱানী! প্ৰভুৰ মায়া অতি প্ৰবল। এই মায়াত মোহগ্ৰস্ত নোহোৱা জ্ঞানী কোন আছে? ৫ ॥

দোঃ—জ্ঞানী আৰু ভক্তশিৰোমণি, ত্ৰিভুৱনপতি হৰিৰ বাহন গৰুড়কো হৰিৰ মায়াই মুহিলে; সিমানতো পামৰ লোকে গৰ্ব কৰে। এই মায়াত ব্ৰহ্মা আৰু শিৱও মোহগ্ৰস্ত হয়। তেনেস্থলত সাধাৰণ অজ্ঞান লোকৰ আৰু কি কথা! হৃদয়ত এইবুলি ভাবি বৈ মুনিসকলে সেই মায়াৰ স্বামী ভগৱন্তক ভজে কৰে। ৬২ (ক। খ) ॥

চৌঃ—য'ত অকুণ্ঠ মতি আৰু অখণ্ড ভক্তিৰ অধিকাৰী কাকভুশুণ্ডি থাকে, গৰুড় সেই ঠাইলৈকে গ'ল। সেই পৰ্বতটো দেখিয়েই তেওঁৰ মন প্ৰসন্ন হৈ আহিল। মায়া, মোহ আৰু দুশ্চিন্তাও দূৰ হ'ল। ১ ॥

সৰোবৰত স্নান কৰি পানী খাই আনন্দ মনেৰে গৰুড় বড়গছৰ তলত উপস্থিত হ'লগৈ। ৰামৰ সুন্দৰ চৰিতসমূহ শুনিবৰ ইচ্ছাৰে সেই ঠাইলৈ বহুত বুঢ়া বুঢ়া পক্ষী আহিছিল। ভুশুণ্ডিয়ে কথা আৰম্ভ কৰিব খোজোঁতেই গৰুড় সেইখিনি পাইছিলগৈ। সকলো পক্ষীৰ ৰজা গৰুড়ক অহা দেখি কাকভুশুণ্ডিৰে সৈতে উপস্থিত সকলো পক্ষী আনন্দিত হ'ল। তেওঁলোকে পক্ষীৰাজক অনেক আদৰ-সৎকাৰ কৰিলে আৰু স্বাগত প্ৰশ্ন কৰাৰ পাছত বহিবলৈ সুন্দৰ আসন দিলে। প্ৰেমভাৱেৰে পূজা-অৰ্চনা কৰি কাকভুশুণ্ডিয়ে মধুৰ বচনেৰে ক'লে। ২—৪ ॥

দোঃ—"হে নাথ! হে পক্ষীৰাজ!! আপোনাৰ দৰ্শন পাই মই কৃতাৰ্থ হ'লো। আপুনি যি আজ্ঞা কৰে মই তাকে পালন কৰিম। এতিয়া প্ৰভু কিয় আহিলে জনাব লাগে।" ৬৩ (ক) ॥

পক্ষীৰাজ গৰুড়ে মিহি মাতেৰে ক'লে—"আপুনি সদায় কৃতাৰ্থ ৰূপ; আপোনাৰ বহুৰূপ কথা স্বয়ং মহাদেৱেও নিজ মুখে প্ৰকাশ কৰিছে। ৬৩ (খ) ॥

চৌঃ—হে প্ৰভু! শুনক! মই যি কাৰণে ইয়ালৈ আহিছিলোঁ, সেই সকলো কাৰ্য ইয়াত উপস্থিত হোৱা মাত্ৰেই সিদ্ধ হ'ল আৰু আপোনাৰো দেখা পালোঁ। আপোনাৰ এই পবিত্ৰ আশ্ৰম দেখিয়েই মোৰ মনৰ মোহ, সন্দেহ আৰু নানা

প্ৰকাৰৰ ভ্ৰম-ভাৱ দূৰ হ'ল। এতিয়া আপুনি শ্ৰীৰামৰ অতি পবিত্ৰ, সুখদায়ক আৰু দুখবিনাশক কথা আদৰেৰে মোক শুনাওক। হে প্ৰভু! আপোনাৰ ওচৰত মোৰ এয়ে বিনীত প্ৰাৰ্থনা।" ১।২ ॥

গৰুড়ৰ এনে সৰল, বিনীত, প্ৰেমপূৰ্ণ, সুখদায়ক আৰু অতি পবিত্ৰ কথা শুনি কাকভূশুণ্ডিৰ মনত অতিশয় উৎসাহ জন্মিল। তেওঁ ৰঘুপতিৰ গুণাৱলী কীৰ্তন কৰিবলৈ ধৰিলে। ৩ ॥

"হে ভৱানী! [শিৱই কৈছে—] প্ৰথমতে তেওঁ ৰামচৰিতৰূপ মানস সৰোবৰৰ ৰূপকৰ সহায়েৰে বুজালে। তাৰ পাছত অনুৰাগেৰে দৈতে নাৰদৰ অপাৰ মোহ আৰু ৰাৱণৰ জন্ম-কাহিনীৰ বৰ্ণনা কৰিলে। এইখিনিৰ পাছত প্ৰভু শ্ৰীৰামৰ অৱতাৰৰ কথা বৰ্ণোৱা হ'ল। তেওঁ মন-প্ৰাণ ঢালি ৰামৰ বাল্য-লীলাৰ কথা শুনালে। ৪।৫ ॥

দোঃ—মনত পৰম উৎসাহ লৈ ৰামৰ বাল্য-লীলাৰ নানা বৰ্ণনা কৰাৰ পাছত ঋষি বিশ্বামিত্ৰৰ অযোধ্যালৈ আগমন আৰু ৰঘুপতিৰ বিবাহৰ কথা বিবৰি ক'লে। ৬৪ ॥

চৌঃ—এইদৰে ৰামৰ অভিষেক-প্ৰসংগ, ৰজা দশৰথৰ কথামতে বনগমন হোৱা, নগৰবাসীসকলৰ বিৰহ-বিষাদ, ৰাম-লক্ষ্মণৰ সংবাদ, ৰামৰ বনগমন, নাৱৰীয়াৰ ভক্তি, গংগা পাৰ হৈ প্ৰয়াগত ৰাতি থকা, বাল্মীকি মুনি আৰু প্ৰভু শ্ৰীৰামৰ মিলন, ভগৱানৰ চিত্ৰকূট নিৱাস—এই সকলো কথা বৰ্ণনা কৰি শুনালে। ১।২ ॥

তাৰ পাছত মন্ত্ৰী সুমন্ত্ৰৰ অযোধ্যালৈ প্ৰত্যাগমন, ৰজা দশৰথৰ মৃত্যু, ভৰতৰ অযোধ্যালৈ প্ৰত্যাগমন আৰু তেওঁৰ প্ৰেমৰ কথা বহুপ্ৰকাৰে বৰ্ণনা কৰিলে। ৰজাৰ অন্ত্যেষ্টিক্ৰিয়াৰ পাছত পুৰবাসীসকলক লগত লৈ সুখৰ ৰাশি স্বৰূপ শ্ৰীৰাম থকা ঠাইলৈ ভৰত যোৱাৰ কথা, ৰঘুনাথে ভৰতক বুজনি দিয়া কথা, পাদুকা লৈ ভৰত উভতি আহি নন্দীগ্ৰামত থকাৰ ধৰণ-কৰণ, ইন্দ্ৰপুত্ৰ জয়ন্তৰ কাৰ্য-কলাপ, প্ৰভু শ্ৰীৰামৰ লগত অত্ৰি মুনিৰ মিলনৰ বৃত্তান্ত কৈ শুনালে। ৩।৪ ॥

দোঃ—বিৰাধ বধ কেনেকৈ হ'ল আৰু শৰভংগই কেনেকৈ দেহ-ত্যাগ কৰিলে, সুতীক্ষ্ণৰ প্ৰেম কেনেধৰণৰ আছিল—এইখিনিকৰ বৰ্ণনাৰ পাছত প্ৰভু আৰু অগস্ত্য মুনিৰ সৎ-সংগতিৰ কথা কোৱা হ'ল। ৬৫ ॥

চৌঃ—ইয়াৰ পাছত ক্ৰমে দণ্ডকাৰণ্য পবিত্ৰ কৰা, গৃধ্ৰৰাজ জটায়ুৰ লগত মিত্ৰতা, প্ৰভুৰ পঞ্চৱটী বাসৰ ফলত মুনিসকল নিৰ্ভয় হোৱা, লক্ষ্মণৰ প্ৰতি প্ৰভুৰ

উপদেশ, শূৰ্পণখাক কুৰূপ কৰা আদি সকলো কথা ক'লে। তাৰ পাছত খৰ-দূষণ বধ আৰু ৰাৱণে এই সংবাদ পোৱাৰ কথা বহলাই বৰ্ণনা কৰা হ'ল। ৰাৱণ আৰু মাৰীচৰ আলাপ-আলোচনাৰ কথাও বৰ্ণোৱা হ'ল। তাৰপৰা মায়াসীতা হৰণ, ৰঘুপতিৰ বিৰহবৰ্ণন, জটায়ুৰ অন্ত্যেষ্টি ক্ৰিয়া, কবন্ধ বধ, শবৰীক গতিদান, প্ৰভুৰ বিৰহ আৰু পম্পাসৰোবৰ গমনৰ কথা শুনোৱা হ'ল। ১—৪ ॥

দোঃ—প্ৰভু আৰু নাৰদৰ কথোপকথন তথা মাৰুতি মিলন-প্ৰসংগ বৰ্ণনা কৰি সুগ্ৰীৱৰ লগত প্ৰভুৰ মিত্ৰতা আৰু বালীবধৰ কথা কোৱা হ'ল। সুগ্ৰীৱৰ ৰাজ্যাভিষেক, প্ৰভুৰ প্ৰৱৰ্ষণ পৰ্বতত বাস, বৰ্ষা আৰু শৰৎকালৰ বৰ্ণনা, সুগ্ৰীৱৰ প্ৰতি প্ৰভুৰ ক্ৰোধ, সুগ্ৰীৱৰ ভয় আদি কথাও কোৱা হ'ল। ৬৬ (ক) (খ) ॥

চৌঃ—সুগ্ৰীৱে বানৰসকলক পঠোৱা, বানৰসকলৰ কেউদিশতে সীতা অন্বেষণ, গহ্বৰত প্ৰবেশ আৰু সম্পাতীৰ লগত সাক্ষাৎ হোৱাৰ কথা কোৱা হ'ল। সম্পাতীৰপৰা সকলো কথা শুনি পৱননন্দন হনুমানে অপাৰ সমুদ্ৰ কেনেকৈ জপিয়াই পাৰ হ'ল; কেনেকৈ লংকাত প্ৰৱেশ কৰিলে; সীতাদেৱীক কেনেকৈ সান্ত্বনা দি ধৈৰ্য ধৰালে, অশোক বন ভাঙি-ছিঙি, ৰাৱণক বুজনি দি, লংকা দহন কৰি, আকৌ সাগৰ পাৰ হৈ, সকলো বান্দৰ থকা আৰু ৰাম থকা ঠাইলৈ ঘূৰি আহি সীতাৰ কুশল বাৰ্তা ক'লেহি আৰু তাৰ পাছত ৰাম কেনেকৈ সসৈন্যে সমুদ্ৰপাৰ পালেগৈ, বিভীষণ আহি কেনেকৈ ৰামৰ লগ লাগিল আৰু সমুদ্ৰক নিগ্ৰহ কৰিলে—এই সকলো কথা কাকভুশুণ্ডিয়ে কৈ শুনালে। ১—৪ ॥

দোঃ—সেতু বান্ধি বানৰ সৈন্যসমূহ কেনেকৈ সাগৰ পাৰ হ'ল, বালী-পুত্ৰ অংগদ দূত হৈ গ'ল আৰু পাছত বানৰ-ৰাক্ষসৰ যুদ্ধ হ'ল—এই সকলো কথা নানা ধৰণে কৈ শুনালে। ইয়াৰ পাছত কুম্ভকৰ্ণ আৰু মেঘনাদৰ বল আৰু পৌৰুষ তথা সংহাৰৰ কথাও ক'লে। ৬৭ (ক। খ)

চৌঃ—ৰাক্ষসসমূহৰ নানাপ্ৰকাৰে হোৱা মৰণ আৰু ৰাম-ৰাৱণৰ যুদ্ধৰ কথা বিবৰি ক'লে। ৰাৱণবধ, মন্দোদৰীৰ শোক, বিভীষণৰ অভিষেক, দেৱতা-সকলৰ দুখখণ্ডনৰ বিৱৰণ দি তাৰ পাছত সীতাৰ লগত ৰঘুপতিৰ মিলনৰ বৃত্তান্ত শুনালে। দেৱতাসকলে কিদৰে হাতযোৰ কৰি ৰামক স্তুতি কৰিলে, তাৰ পাছত বানৰসকলেৰে সৈতে পুষ্পক বিমানত উঠি কৃপানিধি প্ৰভুৱে অযোধ্যালৈ প্ৰত্যাবৰ্তন কৰিলে, কিদৰে ৰাম নিজৰ নগৰলৈ আহিল—এই সকলো কথাৰ বিশদ বিৱৰণ কাকভুশুণ্ডিয়ে দিলে। তাৰ পাছত ৰামৰ

অভিষেকৰ কথাও ক'লে। [শিৱই ক'লে—] অযোধ্যাৰ ৰাজনীতিৰ কথাও বৰ্ণনা কৰি শুনালে। ১—৩ ॥

হে ভৱানী! মই তোমাক যিবোৰ কথা ক'লোঁ, সেইসকলো কথা কাক-ভুশুণ্ডিয়েও কৈ শুনালে।" সেই কথা শুনি পক্ষীৰাজ গৰুড়ে পৰম উৎসাহিত হৈ ক'বলৈ ধৰিলে।

সোঃ—"ৰঘুপতিৰ সমস্ত চৰিত মই শুনিলোঁ আৰু সকলো সন্দেহ মোৰ মনৰপৰা আঁতৰিল। হে ৰামসকুলৰ তিলক! আপোনাৰ অনুগ্ৰহত ৰামৰ চৰণত মোৰ ভক্তি উপজিছে। যুদ্ধত প্ৰভুৰ বন্ধন হোৱা দেখি মোৰ অতিশয় মোহ উৎপন্ন হৈছিল—চিদানন্দঘন ৰাম কি কাৰণে ব্যাকুল হৈ পৰিছে, এই-বুলি ভাবিছিলোঁ। ৬৮ (ক। খ)

চৌঃ—ৰামৰ একেবাৰে মনুষ্যসুলভ চৰিত্ৰ দেখি মোৰ হৃদয়ত ডাঙৰ সন্দেহ হৈছিল, সিও মোৰ কাৰণে হিতকৰেই হ'ল বুলি ভাবিছোঁ। কৃপা-নিধিয়ে মোক অনুগ্ৰহ কৰিলে। যিজনে ৰ'দত বৰ কষ্ট পায়, সেইজনেহে গছৰ ছাঁৰ সুখ উপলব্ধি কৰিব পাৰে। যদি মোৰ সেই দুৰ্ঘোৰ মোহ উপস্থিত নহ'লহেঁতেন, তেনেহ'লে আপোনাকেইনো ক'ত দেখা পালোঁহি-হেঁতেন। ১—২ ॥

আপুনি বহুপ্ৰকাৰে কীৰ্তন কৰা এই অতি বিচিত্ৰ হৰিকথা তেতিয়ানো ক'ত শুনিলোঁহেঁতেন? নিগম, আগম আৰু পুৰাণবো এয়ে মত; সিদ্ধ মুনি-সকলেও এইবুলি কয় যে—ৰামে যাৰ প্ৰতি কৃপাদৃষ্টি কৰে, তেওঁহে শুদ্ধ সন্তৰ সংগ লাভ কৰে। এই বিষয়ত কোনো সন্দেহ নাই। ৰামৰ কৃপাতহে মই আপোনাক দৰ্শন কৰিবলৈ পালোঁ আৰু আপোনাৰ অনুগ্ৰহতে মোৰ মনৰ সন্দেহো দূৰ হৈছে।" ৩।৪ ॥

দোঃ—পক্ষীৰাজৰ এই বিনীত আৰু অনুৰাগপূৰ্ণ বচন শুনি কাকভুশুণ্ডিৰ শৰীৰ পুলকিত হৈ পৰিল, চকুদুটা পানীৰে চলচলীয়া হৈ উঠিল আৰু মনত অতিশয় আনন্দ উপলব্ধি কৰিলে। হে উমা! সুমতিসম্পন্ন সুশীল, পবিত্ৰ কথাত ৰসিক, হৰিসেৱকক শ্ৰোতাৰূপে পালে, সজ্জনসকলে অতি গোপনীয় ৰহস্যতত্বও প্ৰকাশ কৰে। ৬৯ (ক। খ)

চৌঃ—কাকভুশুণ্ডিয়ে পুনৰ ক'লে—গৰুড়ৰ প্ৰতি তেওঁৰ অপৰিসীম স্নেহ আছিল। [তেওঁ ক'লে—] হে নাথ! আপুনি সকলোপ্ৰকাৰেই মোৰ পূজনীয় আৰু ৰঘুনাথৰ কৃপাৰ পাত্ৰ। আপোনাৰ সন্দেহ, মোহ আৰু

মায়া একো নাই। হে নাথ! আপুনি মোকহে দয়া কৰিলে। হে পক্ষীৰাজ! মোহৰ ছলেৰে ৰামে আপোনাক ইয়ালৈ পঠিয়াই মোক ধন্য কৰি দিছে-হেঁইহেহে। ১।২ ॥

হে খগপতি! হে স্বামী!! আপুনি যে নিজৰ মোহ হোৱা বুলি ক'লে, তাত আচৰিত হ'ব লগীয়া একো কথা নাই। নাৰদ, শিৱ, ব্ৰহ্মা আৰু সনক আদি আত্মতত্ত্ববেত্তা আৰু উপদেশক শ্ৰেষ্ঠ মুনি আছে তেওঁলোকৰ ভিতৰত কাকনো মোহে অন্ধ নকৰাকৈ এৰিছে? জগতত এনে এজন কোন আছে, যাক কাম ভাবে নচুৱাব পৰা নাই, তৃষ্ণাই যাক বাউল কৰা নাই, ক্ৰোধে যাৰ অন্তৰ নজ্বলোৱাকৈ আছে? ৩।৪ ॥

দোঃ—এই সংসাৰত এনেকুৱা কোন জ্ঞানী, তপস্বী, বীৰ, কবি, বিদ্বান আৰু গুণী লোক আছে, লোভত পৰি যাৰ লটি-ঘটি হোৱা নাই? সম্পত্তিৰ দৰ্পই যাক কুটিল কৰা নাই আৰু প্ৰভুত্বই যাক কলা নকৰাকৈ আছে? এনে কোন পুৰুষ আছে যাক মৃগনয়নী ৰমণীৰ নেত্ৰবাণে নিবিদ্ধাকৈ থৈছে? ৭০ (ক।খ)

চৌঃ—[সত্ত্ব, ৰজঃ আদি] গুণসমূহৰ ক্ৰিয়াই কাৰ পতন ঘটোৱা নাই? গৰ্ব আৰু অভিমানে কাক স্পৰ্শ নকৰাকৈ এৰিছে? যৌৱনৰ জ্বৰত কোনজন উন্মত্ত নোহোৱাকৈ সাৰিব পাৰিছে? মমতাই কাৰ যশস্যা নাশ কৰা নাই? পৰশ্ৰীকাতৰতাই কাক কলংকিত নকৰাকৈ থৈছে? শোকৰ ধুমুহাই কাক অস্থিৰ কৰা নাই? চিন্তাৰূপিনী সৰ্পিণীয়ে কাক দংশন নাই কৰা? জগতত এনে কোন ব্যক্তি আছে, যি মায়াৰ বশীভূত হোৱা নাই? ১।২ ॥

শৰীৰটো এডাল কাঠ, মনোৰথ তাৰ এবিধ পোক। এনেকুৱা কোনজন ধীসম্পন্নলোক আছে, যাৰ শৰীৰত এই মনোৰথৰ পোকে ছিদ্ৰ উলিওৱা নাই? পুত্ৰ, ধন আৰু লোকপ্ৰতিষ্ঠা—এই তিনিটাৰ কামনাই কাৰ মতি-বুদ্ধি মলিন নকৰা কৈ থৈছে? এই সকলোটিয়েই মায়াৰ পৰিয়ালৰ বস্তু। এইসকল অপৰিমিত শক্তিশালী, তাৰ শক্তিৰ বৰ্ণনা দি পাৰ পাব নোৱাৰি। শিৱ আৰু ব্ৰহ্মায়ো যালৈ ভয় কৰে [সেই মায়াৰ ওচৰত] আন সাধাৰণ জীৱ কি লেখৰ বস্তু? ৩।৪ ॥

দোঃ—মায়াৰ প্ৰচণ্ড সৈন্য বাহিনীয়ে এই জগৎখন জুৰি আছে। কাম-ক্ৰোধ আদি ইয়াৰ সেনাপতি। দম্ভ, কপট আৰু পাষণ্ড বুদ্ধি এই বাহিনীৰ ভিতৰত নিপুণ যোদ্ধা। এই মায়াও ৰঘুপতিৰ দাসী; কিন্তু স্বৰূপ জ্ঞান হোৱা জনৰ কাৰণে এই মায়া এটা মিথ্যা ভ্ৰমহে। তথাপি ৰামৰ কৃপা নহ'লে যে

মায়াৰ হাত কোনেও সাৰিব নোৱাৰে—হে মাথ! মই এই কথা ম নি কৈছোঁ। ৭১ (কাখ)॥

চৌঃ—যি মায়াই সকলো জগতকে নচুৱাই আছে, যাৰ চৰিত্ৰ কোনেও বুজিব নোৱাৰে। হে পক্ষীৰাজ! সেই মায়াই প্ৰভুৰ ভ্ৰূকুটিৰ ইংগিততেই সপৰিয়ালে নটীৰ দৰে নাচিবলৈ ধৰে। ১ ॥

ৰামচন্দ্ৰ সেই সচ্চিদানন্দ পৰম পুৰুষ। তেওঁ অজ, বিজ্ঞানস্বৰূপ, ৰূপ আৰু বলধাম, সৰ্বব্যাপক, অখণ্ড, অনন্ত, অখিল, অমোঘশক্তি আৰু [ষড়ৈশ্বৰ্যযুক্ত] ভগৱান। তেওঁ নিৰ্গুণ, মহান, ভাষা আৰু ইন্দ্ৰিয়সমূহৰ অগোচৰ, সৰ্বদ্ৰষ্টা, অনবদ্য (নিৰ্দোষ), অজেয়, মমতাশূন্য, নিৰাকাৰ, মোহশূন্য, নিত্য, নিৰঞ্জন আৰু সুখৰ ৰাশিস্বৰূপ। ৩ ॥

প্ৰকৃতিৰ পাৰ (সীমা), সৰ্বসমৰ্থ প্ৰভু, সকলোৰে হৃদয়ত স্থিত, ইচ্ছা আৰু বিকাৰ ৰহিত (নিৰীহ আৰু বিৰজ) অবিনাশী এই ব্ৰহ্মত (শ্ৰীৰামচন্দ্ৰত) মোহৰ কোনো কাৰণেই নাই। সূৰ্যৰ সমুখত জানো অন্ধকাৰ থাকিব পাৰে? ৪ ॥

দোঃ—ষড়ৈশ্বৰ্যযুক্ত (ভগৱান) প্ৰভু শ্ৰীৰামচন্দ্ৰই ভক্তৰ কাৰণে ৰজাৰ ৰূপ ধাৰণ কৰিছে আৰু তেওঁ সাধাৰণ মানুহৰ দৰে পৰম পবিত্ৰ চৰিত্ৰ দেখুৱাইছে। কোনোবা এজন নৰ্তকে যেনেকৈ অনেক বেশ ধৰি নৃত্য কৰে আৰু বেশৰ অনুৰূপে ভাব প্ৰদৰ্শনো কৰে, তথাপি তেওঁৰ স্বৰূপ সলনি নহয়। ৭২ (কাখ)॥

চৌঃ—হে গৰুড়! ৰাক্ষস বিমোহনকাৰী আৰু ভক্তজনৰ সুখদাতা ৰঘুপতিৰ এই লীলাও তেনেকুৱাই। হে প্ৰভু! বিজন লোক মলিন বুদ্ধিৰ, বিষয়ৰ বশ আৰু কামনাসক্ত, তেওঁহে প্ৰভু শ্ৰীৰামৰ ওপৰত এনে মোহ আৰোপ কৰিব পাৰে। যেতিয়া কাৰোবাৰ চকুৰ দোষ ঘটে, তেতিয়া তেওঁ চন্দ্ৰটো হালধীয়া বুলি কয়। হে পক্ষীৰাজ! যেতিয়া কাৰোবাৰ দিক্‌ভ্ৰম হয়, তেওঁ তেতিয়া সূৰ্যটোও পশ্চিম ফালে ওলাইছে বুলি ভাবে। নাৱত উঠি যোৱা মানুহে পৃথিৱীখনেই চলি যোৱা দেখে আৰু মোহবশতঃ নিজকে অচল বুলি ভাবে। সৰু ল'ৰাবোৰ নিজেহে ঘূৰে, ঘৰ-দুৱাৰবোৰ নঘূৰে, কিন্তু সিহঁতে ইটোৱে সিটোক মিছলীয়া বুলি কয়। হে পক্ষীৰাজ! হৰিৰ মোহ হোৱা বুলি কথা কল্পনাও এনে ধৰণৰে। ঈশ্বৰৰ ক্ষেত্ৰত সপ্নতো অজ্ঞানৰ প্ৰসংগ আহিব নোৱাৰে। তথাপি বিজন মায়াৰ বশ, মন্দবুদ্ধি, ভাগ্যহীন আৰু যাৰ হৃদয় বিবিধ ভ্ৰমৰ আৱৰণে ঢাকি পেলাইছে, সেই মূৰ্খইহে জিদ্ ধৰি [এই বিষয়ত] সন্দেহ কৰি নিজৰ অজ্ঞতা ৰামত আৰোপ কৰে। ১—৫ ॥

দো:—যিজন কাম, ক্ৰোধ, মদ আৰু লোভত ৰত আৰু দুখময় গৃহত আসক্ত, তেওঁ ৰামক কেনেকৈ বুজিব পাৰিব? সেই মূৰ্খ অন্ধকাৰময় কুঁৱাত পৰি আছে। ৭৩ (ক)॥

নিৰ্গুণ ৰূপটো সহজবোধগম্য; কিন্তু সগুণ ৰূপটো কোনেও বুজিব নোৱৰা বিধৰ। সেই কাৰণে সগুণ ভগৱানৰ, সুগম, দুৰ্গম নানা প্ৰকাৰৰ চৰিত্ৰ শুনি মুনিসকলৰো মনত ভ্ৰম সৃষ্টি হয়। ৭৩ (খ)॥

চৌ:—হে পক্ষীৰাজ! ৰঘুপতিৰ প্ৰভাৱৰ কথা শুনক। মই নিজৰ বুদ্ধি অনুসৰি সেই মনোৰম কথা কওঁ। হে প্ৰভু! মোৰ মনত কেনেকৈ মোহ উৎপন্ন হৈছিল, সেই কথাও আপোনাক কওঁ। ১॥

আপুনি ৰামৰ কৃপাৰ পাত্ৰ; হৰি-গুণত আপোনাৰ প্ৰীতি আছে আৰু সেই কাৰণে আপুনি মোৰ সুখদাতা। গতিকে আপোনাৰ ওচৰত মই কোনো কথা লুকুৱাও, মনোহৰ পৰম ৰহস্য কথা ক'ম। ২॥

ৰামৰ সহজ স্বভাৱ শুনক। তেওঁ কেতিয়াও ভকতত অভিমান থাকিবলৈ নিদিয়ে; কাৰণ অভিমানেই সংসাৰচক্ৰৰ মূল আৰু বিবিধ-ক্লেশদায়ক তথা শোকপ্ৰদ। সেইকাৰণে কৃপানিধিয়ে অভিমান দূৰ কৰে। সেৱকৰ প্ৰতি তেওঁৰ মমতা বৰ বেছি। হে স্বামী! শিশুৰ শৰীৰত ফোঁহা হ'লে মাকে কাঠোৰ হৈ ফুটুৱাই দিয়াৰ দৰেই প্ৰভুৱেও এই কাম কৰে। ৩।৪॥

দো:—যদিও যেতিয়া শিশুটিয়ে প্ৰথমতে দুখ পাই কান্দে, তথাপি মাকে ৰোগনাশ হ'বৰ কাৰণে শিশুৰ কষ্ট গণিতা নকৰে। ৰঘুপতিয়েও নিজ-ভৃত্যৰ অভিমান তেওঁৰ কল্যাণৰ উদ্দেশ্যেই হৰণ কৰে। তুলসীদাসে কৈছে—ভ্ৰম ত্যাগ কৰি এই হেন প্ৰভুৰ ভক্তি কিয় নকৰাঁ? ৭৪ (ক,খ)॥

চৌ:—হে পক্ষীৰাজ! ৰামৰ কৃপা আৰু মোৰ মূঢ়তাৰ কথা কওঁ, মনদি শুনক। যেতিয়া ৰামে মনুষ্য ৰূপ ধৰি ভকতৰ হিতৰ কাৰণে নানা লীলা কৰেহি, তেতিয়া—তেতিয়াই মই অযোধ্যালৈ যাওঁ আৰু ৰামৰ বাল্যলীলা দৰ্শন কৰি আনন্দিত হওঁ। মই জন্ম-মহোৎসৱ চাওঁগৈ আৰু শিশুলীলা দৰ্শনৰ লোভত পাঁচ বছৰলৈকে তাতে থাকোঁ। ১।২॥

বালক ৰামচন্দ্ৰ মোৰ ইষ্টদেৱ। সেই ৰামৰ শৰীৰত শত কোটি কামদেৱৰ সৌন্দৰ্য প্ৰকাশ পায়। পক্ষীৰাজ! নিজৰ প্ৰভুৰ মুখ চাই চাই মই নিজৰ নয়ন সাৰ্থক কৰোঁ। সৰু কাউৰী এটাৰ ৰূপ ধৰি মই হৰিৰ লগে লগে ঘূৰি ফুৰোঁ আৰু তেওঁৰ শিশুলীলাও দৰ্শন কৰোঁ। ৩।৪।

দোঃ—শিশুলীলা কৰি তেওঁ ঘ'ত ঘ'ত ফুৰে, ময়ো ত'লৈকে ত'লৈকে যাওঁ থোৱা যি বস্তু চোতালত পৰি থাকে, মই সেই বস্তু বুটলি খাওঁ। এবাৰ ৰঘুনাথে সকলো বিধৰে লীলা বহুত বেছি পৰিমাণে কৰিলে। প্ৰভুৰ সেই লীলাৰ কথা মনত পৰা মাত্ৰেই কাকভুশুণ্ডিৰ শৰীৰ পুলকিত হৈ উঠিল। ৭৫ (ক।খ)

চৌঃ—কাকভুশুণ্ডিয়ে ক'লে—হে পক্ষীৰাজ! শুনক! ৰামৰ চৰিত তেওঁৰ সেৱকসকলৰ বাবে সুখদায়ক। সকলো প্ৰকাৰে সুন্দৰ অযোধ্যাৰ ৰাজমহল। নানা প্ৰকাৰৰ মাণিক খচিত। চাৰিও ফালে খেলি ফুৰা চোতাল-খনৰ সৌন্দৰ্যও অবৰ্ণনীয়। ৰঘুপতিয়ে মাতৃক আনন্দ দি সেই চোতালত শিশুলীলা কৰি ফুৰে। তেওঁৰ শৰীৰ মৰকত মণিৰ দৰে শ্যাম বৰ্ণৰ আৰু কোমল। প্ৰতিটো অংগতে অসংখ্য কামদেৱৰ শোভা প্ৰকাশ পায়। কণি পদুমৰ নিচিনা ৰঙা আৰু সুকোমল চৰণ, সুন্দৰ আঙুলিবোৰত থকা নখবিলাকেও চন্দ্ৰৰ শোভাক চেৰ পেলাইছে। পদতলত চাৰিটা (বজ্ৰ, অংকুশ, পদ্ম আৰু ধ্বজ) সুন্দৰ চিহ্ন। চৰণত নূপুৰৰ মধুৰ শব্দ আৰু কঁকালত ৰত্নমণ্ডিত সোণৰ সুন্দৰ কৰধনীৰ শব্দও সুন্দৰ লাগে। ১—৪ ॥

দোঃ—উদৰত ত্ৰিবলী (তিনিডাল ৰেখা), নাভি গভীৰ আৰু সুন্দৰ। বহল বুকুত নানা বিধৰ শিশুৰ বস্ত্ৰ আৰু অলংকাৰে শোভা পাইছে। ৭৬ ॥

চৌঃ—অৰুণ বৰণৰ হাতৰ তলুৱা, নখ আৰু আঙুলিবোৰো মনোহৰ। দীঘল হাত দুখনত সুন্দৰ সুন্দৰ অলংকাৰ, সিংহ পোৱালিৰ নিচিনা কান্ধ আৰু শংখৰ নিচিনা কণ্ঠ, সুন্দৰ থুঁতৰি আৰু মুখখনো যেন সৌন্দৰ্যৰ শেষ সীমাহে। থুনুক-থানাক মাত, ৰঙা ৰঙা ওঁঠ, চিক্‌চিকাই থকা সুন্দৰ সৰু সৰু দুপাৰি দাঁত, ধুনীয়া গাল, মনোহৰ নাক, সকলো প্ৰকাৰে সুখদান কৰিব পৰা চন্দ্ৰৰ কিৰণ সদৃশ হাঁহি আৰু নীলপদ্মৰ নিচিনা দুটি চকুৱে ভৱভয় নাশ কৰে। কপালত গোৰোচনাৰ তিলকে শোভা পাইছে। খেদুভিৰীয়া চেলাউৰি, দুখন সমান সুন্দৰ কাণ, তাৰ ওপৰত ক'লা কেকোঁৰা চুলিয়ে শোভা পাইছে। ১—৩ ॥

হালধীয়া ৰঙৰ পাতল চোলাৰে শোভিত শৰীৰ। তেওঁৰ কিৰিলি আৰু চাৱনি মোৰ বৰ ভাল লাগে। ৰজা দশৰথৰ চোতালত খেলি ফুৰা বিবিধ সৌন্দৰ্যৰ পুঞ্জ স্বৰূপ ৰামে নিজৰ প্ৰতিবিম্ব চাই চাই নচা আৰু মোৰ লগত নানা বিধ ধেমালি কৰা কথাৰ বৰ্ণনা দিবলৈ এতিয়া লাজহে লাগে। যেতিয়া কিৰিলি মাৰি প্ৰভুৱে মোক ধৰিবলৈ খেদি যায় আৰু মই আঁতৰি পলাওঁ, তেতিয়া তেওঁ মোক পিঠা দেখুৱায়। ৪।৫ ॥

দোঃ—মই ওচৰ চাপি গ'লে প্ৰভুৱে হাঁহে আৰু আঁতৰি গ'লে কান্দে। আকৌ যেতিয়া চৰণ স্পৰ্শ কৰোঁ বুলি ওচৰলৈ যাওঁ, তেতিয়া প্ৰভুৱে পিছলৈ ঘূৰি ঘূৰি মোলৈ চাই চাই আঁতৰি যায়। এইদৰে সাধাৰণ শিশুৰ দিচিনা লীলা দেখি মোৰ মনত শংকা উপজিল যে—সচ্চিদানন্দঘন প্ৰভুৱে এইবোৰ কি চৰিত্ৰ দেখুৱাইছে? ৭৭ (কাখ)॥

চৌঃ—হে পক্ষীৰাজ! মনলৈ এই ভাব অহাৰ লগে লগে ৰঘুপতিৰ দ্বাৰা প্ৰেৰিত মায়াই মোক বশ কৰি পেলালে, কিন্তু এই মায়াই মোক দুখ নিদিলে, অন্য জীৱৰ দৰে সংসাৰ চক্ৰতো-নেপেলালে। ১॥

হে নাথ! ইয়াৰ আন কিবা কাৰণ আছিল। হৰিৰ বাহন গৰুড়! সেই কথা আপুনি মন দি শুনক। একমাত্ৰ সীতাপতিয়েইহে অখণ্ড জ্ঞানস্বৰূপ। বাকী চৰাচৰ সকলোৱেই মায়াৰ বশ। যদি জীৱসমূহৰ অখণ্ড স্বৰূপবোধ বা একমান ভাৱথাকেই তেনেহ'লে কওকচোন, জীৱ আৰু ঈশ্বৰৰ মাজতনো প্ৰভেদ ক'ত? অভিমানী জীৱ মায়াৰ বশ আৰু তিনিগুণৰ আকৰ মায়া ঈশ্বৰৰ বশ। জীৱ পৰতন্ত্ৰ, ভগৱান স্বতন্ত্ৰ। জীৱ অনেক, শ্ৰীপতি পৰমেশ্বৰ মাত্ৰ এজন। মায়াজনিত এই ভেদ ভাব যদিও অসত্য তথাপি ভগৱন্তৰ ভক্তিৰ অবিহনে কোটি কোটি উপায়েৰেও ইয়াক দূৰ কৰিব নোৱাৰি। ২—৪॥

দোঃ—ৰামচন্দ্ৰৰ ভক্তিৰ অবিহনে যি মোক্ষপদ লাভ কৰিবলৈ বিচাৰে, সেই মানুহ জ্ঞানী হ'লেও নেজ আৰু শিং নোহোৱা পশুহে। সমস্ত নক্ষত্ৰ-গণেৰে সৈতে ষোল্ল কলাযুক্ত চন্দ্ৰ উদয় হওক আৰু যিমানবোৰ পৰ্বত আছে, সকলোতে দাৱানল জ্বলি উঠক, তথাপি সূৰ্য উদয় নহ'লে ৰাতিৰ অন্ধকাৰ দূৰ নহয়। ৭৮ (কাখ)॥

চৌঃ—হে খগেন্দ্ৰ! এনেধৰণে হৰিত ভক্তি নকৰাকৈ কোনো জীৱৰে ক্লেশৰ অন্ত হ'ব নোৱাৰে। অবিদ্যাই হৰিসেৱকক বশীভূত কৰিব নোৱাৰে। প্ৰভুৰ দ্বাৰা প্ৰেৰিত হৈ বিদ্যাইহে তেওঁক লাগ দিয়ে। হে পক্ষীৰাজ! সেইবাবে হৰিসেৱকৰ বিনাশ নঘটে, ভেদভক্তিহে বৃদ্ধি পায়। ৰামে যেতিয়া ভ্ৰমযুক্ত হৈ মোক আচৰিত হোৱা দেখিলে, তেতিয়া তেওঁ হাঁহিলে। এতিয়া সেই বিশেষ কাহিনীটো শুনক। ১২॥

সেই খেমালিৰ মৰ্ম কোনেও বুজিব নোৱাৰিলে। ভায়েকসকল আৰু পিতৃ-মাতৃয়েও বুজিব নোৱাৰিলে। সেই শ্যামতনু, অৰুণহস্ত আৰু অৰুণ চৰণযুক্ত ৰামে আঠুকাঢ়ি মোক ধৰিবলৈ খেদি আহিল। হে সৰ্পশত্ৰু! মই তেতিয়া

খাঁজৰি পঠালোঁ। বাবে মোক ধৰিবলৈ হাত মেলিলে। আকাশেদি মই য'লৈকে উৰা মাৰি গ'লো, তালৈকে তেওঁৰ হাতো মোক ধৰোঁ ধৰোঁ কৰি আগবাঢ়ি যোৱা দেখিলোঁ। ৭৪ ॥

দোঃ—মই উৰি উৰি ব্ৰহ্মলোক পালোঁগৈ। উৰি যাওঁতে এবাৰ বেঁকিয়া পাছলৈ উভতি চালোঁ, হে খগ! তেতিয়া দেখিলোঁ যে—তেওঁৰ হাত আৰু মোৰ মাজত মাত্ৰ দুআঙুলহে অন্তৰ। সাত আৱৰণ (সপ্তলোক) ভেদ কৰি মই য'লৈকে গ'লোঁ, তাতে তেওঁৰ হাত দেখিবলৈ পাই মই ব্যাকুল হৈ পৰিলোঁ। ৭৯ (ক্ষ) ॥

চৌঃ—যেতিয়া মই অত্যন্ত ভীতিগ্ৰস্ত হ'লোঁ, তেতিয়া চকু মুদি দিলোঁ। তাৰ পাছত চকু মেলা মাত্ৰেই আকৌ অযোধ্যাত উপস্থিত হ'লোহি। মোক দেখি ৰামে হাঁহিবলৈ ধৰিলে আৰু সেই হাঁহিৰ মাজতে এবাৰ মই তেওঁৰ মুখত সোমাই পৰিলোঁ। ১ ॥

পক্ষীৰাজ শুনক। মই তেওঁৰ উদৰত প্ৰৱেশ কৰি অসংখ্য ব্ৰহ্মাণ্ড দেখিবলৈ পালোঁ। সেইবোৰত অনেক বিচিত্ৰলোক আছিল, যিবোৰৰ এখনতকৈ আন এখন চৰা। ২ ॥

কোটি কোটি ব্ৰহ্মা, কোটি কোটি শিৱ, অগণন নক্ষত্ৰপুঞ্জ, সূৰ্য, চন্দ্ৰ, অসংখ্য লোকপাল, যম আৰু কাল, অগণন বিশাল পৰ্বত, সমথল, অসংখ্য সমুদ্ৰ, নদ-নদী, সৰোবৰ, বন-উপবন আৰু নানা বিধৰ সৃষ্টিৰ বিস্তৃতি তাত দেখা গ'ল। দেৱতা, মুনি, সিদ্ধ, নাগ, মনুষ্য, কিন্নৰ প্ৰভৃতি চাৰিও শ্ৰেণীৰে চৰাচৰ জীৱও দেখিবলৈ পালোঁ। ৩।৪ ॥

দোঃ—যিবোৰ বস্তু এই আগতে দেখা নাছিলোঁ, আনকি যিবোৰৰ কথা আগতে শুনা নাছিলোঁ আৰু কল্পনাও কৰা নাছিলোঁ, সেই সকলো ধৰণৰ অদ্ভুত বস্তু মই দেখিবলৈ পালোঁ, সেইবোৰৰ বৰ্ণনা এতিয়া মই কেনেকৈ দিম? একোখন ব্ৰহ্মাণ্ডত এশ-এশ বছৰকৈ থাকিলোঁ। এইদৰে অনেক ব্ৰহ্মাণ্ডত ভ্ৰমণ কৰিলোঁ। ৮০ (ক্ষ) ॥

চৌঃ—সেইবোৰৰ প্ৰত্যেক লোকতে স্বকীয়া স্বকীয়া ব্ৰহ্মা, বিষ্ণু, শিৱ, মনু, দিক্‌পাল, মনুষ্য, গন্ধৰ্ব, ভূত, বেতাল, কিন্নৰ, ৰাক্ষস, পশু, পক্ষী, সাপ আৰু নানা জাতিৰ দেৱতা-দানৱ আছে, কিন্তু সেই সকলো জীৱই তাত বেলেগ ধৰণৰ। পৃথিৱী, নদী, সমুদ্ৰ, সৰোবৰ পৰ্বত আদিও আন ধৰণৰ। ১।২ ॥

প্ৰতিখন ব্ৰহ্মাণ্ডতে মই নিজকো পৃথক্ পৃথক্ ৰূপত দেখিবলৈ পালোঁ, আৰু অনেক অনুপম বস্তু দেখিলোঁ। প্ৰত্যেক ভুৱনতে পৃথক্ পৃথক্ অযোধ্যাপুৰী,

পৃথক্ পৃথক্ সৰযূনদী আৰু নৰ-নাৰীও দেখা পালোঁ। হে বাপ! শুনক। দশৰথ, কৌশল্যা আৰু ভৰত আদি ভ্ৰাতৃ সকলোকো সুকীয়া ৰূপত দেখিলোঁ। এইদৰে প্ৰতিখন ব্ৰহ্মাণ্ডতে প্ৰভু ৰামৰ অৱতাৰ আৰু অপাৰ লীলা দৰ্শন কৰি ফুৰিবলৈ ধৰিলোঁ। ৩।৪ ॥

দোঃ—হে হৰিৰ বাহন! মই সকলোকে পৃথক্ পৃথক্ আৰু অতি বিচিত্ৰ দেখা পালোঁ। অগণন ব্ৰহ্মাণ্ডত ফুৰিলোঁ; কিন্তু প্ৰভু শ্ৰীৰামক হ'লে ইবোৰৰ নিচিনা পৃথক্ ৰূপত দেখা নাপালোঁ। সকলোতে সেই একেই শিশু ৰূপ; একেই সৌন্দৰ্য, একেই কৃপালু ৰঘুনাথ। এইদৰে মই মোহৰূপী বায়ুৰ দ্বাৰা প্ৰেৰিত হৈ অসংখ্য ভুৱন ঘুৰি ঘুৰি চাই ফুৰিলোঁ। ৮১ (ক খ)॥

চৌঃ—অনেক ব্ৰহ্মাণ্ডত ভ্ৰমি ফুৰোঁতে যেন এশ কল্প পাৰ হৈ গ'ল। ভ্ৰমি ভ্ৰমি পাছত নিজৰ আশ্ৰম পালোঁহি আৰু তাতে কিছুকাল কটালোঁ। তাৰ পাছত আকৌ যেতিয়া নিজৰ প্ৰভুৰ জন্ম হোৱা বুলি শুনিবলৈ পালোঁ, তেতিয়া প্ৰেমত আকুল হৈ আনন্দ মনেৰে অযোধ্যালৈ লৰ ধৰিলোঁ। মই জন্মোৎসৱ দেখিবলৈ পালোঁগৈ। মই আগতে যেনেদৰে বৰ্ণনা কৰিছোঁ, সেইদৰেই দেখিলোঁ। ১।২ ॥

ৰামৰ উদৰত মই বহুধৰণৰ জগৎ দেখিলোঁ। সেইবোৰ চাবহে পাৰি, বৰ্ণনা কৰিব নোৱাৰি। মায়াৰ অধিপতি, সৰ্বজ্ঞ, কৃপালু ভগৱান্ ৰামকো মই তাত দেখা পালোঁ। সেই সময়ত মই বাৰে বাৰে চিন্তা কৰি চাইছিলোঁ; কিন্তু মোহৰ পংকেৰে মোৰ বুদ্ধি মলিন হৈ আছিল। মনটো অতিশয় মোহগ্ৰস্ত হৈ থকা বাবে তেতিয়া মই প্ৰকৃত কথাটো ধৰিব পৰা নাছিলোঁ। প্ৰকৃততে এই সকলোবোৰ দুই দণ্ডমান সময়ৰ (৪৮ মিনিটমানৰ) ভিতৰতে হোৱা ঘটনাহে আছিল। ৩।৪ ॥

দোঃ—মোৰ ব্যাকুল অৱস্থা দেখি ৰঘুপতিয়ে তেতিয়া হাঁহিলে। হে ধীৰমতি! শুনক। তেওঁ হঁহা মাত্ৰেই মই তেওঁৰ মুখেদি বাহিৰলৈ ওলাই আহিলোঁ। ৰামে আকৌ আগৰ দৰেই মোৰ লগত লৰা-ধেমালি কৰিবলৈ ধৰিলে। মই নিজৰ মনটোক অনেক প্ৰকাৰে বুজাবলৈ চেষ্টা কৰিও শান্ত কৰিব নোৱাৰিলোঁ। ৮২ (ক খ)॥

চৌঃ—তেওঁৰ সেই শিশুলীলা দেখি আৰু প্ৰভাৱ স্মৰণ কৰি বিস্মিত হৈ "হে আৰ্তজন ৰক্ষক! ৰক্ষা কৰক, ৰক্ষা কৰক" বুলি চিঞৰ মাৰি মই মাটিত বাগৰি পৰিলোঁ আৰু মুখৰ মাত হেৰাল। ১ ॥

তাৰ পাছত প্ৰভুৱে মোক প্ৰেমবিহ্বল দেখি নিজ মায়াৰ প্ৰভাৱ সামৰি ল'লে আৰু মোৰ মূৰত কৰকমল থ'লে। এইদৰে দীনদয়াল প্ৰভুৱে মোৰ দুখ হৰণ কৰিলে। ২ ॥

সেৱকৰ সুখদাতা কৃপাময় শ্ৰীৰামে মোৰ মোহ দূৰ কৰিলে। তেওঁ আগতে দেখুওৱা প্ৰভাৱৰ কথা ভাবি ভাবি মই মনতে বৰ আনন্দ লাভ কৰিলোঁ। প্ৰভুৰ ভক্তবৎসলতা দেখি মোৰ অন্তৰত পৰম প্ৰীতিভাৱৰ উপজিল। তাৰ পাছত পুলকিত হৈ চলচলীয়া চকুৰে কৰযোৰ কৰি নানা প্ৰকাৰে প্ৰাৰ্থনা কৰিবলৈ ধৰিলোঁ। ৩।৪ ॥

দোঃ—মোৰ প্ৰেম-ভক্তিযুক্ত কথা শুনি আৰু নিজ ভৃত্যৰ দীনতা দেখি ৰমানিবাস শ্ৰীৰামে সুখপ্ৰদ, গভীৰ আৰু মৃদু বচনেৰে ক'লে—'হে কাকভুশুণ্ডি! মই তোমাৰ প্ৰতি অতি-প্ৰসন্ন হৈছোঁ বুলি জানি বৰ ভিক্ষা কৰা। অণিমা আদি অষ্ট সিদ্ধি, অন্যান্য সমৃদ্ধি, সকলো সুখৰ আকৰ মোক্ষ, ৮৩ (ক।খ) ॥

চৌঃ—জ্ঞান, বিবেক, বৈৰাগ্য, তত্ত্বজ্ঞান, মুনিসকলৰ বাবেও দুৰ্লভ অনেক গুণ জগতত যি আছে, সেই সকলো আজি তোমাক মই দিব পাৰোঁ। এই বিষয়ত তুমি কোনো সন্দেহ নৰখাকৈ যিহকে ভাল পোৱা মোৰ ওচৰত তাকে বিচাৰি লোৱাঁ।' ১ ॥

প্ৰভুৰ কথা শুনি মই অত্যধিক অনুৰক্ত হ'লোঁ। তেতিয়া মই মনতে ভাবি চালোঁ যে প্ৰভুৱে সকলো সুখদান কৰাৰ কথা ক'লে হয়; কিন্তু নিজৰ ভক্তিদান কৰা কথা হ'লে নক'লে। ভক্তিৰ অবিহনে সকলো সুখ, সকলো গুণ নিমখ নোহোৱা আঞ্জাৰ নিচিনা। ভক্তিহীন সুখনো কি কামত আহিব? হে পক্ষীৰাজ! এইদৰে ভাবিগুণি চাই মই ক'লোঁ—হে প্ৰভু! যদি আপুনি প্ৰসন্ন হৈ মোক বৰ দিব খুজিছে; তেনেহ'লে হে স্বামী! মই নিজৰ মনোমত বৰ বিচাৰিছোঁ। আপুনি উদাৰ আৰু অন্তৰ্যামী। ২—৪ ॥

দোঃ—শ্ৰুতি আৰু পুৰাণত আপোনাৰ যি গাঢ় আৰু বিশুদ্ধ ভক্তিৰ কথা কৈছে, যোগীশ্বৰ মুনিসকলে যি ভক্তি পাবলৈ বাঞ্ছা কৰে আৰু প্ৰভুৰ কৃপাত কৰবাত কোনোবা জনেহে লাভ কৰিব পাৰে; হে ভক্তৰ কল্পতৰু, প্ৰণতজনৰ হিতকাৰী, কৃপাসিন্ধু, সুখধাম শ্ৰীৰাম! আপুনি দয়া কৰি মোক আপোনাৰ সেই ভক্তিকে দান কৰক। ৮৪ (ক।খ) ॥

চৌঃ—এয়ে হওক বুলি ৰঘুকুলনায়ক প্ৰভুৱে পৰম সুখদায়ক কথা ক'বলৈ ধৰিলে। [তেওঁ ক'লে—] হে কাক! শুনা। তুমি স্বভাৱতেই বুদ্ধিমান।

পক্ষিকে এনে বৰ সুবুদ্ধি কিয় ? তুমি সমস্ত সুখৰ আকৰ ভক্তিকে বিচাৰিলা। জগতত তোমাৰ সমান ভাগ্যৱান কোনো নাই। যিসকল মুনিয়ে জপ আৰু যোগৰ অগ্নিৰে শৰীৰ দগ্ধ কৰে, সেইসকলে কোটি প্ৰকাৰৰ যত্ন কৰিও যি ভক্তি লাভ কৰিব নোৱাৰে, সেই ভক্তিকে তুমি খুজি ললা। তোমাৰ চতুৰালি দেখি মই মুগ্ধ হৈছোঁ। এই চতুৰালি মোৰ বৰ ভাল লাগিল। শুনা পক্ষী ! মোৰ কৃপাত তুমি সমস্ত শুভগুণৰ অধিকাৰী হ'বা। ভক্তি, জ্ঞান, বিজ্ঞান, বৈৰাগ্য, যোগ, মোৰ লীলাসমূহ, তাৰ ৰহস্য তথা বিবিধ শ্ৰেণীবিভাগ সম্বন্ধেও তুমি মোৰ কৃপাত জানিব পাৰিবা। এই ক্ষেত্ৰত তোমাৰ সাধনাজনিত কোনো কষ্ট নহ'ব। —৪ ॥

দো: —মায়াজনিত কোনো ভ্ৰান্তিয়েই তোমাক প্ৰভাৱিত কৰিব নোৱাৰিব। মোক অনাদি, অজ, নিৰ্গুণ, গুণাকৰ ব্ৰহ্ম বুলি জানিবা। হে কাক ! শুনা। ভক্তসকলু মোৰ কাৰণে সদায় প্ৰিয়—এই বুলি ভাবি শৰীৰ, বচন আৰু মনেৰে মোৰ চৰণত অবিচল ভক্তি কৰিবা। ৮৫ (কাথ) ॥

চৌ:—এতিয়া মোৰ সত্য, সুগম, বেদাদি শাস্ত্ৰ-বৰ্ণিত, পৰম নিৰ্মল বাণী শুনা। মই তোমাক এয়া নিজৰ সিদ্ধান্ত কৈছোঁ। তুমি এই কথা শুনি লৈ মনত ৰাখিবা আৰু সকলো ত্যাগ কৰি মোক ভক্তি কৰিবা। ১ ॥

এই সমস্ত জগৎ মোৰ মায়াৰ দ্বাৰাই উৎপন্ন হৈছে। ইয়াত নানা বিধৰ স্থাৱৰ আৰু জংগম জীৱ আছে। সেই সকলোৱেই মোৰ প্ৰিয়, কিয়নো সেইবোৰ মোৰেই সৃষ্টি ; কিন্তু সকলোৰে ভিতৰত মানুহ মোৰ বাবে বেছি প্ৰিয়। মানুহৰ ভিতৰতো দ্বিজ, দ্বিজসকলৰ ভিতৰতো বেদাধ্যায়ীসকলৰ ভিতৰতো বেদোক্ত ধৰ্ম আচৰণকাৰীসকল তেওঁলোকৰ ভিতৰতো বৈৰাগ্যশীলসকল আৰু বৈৰাগ্যশীলসকলৰ মাজতে জ্ঞানীসকল, জ্ঞানীসকলৰ ভিতৰত বিজ্ঞানীসকল মোৰ অধিক প্ৰিয়। যাৰ কাৰণে কেৱল মইহে আশ্ৰয় ; মোতবাহে যাৰ আনৰ ওচৰত কোনো আশা ভৰসা নাই, সেই দাস মোৰ বাবে বিজ্ঞানীসকলতকৈয়ো প্ৰিয়। মই তোমাক বাৰে বাৰে সত্য কৰি কৈছোঁ যে—মোৰ সেৱক সকলৰ সমান মোৰ বাবে অতি কোনোৱেই প্ৰিয় নাই। ভক্তিহীনজন ব্ৰহ্মাই হওক, তেওঁ অন্যান্য সাধাৰণ জীৱৰ সমানহে মোৰ প্ৰিয় ; কিন্তু ভক্তিমান জন অত্যন্ত নীচ জাতিৰ প্ৰাণী হ'লেও তেওঁ মোৰ প্ৰাণৰ সমান প্ৰিয় বুলি জানিবা। ২—৫ ॥

দো:—পৱিত্ৰ মনৰ, সুশীল, সুমতি সম্পন্ন সেৱক কাৰণো তাৰ মায়াকিয়

কোৱাচোন ? হে কাক ! মন দি শুনা। বেদ আৰু পুৰাণেও এই নীতিৰ কথা কয়। ৮৬ ॥

চৌ—একেজন পিতৃৰ পৃথক্ পৃথক্ গুণ, চৰিত্ৰ আৰু আচৰণ থকা কেইবাজনো পুত্ৰ হ'ব পাৰে। কোনোবা পণ্ডিত, কোনোবা তপস্বী, কোনোবাজন জ্ঞানী, কোনোবাজন ধনী, কোনোবা বীৰ, কোনোবা দানী, কোনোবা সৰ্বজ্ঞ আৰু কোনোবাজন ধৰ্মপৰায়ণ হয়। পিতাকৰ মৰম এইলকলোলৈকে সমান হয়; কিন্তু ইয়াৰ ভিতৰতো যদি কোনোবা এজন মন, বচন আৰু কৰ্মৰে পিতৃভক্ত হয়, সপোনতো যদি তেওঁ অন্য ধৰ্মৰ কথা নাভাবে ; তেনেহ'লে সেই পুত্ৰ পিতাকৰ প্ৰাণৰ তুল্য প্ৰিয় হ'ব, তেওঁ লাগিলে সকলো প্ৰকাৰে মূৰ্খ ই হওক। এইদৰে পশু, পক্ষী, মনুষ্য, অসুৰ আদি চৰাচৰ সকলো প্ৰাণীৰে সৈতে মোৰেই সৃষ্টি এই বিশ্বখনৰো সকলোৰে প্ৰতি মোৰ সমান পৰিমাণে দয়া ভাব আছে . কিন্তু তাৰ ভিতৰতে যিজনে মদ আৰু মায়া ত্যাগ কৰি কায়মনোবাক্যে মোক ভজে। ১—৪ ॥

দো:—তেওঁ পুৰুষেই হওক বা স্ত্ৰীয়েই হওক বা নপুংসকেই হওক, স্থাৱৰ-জংগম জীৱ যিয়েই নহওক লাগে, কপটতা, ত্যাগ কৰি যদি সৰ্বাত্মকভাৱে মোক ভজে, তেনেহ'লে মোৰ প্ৰিয় হয়। ৮৭ (ক) ॥

সো:—হে পক্ষী ! মই তোমাক সত্য কৰি কৈছোঁ, সৎসেৱক মোৰ বাবে প্ৰাণসদৃশ প্ৰিয়। গতিকে সকলো আশা-ভৰসা এৰি মোক ভক্তি কৰা। ৮৭ (খ) ॥

চৌ:—তোমাৰ ওপৰত কালে প্ৰভাৱ বিস্তাৰ কৰিব নোৱাৰে। সদায় মোক সুঁৱৰিবা আৰু ভক্তি কৰিবা। প্ৰভুৰ এনে অমৃত বাণী শুনি মোৰ হেঁপাহ পলোৱা নাছিল। মোৰ শৰীৰ পুলকিত হৈ পৰিছিল আৰু মনতে অত্যন্ত আনন্দ উপলব্ধি কৰিছিলোঁ। সেই সুখৰ কথা জিভাৰে বৰ্ণনা কৰিব নোৱাৰি ; সি একমাত্ৰ মন আৰু কাণহে উপলব্ধিৰ বস্তু। প্ৰভুৰ সৌন্দৰ্য বৰ্ণনৰ সুখটোও একমাত্ৰ চকুৰহে বিষয় ; কিয়নো চকুৱে কথা ক'ব নোৱাৰে ; তাৰতো মাত নাই। ১।২ ॥

মোক বহু প্ৰকাৰে সুন্দৰকৈ আশ্বাস দি আৰু সুখ দান কৰি প্ৰভুৱে আকৌ বাল্যলীলা কৰিবলৈ ধৰিলে। চকুত [বালকৰ] চকুপানী লৈ মুখখন কিছু শুকান যেন কৰি তেওঁ ভোকলগা যেন দেখুৱাই মাকৰ কালে চালে। তাকে দেখি মাক ততালিকে ল'ৰি আহিল আৰু মৰমসনা মাতেৰে বালক কোলাত

তুলি যুকুত লাৰটি ধৰিলে। কোলাত লৈ বামক পাখীৰ খুৱাবলৈ ধৰিলে আৰু লগে লগে ৰঘুপতিৰ সুললিত লীলা-গীত গাবলৈ ধৰিলে। ৩।৪ ॥

সোঃ—যি সুখ লাভ কৰিবলৈ কল্যাণময় সুখদাতা ত্ৰিপুৰাৰি মহাদেৱে অভূত বেশ ধাৰণ কৰে, সেই সুখত অযোধ্যাৰ নৰ-নাৰী নিৰন্তৰ নিমগ্ন হৈ থাকে। এই সুখৰ এক ধনিষ্ঠামানো যদি কোনোবাই এবাৰ স্বপ্নতো লাভ কৰিছে, হে পক্ষীৰাজ! সেই সুমতি সজ্জনে ব্ৰহ্মসুখকো গণিতা নকৰে। ৮৮ (ক। খ)

চৌঃ—মই আৰু কিছু কাল অযোধ্যাপুৰীত আছিলোঁ আৰু মই প্ৰভুৰ ৰসময়ী বাল্যলীলাসমূহ দৰ্শন কৰিছিলোঁ। ৰামৰ কৃপাত মই ভক্তিলাভৰ বৰদান পালোঁ। তাৰ পাছত মই প্ৰভুৰ চৰণ বন্দন কৰি নিজ আশ্ৰমলৈ ঘূৰি আহিলোঁ। ১ ॥

তেতিয়াৰেপৰা ৰঘুপতিয়ে মোক আপোন বুলি সামৰি ল'লে আৰু তেতিয়াৰে পৰাই মায়াই মোক বশ কৰিব নোৱাৰা হ'ল। হৰিৰ মায়াই কেনেকৈ নচুৱালে, সেই সকলো গোপন চৰিত মই ক'লোঁ। হে পক্ষীৰাজ! এতিয়া মই আপোনাক মোৰ নিজৰ উপলব্ধিৰ কথা কওঁ। ভগৱন্তক ভক্তি নকৰিলে ক্লেশ দূৰ নহয়। হে পক্ষীৰাজ! শুনক। ৰামৰ কৃপা নহ'লে, ৰামৰ প্ৰভাৱৰ কথাও জানিব নোৱাৰি; প্ৰভাৱ নাজানিলে তেওঁৰ ওপৰত বিশ্বাসো নজন্মে, বিশ্বাস নহ'লে প্ৰীতিভাব নহয় আৰু প্ৰীতি নহ'লে ভক্তিও সেইদৰেই সুদৃঢ় হ'ব নোৱাৰে; সি পানীৰ চিক্‌মিকনিৰ দৰে অস্থিৰ হৈ থাকে। ২-৪ ॥

সোঃ—গুৰুৰ অবিহনে জানো জ্ঞান হ'ব পাৰে? নাইবা বৈৰাগ্য নোহোৱাকৈয়ো জানো জ্ঞান হ'ব পাৰে? এইদৰে হৰিভক্তি বিনেও সুখ লভিব নোৱাৰি বুলি বেদ-পুৰাণ আদিতো কোৱা হৈছে। ৮৯ (ক)

হে বাপ! স্বাভাৱিক সন্তোষ নহ'লে কোনোবাই প্ৰকৃত শান্তি পাব পাৰে জানো? লাগে কোটি কোটি উপায়েৰে প্ৰাণপণে যত্ন কৰক তথাপি পানী নহ'লে জানো নাও চলিব পাৰে। ৮৯ (খ)

চৌঃ—সন্তোষ ন'হলে কামনা দূৰ নহয়, কামনা থাকিলে স্বপ্নতো সুখ হ'ব নোৱাৰে। ৰামভক্তিৰ অবিহনে কামনা শেষ হ'ব পাৰে জানো? মাটি নোহোৱাকৈ জানো গছ গজিব পাৰে? বিজ্ঞান (পাৰমাৰ্থিক তত্ত্বজ্ঞান) নহ'লে জানো সমভাৱৰ উদয় হ'ব পাৰে? আকাশ নাথাকিলে শূন্য ঠাই পাব পাৰিনে? শ্ৰদ্ধাৰ অবিহনেও ধৰ্ম হ'ব নোৱাৰে। কোনোবাই পৃথিৱী নোহোৱাকৈ জানো গন্ধ পাব পাৰে? ১।২ ॥

বিনা তপস্যাই তেজস্বিতা বৃদ্ধি আৰু বিনা জলে এই সংসাৰত বন আনো হ'ব পাৰে? সেইদৰে জ্ঞানীজনৰ সেৱাৰ অবিহনে শীল-সদাচাৰ লাভ কৰিব পাৰি জানো? হে নাথ! যেনেকৈ অগ্নিৰ অবিহনে রূপ তন্মাত্ৰ অসম্ভৱ, সেইদৰে আত্মানন্দ সুখ বিনেও মন স্থিৰ নহয়। বায়ুৰ অবিহনে স্পর্শ অনুভৱ আৰু বিশ্বাস অবিহনে কিবা কার্য সিদ্ধি হয় জানো? সেইদৰে হৰিভক্তিৰ অবিহনেও ভৱভয় নাশ হ'ব নোৱাৰে। ৩|৪ ॥

দো:—বিশ্বাস নহ'লে ভক্তি নহয়। ভক্তি নহ'লে ৰাম দয়া নহয়। ৰামৰ দয়া নহ'লে জীৱই স্বপ্নতো শান্তি লাভ কৰিব নোৱাৰে। ৯০ (ক)

সো:—হে ধীৰ মতি! এইবিলাক কথা বিচাৰ কৰি চাই সমস্ত কুতর্ক আৰু সন্দেহ ত্যাগ কৰি করুণাকৰ, সুন্দৰ, সুখদাতা ৰঘুপতিক ভক্তি কৰা। ৯০ (খ)

চৌ:—হে পক্ষীৰাজ! হে নাথ! মই নিজৰ মতি অনুসাৰে প্ৰভুৰ প্ৰতাপ আৰু মহিমা কীৰ্তন কৰিলোঁ। ইয়াৰ ভিতৰত কোনো কথাকে মই যুক্তিৰে বঢ়াই কোৱা নাই। সকলো নিজ চকুৰে দেখা কথা। ৰঘুনাথৰ মহিমা, নাম, ৰূপ আৰু গুণৰ কথা অপাৰ, অনন্ত; স্বয়ং ৰঘুনাথো অনন্ত। মুনিসকলেও নিজ নিজ মতি অনুসৰিহে হৰিৰ গুণ-কীৰ্তন কৰে, বেদ, অনন্তনাগ আৰু শিৱয়ো তাৰ পাৰ নাপায়। ১|২ ॥

আপুনি প্ৰমুখ্যে মহ এটালৈকে সৰু-ডাঙৰ নানাবিধ জীৱ আকাশত উৰি ফুৰে; কিন্তু আকাশৰ অন্ত কোনেও নাপায়। হে বাপ! সেইদৰে ৰঘুনাথৰো মহিমা অসীম; কোনোবাই তাৰ পাৰ পায় জানো? শতকোটি কামদেৱৰ সমান শ্ৰীৰামৰ শৰীৰ সুন্দৰ, অনন্তকোটি দুৰ্গাৰ সমান ৰাম শত্ৰুনাশক; শতকোটি ইন্দ্ৰৰ সমান তেওঁৰ বিনন্দবিলাস আৰু শতকোটি আকাশৰ সমান তেওঁ বিস্তৃত। ৩|৪ ॥

দো:—শতকোটি মৰুতৰ সমান তেওঁৰ বল, শতকোটি সূৰ্যৰ সমান তেওঁৰ জ্যোতি, শতকোটি চন্দ্ৰৰ সমান তেওঁ শীতল আৰু সমস্ত ভৱভয় দূৰ কৰোঁতা। শতকোটি কালৰ সমান তেওঁ অত্যন্ত দুস্তৰ, দুৰ্গম আৰু দুৰন্ত। সেই ভগৱন্ত শতকোটি ধূমকেতুৰ সমান অত্যন্ত প্ৰবল। ৯১ (ক|খ)

চৌ:—শতকোটি পাতালৰ সমান প্ৰভু গভীৰ, শতকোটি যমৰজাৰ সমান ভয়ংকৰ, অনন্ত কোটি তীৰ্থৰ সমান পবিত্ৰ। তেওঁ নামেই অখিল পাপসমূহৰ নাশকাৰী। ৰঘুবীৰ কোটি হিমগিৰিৰ সমান অচল, শতকোটি সমুদ্ৰৰ সমান গভীৰ

আৰু সেই ভগৱন্ত শতকোটি কামধেনুৰ সমান সমস্ত কামনা পূৰণকাৰী। শতকোটি সৰস্বতীৰ সমান তেওঁৰ চতুৰালি আছে; শতকোটি ব্ৰহ্মাৰ সমান সৃষ্টি নিপুণতা আছে। তেওঁ শতকোটি বিষ্ণুৰ সমান পালনকৰ্তা আৰু শতকোটি ৰুদ্ৰৰ সমান সংহাৰকৰ্তা; শতকোটি কুবেৰৰ সমান ধনী আৰু শতকোটি মায়াৰ সমান সৃষ্টিৰ আশ্ৰয় স্থান। তেওঁ শতকোটি অনন্তনাগৰ সমান ভাৰ ধাৰণকাৰী। সেই জগদীশ্বৰ প্ৰভু সীমাৰহিত আৰু নিৰুপম। ১—৪ ॥

ছঃ—ৰামচন্দ্ৰ নিৰুপম, কাৰো লগত তেওঁৰ উপমা হ'ব নোৱাৰে। যেনে কৈছে—ৰাম ৰামৰহে সমান। যিদৰে শতকোটি জোনাকী পৰুৱাৰ সমান বুলি ক'লেও সূৰ্যক অতি লঘুহে কৰা হয়, সেই দৰেই মুনিসকলে নিজ নিজ মতিৰ বিস্তাৰ অনুসৰিহে হৰিৰ বৰ্ণনা কৰে, কিন্তু প্ৰভুৱে ভক্তৰ ভাব মাত্ৰকে গ্ৰহণ কৰে; তেওঁ অতি কৃপালু। তেওঁ ভক্তৰ ভাব অনুসৰি কৰা সেই বৰ্ণনাকে প্ৰেমভাৱেৰে শুনি সুখ লাভ কৰে।

দোঃ—ৰাম অপাৰ গুণৰ সাগৰ, কোনোবাই সেই সাগৰ তলি পাব পাৰেনে? মই সন্তসকলৰপৰা যেনেকৈ শুনিছিলোঁ, তেনেকৈয়ে আপোনাক কলোঁ। ৯২ (ক)॥

সোঃ—সুখৰ নিধান, কৰুণাৰ ধাম ভগৱান প্ৰেম ভাবৰ বশ্য। মমতা, মদ আৰু অভিমান ত্যাগ কৰি সদায় সীতাপতি শ্ৰীৰামক ভজিব লাগে।" ৯২ (খ)

চৌঃ—ভুশুণ্ডিৰ সুন্দৰ বচন শুনি পক্ষীৰাজে আনন্দিত হৈ পাখি দুখন মেলি দিলে। তেওঁৰ চকু পানীৰে উপচি পৰিল আৰু মন অতিশয় হৰ্ষান্বিত হ'ল। তেওঁ ৰঘুপতিৰ প্ৰভাৱৰ কথা হৃদয়ত ৰাখি ল'লে। তেওঁ আগতে হোৱা মোহৰ কথা বুজিব পাৰি এই বুলি অনুতাপ কৰিবলৈ ধৰিলে— "মই অনাদি ব্ৰহ্মক মনুষ্য জ্ঞান কৰিলোঁ। গৰুড়ে বাৰে বাৰে কাকভুশুণ্ডিৰ চৰণত মূৰ দোঁৱাবলৈ ধৰিলে আৰু তেওঁকে ৰামৰ তুল্যজ্ঞান কৰি প্ৰেম ভাৱ বঢ়াই তুলিলে। ১২॥

গুৰুৰ অবিহনে কোনেও ভৱসাগৰ তৰিব নোৱাৰে, তেওঁ লাগে ব্ৰহ্মা বা শিৱৰ নিচিনাজনেই হওক। [গৰুড়ে ক'লে—] হে বাপ ভুশুণ্ডি! মোক সংশয়ৰ সৰ্পই দংশন কৰিছিল। তেতিয়া দোপে দোপে সাপৰ বিষ উজোৱাৰ দৰে দুখদায়ক অনেক কুতৰ্কৰ ঢৌ মনত উঠিবলৈ ধৰিলে। ভক্তৰ সুখদায়ক প্ৰভু ৰঘুনাথে সৰ্প-বিষনাশক আপোনাৰ ৰূপ ধাৰণ কৰি মোক জীয়াই ৰাখিলে।

আপোনাৰ মোৰ মোহ নাশ হ'ল আৰু মই ৰামৰ অনুপম ৰহস্য উপলব্ধি কৰিলোঁ।” ৩।৪ ॥

দোঃ—তেওঁক নানা প্ৰকাৰে প্ৰশংসা কৰি, প্ৰণতি জনাই হাতযোৰ কৰি লৈ গৰুড়ে প্ৰেমভাৱেৰে সৈতে বিনীত আৰু মৃদু বচনেৰে আকৌ এইদৰে ক'লে—“হে প্ৰভু! হে স্বামী! মই মোৰ অবিবেকৰ কাৰণে আপোনাক সুধিব খুজিছোঁ। হে কৃপাসিন্ধু! আপোনাৰ নিজদাস বুলি ভাবি প্ৰশ্নটোত গুৰুত্ব দি তাৰ উত্তৰ দিয়ক। ৩ (ক।খ)

চৌঃ—আপুনি সৰ্বজ্ঞ, তত্ত্বজ্ঞ, [অজ্ঞান] অন্ধকাৰৰ অতীত, সুমতি, সুশীল, সৰল আচৰণসম্পন্ন, জ্ঞান, বৈৰাগ্য আৰু বিজ্ঞানৰ ধাম স্বৰূপ তথা ৰঘুপতিৰ প্ৰিয়দাস। আপুনি এই কাউৰীৰ শৰীৰ কিয় ধাৰণ কৰিব লগীয়া হ'ল? হে বাপ! আপুনি এই বিষয়েও সকলো কথা মোক বুজাই কওক। হে আকাশমাৰ্গত ভ্ৰমণকাৰী প্ৰভু! আপুনি এই সুন্দৰ ৰামচৰিতৰ সৰোবৰ ক'ত পালে? ১।২ ॥

মই মহাদেৱৰপৰা শুনিছোঁ—আপুনি বোলে মহাপ্ৰলয়তো বিনষ্ট নহয়। ভগৱান শিৱই কেতিয়াও মিছা কথা নকয়; তথাপি সেই কথাত মোৰ সন্দেহ আছে। হে নাথ! নাগ, মনুষ্য, দেৱতা আদি চৰাচৰ জীৱ তথা সমস্ত জগতেই কালৰ ভোজন। অসংখ্য ব্ৰহ্মাণ্ড য'ত লয় পায়, সেই কালক কোনেও লংঘন কৰিব নোৱাৰে আৰু নিবাৰণো কৰিব নোৱাৰে। ৩।৪ ॥

সোঃ। দোঃ—এই হেন অত্যন্ত ভয়ানক কালেও আপোনাৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিব নোৱাৰে। ইয়াৰ কাৰণ কি? হে কৃপাময়! কওকচোন এইটো জ্ঞানৰ প্ৰভাৱনে, যোগৰ বল? হে প্ৰভু! আপোনাৰ আশ্ৰমলৈ অহাৰ লগে লগেই মোৰ মোহ আৰু ভ্ৰম দূৰ হ'ল। অনুগ্ৰহ কৰি তাৰো কাৰণ কি এই সকলো কথা আপুনি কওক।” ৯৪ (ক।খ)

চৌঃ—“হে উমা! গৰুড়ৰ কথা শুনি কাকভুশুণ্ডি আনন্দিত হ'ল আৰু পৰম অনুৰাগেৰে তেতিয়া ক'বলৈ ধৰিলে। ‘হে সৰ্পনাশক! ধন্য ধন্য আপোনাৰ বুদ্ধি। আপোনাৰ প্ৰশ্ন শুনি মই ভাল পাইছোঁ। আপোনাৰ প্ৰেম-পূৰ্ণ সুন্দৰ প্ৰশ্নই মোৰ বহুত জন্মৰ কথা মনত পেলাই দিছে। এতিয়া মই নিজৰ সকলো কথা বিস্তৃতভাৱে কওঁ; হে বাপ! মন দি শুনক। ১।২ ॥

অনেক তপ, জপ, যজ্ঞ, শম, দম, ব্ৰত, দান, বৈৰাগ্য, বিবেক, যোগ আৰু বিজ্ঞানৰ ফল স্বৰূপে ৰঘুপতিৰ চৰণত প্ৰেম জাগ ওপজে। তাৰ অবিহনে

কাৰো কল্যাণ সাধন নহয়। মই এই শৰীৰেই ৰামভক্তি লাভ কৰিলোঁ, সেই কাৰণে এই শৰীৰটোলৈ মোৰ বৰ মমতা। যাৰ পৰা নিজৰ কিবা স্বাৰ্থ সিদ্ধি হয়। তালৈ সকলোৰে প্ৰীতি তাৰ জন্মে। ৩।৪ ॥

সোঃ—হে গৰুড়! এইটো শ্ৰুতিসন্মত কথা আৰু সজ্জনসকলেও কয় যোলে—নিজৰ পৰম হিতসাধক বুলি জানিলে নীচজনৰ লগতো প্ৰীতি তাৰ ৰাখিব লাগে। পলুৰপৰা ৰেছমী সূতা হয়, সেই সূতাৰপৰা সুন্দৰ পাট কাপোৰ হয়; সেই কাৰণেই এই অতি অপবিত্ৰ পোকটোকো সকলোৱে বৰ যত্নেৰে পালন কৰে। ৯৫ (ক।খ)

চৌঃ—জীৱৰ কাৰণে প্ৰকৃত স্বাৰ্থ কায়, মন আৰু বাক্যেৰে একে হৈ শ্ৰীৰামৰ চৰণত প্ৰীতি সাধন কৰাটোহে। সেই শৰীৰেই পবিত্ৰ আৰু সুন্দৰ, যি শৰীৰ পাই ৰঘুনাথৰ ভক্তি কৰা হয়। ৰামৰ প্ৰতি বিমুখজনে ব্ৰহ্মাৰ নিচিনা শৰীৰ পালেও কবি আৰু পণ্ডিতসকলে তেওঁক প্ৰশংসা নকৰে। এই শৰীৰ ধাৰণ কৰিও মোৰ হৃদয়ত ৰাম-ভক্তি উপজিছিল। হে প্ৰভু! সেইবাবেই এইটো শৰীৰ মোৰ বৰ মৰমৰ। মৃত্যু মোৰ ইচ্ছাৰ অধীন; তথাপি মই এই শৰীৰটো ত্যাগ কৰিব নোখোজোঁ, কিয়নো শৰীৰ নহ'লে ভগৱন্তকো ভজিব নোৱাৰি বুলি বেদে কৈছে। প্ৰথমতে মোহে মোক বৰ দুৰ্গতিত পেলালে। ৰাম-বিমুখ হৈ কেতিয়াও সুখেৰে শুৱলৈকো পোৱা নাছিলোঁ। বহুত জন্মত মই নানা প্ৰকাৰৰ যোগ, তপ, জপ, যজ্ঞ, দান আদি কৰ্ম কৰিলোঁ। হে গৰুড়! জগতত এনে কি যোনি আছে, য'ত মই ঘূৰি-পকি জন্ম নোলোৱাকৈ আছোঁ? হে স্বামী! মই সকলো ধৰণৰ কৰ্মকে কৰি চালোঁ; কিন্তু এই জন্মৰ দৰে কোনো সময়তে (আন জন্মত) সুখী হ'ব পৰা নাছিলোঁ। হে নাথ! নিজৰ বহু জন্মৰ কথা মোৰ মনত আছে। শিৱৰ প্ৰসাদত মোৰ বুদ্ধি মোহগ্ৰস্ত হোৱা নাই। ১—৫ ॥

দোঃ—হে পক্ষীৰাজ! মই নিজৰ প্ৰথম জন্মৰ কথা কওঁ শুনক। এই চৰিত শুনিলে প্ৰভুৰ চৰণত প্ৰীতি জন্মিব যাৰ ফলত সকলো ক্লেশ দূৰ হয়। হে প্ৰভু! পূৰ্বৰ এটা কল্পত কলি যুগটো পাপৰ মূল স্বৰূপ আছিল। তেতিয়া স্ত্ৰী-পুৰুষ সকলোৱেই অধৰ্মপৰায়ণ আৰু বেদবিৰোধী আছিল। ৯৬ (ক।খ)

চৌঃ—সেই কলি যুগতে মই অযোধ্যাত গৈ শূদ্ৰৰ শৰীৰ লৈ জন্মিছিলোঁ। মই মন, বচন আৰু কৰ্মেৰে সৈতে শিৱৰ সেৱক, অন্য দেৱতাৰ নিন্দুক আৰু অভিমানী আছিলোঁ। ধনৰ মদত মত্ত, অতি কথকী তথা উগ্ৰমতি আৰু

নাস্তিকো আছিলোঁ। ৰঘুপতিৰ ৰাজধানীতে আছিলোঁ যদিও সেই সময়ত তেওঁৰ মহিমাৰ কথা মই সম্যক জনা নাছিলোঁ। ১।২॥

এতিয়া মই অযোধ্যাৰ প্ৰভাৱৰ কথা জানিলোঁ। আগম-নিগম, পুৰাণ আদিত এইবুলি কোৱা হৈছে যে—যিয়ে কোনোবা জন্মত অযোধ্যাত বাস কৰিছে, তেওঁ নিশ্চিতভাৱেই ৰামভক্তিপৰায়ণ হয়। অযোধ্যাৰ প্ৰভাৱ জীৱই তেতিয়াহে উপলব্ধি কৰিব পাৰে, যেতিয়া ধনুৰ্ধৰ ৰামচন্দ্ৰই হৃদয়ত থাকিবলৈ লয়। হে গৰুড়! সেই কলিকাল বৰ ভয়ানক আছিল, সকলো নৰ-নাৰী পাপত লিপ্ত আছিল। ৩।৪॥

দোঃ—কলিৰ দোষে সকলো ধৰ্ম গ্ৰাস কৰি পেলাইছিল; সদ্গ্ৰন্থসমূহ লুপ্ত হৈছিল। দাম্ভিক লোক কিছুমানে নিজৰ বুদ্ধি মতে কল্পনা কৰি নানা পন্থ উলিয়াই লৈছিল। সকলো মানুহ মোহগ্ৰস্ত হৈছিল। শুভকৰ্মসমূহ লোভে গ্ৰাস কৰি পেলাইছিল। হে জ্ঞাননিধি! হে হৰিৰ বাহন গৰুড়! শুনক। মই এতিয়া অলপমান কলিকালৰ ধৰ্মৰ কথা কওঁ। ৯৭ (ক। খ)

চৌঃ—কলিযুগত বৰ্ণ নাথাকে, চাৰি আশ্ৰমো নাথাকে। সকলো নৰ-নাৰী বেদ-বিৰোধী হয়। ব্ৰাহ্মণে বেদ বিক্ৰী কৰে, ৰজাই প্ৰজাবোৰ যেন খায়হে। বেদৰ অনুশাসন কোনেও নামানে। যেয়ে যিহকে ভাল পায়, সেয়ে তেওঁৰ বাবে ধৰ্মপথ হয়। যিজনেই বৰ বৰ কথা ক'ব পাৰে, সেইজনেই পণ্ডিত হয়। যি মিছা আড়ম্বৰ কৰে আৰু দাম্ভিক তেওঁকে সকলোৱে সন্ত বুলি কয়। যিজনে লোকৰ ধন হৰণ কৰে, তেওঁকেই বুদ্ধিমান বোলা হয়। যিজন গৰ্বী, তেওঁকে সদাচাৰী বুলি কোৱা হয়। যিজনে মিছা কথা কৈ হাঁহি-ধেমালি কৰিব জানে, তেওঁকে গুণীলোক বুলি ধৰা হয়। আচাৰভ্ৰষ্ট আৰু বেদমাৰ্গত্যাগী জনকহে জ্ঞানী আৰু বৈৰাগ্যবান বুলি জনা যায়। ডাঙৰ ডাঙৰকৈ নখ আৰু দীঘল দীঘলকৈ জটা ৰখাজনেই কলিযুগত তপস্বী বুলি প্ৰসিদ্ধ হয়। ১—৪॥

দোঃ—যিয়েই অশুভ বেশ-ভূষা ধাৰণ কৰে আৰু ভক্ষ্যাভক্ষ্য বিচাৰ নকৰাকৈ সকলো বস্তু খায়, তেওঁেই যোগী, তেওঁেই সিদ্ধ পুৰুষ আৰু কলিযুগত তেওঁেই পূজনীয় হয়। ৯৮(ক)

সোঃ—যাৰ আচৰণে আনৰ অপকাৰ কৰে, তেওঁৰেই গৌৰব বৃদ্ধি হয় আৰু সম্মান লাভ হয়। যি মন, বচন আৰু কৰ্মেৰে লৈতে অসত্যপৰায়ণ, তেওঁকেই কলিযুগত বক্তা বুলি কোৱা হয়। ৯৮ (খ)

চৌঃ—হে প্ৰভু! সকলো পুৰুষেই নাৰীৰ বশ। বান্দৰৰ নাচ দেখুৱাই কুৱা

মানুহবৰ বান্দৰৰ দৰে সিহঁতেও তিৰোতাৰ কথামতে নাচে। শূদ্ৰই ব্ৰাহ্মণক জ্ঞান-উপদেশ দিয়ে আৰু ডিঙিত লগুণ আঁৰি লৈ নল’ৰ লগীয়া দান লৈ ফুৰে। সকলো মানুহ কামাসক্ত আৰু লোভী, তদুপৰি খঙাল, দেৱতা, ব্ৰাহ্মণ, বেদ আৰু সন্ত-সকলৰ বিৰোধী হয়। দুৰ্ভগীয়া তিৰোতাবোৰে গুণী আৰু সুন্দৰ পতি ত্যাগ কৰি পৰপুৰুষৰ প্ৰতি আসক্ত হয়। আয়তী তিৰোতাই অলংকাৰ এৰে; কিন্তু বিধৱাই নিতৌ নতুন নতুন সাজপাৰ কৰে। শিষ্য আৰু গুৰুৰ সম্পৰ্ক কলা আৰু কণাৰ সম্পৰ্কৰ দৰে হয়। এজনে (শিষ্যই) নুশুনে আৰু এজনে (গুৰুৱে) নেদেখে। যি গুৰুৱে শিষ্যৰ ধনহে হৰণ কৰে, শোক হৰণ নকৰে, তেওঁ ঘোৰ নৰকত পৰে। পিতৃ-মাতৃয়ে কলিকালত শিশুকো সেই ধৰ্মহে শিক্ষা দিয়ে, যি ধৰ্মই উদৰ পূৰাবলৈহে শিকায়। ১—৪ ॥

দোঃ—নৰনাৰীসকলে ব্ৰহ্মজ্ঞানৰ বাহিৰে অন্য একো কথাকে নকয়; পিছে তেওঁলোকে লোভত পৰি এটা কড়িৰ কাৰণে গুৰু আৰু ব্ৰাহ্মণকো হত্যা কৰে। শূদ্ৰই ব্ৰাহ্মণৰ লগত এই বুলি কাজিয়া কৰে—“মই তোমাতকৈ কিহত কম? যি ব্ৰহ্মক জানে তেৱেঁই শ্ৰেষ্ঠ ব্ৰাহ্মণ” [এই বুলি] দাঁত কৰচি শূদ্ৰই ব্ৰাহ্মণক খং কৰে আৰু ৰঙা চকু দেখুৱায়। ৯৯ (ক। খ)

চৌঃ—যিজন পৰস্ত্ৰীত আসক্ত, কপটালিত চতুৰ আৰু মোহ, দ্ৰোহ তথা মমতাত লিপ্ত, সেইজনেই অদ্বৈতবাদী জ্ঞানী। মই সেই কলিযুগৰ এনেবোৰ কাৰ্য দেখিবলৈ পাইছিলোঁ। এনেবোৰ মানুহ নিজেতো নষ্ট যায়েই, সৎমাৰ্গত চলা আন লোককো তেনে লোকে নষ্ট কৰে। যি তৰ্ক কৰি বেদৰ দোষ উলিয়ায়, তেনে মানুহে কল্প কল্প জুৰি একো একোখন নৰকত পৰি থাকে। তেলী, কুমাৰ, চণ্ডাল, ভীল, কোল, কলৱাৰ (কলৱাৰ এসময়ত মদ তৈয়াৰ কৰা জাতি আছিল) আদি নানা নিম্ন বৰ্ণৰ লোকে তিৰোতা মৰিলে অথবা ঘৰৰ সম্পত্তি হানি হ’লে চুলি খুৰাই সন্ন্যাসীৰ বেশ লয়। সেইবিলাকে ব্ৰাহ্মণৰ হতুৱাই নিজে পূজা লয় আৰু নিজ হাতেৰেই নিজৰ ইহলোক-পৰলোক উভয়কে নাশ কৰে। ব্ৰাহ্মণ নিৰক্ষৰ, লোভী, কামাতুৰ, মূৰ্খ, আচাৰহীন আৰু নীচ জাতিৰ তিৰোতাৰ স্বামী হয়। শূদ্ৰই নানা জপ, তপ আৰু ব্ৰত কৰে তথা উচ্চ আসনত বহি পুৰাণ ব্যাখ্যা কৰে। সকলো মানুহে নিজৰ ইচ্ছামতে যি ভাল পায়, তেনে আচৰণকে কৰে। এনে ধৰণৰ অপাৰ অনীতিৰ কথা বৰ্ণনাৰ অতীত। ১—৫ ॥

দোঃ—কলিকালত মানুহবোৰ বৰ্ণসংকৰ হ’ল আৰু সকলো প্ৰকাৰৰ সামাজিক মৰ্যাদা লংঘন কৰিবলৈ ধৰিলে। পাপ কৰি দুখ, ভয়, শোক, ৰোগ

আৰু বিয়োগৰ কষ্ট ভোগে। বেদসম্মত বৈৰাগ্য আৰু জ্ঞানযুক্ত হৰিভক্তিৰ পথত নচলি মোহবশতঃ অনেক নতুন নতুন পথৰ কল্পনা কৰে। ১০০ (ক। খ)

ছঃ—সন্ন্যাসীয়ে বহুত ধন খটুৱাই ঘৰ সাজে। তেওঁৰ বৈৰাগ্য নাথাকে। বিষয়ৰ আসক্তিয়ে বৈৰাগ্য হৰণ কৰে। তপস্বী ধনী হয় আৰু গৃহস্থী দৰিদ্ৰ হয়। হে বাপ! কলিযুগৰ কৌতুকৰ কথানো আৰু কি ক'ম! ১ ॥

কুলীন আৰু সতী তিৰোতাক পুৰুষে ঘৰৰপৰা উলিয়াই দিয়ে আৰু সজ আচৰণ ত্যাগ কৰি দাসীক ঘৰত ঠাই দিয়ে। পুত্ৰেকে তেতিয়ালৈকেহে পিতৃ-মাতৃক মানে, যেতিয়ালৈকে তিৰোতাৰ মুখ দেখিবলৈ নাপায়। যেতিয়াৰপৰা শহুৰেকৰ ঘৰ প্ৰিয় হৈ আহে, তেতিয়াৰেপৰা আত্মীয় কুটুম্বসকল শত্ৰুস্বৰূপ হৈ পৰে। ৰজা অধৰ্মী আৰু পাপ-পৰায়ণ হয়, সদায় প্ৰজাক দণ্ডবিধানেৰে কষ্ট দিয়ে। মলিন (নিম্নজাতিৰ) হ'লেও ধনী লোক কুলীন বুলি পৰিচিত হয়। দ্বিজসকলৰো চিনাকি কেৱল উপবীত ধাৰণতহে থাকেগৈ। সেইদৰে তপস্বীৰো লক্ষণ কেৱল উদং গাটোতহে দেখা যায়। যি বেদ-পুৰাণ আদি শাস্ত্ৰ নামানে কলিযুগত তেৱেঁই প্ৰকৃত হৰিভক্ত আৰু সন্ত বোলাই ফুৰে। ২—৪ ॥

দলে দলে কবি পোৱা যায়, কিন্তু তেওঁলোকৰ গুণগ্ৰাহী আশ্ৰয়দাতাৰ কথাহে শুনা নাযায়। গুণত দোষ উলিওৱা লোক বহুত পোৱা যায়; কিন্তু গুণী লোকহে পাবলৈ টান। কলিযুগত বাৰে বাৰে আকাল হয় আৰু অন্নৰ অভাৱত মানুহ মৰে। ৫ ॥

দোঃ—হে পক্ষীৰাজ। শুনক। কলিযুগত কপটতা জিদ, দম্ভ, দ্বেষ, পাষণ্ড আচৰণ, অভিমান, মোহ, কাম আৰু মত্ততাই ব্ৰহ্মাণ্ড ব্যাপি থাকে। মানুহে তপ, জপ, যজ্ঞ, ব্ৰত আৰু দান আদি ধৰ্মকাৰ্য্য তামসিক ভাৱেৰেহে কৰে। দেৱতাই পৃথিৱীত জলবৰ্ষণ নকৰে আৰু সিঁচি পোৱা শস্যৰ বীজো নগজে। ১০১ (ক। খ)

ছঃ—তিৰোতাবিলাকৰ চুলিকোচাত বাহিৰে অন্য অলংকাৰ নাথাকেগৈ; তেওঁলোকৰ কুধাও বেছি, সদায় অতৃপ্ত হৈ থাকে। তেওঁলোক নিৰ্ধন আৰু বস্তুৰ প্ৰতি মমতা বেছি হোৱা কাৰণে সদায় অসন্তোষীয়া। মূৰ্খবোৰে সুখ বিচাৰে; কিন্তু ধৰ্মত ৰতি নাই। মানুহৰ বুদ্ধি কম আৰু অন্তৰ কঠোৰ, কোমলতা সমূলি নাই। মানুহবোৰ ৰোগত পীড়িত বাবে ক'তো সুখ ভোগ কৰিব নোৱাৰে। অকাৰণতে মানুহে আনৰ ওচৰত অভিমান কৰে আৰু বিৰোধিতাও

কৰে। জীৱনটো পাঁচ-দহবছৰীয়া অল্পায়ু ; কিন্তু গৰ্ব-অভিমান যেন কল্পান্তলৈকে থাকি যাব। ১।২॥

কলিকালে মানুহক অলাকলা কৰে। জীয়েক-ভনীয়েকৰ বিচাৰো নোহোৱা হয়। মনত সুখ-সন্তোষ নাই, বিচাৰ-বিবেচনা নাই, স্বভাৱ শান্ত নহয়, উগ্ৰ। জাতি-অজাতি সকলো শ্ৰেণীৰ লোকেই মগনীয়া হয়। মন ঈৰ্ষা আৰু লোভেৰে ভৰা, কটুবচন প্ৰিয়, সাম্যভাৱ নাই। সকলোৰেই বিয়োগ-দুখ আৰু বিশেষ প্ৰকাৰৰ শোক পাবলগীয়া হয়। বৰ্ণাশ্ৰম ধৰ্মৰ আচৰণসমূহ লোপ পায়। ইন্দ্ৰিয়দমন, দয়া, দান আৰু সহানুভূতি আদি কাৰো নোহোৱা হয়; মূৰ্খতা আৰু প্ৰবঞ্চনা বৃদ্ধি পায়। স্ত্ৰী-পুৰুষ সকলোৰেই কেৱল নিজৰ শৰীৰটোহে পালন-পোষণ কৰে। সংসাৰখন পৰনিন্দাকাৰীসকলেৰে ভৰি পৰে। ৩।৫॥

দোঃ—হে সৰ্পনাশক! শুনক। কলিকাল পাপ আৰু দুৰ্গুণৰ ঘৰস্বৰূপ; কিন্তু কলিকালৰ এটা ডাঙৰ গুণ আছে, সেইটো হৈছে অপ্ৰয়াসে সংসাৰ-বন্ধনৰ পৰা নিস্তাৰ পাব পাৰি। সত্য, ত্ৰেতা আৰু দ্বাপৰ যুগত যোগ, যজ্ঞ আৰু পূজাৰদ্বাৰা যি গতি লাভ হয়, কলিযুগত কেৱল হৰি নামৰ বলেৰেই মানুহে সেই গতি লাভ কৰিব পাৰে। ১০২ (ক।খ)

চৌঃ—সত্য যুগত লোকসকল যোগী আৰু বিশিষ্ট জ্ঞানৰ অধিকাৰী হয়। হৰিক ধ্যান কৰি প্ৰাণীসমূহে ভৱসাগৰ তৰে। ত্ৰেতা যুগত মানুহে বিবিধ যজ্ঞ কৰে আৰু সমস্ত কৰ্ম প্ৰভুত সমৰ্পণ কৰি ভৱসাগৰ পাৰ হয়। দ্বাপৰ যুগত ৰঘুপতিৰ চৰণত পূজা কৰি মানুহে সংসাৰ তৰে, অন্য আৰু একো উপায় নাই। কলিযুগত হ'লে কেৱল হৰিৰ গুণ কীৰ্তন কৰিয়েই মানুহে ভৱসাগৰৰ পাৰ পায়। ১।২॥

কলিযুগত যোগ, যজ্ঞ, জ্ঞান একোৱেই সংসাৰতৰণৰ উপায় নহয়, ৰামৰ গুণ কীৰ্তনহে একমাত্ৰ আলম্বন বা উপায়। গতিকে অন্য সকলো ভৰসা এৰি যিজনেই ৰামৰ ভক্তি কৰে আৰু প্ৰেম ভাৱেৰে তেওঁৰ গুণ কীৰ্তন কৰে, সেইজনেই সংসাৰ তৰিব পাৰে, তাত অকণো সন্দেহ নাই। কলিযুগত নামৰ প্ৰভাৱ প্ৰত্যক্ষ দেখা পায়। এই কলিকালৰ আৰু এটা মহিমা আছে। সেইটো হৈছে ইয়াত মনেৰে কৰা সৎচিন্তাৰ ফলস্বৰূপে পুণ্য হয়; কিন্তু মনৰ অসৎ চিন্তা হ'লেও অসৎ কাৰ্য নকৰিলে পাপ নহয়। ৩৪॥

দোঃ—মানুহে বিশ্বাস ৰাখিব পাৰিলে কলিৰ সমান শ্ৰেষ্ঠ যুগ নাই।

এই যুগত ৰামৰ নির্মল গুণসমূহ কীর্তন কৰিয়েই মানুহে বিনা কষ্টে সংসাৰ-সাগৰ তৰিব পাৰে। ধর্মৰ চাৰি চৰণৰ কথা সকলোৱে জানে ; তাৰ ভিতৰত কলিযুগত এক চৰণহে প্রধানভাৱে থাকে। যি কোনো প্রকাৰে দিয়া দানেই এই যুগত কল্যাণ সাধন কৰে। ১০৩ (ক। খ)

চৌঃ—ৰামৰ মায়াৰদ্বাৰা প্রেৰিত হৈ সকলোৰে হৃদয়ত সকলো যুগধর্ম সদায় থাকেই। শুদ্ধ সত্ত্বগুণ, সমভাৱ, বিজ্ঞান, আৰু মনৰ প্রসন্নতা সত্য যুগৰ প্রভাৱ বুলি জানিব। সত্ত্বগুণৰ অধিকতা, ৰজোগুণৰ আংশিক অৱস্থিতি কর্মত ৰতি আৰু সকলো প্রকাৰৰ সুখ ভোগ ত্রেতা যুগৰ লক্ষণ। ৰজো-গুণৰ অধিকতা, সত্ত্বগুণৰ অল্পতা আৰু কিছু পৰিমাণে তমোগুণৰ প্রকাশ, মনত হর্ষ আৰু ভয় দুয়োটা উৎপন্ন হোৱা—এইবোৰ দ্বাপৰ যুগৰ স্বভাৱ। তমোগুণৰ অধিকতা, ৰজোগুণৰ অল্পতা আৰু কেউফালে শত্রুতা, বিৰোধিতা আদি (তমোগুণৰ লক্ষণ) কলিযুগৰ প্রভাৱ। জ্ঞানীসকলে মনে মনে যুগধর্মৰ কথা জানি অধর্ম ত্যাগ কৰি ধর্মত ৰত হয়। ৰঘুপতিৰ চৰণত যাৰ ভক্তি আছে, তেওঁক কলিযুগৰ দোষে প্রভাৱিত কৰিব নোৱাৰে। হে পক্ষীৰাজ! বাজীকৰে দেখুউৱা ইন্দ্রজাল দর্শকৰ কাৰণেহে দুর্বোধ্য হয়, বাজীকৰৰ সহায়ক বা সেৱকসকলৰ ওপৰত তাৰ প্রভাৱ নপৰে। ১—৪ ॥

দোঃ—হৰিৰ মায়াই সৃষ্টি কৰা দোষ-গুণবোৰ হ'ৰি ভক্তি নহ'লে দূৰ নহয়। এই কথা মনে মনে ভালকৈ উপলব্ধি কৰি সকলো কামনা পৰিহাৰ কৰি ৰামক ভজিব লাগে। হে পক্ষীৰাজ! সেই কালত মই বহুদিন ধৰি অযোধ্যাত বাস কৰিছিলোঁ। এবাৰ তাত আকাল হ'ল ; মই চলিব নোৱাৰা হ'লত আন দেশলৈ গুচি গ'লোঁ। ১০৪ (ক। খ)

চৌঃ—হে গৰুড়! শুনক। মই দৰিদ্র আৰু মলিন অৱস্থাত কাতৰ হৈ দুখমনেৰে উজ্জয়িনী পালোঁগৈ। কিছুদিন যোৱাৰ পাছত অলপমান সম্পত্তি লাভ কৰিলোঁ আৰু তেতিয়াৰেপৰা শিৱৰ আৰাধনা কৰিবলৈ ধৰিলোঁ। ১ ॥

এজন ব্রাহ্মণে সদায় বৈদিক বিধিৰে শিৱ-পূজা কৰে ; তাৰ বাহিৰে তেওঁৰ একো কাম নাছিল। তেওঁ সাধু আৰু পৰমাৰ্থতত্ত্বজ্ঞ জনা জ্ঞানীলোক আছিল ; শিৱৰ উপাসক হ'লেও হৰিৰ নিন্দুক নাছিল। মই কপট ভাৱেৰে তেওঁৰ সেৱা-শুশ্রূষা কৰিছিলোঁ। ব্রাহ্মণজন অতি দয়ালু আৰু নীতিপৰায়ণ আছিল। হে প্রভু! বাহিৰত নম্র যেন দেখি তেওঁ মোক নিজ পুত্রৰ

ৰবে শিক্ষা দিছিল। সেই শ্ৰেষ্ঠ ব্ৰাহ্মণেই মোক শিৱ-মন্ত্ৰ দিয়ে আৰু নানা প্ৰকাৰৰ সুপৰামৰ্শও দিলে। মই শিৱৰ মন্দিৰলৈ গৈ মন্ত্ৰ জপ কৰোঁ; কিন্তু মোৰ হৃদয়ত দম্ভ আৰু অহংকাৰ বাঢ়ি যাবলৈ ধৰিলে। ২—৪ ॥

দোঃ—মই দুষ্ট, পাপ বুদ্ধি আৰু নীচ জাতিৰ কাৰণে হৰিভক্ত আৰু ব্ৰাহ্মণসকলক দেখিলেই পানী ছটিয়াওঁ আৰু বিষ্ণুৰ দ্ৰোহ আচৰণ কৰোঁ। ১০৫ (ক) ॥

সোঃ—মোৰ আচৰণ দেখি গুৰু দুঃখিত হ'ল। তেখেতে মোক সদায় ভালকৈ বুজনি দিয়ে, কিন্তু তেতিয়া মোৰহে খং উঠে। দাম্ভিক মানুহে জানো নীতি-নিয়ম পালন কৰি ভাল পায়? ১০৫ (খ)

চৌঃ—এবাৰ গুৰুৱে মোক মতাই নিলে আৰু নানা প্ৰকাৰে নীতি শিক্ষা দি ক'লে—হে পুত্ৰ! ৰামৰ চৰণত সুদৃঢ় ভক্তি ভাব ওপজাটোৱেই শিৱভক্তিৰ ফল। বোপাই! শিৱ আৰু ব্ৰহ্মায়ো ৰামক ভজে, অন্য পামৰ লোকৰ আৰু কি কথা? ব্ৰহ্মা আৰু শিৱয়ো যাৰ চৰণত ভক্তি কৰে, তেওঁৰ দ্ৰোহ আচৰণ কৰি তই দুৰ্ভগীয়াই সুখ পাবলৈ আশা কৰিছ? ১। ২ ॥

গুৰুৱে শিৱক হৰিৰ সেৱক বুলি কোৱা শুনি মোৰ হৃদয় দহিবলৈ ধৰিলে। হে পক্ষীৰাজ! অধম জাতিৰ মানুহ মই, বিদ্যালাভ কৰি এনেকুৱা হৈ পৰিলোঁ, যেন গাখীৰ খুৱাই তোলা সাপহে। অহংকাৰী, কুটিল স্বভাৱৰ দুৰ্ভগীয়া আৰু কুজাতিত জন্ম পোৱা মই দিনে-ৰাতিয়ে গুৰুৰ দ্ৰোহ আচৰণ কৰিবলৈ ধৰিলোঁ। গুৰু অতি দয়ালু আছিল, তেওঁ অলপো খং কৰা নাছিল। তেওঁ বাৰে বাৰে মোক উত্তম জ্ঞানৰ শিক্ষাহে দি আছিল। ৩। ৪ ॥

নীচ লোকে যাৰপৰা উচ্চপদ লাভ কৰে, তাকে প্ৰথমতে মাৰি শেষ কৰে। শুনক ভাই, জুইৰপৰা উৎপন্ন হোৱা ধোঁৱাই মেঘ হ'বলৈ পালে সেই জুইকে নুমুৱাই পেলায়। ধূলি বাটত অনাদৃত হৈ পৰি থাকে আৰু নিতৌ সকলোৰে ভৰিৰ গচক সহি থাকে, কিন্তু বতাহে যেতিয়া তাক ওপৰলৈ উৰুৱাই দিয়ে, তেতিয়া সি প্ৰথমতে বতাহকে ঢাকি ধৰি দূষিত কৰে আৰু পাছত ৰজাৰ চকু আৰু মুকুটতো পৰেগৈ। ৫। ৬ ॥

হে পক্ষীৰাজ, শুনক। এই কথা জানি জ্ঞানীসকলে অধমৰ সংগ ত্যাগ কৰে। কবি আৰু পণ্ডিতসকলে কয় যোলে—দুষ্টৰ লগত কাজিয়া কৰাও ভাল নহয়, মিলা-প্ৰীতিৰে থকাও ভাল নহয়। হে নাথ, দুষ্টৰ লগত নিৰ্লিপ্ত হৈহে থাকিব লাগে। কুকুৰৰপৰা আঁতৰি থকাৰ দৰেই দুষ্টৰপৰাও

আঁতৰি থাকিব লাগে। মই দুষ্ট আছিলোঁ; মোৰ অন্তৰ কপট আৰু কুটিলতাৰে ভৰি আছিল। গুৰুৱে হিত উপদেশ দিছিল; কিন্তু সেইবোৰ মই ভাল পোৱা নাছিলোঁ। ৭। ৮॥

দোঃ—এদিন মই শিৱ-মন্দিৰত শিৱনাম জপি আছিলোঁ। তেনেতে তাত গুৰু আহি উপস্থিত হ'ল। অহংকাৰত মই তেওঁক উঠি প্ৰণাম নকৰিলোঁ। তেওঁ দয়ালু আছিল, সেইবাবে একো নক'লে। তেওঁৰ হৃদয়তো লেশমানো ক্ৰোধ হোৱা নাছিল, কিন্তু গুৰুক অৱমাননা কৰাটো বৰ ডাঙৰ পাপ। সেই পাপ মহাদেৱে সহ্য নকৰিলে। ১০৬ (ক। খ)॥

চৌঃ—মন্দিৰত এই বুলি আকাশবাণী হ'ল—'হেৰ হুৰ্ভগীয়া, মূৰ্খ আৰু অহংকাৰী! যদিও তোৰ গুৰুৰ ক্ৰোধ নাই, তেওঁ অতি কৃপালু স্বভাৱৰ আৰু তেওঁ সম্যক্‌জ্ঞান লাভ কৰিছে। [সেইবাবে তেওঁ তোক অভিশাপ দিয়া নাই] তথাপি শুন মূৰ্খ! মই তোক অভিশাপ দিছোঁ। নীতি উলংঘন কৰাটো মই ভাল নাপাওঁ। সেইবাবে তোক যদি দণ্ড নিদিওঁ, তেনেহ'লে বেদ মাৰ্গ নষ্ট হ'ব। ১। ২॥

যি মূৰ্খই গুৰুক ঈৰ্ষা কৰে, সি কোটি কোটি যুগ ধৰি ৰৌ ৰৌ নৰকত পৰি থাকিব লাগে। তাৰ পাছত সি পশু পক্ষী আদি তিৰ্যক যোনিত দহ হাজাৰবাৰ জন্ম লৈ নিকাৰ ভুগিব লাগে। হেৰ পাপী! তই গুৰুৰ সমুখত অজগৰৰ দৰে লৰচৰ নকৰাকৈ বহি থাকিলি। দুষ্ট! তোৰ বুদ্ধি পাপে ঢাকি ধৰিলে। সেইবাবে তই সাপ হ'বি। হেৰ অধমতকৈয়ো অধম! এই অধোগতিৰ ফলত তই ডাঙৰ গছৰ খোৰোঙত বাস কৰিব লাগিব।' ৩। ৪॥

দোঃ—শিৱৰ এই অভিশাপ শুনি গুৰুৱে হাহাকাৰ কৰিবলৈ ধৰিলে। মোক কঁপি থকা দেখি তেওঁৰ অন্তৰত বৰ সন্তাপ জন্মিল। তেতিয়া সেই ব্ৰাহ্মণে ভক্তিভাৱেৰে শিৱক দণ্ডৱৎ প্ৰণাম জনাই হাতযোৰ কৰি মোৰ ঘোৰ দুৰ্গতি হোৱা দেখি খোকাখুকৈ মাতেৰে প্ৰাৰ্থনা জনাবলৈ ধৰিলে। ১০৭ (ক। খ)॥

ছঃ—'হে মোক্ষ স্বৰূপ, বিভু, ব্যাপক, ব্ৰহ্ম আৰু বেদ স্বৰূপ, ঈশান দিশৰ অধিপতি ঈশ্বৰ শিৱ! মই আপোনাক নমস্কাৰ কৰিছোঁ। স্বৰূপত অৱস্থিত, নিৰ্গুণ, নিৰ্বিকল্প, তৃষ্ণাৰহিত শান্ত নিৰীহ), চিদাকাশ, দিগম্বৰ আপোনাক নমস্কাৰ। নিৰাকাৰ, 'ওম'কাৰৰ মূলস্বৰূপ, তুৰীয় (ত্ৰিগুণাতীত), জ্ঞান, বচন আৰু ইন্দ্ৰিয়সমূহৰ অতীত, গিৰীশ, বিকৰাল, মহাকালৰো কালস্বৰূপ, কৃপালু, গুণনিধি আৰু সংসাৰৰ অতীত আপোনাক প্ৰণাম কৰিছোঁ। যি হিমালয়ৰ

দৰে গৌৰ বৰ্ণৰ আৰু গম্ভীৰ, যাৰ শৰীৰত কোটিজন কামদেৱৰ জ্যোতি আৰু শোভা, যাৰ শিৰত কল্লোলময়ী সুন্দৰ গংগা, যাৰ কপালত দ্বিতীয়াৰ চন্দ্ৰ, কণ্ঠত সৰ্প, কাণত কুণ্ডল ওলমি আছে, যাৰ ভ্ৰূযুগল সুন্দৰ আৰু নেত্ৰ বিশাল, যিজনৰ মুখ প্ৰসন্ন, যিজন নীলকণ্ঠ আৰু দয়ালু, যিজনে পশুৰাজৰ চৰ্ম বস্ত্ৰৰূপে ধাৰণ ধাৰণ কৰিছে, যিজন মুণ্ডমালাৰে শোভিত, সকলোৰে নাথ আৰু প্ৰিয় সেই শংকৰৰ ভজনা কৰিছোঁ। ১—৫ ॥

প্ৰচণ্ড ৰুদ্ৰৰূপ শ্ৰেষ্ঠ তেজস্বী পৰমেশ্বৰ, অখণ্ড, অজ, কোটি সূৰ্যৰ সমান প্ৰভাযুক্ত, তিনিপ্ৰকাৰৰ শূল (তাপ) নিৰ্মূল কৰোঁতা শূলপাণি, ভাবৰ সহায়েৰে লাভ কৰিব পৰা ভৱানীপতি শিৱক ভজিছোঁ। কলাতীত কল্যাণ স্বৰূপ, কল্পান্তকাৰী, সৰ্বদায় সজ্জনসকলৰ আনন্দদাতা, ত্ৰিপুৰাৰি, সচ্চিদানন্দঘন, মোহনাশক, কামদেৱৰ শত্ৰু হে প্ৰভু! আপুনি প্ৰসন্ন হওক, প্ৰসন্ন হওক। তেতিয়ালৈকে মানুহে উমাপতিৰ চৰণাৰবিন্দত ভক্তি নকৰে, তেতিয়ালৈকে ইহলোক আৰু পৰলোকত সুখ-শান্তি লাভ কৰিব নোৱাৰে আৰু মনৰ সন্তাপো দূৰ নহয়। হে সমস্ত ভূতৰে হৃদয়ত নিবাস কৰোঁতা প্ৰভু! আপুনি প্ৰসন্ন হওক। মই যোগ, জপ, পূজা একোকে নাজানো। হে শম্ভু! মই সদা-সৰ্বদা আপোনাক নমস্কাৰ কৰোঁ। হে প্ৰভু! জৰা আৰু জন্মৰ দুখেৰে সন্তপ্ত আৰু সংকটাপন্ন মোক ৰক্ষা কৰক। হে ঈশ্বৰ, হে শম্ভু! আপোনাক নমস্কাৰ।' ৬—৮ ॥

শ্লোকঃ—ভগৱান শিৱ প্ৰসন্ন হ'বৰ কাৰণে ব্ৰাহ্মণে এই ৰুদ্ৰ অষ্টকটো গালে। যিজনে ভক্তিৰে সৈতে এই অষ্টক পাঠ কৰে, তেওঁৰ প্ৰতি ভগৱান শিৱ প্ৰসন্ন হয়। ৯ ॥

দোঃ—সৰ্বজ্ঞ শিৱই এই প্ৰাৰ্থনা শুনিলে আৰু ব্ৰাহ্মণৰ ভক্তি দেখা পালে। তেতিয়া মন্দিৰত আকৌ আকাশবাণী শুনা গ'ল। "হে দ্বিজশ্ৰেষ্ঠ! বৰ ভিক্ষা কৰা।" ব্ৰাহ্মণে ক'লে—"হে প্ৰভু! হে নাথ! যদি আপুনি মোৰ প্ৰতি প্ৰসন্ন হৈছে আৰু এই দীনৰ প্ৰতি আপোনাৰ স্নেহ আছে, তেনেহ'লে প্ৰথমতে আপোনাৰ চৰণত ভক্তি হ'বলৈ বৰ দিয়ক। তাৰ পাছতহে অন্য বৰ দিয়ক। ১০৮ (ক। খ) ॥

হে প্ৰভু! এই অজ্ঞানী জীৱই আপোনাৰ মায়াৰ বশ হৈ নিৰন্তৰ ভুল আচৰণ কৰি ফুৰিছে। হে প্ৰভু কৃপাসিন্ধু ভগৱান! তাৰ ওপৰত ক্ৰোধ নকৰিব। হে দীনদয়াল প্ৰভু শংকৰ! তাৰ প্ৰতি কৃপা কৰক, যাতে কম সময়তে তেওঁৰ অভিশাপ অন্ত হয়। ১০৮ (গ। ঘ) ॥

চৌঃ—হে কৃপানিধি! আপুনি এতিয়া এনে ব্যৱস্থা কৰক, যাৰদ্বাৰা তাৰ পৰম কল্যাণ সাধন হয়।" পৰম হিতত লিপ্ত ব্ৰাহ্মণৰ এই কথা শুনি আকাশ-বাণীত কোৱা হ'ল—"সেয়ে হওক। যদিও ই ভয়ানক পাপ কৰিলে আৰু মৰ্য়ো ক্ৰোধ কৰি অভিশাপ দিলোঁ, তথাপি তোমাৰ সাধুতা দেখি তাক মই বিশেষভাৱে অনুগ্ৰহ কৰিব খুজিছোঁ। ১। ২॥

হে দ্বিজ! যিজন ক্ষমতাশীল আৰু পৰোপকাৰী, তেওঁ মোৰ কাৰণে খৰাৰি ৰামৰ দৰেই প্ৰিয়। হে দ্বিজ! মোৰ শাপ ব্যৰ্থ নহয়। ই সহস্ৰবাৰ জন্ম ল'ব লাগিবই; কিন্তু জন্ম আৰু মৃত্যুত যি অসহ্য কষ্ট হয়, সেই কষ্ট ই অলপো নাপায়। তদুপৰি কোনো জন্মতে ইয়াৰ পূৰ্বাৰ্জিত জ্ঞান নেহেৰায়। হেৰ শূদ্ৰ! তই মোৰ এই সত্য বচন শুন। ৩। ৪॥

ৰঘুনাথৰ নগৰত তোৰ জন্ম হৈছিল। তদুপৰি তই মোৰ সেৱাত মনোনিবেশ কৰিছিলি। অযোধ্যাপুৰীৰ প্ৰভাৱ আৰু মোৰ কৃপাত তোৰ হৃদয়ত ৰামভক্তি উপজিব। তই এতিয়া মোৰ কথা শুন। হৰিক সন্তুষ্ট কৰিবলৈ হ'লে দ্বিজ-সেৱাত ব্ৰতী হ'ব লাগে। সেইবাবে এতিয়াৰপৰা কেতিয়াও বিপ্ৰসকলক অপমান নকৰিবি। সন্তসকলক অনন্ত ভগৱান সদৃশ জ্ঞান কৰিবি। ৫। ৬॥

ইন্দ্ৰৰ বজ্ৰ, মোৰ বিশাল ত্ৰিশূল, কালৰ দণ্ড আৰু হৰিৰ বিকৰাল চক্ৰই কৰিলেও যি নমৰে, সিও বিপ্ৰদ্ৰোহৰ অগ্নিত ভস্ম হয়, এই বিচাৰ সদায় মনত ৰাখিব লাগে। তাৰ পাছত তোৰ বাবে জগতত একোৱেই দুৰ্লভ নহয়। মই তোক আৰু এটা আশীৰ্বাদ কৰিছোঁ। তোৰ সৰ্বত্ৰ অবাধ গতি হ'ব। ৭। ৮॥

দোঃ—শিৱৰ বচন শুনি আনন্দিত হৈ গুৰুৱে "সেয়ে হওক" এই বুলি কৈ মোক অনেক প্ৰবোধ দিয়াৰ পাছত হৃদয়ত শম্ভুৰ চৰণ চিন্তা কৰি নিজ ঘৰলৈ ঘোৰ ল'লে। কালক্ৰমত মই বিন্ধ্যাচলত সাপ হৈ থাকিলোঁ। সেইদৰে কিছুকাল যোৱাৰ পাছত বিনা কষ্টে সেই শৰীৰ ত্যাগ কৰিলোঁ। হে হৰিৰ বাহন গৰুড়! মই যি শৰীৰকে ধাৰণ কৰিলোঁ, সেই শৰীৰকে বিনা কষ্টে ত্যাগ কৰিবও পাৰিছিলোঁ। যেন মানুহে পুৰণি কাপোৰ এৰি নতুন কাপোৰহে সলায়। শিৱই বেদৰ মৰ্যাদা ৰক্ষা কৰিলে আৰু মৰ্য়ো কোনো কষ্ট নাপালোঁ। পক্ষীৰাজ! এইদৰে মই বহুত জন্ম ল'লোঁ; কিন্তু পূৰ্বাৰ্জিত জ্ঞান হ'লে মোৰ নেহেৰোৱাকৈ থাকিল। ১০৯ (ক—ঘ)

চৌঃ—পশু-পক্ষী আদি তিৰ্যক্ যোনিতেই হওক বা দেৱ-মনুষ্য আদি

শ্ৰেষ্ঠ যোনিতেই হওক ; মই য'তে জন্ম লওঁ, ত'তে ৰাম ভক্তি কৰি থাকিলোঁ।" গিয়ানতো হৃদয়ত এটা কথাই শেলে বিন্ধাৰ দৰে বিন্ধি থাকিলে। মই গুৰুৰ কোমল স্বভাৱ আৰু সুচৰিত্ৰৰ কথা পাহৰিব নোৱাৰিলোঁ। (সেই হেন গুৰুৰ প্ৰতি কৰা অৱজ্ঞাৰ কথাই মনত কষ্ট দিছিল) ১ ॥

একেবাৰে শেহত মই সেই ব্ৰাহ্মণ জন্ম লাভ কৰিলোঁ, যাক বেদ, পুৰাণ আদিত দেৱবো দুৰ্লভ বুলি কোৱা হৈছে। মই তেতিয়াও খেলাধূলা কৰি থাকোঁতে লগৰীয়া শিশুৰ লগত মিলিজুলি ৰামৰ লীলাসমূহকে কৰোঁ। বয়স বাঢ়ি আহিলত পিতাদেৱে মোক পঢ়াবলৈ ধৰিলে ; কিন্তু বুজি, শুনি আৰু বিচাৰ কৰি চাই সেইবোৰ ভাল নাপাইছিলোঁ। মোৰ মনৰপৰা সমস্ত বাসনা দূৰ হৈছিল। কেৱল ৰামৰ চৰণতহে ৰতি উপজিছিল। হে গৰুড়! কওকচোন, এনে দুৰ্ভগীয়া কোন আছে, যি কামধেনু এৰি এজনী গাধৰ সেৱা-শুশ্ৰূষা কৰিব ? ৰামভক্তিত মগ্ন হৈ থকা কাৰণে মোৰ আন একো বস্তুতে মন নবহা হৈ আহিল। পিতাদেৱ মোক পঢ়াই পঢ়াই ভাগৰি পৰিল। ২—৪ ॥

যেতিয়া মোৰ পিতৃ-মাতৃৰ বিয়োগ ঘটিল, তেতিয়া মই ভকতৰ ৰক্ষাকৰ্তা হৰিক ভজিবৰ কাৰণে বনলৈ গ'লোঁ। বনত য'ত য'ত শ্ৰেষ্ঠ মুনিসকলৰ আশ্ৰম পাওঁ, তালৈকে গৈ তেওঁলোকক প্ৰণাম কৰোঁ। হে গৰুড়! তেওঁলোকক মই ৰামৰ গুণসমূহৰ কথা সোধোঁ। তেওঁলোকে কয় আৰু মই আনন্দ মনেৰে শুনো। এইদৰে হৰিগুণ-কীৰ্তন শুনি ফুৰোঁ। শিৱৰ কৃপাত মোৰ সৰ্বত্ৰ গতি যাবে এনে সুবিধা হৈছিল। ৬। ৫ ॥

তিনি প্ৰকাৰৰ প্ৰবল বাসনা (পুত্ৰ, ধন আৰু মানৰ বাসনা) মোৰ দূৰ হ'ল। হৃদয়ত মাত্ৰ একেটা বাসনাই প্ৰবল হৈ বাঢ়ি যাবলৈ ধৰিলে। সেইটো হ'ল এই—যেতিয়া ৰামৰ চৰণ-কমল দৰ্শন কৰিবলৈ পাম, তেতিয়াহে নিজৰ জন্ম সফল হ'ব। মই যিজন মুনিকে সোধোঁ, সেইজন মুনিয়েই কয়, বোলে—ঈশ্বৰ সৰ্বভূতময়। সেই নিৰ্গুণ মতৰ ঈশ্বৰ মোৰ ভাল লগা নাছিল। মোৰ হৃদয়ত সগুণ ব্ৰহ্মৰ প্ৰতিহে ৰতি ভাব বাঢ়ি আহিছিল। ৭। ৮ ॥

দোঃ—গুৰুৰ আজ্ঞা সুঁৱৰি মোৰ মন শ্ৰীৰামৰ চৰণত অনুৰক্ত হ'ল। প্ৰতিক্ষণে নতুন নতুন অনুৰাগেৰে ৰঞ্জিত হৈ ৰঘুপতিৰ কীৰ্তি-গীত গাই ফুৰিবলৈ ধৰিলোঁ। সুমেৰু পৰ্বতৰ শিখৰত বড়গছৰ ছাঁত লোমশ মুনি বহি আছিল। তেওঁক দেখি মই চৰণত প্ৰণাম জনালোঁ আৰু অতি দীন ভাৱেৰে সুধিলোঁ। পক্ষীৰাজ! মোৰ নম্ৰ আৰু মৃদু কথা শুনি কৃপালু মুনিয়ে মোক

আদৰ কৰি সুধিলে—"হে ব্ৰাহ্মণ! আপুনি কি উদ্দেশ্যে ইয়ালৈ আহিছে?" তেতিয়া মই ক'লোঁ—"হে কৃপানিধি! আপুনি সুজান আৰু সৰ্বজ্ঞ। ভগৱান! আপুনি মোক সগুণ ব্ৰহ্মৰ উপাসনাৰ কথা কওক।" ১১০ (ক—ঘ)॥

চৌঃ—পক্ষীৰাজ! তেতিয়া সেই শ্ৰেষ্ঠ মুনিজনে ৰঘুপতিৰ গুণাৱলীৰ কিছু কথা মোক শ্ৰদ্ধাভাৱেৰে শুনালে। তাৰ পাছত সেই ব্ৰহ্মজ্ঞানৰত, পৰমতত্ত্ববেত্তা (বিজ্ঞানী) মুনিয়ে মোক শুনাবৰ যোগ্য লোক বুলি ভাবি ব্ৰহ্মজ্ঞানৰ উপদেশ দিবলৈ ধৰিলে। ব্ৰহ্ম অজ, অদ্বৈত, নিৰ্গুণ আৰু অন্তৰ্যামী। তেওঁ কলাৰহিত, চেষ্টাৰহিত, নাম-ৰূপৰ অতীত, অনুভৱগম্য, অখণ্ড, অনুপম, মন আৰু ইন্দ্ৰিয়ৰ অতীত, নিৰ্মল, অবিনাশী, নিৰ্বিকাৰ, নিৰবধি আৰু সুখময়। বেদে কয়—তত্ত্বমসি। পানী আৰু ঢৌৰ দৰে তেওঁৰ আৰু তোমাৰ মাজত কোনো পাৰ্থক্য নাই। মুনিয়ে মোক এইদৰে নানা ধৰণে বুজালে; কিন্তু নিৰ্গুণ মত মোৰ মনত নালাগিল। পুনৰ মুনিৰ চৰণত প্ৰণাম জনাই মই ক'লোঁ—হে মুনিশ্ৰেষ্ঠ! আপুনি মোক সগুণ উপাসনাৰ কথা কওক। মোৰ মনটো মাছৰ দৰে ৰামভক্তিৰ জলত মগ্ন হৈ আছে। হে প্ৰবীণ মুনিবৰ, এনেস্থলত মোৰ মনটো ৰামভক্তিৰপৰা কেনেকৈ আঁতৰাব পাৰি? আপুনি দয়া কৰি মোক এনে উপদেশহে দিয়ক, যাৰপৰা ৰঘুপতিক নিজ চকুৰে দেখিবলৈ মই সমৰ্থ হওঁ। অযোধ্যাপতি ৰামক হেঁপাহ পলুৱাই চাই লোৱাৰ পাছতহে নিৰ্গুণ মতৰ উপদেশ শুনিম। তেতিয়া মুনিয়ে আকৌ অনুপম হৰি-কথা কৈ সগুণ মত খণ্ডন কৰি নিৰ্গুণ মত নিৰূপণ কৰি দেখুৱালে। ১—৬॥

তেতিয়া মই নিৰ্গুণ মত কাটি বহুত যুক্তিৰে সগুণ মত নিৰূপণ কৰিবলৈ ধৰিলোঁ। মই অনেক উত্তৰ-প্ৰত্যুত্তৰ দিলোঁ। লাহে লাহে মুনিৰ শৰীৰত ক্ৰোধৰ চিন প্ৰকাশ পাবলৈ ধৰিলে। হে প্ৰভু শুনক! বৰকৈ অৱজ্ঞা কৰিলে জ্ঞানীজনৰ মনতো ক্ৰোধ ভাব জন্মে। কোনোবাই যদি বহুত ঘঁহাই থাকে, তেনেহ'লে শীতল চন্দনতো জুই ওলায়। ৭।৮॥

দোঃ—মুনিয়ে বাৰে বাৰে খণ্ডৰে নিৰ্গুণ মাৰ্গৰ শ্ৰেষ্ঠত্ব প্ৰতিপাদন কৰিবলৈ ধৰিলে। তেতিয়া মই মনে মনে বহি থাকি নানা যুক্তিৰে বিচাৰ কৰি চালোঁ—দ্বৈত বুদ্ধি নহ'লে ক্ৰোধ ভাব ক'ৰপৰা হ'ব? আৰু অজ্ঞতা দূৰ হ'লে দ্বৈত ভাবনো কেনেকৈ হ'ব পাৰে? মায়াৰ বশ পৰিচ্ছিন্ন জড়জীৱ জানো ঈশ্বৰৰ সমান হ'ব পাৰে! ১১১ (ক। খ)

চৌঃ—সকলোৰে হিত চিন্তা কৰা জনৰ কেতিয়াবা দুখ হ'ব পাৰে জানো? যাৰ হাতত পৰশমণি আছে, তেওঁ দৰিদ্ৰ হ'ব পাৰেনে? তাৰ বিপৰীতে পৰদ্ৰোহী জানো নিৰ্ভয় হ'ব পাৰে? কামীলোক জানো কলংকহীন হৈ থাকিব পাৰে? দ্বিজৰ অহিত সাধন কৰি কোনে বংশ ৰক্ষা কৰিব পাৰে? স্বৰূপ-জ্ঞান হোৱাৰ পাছতনো সকাম কৰ্মত কাৰ প্ৰয়োজন থাকিব? দুষ্টৰ সংগতনো কাৰ সুবুদ্ধি হ'ব? পৰদাৰাগামীৰ সদগতি ক'ত হ'ব? পৰমাত্মাক বিজনে চিনি পালে, তেওঁ সংসাৰ-চক্ৰত কিয় পৰিব? ভগৱানৰ নিন্দুক ব্যক্তি কেতিয়াবা সুখী হ'ব পাৰে জানো? ৰাজনীতি নজনাকৈ ৰাজ্য শাসন কৰিব পাৰিনে? হৰিৰ চৰিত্ৰ কীৰ্তন কৰিলে পাপ থাকিব পাৰেনে? পুণ্যৰ অবিহনে পবিত্ৰ যশস্যা লাভ সম্ভৱনে? পাপ নকৰাকৈয়ে কোনোবা অপযশৰ ভাগী হয়নে? যাৰ মহিমা বেদ, পুৰাণ আৰু সন্তসকলে গান কৰে, সেই হৰি-ভক্তিৰ সমান আন কিবা লাভ হ'ব পাৰে জানো? যদি মনুষ্যৰ জন্ম পায়ো ৰামক নভজে, তাতকৈ আৰু কিবা হানি জগতত হ'ব পাৰেনে ভাই? কথা লগাই ফুৰাতকৈ ডাঙৰ কিবা পাপ আছে জানো? হে হৰিৰ বাহন! দয়াৰ সমান আন ধৰ্ম আছে৷ জানো?" ১—৫ ॥

এইদৰে মই অনেক যুক্তিৰে বিচাৰ কৰি চাই শ্ৰদ্ধাৰে সৈতে মুনিৰ উপদেশ গ্ৰহণ কৰিব নোৱাৰিলোঁ। যেতিয়া মই বাৰে বাৰে সগুণ ভক্তিৰ পক্ষ ল'বলৈ ধৰিলোঁ, তেতিয়া মুনিয়ে খঙেৰে এই বুলি ক'লে—"হেৰ মূৰ্খ! মই তোক সৰ্বশ্ৰেষ্ঠ উপদেশ দিছোঁ, তথাপি তই সেই উপদেশ গ্ৰহণ কৰা নাই, অথচ নানা ধৰণৰ উত্তৰ-প্ৰত্যুত্তৰহে কৰিছ। মোৰ সত্য বচনত তোৰ বিশ্বাস হোৱা নাই। কাউৰীৰ দৰে তই সকলোলৈকে ভয়হে কৰিছ। হেৰ মূৰ্খ! তোৰ মনত নিজ পক্ষৰ প্ৰতি আঁকোৰগোজ ভাব, গতিকে তই এতিয়াই চণ্ডালপক্ষী (কাউৰী) হ।" মই তেতিয়া আনন্দেৰে মুনিৰ অভিশাপ শিৰপাতি ললোঁ। মোৰ মনলৈ কোনো ভয় ভাবো নাহিল আৰু দীন ভাবেও আকুল কৰিব নোৱাৰিলে। ৬—৮ ॥

দোঃ—মই তত্তালিকে কাউৰীত পৰিণত হ'লোঁ। তাৰ পাছত মুনিৰ চৰণত সেৱা জনাই আৰু ৰঘুকুলৰ শিৰোমণি ৰামক স্মৰণ কৰি মই আনন্দেৰে সৈতে আকাশলৈ উৰা মাৰিলোঁ।" [শিৱই কৈছে—] "হে উমা! যাৰ ৰামৰ চৰণত ৰতি আছে, যাৰ মনৰপৰা কাম, ক্ৰোধ আৰু মদ দূৰ হ'ল, তেওঁ সমস্ত জগততে নিজৰ প্ৰভুক দেখে; তেওঁ আৰু কাৰ লগত শত্ৰুতা কৰিব?" ১১২ (ক। খ) ॥

চৌঃ—[কাকভুশুণ্ডিয়ে ক'লে—] "হে পক্ষীৰাজ! শুনক। ইয়াত ঋষিৰ

অলপো দোষ নাই। ৰঘুবংশৰ ভূষণ শ্ৰীৰামেহে সকলোৰে অন্তৰত কি কোনো কামৰ প্ৰেৰণা দিয়ে। কৃপাসিন্ধু প্ৰভুৱে মুনিৰ মতিভ্ৰম কৰাই মোৰ প্ৰেমৰ পৰীক্ষা ল'লে। প্ৰভুৱে যেতিয়া মোক মন, বচন আৰু কৰ্মেৰে নিজৰ একান্ত দাস বুলি জানিলে, তেতিয়া ভগৱানে মুনিক আকৌ নিজৰ শুদ্ধ বুদ্ধিলৈ ঘূৰাই আনিলে। ঋষিয়ে মহৎ লোকৰ নিচিনা মোৰ চৰিত্ৰ দেখি আৰু ৰামৰ চৰণত বিশিষ্ট বিশ্বাস দেখি বৰ দুখ পাই বাৰে বাৰে অনুতাপ কৰিবলৈ ধৰিলে। তেওঁ মোক আদৰ-সাদৰ কৰি মাতিলে আৰু নানা প্ৰকাৰে সন্তুষ্ট কৰি আনন্দ মনেৰে ৰামমন্ত্ৰ দান কৰিলে। কৃপাসিন্ধু মুনিয়ে মোক বালকৰূপী শ্ৰীৰামৰ ধ্যানবিধি শিকাই দিলে। সুন্দৰ আৰু সুখদায়ক সেই ধ্যান মোৰ বৰ ভাল লাগিল। এই ধ্যানৰ কথা মই আপোনাক আগতেই কৈছোঁ। ১—৪ ॥

তাৰ পাছতো মুনিয়ে মোক তেওঁৰ আশ্ৰমত কিছুকাল ৰাখিলে। সেই সময় ছোৱাৰ ভিতৰতে মুনিয়ে মোৰ আগত ৰামচৰিত মানস গালে। শ্ৰদ্ধাৰে ৰামচৰিত শুনোৱাৰ পাছত মুনিয়ে মোক মিঠা মাতেৰে ক'লে—"বাছা! এই সুন্দৰ আৰু গোপনীয় ৰামচৰিত মানস মই শিৱৰ অনুগ্ৰহত লাভ কৰিছিলোঁ। তোমাক ৰামৰ একান্ত ভক্ত বুলি জানিহে সকলো কথা বিস্তৃতভাৱে তোমাৰ আগত প্ৰকাশ কৰিলোঁ। বাছা! যাৰ হৃদয়ত ৰামৰ ভক্তি নাই, তেওঁৰ আগত কেতিয়াও এই ৰামচৰিত প্ৰকাশ নকৰিবা।" এইদৰে কৈ মুনিয়ে মোক নানা বুজনি দিলে। তাৰ পাছত মই সভক্তিৰে মুনিৰ চৰণত সেৱা জনালোঁ। মুনিৰাজে নিজৰ কৰকমলেৰে মোৰ শিৰ স্পৰ্শ কৰি আনন্দ মনেৰে এই বুলি আশীৰ্বাদ দিলে—"এতিয়াৰপৰা মোৰ অনুগ্ৰহত তোমাৰ হৃদয়ত ৰামভক্তি সদায় সুদৃঢ় হৈ থাকিব।" ৫—৮ ॥

দোঃ—তুমি সদায় ৰামৰ প্ৰিয় হ'বা। তুমি শুভ গুণৰ আধাৰ, মান-অভিমানশূন্য, কামৰূপী, ইচ্ছামৃত্যু আৰু জ্ঞান তথা বৈৰাগ্যৰ নিধি স্বৰূপ হ'বা। কেৱল ইমানেই নহয়, ভগৱানক স্মৰণ কৰি তুমি যি আশ্ৰমতে বাস কৰিবা, তাৰপৰা এক যোজন দূৰলৈকে অবিদ্যাই প্ৰভাব বিস্তাৰ কৰিব নোৱাৰিব। ১১৩ (ক। খ) ॥

চৌঃ—কাল, কৰ্ম, গুণ, দোষ আৰু স্বভাৱজনিত কোনো দুখেই তোমাক এৰো কৰিব নোৱাৰিব। সুশ্ৰাব্য, ৰামৰ ৰহস্য কথা, বিশেষ পুৰাণ আৰু ইতিহাসত গুপ্ত আৰু প্ৰকাশ্য উভয় ৰূপতে আছে, সেই সকলোখিনি তুমি বিনা-পৰিশ্ৰমে আয়ত্ত কৰিব পাৰিবা। ৰামৰ চৰণত তোমাৰ নিত্য নতুন প্ৰীতি

বাঢ়ক। শ্ৰীহৰিৰ কৃপাত তোমাৰ মনোবাঞ্ছা পূৰণত কোনো বাধা নাথাকিব। ১। ২ ॥

হে ধীৰমতি গৰুড়! শুনক। মুনিৰ এই আশীৰ্বাদৰ পাছতে আকাশত গম্ভীৰ ব্ৰহ্মবাণী উচ্চাৰণ হোৱা শুনা গ'ল। "হে জ্ঞানী মুনি! তোমাৰ বচন সত্য হওক। এওঁ কৰ্ম, মন আৰু বচনেৰে সৈতে মোৰ ভক্ত।" এই বাণী শুনি মই বৰ আনন্দিত হ'লোঁ আৰু প্ৰেমমগ্ন হৈ পৰিলোঁ। সেই সময়ত মোৰ মনৰপৰা সকলো সন্দেহ দূৰ হ'ল। তাৰ পাছত বিদায় বিচাৰি প্ৰাৰ্থনা জনালত মুনিয়ে অনুমতি দিলে আৰু মই তেওঁৰ চৰণ-কমলত বাৰে বাৰে প্ৰণাম জনাই আনন্দ মনেৰে এই আশ্ৰমলৈ গুচি আহিলোঁ। প্ৰভু শ্ৰীৰামৰ অনুগ্ৰহত মই দুৰ্লভ বৰ লাভ কৰিলোঁ। হে পক্ষীৰাজ! শুনক। মই এই ঠাইতে সাতাইশটা কল্প অতিবাহিত কৰিছোঁ। মই ইয়াত সদায় ৰঘুপতিৰ গুণ-গান কৰোঁ আৰু নানা বিজ্ঞ পক্ষীসকলে তাকে শ্ৰদ্ধাৰে শুনেহি। অযোধ্যাপুৰীত যেতিয়াই যেতিয়াই ৰঘুপতিয়ে ভক্তৰ কল্যাণৰ অৰ্থে মনুষ্য শৰীৰ ধাৰণ কৰেহি, তেতিয়াই তেতিয়াই মই গৈ ৰামৰ নগৰীত বাস কৰোঁ আৰু প্ৰভুৰ শিশুলীলা দৰ্শন কৰি সুখী হওঁ। হে পক্ষীৰাজ! তাৰ পাছত ৰামৰ শিশুৰূপ হৃদয়ত ধাৰণ কৰি মই নিজ আশ্ৰমলৈ ঘূৰি আহোঁ। ৩—৭ ॥

মই কি কাৰণেনো কাউৰীৰ শৰীৰ পালোঁ, সেই সকলো কথাকে আপোনাক শুনালোঁ। প্ৰভু! মই আপোনাৰ সকলো প্ৰশ্নৰে উত্তৰ দিলোঁ। ৰাম ভক্তিৰ মহিমা অতি প্ৰবল। ৮ ॥

দোঃ—এই কাউৰীৰ দেহটো মোৰ এই কাৰণেই প্ৰিয় যে—এই দেহটোৰেই মই ৰামৰ চৰণত ভক্তি লাভ কৰিলোঁ আৰু নিজ প্ৰভুৰ দৰ্শনো লাভ কৰিলোঁ। এই শৰীৰ ধৰিয়েই মোৰ সকলো সন্দেহো দূৰ কৰিব পাৰিলোঁ। মই জিদ ধৰি ভক্তি-পক্ষ সমৰ্থন কৰি থকা কাৰণেই লোমশ মুনিয়ে মোক অভিশাপ দিলে; কিন্তু তাৰ ফলত মই মুনিসকলৰো দুৰ্লভ সেই বৰ লাভ কৰিলোঁ। ভক্তিৰ কেনে প্ৰতাপ চাওক। ১১৪ (ক। খ)

চৌঃ—বিজনে ভক্তিৰ এনে মহিমা দেখিও তাক ত্যাগ কৰে আৰু কেৱল জ্ঞানৰ কাৰণে কষ্ট কৰে, সেই মূৰ্খই ঘৰত থকা কামধেনু এৰি গাখীৰ বিচাৰি আকণ গছ বিচাৰি ফুৰে। হে পক্ষীৰাজ! শুনক। যি মানুহে হৰি ভক্তি এৰি আন উপায়েৰে সুখ লাভ কৰিবলৈ বিচাৰে, সেই মূৰ্খ আৰু

ব্যৰ্থশ্ৰম কৰা মানুহে নাও নোহোৱাকৈ সাগৰ পাৰ হ'বলৈ বিচাৰে। ১। ২ ॥

[শিৱই কৈছে—] "হে ভৱানী! ভুশুণ্ডিৰ কথা শুনি আনন্দ পাই গৰুড়ে মিঠা মাতেৰে এই বুলি ক'লে—'হে প্ৰভু! আপোনাৰ অনুগ্ৰহত এতিয়া মোৰ মনৰূপৰা সন্দেহ, শোক, মোহ আৰু ভ্ৰম দূৰ হৈছে। মই আপোনাৰ কৃপাত ৰামৰ পবিত্ৰ গুণসমূহৰ কথা শুনিবলৈ পালোঁ আৰু শান্তি লাভ কৰিলোঁ। হে প্ৰভু! এতিয়া মই আপোনাক আৰু এটা কথা সুধিব খুজিছোঁ, হে কৃপানিধি! আপুনি বুজাই কব লাগে। ৩। ৪ ॥

সন্ত, মুনি আৰু বেদ-পুৰাণ—এই সকলোৱে এই বুলি কয় যে জ্ঞানৰ সমান কোনো বস্তুৱেই দুৰ্লভ নহয়। হে গোসাঁই! সেই জ্ঞানকে আপোনাক মুনিয়ে দিছিল; কিন্তু আপুনি তাক ভক্তিৰ সমান আদৰণীয় বুলি গ্ৰহণ নকৰিলে। হে কৃপানিধি! হে প্ৰভু! জ্ঞান আৰু ভক্তিৰ মাজত পাৰ্থক্য কিমান, সেই কথা আপুনি মোক বুজাই কওক।' গৰুড়ৰ কথা শুনি ভুশুণ্ডিয়ে ভাল পালে। তেওঁ আদৰ কৰি ক'লে—"ভক্তি আৰু জ্ঞানৰ মাজত কোনো পাৰ্থক্য নাই। দুয়োটাই সংসাৰৰ ক্লেশ দূৰ কৰে। হে নাথ! মুনিশ্ৰেষ্ঠ লোমশে কিছু পাৰ্থক্য থকাৰ কথা কৈছিল। পক্ষীৰাজ! সেই কথা আপুনি মন দি শুনক। হে হৰিৰ বাহন! জ্ঞান, বৈৰাগ্য, যোগ, বিজ্ঞান—এই সকলো পুৰুষ; পুৰুষৰ প্ৰতাপ সকলো প্ৰকাৰেই বেছি। প্ৰকৃতি অবলা, স্বভাৱতে দুৰ্বল আৰু জন্মতঃ মূৰ্খ। ৫—৮ ॥

দোঃ—বৈৰাগ্যবান, ধীৰমতি পুৰুষেহে নাৰীক ত্যাগ কৰিব পাৰে; বিষয়াসক্ত আৰু ৰঘুপতিৰ চৰণৰ প্ৰতি বিমুখ কামাতুৰজনে নোৱাৰে। ১১৫ (ক)

সোঃ—ৰমণীৰ মৃগনয়ন আৰু চন্দ্ৰমুখ দেখি সেই জ্ঞাননিধি মুনিসকলো বিবশ হৈ পৰে। হে গৰুড়! সাক্ষাৎ বিষ্ণুৰ মায়াই নাৰীৰূপে প্ৰকাশ পাই আছিছে। ১১৫ (খ)

চৌঃ—এই ক্ষেত্ৰত মই কোনো প্ৰকাৰৰে পক্ষপাতিত্ব কৰা নাই। বেদ, পুৰাণ আৰু সন্তসকলৰ মতকেহে দোহাৰিছোঁ। হে গৰুড়! এয়া এক বিলক্ষণ ৰীতি যে এগৰাকী নাৰীৰ ৰূপত অন্য এগৰাকী নাৰী মুগ্ধ নহয়। ১ ॥

শুনক! মায়া আৰু ভক্তি—এই দুয়োটাই স্ত্ৰীবৰ্গত পৰে; এই কথা সকলোৱে জানে। একালে ভক্তি ৰঘুপতিৰ প্ৰিয়তমা; কিন্তু বেচেৰী মায়া নৰ্তকী মাত্ৰ। ৰঘুনাথ ভক্তিৰ প্ৰতি বিশেষ অনুকূল; সেই বাবে মায়াই তেওঁলৈ বৰ ভয় কৰে। নিৰুপম নিৰুপাধি ৰামভক্তি যাৰ হৃদয়ত অবাধে

বাস কৰে, তেওঁক দেখিলে মায়া কোঁচ খাই যায়, তেওঁৰ ওপৰত কোনো প্ৰকাৰে প্ৰভাৱ বিস্তাৰ কৰিব নোৱাৰে। ইয়াকে জানি তত্ত্বজ্ঞ মুনিসকলে সমস্ত সুখৰ আকৰ ভক্তিহে বিচাৰে। ২—৪ ॥

দোঃ—ৰঘুনাথৰ এই ৰহস্য বেগতে কোনেও বুজিব নোৱাৰে। ৰঘুপতিৰ কৃপাত যি এই ৰহস্য জানিব পাৰে, সপ্নতো তেওঁৰ মনত মোহ ভাব হ'ব নোৱাৰে। হে সুপ্ৰবীণ গৰুড়! জ্ঞান আৰু ভক্তিৰ মাজত আৰু কি পাৰ্থক্য আছে শুনক। এই কথা শুনিলে ৰামৰ চৰণত স্থায়ী আৰু অবিচ্ছিন্ন ভক্তি-ভাব ওপজে। ১১৬ (ক। খ)

চৌঃ—হে বাপ! এই অনিৰ্বচনীয় কথা শুনক। ইয়াক উপলব্ধিহে কৰিব পাৰি, বৰ্ণনা কৰিব নোৱাৰি। জীৱসমূহ ঈশ্বৰৰ অংশ; গতিকে ই অবিনাশী, চৈতন্য স্বৰূপ, নিৰ্মল আৰু সহজ সুখৰ পুঞ্জ স্বৰূপ। হে স্বামী! এই জীৱও মায়াৰ বশ হৈ ভাটৌ আৰু বান্দৰৰ দৰে নিজে নিজে বান্ধ খাই আছে। এইদৰেই জড় আৰু চেতনৰ মাজত এটা পাৰ্থক্য আহি পৰিল বা গাঁঠি লাগিল। যদিও এই গাঁঠিটো সত্য বস্তু নহয়, তথাপি এই গাঁঠিৰপৰা মুকলি হোৱাটো টান কথা। জড় বন্ধনৰূপী এই গাঁঠি লগাৰে পৰা জীৱ সংসাৰৰ অধীন হ'ল। এতিয়া গাঁঠি মুকলি নোহোৱা বাবে জীৱও সুখী নহয়। বেদ আৰু পুৰাণসমূহে এই বন্ধন মুক্তিৰ বাবে বহুত উপায় দিছে; কিন্তু সেইবোৰে গাঁঠি মুকলি কৰিব পৰা নাই, বৰঞ্চ বেছিকৈ জোঁট লাগিহে ধৰিছে। ১—৩ ॥

জীৱৰ হৃদয় অজ্ঞান অন্ধকাৰে ঢাকি ধৰিছে। সেইবাবে গাঁঠিটো কোনখিনিত চকুৰে নেদেখি, মুকলি কৰে কেনেকৈ? যেতিয়া ঈশ্বৰে এনে সুযোগ (আগতে কৈ অহা কাহিনীৰ বিচিনা) আনি দিয়ে, তেতিয়াও ক'ৰবাত কোনোবাজনেহে সেই গাঁঠিৰপৰা মুকলি হ'ব পাৰে। যদি হৰিৰ কৃপাত সাত্বিকী শ্ৰদ্ধাৰূপী সুন্দৰ কামধেনু হৃদয়ত আহি থাকিবলৈ লয়, শ্ৰুতি প্ৰতিপাদিত অসংখ্য তপ, জপ, ব্ৰত, যম, নিয়ম আদি আচৰণ আৰু ধৰ্মৰ সেউজীয়া বাঁহনিত যেতিয়া এই গাই চৰে আৰু আস্তিক ভাবৰ পোৱালি পাই ওহাৰলৈ গাখীৰ আহে, তেতিয়াহে নিবৃত্তিৰ ছান্দনীজৰী, বিশ্বাসৰ পাত্ৰ আৰু নিজৰ অধীন নিৰ্মল মন গাখীৰ খীবোৱা গুৱাল হ'ব পাৰিব। হে গৰুড়! এইদৰে পৰম ধৰ্মস্বৰূপ দুগ্ধ দোহন কৰি তাক নিষ্কাম ভাবৰ জুইত পগাই ল'ব লাগিব। তাৰ পাছত ক্ষমা আৰু সন্তোষৰ বায়ুত ঠাণ্ডা কৰি ধৈৰ্য আৰু শম ভাবৰ টেঙা চেপি কৈ

মৰাৰ লাগিব। তেতিয়া প্ৰসন্নতাৰ পাত্ৰত ৰাখি তত্ত্ববিচাৰৰ মন্থন-দণ্ডেৰে ইন্দ্ৰিয় দমনৰ আধাৰত সত্য আৰু সুন্দৰ বাণীৰূপী ৰচী লগাই মথিব লাগিব। তেতিয়াহে ভাবপৰা নিৰ্মল, সুন্দৰ আৰু অতি পবিত্ৰ বৈৰাগ্যৰূপী নৱনীত কাঢ়ি ল'ব পৰা হ'ব। ৪—৮ ॥

দোঃ—এইখিনি কৰাৰ পাছত যোগৰ অগ্নি জ্বলাই তাত শুভ আৰু অশুভ উভয় শ্ৰেণীৰে কৰ্মৰ ইন্ধন দহন কৰিব লাগিব। এইদৰে তাপ পাই বৈৰাগ্য-মাখনত থকা মমতাৰ এঠাৰূপী মল দূৰ হ'ব। তেতিয়া সেই জ্ঞানৰ ঘিউ নিশ্চয়াত্মিকা বুদ্ধিৰ সহায়েৰে আকৌ ঠাণ্ডা কৰি ল'ব লাগিব। তাৰ পাছত বিজ্ঞানৰূপিনী বুদ্ধিয়ে সেই নিৰ্মল ঘিউ পাই তাক চিত্তৰ বন্তিত ভৰাই লৈ সমভাৱৰ গছাত ভালকৈ (সুস্থিৰকৈ) থ'ব লাগিব। [জাগ্ৰত, স্বপ্ন আৰু সুষুপ্তিৰূপী] তিনিটা অৱস্থা আৰু [সত্ব আদি] তিনিটা গুণৰ কপাহৰপৰা তুৰীয় অৱস্থাৰ আঁহ উলিয়াই তাৰে শলাকানি ৰাটিব লাগিব। ১১৭ (ক। খ। গ) ॥

সোঃ—এইদৰে তেজোৰাশি স্বৰূপ বিজ্ঞানময় বন্তি প্ৰজ্বলন কৰিব লাগে। এই বন্তিৰ ওচৰ চপা মাত্ৰেই মদ আদি পতংগসমূহ ভস্মীভূত হয়। ১১৭ (ঘ) ॥

চৌঃ—সোঽহমস্মি (সেই ব্ৰহ্ম মমেই)—এই অখণ্ড ভাবেই পৰম প্ৰচণ্ড দীপশিখা। যেতিয়া এই আত্মানুভৱ সুখৰ সুন্দৰ পোহৰ কেউফালে বিস্তৃত হৈ পৰিব, তেতিয়া সংসাৰ বন্ধনৰ মূল ভেদ ভাবৰ ভ্ৰম দূৰ হৈ পৰিব। মহাবলৱতী অবিদ্যাৰ পৰিয়ালত থকা মোহ আদিৰ অন্ধকাৰো আঁতৰ হ'ব। তেতিয়া সেই বিজ্ঞানৰূপিণী বুদ্ধিয়ে আত্মানুভৱ ৰূপ পোহৰ পাই হৃদয়ৰ গৃহত প্ৰৱেশ কৰি জড়-চেতনৰ মাজত থকা গাঁঠিটো মুকলি কৰি দিব। ১। ২ ॥

যদি সেই গাঁঠি মুকলি কৰিব পাৰে, তেতিয়া সেই জীৱ কৃতাৰ্থ হয় ; কিন্তু হে পক্ষীৰাজ ! গাঁঠি খোলাৰ কথা গম পালেই মায়াই আকৌ অনেক বিঘিনি ঘটাবলৈ ধৰে। হে গৰুড় ! তেতিয়া মায়াই ঋদ্ধি-সিদ্ধিক পঠিয়াই দিয়ে ; সিহঁতে বুদ্ধিক বহুত লোভ দেখুৱায় আৰু নানা কলা, বল আৰু ছলনাৰ আশ্ৰয় লৈ ওচৰ চাপি গৈ নিজৰ আঁচলৰ বা দি সেই বন্তিগছ নুমুৱাই পেলায়। যদি বুদ্ধি চতুৰ হয়, তেনেহ'লে সি সেইবোৰক অহিতকৰ বুলি জানি সেইবোৰলৈ চকুকে নিদিয়ে। এইদৰে যদি মায়াৰ বিঘিনিবোৰে বুদ্ধিক ব্যাহত কৰিব নোৱাৰে, তেতিয়াও আকৌ দেৱতাসকলেই বিঘিনি ঘটায়। ১—৫ ॥

হৃদয়-মন্দিৰত ইন্দ্ৰিয়সমূহ বহুত দুৱাৰ-খিড়িকী থকাৰ দৰে আছে। সেই দুৱাৰ-খিড়িকীবোৰত দেৱতাসকলে আড্ডা পাতি বহি থাকে আৰু বিষয়ভোগৰ

বতাহ আহিলেই সেইবোৰ জোৰেৰে মেলি দিয়ে। যেতিয়া সেই প্ৰচণ্ড বায়ু ভিতৰত সোমায় তেতিয়াই তাৰ প্ৰভাৱত বিজ্ঞান-প্ৰদীপ নুমাই যায়। তেতিয়া গাঁঠিও খোলা নহয় আৰু সেই আত্মানুভৱৰ প্ৰকাশো নোহোৱা হৈ পৰে। বিষয়-ভোগৰ বতাহ লাগি বুদ্ধি বিকল হয়। ইন্দ্ৰিয়সমূহ আৰু অধিষ্ঠাতা দেৱতাসকলে জ্ঞান ভাল নাপায়, তেওঁলোকৰ সদায় বিষয়ভোগতহে প্ৰীতি। ইফালে বিষয়ৰ বতাহে বুদ্ধিক অস্থিৰ কৰি তোলে। এনে স্থলত তুনাই এই বিজ্ঞানৰ প্ৰদীপ কোনে জ্বলাব ? ৬—৮ ॥

দোঃ—এইদৰে বিজ্ঞান-প্ৰদীপ নুমাই যোৱাৰ পাছত জীৱই আকৌ অনেক প্ৰকাৰৰ সাংসাৰিক ক্লেশ ভোগে। হে পক্ষীৰাজ ! হৰিৰ মায়া অত্যন্ত দুস্তৰ, ইয়াৰপৰা সহজে নিস্তাৰ পাব নোৱাৰি। বিবেক জ্ঞানৰ কথা কোৱাও টান, বুজিবলৈকো টান আৰু তাৰ সাধনাও টান। যদি ঘুণাক্ষৰ ন্যায়ৰ দৰে (আকস্মিকভাৱে) কেনেবাকৈ এই জ্ঞান লাভো হয়, তথাপি তাক ৰক্ষা কৰাত বিঘিনি অনেক। ১১৮ (ক। খ) ॥

চৌঃ—জ্ঞান-মাৰ্গ কৃপাণৰ (দুধৰীয়া তৰোৱালৰ) ধাৰৰ নিচিনা। হে পক্ষীৰাজ ! এই পথৰপৰা স্খলন হ'বলৈ বেছি সময় নালাগে। যি এই বাটৰ বিঘিনি অতিক্ৰম কৰি যাব পাৰে, তেওঁহে কৈৱল্যৰূপ পৰমপদ লাভ কৰিব পাৰে। সন্তসকলে আৰু বেদ-পুৰাণ আদি শাস্ত্ৰই কৈৱল্যৰূপ পৰমপদ অতি দুৰ্লভ বুলি কৈছে ; কিন্তু হে স্বামী ! সেইহেন মোক্ষপদো ৰামক ভজিলে নিবিচৰাকৈয়ে নিজে আহি উপস্থিত হয়। ১। ২ ॥

হে পক্ষীৰাজ ! যেনেকৈ স্থল নোহোৱাকৈ জল থাকিব নোৱাৰে, সেইদৰে কোটি উপায় কৰিলেও, হৰিভক্তি নোহোৱাকৈ মোক্ষপদৰ সুখো লাভ কৰিব নোৱাৰে। ইয়াকে জানি চতুৰ হৰিভক্তসকলে ভক্তিৰ প্ৰতি প্ৰলুব্ধ হৈ মুক্তিকো অৱজ্ঞা কৰে। ভক্তি কৰিলে সংসাৰ চক্ৰৰ মূল অবিদ্যা বিনা যত্নে, বিনা কষ্টে, ঠিক সেইদৰেই নাশ পায়, যেনেদৰে তৃপ্তিৰ উদ্দেশ্যে কৰা ভোজনকো জঠৰাগ্নিয়ে পাক্ কৰি পেলায়। এনে সুগম আৰু পৰম সুখদায়ক হৰিভক্তিয়ে যাক নুৰুচে, তেনে মূৰ্খ কোন আছে ?

দোঃ—হে গৰুড় ! মই সেৱক আৰু ভগৱান সেৱ্যৰ যোগ্য স্বামী। এই ভাব গঢ় নল'লে সংসাৰ তৰিব নোৱাৰি। এনে সিদ্ধান্ত গ্ৰহণ কৰি ভগৱান ৰামৰ চৰণকমলত ভক্তি কৰক। যিজনে চেতনক জড় আৰু জড়ক চৈতন্য কৰিব পাৰে, সেইজন ৰঘুপতিক যি ভজে, তেওঁ ধন্য। ১১৯ (ক। খ) ॥

চৌঃ—মই জ্ঞানৰ সিদ্ধান্ত বুজাই ক'লোঁ ; এতিয়া ভক্তিৰূপী মণিৰ মহিমা শুনক। ৰামভক্তি সুন্দৰ চিন্তামণি। হে গৰুড় ! যাৰ হৃদয়ত এই মণি থাকে, সেইজন দিনে-ৰাতিয়ে পৰম প্ৰকাশস্বৰূপ হৈ পৰে। তেওঁক বন্তি, ঘিউ, শলিতা —এইবোৰ একোকে নালাগে। তদুপৰি মোহৰূপী দৰিদ্ৰতা তেওঁৰ ওচৰকে চাপিব নোৱাৰে। তদুপৰি লোভৰ বতাহেও এই মণিদীপ নুমুৱাব নোৱাৰে। ইয়াৰ পোহৰত অবিদ্যাৰ প্ৰবল অন্ধকাৰ আঁতৰি যায় আৰু মদ প্ৰভৃতি পতংগসমূহ ভাগৰি পৰে। যাৰ হৃদয়ত ভক্তি থাকে, কাম, ক্ৰোধ, লোভ আদি দুৰিত ভাৱবোৰ তেওঁৰ ওচৰলৈকে নাহে। তেওঁৰ বাবে বিহো অমৃত হয়, শত্ৰুও মিত্ৰ হয়। সেই মণিৰ অবিহনে কোনেও সুখ লাভ কৰিব নোৱাৰে। যিবোৰ ভয়ানক ভয়ানক মানসিক ৰোগৰ বশবৰ্তী হৈ জীৱসমূহে নানা কষ্ট ভোগ কৰে, সেইবোৰ ৰোগে ৰামভক্তিক বিকল কৰিব নোৱাৰে। ১—৪ ॥

ৰামভক্তিৰূপী মণি যাৰ হৃদয়ত থাকে, তেওঁৰ স্বপ্নতো আৰু লেশমানো কষ্ট হ'ব নোৱাৰে। যিজনে এই মণি লাভ কৰিবলৈ ভালকৈ যত্ন কৰে, তেৱেঁই প্ৰকৃততে চতুৰ শিৰোমণি। যদিও এই মণি জগতত প্ৰত্যক্ষ ৰূপেই আছে, তথাপি প্ৰভু ৰামৰ কৃপা নহ'লে, ইয়াক কোনেও লাভ কৰিব নোৱাৰে। ইফালে ইয়াক লাভ কৰাৰ সুগম উপায় আছে যদিও দুৰ্ভাগীয়া লোকে তালৈ অৱজ্ঞা কৰে। ৫। ৬ ॥

বেদ-পুৰাণসমূহ হৈছে পবিত্ৰ পৰ্বত, ৰামকথাসমূহ হৈছে সেই পৰ্বতত থকা সুন্দৰ খনি। সন্ত পুৰুষসকলেহে সেই খনিৰ ৰহস্য জানে। সুমতি এই খনিৰ বাবে কোৰ। হে গৰুড় ! জ্ঞান আৰু বৈৰাগ্যৰ চকুৰে এই খনিৰ বস্তু দেখা পায়। যিজনে ভাৱভক্তিৰে সৈতে ইয়াক বিচাৰি যায়, তেৱেঁই সমস্ত সুখৰ আকৰস্বৰূপ এই ৰত্ন লাভ কৰে। হে প্ৰভু ! মোৰ বিশ্বাস ৰামতকৈয়ো ৰামৰ সেৱক চৰাহে। ৭।৮ ॥

ৰাম হৈছে সমুদ্ৰ ; ধীৰ সজ্জনসকল মেঘ ; শ্ৰীহৰি হৈছে চন্দন গছ আৰু সন্তসকল বায়ু। এই সমস্ত সাধনৰ ফল হৈছে মনোৰম হৰিভক্তি। তাক সন্তসকলৰ বাহিৰে কোনেও লাভ কৰিব নোৱাৰে। এই কথা বিচাৰ কৰি চাই যিজনে সন্তসকলৰ সংগ লয়, হে গৰুড় ! তেওঁৰ কাৰণে ৰামভক্তি অতি সুলভ হৈ পৰে। ৯। ১০ ॥

দোঃ—ব্ৰহ্ম সমুদ্ৰস্বৰূপ আৰু জ্ঞানেই মন্দৰাচল ; সন্তসকলেই দেৱতা। তেওঁলোকে সমুদ্ৰ মন্থন কৰি ৰামকথাৰ অমৃত উলিয়াই লয়। এই অমৃততে

ভক্তিৰূপী মাধুৰ্য থাকে। বৈৰাগ্যৰ ঢালেৰে নিজক বচাই ৰাখি, জ্ঞানৰ খড়্গেৰে মদ, মোহ, লোভ আদি শত্ৰুবোৰ বধ কৰি যি জয়শ্ৰী লাভ কৰা যায়, সেয়া হৰিভক্তি। হে পক্ষীৰাজ! এইকথা আপুনি বিচাৰ কৰি চাব।" ১২০ (ক। খ) ॥

চৌঃ—পক্ষীৰাজ গৰুড়ে সপ্ৰেম ভাৱেৰে আকৌ ক'লে—"হে কৃপালু! যদি মোৰ প্ৰতি আপোনাৰ স্নেহ আছে, তেনেহ'লে হে নাথ! মোক আপোনাৰ সেৱক বুলি ভাবি মোৰ এই সাতোটা প্ৰশ্নৰ উত্তৰ বিশদভাৱে বুজাই কওক। ১ ॥

হে নাথ! হে ধীৰমতি! প্ৰথমতে, মোক এইকথা বুজাই কওক—কি শৰীৰ সকলোতকৈ দুৰ্লভ? দ্বিতীয়তে, সকলোতকৈ ডাঙৰ দুখ কি আৰু সকলোতকৈ ডাঙৰ সুখ কি? তাকো বিচাৰ কৰি সংক্ষেপতে কওক। আপুনি সন্ত আৰু অসন্তৰ স্বৰূপ বুজি পায়। তেওঁলোকৰো সহজ স্বভাৱৰ কথা বৰ্ণাই কওক। বেদাদি শাস্ত্ৰই কোনটো সকলোতকৈ মহৎ পুণ্য বুলি কৈছে আৰু কোনটো আটাইতকৈ ডাঙৰ পাপ বুলি কৈছে, এই কথাও আপুনি কওক। ২।৩ ॥

তাৰ পাছত মানসিক ৰোগবিলাকৰ কথা বুজাই কওক। আপুনি সৰ্বজ্ঞ, মোৰ প্ৰতি আপোনাৰ অপাৰ কৃপাও আছে।" [কাকভুশুণ্ডিয়ে ক'লে—] "হে বাপ! অতি শ্ৰদ্ধাৰে মন দি শুনক। মই এই নীতিৰ কথা চমু কৰি কৈছোঁ। ৪ ॥

নৰতনুৰ সমান কোনো শৰীৰ হ'ব নোৱাৰে। চৰাচৰ সকলো জীৱই ইয়াক পাবলৈ কামনা কৰে। এই নৰতনু নৰক, স্বৰ্গ আৰু মোক্ষৰ সোপান আৰু এই নৰতনুৱেই কল্যাণপ্ৰদ জ্ঞান, বৈৰাগ্য তথা ভক্তি প্ৰদায়ক। এনেকুৱা নৰতনু পায়ো যি হৰিক নভজে আৰু নীচতকৈয়ো নীচ বিষয়ত ৰত হয়, সি পৰশমণি পায়ো নিজহাতে দলিয়াই পেলাই, তাৰ পৰিবৰ্তে কাঁচৰ টুকুৰা বুটলি লয়। ৫। ৬ ॥

জগতত দৰিদ্ৰতাৰ নিচিনা দুখ নাই আৰু সন্তসকলৰ সংগতিৰ নিচিনা সুখ নাই। "হে পক্ষীৰাজ! মন, বচন আৰু কৰ্মেৰে পৰৰ হিতসাধন কৰাটোৱেই সন্তসকলৰ স্বভাৱ। তেওঁলোকে পৰৰ কল্যাণসাধনৰ কাৰণে নিজে দুখ সহ্য কৰে আৰু হতভাগীয়া অসন্তসকলে পৰক কষ্টহে দিয়ে। কৃপালু সন্তসকলে ভূৰ্জপত্ৰৰ গছৰ দৰে পৰৰ হিতৰ অৰ্থে অত্যন্ত বিপত্তি সহ্য কৰে। (ভূৰ্জপত্ৰৰ গছৰপৰা ছাল একৰাই লৈ তাত পুথি লিখা হয় বাবে এই উদাহৰণ দিয়া হৈছে) ৭।৮ ॥

দুষ্ট লোকে শন গছৰ দৰে লোক মেৰিয়াই বান্ধে আৰু তাকে কৰিবলৈ

ঘাঁহতে নিজৰ ছাল-বাকলি একৰাই বিপত্তি সহ্য কৰিবলগীয়া হয় বা মৃত্যুৰ মুখতো পৰিবলগীয়া হয়। হে সৰ্পনাশক! শুনক। দুষ্ট মানুহে সাপ আৰু নিগনিৰ দৰে অকাৰণতে লোকৰ অপকাৰ কৰে। খেতি নাশ কৰি বৰষুণৰ শিলবোৰ নিজেও নষ্ট হোৱাৰ নিচিনাকৈ দুষ্টবিলাকেও পৰৰ সম্পদ নাশ কৰি নিজে নষ্ট হৈ যায়। প্ৰসিদ্ধ অধম গ্ৰহ কেতুৰ উদয়ৰ দৰেই দুষ্টবিলাকৰ অভ্যুদয়ো জগতৰ দুখৰ কাৰণেহে হয়। ৯।১০ ॥

সন্তসকলৰ অভ্যুদয়, চন্দ্ৰ-সূৰ্যৰ উদয়ৰ দৰে সদায় বিশ্বৰ কাৰণে সুখদায়ক। অহিংসাই পৰম ধৰ্ম বুলি বেদত কথিত হৈছে। আনহাতে পৰনিন্দাৰ সমান পাপ নাই। শিৱ আৰু গুৰুৰ নিন্দা কৰা মানুহ পাছৰ জন্মত ভেকুলি হয়। সিহঁতে হেজাৰ জন্মত ভেকুলিৰ শৰীৰকেহে পায়। দ্বিজনিন্দুক মানুহ-বোৰেও বহুপ্ৰকাৰৰ নৰক ভুগি তাৰ পাছত কাউৰীৰ শৰীৰ লৈ জগতত আকৌ জন্ম পায়। ১১।১২ ॥

যিবোৰ অহংকাৰীলোকে দেৱতা আৰু বেদৰ নিন্দা কৰে, সেইবোৰ মানুহ ৰৌ-ৰৌ নৰকত পৰে। সন্তৰ নিন্দাত ৰত হোৱা মানুহবোৰে মোহৰ অন্ধকাৰ ৰাতিহে ভাল পায়; তেওঁলোকৰ জ্ঞান-সূৰ্য অস্তমিত হয়। গতিকে সেইবোৰ মানুহে ফেঁচাৰ জন্ম পায়। যি মূৰ্খ মানুহে সকলোকে নিন্দা কৰে, সি আকৌ বাদুলি হৈ জন্ম লাভ কৰে। হে বাপ্! এতিয়া মই মানসিক ৰোগৰ কথা কওঁ শুনক। এই মানসিক ৰোগৰপৰা সকলোৱেই সংসাৰত কষ্ট ভোগ কৰিছে। ১৩।১৪ ॥

সমস্ত ৰোগৰে মূল বস্তুটো হৈছে মোহ বা অজ্ঞতা। ইয়াৰপৰাই নানা প্ৰকাৰৰ কষ্টদায়ক শূলৰ উৎপত্তি হয়। কাম বাতৰোগ, লোভেই অপাৰ কফ, ক্ৰোধ হৈছে সদায় হৃদয়খন দহি থকা পিত্তৰোগ। যদি কেনেবাকৈ এই তিনিও ভাইৰ একত্ৰ প্ৰীতিভাব হ'ল; তেনেহ'লে, তাত দুখদায়ক সন্নিপাত ৰোগ উদ্ভৱ হ'ব। নানা দুষ্প্ৰাপ্য বস্তুৰ প্ৰতি যি অভিলাষ জন্মে, সেই অভিলাষেই নানা ৰোগস্বৰূপ শূল। সেই গোটেইবোৰৰ নাম কোনে জানে? মমতা খৰ, ঈৰ্ষা খজুৱতি, হৰ্ষ আৰু বিষাদ নানা তৰহৰ কণ্ঠৰোগ, পৰৰশ্ৰী সহিব নোৱাৰাটোৱেই হৈছে ক্ষয় বা যক্ষ্মৰোগ, মনৰ কুটিলতাই কুষ্ঠৰোগ। অহংকাৰ অত্যন্ত দুঃখদায়ক গঠিয়াবাত ৰোগ; দম্ভ, কপট, মদ আৰু মান নহকৰা ৰোগ*, তৃষ্ণা অতি ভয়ানক উদৰী ৰোগ। পুত্ৰ, ধন আৰু মান পাবলৈ

---

*নহকৰা বা নাৰু সাধাৰণতে গৰম দেশৰ এবিধ ৰোগ। শৰীৰৰ তল ভাগত সৰু সৰু খহুৰ নিচিনা হৈ তাৰপৰা সূতাৰ নিচিনা বগা বগা বস্তু ওলায়।

যিচৰা তিনি বিধ ইচ্ছাই হৈছে পালজ্বৰ। মাৎসৰ্য আৰু অবিবেকো আন দুবিধ জ্বৰ। এইবোৰৰ দৰে আৰু বহুত ভয়ানক ৰোগ-ব্যাধি হ'ব পাৰে, সেই গোটেইবোৰৰ নাম কিমান ক'ম? ১৫—১৯ ॥

দোঃ—এটা ৰোগেই মানুহ মাৰিব পাৰে। এনে স্থলত ইমানবোৰ ভয়ানক ৰোগ আছে। এইবোৰে জীৱটোক নানা তৰহৰ কষ্ট দি থাকে। এনে অৱস্থাত সমাধিৰ শান্তি কেনেকৈ লাভ কৰিব পাৰে? নীতি-নিয়ম ধৰ্মপালন, সদাচাৰ, তপ, জ্ঞান, যজ্ঞ জপ, দান আদি আৰু বহুত ঔষধ এই ব্যাধিসমূহৰ কাৰণে প্ৰয়োগ কৰে; কিন্তু হে গৰুড়! এইবোৰ ঔষধে ব্যাধি দূৰ কৰিব নোৱাৰে? ১২১ (ক্াথ)

চৌঃ—এইদৰে জগতৰ সকলো জীৱই ৰোগগ্ৰস্ত। শোক, ভয়, প্ৰীতি আৰু বিচ্ছেদৰ দুখেৰে সকলোৱেই দুখী। এইবোৰ মই কিছুমান মানসিক ৰোগৰ কথা ক'লোঁ। এনে ৰোগ সকলোৱেই হয় যদিও, অতি কম লোকেহে তাক চিনিব পাৰে। মানুহক কষ্ট দিয়া এই ৰোগবোৰ যেতিয়া চিনিব পৰা হয়, তেতিয়া সিইঁতৰ বল কিছু কমে, কিন্তু সম্পূৰ্ণ নিৰাময় নহয়। বিষয়ৰূপী কুপথ্য পালে যি ৰোগ মুনিসকলৰ হৃদয়তো গজি উঠে, সেই ৰোগৰ কাৰণে সামান্য মানুহনো আৰু কি বস্তু? ১২ ॥

ৰামৰ কৃপা হ'লে এনে সুযোগ ঘটিব পাৰে, যাৰ ফলত এই ৰোগবোৰ নাশ হয়। তাৰ বাবে সদগুৰুৰূপী বৈদ্যৰ বচনত বিশ্বাস ৰাখিব লাগিব; বিষয়ৰ আশা ত্যাগ কৰাই ইয়াত অপথ্যৰপৰা আঁতৰি থকা সংযম। ৰঘুপতিৰ ভক্তি সঞ্জীৱনী ঔষধ আৰু শ্ৰদ্ধাভাৱ তাৰ অনুপান। এইদৰে কেউটা বস্তু মিলিলেহে, ৰোগ নাশ হ'ব পাৰে, সেয়ে নহ'লে কোটি যত্ন কৰিলেও ফল নধৰে। ৩।৪ ॥

হে স্বামী! মনটোক তেতিয়াহে ৰোগমুক্ত বুলি বুজিব লাগিব, যেতিয়া হৃদয়ত বৈৰাগ প্ৰবল হৈ উঠিব; ক্ষুধাৰ দৰে সুমতিও বাঢ়িবলৈ ধৰিব আৰু বিষয়াসক্তিৰ দুৰ্বলতা কমি কমি নোহোৱা হ'ব। এইদৰে ৰোগমুক্ত হৈ যেতিয়া নিৰ্মল জ্ঞানৰ জলত স্নান কৰি ল'ব তেতিয়াহে তেওঁৰ মনত ৰামভক্তি ব্যাপ্ত হৈ পৰিব। শিৱ, ব্ৰহ্মা, শুকমুনি, নাৰদ আৰু সনকাদি মুনিসকলকে ধৰি যিসকল ব্ৰহ্মবিচাৰত নিপুণ লোক আছে, সেইসকলোৱে এনে মত যে— শ্ৰীৰামৰচৰণ কমলত ভক্তি কৰিব লাগে। শ্ৰুতি, পুৰাণ আদি শাস্ত্ৰসমূহেও ৰঘুপতিৰ ভক্তিৰ বাহিৰে অন্য সুখ নাই বুলি কৈছে। ৫—৭ ॥

কাছৰ পিঠিত নোম গজিব পাৰে, বাঁজী তিৰোতাৰ পুত্তেকে কাৰোবাক মাৰিব পাৰে, আকাশত নানা বিধৰ ফুল ফুলি উঠিব পাৰে ; কিন্তু হৰিৰ বিমুখ হৈ জীৱই কেতিয়াও সুখ লাভ কৰিব নোৱাৰে। মৰীচিকাৰ পানী খাই পিয়াহ গুচুৱাটো সম্ভৱ হ'ব পাৰে, শহাপহুৰ শিং গজিব পাৰে, আন্ধাৰে সূৰ্যটো নাশ কৰিব পাৰে ; কিন্তু ৰামৰ বিমুখ জনে কেতিয়াও সুখ লাভ কৰিব নোৱাৰে। বৰফৰপৰা জুই ওলোৱাটো সম্ভৱ হ'লেও ৰামবিমুখ হৈ সুখী হোৱাটো কাৰোবাৰে সম্ভৱ নহয়। ৮—১০ ॥

দোঃ—পানী মথিলে ঘিউ ওলাব পাৰে, বালি চেপিলে তেল ওলাব পাৰে ; কিন্তু হৰি-ভক্তিৰ অবিহনে তেতিয়াও সংসাৰ যে তৰিব নোৱাৰে সেইটো একেবাৰে নিশ্চিন্ত সিদ্ধান্ত। প্ৰভুৱে মহ এটাক ব্ৰহ্মা কৰিব পাৰে আৰু ব্ৰহ্মাক মহ এটাতকৈয়ো তুচ্ছ কৰি পেলাব পাৰে। ইয়াকে জানি চতুৰ লোকে শংকাভাব মনত নাৰাখি ৰামক ভক্তি কৰে। ১২২ (ক,খ) ॥

শ্লোকঃ—মই সুনিশ্চিতভাৱে আপোনাক কৈছোঁ, মোৰ বচনৰ অন্যথা নাই ; যি মানুহে হৰিক ভজে, তেওঁলোকে অতি দুস্তৰ সংসাৰো তৰিব পাৰে। ১২২ (গ) ॥

চৌঃ—হে নাথ ! মই হৰিৰ অনুপম চৰিত নিজৰ মতি অনুসৰি কেতিয়াবা সংক্ষেপে আৰু কেতিয়াবা বিস্তৃতৰূপে বৰ্ণনা কৰিলোঁ। হে গৰুড় ! বেদবো এয়ে সিদ্ধান্ত যে সমস্ত কাৰ্য পৰিহাৰ কৰি ৰামক ভজিব লাগে। ১ ॥

মোৰ নিচিনা মূৰ্খলৈকো যাৰ স্নেহভাব আছে, সেই প্ৰভু ৰঘুপতিক এৰি আৰু কাৰ সেৱা কৰিব লাগিছে ? হে নাথ ! আপুনি বিজ্ঞানস্বৰূপ। আপোনাৰ মন মোহমুক্ত, আপুনি মোক বৰ অনুগ্ৰহ কৰিলেহি। আপুনি শুকদেৱ, সনকাদি মুনি আৰু শিৱৰ মনতো ভাল লগা অতি পৱিত্ৰ ৰামকথা মোক সুধিলেহি। সংসাৰত একদণ্ড বা এটা পলৰ বাবেও সৎসংগ পাবলৈ টান। ২।৩ ॥

হে গৰুড় ! আপুনি নিজৰ মনতেই বিচাৰ কৰি চাওকচোন। মই যাক ৰামভক্তিৰ অধিকাৰী হ'বৰ যোগ্যনে ? মই পক্ষীসমূহৰ ভিতৰত সকলো প্ৰকাৰে অধম আৰু অপবিত্ৰ ; কিন্তু প্ৰভুৱে মোকো জগতকে পৱিত্ৰ কৰিব পৰা প্ৰসিদ্ধ কৰিলে। ৪ ॥

দোঃ—যদিও মই সকলো প্ৰকাৰে হীন, তথাপি আজি মই ধন্য হলোঁ, অত্যন্ত ধন্য হ'লোঁ ; কাৰণ ৰামে মোক নিজৰ সেৱক বুলি জানি সন্ত সমাগম ঘটাই দিলে। হে নাথ ! মই নিজৰ বুদ্ধি অনুসৰি যি পাৰোঁ ক'লোঁ, একো

কথা গোপন কৰা নাই॥ তথাপি ৰঘুপতিৰ চৰিত্ৰ সাগৰসদৃশ; তাৰ অন্ত কোনে পাব?" ১২৩ (কাখ)॥

চৌঃ—ৰামৰ বিবিধ শ্ৰেণীৰ গুণৰাশি স্মৰণ কৰি মৰ্মজ্ঞ ভকত ভুশুণ্ডিয়ে মনে মনে আনন্দ উপলব্ধি কৰিবলৈ ধৰিলে। যাৰ মহিমা বেদেও 'নেতি নেতি' বুলিহে গান কৰিছে; যাৰ বল, প্ৰতাপ আৰু প্ৰভুত্ব অতুলনীয়, বিজন ৰঘুপতিৰ চৰণ শিৱ আৰু ব্ৰহ্মাৰো পূজনীয়, সেইজনৰ যে মোৰ প্ৰতি কৃপা হৈছে, সেয়া তেওঁৰ পৰম কোমলতাৰ পৰিচায়ক। কাৰো স্বভাৱত এনে মৃদুতাৰ পৰিচয় দেখাও নাই, শুনাও নাই। হে খগেন্দ্ৰ! কওকচোন, "এই হেন ৰঘুপতিৰ নিচিনা আৰু কোন আছে বুলি মই ভাবিম? ১।২॥

সাধক, সিদ্ধ, জীৱন্মুক্ত, বিৰাগী, কবি, বিদ্বান, ৰহস্যবেত্তা, সন্ন্যাসী, যোগী, বীৰপুৰুষ, তপস্বী, জ্ঞানী, ধৰ্মপৰায়ণ, পণ্ডিত, বিজ্ঞানী (অনুভৱী) যেয়ে হওক লাগে, কোনেওবেই মোৰ প্ৰভু ৰামৰ সেৱা নকৰাকৈ তৰিব নোৱাৰে। মই, সেই প্ৰভু ৰামক বাৰম্বাৰ নমস্কাৰ কৰিছোঁ। যাৰ শৰণ গ্ৰহণ কৰিলত পাপৰ ভঁৰাল যেন মোৰ নিচিনা জনো শুদ্ধ হৈ পৰে, সেই অবিনাশী প্ৰভু ৰামক নমস্কাৰ কৰিছোঁ। ৩।৪॥

দোঃ—যাৰ নামেই ভৱৰোগৰ অব্যৰ্থ ঔষধ আৰু তিনিবিধ ভয়ানক পীড়া হৰণকাৰী, সেই কৃপাময় শ্ৰীৰাম আপোনাৰ প্ৰতি আৰু মোৰ প্ৰতিও সদায় প্ৰসন্ন হৈ থাকক। ভুশুণ্ডিৰ এনে শুভ বচন শুনি আৰু ৰামৰ চৰণত এনে ভক্তি দেখি, ইনিমধ্যে সন্দেহৰহিত হোৱা গৰুড়ে প্ৰেমভাৱেৰে এইবুলি ক'বলৈ ধৰিলে—১২৪ (ক'খ)॥

চৌঃ—ৰঘুপতিৰ ভক্তিৰসেৰে সানিপোৱা আপোনাৰ কথা শুনি মই কৃতকৃত্য হ'লোঁ। শ্ৰীৰামৰ চৰণত মোৰ নতুনকৈ প্ৰীতিভাৱ উপজিল আৰু মায়াজনিত বিপদৰপৰা হাত সাৰিলোঁ। মোহৰ সাগৰত বুৰি মৰিব লগীয়া অৱস্থাত আপুনি মোৰ কাৰণে জাহাজৰ দৰে হ'ল। হে নাথ! আপুনি মোক অনেক প্ৰকাৰে সুখী কৰিলে। মই তাৰ বাবে আপোনাৰ একো প্ৰত্যুপকাৰ কৰিব নোৱাৰোঁ। মই মাত্ৰ আপোনাৰ চৰণত বাৰম্বাৰ বন্দনাহে কৰিছোঁ। ১।২॥

আপুনি পূৰ্ণকাম আৰু ৰামৰ অনুৰাগী। হে বাপ! আপোনাৰ সমান ভাগ্যৱান আৰু কোনো নাই। সন্তসকল, বৃক্ষ, নদী, পৰ্বত আৰু পৃথিৱী—এই সকলোৰে কাৰ্যসমূহ পৰৰ হিত সাধনৰ উদ্দেশ্যে হয়। সাধুসকলে কয় যোলে সন্তসকলৰ হৃদয় মাখনৰ নিচিনা; কিন্তু তেওঁলোকে কথাটো ভালকৈ

ক'ব নাজানিলে। কিয়নো সাধন নিজে তাপ পাই পলিবলৈ ধৰে। তাৰ বিপৰীতে পৰম পৱিত্ৰ মনৰ সন্তসকল নিজে তাপিত নোহোৱাকৈ লোকৰ দুখ দেখিয়েই গলি যায়। ৩।৪॥

মোৰ জন্ম তথা জীৱন সফল হ'ল। আপোনাৰ কৃপাত মোৰ সকলো সন্দেহ দূৰ হ'ল। মোক সদায় নিজৰ কিংকৰ বুলি ধৰিব। [শিৱই ক'লে—] "হে উমা! পক্ষীশ্ৰেষ্ঠ গৰুড়ে এইদৰে বাৰে বাৰে ক'বলৈ ধৰিলে। ৫॥

দোঃ—ভূশুণ্ডিৰ চৰণত শ্ৰদ্ধা আৰু প্ৰেমেৰে সেৱা জনাই, হৃদয়ত ৰঘুপতিক স্থাপন কৰিবলৈ ধীৰমতি গৰুড় তাৰ পাছত বৈকুণ্ঠলৈ গ'ল। হে গিৰিজা! সন্তসমাগমৰ নিচিনা আন একোৱেই লাভ হ'ব নোৱাৰে; কিন্তু এই সন্তৰ সংগো হৰিৰ কৃপা নহ'লে লাভ নহয় বুলি বেদ আৰু পুৰাণে কৈছে। ১২৫ (কা০)

চৌঃ—মই এই পৰম পৱিত্ৰ ইতিহাস তোমাক কৈ শুনালো। এই ইতিহাস শুনিলে, সংসাৰ বন্ধন ছিন্ন হয়, জগতে প্ৰণতজনৰ কাৰণে কল্পতৰু স্বৰূপ, করুণাময় শ্ৰীৰামৰ চৰণ পংকজত ৰতি ওপজে। যিসকলে মনোযোগ দি এই কথা শুনে, তেওঁৰ মন বচন আৰু শৰীৰে কৰা কাৰ্যসমূহৰ সকলো পাপ নাশ হয়। যোগ, বৈৰাগ্য, জ্ঞানত নিপুণতা, বিবিধ, কৰ্ম, ধৰ্ম, ব্ৰত, দান, নানা প্ৰকাৰৰ সংযম, দম, তপ, জপ, যজ্ঞ, ভূতদয়া, গুৰু-ব্ৰাহ্মণৰ সেৱা, বিদ্যা, বিনয়, বিৱেকৰ শ্ৰেষ্ঠত্ব আৰু তীৰ্থযাত্ৰা আদি বিবিধ শ্ৰেণীৰ বিধানবোৰ সাধনৰ কথা বেদে কৈছে, সেইসকলোৰে ফল হৰিভক্তি কিন্তু শ্ৰুতিত বৰ্ণনা কৰা এই ভক্তি ৰামৰ কৃপাত ক'ৰবাত কেনেবাকৈ একোজনেহে লাভ কৰিব পাৰে। ১—৪॥

দোঃ—তথাপি যিসকলে বিশ্বাসেৰে সৈতে এই ৰাম কথা নিৰন্তৰ শ্ৰৱণ কৰি থাকে, তেওঁ অপ্ৰয়াসে মুনিবো দুৰ্লভ এই হৰিভক্তি লাভ কৰিব পাৰে। ১২৬॥

চৌঃ—যাৰ মন ৰামৰ চৰণত অনুৰক্ত, তেৱেঁই সৰ্বজ্ঞ, গুণী, জ্ঞানী; তেৱেঁই পৃথিৱীৰ ভূষণস্বৰূপ, পণ্ডিত আৰু দানী; তেৱেঁই ধৰ্মপৰায়ণ, কুলৰ ৰক্ষক, নীতিনিপুণ, পৰম চতুৰ, তেৱেঁই বেদৰ সিদ্ধান্ত ভালকৈ জানে। যি জনে ছল-চাতুৰী এৰি ৰঘুপতিক ভক্তি কৰে, তেৱেঁই কবি, বিদ্বান আৰু ৰণধীৰ বীৰো। ১২॥

সেই দেশ ধন্য, য'ত দেৱনদী গংগা আছে। সেই নাৰী ধন্য, যি পতিব্ৰতাৰ ধৰ্ম পালন কৰে। সেই ৰজা ধন্য, যি নীতি পালন কৰে।

সেই ব্ৰাহ্মণ ধন্য, যিজন স্বধৰ্মপৰা বিচলিত নহয়। সেই ধন ধন্য, যি ধন দানত খৰচ হয়। সেই বুদ্ধি ধন্য আৰু পৰিপক্ক, যি বুদ্ধি পুণ্যকাৰ্যত ৰত হৈ থাকে। সেই ক্ষণ ধন্য, যি ক্ষণত সৎসংগ লাভ হয় আৰু সেই জন্মহে ধন্য, য'ত দ্বিজৰ প্ৰতি অখণ্ড ভক্তি ভাব হয়। ৩।৪ ॥

দোঃ—হে উমা! শুনা। যিকুলত ৰঘুপতিৰ ভক্তিপৰায়ণ বিনম্ৰ জগতৰ পুৰুষৰ জন্ম হয়, সেই কুল ধন্য, পূজাৰ্হ আৰু পৰম পবিত্ৰ। ১২৭ ॥

চৌঃ—যদিও মই প্ৰথমতে গোপন কৰি থৈছিলোঁ, পাছত মোৰ বুদ্ধিয়ে ঢকি পায় মানে এই কথা যিমান পাৰোঁ মুকলি কৈ বৰ্ণনা কৰি ক'লোঁ। তোমাৰ মনত যেতিয়া মই অধিক প্ৰেম ভাব হোৱা দেখিবলৈ পালোঁ, তেতিয়াহে ৰঘুপতিৰ এই চৰিত তোমাক শুনালো। ধূৰ্ত, দুৰাগ্ৰহী আৰু হৰিকথা মন দি নুশুনা মানুহক এই কথা শুনাব নালাগে। লুভীয়া, খঙাল, কামাতুৰ আৰু চৰাচৰ জগতৰ স্বামী ৰামক ভক্তি কৰা মানুহকো এই কথা শুনাব নাপায়। ব্ৰাহ্মণৰ দ্ৰোহাচৰণ কৰা লোক দেৱৰাজ ইন্দ্ৰৰ সমতুল্য ৰজা হ'লেও এই কথা শুনিবৰ যোগ্য নহয়। যিসকলে সন্তৰ সংগ ভাল পায়, সেইসকল লোকহে ৰামকথা শুনিবৰ যোগ্য বা অধিকাৰী হয়। যাৰ গুৰুজনৰ চৰণত ৰতি আছে আৰু যি নীতিপৰায়ণ তথা ব্ৰাহ্মণৰ সেৱক, তেওঁলোকহে এই কথা শুনাৰ অধিকাৰী লোক। যিসকলৰ কাৰণে ৰঘুপতি প্ৰাণপ্ৰিয়, তেওঁলোকৰ বাবে এই ৰাম কথা বিশেষভাবে সুখদায়ক। ১—৪ ॥

দোঃ—যিজনে ৰামৰ চৰণত ভক্তি কামনা কৰে অথবা মোক্ষ বিচাৰে, তেওঁ ভাব ভক্তিৰে সৈতে এই ৰামকথা শ্ৰৱণ-পুটেৰে পান কৰক। ১২৮ ॥

চৌঃ—হে গিৰিজা! মই এই কলিমলনাশক আৰু মনৰ দোষ দূৰ কৰা ৰামকথাৰ বৰ্ণনা কৰিলোঁ। এই ৰামকথাত জন্ম মৰণৰূপী সংসাৰ ৰোগ নাশ কৰিবৰ কাৰণে সঞ্জীৱনী ঔষধ বুলি বেদ আৰু পণ্ডিতসকলে কৈছে। ইয়াত সাতোটা সুন্দৰ সোপান আছে। সেই সোপান ৰামভক্তি লাভৰ পথ। যাৰ প্ৰতি হৰিৰ অত্যন্ত কৃপা জন্মে, তেৱেঁই এই পথত খোজ দিবলৈ পায়। ১।২ ॥

যিজনে কপটভাব নৰখাকৈ এই ৰামকথা গায়, সেইজনৰ মনৰ কামনা পূৰ্ণ হয়। যি এই ৰামকথা কয়, শুনে আৰু প্ৰশংসা কৰে, তেওঁ এই সংসাৰ সাগৰখন গোখোজৰ (গৰুৰ খুৰাৰ হেঁচাত হোৱা গাঁতৰ) দৰে সহজে পাৰ হৈ যায়।" এই গোটেইখিনি কথা শুনি পাৰ্বতীৰ মনত বৰ আনন্দ লাগিল। তেতিয়া

তেওঁ এই বুলি সুন্দৰ মাতেৰে ক'লে—"স্বামীৰ কৃপাত মোৰ মনৰ সন্দেহ দূৰ হ'ল আৰু ৰামৰ চৰণতো নতুনকৈ ভক্তিভাৱ উপজিল। ৩৮॥

দোঃ—হে বিশ্বনাথ! আপোনাৰ কৃপাতেই মই কৃতকৃত্য হ'লোঁ। মোৰ মনত সুদৃঢ় ৰামভক্তি উপজিছে আৰু সকলো প্ৰকাৰৰ ক্লেশো দূৰ হৈছে।" ১২৯॥

চৌঃ—শম্ভু আৰু উমাৰ এই কল্যাণকৰ কথোপকথন সুখদায়ক আৰু শোকনাশক। ই সংসাৰ ভয় ভঞ্জনকাৰী, সন্দেহনাশক, ভক্তৰ বাবে আনন্দপ্ৰদ আৰু সজ্জনসকলৰ বাবে প্ৰীতিজনক। জগতত বিমমল ৰামৰ উপাসক আছে, তেওঁলোকৰ কাৰণে এই ৰামকথাৰ সমান প্ৰিয় একো বস্তুৱেই নাই। ৰঘুপতিৰ কৃপাত মই এই সুন্দৰ আৰু পাৱন চৰিত নিজৰ বুদ্ধি অনুসৰি গালোঁ। ১।২॥

এই কলিকালত যোগ, যজ্ঞ, তপ, জপ, ব্ৰত, পূজা আদি অন্য একো সাধনেই নাই; কেৱল ৰামক স্মৰণ কৰা, ৰামৰ গুণ কীৰ্তন কৰা আৰু শ্ৰৱণ কৰাটোৱেই একমাত্ৰ উপায়। পতিতক পৱিত্ৰ কৰাটোৱেই যাৰ নীতি বুলি বেদ, কৱি, সন্ত আৰু পুৰাণসমূহৰ মাজত খ্যাতি আছে। হেৰ মন! তেওঁকেই তই সকলো কুটিলতা ত্যাগ কৰি ভক্তি কৰ। শ্ৰীৰামক ভক্তি কৰি কোনেনো পৰমগতি লাভ কৰা নাই? ৩।৪॥

ছঃ—হেৰ মূৰ্খ মন। শুন। পতিত-পাৱন ৰামক ভজি কোনে পৰম-গতি পোৱা নাই? বেশ্যা, অজামিল, ব্যাধ, শগুণ, হাতী আদি বহুত দুষ্টক তেওঁ উদ্ধাৰ কৰিছে। আভীৰ, যৱন, কিৰাত, খচ, চণ্ডাল আদি পাপী লোকো মাত্ৰ এবাৰ যাৰ নাম লৈ পৱিত্ৰ হয়, সেই শ্ৰীৰামক মই নমস্কাৰ কৰিছোঁ। ১॥

যিলোকে ৰঘুবংশৰ ভূষণ শ্ৰীৰামৰ এই চৰিত কয়, শুনে আৰু কীৰ্তন কৰে, কলিমল আৰু মনৰ কলুষ-কালিমা ধুই লৈ বিনা পৰিশ্ৰমে ৰামৰ পৰমধামলৈ গতি কৰে। আনহে নালাগে, যি মানুহে এই ৰামচৰিত পাঁচোটা বা সাতোটা চৌপাঈ মনোৰম বুলি অন্তৰত ঠাই দি ৰাখি লয়, তেওঁৰো পাঁচ প্ৰকাৰৰ অবিদ্যা-জনিত দাৰুণ ক্লেশদায়ক বিকাৰ ৰঘুনাথ ৰামে হৰণ কৰে। ২॥

সুন্দৰ, সুজান, কৃপানিধি আৰু অনাথৰ নাথ একমাত্ৰ ৰামহে। তেওঁৰ দৰে নিষ্কাম, হিতসাধক আৰু মোক্ষদান কৰোঁতা আন কোন আছে? তেওঁৰ কিঞ্চিৎ কৃপাৰ বলতে মন্দবুদ্ধিৰ এই তুলসীদাসেও পৰম শান্তি লাভ কৰিছে। সেই শ্ৰীৰামৰ নিচিনা প্ৰভু আৰু ক'তো নাই। ৩॥

দোঃ—হে ৰঘুবীৰ! মোৰ সমান আৰু কোনো দীন নাই আৰু তোমাৰ সমান কোনোৱেই দীনজনৰ হিতসাধন কৰোঁতা নাই। হে ৰঘু-বংশৰ মণি! এই কথা ভাবি-গুণি চাই তুমি মোৰ ভৱভয় দূৰ কৰা। স্ত্ৰী যিদৰে কামীজনৰ প্ৰিয় হয়, ধন যি দৰে লোভী (কৃপণ) মানুহৰ কাৰণে অতি প্ৰিয় হয়, হে ৰঘুনাথ ৰাম। তুমিও যেন মোৰ কাৰণে তেনেদৰেই প্ৰিয় হৈ থাকা। ১৩০ (কাথ)

শ্লোকঃ—শ্ৰেষ্ঠ কবি প্ৰভু শংকৰে প্ৰথমতে শ্ৰীৰামৰ পাদপংকজত নিৰন্তৰ ভক্তি দৃঢ় হ'বৰ কাৰণে যি দুৰ্লভ ৰামায়ণ ৰচনা কৰিলে, সেই ৰামচৰিত মানস ৰঘুনাথৰ নামত একান্ত ৰত বুলি ধৰি লৈ নিজৰ অন্তঃকৰণৰ অন্ধকাৰ দুৰ কৰিবৰ উদ্দেশ্যে তুলসীদাসে তাক লোকভাষাত ৰচনা কৰিলে। ১॥

এই ৰামচৰিত মানস পুণ্যস্বৰূপ, পাপনাশক, সদাকল্যাণকৰ, বিজ্ঞান আৰু ভক্তি প্ৰদানকাৰী, মায়া, মোহ আৰু মলনাশক, সুবিমল প্ৰেমজলেৰে পৰিপূৰ্ণ মংগলময়। যিসকলে ভক্তিৰে সৈতে এই মানস সৰোবৰত স্নান কৰে, তেওঁলোক সংসাৰৰূপী সূৰ্যৰ প্ৰচণ্ড তাপত সন্তপ্ত নহয়। ২॥

॥ গোস্বামী তুলসীদাস বিৰচিত শ্ৰীমদ্‌ৰামচৰিত মানস সমাপ্ত ॥